
# মোৰ সোঁৱৰণী

পদ্মনাথ গোহাঞিবৰুৱা



অসম প্ৰকাশন পৰিষদ

মোৰ সোঁৱৰণী

# মোৰ সোঁৱৰণী

পদ্মনাথ গোহাঞিবৰুৱা

**অসম প্ৰকাশন পৰিষদ**
গুৱাহাটী-৭৮১০২১

# সূচীপত্ৰ


| সৰ্গ | বিষয় | পৃষ্ঠা |
|---|---|---|
| প্ৰথম সৰ্গ | ... | ১ |
| দ্বিতীয় সৰ্গ | ফলি-লোৰা | ৮ |
| তৃতীয় সৰ্গ | কলিকতা যাত্ৰা | ২০ |
| চতুৰ্থ সৰ্গ | কলিকতীয়া কাল | ২৭ |
| পঞ্চম সৰ্গ | কংগ্ৰেচ প্ৰথম দৰ্শন··· | ৩৫ |
| ষষ্ঠ সৰ্গ | জাতীয় উন্নতি সাধনা | ৪৬ |
| সপ্তম সৰ্গ | চাকৰীয়া জীৱনৰ আৰম্ভণ | ৫৪ |
| অষ্টম সৰ্গ | মোৰ বিয়া | ৬৮ |
| নৱম সৰ্গ | ওলটা যাত্ৰা | ৭৭ |
| দশম সৰ্গ | তেজপুৰ যাত্ৰা | ৮১ |
| একাদশ সৰ্গ | তেজপুৰীয়া জীৱন আৰম্ভণ | ৮৬ |
| দ্বাদশ সৰ্গ | বঙ্গাল খেদোৱা পদ্মনাথ | ৯২ |
| ত্ৰয়োদশ সৰ্গ | মঙ্গলদৈত তহচিলদাৰী | ৯৬ |
| চতুৰ্দশ সৰ্গ | অসম চেণ্ট্ৰল প্ৰেছ | ১০৩ |
| পঞ্চদশ সৰ্গ | 'মহাৰাণী' প্ৰণয়ন | ১০৮ |
| ষোড়শ সৰ্গ | ৰেভাৰেণ্ড মিঃ এন্দেলৰে সৈতে সখিত্ব | ১১৭ |
| সপ্তদশ সৰ্গ | প্ৰথমা ভাৰ্যা বিয়োগ | ১২০ |
| অষ্টাদশ সৰ্গ | বাইদেও বিয়োগ | ১২৩ |
| উনবিংশ সৰ্গ | সেই কথাটি | ১২৮ |
| বিংশ সৰ্গ | দ্বিতীয় ভাৰ্যা পৰিগ্ৰহণ | ১৩২ |
| একবিংশ সৰ্গ | 'জুৰণি' প্ৰচাৰ | ১৩৫ |
| দ্বাবিংশ সৰ্গ | সন্তানৰ মুখ দৰ্শন | ১৪০ |
| ত্ৰয়োবিংশ সৰ্গ | তেজপুৰ অ. ভা. উ. সা. সভাৰ নামঘৰ প্ৰতিষ্ঠা | ১৪২ |
| চতুৰ্বিংশ সৰ্গ | জব্বলপুৰ যাত্ৰা | ১৪৯ |
| পঞ্চবিংশ সৰ্গ | আদবাঙ্গী ৰহস্য | ১৫৪ |
| ষড়বিংশ সৰ্গ | 'দেশী কছৰৎ' শিক্ষাৰ আৰম্ভণ | ১৬০ |
| সপ্তবিংশ সৰ্গ | নৰ্মাল স্কুল উচ্ছন্ন | ১৬৬ |
| অষ্টবিংশ সৰ্গ | 'বস্তি'ৰ বাব অকলশৰীয়াকৈ | ১৭১ |
| উনত্ৰিংশ সৰ্গ | জোলোঙা জোকাৰণি | ১৭৭ |

| সৰ্গ | বিষয় | পৃষ্ঠা |
| --- | --- | --- |
| ত্ৰিংশ সৰ্গ | বিশ্ববিদ্যালয়ৰ পঞ্জকাৰ আৰু পৰীক্ষক | ১৮১ |
| একত্ৰিংশ সৰ্গ | 'ঊষা' প্ৰচাৰ | ১৮৭ |
| দ্বাত্ৰিংশ সৰ্গ | 'হিন্দু বুৰঞ্জী' | ১৮৯ |
| ত্ৰয়োত্ৰিংশ সৰ্গ | পিতৃ বিয়োগ | ১৯১ |
| চতুস্ত্ৰিংশ সৰ্গ | ৰাজনৈতিক ক্ষেত্ৰত প্ৰৱেশ | ১৯৭ |
| পঞ্চত্ৰিংশ সৰ্গ | ... | ২০১ |
| ষট্‌ত্ৰিংশ সৰ্গ | পোন প্ৰথম কাউন্সিল অভিভাষণ | ২০৫ |
| সপ্তত্ৰিংশ সৰ্গ | তেজপুৰত পানীকল | ২০৮ |
| অষ্টত্ৰিংশ সৰ্গ | ব্যয় সঙ্কোচ সন্মিলনী | ২১১ |
| ঊনচত্বাৰিংশ সৰ্গ | পোন প্ৰথম কন্যাদান | ২১৫ |
| চত্বাৰিংশ সৰ্গ | 'চাউল বৰো কমিটি' | ২১৯ |
| একচত্বাৰিংশ সৰ্গ | সাংঘাতিক টান নৰিয়া | ২২৬ |
| দ্বাচত্বাৰিংশ সৰ্গ | ... | ২৩২ |
| ত্ৰয়োচত্বাৰিংশ সৰ্গ | লক্ষীমপুৰীয়া ৰাইজৰ অভিনন্দন | ২৩৬ |
| চতুশ্চত্বাৰিংশ সৰ্গ | 'ৰায়চাহাব' খিতাপ | ২৪০ |
| পঞ্চচত্বাৰিংশ সৰ্গ | পোন প্ৰথম সৰ্বসাধাৰণ কাউন্সিল নিৰ্বাচন | ২৪৩ |
| ষট্‌চত্বাৰিংশ সৰ্গ | তেজপুৰ অসমীয়া ক্লাব | ২৫০ |
| সপ্তচত্বাৰিংশ সৰ্গ | অসম এছোচিয়েশ্যনৰ বছৰেকীয়া ১৭শ অধিবেশন | ২৫৭ |
| অষ্টচত্বাৰিংশ সৰ্গ | ৰিফৰ্ম অসম কাউন্সিলৰ পোন প্ৰথম বৈঠক | ২৬৩ |
| ঊনপঞ্চাশত্তম সৰ্গ | অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ | ২৬৯ |
| পঞ্চাশত্তম সৰ্গ | মিউনিচিপাল চেয়াৰমেন | ২৭৫ |
| একপঞ্চাশত্তম সৰ্গ | ডটি চেনেহৰ ভাগিন বিয়োগ | ২৮৭ |
| দ্বিপঞ্চাশত্তম সৰ্গ | পুত্ৰ লাভ | ২৯৪ |
| ত্ৰিপঞ্চাশত্তম সৰ্গ | পুনৰপি সাহিত্য ক্ষেত্ৰত | ১৯৮ |
| চতুপঞ্চাশত্তম সৰ্গ | সদৌ শেহৰবাৰ মাতৃচৰণ দৰ্শন | ৩১৮ |
| পঞ্চপঞ্চাশত্তম সৰ্গ | অসম সাহিত্যিক সন্মিলনীৰ গুৱাহাটী বৈঠক | ৩২৪ |
| ষট্‌পঞ্চাশত্তম সৰ্গ | হাইকোৰ্টত সাংঘাতিক গোচৰ | ৩৩১ |
| সপ্তপঞ্চাশত্তম সৰ্গ | অসমত কংগ্ৰেছ | ৩৩৬ |

# মোৰ সোঁৱৰণী

## প্ৰথম সৰ্গ

মোৰ সোঁৱৰণীৰ আঁতি-গুৰি মোৰ স্বৰ্গীয়া এনাইদেউতা। তেওঁৰ কথা জিলমিলকৈ মোৰ মনত পৰে। তেওঁ শাওঁবৰণীয়া, ওখ আৰু লাহী আছিল যেন মনে ধৰে। চকুযুৰিলৈ মনত পেলাই চালে অনুমান হয় যে তেওঁ এগৰাকী তেজস্বিনী আৰু বুদ্ধিমতী নাৰী আছিল। মানৰ দিনত এনাইদেউতা পাট-গাভৰু আছিল বুলি তেওঁৰ সমবয়সীয়া বুঢ়া-বুঢ়ী মানুহৰ মুখে শুনিছিলো। মানে হেনো তেওঁক ঘৰত অকলশৰে পাই খুটাত বান্ধি শুংলগা বাঁহগাজেৰে মৰিয়াই মৰা-মুছাকৈ এৰি যায়; তথাপি দেউতাকে পুতি থোৱা ধন-বস্তু তেওঁ দেখুৱাই নিদিলে। মাতৃ ফৈদীয়া পুথাওদেউতা ৰঙা কোঁৱৰ (এনাইদেউতাৰ স্বামী) অকালত ঢুকুৱাত এনাইদেউতাই দুটি জীয়েক আৰু তিনিটি পুতেকক বহু প্ৰবন্ধেৰে ডাঙৰ-দীঘল কৰে। জীয়েক দুটিয়েই মোৰ "আই" আৰু "সৰু আই"। মোৰ পিতৃদেউতা ৺ঘিণাৰাম বুঢ়াগোহাঞি বৰুৱা ৰংপুৰৰ (এতিয়া শিৱসাগৰ) জাঁজিৰপৰা আহি উত্তৰ লক্ষীমপুৰত থিতাপিত হোৱাৰ পিছত, তেওঁ পোন-প্ৰথমে আইক (এনাই আৰু পুথাওদেউতাৰ বৰ জীয়েক) বিয়া কৰায়। তাৰ বছৰ চেৰেকৰ পিছত সৰু আইক বিয়া কৰায় (এনাইদেউতা আৰু পুথাওদেউতাৰ সৰু জীয়েক)। মই সৰু আইৰ চতুৰ্থ সন্তান।

আইৰ কথা মোৰ ভালকৈয়ে মনত পৰে। মোৰ শিশুকালতে তেওঁ ঢুকায়, তথাপি তেওঁৰ আকৃতি-প্ৰকৃতিৰ বিষয়ে মই স্বল্পকৈ কব পাৰোঁ। তেওঁ ৰাঙলী, ওখ আৰু লাহী আছিল। তেওঁ আজলী কোমলমতীয়া আৰু ঢিলা বান্ধৰ তিৰোতা আছিল। কিহবাত খুন্দা খাই আইৰ বাওঁভৰিৰ নাকডেওনাত ঘা লাগি শুকাই এটা চিন-বৈছিল; সেই চিনটি এতিয়াও মোৰ মনত পৰে। এইখিনিৰেপৰা মোৰ সোঁৱৰণী-সোঁত, চিৰচিৰীয়া যদিও, নিছিগা ধাৰেৰে ববলৈ ধৰে।

এনাইদেউতা আৰু আইক দেখাহে মনত পৰে। সিবিলাকৰ মৰণৰ কথা মোৰ মনত নপৰে। আচলতে মৰণনো কি, বোধকৰোঁ, তেতিয়া মোৰ বোধেই নহৈছিল। কিন্তু, আইৰ পঞ্চম সন্তান, মোৰ সমনীয়া ৺ভদ্ৰসেন ককাইদেউৰ মৰণৰ কথা মোৰ অলপ-অচৰপ মনত পৰে। তেওঁৰ সেই অকাল বিয়োগৰপৰা মোৰ জ্ঞান হ'ল যে মানুহ নৰিয়া পৰি মৰে; মৰিলে নেদেখা হয়। এওঁতকৈ অলপ আগেয়ে সৰু আইৰ পঞ্চম সন্তান, মোৰ সহোদৰা ভনী এটিৰ কেঁচুৱাতে মৰণ হোৱা মোৰ জিলমিলকৈ মনত পৰে। এই দুটি মৰণ দেখিলোঁ, কিন্তু সেই বাবে মই শোক-বেজাৰ কৰাৰ কথা কব নোৱাৰোঁ, মাথোন, ৺ভদ্ৰ ককাইদেউৰ লগ হেৰুৱাই মনত বিষাদ লগা যেন গম পাইছিলোঁ। মৰণত পোন প্ৰথমে মই বেজাৰ পাওঁ সৰু আইৰ অষ্টম সন্তান, মোৰ চেনে-হৰ সহোদৰ ভাইটি ৺হলিৰামৰ অকাল মৃত্যুত। চকুৰে-চকুৰে চাই থাকোতেই চকুৰ আগতে

মানুহ মৰা দেখাও মোৰ জীৱনত সেয়ে প্ৰথম। ৺হলিৰাম সৰু আইৰ কোলাত ঢুকাওঁতে জীৱ বাজ হবৰ বেলিকা মই তাৰ চকুলৈ চাই আছিলো, চকু দুটি কলৃটিমৰাৰ ঠগতে বল !

## জন্ম পত্ৰিকা বা সোঁৱৰণী

৺ঘিণাৰাম গোহাঞিবৰুৱা দেউতা আৰু ৺লন্তী দেৱী আইতাৰ পৰম পবিত্ৰ মিলনৰ ফল স্বৰূপে উত্তৰ লক্ষীমপুৰৰ নকাৰী মৌজাৰ নকাৰী গাঁৱঁৰ ১৭৯৩ শকৰ ২৯ আঘোণ মঙ্গলবাৰে মাজ নিশা মোৰ জন্ম বুলি মোৰ সোঁৱৰণী বা জন্ম পত্ৰিকাত লিখা আছে ; তাতে কন্যা-ৰাশিস্থিত শ্ৰীপদ্মনাথ বুলি মোৰ নামকৰণ লিপিবদ্ধ হৈছে।

## পিতৃ-মাতৃ

মোৰ ৺পিতৃদেউতাৰ জন্মস্থান পুৰণি ৰংপুৰ চহৰৰ জাঁজি অঞ্চলৰ জকাইচুক মৌজাৰ শিমলুগুৰি গাওঁ। তেওঁ থাওকুৰু বুঢ়াগোহাঞি ডাঙৰীয়াৰ দ্বিতীয় পুত্ৰ, মৰাণ ডেকাবৰুৱা ফৈদৰ মূল মানুহ, ৺কুন্‌কাই ( ওৰফে বকুল ) গোহাঞিবৰুৱাৰ সদৌশেহতীয়া বংশধৰ। পিতৃদেউতা চেমনীয়া কালতে ঘটনাচক্ৰত উত্তৰ লক্ষীমপুৰলৈ আহি থিতাপি লয়। সেই মহকুমাতে তেওঁ ৪ টকীয়া দৰ্মহাৰপৰা আৰম্ভ কৰি বিবিধ চৰকাৰী চাকৰিত সুখ্যাতি লাভ কৰে। সদৌশেহত মোৰ জন্ম শকত তেওঁ মৌজাদাৰ বিষয়া হয়। আৰু, অন্তিম কাললৈকে বৰ প্ৰতিপত্তিৰে সৈতে সেই মৌজাদাৰী বিষয়-বাব ভোগ কৰি ১৮২৯ শকৰ ৺শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিত ৮৩ বছৰীয়া বয়সত মোৰ পিতৃদেউতা স্বৰ্গী হয়। মোৰ ৺মাতৃদেৱী কোঁৱৰ বংশজ নেওগ ফুকনৰ ঘৰৰ জীয়াৰী। এখেতৰ আঁতি-গুৰিৰ বিষয়ে ওপৰতে উনুকিয়াই অহা হৈছে। ১৮৪৭ শকৰ ৺শ্ৰীশ্ৰীসৰস্বতী পূজাৰ দিনা শ্ৰীপঞ্চমী তিথিত, ৯১ বছৰীয়া বয়সত মোৰ মাতৃদেৱী স্বৰ্গী হয়।

## আমাৰ আগৰ পৰিয়াল

মোৰ ভালকৈ মনত পৰালৈকে মোমাইদেউ তিনি গৰাকী আমাৰ সৈতে একেলগে একেটা চৰুতে খোৱা একেটা পৰিয়ালৰ ভিতৰ হৈ আছিল। তেতিয়া সদৌমুলি আমি ডেৰকুৰিমান মানুহ একেটা চৰুতে খোৱা এটি আনন্দময় পৰিয়াল হৈ আছিলোঁ। সেই চৰুৰ গৰাকিনী আৰু ভাই-বোৱাৰীহঁতৰ ওপৰত কৰ্তৃত্ব চলোৱা শাহু আছিল মোৰ "সৰু আই" আৰু সেই পৰিয়ালৰ মূল মানুহ আছিল মোৰ দেউতা। বৰ মোমাইদেউ আৰু মাজিউ মোমাইদেৱৰ বিয়া মোৰ জন্মৰ পূৰ্বেই হৈছিল ; সৰু মোমাইদেৱৰ বিয়াৰ কথা অলপ-অচৰপ মোৰ মনত পৰে। কালত ল'ৰা-ছোৱালীৰে সৈতে সিবিলাকৰ সুকীয়া সুকীয়া পৰিয়াল শকত হৈ উঠাত, মোৰ দেউতাই সিবিলাকক বেলেগাই ঘৰ-বাৰী কৰাই দি, তিনিওকো তিনি ঠাইত, সুকীয়া সুকীয়াকৈ পাতিলে।

## বংশ-আঁতিগুৰি

সিমানলৈকে মোৰ পিতৃদেউতাৰ ওপৰে আমাৰ উপৰি-পুৰুষৰ বিষয়ে মই ভালকৈ জনা নৌ হওঁ। মাথোন, মাজে সময়ে জাঁজিৰপৰা কানুৰাম গোহাঞিবৰুৱা নিচাওদেৱ আমাৰ

ঘৰলৈ আহিলে আমি সপৰিয়ালে আনন্দ উপভোগ কৰাৰ ছেগত মই বিশেষকৈ উৰুলিকৃত হোৱা মোৰ মনত পৰে। এখেত নিচাওদেৱ মোৰ পিতৃদেউতাৰ সহোদৰ অগ্ৰজ। পিছলৈ জাঁজিৰপৰা আমাৰ বংশীয় কুটুম্বাদি আমাৰ ঘৰলৈ সঘনে অহা মোৰ ঘনাই মনত পৰে। সিবিলাকৰ ভিতৰত ৺জয়ৰাম বুঢ়াগোহাঞি পুথাওদেউতা আৰু ৺মেধি গোহাঞিবৰুৱা পুথাওদেউতাই অহা-যোৱা কৰাৰ কথা মই ভালকৈ কব পাৰোঁ। ইবিলাক দুয়ো গৰাকী মোৰ দেউতাৰ দদাইদেৱাক হয়। 'মেধি' পুথাওদেউতা তিপমীয়া গোহাঞিবৰুৱাৰ নাতি। এখেতৰপৰাই মই পোন প্ৰথমে আমাৰ বংশাৱলীৰ বিষয়ে আভাস পাওঁ। তেতিয়া মই মজলীয়া ছাত্ৰবৃত্তি স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ। মোৰ দেউতাৰ অনুৰোধ মতে, এখেতে নিচেই শেহৰবাৰ আমাৰ ঘৰলৈ আহোঁতে আমাৰ বংশাৱলীৰ যিখন সাঁচিপতীয়া পুথি লৈ আহিছিল, তাৰ পৰা মই এটি বংশাৱলী টোকা ধৰি ৰাখিছিলো। তাৰ দুকুৰিমান বছৰৰ পিছত ইং ১৯১৭ চনৰ ডিচেম্বৰ মাহৰ শেহ সপ্তাহত, মই শিৱসাগৰত বহা "সদৌ অসম সাহিত্য সন্মিলনী"ৰ পোন প্ৰথম বৈঠকত সভাপতিৰ বাব লবলৈ যাওঁতে, ইং ১৯১৮ চনৰ ৩ জানুৱাৰী দেওবাৰে দিলিহি গোহাঞি গাৱঁত ৺তীৰ্থেশ্বৰ গোহাঞি ফুকন ডাঙৰীয়াৰ সভাপতিত্বত, বুঢ়াগোহাঞি বংশধৰসকলে পতা "বুঢ়াগোহাঞি বংশাৱলী সবাহ" বিপুল ব্যৱস্থাৰে পতা হয়। সেই বিৰাট বংশাৱলী সভাত দুকুৰিমান বুঢ়াগোহাঞি বংশৰ ঘাই ঘাই গৃহস্থ প্ৰতিনিধিৰে সৈতে দুহেজাৰমান স্থানীয় আৰু দূৰণিবটীয়া আহোম জ্ঞাতিবৰ্গ সমবেত হৈছিল। সেইদিনাই দুপৰীয়া শিৱসাগৰ গৱৰ্ণমেণ্ট হাইস্কুল ঘৰত, যি ঘৰত পঢ়ি মোৰ ছাত্ৰ-জীৱনৰ মাজছোৱা পাৰ কৰিছিলোঁ,—দীঘলীয়া মাজৰ 'হল'টোত, সেই সাময়িক সেই স্কুলৰ হেড্‌মাষ্টৰ পণ্ডিত শ্ৰীযুত লক্ষ্মীনাথ শৰ্মা এম, এ দেৱৰ যত্নত, আৰু তেওঁৰে সভাপতিত্বত, মোক অভ্যৰ্থনা কৰি সন্মানিত কৰিবলৈ বুলি এখন বিশেষ সভা বহিছিল। সেই সভাৰ সৰল অভিনন্দন মই বিনম্ৰভাৱে গ্ৰহণ কৰি, এটি কৃতজ্ঞতাসূচক চমু বক্তৃতা দি পৰম প্ৰীতি লাভ কৰিছিলোঁ। তাৰ পিছত, তাৰেপৰা বাজে বাজে ৺তীৰ্থেশ্বৰ গোহাঞি ফুকন ডাঙৰীয়াই মোক বাগীত তুলি লৈ, দিলিহি গোহাঞি গাৱঁৰ আহোম নামঘৰত উপস্থিত কৰালেগৈ। নামঘৰৰ দীঘলী পদূলিমুৰৰপৰা ৰাইজে গায়নে-বায়নে আদৰি নি মোক নিৰূপিত আসনত বহুৱালেগৈ। তাৰ পিছত শ্ৰীযুত মুক্তানাথ বুঢ়াগোহাঞিদেৱে উদ্বোধন কাৰ্য সমাপন কৰাৰ পিছত, সভাপতি ডাঙৰীয়াৰ অনুজ্ঞা অনুসৰি এটি বক্তৃতা দি, সমবেত জ্ঞাতি ৰাইজৰ আশীৰ্বাদ শিৰত ললোঁ। তাৰ পিছৰপৰা সন্ধিয়ালৈকে সমস্ত বেলা ব্যাপি "বুঢ়াগোহাঞি বংশাৱলী পুথি" পাঠ কৰা হয়। সেই আলমতে দুকুৰি ঘৰমান বংশধৰৰ বংশাৱলী-টোকাসমূহ মূল বংশাৱলী পুথিৰ লগত ৰিজাই-মিলাই, পৰিশোধন কৰি, সমবেত জ্ঞাতি সমজুৱাৰ মাজৰ আঢৈকুৰিমান অভিজ্ঞ জ্ঞাতিৰ স্বাক্ষৰিত চহীৰে সৈতে সভাৰ দ্বাৰাই গৃহীত কৰাই দিয়া হয়। সেই সিদ্ধান্ত অনুসৰি পোৱা মোৰ ভাগৰখন বংশাৱলী টোকাৰপৰা তলৰ টোকাটো টুকি দিয়া হ'ল ঃ

৺ঘিণাৰাম গোহাঞিবৰুৱাৰ দুগৰাকী ভাৰ্যাৰপৰা হোৱা পুত্ৰ, কন্যা—(১) ৺মোহনচন্দ্ৰ; (২) ৺বকুলী; (৩) ৺সৰুনাথ; (৪) ৺মাহিন্দ্ৰী—৺কৃষ্ণানন্দ গোহাঞি ফুকনৰ ভাৰ্যা;

(৫) ৺কণনাথ ; (৬) ৺ভদ্রসেন ; (৭)নীলকণ্ঠ ; (৮) পদ্মনাথ ; (৯) ৺লীলাৱতী ; (১০) ৺হীৰাৱতী —৺চন্দ্রশেখৰ বৰুৱাৰ ভাৰ্যা ; (১১) মুক্তানন্দ, ; (১২) ৺হলিৰাম ; (১৩) ৺তোযেশ্বৰী ওৰফে আইকণ—৺সূৰ্যকান্ত বৰুৱা বি. এ. ই. এ. চি.ৰ ভাৰ্যা (১৪) ৺নাৰায়ণী ওৰফে সোণফেৰি —ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈৰ ভাৰ্যা।

**মোৰ সন্তান**

(১) শ্রীমতী নির্মলা আইদেউ,—৺সিদ্ধেশ্বৰ বৰগোহাঞি এম. এ, বি-এল, ডেপুটি কমিচনাৰৰ ভাৰ্যা ; (২) শ্রীমতী দূৰ্বা আইদেউ—৺হৰিনাথ গগৈ বি-এল উকিলৰ ভাৰ্যা ; (৩) শ্রীমতী শান্তিপ্ৰভা আইদেউ—৺ৰোহিনীকান্ত হাতীবৰুৱা, বি-এ, এম. এল. চি.ৰ ভাৰ্যা ; (৪) শ্রীমতী পুণ্যপ্ৰভা আইদেউ,—শ্ৰীমান উত্তমচন্দ্ৰ চেটিয়া, বি-এৰ ভাৰ্যা ; (৫) শ্রীমতী লাহৰীলতা আইদেউ,—শ্ৰীমান প্ৰেমধৰ বৰগোহাঞি দেৱৰ ভাৰ্যা ; (৬) শ্রীমতী গিৰিজা আইদেউ,—শ্ৰীমান দণ্ডেশ্বৰ হাজৰীকা, বি-এল উকিলৰ ভাৰ্যা ; (৭) শ্রীমতী সুনীতি আইদেউ, বি. এ.—( কুমাৰী ) ; (৮) শ্ৰীমান হৰকৃষ্ণনাথ,—( সদৌ মুমলীয়া, একেটি পুত্ৰ সন্তান )।

থাওমুংক্লিংলুনমুঙ্ বুঢ়াগোহাঞি ডাঙৰীয়া
|
থাওৰুৰু বুঢ়াগোহাঞি ডাঙৰীয়া

চাওক্ৰুংডাম ( ওৰফে থাবুক ) বুঢ়াগোহাঞি ডাঙৰীয়া
| চাওথাইথুম্ „
| থেন্লুং „
| কন্লুংথাম্পেঙ্ „
| ( এওঁৰ ১৪ জন পুত্ৰৰ ১৪ টা ঠাল )
| আইথেক্ বুঢ়াগোহাঞি ডাঙৰীয়া
| আইথোৱা „
| থকৃবক্ „
| নাওবৈচাফুকন লাইচেং
| বাঁহগৰীয়া আতন বা দীঘলা „
| চেনমুঙ্ „
| থামপেঙ্ „
| ঘনশ্যাম „
| পূৰ্ণানন্দ „
| ৰুচিনাথ „

কুণ্‌কাই ওৰফে বকুল গোহাঞি মৰাণ ডেকাবৰুৱা
| চুণথাম্ „
| বলিয়া „
| লাকো „
| লাহো „
| ৰূপেশ্বৰ „
| দেবেৰা „
| আচুক „
| হৰিনাথ „
| ভুগী „
| ৰুদ্ৰেশ্বৰ „
| আজোথা „
| কিনাৰাম „
| ঘিণাৰাম „
| পদ্মনাথ ( ৮ম সন্তান )

## শিশু কাল

মোৰ মনত পৰাৰপৰা মই মোৰ চেনেহী বাইদেউ ৺মাহিন্দ্ৰী দেৱীৰ কোলাত। তেওঁৰ কোলাতেই মই ডাঙৰ-দীঘল হওঁ। সেই আপাহতে তেওঁক মোৰ ধাইমাক বুলিছিল। আনকি পঢ়াশালিত নাম লগোৱাৰ পিছতো মই মোৰ বাইদেউৰ কোলাৰ কেঁচুৱা আছিলোঁ। তেওঁৰ মায়াত মই এনেভাৱে বন্দী হৈছিলোঁ যে ৺কৃষ্ণানন্দ গোহাঞি ফুকন ভিনিহিদেৱলৈ তেওঁক উলিয়াই দিয়া বিয়াতো মোক মোৰ সেই মাতৃপ্ৰতিম বাইদেউৰ লগ কোনেও এৰুৱাব নোৱাৰিলে ;—কন্যাৰ দোলাত উঠি ময়ো দৰাঘৰ পালোঁগৈ ; সেই আপাহতে মোক "যৌতুকত-যোৱা" বুলি সমনীয়াই ছেগ বুজি পেংলাই কৰিছিল। মোৰ ভাগ্যৰ বলত মই যেনে বাইদেউ তেনে ভিনিহিদেউ পাইছিলোঁ। মোৰ অগ্ৰজপ্ৰতিম সেই ভোলানাথ ভিনিহিদেউ ৺কৃষ্ণানন্দ গোহাঞি ফুকন ডাঙৰীয়াৰ সৰল ভ্ৰাতৃ স্নেহত মই সদায় ওপঙি ফুৰিছিলোঁ। বাস্তৱতে, তেখেতেই মোৰ জীৱন প্ৰৱাহৰ ঘাই গুৰিদিওঁতা। তেখেত আৰু তেখেতৰ প্ৰিয়তম বন্ধু ৺ফণিধৰ চলিহা ৰায়বাহাদুৰ ডাঙৰীয়া মোৰ শিশুকালৰ আৰ্হিপুৰুষ ; তেখেতসকল দুজনৰপৰা পোৱা প্ৰাথমিক শিক্ষাই মোৰ কুমলীয়া অন্তৰত জয়ে জয়ে সাহিত্যিক অনুৰাগ সঞ্চাৰ কৰে।

## ল'ৰাকালৰ লগৰীয়া

নিচেই ল'ৰাকালত চুবুৰীয়া ল'ৰা-ছোৱালী, তাৰ পিছত গঞা গৰখীয়া ল'ৰা, তাৰ পিছত পঢ়াশলীয়া ছাত্ৰ, তাৰ লগত বজৰুৱা সমনীয়া ল'ৰা তাৰ লগতে চহৰীয়া চতুৰ ল'ৰা, এই-বিলাক মোৰ ল'ৰা কালৰ লগৰীয়া আছিল। সিবিলাকৰ লগত মোৰ অপাৰ আনন্দ, সেই আনন্দতে মই সততে আপোনপাহৰা হৈ উমলি ফুৰিছিলোঁ। মোৰ সেই সুখ-সঙ্গৰ চিন-চাব মোৰ সোঁৱৰণীৰ সেই ছোৱাত চামে চামে খাঁজ-খাই ৰৈছে ; মোৰ মনত সেইবোৰ আজিকোপতি ফটফটীয়াকৈ অতীতৰ আন্ধাৰত জিলিকি আছে।

## ল'ৰাকালৰ ৰং-ধেমালী

ল'ৰাকালৰ লগৰীয়াৰ লগত নানা তৰহৰ ৰং-ধেমালি কৰি মই সদায়ে উৰুলিকৃত হৈ ফুৰিছিলোঁ। খোৱা-শোৱা, লিখা-পঢ়া আৰু ৰং-ধেমালি মোৰ মনত সমান প্ৰিয়কাৰ্য আছিল ; কেইওবিধ কাৰ্যত মোৰ সমভাৱে ৰাপ চৰিছিল। ঘিলা খেলাত, লাটুম খেলাত, খলি খেলাত, কড়ি খেলাত, কবদী খেলাত, বেট বল খেলাত, ঢোপ খেলাত, লৰ ধৰাত, জঁপিয়াত, এনেবোৰ ধেমালিত মোৰ বৰ ৰাগি আছিল। এইবোৰ খেল-ধেমালিত মোৰ পাৰ্গতালিৰ চিন স্বৰূপে লগৰীয়াবিলাকে মোক সততে যেই সেই খেলত প্ৰতিযোগী এপক্ষৰ "ঘাই" পাতি লৈছিল। খেলৰ নিয়ম পালনত মোৰ একান্ত ৰতি আছিল ; কোনো পক্ষই বা কোনো খেলুৱৈয়ে সেই নিয়ম ভাঙিলে বা তাক পালন কৰাত ত্ৰুটি দেখুৱালে মোৰ মানত সি বৰ অসহ্য বোধ হৈছিল ; তাৰ যথোচিত সংশোধন বা প্ৰতিকাৰ নাপালে মই খেলকে এৰি গুছি যাওঁ।

## ল'ৰাকালৰ ৰাপ লগা কামলৈ ধাউতি

বৰশী বোৱা কামলৈ মোৰ বৰ ধাউতি। পুথি-ফলি লোৱাৰ ওপৰঞ্চি সময়ৰ সৰহ ভাগ মই নৈ, বিল, পুখুৰীত বিশেষকৈ পোতা পুখুৰীত বৰশী বাওঁতে কটাইছিলোঁ, চিপত পুঠি-ডঁৰিকণা, লাচত গৰৈ, চেঙেলী তোলা হাতৰ সুখ অনুভৱ মই এতিয়াও অনুভৱত ভোগ কৰোঁ। আন আন বিধৰ মাছ ধৰা মনোৰঞ্জক কামলৈকো মোৰ প্ৰবল ধাউতি আছিল। আনকি চাকৰ-নাকৰৰ আঁৰত গা লুকুৱাই পাৰ হৈ গৈ ঠুহা-চেপা পতা, আনৰ ওপৰত উমেদাৰি কৰি পল, জুলুকি বাই চোৱা স্বৰূদি অভ্যাসৰপৰাও মই বাদ পৰা নাছিলোঁ। জুলুকিত জয়ে জয়ে এদিন এটা বাটমাছ ধৰি যি অপাৰ আনন্দ অনুভৱ কৰিছিলোঁ, তালৈ আজি তিনিকুৰি মান বছৰেও পাহৰা নাই। জুলুকিৰ মেৰৰ মাজত বাটমাছটোৰ সেই থল্-থলনি, ফৰ-ফৰণি, চৰ-চৰণি মোৰ কাণত আজিও যেন বাজি উঠে! নৈ, বিল, পুখুৰীত লগৰীয়াৰে সৈতে সাঁতোৰা মোৰ ল'ৰাকালৰ অন্যতম, কিন্তু অত্যুত্তম প্ৰিয় কাৰ্য আছিল। চেমনীয়া আৰু চফল ডেকাকালত, তাৰ ফল স্বৰূপ মই কাছ-সাঁতৰ, চিলনী-সাঁতৰ, থিয়-সাঁতৰ, বাঘ-সাঁতৰ এই চাৰিবিধ সাঁতৰত পাকৈত হৈ উঠিছিলোঁ। দলনি পথাৰত চৰি থকা উদঙীয়া ঘোঁৰা-ঘূঁৰী ধৰি তৰা পিটিয়াই তাৰ বৌথাৰে সৈতে লেকাম লগাই লৈ পথাৰত, গাওঁবাটত, ৰাজবাটত ঘোঁৰা মেলাই ধেমালি কৰা মোৰ এটা বৰ ডাঙৰ ৰাগি বা ৰোগ আছিল। সেই চেমনীয়া কালত মই ঘোঁৰা চেৰাৰিত এনে পাকৈত হৈ উঠিছিলোঁ যে চাহাবসকলৰ বছৰেকীয়া ঘোঁৰা-দৌৰ মেলা এখনত উত্তৰ লক্ষীমপুৰৰ সদৌ চাহ বাগিছাৰ চুপাৰিনটেন্‌ডেণ্ট মিঃ জন ষ্টুৱাৰ্ট 'বৰ চাহাবৰ' এটা বৰ তেজী ঘোঁৰাত 'কচোৱান' চৰি, লগৰ আন পাঁচোটা চাহাব ঘোঁৰা-চেৱাৰি পিচ পেলাই, সৰ্বপ্ৰথম হৈ আগ বাঢ়ি বঁটা ধৰিছিলোঁ। গছত উঠাও এটা মোৰ অভ্যাসত অহা প্ৰীতিক্ৰীড়া আছিল; তাৰ ফলত মই নৰি গৈ গছত উঠাত পাৰ্গত হৈছিলোঁ; আৰু ছান্দনী নোহোৱাকৈ উঠি কাকিনি গছৰপৰা তামোল পাৰিব পাৰিছিলোঁ। বিহুলৈ মোৰ বৰ ধাউতি। চ'ত-বহাগৰ দোমাহীৰ এপৰমানৰ আগৰেপৰা মোৰ গাত বিহু বিহু লাগেহি। দোমাহীৰ দিনা মাহ-হালধিৰে সৈতে নোৱাই লৈ আমাৰ ঘৰৰ আগফালৰ জানত বা পিচ কালৰ নৈত গৰু-গাই ধুৱাবলৈ নিওঁতে গৰখীয়াৰ লগ-লাগি গৈ গৰু-গা ধুউৱাৰ পিছত মুকলি পথাৰত থেদি থেদি "লাও খা, বেঙনা খা, কেৰেলা খা, মাৰ সৰু বাপেৰ সৰু, তইঁত হবি বৰ বৰ গৰু"—এই গৰখীয়া মন্ত্ৰোচ্চাৰণ কৰি বিমল আনন্দ উপভোগ কৰা সুখৰ সোঁৱৰণীয়ে মোৰ হিয়া আজিও উৰুলিকৃতকৈ নচুৱায়! বিহুৰ মাহ-হালধি ঘঁহি গা ধুই বিশুদ্ধ হোৱা এসপ্তাহ মান আগৰেপৰা যুগুত কৰি থোৱা নতুন তৰা-পঘা মাহ-হালধিৰে নোৱাই তুলসীপাত লগাই তাক পবিত্ৰ কৰা, সন্ধিয়া পদুলিমূৰত আৰু গোহালি মুখত জাগ দি থৈ হাতত মাখিয়তীৰ বিছনী আৰু দীঘলতিৰ এচাৰিৰে আগবঢ়াই আনি, গোহালিত ন-পঘা পিন্ধাই গৰু-গাইক বিহু-পিঠা খুউৱা আদিৰ প্ৰয়োজনত যোগ দি কি যে নিৰ্মল সুখ অনুভৱ কৰিছিলোঁ! পিচদিনা—মানুহ বিহুদিনা—জ্ঞাতি আৰু আত্মীয় কুটুম্বাদিক বিহু-জলপান খুউৱা কাৰবাৰত আলপৈচান ধৰা, আবেলি বেলিকা সৰু-মানিমূনি আদি ঘাঁহ-পাত ছিঙি আনি চোতালত মৰণা পাতি থৈ

সন্ধিয়াৰ হুঁচৰি আগমন প্ৰতীক্ষা কৰাত গাৰ উচল-পাচল আৰু মনৰ উগুল-থুগুল ভাব, ঘৰ-ফুৰা হুঁচৰিযোৰা আহি পোৱাৰ জাননী স্বৰূপ ঢোলৰ উকলীৰ গুৰ-গুৰণিত মোৰ বুকু গুৰ-গুৰকৈ বাজি উঠা, হুঁচৰি-কীৰ্তনৰ লেহেতীয়া আৰু উধাও হোৱা সুৰত মোৰ প্ৰাণ উকলিকৃত হোৱা ইত্যাদিৰ সুখ সোঁৱৰণীয়ে আজিও মোক উলাহিত কৰে! শিলিখা-তলীয়া বিহুখোলাত গঞা জীয়াৰীইঁতে টকা-চাপৰিৰে পতা বিহুত থমকা-থমকি চেও ধৰা নাচোন চোৱালৈ আৰু তাৰ চেৱে চেৱে তাল মিলাই গোৱা বিহু নাম শুনালৈ মনত পৰিলে আজিও কাণত সুত লাগি চকু পিৰিকিয়াবলৈ ধৰোঁ। বিহু-হাটতো মোৰ প্ৰবল পীৰিতি, সাত-বিহুত সাদিনলৈ কণী-যুঁজোৱা খেলত মই উন্মত্ত হৈ ফুৰিছিলোঁ। এই যুঁজত হলে মোক কেৱে হৰুৱাব নোৱাৰিছিল; তাৰ চিন স্বৰূপ মোৰ হাতত কেইবাটাও সাতবিহুৰ সৈয়া কণী জমা হৈছিল। বন্দুকেৰে চৰাই মৰা আৰু পহু চিকাৰ কৰা ৰাগিয়েও মোক মতলীয়া নকৰাকৈ এৰা নাই। ঘটনাক্ৰমে এসময়ত এদিন পিতৃ-পুৰুষৰ জন্মভূমি জাঁজিত ৺জয়নাথ বুঢ়াগোহাঞি পুথাওদেউতাৰ ঘৰলৈ হাতীত উঠি গৈ থাকোঁতে বাটত এডৰা চোমনিৰ মাজত এজোপা গছৰ ডালত যোৰা-পাতি পৰি থকা হাঁইঠা চৰাই এযুৰিলৈ টোঁৱাই বন্দুক ফেৰ কৰাৰ ফলত মাইকী চৰাইটি ধুপুচ কৰে মৰি পৰিল, মতাটি বিযুৰীয়া হৈ অকলশৰে উৰি কৰবালৈ গুচি গলগৈ! সেই দৃশ্যই মোৰ প্ৰাণত কি যে এটা অভাৱনীয় বিৰকতিৰ ভাব ওপজালে সেই দিন ধৰি মই আৰু চৰাইলৈ বুলি বন্দুক নধৰিবলৈ মন বান্ধিছিলোঁ। পহু চিকাৰতো ডেকাকালত কেইবাটাও পহু গুলিয়াই মাৰিলোঁ। পিচে, এসময়ত এটা উটা-বুৰা বানপানীত আমাৰ "জয়মতী" হাতীত উঠি, উত্তৰ লক্ষীমপুৰৰ পানীগাওঁ ডাক-বঙলাৰপৰা পছিমমুখীয়াকৈ হাবিত সোমাই, পহু বিচাৰি গৈ গৈ এটা আথাউনি ডুবি পাৰ হৈ এখন গেজেপনি হাবিত এটা উঁই হাফলুৰ ওপৰত থিত লৈ থকা অথন্তৰ মাইকী পোৱালি শৰ-পহু এহালি দেখি উত্ৰাৱল হৈ অথালি-পথালিকৈ গুলিয়াবলৈ ধৰিলোঁ; ফলত পহুহালি হাফলুৰ ওপৰৰ পৰা ছুয়ো ছুফালে পানীলৈ ধুপুচ্ ধুপুচ্ কৈ বাগৰি বাগৰি পৰিল। তাৰ পিছত চিকাৰ লাভত আনন্দিত হৈ ঘূৰি আহি আকৌ ডাক-বঙলা পালোঁহি। ক্ষন্তেক মান জিৰাওঁতেই ইফালে লগৰ মানুহে পহু কটা-ছিঙাৰ আয়োজনত ধৰিছে, এনেতে ওলাই আহি চাওঁ যে, সেই ভেলেঙী শৰজনী আৰু চাৰি আঙুলীয়া ছালশিঙীয়া পোৱালিটি! তাৰোপৰি মাইকীজনীৰ পেটত আৰু এটি অতি ৰূপহ আৰু মোহলগা নোমাল পোৱালি ওলাল! দেখি মোৰ চকু মুদ্ খাই আহিল; মই আৰু তাত সৰহ পৰ ৰব নোৱাৰিলোঁ, তাৰে পহু তাতে এৰি ততালিকে আকৌ হাতীত উঠি মই অনতিপলমে ঘৰলৈ গুচি আহিলোঁ। সেই দিন ধৰি মই পহু চিকাৰলৈ আৰু ওলোৱা নাই; এই জীৱনত আৰু ওলোৱা নহব হবলা—নহওক যেন, এই বাসনা। কিন্তু পিছত, মই পোন প্ৰথম অসম-কাউন্সিলত অনৰেবোল মেম্বৰ হৈ থাকোতে, মই এটা ছুনলীয়া কাৰ্টিজৱালা বন্দুক, এটা এনলীয়া 'পিস্টল' আৰু এটা ছনলীয়া 'ৰিভল্ভাৰ' কিনি ৰাখিবলৈ গৱৰ্ণমেন্টৰপৰা অনুমতি লাভ কৰাৰ ফল স্বৰূপে প্ৰথম বিধৰ বন্দুক এটা কলিকতাৰপৰা অনাই ললোঁ। সেই আপাহতে, পিছতো সেই বন্দুকৰ লয়লাসত, মাজে-সময়ে চৰাই চিকাৰলৈ ওলাইছিলোঁ।*

* এই সৰ্গ 'আৱাহন', কাতি, ১৮৫৩, তৃতীয় বছৰ, প্ৰথম সংখ্যাত প্ৰকাশ হৈছিল।

# দ্বিতীয় সৰ্গ

## ফলি-লোৱা

মোৰ সাত বছৰীয়া বয়সত পোন প্ৰথমে মই ঘৰতে ফলি লওঁ। ক-ফলা আৰু অ-ফলা মই মোৰ ৺পিতৃদেৱতাৰ মুখে মুখে আওৰাওঁ। তাৰ পিছত মই "পথিলা কিতাপ" হাতত লৈ ৺বাইদেউৰ মুখে মুখে বাৰেমতৰা শিকোঁ। আখৰ চিনাৰ পিছত, ৰবককাইদেৱে মোক কাঠৰ ফলিত ক-ফলা লিখিবলৈ শিকায়। ক-ফলা, অ-ফলা, া-কাৰ, ি-কাৰাদি কেই ফলা ভালকৈ লিখিব পৰা হলত, মাজিউ আৰু সৰু ককাইদেৱ এই দুজনেৰে সৈতে লগলাগি মই কলপাতত "হাতৰ আখৰ" লিখিবলৈ ধৰোঁ। ভীম কলৰ পাতত কলিয়া খাগৰিৰ কাপেৰে লিখা মোৰ হাতৰ আখৰ ঠগিত হোৱাৰ শলাগ শুনি মই বৰ উলাহিত হওঁ; সেই শলাগনিত উৎসাহিত হৈ মই হাতৰ আখৰ ক্ৰমাৎ ভাল কৰি তুলিবলৈ যত্ন কৰোঁ।

## পঢ়াশালিত নাম-লগোৱা

তাং ১৮০১ শকৰ আঘোণ মাহত ৺পানীন্দ্ৰনাথ গগৈদেৱৰে সৈতে একেলগে একেদিনাই উত্তৰ লক্ষীমপুৰ চহৰীয়া পঢ়াশালিত আমাৰ নাম লগোৱা হয়। তেতিয়াৰ সেই পঢ়াশালি এতিয়াৰ প্ৰাথমিক বা "নিম্ন প্ৰাইমেৰী" থাপৰ আছিল। মোৰ আদি শিক্ষাগুৰু ৺পুহিৰাম দেৱশৰ্মা সেই পঢ়াশালিৰ মাথোন একেজন পণ্ডিত আছিল। সেই একেজনা গুৰুৱেই সেই পঢ়াশালিত ভিন্ ভিন্ শ্ৰেণীত ভাগ লাগি বহা এশমান ছাত্ৰক চম্ভালি পঢ়াইছিল। ৺পুহিৰাম শৰ্মা গুৰুদেৱে বুঢ়া বয়সৰ অৱসৰ ছোৱাত, গুৱালপাৰাৰ ৺বিশ্বনাথ চৰকাৰ পণ্ডিতদেৱে তেখেতৰ বাব লয়হি। এখেত এজন পাকৈত শিক্ষক আছিল; বিশেষকৈ অঙ্ক শিক্ষাত। সেইকালৰ স্কুল-চব্ইনস্পেক্টৰ (তেতিয়া শ্ৰীযুত, পিছত ৰায়বাহাদুৰ) ৺ফণিধৰ চলিহা ডাঙৰীয়াই চেক্ৰেটৰী বা সম্পাদকৰ বাব গ্ৰহণ কৰি সেই পঢ়াশালিখনৰ অৱস্থা ক্ৰমাৎ টনকিয়াল কৰি তুলিবলৈ ধৰে। এনেতে সুশিক্ষিত বিদ্যোৎসাহী অসমীয়া ডেকা হাকিম মিষ্টাৰ কাশীনাথ বৰুৱা উত্তৰ লক্ষীমপুৰলৈ মুঞ্চিপ্ হৈ যায়। সেই ছেগতে এই দুজনা দেশহিতৈষী চৰকাৰী বিষয়াৰ যুটীয়া যত্নৰ ফলত আমাৰ পঢ়াশালিখন ক্ৰমাৎ উন্নত হৈ মাইনৰ বা "মজলীয়া ইংৰাজী" আৰু মজলীয়া বঙ্গলা ছাত্ৰবৃত্তি" স্কুলৰ থাপলৈ উঠে। সেই স্কুলত "মজলীয়া ইংৰাজী ছাত্ৰবৃত্তি" আৰু "মজলীয়া বঙ্গলা ছাত্ৰবৃত্তি" দুয়োবিধৰ পৰীক্ষাৰ্থীক শিক্ষা দিয়া হৈছিল। দেশী ভাষাৰ (vernacular) ছাত্ৰবৃত্তি স্কুলৰ পাঠ্য তেতিয়া অসমৰ সৰ্বত্ৰতে বঙ্গলা আছিল। মোৰ অভিভাৱকৰ দিহা মতে মই বঙ্গলা বিভাগৰ শিক্ষা সাং কৰিহে ইংৰাজী বিভাগত সোমোৱাটো স্থিৰ হয়। তেতিয়া বঙ্গদেশত যি স্কুলৰ যি শ্ৰেণীত যি কিতাপ চলিছিল অসমতো সেই স্কুলৰ সেই শ্ৰেণীত সেই কিতাপকে

চলোৱা হৈছিল। সেই অনুসৰি, অসমৰ মজলীয়া থাপৰ স্কুলত এনেবোৰ কিতাপ পাঠ্য আছিল যেনে :—(১) সাহিত্যবিষয়ক (ক) মদনমোহন তৰ্কালঙ্কাৰৰ "শিশুশিক্ষা" ১ম, ২য় আৰু ৩য় ভাগৰ লানি ( series ); (খ) ৺যদুনাথ চট্টোপাধ্যায়ৰ "পদ্যপাঠ" ১ম, ২য় আৰু ৩য় ভাগৰ লানি; (গ) ৺অক্ষয়কুমাৰ দত্তৰ "চাৰুপাঠ" ১ম, ২য় আৰু ৩য় ভাগৰ লানি; (ঘ) ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ "বোধোদয়"; (ঙ) তাৰাশঙ্কৰ বিদ্যাৰত্নৰ "ৰামেৰ ৰাজ্যাভিষেক"; (চ) হাফেজাকৃত "সদ্ভাবশতক"; এইবোৰেই প্ৰকৃতপক্ষে আমাৰ অন্তৰত অসমীয়া জাতিৰ সাহিত্য চৰ্চাৰ অনুৰাগ সঞ্চাৰ কৰে। আমাৰ শিক্ষাগুৰু দুজনাৰপৰা যি সাৰুৱা শিক্ষা লাভ কৰিছিলোঁহঁক, সেয়ে মোৰ আৰু পানীন্দ্ৰ গগৈদেৱৰ উচ্চ শিক্ষাৰো আচল ভেঁটি। সেই কালৰ বঙ্গলা সাহিত্যৰ ওচৰত আমি চিৰধৰুৱা; বিশেষকৈ তেতিয়াৰ বঙ্গলা সাহিত্য সংস্কৃতীয়া বা 'ং-ঃ-শূন্য সংস্কৃত' হোৱাৰ ফলত, তেতিয়াৰেপৰা ঘাই মাতৃভাষা সংস্কৃততো অলপ অচৰপকৈ আমাৰ ব্যুৎপত্তি লাভ হৈছিল; কালত সেই বঙ্গলা-সংস্কৃত সাহিত্যৰ ব্যুৎপত্তিৰ আভাসে অসমীয়া সাহিত্য চৰ্চাত আমাক বিশেষ গুণ দিছিল আৰু দিছে। অকল লিখা-পঢ়া শিক্ষা লাভেই নহয়, সেই ছেগতে অন্ধবিশ্বাসমূলক দেশাচাৰ আৰু অজ্ঞাতভাবমূলক কুসংস্কাৰৰপৰা পোহৰলৈ মূৰ উলিয়াব মূলত মোৰ পূজনীয় ভিনীহিদেৱ ৺কৃষ্ণানন্দ গোহাঞি ফুকন আৰু পিতৃব্যপ্ৰতিম শ্ৰদ্ধেয় ৺ফণিধৰ চলিহা-বৰুৱা, এই দুজন আৰ্হি পুৰুষ লাভ কৰোঁ। ৺পানীন্দ্ৰনাথ গগৈদেৱ আদিৰেপৰা অন্তলৈকে উত্তৰ লক্ষীমপুৰৰ মজলীয়া স্কুলত মোৰ সহপাঠী আছিল। দুয়ো একেলগে সেই পঢ়াশালিত নাম লগাওঁ আৰু দুয়ো একেলগে বঙ্গলা ছাত্ৰবৃত্তি মহলা দি সেই স্কুলৰপৰা ওলাওঁ। তাৰ পাচত মই শিৱসাগৰ হাই স্কুলত পঢ়িবলৈ যাওঁ। ৺গগৈদেৱ গুৱাহাটী নৰ্মাল স্কুলত ভৰ্তি হয়গৈ। উত্তৰ লক্ষীমপুৰৰ মজলীয়া স্কুলত পঢ়া কালতে ৺পানীন্দ্ৰনাথ গগৈদেৱে আৰু মোৰ অন্তৰত সাহিত্যিক অনুৰাগ সাঁচে; আৰু দুয়ো তলে তলে বঙ্গলা আৰু অসমীয়াত কবিতা ৰচনা কৰাত আৰু প্ৰবন্ধাদি লিখাত হাত দিওঁ। তাৰে ফলস্বৰূপে, দুইৰো দুহতীয়া একাঁজলি সৰু সৰু কবিতা গোটাই "পদ্ম-পানি" নামে এটি কবিতা বহী বান্ধিছিলোঁহঁক। বহীটি ৺গগৈদেৱৰ হাতত আছিল। তেওঁৰ অকাল বিয়োগৰ লগতে তাৰো বিয়োগ ঘটিল; বছৰ দহেকৰ পাচত মই ঘাই ঘৰলৈ যাওঁতে তাৰ বিচাৰ লৈ সন্ধান নাপালোঁগৈ। এতিয়া তাৰ আৰ্জাও মোৰ সোঁৱৰণীত নাই, মাথোন তাৰে এটি মোৰ ৰচনা বঙ্গলা কবিতাৰ আগগুৰি নোহোৱা এফাঁকি জিল্‌মিল্‌কৈ কেতিয়াবা মনত পৰেহি; যেনে,—"আমাৰ যে চাঁদ হাঁয়, দূৰে দূৰে সৰে যায় দূৰেতে পালায়; সুদূৰ গগন মাজে, অগণন তাৰা ৰাজে, ( হাঁয় ) মম চাঁদ নাই।" অসমীয়া কৱিতা আৰু প্ৰবন্ধৰ এটা দুটা অসমীয়া আলোচনী আৰু বাতৰি কাকত ওলাইছিল।

## প্ৰাণত প্ৰথম সন্তাপ

ইমানলৈকে সন্তাপৰ তাপ মোৰ গাত লাগিছিল যদিও, সি অন্তৰ ছুবগৈ পৰা নাছিল। সৰু ভাই-ককাইৰ অকাল-বিয়োগে বিষাদ লগাইছিল, কিন্তু সন্তাপ লগোৱা

নাই। মোৰ বুজন বয়সত, মোৰ গভীৰ ভক্তি-স্নেহৰ পাত্ৰ ৺মোহনচন্দ্ৰ গোহাঞিবৰুৱা বৰককাইদেৱৰ অকাল মৃত্যুৱে পোনপ্ৰথমে মোৰ প্ৰাণত সন্তাপ লগায়। তাৰ তাপে মোৰ অন্তৰ তৰপে তৰপে ভেদিছিল, আৰু ঘৰ-ঘৰোৱাহকে শোকাকুল কৰিছিল। প্ৰথম সন্তান বৰপুত্ৰৰ ভৰ ডেকা কালত অকাল বিয়োগ হোৱাত মোৰ পিতৃদেৱতা শোকত বিয়াকুল হৈছিল। ডিব্ৰুগড়ত কোৰ্টত চৰ্কাৰী চাকৰি কৰি থাকোতে, ৩৫ বছৰীয়া বয়সত হঠাৎ মাউৰত পৰি বৰককাইদেৱ আচানত ঢুকাল, ঘৰৰ আমি কেৱে দেখিবলৈ নাপালোঁ।

## হাইস্কুলত শিক্ষা

শিৱসাগৰত মই এটা বিষম সমস্যাত পৰিলোঁগৈ। কিয়নো হাইস্কুলত পঢ়িবলৈ নিচেই তলৰ শ্ৰেণীৰপৰা আৰম্ভ কৰিলে ওপৰলৈ ভালেমান শ্ৰেণী বগাবলৈ থাকে, অথচ মোৰ বয়স তেতিয়া তেনেই কুমলীয়া “নহয়, বঙ্গলা স্কুলতে মোৰ বিস্তৰ সময় যায়; তেতিয়াই মই চৈধ্য বছৰীয়া; মাজৰ এটা শ্ৰেণীৰপৰা ধৰিবলৈকো ইংৰাজী সাহিত্যত মোৰ সমূলি ব্যুৎপত্তি নাই, মাথোন কথমপি কেঁকাই-গেঁথাই আখৰ জোঁটাই পঢ়িব পাৰোঁ। আনহাতে, গণিত, ভূগোল, ইতিহাস, পৰিমিতি, জ্যামিতি আৰু বঙ্গলা সাহিত্য এইবোৰ বিষয়ক শিক্ষাত মই তেতিয়া হাইস্কুলৰ ১ম শ্ৰেণীৰ ছাত্ৰৰ সমনীয়া; ইংৰাজী সাহিত্যত এফেৰি অধিকাৰ বহিলেই নামনাচকৈ অন্ততঃ ৩য় শ্ৰেণীত তন্তিব পাৰোঁ। এনেবোৰ দেধোৰমোৰত পৰি মই এমাহমান এনেয়ে বহি থাকিব লগীয়া হয়। তাৰ পাচত ভিনিহিদেৱৰ সিদ্ধান্ত মতে, মই মাহচাৰেক ঘৰতে ইংৰাজী সাহিত্য যথাৱতকৈ শিকি লৈ, একেচিপে হাইস্কুলৰ মাজৰ থাপৰ এটা শ্ৰেণীৰ-পৰা মোৰ ইংৰাজী শিক্ষা আৰম্ভ কৰাটোৱেই স্থিৰ হয়। সেই অনুযায়ী ছমাহমান ঘৰতে ইংৰাজী সাহিত্যৰ আদি পুথিখনদিয়েক লুটিয়ালোঁ, কিন্তু তাৰপৰা ইংৰাজী বাৰেমতৰাৰ বোধ মাথোন জন্মিল, বৰ্ণবিন্যাস, বাক্যবিন্যাস আৰু ব্যাকৰণ বিষয়ক বিশদ জ্ঞান লাভ নহ'ল। তথাপি ভিনিহিদেৱৰপৰা উৎসাহৰ বল পাই, মৰসাহ দি মই শিৱসাগৰ হাইস্কুলৰ ৩য় শ্ৰেণীত নাম লগাই লৈ একাণপতীয়া মনোযোগেৰে পঢ়িবলৈ ধৰিলোঁ। কিন্তু অনতিপলমে সেই মৰসাহৰ ফল বিষমকৈ ফলিয়ালে,—ফলিতাৰ্থত সেই শ্ৰেণীত ঠাৱৰিবলৈ মোৰ পক্ষে টান হৈ উঠিল। লগৰীয়া ছাত্ৰই চাইটা বিষয়ত যি পৰিশ্ৰম কৰে, মই মাথোন একেটা ইংৰাজী সাহিত্য বিষয়তে সিমান শ্ৰম কৰিও সেই বিষয়টোত সহপাঠীৰ সমানে ৰব নোৱাৰাত পৰিলোঁ। বাৰেমতৰা শিক্ষাৰ কিতাপ ( spelling book ) ভালকৈ মুলুটিৱাকৈ ইংৰাজী পঢ়িবলৈ শিকাৰ ফলত বৰ্ণাশুদ্ধিৰ দোষতে মই তল যাবলগীয়া হলোঁ। তথাপি, আনবোৰ বিষয়ত সম্যক জ্ঞান থকা হেতুকে সততে সাদিনীয়া, মাহেকীয়া, তিনিমহীয়া আৰু ছমহীয়া মহলাবোৰত মূঠৰ ওপৰত ভাল নম্বৰ ধৰি মই ৩য়, ২য় আৰু ১ম ঠাই অধিকাৰ কৰিছিলোঁ। কিন্তু ইংৰাজী সাহিত্যত সহপাঠীয়ে সততে মোক চেৰ পেলোৱাৰ হেতুকে ভিতৰি ক্ৰমাৎ মোৰ মন ভাগিবলৈ ধৰিলে।

## চাৰ্ভে শিক্ষা

সেই ছেগতে উত্তৰ লক্ষীমপুৰৰপৰা চৰ্কাৰী বাতৰি পোৱা গ'ল যে মই শিৱসাগৰৰ মণ্ডলী মৌজাদাৰী চাৰ্ভে স্কুলত পঢ়ি তাৰপৰা মহলাত উঠি পিতৃদেউতাক মৌজাদাৰী বিষয়-বাবৰপৰা অজৰাই দিবগৈ লাগে। সেই আদেশ বাতৰি পাই মই আনন্দত উকলিকৃত হলোঁ। সেই সোণাময় সুযোগতে হাইস্কুলৰ দোধোৰমোৰ সমস্যাৰপৰা মুৰ উলিয়াই অনতিপলমে মই চাৰ্ভে স্কুলত ভৰ্তি হলোঁগৈ। ভাগ্যক্ৰমে সেই সময়ত সেই চাৰ্ভে স্কুলত মাষ্টাৰ আছিল মোৰ মজলীয়া স্কুলৰ শিক্ষাগুৰু ৺নীলকান্ত তালুকদাৰ। আগতে কৈ আহিবলৈ পাহৰিলোঁ যে এওঁ চাৰ্ভে বিদ্যাত এজন পাকৈত পণ্ডিত আছিল। ৺নীলকান্ত তালুকদাৰ উত্তৰ লক্ষীমপুৰ মাইনৰ স্কুলৰ হেড্ পণ্ডিত থাকোঁতেই তেওঁৰপৰা লাগতিয়াল চাৰ্ভে শিক্ষা লাভ কৰি ৺ফণীধৰ চলিহা ডাঙৰীয়াই স্কুল চব্-ইনস্পেক্টৰী পদৰপৰা চব্-ডেপুটি কলেক্টৰ পদলৈ উঠে। মোৰ সেই পুৰণি শিক্ষকৰ তলতে মনৰ সুখ-শান্তিৰে এবছৰ কাল চাৰ্ভে শিক্ষা কৰি সেই বছেৰেকৰ ভিতৰতে মণ্ডলী চাৰ্ভে আৰু মৌজাদাৰী চাৰ্ভে এই দুটা চাৰ্ভে মহলাত সুখ্যাতিৰে উত্তীৰ্ণ হলোঁ। পিছে চাৰ্ভে পাছ হৈ উঠি চৰ্কাৰী চুক্তিমতে মৌজাদাৰ বিষয়া হবলৈ বুলি উত্তৰ লক্ষীমপুৰ উদ্দেশ্যে মনে উৰোঁ উৰোঁ কৰি মোক উলাহত নচুৱাব লাগিছে, এনেতে পূজনীয় ভিনিহিদেৱে মোৰ সেই কল্পিত সুখদৃশ্য আঁৰ কৰি ধৰি মাজতে থিয় দিলে। অৰ্থাৎ ইতিমধ্যতে পূৰ্বৰ সুখ্যাতিৰ সম্মান স্বৰূপে "চাৰ্ভে পাছ" হবলগীয়া বন্ধা নিয়মৰপৰা অব্যাহতি দি, যিমান দিনলৈ ইচ্ছা যায় সিমান দিনলৈ বিনাপাছে মৌজাদাৰী বিষয়-বাব ভোগ কৰিবলৈ মোৰ পিতৃদেৱতাক গৱৰ্ণমেণ্টে অনুমতি দিয়ে; গতিকে নিচেই চেমনীয়া বয়সত মৌজাদাৰী বিষয়ৰ গুৰুতৰ বাব লোৱাতকৈ মই পুনৰপি ইংৰাজী স্কুলত পঢ়াটোহে বাঞ্ছনীয় বুলি ভাবি, মোৰ ভৱিষ্যৎ ভাবোঁতা অগ্ৰজপ্ৰতিম ভিনিহিদেৱে মোক বিস্তৰ বুজনি দিলে। মোৰ পক্ষে তেখেতৰ কথা পেলোৱা অসম্ভৱ কথা। গতিকে, তেখেতৰ এই আদেশ-উপদেশ শিৰোধাৰ্য্য কৰি, মই শিৱসাগৰ হাইস্কুলৰ তৃতীয় শ্ৰেণীত পুনৰপি ভৰ্তি হলোঁগৈ।

## পুনৰপি হাইস্কুলত

উভ্ৰাৱল মন গুৰুজনৰ বুজনিত শান্ত হ'ল; মই নিশ্চিন্তচিতেৰে পুনৰপি হাইস্কুলৰ ছাতৰ হলোঁ। এইবাৰ কিন্তু আগৰ বাৰতকৈ এফেৰি পৈণত; কিয়নো চাৰ্ভে স্কুলত পঢ়া বছেৰেকত মই সেই একেটা বিষয়তে থকা নাছিলো, তাৰ লগে লগে ভিতৰুৱাকৈ ইংৰাজী শিকাতো মনোযোগ দিছিলোঁ। সৌভাগ্যক্ৰমে আমাৰ সেই চাৰ্ভে স্কুলটো শিৱসাগৰ পুখুৰী পাৰৰ পূব-দক্ষিণ কোণত মিশ্যন টোলৰ বঙলা ঘৰ এটাত পতা হৈছিল; সেই ছেগতে সেই সময়ৰ পাদ্ৰী চাহাব জনৰ লগত, বিশেষকৈ তেওঁৰ সাদৰী মেম-চাহাবৰে সৈতে মোৰ প্ৰীতিভাৱ লাভ হয়। সিবিলাকৰ ইচ্ছা, মোৰে সৈতে অসমীয়াতে কথা-বাৰ্তা পাতি অসমীয়া ভালকৈ শিকে; মোৰ ইচ্ছা সেই সুযোগতে সিবিলাকৰ সুসঙ্গত মই পাৰ্যমানে ইংৰাজী শিকোঁ। পিছে উভয় পক্ষৰে মনোভাৱ জনাজনি হলত উভয়ে উভয়ৰ উদ্দেশ্য সিদ্ধিত যত্নপৰ

হলোহঁক। ফলত উভয় পক্ষৰে উদ্দেশ্য যথাৰ্থতকৈ সিদ্ধি হ'ল। মোক কিন্তু সেইকণ লাভে বিশেষ গুণ দিলে, কিয়নো তাৰে বলতে পুনৰবাৰত মই পূৰ্ব বাৰৰ সমস্যা ভাঙি হাইস্কুলত দক্ষতাৰে সৈতে পঢ়িব পৰা হলোঁ। এইবাৰ পূৰ্বতকৈ অধিক মনোযোগেৰে পঢ়িবলৈ লাগি গলোঁ। সেই সময়ত নাজিৰা মাইনৰ স্কুলৰপৰা মজলীয়া ইংৰাজী ছাত্ৰবৃত্তি মহলাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ আহি আমাৰ শ্ৰেণীত ভৰ্তি হোৱা ৺কমলেশ্বৰ বৰঠাকুৰ নামেৰে এজন চোকা ছাত্ৰ মোৰ প্ৰতিযোগী সোমালহি। স্কুলৰ সাদিনীয়া, মাহেকীয়া, তিনিমহীয়া আৰু ছমহীয়া মহলাবোৰৰ কোনোটোত মই প্ৰথম তেওঁ দ্বিতীয় আৰু কোনোটোত তেওঁ প্ৰথম মই দ্বিতীয় এই অনুক্ৰমে প্ৰতিযোগিতা ৰাখি, দুয়ো তৃতীয় শ্ৰেণীৰপৰা দ্বিতীয় শ্ৰেণীলৈ আৰু দ্বিতীয় শ্ৰেণীৰপৰা প্ৰথম শ্ৰেণীলৈকে প্ৰথম-দ্বিতীয় হৈ প্ৰমোচনত হাইস্কুলৰ মূধৰ খাপত চৰিলোঁগৈ। তেতিয়ালৈকে আমাৰ পৰম পূজনীয় শিক্ষাগুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৱেই শিৱসাগৰ হাইস্কুলৰ হেডমাষ্টৰ আছিল।

## ৺কামাখ্যা তীৰ্থ আৰু বশিষ্ঠাশ্ৰম দৰ্শন

শিৱসাগৰ হাইস্কুলত পুনৰপি ভৰ্তি হোৱাৰপৰা বছৰদিয়েকৰ পাচত ইং ১৮৮৫ চনত, দুৰ্গাপূজাৰ বন্ধত গুৱাহাটী চাই আহিবলৈ মন গ'ল। তেতিয়া মই শিৱসাগৰ হাইস্কুলৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ। সহপাঠী, লগৰীয়া, সমনীয়া বন্ধু কালীপ্ৰসাদ শৰ্মা কটকীৰে সৈতে লগ-লাগি জাহাজত উঠি গুৱাহাটীলৈ যাত্ৰা কৰিলোহঁক। তেতিয়া জাহাজ দিচাংমুখ ঘাটৰপৰা তিনিদিনেহে গুৱাহাটী পায়গৈ। আমি দুয়ো বন্ধুৱে লঘোণে-ভোকে তিনিদিন দুৰাতি জাহাজত খপিয়া পৰি দুখে-ভাগৰে গুৱাহাটী ঘাটত নামি, সুধি সুধি নৰ্মাল স্কুলৰ বোৰ্ডিঙত ওলালোঁগৈ। দেখিয়েই মোৰ বাল্যবন্ধু ৺পানীন্দ্ৰনাথ গগৈদেৱে উৰাৰত হৈ আগবাঢ়ি আহি মোক সাদৰেৰে সাৱটি ধৰিলে। তাৰ পাচত সেই বোৰ্ডিঙতে মই গগৈদেৱৰ লগত আৰু কটকীদেৱ আমাৰ শিৱসাগৰীয়া বাল্যবন্ধু ৺গোপালচন্দ্ৰ ভট্টাচাৰ্য্য দেৱৰ ( ৺শিৱ-নাথ ভট্টাচাৰ্য্যৰ অনুজ ) লগতে থাকি, মহানন্দেৰে গুৱাহটীয়া পূজা উৎসৱ চাবলৈ ধৰিলোঁ। সেই প্ৰসঙ্গতে এদিন আমি ৺কামাখ্যালৈ গলোঁ; গৈ পোনেই নৰকাসুৰে একেৰাতিৰ ভিতৰতে বন্ধোৱা শিলৰ বিৰাট খটখটি দেখি বিস্ময় মানিলোঁ। তাৰ ৺কামাখ্যা মন্দিৰত বিৰাট পূজা উৎসৱ চাই, তাতে পাণ্ডাৰ ঘৰত এৰাতি আলহী থাকি, কামাখ্যা নাটমন্দিৰত পতা "অভিমন্যু বধ" অভিনয় ( থিয়েটাৰ ) চাই পৰম তৃপ্তি লাভ কৰিলোঁ। "থিয়েটাৰ" দেখা সেয়ে আমাৰ পক্ষে প্ৰথম। সেই "থিয়েটাৰ অভিনয়ে মোৰ মনত এনে ৰাপ লগাইছিল যে পিচদিনা তাৰেপৰা "অভিমন্যু বধ" নাটক এখন কিনি ললোঁ; আৰু শিৱসাগৰলৈ উলটি আহি ছাত্ৰবন্ধু কেইজনমানৰ সৈতে লগবান্ধি, মই নিজে অভিমন্যুৰ 'ভাও' লৈ আখৰা দি, সেই বছৰতে ফাকুৱা উৎসৱত ৺দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ বৈঠক চ'ৰাত, নামনিমিতকৈ এটি থিয়েটাৰ দেখুৱালোঁ। অসমীয়া, বঙালী দৰ্শকেৰে ঘৰ ভৰি পৰিছিল; আৰু সঘন চাপৰিৰে মোৰ ভাওৰ শলাগ লোৱাত বৰ উলাহিত হৈছিলোঁ। কিন্তু দুখৰ বিষয়, নাটকখন

বঙলা ; যিহেতু তেতিয়ালৈকে শঙ্কৰীয়া নাট কেইখনত বাজে আধুনিক থিয়েটাৰৰ উপযোগী অসমীয়া নাটকৰ সঞ্চাৰেই নাছিল, গতিকে এখন অসমীয়া নাটক ৰচিবলৈ তেতিয়াই মই কৃতসঙ্কল্প হওঁ। সেয়ে মোৰ নাটক ৰচনাৰ ফালে ধাউতিৰ আঁতিগুৰি।

তাৰ পাচত, এদিন নৰ্মাল স্কুলৰ ছাত্ৰ জনদিয়েকৰে সৈতে "বশিষ্ঠাশ্ৰম" দৰ্শন কৰিবলৈ গলোইঁক। গৈ পায়েই সেই আধ্যাত্মিক ভাবৰ প্ৰসূতি গম্ভীৰ আশ্ৰমৰ স্বাভাৱিক দৃশ্যৰ গৰ্ভত সোমাই মই বিমোহিত হলোঁ, ভালেমান পৰলৈকে মই আপোনপাহৰা হৈ ক'ত আছিলোঁ কব নোৱাৰোঁ। তাৰ পাচত, বশিষ্ঠাশ্ৰম মন্দিৰ-পাশত শিলনিৰ বোকোচা ঢোৱাই কল্কল্কৈ বৈ অহা তিনি সোঁতা সন্ধ্যা, ললিতা, কান্তা পুণ্য-স্মৃতিৰ সঙ্গমৰ এডিঙীয়া কুণ্ডত জাবুৰি অৱগাহি বিশুদ্ধ ভাৱে স্নান কৰি উঠি, বন্ধু গোলাপ ভট্টাচাৰ্য্য দেৱে ৰন্ধা "খিচুৰী" বন-ভোজান্ন ভোজন কৰি, যি অনুপম স্বৰ্গীয় তৃপ্তি অনুভৱ কৰিলোঁ, তাক ব্যক্ত কৰিবলৈ ভাষা নাপাওঁ, কিন্তু সেই অপূৰ্ব অপূৰণীয়া শান্তি উপভোগৰ সোঁৱৰণীয়ে আজিও অসহনীয় সন্তাপৰ তাপতো, মোৰ প্ৰাণত অন্তৰ ওপচাই শান্তি সঞ্চাৰ কৰে! আজিও সেই "খিচুৰী" অন্নৰ সোৱাদলৈ মনত পৰিলে লোভৰ লালটি কোৱাৰি ভৰি ববলৈ ধৰে!

## কহিমা যাত্ৰা

মই প্ৰথম শ্ৰেণীলৈ উঠি বছেৰেক পঢ়োঁতেই মোৰ অপাৰ শ্ৰদ্ধা-ভক্তিৰ পাত্ৰ, সেই কালত অসমত ইংৰাজী বিদ্যাত অদ্বিতীয় প্ৰগাঢ় পণ্ডিত ৺চন্দ্ৰমোহন গোস্বামী প্ৰভু নগাপৰ্বতলৈ কহিমা গৱৰ্ণমেণ্ট হাইস্কুলৰ হেড্‌মাষ্টৰ পদত বদলি হৈ যায়। গোস্বামী প্ৰভুৰ অসাধাৰণ পাণ্ডিত্য আৰু উচ্চনীতিমূলক শিক্ষাদানৰ প্ৰতি মোৰ অন্তৰত অটল বিশ্বাস আৰু অচলা আসক্তি ৰহিছিল ; তেখেত হঠাতে বদলি হৈ যোৱাত, সেইখিনিতে ঠমকা খাই মোৰ মন ভাগিবলৈ ধৰিলে। তেখেতৰ শিক্ষাবিনে আনৰ শিক্ষাত সমুলি মোৰ মন নবহা হ'ল। সেইভাৱে মাহদিয়েক পাৰ হোৱাৰ পাচত, মই অগত্যা শিৱসাগৰ হাইস্কুল এৰিবলৈকে মনস্থ কৰিলোঁ, আৰু ৺চন্দ্ৰমোহন গোস্বামী হেড্‌মাষ্টৰৰ তলত পঢ়িবলৈ নাপালে সিমানতে মোৰ ইংৰাজী শিক্ষা সামৰিম বুলি মোৰ অভিভাৱক ৺ভিনিহিদেৱ আৰু ৺পিতৃদেউতাক সেই সংকল্প যথাসময়ত জনালোঁ। স্থিৰমতি সূক্ষ্মদৰ্শী ভিনিহিদেৱে মোৰ মনৰ গতি সবিশেষকৈ বুজি উঠি মোৰ সেই প্ৰবল ইচ্ছাক বাট এৰি দিলে ; আৰু সততে নতুন-পুৰণিৰ সামঞ্জস্য ৰাখি চলোঁতা সুদূৰদৰ্শী মোৰ অতি গুণী পিতৃদেৱতায়ো শুদ্ধচিতে বৰজোঁৱায়েকৰ মততে সন্মতি দিলে। মই পৰম উলাহিত হৈ শিৱসাগৰ হাইস্কুলৰপৰা ওলাই অনতিপলমে কহিমা-যাত্ৰালৈ সষ্টম হলোঁ। মোৰ ক্ষুদ্ৰ জীৱনত ই এটা লেখৰ ঘটনা।

কহিমালৈ যোৱা-অহা কৰা সেইকালত বৰ দুৰুহ আছিল। এতিয়াৰ দৰে তেতিয়া নিচু-গাৰ্ডৰপৰা কহিমা টাউনলৈকে এইছোৱা বাট গাড়ী চলাচলৰ নিমিত্তে সুগম নাছিল, মাথোন, পৰ্বতৰ কাষ কটা অকোৱা-পকোৱা চুৰ্-চুৰীয়া ঠেক বাটেদি পৰ্বত বগাব লাগে ; ঠায়ে ঠায়ে অটব্য অৰণ্য ভাঙি সুৰুঙা কটা উঠা-নমা বাট ধৰি গুহা পাৰ হব-লগীয়াত পৰে।

অগত্যা টানত পৰি বা বাধ্য হৈ যাব লগীয়া নহলে, সেইকালত ভৈয়ামৰ মানুহে নগাপৰ্বত বগাই কহিমা যাত্ৰালৈ আগ নাবাঢ়িছিল। তেনেস্থলত ভৈয়ামৰ ভালেমান ভাল ভাল হাইস্কুল এঙাই, নগাপৰ্বতৰ টিঙ্গত কহিমা হাইস্কুলত পঢ়িবলৈ ওলোৱা দেখি, কোনোৱে মোক বাতুল বুলি হাঁহিছিল, কোনোৱে আকৌ মোৰ সাহ-পিট মনৰ তেজলৈ লক্ষ্য কৰি বিস্ময় মানিছিল। সি যি হক, তেনেকুৱা অৱস্থাত এজন উদভ্ৰান্ত বৈষ্ণৱ বঙ্গালী সন্ন্যাসীক লগত লৈ, কহিমা যাত্ৰালৈ মই মন বান্ধি ওলালোঁ। এনেতে, ইন্দ্ৰনাথ গগৈ আৰু মথুৰানাথ গগৈ নামে আৰু দুজন লগলাগি মোৰ সহযাত্ৰী হ'লহি। কবলৈ পাহৰিছোঁ, মোৰ লগৰী বৈষ্ণৱ জনৰ নাম ভূতনাথ। মইয়ে সৈতে 'চাৰিনাথ' একেলগ হৈ, যথাসময়ত আমি চাৰি নৰ প্ৰাণীয়ে পদব্ৰজে কহিমা যাত্ৰা আৰম্ভ কৰিলোহঁক। গোলাঘাটলৈকে আদিছোৱাত আমাৰ যাত্ৰা বৰ বিষম যেন নালাগিছিল। তাৰপৰা নিচুগাৰ্ডলৈকে সেইছোৱা অতি দুৰ্গম বুলি শুনিলোঁ; মানুহৰ মুখে বাটৰ বৰ্ণনা শুনি পেটতে হাত-ভৰি লুকুৱাব নিচিনা লাগিল। হাতী, ঘোঁৰা, গাড়ী এনেকুৱা বাহন বিনে সেইছোৱা বাট খোজ অসাধ্য; কিন্তু তেনেকুৱা বাহন যোগাৰ কৰি লবলৈ আমাৰ গাত যুগুত বল আৰু চল নাছিল। নিচুগাৰ্ডৰপৰা ওপৰলৈ পৰ্বতীয়া বাটৰ বৰ্ণনা শুনি যে আমাৰ মানত সেইছোৱা বাট অগম্য বোধ হ'ল; লগৰীয়া কেইজনৰ মন কোঁচ-খোৱা যেন দেখা গ'ল। কিন্তু মোৰ মন নাভাগিল, মই মোৰ উদাহৰণেৰে উদগনি দি সিবিলাকক পুনঃ আমাৰ উদ্দেশ্যৰ বাটলৈ আনিলোঁ। কি যে এক অলৌকিক প্ৰেৰণাই কেইওটিকে আন্তৰিক বলেৰে আগুৱাই দিলে, একে উশাহতে আমি মৰসাহ দি, পদব্ৰজে আমাৰ গন্তব্যপথত আগবাঢ়িলোঁ। টাউনৰ পূব সীমাস্থ আমাৰ আলহী বহাৰপৰা এমাইল মান গৈ ধনশিৰী নৈৰ পাৰঘাট পাইছোঁগৈ, এনেতে শ্ৰীযুত শশীধৰ কাকতী নামে মোৰ শিৱসাগৰীয়া চিনাকি বন্ধু ( গোলাঘাট লোকেল বোৰ্ডৰ অভাৰচিয়াৰ ) এজনে আমাৰ লগ পায়। তেওঁ আমাৰ যাত্ৰাৰ বিষয়ে আদ্যোপান্ত শুনি লৈ, আমাক সাহায্যৰ আশ্বাস দি তেওঁৰ বহালৈ ওভোতাই লৈ আহিল। সেই ৰাতি আমি তেওঁৰ বহাতে বঞ্চিলোঁ। পিচদিনা বহু প্ৰবন্ধেৰে তেওঁ কেৰেয়ালৈ আমাক হাতী এটা যোগাৰ কৰি দিলে। সেই হাতীয়ে আমাক 'নিচুগাৰ্ড' নামে নগাপৰ্বতৰ ভৈয়াম সঙ্গম দুৱাৰদলিলৈকে ( হাতীৰে চাৰি দিন আৰু গৰু গাড়ীৰে ৮ দিনৰ বাট ) আগুৱাই দি অহাটো স্থিৰ হ'ল। সেই বন্ধুজনৰ নথৈ শলাগ লৈ, আমি আমাৰ যাত্ৰাৰ দ্বিতীয় চিপ্ আৰম্ভ কৰিলোঁ। চাৰিদিন বাটত ভালেমান অসুবিধা আৰু অভাৱনীয় দুখ-কষ্ট সহি গৈ গৈ চতুৰ্থ দিনা ৰাতি দুপৰ মানত 'নিচুগাৰ্ড' পালোঁগৈ। তেতিয়া কৃষ্ণ পক্ষ। সন্ধ্যাতে আন্ধাৰ। অচিনাকি ঠাই। নিজম মাজনিশা। কলৈ যাম, কি কৰিম, এনে লাগি বিমোৰ হলোঁহঁক। সেই সমস্যাৰ মাজত, আপোন-হেৰোৱা অৱস্থাত, অলপমান আগতে, পৰ্বতৰ গৰ্ভৰপৰা ওলোৱা এটি প্ৰাণ জুৰ কৰা অতি সুমধুৰ কুল্-কুল্-কুল্ সুৰে মোৰ হৃদয় স্পৰ্শ কৰিলেহি। ক্ষন্তেকৰ নিমিত্তে দুখ-ভাগৰ চিন্তা-সমস্যা সকলো পাহৰি মই বিভোল হলোঁ; মাউতে সঙ্কেতত আগুৱাই নি হাতী সেই পৰ্বতীয়া নৈৰ কাষ পোৱালেগৈ। তাতে হাতীৰপৰা নামি দেখোঁ যে কোনোবা বাটৰুৱা বৈ যোৱা গছৰ ডাল-পাতেৰে সজা বৰটাৰে

বাৰ দিয়া পজাঘৰ এটি উদং হৈ বৈছে। হাতীটো পৰ্বতৰ নামনিত চৰিবলৈ মেলাই দি ৰাতিটো পজাৰ তলতে বঞ্চিলোহঁক। আহাৰ-পানী নাই, কিন্তু নৈৰ মন-মোহিনী কল্-কলনিয়ে মোৰ ভোক-পিয়াহ হৰি নিলে।

পিচদিনা পুৱা মাউতে হাতী লৈ ওলোটা বিদায় ললে; চকুৰে দেখালৈকে হাতীৰ ফালে একেথৰে চাই চাই আমি চাৰিউটি দলনিত পোনা মেলাৰ দৰে হৈ দৰক্ লাগিলোহঁক! হাতী নেদেখা হলত চাঁত্ কৰে কি যে এটা বিষাদৰ ভাৱে হিয়া ভেজি মথি আমাৰ চকু চল-চলীয়া কৰি পেলালে। ভ্ৰান্ত আমি চাৰিপ্ৰাণীক ঠেকত অকলশৰীয়াকৈ পাই, ভিতৰি এটা ভয়াবহ ভাৱে আমাৰ বুকু কঁপাবলৈ ধৰিলে, পিচ মুহূৰ্ততে মই উপস্থিত সমস্যাৰ ধাৰ বুজি উঠি, আকৌ ততালিকে সাহসতে ভেজা ললোঁ; লগে লগে লগৰীয়া কেইজনক যোৱা-মেলাৰ দিহা-কাৰণ লগাই দি তৰ্কিব নোৱাৰাকৈ সিবিলাকৰ অন্তৰত উথলি উঠা সেই ভয়াবহ ভাৱ অন্তৰতে মাৰ নিয়ালোঁ। তাৰ পাচত, বাকী তৃতীয় ছোৱা বাট খেদাৰ উপায় বিচাৰি মই ইফাল-সিফাল কৰিবলৈ ওলালোঁ; আৰু বহু প্ৰৱন্ধে, 'নিচুগাৰ্ডৰ' অধ্যক্ষ দেছোৱালী জমাদাৰজনৰ জৰিয়তে দুটা বোজা বোৱা আৰু এটা চেৰাৰী ঘোঁৰা কেৰেয়ালৈ যোগাৰ কৰিলোঁ। ভৰদুপৰীয়া সেই চিত্তহাৰিণী পথিক সোহাগিনী পৰ্বত দুহিতাৰ কুল্-কুল্-কুল্ মনোমুগ্ধকৰ স্নিগ্ধ সুৰত অৱগাহন কৰি উঠি, দেৱতা-দুৰ্লভ প্ৰীতিভোজনত চাৰিউটি মুখা-মুখি হৈ বহিলোঁ;—সেই প্ৰবসুৱা ভোজনৰ অমিয়াতৃপ্তিৰ টোপাল আজিকোপতি মোৰ সোঁৱৰণী পটৰ পাতৰপৰা টপ্‌টপকৈ সৰে! তাৰ পাচত, দুটা ঘোঁৰাৰ পিঠিত আমাৰ সমুদায় মাল-বস্তু বোজাই দিয়াই লগৰীয়া তিনিজনক ঘোঁৰাৰ গিৰীজনৰে সৈতে লগ-লগাই দি, মই অচিনাকি অটব্য পৰ্বতীয়া হাবিৰ তলে তলে অকোৱা-পকোৱা চুৰ্-চুৰীয়া নগা-বাটেদি চগা-চমকাকৈ ঘোঁৰা মেলাই কহিমা উদ্দেশ্যে আগবাঢ়িলো। উঠা-নমা কেঁকুৰি-বাট। ঠাই বুজি ঘোঁৰা মেলাওঁ, ঠাই বুজি থমাওঁ। এনে ভাৱে লগৰীহঁতক এৰি অকলে অকলে ভালেখিনি বাট গলোঁ। তিনিঘন্টামান সেই ভাৱেই গৈ গৈ বৰ বহল আৰু অতি গভীৰ গুহা এটা পাৰ হব লগাত পৰিলোঁগৈ। আগ-পিচ গুণিবৰ সময় নাই। আগলৈ কিমান বাট আছে নাজানো। পিচত কিমান বাট এৰি আহিলো তাকো কব নোৱাৰোঁ। কিন্তু, লগৰীহঁতক বহু দূৰণিত পিচ পেলাই আগ বাঢ়িলোঁ যে সেইটো ভালকৈ বুজি উঠিলোঁ। ওলোটা-হোহোঁকা কৰিবলৈকো সাহ যোৱা নাই। মনৰ এনে উগুল-থুগুল অৱস্থাত চকু-আঁখি মুদি মৰোঁ-জীওঁকৈ দিলোঁ নমাই ঘোঁৰা গুহাৰ গৰ্ভলৈ। কেইনলমান নামিছো মাথোন, এনেতে শেলুৱৈ লগা শিলনিত খুৰা পিছলি ঘোঁৰাটো তল-মুৰীয়াকৈ এবেগমান আতঁৰত পেপাকাঢ়ি পৰিলগৈ—মই কৰ্ফাল খাই তাৰপৰা তিনিহাতমান আঁতৰ হৈ পৰি মূছৰ্ছ গলো! জন-প্ৰাণীৰ সঞ্চাৰ নাই। চৰাই-চিৰিকতিৰো ৰাগৰাগিণী নাই, নিজান, নিতাল, গহীন গহ্বৰ। আকাশ আৰু পাতালৰ মাজত মৰামুছা মই আৰু জিভা মেলি পৰি থকা মোৰ ঘোঁৰাটো! এই হেন সঙ্কটত, অটব্য অৰণ্যৰ মাজত, গভীৰ গুহাৰ তলিত, মোৰ আৰু ঘোঁৰাটোৰ সহায়-সাৰথি কেও নাই! এনেতে কেইমিনিট মানৰ

পাচত, গলধনত ধকৃধক্ কৰে বগা শামুকীয়া শঙ্খ পিন্ধা, কঁকালত চকুচকীয়া গুটি গুটি কড়ি লগোৱা টঙালি আঁটা, সোঁহাতে একোখন দীঘল দা-ধৰা, বাওঁহাতে এপাট ৰঙা চুলি লগোৱা যাঠী লোৱা দুটা বনৰীয়া মানুহ কৰবাৰ পৰা হাবি ভাঙ্গি ওলাই আহি মোৰ আৰু ঘোঁৰাটোৰ মাজত থিয় দিলেহি। বনৰীয়া হলেও মানুহ। সেই নিজানত মানুহৰ মুখ দেখি মোৰ প্ৰাণত আশাৰ সঞ্চাৰ হল। মোৰ মৰা মুখত সঞ্জীৱনীৰ জীপ্ পৰিল। মই অতি আতুৰ ভাৱে সিহঁতৰ মুখলৈ চালোঁ। সঙ্কেতেৰে অন্তৰৰ কাতৰ ভাৱ সিহঁতক জ্ঞাপন কৰিলোঁ। সিহঁতে কিবাকিবি কেক্‌বেকাই খেলুখেলকৈ হাঁহি পেলালে। তাৰ পাচত, দুয়ো ধৰি আগেয়ে ঘোঁৰাটোক, পাচত মোক মাটিৰ পৰা দাঙি তুলি লৈ, এটাই মোক আৰু আনটোৱে ঘোঁৰাটোক ধৰি নি শুহাটো পাৰ কৰি দি মোক বাট লগাই দিলেগৈ। সেই ছেগতে, সেই ঈশ্বৰ প্ৰেৰিত দেৱদূত স্বৰূপ সেই বন মানুহ ( নগা ) দুটিৰ প্ৰতি মোৰ হৃদয়ত যি অপাৰ কৃতজ্ঞতা উপচি পৰিছিল, তাক ব্যক্ত কৰিবলৈ ভাষা বিচাৰি নাপাই ভাবৰ ভঙ্গীৰেই সিহঁতৰ শলাগ ললোঁ। সিহঁতে বুজিলেনে নাই কব নোৱাৰোঁ। তাৰ পাচত মই আকৌ ঘোঁৰাৰ পিঠিত চৰি লৈ কপালত হাত লগাই দুইকো দুটি শালগৰ চেলাম দিলোঁ। সিহঁতে বুজিলে কি, কব নোৱাৰোঁ, দুয়ো হাতৰ দা-যাঠী জোকাৰি, কিৰিলি মাৰি, জঁপিয়াই, লফিয়াই, ডেওপাৰি হাবি মহটিয়াই তুৰন্তে আকৌ কৰবালৈ লৰ ধৰিলে ! মই সেইখিনিৰ পৰা এছোৱা পোন বাট পাই আকৌ এচেঁকুৰ ঘোঁৰা মেলাই বাট খেদিবলৈ ধৰিলোঁ। মোৰ নগণ্য জীৱনত ই এটা মহাসঙ্কটৰ গণনা। মোৰ লিখিত জন্মপত্ৰিকা আৰু কোষ্ঠীতো এই সঙ্কটৰ সঙ্কেত্ দিয়া আছে।

সেই মহাসঙ্কট এৰাই আকৌ ঘোঁৰা মেলাই গৈ দুটামান পৰ্বতীয়া পাক পাৰ হৈছোঁ মাথোন, এনেতে—লতাই গছক মেৰোৱাৰ আৰ্হিৰে মেৰাই মেৰাই পৰ্বতৰ টিঙলৈ উঠা এছোৱা বাট বগাব লগীয়া হ'ল। গতিকে, তাৰপৰা মোৰ ঘোঁৰাই টুকুচ্-টুকুচ্ কৈ মহাজনীয়া ঘোঁৰাৰ খোজ ধৰিলে। সেই ছেগতে মই পৰ্বতৰ সোঁ-পাশে নগাপামৰ শোভা ডিঙি ভাঙ্গি ভাঙ্গি বেঁকা চাহনিৰে চাই গৈছো—খাপি খাপিকৈ তললৈ নামি যোৱা নগাপাহাৰৰ সৰু সৰু মাটি ডৰাবোৰৰ সেউজীয়া সৌন্দৰ্য চাই চাই, আপোনপাহৰাৰ নিচিনা হৈছোঁ, ইতিক্ষণত সিটো মেৰত ব্যাগু-বাদ্য সদৃশ তালে তালে মন নচুৱাই উলাহিত কৰা কণ্ঠবোল বাদন শুনি মোৰ মন চাঁত্ কৰে সেই ফলীয়া হল। অকস্মাৎ ৰণবাদ্য যেন অনুমান কৰি চমক্ খাই উঠিলো। বুৰঞ্জীৰ ঘটনা "খনমা ৰণ"লৈ মনত পৰিল। সেই কৌতুহল মিটাবৰ নিমিত্তে পাৰ্যমানে খৰখোজেৰে ঘোঁৰা চলাবলৈ ধৰিলোঁ। মেৰটো ঘূৰি দেখিলোগৈ যে সেই সুমধুৰ বাদ্যৰ মূলত এদল নগা কুলী-ভাৰী ; সিহঁতে পিঠিত একোটা চৰ্কাৰী মালৰ বোজা বৈ, দুটা দুটাকৈ শাৰী পাতি লৈ, বচনবিহীন তালমানযুত তিনি-চাৰি প্ৰকাৰৰ কৌ-কা ফুটোৱা কণ্ঠবোল্ বাদ্যেৰে আপোনা-আপুনি শ্ৰমবোধ লাঘৱ কৰি, নগৰ উদ্দেশে বাট খেদিছে। সেই গা-তোলা যন্ত্ৰহীন বাদনৰ চেও ধৰি, দুখ-ভাগৰ পাতলাই সিহঁত পিচ ধৰি ধীৰে ধীৰে গৈ আছোঁ, এনেতে এজোপা ফেৰমেলা বাটকাষৰীয়া গছৰ তলত সিহঁত জিৰাবলৈ বহিল। সেই

ছেগতে, সিহঁতৰ সমূহলৈ চাই মই সুধিলোঁ, "জিলালৈ আৰু কিমান বাট আছে ?" সিহঁতৰ মাজৰপৰা ভাৰ নোবোৱা নগা দোভাষী এটাই এই বুলি মাত লগালে, "অঃ হব নাই ; যাবি যাবি ; ঘোঁৰা লৰিলে তিনি ঘণ্টাত পাবি যাই।"

তাৰপৰা ঘণ্টা দিয়েক অকোৰা-পকোৰা হাবিতলীয়া বাটেদি ক্ৰমাৎ পৰ্বত বগাই উঠি গৈ গৈ সন্ধিয়াপৰত কহিমা নগৰত সোমালোঁগৈ। মই আক-তাক সুধি সুধি গৈ আছোঁ, তেনেতে নগা দোভাষী এটাই মোক লগ-লগাই নি ৺চন্দ্ৰমোহন গোস্বামী হেডমাষ্টৰ প্ৰভুৰ বহা দেখুৱাই দিলেগৈ। মই ঘোঁৰাৰপৰা নামিয়েই গুৰুদেৱৰ চৰণত প্ৰণিপাত কৰিলোঁ। মোক অকস্মাৎ দেখি বিস্ময় মানি প্ৰভুৱে এইবুলি চিঞৰি উঠিল, "হাঁ ই কি ? হাঁ ই কি—পদ্ম" ! মই চৰণ এৰি মূৰ তুলি উঠি থিয় দি প্ৰভুৰ মুখলৈ চালোঁ। চাৰি চকুৰ সম্মিলনত দুয়ো ক্ষন্তেকমান ঠৰ্ লাগিলোহঁক ; আনন্দত দুইৰো চকু চল্-চলীয়া হ'ল।—সেই কহিমা যাত্ৰাৰ সন্তেদ মই ইচ্ছা কৰি মোৰ শিক্ষাগুৰুদেৱ প্ৰভুক দিয়া নাছিলোঁ এই বিস্ময়জনক দৃশ্য দেখিবৰ নিমিত্তেই।

কহিমা হাইস্কুল নামত মাথোন হাইস্কুল। ইয়াৰ পোন প্ৰথম হেড্ মাষ্টৰ আছিল সুপ্ৰখ্যাত অসমীয়া সাহিত্যিক ৺লম্বোদৰ বৰা বি, এ। তেখেতে পাতি থৈ অহা মতেই তাত ডেৰকুৰি-মান বাৰে বৰণীয়া ছাত্ৰৰে সৈতে তলৰ শ্ৰেণী কেইটামান মাথোন পতা হৈছিল। নিচেই তলৰ কেইটা শ্ৰেণীত নগা, কছাৰী, গৰ্খালি আৰু দেছোৱালী ছাত্ৰৰ সংখ্যাই সৰহ ; মাজে মাজে দুই-চাইটিমান অসমীয়া আৰু বঙ্গালী ছাত্ৰৰে সৈতে ওপৰৰ দুটামান শ্ৰেণী ( তেতিয়া ৫ম আৰু ৪ৰ্থ ) পতা আছিল। আমি তিনটা গৈ পোৱাত, মোৰে সৈতে ১ম শ্ৰেণী, মথুৰাৰে সৈতে ২য় শ্ৰেণী আৰু ইন্দ্ৰনাথৰে সৈতে ৩য় শ্ৰেণী পাতি কহিমা হাইস্কুলৰ গঠন সম্পূৰ্ণ কৰি লৈ হেড্ মাষ্টৰ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৱে নৱ উলাহেৰে শিক্ষাদান আৰম্ভ কৰি দিলে। তাৰ আগলৈকে প্ৰভুৱে স্কুলখন আগত লৈ, তাক তলৰ শিক্ষকৰ জিম্মাত গতাই দি নিজে দোম কিতাপ-কাকতাদিৰ পোক হৈ জ্ঞান পিপাসা পলুৱাই সময়ৰ সদ্ব্যৱহাৰ কৰি চলিছিল।

কহিমা হাইস্কুলত আঁঠমাহ পঢ়িলো। তাৰ পাচত যথা নিয়মে টেষ্ট পৰীক্ষা দি তাত উত্তীৰ্ণ হলোঁ। সিফালে সেই কালৰ বিদ্যোৎসাহী ডেপুটি কমিচনাৰ মিঃ পোৰ্টিয়াৰ্চ চাহাবৰে সৈতে যুগুতি কৰি কহিমাত এণ্ট্ৰেঞ্চ পৰীক্ষাৰ এটা কেন্দ্ৰ স্থাপন কৰাবলৈ হেড্ মাষ্টৰ প্ৰভুৱে কাৰবাৰ কৰিবলৈ ধৰিলে ; ইফালে মই পৰীক্ষাৰ নিমিত্তে সাজু হোৱাত একাণপতীয়া মনোযোগেৰে লাগি গলোঁ। পিচে এনেতে এমাহমানৰ মূৰত এই বুলি চৰ্কাৰী বাতৰি আহিল, "কহিমাত পৰীক্ষা কেন্দ্ৰ স্থাপন বিষয়ক প্ৰস্তাৱ অতি পলম হ'ল। গতিকে কহিমা হাইস্কুলৰ পৰীক্ষাৰ্থীজনে ডিব্ৰুগড় কেন্দ্ৰত পৰীক্ষা দিবগৈ লাগিব।" সেই বাতৰি পাই হতাশ হলোহঁক। মূৰামূৰি সময়ত আদমাহমান বাটকুৰি বাই, বিশেষকৈ কহিমাৰপৰা গোলা-ঘাটলৈকে এই ছোৱাত ভীষণ বাটৰ বিবিধ অসুচল আৰু বিস্তৰ দুঃখ-কষ্ট সহি ডিব্ৰুগড় হেন দূৰণিৰ কেন্দ্ৰত গৈ পৰীক্ষা দিয়াটো আটায়ে অসম্ভৱ বুলিলে। মোৰ আৰু গুৰুদেৱৰ কিন্তু

মন নাভাগিল। গুৰুদেৱ গোস্বামী প্ৰভুৱে আৰ-তাৰ আগত এই বুলি মন্তব্য প্ৰকাশ কৰা শুনিলোঁ যে, মই কোনোমতে পৰীক্ষা দিবগৈ পাৰো যদি, পাঠ্য-শিক্ষাৰ বলত নহলেও, সাধাৰণ শিক্ষাৰ গুণত উত্তীৰ্ণ হবৰ সম্পূৰ্ণ আশা আছে। সেই ভৱিষ্যদ্বাণীত উৎসাহিত হৈ, মোৰ প্ৰাণৰ লগৰী সেই উদ্‌ভ্ৰান্ত ঈশ্বৰ প্ৰেমিক বঙ্গালী বৈষ্ণৱ ভকতক লগত লৈ, কহিমাৰ পৰা ডিবুৰুলৈ পৰীক্ষা-যাত্ৰা কৰিলোঁ। নানা অসুবিধা আৰু ভালেমান অপায়-অমঙ্গল এৰাই আহি থাকোতে সেই যাত্ৰাৰ পূৰা এপক্ষ লাগিল। বাটত পঢ়া-শুনাৰে সৈতে যে সম্বন্ধ নায়েই, গা-মনৰ দুখ-ক্লেশৰ সীমা নাছিল। জাহাজৰ ছোৱাত মাথোঁন ভাগ্যে ককিলামুখৰপৰা যোৰহটীয়া সহযাত্ৰী পৰীক্ষাৰ্থী এযোৰা লগ পালোঁ। সিবিলাকৰ মাজত মোৰ সমনীয়া বন্ধু অসম উপত্যকাৰ ভূতপূৰ্ব স্কুল ইন্‌স্পেক্টৰ ৰায়চাহাব শ্ৰীযুত দুৰ্গাধৰ শৰ্মা বৰকটকী আৰু ৺লক্ষেশ্বৰ শৰ্মা চব্‌ ডেপুটি কলেক্টৰ, এই দুজনো আছিল। সিবিলাকে মণ্ডলাকাৰকৈ জাহাজৰ মজিয়াত বহি আগন্তুক পৰীক্ষাৰ সম্ভৱপৰ প্ৰশ্ন ধৰা-ধৰি, উত্তৰা-উত্তৰি কৰে, মই আচুতীয়াকৈ আঁতৰত বহি থকাৰপৰা একাণপতীয়াকৈ মন পাৰি শুনি থাকোঁ। বাটত পৰীক্ষালৈ সাজু হোৱা মোৰ পক্ষে সিমানেই। কিন্তু তাৰপৰা যে সামান্য গুণ পালো এনে নহয়, কেইবাটাও পঢ়িবলৈ বাকী থকা কিতাপৰ লাগতিয়াল শিক্ষাৰ সমল সেই ছেগতে মই মোৰ মনত জুকিয়াই সামৰি ললোঁ। এনেকুৱা দুৰ্দশাত, ডিব্ৰুগড়ত গৈ আলহী বহাত থাকি কোনো মতে পৰীক্ষাটো দি উঠিলোঁ। তাৰপৰা উলটি আহি ৺বাইদেউ আৰু ৺ভিনিহিদেৱক সাক্ষাৎ কৰাৰ উদ্দেশ্যে শিৱসাগৰ সোমালোঁহি। আহি পোৱা মাত্ৰকে ভিনিহিদেৱে আগ্ৰহেৰে সুধিলে, "পদ্ম! পৰীক্ষা কেনে কৰিব পাৰিলি?" মই ততালিকে উত্তৰ দিলোঁ, "পাছ হবৰ আশা আছে; কিন্তু হলেও কথমপিহে।" তেখেতে হৰিষ চিতেৰে এইবুলি বুজনি দি কলে, "তোৰ অসীম সাহসিক যাত্ৰাৰ ( adventurous trip ) অতিপাত দুঃখ-ক্লেশ আৰু ভয়াবহ অপায়-অমঙ্গললৈ চাই, সিমানেই লাভ হলেও বহুত বুলি ভাবিম।" ফলিতাৰ্থত বাস্তৱতে সেয়ে হ'ল। এণ্টেঞ্চ মহলত উত্তীৰ্ণ হলোঁ, সেই বাতৰিয়ে মোৰ পূজনীয় গুৰুদেৱ ৺চন্দ্ৰ-মোহন গোস্বামী প্ৰভুৰ মনতো অপাৰ আনন্দ লগালে। তেখেতে সেই আনন্দত গদ্‌গদ্ হৈ, বন্ধুজনৰ আগত এইবুলি সন্তোষ প্ৰকাশ কৰিছিল—"পদ্ম মোৰ আটাইতকৈ মুমলীয়া শিষ্যপুত্ৰ; তাক এণ্ট্ৰেঞ্চ পাছ কৰোৱাৰ লগতে মোৰ শিক্ষকতাৰো আধ্যা পৰিল।" তাৰ পাচত গুৰুদেৱ গোস্বামী প্ৰভুৱে পেঞ্চন লৈ চৰ্কাৰী চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰিলে। কহিমা গৱৰ্ণমেণ্ট্ হাইস্কুলৰ এণ্ট্ৰেঞ্চ পাছ কৰোঁতা মোতে আদি আৰু মোতে অন্ত ( ইং ১৮৯০ চন )।

নগাহিল জিলাৰপৰা পোন প্ৰথমে এণ্ট্ৰেঞ্চ পাছ কৰা ছাত্ৰ বুলি, মোক পৰ্বতীয়া বিশেষ বৃত্তি (Special Hill Scholarship) এটা দিয়াবলৈ ডেপুটি কমিচনাৰ মিঃ পোৰ্টিয়াৰ্চ চাহাবে গৱৰ্ণমেণ্টলৈ লিখা-লিখি কৰি বৰ যত্ন কৰিছিল, কিন্তু সেই সময়ত অসম উপত্যকাৰ শিক্ষা বিভাগীয় জেনেৰেল ডিপাৰ্টমেণ্টৰ লগত পৰ্বতীয়া নন-ৰেগুলেটেড বিভাগৰ সম্পৰ্ক নথকাৰ হেতুকে সি কাৰ্যত ফলিয়াই নুঠিল; গতিকে, মই বিদ্যোৎসাহী পিতৃদেউতাৰ স্বোপাৰ্জিত

অৰ্থৰ বৃত্তি দানেৰেহে কলিকতীয়া কলেজত অধ্যয়ন কৰিবগৈ লগীয়া হ'ল। মোৰ উদাৰ-চিতীয়া পিতৃদেউতা যদ্যপি ইংৰাজী জনা শিক্ষিত লোক নাছিল, তথাপি উচ্চ শিক্ষাৰ প্ৰতি তেখেতৰ অসাধাৰণ ধাউতি থকাৰ হেতুকে মই কলেজীয়া ছাত্ৰ জীৱনত আৰ্থিক অভাৱত পৰিবলগীয়া নহৈছিল, তেখেতে মোলৈ মাহেকীয়া জলপানি বা বৃত্তিৰ ধন পঠিওৱা নিয়মত অকণো হেৰফেৰ ঘটা নাছিল।*

*আৱাহন, পুহ, ১৮৫৩, ৩য় বছৰ, ৩য় সংখ্যাত প্ৰকাশিত।

# তৃতীয় সৰ্গ

## কলিকতা-যাত্ৰা

এণ্ট্ৰেঞ্চ মহলাৰ ফলাফল ওলাওঁতে মই আমাৰ উত্তৰ লক্ষীমপুৰৰ ঘাই ঘৰত। তাৰ পাচত তাতে আৰু এপষমান থাকি, তাৰপৰা মোৰ পালি ঘৰ ( ৺বাইদেউ-ভিনিহিদেৱৰ ঘৰ ), মোৰ ছাত্ৰজীৱনৰ ক্ৰীড়াভূমি আৰু মাজছোৱাৰ কাৰ্যক্ষেত্ৰ শিৱসাগৰলৈ আহিলোঁ। তাত এসপ্তাহমান মনৰ উলাহেৰে কটাই, যথাসময়ত মোৰ শিৱসাগৰীয়া পুৰণি সমনীয়া আৰু আগবছৰীয়া ছাত্ৰবন্ধু জনদিয়েকৰে সৈতে লগবান্ধি হৰিষ মনেৰে এদিন শুভক্ষণত কলিকতালৈ আনন্দ যাত্ৰা কৰিলোঁ। সেই লগৰীয়া কেইজনৰ মাজত, মোৰ অগ্ৰজপ্ৰতিম ৺লক্ষ্মীনাথ বেজবৰুৱা, সমনীয়া সোদৰসদৃশ্ ৺বসন্তকুমাৰ গোস্বামী, অতি চেনেহৰ অনুজ যেন ৺দ্বাৰকেশ্বৰ শৰ্মা এই তিনিজন মোৰ নিচেই আপোন বন্ধু। সিবিলাক তিনিৰে সৈতে আমি যেন চাৰিটি ভাই-ককাই একেঘৰৰপৰা একেটা উদ্দেশ্যে প্ৰবাসলৈ ওলাই আহিছিলোঁহঁক, এনে লাগিছিল। সিবিলাক তিনিজন ৰাতিয়েই গৰু-গাড়ীৰে সৈতে আগধৰি ওলাই গ'ল; মই সেই ৰাতি-পুৱাওঁতেই উষা-যাত্ৰা কৰি হাতীৰে সৈতে সিবিলাকৰ পিচ ধৰিলোঁ। বাটত মোক অকলশৰীয়াকৈ পাই গোটাদিয়েক অপায়-অমঙ্গলে আমনি কৰিছিল। শিৱসাগৰ টাউনৰপৰা দিচাংমুখ ঘাটলৈ বুলি তিনি ভাগৰ দুভাগ বাট আহিছোঁ, এনেতে মোক মৌ-চেপা বৰষুণে পালে; তাৰ পাচত ঘাটলৈ আৰু চাৰিভাগৰ এভাগমান বাট থকালৈকে আগবাঢ়িছোঁ—ইতিক্ষণত এটা আলিছিগা ডুবি পাৰ হওঁতে থাউনি নাপাই হাতী বুৰ যোৱাত মোৰ পেৰা-পেটাৰি, শয্যা-পাটি, গাৰ কাপোৰ-কানি সমুদায় তিতি জেপ্‌জেপীয়া হল; মই তিতি-বুৰি জুৰুলি-জুপুৰি হলো। সেই হেতুকে মোৰ মনত পোন প্ৰথম যাত্ৰাৰ আনন্দ উৎসাহ স্বভাৱতে মাৰ যাবলৈ ধৰা যেন দেখি, ঘাটত লগৰী হোৱা এজন বুঢ়া যাত্ৰীয়ে এইবুলি বুজনি দি মোৰ মন ভাল লগাবলৈ প্ৰয়াস পাইছিল, "বপাৰ যাত্ৰা শুভ; কিয়নো ৰতৰৰ শুভ চিন্ উলিয়াই তিয়ালে, মিতিৰৰ সজ চিন্ আগত থৈ থালে"। এই কথা ফাঁকিৰ তাৎপৰ্য মোৰ উপস্থিত ঘটনাৰ ফলাফলত খটাই চাবলৈ অলপপৰ টলকা মাৰি গুণিছোঁ, ইতিক্ষণতে সিফালে উকি মাৰি জাহাজ আহি ঘাট চাপিলেহি; আমিও তাৰ পাচত, সমনীয়া আৰু সৰু বন্ধু দুজনেৰে সৈতে লাগি-ভাগি মোৰ তিতা কাপোৰ-কানিবোৰ শুকাবলৈ জাহাজৰ ডাঁৰডালত আৰি দি আমি তিনিও এখন বিছনা পাতি বহিলোঁ; আৰু ওচৰতে মিঃ বেজবৰুৱায়ো নিজৰ গাঁথৰি মেলি বহিল। বহি, চাৰিও মুখ চোৱাচুইকৈ ক্ষন্তেক জিৰাইছোঁ, সেই ছেগতে প্ৰথম শ্ৰেণীৰপৰা আমাৰ ফাললৈ ওলাই অহা পকা-থেকেৰা যেন ৰঙা বুঢ়া অসমীয়া ভাল মানুহ এগৰাকী দেখা পালোঁহঁক। দেখি তেখেতৰ বিষয়ে আমাৰ ভিতৰত কোৱা-মেলা কৰিবলৈ ধৰিলোঁ। সেই কোৱা-মেলাৰপৰা জানিব পৰা গ'ল যে, তেখেতেই স্বনামখ্যাত অসমীয়া সদাগৰ ৺হৰিবিলাস আগৰৱালা। ৺আগৰৱালা ডাঙৰীয়াক

সাক্ষাৎ পোৱা মোৰ সেয়ে প্ৰথম। তেখেতে আমাৰ কাষ চাপি আহি ছিনিয়াৰ ছাত্ৰ মিঃ বেজবৰুৱাৰে সৈতে (তেওঁ সেই বছৰতে বি-এ পাছ কৰিছিল) থিয়ৈ থিয়ৈ কথাবাৰ্তা পাতিছিলহি; আৰু মাজে মাজে আমি তিনিজনৈও একো একোবাৰ কেৰাহিকৈ চাইছিল। ময়ো সেই ছেগতে তেখেতৰ নামৰ লগত মানুহজন মিজাই চাই মোহ গলোঁ। বেজবৰুৱাৰে সৈতে কথা-বতৰা হৈ থাকোঁতে তেখেতে মাজে মাজে মোৰ ওপৰত কৌতূহল দৃষ্টি পেলোৱা দেখা গৈছিল, কাৰণ কি বুজিব নোৱাৰিলোঁ। তাৰ পাচত, তেখেতে নিজৰ ঠাইলৈ উলটি যাবৰ বেলিকা আমি জুনিয়াৰ তিনিজনকো একো আষাৰ মাত লগাই যাবলৈ বুলি আমাৰ আগত থিয় দিলেহি। দু-আষাৰমান কথা তিনিওৰো প্ৰতি উমৈহ-তীয়াকৈ কৈ এঁতাই, তেখেতে কৌতূহলভাৱে মোৰ প্ৰতি কটাক্ষ কৰি এইবুলি সুধিলে, “এওঁৰেই নে নগাপৰ্বতীয়া ছাত্ৰ?” মই নম্ৰভাৱে উত্তৰ দিলো—“হয়।” তাৰ পাচত মোৰ মেলি দিয়া কাপোৰ-কানি পোছাকাদিলৈ লক্ষ্য কৰি মিঠা মাতেৰে আকৌ সুধিলে, “এই-বোৰনো কাৰ সাজপাৰ, কেনেকৈ তিতিবলৈ পালে?” তদুত্তৰত মোৰ পৰা চমু গুৰিঘটনাৰ কথা শুনি, তেখেতে সহানুভূতিৰ হাঁহি এটা মাৰি ধীৰে ধীৰে আঁতৰি যাবলৈ ধৰিলে; যাওঁতে আপোনা-আপুনি এই বুলি গুণ-গুণাই যোৱা শুনিলোঁ, “চাহাবানি সাজপাৰলৈ চাই, ল’ৰাটি অসমৰ জুহালতে পৈণত হৈ অহা যেন লাগে, কলিকতীয়া কমাৰশালৰ সঁজুলি সগুহতে নিকিনিলেগৈও চলিব।” মোৰ মনত ইও আন এটা কথাৰ খু-ছুৱনি লাগিল। আগৰটোৰ কথাৰ তাৎপৰ্যৰ ভাৱনাৰ লগতে ইয়াৰ ভাৱনায়ো সঙ্গতি পাতিলে।

দুৰাতি তিনি দিনৰ দীঘলীয়া আৰু আমনি লগা জাহাজ-যাত্ৰাৰ পাচত আবেলি ৪ বজাত গোৱালগু ঘাটত নামিলোগৈহঁক। তাৰপৰা আমাক বামেদি কলিকতালৈ নিবলৈ বুলি ৰেলগাড়ী বৈ আছিল। মই লৰালৰিকৈ ৰেলগাড়ীৰ কাষ চাপিলোঁগৈ। কিন্তু, মোৰ লগৰীয়া বন্ধু দুজনে দেখোন আঁতৰি গৈ এটা কুঁজীঘৰৰ বহল পিৰালিত পাৰি থোৱা কুশাসনত বহি লৈছেগৈ। কথাটো নো কি টং কৰিব নোৱাৰি মইয়ো চাঁত্ কৰে গৈ সিবিলাকৰ আগত থিয় দিলোঁ। ইতিমধ্যত ভিতৰৰপৰা এটা মানুহ ওলাই আহি পিৰালিত লাল-পাতি বহি থকা সকলৰ আগে আগে একোখন পিতলৰ তৰাহি পাতি থৈ গলহি। মোৰ লগৰী ৺দ্বাৰকেশ্বৰ বাপুটিৰ সঙ্কেত মতে ময়ো এখন পাৰি থোৱা আসনত বহি গলোঁ। ভাবিছিলো কিবা জলপানৰ দিহা লাগিছে হব পায়। কিন্তু পিচ মুহূৰ্ততে দেখোঁ যে সি নহয়, চাউল সিজোৱাহে। তাৰ পাচত তৰাহিৰ কোষে-কোষে ঘোলা হাঁহকণীৰ বিজল যেন ডাইলৰ পানী একো কোৰোকা আৰু তাৰ লগতে একো লাড়ু কিবা পিটিকা আন এজন বিলনীয়াই বিলাই দি গ’লহি। ভকত অকল আমাৰ কেইজনেই নহয়, আৰু কেইবাজনো অচিনাকি যাত্ৰীয়ে শাৰী পুৰাইছিল। অলপৰ পাচতে মোৰ আগতো এখন তৰাহি পৰিলহি। দেখিলোঁ, তৰাহিৰ কানত ডাইলৰ কঁৱাল আৰু তাৰ পিঠিয়ে-বুকুৰে চুৰা-পানী বিৰিঙ্গিব লাগিছে! গতি-গোত্ৰ চাই ঘোলাহাঁহকণীয়া ডাইলপানী আহি নৌ পৰোতেই মই লাহেকৈ উঠি

কাষৰি কাটি আকৌ ৰেলগাড়ীৰ কাষত থিয় দি ৰলোঁগৈ। অলপৰ পাচত মোৰ বন্ধু দুজনে আহি হাঁহি হাঁহি মোক সুধিলেহি, "তুমিচোন ভাত নাখালা ?—কিয় ?"

মই অলপ বিকৃচিনা ভাব দেখুৱাই কলোঁ, "এৰা নহল খাবলৈ"। সিবিলাক দুজনে খল্‌খলাই হাঁহি মোৰ প্ৰতি এইদৰে কবলৈ ধৰিলে, "ইয়াকে বোলে 'হোটেল' আৰু এয়া নঙলামুখ মাথোন। ইয়াতে ইমান! কলিকতাৰ ভিতৰ সোমালেগৈ কৰিবা কি ?" মোক এইবাৰ এইটো তৃতীয় সমস্যাই পালে। আগৰ দুটাৰ তাৎপৰ্যৰ ভাৱনাৰ লগত ইও এটা যোগ হৈ মোক তিনি ফালৰপৰা তিনবিধীয়া ভাৱনাই হেঁচা-ঠেলাকৈ আমনি কৰিবলৈ ধৰিলে। তাৰ পাচত, সন্ধিয়া সাতমান বজাত ৰেলগাড়ীয়ে আমাক কোঁচত লৈ বিশ্বাশবদে কলিকতাৰ মুখে চুটি মেলিলে। ৰাতিৰে ৰাতিটো তাৰু পিচদিনা পুৱা ১০ বজালৈকে লৰি-ভাগৰি অন্তত আমাক শিয়ালদহ ষ্টেচনত নমাই দি ৰেলে তাতে জিৰণি ললে। আমি নামিয়েই দেখোঁ যে শাৰী শাৰী ঘোঁৰা গাড়ী—ইয়ে মাতে, সিয়ে মাতে, নানা তৰহৰ সুবিধা দেখুৱাই। পিচে, আমি মাথোন এযোৰা, যুৰিম কেইখন গাড়ী? যি হওক, গৈ-মাৰি শেহান্তত তাৰে এখনত আমাৰ মাল-বস্তুৰ গাঁথৰি বোজা দি আমি কেইওজন উঠি গাদীত বহা মাত্ৰকে ঘৰ-ঘৰকৈ গাড়ী চলিবলৈ ধৰিলে। গছ-গছনি শূন্য লঠামুৰা পকী ঘৰবোৰৰ মাজে মাজে পকীবাট ইটো এৰি সিটো ধৰি গাড়ী চলি গৈ আছে ; মাজে সময়ে মাথোন কোনো কোনোটো ঘৰৰ আগত ক্ষন্তেক ৰখাই লৈ বাপুটিয়ে অসমীয়া মেচৰ সন্ধান লয়। সেইদৰেই ভালেমান বাট ঘূৰা-পকা কৰা হল। কিন্তু ক'তো অসমীয়া ছাত্ৰৰ বহা পোৱা নগ'ল ; পিচলৈ বাপুটিৰ মুখত বিৰক্তিৰ ভাব বিৰিঙিবলৈ ধৰিলে। মই হলে, সঁচা কথা কবলৈ গলে, পেটে পেটে বৰ বিষম পোৱা নাছিলোঁ, সেইদৰে গাড়ী ঘেলাই বিচক্ষণীয়া পকী ঘৰবোৰ চাই ফুৰিবলৈ পাই। সদৌশেহত মিৰ্জাপুৰ ষ্ট্ৰীটৰ ৬৭নং দুমহলীয়া পকীঘৰৰ সমুখত গাড়ী ৰলহি। বাপুটিয়ে ওপৰলৈ চাই "অ', আমাৰ কোনোবা আছেনে ?" বুলি কেইবাৰ মান ৰিঙিয়াবলৈ ধৰাত, মোৰ মৰমৰ অনুজপ্ৰতিম বন্ধু শ্ৰীমান বেণুধৰ ৰাজখোৱাদেৱে কেইজনমান আন অসমীয়া ছাত্ৰৰে সৈতে ওপৰ তলাৰপৰা তললৈ নামি আমাক আগবঢ়াই তুলি লৈ গ'লহি।

## কলেজীয়া ছাত্ৰাধ্যা

কলেজ দীঘলীয়া বন্ধৰ পাচত পুনঃ খুলিবলৈ এসপ্তাহমান থাকোতেই আমি কলিকতা পাওঁগৈ। সেই সপ্তাহৰ ভিতৰতে পাবগৈ লগীয়া বাকী আটাইবিলাক অসমীয়া ছাত্ৰ কলিকতা পালেগৈ। ইতিমধ্যত আগেয়ে গৈ থিত্ লোৱা অসমীয়া ছাত্ৰাবাস বা 'মেচ' কেইটাত যি য'ত সুচল পালে সি ততে সেইমতে থিতাপিত হ'ল। তাৰ পাচত আহিল কলেজৰ কথা। কাৰ মানত কোনটো কলেজ ভাল, কোনে কোনটো কলেজত নাম লগাব ইত্যাদি বিষয়ে মেচে মেচে কোৱা-মেলা চলিছে ; মই তাৰ উৱাদিহ লৈ ফুৰিছোঁ ; কিন্তু কাকো কোৱা নাই মই কোনটো কলেজত নাম লগাম। মই কোৱা নাই মোৰ সুচলকৈ একো

এটা স্থিৰ কৰিব পৰা নাই দেখি। কিয়নো, আটাইবোৰ কলেজত মোৰ কাৰণে লাগতিয়াল সুবিধা পাবলৈ নাই। কাৰণ মই সংস্কৃত নপঢ়া ছাত্ৰ। এণ্টেন্স পৰীক্ষাত মই বঙ্গলা ভুৱলীয়া ভাষাতহে উত্তীৰ্ণ হৈছিলো। তাৰ অপৰিহাৰ্য কাৰণৰ সোৱঁৰণী ইয়াৰ আগেয়েই কৈ থোৱা আছে। অৰ্থাৎ, বঙ্গলা ছাত্ৰবৃত্তি অধ্যাপনা পিছোঁতেই মোৰ লৰাকাল ভালেখিনি ক্ষয় গ'ল; গতিকে হাইস্কুলত ভৰ্তি হওঁতে, লাফ্‌মাৰি উঠাদি উঠি মাজৰ ওপৰ শ্ৰেণী এটাত (তয় শ্ৰেণী) নাম লগাই লৈ বহিছিলোঁ। ভৰ্ত্তি হৈ মই গণিত, ভূগোল, বুৰঞ্জী এই কেইটাত বাদে আন বিষয়ত, বিশেষকৈ ইংৰাজী সাহিত্য শিক্ষাত দ্বিগুণ-তিনিগুণকৈ পৰিশ্ৰম কৰিবলগীয়া হয়। তেতিয়া বঙ্গলা সাহিত্য এন্ট্ৰেন্স লৈকেহে ভুৱলীয়া ভাষাৰূপে চলিছিল। সেই সুবিধা পাইহে হাইস্কুলত মই ভুৱলীয়া সাহিত্য সংস্কৃত নলৈ বঙ্গলা লৈ মোৰ ভবিষ্য জীৱনলৈ এটা বৰ ডাঙৰ ভুল কৰিলোঁ, যি ভুলে মোৰ ক্ষুদ্ৰ জীৱনৰ এটা পূৰাব নোৱাৰা ক্ষতি কৰিলে। আজিকোপতি সেই ক্ষতি পূৰাবলৈ মোৰ মনৰ প্ৰৱল ধাউতি গুচা নাই, জীৱনৰ এই আবেলি পৰত কি কৰি উঠিবগৈ পাৰো কব নোৱাৰিছোঁ এথোন। তথাপি ভুৱাকাঙ্ক্ষীৰ আকাঙ্ক্ষা সঙ্কল্পৰ আলিঙ্গনেৰে সাবটি ধৰি আছোঁ। মোৰ পৰম পূজনীয় গুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৱে জীৱন-সন্ধ্যাতহে সংস্কৃত শিকি তাত পৈণত হৈ উঠিছিল; মই তেখেতৰ সেই "ভুমলীয়া ছাত্ৰ"ই নো গুৰুদেৱৰ সেই আৰ্হি লোৱাত কৃতকাৰ্য হব নোৱাৰিম কিয়? সেই একেছেগতে বুঢ়া শালিকাই মাত লবলৈ চিপ্‌ লোৱাৰ দৰে মই আৰু এটা সঙ্কল্প পালিছোঁ আহোম ভাষাটোও পাৰ্যমানে শিকিবলৈ; কাৰণ তাৰ নিমিত্তে গুৱাহাটীত 'কামৰূপ অনুসন্ধান সমিতিৰ' উদ্যমৰ ফলত এটা সোণাময় ছেগে আপুনি ধৰা দিছে। সি যি হওক, হাইস্কুলত মই বঙ্গলা সাহিত্য লোৱাৰ ঘাই কাৰণ এই যে সেই কালৰ '২-ঃ শূন্য' সংস্কৃতীয়া বঙ্গলা সাহিত্য চৰ্চাত মোৰ ভালকৈ অধিকাৰ বহিছিল। কিন্তু কলেজত সেই সুবিধাই গুণ দিব নোৱাৰিলে, কিয়নো বঙ্গলা সাহিত্যই তেতিয়া কলেজত ঠাই নাপাইছিল। গতিকে কলেজত সংস্কৃত বা লাটীন এই দুই ভুৱলীয়া সাহিত্যৰ এটা নললে আৰু মোৰ গত্যন্তৰ নাই। মই বিমোৰত পৰিলোঁ। আমাৰ ছাত্ৰাবাসৰ ছিনিয়াৰ ছাত্ৰবৰ্গৰ সৰহভাগৰপৰা পৰামৰ্শ পালোঁ লাটীন লবলৈ; কিয়নো তাৰ পাঠ্যকিতাপবোৰ ইংৰাজী আখৰেৰে ছপোৱা আৰু ইংৰাজীত ব্যখ্যা থকা। মই ভাবি চালোঁ, তাৰপৰা মই দুটা উপকাৰ পাব পাৰিম; অৰ্থাৎ লাটীনৰ ব্যাখ্যা ইংৰাজীত পঢ়ি শিকোঁতে ইংৰাজী সাহিত্যত মোৰ ব্যুৎপত্তি বাঢ়িব। আৰু সেয়ে হলে, অন্ততঃ আনৰ সহায় নোপোৱাকৈও নিজে নিজে পাঠ্যপুথি আওৰাই লাটীন সাহিত্য শিক্ষাত আগুৱাব পৰা যাব। কিন্তু সংস্কৃত লবলৈ গলে তাৰ আখৰ চিনাৰেপৰা আৰম্ভ কৰিব লাগিব। গতিকে অগত্যা ময়ো সেই সৰহীয়াৰ পৰামৰ্শকে মোৰ বুলিলোঁ। তেতিয়া ৰিপণ কলেজতো লাটীনৰ শ্ৰেণী এটা আছিল; কলেজটোও আমাৰ মেচৰপৰা নিচেই ওচৰ দেখি মই তাতে ভৰ্তি হলোঁগৈ। ৰিপণ কলেজত ভুমাহমান পঢ়িলোঁ। সেই পঢ়াত মই ইংৰজী সাহিত্য আৰু ন্যায়শাস্ত্ৰ (Logic) শিক্ষাত বৰ সোৱাদ পাইছিলোঁ। কলেজৰ গৰাকী স্বয়ং সুৰেন্দ্ৰ বাবু (পাচত চাৰ

সুৰেন্দ্ৰনাথ ব্যানাৰ্জী ) ইংৰাজী সাহিত্যৰ আৰু প্ৰেমচাঁদ-ৰায়চাঁদ পাছ কৰা এগৰাকী বৰ বিদ্বান লোক ন্যায়শাস্ত্ৰৰ অধ্যাপকৰ মুখে মই শিক্ষালাভ কৰিবলৈ পাইছিলোঁ। গণিত আদি আনবোৰ বিষয়ক শিক্ষাও ভালেই হৈছিল। সেই অনুসৰি সময়ত এফ, এ, মহলাত উত্তীৰ্ণ হোৱাৰ বৰ আগন্তুক আছিল। পিচে দুখৰ কথা, দুৰলীয়া সাহিত্য লাটীন শিক্ষাত মই আৰু মোৰ সহপাঠী আনবোৰ ছাত্ৰই তেতিয়ালৈকে অকণো ব্যুৎপত্তি লভিব নোৱাৰিলোহঁক। নোৱাৰি, আমি গোটেই শ্ৰেণীৰ ছাত্ৰ হতাশ হব লগীয়াত পৰিলোঁ, বিশেষকৈ মই। ফলিতাৰ্থত এই হলগৈ যে আমি গোটেই শ্ৰেণীৰ ছাত্ৰই ৰিপণ কলেজৰ-পৰা ওলাই লাটীন শিক্ষাৰ ভাল ব্যৱস্থা থকা আন আন কলেজত ভৰ্তি হবলৈ বাধ্য হলোহঁক। সেই আপাহতে মই ৰিপণ কলেজৰপৰা ওলাই 'চেণ্ট জেভিয়াৰ্চ' কলেজত ভৰ্তি হলোঁগৈ। সেই কলেজৰ অধ্যাপক ( Fathers ) সকলোটি ফৰাচী ভদ্ৰলোক। সিবিলাক বাস্তৱতে ভদ্ৰলোক। সেই সুসভ্য, সুশিক্ষিত অধ্যাপক সকলৰপৰা মই ভদ্ৰতা, নম্ৰতা, শিষ্টতাৰ যি নীতিশিক্ষা লাভ কৰিছিলোঁ, সি আজিকোপতি মোক নিজৰ তেজ-মাংসৰ দৰে গুণ দিব লাগিছে। তেতিয়া সিবিলাকৰ মাজত অধ্যাপক লাফোঁ ( Father Lofou ) এজন সবাতকৈ অগ্ৰগণ্য বিজ্ঞান বিষয়ক অধ্যাপক আছিল। তেখেতে ভাৰতৰ ভিতৰত এজন অসাধাৰণ প্ৰতিভাশালী স্বনামধন্য বিজ্ঞানবিদ্ পণ্ডিত আছিল। তেখেতে মোক বৰ ভাল পাইছিল। হাইস্কুলৰ শিক্ষাগুৰু ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৰ দৰেই ৺ফাদাৰ লাফোঁক মই কলেজৰ শিক্ষাগুৰু লাভ কৰিছিলোঁ। তেখেতলৈ মোৰ অপাৰ ভক্তি। বাস্তৱতে তেখেতৰ মুখে যি বিজ্ঞান শিক্ষা লাভ কৰিছিলোঁ, বিজ্ঞানৰ বীজ মোৰ মগজত সিমানেইহে, তাৰপৰাইহে আজিলৈকে যি অলপ বিজ্ঞান জ্ঞানৰ গৰাকী হব পাৰিছোঁ। সিবোৰ যি হওক, মোৰ আচল উদ্দেশ্য এই কলেজতো সিদ্ধি হোৱাৰ আশা বলৱতী যেন দেখা নগল। কিয়নো, লাটীন শ্ৰেণীৰ আনবিলাক ছাত্ৰই প্ৰথম ছমাহতে পাঠ্যপুথি কেইখনৰ পঢ়া ইমানলৈ আগুৱালে যে মোৰ পক্ষে মই দিনে দুগুণ-তিনিগুণকৈ পুৰণি বা পিচপেলাই যোৱা পাঠ আওৱায়ো সিবিলাকৰ লগ ধৰি তভিব নোৱাৰাত পৰিলোঁ। তদুপৰি সিবিলাক সেই কলেজিয়েট স্কুলত তল-শ্ৰেণীৰপৰা লাটীন-সাহিত্য নিয়াৰিকৈ শিকি অহা ছাত্ৰ। গতিকে, ছমাহমানৰ মূৰত মই আকৌ বিমোৰত পৰিলোঁ। মোৰ হিতাশী অসমীয়া ছাত্ৰবন্ধুবৰ্গে ইমানকে মাথোন পৰামৰ্শ দিয়ে যে তেতিয়াও, পাৰোঁ যদি, সংস্কৃত নতুনকৈ শিকি, আন এটা সংস্কৃত শিক্ষা দিয়া কলেজত মই চেষ্টা কৰি চাব পাৰোঁ। অগত্যা মই তাকে কৰিলোঁ। 'চেণ্ট জেভিয়াৰ্চ' কলেকৰপৰা অনিচ্ছাৰ ওপৰত নাম থাৰিজ কৰাই লৈ, পৰীক্ষালৈ এবছৰমান থাকোঁতে মই "জেনেৰেল এচেম্বলি ইনষ্টিটিউচন্" কলেজত নাম লগালোঁগৈ।

"জেনেৰেল এচেম্বলি ইনষ্টিটিউচন্" কলেজত ভৰ্তি হৈ মই একাণপতীয়া মনোযোগেৰে সংস্কৃত অধ্যয়নত লাগি গলোঁ। লাগিলোঁ বুলিও পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উদ্দেশ্যেহে, সংস্কৃতত স্থায়ী ব্যুৎপত্তি লাভ কৰিবলৈ নহয়। সেই অৰ্থে সংস্কৃত সাহিত্যৰ দেওনাগেৰী আখৰখিনি যিমান সোনকালে পাৰোঁ শিকিবলৈ যত্ন কৰিলোঁ ; আৰু সংস্কৃত 'কোৰ্চ' বা পাঠ্যপুথি কেইখনৰ

ব্যাখ্যাদি ব্যাকৰণৰ সাহায্যে শিকিবলৈ বাট নাচাই তাৰ বঙ্গলা ভাঙনি আওৰাবলৈ ধৰিলোঁ। সেই ব্যৱস্থাত মোৰ সংস্কৃত শিক্ষা যথাৱতকৈ পৰীক্ষাত উত্তীর্ণ হোৱাৰ জোখাৰে বৰ বেয়া হোৱা নাছিল ; কিয়নো সেইকালৰ সংস্কৃতীয়া বঙ্গলা সাহিত্যৰ ব্যাকৰণত আগৰেপৰা মোৰ ৰাপ্ বহিছিল, আৰু ভালদৰে ব্যুৎপত্তি লাভ কৰিছিলোঁ। সেই বলতে জেনেৰেল এচেম্‌ব্লিত পঢ়াৰ আগ ছমাহত বৰ আগ্ৰহেৰে বিশেষ পৰিশ্ৰমেৰে অধ্যাপনা কৰি এফ. এ মহলাৰ নিমিত্তে সংস্কৃত বিষয়ত যথাৱতকৈ সাজু হলোঁ। মাহদিয়েকৰ পাচত, টেষ্ট পৰীক্ষাও পাৰ হৈ গ'ল। আনবোৰ বিষয়ত পাছ হোৱাত মই সিমান লগা নাই, কিন্তু সংস্কৃততো যে পাচ নম্বৰ ধৰিব পাৰিলোঁ সেইবাবেহে মোৰ মনত বৰ উলাহ আৰু উৎসাহ লাগিল। কিন্তু, কি যে দৈব ছৰ্বিপাক ! সেই উলাহৰ ধলত হতাশৰ ওভতনি মিলিল, এফ, এ মহলা দিবলৈ আগবঢ়াৰ বেলিকা ইউনিভাৰ্চিটীৰ কৰ্তৃপক্ষে মোক নামঞ্জুৰ কৰিলে। কাৰণ লাটীন আৰু সংস্কৃতৰ শিক্ষানুপাত (percentage) একেটাকৈ পৰিগণিত নোহোৱাত দুৱলীয়া সাহিত্যত (second language) মোৰ লাগতিয়াল পৰিমাণ percentage নৰল। এই সিদ্ধান্তৰ বাতৰি পাই মোৰ মূৰত স্বৰগ ভাগি পৰাৰ নিচিনা বোধ হল ; মই ঠৰ্ মৰ্ খাই অবাক হলোঁ। মই আকৌ বিমোৰ সাগৰৰ অথাই পানীত পৰি ককৃবকাবলৈ ধৰিলোঁ। কলেজৰ প্ৰিন্সিপাল মিঃ মৰিচন চাহাবে মোৰ হৈ বিস্তৰ লিখালিখি কৰিলে, কিন্তু মোৰ ভাগ্য আৰু প্ৰসন্ন নহল। মই হতাশৰ খুন্দাত মৰাপ্ৰায় হৈ কলেজৰপৰা ওলাই আহি "হেডোপাৰাত", "গোলদিঘিত", "লালদিঘিত", "ইডেন গাৰ্ডেনত" নিৰলে নিৰাশ মনেৰে ঘূৰি-ফুৰি মোৰ আন্ধাৰ ভবিষ্যত ভাবিবলৈ ধৰিলোঁ।

ওপৰত উন্নুকিয়াবলৈ নহল যে, মোৰ কলেজীয়া কালৰ দ্বিতীয় বছৰৰ আৰম্ভণৰেপৰা বন্ধু জনৰ বুধি অনুসৰি মই ওকালতি ক্লাচতো (pleadership law class) ভৰ্তি হৈ আছিলোঁ। ন্যায়শাস্ত্ৰ (logic) বিষয়ত মোৰ বেছি ৰাপ্ থকা আৰু তাত বুৎপত্তি লাভ হোৱাৰ চিন পাই আমাৰ মেচৰ ৺সৰ্বেশ্বৰ দাস ( বৰপেটাৰ ছাত্ৰ ) প্ৰমুখ্যে চতুৰ্থ বাৰ্ষিক আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰবন্ধু জনদিয়েকে মোক পৰামৰ্শ দিলে যে, মই এফ, এ পৰীক্ষাৰ অহা চেচনলৈ বাট চাই বহি থকাতকৈ আগন্তুক ওকালতি পৰীক্ষালৈ সক্ষম হোৱাটোৱেই বাঞ্ছনীয়। তেতিয়া বি, এল ক্লাচৰ লগতে প্লিডাৰচিপ ক্লাচ এটাও লগলগাই সপ্তাহত ছুদিনকৈ ওকালতিৰ আইন শিক্ষা (Law lecture) দিয়াৰ নিয়ম চলিছিল। মই সেই অনুসৰি 'চিটী কলেজৰ' দুৱলীয়া আইন শ্ৰেণীত নাম লগাই লৈছিলোঁ। তেতিয়া আমাৰ আইন শিক্ষক (Law lecturer) আছিল মিঃ এচ, পি, সিংহ ( পাচত লৰ্ড সিংহ ) আৰু প্ৰখ্যাত বাগ্মীপুৰুষ ৺কালীচৰণ বানাৰ্জী। পিচে, এফ, এ, পৰীক্ষালৈ মোৰ বিৰুদ্ধে অলজ্ঘণীয় জপনা দেখি, কেইদিনমান নিৰলে গুণি-গাঁথি চাই সদৌশেহত ওকালতি পৰীক্ষাৰ নিমিত্তে সক্ষম হবলৈকে সংকল্প কৰি, আইন অধ্যয়নত একাগপতীয়া মনোযোগেৰে লাগি গলোঁ। সংস্কৃতত অলপ বহল বুৎপত্তি লাভৰ উদ্দেশ্যে তৃতীয় বছৰতে আকৌ এবাৰ এফ, এ, পৰীক্ষাৰ অৰ্থে যত্ন কৰি চাবৰ মন গৈছিল ; পিছে দুই নাৱত দুভৰি দি দুকূল পাবলৈ চাওঁতে ফলিতাৰ্থত দুয়োকূল হেৰোৱাৰ ভয় দেখুৱাই মোৰ

হিতাশী বান্ধৱবৰ্গে মোক অকল এবিধত মাথোন ধৰিবলৈ হিত উপদেশ দিয়াত, মই সম্প্ৰতিকৰ নিমিত্তে এফ, এ পৰীক্ষাৰ ফালে জলাঞ্জলি দি, অকল ওকালতি পৰীক্ষাকে আগত লৈ, তদৰ্থে সাজু হবলৈ ধৰিলোঁ। আগৰ বছৰৰ এৰা-ধৰা যত্নৰ ফলত যি অলপ আইন-জ্ঞান লাভ হৈছিল, তাৰ লগতে পাচৰ বছৰৰ নেৰা-নেপেৰা যত্ন চেষ্টাৰ গুণত ওকালতি পৰীক্ষাৰ অৰ্থে মই বাৰুকৈয়ে প্ৰস্তুত হৈ উঠিলোঁ। যথাসময়ত ওকালতি পৰীক্ষাৰ মাচুল ডেৰকুৰি টকা কলিকতাৰ আলিপুৰ কোৰ্টত শোধাই থৈ আহিলোঁগৈ। কিন্তু, বিধিৰ কি বিড়ম্বনা—বোলে "দৰিদ্ৰ লঙ্কালৈ যায়, লঙ্কাত জুই লাগে!" মোৰ দশাতো সেয়ে ফলিয়ালে। ওকালতি পৰীক্ষালৈ যোৱা বাটতো এখন ডেব নোৱাৰা অভাৱনীয় জপনা থিয় হ'ল, মই হেনো তেতিয়ালৈকে ওকালতি পৰীক্ষাৰ নিমিত্তে লাগতিয়াল বয়স পোৱাগৈ নাই! সেই পৰীক্ষালৈ তেতিয়া অন্যূন ২৩ বছৰ বয়সীয়া হব লাগে; কিন্তু এন্টেঞ্চ চাৰ্টিফিকেট্ মতে মোৰ বয়স ওলাল ২২ বছৰ। ঘৰৰপৰা অনতিপলমে মোৰ সোঁৱৰণী বা জন্মপত্ৰিকা নিয়াই গণনা কৰি চাওঁ যে, প্ৰকৃততে পূৰা নহলেও সেই বছৰতে মোৰ বয়স ২৩ বছৰত সোমাইছিল। তাকে দেখুৱাই কত কি যে কৰিলোঁ, কিন্তু সকলো মিছা হ'ল, সোঁৱৰণীৰ বয়স চাই কাম কৰিবলৈ কৰ্তৃপক্ষ মান্তি নহল। এইবাৰ মোৰ মনত বৰ বিৰকতি লাগিল। কলিকতাত আৰু এদিনো থাকিবলৈ মোৰ মন নোৰোৱা হ'ল। কেইদিনমানৰ পাচত, ঘামকালিৰ বন্ধত ঘৰলৈ ওলটা ছাত্ৰবন্ধু জনদিয়েকৰে সৈতে মই অনতিপলমে ঘৰমুৱা হলোঁ। কলিকতাৰপৰা দেখাত শুদাহাতে উলটিলোঁ বুলিও, নেদেখাকৈ কাষলতিৰ তলত মোৰ মাতৃভাষা আৰু জাতীয় সাহিত্য সম্ভাৰৰ কঠীয়া-টোপোলা এটি অতি সন্তৰ্পণে লুকুৱাই লৈ আহিছিলোঁ; সেয়ে মোৰ ওৰ্‌বাটে হতাশত আশাৰ সঞ্চাৰ দি, উলাহিতকৈ আনিছিল। ঘৰলৈ উলটি আহি, হতাশে জঁয় পেলাবলৈ নোপাওঁতেই মোৰ সেই সাহিত্যিক টোপোলা মেলি লৈ দৃঢ়চিতেৰে স্বজাতীয় সাহিত্য চৰ্চাত একাগ্ৰপতীয়াকৈ লাগি গলোঁ। দেখিলোঁ, সেয়ে মোৰ ভবিষ্যত জীৱন পোহৰোৱাত সুবিমল আভাস দিবলৈ ধৰিছে।*

*আৱাহন, মাঘ, ১৮৫৩, তৃতীয় বছৰ, ৪ৰ্থ সংখ্যাত প্ৰকাশিত।

# চতুৰ্থ সৰ্গ

## কলিকতীয়া কাল

যাত্ৰাকালৰ উদ্দেশ্যলৈ ধিয়াই কবলৈ গলে, মোৰ কলিকতীয়া কাল মিছাই গ'ল বুলিব লাগে। ছাত্ৰাধ্যা অন্ত পেলাই কলিকতা এৰিবৰ বেলা বাস্তৱতে সেই ভাৱে মোৰ মনত দকৈ ঠাই লৈছিল, আৰু প্ৰাণক উচুপি উচুপি কন্দুৱাইছিল। তাৰ চিন্ "বিজুলী"ত প্ৰকাশিত হোৱা মোৰ "মিছাই" শীৰ্ষক এটি কৱিতা। স্বৰূপতে লিখা পঢ়া বিষয়ত মই সমূলি নাম কৰিব নোৱাৰিলোঁ, বোলে, "গ'ল কণা, আহিল কণা, খাগৰি কাটিলে তিনি কণা"; মোৰ বিদ্যা-বেহাতো আটাইবোৰ কণা-কড়ি উঠিল! সেই কাৰণে আন্তৰিক বেদনা আৰু অনুতাপৰ তাপত মূৰ ঘমাই মই বিষাদ মনেৰে ঘৰৰ লৰা ঘৰলৈ উলটিব লগীয়াত পৰিলোঁ। মোৰ অন্তৰত আটাইতকৈ টান বা উতলা অনুতাপৰ তাপ এইবাবেহে চৰিছিল যে, মই মোৰ পিতৃদেৱতাৰ বিশুদ্ধ আৰ্জনৰ বিস্তৰ অৰ্থ অশুদ্ধকৈ ভাঙ্গি কলিকতাত গা-ঘেলালোঁগৈ মাথোন! তেখেতৰ বাঞ্ছিত ফল লাভলৈ মোৰ প্ৰতি যি অনুজ্ঞা আছিল, সেই লাভৰ অৰ্থে মোৰ সদোদ্যম নিষ্ফল হ'ল। সেই কাৰণে ভগ্ন মনোৰথ হৈ পোনে পোনে গৈ ঘাইঘৰত পিতৃদেৱতাৰ আগত ওলাবলৈ অতিশয় লাজ আৰু ধিক্কাৰ লগা হেতুকে, মই কলিকতাৰপৰা উলটি পোন্-প্ৰথমে মাহদিয়েকৰ কাৰণে মোৰ পূৰণি ৰঙ্গভূমি ৰংপুৰত (শিৱসাগৰ) থিত্ ললোঁগৈ। তাৰ পাচত তাৰ আনুষঙ্গিক আখ্যানৰ বিষয়ে পাচত কোৱা যাব; সম্প্ৰতে আকৌ কলিকতীয়া কাললৈ এবাৰ সুমৰি চাওঁ।

পিচে, মোৰ কলিকতীয়া কাল সঁচাকৈয়ে "মিছাই" গ'লনে? মোৰ বিবেকে সমিচাৰ দিয়েচোন "মিছাই" নহয় বুলি;—বিবেকৰ সুমৰণত, সি বাজে বঁজা পৰিছিল বুলিও, ভিতৰি ভৰ ফুলৱতী হৈছিল। পৃথিবীৰ আহিক্ষেত্ৰ কলিকতাত "মিছাই" গা ঘেলাই ফুৰা ওপৰচকুৱা মানুহবো বহুদৰ্শিতাৰ ফল অলপ নহয় অলপ নোহোৱাকৈ নাথাকে। ময়ো সেই স্বাভাৱিক ফল লাভৰপৰা সমূলঞ্চে বঞ্চিত হোৱা নাছিলোঁ। আন নহলেও, স্বদেশহিতৈষিতা আৰু মাতৃ-ভাষাৰ প্ৰতি অনুৰাগ এই দুটি স্বৰ্গীয় গুণৰ অলপ-অচৰপ মোৰ লাভ হৈছিল বুলি মনে ধৰে। এই দুটি স্বৰ্গীয় গুণৰ ভিতৰতো মাতৃভাষাৰ প্ৰতি অনুৰাগ আগ হৈছিল। ইতিপূৰ্বতে উনুকিয়াই থৈ অহা হৈছে যে, শিক্ষাৰ সঁজুলিৰ গুণানুসাৰে সংস্কৃতীয়া বঙ্গলা সাহিত্যত মোৰ অলপ দকৈ অধিকাৰ বহিছিল; আনপাকে, তাৰ মানে এনেকৈ বুজিলেও তেনেই ভুল নহব যে, অসমীয়া সাহিত্যত তেতিয়ালৈকে মোৰ ডাঠ্ কৈ ৰাপ বহা নাছিল। স্বীকাৰ কৰোঁ পোনতে সাহিত্যিক চৰ্চাৰ ফালে স্বাভাৱিক ধাউতি হওঁতে, মোৰ এই মুখে বঙ্গালী ভাষাত ভাবিবলৈ আৰু এই হাতে বঙ্গলা ভাষাত লিখিবলৈ শিকিছিল। তাৰ চিন্ স্বৰূপে আজিও মোৰ "সোৱঁৰণীত" দুটিমান স্বৰচিত বঙ্গলা কবিতাৰ চাব লাগি থকাৰ নিদৰ্শন ইয়াৰ আগেয়েই দি থোৱা থাকিব পায়। কলিকতাতে পোন প্ৰথমে মোৰ সেই সুৱদি বঙলুৱা ভাবনা আৰু

লিখনিৰ আঁচে চেনেহী অসমীয়া ভাষাৰ মোহত মোক ঘৰমুৱাকৈ ঘোৰ খুৱায়। ফলিতাৰ্থত, মই বঙ্গলুৱা ভাব আৰু কল্পনাৰে লোকৰ আগত লুকুৱাই অসমীয়া কবিতা এটি দুটি কৈ ৰচিবলৈ ধৰিলোঁ, চল পালেই অসমীয়া ৰচনা লিখি সাঁচিবলৈ শিকিলোঁ। ইয়াৰ মূল-সঞ্চাৰিণী শক্তি হৈছিল "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা।" স্বৰূপতে আমাৰ পূৰ্ববৰ্তী কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ-সকলে এই "অ, ভা, উ, সা" সভাখন প্ৰতিষ্ঠা কৰি, জঁয় পৰিবলৈ ধৰা অসমীয়া সাহিত্যক পুনঃ ঠেনধৰি উঠিবলৈ সঞ্জীবনী শক্তি দান কৰে। এই সভাত মই অতি আগ্ৰহেৰে মোৰ কলিকতীয়া কালৰ পোন প্ৰথম বছৰতে যোগ দিলোঁ। মোৰ সেইকালৰ ভিতৰত এই সভাৰ এনেকুৱা এটা বৈঠক পাৰ হবলৈ নাপালে য'ত মই 'গড় হাজিৰ' আছিলোঁ, বা উপস্থিত নাছিলোঁ, আৰু, সততে ঠিক সময়ত সভাৰ বৈঠকত উপস্থিত হোৱাৰ বাবে মই 'টাইম্‌পিচ্', খিতাপ পাইছিলোঁ; স্বৰূপতে মোক সভালৈ যোৱা দেখিলেই বৈঠকৰ ঠিক সময় চাপিলহি ভাবি লগৰীয়া-সমজুৱা সকলে খৰপোচ্ কৰা হৈছিল। এই অ, ভা,উ, সা, সভাৰ এটা বছেৰেকীয়া বৈঠক বৰ সমাৰোহেৰে বহিছিল। তাত ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়া সভাপতি হৈছিল আৰু কাৰ্য্যালোচনাৰ মাজ ভাগত গৈ ৺ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰেও যোগ দিছিল। সেই বৈঠকত মোৰ অসমীয়া সাহিত্যিক বন্ধু ৺হেমচন্দ্ৰ গোস্বামী দেৱে "অসমীয়া ভাষা" শীৰ্ষক এখন বৰ সাৰুৱা আৰু সুদীৰ্ঘ ৰচনা পাঠ কৰিছিল। পাচত, সেই ৰচনা ছোৱা-ছোৱাকৈ "জোনাকী" আলোচনী কাকতত (৩য় ভাগত) প্ৰচাৰিত হৈছিল। সেই দিনা সেই ৰচনাই মোৰ মনত আহোমৰ পূৰ্ব গৌৰৱ, অসমীয়া জাতিৰ ভাৱ, আহোম ভাষাৰ পুনৰুদ্ধাৰ, অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি, অসমৰ পুৰণি তথ্য-সংগ্ৰহ ইত্যাদি বিষয়ক চিন্তালোচনা দকৈ বহুৱায়। আৰু অনতিপলমে আপোনমনেৰে মই সেই সাধনাৰ সংকল্প অন্তৰস্থ কৰি আনে নজনাকৈ তাৰ তপস্যাত ধৰিলোঁ। সেই ছেগতে "জোনাকী" আৰু "বিজুলী" নামেৰে মাহেকীয়া অসমীয়া আলোচনী কাকত দুখনে মোক মোৰ সেই তপস্যা ফলিয়াবলৈ বিস্তৃত থল আৰু বিস্তৰ বল দান কৰিছিল।

## 'জোনাকী'-'বিজুলী'

"জোনাকী"ৰে সৈতে মই স্কুলীয়া কালৰেপৰা চিনাকি। শিৱসাগৰৰ হাইস্কুলত পঢ়োঁতে "জোনাকী" মই বৰ ৰাপ্ লগাই পঢ়িছিলো। তাত প্ৰকাশ হোৱা ৺হেমচন্দ্ৰ গোস্বামীৰ কবিতা, ৺লম্বোদৰ বৰাৰ ভাবৰ হেন্দোলনি লগোৱা প্ৰবন্ধ, ৺লক্ষ্মীনাথ বেজবৰুৱাৰ ফুচুৰি প্ৰবন্ধ "কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা", ৺কমলাকান্ত ভট্টাচাৰ্যৰ ওজস্বিনী জাতীয় গীত, ৺ৰত্নেশ্বৰ মহন্তৰ প্ৰত্নতাত্বিক প্ৰবন্ধাৱলী পঢ়ি মই বৰ তৃপ্তি পাইছিলোঁ। কলিকতালৈ গৈ তাত সেই আলোচনীখন চলোৱাৰ ব্যৱস্থা দেখি, আৰু তাৰ উন্নতিকল্পে কলিকতা প্ৰৱাসী অসমীয়া ছাত্ৰ সমষ্টিৰ সমূহ পুৰুষাৰ্থ লৈ মন কৰি, মই বিমোহিত হলোঁ। ক্ষন্তেক মানো নিশ্চেষ্ট হৈ ৰব নোৱাৰি মই অনতিপলমে মোৰ ক্ষুদ্ৰ আৰু অনাভুৱা চিন্তালোচনা তাৰ লগতে অযাচিতে যোগ দিলোঁ; অৱশ্যে আনে বৰকৈ গম নোপোৱাকৈ। স্বৰূপকৈ অসমীয়া সাহিত্য-

চৰ্চালৈ মোৰ মন টনাৰ আকৰ্ষণী শক্তি এই "জোনাকী" হে। তাৰ পাচত, মোৰ কলিকতীয়া কালৰ মাহ চাৰেক পাৰ হওঁতে-নহওঁতেই মোৰ অন্তৰঙ্গ বন্ধু ৺কৃষ্ণপ্ৰসাদ দুৱৰাৰ উদ্যমত, অসমীয়া ছাত্ৰাবাস ১৪নং প্ৰতাপচন্দ্ৰ চাটুৰ্জি লেনৰ পৰা "বিজুলী" নামেৰে আৰু এখন অসমীয়া আলোচনী মাহে মাহে ওলাবলৈ ধৰে। সেই বাবে মোৰ মনত নথৈ আনন্দ হ'ল ; আৰু ততালিকে মই সেই কাকতক সৰ্বতোভাৱে সহায় কৰিবলৈ বুলি লগৰীয়া বন্ধু দুৱৰাৰ ওচৰত প্ৰতিশ্ৰুত হলোঁ। সেই প্ৰসঙ্গতে মই আৰু মোৰ অনুজপ্ৰতিম আদৰুৱা বন্ধু শ্ৰীযুত বেণুধৰ ৰাজখোৱাদেৱে ৬৭নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ মেচৰ পৰা ১৪নং প্ৰতাপচন্দ্ৰ চাটুৰ্জিৰ লেনত পতা অসমীয়া 'মেচ'লৈ আমাৰ থকা ঠাই সলনি কৰিলোঁহঁক। এই 'মেচ' নামতহে "প্ৰতাপচন্দ্ৰ চাটুৰ্জিৰ লেনত" পৰে কিন্তু প্ৰকৃততে ই কলেজ ষ্ট্ৰীটৰ পাৰতহে থিয়। কলেজ ষ্ট্ৰীটৰ উত্তৰপাৰত মেডিকেল কলেজৰ প্ৰকাণ্ড পকী ঘৰ, দক্ষিণপাৰে আমি বাস কৰা এই দুমহলীয়া ঘৰটি। তাৰপৰা দুকুৰি নলমানৰ পূবে, ওচৰতে ষ্ট্ৰীটৰ উত্তৰ পাৰে প্ৰেচিডেঞ্চি কলেজ আৰু ইউনিভাৰ্চিটীৰ চিনেট হাউচ, দক্ষিণে হিন্দু বা সংস্কৃত কলেজ। এইখিনিতে প্ৰতাপচন্দ্ৰ চাটুৰ্জিৰ লেনৰ চিনাকি দি থোৱাও লাগতিয়াল বোধ কৰোঁ। ৺প্ৰতাপচন্দ্ৰ চট্টোপাধ্যায় স্বনাম প্ৰসিদ্ধ বঙ্গীয় সাহিত্য সম্ৰাট ৺বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ ৺পিতৃ। সেই সুযোগ্য পুৰুষৰ ঘৰলৈকে সেই চোৰা পকীবাটৰ নাম তেওঁৰ ৺পিতৃৰ নামেৰে নামকৰণ কৰা হৈছে ; সেই ঘৰ চেৰাই আৰু সেই ঘৰ বাঢ়ি যোৱাটো নাই ; সিমানতে সি সীমাবদ্ধ। সেই ছেগতে মোলৈকো এটি সোণাময় সুযোগ মিলিছিল, প্ৰত্যহ সেই প্ৰতিভাশালী সাহিত্যিক পুৰুষ ৺বঙ্কিম বাবুৰ দৰ্শন লাভলৈ। তেওঁ তেতিয়া ডেপুটি মাজিষ্ট্ৰেট। নিতৌ ঠিক ১০॥ বজাত তেওঁ আদালতলৈ যাবলৈ বুলি আমাৰ মেচৰ বাৰাণ্ডাৰ তলত কলেজ ষ্ট্ৰীটৰ দক্ষিণ দাঁতিত থিয় দি তেওঁৰ ঘোঁৰা-গাড়ী অহালৈ বাট চায়হি। মই ওপৰৰপৰা অলক্ষিত হৈ সেই প্ৰতিভাৰ জীৱন্ত ৰূপ প্ৰাণ ভৰি চাওঁ। তেওঁৰ মনৰ গতি ইমান চোকা যে সেই কন্তেককে তেওঁ স্থিৰেৰে নিয়াব নোৱাৰে ; গাড়ী আহি পায়মানে সেই ফুটপাথৰ ওপৰতে তহলি তজবজাই থাকে ; মন কিন্তু তেতিয়া গাৰ লগত লগাকৈ নাথাকে ; কিবা ভাৱত কৰবাত ভ্ৰমি ফুৰে। সি যি হওক সেই "বিজুলী" কাকতেই মোক অসমীয়া ভাষাত লিখিবলৈ বাট লগাই দিয়ে। সেই প্ৰসঙ্গতে মোৰ পোন প্ৰথম উদ্যম হল এখন সামাজিক ধৰুৱা উপন্যাস লিখা, কিয়নো তেতিয়ালৈকে ( ইং ১৮৯০ চন ) অসমীয়া ভাষাত উপন্যাস বুলিবলৈ এখনো নাছিল। মোৰ "ভানুমতী" সেই উদ্যমৰে ফল। এই উপন্যাস প্ৰবন্ধই চোৰা চোৰা হৈ "বিজুলী"-পোহৰত ওলাবলৈ ধৰিলে ; তাৰ লগতে মাজে মাজে এটি দুটিকৈ মোৰ গুটিদিয়েক কোমল কবিতায়ো সেই পোহৰ পাইছিল। সেই সময়ত "বঙ্কিম বাবু"ৰ গদ্য-প্ৰবন্ধাদি আৰু "ৰবি বাবু"ৰ কবিতা পঢ়াত মোৰ মনত বৰকৈ ৰাপ বহিছিল ; আৰু পাচলৈ সি মোৰ মূৰত এটা বাগি হৈ উঠিছিল। আৰু, প্ৰবীণ ঔপন্যাসিক বঙ্কিম বাবুক নিতৌ অযাচিতে দৰ্শন পোৱাৰ দৰে, সেইকালৰ নবীন কবি ৰবি বাবুকো মাজে সময়ে দেখা পাবলৈ মই ছেগ চাই ফুৰোঁ ; যি সভা-সমিতি, সমাজ-মজলিচত ৰবি বাবুৰ উপস্থিতিৰ আগন্তুকৰ সম্ভেদ পাওঁ, সেই সভা-মজলিচ আদিত মই সদৌৱন কাতিকৈ থৈ

আগধৰি উপস্থিত হওঁগে। এইখিনিতে কৈ থব লগীয়া যে, মহাপুৰুষ ৺ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ দৰ্শন লাভো মোৰ এটা ছেগ বুজি ধৰা কাম আছিল। সেই ছেগ কেতিয়াবা কোনোদিনা অকস্মাৎহে পাওঁ। যেতিয়াই পাওঁ তেতিয়াই মই অলক্ষিত ভাৱে সেই দ্বিবস্ত্ৰ বিৰাট পুৰুষ-জনৰ পিচ লাগোঁ। কলিকতাৰ ফুটপাথ বা মানুহ অহা-যোৱাৰ পকী বাটেদি চটপ্-চটপ্ তালতলি বা বিদ্যাসাগৰ 'চটি' জোতাৰ শ্ৰুতিকৰ তাল দি তেখেতে কালৈকো কটাহি নকৰি আপোন মনেৰে গৈ থাকে, ময়ো পিচে পিচে যিমানলৈকে পাওঁ নীৰৱে গৈ থাকোঁ। এয়ে মোৰ অতৃপ্ত বিদ্যাসাগৰ দৰ্শন। সি যি হওক, আচল কথাত ধৰোঁ। এই "বিজুলী"য়েই মোৰ আন্তৰিক সাহিত্যিক অনুৰাগ ক্ৰমাৎ উজ্জলাবলৈ ধৰিলে; ময়ো দুগুণ উলাহেৰে তাক কাৰ্যত ফলিৱাবলৈ যত্নপৰ হলোঁ। "বিজুলী"ক সাহিত্যৰ সমল চপাই আনি দি সহায় কৰাৰ উপৰি, তাৰ আৰ্থিক বল বঢ়াবলৈকো মোৰ যত্নৰ ত্ৰুটী হোৱা নাছিল। সেই অৰ্থে মই ফুৰা-চকা আজৰিৰ ক্ষণত ছেগ ধৰি কলিকতীয়া সৰু-বৰ কোম্পানী আৰু দোকানী-কাৰবাৰী আদিৰ পৰা বিজ্ঞাপন গোটাই আনি দি পাৰ্যমানে সহায় কৰিছিলোঁ, তদৰ্থে মোৰ হাতত বা জেপত এখন "বিজুলী" সততে থাকেই। সেই কাৰ্যত মোক চাহাবী পোছাকে তেতিয়াৰ কালত বিশেষ গুণ দিছিল। সেই প্ৰসঙ্গতে মাজে মাজে, ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়াই মোৰ কলিকতা যাত্ৰাৰ কালত জাহাজত পোন-প্ৰথম সাক্ষাৎ দিওঁতে দিয়া তেখেতৰ ব্যৱসায়ী জ্ঞানমূলক মন্তব্য মই সুমৰি চাইছিলোঁ।

"বিজুলী"ৰ প্ৰথম বছৰটো পূৰ কৰি উঠি, দ্বিতীয় বছৰৰ প্ৰথম দুই সংখ্যা উলিৱা হৈছে মাথোন, এনেতে ৺কৃষ্ণপ্ৰসাদ দুৱৰা কলিকতাৰপৰা ঘৰলৈ একেবাৰে গুচি আহিব লগীয়া হ'ল। গতিকে, "বিজুলী" চলোৱাৰ সৰ্বভাৰ মোৰ মূৰত পৰিল। ভাবি চালোঁ, কাকতখনৰ সেই বছৰটোৰ আধৰুৱাকৈ এৰাটো বাঞ্ছনীয় নহয়, কিয়নো সেইদৰে এৰিলে মোৰ সেই প্ৰিয়তম বন্ধুৰ নামত অখ্যাতি আহিব আৰু তাৰ কিঞ্চিৎমান অপযশে মোকো নোপোৱাকৈ নাথাকিব। এই ভাবি, "বিজুলী" চলোৱাৰ ভাৰ কানপাতি ললোঁ; আৰু ভালেমান অভাৱ-অভিযোগ পাৰ হৈ অতি দুখে-কষ্টে সেই আধৰুৱা দ্বিতীয় বছৰটো পূৰাকৈ সমাপ্ত কৰি উঠি, সকাহ এফেৰি পালোঁ। তাৰ পাচত, উঠিল তৃতীয় বছৰৰ প্ৰশ্ন; কিয়নো মই ওকালতি পৰীক্ষা দিয়াৰ উদ্দেশ্যে কলিকতাত মোৰ তৃতীয় বছৰটোও কটাবলগীয়া হৈছিল। কিন্তু, মোৰ এনে সামৰ্থ্য নাছিল যে, "বিজুলী"ৰ নিচিনা এখন আলোচনী কাকত চলোৱাৰ সম্পূৰ্ণ ভাৰ অকলশৰীয়াকৈ আৰু এটা দীঘলীয়া বছৰ ববলৈ আগবাঢ়িব পাৰোঁ। পিচে, কৰোঁ কি এতিয়া? আগ-পিচ গুণি বিমোৰ হলোঁ। এই দোধোৰ-মোৰ অৱস্থাত অনা-গুণাকৈ মাজতে এমাহমান কটালোঁ, তথাপি কোনো এটা সিদ্ধান্তত উপস্থিত হবগৈ নোৱাৰিলোঁ। গৈ মাৰি শেহান্তত এই সমস্যা লৈ মই আমাৰ বয়োজ্ঞানবৃদ্ধ পৰম শ্ৰদ্ধাস্পদ অসমীয়া সাহিত্যিক ৺গুণাভিৰাম বৰুৱা ৰায়বাহাদুৰ ডাঙৰীয়াৰ কাষ চাপিলোঁগৈ; তেখেত তেতিয়া সপৰিয়ালে আমাৰ 'মেচ'ৰ গাতে লগা ৬৬নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ ঘৰটোতে বহা কৰি আছিল। মোৰপৰা আদ্যোপান্ত শুনি তেখেতে এটি দীঘল হুমুনিয়াহ পেলালে। হুমুনিয়াহৰ আঁতি-গুৰি ক'ত মই ভাবি চাবলৈ

নৌ পাওঁতেই বৰ হেঁপেহুৱা সহানুভূতিৰে সৈতে তেখেতে মোক এইবুলি সুধিলে, "পিচে, লাগে কি এতিয়া? মোৰপৰা কি উপকাৰ হব পাৰে?" মই আশ্বাসপূৰ্ণ হৈ এই উত্তৰ দিলোঁ যে মই সেই কাৰ্যলৈ অকলশৰীয়া, গতিকে পালে আৰ্থিক আৰু সাহিত্যিক দুয়ো বিধৰ উপকাৰ বিচাৰোঁ, নাপালে অন্ততঃ পাচৰটি হলেও এবেগলৈ সাহ কৰিব পাৰোঁ। তেখেতে মোৰ মুখলৈ চেনেহ ভৰা চকুৰে চাই এটি উদ্গণিৰ হাঁহি মাৰি এই বুলি সমিধান দিলে, "বাৰু', মই দ্বিতীয়বিধ সহায় যি পাৰোঁ দিবলৈ প্ৰতিশ্ৰুত হলোঁ।" সিমানতে তুষ্ট হৈ মই গুচি আহিলোঁ। আৰু, সেইদিনাই "বিজুলী"ৰ তৃতীয় বছৰৰ কাৰ্য হাতত ললোঁহি; কাৰণ সেই সাময়িক সাহিত্যিক চৰ্চাৰ ধাউতি মোৰ অন্তৰত এক্ষন্তেকলৈকো এৰিব নোৱাৰা ৰাগি হৈ বহিছিল, বিশেষকৈ হাতে গঢ়া "বিজুলী"ক হাততে হেৰুৱাবলৈ বৰ টান পালোঁ। ফলিতাৰ্থত, মৰসাহ দি আৰু এটা বছৰলৈ সেই গুৰুতৰ কাৰ্যৰ ভাৰ ববলৈ মই একনীয়াকৈ কান পাতি ললোঁ।

সৰুৰেপৰা মোৰ এটা উন্মাদী দস্তুৰ আছিল যে এবাৰ সংকল্প কৰি আগত লোৱা কাৰ্য সাধিবৰ বেলিকা মই আপদ-আহুকাল একো নগণিছিলোঁ। গতিকে, মোৰ সেই সাময়িক কৰ্তব্যাৱলীৰ মাজত "বিজুলী" চলোৱা কৰ্তব্য সবাতোকৈ আগ কৰি, একনিষ্ঠভাৱে মৰোঁ-জীওঁকৈ আগবাঢ়িবলৈ ধৰিলোঁ। তৃতীয় বছৰীয়া "বিজুলী"ক পোহ-পাল দিওঁতে মই আৰ্থিক আৰু সাহিত্যিক দুয়োবিধ লাগতিয়াল সমলৰ নাটনিত বিষমকৈ আহুকাল সহিব লগাত পৰিছিলোঁ। সাহিত্যিক সমল দানত সেই সাময়িক কলিকতা প্ৰবাসী ৺গুণাভিৰাম বৰুৱা ৰায়বাহাদুৰ ডাঙৰীয়াৰপৰা মই যি আশাতীত সহানুভূতি উপভোগ কৰিছিলোঁ, মই আজিকোপতি সেই বাবে তেখেতৰ গুণ লৈ আছোঁ। কিন্তু, এইখিনিতে এটা আওপকীয়া প্ৰমাদত পৰিছিলোঁ যে, মই তেখেতৰ পন্থীয়া স্কুলৰ ছাত্ৰ নহয় কাৰণে অসমীয়া সাহিত্যৰ গঢ় লগোৱা কাৰ্যত দুইৰো মাজত মতভেদ ঘটিছিল। কথাটো আৰু অলপ মুকলিকৈ কোৱা যাওক। সেইকালত আমাৰ আধুনিক অসমীয়া সাহিত্যৰ আৰ্হা বা আদৰ্শ পথাৰৰ মাজৰ জোপাৰ দৰে আছিল; যেয়ে যি ফালৰেপৰা পোনায়, তালৈকে সেইফালেই পোন হয়। সেই উমৈহতীয়া আৰ্হাটোৰ এটা সদৌ সাহিত্যিকৰ অনুমোদিত ধাৰা অনতিপলমে ধৰিবৰ উদ্দেশ্যে আমি সেইকালৰ অনুৰতী লেখক বিলাকে নিজ নিজ ৰুচি অনুসৰি সেই সাময়িক দুটা পন্থীয়া স্কুলত নাম লগাই লৈছিলোহঁক,—যি সকলে এতিয়া নাইলোৱা বুলি কব খোজে, সিবিলাকেও তেতিয়া কাৰ্যতঃ অনাভুৱাকৈ নাম লগাই চলিছিল। সেই স্কুল দুটা আছিল,—এটা "হেমচন্দ্ৰ স্কুল" আৰু আনটো "গুণাভিৰাম স্কুল।" অসমীয়া সেই প্ৰবীণ সাহিত্যিক দুগৰাকীক আমি আগত লৈ তেতিয়া সাহিত্য ক্ষেত্ৰত নামিছিলোহঁক। সিবিলাকৰ মাজত কোনো পিঠিয়াপিঠি মতভেদ নাছিল, মাথোন এজন নিৰহনিপানী অসমীয়া লেখক, আনজন সংস্কৃতীয়া অসমীয়া লেখক; এজন উকা গদ্য লেখক, আনজন পদ্য-গদ্য লেখক, যেনে এজনে 'হৈছে' লিখে, আনজনে 'হইছে' লিখে ইত্যাদি। মই আছিলোঁ গদ্য লিখোঁতে 'হেমচন্দ্ৰ স্কুল'ৰ আৰু পদ্য ৰচোঁতে 'গুণাভিৰাম স্কুল'ৰ। পিচে, সেই ক্ষণত ঠেকত পৰি দুইটা স্কুলৰ আৰ্হালৈ চকু দি চলিব লগাত

পৰিছিলোঁ ; ফলিতাৰ্থত মই দুইৰো সামঞ্জস্য ঘটাই সাৱধানে আগবাঢ়িবলৈ বাধ্য হৈছিলোঁ। সেই অনুক্ৰমে চলিবলৈ অভ্যাস কৰাৰ ফলত, মোৰ লিখা প্ৰণালীত দুয়োবিধৰ সমাবেশ ক্ৰমাৎ অযাচিতে ঘটিবলৈ ধৰিছিল। আৰ্থিক বিধত কিন্তু কাৰোপৰা কোনোপাকে এফেৰিমানো সহায় পোৱা নাছিলোঁ। ফলে লোকে ন'পতিয়াব কিজানি, এই পাকত মোক "বিজুলী"য়ে 'নঙঠা-বৰাগী' কৰিছিল ;—পিন্ধিবলৈ জোতা নাই, মেচৰ লগৰীয়া ছাত্ৰৰ আৰ-তাৰ ফটা-চিটা যি পাওঁ এযোৰ পিন্ধি বাহিৰলৈ ওলাওঁ ; তিয়াবলৈ তিয়নী নাই, আনৰ তিয়নী তিয়াই গা ধোঁও ; পোছাক বুলিবলৈ কোট-পেণ্ট নাইট-ক্যাপৰ একেটা সাজ মাথোন ; আবেলিৰ জলপানত 'মিঠাই' খোৱা এৰি এক পইচীয়া ফলাহাৰ আৰু এনেই পোৱা চাহটোপাৰ লগত আৰু এপইচাৰ 'গৰমাগৰম' কচুৰী তিনিটা। ইত্যাদি বৰাগী আচৰণেৰে বছৰটো কটাব লগাত পৰিছিলোঁ। অৱশ্যে, সেই ব্ৰত ধৰোতে গাত যিমান দুখ পাইছিলোঁ মনত তাৰ চতুৰ্গুণ সুখ অনুভৱ কৰিছিলোঁ। এইদৰেই সেই এবছৰীয়া কঠোৰ ব্ৰতৰ সাধনা সিদ্ধি হলগৈ,—অকলশৰীয়া মই এহতীয়াকৈ "বিজুলী"ৰ তৃতীয় ভাগ সম্পূৰ্ণ কৰিলোঁ।

## 'লাহৰী'-'ভানুমতী'

জনম সঞ্চাৰৰ কালমতে আগ হব লাগিছিল "ভানুমতী" ; পিচে কাৰ্যতঃ "লাহৰী"য়েহে আগবাঢ়ি বৈয়াকৰণ নিয়ম বাহাল ৰাখিলে, অৰ্থাৎ ব্যাকৰণৰ সূত্ৰ অনুসৰি তাকৰীয়া আখৰৰ নাম বা শব্দ যে আগত বহিব লাগে, সেয়ে হ'ল। কিয়নো, "ভানুমতী" "বিজুলী"ৰ গৰ্ভত থাকোঁতেই ইফালে আচম্বিতে "লাহৰী" পোহৰলৈ ওলাবলৈ এটি সোণাময় ছেগে আপোনা-আপুনি ধৰা দিলে। ঘটনাটো এই—মোৰ কলিকতীয়া কালৰ তৃতীয় বছৰ। ৺শ্ৰীশ্ৰীদুৰ্গা পূজাৰ সামৰণিৰ দিন। বিজয়া দশমী। সপ্তাহকাল ব্যাপি বাজে ভিতৰে দুৰ্গা পূজা উপলক্ষীয় বিবিধ ৰং-ধেমালি, "পূজাবাড়ী"বোৰত শঙ্খ-ঘণ্টাৰ ৰোল, ৰাজ-বাড়ীবিলাকত নাচ-গান, হাট-বজাৰ, মুকলি চাপৰিত নাগৰদোলা ঘূৰণ ইত্যাদি গা-তোলা আনন্দৰ ঢৌ মাৰ যোৱাৰ পূৰ্বক্ষণত, সুপ্ৰশস্ত পকী বাটে বাটে দেৱী মূৰ্তি ফুৰোৱাৰ শোভাযাত্ৰাত বিৰ-দি-বাট-নোপোৱা জন-প্ৰাণীৰ দল্‌দোপ্‌-হেন্দোল্‌দোপ্‌ ভিৰৰ আৰু গঙ্গাত প্ৰতিমা বিসৰ্জন দিয়া চাবলৈ চপা লাখ লাখ লোকৰ তল-ওপৰ হেন্দোলনিৰ মন-নচুৱা উৎসৱৰ উলাহ মাৰ নিয়াই দৰ্শকবৃন্দ ঘৰা-ঘৰি হৈ ভিতৰ সোমালগৈ—হবেক শবদেৰে নিনাদিত সজাগ কলিকতা ক্ষন্তেকৰ অৰ্থে নিজম পৰিল। সন্ধিয়াৰ পাচত, আমাৰ ছাত্ৰবহাতো সেই একে চাব, একে ভাব। সেই গহীন ভাব ক্ৰমাৎ গহীনতৰ কৰি তুলিলে দেশাচাৰমতে খোঁটাপানৰ গহীন ৰাগীয়ে। ৰাতি দুড়াঁৰমান হওঁতে আমি আটাইটি প্ৰবসুৱা ছাত্ৰ আমাৰ ছাত্ৰবহাৰ ( ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীট্ ) উত্তৰ মূৰৰ বহল খোঁটালিত একেঠাই লৈ ঘৰুৱা মেলপাতি বহিলোঁহিহঁক। সেই মেলত বিবিধ বিষয়ক আলোচনা আৰু নানা তৰহৰ ফুচুৰি কথাৰ জোলোঙা মেলা আদি স্বপ্ৰদেশী কথা-বাৰ্তা আৰু হাঁহি-ধেমালিৰ ৰগৰ ক্ৰমাৎ চৰিবলৈ ধৰিলে। ইতিক্ষণত, আমাৰ মাজৰ এজনে এই বুলি ঘপহ্‌কৰে এটা প্ৰশ্ন তুলিলে,

"আমাৰ জাতীয় সাহিত্য আজিকোপতি কোন বিষয়ত সমূলঞ্চে তলি উদং ?—কোৱাঁ বাৰু।" প্ৰশ্নৰ পৰিণতিত অনতিপলমে উত্তৰ উঠিল—"উপন্যাস বিষয়ত"। তাৰ পাচত, ততালিকে অন্যতম প্ৰশ্ন উঠিল, "সেই জাতীয় দুৰ্নাম গুচাওঁতা আমাৰ মাজত কোনো নোলাবনে ?" এচুকৰ পৰা এটি ক্ষীণ অথচ গহীন সুৰৰ সমিধান আহিল, "নোলাব কিয় ? মানুহৰ অসাধ্য আছে কি ?" তেতিক্ষণে লৰালৰিৰ বেগত এই সিদ্ধান্তত উপস্থিত হোৱাগৈ হ'ল যে, সেই পূজা বন্ধৰ অন্তত কলেজ খোলাৰ আগতে ( আগলৈ আৰু ২৩ দিন মাথোন আছিল ) যদি উপস্থিত মণ্ডলীৰ কোনো গৰাকীয়ে এখন অসমীয়া উপন্যাস লিখি দিব পাৰে, তেন্তে তেওঁৰ ৰচিত সেই উপন্যাস পুথি সেই মণ্ডলীয়ে চাঁদা তুলি সমজুৱা ধনেৰে প্ৰকাশ কৰিব। এনেতে, নতুনকৈ কলিকতাত প্ৰতিষ্ঠিত "ফুকন এণ্ড মজিন্দাৰ" নামেৰে এজেঞ্চী কোম্পানীৰ মেনেজিং প্ৰপ্ৰাইটাৰ শ্ৰীযুত দুৰ্গানাথ শৰ্মা ফুকনদেৱে অকলশৰীয়াকৈ সেই খৰচ বহন কৰিবলৈ উলাহেৰে আগ বাঢ়িলে। জাতীয় সাহিত্যৰ প্ৰতি ফুকনদেৱৰ উদাৰ-চিতীয়া অনুৰাগৰ নিদৰ্শন পাই উপস্থিত মণ্ডলীয়ে আনন্দত কিৰিলি মাৰি উঠি উলাহৰ চাপৰিৰে সৈতে ভূৰি-ভূৰি ধন্যবাদ দিবলৈ ধৰিলে। তাৰ পাচত আহিল ভাবী উপন্যাসখনৰ নামকৰণৰ বিষয়। ক্ষন্তেকমান চিন্তালোচনাৰ ফলত এই স্থিৰ হ'ল যে, উপস্থিত সামাজিক মণ্ডলীৰ প্ৰত্যেকে একোটা নাম প্ৰস্তাৱ কৰি, আৰি থোৱা ফলিত লিখাৰ দৰে, সেই খোঁটালিৰ পকা দেৱালত এডাৰেৰে লিখি থোৱা হওক। সেইমতেই কাৰ্য কৰা হৈ উঠিল। দুৰ্ভাগ্যৰ দোষতেই নে সৌভাগ্যৰ গুণতেই, মোৰ প্ৰস্তাৱিত নামটোৱেই সমজুৱাৰ বাছনিত উঠিল ; আৰু সেই অনুসৰি সংকল্পিত উপন্যাসখন লিখি দিয়াৰ বাব পৰিল মোৰ মূৰত। পিচদিনা পুৱা মই শুই নৌ উঠোতেই আমাৰ বহাৰ জনদিয়েকে আমাৰ মেচৰ নিচেই কাষতে থকা 'সাম্য প্ৰেছত' ( 'সঞ্জীবনী' ছপাখানা ) পুথিখন ছপোৱাৰ বন্দবস্ত কৰিবলৈ গ'ল ; জনদিয়েকে সৰু-সৰুকৈ কেখনমান বহী বান্ধি আনি ফৰ্মা-ফৰ্মাকৈ কিতাপখন লিখি দি ; থাকিবলৈ বুলি, মোৰ হাতত দিলেহি। জনদিয়েকে আমাৰ বহাৰ মাজৰ সৰু খোঁটালিটোত নিৰলে নিজানে অকলশৰীয়াকৈ বহি উপন্যাসখন ৰচনা কৰিবলৈ মোক দিহা লগাই দিলে। ময়ো অগত্যা বান্ধত পৰি সেই পুথি ৰচনাত বহি গলোঁ। কিন্তু, সিফালে ছপা বন্দবস্ত কৰিবলৈ থোৱা কেজন বোলে পোনতে হতাশ হব লগীয়াত পৰিছিল ; কিয়নো, ছপাখানাৰ গৰাকীয়ে সিবিলাকৰ মুখে আদ্যোপান্ত শুনি বিষয়টো এইবুলি উপলুঙাকৈ উৰাই দিলে, বোলে "ৰাম নৌ ওপজোতেই ৰামায়ণ ৰচনা ;" যি হওক, শেহান্তত ছপাখানাৰ অধ্যক্ষজনে এই চুক্তিত কাৰ্য হাতত লবলৈ মান্তি হলগৈ যে, যদি আমি ঠিক সময়ত সিবিলাকে পাই থকাকৈ ফৰ্মা ফৰ্মাকৈ হাতে লিখা কিতাপৰ পাতৰ যোগান দি থাকিব পাৰোহঁক, তেন্তে সিবিলাকেও পূজা বন্ধৰ বাকী ২৩ দিনৰ ভিতৰত কিতাপখন ছপাই উলিয়াই দিব ; কিন্তু যদিহে আমি নিয়ম মতে যোগান দিব নোৱাৰাৰ দোষত সিবিলাকে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত, ছপাকাৰ্য সমাধা কৰি উঠিবগৈ নোৱাৰে, কিম্বা চুক্তিভঙ্গ হৈ উঠেগৈ, তেন্তে বন্ধৰ ভিতৰত বিশেষ বন্দবস্তেৰে কাৰ্য কৰোৱাৰ ক্ষতিপূৰণ আমি ভৰিবগৈ লাগিব।

"ফুকন এণ্ড মজিন্দাৰ" কোং তাতো মান্তি হ'ল। চুক্তিৰ কথা শুনি ইফালে চুতি হেৰুৱাই মই সেই দায়িত্বৰ গধুৰ বোজাটো মূৰ পাতি লওঁতেই দোঁ খাই পৰিলোঁ। যি হওক, মধোঁ-জীওঁকৈ একাণপতীয়া মনোযোগেৰে কৰ্তব্য সাধনত লাগি গলোঁ। পোনতে দিনে এটাকৈ, পাচলৈ দিনে দুটা-ডেৰটাকৈ ফৰ্মা লিখি দি থাকোঁ, সিফালে সেই অনুক্ৰমে ছপা হৈ থাকে। মই ফৰ্মাটো লিখি এঁতাবলৈহে, পাওঁ এজনে আহি নিলেহিয়েই, মই ওলটাই এশাৰী পঢ়ি চাবলৈকো ছেগ নাপাওঁ। সেই অনুক্ৰমে ঠিক ২১ দিনৰ দিনা মোৰ উপন্যাস লিখা শেষ হ'ল, ২৩ দিনৰ দিনা আবেলি বেলিকা ৰঙ্গা জিলেৰে বন্ধা "লাহৰী" এখন 'ফুকন-মজিন্দাৰ' এজেঞ্চিৰ মেনেজিং প্ৰপ্ৰাইটাৰ ফুকনদেৱে হৰিষচিতেৰে আনি মোৰ হাতত দিলেহি। পুথিখনি হাতত পৰা মাত্ৰকে মই চুমা এটি খাই বুকুত সাবটি ললোঁ! তাৰ পাচত, ভালেখিনি পৰলৈকে মই ক'ত আছিলোঁ, কি কৰিছিলোঁ, কব নোৱাৰোঁ; কিয়, আৰু কি ভাবত আছিলোঁ, তাকো ফুটাই কব নাজানো, মাথোন সেই মাহেন্দ্ৰ ক্ষণৰ কথা সুমৰিলে এই ক্ষুদ্ৰ প্ৰাণৰ এচমকা হিয়াত আনন্দে নধৰা হয়।

সেই "লাহৰী"য়েই অসমীয়া ভাষাত ছপা হৈ ওলোৱা পোন-প্ৰথম উপন্যাস। তাৰ আগেয়ে অসমীয়া ভাষাত উপন্যাস পুথি বুলিবলৈ নাছিল; মাথোন মোৰ "ভানুমতী" "বিজুলী"ত আৰু ৺লক্ষ্মীনাথ বেজবৰুৱাৰ "পদ্মকুমাৰী" "জোনাকী"ত ছোৱা-ছোৱাকৈ প্ৰকাশিত হৈছিল। "লাহৰী" পোহৰলৈ ওলোৱা মাত্ৰকে কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ সকলে থপাথপিকৈ গায়পতি একোখনকৈ নগদ বেচ দি কিনিলে; আৰু সেই ধনেৰেই কিতাপখনৰ ছপা-খৰচ আধা-আধিমান উচল হ'ল, বাকীখিনি প্ৰকাশক কোম্পানীয়ে উচল কৰিলে। এই "লাহৰী"য়েই মোৰ জীৱনৰ পোন-প্ৰথম পুথি,—মোৰ সাহিত্যিক সম্ভাৰৰ লখিমী। কলিকতীয়া কাল সাং কৰি ঘৰলৈ উলটি আহোঁতে কাৰলতি তলত লুকুৱাই অনা মোৰ সাহিত্যসঁচৰ টোপোলাটিত "লাহৰী" বিৰিঙ্গি জিলিকি আহিছিল।*

---

*'আৱাহন' ফাগুণ, ১৮৫৩, ৩ বছৰ, ৫ম সংখ্যাত প্ৰকাশিত

# পাঞ্চম সৰ্গ

## কংগ্ৰেচ প্ৰথম দৰ্শন আৰু ৺আনন্দৰাম বৰুৱাৰ অন্তিম শয্যাৰ খোঁটালি

কলিকতাত মোৰ পোন-প্ৰথম বছৰতে, ১৮৯০ খ্ৰীষ্টিয়ান চনত ভাৰতীয় কংগ্ৰেচ মহাসভাৰ এটা বিৰাট বৈঠক হয়। সেই বৈঠকত সেই কালৰ পাৰ্চী সাম্প্ৰদায়িক বাঘ যেন চোকা ৰাজনৈতিক সিংহ পুৰুষ ৺ফেৰোজচাহ মেহটাই (পাচত চাৰ ফেৰোজ চাহ) সভাপতিৰ আসন শোভা কৰিছিল। সেই কংগ্ৰেচ বা ভাৰতৰ জাতীয় মহাসভাৰ আগন্তুক বৈঠক উপলক্ষে এমাহমানৰ আগৰেপৰা বহলে-দীঘলে উত্তৰৰপৰা দক্ষিণলৈ আৰু পূবৰ-পৰা পছিমলৈ সদৌ কলিকতাত আয়োজনৰ হেন্দোলনতি তল-ওপৰ লাগিছিল, কলিকতাৰ সৰ্ব-জানিক সভা-সমিতি বিলাকৰ সঘন আলোচনাৰ লগে লগে প্ৰায় আটাইবিলাক কলেজতে অধ্যাপক সকল আৰু ছাত্ৰ মণ্ডলীৰ মাজত সহায়-সহানুভূতিৰ কথন-মথনেৰে তাত যোগদান কৰা বিষয়ক আলোচনা ঘন হবলৈ ধৰিলে; তাৰ মাজত ৰিপণ কলেজ বিশেষ, কিয়নো সেই সময়ত সেই কলেজৰ অধ্যক্ষ-অধ্যাপক আছিল অংগ্ৰেচৰ সোঁহাত ("right hand of the Congress") আৰু বঙ্গৰ মুকুট-নিপিন্ধা ৰজা ("uncrowned king of Bengal") স্বয়ং "সুৰেন্দ্ৰ বাবু" (চাৰ সুৰেন্দ্ৰনাথ বানাৰ্জী)। গতিকে ৰিপণ কলেজৰ ছাত্ৰবৰ্গ এই বিষয়ত আগৰণুৱা হৈছিল। সেই ছেগতে, মোৰ সেই পোন-প্ৰথম কংগ্ৰেচ দৰ্শন কালত, আমাৰ অসমীয়া ছাত্ৰবৰ্গৰপৰা ময়ো আগৰণুৱা দলৰ লগৰ এটা হৈ উফৰি ফুৰিছিলোঁ। ইতিপূৰ্বতে সুমৰি অহা হৈছে যে ৺সুৰেন্দ্ৰ বাবুৱে মোক বৰ মৰম কৰিছিল, বিশেষকৈ অসমীয়া বুলি। সেই আপাহতে সাহ পাই মই তেখেতৰ গা-কাষৰীয়া ছাত্ৰ-কাৰবাৰীৰ লেখত উঠিছিলোঁ। সি যি হওক, পাক লাগি সেই সম্বন্ধৰ গুণতে অসমীয়া ছাত্ৰবৰ্গৰ পৰা বাছকবনীয়াকৈ সৰু এটি দল কংগ্ৰেচ-ভলন্টিয়াৰৰ তালিকা-ভুক্ত হয়; আৰু মোৰ গাত এটি ডুবৰীয়া নেতাৰ (section commander) বিষয়-বাব অযাচিতে আহি পৰে। অসমীয়া ভলন্টিয়াৰৰ দল তিনিটা বিভাগত ভুক্ত হয়: অভ্যৰ্থনা বিভাগ (reception department), পৰিচৰ্যা বিভাগ (serving department), পৰীয়া বিভাগ (guarding department); মই মাজৰ পৰিচৰ্যা বিভাগত ভুক্ত হওঁ; অহিন্দু (non-Hindu) আৰু 'বিলাত ফেৰত' (England returned) 'ডেলিগেট' সকলৰ সেৱা চলোৱা ভলন্টিয়াৰ দলৰ ডুবৰীয়া নেতাৰ বাব মই বৰ লগাত পৰোঁ। এই শ্ৰেণীৰ ডেলিগেট সকলৰ কাৰণে বাহৰ পতা হৈছিল বালিগঞ্জত ৺মিঃ টি, পালিত বাৰিষ্টাৰৰ প্ৰকাণ্ড পকীঘৰ এটাত। তিনিদিনমানৰ আগৰেপৰা গৈ আমি ভলন্টিয়াৰ দলে সেই বাহৰ চম্জি ললোঁহঁক। তেতিয়া সুবহল টোলৰে সৈতে সুপ্ৰশস্ত নিজান চাপৰিৰ বুকুত সেই তথ্যগ্ৰাহী পকীঘৰটো আমি একেবাৰে জনশূন্য অৱস্থাত পাওঁ-গৈহঁক। সমথলৰ সমানত পতা নিচেই তলৰ মহলাত পোনেই গৈ থিয়ৈ থিয়ৈ থিত্ লওঁতে

আমাৰ ৰংপুৰৰ "ৰংঘৰ" আৰু গড়গাঁৱৰ "কাৰেংঘৰ"লৈ মোৰ ঘপহ কৰে মনত পৰিছিল; কিয়নো নিজান, নিতাল আৰু গহীন ভাৱত সেই ঐতিহাসিক বিৰাট পকীঘৰবে সৈতে ৰিজনিৰ প্ৰতিবিম্বৰ জিলিঙ্গনি অযাচিতে আহি এই বাহৰঘৰটোৰ ওপৰত পৰিছিল। সি যি হওক, ক্ষন্তেকতে সেই সোঁৱৰণী তাতে সিমানতে এৰি উপস্থিত কৰ্তব্য সুমৰি অনতিপলমে কাৰ্যত তৎপৰ হলোহঁক। তাৰ পাচত, কথা প্ৰসঙ্গত জানিব পাৰিলো যে, সেই বাহৰ-মন্দিৰ বাস্তৱতে তথ্যগ্ৰাহী মন্দিৰ, বিশেষকৈ মোৰ পক্ষে। কিয়নো, সেই প্ৰসিদ্ধ আলহী আশ্ৰমতে ভাৰত-ৰত্ন, অসমৰ ধন লক্ষ্মী-সৰস্বতীৰ ধৰ্মপুত্ৰ, সংস্কৃত সাগৰ মন্থনকাৰী বিৰাট পুৰুষ ৺আনন্দৰাম বৰুৱাই অন্তিম শয্যাত পৰি শেষ নিশ্বাস পেলাইছিল! সেই হিয়া উতলোৱা তথ্যৰ সন্তেদ পোৱা মাত্ৰকে মই ততালিকে দ্বিতীয় মহলালৈ উঠি গৈ সেই আনন্দ মহলাৰ নিৰানন্দ খোঁটালিত সোমালোঁ, য'ত "আনন্দৰামৰ" নৰিয়াপাটী পতা হৈছিল। মই সোমালোঁ অকলশৰে। সোমাই সৰহপৰ থিয় দি ৰব নোৱাৰি, কাষতে জিৰণি দিবলৈ বুকুপাতি পৰি থকা হেলনীয়া মাচিয়া এখনত চিত্ হৈ পৰিলোঁ। পৰি যাওঁতেই কি যে আকাশ-পাতাল জোৰা জাউৰি জাউৰি ভাবে মোক হেঁচি ধৰিলেহি, তাক এতিয়া সুমৰি অনুভৱ কৰিব পাৰোঁ কিন্তু কথাৰে ব্যক্ত কৰিবলৈ ভাষা নাপাওঁ। মাথোন এতিয়াও সুমৰিলে, সেইদিনাৰ দৰে চকুলো ওন্দোলাই আহে। মই যদ্যপি স্বৰ্গীয় আনন্দৰাম বৰুৱা বিৰাট পুৰুষক তেখেতৰ জীৱন্ত অৱস্থাত সাক্ষাৎ স্বৰূপে দেখা নাছিলোঁ, তথাপি ফটোগ্ৰাফত উঠা তেখেতৰ প্ৰতিভা-সূচক ছবিটি সুমৰি সুমৰি ৺হেমচন্দ্ৰ গোস্বামী ৰচিত "আনন্দৰামৰ স্বৰ্গযাত্ৰা" কবিতাটিৰে সৈতে মনতে ৰিজাই চাই চাই সঘনে হুমুনিয়াহ কাঢ়িবলৈ ধৰিলোঁ। সেই প্ৰকাণ্ড আশ্ৰমৰ নিচেই উত্তৰ-পছিম কোণৰ সেই খোঁটালিটিৰপৰাই অসমৰত্ন ভাৰত-গৌৰৱ আনন্দৰাম বৰুৱাই স্বৰ্গ-যাত্ৰা কৰিছিল! সেই বিষয়ে মোৰ সেইদিনাৰ সোঁৱৰণী সিমানেই; সিমানতে তাক সামৰি থৈ উপস্থিত কৰ্তব্যত তৎপৰ হলোঁ। সেয়ে এই জীৱনত পোন-প্ৰথম 'আনন্দৰাম সুমৰণ।' তাৰপৰা মাহচাৰেকৰ পাচত, যেতিয়া ৺লম্বোদৰ বৰাই ৺আনন্দৰাম বৰুৱাৰ জীৱনী তথ্য সংগ্ৰহৰ অৰ্থে কলিকতাৰ ফালে পৰ্যটন কৰেগৈ, তেতিয়া তেওঁৰ আগত মই সেই বিষয়ে বিবৰি কৈছিলোঁ। সেই আলহী বাহৰত আমি একাদিক্ৰমে এসপ্তাহমান কটাবলগীয়া হৈছিল। তাৰপৰা নিতৌ কংগ্ৰেচ বৈঠকৰ কেদিনত ডেলিগেট সকলক মণ্ডপৰ নিৰূপিত ঠাইত আসন লোৱাই দি, আমি বৈঠকৰ বিৰাট দৃশ্য চাই পুলকিত হওঁ, ভাৰতৰ স্বনামপ্ৰখ্যাত বাগ্মীপুৰুষ সকলৰ দেশহিতৈষিতামূলক সুৱদি বক্তৃতা শুনি চৰিতাৰ্থ হওঁহঁক। সেয়ে মোৰ প্ৰথম কংগ্ৰেচ দৰ্শন; সেই প্ৰসঙ্গতে মোৰ অন্তৰত পোনপ্ৰথমে আনন্দৰাম সুমৰণৰ ভাব জাগি উঠে। এই খাপি "মোৰ সোঁৱৰণী" আঁচোতে শিতানত অঁকা শিৰোনামালৈ চাই পঢ়োঁতাৰ মনত এনেহে লাগি যাব পাৰে যে, ৺আনন্দৰাম বৰুৱাও এজন কংগ্ৰেচ কৰ্মী আছিল; হওঁতে ঘটনাচক্ৰ সেই পাকেও ঘূৰে, ঘূৰি যাওক। কিয়নো, অন্যতম চিভিলিয়ান সাহিত্যিক ৺ৰমেশচন্দ্ৰ দত্তই, পেঞ্চনপ্ৰাপ্ত হোৱাৰ পাচত, এটা বৈঠকত এই কংগ্ৰেচ মহাসভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল; ভাৰতৰত্ন চিভিলিয়ান স্বৰ্গীয়

আনন্দৰাম বৰুৱায়ো সেই কাল পোৱাগৈ হলে, তাক নকৰিলেহেঁতেন বুলি নো কোনে কব এতিয়া ?

## জেনেৰেল বুথ্ স্মৰণ

ঈশ্বৰ প্ৰেৰিত ধৰ্মদূত, বিলাতী মুক্তি ফৌজৰ ( Salvation Army ) ঘাই সেনাপতি ( General ) জেনেৰেল বুথৰ চিনাকি দিয়া বা সেই জগদ্বিখ্যাত বিৰাট পুৰুষৰ অসাধাৰণ কাৰ্যকলাপৰ নিদৰ্শন দেখুৱা এই সংকীৰ্ণ "সোঁৱৰণী"ৰ লক্ষ্য নহয় ; মাথোন, ভুকুকাত হাতী ভৰোৱাৰ দৰে এই ক্ষুদ্ৰ জীৱনৰ এচমকামান সোঁৱৰণীৰ মাজত সেই পৃথিবীব্যাপী মহাপুৰুষৰ বিৰাট কায়া কিৰূপে প্ৰবিষ্ট হ'ল সেই বিষয়ে উন্নুকিওৱা হে উদ্দেশ্য। ১৮৯০ খ্ৰীষ্টিয়ান চনত জেনেৰেল বুথৰ পত্নী বিয়োগ হয়। সেই অৱধি তেওঁ একেবাৰে মুকলি-মূৰীয়া হৈ, তেওঁৰ প্ৰচাৰ কাৰ্যত পৰ্যটন কৰিবলৈ ওলায়। সেই চনৰ শেহছোৱাত জেনেৰেল বুথে ভাৰতবৰ্ষত পদাৰ্পণ কৰেহি। সেই যাত্ৰাতে তেওঁ কলিকতাগৈ আহি বহুবজাৰ ষ্ট্ৰীটত থকা 'মুক্তিফৌজৰ বেৰাক' বা আশ্ৰমত এসপ্তাহমান আছিল। সেই সপ্তাহটো বুথ-আগমন উপলক্ষত কলিকতা উলাহত উৰুলীকৃত হৈ আছিল, বহুবজাৰ ষ্ট্ৰীটৰ দুয়ো 'ফুটপাথ'ত মানুহৰ মাজত বিৰ দি বাট পাবলৈ যে টানেই, যি দিনা যি ষ্ট্ৰীটেদি তেওঁৰ ভ্ৰমণ-প্ৰগ্ৰেম ওলায়, সেইদিনা সেই ষ্ট্ৰীটৰ ফুটপাথেদি গতায়াত কৰা দুঃসাধ্য হৈছিল। তেতিয়া কিন্তু মোৰ বাউসিত অলপ অপৰিমিত বল পাইছিলোঁ ; তাতে মোৰ এই সৰুফুটীয়া সৰু কায়াটো এফেৰিমান সুৰুঙাৰ মাজেদিয়েই সৰকাই নিবলৈ সুচল পোৱা গৈছিল। সেইদেখি, আনবিলাক যাত্ৰীয়ে বাধ্য হৈ ট্ৰামত যোৱা দেখিও, মই সেই কেদিন দিনৌ বুথ দৰ্শনলৈ পদব্ৰজে গমন কৰোঁ ; মাজে মাজে মোৰ কোনো কোনো নিশকতীয়া বন্ধুজনকো মোৰ পিচে পিচে বাট ধৰাই দি উপকাৰ কৰি মই এফেৰি বাহাদুৰী লোৱাও মনত পৰে। সি যি নহওক, দৰ্শনত লাভ হৈছিল কি ?—সাক্ষাৎ ঈশ জ্যোতিৰ কৰুণ কিৰণ অনুভৱ। বাস্তৱতে, জেনেৰেল বুথ সেই অমৰ বাঞ্ছিত পুণ্য পোহৰৰ যেন এটি ফুটন্ত ফিৰিঙ্গতি, দৈববাণী সদৃশ তেওঁৰ মৌবৰষা বক্তৃতা শুনাওঁতে, তেওঁৰে সতে যাৰ ভাগ্যত চাৰিচকুৰ এবাৰ মিলন ঘটিছিল তেওঁ নিজকে ধন্য মানিছিল, মোৰ নিচেই নগণ্য এই দুই চকুৱে সেই অভাৱনীয় দৃষ্টি দিনে একাধিকবাৰকৈ লাভ কৰিছিল ; গতিকে, সেই কেদিন দিনৌ আগতকৈ মই এফেৰি অধিক ভাগ্যৱন্ত যেন বোধ কৰিছিলোঁ। বক্তৃতা দি থাকোঁতে থাকোঁতে কেতিয়াবা যেতিয়া ঈশ-ভাবত তন্ময় হৈ, ঈশ্বৰ প্ৰেৰিত বুথ দেৱদূতে নিজৰ কৰঙণ নিজে চপৰিয়াই উদ্বাউল হৈ উঠে, তেতিয়া কোন ক'ত থাকে কব নোৱাৰোঁ, মই হলে মোত নাথাকোঁ! বক্তৃতাৰ সামৰণিত আপোন-পাহৰা হৈ আছুতীয়াকৈ বহি পৰোঁ। সেইদৰে সাদিনৰ পাচত, বুথ প্ৰত্যাগমনৰ বি-বিয়নি উঠিল। ভালেমান ভক্ত ভাইৰ মুখত বিষাদৰ ৰেখা বিৰিঙ্গি উঠিল। যি যি ষ্ট্ৰীটেদি বুথ প্ৰত্যাগমন নিৰূপিত হৈছিল, তাৰ দুয়োপাশে অসংখ্যাত দৰ্শকবৃন্দ চিত্ৰাৰ্পিত হৈ চাই থকাতে থাকিল, মুক্তি

মাৰ্গেদি উৰি যোৱাদি গৈ মুক্তি ফৌজৰ সেনাপতি জেনেৰেল বুথৰ ৰথ যথা ক্ষণত হাওৰা ষ্টেচনত উপস্থিত হলগৈ। মই সেইবেলা এফেৰি বুধিয়কৰ কাম কৰিলোঁ; বাটত থাপ নিদি আগধৰি গৈ সেই বিদায়-ষ্টেচনত "হাজিৰ" হৈ আছিলোঁ, মহাত্মা বুথে সেই ৰথ বা বাগীৰ ওপৰৰপৰাই লোকাৰণ্যলৈ চাই কৰঙ্গণত চপৰিয়াই, এটি বিদ্যুৎবাণী ৰূপ ওজস্বিনী বক্তৃতা শুনাই থৈ গদ্‌গদ্ অন্তৰেৰে ৰেলত উঠিলগৈ। সেইক্ষণত আগধৰি গৈ ৰেলৰ সেই 'কেবিনত' আসন লৈ থকা কেইজনত বাজে আন অনেকে জনতাৰ ভিৰ ভাঙ্গি কাষ চাপিব নোৱাৰিলে; মই কিন্তু সেই ভিৰৰ মাজেদিয়েই সৰকি ৰেলগাড়ী এৰিবৰ নিচেই মূৰামূৰি ছেগত জাপ মাৰি উঠি, হেঁপাহেৰে হাত আগবঢ়াই দি সেই পুণ্যাত্মাৰ পৱিত্ৰ কৰস্পৰ্শেৰে কৰমৰ্দন কৰিবলৈ পাই সঁচাকৈয়ে নিজকে নিজে ভাগ্যৱন্ত ভাবি আন্তৰিক আনন্দত উথলি উঠিছিলোঁ। তাৰ পাচত, ৰেলে ঈশ জ্যোতিকণা লৈ ছুটি মেলিলে; ময়ো ধীৰে শাঁতে ৰাতি দহমান বজাত বহালৈ উলটি আহি, এই কবিতা কেইশাৰী লিখি থৈ, টোপনিৰ কোলাতে লালকাল দি পৰি থাকিলোঁ; যেনে—

"ঈশ জ্যোতি-ফিৰিঙ্গতি উফৰি মৰ্ত্যত,  
মুক্তিমাৰ্গ পোহৰাই ভ্ৰমঁা যেৰে ভৱ;  
ওঠৰ-শ-বিয়াৱই খ্ৰীষ্টীয় চনত,  
পৰশন লাভ মোৰ কৰপদ্ম ভৱ!"

## ওলটা যাত্ৰা

ইয়াৰ আগেয়ে সুমৰি থোৱা আছে, মইনো গা-মনৰ কি অৱস্থাত কেনেভাৱে কলিকতা এৰি ঘৰৰ ল'ৰা ঘৰলৈ উলটিছিলোঁ। আহোঁতে বাটত সেই গধুৰ ভাৱত যেনিয়ে চাওঁ তেনিয়েই গধুৰ গধুৰ যেন লাগি যায়। ভালেমান দিন স্বপ্ৰদেশৰপৰা আঁতৰি থকাৰ হেতুকে, ৰেল-ষ্টেচন আৰু জাহাজঘাটবিলাকত অসমীয়া মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী দেখা পালে মোৰ অন্তৰৰ আপোন ভাবে হেন্দোলিয়াবলৈ ধৰে; কাষ চাপিলে মাতো মাতো যেন লাগে, কিন্তু অন্তৰৰ সেই একেটা বিৰকতি ভাবে বিষাদ লগাই নিমাত কৰি থয়। এইদৰে আহি আহি ধুবুৰী ঘাট পালোঁ। তাতে দুখুনী মাক-জীয়েক এহালি টালি-টোপোলাৰে সৈতে আহি জাহাজত উঠি ডিবৰুগড়লৈ যাবলৈ বুলি আমাৰ সহযাত্ৰী হ'ল। দেখি ভাল লাগিল, কিন্তু মাত-বোল হোৱা নাই। পিচে, দুটামান ঘাট চেৰাই অহালৈকে মন কৰি আহিলোঁ যে, দুখুনীহঁতক জাহাজৰ খালাচী-বাবুৰ্চীবিলাকে আমনি কৰি আহিছে; সিহঁতে অ'ত ঠাই লয়, তাৰপৰা খালাচীয়ে উঠাই দিয়ে, ত'ত ঠাই লবলৈ যায়, বাবুৰ্চী আদিয়ে বাধা দিয়ে! দেখি দেখি মোৰ অসহনী হ'ল, সিমানতে মোৰ দুখৰ মাত ওলাল। মই উঠি গৈ খালাচী-বাবুৰ্চীহঁতৰে সৈতে তৰ্কবাদ চলাবলৈ ধৰিলোঁ, আৰু অলপৰ পাচতে সেই কথা লৈ কোঢ়াল লাগি উঠিল। এনেতে, জাহাজৰ চাৰেং আৰু ডাক্তৰ বাবুজন আহি আমাৰ মাজত সোমাল। মীমাংসাৰ ফলত সেই নিৰাশ্ৰয় প্ৰাণী দুটিয়ে মোৰ দাঁতিতে টালি-

টোপোলা মেলি বিছনা পাতি লৈ জিৰাবলৈ গিত্ ললে। সিহঁতে কৃতজ্ঞচিতেৰে ঘনে ঘনে মোৰ মুখলৈ চায়, ময়ো মোৰ সেই সাময়িক বিষাদী ভাব ক্ষন্তেকলৈ পাহৰি সিহঁতৰ মুখলৈ চাই মূৰ দুপিয়াই অভয়দান দি থওঁ। এই ভাৱে আৰু কেইটামান ঘাট এৰাই যোৱাৰ পাচত, জানিব পা'ৰিলো, সেই ছোৱালীটিয়ে পঢ়িবও জানে, তাই নিম্ন প্ৰাইমেৰীলৈকে পঢ়িছিল হেনো। শুনি সন্তোষ পালোঁ, আৰু তাৰ চিন স্বৰূপে মোৰ পেটাৰিৰপৰা "লাহৰী" এখন উলিয়াই দি, তাই অকলে ওমলা সমলৰ হাতালিগুটিৰ সৰু শিলগুটি এটি বেচ স্বৰূপে লৈ সেই মেলা পেটাৰিত ভৰাই থলোঁ, তাৰ পাচত সেই আজলী চেনেহীৰ সঙ্গ লাভত মোৰ মনৰ বিষাদ ডাৱৰ ক্ৰমাৎ আঁতৰিবলৈ ধৰিলে, মই বতৰ ফৰকাল যেন বোধ কৰিলোঁ। পাচলৈ সিহঁতৰ প্ৰতি মোৰ মোহ অযাচিতে আগবাঢ়ি আহিবলৈ ধৰিলে; পিচদিনা পুৱা সিহঁতক পুৰমুৰাকৈ উজাবলৈ এৰি থৈ মই গুৱাহাটীত নামিবলৈ বৰ টান পাইছিলোঁ। জাহাজ এৰাৰ পাচত মোৰ টালি-টোপোলা মুটিয়াৰ মূৰত দি মই আকৌ গধুৰ মনেৰে দক্ষিণমুৱা হৈ গৈ গৈ পকাঘাটৰ কাষত পূৰ্বৰ পূৰণি চিনাকি নৰ্মাল স্কুলৰ বোৰ্ডিঙত সোমালোঁ। দিনটো তাতে জিৰাই-শঁতাই সন্ধিয়াপৰত অকলে আহি সেই পকীঘাটৰ খটখটিত বহি বহি সেই চেনেহৰ ছবি যেন আজলী ছোৱালীটিলৈ সুমৰি সুমৰি জিৰণীয়া পখীৰ ভাবত "চেনেহী চৰাই" নামেৰে কবিতা এটি ৰচি নি মোৰ পেটাৰিত সেই শিলগুটিৰ লগতে থৈ দিলোঁগৈ।

## ৺হেমচন্দ্ৰ বৰুৱাৰ সাক্ষাৎ লাভ

পিচদিনা, অৰ্থাৎ গুৱাহাটী প্ৰবাসত মোৰ দ্বিতীয় দিনা, দুপৰ ভাটি দিয়াৰ পাচত, উজান বজাৰৰ ঘাটত হঠাতে মোৰ সমনীয়া বন্ধু ৺বসন্তকুমাৰ গোস্বামীক লগ পালোঁ। তেওঁ মোতকৈ এবছৰৰ আগধৰি কলিকতাৰপৰা উলটি আহি তাতে আছিল। তেওঁক লগ পোৱাৰপৰা মোৰ বৰ লাভ হ'ল। তেওঁৰ আগত ততালিকে মই গুৱাহাটীত নমাৰ উদ্দেশ্য ভাঙ্গি কলোঁ। তাৰ পাচত আবেলিপৰত দুয়ো লগলাগি অসমীয়া সাহিত্য সম্ৰাট ৺হেমচন্দ্ৰ বৰুৱা ওজাদেৱক সাক্ষাৎ কৰিবলৈ বুলি ওলাই গলোঁ। গৈ, এতিয়া য'ত "হেমচন্দ্ৰ স্মৃতিফলক" বহিছে, সেই টোলত এটি সৰু চোচলীয়া ঘৰত সোমালোহঁক। সোমাই কাকো লগ নাপালোঁ। উদং যেন ঘৰটি নিজান-নিটাল আৰু চেঁচা যেন বোধ হ'ল। মাজতে এখনি মেজ; ভালেমান কিতাপ আৰু কাকতৰ টোপোলাৰে ভৰা। মই একেথৰে মেজলৈ চাই চাই থৰ্ লাগি ৰলোঁ। কিন্তু, মোৰ তজবজীয়া সমনীয়াই ইফালে-সিফালে ঘৰৰ কেইওফালে ভুমুকিয়াবলৈ ধৰিলে। কেইমিনিটমানৰ মূৰত তেওঁ ৰং মনেৰে এইবুলি মাতি উঠিল, "অ' সোৱাচোন।" পিচ মুহূৰ্ততে ভিতৰৰপৰা গহীন স্বৰেৰে সমিধান দিয়া শুনিলোঁ, "অ' বাৰু, বহা, গৈছোঁ।" আমি দুয়ো ঠাইতে দুখন পাৰি থোৱা সৰু মাচিয়াত বহি গলোঁ। অলপ পৰৰ পাচতে সেহাই সেহাই লম্ লম্ পকাডটীয়া পকাথেকেৰা যেন বুঢ়াগিৰী এজন ওলাই আহিল। সেহাবৰ শুনি মই তেখেতৰ জ্বৰ বুলিহে ভাবিছিলোঁ, কিন্তু মোৰ কথকী বন্ধুৱে আদবাটতে সুধি তত্ত্ব উলিয়ালে

যে, জ্বৰ নহয়, বাতবিষৰ বিকাৰহে। তাৰ পাচত তেখেতে নিজৰ আসন লৈয়েই মোলৈ চাই সুধিলে, "এওঁনো কোন ?" মোৰ লগৰীয়াই লৰালৰিকৈ মোৰ চমু চিনাকি দি যাওঁতেই তেখেতে এটি সন্তোষৰ হাঁহি মাৰি এই বুলি মাতি উঠিল, "অ' এৱেঁই পদ্মনাথনে ?" মই ততালিকে থিয় দি নম্রভাৱে উত্তৰ দিলোঁ, "হয়।" পিচ মুহূৰ্ত্তে তেখেতে আকৌ সুধিলে, "বিজুলী কেনে চলিছে ? বিজুলীৰ তৃতীয় বছৰৰ শেষ সংখ্যা পৰহি যাথোন পাই পঢ়ি উঠি ৰং পালোঁ।" তাৰ পাচত 'বিজুলী' বৃত্তান্ত মই বিৱৰি কৈ নিছোঁ, এনেতে তেখেতে এটা দীঘল হুমুনিয়াহ পেলাই এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে, "এৰা, আমাৰ দেশী ভাষাৰ আলোচনী কাকতৰ দশা তেনেকুৱাই ! আমাৰ দেশৰ মানুহে আজিলৈকে বাতৰি-কাকতৰে মোল বুজা নাই, আলোচনী কাকতৰ মোল কি বুজিব ! আমাৰ সমাজত আজিকোপতি পাঠক সমাজ (reading public) বুলি এটা বস্তুৰ সৃষ্টি নহল ; আৰু কেতিয়াবা হব যে কব নোৱাৰিছোঁ এথোন।" এইবুলি তেখেতে তাহানিৰ 'অৰুণোদয়' কাকতকে আদি কৰি আমাৰ দেশী বাতৰি আৰু আলোচনী কাকত আটাইবিলাকৰ ইতিবৃত্ত বিবৰি কৈ কৈ আক্ষেপ কৰিবলৈ ধৰিলে। আমি দুয়ো একেবাৰে সেই ঋষি পুৰুষৰ মুখলৈ চাই চাই বিষাদত ম্লান পৰি বোবা যেন হলোঁ। তেনেতে, ততালিকে তেখেতে আমাৰ মুখলৈ চাই, কিবা ভাবি, কথাৰ ধাৰ লৰাই লৈ, এইবুলি আমাক উদ্গনি দিবলৈ ধৰিলে, "কিন্তু, চিৰকাল সমানে নাযায় ; আৰু মানুহৰ অসাধ্য একো নাই। ঘহোঁতে ঘহোঁতে শিলো ক্ষয় যায়, আমাৰ নেৰানেপেৰা শ্ৰম চলি থাকিলে আমাৰ জাতীয় উন্নতিৰ গতিত ভেটা দি পৰি থকা ডাঙৰ শিল চপৰাও যে ক্ষয় নাযাবগৈ সিও নহয়। এতেকে, আমি হতাশ হোৱাৰ সকাম নাই ; কাচিপাৰি লাগিবহে লাগে। বিশেষ আমাৰ জাতীয় সাহিত্যৰ উন্নতিৰ গতিয়ে ভালৰ ফালেই ঢাল লৈছে।"

আনে তৎ ধৰিব নোৱাৰাকৈ তেখেতে কথাৰ ধাৰ সলোৱাৰ অৰ্থ কিন্তু আমি নুবুজাকৈ নাথাকিলোঁ ; বুজি বিষাদী গুচি ৰংমুৱা হলোঁহঁক। তাৰ পাচত 'জোনাকী' 'বিজুলী'ত প্ৰকাশ হোৱা ৰচনাৰ চানেকি, তাৰ লিখা প্ৰণালী, লিখাৰ ঠাচ, বিশেষকৈ পথাৰৰ মাজৰ জোপাৰ নিচিনা সেই সাময়িক অসমীয়া আখৰ-জোঁটনিৰ বিষয়ে বিশদ ব্যাখ্যা দি মোক মৰমেৰে বুজাই গৈ থাকি, তেখেতে মাজতে এবাৰ হৰ্ষমনেৰে কৈ উঠিল, "এই বিষয়ত তোমাৰ-পৰা আমি ভাল আশা কৰিছোঁ, কিয়নো 'বিজুলী'ত সেই মতভেদৰ সামঞ্জস্য উদ্যমৰ তুমি যি চিনাকি দিছা, সি আমাৰ মনোমত হৈছে। আমাৰ আধুনিক ভাষাৰ অৱস্থা চাই, তাক বাৰেমতীয়াকৈ এৰিলে সি শেহত কিবাটো হৈ পৰিবগৈ। সেই কাৰণে যিমান সোনকালে পৰা যায় আমাৰ ভাষাত উঠি অহা লেখকৰ মতভেদ চাপ খুৱাই নি একমতীয়া বা একেটা কৰিবলৈ চাব লাগে। মই স্বীকাৰ কৰোঁ, সেইফালে মত পোনাবলৈ তুমি বাট চোঙ্গাবলৈ ধৰিছা। আৰু এটা কথা এই সময়ত মন কৰিবলগীয়া যে, আমাৰ নতুন লিখাৰুবিলাকে আগগুৰি নুগুণাকৈ মুঠিয়ে মুঠিয়ে সংস্কৃতীয়া আৰু আন আন প্ৰাদেশিক ভাষাৰ শব্দবোৰ আনি সুমুৱাই আমাৰ ভাষাক চহকী কৰিবলৈ ধৰাৰ আভাস পোৱা যায়। সেইটো সিবিলাকৰ ভুল।

ৰঘুমলাক বহুলৈকে বিয়পিবলৈ এৰি দিলে, শেহান্তত ঘাই গছ জোপা যেনেকৈ ধ্বংস হয়গৈ, অপৰিমিত আন প্ৰাদেশিক ভাষাৰ শব্দক ঠাই এৰি দিলে আমাৰ ভাষাৰো তদ্ৰূপ দশা মিলিবগৈ যে, তাত সন্দেহ নাই। এতেকে পাৰ্যমানে আমাৰ ভাষাৰ নিজা শব্দেৰে আমি আমাৰ মনোভাব ফুটাবলৈ চাব লাগে; নিতান্ত নোৱাৰিলেহে আনৰ শব্দেৰে আমাৰ সামঞ্জস্য ৰাখি চলা উচিত। এতিয়ালৈকে যিমানবোৰ সংস্কৃতীয়া আৰু অন্যান্য প্ৰাদেশিক শব্দ আমাৰ ভাষাত সোমাইছে, সেয়ে যথেষ্টতকৈ চৰিছে, তাতকৈ আৰু চৰিবলৈ দিব নালাগে। অৱশ্যে সেই বুলি আমাৰ ভাষাত ইয়াৰ আগেয়ে যিমানবোৰ শব্দ সোমাই নিগাজী হৈ পৰিছে, সেইবোৰ আকৌ উলিয়াই খেদিবলৈ মই বুধি নিদিওঁ; কিয়নো এতিয়া সেই পন্থাত ধৰিবলৈ গলে আমাৰ ভাষাৰ ছাল-মঙহ গৈ জঁকাটো মাথোন ৰবগৈ। এতেকে আগলৈ যেন তেনেবিলাক শব্দ আমাৰ ভাষাত নোসোমায় তাৰ কাৰণেহে আমি সাৱধান হব লাগে। আন হাতে ছেগ বুজি ছুই-চাইটাকৈ আন ভাষাৰ মূল্যৰে সৈতে শুদ্ধ সামঞ্জস্য ৰাখি নতুন শব্দ গঢ়িবলৈকো লক্ষ্য ৰাখিব লাগে, তাৰ লগে লগে আমাৰ ভাষাৰ যিবোৰ অপ্ৰচলিত শব্দত মামৰে ধৰিছে, তাকো বাছি বাছি সংস্কাৰ কৰি লবলৈ চোৱা উচিত। কিয়নো এইদৰে শব্দ সংগ্ৰহ নহলে আমাৰ ভাষা চহকী নহৈ এতিয়াৰ ঠাইতে ঠিহিৰা মাৰি ৰব"। ইত্যাদি জ্ঞানগৰ্ভ বুজনি তেখেতে দি গৈ আছে, মই একাণপতীয়া মনোযোগেৰে শুনি গৈ আছোঁ, কিন্তু মোৰ চটফটীয়া সমনীয়া লগৰীয়াই তাত বৰকৈ তৃপ্তি নাপাই, মেজৰ ওপৰৰ কিতাপ-কাকতবোৰ ইথন-সিথনকৈ লুটিয়াই-মেলি চাই চাই শেহত মাননীয় ওজাদেৱৰদ্বাৰাই প্ৰণীত অসমীয়া বিয়া-পদ্ধতি ( Assamese Marriage System ) বিষয়ক সৰু ইংৰাজী পুথি এখন পাই, তাকে একান্ত মনেৰে পঢ়িবলৈ ধৰিলে। ইফালে মোৰ সৈতে কথা পাতি থকাৰ মাজে মাজে ছেগ বুজি একো একোবাৰ বুঢ়া ডাঙৰীয়াই মোৰ সমনীয়াৰ ফালেও কেৰাহিকৈ চায়। মোৰ লগৰীয়াই সেইদৰে পঢ়ি গৈ থাকি মাজমান পাওঁতেই এবাৰ ইফালৰপৰা বুঢ়া ওজাদেৱে এই বুলি মাত লগালে, "সেইখন ঘৰলৈ নি পঢ়িবলগীয়া পুথিহে, ইয়াত এতিয়া কথাবাৰ্তা পাতিবৰহে সময়।" মোৰ সদানন্দ সমনীয়াই অলপ অপ্ৰস্তুত হৈ, পঢ়া এৰি শুনাত মন দিলে। তাৰ পাচত, আৰু ভালেমান সাহিত্যিক চৰ্চা বিষয়ক কথাবাৰ্তা চলিল। সদৌশেহত, বহুপৰৰ মূৰত, আমি উঠিবৰ বেলিকা মই বৰ আগ্ৰহেৰে 'হেমকোষ' অভিধানখনি এবাৰ চাবলৈ ইচ্ছা প্ৰকাশ কৰিলোঁ। তেখেতে মোৰ অনুৰোধ ৰক্ষা কৰিবলৈ বুলি ততালিকে উঠি গৈ, ভিতৰৰপৰা প্ৰকাণ্ড হাতে লিখা 'হেমকোষ' অভিধান বহীখন বুকুত সাবটি ধৰি হেপোৰ-টেপোৰকৈ লৈ আহি মোৰ আগতে মেজত থলে। দেখা মাত্ৰকে মই সেই হাতে লিখা প্ৰকাণ্ড গ্ৰন্থৰ কৰ্তাজনৰ প্ৰতি মোৰ ভক্তি কৃতজ্ঞতাৰ উদ্‌গীৰণ অন্তৰত উপচি পৰিল। মই হৰ্ষবিহ্বল হৈ মাতি উঠিলো, "এয়ে নেকি আমাৰ হেঁপাহৰ সেই অসমীয়া অভিধান !" তেখেতে গদ্‌গদ্ হৈ সমিধান দিলে, "হয়, এয়ে মই অপুত্ৰকৰ পুত্ৰ, তোমালোকৰ অসমীয়া অভিধান তোমালোকলৈকে থৈ যাওঁ। পিচে, এইভাগেই ভেঁকুৰিব লগীয়া হয়গৈ নে কি কব নোৱাৰিছোঁ এথোন, মই জীয়াই থকাৰ কালত কিন্তু ই পোহৰলৈ ওলোৱাৰ সম্ভাৱনা দেখা

৬

নাই।" তেখেতৰ সেই আক্ষেপসূচক কথাষাৰে মোৰ হিয়াত বৰকৈ বিন্ধিলে; কিন্তু আন্তৰিক উদ্বিগ্নতা হেতুকে তাত বৰকৈ মন দি ৰব নোৱাৰি লৰালৰিকৈ গ্ৰন্থখনি লুটিয়াই-মেলি একাণপতীয়াকৈ চাবলৈ ধৰিলোঁ। মোক সেই অৱস্থাত মনোমতকৈ ৰবলৈ সুচেগ দিয়াৰ অভিপ্ৰায়ে তেখেতে ততালিকে মোৰ লগৰীয়া গোসাঁইদেৱৰে সৈতে হাঁহি ধেমালিকৈ আন বিষয়ক কথাবাৰ্তা পাতিবলৈ ধৰিলে। দেখিলোঁ সেই প্ৰকাণ্ড গ্ৰন্থখন পাতেপতি চাৰি-পাঁচখনকৈ লগোৱা অনেক শ্লিপ (slip) বা চুঙ্গী কাকতেৰে ঠাহ খোৱা। ওপৰে ওপৰে হলেও, হেঁপাহ পলুৱাই অভিধানখন লুটিয়াই চাবলৈ গলে নিচেই চমুকৈয়ো দিন-দহেকৰ নেৰা-নেপেৰা কাম। গতিকে, মোৰ সেই উড়নীয়া সাক্ষাতত সেই আশা দুৰাশা বুলি এৰি, তাৰপৰা মুৰ দাঙি ওজাদেৱক এই বুলি এটি প্ৰশ্ন কৰিলোঁ, "পিচে, এই লিখাই লিখানে, অভিধানখনি নকল কৰোৱা হব?" তেখেতে হাঁহি হাঁহি সমিধান দিলে, "নকল কৰিব পৰা হলে কৰিলোঁহেঁতেন, কিন্তু নকল কৰোৱাৰ সপক্ষ মই নহওঁ।" আমাৰ খৰতকীয়া গোসাঁইদেৱে মুখ পাতি ধৰিলে, "কিয়?" প্ৰশ্নোত্তৰ হ'ল, "আনে নকল কৰাত নিৰ্ভৰ কৰিব নোৱাৰি; কিয়নো ই আন পুথি নহয়, অভিধান। অভিধানত বৰ্ণবিন্যাস আৰু আখৰ-জোঁটনি এই দুটা ঘাই বস্তু; ইয়াত হেৰ-ফেৰ ঘটিলেই গোটেই মিছা হব। ইও সেই ব্ৰন্সন অভিধানেৰে অন্যতম তাণ্ডৱণৰ তুল্য হব! গতিকে আনৰ হাতক মই পতিয়াব নোৱাৰো। এতেকে এই জীৱনত সেই কৰ্ম নহবগৈ বুলিয়েই ধৰিবা। আৰু অকল এইখনেই নহয়; আৰু এখণ্ড এই হাতেৰেই যুগুতকৈ থোৱা আছে।" এই বুলি ঘপহ কৰে উঠি লৰালৰিকৈ ভিতৰ খোঁটালিলৈ সোমাই গৈ, "সংক্ষিপ্ত হেমকোষ" নামেৰে পঢ়াশলীয়া অভিধানখন আনি ওজাদেৱে মোৰ আগত থলেহি। মই দেখি মুগ্ধ হ'লোঁ। সেই হাতে লিখা অমূল্য গ্ৰন্থ দুখণ্ডৰে সৈতে তাৰ কৰ্তা সাহিত্যিক ঋষিজনক ৰিজাই চাই চাই মই বিভোৰ হ'লোঁ। মোক ভাবে ধৰি মোৰ মুখৰ মাত হেৰুৱালে। ক্ষন্তেকমানৰ মূৰত মাথোন ইয়াকে সুধিলোঁ, "কোনখন আগ?" উত্তৰ আহিল, "ডাঙৰখনতে আৰম্ভণ; সৰুখন তাৰে টোকা মাথোন।" ভালকৈ তত ধৰিব নোৱাৰি মই অলপ টলকা মাৰি ৰোৱা দেখি, তেখেতে আকৌ এই বুলি ভাঙি কলে, "অৰ্থাৎ আমাৰ গাঁৱলীয়া শঢ়াশালিবিলাকৰ কাৰণে এখনি সৰু অভিধানৰ প্ৰয়োজন আছে। সেইবোৰত ই চলিব পাৰিব; ডাঙৰ নোহোৱা হেতুকে ইয়াৰ ব্যয়ো তাকৰ হব; এতেকে ইয়াক অনেকে কিনাৰ সম্ভৱ। সেয়ে হলে ইয়াৰ বাবে কৰা শ্ৰম আৰু ব্যয় নিৰৰ্থক নহয়। ডাঙৰখন বৰ ডাঙৰ হ'ল। ওৱেবষ্টাৰৰ ইংৰাজী অভিধান তাৰ আৰ্হি। সেই পুথিকে চানেকি কৰি লিখি থাকোঁতে সি ইমান ডাঙৰ হৈ পৰিল যে ৰবিন্সন্ ক্ৰুচোৰ নাৱৰ দৰে তাক অকলৈ লৰোৱা অসম্ভৱ হ'ল। আমাৰ অকল ধন নাই এনে নহয়, ছপাযন্ত্ৰও নথকাৰ নিচিনা। যৎসৰ্বহ ভাঙ্গি তাক কলিকতাত ছপালেও, আজিকালি আমাৰ দেশী লোকসকলৰ নিজ ভাষালৈ যিহে আদৰ, তালৈ চাই উচিত মূল্য দি তাক কিনোতা যে সৰহ ওলাব, এনে আশা কৰিব নোৱাৰি। এইবিলাক কাৰণতে সি আজিলৈকে পোহৰ দেখা নাই, ভিতৰতে ভেঁকুৰিছে। আগৰখন পাচ কৰি, পাচৰখন আগ কৰিবলৈ চোৱাৰ এয়ে ঘাই

কাৰণ।" ইতিক্ষণত ইফালে মই তেখেতৰ কথালৈকো কাণ দিছোঁ, তাৰ লগে লগে পাচত আনি দেখুওৱা অভিধানখনৰো পাত লুটিয়াইছোঁ ; আৰু দেখি মনে মনে ভক্তিযুক্ত হাঁহি উঠিছিল যে, তেখেতে মুখেৰে কোৱা কথাখিনি ঠিক আখৰে আখৰে পঢ়াশলীয়া অভিধানৰ পাতনিত লিখা পৰিছে। ইমানতে সন্ধিয়া চাপিল ; তিনিঘণ্টাৰ ওপৰ সময়ৰ সাক্ষাৎ মোৰ মানত তিনি মিনিটমানহে লাগিছিল যদিও, বিদায়ৰ ক্ষণ বুজি সিমানতে সোঁহাতে "হেমকোষ"ত বাওঁহাতে "পঢ়াশলীয়া অভিধানত" ছুই পকা বুঢ়া সাহিত্যিক ঋষিৰ ওচৰত মূৰ দোঁৱাই বিদায় ললোঁ। মোৰ লগৰীয়া খৰতকীয়া সদানন্দ বন্ধু ৺বসন্তকুমাৰ গোসাঁইদেৱে খৰলিপাক দি উঠি, সেই আধাপঢ়া "বিয়া-পদ্ধতি" কিতাপখনি জেপত ভৰাই লৈ বিদায়লৈ উদ্যত হৈছে, এনেতে আমাৰ সাহিত্যিক মুনিয়ে দক্ষিণালৈ হাতপতাৰ দৰে হাতপাতি তেওঁক এই বুলি যাজ্ঞা কৰিলে, "কিতাপৰ বেচ্ ফেৰা ?" বন্ধুৱে সেমেনা-সেমেনিকৈ তেওঁৰ হাঁচটিৰ গাঁথিৰ পৰা টকা এটি উলিয়াই কলে, "এ, ভঙ্গনীয়া নাই !" "দিয়া ভঙ্গাই দিওঁ" বুলি ওজাদেৱে টকাটো হাতপাতি লৈ হাতনি পেৰা মেলিবলৈ ধৰি মোলৈ চাই কলে, "তুমিও জানো এখন নিকিনিবা ?" মই গিৰিসাই উত্তৰ দিলোঁ। "মোৰ হাতত বাট-খৰচাৰ ওপৰঞ্চি পইচা এটিও নাই !" "এই টকাটোৰপৰা পৰা লওঁ, তুমি তেওঁক পাচত দিবাগৈ" বুলি তেখেতে গোসাঁইদেৱক সিকি এটা ওকলাই দি মোক বেগাবেগিকৈ সেই বিবাহ বিষয়ক ইংৰাজী কিতাপ এখনি আনি দি, এই বুলি মোখনী মাৰি থলে, বেয়া নাপাবাহঁক, এইদৰে নেবেচিলে আমাৰ দেশত কিতাপ পুথি বেচিবৰ আন উপায় নাই।" তাৰ পাচত, আমি দুয়ো সভক্তিৰে নমস্কাৰ কৰি ওজাদেৱৰ ওচৰত বিদায় ললোহঁক। মোৰ 'হেমচন্দ্ৰ সাক্ষাৎ' এয়ে প্ৰথম আৰু এয়ে শেহ।

## পোন্ প্ৰথম তথ্য-সংগ্ৰহ

সেই একেটা ওলোটা যাত্ৰাতে গুৱাহাটীৰপৰা আহি গোলাঘাটত সোমালোঁ। তেতিয়া গোলাঘাটত মোৰ ভনী-জোঁৱাই চন্দ্ৰশেখৰ বৰুৱা এজন আমোলা আছিল। গোলাঘাটত ভুমুকি মৰাৰ মোৰ উদ্দেশ্য তিনিটা—(১) বহুদিনৰ মূৰত মোৰ চেনেহৰ ভনী-জোঁৱাইক দেখা পোৱা, (২) মোৰ প্ৰিয়তম বন্ধু ৺কৃষ্ণ প্ৰসাদ দুৱৰাক পাকতে চাই যোৱা, (৩) চিৰিংফুকনৰ ঘৰলৈ গৈ যি পাওঁ বুৰঞ্জীমূলক তথ্য অনুসন্ধান কৰা। প্ৰথম দুটা উদ্দেশ্য মোৰ প্ৰবাসৰ প্ৰথম দিনাই সিদ্ধি হল। দ্বিতীয় দিনা তৃতীয় উদ্দেশ্য আগত লৈ ৮ মাইলমান দূৰৈত চিৰিংপথাৰ নামে গাঁৱত ৺চিৰিংফুকনৰ ঘৰত আলহী সোমালোঁগৈ। গৈ পাই, ক্ষন্তেকমান জিৰাই-শঁতাই উঠি, ঘৰৰ সেই সময়ৰ কৰ্তা চেমনীয়া ফুকনদেৱত মোৰ চিনাকি চমুকৈ দি লৈ, মোৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰিলোঁ। তেওঁ শুনামাত্ৰকে দ্বিৰুক্তি নকৰি ওপৰ-চাঙৰপৰা নমাই আনি, মোৰ আগত সৰু চালপীৰা এখন পাতি, দুখন ডাঙৰ-দীঘল পুথি থলেহি। মই আগ্ৰহেৰে পুথি দুখন মেলি চালো। প্ৰথমখনি মেলি চাওঁতেই মোক শোকে খুন্দা মাৰি ধৰিলে, কিয়নো মই আহোম আখৰত কণা! অকল কণাই নহয়, অন্ধ !! দ্বিতীয়খনৰ পাতদিয়েক লুটিয়াই-

মেলি চাবলৈ ধৰিলোঁ, কাৰণ সেইখনি অসমীয়া পুথিৰ আখৰেৰে লিখা। আৰু অলপপৰ ৰাপ লগাই পঢ়ি চাই উঠি, মই ডেকাফুকনদেৱৰ মোৰ অনুৰোধ জ্ঞাপন কৰিলোঁ, অনুগ্ৰহকৈ যেন কিছুমান দিনলৈ মোক পুথিখনি ধাৰলৈ দিয়ে। তেওঁ তেতিক্ষণে এই সমিধান দি উঠিল যে, সিবিলাকৰ ঘৰত থকা বুৰঞ্জী পুথিবিলাক, ঘাইকৈ মোক উলিয়াই দেখুৱা তুথন ঘৰৰপৰা বাজ নকৰিবলৈ তেওঁৰ স্বৰ্গীয় পিতৃপুৰুষৰ অনুজ্ঞা আছে ; এতেকে পাৰ্যমানে তাতে পঢ়ি চাব পাৰোঁ, কিন্তু স্থানান্তৰ কৰিব নোৱাৰিম। গতিকে, অগত্যা যি পাৰোঁ তাতে পঢ়ি, লাগতিয়াল টোকা ধৰি লবলৈ বুলি মোৰ জেপৰপৰা কাঠ-পেন্সিল লগা টোকা বহী উলিয়াই লৈ, নিবিষ্ট-মনেৰে পুথিখনিৰপৰা লাগতিয়াল তথ্য-সংগ্ৰহ যি পাৰো টুকি লবলৈ ধৰিলোঁ ; ইতিছেগতে মোৰ কাৰণে জা-জলপান দিহা কৰিবলৈ বুলি ফুকনদেৱ ভিতৰ সোমাল। টোকা ধৰোঁতে পুথিখনি পঢ়ি পঢ়ি মোৰ মন পুলকিত হৈ উঠিছিল, এৰিবৰে মন নোযোৱা হৈছিল। কিন্তু বেলি চাই সেই ঠাই এৰিবৰ পৰ হল ; গতিকে লৰালৰিকৈ গৃহস্থত বিদায় লৈ, বেগাবেগিকৈ ওলটা-বাট ধৰিলোঁ। এয়ে মোৰ তথ্য-সংগ্ৰহৰ বতৰা বা পোন্ প্ৰথম উদ্যম।

## উলটি ৰংপুৰত

গোলাঘাট এৰি আহি, শিৱসাগৰলৈ বুলি নেঘেৰিটিং ঘাটত আকৌ জাহাজত উঠিলোঁ। পিচদিনা মাজতে ককিলামুখ আৰু দিখৌমুখ এই চিনাকি ঘাট দুটা এৰি গৈ দুপৰীয়া মোৰ অতিপুৰণি সুখ-সোঁৱৰণীৰ থল দিচাংমুখ ঘাটত নামিলোগৈ। নামিয়েই বাইদেৱে যতনাই পঠিওৱা জলপান আৰু ভিনীহিদেৱে মোক নিবলৈ পঠিওৱা "বতাহী" হাতী ( যিজনী হাতীয়ে মোক কলিকতা যাত্ৰাত তিনি বছৰৰ আগেয়ে থৈ গৈছিলহি ) মোলৈ বাট চাই সাজু হৈ থকা পালোঁগৈ। দিচাংমুখ ঘাট তাহানিথনৰ মোৰ চালুকীয়া আৰু চেমনীয়া কালৰ ৰঙ্গভূমিৰ দুৱাৰদলিৰ নিচিনা। তাত নমা মাত্ৰকে মোৰ অন্তৰত আনন্দৰ সোঁৱৰণী উপচি পৰিল। পূবমুৱা হৈ আগুৱাওঁ মানে পুৰণি পুৰণি যেন লাগি যায়, আৰু আগৰ বাল্য লীলা-খেলাৰ কথা অযাচিতে সুমৰিবলৈ ধৰোঁ। এইভাৱে আৰু পাঁচমাইলমান গৈ, নিলগতে জিলিকি থকা আকাশ-স্পৰ্শী সোণৰ কলচীৰে সৈতে শিৱদ'লৰ ত্ৰিশূলীয়া চূড়াটি দেখা পালোঁ। সেই দেখা আৰু আগেয়ে অলেখ বাৰ দেখাৰ মাজত বিপুল প্ৰভেদ। সেই শিৱদ'লৰ গগন-স্পৰ্শী চূড়া-দৃষ্টিয়ে যেন ৰংপুৰৰ পুৰণি কীৰ্তি পুৰণি গৌৰৱৰ চিৰঞ্জীৱী স্মৃতি সমস্তকে মোৰ ক্ষুদ্ৰ অন্তৰত থিত্ দিয়ালেহি, এনে লাগিল। তাৰ পাচতো পুলকিত চিতেৰে গৈ গৈ অসমৰ অদ্বিতীয় সুপ্ৰশস্ত ৰজাদিনীয়া 'ধাই আলিয়ে'দি বাট ধৰি টাউনত সোমালোঁগৈ। সেইখিনিতে হাতীৰপৰা নামি, হাতী আগধৰি পঠিয়াই দি, মই আলিৰ দুয়োপাশে পুৰণি চিনাকি ঘৰ-বাৰীবোৰ চাই চাই খোজ কাঢ়ি যাবলৈ ধৰিলোঁ ; গৈ গৈ আমাৰ তাহানিৰ ছাত্ৰাবাস থকা ৺যজ্ঞেশ্বৰ শৰ্মা মুক্তিয়াৰৰ ঘৰৰপৰা আলিৰ পাকে ঘূৰিব লগীয়া হৈছোঁ, এনেতে সেই আলি মূৰত বৰগছ জোপাৰ তলত উত্তৰমুখে, গজেন্দ্ৰগমনেৰে আহি থকা পিতামহ ভীষ্মসদৃশ্ আমাৰ সমাজৰ ঘাই ধৰণী ৺দীননাথ বেজবৰুৱা ডাঙৰীয়াক

সাক্ষাৎ পালোঁ। দেখি ভক্তিৰে মোৰ অন্তৰ উপচি পৰিল। মই কেখোজমান আগবাঢ়ি গৈ তেখেতক সভক্তিৰে সেৱা কৰিলোঁ। তেখেতে হৰ্ষ গদগদ স্বৰেৰে 'কুশল কৰোক' বুলি আশীৰ্বাদ দি সুধিলে, "কৰপৰা নো ওলালাঁহি?" মই লাহেকৈ উত্তৰ দিলোঁ, "কলিকতাৰ পৰা।" তাৰ পাচত ছনলমান তেখেতৰ পিচে পিচে ৺দুৰ্গেশ্বৰ শৰ্মা পেচকাৰৰ (ইতিপূৰ্বতে সুমৰি অহা মোৰ মৰমৰ বন্ধু ৺দ্বাৰকেশ্বৰ শৰ্মা 'বাপুটি'ৰ পিতৃ) ঘৰৰ আগৰ জপনামুখ পাইছোঁগৈ তেনেতে তেখেতে উভতি মোলৈ চাই এই বুলি কৈ সোমাই গ'ল, "বোৱাঁ, এতিয়া জিৰণি লোৱাঁগৈ, পাচেকৈ আকৌ দেখা পাম।" মই "ভাল" বুলিয়েই উত্ৰাৱল খোজেৰে আগবাঢ়ি গৈ গৈ মোৰ আচল জিৰণিৰ ঠাই পালোঁগৈ। পদুলিমূৰতে ভিনীহি-দেৱক মোলৈ বাট চাই থকা দেখা পালোঁগৈ। কে'খোজমান আৰু খৰখোজেৰে গৈ, মই তেখেতক স্নেহ ভক্তিৰে সেৱা কৰিলোঁ; তেখেতে মোক দাড়ি ধৰি মুৰত সুঙ্গি দুগালে দুটি চুমা খাই এৰি দিয়াত পোনাচাতেই মই মোৰ চেনেহী বাইদেউৰ কোলাত আকৌ কেঁচুৱা উঠিলোঁগৈ। স্বভাৱসুলভ ভ্ৰাতৃ প্ৰেমত অনুপমা মাতৃসমা স্নেহময়ী সাক্ষাৎ সৰলা চেনেহী বাইদেৱে (৺মাহিন্দ্ৰী দেৱী গোহাঞিনী) মোৰ ডিঙ্গিত ধৰি ঘনে ঘনে চেনেহৰ চুমা দি-দিয়েই অন্ত নাপায়! হৰ্ষবিহ্বলা বাইদেউৰ আনন্দাশ্ৰু দৰ্ দৰ্ কৈ দুখনি গালেদি ববলৈ ধৰিলে। আনন্দৰ ওপচনিত মোৰো চকু চল্‌চলীয়া হৈ চকুলো বৈ পৰিল। বহুদিন নেদেখি দেখি, আঁচলৰ হেৰোৱা ধন পোৱাদি পাই, মাতৃসমা বাইদেৱে আকৌ ঘনে ঘনে চুমা দি মোৰ চকুলো মচি দিবলৈ ধৰিলে; ময়ো সেই ছেগতে তেখেতেৰ কেতেকীপাহী যেন গালেদি বৈ পৰা স্নেহাশ্ৰু মোৰ কপালেৰে মচি লবলৈ ছেগ পাইছিলোঁ। সেইদৰে দুয়ো আন্দোলা-আন্দুলি কৰি থাকোতেই মোৰ অতি চেনেহৰ ভাগিনহঁতে, শ্ৰীমতী 'মইনি' (শ্ৰীমতী ঘনকান্তি বৰ আইদেউ), 'বৰ মইনা' (শ্ৰীমান সুৰেন্দ্ৰনাথ গোহাঞি) 'মাজিউ মইনা' (শ্ৰীমান মহেন্দ্ৰনাথ গোহাঞি), 'সুমলি মইনা' (শ্ৰীমান যোগেন্দ্ৰনাথ গোহাঞি) "সৰু মামা আহিলি" বুলি কিৰিলি মাৰি মোৰ গাত উবুৰি খাই পৰিলহি। আমি আটাইকিটি আনন্দৰ ঢৌত সেই ভাগেই তল গলোহঁক! মোৰ ভোলানাথ ভিনীহিদেৱে (৺কৃষ্ণানন্দ গোহাঞি ফুকন) সমুখত থিয় দি গদ্‌গদ্ ভাৱে মিচিক্ মিচিক্‌কৈ হাঁহি সেই সুখ দৃশ্য উপভোগ কৰিছিল।

সেইদৰেই পুনৰ্মিলনৰ সুখ-সন্তোষেৰে শিৱসাগৰত সপ্তাহদিয়েক কটালোঁ। ইতিমধ্যত, মোৰ পুৰণি ছাত্ৰবন্ধু সকলৰ লগতো সদায় উলহ-মালহকৈ ফুৰি-চাকি আনন্দত উতলি আছোঁ, এনেতে উত্তৰ লক্ষীমপুৰৰ ঘাই ঘৰৰপৰা এখন পত্ৰ আহিল, তাত মোৰ পৰম পূজনীয় পিতৃদেউতাই সুধি পঠিয়াইছিল, মই কলিকতাৰপৰা শিৱসাগৰ পালোঁহি নে বুলি। সেই পত্ৰ পঢ়া মাত্ৰকে মোক ঘাই ঘৰৰ সোঁৱৰণীয়ে আৰু মোৰ সদৌ ভক্তি প্ৰেমৰ শীৰ্ষস্থান মোৰ আইতা-দেউতাৰ চৰণ দৰ্শনৰ আকৰ্ষণী প্ৰেৰণাই মোৰ মন-প্ৰাণ উত্ৰাৱল কৰি তুলিলে! মই অনতিপলমে ঘৰমুৱা হবলৈ সষ্টম হলোঁ।*

---

* আৱাহন, ৮'ত ১৮৫৩, ৩ বছৰ ৬ষ্ঠ সংখ্যাত প্ৰকাশিত।

## ষষ্ঠ সর্গ

### জাতীয় উন্নতি সাধনা

কলিকতাৰপৰা উলটি আহি মোৰ চেমনীয়া কালৰ ৰঙ্গভূমি ৰংপুৰত ( শিৱসাগৰত ) মই এসপ্তাহমান আগৰ লগৰীয়া আৰু সমনীয়া বন্ধুবৰ্গৰে সৈতে মুকলিমনেৰে ৰং-ধেমালি কৰি ফুৰি-চাকি অতৃপ্ত তৃপ্তি উপভোগ কৰি থাকোতেই মোৰ অন্তৰত উমি উমিকৈ জ্বলি থকা জাতীয় উন্নতিৰ কামনা আপোনা-আপুনি উদ্দীপ্ত হৈ উঠিল ; তাৰ প্ৰেৰণা-পোহৰত মোৰ অন্তৰ ফুলি পৰিল, বাহিৰত কাৰ্যক্ষেত্ৰলৈ বাট বিচাৰি মন উত্ৰাৱল হল। সেই কামনাই মোৰ অন্তৰত কলিকতীয়া প্ৰবাসী কালৰেপৰা থিত লৈছিল। কলিকতাত স্বচকুৰে দেখি অহা চুবুৰীয়া বঙ্গালী আৰু ভিন ভিন প্ৰদেশৰ উন্নত ভাৰতবাসীৰ সমনীয়াকৈ মোৰ স্বপ্ৰদেশী স্বজাতীয় অসমীয়াৰ উন্নতি অনতিপলমে কেনেকৈ সাধিম, সেই ধাউতিত মোৰ মনে উদ্বাউল দি উঠিল। সেই প্ৰেৰণাত বৰ নোৱাৰি মই মোৰ সমনীয়া, মোতকৈ বয়সীয়া আৰু আমাতকৈ আগতীয়া জাতীয় আৰু জ্ঞাতীয় বন্ধু-বান্ধৱ আৰু দেশহিতৈষী লোকসকলৰ সৈতে নানা প্ৰসঙ্গত, ছেগ বুজি জাতীয় উন্নতিকল্পে বিবিধ-বিষয়ক আলোচনা কৰিবলৈ ধৰিলোঁ। সেই অৰ্থে সিবিলাকৰ সহযোগিতা সুশৃঙ্খলা কৰাৰ উদ্দেশ্যে এখন-দুখনকৈ খনচেৰেক ৰাজহুৱা সভা আৰু সবাহ পাতিবলৈ উত্তোগী বন্ধুবৰ্গৰে সৈতে যত্নপৰ হলোহঁক। মোৰ সেই উদ্যমত অসমীয়া ৰাইজৰ ভালেমান উদগনি পোৱাৰ চিন পাই মই ক্ৰমাৎ অধিকতৰ উৎসাহিত আৰু উলাহিত হৈ উঠিলোঁ। কোৱাৰ সকাম নাই যে, সেইকালত শিৱসাগৰৰ অসমীয়া জাতীয় উন্নতি সাধনাৰ এটি ঘাই কেন্দ্ৰ আছিল। মোৰ স্কুলীয়া কালৰেপৰা মই দেখি আহিছিলোঁ, অসম-ৰাজৰ পুৰণি ৰাজধানী এই শিৱসাগৰত আগৰ উত্তোগী দেশহিতৈষী পুৰুষ ৺দীননাথ বেজবৰুৱা ডাঙৰীয়া প্ৰমুখ্যে ৺বি. এ. জগন্নাথ ( ৰায় জগন্নাথ বৰুৱা বাহাদুৰ ), ৺মিঃ জি. জি. ফুকন ( গঙ্গাগোবিন্দ ফুকন চাহাব ), ৺পৰমানন্দ ভঁড়ালী, এইসকলে ৰাজহুৱা সভা-সমিতি পাতি কেনেকৈ দেশৰ হিত সাধনা কৰিছিল। সেই আহিৰে ময়ো মোৰ নগণ্য ক্ষুদ্ৰ শক্তিৰে সৈতে সেই মহাব্ৰত পালন কৰিবলৈ আগ-বাঢ়িলোঁ। মোৰ বৰ সৌভাগ্য যে সেইকালৰ অগ্ৰগণ্য আৰু সদাশয় দেশহিতৈষী বয়োজ্ঞানবৃদ্ধ লোকসকলৰপৰা মই মোৰ দেশহিতব্ৰত পালনত আশাতীত উৎসাহ আৰু সহানুভূতি লাভ কৰিছিলোঁ; সেইসকলৰ ভিতৰত অসমীয়া ৰাইজৰ ঘাই ধৰণী ৺দীননাথ বেজবৰুৱা ডাঙৰীয়া, আহোম জাতিৰ প্ৰধান নেতা ৺পদ্মেশ্বৰ গোহাঁঞিফুকন ডাঙৰীয়া, নতুন-পুৰণি দেশাচাৰৰ সামঞ্জস্য ৰক্ষক বিদ্বান লোক ৺পৰমানন্দ ভঁড়ালী ডাঙৰীয়া, ৰাজহুৱা সভা-সমিতি সংগঠন কৰোতা আৰ্হিপুৰুষ মিঃ গঙ্গাগোবিন্দ ফুকন চাহাব এই কেইগৰাকী ঘাই। স্বৰূপত, সিবিলাকক গুৰিয়ালস্বৰূপে লৈ আমি চেমনীয়া আৰু ডেকাদলে আমাৰ জাতীয় উন্নতিকল্পে আগৰণুৱাৰূপে কাৰ্যক্ষেত্ৰত উলাহেৰে আগুৱাবলৈ ধৰিলোহঁক। ফলিতাৰ্থত, নিচেই অলপ

দিনৰ ভিতৰতে নগৰত আৰু ভালেমান ভিতৰ গাঁৱৰ কেন্দ্ৰস্থলত কেইবাখনো অসমীয়া জাতীয় উন্নতি সাধিনী সভা প্ৰতিষ্ঠিত হ'ল ; আৰু তাৰ জৰিয়তে বিবিধ বিষয়ত সদৌ অসমৰ সদৌ অসমীয়া জাতিৰ হিতসাধন কৰি, স্বদেশানুৰাগ আৰু স্বজাতীয় প্ৰেম শদিয়াৰপৰা ধুবুৰীলৈ নিছিগাধাৰেৰে বোৱাবলৈ অহোপুৰুষাৰ্থ কৰিলোহঁক। লগে লগে ৰাজহুৱা সভা-সমিতি আদি বিস্তাৰৰ ব্যৱস্থাতো ধৰা হল। সেই সভা আৰু সবাহসমূহৰ ভিতৰত বকটা, বেতবাৰী, অভয়পুৰ, জাঁজি, কোঁৱৰপুৰ, দিলিহি গোহাঞি গাওঁ এইবোৰ কেন্দ্ৰত পতা খনচাৰেক কানি নিবাৰিণী সভা আৰু আহোম বংশাৱলী সবাহৰ কাৰ্যবিবৰণী আজিকোপতি মোৰ সোঁৱৰণীত ফটফটীয়াকৈ তেজা হৈ জিলিকি আছে। কিন্তু পৰিতাপৰ কথা, তাৰপৰা ডেৰকুৰিমান বছৰৰ পাচত, মই অসমীয়া সাহিত্যিক সন্মিলনীৰ পোন-প্ৰতিষ্ঠাপক বৈঠকৰ সভাপতিৰ বাব লৈ শিৱসাগৰলৈ যাওঁতে আৰু সেই আদিৰপৰা ডুকুৰিমান বছৰৰ পাচত, আৰু তেউজ বছৰত মই "জয়সাগৰ তীৰ্থ"ত "জয়মতী তিথি সন্মিলনী"ত সভাপতি হবলৈ যাওঁতে, সেই মোৰ প্ৰাণধন সভা-সমিতিবোৰৰ চিন-মোকাম একো নাপালোঁগৈ।

## জাতীয় পুনৰুত্থানৰ কামনা

পুৰণি কামৰূপে অসম নাম পোৱাৰ আঁতিগুৰি আগৰ প্ৰবল প্ৰতাপান্বিত আহোম জ্ঞাতিবৰ্গৰ জয়জয়-ময়ময় অৱস্থা ক্ৰমাৎ শোকলগাকৈ জঁয়পৰি যোৱা দেখি মোৰ প্ৰাণে অন্তৰে অন্তৰে কাহানিবাৰেপৰা উচুপি-উচুপি কান্দি আহিছিল, উপস্থিত সোণাময় সুযোগতে সেইফালেও ডু-অনীয়া মনোযোগ দিবলৈ মই এটি উত্তম ছেগ ধৰিলোঁ। একালত স্বজাতীয় স্বতন্তৰীয়া ৰাজকীয় ক্ষমতাৰ গৌৰৱেৰে জিলিকি মোৰ স্বজাতি অসমীয়া আৰু স্বজ্ঞাতি আহোম কি আছিল, আৰু আজি পৰপদানৰ হৈ কি হৈছে, এই ৰিজণিৰ মুলীভূত অনুতাপৰ তাপে সংসাৰৰ ধাৰ-নধৰা মোৰ চেমনীয়া হিয়া তলে তলে টিঙ্গিৰিতুলা যেন কৰি তুলিলে। আগৰ দিনৰ অসমীয়া জাতিৰ গৌৰৱৰ মূলশক্তি আহোম জ্ঞাতিয়ে খছকাত জঁয় পৰা ডুবৰিবনৰ দৰে পুনৰপি ঠন ধৰি উঠি কেনেকৈ আৰু কি উপায়েৰে মূৰ দাঙ্গি উঠিব পাৰিব, সেই বিষয়ক ভাবনা মোৰ অন্তৰত বকৃবকৃকৈ উতলিবলৈ ধৰিলে। সেই ভাবনাৰ প্ৰেৰণাত আৰু ক্ষন্তেকমানো ৰব নোৱাৰি মই অনতিপলমে তাৰ উপায় চিন্তি উলিয়ালোঁ। তদৰ্থে, ঘটনাক্ৰমে কাষতে পাই মোৰ পূজনীয় মোমাইদেউ ঢকুৱাখানাৰ মৌজাদাৰ ৺কণনাথ গোহাঞিফুকন ডাঙৰীয়া, শিৱসাগৰৰ বয়ো-জ্ঞান-বৃদ্ধ জ্ঞাতিনেতা ৺পদ্মেশ্বৰ গোহাঞিফুকন ডাঙৰীয়া, ৺হেমধৰ বৰগোহাঞি ডাঙৰীয়া, পূজনীয় ভিনীহিদেৱ ৺কৃষ্ণানন্দ গোহাঞিফুকন ডাঙৰীয়া, ৺ৰমাকান্ত গোহাঞি ডাঙৰীয়া, ৺তীৰ্থেশ্বৰ গোহাঞিফুকন ডাঙৰীয়া এইসকল অগ্ৰগণ্য সুপুৰুষৰ সময়োপযোগী সহায় সহানুভূতিৰ বলেৰে সেই খছকাত ঠাবি ছিগি জঁয়-পৰা আহোম ডুবৰিৰ শিপাৰপৰা কেঁও মেলাবলৈ মই মোৰ ক্ষুদ্ৰ শক্তিৰে সৈতে উবুৰি খাই ধৰিলোঁ। সেই উদ্দেশ্যে মই ৺পদ্মেশ্বৰ গোহাঞিফুকন ডাঙৰীয়াক সাৰথিকৈ লগত লৈ, "বতাহী" হাতীৰে সৈতে ভালেমান আহোম গাওঁ ফুৰি গাওঁৰে গাওঁৰে গোটাদিয়েক

কেন্দ্রত ডেকা, আদহীয়া আৰু বুঢ়া-মেথা আহোমবর্গক গোটাই লৈ লাগতিয়াল বুজনি বক্তৃতা দি থৈ উলটি আহি, এদিন শিৱসাগৰ টাউনৰ ছোৱালী স্কুলঘৰত এখন ডাঙৰ আহোম সভা পাতিলোঁ; সেই সভাত আহোমৰ পুনৰুত্থানৰ অৰ্থে ভালেমান সজ পন্থা আঁচি দেখুৱাই এটি উতঙ্গনি বক্তৃতাৰে সৈতে সমবেত জ্ঞাতিবৰ্গৰ সবল সহযোগিতা লাভ কৰি সেইছেগতে "আহোম সভা" এখন সেই দিনাই প্ৰতিষ্ঠা কৰিলোহঁক। সেইখনেই পোন-প্ৰথম "আহোম সভা"; আৰু সিয়েই পাচত "অসম এচোচিয়েচনৰ" আৰ্হিৰে তাৰ ছাঁতে আশ্ৰয় লৈ "আহোম এচোচিয়েচন" নামেৰে জিলিকি উঠে। সেই "আহোম এচোচিয়েচন" প্ৰতিষ্ঠাত আদিৰে-পৰা মোৰ দু-অনীয়া সমৰ্থনৰ বল নিয়োজিত হ'ল; বাকী চৈধ্য অনীয়া সহযোগিতা "অসম এচোচিয়েচন'ৰ লগত থাকিল। সেই আদি আহোম সভা ১৮১৫ শকত প্ৰতিষ্ঠিত হয়। সেই মূলৰপৰাই উদ্ভৱ হৈ আজিকালি নানান কেন্দ্ৰত ভালেমান আহোম-শাখা-সভা বা "ব্ৰাঞ্চ আহোম এচোচিয়েচন" স্থাপিত হৈছে। আৰু, সেই আদিৰপৰা মই ভিন্ ভিন্ কেন্দ্ৰীয়া আহোম এচোচিয়েচনবিলাকৰ জেনেৰেল চেক্ৰেটেৰীৰ বিষয়-বাব একেৰাহে যোৱা দুকুৰি বছৰ বৈ আহিছিলো; ইং ১৯৪১ চনৰপৰা মই "সদৌ অসম আহোম এচোচিয়েচন"ৰ নিগাজী সভাপতিৰ বিষয়-বাব বহন কৰি আছোঁ। উল্লিখিত পোন-প্ৰথম "আহোম সভাত" বক্তৃতা দি থাকোতেই অকস্মাৎ উত্তৰ-লক্ষীমপুৰৰপৰা বাতৰি আহি পৰিল যে, মোৰ পিতৃদেৱতাৰ বৰ টান নৰিয়া; আৰু সেই নৰিয়াপাটীৰপৰা তেখেতে মোক আৰু মোৰ অগ্ৰজ শ্ৰীযুত নীলকণ্ঠ 'দদা'ক চাবলৈ ইচ্ছা কৰিছে। পোনেই সেই বাতৰিয়ে মোৰ উপস্থিত কৰ্তব্যক ঠেলি মোৰ মনত ঠাই লব নোৱাৰিছিল; কিন্তু সভাৰ কাৰ্য সমাধা হৈ যোৱা মাত্ৰকে সেই বিষম বাতৰিয়ে মোক অথালি-পথালিকৈ খুঁচি-বিন্ধি বিহ্বল কৰি পেলালে; মই ক্ষন্তেকমানো থিৰেৰে ৰব নোৱাৰি, অনতিপলমে এটা ঘোঁৰা যোগাৰ কৰি লৈ বাজে বাজে গৈ দিচাংমুখ ঘাট পালোঁগৈ। গৈ পাই দেখোঁ যে মোৰ 'দদাই' আগধৰি গৈ ঘাটত মোলৈ বাট চাই আছে। আমি আৰু সৰহপৰ বৈ থাকিব লগীয়া নহল, মই গৈ পোৱাৰ অলপ পাচতে ভটীয়াই অহা জাহাজ পালেহি। আমি দুয়ো লৰালৰিকৈ জাহাজত উঠিলোগৈহঁক। আমাৰ গাত পিন্ধা পোছাকত বাজে ওপৰঞ্চি কাপোৰ-কানি এডোখৰো নাছিল, মাথোন দদাৰ হাতত শুকান বুটমাহ বন্ধা গামোছা এখন ওপৰঞ্চি হৈ আছিল; ঠেঙ্গা-কোট পিন্ধা মোৰ গাত সিমানো নাই। সি যি হওক, পিচদিনা পুৱাতে আমি কঁকিলামুখ ঘাটত নামিলোঁগৈ। নামি, দেখি বিচুৰ্তি! ভৰ বাৰিষাৰ ভৰপুৰ ব্ৰহ্মপুত্ৰই গড়া ওপচাই ভীম গৰ্জনেৰে ঢৌ আফালি থৌকিবাথৌকি লগাই প্ৰচণ্ড বেগেৰে বৰ লাগিছে। ঘাটটৈয়ে দিনটোত কোনোমতেহে ত্ৰাহি ত্ৰাহিকৈ এভৰা সিপাৰ কৰে। আমাক এখন শুটীয়া নাৱত তুলি লৈ উজাই গৈ গৈ একেবাৰে শালমৰামুখৰ পোনধৰি ঘাটটৈয়ে থেও দিলেগৈ। সাগৰৰ মাজত এখন ক্ষুদ্ৰ ভাপনাওৰ সদৃশে আমাৰ টুলুঙা নাওখন অপাৰ ব্ৰহ্মপুত্ৰৰ বুকুত ওপঙি গৈ গৈ সন্ধিয়াপৰত কমলাবাৰী ঘাটৰ চৰ্কাৰী জিৰণীয়া চাংবঙলাৰ গাত চাপিলেগৈ। ৰাতিটো আমি তাতে লঘোণে-ভোকে পৰি থাকিলোঁ; মাথোন

গামোছাৰ আগত বন্ধা সেই শুকান বুটমাহগাল গামোছাতে তিয়াই কোমলাই তাৰে একোগালেৰে মুখ-খজুৰতি মৰা আহাৰ কৰিলোঁহঁক। আমি আশা কৰিছিলোঁ সেই ঘাটতে আমাক নিবলৈ পঠিওৱা হাতী পাম বুলি; কিন্তু উটা-বুৰা পানীত সোৱণশিৰী নৈত পাৰ কৰিব নোৱাৰি মাউতে হাতী লুইতৰ সিপাৰতে ৰাখি আমালৈ বাট চাই আছে বুলি পিছদিনা পুৱা উত্তৰ লক্ষীমপুৰৰপৰা অহা এজন উকীল যাত্ৰীৰ (নগাওঁৰ ৺ঘনশ্যাম বেজবৰুৱা) মুখে শুনিলোঁ; তেওঁ হেনো সেই হাতীতে উঠি আহিছিল। তাৰ পাচত আমি কমলাবাৰীৰপৰা গড়মুৰ ঘাটলৈকে সেইছোৱা সাত মাইল বাট খোজ কাঢ়ি গৈ পাওঁগৈ, দেখোন আকৌ এখন অপাৰ সাগৰ! সি যি হওক, ঘাটৈয়ে আমাক সিপাৰৰ বাতৰি দি ততাতৈয়াকৈ পাৰ কৰিবলৈ এখন গুটীয়া নাও সাজু কৰিলেহি। আমাক নৈৰ মাজে মাজে উজাই নি নি খেৰকটীয়া সুঁতি আৰু সোৱণশিৰীৰ মোহনামুখৰপৰা সিপাৰলৈ খেও দি নাও এৰি দিলেগৈ। নৈৰ সমমাজত ফেনে-ফুটুকাৰে সেই উটা-বুৰা পানীৰ গতি দেখি দদা শঙ্কাকুল হোৱা যেন দেখিলোঁ। মোৰ অন্তৰতো যে সেই শঙ্কা নালাগিছিল এনে নহয়; সেইখিনিতে কেনেবাকৈ পাকনৈয়াত পৰি নাও বুৰিলে আমি লুইতত কেনেকৈ উটি গৈ নেদেখা হমগৈ তাকো নভবাকৈ থকা নাই, তথাপি লুইতৰ খেৰকটীয়া সুঁতি আৰু সোৱণশিৰীৰ সঙ্গমস্থলত পানীৰ মনোমোহা কলকলনিয়ে মোক বিভোল কৰি সেই আশঙ্কালৈ অলপ আওকণীয়া কৰি থৈছিল। সি যি নহওক, আবেলি পৰত সিপাৰ হৈ দেখি আমাৰ লঘোণীয়া শুকান প্ৰাণত জীপ আহিল আৰু মুখত হাঁহি ওলাল যে, আমাৰ লখিমী স্বৰূপা "জয়মতী" হাতীয়ে আমলৈ চাই গুৰগুৰকৈ মৰম জ্ঞাপন কৰিছে। তাৰ পাচত ঘৰৰপৰা আইতাই সজাই পঠিওৱা জা-জলপান খাই গা টঙ্গাই লৈ হাতীত উঠি ঘৰমুৱাকৈ যাবলৈ ধৰিলোঁহঁক। গৈ গৈ শেহনিশা ঘৰ পালোঁগৈ। গৈ পাই, হাতীৰ পৰা নামিয়েই চোতালৰ আগত আমালৈ বাট চাই থিয় দি থকা আইতাৰ চৰণত দুয়ো দীঘল দি পৰিলোঁগৈ; আইতাই দুয়োকো দাঙি ধৰি একেটা আকোৱালিৰে গৱা মাৰি বুকুলৈ চপাই লৈ চুমা দি আনন্দৰ চকুলো বোৱাবলৈ ধৰিলে। তাৰ পাচত ততালিকে উত্ৰাৱল হৈ গৈ, আমি দুয়ো নাৰিয়াপটী পৰা চালপীৰাৰ ভৰি পথানত আঠু লৈ পিতৃদেৱতাক সেৱা কৰিলোঁগৈ। দেউতাই আমাক দেখি হৰ্ষবিহ্বল হৈ লাহেকৈ মূৰ দাঙি নৰিয়ামুখৰ করুণ হাঁহি বিৰিঙাই উঠি বহিল। দেখি শোক-সন্তোষৰ উগুল-থুগুলত আমাৰো মুখৰ মাত হেৰাল। তাৰ পাচত দিনদিয়েকৰ মূৰত পিতৃদেৱতাই ক্ৰমাৎ আৰোগ্য লাভ কৰিবলৈ ধৰিলে। আমি নিশ্চিন্ত হলোঁহঁক। তাৰ পাচত, এসপ্তাহমান আত্মীয়-কুটুম, বন্ধু-বান্ধৱ, গঞা-চুবুৰীয়া আদিৰ সঙ্গসুখ উপভোগ কৰি উঠি মোৰ আকৌ উপস্থিত কৰ্তব্যলৈ ধাউতি হল। মই শিৱসাগৰৰপৰা লগত লৈ যোৱা ব্যৱস্থা-সমলেৰেই মোৰ জন্মভূমি উত্তৰ-লক্ষীমপুৰতো পোন প্ৰথমে এখন 'আহোম সভা' প্ৰতিষ্ঠা কৰিবলৈ ওলালোঁ। সেই উদ্দেশ্যে মই সপ্তাহদিয়েক ওচৰৰ আহোম গাঁওবোৰত ঘোঁৰাৰে আৰু দূৰৈৰবোৰত হাতীৰে গাঁও ফুৰি আহোম জাতিবৰ্গক সিবিলাকক আগৰ দিন আৰু এতিয়াৰ দিনৰ বিজণি দেখুৱাই পুনৰুত্থানৰ

অৰ্থে যত্নপৰ হবলৈ উতঙ্গাই ফুৰিছিলোঁ; আৰু সেই ছেগতে মোৰ শিৱসাগৰীয়া কাৰ্যৰ আহিৰে তেলাহী, বেতেৰী, কমলাবাৰী, চিনাতলী, চুটীয়াকাৰী, কদম বৰদলনি, ঘিলামৰা, ঢকুৱাখনা এইবিলাক মৌজাত ৰাইজক কানিৰ অপকাৰিতা বুজাই দি, কানীয়াৰ কানি পান কৰা অভ্যাস একেবাৰেই বাট দেখুৱাই থনচাৰেক 'কানিনিবাৰিণী মেল' পতাই দিলোঁ। তাৰ পাচত টাউনত 'উত্তৰ লক্ষীমপুৰ আহোম-সভা' নামেৰে এখন স্থায়ী সভা স্থাপন কৰাই ৺পাণীন্দ্ৰনাথ গগৈদেৱক তাৰ নিগাজী সম্পাদকৰ বিষয়বাব দিয়ালোঁ। সেই কাৰ্যত মই মোৰ পিতৃদেৱতা ৺ঘিনাৰাম গোহাঞি বৰুৱা আৰু মোমাইদেউ ৺কণনাথ গোহাঞি ফুকন ডাঙৰীয়া-দুয়ৰপৰা বিশেষ সহায় পাইছিলোঁ; কিয়নো সেই সময়ত ত'ত বিলাক দুজন ক্ৰমে জিলাত আৰু ঢকুৱাখনাত উত্তৰ লক্ষীমপুৰৰ প্ৰখ্যাত আৰু প্ৰতাপী মৌজাদাৰ আছিল; আৰু সেই লগতে মোৰ সোঁহতীয়া ফলস্বৰূপ লগৰীয়া কাৰ্যকাৰক ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ কাৰ্য-কুশলতাই মোৰ সেই কৰ্তব্য সাধনত নথৈ গুণ দিছিল।

## অ, ভা, উ, সা, সভাৰ প্ৰতিষ্ঠা

আপদে সম্পদ মাতে। মোৰ পিতৃদেৱতাৰ সেই টান নৰিয়াৰ আপদে যেন মোক চিলাই থাপ মাৰি উৰুৱাই দিয়াদি নি মোৰ জন্মভূমি উত্তৰ-লক্ষীমপুৰত জাতীয় কৰ্মক্ষেত্ৰতহে নমাই দিলেগৈ। তাত নামিয়েই পোনেই মোৰ আগৰ সহপাঠী, সহকৰ্মী, লগৰীয়া সাহিত্যিক, বাল্যবন্ধু, অন্তৰতম কুটুম ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ সঙ্গলাভ হোৱাত মোৰ অন্তৰত আনন্দ-উলাহ নধৰা হ'ল। সেই সঙ্গলাভে মোৰ আন্তৰিক সাহিত্যিক কামনা উজাৰ খুৱাই তুলিলে। সেই প্ৰসঙ্গতে আমি দুয়ো আমাৰ জাতীয় সাহিত্যৰ উন্নতি বিধায়ক চৰ্চালোচনাত লাগি গলোহঁক। পোন প্ৰথমে আমাৰ সেই ভেঁটিস্বৰূপে, কলিকতাৰ অ, ভা, উ, সা, সভাৰ ( অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভা ) আৰ্হিৰেই উত্তৰ লক্ষীমপুৰতো সেই নামেৰেই এখন অ, ভা, উ, সা, সভা প্ৰতিষ্ঠা কৰিলোঁহক। এই সভা পাতোতে উজু কিন্তু পালোতে টান পালোঁ, কাৰণ সেই কালত যথেষ্ট শিক্ষা বিস্তাৰৰ অভাৱ হেতু জনসাধাৰণে সাহিত্য সভাৰ মোল নাপাইছিল। আনকি এই সাহিত্য সভা প্ৰতিষ্ঠা কৰা প্ৰসঙ্গত গগৈদেৱ আৰু মই ইতিকিঙ্গৰ কাণটিলিকি শুনিব আৰু সহিব লগাত পৰিছিলোঁহঁক; সি আজিকোপতি মোৰ সোঁৱৰণীত টিলিক-টিলিককৈ বাজিব লাগিছে। সি যি হওক, এই জাতীয় সাহিত্য-সভাখনি প্ৰতিষ্ঠা কৰি উঠি, মোৰ সুযোগ্য লগৰী সবল সাহিত্যিক ৺পাণীন্দ্ৰনাথ গগৈদেৱক তাৰ সম্পাদকীয় বিষয়বাব গতাই দি নিশ্চিন্ত হলো। তাৰ পাচত এই অ, ভা, উ, সা, সভাৰ জৰিয়তে আমাৰ জাতীয় সাহিত্যৰ উন্নতি কল্পে আমি কি কাৰ্য হাতত লোৱা উচিত, তাৰ আলোচনা হল; আৰু সেই আলোচনা একাদিক্ৰমে কেইবাটাও বৈঠকত উথাপিত হৈছিল। সদৌশেহত তাৰ মীমাংসাত এই প্ৰশ্ন উঠিল যে আমাৰ দেশৰ মজলীয়া আৰু ওথথাপৰ স্কুল-পঢ়াশালি-বোৰতো আমাৰ দেশী ভাষাৰ পাঠ্য পুথি নচলিব কিয়? সেই উদ্দেশ্য আমি কি কৰা উচিত?

## পোন প্ৰথম পঢ়াশলীয়া পুথি প্ৰণয়ন

সেই প্ৰশ্নমূলক সমস্যা ভাঙিবৰ অৰ্থে পাণীন্দ্ৰনাথ গগৈদেৱে আৰু মই সুকীয়া সুকীয়াকৈ নানা ফালৰপৰা মতামত, উপদেশ আৰু পৰামৰ্শ সংগ্ৰহ কৰিবলৈ লাগি গলোঁহঁক। মই সেই উদ্দেশ্যে সেই কালৰ প্ৰবীণ সাহিত্যিক মোৰ সবল হিতাশী পৰম শ্ৰদ্ধাস্পদ ৺ফণিধৰ চলিহা ডাঙৰীয়া আৰু সেই সময়ৰ অসম শিক্ষা বিভাগৰ গুৰিধৰোঁতা ভূতপূৰ্ব স্কুল ইন্সপেক্টৰ (পাচত Director of Public Instruction, Assam) মিঃ জে. উইলচন চাহাবৰ লগত বিস্তৰ লিখা-লিখি কৰি আৰু তেওঁৰপৰা পোৱা সজ আৰু সাৰুৱা উপদেশ অনুসৰি গমি চাওঁ যে আমি যি ঘৰ সাজিবলৈ উথপথপ লগাইছোঁহঁক তালৈচোন ভেঁটি চোঙ্গোৱা হোৱাই নাই;—এইখিনিতে কবলগীয়া যে ওপৰত নাম লোৱা বিচক্ষণীয়া আগৰ স্কুল পৰিদৰ্শক দুগৰাকীৰ মই বৰ প্ৰিয়পাত্ৰ আছিলোঁ। দুয়োগৰাকীয়ে একেআষাৰে মোলৈ এই সিদ্ধান্ত দি পঠিয়ালে যে প্ৰথমে আমাৰ দেশৰ মজলীয়া আৰু ওখথাপৰ পঢ়াশালিৰ পাঠ্যৰ উপযোগী পুথি, বিশেষকৈ সাহিত্য পুথিৰ উপস্থিত অভাৱ গুচাবলৈ আমাৰ উদ্যম হব লাগে; তাৰ পাচতহে বাঞ্ছিত ফল লাভলৈ আশা কৰা উচিত হব। আমি চালোহঁক, কথা সঁচা; আনৰে সৈতে ফেৰ পাতিবলৈ আমাৰ ভাষাত ঘাইকৈ ওখথাপৰ সাহিত্য পুথি এখনেই নাই। সেই কালত অসমৰ মজলীয়া ছাত্ৰবৃত্তি পঢ়াশালিত প্ৰথম শ্ৰেণীত যিকেখন বঙ্গলা সাহিত্য পুথি চলিছিল, তাৰ শাৰীত থিয় কৰিবলৈ আমাৰ ভাষাত এখনো উপযুক্ত সাহিত্য পুথি বিচাৰি নাপাওঁ। এই কথাত গগৈদেৱে আৰু মই মনে মনে বৰ লাজ আৰু মনস্তাপ পালো। আৰু সেই আপাহতে আমাৰ যুটীয়া পুৰুষাৰ্থৰ বলেৰে বঙ্গভাষাৰ সেই শ্ৰেণীৰ সাহিত্য পুথিৰ শাৰী পূৰাব পৰাকৈ এখন ওখথাপৰ অসমীয়া সাহিত্য পুথি যুগুত কৰি উলিয়াবলৈ বুলি আমি দুয়ো দুইৰো ওচৰত প্ৰতিশ্ৰুত হলোঁহঁক। সেই অঙ্গীকৃত যুটীয়া সঙ্কল্পৰ ফল হৈছে দুকুৰিমান বছৰৰপৰা একেৰাহে এতিয়ালৈকে মজলীয়া ছাত্ৰবৃত্তি আৰু তাৰ সমনীয়া শ্ৰেণীবোৰত চলি থকা অসমীয়া ওখথাপৰ সাহিত্য পুথি 'সাহিত্য সংগ্ৰহ'। অসমীয়া সাহিত্যত ইয়াক বৰ্তমানলৈকে অদ্বিতীয় বা শীৰ্ষস্থানীয় পঢ়াশলীয়া পাঠ্যপুথি বুলিলে বঢ়াই কোৱা নহব বোধ কৰোঁ; কিয়নো আধুনিক অসমীয়া সাহিত্যত আজিলৈকে এই 'সাহিত্য-সংগ্ৰহ' পুথিৰ সমনীয়া স্কুল সাহিত্য পাঠ্যপুথি দ্বিতীয় এখন ওলোৱা নাই এথোন। অৱশ্যে ইয়াৰ নাম্‌নাচ্‌কৈ কেইখনমান পঢ়াশলীয়া সাহিত্য পাঠ্যপুথি প্ৰচাৰিত হৈছে, কিন্তু 'সাহিত্য-সংগ্ৰহ'ত সন্নিবিষ্ট হোৱা মৌলিক (original) ৰচনাৰ চানেকি সেইবোৰত নাই। তেনেকুৱা চানেকি আজিকালি প্ৰবন্ধাকাৰে পাবলৈকো নাই। কিয়নো আজিকালিৰ অসমীয়া লেখকসকলৰ সৰহভাগেই অনুকৰণপ্ৰিয় আৰু পৰৰ ভাষাত ওলোৱা পৰৰ ভাবত ভেজনি আৰু গঁঢ়িলা লৈ লিখাত অভ্যস্ত। সেইবাবেই 'সাহিত্য-সংগ্ৰহ' পুথিৰ দ্বিতীয় ভাগ এটা উলিয়াবলৈ অসম শিক্ষা বিভাগীয় কৰ্তৃপক্ষৰপৰা সাঙ্কেতিক অনুৰোধ পায়ো মই বহু প্ৰবন্ধেও সেই বিষয়ত কৃতকাৰ্য হৈ উঠিবগৈ নোৱাৰিলো। অৰ্থাৎ তদৰ্থে নতুনকৈ ওলোৱা উচ্চতৰ অসমীয়া মৌলিক ৰচনা যথেষ্ট সংগ্ৰহ কৰিবলৈ বিচাৰি নাপালো। সেই কাৰণে হাইস্কুলৰ দুটা ওপৰ

শ্ৰেণীত চলাবৰ অৰ্থে কৰ্তৃপক্ষে এই 'সাহিত্য-সংগ্ৰহ' পুথিকে প্ৰথম অৰ্ধেক আৰু দ্বিতীয় অৰ্ধেককৈ দুভাগ কৰি পাঠ্য তালিকাত বিতংকৈ ধৰিছে ; মাথোন দ্বিতীয় অৰ্ধেককে দ্বিতীয় ভাগৰূপে আগবঢ়োৱাৰ উদ্দেশ্যে 'সাহিত্য-সংগ্ৰহ' পুথিৰ দশম তাঙৰণৰপৰা তাত ওপৰঞ্চিকৈ এছোৱা যোগ দি আৰু মাজে মাজে গোটাচাৰেক পদ্য আৰু গদ্য প্ৰবন্ধ নতুনকৈ সন্নিবিষ্ট কৰি সেই দ্বিতীয়ছোৱা অলপ পুৰঠ কৰা গৈছে। আদিতেও এই 'সাহিত্য-সংগ্ৰহ' যুগুত কৰোঁতে আমি বৰ টান পাইছিলো। আধুনিক অসমীয়া সাহিত্যই নতুনকৈ গঢ় লোৱা দিনৰেপৰা সেই সময়লৈকে (এতিয়াৰ পৰা দুকুৰিমান বছৰৰ আগেয়ে) পঢ়াশালিৰ পাঠ্যোপযোগী ৰচনা বা প্ৰবন্ধাদি বিচাৰি আমি দুয়ো পাত পাত কৰিলোঁহঁক। তেতিয়ালৈকে প্ৰচাৰিত হোৱা বাতৰিকাকত, আলোচনী আৰু গ্ৰন্থাৱলীৰ এখনো আমি চালি-জাৰি নোচোৱাকৈ বাদ পৰি ৰোৱা নাছিল বোধ কৰোঁ। সিমানতো পুথিখন চকুত লগাকৈ পুৰঠ কৰি উঠিবগৈ নোৱাৰা হেতুকে মই খনদিয়েক গদ্যৰচনা নতুনকৈ ৰচি দিবলগীয়া হৈছিল। পদ্যভাগ গোটোৱাত অৱশ্যে বৰ টান পোৱা নাছিলো ; কিয়নো তাৰ নিমিত্তে মোৰ স্ব-ৰচিত কবিতা যথেষ্ট আছিল—এতিয়াও 'সাহিত্য-সংগ্ৰহ'ত যিখিনি কবিতা সন্নিবিষ্ট হৈ আছে তাৰ সমানে এভাগ মোৰ নিজা। এই ৰচনা সংগ্ৰহৰ সংসৰ্গত এটি কথা এইখিনিতে উন্নুকিয়াবৰ মন গল। 'সাহিত্য-সংগ্ৰহ' পুথিৰ সংগ্ৰাহকদ্বয়ৰ সঙ্কল্প আছিল যে সেইযুগৰ সুলেখক সকলো লব্ধপ্ৰতিষ্ঠ অসমীয়া সাহিত্যিকৰ ৰচনাৰ চানেকি সংগৃহীত হব লাগে। পিচে হতাশ হব আৰু আচৰিত মানিবলগীয়াত পৰিলোঁহঁক যে সেই সময়লৈকে সবাতকৈ সৰহকৈ অসমীয়া প্ৰবন্ধাদি লিখক এতিয়াৰ সুনিপুণ প্ৰবীণ সাহিত্যিক ৰসৰাজ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ৰচনাপুঞ্জৰ মাজত পঢ়াশলীয়া পাঠ্যৰ উপযোগী ৰহস্যবিয়োগ উকা ৰচনা এখন বিচাৰি গগৈদেৱ হাইৰান হল ; তথাপি তেওঁৰ উদ্দেশ্য সিদ্ধি নহ'ল ; সদৌশেহত 'জীৱনযুদ্ধ' শীৰ্ষক তেখেতৰ নিচেই শেহতীয়া (সেই সময়ৰ শেহতীয়া) ৰচনা এখনিত মোৰ চকু পৰিল। দুয়ো তাকে বৰ আগ্ৰহেৰে চপাই লৈ মনপাৰি চাবলৈ ধৰিলোঁ ; চাই চাই আমাৰ হাঁহি উঠিল যে তাতো ৰসৰাজৰ ৰসময় কাপে মাজতে ছয়া কাটি গৈ, "কেৰপাই টেকেলাৰ ঘৰত শিয়াল সুমুৱাই দি টেকেলানীৰ ভাতচৰু লুকুকাই লণ্ডভণ্ড কৰাই" জীৱনযুদ্ধৰ সমৰ্থনত উদৰযুদ্ধ এখন লগাই দি ৰং চাইছে! আমি লেখকৰ স্বাভাৱিক ৰসিকতা অন্তৰেসৈতে শলাগিলোঁ, কিন্তু কৰ্তব্যৰ অনুৰোধত সেই ধেমেলীয়া পটন্তৰটি বাদ দি থৈ ৰচনাখনি 'সাহিত্য-সংগ্ৰহ' পুথিত সন্নিবিষ্ট কৰিলোঁহঁক। তাৰ পাচত পুথিখন যুগুত হৈ উঠিলত তাক লুটিয়াই চাওঁতে আমাৰ মনত এনে ভাব হল যেন সি উভতিহে উপজিল ; কিয়নো স্কুলীয়া পাঠ্যোপযোগী সাহিত্য পুথি যুগুত কৰোঁতে আমি তাক গুৰিৰপৰা থাপি-থাপিকৈ নুতুলি একেবাৰে আগৰপৰা আৰম্ভ কৰিলোঁহঁক ; আৰু তাৰে সৈতে সাহিত্য লানি (series) এটা আঁচিবৰ অৰ্থে আগৰপৰা গুৰিলৈ উভতি নামি আহিবলগীয়া হলোঁহঁক। আমাৰ মনত ইও এটা নতুন অভাৱ আহি পৰিল যেন লাগিল, সেই উভতিধৰা নামনাচ্ ভাগ পূৰণ কৰাৰ বাব মোৰ মুৰতে পৰিল ; কিয়নো আমাৰ ভাষাত তেতিয়া আন আন কেৱবাটাও বিষয়ক পঢ়াশলীয়া পুথিৰ অভাৱ জিলিকি থকাত

তাৰ ভিতৰত নিতান্ত লাগতিয়াল বিষয় 'অসমীয়া ল'ৰাৰ ভূগোল' এখন লিখাৰ বাব লবলৈ গগৈদেৱে মনস্থ কৰি থৈছিল ; কিন্তু তেওঁৰ দৰেই মোৰো সঙ্কল্প আছিল পঢ়াশলীয়া ভূগোল আৰু 'অসমৰ বুৰঞ্জী' পুথি দুখন লিখিবলৈ। গতিকে অসমীয়া সাহিত্যৰ লানিটো সম্পূৰণ কৰাৰ উদ্দেশ্যে 'সাহিত্য-সংগ্ৰহ'ৰ পৰা তললৈ নমাই আনি আৰু তিনিছোৱা অসমীয়া পঢ়াশলীয়া সাহিত্য পুথি যুগুত কৰাৰ ভাৰ মোৰ গাত পৰিল ; আৰু তাৰো তললৈ ( ক-খ পুথিলৈকে ) তিনিছোৱা উলিওৱাৰ বাব গগৈদেৱে গাত ললে। সেই সংকল্পৰ ফল স্বৰূপে ৺পাণীন্দ্ৰনাথ গগৈ প্ৰণীত 'অসমীয়া ল'ৰাৰ ভূগোল' আৰু 'ল'ৰা-শিক্ষা' তিনিছোৱা আৰু মোৰ প্ৰণীত 'নীতিশিক্ষা' তিনিছোৱা, 'ভূগোল দৰ্পণ' আৰু 'অসমৰ বুৰঞ্জী' প্ৰচাৰিত হয়। মোৰ 'নীতিশিক্ষা' তিনিছোৱা আৰু তাৰ অগা-পিচাকৈ লিখি প্ৰচাৰ কৰা 'ভূগোল-দৰ্পণ' আৰু 'অসমৰ বুৰঞ্জী' পঢ়াশলীয়া অসমীয়া পুথিকেইখনৰ বিষয়ে পাচত যথাঠাইত আকৌ সুমৰি চোৱা যাব। ইয়াৰ পাচত মোৰ প্ৰণীত পঢ়াশলীয়া অসমীয়া সাহিত্য-পুথিৰ লানি বা 'চিৰিজ'টো (series) গুৰিবপৰা আগলৈ সম্পূৰণ কৰাৰ উদ্দেশ্যে ময়ো আদি পুথি তিনিছোৱা প্ৰণয়নত সঙ্কল্প আগত ললোঁ ;—তাৰ কাৰ্যফল হৈছে মোৰ 'আদি-শিক্ষা' তিনিছোৱা। এয়ে সেয়ে অৰ্থাৎ 'আদি-শিক্ষা' তিনিছোৱা, 'নীতি-শিক্ষা' তিনিছোৱা আৰু 'সাহিত্য-সংগ্ৰহ' এই আটাইকেইওখন পুথি একে কঠিকৈ ধৰি মোৰ পঢ়াশলীয়া সাহিত্য লানি বা 'চিৰিজ'টো সাতখণীয়াকৈ সম্পূৰক হৈ উঠাত মোৰ সাহিত্য-সাধনাৰ এভাগি লাগতিয়াল আংশিক ফল পূৰঠ হৈ উঠিল বুলি ভাবি প্ৰাণত একেৰি নিৰ্মল সুখ উপভোগ কৰিছোঁ।*

---

* আৱাহন, জেঠ, ১৮৫৩, ৩ বছৰ, ৮ সংখ্যাত প্ৰকাশিত।

# সপ্তম সৰ্গ

## চাকৰীয়া জীৱনৰ আৰম্ভণ

বাহিৰত ৰাজহুৱা সভা-সমিতি সংগঠনাদি জাতীয় অনুষ্ঠানত দেহ-মন লগাই উফৰি ফুৰিছিলো বুলিও ভিতৰি মই মোৰ সেই সাময়িক জীৱনৰ আচল কৰ্তব্যলৈ পাহৰা নাছিলোঁ; মই ঘৰতে ছাত্ৰ হিচাপে ওকালতি পৰীক্ষাৰ নিমিত্তে সাজু হোৱাৰ অভিপ্ৰায়ে আইন-অধ্যাপনাত একাণপতীয়াকৈ লাগি আছিলো। তাৰ কাৰণে মোৰ সময় নিৰূপিত আছিল। ওপৰঞ্চি সময়খিনি মাথোন মোৰ ডুৱলীয়া কৰ্তব্য পালনত নিয়োজিত হৈছিল; যেনে গুটি গুটি কবিতা ৰচনা কৰা, বাতৰি কাকত আৰু আলোচনী কাকতলৈ প্ৰবন্ধ লিখা, পঢ়াশলীয়া পাঠ্যপুথি প্ৰণয়নৰ অৰ্থে সমল সংগ্ৰহ কৰা, সভা-সমিতি আদিলৈ বক্তৃতাদিৰ চিন্তালোচনা কৰা, অসমীয়া ভাষাক "বঙ্গলাৰ অপভ্ৰংশ" বোলোঁতাবিলাকৰ উক্তি ওফৰাবলৈ যুক্তি জুকিয়াই লোৱা ইত্যাদি। সেই একে সময়তে মই সাহিত্যিক, সামাজিক আৰু ৰাজনৈতিক কাৰ্যালোচনাত সমানে মনোনিবেশ কৰি চলিছিলোঁ। এই তিনি বিষয়ত সেই কালত মোৰ মনত এনেদৰে ৰাপ বহিছিল যে সেইবোৰ বিষয়ক চিন্তালোচনাই মোৰ ৰং-ধেমালিৰ মাজেদিও সৰকিবলৈ সন্ধি পাইছিল। সেই প্ৰসঙ্গত সেই কালত অসমীয়া ৰাইজৰ নিৰ্জু প্ৰকৃতিয়ে মোৰ মনত আনন্দও বঢ়াইছিল, বিষাদো লগাইছিল; আনন্দ বাঢ়িছিল এইবাবে যে, সজবাট সৰলভাৱে পোনাই দেখুৱালে অসমীয়া ৰাইজে আগ্ৰহেৰে সেইবাটে বাট লয়; বিষাদ লাগিছিল এইবাবে যে, বিদেশী আৰু আন প্ৰদেশী লোকৰ দমননীতিৰ সিবিলাক সহজ শৰণীয়া। বিশেষকৈ সেইকালৰ ৰঘুমলাসদৃশ বঙ্গালী প্ৰবাসীৰ সিবিলাক বৰ বশ আছিল, আনকি বৃটিচ্ ৰাজ-কৰ্মচাৰীতকৈও বঙ্গালী বিষয়ালৈ সিবিলাকে অধিক ভয় কৰিছিল। আজিকালি যেনেকৈ কিছুমান ভণ্ড দেশহিতৈষীয়ে বৃটিচ্ বিষয়াদিৰ আগত অৰ্থশূন্য 'হয়' 'হয়' কৰি ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধি কৰি, গুটীয়াকৈ টনকিয়াল হবলৈ উদ্দেশ্য ৰাখি চলে, তেতিয়া বঙ্গালী বিষয়াৰ ওচৰত সেইবিধৰ অসমীয়াই সেই আচৰণেৰে সেই উদ্দেশ্যলৈ লক্ষ্য ৰাখি চলিছিল; এনেকি বঙ্গালীৰ আগত "বঙ্গালী" বুলিবলৈকো অসমীয়াই অপৰাধ লগোৱা যেন জ্ঞান কৰিছিল। অসমীয়াই সমাজৰ তেনেকুৱা নিস্তেজ অৱস্থাত নিজৰ জাতীয় সাহিত্যৰ উন্নতিৰ চৰ্চা কৰে কেনেকৈ! সেই কাৰণেহে মই মোৰ শিৱসাগৰীয়া লগৰীয়া বান্ধৱবৰ্গৰে সৈতে লগ লাগি অ, ভা, উ, সা, সভাৰ শাখা ভিন্ ভিন্ কেন্দ্ৰত বঢ়াবলৈ যত্ন কৰোতে কোনো কোনো অসমীয়া বৰমুৰীয়া মানুহৰপৰাও ইতিকিং সহিব লগাত পৰিছিলোঁ! তথাপি, তেনেকুৱা জাতীয় দুৰৱস্থালৈকো আওকাণ কৰি মই উত্তৰ লক্ষীমপুৰত পুনৰপি থিতাপিত হোৱা সেই সময়ত মোৰ সাহিত্য চৰ্চা অবিৰতভাৱে চলাইছিলোঁ, বিশেষকৈ মোৰ সুযোগ্য লগৰীয়া সাহিত্যিক ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ সহযোগিতাৰ ফলত। আচলতে ৺গগৈদেৱৰ সৈতে লগ লাগিলেই আমাৰ মাজত সাহিত্য-চৰ্চা আপোনা-আপুনি আহি পৰেহি। পিচে সেইভাৱে মনৰ উলাহেৰে

ঘৰতে ছমাহমান কটাইছোঁ, এনেতে মই নগা-পৰ্বতৰ কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলত হেডমাষ্টৰৰ পদত অযাচিতে নিযুক্ত হওঁ। 'অযাচিতে' বুলিছোঁ এই বাবে যে, মই কলিকতাৰপৰা উলটি অহাৰ অলপ পাচতে মোৰ সেই কালৰ ঘাই হিতাশী অসম শিক্ষা বিভাগৰ ডিৰেক্টৰ মিঃ জে, উইলচন চাহাবক জনাই থোৱা আছিল যে সেই সময়ত মই ঘৰতে আইন অধ্যয়নত লাগি থাকিম; সেই আপাহতে তেখেতে মোক আগধৰি নোসোধাকৈয়ে অভিভাবক হিচাপে মোলৈ সেই পদৰ মকৰলী পত্ৰ এখন আপোন মনেৰে পঠিয়াই দিয়ে। সেই মকৰলী পত্ৰ পাই মই আনন্দত উৰুলীকৃত হলোঁ। খন্তেকলৈ মই মোৰ চিৰলগৰীয়া জাতীয় উন্নতি সাধনা বিষয়ক অনুষ্ঠানাদিলৈকো পাহৰাৰ নিচিনা হলোঁ। মোৰ সেই আনন্দ কিন্তু আচলতে মই সেই হেডমাষ্টৰী পদটো পোৱাৰ বাবে নহয়, মোৰ মনমুগ্ধকৰ ঠাই নগা-পৰ্বতত গৈ মই পুনৰপি কিভাৱে থিত্ লমগৈ সেই আনন্দময় কল্পনাতহে মোৰ মন উধাও হৈ উঠিছিল। কিয়নো, সেই কল্পনা সেয়ে নতুন নহয়। আগবাৰ কহিমা এৰি অহা দিন ধৰি সি মোৰ চিৰলগৰী হোৱাত, তাৰপৰা শান্তি সুখ সততে মোৰ অন্তৰৰ পৰা নিজৰি নিজৰি বৈ আহিল। পিচে, এনেতে, সিটো শৈল শিলঙ্গৰপৰা সেই পদদানৰ সংবাদে আহি সেই সোঁতৰ লোৰত পথালি দি পৰি থকা পাহৰণৰ শিল চপৰা বগৰাই দিয়া মাত্ৰকে সেই মোৰ পৰাণ-পমোৱা উলাহৰ সোঁত আনন্দ লহৰীৰে সৈতে কলূকলূকৈ ভৈয়ামলৈ বাগৰি বৈ আহি মোক যেন ক'ৰবালৈ ঢৌৱাই লৈ গ'লহি।—তেতিক্ষণে সেই সুগহীন নামবৰ হাবি, সেই তথ্যগ্ৰাহী ডিমাপুৰৰ হিড়িম্বানগৰ, সেই পৰ্বতপাদ নীচুগাৰ্ডৰ কুল্ কুল্ নিনাদিত ৰূপালী নৈখনি, সেই কহিমা পৰ্বতমালাৰ মাজে মাজে সৌন্দৰ্যসমলেৰে বুকুভৰা দীঘলী 'গুহাৱলী' এইবোৰ সুখদৃশ্য এটিৰ পিচত আনটিকৈ মোৰ সোঁৱৰণী পটত ফট্‌ফটীয়াকৈ জিলিকি উঠিল, মোৰ মনে উত্ৰাৱলভাৱে নগা-পৰ্বতৰ টিঙ্গে টিঙ্গে ভ্ৰমিবলৈ ধৰিলে, স্বৰূপত সেই ক্ষন্তেকৰ নিমিত্তে মই আপোন-পাহৰা হৈ পৰিছিলোঁ। কিন্তু পিচ মুহূৰ্ত্তে অকস্মাতে মোৰ মন আন এটা বিপৰীত ভাবৰ আঁকুহিত লাগি চাঁত কৰে মোকোটা খাই পৰিল; আৰু সেইক্ষণতে মোক সংকল্পিত ওকালতি পৰীক্ষা দিয়া ভাবে হেঁচি ধৰিলেহি। সেই দোধোৰ-মোৰত মোৰ মন উগুল-থুগুল ভাবত বিমোৰ হৈ পৰিল। এইভাৱেই দিনদিয়েক পাৰ হ'ল। তাৰ পাচত মোৰ মনৰ কথা মোৰ গুৰুজন আৰু বন্ধু-বান্ধৱৰ আগত মই ব্যক্ত কৰিলোঁ। তাৰ সমিধান মোৰ ৺পিতৃদেৱতা প্ৰমুখ্যে মোৰ অভিভাবক আৰু অপৰ বন্ধু-বান্ধৱৰপৰা এই বুলি পালোঁ যে গৱৰ্ণমেণ্টে উপযাচি দিয়া সেই পোন-প্ৰথম বিষয়-বাবটো প্ৰত্যাখ্যান কৰা উচিত নহয়; বিশেষকৈ যি স্কুলৰপৰা মই এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ উচ্চ শিক্ষালৈ হুৱাৰ মুকলি পাইছিলোঁ, সেই স্কুলৰ হেডমাষ্টৰী পোৱাটো মোৰ পক্ষে সৌভাগ্যৰহে বিষয়। তদুপৰি সিবিলাকে মোক এই বুলি বুজনি দিলে যে সেই পদ গ্ৰহণ কৰিলেও মোৰ ওকালতি পৰীক্ষা দিয়া লক্ষ্য ভ্ৰষ্ট হোৱাৰ ভয় নাই; কিয়নো শিক্ষকতাৰ কৰ্তব্যৰ লগতে অধ্যাপনালৈকো সুচল পোৱা যাব। ইত্যাদি বুজনিৰ সুৰত মোৰ মন ৰ লাগিল। তাৰ অলপ পাচতে পুনৰপি আনন্দত উধাও হৈ নগা-পৰ্বতৰ উদ্দেশ্যে মোৰ মনে পাখি কোটালিবলৈ ধৰিলে।

## দ্বিতীয়বাৰ কহিমা যাত্ৰা

যথাসময়ত মই নগা-পৰ্বতৰ উদ্দেশ্যে দ্বিতীয়বাৰ যাত্ৰা কৰিলোঁ। যাওঁতে মোৰ চেমনীয়া কালৰ ৰঙ্গভূমি শিৱসাগৰত ভুমুকি মাৰি যাবলৈ বুলি ঠাইতে সোমালোঁ; উদ্দেশ্য মোৰ ৺চেনেহী বাইদেউ আৰু পূজনীয় ৺ভিনীহিদেৱক সেই যাত্ৰাকালত সেৱা জনোৱা। এইবাৰ মোৰ ভোলানাথ ভিনীহিদেৱে মোক নিলগতে দেখি খলুখলকৈ হাঁহি পেলালে; সেই হাঁহিৰ খলুখলনিৰ লগে লগে মোৰ অন্তৰে হৰ্ষ গদ্‌গদ্ হৈ ভিতৰি কল্‌কলাবলৈ ধৰিলে। শিৱসাগৰত মুঠেই দুদিন ৰৈ গৈ, মোৰ সমনীয়া লগৰীয়া বন্ধুবৰ্গৰ সুখসঙ্গ উপভোগ কৰি উঠি, মই প্ৰফুল্লমনেৰে কহিমা যাত্ৰা কৰিলোঁ। যাত্ৰাকালত গোলাঘাটৰপৰা নীচুগাৰ্ডলৈকে এইছোৱাত বিশেষ পৰিবৰ্তন একো দেখা নাপালেঁা, মাথোন বাটৰ দুয়োফালে ভালেমানলৈকে আগৰবাৰতকৈ মুকলি, উদং, ৰিঙ্গা ৰিঙ্গা যেন লাগিছিল। নীচুগাৰ্ড গৈ পোৱা মাত্ৰকে মোৰ মনমোহিনী পুৰণি চিনাকী সেই পৰ্বত-জীয়াৰী সৰু ৰূপালী নৈখনিৰ কল্‌কলনি শুনি মোৰ মন-প্ৰাণ ক্ষন্তেকলৈ ৰ লাগিল, তাতে মোৰ আন্তৰিক উলাহেও এটা দম্ ললে। কিন্তু দুখৰ কথা যে, তাৰপৰা ওপৰছোৱা পৰ্বতীয়া বাটৰ দুয়োফালে দুৰ্ঘোৰ পৰিবৰ্তনে মোৰ চকুতৃপ্তি ক্ৰমাৎ মাৰ নিয়াবলৈ ধৰিলে। পোন প্ৰথমবাৰৰ যাত্ৰাৰ সেই পৰ্বতীয়া বনবাট, সেই অটব্য অৰণ্য গৰ্ভৰ লুং-লুঙ্গীয়া অকোৱা-পকোৱা, উঠা-নমা, জিলিয়ে জাঁ-কৰা, নিজম পথ আৰু নাই; তাৰ সলনি পৰ্বতৰ পাকেপতি ইটাগুৰীয়া ৰঙ্গচুৱা গাড়ীবাটৰ কৃত্ৰিম শোভাই মোৰ চকুত আমনি লগাবলৈ ধৰিলে। সি যি হওক, মাজে মাজে দীঘলী গুহাৰ কাণে কাণে বিজুলী ৰেখাৰ দৰে বেঁকাবেঁকিকৈ বগাই ক্ৰমাৎ ওপৰলৈ উঠি যোৱা ৰাঙলীমাৰ্গৰ লেজুডালি মোৰ চকুত এটি অভিনৱ আৰু উপাদেয় দৃশ্য যেন অনুভৱ হবলৈ ধৰিলে। সেই লেজুৱামাৰ্গেদি থাপিখাপিকৈ স্বৰ্গাৰোহণ কৰাৰ দৰে গৈ থাকোতে হাবি সুৰুঙাইদি দীঘলী গুহাৱলীৰ সুগভীৰ তলিৰ চেঁচা শোভালৈ জুমি জুমি চায়েই অন্ত নাপাওঁ; চাই চাই চায়ো আমনি নালাগে, হেঁপাহ নপলায়। তাৰ লগে লগে, সেই তিনি-চাৰি বছৰৰ ভিতৰত সিমান পৰিবৰ্তন ঘটাৰ কাৰণ কি, তাৰ আঁতি-গুৰি ক'ত ইত্যাদি প্ৰশ্নাৱলী মোৰ মনত উজাৰ খাই উঠিল। ভাবি ভাবি পালোঁগৈ যে, সেই কাৰণ আৰু সেই আঁতি-গুৰি ইং ১৮৯১ চনৰ মণিপুৰীয়া ভীষণ বিদ্ৰোহ। মই কলিকতাত প্ৰৱসুৱা ছাত্ৰ হৈ থকা কালত মণিপুৰত এটা ৰোমাঞ্চক বিদ্ৰোহ উপস্থিত হয়। তাৰ পৰিণামত অসমৰ চীফ কমিচনাৰ অনাৰেবোল মিঃ কুইন্টন্ আৰু পলিটিকেল এজেন্ট মিঃ গ্ৰীমউড চাহাব প্ৰমুখ্যে কেইবাজনো বৃটিচ কৰ্মচাৰী বলি পৰে; আৰু তাৰ অৰিহণা স্বৰূপে ইংৰাজী উনৈশ শতিকাৰ অসাধাৰণ বীৰ কেশৰী ভাৰত সন্তান কলিৰ ইন্দ্ৰজিত ৺টিকেন্দ্ৰজিতৰ প্ৰাণাহুতি হয়। মিঃ গ্ৰীমউড এজন ওখথাপৰ সৰলচিতীয়া মৰমীয়াল বৃটিচ কৰ্মচাৰী আছিল; তেওঁ মোৰ ল'ৰাকালৰ এজন দয়ালু অভিভাৱক স্বৰূপ আছিল। মই উত্তৰ লক্ষীমপুৰৰ মজলীয়া স্কুলত পঢ়োতে আৰু তাৰপৰা মজলীয়া ছাত্ৰবৃত্তি পৰীক্ষা দিওঁতে তেওঁ সেই মহকুমাৰ অধিপতি আছিল। সেই সময়ত তেওঁ মোক বৰ মৰম কৰিছিল; আৰু সেই মহলা দিওঁতে তেওঁ পৰীক্ষাৰ কেন্দ্ৰ তালৈকে নিয়াই দি মোৰ অগ্ৰজ

শ্ৰীযুত নীলকণ্ঠ গোহাঞিবৰুৱা, মোৰ সাহিত্যিক বন্ধু ৺পাণীন্দ্ৰনাথ গগৈদেৱ আৰু মোক নগৈ উপকাৰ কৰিছিল। সেই মহা আপদীয়া আৰু আতুকলীয়া ভয়ঙ্কৰ বিদ্ৰোহেই সেই নাচুগাৰ্ড-কহিমা-মণিপুৰ-ৰোড নামেৰে গাড়ীবাটক বাটলগাই দি, মোৰ সোঁৱৰণীত প্ৰতিষ্ঠিত পূৰ্বৰ সুখ-দৃশ্যবোৰৰ চিন মাৰি, কৃত্ৰিম ৰঙ্গচঙ্গীয়া দৃশ্যাৱলীৰ অৱতাৰণা কৰিলে। সেই বাটে বাটেই গৰু গাড়ীত চৰি একেৰাহে তিনিদিন বাটকুৰি বাই গৈ গৈ কহিমা নগৰত প্ৰৱেশ কৰিলোঁগৈ। সেইদিনাই আবেলি বেলিকা ৺যাদৱচন্দ্ৰ বৰুৱা ৰায়বাহাদুৰৰ টোলত এখন চাহখোৱা মেল পাতি টাউনবাসীয়ে মোক আদৰ-সম্ভাষণ জনায়। সেই মেলত ৺ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা, ৺কেশৱচন্দ্ৰ বৰুৱা চুপাৰিণটেনডেণ্ট, ৺গৌৰীনাথ গগৈ পুলিচ ইন্‌স্পেক্টৰ, ৺ইন্দ্ৰধৰ ৰাজখোৱা খাজাঞ্চি প্ৰমুখ্যে কহিমা প্ৰবাসী অসমীয়া সকলোটিয়ে যোগ দিছিল; সিবিলাকৰ মাজত ৺নবীনচন্দ্ৰ ভট্টাচাৰ্য পি-ডব্‌লিউ-ডি একাউনটেণ্ট, ৺শৰৎচন্দ্ৰ সেন ডেপুটি কমিচনাৰৰ একাউনটেণ্ট প্ৰমুখ্যে বঙ্গালী কেৰাণী ভদ্ৰলোক, গুৰ্খা ৰেজিমেণ্টৰ ৺অৰ্জুন ৰায় চুবাদাৰ মেজৰ, ৺জামালুদ্দিন আহমদ চুবাদাৰ, জনদিয়েক মাৰোৱাৰী ভদ্ৰলোক, ভালেমান নগা-দোভাষী উপস্থিত আছিল। কহিমা টাউনবাসীৰ সেই সমাদৰত মই পৰম পুলকিত হলোঁ; মোৰ ক্ষুদ্ৰ জীৱনৰ সিও এটি মহৎ ক্ষণ, মোৰ জীৱনত ৰাইজৰ আশীৰ্বাদসূচক অভ্যৰ্থনা লাভ কৰা সেয়ে পোন-প্ৰথম।

## কহিমা কাহিনী

(ক) **কহিমা ইংৰাজী স্কুলৰ হেডমাষ্টৰী—**পিচদিনা ১১ বজাত বাবু ৰামেশ্বৰ সেন হেডমাষ্টৰৰপৰা স্কুলৰ চাৰ্জ চম্‌জি লৈ তেওঁ খালী কৰি দিয়া আসন গ্ৰহণ কৰিলোঁ। সেই আসনত উপবিষ্ট হওঁতেই মোৰ পৰম পূজনীয় শিক্ষাগুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুলৈ স্মৰণ হল,—এদিন সেই আসন অলঙ্কৃত কৰি সেই গুৰুদেৱে এই শিষ্যক শিক্ষাদান দিছিল। স্কুলৰ চাৰ্জ মোক গতাই দি ৺ৰামেশ্বৰ বাবুৱে 'হস্তমৰ্দনেৰে' মোৰপৰা এই বুলি বিদায় ললে, "আমি ত যা হওক তিন বৎসৰ পেন্সন খেয়ে চললাম, এখন কাজ কৰি গিয়ে; এখন আপ্‌নি পেন্সন খেতে আৰম্ভ করুন।" কথাষাৰে মোক বিষমকৈ বিন্ধিলে। মই ততালিকে বিনীত-ভাৱে এই কেইআষাৰ সমিধান দি থলোঁ, "আপুনি পকি সৰিল। এই মাটিডোখৰ তিনিবছৰ ভোগদখল কৰি ফচল জন্মাব নোৱাৰি যায়গৈ এতিয়া, কিন্তু আপোনাৰ পূৰ্ববৰ্তী বুঢ়া ওজা ৺চন্দ্ৰমোহন গোস্বামীয়ে দুবছৰীয়া ভোগদখলৰ কালতে, সম্প্ৰতি অনিশ্চিত হলেও, এই অকামিলা (মোৰ গালৈ দেখুৱাই) পুলি এটা গজাই থৈ গ'ল। সেই ওজাৰ ছাতৰ হওঁ যদি, প্ৰভুপাদ মহ্নো সেই খোজৰ চিনে চিনে খোজ ধৰি শিক্ষাৰ কঠীয়া সিঁচি শস্য গজাই গুটি ধৰাম বুলিহে এই খেতত নামিছোঁহি, আশীৰ্বাদ কৰিব যেন অনতিপলমে মোৰ এই সংকল্প কাৰ্যত ফলিয়াই উঠে।" অসমত চাকৰি কৰি বুঢ়া হোৱা ৰামেশ্বৰ বাবুৱে অসমীয়া কব নাজানিছিল বুলিও বেচকৈ বুজিছিল; মোৰ সমিধানৰ মৰ্ম বুজি তেওঁ চকুৰ হাঁহি সঙ্কেতেৰে মোৰ শলাগ লৈ স্কুলৰপৰা ভাৱগধুৰভাৱে ওলাই ধীৰে ধীৰে তেওঁৰ প্ৰৱসুৱা বহামুৱা হ'ল।

অফিচৰ কাকতে-পত্ৰে চহী লোৱা-লুইকৈ চাৰ্জ দিয়া-লোৱা হোৱাৰ পাচত মই স্কুলখনৰ বাজে-ভিতৰে চাইচিতি তাৰ অৱস্থাটো ভালকৈ বুজি ললোঁ। দেখিলো হেডমাষ্টৰক এৰি স্কুলত মুঠেই তিনিজন শিক্ষক—এজন ইংৰাজী পঢ়াওঁতা চেকেণ্ড মাষ্টৰ, এজন ভাৰ্নেকুলাৰ শিক্ষক হেডপণ্ডিত আৰু এজন নগা ল'ৰাক আদি শিক্ষা দিওঁতা দ্বিতীয় নগা-পণ্ডিত। ছাত্ৰসংখ্যা মুঠেই ৫০ আঢ়ৈকুৰিমান ; সেয়ে নগা, গৰ্খালি, দেচোৱালী, মাৰোৱাৰী, বঙ্গালী আৰু অসমীয়া ল'ৰা আৰু কেইটিমান ছোৱালীৰে সৈতে পূৰ্ণ। এই বিবিধ বৰণীয়া ছাত্ৰবৃন্দক হেডপণ্ডিতে বিবিধ ভাৰ্নেকুলাৰ—অসমীয়া, বঙ্গালী, দেচোৱালী, গৰ্খালি, নাগেৰী ভাষাত শিক্ষা দিয়ে ; চেকেণ্ড পণ্ডিতে দোভাষীৰ দৰে নগা ল'ৰাক মিহলি বা 'খিচুৰি' অসমীয়া ভাষাৰে আদি শিক্ষা দিয়ে ; চেকেণ্ড মাষ্টৰে গোটেই স্কুলতে ইংৰাজী পঢ়োৱাৰ উপৰি বঙ্গালী ল'ৰাক বঙ্গলা পঢ়ায় ; হেডমাষ্টৰে পঢ়াবলৈ নায়েই। ৰামেশ্বৰ বাবুৱে বোলে স্কুল-অফিচখন লৈয়ে বহি আছিল। গঠন ব্যৱস্থালৈ চাই ৰামেশ্বৰ বাবুৰ পেন্সন খোৱা কথাটো পতিয়াই মোৰ মনে মনে হাঁহি উঠিল ; কিন্তু তাৰ লগে লগে স্কুলখনৰ গতি-গোত্ৰ গঢ় লগাই লোৱা কাৰ্য মোৰ মনত বৰ জটিল বোধ হ'ল। তাৰ পাচত দিনদিয়েক আলেখ-লেখ চাই লৈ স্কুলখন ভৈয়ামৰ স্কুলৰ আৰ্হিৰে সংস্কাৰৰ উদ্দেশ্যে কাৰ্য হাতত ললোঁ। সেই অৰ্থে সেই ইংৰাজী স্কুলৰ কেৱল দুটা ভাষাৰ জৰিয়তে শিক্ষা দিয়াৰ স্থিৰ কৰিলোঁ, ইংৰাজী আৰু অসমীয়া ভাৰ্নেকুলাৰ। পিচে তাৰ বিৰুদ্ধে তুৰন্তে এটা দুৰ্ঘোৰ আপত্তি উঠিল—বঙ্গালী ছাত্ৰক অসমীয়া ভাষাৰ জৰিয়তে শিক্ষা দিয়াত। কিয়নো বঙ্গালী অভিভাবকে সিবিলাকৰ ল'ৰাক অসমীয়াত পঢ়ুৱাব নোখোজে, সিহঁতক বঙ্গলাত পঢ়ুৱাব লাগে। তাতে চেকেণ্ড মাষ্টৰজন বঙ্গালী হোৱাৰ গতিকে সেই আপত্তি ভিতৰি ঠন ধৰি উঠাৰ আভাস পালোঁ। কাৰ্যক্ষেত্ৰত নামিয়েই এই বিষম সমস্যাত পৰিলোঁ। কিন্তু সমস্যাৰ মূলৰে সৈতে মই অচিনাকি নহয় ; সেই মূল উপাৰিবৰ অৰ্থে ছাত্ৰাৱস্থাৰপৰাই আমি অহোপুৰুষাৰ্থ আগেয়েই কৰি আহিছিলো, তথাপি তাতে গাৰ বল নখটাই বুদ্ধি-কৌশলেৰে তাক ওফৰাবলৈ মই চিন্তালোচনাত ধৰিলোঁ। সেই অৰ্থে পোনেই মই ডিৰেক্টৰ মিঃ জে. উইলচন চাহাবলৈ সেই বিষয়ে এখন দীঘলীয়া পত্ৰ লিখিলোঁ ; তাৰ পাচত তেওঁৰপৰা উত্তৰ অহাৰ আগেয়েই ডেপুটী কমিচনাৰ মিঃ ডেভিচ চাহাবৰে সৈতে মৌখিক আলোচনা কৰিলোঁগৈ। অকল অসমীয়া ভাৰ্নেকুলাৰ কৰাৰ উপকাৰিতা আৰু ওপৰঞ্চি আন ভাৰ্নেকুলাৰ চলোৱাৰ অপকাৰিতা আৰু তজ্জনিত দুৰ্ঘোৰ অসুচলৰ বিষয়ে দুয়োজন চাহাবকে বিশদকৈ বুজাই লিখা আৰু কোৱা হ'ল। তাৰ ফলত ডিৰেক্টৰ আৰু ডেপুটিকমিচনাৰ দুয়ো একে সুৰেৰে মোৰ ফলীয়া হোৱাত মই অবাধে অসমীয়া ভাৰ্নেকুলাৰ চলাই দিলোঁ। দিলোঁ, কিন্তু তাৰ অৱশ্যম্ভাবী ফল স্বৰূপে তলে তলে মোৰ বিপক্ষ দল এটা মই অযাচিতে সৃষ্টি কৰি ললোঁ।

(খ) **কহিমা ইংৰাজী স্কুলত অসমীয়া ভাৰ্নেকুলাৰ**—তেতিয়ালৈকে কহিমা স্কুলখনে কোনো এটা নিৰ্ধাৰিত শ্ৰেণীৰ স্কুলৰ আৰ্হি লোৱা নাছিল ; ই বাহ্যিক ব্যৱস্থাত হাইস্কুল, আভ্যন্তৰিক অৱস্থাত মজলীয়া ইংৰাজী স্কুল আৰু স্বৰূপাৱস্থাত ইংৰাজী প্ৰাইমেৰী স্কুল

কেইওবিধৰে আহি বা গাঁচত উঠিছিল। মই গৈয়েই তাক মজলীয়া ইংৰাজী স্কুলৰ গঢ় লগাই ললোঁগৈ। স্কুলৰ ছাত্ৰবিলাকে বাৰেভঁজুৰা ভাষাৰে মনোভাব ব্যক্ত কৰিছিল ; সেই কাৰণে সিহঁতক অসমীয়া, বঙ্গালী, গৰ্খালী, হিন্দী, দেচোৱালী, নগা, মণিপুৰী এইবোৰৰ বাৰমিহলি এটা বিচিত্ৰ ভাষাৰ জৰিয়তে শিক্ষা দিব লগীয়া হৈছিল। সেই বিচিত্ৰতাই মোৰ চকুত বৰকৈ চমক লগালে। দেখিলোঁ, সেই শিক্ষা-প্ৰণালী ক্ৰমাৎ শিক্ষকসকলৰো অভ্যাসত ফলিয়াবলৈ ধৰিছে ; আৰু তাক সেইভাৱে এৰি দি থাকি বা শুধৰোৱাত পলম কৰি ডাঠ হবলৈ দিলে, পাচত সেই অভ্যাস শোধন কৰা টান হৈ উঠিবগৈ ; সেই ভাবি মই অনতিপলমে অসমীয়া ভাৰ্নেকুলাৰ দিয়াৰ বাব নিজে লৈ আন বিষয়বিলাক অন্যান্য শিক্ষকৰ মাজত উপযুক্ততানুসাৰে ভগাই দিলোঁ, যাইকৈ নগা ল'ৰাবিলাকক পাৰ্যমানে নিভাঁজ অসমীয়াৰে শিক্ষা দিবলৈ মই মনপাৰি লাগিলোঁ। ভৈয়ামৰ আটাইবোৰ স্কুলত তেতিয়ালৈকে অসমীয়া ভাৰ্নেকুলাৰ প্ৰচলিত হোৱা নাছিল। অসম উপত্যকা বিভাগৰ সৰহ ভাগ স্কুলত বিশেষকৈ টাউনৰ স্কুলবোৰত পূৰ্ণমাত্ৰাৰে বঙ্গলা ভাৰ্নেকুলাৰ চলিছিল। তেতিয়ালৈকে তাৰ বিৰুদ্ধে অহোপুৰুষাৰ্থ কৰিও মনোবাঞ্ছা সম্পূৰ্ণকৈ সিদ্ধি কৰিব নোৱাৰি মই মনে মনে সন্তাপ পাই আছিলোঁ ; এতিয়া নিজৰ এক্তিয়াৰত পোৱা স্কুলটিত মোৰ সেই বাঞ্ছা সুকলমে পূৰাবলৈ মই এটা ভাল ছেগ পালোঁ। সেই উদ্দেশ্যে কহিমা মজলীয়া ইংৰাজী স্কুলত তেনেই তলৰপৰা নিচেই ওপৰলৈকে আটাইকেইও শ্ৰেণীতে ইংৰাজী সাহিত্যত বাজে আটাইবোৰ বিষয়ক পাঠ্যপুথি অসমীয়া কৰিবলৈ ধৰি দেখো যে এটা বিষয়ত অসমীয়া পাঠ্যপুথি এখনো ওলোৱা নাই কাৰণে মোৰ সেই বাঞ্ছা সিদ্ধি কৰিবলৈ সম্পূৰণ সমলৰ অভাৱ ঘটিছে। সেই বিষয়টো আছিল ভূগোল বিদ্যা। তেতিয়ালৈকে অসমীয়া ভাষাত কেৰে ভূগোল বিষয়ক পুথি প্ৰচাৰ কৰা নাছিল। গতিকে সেই অভাৱে হেঁচি ধৰি মোক বাধ্য কৰি সেই বিষয়ক পুথি প্ৰণয়নৰ কাম অনতিপলমে হাতত লোৱালে। সেই অৰ্থে মই ইংৰাজী ভূগোল কিতাপৰপৰা নোট বা টোকা ধৰি এহাতে ছাত্ৰক ভূগোল বিষয়ক শিক্ষা দিওঁ, আনহাতে তাক বহলাই এখন অসমীয়া ভূগোল কিতাপ লিখোঁ। সেই অনুক্ৰমে মাহদিয়েকৰ মূৰত, মই "ভূগোল দৰ্পণ" নামেৰে এখন ভূগোল বিষয়ক অসমীয়া পাঠ্যপুথি যুগুত কৰি উলিয়াই বাছনিৰ নিমিত্তে "নগাঁও টেক্সট বুক কমিটি" লৈ পঠিয়ালোঁ। ভূগোল শিক্ষাৰ অসমীয়া পাঠ্যপুথি এইখনেই প্ৰথম। বৰ সন্তোষৰ কথা "ভূগোল দৰ্পণ" সোনকালে অসম উপত্যকাৰ স্কুল-পঢ়শালিৰ পাঠ্যপুথিৰূপে পুথি-বছা কমিটিয়ে মঞ্জুৰ কৰি পঠিয়ালে। ময়ো অনতিপলমে তাক কলিকতাত ছপা কৰাই আনি প্ৰচাৰ কৰিলোঁ। বৰ উলাহ লগা কথা যে আৰু অলপদিনৰ পাচতে, আৰু দুখন ভূগোল কিতাপ অসমীয়া ভাষাত ছপা হৈ ওলাল ; তাৰে এখন শ্ৰীযুত কণকলাল বৰুৱাৰ "ভূগোল শিক্ষা" আৰু এখন ৺পাণীন্দ্ৰনাথ গগৈৰ "অসমীয়া ল'ৰাৰ ভূগোল।" এই দুখনো "অসম টেক্সট বুক কমিটি"য়ে মঞ্জুৰ কৰাত দুয়োখন "ভূগোল দৰ্পণ"ৰ ওপৰঞ্চিকৈ ঠায়ে ঠায়ে অসমীয়া পঢ়াশালত প্ৰচলিত হল। তদুপৰি আৰু কিছুমান দিনৰ পাচত "ভূগোলসাৰ" নামেৰে ৺নৰেশ্বৰ শৰ্মা প্ৰণীত আৰু এখন ভূগোল বিষয়ক পাঠ্যপুথি

অসমীয়াত ওলাল আৰু পঢ়াশালিৰ পাঠ্যপুথিৰ তালিকাত সোমাল। সেই অনুক্রমে এয়ে সেয়ে মুঠ চাৰিখন অসমীয়া ভূগোল কিতাপ একেসময়তে একেবোৰ পঢ়াশালিতে অৰিয়া-অৰিকৈ চলিবলৈ ধৰিলে। দেখি বাস্তৱতে বৰ সন্তোষ লাগিল। মোৰ সন্তোষ আৰু এটা কথাত বিশেষ হল যে বাট লগাই দিলেই অসমীয়া সাহিত্যিকে আৰু আগলৈ উঠি অহা গ্রন্থকাৰে উলাহেৰে বাট লয়; আৰু প্ৰতিবন্ধকৰ ভেটা ভাঙ্গি দিলেই কেউফালৰপৰা অসমীয়া উৎসাহৰ সোঁত কল্‌কল্‌কৈ ববলৈ ধৰে। এই কথা অকল লিখা-পঢ়া বিষয়তে নহয়, অন্যান্য দেশহিতকৰ বিষয়তো তাৰ পটন্তৰ পাই মোৰ অন্তৰত আনন্দে নধৰা হৈছিল। তাৰ পাচত দহবছৰমানৰ ভিতৰত সেই চাৰিখন অসমীয়া ভূগোলৰ এখন এখনকৈ সৰি পৰি সদৌশেষত "ভূগোল দৰ্পণ" টিকি ৰৈছিলগৈ। পিছে চৰ্কাৰ ইচ্ছাময়ৰ ইচ্ছাত যেনে-তেনে-প্ৰকাৰে সেই বিষয়ক স্কুল পাঠ্যপুথিৰ কাৰবাৰ চৰকাৰী চাকৰিয়াৰ নিমিত্তে "একচেতীয়া" হৈ পৰিল। আগৰ সেই চাৰিখনৰ এতিয়া অস্তিত্ব আছে কিন্তু চলন্তি নাই; ৰক্ষকেই ভক্ষক হিচাপে শিক্ষা বিভাগৰ গুৰিয়াল কৰ্মচাৰী সেই বিষয়ক ব্যৱসায় গৰাহ মাৰি মোৰ বুলিলে।

(গ) **'নীতি শিক্ষা' প্ৰণয়ন**—ভূগোল বিদ্যাবিষয়ক স্কুলীয়া পাঠ্যপুথিৰ অভাৱ পূৰণতে অসমীয়া স্কুলত আন সকলো বিষয়ক অসমীয়া পাঠ্যপুথিৰ অভাৱ মোৰ মনোমতকৈ পূৰ হোৱা নাছিল। মোৰ স্কুলৰ কেইও শ্ৰেণীতে ৰকম মিলাই চলাবলৈ অসমীয়া সাহিত্য বিষয়ক পাঠ্য-পুথিৰ অভাৱ মই বৰকৈ অনুভৱ কৰিলোঁ। বিশেষ ইংৰাজী আৰু বঙ্গলা সাহিত্যত ওলোৱা নীতি বিষয়ক আৰু ক্ৰম শিক্ষামূলক এলানি বা এটা 'চিৰিজ' অসমীয়া সাহিত্য পুথি নথকাটো চাই থাকিবলৈ মই বৰ টান পালোঁ; আৰু সেই নতুন অভাৱ পূৰাবলৈ মোৰ মনত আকৌ এটা ধাউতি সোমাল। সেই আপাহতে আৰু সেই ছেগতে মোৰ সম্পাদিত আৰু প্ৰচাৰিত "সাহিত্য সংগ্ৰহ"ৰ নাম্‌নাচ্‌কৈ অসমীয়া ভাষাত "নীতিশিক্ষা" তিনিছোৱাৰে সৈতে অসমীয়া পঢ়াশলীয়া সাহিত্য পুথিৰ লানি বা চিৰিজ এটা লিখি উলিয়াবলৈ মই মনতে সংকল্প কৰিলোঁ। কিন্তু মনৰ সংকল্প মনতে লুকাই নাথাকিল; কিয়নো সৰুৰেপৰা মোৰ এই এটা দস্তৰ আছিল যে, মই যেতিয়াই যি কৰিবলৈ মনস্থ কৰোঁ তেতিয়াই তাক আগধৰি জনসাধাৰণক জানিবলৈ দি লওঁ, মোৰ সংকল্প মনতে পোহনীয়া হৈ নোদোকা হবলৈ মই নিদিওঁ। আৰু আনপাকে মোৰ মনৰ সংকল্প বাজ কৰি ৰাইজক জানিবলৈ দিয়াৰ আন এটা অভিপ্ৰায় এই যে তাৰ দ্বাৰাই সেই সংকল্প কাৰ্যত পৰিণত কৰাটো অপৰিহাৰ্য কৰাৰ মানসেৰে মই নিজকে নিজে কান্ধত পেলাই লওঁ। ফলিতাৰ্থত লিখিম বুলিয়েই "নীতিশিক্ষা" এলানি লিখিবলৈ বুলি মই হাতত কাপ ললোঁ। তাৰ নিমিত্তে মই তাহানিতে ছাত্ৰবৃত্তি মজলীয়া পঢ়াশালিত পঢ়া পাঠ্যপুথি ৺যদুনাথ চট্টোপাধ্যায়ৰ "পদ্যপাঠ" ১ম, ২য়, আৰু ৩য় ভাগ; ৺অক্ষয়কুমাৰ দত্তৰ "চাৰুপাঠ" ১ম, ২য় আৰু ৩য় ভাগ; আৰু হাইস্কুলত পঢ়া ৺চাম্বাৰ্চ "মৰাল ক্লাচবুক", স্মাইলচৰ "ডিউতি" (duty) আৰু "কেৰেক্টাৰ" (character) এইবোৰ পুথি আৰ্হিস্বৰূপে মোৰ আগত ললোঁ। সেই উদ্যমৰ ফলস্বৰূপ মোৰ কহিমা প্ৰবাসৰ দ্বিতীয় বছৰৰ মাজ ভাগত, "নীতিশিক্ষা"ৰ আদিছোৱা প্ৰণীত, প্ৰচাৰিত

আৰু টেক্সটবুক কমিটিৰ দ্বাৰাই মনোনীত হৈ অসম উপত্যকাৰ স্কুলসমূহৰ পাঠ্যপুথিৰ তালিকাভুক্ত হয়; সেই একে উলাহতে "নীতি শিক্ষাৰ" বাকী দোছোৱাৰ লিখাও খৰতৰ গতিৰে চলিব ধৰিলে। এই বিষয়ে প্ৰয়োজন অনুসৰি যথাঠাইত ছেগ বুজি আকৌ সুমৰি চোৱা যাব।

(ঘ) **'কহিমা অ, ভা, উ, সা, সভা, প্ৰতিষ্ঠা**—মোৰ স্কুলখন গঢ় লগাই লৈ তাত নিয়াৰিকৈ অসমীয়া সাহিত্য শিক্ষাৰ যুগুত ব্যৱস্থা কৰি উঠি বাহিৰত জাতীয় জনসাধাৰণৰ মাজত অসমীয়া জাতীয় সাহিত্য চৰ্চা সুগম কৰাৰ হাবিয়াসেৰে মোৰ কলিকতীয়া কালৰ অভিৰুচি খটাই 'কহিমা অ, ভা, উ, সা, সভা' নামেৰে অসমীয়া সাহিত্যৰ আলোচনা সভা এখন মই যথাসময়ত প্ৰতিষ্ঠা কৰিলোঁ। সেই সভাৰ নিগাজী সভাপতিৰ বাব ৰায় যাদৱ চন্দ্ৰ বৰুৱা বাহাদুৰত অৰ্পণ কৰি মই নিজে সম্পাদকৰ বিষয়-বাব কান পাতি ললোঁ। মাহচাৰেকৰ ভিতৰতে সেই সভাখনি এনেভাৱে কাৰ্যকৰী হৈ উঠিল যে বিজনিত ইয়াক ভৈয়ামৰ সভাবিলাকতকৈয়ো মই টনকিয়াল দেখি মোৰ অন্তৰত উলাহ উপচি পৰিল। সেই উলাহতে উতলি মই সভাখনিৰ সৰ্বতোভাৱে উন্নতি সাধিবলৈ বুলি উফৰি ফুৰিছিলোঁ। অৰ্থাৎ, পুৱা গধূলি সদায় আৰু দেওবৰীয়া আজৰি দিনত কহিমা প্ৰবাসী অসমীয়াকেঘৰৰ ঘৰে ঘৰে ফুৰি, মৌখিক আৰু লিখিত পটন্তৰেৰে উদ্গনি দি মই সিবিলাকৰ আন্তৰিক আগ্ৰহ আহ্বান কৰি ফুৰিছিলোঁ। "অসমীয়া ভাষা বঙ্গলাৰ অপভ্ৰংশ" এই জাতমৰা অপবাদটো নিৰ্মূলকৈ নখওালে অসমীয়াৰ জাতীয়ত্ব যে অনতিপলমে লোপ পাব এই বিষয়ক বুজনি বক্তৃতা মই আমাৰ এই অ, ভা, উ, সা, সভাৰ প্ৰতি বৈঠকতে তন্ময় চিতেৰে দিবলৈ ধৰিলোঁ; আৰু মাজে-সময়ে সেই বিষয়ক একোখন ৰচনাও পাঠ কৰোঁ। বৰ সন্তোষৰ কথা যে মোৰ সেই যত্নৰ মই আশাতীত ফল লাভ কৰিলোঁ, মোৰ সহযোগী অসমীয়া সকলোটিয়ে একেমুঠীয়া হৈ আমাৰ জাতীয় সাহিত্যৰ উন্নতিৰ চৰ্চাত দেহে-কেহে যোগ দিবলৈ ধৰিলে। চমুকৈ একে-আষাৰে কবলৈ গলে এই বিষয়ত সিবিলাকৰ আন্তৰিক ৰাপ্ সদোশেহত ৰাগিত পৰিণত হ'লগৈ। সেই জাতযোৱা 'অপভ্ৰংশ' অপবাদটো খণ্ডাবলৈ অ, ভা, উ, সা, সভাৰ সমজুৱাসকলৰ যেয়ে য'তে ছেগ পায় সেয়ে ত'তে সেই ছেগতে তৰ্কযুদ্ধ পতাত অভ্যস্ত হৈ উঠিল; ফলিতাৰ্থত মই আমাৰ সেই বিষয়ক কলিকতীয়া ৰণখন নগা-পৰ্বতলৈ তুলি নি তাৰ 'খনমা-ৰণ'ৰ পুনৰাবৃত্তি কৰিলোঁগৈ যেন লাগিল। গতিকে তাৰ অৱশ্যম্ভাবী ফলোদয়স্বৰূপ অসমীয়া বঙ্গালীৰ মাজত ঘমঘণ্ট এখন বাজি উঠিল। আনহাতে তাৰ দ্বাৰাই মই ভলে ভলে মোৰ বিপক্ষ বা শত্ৰুপক্ষীয় দলটো শকত কৰি তুলিলো। সেই অসম প্ৰবাসী বঙ্গালী ভায়া-সকলে দেখাই আৰু লুকাই মোৰ অহিতে আগবঢ়া মই জানিব পাৰিলোঁ। জানি ময়ো আত্মৰক্ষাৰ আয়োজনেৰে অগ্ৰসৰ হলোঁ। যাতো সেই সময়ত মোৰ ফালে বৃহস্পতি পোন হোৱাৰ দৰে সাহিত্যানুৰাগী মিঃ ডেভিচ্ চাহাব নগাহিলৰ ডেপুটি কমিচনাৰ আৰু মোৰ সৰল হিতাশী মিঃ জে. উইলচন চাহাব অসম শিক্ষা-বিভাগৰ ডিৰেক্টৰ আছিল দেখিহে; নহলে সেইখন ৰণত ঠাৱৰিবলৈ মোলৈ টান পৰিলগৈহেঁতেন। কিয়নো সৰহীয়াৰ মাজত

ছাঁতে ৰাগি দি সৰকিব পাৰিলেও তাকৰীয়াৰ মাজত গা নেদেখাকৈ সাৰিবলৈ টান। গতিকে পাচলৈ আত্মৰক্ষাৰ গুপুত উদ্দেশ্যে মই সাম্যভাব ধৰাটো মোৰ পক্ষে বাঞ্ছনীয় বোধ কৰিলোঁ; আৰু সেই অৰ্থে যাতে "সাপো মৰে লাঠিও নাভাগে" এই বুদ্ধি কৌশলেৰে শত্ৰুক জিনিবলৈ মই চিন্তালোচনাত ধৰিলোঁ।

**কহিমা সাহিত্য সভা**—এনেতে এজন বিচক্ষণীয়া দেচোৱালী ব্ৰাহ্মণ কথক পণ্ডিত মণিপুৰেদি ঘূৰি আহি কহিমাত উপস্থিত হল। তেওঁ আহি পোনতে মাৰোৱাৰী সমাজৰ গাত গঢ়িলা ললে। সেই সমাজৰ জৰিয়তে গোটেই টাউনতে জনাজাত হল যে পণ্ডিতজন এজন সুকথক। তেওঁৰ কথকতা সমজুৱাকৈ শুনিবৰ কাৰণে এটা সুদিহা কৰিবলৈ বুলি 'যাদুচাহা'ৰ (ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা চাহাব) ওচৰত খাটনি পৰিলহি, তেখেতে ঠাইতে সেই খাটনিৰ কাৰ্যভাৰ মোৰ গালৈ ঠেলি থলে। মই অসমীয়া, বঙ্গালী, মাৰোৱাৰী, দেচোৱালী, গৰ্খালী, মণিপুৰী এই কেইবিধ প্ৰবসুৱা সমাজৰ মুখিয়াল লোকসকলৰ লগত কথাবাৰ্তা পাতি লৈ সুচলকৈ এঠাইত এসপ্তাহমান সেই কথকৰ কথকতা শুনাৰ যুগুত দিহা লগালোঁ। প্ৰথমতে কথকতাৰ আসন ৰায়বাহাদুৰৰ টোলতে পাতিবলৈ প্ৰস্তাৱ উঠিছিল; কিন্তু মোৰ একেৰি গুপ্ত উদ্দেশ্য সিদ্ধিৰ অৰ্থে মই কৌশল লগাই সেই আসন অসমীয়া সমাজৰ কেন্দ্ৰত নাপাতি বঙ্গালী সমাজৰ মাজত পতালোঁ। গৱৰ্ণমেণ্টৰ কাপ্তানী (P.W.D.) অফিচৰ পূৰ্ণবাবুৰ ঘৰত তাচ-পাশা খেলৰ আড্ডাত যথা আড়ম্বৰেৰে সৈতে কথকতা আৰম্ভ হল। কথকজন বাস্তৱতে এজন সুপণ্ডিত। তেওঁ পোনেই শ্ৰীকৃষ্ণ আস্তলীলাৰ ব্যাখ্যা মেলোতেই তেওঁৰ কথকতাৰ আকৰ্ষণে টাউনৰ সকলো বিভাগীয় হিন্দু সমাজৰ সমজুৱাক চপাই আনি ঘৰ নধৰা কৰিলে। সেই উৎসাহত একেৰাহে পূৰা এসপ্তাহ সেই কথক পণ্ডিতে ভাগৱতৰ ঘাই ঘাই কেইবাটাও আধ্যাৰ ৰসাল ব্যাখ্যাৰে সৈতে শ্ৰোতাবৃন্দক মোহিত কৰিলে। মোৰ এই কটুৰ অন্তৰতো সেই কথকতাই ভগবান শ্ৰীকৃষ্ণদেৱৰ অমৰ চৰিত্ৰৰ অঙ্কুৰ এটি পচাই দুপতীয়া কৰিলে। সদৌশেহত সাদিনৰ অন্তত অৰিহণা দি পণ্ডিতদেৱক বিদায়সম্ভাষণ জনাবলৈ স্থিৰ হয়; আৰু সেই উপলক্ষীয় সম্ভাষণ বক্তৃতা দিয়াৰ ভাৰ মোৰ মূৰত পৰে। মই সেই ছেগতে মোৰ গুপ্ত সিদ্ধিৰ অৰ্থে এটি উত্তম উপায় লাভ কৰিলোঁ। সেইদিনা ভিতৰত মানুহ নধৰা হোৱাত ঠাইতে কেণ্টনমেণ্টৰ ৰিজাৰ্ভ বা আছুটীয়া চৰ্কাৰী চাপৰিলৈ (cantonment field) ওলাই সকলোটি ঘাঁহনি মুকলি মজিয়াত বহি সভাখন পাতিলোঁহঁক। সেই জনমণ্ডলীক সম্বোধন কৰি মই সাৰ্বজনিক ভাবৰ দীঘলীয়া বক্তৃতা দিওঁ; সেই বক্তৃতাৰ মাজে মাজে ছেগ বুজি গমক দি মই চমুচমুকৈ আৰু উজুউজুকৈ সদৌ ভাৰতীয় ভাষাৱলীৰ উৎপত্তি, স্থিতি, বিস্তৃতি আৰু পৰম্পৰৰ ভিতৰত সাহিত্যিক সম্বন্ধ বিচাৰৰ ব্যাখ্যাৰে সৈতে মোৰ বক্তৃতাটো অলপ ৰকমলগা কৰি তুলিব পাৰিছিলোঁ; কিয়নো মূলত তাৰ সৰল সাম্যভাবৰ ঐশ্বৰিক বলে বল দিছিল। সচাঁকৈ কবলৈ গলে, সেইদিনাৰ দৰে তন্ময় হৈ মই বক্তৃতা দিয়াৰ উদাহৰণ মোৰ সোঁৱৰণীত অতি বিৰল। যি হওক "মধুৰেন সমাপয়েৎ" কৰি সন্ধিয়াপৰত সকলোটি ঘৰাঘাৰ হলোঁহঁক। পিচে পিচদিনা পুৱাতে গৈ

সেইকালৰ কহিমাপ্ৰবাসী বঙ্গীয় সমাজৰ সমাজপতি, গৱকাপ্তানী অফিচৰ একাউণ্টেন্ট ৺নবীনচন্দ্ৰ ভট্টাচাৰ্য্য মহাশয় মোৰ বহাত উপস্থিত। এওঁৱেই সেইসময়ৰ কহিমাপ্ৰবাসী বঙ্গালী সমাজৰ ঘাই নেতা। তেওঁ হঠাৎ গৈ উপস্থিত হোৱাৰ গুপ্ত কাৰণ মোৰ মনত যি গাজিছিল, তাক মনতে গুপুতকৈ থৈ তেওঁৰ মুখে বেকত কৰাবৰ অভিপ্ৰায়ে মই সাৱধানে আৰু সুকৌশলেৰে কথাবাৰ্তা পাতিবলৈ ধৰিলোঁ। সদৌশেহত সচাঁকৈয়ে তেওঁৰ মুখেই ওলাই পৰিল যে সাৰ্বজনিক ভাৰতীয় সাহিত্যৰ চৰ্চালোচনাৰ অৰ্থেও আমাৰ অ, ভা, উ, সা, সভাখনিৰ নিচিনা এখন সভা কহিমাত প্ৰতিষ্ঠিত হোৱা বাঞ্ছনীয়। মোৰ মনোভাব আৰু আন্তৰিক অভিপ্ৰায় সেইভাৱে অযাচিতে ওলাই পৰাত মোৰ অন্তৰত উলাহে নধৰা হল। তাৰ পাচত দুয়ো একেমত হৈ সেই অৰ্থে এখন সৰ্বসাধাৰণীয়া সাহিত্য সভা প্ৰতিষ্ঠা কৰাৰ উপায় উদ্ভাৱন কৰিবলৈ বুলি চিন্তালোচনাত ধৰিলোঁহঁক। শেহান্তত এই সিদ্ধান্ত হল যে আমি দুয়ো ঘৰে ঘৰে ফুৰি কহিমাপ্ৰবাসী সদৌ সাম্প্ৰদায়িক লোকৰ অভিমত লৈ এদিন দেওবাৰে 'যাদুচাহা'ৰ টোলত এখন সাৰ্বজনিক মেল চপাব লাগে—সেয়ে হল। সেই মেলত নবীনবাবু আৰু মই দুয়ো ক্ৰমে বঙ্গালী আৰু অসমীয়াত দুটা গা তোলা বক্তৃতা দিলোঁহঁক। ফলিতাৰ্থত এই হলগৈ যে যিমান সোনকালে পৰা যায় কহিমা টাউনত 'কহিমা সাহিত্য সভা' নামেৰে এখন সাৰ্বজনিক সাহিত্য সভা প্ৰতিষ্ঠিত হব লাগে। তদৰ্থে তেতিয়াই উপস্থিত জনমণ্ডলীৰ প্ৰতিশ্ৰুতিৰে সৈতে ১৫০০্ ডেৰহাজাৰ টকাৰ বৰঙণি চহীত উঠিল। তাকে আগত লৈ, তাৰ লগতে আৰু ডেৰহাজাৰমান টকাৰ বৰঙণি তুলি, তাৰে দুহেজাৰমান টকা ভাঙ্গি এটা সাহিত্য সভাঘৰ সজাবলৈ আৰু সভ্যহতে এহেজাৰমান টকা মূল্যৰ নানা ভাষাত লিখিত হৰেক বিধৰ কিতাপ-পুথি সংগ্ৰহ কৰি এটি চহকী পুথি-ভঁৰাল (library) পাতিবলৈ স্থিৰ হল। মোৰ প্ৰস্তাব আৰু সৰ্বসন্মতিক্ৰমে সেই সাহিত্যানুৰাগী ৺নবীনচন্দ্ৰ ভট্টাচাৰ্য মহাশয়ক সেই সাহিত্য-সভাৰ সভাপতি আৰু উপস্থিত সমজুৱাৰ সন্মিলিত উমৈহতীয়া প্ৰস্তাৱমতে মোক সম্পাদক আৰু পুথি-ভৰাঁলী বা লাইব্ৰেৰীয়ান মনোনীত কৰা হয়। তাৰ পাচত যথাসময়ৰ ভিতৰত কেণ্টনমেন্ট ফিল্ডৰ পছিমে আলিৰ কাষত এটি আহল-বহলকৈ 'সাহিত্য-মন্দিৰ' সজাই লৈ, আদি সভাৰ সিদ্ধান্ত অনুসৰি পুথিভঁৰাল বৰ টনকিয়াল হৈ উঠে। সেই চলতে মই 'কহিমা অ, ভা, উ, সা, সভা, আৰু 'কহিমা সাহিত্য সভা' দুয়োখন সভাৰ সম্পাদকৰ বিষয়বাব ববলৈ পাই, অসমীয়া আৰু বঙ্গালী এই ঘাই আৰু কোবাল সমাজ-দ্বয়ক একেগছি সাহিত্য-সূত্ৰেৰে বান্ধি সাহিত্য চৰ্চাত একেটা কৰি, মই কৃষ্ণদেৱৰ কৃপাত সেই মেলথাই অহা শত্ৰুমুখ সিমানতে জাপ খুৱাই থলোঁ। সি আজি আঢ়েকুৰি বছৰৰ অৰ্ধ-শতাব্দীৰ আগৰ কথা। তাৰপাচত তাৰ অস্তিত্ব আছিলনে নাই, কিম্বা আছিল যদি কি অৱস্থাত আছিল মই ভালেমান বছৰ তাৰ সন্তেদ পোৱা নাছিলোঁ; পিচে ৪৯২ শঙ্কৰাব্দৰ ১৭ মাঘ ( খ্ৰীঃ ১৯৪০-৪১ চন ) বৃহস্পতিবাৰে গুৱাহাটী 'এ, এচ, ক্লাব'ৰ ( Assamese Student's Literary Club ) সৌজন্যত মোৰ সাহিত্যিক জীৱন সুমৰণ উপলক্ষে অনুষ্ঠিত 'সোণালী পদ্ম জয়ন্তী' উৎসৱৰ দিনা (পাচেকৈ যথাঠাইত ইয়াৰ বহল বিবৃতি দিয়া হব) শ্ৰীমান

মাধৱ বেজবৰুৱাদেৱৰ সৈতে হঠাৎ উৰি আহি পৰাদি উপস্থিত হৈ, দুয়ো এই ক্ষুদ্ৰ জীৱনৰ ওজগ লৈ দুটি ওজস্বিনী বক্তৃতা দিয়াৰ আলমত, কহিমানিবাসী শ্ৰীমান হৰিপ্ৰসাদ গোৰ্খা ৰায় নামেৰে ডেকাদেৱৰ মুখে শুনিলোঁ বোলে, মোৰ সামান্য উদ্যমৰ ফল সেই 'কহিমা সাহিত্য সভা'খনি অদ্যাপি টনকিয়ালভাৱে জীয়াই আছে; আৰু সভাৰ প্ৰতি বৈঠকতে মোৰ নামে শলাগনি আশীৰ্বাদ এজোলোকা দিয়া হয়। শুনি, পুলকিত হলো; আৰু হৰিষত উতলি মোৰ অপাঙ্গত বিন্দু বিন্দু আনন্দাশ্ৰু বিৰিঙ্গি উঠিল। কিন্তু পৰিতাপৰ বিষয়, সেই সাৰ্বজনিক সাহিত্যসভাখনিৰ অলপ আগতীয়াকৈ পতা মোৰ আশাশুধীয়া যত্নৰ ফল, আমাৰ সাম্প্ৰদায়িক অনুষ্ঠান, 'কহিমা অ, ভা, উ, সা, সভা'খনিৰ অস্তিত্ব মই কহিমা এৰি অহাৰপৰা বছৰদহেকৰ পাচতে লোপ পালে—এতিয়া তাৰ চিন-মোকাম নোহোৱা হল। ইয়াৰ ঘাই কাৰণ, সেই সাময়িক কহিমাপ্ৰবাসী তাকৰীয়া অসমীয়া কেইঘৰৰ আৰ্থিক বলেৰে অ, ভা, উ, সা, সভাৰ নামে স্থকীয়াকৈ সাহিত্য মন্দিৰ এটি চিৰস্থায়ীকৈ প্ৰতিষ্ঠা কৰি থৈ আহিবলৈ মোৰ সামৰ্থ্য নহল।*

## কহিমা স্কুলঘৰ

ৰামেশ্বৰ বাবুয়ে চাৰ্জ দি যাওঁতে মোক যেনেটিহে বাটৰুৱাৰ জিৰণি পঁজাত বহুৱাই থৈ গৈছিল তাৰ স্বৰূপ বৰ্ণনা সুমৰি চালে হাঁহিও উঠে, বেজাৰো লাগে। পঁজাটো দীঘে দহহাত, পথালিয়ে আঁঠহাত আৰু ওখই মাটিৰ পৰা টুপলৈ সাতহাতমান হব; সেয়ে যেনিবা চৌচলীয়া বঙ্গলা ঘৰৰ আৰ্হিৰ। ওপৰৰ টিন পাটৰ চাল কেইথন সঁচাসঁচি টিন বঙ্গলা সাজোতে ওপৰঞ্চি কটা-ছিঙ্গা পেলনি যোৱা টিনৰ টুকুৰাৰে সৈতে তাপলি মৰা। বৰষুণ দিলে তাৰ যোৰাবোৰেদি উৰুখনি পৰে। সেই বঙ্গলুৱা পঁজাটো দুটা খোটালিত বিভক্ত, এটা হেডমাষ্টৰৰ আনটো চেকেণ্ডমাষ্টৰৰ; নগা পণ্ডিতজনে পঢ়াবলগীয়া হলে বাহিৰলৈ উলিয়াই নি সমুখৰ ঘাঁহনি চোতালত বহুৱাই পঢ়ায়, বৰষুণ দিলে আটাইটি ভিতৰ সোমাই টেপাটেপিকৈ থুপথাই থিয়দি ৰয়হি। সেই ঘৰতে সেইভাৱেই মাহদিয়েক কটাইছোঁ, এনেতে এদিন ভৰদুপৰত অতিপাতকৈ চামে চামে শিল বৰষুণ পৰিবলৈ ধৰিলে। নেৰানেপেৰাকৈ ডেৰঘন্টামান শিল পৰিয়েই আছিল। সেই ডেৰঘন্টাৰ প্ৰতি মিনিটটোৱেই আমাৰ মনত নাযায়-নুপুৱায় যেন লাগিল, আৰু প্ৰতি মুহূৰ্ততে ঘৰ পৰি আমাক তাতে চেপেটা লগাই মাৰে যেন দেখিছিলোঁ। কুকুৰাচৰায়ে আপদত পাখিমেলি পোৱালিবোৰ আৱৰি ধৰাৰ দৰে, ছাত্ৰবৃন্দক মাজত লৈ আমি শিক্ষক তিনিজনে তিনিও তিনিখন দুৱাৰমুখত সতৰ্ক হৈ থিয়দি আপদৰ ক্ষণ গণিবলৈ ধৰিলোঁ। মোৰ সমুখত কিন্তু আৰু এটা সমদুখৰ দৃশ্য পৰিল, শিলাবৰষুণত আশ্ৰয় বিচাৰি ঢপলিয়াই আহি পোৱালি এটিৰে সৈতে ঘুঁৰী এজনীয়ে আমাৰ জুপুৰীটোৰ আগত থিয়দি ৰলহি। বানে-বানে পৰা পানী-শিলৰ খুন্দাত জন্তুহালিয়ে তৰণি পোৱা নাই, তথাপি সেই অৱস্থাতে আমাৰ ফালে মুখ কৰি মনে মনে আমাতে গঢ়িলা লৈ আছে! ইফালে আমাৰো এনে দুৰ্দশা যে, সেই

* আৱাহন, আহাৰ, ১৮৫৪, ৩ বছৰ, ৯ সংখ্যা।

আতুৰ অন্তহালিক থিব হবলৈ দিবলৈকো ঠাই একণ নাই! চাই চাই মোৰ প্ৰাণে কান্দিবলৈ ধৰিলে। সিহঁতক সহায় কৰিবলৈ আমাৰ উপায় নাই। বাস্তৱতে, মই সেই নিৰাশ্ৰয় প্ৰাণী দুটিক সেই আপদত একেৰিমানো উপকাৰ কৰিব নোৱাৰি সন্তাপত তল গ'লোঁ। কিন্তু সিহঁতৰপৰা হলে মই বিশেষ উপকৃত হৈছিলোঁ, অৰ্থাৎ সেই আপদৰ ক্ষণত সিহঁতৰ দুৰ্গতি অনুভৱ কৰি অভিভূত হোৱাৰ ফলত, মই সেইক্ষণত নিজৰ আপদ অনুভৱ কৰিবলৈ পাহৰি গৈছিলোঁ। সি যি হক, কোনো সাংঘাতিক দুৰ্ঘটনা নঘটাকৈ সেই যুগ যেন ক্ষণটো পাৰ হৈ গ'ল। তাৰ পাচত ভিতৰৰপৰা ভুমুকিয়াই চাওঁ যে গোটেই কেন্টনমেণ্ট চাপৰিটো গোটেই টাউনেৰে সৈতে একেলগে যেন সুবিমল ঢোটোৱা কপাহী কাপোৰে আবৰি ধৰিছে! পিচে চাই থাকোঁতেই সেই সুকোমল সুখদৃশ্য চকুতে পমি গ'ল। ইফালে ময়ো ছেগ বুজি স্কুল ছুটী দি লৈ গড়ৰ মধ্যস্থিত কাছাৰি ঘৰলৈ বাজে বাজে গৈ, ডেপুটি কমিচনাৰক সাক্ষাৎ কৰি সেই সাংঘাতিক আপদসূচক ভয়াবহ দুৰ্ঘটনাৰ আন্তো-পান্ত তেওঁৰ আগত বিবৰি কৈ উঠি, একে চিপতে মোৰ খাটাং মত এই বুলি কৈ পেলালোঁ, "আহল-বহল সুবিধাজনক ঘৰ এটা নাপাওঁ মানে মই স্কুল আৰু পাতিব নোৱাৰোঁ।" ডেপুটি কমিচনাৰ মিঃ ডেভিচ্ চাহাবে মোৰ কথাৰ মৰ্ম বুজি উঠি, মোক এই বুলি সমিধান দিলে, "বাৰু যাওক, আপুনিও বিচাৰি চাওকগৈ, ময়ো বিচাৰোঁ; কেৰেয়াকৈ হলেও এটা উপযুক্ত ঘৰ নোপোৱালৈকে স্কুল বন্ধ ৰখাটো ময়ো বাঞ্ছনীয় বোধ কৰোঁ। এই বিষয়ে মই আজিয়েই গৱৰ্ণমেন্টলৈ লিখিম। ইচ্ছা কৰিলে আপুনিও লিখিব পাৰে।" তাৰে ফলস্বৰূপে এটা আহল-বহল সুবিধাজনক ঘৰ মাহে ২৫ টকাকৈ কেৰেয়ালৈ বন্দবস্ত কৰি লৈ, এসপ্তাহমান বন্ধ ৰখাৰ পাচত, মই স্কুলখন নতুন ঘৰত নতুনকৈ পতাদি পাতিলোঁগৈ। তাৰ পাচত ডিৰেক্টৰ মিঃ জে, উইলচন চাহাবৰে সৈতে বিস্তৰ লিখালিখি কৰি কেণ্টনমেণ্টৰ ওখ চাপৰি-টোৰ পূবে তাৰ নামনিত গৱৰ্ণমেণ্টৰ খৰচত এটা ওখ ডাঙৰ পাটবঙ্গলুৱা স্কুলঘৰ সজাই লৈ সৰ্বাঙ্গীন পৰিপাটিকৈ স্কুলখন চলাবলৈ ধৰিলোঁ। দেখি টাউনবাসীয়ে মোৰ শলাগ ললে। এতিয়া সেই স্কুল-বঙ্গলা আগতকৈ আহল-বহল হৈ তাতে সেইভাৱেই আছে বুলি "পদ্ম-জয়ন্তী" উৎসৱত বক্তৃতা দিওঁতে ওপৰত নাম কৈ অহা সেই শ্ৰীমান হৰিপ্ৰসাদ গোৰ্খাৰায় ডেকাদেৱৰ মুখে শুনিবলৈ পালোঁ।—সেই স্কুলঘৰৰ মূল ভেটি মই চোঙ্গোৱা আজি অৰ্দ্ধ-শতাব্দীৰ আগৰ কথা।

## নগা-গেনা

গেনা মানে পৰ্ব। উৎসৱাদিকো 'গেনা' বোলে। নগা-গেনা হৰেক ৰকমৰ। তাৰ ভিতৰত ভৈয়ামৰ অসমীয়া বিহুৰ আহিৰে তিনিটা ডাঙৰ গেনাৰ কথা উল্লেখযোগ্য। (১) প্ৰথমটো ভূঁই বা খেতিৰ মাটি চহাবৰ আগতে, চুৰ-চুৰীয়াকৈ আৰু খেলবন্ধীয়াকৈ পতা হয়; ভোজভাতত বাজে ভাত বাহিৰা আড়ম্বৰ বিশেষ নাই। (২) দ্বিতীয়টো খেতি-বাতি হৈ উঠাৰ পাচত; ইখেলৰপৰা সিখেললৈ, ইটো টিলাৰপৰা সিটো টিলালৈ, ইটো পাহাড়ৰ

পৰা সিটো পাহাড়লৈ শোভাযাত্ৰাৰে সৈতে বৰ ধুম-ধামকৈ পতা হয়। সেই যাত্ৰাৰ কালত আহল-বহল মুকলি ঠাই বুজি ঠায়ে ঠায়ে জুম বান্ধি নগা ৰণৰ ধেমালি যুঁজ (sham fight) আৰু নগা ব্যায়ামৰ বিবিধ চকুত চমক লগোৱা খেল দেখুৱা হয়। এবাৰ খনমা টিলাৰপৰা যাত্ৰা কৰা শোভা-যাত্ৰী এদলে (অনুমানত ডুহেজাৰমান) কেণ্টনমেণ্ট চাপৰি পাৰ হৈ যাওঁতে তাত গোটাদিয়েক বিস্ময় লগোৱা ব্যায়াম ক্ৰীড়া দেখুৱাইছিল; তাৰে এটা বৰ বলী তেজীয়ান থুলন্তৰ ল-নি ডেকা নগাই ৰঙা চুলি লগোৱা নালেৰে চকচকীয়া হাতযাঠী এপাট হাতৰ লাচতে ওপৰলৈ মাৰি পঠিয়াই—যাঠীপাট তীৰকঁপে তললৈ নামি আহোঁতে লফিয়াই জপিয়াই কিৰিলি মাৰি মুখ মেলি উঠি তাৰ তীৰ যেন আগটোত আগদাঁতেৰে কামোৰ মাৰি ধৰি তাক ওপৰতে ঠৰে ঠৰে ৰাখিছিল! সেই বিস্ময়জনক সোঁৱৰণীয়ে আজিও মোৰ বুকু চমক খুৱাই তোলে! নগা ৰণৰ আৰ্হিযুদ্ধ বা ধেমালি-যুঁজৰ গতি-গোত্ৰত বিশেষত্ব আছে। বিশেষকৈ সেই উদ্দেশ্যে ধৰা গতি-গমন (marching) শলাগিব লগীয়া। বৃটিচৰ বেণ্ড, কিম্বা ভৈয়ামৰ সভ্যজাতিৰ তাল-মান বন্ধা ৰণবাদ্য সিহঁতৰ নাই; কিন্তু মুখেৰে কৌকা-কুটাই উচ্চাৰণ কৰা লয় লগোৱা এটা ধাৰাবাহিক মৌখিক বাদনে সভ্যজাতিৰ উন্নত ৰণবাদ্যকো চেৰ পেলায়। এই বাদনৰ চেৰে চেৰে পাৰ পেলাই সমানে সমতালে গমন কৰি নগাহঁতে ৰণযাত্ৰা কৰে। এই বাদন নগাহঁতে ৰণত বাজেও বিবিধ সাংসাৰিক কামত লগায়; ভূঁই ৰোৱা, ভূঁই চপোৱা, বাটকুৰি বোৱা আদি গাত শ্ৰম লগা কামতো ভাগৰ পাতলাবলৈ নগাহঁতে এই বাদন ব্যৱহাৰ কৰে। (৩) তৃতীয়টো আটাইতকৈ নগাহঁতৰ ধাই গেনা। ভূঁই চপোৱাৰ পাচত ন-ধানৰ চাউল পোন-প্ৰথমে ব্যৱহাৰ কৰাৰ আপাহত এই গেনা পতা হয়। ইয়াক ভৈয়ামৰ অসমীয়া খেতিয়ক মানুহৰ "ন-খোৱা" ভোজভাতৰ লগত ৰিজাব পাৰি। বিভিন্ন ইমানেইহে যে, ভৈয়ামৰ মানুহৰ ন-খোৱা ঘৰে ঘৰে চুৰ-চুৰীয়াকৈ পতা হয়, পৰ্বতৰ নগাহঁতে এই গেনা ৰাজ-হুৱাকৈ বিশেষ আড়ম্বৰেৰে পাতে। এই গেনা উপলক্ষে নগাহঁতে খেলবন্ধীয়া ৰাজহুৱাকৈ ন-চাউলৰ পিঠা খুন্দি "পিঠামধু" প্ৰস্তুত কৰি তাকে ভোজভাতৰ দৰে খাই আপোন-পাহৰা হৈ ৰং-ধেমালি কৰে। নগাহঁতৰ মাজত দহ-বাৰঘৰ মিলি একোটা খেল গঠিত হয়। সেই খেলেপতি একো একোটা গাম বা গাঁওবুঢ়াৰ নিচিনা বৰমূৰীয়া মানুহ সিহঁতৰ নেতা। সেই বৰমূৰীয়াজন সদৌপাকে একোজন বৰমানুহ। ধনে-ধানে ঘৰে-দুৱাৰে সদৌ বিষয়তে আনবিলাকতকৈ সেই বৰমানুহজন টনকিয়াল। সেইজনৰ ঘৰৰ আগতে এখন বহল চোতাল থাকে। তাতে গোটেই খেলৰ মুনিহ-তিৰোতাবিলাকে পিন্ধি-উৰি ৰমক-জমককৈ জুম বান্ধি ৰাজহুৱা পিঠা খুন্দে। সেই অৰ্থে প্ৰত্যেক ঘৰে ন-চাউলৰ যোগান ধৰে। তাত যাৰ ঘৰৰ চাউল যিমান সৰহকৈ খুন্দা পৰে সেই ঘৰৰ সিমান সৰহ পুণ্য অৰ্জন হয় বুলি সিহঁতৰ বিশ্বাস। মুনিহবিলাকে মূৰত বিবিধ পাখি লগোৱা কিৰীটি, গলধনত বগা শামুকীয়া শঙ্খ, কঁকালত কড়ি লগোৱা এসেৰীয়া কটীবস্ত্ৰ পিন্ধি জাতলগাই গা-তোলা নগা-গীত গাই শিলৰ খুবলিত চাউল খুন্দে; আৰু তিৰোতাবিলাকে তাৰ তালে তালে বাহু নচুৱাই

চাকি জ্বাৰি পিঠাগুৰি উলিয়ায়। সেই পিঠাগুৰিবে সৈতে কলহে কলহে "পিঠামধু" সুগুপ্ত কৰি থোৱা হয়। তাৰপৰা দহদিনৰ মূৰত সেই মধুপানেৰে বৰগেনাৰ উৎসৱ পতা হয়। সেই উৎসৱ উপলক্ষে সকলোৱে বাছকবনীয়া সাজ-পাৰ পিন্ধি ৰমক-জমক হৈ ইখেলে সিখেলৰ নিমন্ত্ৰণ গ্ৰহণ কৰা-কৰি কৰি উঠি সদোঁশেহত সদোঁখেলৰ মানুহ মিলি সাৰ্বজনীন-ভাৱে জাতীয় গীত আৰু নাচেৰে উৰুলীকৃত হৈ প্ৰকৃতিৰ নিভাঁজ সন্তান নগাহঁতে 'বৰগেনা' পাতে। সেই গেনা উৎসৱত পাক লাগি ময়ো যোগ দিবলৈ পাইছিলোঁ। অৰ্থাৎ গেনালৈ খুন্দা পিঠাৰ ভাগ ময়ো পাইছিলোঁ। মোৰ নগা ছাত্ৰবিলাকে সেই পিঠাগুৰিৰ ভোজনি আগবঢ়াই মোৰ ওচৰত মোক লক্ষ্য কৰি "দেওপূজা" দিছিলহি। এনেকুৱা পূজা মই কেইবাটাও ভোগ কৰিবলৈ পাইছিলোঁ। অকল গেনা পূজাই নহয়, তাত বাজেও নগা খেতিৰ ন-ন খেতিৰ আগভাগ মোৰ ভাগ্যত সততে মিলিছিল। কিয়নো নগা ছাত্ৰই "লিচিবাবু"ক ( বিদ্যাগুৰু ) আগভাগ নিদিয়াকৈ নতুন শস্যাদিৰ ফল ভোগ কৰিলে অমঙ্গল ঘটিব বুলি আশঙ্কা কৰিছিল। এতিয়াৰ ভৈয়ামৰ সভ্যতাৰ বতাহে পাই নগা পোৱালিহঁতৰ সৰল অন্তৰৰ সেই পবিত্ৰ ভক্তিভাৱ কেনিবাদি উৰুৱাই নিলে নেকি কব নোৱাৰিছোঁ, কিয়নো মোৰ সেই পোনপটীয়া সৰলচিতীয়া নগা শিষ্যপুত্ৰগণৰ লগত মোৰ বিচ্ছেদ ঘটিবৰ আজি ভালেমান বছৰ হল। তথাপি চকুৰ আঁতৰ হল বুলি সেই সৰল শিষ্য সন্তানগণ আজিও মোৰ মনৰ আঁতৰ হোৱা নাই। ৰাজে, বিছাচু, হিচালে, ৰজেচু, ৰেংমা আৰু ৰংচু ( শেষোক্ত দুটি কৰ্ণেল শিৱৰাম বৰা চাহাবৰ চিনু নাম্নী নাগিনী মেমৰ গৰ্ভজাত কন্যা আৰু পুত্ৰ; দুইবো অন্যতম নাম সৰলা আৰু নন্দৰাম ) ইত্যাদি কিছুমান মৰমৰ নাম সোঁৱৰণীত আজিকোপতি ফটফটীয়াকৈ জিলিকি আছে। সেইবোৰ নগা ছাত্ৰ-ছাত্ৰীত বাজেও ভালেমান অসমীয়া, বঙ্গালী, দেছোৱালী গৰ্খালী ছাত্ৰ-ছাত্ৰীৰ নাম মোৰ সোঁৱৰণীত সুমৰি চালেই পাওঁ; তাৰ ভিতৰত ৰায় যাদৱচন্দ্ৰ বৰুৱা বাহাদুৰৰ একেটি পুত্ৰ ৮ জগৎ চন্দ্ৰ বৰুৱা আৰু দুটি কন্যা "বৰ আইটী" শ্ৰীমতী চন্দ্ৰপ্ৰভা ( শ্ৰীযুত যোগেন্দ্ৰ নাথ বৰুৱা এম-এ, বি-এল জজৰ ভাৰ্যা ) আৰু "সৰু আইটী" শ্ৰীমতী শশীপ্ৰভা; বিবি জিন্নাতৰ নিচা ( ডাক্তৰ জাহানুদ্দিন আহমদৰ কন্যা ), শ্ৰীমান নলিনীকান্ত সেন, শ্ৰীমান ৰামসিং ক্ষেত্ৰি, শ্ৰীমান গাঙ্গালাল ৰায় ( এতিয়া চুবাদাৰ মেজৰ ) এইবিলাক মোৰ অতি চেনেহৰ ছাত্ৰ আৰু ছাত্ৰীৰ নাম অদ্যাপি ডুবৰিৰ আগত নিয়ৰৰ টোপাৰ দৰে মোৰ সোঁৱৰণীত ওলমি ৰৈছে।*

*আৱাহন, শাওন, ১৮৭৪, ৩ বছৰ, ১০ সংখ্যা

# অষ্টম সৰ্গ

## মোৰ বিয়া

কহিমা ইংৰাজী স্কুলখন সৰ্বাঙ্গীন পৰিপাটিকৈ পাতি লৈ মই মনৰ উলাহেৰে তাৰ উন্নতি সাধনত একাণপতীয়াকৈ লাগি আছোঁ, এনেতে পূজনীয় পিতৃদেৱতাৰ পৰা অযাচিতে আদেশসূচক বাতৰি আহি পৰিল যে, মোৰ বিয়া। মই সেই পত্ৰ পঢ়ি উঠি বাস্তৱতে অপ্ৰস্তুত হলোঁ। তাৰ পূৰ্বক্ষণলৈকে মোৰ বিয়া-বাৰুৰ বিষয় মোৰ মন-শ্ৰুতিতো নাছিল। মোৰ আন্তৰিক উদ্দেশ্য আছিল যে স্কুলখনৰ অৱস্থা অলপ টনকিয়াল কৰি তুটিমান ছাত্ৰক মহলাত উত্তীৰ্ণ কৰাই লৈ, আৰু 'নীতি-শিক্ষা' নামে সাহিত্য লানি প্ৰমুখ্যে খনদিয়েক স্কুলীয়া পাঠ্য-পুথি লিখা হাতৰ আধৰুৱা কাম সমাপন কৰি উঠি অন্যান্য লাগতিয়াল বিষয়ত মনোযোগ দিম। গতিকে বিয়াৰ বাতৰিয়ে হঠাতে বিধি-পথালি দি ধৰি মোৰ সংকল্পত বেমেজালি ঘটালে। মই উপায়ান্তৰ হৈ, সম্প্ৰতিকৰ নিমিত্তে বিয়া স্থগিত ৰখাবৰ উদ্দেশ্যে দেউতালৈ টেলিগ্ৰাফত প্ৰাৰ্থনা জনালোঁ। কিন্তু তাৰ ফল নধৰিল, দেউতাই মোৰ প্ৰাৰ্থনা অগ্ৰাহ্য কৰি বিজুলীযোগে আদেশ দিলে যে, বিয়াৰ দিন হোঁহোঁকাব নোৱাৰি; গতিকে মই এমাহমানৰ ছুটী লৈ অনতিপলমে শিৱসাগৰত উপস্থিত হবগৈ লাগে; আৰু আইতা-দেউতা স্বয়ং সেই উদ্দেশ্যে শিৱসাগৰলৈ যাত্ৰা কৰিব লাগিছে। একে আষাৰে কিস্তিমাত! গতিকে অগত্যা মই ততালিকে ছুটীৰ কাৰণে আবেদন কৰিলোঁ। এপখমানৰ ভিতৰতে সেই আবেদনৰ সমিধান আহিল, বিয়াৰ কাৰণে মোক এমাহৰ 'অনুগ্ৰহ বিদায়' (privilege leave) দিয়া হৈছে বুলি। ছুটীৰ হুকুম পাই স্কুলৰ চাৰ্জ চেকেণ্ড মাষ্টৰৰ জিম্মাত গতাই দি মই লৰা-লৰিকৈ শিৱসাগৰৰ উদ্দেশ্যে ভৈয়ামলৈ নামি আহিলো। এইবাৰ নামোতে কিন্তু গা গধুৰ, মন চিন্তাযুক্ত। মোৰ মুকলিমূৰীয়া প্ৰাণ পখীয়ে সংসাৰী সজাত সোমাই মায়াজালত বন্দী হোৱাৰ আগন্তুক ক্ষণ গণি উৰোঁ নুৰোঁকৈ কমনীয়া চৰাইৰ দৰে ওপঙি ওপঙি শিৱসাগৰ উদ্দেশি উৰিবলৈ ধৰিলে। আগৰ দৰে মনত বাটৰ কাহিনীৰ টোকা ধৰি যাবলৈকো পাহৰিলোঁ। মাথোন আপোন-পাহৰা হৈ গৈ গৈ ভমক কৰে বাইদেউ ভিনীহিদেৱৰ ঘৰত ওলালোঁগৈ। গৈ পায়েই দেখো যে আইতা-দেউতাও তাতে উপস্থিত! মোৰ গাত তেতিয়াহে প্ৰকৃত হুঁচ আহিল। মই সভক্তিৰে আই-দেউতাক সেৱা কৰি উঠি ভিতৰ সোমাই মোৰ ধাইমাতৃস্বৰূপা বাইদেউৰ বুকুত সোমালোঁগৈ। তাৰ পাচত ইকাণ-সিকাণকৈ শুনিবলৈ পালো যে জাঁজীৰ চাওদাং বৰুৱাৰ ঘৰৰ জীয়াৰী এটিৰ লগত মোৰ সম্বন্ধ স্থিৰ হৈছে; আৰু পিতৃদেৱতাৰ জন্মস্থান আমাৰ পূৰ্বপুৰুষ সকলৰ প্ৰীতিস্থল ৺জয়নাথ বুঢ়াগোহাঞি পুথাও দেউতাৰ ঘৰত থাকি বিয়া পাতিবলৈ যো-জা হৈছে। শুনিলোঁ যি শুনিলোঁ, বিয়া বিষয়ে মই আৰু কাৰো লগত কথা-বাৰ্তা নাপাতিলোঁ। মাথোন গুৰুজনৰ আদেশ পালন কৰিবলৈ সাজু হৈ থাকিলোঁ। পিচদিনা আইতা আৰু দেউতা আগধৰি

বিয়াস্থললৈ ৰাওনা হ'ল। তাৰ পিচদিনা ময়ো ভাই-ভনী আৰু বন্ধু-বান্ধৱৰ মাজত সোমাই, সজাই থোৱা দৰাঘৰত সোমালোঁগৈ। ঠিক ঘৰৰ দুৱাৰ-দলি পাৰ হোৱা মাত্ৰকে জাউৰি জাউৰিকৈ উৰুলি উৰিল। শাহুৱতী, বোৱাৰী, জীয়াৰী, গাভৰু সকলে মণ্ডলাকাৰ হৈ মোক বেৰি ধৰিলেগৈ। মই সঁচাকৈয়ে মায়া আঁচলৰ জালেৰে মেৰ খাই বন্দী হোৱাৰ নিদৰ্শন অনুভৱ কৰিবলৈ ধৰিলোঁ। সম্বোধনত বুজিব পাৰিলোঁ সিবিলাক প্ৰায় সকলোটিয়েই সম্বন্ধত মোৰ পূজনীয়া আৰু মোতকৈ মানে ডাঙৰ। সম্বন্ধত শাহুৱতীৰ আটাইকেগৰাকীয়েই মোৰ বুঢ়ী-আই; বোৱাৰী প্ৰায় আটাইকেগৰাকীয়েই মোৰ আপাদেউ আৰু খুৰীদেউ, গাভৰু সকলৰ সৰহ ভাগেই মোৰ পেহীদেউ, জীয়াৰী সকলৰ ভিতৰত প্ৰায় সকলোটিয়েই মোৰ বাইদেউ হয়; ভনী বুলিবলৈ দৰাঘৰীয়া হৈ শিৱসাগৰৰপৰা যোৱা মোৰ সহোদৰা শ্ৰীমতী হীৰাৱতী আইদেউক (৺চন্দ্ৰশেখৰ বৰুৱাৰ ভাৰ্যা) মাথোন দেখা গ'ল। ই-বিলাক মহিলামণ্ডলীৰ মাজত দেখিলোঁ, মোৰ জননী মাতৃদেৱী উলাহ-আনন্দত ওপঙি ফুৰিছে। অলপ পৰৰ পাচত ভিতৰৰ সমাগমৰ ভিৰ পাতল হোৱাৰ ছেগ ধৰি এবাৰ বাহিৰলৈ ভুমুকি মাৰি চাওঁ যে মোৰ পুৰুষ কুটুম্ব বৰ্গেও বিয়াৰ কাৰবাৰতে উটুলি-মুটুলি হৈ ফুৰিছে; সিবিলাকৰ ভিতৰত পুথাওদেৱ, দদাইদেৱ, ককাইদেৱ, পেহাদেৱ, ভিনীহিদেৱ এনে সম্বন্ধীয়াজনৰ সংখ্যাই সৰহ; ভাই-ভতিজাৰ লেখ নিচেই তাকৰ,— নোহোৱাৰ নিচিনাই। সিবিলাকৰ মাজত মোৰ পিতৃদেউতাক ইফাল-সিফালকৈ স্ফূৰ্তিৰে সৈতে দিহাকৰণ কাৰ্যত তৎপৰ হৈ ফুৰা দেখি মোৰ মনত বৰ ৰং লাগিছিল; ভাবিলোঁ আৰু দেখিলোঁ, তিনিকুৰি বছৰীয়া বিচ্ছেদৰ পাচত নিজ জন্মস্থানত নিজ বংশ-কুটুম্বৰ মাজত মিহলি হবলৈ পাই পিতৃ-দেউতাই আনন্দত আপোন-পাহৰা হৈ ফুৰিছে। বিয়াৰ দিনা পুৱা ন-পুৰুষৰ শৰাধ সমাপন হোৱাৰ পাচত, দুপৰীয়া ন-পুৰুষৰ ভোজ আৰম্ভ হল। ভোজত চেমনীয়াত বাজে ন-কুৰি পৈণত ভকত বহিছিল। সিবিলাক শিৱসাগৰ নগৰৰ পৰা যোৱা কেইজনত বাজে সকলোটিয়েই জাঁজী আৰু জাঁজীকাষৰীয়া বংশ-পৰিয়াল আৰু আত্মকুটুম। আশীৰ্বাদ লবলৈ ওলাই গৈ সেই ভোজত বহা ন-কুৰি নিজ বংশ-কুটুম্বীয়া জ্ঞাতি সকলক দেখি মোৰ অন্তৰত যি আনন্দৰ হেন্দোলনি উঠিছিল তাক এতিয়া সুমৰিহে চাব পাৰিছোঁ, কাপ-মৈলামেৰে ব্যক্ত কৰিবলৈ ভাষা বিচাৰি নাপাওঁ। সেইক্ষণত সেই মোৰ পিতৃপুৰুষৰ জন্মভূমিৰে সৈতে মোৰ নিজ জনমভূমি উত্তৰ-লক্ষীমপুৰৰ স্বভাৱতে যি এটা অপূৰ্ব ৰিজনিৰ ভাব মনত খেলাইছিল সিও মই আপুনি সুমৰি চাব পৰাকৈহে মোৰ গোঁৰৱণীত হৈছে। সি যি হক, এতিয়া মোৰ নোৰনিৰ পাললৈ মনত পৰিছে। টেকেলিৰ দিনৰ সন্ধিয়াৰেপৰা নোৰনিৰ আৰম্ভন। পিচদিনাৰপৰা দিনে দুবাৰকৈ নোৰনি। লাজ কাতি কৈ থৈ সঁচা কথা কবলৈ হলে, মই নোৰনিৰ সেইছোৱা অন্তৰে অন্তৰে উপভোগ কৰিছিলোঁ; নামতীসকলে বেইৰ পাতলিত পেলাই লৈ বিধ-বিধকৈ জোৰা নামৰ জাউৰিৰে সৈতে মোক বাহিৰে নাকনি-কাননি কৰি মাৰিছিল, কিন্তু ভিতৰে সি মোক অনুপম আনন্দত আপ্লুত কৰিছিল। সেই কবিতাময় সুললিত বিয়ানামৰ সুৰত মোৰ অন্তৰ বাস্তৱতে পমি গৈছিল,

অধিবাসৰ ৰাতিৰ নানা তৰহৰ বাছকবনীয়া গোপিনী কীৰ্তন, প্ৰণাম, জোৰানাম আৰু দৈয়নৰ নাম কেইটাই আজিকোপতি মোৰ কাণত মৌ বৰষাব লাগিছে। বিয়াৰ দিনা পুৱাৰপৰা মুনিহৰ উখল-মাখল, তিৰোতাৰ উলহ-মালহ আৰু ল'ৰা, ছেমনীয়া, জীয়াৰী, গাভৰুৰ উৰুলি-মুৰুলিৰে নিৰলে লক্ষ্য কৰি মই কি যে এক অভিনৱ আনন্দ উপভোগ কৰিছিলোঁ সিও অনুভৱৰ সুমৰণতেহে ৰৈছে; তাক চিয়াঁহিৰে আঁকি দেখুৱাব নোৱাৰিলোঁ। সেই বিয়াঘৰীয়া উখল-মাখল, উলহ-মালহ, উৰুলি-মুৰুলিৰ ৰাগ আকাশলৈ তুলি মৃদঙ্গীয়া গায়ন আৰু পাতাললৈ ভেদাই খুলীয়া বায়নৰ জোৰা উঠি বিয়াস্থল তল-ওপৰ লগাবলৈ ধৰিলে; ময়ো তাৰ মাজত মনে মনে মজি এবাৰ তল যাওঁ, এবাৰ ওপৰ উঠো এনে হলোঁ। এনে অৱস্থাত মোক আইতাই চেলেঙৰ আঁচলত ধৰি বাটবুলাই নি বেইত ঘূৰাই লৈ নোৱনি পীৰাত বহুৱাই প্ৰথম নোৱন দিয়াৰ পাচত যে আৰু কত নোৱনেৰে মোক পৱিত্ৰ কৰিলে, এতিয়া সুমৰি মই তাৰ লেখ নাপাওঁ! সেই শেষ নোৱনৰ সমাপনত বাজে বাজে নি মোক ৰভাৰ তলত ব্ৰাহ্মণ-সজ্জন, গুৰুজন আৰু জ্ঞাতিবৰ্গ পৰিবৃত আসনত বহুৱালেগৈ। তাৰ পাচত দৰাৰ সাজ-পাৰ পিন্ধোৱা হলত পুৰোহিতে মঙ্গলসূচক শ্লোক উচ্চাৰণ কৰি মোৰ কপালত বগা চন্দনৰ ৰেঘা পিন্ধাই উঠি, মোৰ প্ৰতি চাই "এই মুহূৰ্তৰ পৰা উদ্বাহ ক্ৰিয়া সমাপন নোহোৱালৈ আপুনি নৰদেৱতা। নৰে জীৱনত এদিন দেৱতা হবলৈ পায়; সেইদিন আপোনাৰ আজিয়েই।" এই বুলি কৈ আঁতৰি নিজ আসন ললেগৈ। সুপণ্ডিত পুৰোহিত বাপুৰ সেই দৈৱিক বাণীয়ে মোৰ দেহ-মন-অন্তৰত আচম্বিতে কি যে এক অভিনৱ বিশুদ্ধ ভাৱ বিয়পাই দিলে সেই মুহূৰ্তৰপৰা সঁচাকৈয়ে মই মানৱত্বৰপৰা অলপ উধাই উঠিছিলো যেন বোধ হল। দৰাঘৰৰপৰা কন্যাঘৰলৈ বাট অলপ দূৰৈ; গতিকে বৰ-যাত্ৰী অলপ সোনকালকৈ যাত্ৰা কৰিলে। বৰ-যাত্ৰীয়ে মাজতে কেইখনমান গাঁও পাৰ হৈ যাওঁতে গাঁওবাটৰ দুইফালৰ পৰা গঞা জীয়াৰী-গাভৰুবিলাকে নগৰীয়া দৰা চাবলৈ মোৰ দোলাকাষলৈ ঢাপলি ধৰা দেখি মোৰ মনেও হেন্দোলিয়াই আগবাঢ়ি সিবিলাকক নিস্পৃহ আলিঙ্গন প্ৰদান কৰিছিল। গৈ গৈ যেতিয়া কন্যাঘৰীয়া কলাপুলিৰ আদৰণি নিৰ্দেশ পোৱাগৈ হল তেতিয়া দৰাঘৰীয়া আৰু কন্যাঘৰীয়া নামতীসকলৰ মাজত জোৰানামৰ অৰিয়া-অৰি লাগিবলৈ ধৰিলে; তাৰপৰা থাপি থাপিকৈ কেইবাযোৰাও আদৰণি কলাপুলিৰ সীমা যথানিয়মে পাৰ হৈ গৈ যেতিয়া ৰভা কাষৰীয়া শেহৰ যোৰা আদৰণি কলাপুলি পাওঁগৈ, তেতিয়া নামতী আই সকলৰ জোৰানামৰ অৰিয়া-অৰিৰ প্ৰকোপ ইমানকৈ চৰি উঠিল যে শেহান্তত মুখা-মুখি এৰা-এৰি হৈ চুলিয়া-চুলিলৈ ভয়োদল ফৰিং ওফৰাদি উফৰিবলৈ ধৰিলে। দেখি দেখি মই আৰু বব নোৱাৰি হাতৰ উৰমালেৰে মুখত সোপা লৈ লুকুৱা-হাঁহি মাৰিব লগাত পৰিলোঁ। তেতিয়া কন্যাঘৰীয়া এজন ৰসিক ডেকাই "অ' দৰাই হাঁহিছে" বুলি হাঁহি চাপৰিৰে কিৰিলি মাৰি ঢক্ লগাই দিয়াত জোৰানামৰ জাউৰিয়ে চাঁত্ কৰে পাত্ৰ সলাই নিৰাশ্ৰয় দৰাক হেঁচি ধৰিলে। সিখন লাগি উঠা ৰণ যিহওক সিমানতে তল পৰিল। তাৰ পাচত যথাবিধি বিয়াৰ সম্প্ৰদান, চকলং আদি আচল লাগতিয়াল শুভকাৰ্য নিয়াৰিকৈ

সমাপন হৈ উঠাৰ পাচত পৱিত্ৰ লগ্ন গাগিৰ বিশদ ব্যাখ্যাৰে সৈতে কন্যা লীলাৱতীৰ লগত মোৰ শুভপৰিণয় সম্পাদিত হ'ল। আমি সেই ৰাতিয়েই বাজে বাজে শিৱসাগৰলৈ ওলটা যাত্ৰা কৰিলোহঁক। জাঁজীৰ বিয়াঘৰলৈ আৰু উলটিবলৈ সুযোগ নিমিলিল। শিৱসাগৰত তিনিদিন মাথোঁ থাকি, তাৰেপৰা দৰাঘৰীয়া বিয়াদল ফাটি দুভাগ হৈ আইতা-দেউতা প্ৰমুখ্যে ঘাইঘৰৰপৰা অহাদল উত্তৰ-লক্ষীমপুৰলৈ উলটিল, আমি বাইদেউৰ পৰিয়াল প্ৰমুখ্যে গোলাঘাট উদ্দেশে গৰুগাড়ীৰে লানি-পাতি অগ্ৰসৰ হলোহঁক। এই-খিনিতে কৈ লবলগীয়া হল যে, মোৰ বিয়াৰ মাহচাৰেকৰ আগতে মোৰ পূজনীয় ভিনীহিদেৱ গোলাঘাটলৈ কাছাৰিৰ হেডক্লাৰ্ক হৈ বদলি হৈ গৈছিল। সেই কাৰণে মোৰ ধাইমাতৃ বাইদেউ ল'ৰা-ছোৱালী সমন্বিতে গোলাঘাটলৈকে সেইছোৱাত আমাৰ লগৰী হৈছিল। গোলাঘাটত বাইদেউ-ভিনীহিদেৱ আৰু ভাগিনী-ভাগিনহঁতৰ ( শ্ৰীমতী ঘনকান্তি, শ্ৰীমান সুৰেন, মহেন আৰু নুমলি ) সৈতে এসপ্তাহমান এটি আনন্দময় পৰিয়াল হৈ কটাই আমি নৱদম্পতীয়ে গৰু-গাড়ীৰে কহিমা অভিমুখে যাত্ৰা কৰিলোঁ।

## তৃতীয়বাৰ কহিমা যাত্ৰা

সুমৰণৰ আৰম্ভতে সোঁৱৰণী পটলৈ আঙুলিয়াই দেখুৱাব লগাত পৰিছোঁ যে এই তৃতীয় যাত্ৰাৰ কাহিনী ঔপন্যাসিক ঘটনাতকৈও ঠায়ে ঠায়ে একোখোপ চৰা। তাৰ হুবহু বিবৃতি দিবলৈ গলে সি বহুত হৈ পৰে। গতিকে সেই বিবৃতি ভবিষ্যত ঘটনামূলক, পাচত যথাসময়ত ৰচিত আৰু প্ৰচাৰিত হোৱা মোৰ 'লীলা' নামৰ ক্ষুদ্ৰ খণ্ডকাব্যত মেলি চাবলৈ সঙ্কেত দি থৈ, সেই কথাখিনিৰ মূল কথাখিনি মাথোন কৈ থওঁ। গোলাঘাট এৰিবৰ পিছদিনা টাউনৰপৰা সাতমাইলমানৰ আঁতৰত নামবৰ বৰহাবি প্ৰবেশ কৰোঁতেই আমাৰ গাড়ীত এটা অকথনীয় আচৰিত দুৰ্ঘটনা ফলিয়ালে। আমি উঠি যোৱা গাড়ীখনৰ গৰু দুটাৰ গতি মই গুৰিৰেপৰা ভাল দেখা নাছিলোঁ। সিহঁত দুইৰ এটাই মাজে মাজে ঠমকৃথাই শুই পৰে ; আনটোৱে কেতিয়াবা যুঁৱলি পেলাই ছয়াকাটি পলাব খোজে। সেইবাবে গাৰোৱানটোৰো মনত শান্তি নোহোৱা হ'ল ; সি গৰুক হুকিয়াই হাইৰাণ। তাৰোপৰি বেয়া গৰু যুটি লৈ ফাকি দি ধন খোৱাৰ বাবে মোৰপৰাও মাজে মাজে সি বকনি শুনিব লগাত পৰিছিল। এইদৰে সি মনৰ অশান্তিত গাড়ী চলাই নি নি সন্ধিয়া নৌ লাগোতেই নামবৰ বৰহাবিৰ মাজেদি যোৱা গহীন বাটৰ আগছোৱা আমাক পাৰ কৰি নিছে, এনেতে গৰু এটা শুই পৰিল। কিমান ডবিয়াই মৰিয়াই নেগুৰ পকাই নগুৰ শাস্তি কৰিও গৰু দুটা তুলিব পৰা নহ'ল। সদৌশেহত গাৰোৱানটোৱে বিবুদ্ধি হৈ আন গৰু আনোগৈ বুলি আমি তিনি প্ৰাণীক ( মই, মোৰ নিচেই কুমলীয়া চৈধ্য বছৰীয়া নতুন ভাৰ্যা আৰু ১৪/১৫ বছৰীয়া লগুৱাটো ) তাতে এৰি উলটি টাউনৰ মুখে বলিয়াৰ দৰে ভিৰাই লৰ মাৰিলে। মই পিচে পিচে 'নালাগে', 'নাযাবি', 'ৰবি', 'কথা শুন' বুলি এটা ৰিঙৰ বাটলৈকে খেদি গলোঁ ; কিন্তু সি আৰু মোলৈ উলটি নাচালে, লৰিবলৈহে ধৰিলে। অগত্যা সিমানৰে

পৰা হতাশ হৈ ফৌপাই-জোপাই উভতি আহি গাড়ীৰ কাষ পালেহি। আহি পাই হতাশত শেঁতা পৰা ই দুখনি মুখৰ লগত মোৰখনিও মিলাই তিনিও মুখ চোৱা-চুইকৈ ঠৰ লাগি ৰলোঁহক। চাওঁতে চাওঁতেই সন্ধিয়া চাপিল, গাৰ নোম নেদেখা হ'ল; তাৰ পিছতেই ঘোপমৰা আন্ধাৰে ছাটি ধৰিলে। আন্ধাৰত জোপাটোকে পৰ্বতটো যেন দেখি; তাতে ভুয়োফালে নামবৰ বৰহাবি। কি কৰিম, কলৈ যাম বিবুদ্ধি হৈ তিনিও গাড়ীত সোমাই-বহি গুণিবলৈ ধৰিলোঁ। সেই আসন্ন সময়ত গাড়ীখনেইহে আমাৰ একমাত্ৰ আশ্ৰয় স্থান। ভয়ত তিনিওৰো বুকু ঢিপিং ঢিপিং কৰিব লাগিছে, মোতকৈ সি দুটি প্ৰাণীৰ অৱস্থা শোচনীয়; একেবাৰে তাতোকৈ বেছি হ'ল কোনোকালে হাবি নেদেখা মোৰ ন-কন্যা ভাৰ্যাৰ ভয় বিহ্বলা প্ৰাণৰ চট্‌ফটনি। এনেহেন মুখমেলা আপদৰ গৰাহৰ আগত পৰি তিনিও ত্ৰাহি ত্ৰাহি কৰি দুই প্ৰহৰমান ৰাতি কটাইছোঁ—কিন্তু প্ৰতি মুহূৰ্ততে সেই মেলা মুখে আমাক গিলে-গিলে যেন দেখিছোঁ,—এনেতে সঁচাকৈ এক মহাকায় বিপদমূৰ্তিয়ে—এটা ভয়ঙ্কৰ দঁতাল হাতীয়ে নাকীয়া চিঞৰ মাৰি একে চোচাই গাড়ীৰ কাষত থিয় দিলেহি; গাড়ীৰপৰা কেইহাতমান আঁতৰত জ্বলি থকা লেণ্টাৰ্ণৰ পোহৰ লক্ষ্য কৰি এক নিমিষ-মান হাতীটো ৰ-লাগি ৰওঁতেই তাৰ গোটেই প্ৰকাণ্ড অঙ্গ আমাৰ চকুত পৰিল। বনৰীয়া হাতী নেদেখা ছোৱালী ভাৰ্যাই সেইপিনেই পৰি মূৰ্চ্ছা যোৱাদি হল। বৰুণ নামে লগুৱা ল'ৰাটিয়ে প্ৰাণহীন পুতলাৰ দৰে উদ্বাউল হৈ কঁপিবলৈ ধৰিলে। ময়ো জীৱনৰ অন্তিম ক্ষণ গণি ঠৰ লাগিলোঁ;—এনেতে গৰু দুটা চক্ খাই উঠি হেম্বেলনি মাৰি পিচলৈ নেগুৰৰ নিচান উৰুৱাই অহাবাটে উভতি ঢাপলি মেলিলে; হাতীটোৱে সিহঁতকে তাৰ চিকাৰ মানি লৈ মেদিনী কঁপাই খেদা ধৰিলে, আমি গাড়ীৰ ভিতৰত স্বৰগ পৰা মানুহৰ দৰে জঠৰ হলোঁ। হাতীয়ে উলটি আহি আমাক ধৰেহি ধৰেহি যেন দেখি সেইপিনেই চেপেটা লাগি এখনমান তামোল খোৱা পৰ মই থিৰ চকুৰে চাই আছোঁ—হাতী আৰু নুলটিল। ক্ষন্তেকলৈ নিৰাপদ মানি উশাহ সলাই দেখো যে এইবাৰ আমি সঁচাকৈয়ে সৰ্বমূঠ অকলশৰীয়া তিনি প্ৰাণী হলোঁহঁক, যিবা অন্যতম দুই প্ৰাণী গৰু দুটা লগৰীয়া আছিল সিহঁতেও এৰি গুচি গ'ল। ইতিমধ্যে মৌ-চেপা বৰষুণ এজাক আহিল। ঢেৰেকনি ধুমুহাত একোকে নেদেখা নুশুনা হলোঁ, মাথোন মাজে মাজে বিজুলীৰ চিকিমিকি পোহৰত ভালেমান দূৰলৈকে সেই হাতীয়ে গৰু খেদি নিয়া পৰি থকা আপদীয়া বাটটো দেখা পাওঁ। তেনেতে আলিকাষৰৰ জোপা এটাৰপৰা ওলাই আহি ডাইনী যেন কিচ্ কিচ্ কৰে ক'লা তিৰোতা এজনী আমাৰ গাড়ীৰ কাষত থিয় দিলেহি। তাইক বিজুলীৰ চকমকীয়া পোহৰত দেখিয়েই বৰুণ বোলা চেমনীয়া লগুৱাটো আচাৰ খাই পৰিল, ভাগ্যে তেতিয়ালৈকে লীলাৰ মূৰ্চ্ছা ভগা নাছিল। মানুহজনীয়ে চিত্ হৈ লৰালৰিকৈ মোক কলে যে তাই আমাৰ ওচৰত ৰাতিটোৰ কাৰণে আশ্ৰয় লবলৈ কাষ চাপিচেহি। মই সহানুভূতি-পূৰ্ণ অন্তৰেৰে ভাবিলোঁ, দেহি তাই নিৰাশ্ৰয়ৰ ওচৰত আশ্ৰয় বিচাৰিছেহি! আৰু পানীত পৰা মানুহে কুটা এগছ পালেও সহায় যেন জ্ঞান কৰাৰ দৰে, মই ততালিকে তাইৰ আতুৰ

প্ৰাৰ্থনা মঞ্জুৰ কৰি তাইক গাড়ীৰ তললৈ সোমাই বহিবলৈ সঙ্কেত দিলোঁ। তাৰ পাচত তাই আপোনা-আপুনি বলকি থকা কথালৈ মন কৰি বুজিব পাৰিলোঁ যে তাই এজনী কোনোবা বাগিছাৰ পলৰীয়া কুলীয়নী। তাৰ পাচত আৰু কি আপদ চাপে তালৈ প্ৰতিক্ষণে চঁকি চঁকি অপেক্ষা কৰি নেযায়-নুপুৰায় যেন দেখা ৰাতিটোৰ শেহছোৱা কোনোমতে পাৰ কৰালোঁ। পোহৰ বিৰিঙ্গা মাত্ৰে কুলীয়নীজনী চাঁত্‌কৰে নেদেখা হ'ল। আমি আকৌ সেই অকল্প-শৰীয়া তিনিপ্ৰাণী টলটলকৈ ওলাই পৰিলোঁ। তাৰ পাচত তুপৰমানলৈকে লগৰ তুটি প্ৰাণীক টোপনিত শঁতাবলৈ সুবিধা দি মই ৰথীয়াস্বৰূপে গাড়ীত বহি বহি কিবা-কিবি আকাশ-পাতাল ভাবি ভাবি হঁহা-কন্দাভাৱে কটালোঁ। সিমান পৰলৈকে গাৰোৱানটো উলটি নাহিল। ইফালে দেখিলো ভোকে-পিয়াহে প্ৰিয়া কাতৰ হৈ পৰিছে, লগুৱাটোৰো মুখ শুকাই চুমৈ যেন হৈছে। কি কৰোঁ, পানী এটোপা আনিবলৈকো আঁতৰ হবলৈ সত যোৱা নাই! ইতিছেগত, ঈশ্বৰ প্ৰেৰিত দূত যেন ডাকোৱাল তুটা খিলিংখিলিংকৈ নগৰৰ ফালৰপৰা আহি আমাৰ কাষ পাইছেহি। মই লাহেকৈ গাড়ীৰপৰা ওলাই আগভেটা দি থিয় হৈ সিহঁতক অতি চমুকৈ আমাৰ বিপদৰ কথা জনালোঁ। সিহঁতে বতৰা দিলে যে পুৱাতে গৰু এহালেৰে সৈতে গাৰোৱান এটা পিচতে আহিব লাগিছে, সিহঁতে তাক ধনশিৰী ঘাটতে পাই আহিছে। শুনি মৰাৰ মুখত জীপ্‌ আহিল। ডাকোৱালহঁতে পানীৰো সন্ধান দিলে, আৰু কেইনলমানৰ আগতে এখন নিজনি বিল আছে বুলি। সেই সন্ধানমতেই এটুপি পানীৰ যোগাৰ কৰি লৈ প্ৰিয়াক আৰু লগুৱাক আমাৰ লগত থকা জলপান অলপ খুৱাই লৈ মই উদ্বিগ্ন চিত্তেৰে বাটলৈ চাই ৰলোঁ। চাওঁতে চাওঁতে আবেলি হ'লহি, গাৰোৱান নাহিল, বাট চাওঁতে চাওঁতে চকু বিষাইছে, গাৰোৱান নাই! আকৌ সন্ধিয়া চাপেহি এতিয়া! আকৌ যোৱা ৰাতিলৈ মনত পৰিল। মনৰ এনে উগুল-থুগুল অৱস্থাত তিনিও প্ৰাণী পাখি ভগা শালিকীৰ দৰে ঢপ্‌ ঢপাবলৈ ধৰিলোহঁক। এনেতে মোৰ মনত আহিল যে তাৰপৰা ডেৰমাইল-মানৰ আঁতৰত, আলি-কেঁকুৰিত দেখি অহা সেই কেঞাগোলাথনলৈকে গৈ আমাৰ উদ্ধাৰৰ এটা উপায় কৰি আহোঁগৈনেকি? তালৈকো ইহঁত তুইক অকলে এৰি যাবলৈ সত যোৱা নাই। কি কৰোঁ, ভাবিবৰ সময় নাই। অগত্যা মোৰ মনৰ প্ৰস্তাৱটো প্ৰিয়া আৰু লগুৱাটোৰ আগত ব্যক্ত কৰিলোঁ। শুনি তুয়ো নিমাত! যাবলৈকো কব নোৱাৰে, নেযাবলৈকো নকয়। ময়ো মনৰ বেগত এবাৰ আগবাঢ়োঁ, এবাৰ পিচ পৰো। এইদৰে উজাই-ভটীয়াই থাকি, এবাৰ চকু-আখি মুদি, 'যি কৰে ঈশ্বৰে' বুলি সেই কেঞাগোলা উদ্দেশি প্ৰাণকাতৰে লৰ ধৰিলোঁ। লৰি লৰি গৈ কেঞামহাজনৰ আগত মই ফোঁপাই ফোঁপাই আমাৰ তুখৰ কাহিনী. যিমান পাৰোঁ চমুকৈ জ্ঞাপন কৰিলোঁ। তেওঁ দৃষ্টিৰে সৈতে ততালিকে মোৰ অন্তৰৰ অৱস্থা ফট্‌ফটীয়াকৈ দেখি তেওঁৰ চাকৰ তুটা আৰু ওচৰতে আলিৰ কাম কৰা কছাৰী কুলী তুটা মোৰ লগত দি কলে, "যাওক, বেগাই গৈ গাড়ীয়ে সৈতে ইফালে গুচি আহকগৈ।" মই তেওঁৰ শলাগ লবলৈ সময় নাপালোঁ; অনতিপলমে উলটি সেই বিপদৰ ঠাইলৈ লৰ ধৰিলোঁ। মোৰ লগে লগে কুলীহঁতো লৰিছিল, কিন্তু মোৰ সমানে

লৰিব নোৱাৰাত সিহঁত অলপ পিচ পৰিল। মোৰ ধাতু নাই, সেই ছেগতে সিফালে সি তুটি প্ৰাণীৰ কি বিলাই হৈছে ভাবিবলৈকো উশাহ নোপোৱা হলোঁ, আহি থাকোতে এটা আৰ্তৰাৱসূচক ৰিঙ্গি শুনিলো "ঐ দৌতা! আহিছেনেঐ!" বৰুণৰ সেই ৰিঙ্গি শুনি গাত যি অলপ তত্ আছিল সিও হেৰাল! সেইছোৱা বাট কেনিনো আহিলোঁ কব নোৱাৰোঁ। যি হওক, মানুহ চাইটা আহি পোৱাত আমি তিনিওৰো গা অলপ গহীন লাগিল। তাৰ পাচত প্ৰিয়াক গাড়ীৰ ভিতৰত বহুৱাই লৈ মানুহৰ হতুৱাই গাড়ী টনাই নি কেঞ্চাগোলাৰ আগত আলিৰ ওপৰতে ৰখালোঁগৈ। সেই সদাশয় মাৰোৱাৰী ভদ্ৰলোকজনে তেওঁৰ গোলাৰ গাদীত গৈ শুবলৈ আমাক জনাইছিল; পিচে প্ৰিয়াৰ অনিচ্ছা হোৱাত সেই পৰম উপকাৰী আপদৰ বন্ধুজনৰ অনুৰোধ ৰাখিব নোৱাৰি তেওঁৰ অনুমতি লৈ গাড়ীত শুই থাকিলোহঁক। পিচদিনা পুৱাতে লগুৱা ল'ৰাটোক টাউনলৈ পঠিয়ালো, বাইদেউ-ভিনীহিদেৱক জনাই আমাৰ নিমিত্তে অন্য উপায় যুগুতি কৰিবলৈ বুলি। ইফালে মাৰোৱাৰী বন্ধুজনৰ শুশ্ৰূষা গ্ৰহণ কৰি আমিও সকাহ পাই এফেৰি জিৰাবলৈ ধৰিলো। তাৰ পাচত আবেলি চাৰিমান বজাত আন এহাল গৰুৰে সৈতে আগৰ গাৰোৱানটোকে লগত লৈ বৰুণ ওলালহি। আগৰহাল গৰু চিটিকি পলাই আহি কেঞ্চা গোলাতে ৰৈছিলহি; এতিয়াও সিহঁতক গোলাৰ জিম্মাতে গতাই থৈ আমি আকৌ বাট খেদিবলৈ ধৰিলোহঁক। পাচত অনা গৰুহাল চোকা আৰু বলী। গতিকে সন্ধিয়া নৌ লাগোতেই আমি নামবৰ হাবি পাৰ হৈ গৈ ৰাতি এঘাঁৰমান যোৱাত বৰপথাৰ পালোঁগৈ। তাতে ৰাতিটো জিৰালোঁ। ইয়াৰ পাচত, ইয়াৰ নামনাচ আৰু কেইবাটাও আপদ-বিপদ এৰাই গৈ নিৰ্দ্ধাৰিত দিনতকৈ এদিন পলমে কহিমা ওলালোগৈ। পলম হোৱাৰ বাবে উদ্বিগ্ন হৈ বাটলৈ চাই থকা চেকেণ্ড মাষ্টৰ জ্যোতিৰ্ময় সেন বাবুৱে আগবাঢ়ি গৈ টাউনৰ সীমাৰ সিপাৰৰপৰা আমাক আদৰি আনিলেগৈ। তাৰ পাচত মোৰ বহাৰ পদুলিমুৰ পাই দেখোঁ যে কলাপুলি এযোৰৰ তুপাশে মোৰ সমনীয়া বন্ধু খাজাঞ্চি ইন্দ্ৰধৰ ৰাজখোৱা আৰু একাউণ্টেন্ট শৰৎচন্দ্ৰ সেন থিয় দি আমাৰ অপেক্ষাত ৰৈ আছে। মই তুইৰে সৈতে কোলা-কুলি কৰি তুইকো মোৰ চেনেহৰ আলিঙ্গন দিলোঁ। সেইক্ষণতে পিতৃব্য-প্ৰতিম ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা, অগ্ৰজ যেন পুলিচ ইন্স্পেক্টৰ গোবিনাথ গগৈ আৰু ডেপুটি কমিশ্যনাৰৰ কাছাৰিৰ চুপাৰিন্টেণ্ডেন্ট ৺কেশৱচন্দ্ৰ বৰুৱা প্ৰমুখ্যে আন আন বন্ধুবৰ্গও আহি চাপিলহি। সিবিলাক সকলোটি কাছাৰিলৈ যোৱা পোছাকেৰেই আহিছিল, কিয়নো তেতিয়া পুৱা ১১ বাজোঁ বাজোঁ। সিবিলাকে লৰালৰিকৈ বিদায় লৈ আঁতৰ হোৱাত মই প্ৰিয়াক গাড়ীৰ পৰা নমাই ভিতৰলৈ গলোঁ, তাতো দেখোঁগৈ যে ৰায়বাহাদুৰৰ ভাৰ্যা বৰুৱাণী প্ৰমুখ্যে কেইবাগৰাকীও মহিলাই কন্যাক আদৰিবলৈ সাজু হৈ আছে। মই সিবিলাকৰ হাতত এওঁক গতাই দি ক্ষন্তেকলৈ আজৰি হলোঁ; আৰু সেই ছেগতে ঘৰ-ৰখীয়া নগা চৌকীদাৰটোক বাহিৰৰ লাগতিয়াল কাম-বনত দিহা দি ললো। ইতিসময়ত, সিফালে চেকেণ্ড মাষ্টৰ বাবুৱে আধাঘন্টামানলৈ স্কুল ছুটী দি ছাত্ৰবৃন্দক সিহঁতৰ গুৰু ভাৰ্যা-নকন্যা চাবলৈ বুলি এৰি দিলেগৈ,

ক্ষন্তেকৰ ভিতৰতে মোৰ সেই প্ৰিয় ছাত্ৰবৃন্দ আহি চোতাল ভৰি পৰিলহি। ভিতৰৰ পৰাই ল'ৰাহঁতক দেখা দিবৰ কাৰণে মই অনুৰোধ কৰাতো তেওঁ নোলাল। গতিকে মই লাহেকৈ দুৱাৰ মুকলি কৰি দিয়া মাত্ৰকে ছাত্ৰবৃন্দ ভিতৰত ওপচি পৰিলগৈ। গুৰুভাৰ্যাক হেঁপাহেৰে বেঢ়ি ধৰি অজলা বালকবৰ্গে খিলখিলকৈ হাঁহে। তেওঁ লাজত আঁচলেৰে মুখ ঢাকি তলমূৰ কৰে। নগাল'ৰাহঁতে তেওঁৰ গাত হাত ফুৰাই মৰম জনাবলৈ চাপি যায়, তেওঁ আচহুৱা ভাৱত আছাৰ খাই আঁতৰি যায়। এইভাৱে অলপপৰ আনন্দ দৃশ্য উপভোগ কৰি উঠি ছাত্ৰবৃন্দক লগত লৈ, মই স্কুলত 'হাজিৰ' হোৱা লেঠাটো মাৰি থৈ আহিবলৈ গলোঁ।

## শিক্ষাবিধি প্ৰণয়ন

সাংসাৰিক বিষয় জঞ্জাল বিস্তৰ বাঢ়িবলৈ নিদি, প্ৰথম ছমাহ দাম্পত্য জীৱন নিজঞ্জালে পাৰ কৰিলোঁ। সপ্তম মাহত মোৰ পূৰ্বৰ সংকল্পিত আধৰুৱা বিষয়ক ওকালতি পৰীক্ষা দিয়া চিন্তাই মনত ভূমুকিয়াবলৈ ধৰিলে। তদৰ্থে আগৰবাৰত এৰা পৰাৰ পৰা দুবছৰমানৰ পাচত, আকৌ মোৰ আইন অধ্যয়নৰ ব্যৱস্থা কৰি লৈ কৰ্তব্যত এথোজ আগ বাঢ়িছোঁ, এনেতে ওপৰৰপৰা আদেশ আহিল যে অহা ডিপাৰ্টমেণ্টেল পৰীক্ষাত শিক্ষাবিধি বিষয়ত (art of teaching) উত্তীৰ্ণ হৈ মই মোৰ পদত নিগাজী হব লাগে। তেতিয়ালৈকে প্ৰথম দুবছৰ মই প্ৰবেচনাৰ হৈয়ে আছিলোঁ। তাৰ লগে লগে সেই সম্পৰ্কে মোৰ অভিভাৱক স্বৰূপ ডিৰেক্টৰ মিষ্টাৰ জে. উইলচন চাহাবৰ পৰা এখন ভিতৰুৱা পত্ৰও পালোঁ। অধিক অনাগুণা কৰিবলৈকে চল নাপালোঁ। মিঃ উইলচন চাহাবৰ ভিতৰুৱা চিঠিখনৰ প্ৰেৰণাত মই অনতিপলমে সেই বিষয়ে সাজু হব লগাত পৰিলোঁ। গতিকে ততালিকে মই ইটো বিষয় আকৌ কাতিকৈ থৈ সিটো আগত ললোঁ। ছমাহ একাণপতীয়া মনোযোগেৰে ইংৰাজী শিক্ষাবিধি গ্ৰন্থাদি অধ্যয়ন কৰি উঠি নিৰ্ধাৰিত শিক্ষকৰ ডিপাৰ্টমেণ্টেল পৰীক্ষা দি শিক্ষাবিধি বিষয়ত বৰ সুখ্যাতিৰে উত্তীৰ্ণ হলোঁ। সেই পৰীক্ষাৰ ফল গেজেটত প্ৰকাশ হোৱাৰ লগে লগে ডিৰেক্টৰ মিঃ উইলচন চাহাবে আৰু এখনি ভিতৰুৱা পত্ৰেৰে মোক উৎসাহমূলক ধন্যবাদ দি কলে যে শিক্ষাবিধি বিষয়ক পৰীক্ষাত বৰ সন্তোষজনক নম্বৰ পাইছোঁ (১০০ নম্বৰৰ ভিতৰত ৯৫ নম্বৰ)। মই সদৌ অসমত সৰ্বপ্ৰথম ঠাই অধিকাৰ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত তেখেতে নথৈ ৰং পাইছে, আৰু সেই সেই সূত্ৰেই তেখেতে সঙ্কেত দি থলে যে অসমীয়া ভাষাত সেই বিষয়ক এই ডাঙৰ অভাৱটো গুচাবলৈ মই যত্ন কৰিব নোৱাৰোনে? সেই সঙ্কেতত মই বিশেষ বুজি ললোঁ। অলপ আগৰেপৰা অৰ্থাৎ ইংৰাজী শিক্ষাবিধি গ্ৰন্থাদি অধ্যয়ন কৰিবলৈ ধৰাৰেপৰা মোৰ মনতো সেই বিষয়ক ভাবনাই খেলাই আছিল। গতিকে সেই সোণাময় ছেগতে অসমীয়া ভাষাত এখন শিক্ষাবিধি লিখি উলিয়াবলৈ কাপ হাতত ললোঁ। এই কাৰ্যত মই বৰ টানকৈ শ্ৰম কৰিবলগীয়াও নহল, কিয়নো শিক্ষাদান বিষয়ক বিধিৰ ভেঁটি বান্ধিবলৈ মোৰ মনত যথেষ্ট আহিলা-পাতিৰ সমল তেজাল হৈয়ে আছিল। তাৰ লগতে আমাৰ দেশত পূৰ্বাপৰ প্ৰচলিত থকা শিক্ষা বিষয়ক ৰীতি-নীতিবোৰৰ সংস্কাৰ সাধি

ঠায়ে ঠায়ে যথাৱতকৈ যোগ দিয়া হল মাথোন। ছমাহৰ মূৰত "শিক্ষাবিধি" প্ৰণয়ন কাৰ্য সমাপন হল। তাৰে নকল এটা ডিৰেক্টৰ চাহাবলৈকো পঠিওৱা গ'ল। তাৰপৰা তিনি-মাহমানৰ মূৰত, নগাওঁ টেক্সটবুক কমিটিৰ জৰিয়তে সেই হাতে লিখা পুথিখন উলটি মোৰ হাতত পৰিলেহি। দেখিলোঁ টেক্সটবুক কমিটিয়ে মোৰ সেই "শিক্ষাবিধি" পুথিখন অসম উপত্যকাৰ নৰ্মাল স্কুলত পাঠ্য আৰু অসমীয়া পঢ়াশলীয়া গুৰুসকলৰ হাতৰ পুথি (guide) স্বৰূপে মঞ্জুৰ কৰি পঠিয়াইছে। দেখি মোৰ অন্তৰত আনন্দ-উলাহ উপচি পৰিল। সেই উলাহতে উচালি উঠি, মই পুথিখন অনতিপলমে ছপাই প্ৰচাৰ কৰিবলৈ বুলি দিহাকৰণত হাত দিলোঁ। "অ, ভা, উ, সা, সভা" আৰু "সাহিত্য সভা"ৰ উপদেশ আৰু পৰামৰ্শ গ্ৰহণ কৰি "শিক্ষাবিধি" কলিকতাৰ সাম্য প্ৰেছত ছপাবলৈ পঠিয়াই উঠিছোঁ মাথোন, এনেতে হুকুম আহিল যে মোক তেজপুৰ নৰ্মাল স্কুলৰ হেড্ মাষ্টৰৰ পদলৈ বদলি কৰা হৈছে; আৰু মই সেই হুকুমপত্ৰৰ তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত তেজপুৰলৈ গৈ তাৰ নৰ্মাল স্কুলৰ সেই সময়ৰ বৰ্তমান হেড্ মাষ্টৰ (তেতিয়া শ্ৰীযুত) ৺ৰায়চাহাব দুৰ্গাধৰ বৰকটকীক আজৰাই দিবগৈ লাগে। ভাবিব চিন্তিবলৈ সময় নাই। এপথৰ ভিতৰত কথমপিহে কহিমাৰপৰা তেজপুৰ পাবহি পাৰি। তাতে আকৌ মই সংসাৰত গুটীয়া নহয়, ছটীয়া। নতুন ঠাইলৈ বাজে বাজে লৈ নগৈ, মোৰ ভাৰ্যাক আমাৰ উত্তৰ-লক্ষীমপুৰৰ ঘাই ঘৰত থৈ যোৱাটো স্থিৰ কৰা হল। গতিকে আৰু এদিনো পলম কৰিবলৈ সাধ্যহীন হৈ লৰালৰিকৈ চেকেণ্ড মাষ্টৰবাবুৰ জিম্মাত স্কুলৰ চাৰ্জ চম্জাই থৈ মোৰ বন্ধু-বান্ধৱ সকলৰ ওচৰত বিদায় লৈ, মোৰ অতি আদৰুৱা মনোৰঞ্জক ঠাই কহিমা এৰিবলৈ সাজু হলোঁ। আহিবৰ আগদিনা "কহিমা সাহিত্য সভাঘৰত" দুয়োখন সাহিত্য সভাই (অ, ভা, উ, সা, আৰু সাৰ্বজনীন সাহিত্য সভা) মিলি যুটীয়াকৈ মোক বিদায় সম্ভাষণ জনাবলৈ এখন ডাঙৰ সভা পাতিছিল। কহিমাবাসী সদৌ সাম্প্ৰদায়িক সৰু-বৰ অনেক লোক সমবেত হৈছিল। বিদায় গ্ৰহণত মই "যাওঁ" বুলিবলৈ মোৰ মাত নোলাল। চকুলো টুকি টুকি গধুৰ মনেৰে আঁতৰ হলোঁ।*

*আৱাহন, শাওন, ১৮৭৪, ৩ বছৰ, ১০ সংখ্যা।

# নৱম সৰ্গ

## ওলটা যাত্ৰা

সেইদিনা মোক আগবঢ়াই থবলৈ অহা মোৰ সমনীয়া প্ৰিয়বন্ধু ৺ইন্দ্ৰধৰ ৰাজখোৱা আৰু ৺শৰৎচন্দ্ৰ সেনৰে সৈতে লগ লাগি আহোঁ-নাহোঁকৈ এখোজ আগলৈ এখোজ পিচলৈকে আহি আহি পাঁচ মাইলমান অহাৰ পাচত, সন্ধিয়া পৰত অগত্যা বিদায় দিয়া-লোৱা কৰি চকুলো টুকি টুকি তেওঁলোক দুজন টাউনলৈ উলটিল, মই সেই একে অৱস্থাপন্ন হৈ আমাৰ গাড়ীখনৰ পিচে পিচে খোজ কাঢ়ি বহুবাট আহিলোঁ। মাজে মাজে কেইবাবাৰো উলটি উলটি চোৱা-চুইকৈ তেওঁলোক আৰু মই বাট বুলিছিলো; কিন্তু অকোৱা-পকোৱা পৰ্বতীয়া বাটত ঠাইতে গা ওলায় আৰু ঠাইতে লুকায় কাৰণে, মুঠেই তিনিবাৰহে আমি নিলগৰপৰা দেখাদেখি হৈছিলোহঁক। তাৰ পাচত গৃহিণীৰ অনুৰোধ অনুসৰি ময়ো গাড়ীত উঠি ললোঁগৈ। গৰু খোজেৰে গাড়ী ধীৰে ধীৰে চলিবলৈ ধৰিলে। মোৰ মনৰ বিচ্ছেদজনিত বিষাদ গুচাবৰ বুদ্ধিৰে তেওঁ ছেগ ধৰি ধৰি দুপাশৰ গভীৰ গুহাৰ ফালে চাই চাই ইটো কি?—সিটো কি? কৈ প্ৰশ্ন কৰি মোক ক্ৰমাৎ বিচ্ছেদ পাহৰাবলৈ ধৰিলে। সেইভাবে গৈ গৈ জুবজা নামে এটা আড্ডা পালোঁগৈ। সিমানতে ৰাতি দুপৰমান হ'ল। মোৰ অনুমতি লৈ গাড়োৱানে তাতে গাড়ী খুলি ৰাতিটো জিৰাবলৈ যো-জা কৰিলে। তাৰ লগে লগে ছেগ চাই গৃহিণীয়ে আমাৰো এমুঠি ভাতৰ দিহা লগাবলৈ বুলি গাড়ীৰপৰা নামি আহি লগুৱাক লগাই কাৰবাৰত ধৰিলে। সেই ছেগতে মই লাহেকৈ নামি গৈ জুবজা-জুৰি-নৈৰ বুকুত বুকু পাতি থকা এচপৰা পাথৰৰ আসনত বহি ললোঁগৈ। জোনাক ৰাতি। আকাশৰ কেনিও ক'তো মেঘ এচিকতাও নাই। চতুৰ্দশীৰ জোনে ফটফটীয়া পোহৰ মেলি চকুৰে মনিব পৰালৈকে পৃথিৱীৰ সেই পৰ্বতীয়া ভাগ দিন যেন পোহৰ কৰি থৈছিল। এনেকি জুৰিটিৰ নিজনি পানীত মুকলিমূৰীয়াকৈ চৰি ফুৰা শিলঘৰীয়া মাছ আৰু তাৰ সৰু সৰু পোৱালিবোৰে পাখি মেলি নাচি ফুৰা, আৰু তাৰে পৰা পূবে কহিমা টাউনলৈকে একেকঠি দীঘলী গুহাটিৰ তলি পৰিমিত ফট্‌ফটীয়াকৈ দেখা গৈছিল। প্ৰকৃতিৰ সেই গুপ্ত শোভা চাই চাই মই আপোনপাহৰা হৈ ৰ-লাগি ৰলোঁ। তাৰ পাচত মূৰ দাঙ্গি পূবফালে চাই পঠিয়াওঁ যে মোৰ মনোমোহা কহিমা নগৰীখন আকৌ মোৰ চকুৰ আগতে! সেই কেণ্টনমেণ্ট চাপৰি য'ত এই একেকঠি দীঘলী গুহাটিয়ে উজাই গৈ শিতান পাতিছেগৈ; সেই মোৰ হেঁপাহৰ সাহিত্য মন্দিৰ, যি সেই চাপৰিৰ পছিম পাশত থিয় হৈ মোৰফালে তেতিয়াও চাই আছিল; সেই ওখ কিল্লাৰ মাজত কাছাৰি ঘৰ, য'ত মোৰ সেই অন্তৰতম বন্ধু দুজনে বিষয়-ববীয়া চৰ্কাৰী কাম কৰে; সেই 'যাদু চাহা'ৰ বঙ্গলা, সেই মোৰ এৰি অহা বহা; এই সবাৰোপৰি, সেই কহিমা পৰ্বতৰ টিং, য'ত মোৰ এৰি অহা নগা ছাত্ৰ-ছাত্ৰীবৃন্দে বাস কৰে, য'ত মই নগাা-গেনা চাই-মেলি বিমোহিত হওঁ। আৰু য'ত

সবল আৰু সবলা নগা ডেকা আৰু নাগিনী গাভৰুৰে সৈতে সততে মই লীলাখেলা কৰোঁ। সেই আটাইবোৰ দৃশ্যই লগ লাগি যুটীয়া বলেৰে মোক দাঙ্গি লৈ উৰুৱাই নি আকৌ কহিমা পোৱালেগৈ। মহাৰঙ্গে মই ভ্ৰমিবলৈ ধৰিলো। জুবজা জুৰিৰ বুকুত পাথৰটোৰ ওপৰত মোৰ ভেলাটো মাথোন চৰগ-পৰা শৰীৰটোৰ দৰে বহি থকাতে থাকিল; মই গৈ আকৌ মোৰ সেইকালৰ লীলাভূমিত বিহাৰ কৰিবলৈ ধৰিলোঁগৈ। এনেতে চাত্‌কৰে মনত পৰিল মোৰ গৃহিণীলৈ, বাটৰ কানত আমাৰ বাটৰুৱা ভোজনলৈ তেওঁৰ দিহাকৰণলৈ আৰু আমাৰ বাটঘৰ সেই গাড়ীখনলৈ। টোপনিৰপৰা খক্‌মক্‌কৈ উঠি বাট খেপিৱাৰ দৰে মই নৈৰ বুকুৰপৰা খপৰ-জপৰকৈ উঠি আহি দেখোঁ যে আমাৰ বাট-ভোজনৰ যুগুত কৰি উঠি গৃহিণীয়ে মোলৈ বাট চাই আছে। মই কাকো একো নকৈ ততালিকে তেওঁৰ কোষ চাপি ভাতৰ পাতত বহিলোঁগৈ। তাৰ পাচত আমি পৰম তৃপ্তিৰে সেই বাটৰুৱা আহাৰ ভোজন কৰি উঠি ৰাতিটোলৈ গাড়ীত উঠি শুই থাকিলোঁগৈ।

পিচদিনা উষা পোহৰতে গাৰোৱানে গাড়ী চলাই দিলে। তাৰপৰা ভালেমান বাট অহাৰ পাচতহে মই সাৰ পাইছোঁ। তাৰ পাচত টিঙ্গিমাপানী নামে সৰু আড্ডা এটাত অলপ পৰৰ নিমিত্তে গাড়ী ৰখাই লৈ তাতে আমি প্ৰাতঃকৃত্য সমাপন কৰি ললোঁ। বাটত আৰু ক'তো ৰবৰ মন নগ'ল; মাথোন টিফিমাপানী নামে আন এটা সৰু আড্ডাত ক্ষন্তেকমান ৰৈ তাতে জা-জলপান খাই উঠি একেবাৰে নিচুগাৰ্ড নাপাওঁগৈ মানে গাড়ী আৰু নৰখাবলৈ গাড়োৱানক আদেশ দিলোঁ। একেৰাহে গাড়ী চলিবলৈ ধৰিলে। একেচিপতে দুটা আড্ডা পাৰ হৈ আহি আহি সন্ধিয়া পৰত মোৰ পুৰণি চিনাকি নিচুগাৰ্ড আড্ডা পালোঁহি। তাতে চৰ্কাৰী জিৰণি বঙ্গলা ঘৰৰ সমুখতে গাড়ী ৰখাই মই নামি পৰিছোঁ, এনেতে ওপৰ কিল্লাৰপৰা মোৰ পুৰণি বন্ধু ৰেজিমেণ্ট জামাদাৰ এজনে দেখা পাই, ৰংমনেৰে আমাৰ গাড়ীৰ কাষলৈ নামি আহিল। তেওঁ আগেয়ে কহিমাত ৰেজিমেণ্টৰ জামাদাৰ আছিল; মাহদিয়েকৰ আগতে মাথোন তেওঁ নিচুগাৰ্ড কিল্লাৰ অধ্যক্ষ হৈ আহিছিল। তেওঁ বৰ আথে-বেথে আমাৰ শুশ্ৰূষাৰ কাৰণে যো-জা কৰিব ধৰিলে। লগত আমাৰ লগুৱাটো লৈ মোক কলে, "আপোনাসকলে সৌ জিৰণি বঙ্গলাত গৈ জিৰাওকগৈ; মই আহাৰ-পানীৰ সকলো যোগাৰ কৰি দিওঁ।" সেই সুচেগতে গৃহিণীৰে সৈতে মই হৰ্ষ-বিহ্বল চিত্তে নিচুগাৰ্ডৰ খলখলাই হাঁহি থকা নৈখনিৰ পাৰত থিয় দিলোঁগৈ। দেখিলো যে আমি নৱ-দম্পতি হৈ অহা যাত্ৰাত যিচটা শান্তিশিলাই চামৰ পীৰাত তোলাদি আমি দুইক তুলি ধৰি আদৰিছিল এতিয়াও সেই শান্তি-শিলাই আসন পাতি আমাক সাদৰে আহ্বান কৰিব লাগিছে। আমি দুয়ো হাত ধৰা-ধৰিকৈ শিলনিৰ ওপৰে পানী ভাঙ্গি গৈ গৈ সেই শান্তি-পীৰাখনিৰ শুশ্ৰূষা গ্ৰহণ কৰিলোঁগৈ। গৃহিণী গাতে লাগি থকাত যদিও মোৰ নীৰলা ভাব উদ্গীৰণলৈ সুচল নঘটিল, তথাপি সাংসাৰিক সুখ-সঙ্গেৰে মোৰ চিৰলগৰীয়া প্ৰাকৃতিক সুখ দৃশ্য উপভোগৰ পৰা মই বঞ্চিত হোৱা নাছিলোঁ; মাজে মাজে মাথোন মনতে এই প্ৰশ্ন উঠিছিল যে "সেয়েই নেকি মোৰ শেষ সম্ভোগ?"

## হিড়িম্বা নগৰত এভুমুকি

যথাসময়ত সুমৰিবলৈ পাহৰিলোঁ যে মোৰ কহিমা বিদায়ৰ মাহদিয়েকৰ আগতে মই নগা-হিল জিলাৰ এলেকাৰ ডিমাপুৰ হাতী-মহলটো খেদা-ঠিকাৰ কৰাবলৈ বুলি ডাকি লৈছিলোঁ। পিচে চৰ্কাৰী চাকৰীয়ালৈ তেনে ব্যৱসায় অবৈধ হেতুকে, মহলটো মোৰ নামৰ পৰা খাৰিজ কৰাই মোৰ ববককাইদেউ ৺কণনাথ গোহাঞিবৰুৱাৰ নামত লগাই লৈছিলো। সেই আপাহতে তেওঁ আমাৰ উত্তৰ লক্ষীমপুৰৰ ঘাই ঘৰৰপৰা নিজা তিনিটা কুন্ধী হাতীৰে সৈতে গৈ ডিমাপুৰ থানাৰপৰা অলপ ভাটীত প্ৰৱসুৱা বহা পাতি আছিল আৰু আমি নামি আহি সেইখিনি পোৱাৰ কেইদিনমানৰ আগতে মাথোন তিনিটা বনৰীয়া হাতী ফান্দীইঁতে হাবিৰপৰা ধৰি আনি বান্ধিছিলহি। আমি নামি অহাৰ সংবাদ তেখেতক দি থোৱা আছিল। গতিকে আমি আহি থানাৰ মুখ পাওঁতেই তেখেতে আমাক গাড়ীয়ে সৈতে সেই প্ৰৱসুৱা বহালৈ লৈ গলহি। তাতে দুপৰ নৌ হওঁতেই আমাৰ খোৱা-মেলা হৈ গ'ল। আৰু এঘণ্টামানৰ পাচতে আমাৰ গাড়ী আকৌ চলাই দিয়াৰ কথা আছিল। পিচে বনৰীয়া হাতী কেইটা চাই গৃহিণীয়ে আৰু ঘণ্টাদিয়েক তাতে জিৰাবৰ ইচ্ছা কৰিলে। সেই ছেগতে মই আমাৰ হাতী এটাত উঠি পুৰণি ডিমাপুৰ নগৰখনৰ ভিতৰ সোমাই চাবলৈ বুলি হাবিত সোমালোঁ। ইয়াৰ আগেয়েও কেইবাবাৰো নগৰখন সোমাই চাবৰ মন কৰিছিলোঁ, কিন্তু সুবিধা নোপোৱাত সেই অটব্য হাবিৰ মাজ সোমাব পৰা নাছিলোঁ। নগৰখন বৰ্তমান ডিমাপুৰ থানাৰ পছিমে নিচেই কাষতে। সোমাই দেখিলোগৈ যে সেই পুৰাতনীয়া ৰাজধানী বা ৰাজটোলটো আহলে-বহলে বৰ্গক্ষেত্ৰাকাৰকৈ সুপ্ৰশস্ত ; এটা সীমাৰপৰা আনটোলৈ কমকৈও চাৰি-পাঁচ মাইলমান হব। মই পূব আৰু উত্তৰ সীমাৰ মাথোন কিয়দংশকৈ চালো। উত্তৰ সীমাত ধনশিৰী নৈলৈ মুখ কৰি যিখন ৰাজদুৱাৰৰ ভগ্নাৱশেষ দেখিলোঁ তাৰ কাৰুকাৰ্যাদিলৈ লক্ষ্য কৰি মোৰ মনত ধাৰণা হল যে, সি কছাৰী ৰজাদিনীয়া ডিমাপুৰ নগৰৰ চিন নহয়, তাতকৈ বহু পুৰণি কালৰহে কীৰ্তিচিন। কাৰণ, সেই ভগা দুৱাৰৰ দুফালে থিয় কাতি হৈ পৰি থকা শিলৰ খুটা বা স্তম্ভ* দুটাত খটোৱা অতি মিহি আৰু বিচক্ষণীয়া কাৰুকাৰ্য কছাৰী ৰজাদিনীয়া অসমৰ অন্যান্য কাৰুকাৰ্যত নিমিলে ; মাথোন নগৰৰ ভিতৰ ভাগত অ'ত ত'ত সিচঁৰিত হৈ পৰি থকা শিলাখণ্ডবোৰৰ কোনোটোত শিৱসাগৰৰ নামদাং শিলৰ সাঁকোত লগোৱা উকা আৰু শিৱদ'লত লগোৱা মূৰ্তিকটা শিলাখণ্ডবোৰৰ আহি দেখা গৈছিল, সৰহভাগত পুৰণি কামৰূপৰ প্ৰাগজ্যোতিষপুৰ আৰু শোণিতপুৰৰ পৌৰাণিক কাৰুকাৰ্য খটোৱা খনিকৰী আহি দেখা পোৱা হল। সেইবোৰ মোৰ মনত মহাভাৰতীয় যুগৰ কীৰ্তিচিন যেন লাগিল ; আৰু আগৰ পৌৰাণিক হিড়িম্বানগৰৰ ভগ্নাৱশেষৰ চিন-মোকাম যেন বোধ হ'ল। সি যি হওক, যি দেখিলো তাৰে মোটামুটি টোকা এটা ধৰি লগত ললোঁ। সি এতিয়া মোৰ তথ্য সংগ্ৰহৰ টোপোলাত।

---

*এই শিলৰ খুটা বা স্তম্ভ দুটাৰ ফটোগ্ৰাফ কৰাই নি মিষ্টাৰ ( পাচত চাৰ ) গেইট চাহাবে তাৰপৰা ছবি কটাই তেওঁৰ অসমৰ বুৰঞ্জীত ছপাই দিছে ; আৰু তাৰে নকলী ছবি এটা তেওঁৰ অনুমতিক্ৰমে মোৰ অসমৰ বুৰঞ্জীতো দিয়া হৈছে।

তাৰ পাচত সেইদিনা ৰাতিৰ ভোজনো ককাইদেৱৰ প্ৰশ্ৰয়ৰ বহাতে সমাপন কৰি উঠি জোনাক ৰাতি আমি গাড়ীত উঠি আকৌ আমাৰ বাট খেদিবলৈ ধৰিলোঁ। ৰাতিৰ ৰাতিটো আৰু দিনৰ দুপৰলৈকে একেৰাহে গাড়ী চলি আহি আছে, ক'তো অকণো ৰখোৱা নাই; আহি আহি নামঘৰ হাবিৰ মাজত আমাৰ যাত্ৰাকালৰ সেই ভয়ঙ্কৰ বাটছোৱা পালোঁহি। এনেতে মই পূৰ্ব কাহিনীলৈ সোঁৱৰাই দি গৃহিণীক সেই ঠাইডোখৰ আঙুলিয়াই দেখুৱালোঁ; দেখিয়েই তেওঁ জিকাৰ খাই গাড়ীৰ ভিতৰতে মুছৰ্কছ যোৱাদি গ'ল, আৰু লগুৱা ল'ৰাটোৱে লৰ মাৰি আহি আহি আমাৰ লগতে গাড়ীত উঠিলহি! দেখি দুইলৈকে মোৰ পুতৌ হ'ল, ভিতৰি ময়ো সেই ভয়ঙ্কৰ সাংঘাটিক কাহিনী সুমৰিবলৈ ধৰিলোঁ। তাৰপৰা আৰু এঘণ্টামানৰ পাচত, নামঘৰ হাবি পাৰ হৈ ওলাই আহি আকৌ যাত্ৰাকালৰ বিপদৰ বন্ধু সেই মাৰোৱাৰী ভদ্ৰলোকজনৰ গোলা পালোঁহি। তাতে তেওঁৰ শুশ্ৰূষা গ্ৰহণ কৰি উঠি আকৌ বাট খেদিবলৈ ধৰিলোঁহঁক। আহি আহি ৰাতি এপৰমানত গোলাঘাট টাউনত সোমালোঁহি। তেতিয়াও মোৰ ৺ভিনীহিদেৱ গোলাঘাট কাছাৰিৰ হেডক্লাৰ্কৰ কামতে আছিল। সেই ৰাতিটো আৰু তাৰ পিচদিনাও মোৰ চেনেহী ৺বাইদেৱৰ বুকুত জিৰণি লৈ ৰাতি আন এখন গাড়ীত উঠি আহি আহি পুৱা ৮ মান বজাত নেঘেৰিটিং ঘাট পালোঁহি। তাতে ১০ মান বজাত জাহাজত উঠি আবেলিপৰত কমলাবাৰী ঘাটত নামিলোঁহি। নামিয়েই গৃহিণীক ধৰি ধৰি লৈ গৈ চৰ্কাৰী জিৰণিৰ পাটবঙ্গলাত উঠিলোঁগৈ। তেতিয়া সেই বঙ্গলাৰ ওপৰত মেমে সৈতে উত্তৰ-লক্ষীমপুৰৰ মহকুমাধিপতিজনো (মিঃ আৰু মিছেছ জেকচন) ভাটীলৈ যোৱা জাহাজলৈ বাট চাই খপীয়া পৰি আছিল। আমি গৈ উঠাত মেম আৰু চাহাবে বৰ ৰং পালে। মই বৰ ৰং মনেৰে সিবিলাকৰে সৈতে কথা-বাৰ্তা পাতিবলৈ ধৰিলোঁ। আলাপ কৰি থাকোতে মিছেছ জেকচনে এবাৰ আক্ষেপসূচক আগ্ৰহেৰে এই বুলি কৈ উঠিল, "এঃ আমি এই ছুটীত অহাৰ আগতে আপুনি গৈ লক্ষীমপুৰ পোৱাগৈ হলে বৰ ভাল পালোহেতেন।" এনেতে আমাক ঘাটৰপৰা নিবলৈ আমাৰ ঘৰৰ পৰা পঠিওৱা মানুহ আৰু গাড়ী পালেহি। আমি লৰালৰিকৈ নামি গাড়ীত উঠিলোঁ। তাৰপৰা নানান অসুবিধা চেৰাই আহি আহি পিচদিনা ৰাতি দুপৰমানত আমাৰ ঘাইঘৰ পালোঁগৈ। ঘৰত ৺আইতা-দেউতাৰ বুকুত আৰু এদিন-এৰাতি মাথোন জিৰালোঁ। তাৰ পিচদিনা গৃহিণীক ঘাইঘৰতে থৈ মই তেজপুৰ উদ্দেশ্যে আকৌ জাহাজ ঘাটলৈ ওলটা যাত্ৰা কৰিলোঁ।*

* আৱাহন, ভাদ, ১৮৫৪, ৩ বছৰ, ১১ সংখ্যা

# দশম সৰ্গ

## তেজপুৰ যাত্ৰা

গৃহিণীক ঘৰতে থৈ মই অকলে চাকৰ এটাৰে সৈতে তেজপুৰলৈ যাত্ৰা কৰি পিচদিনা আবেলি উলটি কমলাবাৰী ঘাট পালোঁহি। ঘাট পাই হতাশৰ বিষম খুন্দা এটা সহিব লগাত পৰিলোঁ—ময়ো ঘাট পাইছোঁগৈ, জাহাজেও উকি মাৰি এৰাই আঁতৰি গুচি গ'ল। মই হতাশত শেঁতা পৰি মিনিটচেৰেকৰ নিমিত্তে ফ্লেটৰ ওপৰত ঠৰ লাগিলোঁ। তাৰ পাচত সেমেনা-সেমেনিকৈ ভেলেঙ্গী শৰৰ দৰে জাহাজলৈ বাট চাই চায়ে থাকিলোঁ, জাহাজ মোৰ প্ৰতি ইতিকিং কৰি ফোঁচ ফোঁচাই হাঁহি হাঁহি ভটীয়াই গুচি গলগৈ। মই অগত্যা গধুৰ মনেৰে এখুজি দুখুজিকৈ পাৰলৈ উঠি আহি এজেণ্ট বাবুৰ বহাত আলহী সোমালোঁহি। তেওঁ আথেবেথে মোক ওচৰতে বহুৱাই লৈ মন ভাল লগোৱা কথা-বাৰ্তা পাতি, মাজে মাজে এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে যে আৰু মিনিটদিয়েকৰ আগতে মোক দেখা পোৱা হলে, তেওঁ জাহাজখন কেইমিনিটমানলৈ ৰখাই থব পাৰিলেহেঁতেন। এফেৰিমানতে জাহাজখন এৰি গ'ল; পিচদিনা আকৌ সিমান পৰলৈকে মই অবাবত বাট চাই ৰ'ব লগা হল। তেওঁৰ সেই সৰল আক্ষেপে মোৰ আক্ষেপ ভিতৰি চতুৰ্গুণে বঢ়াবলৈহে ধৰিলে। গতিকে তেওঁৰ কাষৰপৰা আঁতৰ হৈ মই নৈৰ বালিত গৈ অকলশৰে ইফাল-সিফালকৈ তহলিবলৈ ধৰিলোঁগৈ। সেই ছেগতে চিন্তাই মোক অকলে পাই, কাণে কাণে ফুচফুচাই এটা বুধি দিলে যে, যি হ'ল হ'ল, ওচৰতে আমাৰ সত্ৰত গৈ নিজিৰাওঁগৈনো কিয়? মনে মনে বুধিটো গাঁথিত বান্ধি লৈ আহি, এজেণ্ট বাবুৰ আগত মেলি দেখুৱালোঁহি। তেওঁ অলপ বিষম বোধ কৰি এই বুলি অপৰ এটা মন্ত্ৰণা বুধি দিলে যে, ৰাতিটোলৈ তেওঁৰে শুশ্ৰূষা গ্ৰহণ কৰি তাতে জিৰণি লৈ, পিচদিনা পুৱাতে বৰনৈত প্ৰাতঃস্নান কৰি সত্ৰলৈ গৈ বেলাৰে বেলাটো তাতে কটাব পাৰিলেহে মই ভাল তৃপ্তি লাভ কৰিব পাৰিম। তেওঁৰ বুধিয়ে মোৰটো তল পেলালে। সেই অনুসৰি ৰাতিটো তাতে কটাই পিচদিনা প্ৰাতঃস্নান কৰি অলপ জা-জলপান বা চাহ পান কৰি গৈ পুৱা ৮ মান বজাত আমাৰ আউনীআটি সত্ৰত সোমালোঁগৈ। সোমায়েই পোনেই ৺শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী আমাৰ আধ্যাত্মিক নিজ গুৰুদেৱক সাষ্টাঙ্গে প্ৰণিপাত কৰিলোঁগৈ। প্ৰভু ঈশ্বৰে মোক দেখা পাই বৰ সন্তোষ প্ৰকাশ কৰিলে। তাৰ পাচত এজনাৰ সঙ্কেত মতে আন এজনাই মাতি নি মোক আলহী শুশ্ৰূষাৰ ঘৰত অলপ জা-জলপান কৰাই লৈ সত্ৰৰ চাৰি হাটী ফুৰাই-চকাই ভিতৰ বাটচ'ৰাইদি পাৰ কৰি নি বাজ বাটচ'ৰাৰ কাষত কিছুমান পৰ ব্যাণ্ড বাদন শুনালেগৈ। তাৰপৰা এঘন্টামানৰ পাচত মোক আকৌ নি গোঁসাই ঈশ্বৰৰ ওচৰত ভেটাই থলেগৈ। মই গভীৰ ভক্তিসহকাৰে প্ৰভু ঈশ্বৰ মুখে বিবিধ বিষয়ক জ্ঞানগৰ্ভ উপদেশবাণী শুনি শুনি পৰম তৃপ্তি লাভ কৰিবলৈ ধৰিলোঁ। কথা প্ৰসঙ্গত গোঁসাই ঈশ্বৰে উলাহেৰে মোক এই বুলি সুধিলে,

"আমাৰ সত্ৰীয়া ব্যাণ্ড বাজনা শুনলাগেনে ?" মই সভক্তিৰে উত্তৰ দিলোঁ, "শুনা হৈছে জগন্নাথ।" প্ৰভু ঈশ্বৰে ততালিকে পুনৰপি প্ৰশ্ন কৰিলে, "কেনে পালা, কেনে দেখা ?" মই সেৱা এটি কৰি অতি বিনীতভাৱে এই উত্তৰ দিলোঁ, "জগন্নাথ! শুনি ভাল পালোঁ। কিন্তু কেনে দেখো তাক ভাঙ্গি কবলৈ হলে, বৰ ভাল নেদেখোঁ। কিয়নো ঈশ্বৰ পুৰুষে যিমান প্ৰবন্ধৰে এই ব্যাণ্ডপাৰ্টি গঠন কৰি ইয়াৰ উন্নতি সাধিবলৈ চাইছে সেই প্ৰবন্ধেৰে আৰু সেই ইচ্ছাৰে আমাৰ স্বদেশী গীত-বাদনাদিৰ চৰ্চা কৰি তাৰ বহুল উন্নতি সাধিব পাৰেচোন ? আমাৰ আগৰদিনীয়া বৰগীত আৰু তাৰ আনুষঙ্গিক বাদনাদিৰ চৰ্চা আজি-কালি ক্ৰমাৎ লোপ পাই আহিবলৈ ধৰা দেখিলে শোকে খুন্দি আনে। কোৱা বাহুল্য মাথোন যে আমাৰ সেই পুৰণি গীত-বাদ্যাদি আমাৰ বৰ্তমান জাতীয় সাহিত্যৰ ভেটিস্বৰূপ। আনহাতে চাবলৈ গলে, ব্যাণ্ড-বাদনাদি বিদেশীয় আনন্দৰ আহিলাপাতি আৰু এনে বাদনাদিয়ে ৰণ-বিগ্ৰহাদিতহে উদগনি দিয়ে, আমাৰ সত্ৰীয়া জাতীয় উৎসৱাদিত ই সিমান গুণ দিব নোৱাৰে। সেৱকে ইয়াকে মনোভাব ব্যক্ত কৰিলোঁ; প্ৰভু জগন্নাথে নিজ গুণে দায়-দোষ মৰ্ষণ কৰে যেন।" মোৰ কথা কেষাৰ গোঁসাই ঈশ্বৰে মনপাতি শুনি থাকি, শেহান্তৰত এই বুলি সামৰি থলে, "দায় ধৰিবলগীয়া কথা তুমি একো কৰা নাই; বৰঞ্চ সজভাবমূলক কথাহে কৈছা। আৰু তোমাৰ কথাকেই আমাৰ মনত ৰাখিবলগীয়া।" তাৰ পাচত 'আসাম বিলাসিনী' প্ৰচাৰ প্ৰমুখ্যে ভালেমান দেশহিতকৰ কাৰ্যৰফালে শুভদৃষ্টি ৰখাৰ বাবে গোঁসাই ঈশ্বৰৰ বিস্তৰ গুণ-কীৰ্তন কৰি মই প্ৰভুপদত লৱালৰিকৈ বিদায় মাগিলোঁ; কিয়নো সিফালে জাহাজ চাপিবৰ সময় চাপিলহি। প্ৰভু ঈশ্বৰে সন্তোষ, চিতেৰে মোক বিদায় দিলে। ঘাটলৈ বুলি খৰখোজেৰে উলটি আহোঁতে মনে মনে এই এটা ভাবে সন্তোষ দি আহিছিল যে, "যি কৰে ঈশ্বৰে, মানুহৰ ভালৰ কাৰণেহে কৰে; আগদিনা মই জাহাজ নেহেৰুৱা হলে, পিচদিনা সত্ৰত নিজগুৰু দৰ্শন আৰু প্ৰভু ঈশ্বৰৰ অমায়িক জ্ঞানগৰ্ভ আলাপন শ্ৰৱণ কৰি পোৱা সেই আপুৰুগীয়া তৃপ্তিলাভৰ সোণাময় ছেগটি হেৰুৱালোহেঁতেন।"

মই উলটি আহি ঘাট পোৱাৰ এখনমান তামোল খোৱাৰ পৰতে নিলগত জাহাজৰ ধোঁৱা দেখা গ'ল। মই লগুৱাটোৰ সৈতে খৰধৰকৈ গৈ 'বোট'ত উঠি লৈ জাহাজ আহি কাষ চপালৈ ডিঙ্গি মেলি মেলি বাট চাই ৰলোঁগৈ। তাৰ পাচত, জাহাজে আমাকো অইন যাত্ৰীৰ লগৰীয়াকৈ তুলি লৈ, উঁকিয়াই উঁকিয়াই আঁতৰি ভটীয়াই যাবলৈ ধৰিলে। মই ধীৰে-শাঁতে দ্বিতীয় শ্ৰেণীৰ কেবিন বা কুঠৰী এটাত থিত্ লৈ, তাৰ সমুখত পাৰি থোৱা হেলনীয়া মাচিয়া এখনত জাহাজৰ আগমুৱাকৈ চিট হৈ পৰি লৈ, সুবহুল সুগহীন মহান ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ বিশাল মনোমোহা দৃশ্য চাই চাই উটি যোৱাদি যাবলৈ ধৰিলো। সেই ছেগতে পৰ্বতীয়া আৰু ভৈয়মীয়া সুখদৃশ্যৰ পাৰ্থক্য ৰিজাই চাই এটি অনিৰ্বচনীয় সুখ অনুভৱ কৰি-বলৈকো মই এটি আপুৰুগীয়া সুযোগ পাইছিলোঁ। দেখিলো সুপ্ৰশান্ত ব্ৰহ্মপুত্ৰ নদৰ কোনো পাকত কোনো পাৰত সুবিস্তীৰ্ণ ৰাঙ্গীথেৰৰ চাপৰিয়ে নিমজ সমান সোণালী পাৰি থোৱা পাটী একোখনৰ দৰে ভাগৰুৱা বাটৰুৱাক একোবাগৰ দি জিৰাই যাবলৈ আদৰেৰে আৱাহন

কৰিব লাগিছে ; কোনো পাৰত কোনো পাকত সুবিশাল ৰূপালী পাৰি থোৱা কমোৱা তুলাৰ তুলিৰ দোলন শয্যা বতাহত সুকোমল ঢৌ তুলি হেন্দুলীয়াই অতি শ্ৰান্ত পথিকক ক্ষন্তেকমান বিশ্ৰাম লৈ যাবলৈ বুলি সাঙ্কেতিক নিমন্ত্ৰণ জনাব লাগিছে ; কোনো একোটা দীঘল ডঁৰিয়লীৰ কোনো পাৰত দীঘলীয়াকৈ শাৰী পাতি একোডৰা শিমলু খেতিয়ে মানৱৰ কপাহ খেতিৰ দৰে বিশ্বখেতিয়কৰ আহিঁ পটন্তৰ দেখুৱাই এলেহুৱা কৃষক প্ৰাণক কৰ্মক্ষেত্ৰত নামিবলৈ নীৰৱে উদগনি দিব লাগিছে ; কোনো একোটা সুদীৰ্ঘ ধেনুভিৰীয়া বৰনৈৰ পাকৰ কিলাকুটীয়া আঁকোৱালিত একোটা প্ৰকাণ্ড বালি চাপৰিয়ে ৰ'দৰ জিলিঙ্গনিৰে তিৰবিৰণি তুলি একো-সাগৰ সদৃশ মৰীচিকাৰ চিত্ৰেৰে মৰুভূমিৰ আদৰ্শ দেখুৱাইছে। লগতে বহুনিলগৰপৰা দুপাশে দুশাৰী পৰ্বত দৰ্শকেও সেই সদৃশ্য একাণপতীয়াকৈ চাই চাই ৰ লাগি ৰৈছিল। ইত্যাদি ভৈয়ামৰ প্ৰাকৃতিক ৰূপলীলা চাই চাই গৈ থাকোঁতে দুয়োপাৰৰ লক্ষীমপুৰ আৰু শিৱসাগৰৰ এলেকা পাৰ হৈ তেজপুৰ সদৰৰ সীমাৰ ভিতৰত সোমালোঁগৈ ; সোমাই তাৰো গহপুৰ, গমিৰি, বিহালী এইকেইটা জাহাজঘাট চেৰাই গলোঁগৈ। তাৰ পাচতো গৈ গৈ আবেলি পৰত বিখ্যাত বিশ্বনাথ ঘাট চাপিছোঁগৈ, এনেতে দেখিলো দীঘল-ডাঙ্গৰ ভদ্ৰলোক যাত্ৰী এজন জাহাজত উঠিছেহি। মই সেই বহাভাগেই ঘূৰ্ঘূৰী ধোঁৱাখোৱাত বৈ বৈ ধপাত হুপি তেওঁৰ আলেখ-লেখ চাই আছোঁ, তেৱোঁ মোৰ কেবিনৰ কাষতে ইণ্টাৰ ক্লাচ এটা পতাই লৈ নিজৰ শয্যা পাতি দিহা লগাই লওঁতে মাজে মাজে একো একোবাৰ মোৰ ধোঁৱা পানলৈ সতৃষ্ণ চকুৰে চাইছে ; গতিগোত্ৰ দেখি বুজিলোঁ, মানুহজন ধপতুৱা। আৰু ভাবিলো সেই তৃষ্ণাই অনতিপলমে তেওঁক মোৰ ওচৰ চপাবহি এতিয়া। এনেভাবে থাকোঁতেই এপাকত আহি তেওঁ মোৰ ওচৰত থিয় দি মোক আধা বঙ্গলুৱা অসমীয়া মাতেৰে সুধিলেহি মইনো কলৈ যাম ; মই তেজপুৰলৈ যাম বুলি সমিধান দিয়াত তেওঁ আগ্ৰহেৰে সৈতে আৰু অলপ মোৰ কাষ চাপি ৰং মনেৰে ক'লে যে তেৱোঁ তেজপুৰতে নামিবগৈ, তেওঁ এজন তেজপুৰবাসী। সেই কথাত মই মোৰেই লাভ হল বুলি ভাবিলোঁ। কিয়নো মই আচহুৱা তেজপুৰ যাত্ৰী, গতিকে তেওঁৰপৰা সেই ঠাইৰ ভিতৰুৱা আৰ-ভাৱৰ আভাস লবলৈ সুবিধা পোৱা যাব। এই ভাবি ময়ো আগ্ৰহেৰে তেওঁক মোৰ কাষতে পাৰি থোৱা আন এখন মাচিয়াত বহিবলৈ সঙ্কেত দিলোঁ। তেওঁ বহিল কিন্তু চকু ধপাত চিলিমৰ ওপৰত। আৰু বহি যাওঁতেই মোক প্ৰশ্ন কৰিলে মই বামুণনে ? উত্তৰত মই কলোঁ, "নহয় মই আহোমহে।" তেতিয়া তেওঁ খলখলাই হাঁহি, এই বুলি কলে, "অ' মই আপোনাৰ কুল-মানৰ কথা বেচকৈ জানো ; উজনি অসমত কাম কৰা দিনৰপৰাই মই আহোমসকলৰ লগত বিশেষ পৰিচিত। মই কায়স্থ মানুহ। আপোনাৰ আপত্তি নাথাকিলে ময়ো ধোঁৱাপানৰ ভাগ লব খোজোঁ।" মই একো নামাতি অলপ মিচিকিয়াই মাথোন ৰংমনেৰে হুপি থকা ৰবৰৰ নলীডালি তেওঁৰ হাতলৈ পাৰ কৰিলোঁ। তেওঁ পায়েই বৰ হেঁপাহেৰে হুপিবলৈ ধৰিলে, কেইমিনিটমানলৈ মাতবোল ৰহিত হল। তাৰ পাচত অলপ তৃপ্তি পলুৱাই ধোঁৱাপান কৰি লৈ মোক আকৌ প্ৰশ্ন কৰিলে, মই আহিছোঁ ক'ৰপৰা তেজপুৰত নামিম কি উদ্দেশ্যে ? মই উত্তৰত চমুকৈ সেই

বিষয়ে ভাঙ্গি কলোঁ। তেওঁ অলপ উগুল-থুগুলভাৱে শুনি থাকি, মোৰ কোৱাৰ পাচত আগ্ৰহেৰে এইবুলি সুধিলে আৰু কলে, "অ' আপুনিয়েই তেজপুৰৰ নৰ্মাল স্কুলৰ হেডমাষ্টৰ হৈ আহিছে ? আপুনি গৈয়েই দুৰ্গাধৰ বাবুক আজৰাই দিবগৈ লাগিব, তেওঁ আপোনালৈ বাট চাইহে আছে, এই সপ্তাহৰ ভিতৰতে শ্বিলং পাবগৈ লাগিব। মই দৰং জিলাৰ স্কুলসমূহৰ ডেপুটি ইন্‌স্পেক্টৰ ; আপোনাৰ ভাবী স্কুলখন মোৰ তাবেদাৰৰ তলতে।" এই বুলিয়েই তেওঁ মেজাজ সলাই গহীনাই বহিলে। ময়ো তেওঁৰ মেজাজ পৰিবৰ্তনৰ মূল তত্ত্ব বুজি উঠি নিজৰ মেজাজ ঠিক ৰাখি গহীনভাৱে কলোঁ, "ভালেই হ'ল তেন্তে এই ছেগতে আপোনাৰে সৈতে আগধৰি চিনাকি হৈ ললোঁ।" তাৰ পাচত দুয়ো ভালেমান পৰলৈকে বিবিধ বিষয়ক কথা-বাৰ্তা পাতিলোঁহঁক। তাৰেপৰা দুয়ো দুইকো যি বুজিলোঁ বুজিলোঁ ; মুঠৰ ওপৰত. দুয়ো দুইৰ প্ৰতি মেজাজ ৰাখি ( reserved ) চলিবলৈ ধৰিলোঁ। এইভাবে বিশ্বনাথৰপৰা আহি শিলঘাট পাওঁতেই ৰাতি দুপৰমান হল। বাকীছোৱা ৰাতিলৈ জাহাজ তাতে বান্ধিবলৈ আয়োজন কৰা দেখি আমি দুয়ো শেহছোৱা ৰাতিৰ কাৰণে বিদায় লোৱা-লুই কৰি নিজ নিজ শয্যাত পৰিলোগৈহঁক।

পিচদিনা পুৱা উষা পোহৰতে জাহাজ মেলি দিয়া হল। জাহাজ তেজপুৰমুৱা হৈ ভটীয়াই আহিল। মই ইতি ছেগতে শৌচাচাৰাদি প্ৰাতঃকৃত্য সমাপন কৰি উঠি, তেজপুৰ ঘাটত নামিবলৈ বুলি সষ্টম হলোঁ। একেসময়তে একেদৰেই মোৰ নতুন চিনাকি ভদ্ৰলোকজনো একে উদ্দেশ্যেই সাজু হৈ উঠি ধীৰে ধীৰে মোৰ কাষলৈ আহি মোক সুধিলেহি, "আপোনাক আগবঢ়াই নিবলৈ ঘাটলৈ কোনোবা আহিবনে ?" মই কলোঁ, "সম্ভৱতঃ আহিব।" তাকে শুনি তেওঁ পুনঃ কলে যে নাহে যদিও, তেওঁ মোক সকলো সুবিধা কৰি দিব, তাৰ নিমিত্তে মই চিন্তা কৰিব নালাগে। মই সেইবাবে তেওঁৰ শলাগ ললোঁ। তেওঁ আন নহয়, বাবু হাৰান চন্দ্ৰ দাসগুপ্ত। দুয়ো কথা পাতি থাকোঁতেই দুইৰো চকু পাৰত থিয় দি বাট চাই থকা কেজনমান অসমীয়া ভদ্ৰলোকৰ ওপৰত পৰিল। তেওঁ ব্যগ্ৰতাৰে সৈতে মাতি উঠিল, "ঐ যে দুৰ্গাবাবু !" মই লাহেকৈ উত্তৰ দিলোঁ, "ময়ো চিনিছোঁ ; আৰু মই যাৰ ঘৰত আলহী হমগৈ তেওঁকো দেখিছোঁ, সোৱা বৰকটকীৰ কাষতে।" তেওঁ কলে, "ঘনকান্ত বাবুৰ কথা কৈছে নেকি !" মই কলো, "হয়।" শুনি তেওঁ নিজে আগধৰি নিশ্চিন্ত হৈ লৈ মোক এই বুলি আশ্বাস দিলে, "তেনেহলে আপোনাৰ কোনো চিন্তা নাই ; মই সহায় নকৰিলেও হব।" এনেতে পাৰৰপৰা জাহাজৰ ওপৰলৈ উঠি আহি মোৰ সমনীয়া বন্ধু শ্ৰীযুত দুৰ্গাধৰ বৰকটকী আৰু মোৰ অগ্ৰজপ্ৰতিম বয়সীয়া বন্ধু মিঃ ঘনকান্ত চলিহা আমাৰ কাষতে থিয় হলহি। দুয়ো মোক অতি চেনেহেৰে আলিঙ্গন কৰিলে, ময়ো দুইকো সেই চেনেহৰ প্ৰতিদান দিলোঁ। তাৰ পাচত হাৰান বাবুৰে সিবিলাকৰ হাতত মোক গতাই দিয়াদি দি মোৰে সৈতে হস্তমৰ্দন কৰি বিদায় লৈ পাৰলৈ নামিবলৈ খৰধৰ কৰিলে। তেওঁ নামি যোৱাৰ পাচতে, লগুৱাটোৰে সৈতে মোৰ মাল-বস্তুখিনি বৰকটকীক গতাই দি মিষ্টাৰ চলিহাই মোক তেওঁৰ বাগীত তুলি লৈ আহি তেওঁৰ বঙ্গলাত আলহী নমালেহি। নামিয়েই ভিতৰলৈ সোমাই গৈ দেখোঁ যে,

সেইঘৰত মই আলহী নহয়, পৰিয়ালৰ এজনহে। ইগৰাকী সিগৰাকীৰপৰা "পদ্মবোপাটি" সম্বোধন শুনি মোৰ প্ৰাণ শীতল হল, ভালেমান পৰলৈকে বাহিৰৰ কথা মই পাহৰি গলোঁ। অলপ পাচতে বৰকটকীদেৱৰ দিহামতে নৰ্মাল স্কুলৰ বিৰাম নামে বুঢ়া চকীদাৰে এখন গাড়ীতকৈ লগুৱাটোৱে সৈতে মোৰ বয়বস্তু আটাইখিনি ঠিকে-ঠাকে আনি মোক চমজাই দি গলহি।

সেইদিনাই দুপৰীয়া ভোজনৰ পাচত থৰপোচ্‌কৈ গৈ বৰকটকীদেৱক দুখন বিষয়বাবৰ কান সলনি দিলোঁগৈ ; এখন "তেজপুৰ নৰ্মাল স্কুলৰ হেডমাষ্টৰী" গৱৰ্ণমেণ্ট বিষয়বাব, আৰু ইখন "তেজপুৰ অসমীয়া ভাষা আলোচনী সভাৰ সম্পাদক"ৰ ৰাইজীয়া বিষয়বাব। সেই একেদিনাই আবেলি তেজপুৰ টাউনবাসী অসমীয়া ভদ্ৰলোকসকলে এখন চাহখোৱা মেল পাতি বৰকটকীদেৱক বিদায়-সম্ভাষণ জনোৱাৰ পাচত, তেওঁক সন্ধিয়াপৰত শিলঙ্গলৈ বুলি আগবঢ়াই নি জাহাজত তুলি থৈ আহিলোগৈহঁক। পিচদিনাৰপৰা মই পোনেই চৰকাৰী বিষয়বৰীয়া কৰ্তব্য আগত লৈ কাৰ্য আৰম্ভ কৰিলোঁ। তেজপুৰ নৰ্মাল স্কুলৰ হেডমাষ্টৰৰ আসন গ্ৰহণ কৰোঁতেই জয়জয়তে মোৰ কাণত বাজি যোৱা পোন প্ৰথম আসোঁৱাহ এটা গুচাই ললোঁ ; ছাত্ৰ-গুৰু-বৰ্গৰপৰা মোক কোনোৱে চাৰ, কোনোৱে বাবু বুলি সম্বোধন কৰাত মোৰ আচহুৱা কাণত সি বেজবেজাই বাজি উঠিল। কিয়নো গাঁৱলীয়া গুৰুৰ মুখত চাৰ শব্দটো অশোভন আৰু বাবু মাতষাৰ আপচু যেন মোৰ বোধ হ'ল। ভাবিলোঁ অসমীয়া ব্যৱস্থাৰে পুৰৈপাত মোহাৰি সানি সেই পোৰণি বা বেজবেজনি তেতিয়াই ততালিকে মাৰি নললে সি অভ্যাসত সোমাই লৈ পাচত মোক সততে আমনি কৰি থাকিব ; সেই কাৰণে সেই প্ৰথম দিনাই মই মোৰ গুৰু-ছাত্ৰবৰ্গক সংশোধন কৰি বুজাই দিলোঁ যে অসমীয়া স্কুলৰ অসমীয়া শিক্ষকক চাৰ বা বাবু বোলাটো আপচুজনক কথা ; এতেকে তেতিয়াৰপৰা সিবিলাকে শিক্ষাগুৰুক "গুৰুদেৱ" বুলি সম্বোধন কৰিব লাগিব। ফলিতাৰ্থত, তেতিয়াৰেপৰা তেজপুৰৰ গাঁৱলীয়া পঢ়াশালীবোৰত নিজ শিক্ষকক "গুৰুদেৱ" সম্বোধন কৰাৰ ৰীতি প্ৰচলিত হবলৈ ধৰিলে। ইমানৰেপৰা মোৰ তেজপুৰীয়া জীৱন। তেতিয়াৰেপৰা এতিয়ালৈকে এই ক্ষুদ্ৰ জীৱনৰ প্ৰায় অৰ্ধশতাব্দী বছৰীয়া কাহিনী সুমৰিবলৈ আগলৈ আছে। ভালে কালে জীয়াই থাকোঁ যদি এই "সোঁৱৰণীত" এই ক্ষুদ্ৰ জীৱনৰ অন্তকাললৈকে বিবৃতি পূৰাই থৈ যাবলৈ হাবিয়াস থাকিল। (ইং ১৮৯৬ চনৰ ডিচেম্বৰ মাহ)।*

* আৱাহন, আহিন, ১৮৫৪, ৩ বছৰ, ১২ সংখ্যাত প্ৰকাশিত।

# একাদশ সৰ্গ

## তেজপুৰীয়া জীৱন আৰম্ভণ

তেজপুৰ নৰ্মাল স্কুলৰ হেডমাষ্টৰ আৰু "তেজপুৰ অসমীয়া ভাষা আলোচনী সভা"ৰ সম্পাদক এই দুই চৰ্কাৰী আৰু সমজুৱা বিষয়বাব মুৰ পাতি লৈ ইং ১৮৯৬ চনৰ ২৬ ডিচেম্বৰৰ-পৰা মই তেজপুৰীয়া জীৱন আৰম্ভ কৰিলোঁ। তাৰেপৰা সেই চনৰ মেই মাহৰ অন্তলৈকে এই পাঁচমাহ মোৰ অগ্ৰজপ্ৰতিম বন্ধুৰ ৺ঘনকান্ত চলিহাদেৱৰ টোলত এটা আলহী ঘৰতেই কটালোঁ। কিন্তু ইতিমধ্যত তেওঁৰ টোলৰ সন্মুখত আলিটোৰ পুবপাৰে গোটাদিয়েক প্ৰৱস্থৱা ঘৰ সজাই লৈ আগন্তুক জুন মাহৰপৰা আৰম্ভ হবলগীয়া জহকলীয়া স্কুল বন্ধত ঘৰলৈ গৈ গৃহিণীকো লৈ আহি তাতে থিতাপি হবলৈ যুগুত দিহা কৰি ললোঁ। এই পাঁচমাহ মই তেজপুৰৰ গতি-গোত্ৰ আৰু আওভাওৰ আলেখ-লেখ বুজি চাওঁতেই পাৰ হ'ল। ওপৰত উন্নুকিৱা বিষয়ববীয়া কৰ্তব্য পালনত বাজে, ওপৰাঞ্চি একো কৰিব পৰা নহ'ল। সেই আলেখ-লেখ চোৱাৰ ফলাফলত ইয়াকে মাথোন উপলব্ধি কৰিলো যে তেজপুৰ টাউনখন স্বৰূপত বঙ্গালী প্ৰমুখ্যে আন প্ৰদেশী প্ৰবাসীৰহে বাসস্থান, ইয়াত নিজাপী থলুৱা অসমীয়াৰ প্ৰতিপত্তি মুঠেই নাই। যি দুই-চাৰিঘৰ টাউনবাসী অসমীয়া আছিল, সিবিলাক নিচেই হোজা আৰু নিৰ্জু। অৰিয়া-অৰি, ফেৰিয়া-ফেৰি লগোৱা ধাতুৰ লোক সিবিলাক নহয়। গতিকে প্ৰকৃত-পক্ষে তেজপুৰ টাউনৰ প্ৰকৃত অধিবাসী সেই আনপ্ৰদেশী লোকসকলহে, সিবিলাককহে আচল তেজপুৰীয়া টাউনবাসী বুলিব লগীয়া; অসমীয়া নহয়। কিয়নো অসমৰ আন আন জিলাৰপৰা আহি থিত্ লোৱা যি দুই-চাৰিজন অসমীয়াই চৰকাৰী চাকৰিৰ আপাহত আন-প্ৰদেশী বাসিন্দাৰ বহা কেৰেয়াকৈ লৈ বা নিজা প্ৰৱস্থৱা বহা সাজি আছিলহি, সিবিলাকহে প্ৰকৃত প্ৰবাসী। সেইবিলাক অসমীয়াৰ লগতে ময়ো এটা প্ৰৱস্থৱা অসমীয়া যোগ হলোঁহি মাথোন; মোৰ এনে বোধ হল। এনেকি সেইসময়ত তেজপুৰত বঙ্গালীৰ প্ৰভুত্ব ইমান বেছি আছিল যে অসমীয়াৰ মানত সিবিলাকহে আগতীয়া কৰ্তা যেন লাগিছিল; বৃটিচৰাজৰ প্ৰতিনিধি শাসনকৰ্তা আৰু ইউৰোপীয় ৰাজবংশধৰসকল সিবিলাকৰ পিচতহে গণ্য হৈছিল। হোজা গাঁৱলীয়া অসমীয়াই যেনেকৈ ইউৰোপীয় চাহাবক "চাহাব" বুলিবলৈ জাতত ধৰি গৰিহণা দিয়া যেন ভাবি ভয় খাই উঠে, বঙ্গালীৰ আগত বঙ্গালীক বঙ্গালী বুলিবলৈকো তেজপুৰৰ অসমীয়াই চঁক খোৱা দেখিলোঁ। দেখি দেখি মোৰ আন্তৰিক খেদ বাঢ়িবলৈ ধৰিলে; মই নিজকে নিজে পুতৌ কৰিবলৈ ধৰিলোঁ, আৰু দেখিলো সেই খেদ আৰু মনস্তাপৰ-পৰা নিষ্কৃতি নাপালে তেজপুৰত মোৰ থিতি অতিশয় অশান্তিকৰ হোৱাৰ আশঙ্কা। গতিকে কি উপায়েৰে সেই আগন্তুক অশান্তি নিলগতে মাৰ নিয়াব পৰা যাব তাৰ চিন্তালোচনাত মোৰ অন্তৰ তলে তলে তপত হৈ আছিল।

## 'তেজপুৰ বঙ্গলা স্কুল'ত অসমীয়া প্ৰচলন

আন যি কি নহওক, তেজপুৰ টাউনৰ দেশীভাষাৰ মজলীয়া ছাত্ৰবৃত্তি পঢ়াশালিপনত অবাধে বঙ্গালী ভাষাই দেশী ঠাই লৈ তিঘিল-ঘিলোৱা দেখি মোৰ গা বৰকৈ বেজাবলৈ ধৰিলে। অলপৰ আগতে মাথোন নগাপৰ্বতৰ ওপৰত প্ৰতিষ্ঠিত কহিমা "এঙ্গলো ভাৰ্ণেকুলাৰ" মজলীয়া স্কুলত অসমীয়া ভাষা প্ৰচলন এদনীয়াকৈ আৰু দহদহীয়া কৰি থৈ আহি ভৈয়াম অসমৰ বক্ষস্থল স্বৰূপ মাজ অসমৰ কেন্দ্ৰস্থল তেজপুৰত অসমীয়া ভাষাক কাতিকৈ থৈ বঙ্গালী ভাষাই তাৰ ঠাই গাৰ বলেৰে দখল কৰি থকাটো চাই থাকিবলৈ মই বৰ টান পালোঁ। সেই অসুখীয়া মনৰ ভাব মনতে পুহিবলৈ ধৰিলোঁ। লগে লগে বাহিৰত তাক কেনেকৈ কাৰ্যত ফলিয়াই তুলিব পৰা যাব তলে তলে তাৰ চিন্তালোচনাত ধৰিলোঁ; আৰু সেই মোৰ চিন্তালোচনা মাজে মাজে "তেজপুৰ অসমীয়া ভাষা আলোচনী সভা"ৰ জৰিয়তে প্ৰকাশ পাবলৈ ধৰিলে। এনেতে সৌভাগ্যক্ৰমে সেইকালৰ শিক্ষাবিভাগীয় ডিৰেক্টৰ মোৰ হিতাশী অভিভাৱক বিষয়া মিঃ জে. উইলচন চাহাব চফৰ ফুৰিবলৈ আহি তেজপুৰত উপস্থিত হলহি। মই ততালিকে সেই ছেগ ধৰি কাৰ্যত তৎপৰ হলোঁ, আৰু অনতিপলমে এখন অভিনন্দন-পত্ৰ ডিৰেক্টৰ চাহাবৰ হাতে হাতে দিয়াবলৈ যুগুত কৰিলোঁ। সেই অৰ্থে, সেই সময়লৈকে যি কেইজন টাউনবাসী আৰু ওচৰচুবুৰীয়া বৰমূৰীয়া ভদ্ৰলোকৰ লগত মই চিনাকি হৈ লৈছিলো সিবিলাকক গোটাই লৈ সেই অভিনন্দন-পত্ৰেৰে সৈতে ৺মিঃ উইলচন চাহাবৰ কাষ চাপিলোঁ-গৈহঁক। সেই ডেপুটেচনত বা প্ৰতিনিধি দলত এই কেইজন অসমীয়াৰ যোগ আছিল—৺পণ্ডিত জয়দেৱ শৰ্মা, ৺ৰবিচন্দ্ৰ শৰ্মা বৰুৱা তহচিলদাৰ, ৺গঙ্গানাথ শৰ্মা তহচিলদাৰ, ৺মুন্সী আলমচাহ ৰেভিনিউ চিৰস্তাদাৰ, ৺লক্ষ্মীকান্ত দাস চিভিল চিৰস্তাদাৰ, ৺ধৰ্মেশ্বৰ গোস্বামী, হাইস্কুলৰ ৩য় মাষ্টৰ, ৺ঘনকান্ত চলিহা ডেপুটী কমিচনাৰৰ আমোলা, ৺নীলকান্ত বৰুৱা জেইলাৰ, বিষ্ণুপ্ৰসাদ আগৰৱালা আৰু অসমীয়া ভাষা আলোচনী সভাৰ সম্পাদক স্বৰূপে মই। মই গা দেখা দি নোলোৱাৰ অভিপ্ৰায়ে অভিনন্দন-পত্ৰখন মোৰ বন্ধু ৺বিষ্ণুপ্ৰসাদ আগৰৱালাৰ দ্বাৰাই পাঠ কৰালোঁ। তাৰ পাচত, প্ৰত্যুত্তৰত ডিৰেক্টৰ চাহাবে দ্ৰু-আযাৰমান কথা শুনাই লৈ কলে যে তেওঁ অভিনন্দনৰ প্ৰাৰ্থনা সম্পৰ্কীয় গোটাদিয়েক প্ৰশ্ন কৰিব, তাৰ উত্তৰ দিবলৈ ডেপুটেচনৰ মাজৰ পৰা এজন মুখিয়াল সমজুৱা (spokesman) সাজু হব লাগে। ডিৰেক্টৰৰ কথা শুনি আমাৰ মাজত চকু চোৱা-চুই লাগিল। শেহান্তৰত ডেপুটেচনৰ অনুমোদন মতে অভিনন্দন পাঠক ৺আগৰৱালাদেৱে উঠি প্ৰশ্নোত্তৰ বাব মোৰ মূৰতে জাঁপি দিলে। মিঃ উইলচনে মোৰ মুখলৈ চাই থলথলকৈ হাঁহিবলৈ ধৰিলে; অৰ্থাৎ ডেপুটেচনৰ মুলত যে মই গা লুকুৱাই ৰৈছোঁ, সেইটো তেখেতে ধৰা পেলাই দেখুৱালে। তাৰ পাচত এটা এটাকৈ কেইবাটাও প্ৰশ্নৰ উত্তৰ মই সন্তোষজনককৈ দিব পাৰিলোঁ। সদৌশেহত ডিৰেক্টৰ চাহাবে মোক ডেপুটেচনৰ প্ৰতিনিধি স্বৰূপে সুধিলে যে দেশী ভাষাৰ মজলীয়া পঢ়াশালিৰ আটাইবোৰ শ্ৰেণীৰ জোখাৰে আটাইবোৰ বিষয়তে অসমীয়া পাঠ্যপুথি যুগুত হৈ উঠিছে জানো? উত্তৰত মই কলোঁ প্ৰায় হৈছে বুলি। তেখেতে ততালিকে আকৌ টানি প্ৰশ্ন ধৰিলে 'প্ৰায়' মানে কি? মই

উত্তৰ দিলোঁ, তাৰ মানে দুটামান বিষয়ত মাথোঁ যথেষ্ট হবলৈ বাকী। চাহাবে ততোধিক টানকৈ এইবুলি সুধিলে, "সেই বাকী পুৰাব কোনে? তুমি পুৰাবলৈ গাত লব পাৰিবা জানো?" মই অনন্যোপায় হৈ মৰসাহ দি ততালিকে উত্তৰ দিলোঁ, "পাৰিম।" মিঃ উইলচনে আকৌ এবাৰ খলখলাই হাঁহি এইবুলি খাটাং সমিধান দিলে যে আমি যদি মজলীয়া পঢ়াশালিৰ আটাইবোৰ শ্ৰেণীত নাটনি নপৰাকৈ পাঠ্যপুথি যোগাবলৈ গাত লব পাৰোঁ, তেন্তে তেখেতে তেজপুৰ সমন্বিতে সদৌ অসমৰ মজলীয়া পঢ়াশালিত অসমীয়া চলিবলৈ হুকুম প্ৰচাৰ কৰিবগৈ। সেই সমিধানত পৰিতুষ্ট হৈ আমি কৃতজ্ঞ অন্তৰে তেখেতৰ শলাগ ললোঁ। সেই শলাগৰ শৰাই মোৰ জৰিয়তেই আগবঢ়োৱা হল। তেখেতেও তাৰ পাচত বৰ হৰিষ চিতেৰে ডেপুটেচনৰ প্ৰত্যেককে হাতজোকাৰণি চেলামীৰে সৈতে বিদায় দিলে। আমি উলটি আহি থাকোতে বাটত ৺ৰবিচন্দ্ৰ বৰুৱা তহচিলদাৰে এইবুলি আনন্দেৰে মন্তব্য প্ৰকাশ কৰিছিল, "আবেদন আৰু অভিনন্দনৰ লাভালাভৰ হীন-ডেড়ি আজি বেচকৈ বুজা গ'ল।" তেজপুৰত এয়ে প্ৰথম অভিনন্দন।

## 'নীতিশিক্ষা', মাজছোৱা

এই ছেগতে, ইতঃপূৰ্ব্বৰ সংকল্পিত মোৰ 'নীতিশিক্ষা' নামে সাহিত্য পুথিলানিৰ 'মাজছোৱা'ৰ হাতেলিখা পুথি যুগুত কৰি উঠি, তাক নগাঁও পুথিবছা কমিটীৰ দ্বাৰাই মঞ্জুৰ কৰাই লৈ কলিকতাত ছপাই আনি প্ৰচাৰ কৰাত, সি আপাৰ প্ৰাইমেৰী পৰীক্ষাৰ্থীৰ পাঠ্য হৈ চলিবলৈ ধৰিলে আৰু অন্যান্য থাপৰ পঢ়াশালিবোৰতো সেই সমনীয়া শ্ৰেণীবোৰত (corresponding classes) ব্যৱহৃত হল। তাৰ দ্বাৰাই মোৰ প্ৰতিশ্ৰুতিও আংশিকৰূপে পূৰ্ণ হোৱাত মোৰ মনত ৰং লাগিল।

## ইং ১৮৯৭ চনৰ ভয়ঙ্কৰ ভুঁইকঁপ

জুন মাহৰ দুই তাৰিখে জহকালিৰ জিৰ্ণণিৰ অৰ্থে ডেৰমাহলৈ স্কুল বন্ধ হোৱাত সেইদিনাই মই ঘৰলৈ যাত্ৰা কৰিলোঁ। সিফালে মই যোৱাৰ বতৰা পাই মোৰ সাহিত্যিক বন্ধু ৺পাণীন্দ্ৰনাথ গগৈদেৱে উত্তৰ-লক্ষীমপুৰ 'অ, ভা, উ, সা, সভা'ৰ এটা বিশেষ বৈঠক পাতিবলৈ আয়োজনত ধৰিলে। মই গৈ পোৱাৰ এসপ্তাহৰ মূৰত, ১২ জুন তাৰিখে সেই বৈঠকৰ দিন ধাৰ্য হয়। নিৰ্দ্ধাৰিত দিনা আবেলি ৪ মান বজাত, সদৰ মজলীয়া ছাত্ৰবৃত্তি স্কুলঘৰত পতা সেই বৈঠকত উপস্থিত হবলৈ বুলি গৈ তাৰপৰা দহনলমানৰ ওচৰত কাছাৰীঘৰৰ সমুখৰ তিনিআলিমূৰত সোঁহাতে কিলাকুটীয়া কোণৰ নাহৰ গছজোপাৰ তল পাইছোঁগৈ মাথোন, এনেতে পৃথিৱীৰ গৰ্ভৰপৰা এটা অদ্ভূত শব্দ উঠি মোৰ হৃৎকম্প তুলি যাওঁতেই, পিচ মুহূৰ্ততে গিৰ্ গিৰকৈ এটা ভয়ঙ্কৰ ভূঁইকঁপ উঠি মোক অথালি-পথালিকৈ টলাবলৈ ধৰিলে। মই বিচুতি খাই অগত্যা হাতৰ লাঠীৰে সৈতে মাটিত খোপনি পিতি ধৰি তাতে থিয়ৈ থিয়ৈ ৰলো। তাৰ পাঁচ মিনিটত দেখোঁ যে মহকুমাধিপতি মিঃ কোহন চাহাব প্ৰমুখ্যে কাছাৰীৰ

আমোলাসকলে উধাতু খাই ওলাই আহি, সমুখৰ চাপৰিৰ ঘাঁহনিৰ ওপৰত লেপেটা কাৰি বহি পৰিছেহি। তাৰো পাচৰ মিনিটত দেখোঁ যে কাছাৰীঘৰৰ পকী বাৰ-চাল ভাগি ঠায়ে ঠায়ে খহি খহি পৰিছে। ভাগ্যে তাৰ আধামিনিটমানৰ আগতে কাছাৰীঘৰৰ ভিতৰৰ মানুহ সকলোটি দিহা-দিহি ওলাই অহাত কাৰো শাৰীৰিক হানি-বিঘিনি ঘটিবলৈ নাপালে। তাৰ পাচত তৃতীয় মিনিটত দেখোঁ যে অ, ভা, উ, সা, সভাৰ বৈঠকত গৈ বহা সমজুৱাসকল ফিৰিঙ্গতি উফৰাদি উফৰি ওলাই বাজত থিয় দি প্ৰাণান্তক আপদৰ ক্ষণ গণিছেহি। ৰহনল-মান নিজগৰপৰা মই নিমন্ত্ৰিত সমজুৱায়ো অপৰ সব সমজুৱাৰ লগত একদৃষ্টিৰে ঠৰ হৈ যোগ দিছোঁ, এনেতে চতুৰ্থ মিনিটত দেখোঁ যে মোৰ চতুঃপাশে চকুৰে দেখালৈকে বাহিৰত 'হৰিবোল' আৰ্তৰাৱেৰে থিয় দিয়া মানুহবিলাক পাকঘুৰণি খাই ঢলি ঢলি পৰিছে। মই কিন্তু সিমানলৈকে লাঠীৰ খোপনিতে ভৰ দি থিয় দিয়েই ৰৈছোঁ, এনেতে পঞ্চম মিনিটত ওচৰৰ ডাঙৰ ডাঙৰ গছ কেইজোপামান উভালি মাটিত পৰিল; কেইওফালৰপৰা আকাশত চৰাইবোৰে উৰি ঘূৰি ৰমলিয়াবলৈ ধৰিলে আৰু খাজানা গাবাজৰ আগত বাণ্ডা মাৰি বান্ধি থোৱা চৰ্কাৰী হাতীটোৱে বান্ধ ছিঙ্গি আৰ্তৰাৱ কাঢ়ি ইফালে-সিফালে বলিয়াৰ দৰে ঢপলিয়াবলৈ ধৰিলে। ইতিক্ষণতে দেখো যে ঠায়ে ঠায়ে মাটি ফাটি বালীয়া নিজৰা চাৰি-পাঁচ হাত ওপৰলৈ উঠি তাতে আকৌ মাৰ গৈ খাৰ-গন্ধকাদি পোৰাৰ নিচিনা এটা উৎকট গোন্ধ উঠি বিয়পি যাবলৈ ধৰিলে। সেই মুহূৰ্ত্ততে পৃথিৱী ৰসাতললৈ যায় যায় যেন মোৰ বোধ হল; মই একান্ত মনেৰে ঈশ্বৰ চিন্তা কৰিবলৈ ধৰিলোঁ। সেইভাবে ক্ষন্তেকমান থাকোতেই চাঁত কৰে ভূঁইকঁপটো এৰাই গ'ল। কিন্তু তাৰ আনুষঙ্গিক বিকাৰত মানুহৰ মূৰ ঘূৰণি আৰু চৰাই চ্‌কতিৰ ৰমলিয়নি আৰু মিনিটদিয়েকলৈ থাকিল। তাৰ পাচত ঠৰ লাগি ৰোৱা মানুহবিলাকে হুচ পাই লাহে-ধীৰে লৰি-চৰি গন্তব্য ঠাইলৈ গতি কৰিবলৈ ধৰিলে; ময়ো ধীৰে ধীৰে গৈ অ, ভা, উ, সা, সভাৰ বহিবলৈ ধৰি ভাগিব খোজা বৈঠকত যোগ দিবলৈ বুলি মজলীয়া স্কুলঘৰত সোমালোঁগৈ। মোৰ প্ৰবেশত উপস্থিত সমজুৱাসকলে হৰ্ষ-বিষাদ-বিহ্বল হৈ আক্ষেপ কৰিবলৈ ধৰিলে। মই সম্পাদকৰ অনুৰোধ অনুসৰি আসন গ্ৰহণ কৰি, এই সমিচাৰ দিলোঁ যে আক্ষেপৰ কাৰণ মই নেদেখোঁ কিয়নো দৈৱদুৰ্বিপাক খণ্ডাবলৈ মানৱৰ বল নাই, তাক বলে নোৱাৰা শিলৰ দৰে ভাবি পৰিনমস্কাৰ কৰাহে যুগুত। ঈশ্বৰৰ কাৰ্য ঈশ্বৰে কৰিলে, এতিয়া মানুহৰ কৰ্তব্যত মানুহ পুনঃ তৎপৰ হোৱাহে বাঞ্ছনীয়। মোৰ কথাৰ ধাৰ বুজি এজন প্ৰবীণ সাহিত্যিক সমজুৱাই ঘপহকৰে উঠি ক'লে যে সেই বৈঠকৰ কাৰ্য আৰম্ভ কৰিবহে লাগে, এৰিব নালাগে। সেই অনুসাৰ সম্পাদকে যথাবিধি সভাৰ কাৰ্য আৰম্ভ কৰি দিলে। সভাপতিয়ে এটি চমু বক্তৃতাৰে সৈতে মোক সমজুৱাসকলক ভেঁটাই দিয়াৰ পাচত সিবিলাকৰ সম্ভাষণ গ্ৰহণ কৰাৰ নিদৰ্শন দি চমুকৈ তুআষাৰমান কবলৈ মই থিয় দিলোঁ। পিচে আমাৰ জাতীয় সাহিত্যৰ বৰ্তমান আৰু ভবিষ্যতৰ কথা শুনি শুনি শ্ৰোতাসকলৰ আগ্ৰহ চৰি উঠাৰ চিন পাই মোৰ কোৱা ক্ৰমাৎ লেজুৱাকৈ দীঘলাই নিব লগাত পৰিলো। সেই ছেগতে তেজপুৰত আমি শিক্ষা বিভাগীয় ডিৰেক্টৰ চাহাবক অভিনন্দন দি পোৱা সমিধানৰ বিষয়ে মই

বিবৰি কলোঁ। আৰু তেথেতে সেই সমিধানত যে এটা হেতু বান্ধি দি গৈছিল তাকো ভাঙ্গি-পাতি কৈ লৈ, মজলীয়া পঢ়াশালিৰ আটাইবোৰ শ্ৰেণীত চলিব পৰাকৈ অসমীয়া পাঠ্য পুথিৰ অভাৱ অনতিপলমে গুচোৱাত সভাই, যথাসাধ্য যত্ন কৰিবলৈ দঢ়াই দঢ়াই অনুৰোধ কৰিলোঁ। তাৰ পাচত স্কুল বন্ধৰ জিৰণি মাহটো ঘৰতে সোমাই থাকি নকটাই মই ইফাল-সিফালকৈ অসমীয়া ৰাইজৰ দৈহিক, নৈতিক আৰু সামাজিক বিষয়ক ৰাজহুৱা উন্নতি চৰ্চাত মনোনিবেশ কৰিলোঁ। তাৰ ভিতৰত আগৰ কানি নিবাৰণী অনুষ্ঠানবোৰৰ অনুসন্ধানেই ঘাই। মই নিজে তত্ত্ব লৈ জানিব পাৰিলোঁ যে আমাৰ ইতঃপূৰ্বৰ উদ্যমৰ ফল অনুসৰি সেই অঞ্চলত নতুন কানীয়াৰ লেখ বাঢ়িব পৰা নাই, মাথোন কদম মৌজাত এটা ১৪।১৫ বছৰীয়া কছাৰী ল'ৰা আৰু গাগলডুবিত গোটাদিয়েক মিৰিডেকা কানীয়া হৈছিল। মই যুগুত উপায়েৰে সিহঁতক টাউনলৈ মতাই আনি বিস্তৰ বুজনি দি মিৰি ডেকাহঁতক নিজ নিজ ঘৰলৈ বিদায় দিলোঁ; কছাৰী ল'ৰাটো কিছুমান দিনলৈ মোৰ লগতে ৰাখি তাক কানি এৰুৱাবলৈ যত্ন কৰিলোঁ। সেই অৰ্থে পোনতে কেদিনমান তাক কানিৰ পৰিবৰ্তে যথাপৰিমিত মোদক খুৱাই কানিৰ ৰাগিটো দমাই আনিলোঁ; তাৰ পাচত এপৰমানলৈ পুৰণি কুঁজী থেকেৰা মলি খুৱাই তাৰ কানি পানৰ তৃষ্ণাটোও মাৰ নিয়ালোঁ। নিয়াই উঠি শেহান্তৰত তাক নিকানীয়া কৰি তাক ঘৰলৈ বিদায় দিলোঁ। সেই যাত্ৰাত ঘৰত গৈ মই কৰা কামৰ ভিতৰত ঘাই এইকেইটাই। তাৰ পাচত যথাসময়ত ভাৰ্যাক লগত লৈ আকৌ তেজপুৰলৈ উলটি আহিলোঁ।

## অসমীয়া 'শিক্ষাবিধি'

এই ছেগতে মোৰ 'শিক্ষাবিধি' পুথিখন কলিকতাত ছপাই অনোৱা হল। এই বিষয়ক এই ধৰণৰ অসমীয়া পুথি এয়ে প্ৰথম বাবে, মই অসমীয়া সাহিত্যানুৰাগী চৰ্কাৰী চাকৰীয়া আৰু স্বতন্তৰীয়া জন-সমাজৰপৰা শলাগ পাওঁ। সৰ্বসাধাৰণ সমজুৱাই মোৰ এই বিধিখন আগ্ৰহেৰে গ্ৰহণ কৰাত মোৰ অন্তৰত আনন্দে নধৰা হল, আৰু তাৰ উলাহতে মই অন্যান্য বিষয়ক পঢ়াশলীয়া পাঠ্যপুথি প্ৰণয়নলৈ বিশেষ উদগনি লাভ কৰি কৰ্তৃপক্ষৰ আৰু ৰাইজৰ ওচৰত কৃতজ্ঞ হলোঁ। 'শিক্ষাবিধি' ছপা হৈ ওলোৱা মাত্ৰকে এখন কিতাপ ডিৰেক্টৰ মিঃ উইলচন চাহাবলৈ এখন আগভেঁটোৱা চিঠিৰে সৈতে পঠোৱা হল। ডিৰেক্টৰ চাহাবে বৰ সন্তোষেৰে গ্ৰহণ কৰি, মোলৈ ধন্যবাদ জ্ঞাপন কৰিলে। তাৰ পাচত 'শিক্ষাবিধি' সদৌ অসমৰ ভাৰ্নেকুলাৰ শিক্ষকসকলৰ হাতৰ পুথি আৰু নৰ্মাল স্কুলৰ পাঠ্য পুথি স্বৰূপে নিৰ্দ্ধাৰিত হোৱাত 'বিধি'খনৰ প্ৰচলন অসমৰ সৰ্বত্ৰ বিস্তাৰিত হবলৈ ধৰিলে। সেইবাবে মই মোৰ শ্ৰম সাৰ্থক হল বুলি বোধ কৰি উলাহিত হলোঁ। কোৱা বাহুল্য মাথোন যে এই 'শিক্ষাবিধি' মই কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলৰ হেডমাষ্টৰ হৈ থাকোঁতে ইংৰাজী শিক্ষা-প্ৰণালী (art of teaching) বিষয়ত ডিপাৰ্টমেণ্টাল বিষয়ক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ অন্যতম ফল। এই অসমীয়া শিক্ষাবিধি প্ৰণয়নৰ সংকল্প মই কহিমাৰেপৰা অতি সন্তৰ্পণে পালন কৰি আহিছিলোঁ। তেজপুৰত নৰ্মাল স্কুলৰ হেডমাষ্টৰীয়ে তাৰ গুৰিত সাৰ দিয়াৰ

ফলত সি এজুপি নতুন ধৰণৰ সাহিত্য বৃক্ষ হৈ ফলৱতী হোৱাত মোৰ অন্তৰত আনন্দ উপচি পৰিল। এই 'শিক্ষাবিধি' অসমীয়া শিক্ষকৰ হাতৰ পুথিস্বৰূপে ভালেমান বছৰ প্ৰচলিত হৈ থাকোঁতেই ডিৰেক্টৰ মিঃ জে, উইলচন চাহাব পেঞ্চনত অৱসৰপ্ৰাপ্ত হৈ যোৱাৰ পাচত অসম শিক্ষা বিভাগীয় কৰ্তৃপক্ষে আৰু এখন 'শিক্ষকৰ হাতৰ পুথি' (Teachers' Hand Book of Normal) প্ৰকাশ কৰি তাৰ প্ৰচলন কৰাত মোৰ 'শিক্ষাবিধি'ৰ প্ৰচলন ক্ৰমাৎ টুটি আহিবলৈ ধৰিলে ; এতিয়া তাৰ প্ৰচলন ৰহিত হোৱাৰ দৰেই হৈছেগৈ।

## দ্বাদশ সৰ্গ

### বঙ্গাল খেদোৱা পদ্মনাথ

ঘৰৰপৰা উলটি আহি বৰ উলাহেৰে মই মোৰ হাতত পৰা পঢ়াশলীয়া গুৰুগঢ়া নৰ্মাল স্কুলখনৰ উন্নতিকল্পে একাগ্ৰপতীয়া মনোযোগেৰে লাগি গলোঁ। মোৰ 'শিক্ষাবিধি' পুথিখন ছপা হৈ কলিকতাৰপৰা আহি পোৱাৰ আগলৈকে ময়ো পূৰ্বত বঙ্গলা ভাষাত লিখা 'শিক্ষা-প্ৰণালী' নামে সেইকালৰ বঙ্গলা পাঠ্যপুথিৰপৰা টোকা ধৰি মোৰ গুৰু-ছাত্ৰবৰ্গক শিক্ষাদান কৰিছিলোঁ। তাৰ পাচৰপৰা মোৰ নিজৰ প্ৰণীত অসমীয়া ভাষাৰ পাঠ্যপুথি 'শিক্ষাবিধি' নিজে পঢ়ুৱাবলৈ পাই মই পৰম উৎসাহেৰে তেজপুৰ নৰ্মাল বা গুৰু-ট্ৰেইনিং স্কুলত সেই বিষয়ত শিক্ষাদান কৰিবলৈ ধৰিলোঁ। তাৰ লগে লগে সিবিলাকক অসমীয়া সাহিত্য বিষয়ত বিশেষ ৰাপ লগাই শিক্ষা দিয়াত মোৰ বিশেষ মনোযোগ বহিল। গণিতাদি অন্যান্য বিষয়ক শিক্ষাতো চকুত লগাকৈ মোৰ স্কুলখনে ক্ৰমাৎ বিশেষত্ব লাভ কৰি উঠিল। কিন্তু ফলিতাৰ্থত তেজপুৰতো কহিমাৰ দৰে স্কুলৰ উন্নতিয়ে পাক লগাই হিতে বিপৰীত ঘটোৱাৰ লক্ষণ দেখুৱাবলৈ ধৰিলে। মই সেই বিষয়ে তৎ ধৰাত পলম নহল। অনতিপলমে তাৰ প্ৰতিকাৰ কৰিবলৈ চিন্তালোচনাত ধৰিলোঁ। কিন্তু কহিমাৰ নিচিনাকৈ তেজপুৰত সেই চিন্তালোচনা সহজে কাৰ্যত ফলিয়াই নুঠিল, বৰঞ্চ তাতো হিতে বিপৰীত ঘটাৰহে আভাস পোৱা গ'ল। বাহিৰত বঙ্গালী সমাজৰ মাজত মোৰ বিৰুদ্ধে ফুচ্ ফুচনিৰ অবৈধ চৰ্চা আৰম্ভ হল। সেই সময়তে মই অসমৰ সদৌ অসমীয়া সাহিত্য সভাবিলাকক কলিকতাৰ মূল সভা 'অ, ভা, উ, সা, সভা'ৰে সৈতে একে নামী কৰি অসমীয়া সাহিত্য-চৰ্চা সুচল কৰাৰ উদ্দেশ্যে 'তেজপুৰ অসমীয়া ভাষা আলোচনী সভা'খনৰো সেই নামকৰণ কৰাই লৈ অসমীয়া সাহিত্য চৰ্চাত অসমীয়া ভাষাৰ বন্ধুসকলৰ ৰাপ আৰু উদ্যম একেকঠি কৰাৰ উদ্দেশ্যে ক্ৰমাৎ তাৰ বহুল উন্নতি সাধিবলৈ ধৰিলোঁ। কিন্তু সেই কাৰ্যে চকুচৰহা বঙ্গালী এদলৰ বুকুত বিষমকৈ বিন্ধিবলৈ ধৰিলে; সিবিলাকে তলে তলে তাৰ অযথা প্ৰতিকাৰৰ চেষ্টাত নধৰাকৈ নেৰিলে। এনেকি সিবিলাকৰ মাজত "বঙ্গাল খেদা পদ্মনাথ" নামৰ ঢৌ এটা তুলি দি, গুপুতে মোক তেজপুৰৰপৰা খেদিবলৈ ষড়যন্ত্ৰ কৰা সন্তেদ পাবলৈকো বাকী নৰ'ল। দৰাচলতে কিন্তু মই সেই অপবাদৰ ভাগী নহওঁ, মই বঙ্গাল খেদিবলৈ কোনো যত্ন কৌশলত ধৰা নাছিলোঁ, মাথোন মোৰ মাতৃভাষা বঙ্গলা ভাষাৰ অপভ্ৰংশ বোলা অপবাদ খণ্ডাবৰ অৰ্থে মোৰ ভাগৰ কৰ্তব্য মই কাৰো অহিত চিন্তা নকৰাকৈ পালন কৰিছিলোঁ। এনেতে এদিন ডেপুটী ইন্‌স্পেক্টৰ হাৰান বাবু মোৰ স্কুল পৰিদৰ্শন কৰিবলৈ আহে। তেওঁ মোক ভু নিদিয়াকৈয়ে আহিছিল। আহিয়েই ভমক কৰে মোৰ গাৰ কাষত তেওঁ থিয় দিলেহি। মই কিন্তু চমক খাবলৈ নহল। মই বহি থকা ভাগেই ওপৰলৈ চাই তেওঁক চকুৰে চকুৰে চেলামী জ্ঞাপন কৰি মেজৰ অপৰ দাঁতিত পাতি থোৱা খালি মাচিয়াখনতে বহিবলৈ সঙ্কেত দিলোঁ। তেওঁ কিন্তু এজন আত্ম-

অভিমানী লোক। মোৰ সেই আচৰণত তেওঁ বিতুষ্ট হৈ বহিল। বহিয়েই পৰিদৰ্শন পিচ পেলাই থৈ, পোনেই মোক সুধিলে (অৱশ্যে ইংৰাজীতে), মই কিয় যথেষ্ট সন্মান দেখুৱাত ক্ৰটি কৰিলোঁ। মই অলপ অবাক হোৱাৰ দৰে হৈ অতি ভদ্ৰভাৱে উত্তৰ দিলো যে, মোৰ জ্ঞান বিশ্বাসত তেওঁক কোনো প্ৰকাৰে মই অসন্মান কৰা নাই। তেওঁ মানুহজনো মুখৰ। মুখৰ আগতে মুখি থবলৈ পিচ নপৰে। তেওঁ পোনপাকেই কৈ উঠিল যে, মই বহি থকা মাচিয়াখন তেওঁক বহিবলৈ এৰি নিদিয়াটোৱেই এটা বৰ অপমানজনক কাৰ্য কৰা হৈছিল। কওঁতে তেওঁ অলপ খঙ্গেৰেই কৈছিল। মই কিন্তু মোৰ খং মনতে টিপি ধৰি হাঁহি মাৰি এই বুলি সমিচাৰ দিলোঁ, "সেইটো মোৰ নিজৰ শিক্ষাৰ দোষ যদি কব নোৱাৰিছোঁ, কিয়নো মোৰ ছাত্ৰাৱস্থাত সেইকালৰ অসমৰ অদ্বিতীয় বিদ্বানলোক, অতি ওখমানৰ উচ্চ-নীতিজ্ঞ পুৰুষ মোৰ পৰম পূজনীয় শিক্ষা-গুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৰ মুখে এনে এটা নীতিশিক্ষা লাভ কৰিছিলো যে, শিক্ষকে ছাত্ৰক শিক্ষাদান কৰি থাকোঁতে শ্ৰেণীৰ ছাত্ৰবৰ্গে এনে বোধ কৰিব লাগে যেন সেই শিক্ষাদাঁতাজনত পৰ আন কোনো ডাঙ্গৰ লোক নাই; তেহে তেওঁৰ শিক্ষাই শিক্ষাৰ্থীক প্ৰকৃত গুণ দিব পাৰে। সেই উক্তি যুক্তিৰে সমৰ্থন কৰাৰ অভিপ্ৰায়ে মোৰ শিক্ষা-গুৰুদেৱে সেই কথা প্ৰসঙ্গত এটি পটন্তৰো দাঙি ধৰিছিল যে এসময়ত বোলে কোনোবা হাইস্কুলৰ চেকেণ্ডমাষ্টৰে মোৰ আজিৰ এই আচৰণকে আচৰিবৰ দেখি পৰিদৰ্শক স্কুল ইন্‌স্পেক্টৰ চাহাবে হেনো নিজে অভিমানিত নহৈ আৰু শিক্ষকজনক গৰিহণা নিদি প্ৰশংসাহে কৰিছিল। তেতিয়া মোৰ শিক্ষা-গুৰুদেৱ সেই হাইস্কুলৰে হেডমাষ্টৰ। আৰু আপুনিও এসময়ত এখন হাইস্কুলৰ হেডমাষ্টৰ আছিল বুলি সিদিনা জাহাজত মোক নিজ মুখেই কৈছিল।" মোৰ কথা শুনি থাকি হাৰান বাবু তধা লাগিল। তাৰ পাচত তেওঁ মোৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত সাহিত্য বিষয়ৰ পৰীক্ষা লবলৈ ধৰিলে। মই সেই বহাভাগেই সাক্ষী হৈ চাই থাকিলোঁ। মাজে মাজে তেওঁ অসমীয়া সাহিত্যত পাণ্ডিত্য দেখুৱাবলৈ গৈ মোৰ ছাত্ৰবৰ্গৰ শুদ্ধ উত্তৰকো অশুদ্ধ বুলি বঙ্গালী ব্যাখ্যা দি বুজাবলৈ যোৱা দেখি মোৰ পেটে পেটে বৰ হাঁহি উঠিছিল। সি যি হওক, যাবৰ সময়ত তেওঁ পৰিদৰ্শন বহীত মোৰ ভালেমান দুৰ্নাম লিখি গ'ল; আন কি অসমীয়া সাহিত্য-শিক্ষালৈ মই উপযুক্ত নহওঁ ('not up to mark') বুলিবলৈকো তেওঁ সাহ কৰিলে। হাৰান বাবুৰ সেই মন্তব্যই মোক ধৈৰ্যৰ সীমা পাৰ কৰাই তুলিলে। মই ততালিকে তাৰ যথাযথ প্ৰতিবাদ কৰি এটা দীঘলীয়া ৰিপোৰ্ট শিক্ষা বিভাগৰ ডিৰেক্টৰ চাহাবলৈ বাজে বাজে ডাকত পঠিয়ালো। ডিৰেক্টৰ চাহাবে মোৰ ৰিপোৰ্ট পাই ভিতৰুৱাকৈ তেওঁৰ কৈফিয়ৎ তলব কৰিলে। ময়ো এটা সেই সম্পৰ্কীয় কৈফিয়ৎ দিব লগাত পৰিছিলোঁ। পিচে সদোশেহত দুইকো দুখন ভিতৰ বিশ্বাসৰ পত্ৰেৰে (confidential letters) সাৱধান কৰি দি অভিযোগটো সিমানতে পুতি থোৱা হ'ল। তেতিয়াৰে পৰা স্কুল-ডেপুটি ইন্‌স্পেক্টৰজন মোৰ স্কুলৰ প্ৰতি প্ৰকাশ্যে খড়্গহস্ত হৈ উঠিল। ময়ো শত্ৰুক পিচ লাগিবলৈ নিদি সততে তেওঁক সমুখত ৰাখি নিজ কৰ্তব্যত তৎপৰ হৈ চলিবলৈ ধৰিলো।

## ৺কমলাকান্ত ভট্টাচাৰ্যৰ লগত বন্ধুতা

অসমীয়া আৰু বঙ্গলা ভাষাৰ অৰিয়া-অৰিৰ মাজত সোমাই মই একপ্ৰকাৰ বিপন্ন হৈ পৰিলোঁ, কিয়নো সেই আথেজতে তেজপুৰৰ কোবাল বঙ্গালী সমাজে মোক নানা বিভীষিকা প্ৰদৰ্শনেৰে বেৰি ধৰিলে। মই অগত্যা অকলশৰীয়া অভিমন্যু যেন হৈ সিবিলাকৰে সৈতে লৰিব লগাত পৰিলোঁ। এনেতে নামত চিনাকি ৺কমলাকান্ত ভট্টাচাৰ্যদেৱৰে সৈতে মোৰ হঠাৎ সাক্ষাৎ হয়। মই তাহানি কলিকতাত ছাত্ৰাৱস্থাত তেওঁৰ নাম শুনিছিলোঁ। এতিয়া সেই জ্বলন্ত 'চিন্তানল' ৰচয়িতাক সোঁশৰীৰে লগ পাই মোৰ অন্তৰত আনন্দ-উলাহ উপচি পৰিল—বিশেষকৈ মোৰ উপস্থিত বিপন্ন অৱস্থাত। ৺ভট্টাচাৰ্যৰ লগত চিনাকি হোৱাৰ লগে লগেই আমি দুইৰ মাজত অযাচিতে বন্ধুত্ব স্থাপিত হল। প্ৰথম দেখা-দেখিতে দুইৰো অন্তৰে অন্তৰক চিনি ললে। ইতি ছেগতে তেজপুৰীয়া বঙ্গালী সমাজে মোক কেনেকৈ 'বঙ্গাল খেদা' অপবাদ দি লৈ তলে তলে মোৰ প্ৰতি শত্ৰুতা আচৰণ কৰিবলৈ ধৰিছিল, সেই বিষয়ে তেওঁক বিবৰি কোৱাত তেওঁ মোৰ সোঁহতীয়া সহায় হবলৈ তেতিক্ষণে প্ৰতিশ্ৰুত হল; আৰু সেই অবধি দুয়ো লগ লাগি আমাৰ জাতীয় সাহিত্যৰ উন্নতিকল্পে কাচি-পাৰি লাগি গলোহঁক। ৺কমলাকান্ত ভট্টাচাৰ্যদেৱক মই মোৰ লক্ষীমপুৰীয়া সাহিত্যিক বন্ধু ৺পাণীন্দ্ৰনাথ গগৈদেৱক পোৱাদি পালোঁ; তেওঁৰ বল পাই মই আকৌ মটমটীয়া হৈ উঠিলোঁ; মোৰ বিৰুদ্ধে উঠা স্বয়ম্ভু শত্ৰুদল ক্ৰমাৎ কোঁচ খাই পৰিল। ইহাতে আমি দুয়ো পৰম-উৎসাহেৰে দেশহিতকৰ বিবিধ কাৰ্যত ক্ৰমাৎ আগুৱাবলৈ ধৰিলোঁ। কিন্তু তেওঁ মাজে-সময়হে টাউনলৈ আহিছিল; যেতিয়া আহে তেতিয়াই তেওঁ মোৰ সৈতে লগ লাগি দেশৰ হিতাৰ্থে কিবা এফেৰি কৰি থৈ যায়হি; আৰু সততে তেওঁ মোৰে সৈতে অসমীয়া সাহিত্য চৰ্চাতহে সৰহখিনি সময় খটাইছিল; আহোঁতে লগত তেওঁৰ দাৰ্শনিক প্ৰবন্ধাদি আৰু সামাজিক আৰু ৰাজনৈতিক প্ৰস্তাৱাদি লৈ আহি মোৰে সৈতে আলোচনা কৰিছিল। পিচে তেওঁৰ গাৰ সমলৰপৰা সাহিত্যৰ ওপৰঞ্চি সামাজিক আৰু ৰাজনৈতিক আলোচনা আন্দোলনৰ সুগন্ধহে বেছিকৈ ওলাইছিল; সেই সুগন্ধতে মোহ গৈ ময়ো অতৰ্কিতভাৱে সেই ওপৰঞ্চি দুই বিষয়ত তেওঁৰ সহযোগী হৈছিলো—মাজে মাজে মাথোন 'কৌৰৱৰ চাউল খাই পাণ্ডৱৰ গুণ গোৱা'ৰ তুল্য বোধ কৰোঁ, যিহেতু মই চৰ্কাৰী চাকৰীয়া হৈ ৰাজনৈতিক আন্দোলনত লাগিব নাপাওঁ বুলি মোৰ বিশ্বাস আছিল। সি যি হওক, পাচলৈ মই ৰাজনৈতিক আন্দোলনত অতৰ্কিতভাৱে যোগ দিওঁতে ধৰা পৰা হলোঁ; কোনো কোনোটো দেশহিতকৰ কাৰ্যৰ আন্দোলনত সহযোগিতা দিওঁতে মই আনৰ গাত আঁৰ লৈ, ঘাইকৈ ভট্টাচাৰ্যৰ গাত বাগি দি, বায়তৰ নেতৃত্বও গ্ৰহণ কৰিছিলো। মোৰ ইত্যাদি আচৰণে এহাতে যেনেকৈ মোক ৰাইজৰ পিয়পাত্ৰ কৰি তুলিছিল, আনহাতে তেনেকৈ শত্ৰুপক্ষক মোৰ অনিষ্ট সাধনলৈ সুগম কৰি দিছিল। সেই আপাহত "পূৰ্বশত্ৰু মনে জানি" হাৰান বাবুৱে যি কৰিব পাৰে তাক কৰিবলৈ পাহৰা নাছিল; এনেকি শিক্ষা বিভাগৰ গুৰিয়াল আন কোনোবা এজন হোৱা হলে মোৰ চৰ্কাৰী চাকৰিৰ সিমানতে আধ্যা পৰিলহেঁতেন, যাতো মোৰ অভিভাৱক স্বদ্ধশ হিতাশী মিঃ জে. উইলচন চাহাব তেতিয়াও

অসম শিক্ষাবিভাগৰ ডিৰেক্টৰ হৈ (Director of Public Instruction, Assam) আছিল। কিন্তু সিমানতে আগন্তুক আপদৰ আধ্যা পৰা নাছিল; কিয়নো মিঃ উইলচন চাহাব আৰু মাহদিয়েকৰ ভিতৰতে পেঞ্চনত অৱসৰ লৈ ঘৰলৈ যাবলৈ সাজু হৈ আছিল। মই যদিও মনৰ বলত সেই আপদলৈ কটাহি কৰা নাছিলোঁ, তথাপি ঈশ্বৰ প্ৰেৰিত দূতস্বৰূপ মোৰ অন্যতম হিতাশী অভিভাৱক মণিপুৰৰ পলিটিকেল অফিচাৰে মোৰ সেই দুৰ্যোগৰ সময়তে আহি অসম উপত্যকাৰ জজ কমিচনাৰৰ বিষয়বাব গ্ৰহণ কৰিলেহি। তেখেতে সেই বিষয়ববীয়া ক্ষমতা পোৱাৰ অলপৰ পাচতে চফৰলৈ ওলাই পোন-প্ৰথমে তেজপুৰলৈকে আহে; সেই মাহেন্দ্ৰ-ক্ষণতে তেখেতৰ অনুগ্ৰহত মই উপস্থিত সমস্যাৰ হাত এৰাই মঙ্গলদৈলৈ একটিং তহচিলদাৰ হৈ আঁতৰি যাওঁ। সেইজন সদাশয় পুৰুষ আন নহয়, মোৰ ল'ৰাকালৰ অভিভাৱক চাহাব তাহানিকালৰ উত্তৰ লক্ষীমপুৰৰ মহকুমাধিপতি কৰ্ণেল মেক্সৱেল। সেই প্ৰসঙ্গত সুমৰিব লগীয়া ভালেমান কথা পাচলৈ থাকিল। আৰু মোৰ লগত ৺ভট্টাচাৰ্যৰ সংসৰ্গও ইমানলৈকে আৰম্ভণৰ উমনি মাথোন; তাৰ ফলাফলৰ বিষয় আগলৈ সুমৰিবলৈ থকা ভালেমান কথা 'মোৰ সোৱৰণী'ৰ গৰ্ভত ৰ'ল। তথাপি অলপ আভাস দি থোৱা যায় যে পাচত অৱস্থাৰ ফেৰত সেই তেজী অসমীয়া সাহিত্যিক বন্ধুজনো মোৰ বিপক্ষীয়া শত্ৰুদলৰ হাতত অস্ত্ৰ হৈ আগবাঢ়িব লগাত পৰিছিল; যিহেতু ৺কমলাকান্ত ভট্টাচাৰ্য নিজ ধৰ্মবিশ্বাস অনুযায়ীকৈ প্ৰকাশ্যে ব্ৰাহ্ম সমাজভুক্ত হোৱাত, তেওঁ অন্যতম অসমীয়া ব্ৰাহ্ম বৃদ্ধনেতা ৺লক্ষ্মীকান্ত বৰ-কাকতীৰ সঙ্গী হৈ সততে তেওঁৰ ঘৰত আলহী হ'ব লগাত পৰিছিল; অথচ ৺বৰকাকতী তেখেতৰ সহধৰ্মী বঙ্গালী ব্ৰাহ্ম সমাজৰ মাজত বাস কৰি আছিল; আৰু তেওঁ 'তেজপুৰ মধ্যছাত্ৰবৃত্তি বঙ্গবিদ্যালয়'ৰ হেডপণ্ডিত ৺গুৰুনাথ দত্ত মহাশয়ৰ জীয়েক শ্ৰীমতী টুলুৰ সৈতে তেওঁৰ বৰপুত্ৰ ৺ব্ৰহ্মানন্দ বৰকাকতীৰ বিয়া পাতি সেই বঙ্গালী পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল। গতিকে অসমীয়া সাহিত্যিক হিচাপে মোৰ বিৰুদ্ধে তেজপুৰ প্ৰবাসী বঙ্গীয় নেতাবৰ্গৰ সঙ্গত অযাচিতে ভুক্ত হ'বলগীয়া হৈছিল; আন কি তেখেত ৺হাৰান বাবুৰ পিৰালি-পিৰালিয়ে লগা চুবুৰীয়া (next door neighbour) আছিল। সেই আলমতে মোৰ বিশ্বস্ত সাহিত্যিক বন্ধু ৺কমলাকান্ত ভট্টাচাৰ্যও অতৰ্কিতভাৱে সেই সাময়িক মোৰ বঙ্গালী শত্ৰুপক্ষৰ মাজত মিহলি হব লগাত পৰিছিল। তেওঁৰে মোৰে মাজত সাহিত্যিক বন্ধুতাৰ শেহছোৱাত ৺কমলাকান্ত ভট্টাচাৰ্যৰ সম্পৰ্কত স্বয়ম্ভু 'কাণ কটা ফাইল' শিক্ষা-বিভাগীয় ডিৰেক্টৰ চাহাবৰ অফিচত কি সূত্ৰে কেনেকৈ জিলিকিবলৈ পালে সেইবিলাক বিবৃতি পাচত যথাঠাইত সুমৰিবলৈ থাকিল।

# ত্ৰয়োদশ সৰ্গ

## মঙ্গলদৈত তহচিলদাৰী

মোৰ ল'ৰাকালৰ পৰমহিতৈষী যিজন কৰ্ণেল মেক্সৱেল চাহাবৰ কথা ইয়াৰ আগেয়েই যথা ঠাইত সুমৰি অহা হৈছে, তেখেত লেফটেনেণ্ট খিতাপেৰে উত্তৰ লক্ষীমপুৰ মহকুমাৰ অধিপতি থাকোঁতে ফুৰা-চকাত মোৰে সৈতে ৰং-ধেমালি কৰি অমায়িক সুখ অনুভৱ কৰিছিল। ময়ো তেখেতক নিচেই আপোন অভিভাৱক যেন দেখিছিলোঁ। পিচে মোক বিচ্ছেদৰ বেজাৰ দি তেখেতে উত্তৰ লক্ষীমপুৰ এৰিবৰ দিন ধৰি বহুকাল দুইৰো দেখাদেখি হোৱা নাছিল। মাথোন মণিপুৰৰ পলিটিকেল এজেণ্ট হৈ থাকোঁতে তেখেতক মাজতে এবাৰ কহিমাত সাক্ষাৎ পাইছিলোঁ। সদৌশেহত, ৰাজকীয় বিষয়ববীয়া জীৱনৰ অন্ত্যছোৱাত তেখেত অসম উপত্যকাৰ জজ-কমিচনাৰ হৈ চক্ৰ ফুৰিবলৈ আহোঁতে তেজপুৰত আকৌ তেখেতৰে সৈতে মোৰ সাক্ষাৎ লাভ হয়। সেই ছেগতে মোৰ শিশুকালৰ হিতৈষী কৰ্ণেল মেক্সৱেল কমিচনাৰ চাহাবে মোক উপযাচি উপকাৰ কৰিবলৈ ইচ্ছা কৰে। সেই উদ্দেশ্যে তেখেতে মোক সুধিলে, "তুমি তোমাৰ বৰ্তমান চাকৰি কেনে পাইছা?" মই উত্তৰ দিলোঁ, "বৰ ভাল পাইছোঁ।" তেখেতে হাঁহি মাৰি আকৌ ক'লে, "ভাল পাইছা বোধকৰো গা-মনৰ স্ফূৰ্তিৰে সৈতে মুকলিমূৰীয়াকৈ ডেকালি কৰিবলৈ পাইছা দেখি; কিন্তু তোমাৰ উন্নতিৰ ফালে ভাবি চাইছা জানো? মোৰ মনেৰে শিক্ষা বিভাগত থাকি তুমি উন্নতি কৰিবলৈ বহুত দিন লাগিব; গতিকে চল পালেই বেগাই উন্নতি কৰিবলৈ বাট থকা আন কোনো বিভাগলৈ বগাবলৈ চোৱা উচিত। তুমি কলেক্টৰী বিভাগলৈ পাৰ হবলৈ চাবা।" মই মোৰ ওচৰ ভবিষ্যত গমি চাই উলটি প্ৰশ্নমূলক এই উত্তৰ দিলোঁ, "পাৰিমনে?" তেখেতে ততালিকে সেই উত্তৰ কাঢ়ি বুজনিৰ সুৰেৰে ক'লে, "কিয় নোৱাৰিবা? তোমাৰ আজন্মকাল তোমাৰ ঘৰত মৌজাদাৰী। তুমি ওপজাৰেপৰা তোমাৰ দেউতাৰক মৌজাদাৰ দেখি আহিছাচোন।" মোৰ মনৰ আচল ভাব চাহাবে নুবুজিলে। মোৰ ভাব আছিল যে শিক্ষা বিভাগত থাকি সাহিত্য চৰ্চালৈ মই যি সুচল পাইছিলোঁ আন বিভাগত সেই চল পোৱা টান হব; তাকে গুণি মই তাত টিকিব পাৰিমনে?—বুলি মনৰ ভাব ব্যক্ত কৰিছিলোঁ। মনৰ আচল ভাব যি কি নহওক, চাহাবে বিষম পোৱাৰ আশঙ্কাত মই সেই বিষয়ে আৰু বহলকৈ একো নকৈ মুঠেই "ভাল, চাব লাগে" বুলি কৈ থলোঁ। তেখেতেও ৰংমনেৰে 'বাৰু' বুলি মোক বিদায় দিলে।

কৰ্ণেল মেক্সৱেল জজ কমিচনাৰ চাহাবৰ লগত সেই সাক্ষাৎ হোৱাৰ মাহদিয়েকৰ পাচত, এদিন দৰং জিলাৰ ডেপুটী কমিচনাৰ কৰ্ণেল গ্ৰে চাহাবে মোক তেখেতৰ বঙ্গলালৈ মতাই নি, কৰ্ণেল মেক্সৱেলৰ 'ডেমি অফিচিয়েল' পত্ৰ এখন দেখুৱাই সুধিলে, "তুমি মঙ্গলদৈলৈ সম্প্ৰতি কিছুকালৰ কাৰণে একটিং তহচিলদাৰ হৈ যাবানে?" মই ভাবি চালোঁ 'কিছুকাল'ৰ কাৰণে

মাথোন, এতেকে তাৰো জুতিটো লৈ চোৱা যাওক, মোৰ শিশুকালৰ অভিভাৱক চাহাবৰ ইচ্ছাটিও পূৰ্ণ হওক। এই ভাবি মই সেই প্ৰস্তাৱত অমান্তি নহৈ "ভাল, যাব লাগে" বুলি সমিধান দি গুচি আহিলোঁ। ঘণ্টাচেৰেকৰ পাচত নৰ্মাল স্কুলত মোৰ শুৰু ছাত্ৰবিলাকক শিক্ষা দি থাকোতে এখন মকৰলী 'পৰওনা' আহি পৰিল যে মই সাম্প্ৰতিকভাৱে মঙ্গলদৈলৈ একটিং তহচিলদাৰ হৈ গৈ সীতানাথ চহৰীয়া তহচিলদাৰক দহদিনৰ ভিতৰত আজৰাই দিবগৈ লাগে। অগত্যা ডেপুটী কমিচনাৰৰ জৰিয়তে টেলিগ্ৰাফিক আবেদন কৰি, শিক্ষা বিভাগৰপৰা এবছৰ ছুটী মঞ্জুৰ কৰাই লৈ, মই ততাতৈয়াকৈ গৈ, মঙ্গলদৈ তহচিলদাৰীৰ চাৰ্জ ললোঁগৈ। সুখৰ বিষয়, কেইমাহমানৰ আগতে মাথোন মোৰ অগ্ৰজপ্ৰতিম বন্ধু ৺ঘনকান্ত চলিহা বৰুৱা কলাইগাঁও তহচিলৰ তহচিলদাৰ হৈ গৈছিল। আৰু তাৰো আগৰেপৰা তেজপুৰীয়া বয়োবৃদ্ধ বন্ধু ৺ভবানীচৰণ ভট্টাচাৰ্যদেৱ পাথৰুঘাটৰ তহচিলদাৰ হৈ আছিল। একেখন তেজপুৰৰ সদৰৰপৰা গৈ একেখন মঙ্গলদৈ মহকুমাৰ তিনিটা তহচিলত আমি তিনিজন লগালগিকৈ তহচিলদাৰ হৈ থাকিবলৈ পাই মোৰ মনত বৰ ৰং লাগিল। মঙ্গলদৈ তহচিলখন মাজতে; পূবে কলাইগাঁও আৰু পছিমে পাথৰুঘাট তহচিল। মই চফৰলৈ ওলাই যাওঁতে পূবপ্ৰান্তত চলিহাদেৱ আৰু পছিম প্ৰান্তত ভট্টাচাৰ্যদেৱৰ বহাত জিৰণি লবলৈ বঢ়িয়াকৈ চল লাগি পৰিছিল। মোৰ সেই তহচিলদাৰী বিষয়-বাবৰ আদিছোৱা ভালে ভালেই পাৰ হৈছিল। বহুদিনৰ মূৰত মই আকৌ চেমনীয়া কালৰ স্ফূৰ্তিৰে সৈতে ঘোঁৰা চোৱাৰীকৈ চফৰ ফুৰিবলৈ পাই মোৰ গা-মনত উলাহ লগা দেখা গৈছিল। গতিকে থেতি পথাৰ চোৱা আৰু পৰতাল জৰীপাদিৰ ক্ষেত্ৰত দুভাগ আৰু অফিচৰ লিখা-পঢ়া আদি কামত এভাগ মাথোন মোৰ সময় নিয়োজিত হৈছিল। এইবোৰ কৰ্তব্য কাৰ্য মোৰ মানত নতুন হোৱাতো টান যেন নালাগিছিল। কিয়নো মই ছাত্ৰজীৱনতে মৌজাদাৰী চাৰ্ভে পৰীক্ষাত উত্তীৰ্ণ হৈ থকাৰ গুণত তহচিলৰ লাগতিয়াল জৰীপৰ কাৰ্য মোৰ পক্ষে নিচেই উজু যেন লাগিছিল; আৰু আমাৰ মৌজাদাৰী ঘৰতে চিঠা, খতিয়ান, দাগচিঠা, জমাবন্দী আদি সততে সঞ্চালন কৰি থকা অভ্যাসৰ বলত সেইবোৰ কাৰ্য পৰ্যবেক্ষণ কৰাটো মোৰ মানত এটা লাচত উঠা হাতৰ কাম যেন বোধ হৈছিল। সেইবাবে মহকুমাধিপতি লেফটেনেণ্ট প্লেফেয়াৰ চাহাবেও মোক বৰ ভাল পোৱা হৈছিল; এনেকি মোৰ ৰিপোৰ্ট বুলিলে তেওঁ চকুমুদি গ্ৰহণ কৰাদি কৰিছিল। কিন্তু সেই বিষয়ববীয়া কালৰ সময়ছোৱাত 'হৰিণাৰ গাৰ মঙ্গহেই শত্ৰু' হোৱাৰ দৰে, এদিন একেৰিমান কথাতে মই তেওঁৰ ওচৰত অপ্ৰিয় হৈ পৰিলোঁ। কথাটো এই—এদিন ধুলা চাপৰিত চেপাচী মাটিৰ পৰতাল জৰীপলৈ দুয়ো লগলাগি যাওঁতে, তেওঁৰ প্ৰস্তাৱ মতেই মোৰ ঘোঁৰা থৈ তেওঁৰ এহালি ঘোঁৰাৰে দুয়ো দুটাত উঠি গলোঁ। সেই ঘোঁৰা-হালৰ মতাটো এটা বগা ওখ 'ওৱেলাৰ' আৰু মাইকীজনী মুগী 'টট্টু'। এই ঘুৰীজনীলৈ প্লেফেয়াৰ চাহাবৰ বৰ মৰম। তেওঁৰ বিশ্বাস যে আন কোনো ঘোঁৰাই তাইক পিচ পেলাব নোৱাৰে। সেইদিনা মই মতাটোত আৰু তেওঁ মাইকীজনীত চোৱাৰী কৰি গৈছিলোঁ। পিচে উলটি আহোঁতে ধুলা চাপৰিৰ মাজেদি যোৱা তিনিমাইলমান পোন বাট ডোখৰত,

তেওঁৰ প্ৰস্তাৱত আমি দুয়ো শাৰী পাতি লৈ ৰেচ (race) দিলোঁ। ফলত মই তেওঁক পিচ পেলাই থৈ বহুত আগ বাঢ়িলোঁ, তেওঁৰ অতিপাত উদগনিতো সেই মৰমৰ ঘুৰীজনীয়ে প্ৰাণকাতৰে চেকুৰিও মই মেলোৱা ঘোঁৰাটোৰ লগ ধৰিবহি নোৱাৰিলে। সেই কথাত তেওঁ বৰ বিমৰিষ হৈ পৰিল, মোক নমতাই হল; আনকি ঘোঁৰাবপৰা তেওঁৰ বঙ্গলাৰ আগত দুয়ো নামি বিদায় লোৱা-লুই কৰোঁতেও মোক আৰু ভালমুখে নামাতিলে। মোৰ মনে মনে হাঁহি উঠিল আৰু পেটে পেটে কিবাকিবি গুণি-গাঁথি গুচি আহিলোঁ, সেই গুণা-গাঁথাৰ লগতে আন এটা ছেগত অপৰ এটা সংসৰ্গে আকৌ মোৰ সাহিত্য-চৰ্চালৈ সোঁৱৰাই দি মোৰ মন চঞ্চল কৰি পেলালে; ফলিতাৰ্থত তহচিলদাৰী বিষয়-বাবৰ প্ৰতি মোৰ ৰাপ টুটি আহিল। সেই সংসৰ্গ হৈছে মিষ্টাৰ (পাচত চাৰ) গেইট চাহাবৰ লগত। মোৰ স্বৰ্গীয় বন্ধু হেমচন্দ্ৰ গোস্বামীৰে সৈতে লগৰীয়াকৈ আমি যেয়ে যি পাৰিছিলোঁ, মিষ্টাৰ গেইটক তেওঁৰ সেই কালৰ বুৰঞ্জীমূলক তথ্য অনুসন্ধানত (historical researches) সহায় কৰিছিলোঁ। মঙ্গলদৈত মই তহচিলদাৰ হৈ থকাৰ সম্ভেদ পাই তেখেতে মোলৈ অনুৰোধ পত্ৰ দিলে যে সেই ছেগতে মই যেন দৰঙ্গী ৰাজবংশ সম্পৰ্কীয় বুৰঞ্জীমূলক তথ্যৰ সংবাদ তেওঁক দি থাকোঁ। তেওঁৰ সেই পত্ৰৰ কাৰ্য কৰোঁতে মোৰ নিজৰো 'অসম বুৰঞ্জী' লিখা সংকল্পটো উজাৰ খাই উঠিল। মিঃ গেইটক তথ্য-সংবাদ দিয়াৰ লগে লগে মোৰ নিজলৈকো মই সমল গোটাবলৈ ধৰিলোঁ। সেই সোঁৱৰণীয়ে আৰু মিষ্টাৰ প্লেফেয়াৰৰ সেইদিনাৰ আচৰণে লগ লাগি মোৰ মন ক্ৰমাৎ বিগৰাই আনিবলৈ ধৰিলে; মোৰ সেই একটিং চাকৰিৰ বাকী কেইমাহ কেতিয়া কেনেকৈ পাৰ হয় তাকেহে চিন্তিবলৈ ধৰিলোঁ। কিন্তু অসুখৰ কথা যে সেই বাকী কেইমাহ পূৰ হোৱাৰ পাচতো মই আৰু চাৰিমাহ বঢ়াকৈ সেই কামতে থাকিবলৈ বাধ্য হলোঁ। সেই ছেগতে সেই চাৰিমহীয়া ওপৰঞ্চি কালত মোক মঙ্গলদৈয়া অসমীয়া ৰাইজৰ এটা ৰাজহুৱা অনুৰোধে মেৰাই ধৰিলে। সিবিলাকে ভালেমান দিনৰেপৰা আলচি থকা হাইস্কুল এখন স্থাপন কৰা প্ৰস্তাৱটো কাৰ্যত ফলিওৱাবলৈ মোক খাটনি ধৰিলে। মই নিজে নিজে সেই কাৰ্যত লিপ্ত হবলৈ অমান্তি হলোঁ; কাৰণ মোক মোৰ সাহিত্য চৰ্চাৰ ধাউতিয়ে ওভতনি গতি ধৰাবলৈ বৰকৈ উদ্দীপ্ত কৰিছিল তথাপি ৰাইজৰ অনুৰোধলৈ আওহেলা কৰিব নোৱাৰি মই শিক্ষা বিভাগৰ ডিৰেক্টৰ মিষ্টাৰ জে. উইলচনৰ সৈতে সেই বিষয়ে লিখালিখি চলাবলৈ ধৰিলোঁ। সদৌশেহত, তেওঁৰপৰা এই সমিধান পোৱা গল যে মঙ্গলদৈয়ে হাইস্কুল পোৱা সময় এতিয়াও নৌ আহে এথোন (time has not come yet for Mangaldai to get a high school)। ৰাইজৰ মুখিয়াল নেতা কেইজনে সেই কথাত বৰ বিষম পাই, সিবিলাকৰ মহকুমাধিপতি মিষ্টাৰ প্লেফেয়াৰ চাহাবক আদ্যোপান্ত বিবৰি কৈ তেওঁৰ হতুৱাই গৱৰ্ণমেন্টক সেই অৰ্থে খাটনি ধৰিবলৈ যুগুতি কৰিলে। তাৰ ফল এই হলগৈ যে মিষ্টাৰ প্লেফেয়াৰে তেওঁৰ যত্ন-চেষ্টাত অকৃতকাৰ্য হৈ বৰ লাজ পালে; আৰু সেই সম্পৰ্কত মই আগধৰি বাজে বাজে শিক্ষা বিভাগৰ গুৰিয়ালৰে সৈতে লিখালিখি কৰা সম্ভেদ পাই মোক তেওঁ প্ৰকাশ্যে বেয়া পোৱা হল। তদুপৰি মিষ্টাৰ গেইটৰে সৈতে মোৰ ডেমি-অফিচিয়েল চিঠি-পত্ৰ চলি থকাৰ

গম ধৰি তেওঁ মোৰ প্ৰতি আন্তৰিক ঈৰ্ষাভাৱে চোৱা হৈছিল। ফলিতাৰ্থত পাচলৈ অলপ-অচৰপ কথাতে তেওঁৰে মোৰে ভিতৰত মনোবাদ ঘটি সঘনে তৰ্কবাদ চলিবলৈ ধৰিলে। মই কিন্তু সেইবাবে অকণো বিচলিত হোৱা নাছিলোঁ; কিয়নো ইতিমধ্যত মই মোৰ পুৰণি কৰ্মক্ষেত্ৰলৈ উভতিবলৈ পাখি কোটালি আছিলোঁ। সেইবোৰ যি হওক, ওপৰঞ্চি চাৰি মাহ উকিল যোৱা মাত্ৰে মই উভতি উজাবলৈ সক্ষম হলোঁ, যথাসময়ত গুৱাহাটীৰ কমিচনাৰৰ অফিচৰপৰা নতুনকৈ মকৰল হৈ অহা ৺ৰমাকান্ত শৰ্মাবৰুৱা চবডেপুটী কলেক্টৰক মঙ্গলদৈলৈ তহচিলৰ চাৰ্জ চমজাই দি মই তাৰপৰা অব্যাহিত ললোঁ।

## 'অসমৰ বুৰঞ্জী' প্ৰণয়ন

মঙ্গলদৈৰপৰা মই তেজপুৰ বা আমাৰ ঘাইঘৰ উত্তৰ লক্ষীমপুৰলৈ পোনাই নাহি, দক্ষিণ-পাৰৰ কেথনমান সদৰ আৰু মহকুমাত একো একোটা ভূমুকি মাৰি এটা মেৰপকোৱা উলটা যাত্ৰা কৰিলোঁ। উদ্দেশ্য মোৰ সংকল্পিত 'অসমৰ বুৰঞ্জী' প্ৰণয়নলৈ তথ্য সংগ্ৰহ কৰা। এই যাত্ৰাৰ এদনীয়া উদ্দেশ্যত মই ভালেমানলৈকে কৃতকাৰ্য হলোঁ। বিশেষকৈ গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় ভ্ৰমণৰপৰা মই ভালেখিনি বুৰঞ্জীৰ সমল সংগ্ৰহ কৰিলোঁ। তাৰ লগতে মোৰ পূৰ্বৰ সংগৃহীত বুৰঞ্জী সমল লগলগাই লৈ উত্তৰ লক্ষীমপুৰত "অসমৰ সংক্ষিপ্ত বুৰঞ্জী" নামে এখন পঢ়াশলীয়া বুৰঞ্জী প্ৰণয়নত একান্ত মনেৰে ধৰিলোঁগৈ। এই কাৰ্যত মোক স্বৰ্গীয় বন্ধু ৺পাণীন্দ্ৰনাথ গগৈদেৱে বিস্তৰ সহায় কৰিছিল; আৰু মোৰ অন্যতম স্বৰ্গীয় বন্ধু হেমচন্দ্ৰ গোস্বামীদেৱ আৰু সেই সাময়িক সহযোগী মিঃ গেইট চাহাবৰপৰা পৰামৰ্শ দান পাইছিলোঁ। ইতিমধ্যত মিষ্টাৰ গেইটৰ বুৰঞ্জী-মূলক তথ্য সংগ্ৰহৰ টোকা ইংৰাজীত ছপা হৈ ওলোৱাত মোৰখন বুৰঞ্জী অসমীয়াত লিখিবলৈ মোৰ পক্ষে চল লাগি পৰিল। চমুকৈ কবলৈ গলে, মিষ্টাৰ গেইটৰ সেই তথ্য সংগ্ৰহৰ টোকা-খিনিয়েই (Gait's historical researches) মোৰ 'অসমৰ বুৰঞ্জী'ৰ মূল ভেঁটি। এই বুৰঞ্জী লিখাত মই ভালেমান পুথি-পাঁজি, কাকত-পত্ৰ, তথ্য-সংগ্ৰহ, অসমীয়াত লিখা আহোম বুৰঞ্জী পুথি, তামৰ ফলি, শিল শিৰোনামা আদি অধ্যয়ন কৰিব লগা হৈছিল। সেইবোৰৰপৰা সংগৃহীত সমলেৰেই মোৰ সংক্ষিপ্ত অসম বুৰঞ্জীখন সঙ্কলিত কৰিবলৈ কাৰ্য হাতত ললোঁ। কিন্তু মোৰ দীঘলীয়া ছুটীৰ বাকী থকা দুমাহত মই মাথোন সেই কাৰ্যৰ এটা আঁচনি ( skeleton ) ধৰি ললোঁ; তেজপুৰলৈ উলটি আহি পুনঃ নৰ্মাল স্কুলৰ চাৰ্জ চমজি লোৱাৰ পাচতহে তাক কিতাপৰ আকাৰে বহলাবলৈ ধৰিলোঁ। ইতিছেগতে মোৰ সাহিত্যিক সহ-যোগী বন্ধু ৺কমলাকান্ত ভট্টাচাৰ্যক তেজপুৰ টাউনতে সঘনে লগ পোৱাৰ ফলত, তেওঁৰে সৈতে পতা বিবিধ বিষয়ক আলোচনাৰ মাজেদি সৰকি অহা সাৰুৱা সমল মোৰ হাতেলিখা-বুৰঞ্জীত সন্নিবিষ্ট কৰিবলৈ সুচল পোৱা গৈছিল। তাত বাজেও সেই সৰু গ্ৰন্থখন যুগুত কৰোঁতে মোৰ স্বৰ্গীয় ভিনীহিদেৱ ৺কৃষ্ণানন্দ গোহাঞি ফুকন, ৺ফণিধৰ চলিহা বৰুৱা আৰু ৺পদ্মেশ্বৰ গোহাঞি ফুকন ডাঙৰীয়া প্ৰমুখ্যে কেইবাজনো বুৰঞ্জীবিজ্ঞ লোকৰপৰা বিস্তৰ সহায় লাভ

কৰিছিলোঁ। তেজপুৰলৈ উলটি অহাৰ পাচত "অসমৰ বুৰঞ্জী" প্ৰণয়নৰ কাৰ্য মোৰ কৰ্তব্যৰ মাজত অগ্ৰগণ্য হৈ উঠিল, মোৰ সেই কাৰ্যত একাগ্ৰতাৰীয়া মনোযোগ পৰাত অন্যান্য কৰ্তব্য কৰ্মত ত্ৰুটি ঘটা যেন দেখা গ'ল। সেই ছিদ্ৰতে 'পূৰ্ব শত্ৰু মনে জানি' স্থানীয় ওপৰৱালাৰ কোপ দৃষ্টি পুনৰপি মোৰ ওপৰত পৰিবলৈ ধৰিলে। তাৰ বাবে মই যিথিনি জঞ্জাল ভাঙিব লগাত পৰিছিলোঁ তাক এই সংসৰ্গত সুমৰিবলৈ গ'লে সি বহুত হৈ পৰে। যি হওক, সেইবোৰ জঞ্জালৰ খনে খনে জপনা পাৰ হৈ ডেৰ বছৰৰ মূৰত মোৰ বুৰঞ্জীখন লিখি উলিয়াই অসম উপত্যকাৰ টেক্সটবুক কমিটীলৈ পঠোৱা হল। তাৰ পাচত সৰহ দিন বাট চাব লগীয়া নহল, সোনকালেই সেই হাতেলিখা বুৰঞ্জীখন কমিটীয়ে উচ্চ প্ৰাইমেৰী আৰু মজলীয়া ছাত্ৰবৃত্তি স্কুলৰ পাঠ্যৰূপে মঞ্জুৰ কৰি পঠিয়ালে। সেইবাবে বৰ উপকৃত আৰু উৎসাহিত হোৱাৰ উপৰি তাৰ সুসংবাদে ওপৰত নাম লোৱা মোৰ হিতৈষী সহায়কাৰী লোকসকলেও বৰ সন্তোষ পালে;—সিবিলাকৰ ভিতৰত মিঃ জে. উইলচন বিশেষকৈ উল্লেখযোগ্য। পঢ়াশালিৰ পাঠ্য-ৰূপে প্ৰকাশিত হোৱাৰ পাচত বুৰঞ্জীখনৰ আদৰ ক্ৰমাৎ বহুল হবলৈ ধৰিলে।ময়ো সেই উৎসাহৰ বলত কৃতজ্ঞচিত্তেৰে পুথিখনৰ প্ৰত্যেক নতুন তাঙৰণত তাৰ ক্ৰমোন্নতি সাধি আহিবলৈ ধৰিলোঁ; তাৰ ফলস্বৰূপ বৰ্তমানত "অসমৰ বুৰঞ্জী" স্কুলীয়া আৰু সৰ্বসাধাৰণৰ পাঠ্য-পুথিখনৰ কলেৱৰ বাঢ়ি গৈ গৈ এতিয়া তাৰ ঊনবিংশ তাঙৰণত সি এখন বৃহৎ বুৰঞ্জী হৈ সৰ্ব-সাধাৰণ আৰু বুৰঞ্জীবিজ্ঞ সাহিত্যিক সকলৰপৰা আশাতীত সমৰ্থন আৰু প্ৰশংসা লাভ কৰিছে।

## 'বুৰঞ্জীবোধ' প্ৰণয়ন

ডাঙৰখন "অসমৰ বুৰঞ্জী" পুথি পঢ়াশলীয়া পাঠ্য পুথি হিচাপে বৰ ডাঙৰ বোধ হোৱাত, শিক্ষা বিভাগীয় বিষয়াবৰ্গৰ পৰামৰ্শমতে বিশেষকৈ অসমৰ স্কুল ইন্‌স্পেকট্ৰেচ্ মিচ্ গেৰেট মহোদয়াৰ অনুৰোধ অনুসৰি, বুৰঞ্জীমূলক আদি শিক্ষাৰ কাৰণে "অসমৰ বুৰঞ্জী"ৰ সংক্ষিপ্ত তাঙৰণ এটা লিখি উলিয়াবলৈ তাৰ প্ৰণয়নৰ কাৰ্য অনতিপলমে হাতত ললোঁ। তাৰে ফল হৈছে মোৰ "বুৰঞ্জীবোধ"। এই পঢ়াশলীয়া পাঠ্য পুথিৰ এটা বিশেষত্ব এই যে, ইয়াত মোৰ ডাঙৰখন "অসমৰ বুৰঞ্জী"ৰ লাগতিয়াল ঘটনাৱলীৰ বিস্তাৰিত বিবৃতি সংক্ষেপ কৰাৰ উপৰি, অসম প্ৰদেশৰ বাহিৰেও পৃথিৱীৰ, বিশেষকৈ ভাৰতবৰ্ষ আৰু ইংলেণ্ডৰ সমসাময়িক ঘটনা-বোৰৰ চমু টোকা ধৰি ল'ৰাই সহজে মনত ৰাখিব পৰাকৈ প্ৰত্যেক আধ্যাৰ শেহত লগাই দিয়া গৈছে। সেইবাবে এই সৰু, উজু আৰু চমু বুৰঞ্জী পুথিখনি পঢ়াশালিৰ কাৰণে বিশেষ উপযোগী বুলি কৰ্তৃপক্ষে মনোনীত কৰাত, ই অসমৰ সদৌ পঢ়াশালিত বহুলকৈ ব্যৱহৃত হবলৈ ধৰিলে; সেই আলমতে অলপ দিনৰ ভিতৰতে "বুৰঞ্জীবোধ" পুথিৰ কেইবাটাও তাঙৰণ প্ৰচাৰিত হল। এতিয়া এই শিশুৰঞ্জন পঢ়াশলীয়া পুথিখনি অসমৰ সদৌ হাই আৰু মজলীয়া স্কুলবোৰত পাঠ্য হৈ চলি আছে।

## 'নীতি শিক্ষা' শেহছোৱা

"অসমৰ বুৰঞ্জী" পোহৰলৈ উলিওৱাৰ পাচতে মোৰ সংকলিত সাহিত্য লানিলৈ মনত পৰিল। অসমীয়া সাহিত্যত সেই পাঠ্য পুথিৰ লানিটো সমপূৰণ কৰিবৰ উদ্দেশ্যে মই 'নীতি শিক্ষা'ৰ শেহছোৱা প্ৰণয়নৰ কাৰ্য অনতিপলমে হাতত ললোঁ। এইছোৱা 'নীতি শিক্ষা' প্ৰণয়ন কিন্তু মোৰ পক্ষে উজু বোধ নহৈছিল। মই সেই উদ্দেশ্যে ভালেমান ওথথাপৰ নীতিমূলক ৰচনা, প্ৰবন্ধ আৰু নীতিগ্ৰন্থ পঢ়ি লৈ তাৰপৰা সংগৃহীত সমল নিগাজীকৈ জীণ নিয়াই নিজা কৰি লোৱাত অত্যধিক শ্ৰম কৰিব লগাত পৰিছিলোঁ। বুৰঞ্জী প্ৰণয়নৰ পাচত যথেষ্ট জিৰণি নোলোৱাকৈ খকুৱাৰ দৰে এই শেহছোৱাখনৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰাৰ ফলত মোৰ স্বাস্থ্য ক্ৰমাৎ পৰি যাবলৈ ধৰিলে। কিন্তু তথাপিতো সেই গ্ৰন্থত সম্পূৰ্ণভাৱে মোৰ ধাউতি প্ৰবল হোৱাত, মই সেই অৰ্থে হাতে লোৱা কাপ এৰিব নোৱাৰিলোঁ ; কিতাপখনৰ লিখা সমাপ্ত নোহোৱালৈকে একাণপতীয়া মনোযোগেৰে নেৰানেপেৰাকৈ সেই কাৰ্যত লাগি থাকিলোঁ। তাৰ ফলত কিতাপখন লিখি উলিয়াই টেক্সটবুক কমিটিলৈ পঠিওৱাৰ পাচত মই বৰ সাংঘাতিকৰূপে এটা শকত নৰিয়াত পৰিলোঁ। তাৰ পৰিণামত মোৰ যোৱা-থোৱা অৱস্থা ঘটিছিল। সি যি হওক, নৰিয়াৰপৰা উঠি অলপ গা টঙাই উঠিছোঁ মাথোন এনেতে "নীতি শিক্ষা" শেহছোৱা টেক্সটবুক কমিটীৰপৰা মজলীয়া ছাত্ৰবৃত্তিৰ পঢ়াশালিৰ পাঠ্য ৰূপে মঞ্জুৰ হৈ আহিল। এই সুসংবাদজনিত আন্তৰিক আনন্দে মোৰ গা টঙ্গোৱাত আৰু গুণ দিলে। আৰু সেই সুছেগতে কিতাপখন কলিকতাত ধুনীয়াকৈ ছপা কৰাই অনা হল। এই কাৰ্যৰ সমাপ্তি মোৰ বিশেষ সন্তোষৰ কাৰণ হৈ উঠিছিল এইবাবে যে ইয়াৰ দ্বাৰা মোৰ সংকলিত সাহিত্য পাঠ্য পুথিখনি সম্পূৰ্ণ হৈ উঠিল। যথাসময়ত হাইস্কুলবিলাকতো অসমীয়া পাঠ্য পুথি নিৰ্দিষ্ট হোৱাত মোৰ নীতিশিক্ষা লানিয়ে বহুলকৈ ঠাই পালে। তাৰ লগে লগে মোৰ দ্বাৰাই প্ৰণীত সঙ্কলিত "আদি শিক্ষা" তিনিছোৱা, "নীতি শিক্ষা" তিনিছোৱা আৰু "সাহিত্য সংগ্ৰহ" দুই খণ্ড, এই আঠখন সাহিত্য পুথিৰ দ্বাৰাই হাইস্কুলৰ ১নং (Class I) শ্ৰেণীৰপৰা ৮ নং (Class VIII) শ্ৰেণীলৈকে অসমীয়া সাহিত্য পাঠ্য পুথিৰ লানিটো (series) সম্পূৰ্ণ হোৱা দেখি মোৰ মনত নথৈ ৰং লাগিল ; সেই সময়ত মোৰ পৰম হিতৈষী মিঃ জে. উইলচন চাহাবে শিক্ষা বিভাগৰ গুৰিয়াল হৈ থাকি মোৰ ইতিপূৰ্বৰ প্ৰতিশ্ৰুতি পালন সম্পূৰ্ণ হোৱা দেখিবলৈ পোৱা হলে মোৰ অন্তৰত আনন্দে নধৰা হ'লহেঁতেন কিজানি। হাইস্কুলৰ আটাইতকৈ ওপৰ দুই শ্ৰেণীত (Class IX, X) ইউনিভাৰ্চিটীৰ এণ্টেৰ্ঞ্চ কোৰ্চ চলে ; গতিকে ইমানতে হাইস্কুলৰ সমুদায় শ্ৰেণীত অসমীয়া পাঠ্য পুথি প্ৰচলনৰ অভাৱ আৰু অসুবিধা নিৰাকৰণ হোৱা দেখি জাতীয় সাহিত্যানুৰাগী অসমীয়া সমাজেও বৰ সন্তোষ লাভ কৰিলে।

## তেজপুৰীয়া ৰাইজৰ অভাৱ-অভিযোগ

ইয়াৰ আগেয়ে সুমৰি অহা হৈছে যে নিৰ্ভাঁজ, সৰল আৰু অকৃত্ৰিম দেশহিতৈষী শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্যৰ সঙ্গ লাভত মই সাহিত্য-চৰ্চাৰ ওপৰঞ্চিকৈ আমাৰ সামাজিক আৰু ৰাজ-

নৈতিক চৰ্চা আলোচনা আৰু আন্দোলনলৈকো এটা সুছেগ লাভ কৰিছিলোঁ। শ্ৰীযুত ভট্টাচাৰ্যৰ জলন্ত উৎসাহ, উদ্যম আৰু পটন্তৰে মোক অতৰ্কিতভাৱে আগবঢ়াই নি কেতিয়াবা কোনো বিষয়ত সীমা অতিক্ৰম কৰাইছিলগৈ। অৰ্থাৎ মই চৰ্কাৰী চাকৰীয়া হেতুকে গা দেখুৱাই যিবিলাক বিষয়ক আলোচনা আৰু আন্দোলনত যোগ দিবলৈ অপাৰগ সেইবোৰ বিষয়বো কোনোটোত কেতিয়াবা লুকাব নোৱাৰি ধৰা পৰা হলোঁ। এই কাৰ্যে আনহাতে মোৰ অনিষ্ট-চিন্তক দলক সবল কৰিছিল যদিও স্বদেশহিতৈষীতা ৰাগীয়ে মোক অনেক সময়ত তাৰ প্ৰতি আওকণীয়া কৰিছিল। আনকি ৰাইজৰ অভিযোগৰ প্ৰতিকাৰ কৰাৰ উদ্দেশ্যে আৰু তিনিজন স্থানীয় লোকৰে সৈতে আমি এখন গোপনীয় মেল পাতি লৈছিলোঁ; সেই মেলত ৺মনুৰাম বৰঠাকুৰ, ৺কিনাৰাম গাঁওবুঢ়া, ৺গঙ্গানাথ গোস্বামী পণ্ডিত আৰু মই, এই চাৰিজন মেলুৱৈ আছিলোঁ। যেতিয়াই কোনো ৰাজকৰ্মচাৰীক অত্যাচাৰী দেখোহঁক, যেতিয়াই কোনো কৰ্মচাৰীক আইন বিগৰ্হিত অন্যায় আচৰণ কৰা দেখোহঁক আৰু যেতিয়াই কোনো বহুল ক্ষমতা-প্ৰাপ্ত ওখথাপৰ ৰজাঘৰীয়া বিষয়াই ৰাইজৰ প্ৰতি ওপৰহতীয়াকৈ মইমতীয়া আচৰণত ধৰা দেখোহঁক, তেতিয়াই এই মেলৰ বৈঠক হয়, আৰু তাৰ সিদ্ধান্তমতে কাৰ্য হাতত লৈ সমূহ ৰাইজৰ চহী সংগ্ৰহেৰে গৱৰ্ণমেন্টলৈ অভিযোগৰ আবেদন পঠোৱা যায়। এতিয়াও সুমৰিলে বৰ সন্তোষ লাগে যে আমাৰ সেইবোৰ অভিযোগৰ আশু প্ৰতিকাৰ লাভ হৈছিল। কিন্তু আমাৰ সেই গুপ্ত মেলৰ আলোচনা আৰু আন্দোলনলৈ সকলো সময়তে সমানে সুবিধা নঘটিছিল; কোনো কোনো গুৰুতৰ বিষয়ৰ বহুল আৰু প্ৰকাশ্য আন্দোলন কৰিব নোৱাৰাত সেই সম্পৰ্কীয় অভিযোগ তুলিবলৈ সুচল পোৱা নগৈছিল। সেই কাৰণে সেই কথালৈ স্বাধীন আৰু মুকলিমূৰীয়া দেশহিতৈষী শ্ৰীযুত ভট্টাচাৰ্যৰে সৈতে ভিতৰুৱাকৈ আলচ পাতিবলৈ ধৰিলোঁ। তেৱোঁ সেইবিষয়ে বহুদিনৰপৰা গুণা-গঁথা কৰি আছিল। পিচে এই ছেগতে দুইৰো মনোভাৱ মিল হোৱাত, দুইৰো চিন্তালোচনাৰ ফলত এই স্থিৰ হল যে ৰাইজৰ অভাৱ-অভিযোগ আদিৰ প্ৰতিকাৰ সাধনৰ অৰ্থে তেজপুৰৰপৰা এখন বাতৰিকাকত প্ৰচাৰ কৰাৰ নিতান্ত প্ৰয়োজন। সেই সিদ্ধান্ত প্ৰস্তাৱ কাৰ্যত পৰিণত কৰাৰ অৰ্থে, শ্ৰীযুত ভট্টাচাৰ্যই প্ৰকাশ্যে আৰু মই গোপনে যত্ন-চেষ্টা কৰিবলৈ ধৰিলোঁ। তাৰে ফল তেজপুৰত "অসম চেণ্ট্ৰেল প্ৰেছ" প্ৰতিষ্ঠা আৰু "অসম বন্তি" প্ৰচাৰ। এই বিষয়ে পাচত সুবিস্তাৰিতকৈ সুমৰিবলৈ থাকিল। আমাৰ এইবোৰ দেশহিতকৰ কাৰ্যে শত্ৰু-মিত্ৰ উভয়পক্ষৰে দৃষ্টি আকৰ্ষণ কৰিলে। শ্ৰীযুত ভট্টাচাৰ্য টাউনলৈ আহি মোৰ লগ ধৰা দেখিলেই অপৰে ভাবি লয় কিবা এটা ৰাজহুৱা বিষয়ক আলোচনা চলিছে বুলি। আৰু সেইদৰেই আমাৰ গোপনীয় মেলৰ চাৰিজন যেতিয়া একেঠাই হওঁহঁক তেতিয়াই খুন্নুক-ঘানাককৈ বাজি উঠে, কোনোজন অত্যাচাৰী বা অন্যায়কাৰী কৰ্মচাৰীৰ গাত কিবা এটি ফলিয়াবৰ আগন্তুক মিলিছে বুলি। যিবিলাকে এই মেলৰ অস্তিত্বৰ সন্দেদ পাইছিল সিবিলাকে তাৰ মেলুৱৈ চাৰিক 'চতুৰ্বৰ্গ' নাম দি আনন্দ প্ৰকাশ কৰিছিল। সি যি হওক, এইখিনি সময়তে মই সাহিত্যিক, সামাজিক আৰু ৰাজনৈতিক কাৰ্যক্ষেত্ৰত সমবায়কৈ নামিছিলো।

# চতুৰ্দশ সৰ্গ

## অসম চেণ্ট্ৰেল প্ৰেছ

ওপৰত সুমৰি অহা হৈছে, শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্যদেৱৰে সৈতে যুটীয়া চিন্তালোচনাৰ ফলত ৰাইজৰ মুখপাত স্বৰূপে তেজপুৰত এখন প্ৰেছ বা ছপাখানা প্ৰতিষ্ঠা কৰা সঙ্কল্প গ্ৰহণ কৰা হয়। সেই সঙ্কল্প দুইবো অন্তৰত উমি উমিকৈ জ্বলি থকা বছৰেকমানৰ পাচত, তাক কাৰ্যত পৰিণত কৰিবৰ অৰ্থে দুয়ো তৎপৰ হৈ উঠোঁহঁক। সেই অৰ্থে ভট্টাচাৰ্যদেৱে প্ৰকাশ্যে আৰু মই তলে তলে পোনতে তেজপুৰীয়া ৰাইজৰ ওচৰ চাপিলোঁহঁক। আৰু সেই মহৎ উদ্দেশ্যৰ অনুকূলে ভালেমান স্বদেশানুৰাগী সজলোকৰ সহানুভূতি পোৱা গ'ল। তাৰ পাচত ভট্টাচাৰ্যদেৱৰ গা-তোলা ওজস্বিনী বুজনিৰ প্ৰেৰণাত উলাহিত হৈ স্থানীয় মাৰোৱাৰী সমাজেও অসমীয়াৰ লগত সহযোগিতা দান কৰি আমাক মটমটীয়া কৰি তুলিলে। সেই সুযোগতে তপতে তপতে এখন বৰঙ্গণিৰ প্ৰস্তাৱনা প্ৰচাৰ কৰা হল। আমাক যিসকলে মৌখিক সহানুভূতি দেখুৱাইছিল সেইসকলে স্বাক্ষৰিত বৰঙ্গণিৰ প্ৰতিশ্ৰুতি দান কৰি আমাৰ সংকল্প দৃঢ়তৰ কৰি তুলিলে। মাহদিয়েক মাথোন প্ৰস্তাৱনা কাকত প্ৰচাৰিত হোৱাৰ পাচত দেখা গ'ল যে আমাৰ আশাতীত ফল লাভ হৈছে, ৩০০০ টকাৰ ওপৰ বৰঙ্গণি প্ৰতিশ্ৰুত হৈ উঠিছে; ইতিছেগতে প্ৰকাশ্যভাৱে অসমীয়া আৰু মাৰোৱাৰী সমাজৰ মাজত এখন ৰাজহুৱা সভা পাতি আমাৰ সংকল্পিত বিষয়টো বিশদকৈ আলোচনা কৰা হয়। তাৰ ফলত এই স্থিৰ হয় যে, অনতিপলমে কলিকতাৰপৰা এখন ছপাযন্ত্ৰ আনি তেজপুৰ টাউনত পাতি তাৰপৰা এখন সাদিনীয়া বাতৰি কাকত প্ৰচাৰ কৰিব লাগে। তদৰ্থে প্ৰথমতে বৰঙ্গণি তোলা হয় আৰু সেই বৰঙ্গণিৰ ধনৰ ভঁৰাল স্থানীয় 'বৰগোলা' বা ৰায় মায়াসিং মেঘৰাজ বাহাদুৰৰ গোলাত প্ৰতিষ্ঠা কৰা হয়। মাহদিয়েক পাচত যেতিয়া দেখা গ'ল যে বৰঙ্গণিৰ ধন নগদ ২০০০ দুহেজাৰৰ ওপৰ সংগৃহীত হৈ উঠিলে, তেতিয়া পুনৰপি উল্লিখিত যুটীয়া সমাজ দুখনৰ সমবায়িক কাৰ্য উপলক্ষে কাৰ্যকৰী আলোচনাৰ্থে এখন ডাঙৰ ৰাজহুৱা সভা পতা হল। তাত এই সিদ্ধান্ত হয় যে তেজপুৰত প্ৰস্তাৱিত ছপাখানাখন প্ৰতিষ্ঠা কৰি তাৰপৰা এখন বাতৰি কাকত প্ৰচাৰ কৰাৰ কাৰ্য হাতত লোৱাৰ উদ্দেশ্যে এহাতে ইয়াত আইনসঙ্গতকৈ এটা কোম্পানী গঠন কৰিবলৈ দিহা কৰা হওক, আনহাতে ইতিমধ্যে কলিকতাৰপৰা এখন নতুন প্ৰেছ অৰ্থাৎ ছপাযন্ত্ৰ অনাবলৈ যুগুত বিধান কৰা যাওক। এই সিদ্ধান্ত উপস্থিত সমজুৱাসকলে মহোল্লাসেৰে গ্ৰহণ কৰিলে; সেইদিনাৰ ৰাজহুৱা উলাহলৈ সুমৰিলে আজিও মোৰ মন-প্ৰাণ নবোল্লাসে নচুৱাই তোলে। সেই সভাত এই অৰ্থে এখন কাৰ্যনিৰ্বাহক সভা গঠিত হয়।

সভাত সিদ্ধান্ত গৃহীত হল। পিচে তাক কাৰ্যত পৰিণত কৰা যায় কেনেকৈ? এই কথালৈ সভাই নিয়োগ কৰা আমি কাৰ্যকাৰককেজনৰ মাজত চিন্তালোচনা চলিল।

আমি প্রেছ প্রতিষ্ঠা বিষয়ত অনভিজ্ঞ আৰু কোম্পানী সংগঠিত কৰা বিষয়তো তথৈবচ। কাৰ্যকাৰক সমিতিৰ আঁৰ লৈ কাম কৰোঁতা মোৰ গাতেই প্রেছ সম্বন্ধীয় অভিজ্ঞতা অলপ থকাৰ গম ধৰি, সমিতিয়ে প্রেছ অনোৱাৰ যুগুতিৰ ভাৰ মোৰ মুৰতে অৰ্পণ কৰিলে। অৰণ্যে অপ্রকাশ্যে, কাৰণ মই চৰ্কাৰী চাকৰীয়া। মোৰ মনত পৰিল মোৰ বন্ধু ৺মথুৰা-মোহন বৰুৱালৈ। তেওঁ কলিকতা, এলাহাবাদ প্রভৃতি ঠাইত বাতৰি কাকতৰ লগত সম্বন্ধ ৰাখি ফুৰা-চকা কৰাৰ কথা মই ভালকৈ জানো। তেওঁ সেই সময়ত এলাহাবাদৰপৰা আহি গুৱাহাটীত আছিলহি। সেইছেগতে সমিতিৰ জৰিয়তে তেওঁক তেজপুৰলৈ মতাই অনালোঁ। তাৰ পাচত আলোচনাৰ ফলত এই সিদ্ধান্ত হয় যে, সময়ত এওঁকেই আমাৰ সংকল্পিত কাকতৰ সম্পাদক পতা যাব, সম্প্রতি তেওঁ কলিকতালৈ গৈ এখন ভাল প্রেছ কিনি পঠিয়াবলৈ যুগুত দিহা কৰকগৈ। সেই অনুযায়ী কাৰ্য হৈ উঠিল। ইফালে সেই মহৎ অনুষ্ঠানৰ ঘাই গুৰিয়াল মোৰ সহযোগী বন্ধু শ্রীযুত কমলাকান্ত ভট্টাচাৰ্যৰ যত্নত আইনমতে কোম্পানী সংগঠন কৰা কাৰ্যত অগ্রসৰ হোৱা গ'ল। আৰু ইতিমধ্যত আমাৰ প্রস্তাবিত প্রেছখনৰ "অসম চেন্ট্ৰেল প্রেছ" নামকৰণ কৰা হৈ উঠিল।

যথাসময়ত কলিকতাৰপৰা সম্পূৰ্ণ সৰঞ্জামে সৈতে প্রেছ আহি তেজপুৰ পালেহি ; কিন্তু তেতিয়ালৈকে ছপাখানাখন পাতিবলৈ আমি সুচল ঠাই পোৱা নাই এথোন। সেইভাৱেই সপ্তাহচেৰেক পাৰ হৈ যোৱাৰ পাচত, মোৰ প্রস্তাৱ আৰু ৺জয়দেৱ শৰ্মা আৰু ৺ৰবীন্দ্র শৰ্মা বৰুৱা তহচিলদাৰৰ সমৰ্থনমতে পাচত প্রতিষ্ঠিত হোৱা বৰ্তমান অ, ভা, উ, সা, সভাৰ নামঘৰত লগা "বাণ ষ্টেজ"ৰ সমুখৰ তিনিকোণীয়া মাটিডোখৰতে ছপাখানা ঘৰ সজোৱা স্থিৰ হল। ঘৰটো সজোৱাৰ ভাৰ পৰিল বৰগোলাৰ বৰ গোমস্তা ৺চুজিৰাম বাবু আৰু মোৰ ওপৰত, সেই অনুসৰি বৰগোলাৰ বাগীত উঠি গৈ টাউনৰপৰা দুইমাইলমান দূৰৈৰপৰা শাল কাঠ কটাই আনি আৰু বৰগোলাৰপৰাই টিন, গজাল আদি লাগতিয়াল সমল যুগুত কৰি লৈ ছমাহৰ ভিতৰত ছপাখানা ঘৰ আৰু প্রেছৰ কাৰ্যকাৰকবিলাক থকা ঘৰ-দুৱাৰ আদি যুগুত কৰি দিয়াত ৺মথুৰামোহন বৰুৱাৰ দ্বাৰাই ইং ১৯০০ চনত "অসম চেন্ট্ৰেল প্রেছ" প্রতিষ্ঠিত হল।

## "অসম বন্তি"

প্রেছ প্রতিষ্ঠা কৰাৰ পাচত, আৰু পলম নকৰি সংকল্পিত বাতৰি কাকতখন প্রকাশ কৰা বিষয়ক চিন্তালোচনাত ধৰা হল। সেই অৰ্থে অনতিপলমে কাৰ্যনিৰ্বাহক সভাৰ এটা বৈঠক পাতি আলোচনা পতা গ'ল। বৈঠকত সাধাৰণ সভাৰ অনুমোদন সাপেক্ষে অসম চেন্ট্ৰেল প্রেছৰপৰা এখন সাদিনীয়া বাতৰি কাকত প্রচাৰ কৰা প্রস্তাৱ ততালিকে গৃহীত হল, মাথোন প্রস্তাবিত কাকতৰ নামকৰণ হবলৈ বাকী ৰ'ল। তথাপি তেতিয়াই কেজনমান সদস্যই কেইটামান নাম প্রস্তাৱ কৰিছিল ; যেনে "প্রজা বন্ধু", "ৰায়তৰ মুখ-পত্ৰ", "অসম পতাকা" ইত্যাদি। কিন্তু নামকৰণ বিষয়টো সাধাৰণ সভাৰ অনুমোদন

সাপেক্ষ গতিকে তাৰ আলোচনা সেইদিনা সিমানতে এৰা হল ; ময়ো একো মাতিবলৈ নহল। তাৰপৰা সাদিনৰ পাচত, 'অসম চেণ্ট্ৰেল প্ৰেছ কোম্পানী'ৰ ঘাই সভাৰ এখন সাধাৰণ অধিবেশন বহিল। তাত প্ৰেছৰ মেনেজাৰ আৰু প্ৰস্তাৱিত কাকতৰ সম্পাদক ক্ৰমে ৺ভৱানী-চৰণ ভট্টাচাৰ্য আৰু মথুৰামোহন বৰুৱাক নিযুক্ত কৰাৰ লগে লগে কাকতখন নামকৰণ বিষয়ক আলোচনা পুনৰুত্থাপিত হল। ইতিপূৰ্বে কাৰ্যনিৰ্বাহক সভাৰ বৈঠকত প্ৰস্তাৱিত হোৱা কেউটা নামৰ উপৰি আৰু গোটাদিয়েক নাম প্ৰস্তাৱ কৰা হয় ; কিন্তু সভাই তেতিয়ালৈকে তাৰ এটাও মনোনীত নকৰা দেখি, মই মোৰ প্ৰস্তাৱ আগবঢ়ালোঁ ; আমাৰ সংকল্পিত কাকতখনিৰ নাম "বন্তি" হব লাগে বুলি। নামটি তেতিক্ষণে উপস্থিত সমজুৱাসকলৰ মনত লাগি গ'ল। সেই নামটিয়েই সৰ্বসন্মতিক্ৰমে গৃহীত হয়, মাথোন জয়দেৱ শৰ্মা পণ্ডিত-দেৱৰ প্ৰস্তাৱ অনুসৰি তাৰ লগতে "অসম" শব্দটি যোগ দি কাকতৰ পূৰ্ণ নাম "অসম বন্তি" ৰখা হয়।

তাৰ পাচত চিন্তা হল "অসম বন্তি" কাকতৰ সম্পাদকীয় কাৰ্যৰ গুৰুত্ব লৈ। কাৰণ আমাৰ নতুন সম্পাদক তেতিয়ালৈকে অসমীয়া সাহিত্য ক্ষেত্ৰত সমূলি নতুন, স্বৰূপত তেতিয়ালৈকে তেওঁ অসমীয়া প্ৰবন্ধাদি লিখিবলৈ কাপ ধৰাই নাছিল, মাথোন তেতিয়ালৈকে তেওঁ কলিকতা, এলাহাবাদ, লাহোৰ, বোম্বাই প্ৰভৃতি ঠাইৰপৰা প্ৰচাৰিত হোৱা খনচেৰেক ইংৰাজী বাতৰিকাকতৰ এজন ইংৰাজী প্ৰবন্ধলেখক আছিল ; আৰু সেই কামত তেওঁ সুনাম লাভ কৰি উঠিছিল। গতিকে আমাৰ ভিতৰত ভিতৰুৱাকৈ কাৰ্যনিৰ্বাহক সভাৰ আলোচনা চলিবলৈ ধৰিলে। দেখা গ'ল সেই বিষয় জনাজাতকৈ সাধাৰণ সভাৰ দ্বাৰাই আলোচিত হবলৈ গলে অন্ততম সুদক্ষ সম্পাদক এজন কাকতখনৰ অসমীয়া অংশত সুকীয়াকৈ নিযুক্ত কৰি যুটীয়া সম্পাদক নিয়োগ কৰিবলগীয়া হয়। তাৰ নিমিত্তে আকৌ দুটা লেঠাৰ দুখন দেওনা ডেব লগাত পৰে ; এটা আৰ্থিক অভাৱ, আনটো তাকৰীয়া বানচেৰে সুযোগ্য অসমীয়া লেখক পাবলৈ টান। এই সমস্যা লৈ একেৰাহে কেইবাদিনো কাৰ্যনিৰ্বাহক সভাৰ কেইবাটাও বৈঠক বহিল, কিন্তু এটায়ো কোনো এটা সিদ্ধান্তত উপস্থিত হবগৈ নোৱাৰিলে। সদৌশেহত মই এটা ভিতৰ বিশ্বাসী প্ৰস্তাৱ দাঙ্গি ধৰিলোঁ। সেইটি এই—"অসম বন্তি" কাকতৰ ইংৰাজী এচিঠা (চাৰিস্তম্ভ) পৃথকাই ধৰি সম্পাদকে প্ৰকাশ্যে সুকীয়াকৈ সম্পাদিত কৰিব, বাকী অসমীয়া অংশৰ (২৪ স্তম্ভ) সম্পাদকীয় ভাগ (৬ স্তম্ভ) প্ৰকাশ্যে সম্পাদকৰ নামে আৰু অপ্ৰকাশ্যে মই সম্পাদিত কৰিম ; প্ৰাপ্তনামি প্ৰবন্ধাদিৰ অংশ (৬ স্তম্ভ) শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্যৰ দ্বাৰাই লিখিত হব ; দেশী বাতৰি, বিধিত বাতৰি আৰু নানা তৰহৰ কথা গোপনীয় আৰু প্ৰকাশ্যভাৱে অন্যান্য উপাদেয় সঙ্কলিত হব। গুপ্ত আৰু প্ৰকাশ্যৰ অৰ্থ আৰু উদ্দেশ্য ভাঙ্গি নকলেও বোধকৰোঁ বুজোতাই বুজিব। মোৰ এই প্ৰস্তাৱ দকৈ গমি-পিটি চাই, কাৰ্য-নিৰ্বাহক সমিতিৰ ভিতৰ বিশ্বাসৰ সৰু সমিতিয়ে আনন্দেৰে গ্ৰহণ কৰিলে। আৰু সেই অনুযায়ী সম্পাদক ৺মথুৰামোহন বৰুৱা, সহযোগী নেতা শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য আৰু মই 'অসম বন্তি'ৰ সম্পাদকীয় কাৰ্যত যুটীয়াকৈ লাগি গলোহঁক। সম্পাদনৰ সমস্যা পাৰ হৈ

যোৱাৰ পাচত ৺ভবানীচৰণ ভট্টাচাৰ্য ডাঙৰীয়া প্ৰমুখ্যে কাৰ্যনিৰ্বাহক সমিতিৰ অন্যতম সমজুৱা-সকলে প্ৰেছৰ কাম চলোৱা লাগতিয়াল ব্যৱস্থা কৰাত আৰু বন্তি প্ৰচাৰ কৰা অন্যান্য লাগতিয়াল বিষয়ক দিহাকৰণত একান্তমনেৰে লাগি গ'ল। সেই অৰ্থে, বন্তিৰ কামত এজন সহকাৰী মেনেজাৰ নিযুক্ত কৰা হয়; আৰু গুৱাহাটীৰপৰা ৺দ্যুতিৰাম মেধিক প্ৰিন্টাৰ কৰি আনি বহুৱাই লৈ, তাৰেপৰা আৰু জনদিয়েক অসমীয়া কম্পোজিটাৰ অনাই প্ৰেছৰ ছপাকাৰ্যত লগোৱা হয়। ইফালে আমি তিনিমূৰীয়াকৈ "অসম বন্তিৰ" সম্পাদকীয় কাৰ্যত একাগ্ৰপতীয়া মনোযোগেৰে লাগি গলোঁহঁক। সেই সময়ত তেজপুৰত অসমীয়া আৰু মাৰোৱাৰী সমাজৰ মাজত কি যে এটা সমিল-মিলৰ আনন্দ অনুৰাগ সঞ্চাৰিত হৈছিল, তাক এতিয়া কথাৰ সাজ পিন্ধাই ৰাইজৰ আগত দাঙ্গি ধৰিবলৈ মই অক্ষম; গতিকে অনুমানত ৰাইজে যেন অনুমান কৰি চায়, ময়ো সুমৰি মাথোন হৰ্ষ-বিহ্বল হৈ তালৈ আজি ডেৰকুৰি দুবছৰৰ মূৰত উভতি চাইছোঁ। তেজপুৰত ছাপাখানা স্থাপিত হল; তাৰপৰা এতিয়া বাতৰি কাকত প্ৰচাৰিত হব এই ভাবৰ উজনি-ভাটীত উজাই ভটীয়াই সন্মিলিত অসমীয়া আৰু মাৰোৱাৰী এই দুই সমাজ কিভাৱে উলাহিত হৈ ফুৰিছিল তাকো কবলৈ নগৈ পাঠকক গমি চাবলৈহে কওঁ, কাৰণ কথাৰে তাৰ যথাৰ্থ সাৰ্থকতা উপলব্ধি কৰাটো অন্ততঃ মোৰ পক্ষে অসম্ভৱ নহলেও, বৰ টান; এইদৰেই "বন্তি" জ্বলিবৰ দিন যিমানেই চমু চাপি আহিল, সিমানেই সন্মিলিত দুই সমাজৰ মাজত ল'ৰা, ডেকা, বুঢ়া সবাৰকে অন্তৰৰ উগুল-থুগুলভাৱে উত্ৰাৱল কৰিবলৈ ধৰিলে। "বন্তি" কেতিয়া ওলাব, তাৰ ছপাকাৰ্য কিমানলৈ আগুৱাইছে, তাৰ সন্তেদ লওঁতাৰ লেখ লব নোৱাৰাত পৰিল। এইভাৱেই আৰু সাতদিনমান পাৰ হোৱাৰ পাচত ১৮২১ শঁকৰ মাঘবিহু সম্ভোগ কৰি ১ মাঘৰ দিনা মোৰ ৰচিত "বন্তি" নামে তলত দিয়া কবিতাটিত প্ৰথম শিতান লৈ, পোন প্ৰথম সংখ্যা "অসম বন্তি" 'অসম চেন্ট্ৰেল প্ৰেছ'ৰপৰা প্ৰকাশিত হয়—

**"বন্তি"**

(১)

শুভদিন ভটিয়াই, কালসাগৰত চোৱা
মাৰ যায় আন্ধাৰি অসম।
আবালত ভাগ্যলক্ষ্মী, নীৰৱে বিনায় শুনা
প্ৰাণে শুনা, শুনাতে নিজম।

(২)

কতবাৰ চিপিয়াই নিচলা সন্তান সৱে,
জ্বলায় পোহৰ একেবাতি;
উলাহ শলিতা পাবি, নানা নামে নানা চাকি
ৰাখিবৰ নহল শকতি।

( ৩ )

সেই দেখি একেগোট ঠানবান অসমীয়া
ঘৰ ভঙ্গা ঈৰ্ষাভাৱ এৰি
নিচলাৰ সাঁচতীয়া পকাতেল একোটোপা
দিছে আহি ক্ষুদ্ৰ বেহী ভৰি।

( ৪ )

উছাহৰ শলাকানি দিছে মেলি হৃদয়ত
চুহি চুহি থাকা বুলি জ্বলি ;
যতকাল 'অসমীয়া' নুচুকাব নামগুৰি ;
আকৰ্ষণী হেন্দোলনি মেলি।

( ৫ )

দুখীয়াৰ ধূপ-দীপ ক্ষুদ্ৰ ক্ষুদ্ৰ বৰঙণি
একেগছি আলো কৰি চোৱা ;
মোকে ছেপা মাতিৰীয়ে অযুত উচাহে দাঙি
জ্বলা 'বন্তি' হাতে তুলি লোৱা।

( ৬ )

বন্তিৰ পোহৰ পাই ভাগ্যলক্ষ্মী মিচিকায়
সৌভাগ্যৰ জিলিকে জেউতি ;
পৃথিবীৰ এচুকত ভাৰতীৰ ভাগ্য জ্বলে,
সন্তানৰ উল্লাহিত মতি।

( ৭ )

যেয়ে য'তে আছাহঁক দুখুনীৰ ভাগ্যধৰ
নিমাখিত যত নাতি পুতি ;
অসমৰ চুকে কোণে ধৰা তুলি একোচিপে
হাতে হাতে পুণ্য 'বন্তি' এটি।

( ক্ৰমশঃ )

# পঞ্চদশ সৰ্গ

## "মহাৰাণী" প্ৰণয়ন

১৯০০ খ্ৰীষ্টাব্দটো এটা ঘটনাপূৰ্ণ চন। এই চনত পৃথিবীত সৰু-বৰ ভালেমান লেখত লবলগীয়া ঘটনা ঘটিছিল। তাৰ ভিতৰত "অসম বন্তি"ৰ জন্ম আটাইতকৈ সৰু, 'মহাৰাণী' ভাৰতেশ্বৰী ভিক্টোৰীয়াৰ মৃত্যু আটাইতকৈ বৰ। সৰুৰেপৰা 'মহাৰাণী' নামত মোৰ অচলা মাতৃভক্তি আছিল। সেই নামৰ গৰাকিনী ৺মহাৰাণী ভিক্টোৰীয়াৰ প্ৰতি মোৰ ৰাজভক্তিও অচলা আছিল। গাঁৱলীয়া হোজা অসমীয়াৰ মুখত 'মহাৰাণী' নামটিৰ উচ্চাৰণত মৌ বৰষে। আজিও অতি হোজা অসমীয়া ৰায়তৰ সুৰত সুৰ দি "মহাৰাণীৰ দোহাই" দিবলৈ মোৰ প্ৰাণে উলাহত মাতি উঠে। 'মহাৰাণী'-চৰিত্ৰৰ গোটাদিয়েক অলৌকিকতাত অজ্ঞ সৰল অসমীয়াৰ যি অন্ধবিশ্বাস আছিল, আৰু আজিৰ জ্ঞানৰ পোহৰে ভূমুকি মাৰি আবুৰ ভাঙিবলৈ বাকী ৰোৱা ঠাইত এতিয়াও আছে, সেই অন্ধবিশ্বাসৰ আন্ধাৰত নেদেখা হৈ মুগ্ধ হবলৈ এতিয়াও মোৰ মন যায়! সৰলা অসমীয়ানীৰ অনেকে প্ৰকৃত তত্ত্ব নোপোৱালৈকে 'মহাৰাণী'ক অমৰ বুলি জ্ঞান কৰিছিল। নিচেই চাহিনী অসমীয়ানীয়েও আজিও সেই জ্ঞান কৰে। সিবিলাকৰ বিশ্বাস 'মহাৰাণী' দিনৌ ওপজে দিনৌ মৰে। উপজিপুৱাতে 'মহাৰাণী' ওপজে, পুৱাপৰত ছোৱালী হৈ থাকে, দুপৰত গাভৰু হয়, আবেলি আদহীয়ানী হয়, সন্ধিয়াৰ লগে লগে বুঢ়ী হৈ মাৰ গৈ মৰে। এনেহেন সুখময়ী সৰল বিশ্বাস সিবিলাকৰ। সেই বিশ্বাসত বুৰ দি জ্ঞানদত্ত জঞ্জালৰপৰা ক্ষন্তেকমান ৰেহাই পাবলৈ এতিয়াও মোৰ হাবিয়াস হয়। সেইহেন জগতমাতৃ-স্বৰূপা ৺মহাৰাণী ভিক্টোৰীয়াৰ তিৰোভাৱ হয় খ্ৰীষ্টাব্দ ১৯০০ চনৰ আৰম্ভৰ লগে লগে ক্ষুদ্ৰাদপি ক্ষুদ্ৰ "বন্তি"ৰ আবিৰ্ভাৱত। কথাটো মোৰ হিয়াত দকৈ বহি গ'ল আৰু মনত তাৰ বিবিধ বুৰবুৰণি বৈ বৈ উঠিবলৈ ধৰিলে। সেই বুৰবুৰণিবোৰ বিয়পি নিৰাকাৰ হবলৈ নিদিয়াকৈ, অৰ্থাৎ সেইবোৰ নিজানতে লয় নোপোৱাকৈ সাকাৰ কৰি ৰাখিবৰ অভিপ্ৰায়ে মই কাপ হাতত ললোঁ। 'মহাৰাণী' ভিক্টোৰীয়াৰ কোমল চৰিত্ৰটি চিৰ কুমলীয়াকৈ ৰাখিবৰ অৰ্থে, মই ভিক্টোৰীয়া চৰিত্ৰ তথ্যপুঞ্জ নিকুঞ্জৰ নিচেই কুমলীয়া থুৰিবোৰ মাথোন এটি এটিকৈ দুটি আঙুলিৰে ধৰি লাহে লাহে আলফুলকৈ তুলি আনি 'মহাৰাণী'ৰ নামে থাপনা পতা এখনি শৰাইত থুপিয়াই থবলৈ ধৰিলো। কোৱাৰ সকাম নাই যে, সেই সময়ত "বন্তি"ৰ সম্পাদকীয় শৰাইখন আগবঢ়োৱাৰ বাব আছিল গোপনীয়কৈ মোৰ হাতত; গতিকে শৰাইদুখনৰ সমলৰ সানমিহলি ঘটি শেহত দুয়ো একেখন হৈ পৰিল, মহাৰাণী চৰিত "বন্তি"ৰ সম্পাদকীয়ত ছোৱা ছোৱাকৈ ওলাবলৈ ধৰিলে।

'বন্তি মহাৰাণী' শৰাইত "মহাৰাণী"ৰ সমলসংগ্ৰহ সম্পূৰ্ণ হৈ উঠাৰ পাচত, তাৰ প্ৰতি ৰাইজৰ আগ্ৰহ বাঢ়িবৰ দেখি, তাক সুকীয়াকৈ ছপাই কিতাপৰ আকাৰে উলিয়াবলৈ মন

গ'ল। সেই ছেগতে 'অসম চেণ্টেল প্ৰেছ'ৰ কৰ্তৃপক্ষৰ সহযোগিতা লাভ হোৱাত, মোৰ অতি আদৰৰ সৰু পুথি "মহাৰাণী" অতি সোনকালে পোহৰলৈ ওলাল। তাৰ পাচত তাৰ ভিতৰৰ কোমল সমলৰে চাই আৰু প্ৰত্যেকটি কুমলীয়া থুৰিৰ কুঁহি আগত সুনীতিৰ নিয়ৰৰ কণা বিৰিঙি থকা দেখি সেই পুথিখন ছোৱালীৰ পাঠোপযোগী ভাবি, মোৰ স্বৰ্গীয় সাহিত্যিক বন্ধু পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীদেৱ আৰু অন্যতম সাহিত্যিক বন্ধু ৰায়চাহাব ৺দুৰ্গাধৰ বৰকটকীদেৱৰ পৰামৰ্শ অনুসৰি টেক্সটবুক কমিটীৰ বাছনিলৈ পঠিওৱা হয়। বৰ সন্তোষৰ কথা, কমিটীয়ে অনতিপলমে "মহাৰাণী" পাঠ্যপুথিকৈ মঞ্জুৰ কৰি পঠিয়ালে। তাৰ পাচত, ৺ভিক্টোৰীয়া মহাৰাণীৰ এই চমু জীৱন-চৰিত পুথিখনি অসম উপত্যকা বিভাগৰ পঢ়াশালি-বোৰত বহুলকৈ প্ৰচলিত হবলৈ ধৰিলে। অতি অলপদিনৰ ভিতৰতে প্ৰথম তাঙ্গৰণৰ কিতাপ সমুদায় বিক্ৰী হৈ অন্ত পৰাত তাৰ দ্বিতীয় তাঙ্গৰণ সচিত্ৰকৈ আৰু ধুনীয়াকৈ কলিকতীয়া ছপাখানাত সৰহীয়াকৈ ছপাই আনি থোৱা হল। এতিয়া "মহাৰাণী" অসমৰ অসমীয়া ছোৱালী পঢ়াশালিবিলাকত পাঠ্যপুথিৰূপে চলি আছে।

## কটন কলেজ

এই সময়তে চাৰ হেনৰি কটন চীফ্ কমিচনাৰৰ আমোলত, অসমত পুনৰপি এটি কলেজ প্ৰতিষ্ঠা কৰা বিষয়ক এটা বহুল আৰু গভীৰ আলোচনা চলে। এই আলোচনাৰ মূলতে এই এটা প্ৰশ্ন জাগি উঠিল, "অসমত কলেজ লাগেনে কলিকতাত অসমীয়া ছাত্ৰৰ কাৰণে হোষ্টেল লাগে?"—এনে এটা গধুৰ বিষয়ক মন্তব্য দিবলৈ মোৰ মুৰত দুবিধীয়া দুটা বাব আহি পৰিল—এটা অ ভা. উ. সা. সভাৰ সম্পাদক স্বৰূপে প্ৰকাশ্যে আৰু আনটো "বন্তি"ৰ সম্পাদক স্বৰূপে গোপনে। বিষয়টো বাস্তৱতে বৰ গধুৰ, ইমান গধুৰ যে তদ্বিষয়ক প্ৰশ্নোত্তৰ স্বৰূপ মন্তব্যৰ বোজাটোৱে মোৰ মুৰ দোঁৱাই নিলে। আলোচনাৰ নিমিত্তে অনতিপলমে সভাৰ এটা বিশেষ বৈঠক পাতিলোঁ। তাত বিস্তৰ আলোচনা হোৱাৰ পাচত সভাই স্বৰূপত মোকে অকলশৰীয়াকৈ সেইবাবৰ ভাৰ দি থলে। ইফালে "বন্তি"ৰ সম্পাদকীয় ভিতৰুৱা মেল বহিল; তাতো সেই একে ধৰণৰ ফল ফলিয়ালে—মোৰ গোপনীয় সম্পাদকীয় কাপৰ মুখতে সৰ্বভাৰ অৰ্পণ কৰা হল। বিষয়টো এনে গুৰুতৰ যে সি মোক বিমোৰত পেলালে। মই দুয়োফালে লাভ দেখিলোঁ;—কলিকতাৰ নিচিনা এখন বহুল কাৰ্যক্ষেত্ৰৰ মাজত থাকি আমাৰ আওহতীয়া প্ৰদেশৰ অনভিজ্ঞ অসমীয়া ছাত্ৰই লিখা-পঢ়া শিক্ষাৰ লগে লগে সংক্ষিপ্ত ভাৰত স্বৰূপ বিষয়ক বিস্তৃত কাৰ্যক্ষেত্ৰ কলিকতাত বিবিধ বিষয়ক বহুল অভিজ্ঞতা লাভ কৰিবলৈ উপযাচি দিয়া গৱৰ্ণমেণ্টৰ সহায় আৰু সুবিধা দান—বিশেষকৈ তাৰ লগতে অসমীয়া ছাত্ৰক কলিকতাৰ কলেজত পঢ়িবলৈ দিয়া বিশেষ বৃত্তিদান প্ৰত্যাহাৰ কৰা বা তাৰ মায়া এৰি দিয়াটো এহাতে এটা সমস্যা; আনহাতে নিজৰ প্ৰদেশতে এটা কলেজ লাভ কৰাৰ গৌৰৱ আৰু তাৰপৰা ভবিষ্যৎ জাতীয় উন্নতিৰ সুগম বাট অযাচিতে মুকলি হবলৈ ধৰোঁতে তাত ওথ ডেওনা আৰু জপনা দি ধৰাটো আন এটা সমস্যা। এই দুই জটিল সমস্যাৰ মুৰ ধৰিবলৈ

কেদিনমান ভাবি-চিন্তি মই দোধোৰ-মোৰত পৰিলোঁ। সঁচাকৈ কবলৈ গ'লে সেই সময়ত সেই দুয়োটা সমস্যাই মোৰ অন্তৰত সমানে প্ৰশ্ৰয় পাইছিল, দুইবো ফালে মোৰ মনৰ ধাউতি সমান আছিল। সি যি হওক, গৈ মাৰি শেহান্তৰত, অসমত কলেজ প্ৰতিষ্ঠাৰ সপক্ষে মন্তব্য দিবলৈ মোৰ চিন্তালোচনাত সিদ্ধান্ত হল। সেই অনুসৰি মই ইংৰাজীকৈ এটা সুদীৰ্ঘ মন্তব্য লিখি অ: ভা. উ সা. সভাৰ অনুমোদনক্ৰমে গৱৰ্ণমেণ্টলৈ যথাসময়ৰ ভিতৰত পঠিয়ালো আৰু ইফালে "বন্তি"ৰ সম্পাদকীয়ত একাদিক্ৰমে কেইবা সংখ্যাতো বহুল ব্যাখ্যা দি তাৰ আলোচনা চলাবলৈ ধৰিলোঁ। তাৰ পাচত জানিব পাৰি বৰ সন্তোষ লাগিল যে সেই সময়ৰ অসমৰ দুজন প্ৰধান ৰাজনীতিজ্ঞ অসমীয়া নেতা ৺ৰায় জগন্নাথ বৰুৱা বাহাদুৰ, ৺মিঃ মাণিকচন্দ্ৰ বৰুৱা এই দুজনৰো সেয়ে মত, সিবিলাকেও "অসম এচোচিয়েচন" নামে অসমৰ একেখন ৰাজনৈতিক আলোচনা সভাৰ জৰিয়তে অসমত কলেজ প্ৰতিষ্ঠাৰ সপক্ষেই সমৰ্থন মত গৱৰ্ণমেন্টলৈ পঠিয়ালে। তাৰ পাচত শুনি আৰু সন্তোষ পালো যে যোৰহাটৰ সাৰ্বজনিক সভায়ো কলেজৰ সপক্ষেহে মত দিলে। ইয়াত বাজে কলেজ আৰু হোষ্টেলৰ সপক্ষে দিয়া মতামত ভালেমান গৱৰ্ণমেণ্টে সংগ্ৰহ কৰি লৈ, সেইবিলাক চালি-জাৰি পৰ্যালোচনা কৰি চাই অসমত কলেজ প্ৰতিষ্ঠা কৰাটোকে স্থিৰ কৰিলে—তাৰে ফল বৰ্তমান গুৱাহাটীৰ 'কটন কলেজ।' চাৰ হেনৰি কটনৰ অহোপুৰুষাৰ্থৰ ফলত প্ৰতিষ্ঠিত হোৱাৰ বাবেই এই মহৎ অনুষ্ঠানটিৰ নামকৰণ হয় 'কটন কলেজ'। এই সংসৰ্গতে সেই স্বনামে প্ৰখ্যাত অসমীয়া জাতীয় নেতা দুজন আৰু অসমৰ সেইকালৰ পৰম হিতৈষী শাসনকৰ্তা চাৰ হেনৰি কটন চাহাব বাহাদুৰৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ ঘটে। তেতিয়াৰেপৰা তিনিও মোৰ প্ৰতি অলপ বিশেষত্ব ৰাখি চকু দিবলৈ ধৰিলে। সেই ছেগতে ময়ো ক্ৰমাৎ সিবিলাকৰ পৰা ৰাজনৈতিক শিক্ষা অতৰ্কিতভাৱে লাভ কৰিবলৈ ধৰিলোঁ। তাৰ কাৰ্যকলাপ কিভাৱে তিনিওতে প্ৰতিফলিত হৈছিল তাৰ নিদৰ্শন যথা যথ ছেদত ইয়াৰ পাচত সুমৰি চোৱা যাব।

## কটন বিদায়

অসমত পুনৰপি এটা দ্বিতীয় শ্ৰেণীৰ কলেজ প্ৰতিষ্ঠা কৰাটো স্থিৰ হল; কিন্তু তাৰ প্ৰতিষ্ঠাতা কটন চাহাবৰ আমোলতে সি প্ৰতিষ্ঠিত হৈ উঠাটো সম্ভৱপৰ দেখা নগল, কাৰণ তেওঁৰ শাসনকাল সিমানতে সামৰিবৰ হল। সেই কাৰণে আমি ৰাইজৰ প্ৰস্তাৱৰ গাত গঁঠিলা লৈ গৱৰ্ণমেণ্টে সাম্প্ৰতিকভাৱে গুৱাহাটীৰ হাইস্কুলৰ ঘৰতে বিশেষ বন্দোৱস্তৰে নতুন কলেজ ঘৰ হৈ নুঠে মানে কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণী এটা খুলিবলৈ প্ৰস্তাৱ মেলে; কিন্তু তাৰ বিৰুদ্ধে সেই সময়ৰ অসমৰ শিক্ষা বিভাগৰ কৰ্তা ডিৰেক্টৰ মিঃ বুথ চাহাবে প্ৰচণ্ড মূৰ্তিৰে থিয় দি এই বুলি গৱৰ্ণমেন্টৰ অভিমত অগ্ৰাহ্য কৰিলে,—"Mr. Cotton wants to open his college under a big tree, which I can't allow." উদ্‌ভ্ৰান্ত অভিমানী ভাবুক ডিৰেক্টৰ ডাক্তৰ বুথৰ মইবৰ মন্তব্য পাই সুধীৰ আৰু সদাশয় শাসনকৰ্তা চাৰ হেন্‌ৰি কটন চাহাবে খল্‌খলাই হাঁহি উৰুৱাই পঠিয়ালে। ৰাইজ আৰু গৱৰ্ণমেন্টৰ আগ্ৰহৰ গতিলৈ চাই, গুৱাহাটীৰ

গৱৰ্ণমেণ্ট হাইস্কুলৰ লগতে অনতিপলমে 'কটন কলেজ' খোলা হয় আৰু সেই স্কুলে 'কলেজিয়েট হাইস্কুল' নাম পোৱাৰ এয়ে আদি কাৰণ। তাৰ পাচৰপৰা 'কটন' নাম অসমত ঘৰে ঘৰে হল। লৰা, ডেকা, বুঢ়া সদৌ অসমীয়াই আৰু জীয়াৰী, বোৱাৰী, ঘৈণী, শিক্ষিতা অসমীয়ানীয়ে কটন চাহাব বাহাদুৰক নামত চিনি পোৱা হল। এইবাবে অকল অসমীয়া ৰাইজেই নহয় সদৌ অসমবাসীয়ে চাৰ হেনৰি কটন চীফ কমিচনাৰ চাহাব বাহাদুৰক অন্তৰে সৈতে ভাল পোৱা হল। সকলোৰে এনে বাঞ্ছা যে কটন বাহাদুৰক চিৰস্থায়ীকৈ নেপালেও আৰু এখপিমান পাঁচ বছৰীয়াকৈ শাসনকৰ্তা পোৱা যায়। কিন্তু নিয়তিৰ নীতিস্বৰূপ বৃটিচ গৱৰ্ণমেণ্টৰ বন্ধা নীতি অনুসৰি, কটন বাহাদুৰে সেই বছৰৰ ভিতৰতে অসম শাসনৰ নাকি আৰু গাদী এৰি অসমৰপৰা বিদায় লবলগীয়া হল! সেই বিদায় বাতৰিয়ে অসমৰ উজলিৰপৰা নামনিলৈ সদৌ অসমবাসীক বিষমকৈ ব্যথা দিলে। কটন-বিদায়ৰ কাল যিমানেই ওচৰ চাপি আহিল সিমানেই সিবিলাকৰ সেই ব্যথা বিষাল হবলৈ ধৰিলে। এনেতে সদৌ অসমবাসীৰ ওচৰত শেষ বিদায় মাগিবৰ উদ্দেশ্যে কটন বাহাদুৰৰ চীফ কমিচনাৰী চফৰ ফুৰণৰ নিৰ্ঘণ্ট শেষবাৰৰ কাৰণে গেজেটত প্ৰকাশিত হল। সেই নিৰ্ঘণ্ট প্ৰচাৰিত হোৱা মাত্ৰে সেই অনুযায়ী সকলো ঠাইতে কটন বিদায় অৰ্থে যথাশক্তি অনুসাৰে আয়োজন হবলৈ ধৰিলে। তেজপুৰতো সেই অৰ্থে বিপুল আয়োজন হল। সেই আয়োজনত বাহিৰে একেকঠিকৈ ধৰা হৈছিল যদিও ভিতৰি অসমীয়া আৰু বঙ্গালীৰ ভিতৰত নিজ নিজ সমাজৰ আগ্ৰহৰ ৰাপ চৰা কৰি দেখুৱাবলৈ অৰিয়া-অৰি চলিছিল। সেই উদ্দেশ্যে বঙ্গালী সমাজৰ কটন-গুণ-কীৰ্তন সুৰেৰে নতুন গানৰ ৰচনা আৰু অভিনয় আদিৰ বিশেষ আয়োজন চলিবলৈ ধৰিলে; অসমীয়া সমাজেও দুখীৰ দুখী অৱস্থা অনুযায়ী কটন-ভক্তি আৰু কটন-আসক্তিৰ চিন সুকীয়াকৈ দেখুৱাবলৈ তলে তলে যথাসম্ভৱ যুগুতি কৰিলে। সেই সময়ত "অসম বন্তি"ৰ নতুন পোহৰে অসমৰ মুখ নতুনকৈ পোহৰাবলৈ ধৰিছিল আৰু তেজপুৰৰ মুখতো অলপ বিশেষত্বেৰে সেই পোহৰ পৰিছিল। সেই আপাহতে এদিন "বন্তি"ৰ অফিচতে সেই উপলক্ষে অসমীয়া সমাজৰ এখন মন্ত্ৰণা মেল বহিল। মেলত চৰ্কাৰী বিষয়া আৰু অন্যান্য কৰ্মচাৰীয়েও ভাগ লৈছিল। গতিকে চিনিয়াৰ ই. এ. চি. ৺কৃষ্ণচন্দ্ৰ চৌধুৰী হাকিমেও প্ৰকাশ্যে যোগ দিছিলগৈ। সেই মেলৰ মন্ত্ৰণাত ইমানেই স্থিৰ হয় যে, অসমীয়াৰ বিশেষত্ব দেখুৱাই আগন্তুক কটন বিদায়ত বিশিষ্টভাৱে যি হয় এটা কৰিব লাগে। সেই উদ্দেশ্যে কৃষ্ণচন্দ্ৰ চৌধুৰী, ৰবিচন্দ্ৰ শৰ্মাবৰুৱা আৰু মোৰ সৈতে এখন 'তিনি-মুৰীয়া মেল' অসমীয়া সমাজৰ ভিতৰ চ'ৰাত বহিবলৈ স্থিৰ হয়। সেই অনুসৰি সেই মেলৰ তিনিটা বৈঠক হৈ গ'ল, কিন্তু কোনো এটা সুদিহাকৰণত উপস্থিত হবলৈ নোৱাৰিলোহঁক। সদৌ শেহত মই সাহ দি উঠিলো যে বঙ্গালী সমাজৰ আয়োজনৰ সমান্তৰালে অসমীয়া সমাজেও সুকীয়া গীত-বাদ্যেৰে কটন অভ্যৰ্থনালৈ নিশ্চয় আগবাঢ়িব। সেই অৰ্থে গায়ন-বায়ন যোগাৰ কৰাৰ বাব পৰিল ৺ৰবিচন্দ্ৰ বৰুৱা তহচিলদাৰৰ গাত। অভ্যৰ্থনাৰ শোভাযাত্ৰা গঠনৰ ভাৰ পৰিল ৺কৃষ্ণচন্দ্ৰ চৌধুৰী মুঞ্চিপৰ ভাগত আৰু সেই শোভাযাত্ৰীয়ে ঐক্যতানে গাই কটন বাহাদুৰক ঘাটৰপৰা আনিবৰ কাৰণে এটা দীঘলীয়াকৈ

গীতি-কবিতা ৰচনা কৰা অনুজ্ঞাৰ বোজা পৰিল মোৰ মূৰত। সেই সিদ্ধান্ত অনুসৰি আমি তিনিও নিজ নিজ কাৰ্যত তৎপৰ হলোঁগৈ। সিবিলাক দুজনৰ কাৰ্য সহজে হৈ উঠিল; কিন্তু মোৰ কৰ্তব্য পালনত এফেৰি পলম ঘটিল। তথাপি যথাসময়ৰ পিচ নপৰাকৈ তলত উদ্ধৃত কৰা গীতি-কবিতাটি লৰালৰিৰ বেগত ৰচনা কৰি নি তিনিমূৰীয়া মেলৰ আগত দাঙ্গি ধৰিলোঁগৈ। সেই মেলে কবিতাটি বিষয়ানুযায়ীকৈ ৰূপহ হৈছে বুলি গ্ৰহণ কৰি এই সিদ্ধান্ত দিলে যে কবিতাটি "বন্তি"ৰ সম্পাদকীয় স্তম্ভত সোণালী আখৰেৰে ছপাই ঠিক সময়ত প্ৰচাৰ কৰিব লাগে, আৰু চীফ কমিচনাৰৰ জাহাজ আহি ঘাটত লগা মাত্ৰে আগতীয়াকৈ সেই সংখ্যা "বন্তি" খনচেৰেক কটন বাহাদুৰক অৰ্পণ কৰা হব লাগে। সেই কবিতাটি এই—

( ১ )

( আজি ) আহিছে কটন, যাবগই বুলি
মাগিব বিদায় শেষ;
আনন্দ বেজাৰ হইছে মিহলি
সন্ধিয়া বেলিৰে বেশ।
মুখৰে হাঁহিটি গইছে বিয়পি
মাজতে হেৰায় ভাব।
হুমুনিয়া এটি উঠিছে উথলি
উজাৰি বিচ্ছেদ তাপ।

( ২ )

( আজি ) প্ৰাণৰ হেঁপাহে বিচাৰে কটন
লবলৈ বুকুত ঢাকি;
হিয়াৰ ফলিত মোহন মূৰুতি
থবলৈ যতনে আঁকি।
জিৰণি সুমৰি যাবা তুমি এৰি
যাবানে আমাক ভুলি ?
কটন কীৰ্তিয়ে দিয়ে সমিধান
'নুভুলো' 'নুভুলো' বুলি।

( ৩ )

( বন্ধু ) সাধনাৰ ফলে লভিলে অসমে
তোমাক দয়াল ৰজা;
পাহৰি বিপত্তি পূৰ্ব শাসনৰ
জিৰালে দুখীয়া প্ৰজা।

তব শান্তি ছাঁত বুজনি নামত
আহিল ঘুমটি ঘোৰ,
ভোল অসমৰ মোহ টোপনিত
নপৰে শান্তিৰ ওৰ।

(৪)

(বহু) আশ্বাসৰ বাণী শুনালা দয়াল
পূৰালা চাইটি তাৰ
নহওঁতে শেষ, কৰোঁ বোলা কৰা,
ছিগে যে কৰ্মৰ ধাৰ।
বিদায় কালৰ মিঠা সমিধান
আছে আৰু দুই চাৰি;
ৰাখিছা মুঠিত ৰাজদত্ত লাৰু
দিয়া আহি আগবাঢ়ি।

(৫)

(তুমি) দয়ালু কটন দুখিতৰ মুখে
'মহাত্মা' মহতে মানে;
দুখুনী অসমে অকলে নহয়
সমস্ত ভাৰতে জানে।
নৱ ভাৰতৰ নতুন ভাৱেৰে
ৰচিলা "নব্য ভাৰত"
নামৰ গৌৰৱ "কটন কলেজ"
জিলিকিব অসমত।

(৬)

(তুমি) আহিলা যিদিনা হাঁহিলে অসমে
ৰঙ্গত উধাও হই;
হাঁহিলে এদিন কান্দিব লাগেই
সুমৰি বিদায় অ'ই।
মৰম কৰমে ইহালে এদিন
তোমাৰে সুনাম কই;
নিয়তিৰ নীতি আচৰি এৰিলা,
আমাক শোকত থই।

( ৭ )

( হায় ) যাবলগা তুমি, যাব খোজা এৰি
মুখত নোলায় 'যোঁৱা' ;
বিৰহ তোমাৰ সহিব নোৱাৰা
অজলা প্ৰজালৈ চোৱাঁ।
বুজিছে অন্তৰে নোৱাৰি ৰাখিব
সাৰটি তোমাক দেৱ ;
মনে যে নামানে কৰে হাওঁ হাওঁ
বুজনি নামানে কেও।

( ৮ )

( হায় ) নামাতি শুনায় 'যোঁৱা' সম্বিধান
ভিতৰি অগনি জ্বলে ;
থাকা য'তে তুমি পাওঁ যেন কৃপা
ঈশ্বৰে কুশলে থলে।
মন পতিয়নি লোৱা অসমীয়া
হৃৰিষে বিদায় দিয়া,
জিৰণিত যেন থাকে ভালে কালে
দয়ালু কটন হিয়া।

বৃহস্পতিবাৰ। "বন্তি" ওলোৱাৰ দিন। বাহিৰত অসমীয়া আৰু বঙ্গালী নেতা সমজুৱা কেইজনমানৰ যত্নত কটন আদৰণীৰ কাৰণে থাপি-থাপিকৈ 'গেট' বা আদৰণী বাটচ'ৰা বিতোপনকৈ সজোৱা হব লাগিছে। ভিতৰত অসম চেন্ট্ৰেল প্ৰেছ'ত সোণালী আখৰেৰে "বন্তি" ছাপোৱা আৰু বঙ্গালী থিয়েটাৰ মঞ্চত গান-বাজনা অভিনয়ৰ আখৰা চলিব লাগিছে। পুৱাৰপৰা দুয়ো সমাজৰ মুখীয়াল জনচেৰেক কাৰ্যত তৎপৰ—সিবিলাকৰ গাত তত নাই। সিবিলাকৰ ভিতৰত বঙ্গালী ৺অতুলচন্দ্ৰ ৰায় এচিষ্টেন্ট চাৰ্জন, একাউন্টেন্ট ৺যোগেশ চন্দ্ৰ সেন, থিয়েটাৰৰ মেনেজাৰ বাবু নাৰায়ণ মুখাৰ্জী, বুঢ়া উকীল ৺শ্যামচৰণ মৈত্ৰ, ৺মহেন্দ্ৰনাথ দাঁ, ডেকা উকীল ( বৰ্তমান ৰায়বাহাদুৰ ) মনোমোহন লাহিড়ী, স্কুল ডেপুটি ইনস্পেক্টৰ ৺হাৰানচন্দ্ৰ দাসগুপ্ত, হেডমাষ্টৰ ৺ৰামমোহন মিত্ৰ আৰু অসমীয়াৰ ৺পণ্ডিত জয়দেৱ শৰ্মা, ৺ৰায়চাহাব ( পাচত ) ভবানীচৰণ ভট্টাচাৰ্য, ৺ৰায়বাহাদুৰ ( পাচত ) ৰেথাৰাম শৰ্মা, ৺ৰবিচন্দ্ৰ বৰুৱা তহচিলদাৰ, ৺নীলকান্ত বৰুৱা জেইলাৰ, ৺মুন্সী আলমচাহ মিঞা ৰেভিনিউ চিৰস্তাদাৰ, ৺লক্ষ্মীকান্ত দাস চিভিল চিৰস্তাদাৰ, ৺ধৰ্মেশ্বৰ গোস্বামী, হাইস্কুলৰ মাষ্টৰ, ৺কৃষ্ণচন্দ্ৰ চৌধুৰী মুন্সিফ, ৺লক্ষ্মীকান্ত বৰকাকতী, ৺হৰিবিলাস আগৰৱালা, ৺কমলাকান্ত ভট্টাচাৰ্য আৰু সিবিলাকৰ ছাঁতে মোকো লেখত ধৰি এইসকলৰ নাম লবলগীয়া। সিবিলাকৰ নেতৃত্বত

গোটেই তেজপুৰ টাউনৰ ল'ৰা, ডেকা, বুঢ়া সকলোৰেই কাৰ্যতৎপৰ হোৱা দেখি মন-প্ৰাণ উলাহত নাচি উঠা হৈছিল। সিবিলাকৰ সেই কাৰ্যতৎপৰতাৰ ফলত তিনি থাপিত তিনিটা (জাহাজ ঘাটত, হাই মজলীয়া নৰ্মাল স্কুল জংচন বা চাৰিআলি মুৰত আৰু টাউন হলৰ সমুখত) গেট বা আদৰণী বাটচ'ৰা অতি বিতোপনকৈ সজোৱা হৈ উঠিল। টাউন হল আৰু তিনিও স্কুল ঘৰৰ চুড়াত ৰাঙলী নিচান উৰিল। ঠাই বুজি জোৰা জোৰাকৈ কলপুলি থিয় হল। ইত্যাদি বাহ্যিক আড়ম্বৰৰ দৃশ্যত টাউন তেজপুৰ আনন্দপুৰ হৈ জিলিকিল। এনেতে ভৰদুপৰীয়া, তেজপুৰ ঘাটৰ পোন ধৰি ব্ৰহ্মপুত্ৰৰ মাজৰ ঘাই সুতিৰপৰা চৰ্কাৰী জাহাজ সোণমুখীয়ে ততালিকে টাউনবাসী সৰহভাগ গৈ ঘাটত ভিৰ হৈ পৰিলগৈ। নিচানধাৰী ছাত্ৰবৰ্গে ঘাটৰ বাউসিয়ে দুশাৰী হৈ লানি পাতিলেগৈ, কিন্তু দুখৰ বিষয় খৰালি পানীত তৰ পৰাত সোণামুখী আহি পাৰত চাপিবহি নোৱাৰিলে। গতিকে উপস্থিত ৰাইজে নিলগৰেপৰা 'সোণামুখী'ক আৱাহন জনাই ৰ লাগিল। কটন বাহাদুৰেও তাৰেপৰা পাৰলৈ ভূমুকিয়াই উৰমাল নচুৱাই ৰাইজলৈ শলাগৰ নিদৰ্শন জ্ঞাপন কৰি তাতে ঠৰ হৈ ৰ'ল; মাথোন চৰ্কাৰী ডাকোৱালটোৱে সৈতে ডেপুটি কমিচনাৰ আৰু "বন্তি"ৰ টোপোলা এটি কাষলতি তলত লৈ চিনিয়ৰ ই, এ, চি, কৃষ্ণ চোধুৰী এখন জালিবোটত উঠি গৈ 'সোণামুখী'ত উঠিলগৈ। তাত অলপপৰ মাথোন থাকি ডাকোৱালৰ লগতে উলটি আহি চোধুৰী হাকিমে পাৰৰ সমবেত ৰাইজক জাননী দিলেহি যে চীফ কমিচনাৰ কটন বাহাদুৰে পিচদিনাহে পাৰলৈ উঠি দুপৰীয়া টাউন হলত ৰাইজৰ অভিনন্দন গ্ৰহণ কৰিবহি।

পুৱাল 'পিচদিনা।' চাপিল 'দুপৰীয়া'। চাপিলহি ঘাটজুৰি ৰাইজ। অসমীয়া গায়নে-বায়নে ঘাটৰ পাৰত মাঙ্গলিক বাদন জুৰিলেহি। তিনিও স্কুলৰ ছাত্ৰবৃন্দে প্ৰত্যেক হাতত ৰাঙলী নিচান লৈ শাৰী পাতিলেহি। এনেতে সুন্দৰকৈ সজোৱা এখন 'জালিবোট'ত উঠি ওপঙ্গি আহি পাৰত উঠি হৰ্ষ-বিহ্বল খোজেৰে হাঁহি হাঁহি কটন বাহাদুৰে সমবেত ৰাইজৰ মাজত সোমালেহি। তাৰ পাচত জাকজমককৈ সজাই থোৱা বাগীত উঠি কটন বাহাদুৰে সমবেত ৰাইজৰ হৈ ধ্বনিত উৰুলিকৃত হৈ অভিনন্দন স্তলৈ শোভাযাত্ৰাৰ গতি ধৰিলে। শোভাযাত্ৰাৰ আগত গায়নে-বায়নে মুখীয়াল নেতাবৰ্গ, মাজত কটন বাহাদুৰক লৈ আগে-পিচে দুভাগ নিচানধাৰী ছাত্ৰবৃন্দ, পাচত সমবেত ৰাইজৰ দৰ্শকমণ্ডলী আৰু সদৌশেহত মই লগুৱা হৈ খোজ মিলাই খোজ ধৰিলোঁহক। সেই খোজ লোৱা মাত্ৰকে কটন বাহাদুৰৰ আগে-পিচে তিনটীয়াকৈ লানি পতা ছাত্ৰবৃন্দে ঐক্যতানেৰে আগত সুমৰি অহা সেই 'কটন বিদায়' গীতটি গাই গাই গতি কৰিবলৈ ধৰিলে। কটন বাহাদুৰে উলাহত গা তুলি একোবাৰ আগলৈ চায়, একোবাৰ উভতি পিচলৈ চায়। দুয়োপাশে গছৰ পাতে গীতৰ সমস্বৰ সুৰত যেন কঁপি কঁপি ভাৱত উৰুলিকৃত হয়; দুই পাশৰ পদুমনি পুখুৰীত পদ্মফুলৰ কলিবোৰে ৰাগিত মতলীয়া হৈ ঢলি ঢলি হালি-জালি নাচিবলৈ ধৰে; মই নিচেই পিচৰপৰা সেই আনন্দ লহৰীৰ হেন্দোলনিত আপোন-পাহৰা হৈ ৰাইজৰ খোজে খোজে খোজ ধৰোঁ। এইভাৱে গৈ গৈ স্কুল বাটচ'ৰা পাৰ হৈ গৈ টাউন হলৰ বাটচ'ৰাত আদৰণী ঠাত থিয় দি নামিলত, পুষ্পমালাধাৰী ৺গঙ্গানাথ শৰ্মা তহচিলদাৰে আগবঢ়াই ধৰা ৰূপহী ফুলৰ মালাধাৰি

৺নৰডেকা বৰঠাকুৰদেৱে তুলি লৈ এটি মাঙ্গলিক স্তোত্ৰেৰে কটন বাহাদুৰৰ কণ্ঠত পিন্ধাই দি ৰাইজৰ সমাদৰ জনালে। তাৰ পাচত ধীৰে ধীৰে গৈ কটন বাহাদুৰে টাউন হলৰ ভিতৰত বিতোপনীয়া মঞ্চত উঠি আসন লোৱা মাত্ৰে ৰাইজৰ হৈ ৺মহেন্দ্ৰনাথ দাঁ বৃদ্ধ উকীল মহাশয়ে সোণালী আখৰেৰে ইংৰাজীকৈ ছপোৱা অভিনন্দন পত্ৰখনি স্থিৰ গম্ভীৰ সুৰেৰে পাঠ কৰিলে। তাৰ উত্তৰত যি দুআষাৰ সমিধান বাণী শুনাবলৈ বুলি কটন বাহাদুৰে থিয় দিছিল তাক তেখেতে স্পষ্টকৈ ফুটাব নোৱাৰিলে, ঘনেঘনকৈ কণ্ঠৰোধ হোৱাত তেখেত চকুলো মচি বহি পৰিল। কাষতে তেখেতৰ মৰমৰ ভাৰ্যা লেডী কটনেও বহি বহি চকুলো টুকিবলৈ ধৰিলে।

পিচদিনা আহিল ভিতৰুৱা দেখা-সাক্ষাতৰ পাল (private interview)। ডেপুটি কমিচনাৰৰ বঙ্গলাৰ মজলিছ কোঠাত কটন বাহাদুৰে সাক্ষাৎ দিবলৈ বুলি বহিলগৈ। ভেটাওঁতাৰ ভাৰ পৰিল ৺কৃষ্ণচন্দ্ৰ চৌধুৰী হাকিমৰ গাত। তেওঁ সোমাই গৈ ওলাই অহা মাত্ৰে ডাক পৰিল 'কটন বিদায়' গীতি-কবিতা ৰচোঁতাৰ ওপৰত। মই ততালিকে গৈ মজলিছ কোঠাৰ ভিতৰ সোমোৱা মাত্ৰকে কটন বাহাদুৰে আগ্ৰহেৰে উঠি আহি সোঁ হাতে হাতে ধৰা-ধৰি কৰি বাঁওহাতেৰে মোৰ পিঠিত আদৰৰ বুলনি দি আথে-বেথে আগবঢ়াই নি সমুখত পাৰি থোৱা মাচিয়া এখনত মোক বহুৱাই লৈ তেখেতে আসন লৈয়েই এইবুলি সম্প্ৰীতি সম্বোধন কৰিলে, "তুমিয়েই সেই আনন্দদায়ক গীতি-কবিতাটিৰ ৰচোঁতা ?" মই বিনীতভাৱে লাহেকৈ 'হয়' বুলি উত্তৰ দি থলোঁ। তাৰ পাচত তেখেতে কবিতাটিৰ ভাব অতিশয় মনোৰঞ্জক আৰু ৰচনা অতি সুন্দৰ হৈছিল বুলি নিজে কেইফাঁকি ব্যাখ্যা কৰি নিজে অযাচিতে শলাগি এইবুলি মোক শলাগৰ সমিধান দিলে, "ইয়াৰ বাবে মই এতিয়া কি প্ৰতিদান দিম ? সঁচাকৈ কবলৈ গলে ইয়াৰ যোগ্য প্ৰতিদানৰ সমল সম্প্ৰতি মোৰ হাতত নহব ; তথাপি আশাকৰোঁ মোৰ পৰবৰ্তীজনৰ হাতত সেই দানৰ অভাৱ নহব। আগন্তুক শিক্ষা বিভাগীয় সংস্কাৰত বহুল উন্নতিৰ ধল অহা দেখা গৈছে ; তাত তোমাৰ ভাগ আটাইতকৈ আগ হব বুলি মোৰ বিশ্বাস।" তাৰ পাচত, মোৰ আতি-গুৰিৰ সন্ধেদ লৈ সাহিত্যিক, সামাজিক আৰু ৰাজনৈতিক কৰ্ম-ক্ষেত্ৰত মোৰ কাৰ্যক্ৰম বিষয়ক চমু সমালোচনা কৰি কটন বাহাদুৰে আকৌ মোৰ জাতীয় আৰু জ্ঞাতীয় অনুৰাগৰ গুণ বখানি চমুকৈ এইবুলি কৈ সামৰণি মাৰিলে, "মোৰ দৃঢ় বিশ্বাস, তোমাৰ জীৱনৰ কৰ্মফলত তোমাৰ অসমীয়া জাতি আৰু তোমাৰ আহোম জ্ঞাতি বিশিষ্টভাৱে উপকৃত হব, আৰু তাৰ অৱশ্যম্ভাৱী প্ৰতিফলস্বৰূপ তোমাৰো যশস্যা অযাচিতে বাঢ়িব।" এইভাৱে পোৱা ঘণ্টামান কথা-বাৰ্তা পাতি অন্তত দুয়ো মৰ্মস্পৰ্শীভাৱে বিদায় লোৱা-লুই কৰাৰ পাচত মই ওলাই আহিলোঁ। তাৰ পাচত পোনতে এজন এজনকৈ, তাৰ পাচত দুই চাৰিজনকৈ, আৰু পাচলৈ জুম জুমকৈ দেখা-সাক্ষাৎ কৰাৰ অন্তত সন্ধিয়াপৰত বাহিৰলৈ ওলাই আহি কটন বাহাদুৰে গধুৰ অন্তৰেৰে সমবেত ৰাইজৰ ওচৰত বিদায় লৈ চকুত উৰমাল দি ভিতৰ সোমলগৈ। গধুৰভাৱে তলমুৰকৈ আমিও সেই একেভাৱেই এখুজিকৈ দুখুজিকৈ ঘৰাঘৰি হলোহঁক। পিচদিনা উপজিপুৱাতে অসমহিতৈষী ভাৰতবন্ধু সোণামুৱা চাৰ হেন্‌ৰি কটন চাহাব বাহাদুৰক বুকুত লৈ 'সোণামুখী' তেজপুৰ ঘাটৰপৰা আঁতৰি ভটীয়াই গ'লগৈ।

# ষোড়শ সৰ্গ

## ৰেভাৰেণ্ড মিঃ এন্দেলৰে সৈতে সখিত্ব

তেজপুৰৰ এই বুঢ়া পাদ্ৰী চাহাবজনৰে সৈতে অযাচিতে মোৰ সখিত্ব লাভ হয়। এওঁ অসমতে বুঢ়া হৈ অসমীয়াৰ আও-ভাও, ভাষা-সাহিত্য, সামাজিক নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ আদিৰ বিষয়ে বিশদ অভিজ্ঞতা লাভ কৰিছিল। মোৰ নৰ্মাল স্কুলত ৺দুৰ্গাধৰ বৰকটকীদেৱে পাতি থৈ যোৱা কিতাপৰ সৰু এজেন্সিৰ পৰা সততে অসমীয়া পঢ়াশলীয়া পাঠ্যপুথি কিনাই নি তেওঁ মিশ্যন স্কুলবোৰত বিতৰণ কৰেগৈ। সেই সূত্ৰতে মোৰ নিজা ৰচিত আৰু প্ৰণীত পাঠ্যপুথি কেখনমান বিশেষকৈ "অসমৰ বুৰঞ্জী" কিতাপে ৰেভাৰেণ্ড মিঃ এন্দেলৰ মোৰ প্ৰতি অনুৰাগ আকৰ্ষণ কৰে। তেওঁ এদিন অনাভুৱাকৈ আহি ভমককৰে মোৰ স্কুলত উপস্থিত হ'লহি! মই আথে-বেথে মোৰ কাষতে পাতি থোৱা মাচিয়া এখনতে বহিবলৈ দি তেওঁৰে সৈতে কথা-বাৰ্তা হবলৈ ধৰিলোঁ। কথা প্ৰসঙ্গত তেওঁ বৰ ৰং মনেৰে কৈ পেলালে যে তেওঁ অকল চিনাকি হবলৈকে অহা নাই, মোৰ সৈতে সখি বন্ধাবলৈকো উদ্দেশ্য লৈ আহিছিল। কাৰণ তেওঁ অসমীয়া ভাষাৰ অনুৰাগী মানুহক ভাল পায়, আৰু তেনে লোকৰ প্ৰতি তেওঁৰ আসক্তি-অনুৰাগ স্বাভাৱিক; ময়ো সেইবিধৰে এজন বুলি তেওঁক হেনো মোৰ প্ৰণীত পঢ়াশলীয়া কিতাপ থনচেৰেকে কাণে কাণে কৈ দিলে; তাৰ পাচত তেওঁ মোৰে সৈতে মোৰ "অসমৰ বুৰঞ্জী" উপযোগিতাৰ বিষয়ে ভালেমান পৰ কথা পাতি এতাঁই এই বুলি মোক সম্বোধন কৰি যাবলৈ উঠিল, "সখি নাপাহৰিবা, মনত ৰাখিবা, আজিৰপৰা দুয়ো সখি হলোঁ। মই তোমাৰ ঘৰলৈকে যাম, তুমিও মোৰ ঘৰলৈ আহিবা। অহা-যোৱা কৰি থাকিলে দুইৰো প্ৰতি দুইৰো মৰম-চেনেহ বাঢ়ি যাব।" মই বৰ ৰং মনেৰে 'ভাল' বুলি সমিধান দিয়াত বুঢ়া চাহাবে মোৰ হাতত ধৰি খলখলাই হাঁহি বিদায় ললে। তেওঁ অসমত পাদ্ৰীসকলৰ আগমন, ভ্ৰমণ আৰু ধৰ্মপ্ৰচাৰৰ লগে লগে কি সূত্ৰে কেনেকৈ অসমীয়া ভাষাৰ উন্নতিকল্পে যত্ন কৰিছিল সেই বিষয়ে বিশদকৈ বৰ্ণাইছিল। ময়ো শিৱসাগৰত ছাত্ৰজীৱনত ৰেভাৰেণ্ড মিঃ গৰ্নি চাহাবৰ-পৰা সেই বিষয়ে যিথিনি জানি থৈছিলোঁ, সেইথিনি বিবৰি কলোঁ। সেই কথোপকথনত বাস্তৱতে দুয়ো বৰ প্ৰীতিবোধ কৰিলোঁ। তাৰ পাচত তেৱোঁ সততে মোৰ বহালৈ গৈ থাকে ময়ো তেওঁৰ বঙ্গলালৈ আহি থাকোঁ। কেতিয়াবা মোৰ নঙ্গলামুখৰপৰা "ঐ জপৰা উঠিলানে?" বুলি মোক বিঙ্গিয়াই মতা তেওঁৰ সাদৰী মাতষাৰি শুনিলে আজিও মোৰ কাণত মৌ বৰষে। তেওঁ মোক 'জপৰা' বুলি মৰম লগাই মাতিছিল, কাৰণ তেতিয়া মোৰ চুলিকোচা গললনত পৰা দীঘল আছিল। এইদৰেই কুৰিবছৰমান পৰম প্ৰীতিৰে সৈতে সেই পূজনীয় পাদ্ৰী ৰেভাৰেণ্ড মিঃ এন্দেল চাহাবৰ সখিত্ব উপভোগ কৰিলোঁ। তাৰ পাচত অতি বৃদ্ধ বয়সত তেজপুৰতে তেওঁ স্বৰ্গী হয়; কিন্তু তেওঁৰ সেই পবিত্ৰ আত্মাৰে সৈতে মোৰ ক্ষুদ্ৰাত্মাৰ আজিও সম্বন্ধ ছিগা নাই। আৰু মোৰ সোঁৱৰণী আছেমানে নিছিগে।

## ফুলাৰ আমোলৰ আৰম্ভণ

চাৰ হেন্‌ৰি কটন গ'ল, মিঃ ফুলাৰ ( পাচত চাৰ বেমফিল্ড ফুলাৰ ) অসমৰ চীফ কমিচনাৰ হৈ আহিল। এওঁৰ লগত চিনাকি হবলৈ মোৰ পলম নহল। তেজপুৰত চফৰ ফুৰিবলৈ আহোঁতে প্ৰথম সাক্ষাততে মই তেওঁৰ সুদৃষ্টিত পৰিলোঁ, আৰু অলপ বিশিষ্টভাৱে মনত ঠাই পালোঁ। চিনাকি সোনকালে হোৱাৰ কাৰণ মোৰ অনুমানতকৈ তেওঁ নিজে বেছিকৈ জানিছিল। সি যি হওক, তাৰ পাচত চীফ কমিচনাৰ মিঃ ফুলাৰ চাহাব বাহাদুৰৰ লগত বিবিধ প্ৰসঙ্গত মোৰ ঘনিষ্ঠতা লাভ হবলৈ ধৰিলে। তাৰ ভিতৰত "বন্তি" প্ৰসঙ্গ প্ৰধান। তেওঁ এজন ভংভঙ্গীয়া বিধৰ লোক আছিল; মুখত এটা পেটত আন এটা দোষ তেওঁৰ আচৰণত দেখা নগৈছিল। তেওঁৰ আহিঁৰেই তেওঁৰ ওচৰত ময়ো ভংভঙ্গীয়াভাৱে চলিছিলোঁ। আনকি মই যে আঁৰ লৈ "বন্তি" সম্পাদনাত যোগ থাকো সেই বিষয়ে তেওঁ জানিবলৈ বাকী নাছিল। বৰঞ্চ তেওঁ তাৰ সন্তেদ পাই থকাৰপৰা তেওঁৰ সৈতে মোৰ সেই ঘনিষ্ঠতা কাকতে কাপেও বাঢ়িবলৈ চল লাগি পৰিছিল। কিয়নো "বন্তি"ত আলোচনা কৰা বিষয়বিলাক প্ৰায় তেওঁৰ মনোমত বিবেচিত হৈছিল। সেই সময়ত "বন্তি"ৰ জৰিয়তে মই "মৌজাদাৰী প্ৰথা পুনঃ প্ৰচলন", "মণ্ডল কাননগুসকলৰ বানচৰ উন্নতি", "গাঁওবুঢ়াক পাৰিশ্ৰমিক এফেৰি দান" "অসমৰ পঢ়াশালিত অসমীয়া ভাষাৰ প্ৰচলন বিস্তাৰ", "ইউনিভাৰ্চিটীত অসমীয়া সাহিত্যৰ প্ৰচলন" ইত্যাদি বিষয়ৰ "বন্তি"ৰ সম্পাদকীয় প্ৰবন্ধাৱলীয়ে মিঃ ফুলাৰ চাহাবৰ মনোযোগ ভিতৰি ভিৰ কৰি তুছিছিল। এইবিলাক বিষয়ক সংস্কাৰৰ সম্বন্ধে ছেগ পালেই তেওঁ মোৰে সৈতে আলচ পাতিছিল। মৌজাদাৰী আৰু তহচিলদাৰী উভয়তে মোৰ যি অভিজ্ঞতা লাভ হৈছিল তাৰপৰা তেওঁক মই সেই অৰ্থে লাগতিয়াল সমল যোগাবলৈ সুচল পাইছিলোঁ। মণ্ডল আৰু গাঁওবুঢ়াৰ সম্বন্ধেও মোৰ আজীৱন যি অভিজ্ঞতা লাভ কৰা আছিল তাৰে সৈতেও সেই উদ্দেশ্যত সাৰ দিবলৈ মোৰ সুবিধা ঘটিছিল। সন্তোষৰ বিষয় পাক লাগি ফলিতাৰ্থত "বন্তি"ৰ জৰিয়তে কৰা মোৰ আলোচনাত গুটি লাগিল—মৌজাদাৰী প্ৰথা পুনঃ প্ৰচলিত হল, মণ্ডল-কাননগুৰ বানচ যৎকিঞ্চিত বাঢ়িল, গাঁওবুঢ়াই "আঙ্গথি পিন্ধোৱা" ৰীতি আৰু যৎসামান্য খাজনা ৰেহাই দিয়া নিয়ম প্ৰচলিত হল। অসমীয়া ভাষা কলিকতা ইউনিভাৰ্চিটীৰ দ্বাৰা মানিত হল। আজি ইউনিভাৰ্চিটীৰ এন্ট্ৰেন্স বা মেট্ৰিকুলেচনৰপৰা আৰম্ভ কৰি এম. এ. পৰ্যন্ত যে অসমীয়া ভাষাই বিস্তাৰিতকৈ ঠাই পাইছে সি কেৱল মাননীয় চাৰ বেমফিল্ড ফুলাৰ চাহাব বাহাদুৰৰ শুদ্ধচিতীয়া আৰু একাণপতীয়া সমৰ্থন আৰু পৰিশ্ৰমৰ ফল। সেই উপকাৰৰ বাবে অসমীয়া ভাষা তেখেতৰ ওচৰত চিৰঋণী।

এবাৰ চফৰ ফুৰণত এদিন মিঃ ফুলাৰ চীফ কমিচনাৰ চাহাব বাহাদুৰৰ আগত তেজপুৰৰ চাৰিদুৱাৰ, নদুৱাৰ আৰু ছয়দুৱাৰৰ জনদহেক প্ৰতিনিধি ৰায়তে হাবিৰ বেত আৰু কাঠ কটাৰ কৰ-কাটলৰপৰা ৰেহাই পাবলৈ বুলি মৌখিক আবেদন কৰিছিলগৈ। তেতিয়া তাত অসমীয়া আৰু বঙ্গালী চৰ্কাৰী কৰ্মচাৰী আৰু স্বতন্তৰীয়া ভদ্ৰলোক জনচৰেকো উপস্থিত আছিল; সিবিলাকৰ লগতে ময়ো পিচে ফুলাৰ বাহাদুৰে হাঁহি মুখেৰে ৰায়ত প্ৰতিনিধিসকলক

সুসমিধান দি নাপাহৰিবলৈ বুলি সিবিলাকক দেখুৱাই জেপৰ উৰমালৰ আগত গাঁথি এটা বান্ধি থৈ মোৰফালে চাই এই বুলি সঙ্কেত দিলে "Padmanath should deal this subject in Banti in an early issue"। মই চকিত হৈ তলমূৰ কৰিলোঁ ; উপস্থিত ভদ্ৰলোককেজনেও চকু চোৱা-চুই কৰিবলৈ ধৰিলে। ভংভঙ্গীয়া ফুলাৰ বাহাত্বৰে তৰ্কিব নোৱাৰি "বন্তি"ৰ লগত মোৰ সম্পৰ্ক থকাৰ কথা কৈ পেলালে। তাৰপৰা মোৰ পক্ষে লাভ আৰু লোকচান দুইটাই হল। লাভ এইবাবে যে মোৰ শত্ৰুপক্ষীয় লোকে মোৰ সেই গুপ্ত সম্পৰ্ক চৰ্কাৰৰ চকুত পেলাবলৈ বুলি খুচৰি থকা কু প্ৰবৃত্তিয়ে অলপ শাম কাটিলে ; লোকচান এই হল যে মোৰ বিৰুদ্ধে তৎপূৰ্বৰেপৰা কাকতে-কাপে লাগি থকা দলে শাসনৰ মাই কৰ্তাজনৰ মুখে ওলোৱা সেই ৰহস্য ভাঙ্গনিত গঢ়িলা লৈ লাগিবলৈ এটা ভাল খোপনি পালে। সি যি হওক, ইয়াত বাজেও এইজনা চীফ কমিচনাৰৰ আমোলত গোটাদিয়েক লেখত লবলগীয়া কাৰ্য মই কৰিবলগীয়া হৈছিল। কিন্তু তাৰ মাজতে এই ক্ষুদ্ৰ জীৱনত কেইবাটাও ডাঙ্গৰ ঘটনা ঘটিছিল কাৰণে আগধৰি সেইকেইটা ঘটনাৰ বিষয়ে সুমৰিবলৈ মাননীয় ফুলাৰ বাহাত্বৰৰ সংসৰ্গত সম্পাদিত হোৱা কাৰ্যাৱলীৰ বাকীছোৱাৰ বিবৃতি ইয়াৰ পাচৰো পাচৰ ছোৱা সোঁৱৰণীলৈ থোৱা হল।

# সপ্তদশ সৰ্গ

## প্ৰথমা ভাৰ্যা বিয়োগ

ইতিপূৰ্বতে উনুকিয়াই অহা হৈছিল যে ইংৰাজী কুৰি শতিকাৰ আৰম্ভণ এটা বিবিধ ঘটনাপূৰ্ণ যুগ। এই আৰম্ভণত আবিৰ্ভাৱ আৰু তিৰোভাৱৰ ঘটনাৱলীয়ে পৃথিৱীৰ বুকুত দকৈ গোটাচেৰেক আঁচ বহুৱাইছিল ; তাৰ ভিতৰত "অসম বন্তি"ৰ জন্ম আটাইতকৈ সৰু আৰু ৺মহাৰাণী ভিক্টোৰিয়াৰ মৃত্যু আটাইতকৈ বৰ বুলি সুমৰি অহা হৈছে। তেনেকুৱা সৰু বৰ ঘটনাৰ চানেকি এই ক্ষুদ্ৰ জীৱনৰ সেই ছোৱাত প্ৰতিফলিত হবলৈকো বাকী থকা নাই। তাৰ ভিতৰৰে এটা জনসাধাৰণৰ দৃষ্টিত ক্ষুদ্ৰাদপি ক্ষুদ্ৰ হলেও মোৰ পক্ষে লেখত লবলগীয়া ডাঙৰ ঘটনা ঘটিছিল। মোৰ প্ৰিয় ভাৰ্যা ৺লীলাৱতী দেৱীৰ অকাল বিয়োগ। ১৮২১ শকৰ দুৰ্গোৎসৱ পূজাত, সপ্তমী, অষ্টমী আৰু নৱমী পূজা উৎসৱ দুয়ো হৰিষ অন্তৰে উপভোগ কৰাৰ পাচত বিজয়াদশমীৰ দিনা আবেলি মই উৰুলিকৃত হৈ প্ৰতিমা বিসৰ্জন দিয়া শোভাযাত্ৰাত যোগ দিবলৈ বুলি ওলালো। তেওঁ ঘৰতে কেগৰাকীমান ভদ্ৰমহিলাৰে সৈতে কথা-বাৰ্তা পাতি থাকিল। মই ওলাই যাওঁতে কিন্তু মন কৰিলো কিবা কাৰণে হঠাৎ তেওঁৰ মনত এটা উদাসীন আৰু বিমৰিষ ভাব খেলোৱা যেন। মন কৰিলো, কিন্তু মোৰ আনন্দত উতলা মনে ততালিকে তালৈ পিঠি দি লগৰীয়াৰ লগত লৰ ধৰিলে। পিচে ঘণ্টাদিয়েক দেৱীপ্ৰতিমা ফুৰাই-চকাই নি ব্ৰহ্মপুত্ৰৰ বুকুত বিসৰ্জন দিবলৈ ধৰা হৈছে, ময়ো সেই নাৱতে উঠিবলৈ ধৰিছোঁ, এনেতে মোৰ লগুৱাটো লৰি গৈ ফোপাই ফোপাই মোক বাতৰি দিলেগৈ যে মোক তুৰন্তে ঘৰলৈ উলটি যাবলৈ বুলি গৃহিণীয়ে কৈ পঠাইছে, বোলে তেওঁৰ গা বিষম ; হঠাতে গা বিষম হোৱাৰ কাৰণ কিন্তু মই ততালিকে বুজি উঠিব নোৱাৰিলো, কিয়নো মই ঘণ্টাদিয়েকৰ আগতে মাথোন তেওঁক সুস্থীয়া অৱস্থাত দেখি গৈছিলোঁ। সেই ভাবি ঘৰলৈ উলটি অহাত ইতস্ততঃ কৰা যেন দেখি লগুৱাটোৱে উদ্বিগ্ন চিতেৰে মাতি উঠিলে, "দেউতাৰ গুণিবৰ সময় নহয়, বেগতে আহক, আইদেউতাৰ ভেদবাতি হৈ তৰণি নাই, আপোনাক তুৰন্তে মাতি পঠিয়াইছে।" মোৰ চাঁত কৰে মনত পৰিল মই লক্ষ্য কৰি যোৱা তেওঁৰ সেই উদাস আৰু বিমৰিষ ভাবলৈ। আৰু পলম কৰা নহল। অনতিপলমে বেগাবেগিকৈ আহি ঘৰ সোমাই দেখোহি যে হঠাৎ জহনীত পৰি প্ৰিয়াৰ ওষ্ঠাগত প্ৰাণ। তাৰ আক্ৰমণ ইমান সাংঘাতিক হৈছিল যে দুঘন্টাৰ ভিতৰতে সি মাৰাত্মক হৈ উঠিছিল। পিচে উদ্বিগ্ন চিতেৰে মই চাপি গৈ কাষত থিয় দিয়া মাত্ৰকে, তেওঁ শয্যাৰপৰা বাগৰি অহাদি আহি মোৰ ভৰিত পৰি অতি হৃদয়বিদাৰক কাতৰ স্বৰে মোৰ চকুলৈ চলচলীয়া চকুৰে চাই এই বুলি বিদায় মাগিলে, "হেৰি, মই সেৱকীয়ে আপোনাৰ চৰণত বিদায়হে মাগিলোঁ ; মোৰ পাচত মোৰ সেই কথাটি ৰাখিবলৈ আৰু আপোনাৰ আপত্তি নহব যেন ( কথাটি পাচত সুমৰণত ওলাব )"। মই অবাক। সন্তপ্তচিতেৰে তেওঁৰ শিৰ আঘ্ৰাণ কৰি আথে-বেথে ধৰি তেওঁক লাহেকৈ শয্যাত

তুলি গাৰ কাপোৰ-কানি আঁত লগাই দি খুলশালি ল'ৰাটি আৰু পৰদিয়া গুৰু-ছাত্ৰকেজনক লৰালৰিকৈ দিহা-পোহা দি উঠি, মই কাষতে বহি লগুৱাটোৰে সৈতে তেওঁৰ শুশ্ৰূষাত তৎপৰ হলোঁ, আৰু ততালিকে ডাক্তৰক মাতি আনিবলৈ এজন টনকিয়াল গুৰু-ছাত্ৰক লৰুৱাই পঠিয়ালোঁ। আধাঘন্টামানৰ ভিতৰতে, সেই সময়ৰ তেজপুৰৰ প্ৰধান ডাক্তৰ অতুলচন্দ্ৰ ৰায় এচিষ্টেণ্ট চাৰ্জন আহি উপস্থিত হলহি। মই তেওঁক একো বুজাই কব নোৱাৰিলোঁ, কিন্তু তেওঁ নিজেই ভালেখিনি পৰ ৰোগীক বিশেষ মনোযোগেৰে পৰীক্ষা কৰি চাই উঠি মন আমোলাই পেলালে। তেওঁৰ মনৰ বাহ্যিক ভাব-গতিলৈ লক্ষ্য কৰি আমিও বুজিবলৈ বাকী নাথাকিল যে গতি বিষম, ৰোগীৰ অৱস্থা ভাল নহয়। তাৰ পাচত মই সঘনে ৰোগীৰ অৱস্থা আৰু ব্যৱহাৰ বিষয়ে সোধো, কিন্তু ডাক্তৰে তাৰ উত্তৰ নিদি মোক কিবাকিবি বুজনি দিবলৈ ধৰে। সেইদৰে কিছুপৰ যোৱাৰ পাচত ডাক্তৰে অলপ বিৰক্তিভাৱে এই বুলি কৈ উঠিলে, "আপনি এইদৰে আমনি কৰি থাকিলে মোৰ আৰু ৰোগী চোৱা নহব। আপোনালোক আঁতৰ হওক মোৰ কাম মোক নিৰলে কৰিবলৈ দিয়ক।" সেই অনুসৰি বেৰি থকা সেৱকদল আঁতৰ হল। মই কিন্তু নিতাল মাৰি কাষতে বহি থাকিলো। ডাক্তৰে দুঘন্টামান চিকিৎসা কৰি উঠি এই বুলি মোক আশ্বাস দি গ'ল যে পোনেই আহি তেওঁ ৰোগীক যি সাংঘাতিক অৱস্থাত পাইছিলহি তাৰপৰা ক্ৰমাৎ ভালৰ চিন পোৱা গৈছে আৰু থামাথাই সাংঘাতিক হোৱাৰ আশঙ্কা নাই। তেওঁ লাগতিয়াল ঔষধ-পাতি লৈ আকৌ আহিবগৈ—এই বুলি তেওঁ অলপ ৰং মনেৰে বেগাবেগিকৈ ঘৰমুৱা হল। ইয়াৰ পাচত তেওঁ দুদিন এলোপ্যাথিক চিকিৎসা কৰি চালে, কিন্তু তাৰপৰা উপকাৰ নোহোৱা যেন দেখি মোৰ অনুমতি লৈ হোমিওপ্যাথিক চিকিৎসা আৰম্ভ কৰিবলৈ ধৰিলে। এই চিকিৎসাৰ পৰিবৰ্তনে আৰু গুণ দিয়া যেন দেখা গ'ল ; চতুৰ্থ আৰু পঞ্চমদিনা ৰোগীৰ অৱস্থাৰ ক্ৰমাৎ উন্নতি দেখা গল দেখি আমাৰ মনত ৰং লাগিল। কিন্তু ষষ্ঠদিনাৰ আবেলিৰেপৰা হঠাৎ ৰোগীৰ অৱস্থা বিষমকৈ পৰি যাবলৈ ধৰিলে, আৰু তাৰ গতি ইমান খৰ হল যে ডাক্তৰে বিবুদ্ধি হৈ কি কৰোঁ কি নকৰোঁ লগালে। সেইদিনা গোটেই ৰাতি উজাগৰে থাকি আমি পৰ দিলোহঁক ; ডাক্তৰকো কৈ-মেলি লগতে ৰাখিলো। কিন্তু সপ্তমদিনাৰ পুৱাৰপৰা ৰোগীৰ অন্তিম দশাই দেখা দিলে। তেতিয়ালৈ তেওঁ সজ্ঞানে আছিল, কিন্তু মাত হেৰালে। সেই অন্তিমকালত সেহাই সেহাই 'সেই কথাটি' দুনাই ডাঠি মোৰ মনত পেলাই দি চকুৰে চকুৰে চাই ৰল,— সেই চকু চোৱা-চুইতে ভৰদ্রপৰত কৃষ্ণপক্ষৰ দ্বিতীয়াত ৺লীলাৱতীয়ে সাংসাৰিক লীলা সামৰি চিৰকাললৈ মানবী চকু মুদি সৃষ্টি লীলাৰ কালসাগৰত বুৰ মাৰিলে।

## 'লীলা' ৰচনা

ভাৰ্যা বিয়োগ দুৰ্ঘটনাই মোৰ ক্ষুদ্ৰ জীৱনত এটা অপূৰ্ব চমক লগালে ; মোৰ মন উদাস আৰু অন্তৰ গধুৰ হৈ পৰিল। মই আগৰ দৰে সততে ছাত্ৰবৰ্গৰ দ্বাৰাই পৰিবেষ্টিত হৈ থাকিবলৈ মোৰ ভাল নলগা হল। মই নিৰলে নিজানে থাকি ভাল পাওঁ আৰু সেই

অৱস্থাতে সংসাৰৰ লীলা-খেলাৰ কল্পনাৰ লগত ওমলি থাকোঁ। সেই ওমলনিৰ ফলেই মোৰ ক্ষুদ্ৰ কাব্য "লীলা"। ই মোৰ সেই ভাৰ্যা বিয়োগৰ পৰা ২১ একুৰি একদিনীয়া লীলা সুমৰণৰ বিকাশ। মোৰ সাংসাৰিক লীলাৰ লগত ভগবানৰ সৃষ্টি-লীলাৰ সমাবেশ ঘটাই এই "লীলা" ৰচনা কৰা হয়। "লীলা" সামৰণৰ লগে লগে ৺লীলাৱতীৰ বিয়োগ বেদনাই অলপ শাম কটা যেন অনুভৱ কৰিলোঁ। "লীলা" সম্পৰ্কত সুমৰিবলৈ আৰু কিঞ্চিৎমান বাকী ৰ'ল।

# অষ্টাদশ সৰ্গ

## বাইদেও বিয়োগ

আনুসঙ্গিক ঘটনাৱলীয়ে সাক্ষ্য দি কবই লাগিছে অং ১৮২২ শকৰ সামৰণ আৰু ইং ১৯০০ চনৰ আৰম্ভণৰ সময়ডোখৰ বৰ বিপদীয়া বুলি। মোৰ পক্ষে সি বিশেষ। "লীলা" ৰচনা কৰি উঠি শোকৰ হুমুনিয়াহ পেলাই উশাহ লৈছো মাথোন, এনেতে আন এটা বুকু-ভঙ্গা শোকৰ খুন্দাই উশাহ নিৰোধ কৰি পেলালেহি। অভাৱনীয় বিজুলী বাতৰিয়ে মোক চমক খুৱাই দিলেহি—মোৰ ধাইমাতৃস্বৰূপা চেনেহী বাইদেও মাহিন্দ্ৰী দেৱী আৰু ইহ সংসাৰত নাই বুলি। এই বজ্ৰ বাতৰিয়ে মোক জঠৰ কৰিলে, মই ক'ত আছো কব নোৱাৰা হলো, সেই বাতৰিৰ বা লৈ মোৰ প্ৰাণপখী ৺বাইদেওৰ উদ্দেশ্যে কেনিবাদি ক'ৰবালৈ উৰিল। মোৰ এই ক্ষুদ্ৰ জীৱনত এটা ভয়াবহ মহৎ ঘটনা ঘটিল। বাইদেওৰ লগত বাহ্যিক সম্বন্ধত বাজেও আন্তৰিক মোৰ যি গভীৰ ভক্তি-স্নেহৰ সম্বন্ধ আছিল, সেই বিষয়ে এই সোঁৱৰণীৰ আদিছোৱাতে বিস্তাৰিতকৈ স্মৰ্যৰি অহা হৈছে। যত্তপি ভালেমান দিনৰ আগৰেপৰা বিবিধ বিকাৰ লাগি প্ৰসূতা ৰোগজনিত নৰিয়াত তেওঁৰ স্বাস্থ্য পৰি আহিছিল তথাপি সিমান সোনকালে সেই সাংঘাতিক অকাল-বিয়োগ ঘটিব বুলি মোৰ মন-শ্ৰুতিতো নাছিল। আনকি তেনেকুৱা এটা কালান্তক শেহ নৰিয়াৰ বাতৰি নহাকৈয়ে বিয়োগ বাতৰি আহি পৰিল। ৺কৃষ্ণানন্দ গোহাঞি ফুকন ভিনীহিদেও গোলাঘাট কাছাৰীৰ হেড্ ক্লাৰ্ক হৈ থাকোতেই তেওঁ গোলাঘটীয়া ন-ঘৰত, সাধাৰণ জ্বৰ-নৰিয়াৰ আলমতে মাহিন্দ্ৰী দেৱী গোহাঞিয়নী বাইদেৱে দুটি কন্যা আৰু তিনটি পুত্ৰ সন্তানেৰে সৈতে তেওঁৰ সন্তপ্ত স্বামী দেৱতাক এৰি অকালত ইহসংসাৰৰপৰা বিদায় ললে। ৺বাইদেৱৰ অন্তিম সময়ৰ দিহা অনুসৰি তেওঁৰ মাউৰা ল'ৰা তিনিটি আৰু সুমলীয়া ছোৱালীটি মাতৃবিয়োগৰ বছেৰেকীয়া যোৱাৰ পাচতে, ৺ভিনীদেৱে তেজপুৰলৈ আনি মোৰ বুকুত থৈ গলহি। বৰ আইদেওটিক ইতিপূৰ্বতে উত্তৰ লক্ষীমপুৰৰ ঢকুৱাখনা ঘিলামৰাৰ ৺কুমুদচন্দ্ৰ চেটিয়া বৰুৱাদেৱলৈ উলিয়াই দিয়া হৈছিল। ল'ৰা তিনিটিক বহু পুৰুষাৰ্থৰে পুত্ৰৱতকৈ ডাঙৰ-দীঘল কৰি, পঢ়াই-শুনাই তিনিওটিকে গ্ৰেজুৱেট কৰি তুলিলোঁ। সিহঁত এতিয়া—(১) শ্ৰীমান সুৰেন্দ্ৰনাথ গোহাঞি, বি. এ., এক্সাইজ চুপাৰিন্‌টেন্‌ডেণ্ট, (২) শ্ৰীমান মহেন্দ্ৰনাথ গোহাঞি, এম.এ, বি.এল, এম. এল. চি, আৰু কলিকতা ইউনিভাৰ্চিটীৰ ফেলো, (৩) শ্ৰীমান যোগেন্দ্ৰনাথ গোহাঞি, বি. এল, এম. এল. চি, শিৱসাগৰত উকীল। সুমলীয়া সৰু আইদেউটিক নগাঁৱৰ ৰহিয়াল বৰুৱাৰ ঘৰৰ এটি সুপাত্ৰলৈ বিয়া দিয়া হৈছিল, পিছে বছৰ দহেকমানৰ পাচত সেইটিৰ অকালমৃত্যু ঘটিল। এই মাউৰা ভাগিনকেইটিক পালন কৰা মোৰ বিশেষত্বলৈ তেজপুৰৰ বয়োবৃদ্ধ জ্ঞানীলোকসকলে অলপ আচৰিতভাৱে চাইছিল; এদিন কথা প্ৰসঙ্গত ৺ভবানীচৰণ ভট্টাচাৰ্য ডাঙ্গৰীয়াই, ৺লক্ষীকান্ত চিৰস্তাদাৰ (মোৰ শহুৰদেৱ) ডাঙ্গৰীয়াৰে সৈতে কোৱা-মেলা

কৰা শুনিছিলো, আমাৰ মোমাই-ভাগিনৰ সম্বন্ধ সেইকালৰ এটি অপূৰ্ব আদৰ্শ বুলি। সি যি হওক, ল'ৰা তিনিটি মানুহ কৰি তুলি উঠি মই মোৰ স্বৰ্গীয়া বাইদেও-ভিনীহিদেৱৰ অপাৰ স্নেহ আৰু অশেষ উপকাৰৰ ঋণ পৰিশোধ কৰাৰ অৰ্থে মূলত হাত দিবলৈ অসমৰ্থ যদিও সুদৰ এখুদমান শুজিলো বুলি ভাবি নিজক কৃতাৰ্থ মানিলোঁ। বাইদেওৰ বিয়োগত বিমোৰ হোৱা দেখি, অনেকে অনেকফালৰপৰা মোক বন্ধুৰ প্ৰবোধ দিছিল; তাৰ ভিতৰত মোৰ প্ৰিয়তম বন্ধু লগৰীয়া ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ প্ৰবোধবাণী আটাইতকৈ সাৰুৱা আৰু আশু গুণদায়ক যেন বোধ কৰিলো। তথাপি নাকান্দিলে সন্তাপৰ তাপ বাজ নহয়, "লীলা"তে তাৰ প্ৰমাণ পাইছিলো। গতিকে মই মোৰ চেনেহী বাইদেওৰ বৰ্ণনাতীত মাতৃ হিয়াৰ মৰম সুমৰি সুমৰি নিৰলে নীৰৱে বিনাবলৈ ধৰিলোঁ। তাৰে অকণমান চিন এই:

বাইদেও!

সোঁৱৰণী শোকে বাজিয়ে আছিল
ভাঙ্গি মোৰ ভঙ্গা বুকু;
তাৰে ছেগ ধৰি বিহ কুটা পৰি
মুদালে ইবেলি চকু।
নহওঁতে শেষ শোকগীত গোৱা
নপৰোঁতে সামৰণি;
শোক ধল উঠি আথাউনি কৰি
কৰে প্ৰাণ অসহনী।
যাৰ যতনত মাতৃকো নিচিনি
উঠিলো কোঁৱৰ প্ৰায়;
যাৰ চেনেহত আছিলো বন্ধোৱা
বিয়াৰ যৌতুক হায়।
যাৰ শিকনিত লভি জ্ঞানজ্যোতি
লভিলো মানৱ নাম;
যাৰ গুণ-গান গাই ঘৰে ঘৰে
কৰোঁ কৃতজ্ঞৰ কাম।
শোকৰ অকণি টিপনি হেঁচাত
স্নেহৰ নিজৰা ফুটি;
দুগালত যাৰ নিমিষে সুমায়
শতেক অপায় উটি।
যাৰ চৰণত শোক দুখ তাপ
নিবেদি মুকলি প্ৰাণে;

পাহৰা ক্ষন্তেক বিষাদ প্ৰমাদ
অভয় বুজনি দানে।
সেই সহোদৰা বাইদেৱে আজি
মুগুণি ভাতৃৰ শোক ;
গ'ল গুচি হাঁয় স্বৰ্গধামলৈ
মৰতত এৰি মোক।
গলা বাৰু যোৱা নোৱাৰিলা নিব
কাঢ়ি তব স্নেহৰাশি ;
তাতে বুৰ মাৰি বিয়োগ পাহৰি
আছোঁ মিলন প্ৰত্যাশী।

## বান্ধৱ পাণীন্দ্ৰনাথ গগৈ বিয়োগ

এইবাৰ মোৰ মুৰত বিনামেঘে বজ্ৰপাত।—মোৰ ল'ৰাকালৰ লগৰীয়া সাহিত্যিক বান্ধৱ ৺পাণীন্দ্ৰনাথ গগৈদেৱেও ছল কৰি ইহজনমলৈ মোৰ বুকুৰপৰা এৰাই গৈ মোক অথাই শোক সাগৰত তল নিয়ালে। মই ককবককৈ মুৰ উলিয়াই সুমৰি চাওঁ যে সিদিনা মাথোন মোৰ সৰলচিতীয়া লগৰীয়াই মোক ভাৰ্যা বিয়োগত বন্ধুৰ অনুকৰণাতীত বুজনি দিছিল ; বুজনিত তেওঁ ৰিজনি দি এইবুলি বুজাইছিল, "আপদ-বিপদত শোকাকুল হৈ অধৈৰ্য হোৱাটো মহতৰ নীতি নহয় ; কিয়নো গছৰ ছাঁ জুখি তাৰ উচ্চতা নিৰূপণ কৰাৰ দৰে মানুহৰ অপায়-অমঙ্গল আৰু শত্ৰুৰ পৰিমাণ বুজিহে তেওঁৰ মহত্ত্বৰ প্ৰমাণ বুজা যায়।" কিন্তু নুবুজিলো হাঁয়, এয়ে তেওঁৰো বিদায়ৰ সঙ্কেত বুলি। বুজা হলে, জনা হলে, তেওঁৰ সেই সাঙ্কেতিক বুজনি লবলৈ মই মান্তি নহলোহেঁতেন নিশ্চয়। মোৰ প্ৰাণপ্ৰতিম প্ৰিয়তম বান্ধৱ ৺পাণীন্দ্ৰনাথ গগৈদেৱে সঁচাকৈয়ে ছল কৰি মোৰপৰা দৈহিক বিয়োগ ঘটাই আঁতৰিলে, নতু, তেওঁ সেই জ্ঞানগৰ্ভ বুজনি দিয়াৰ নৌ চাৰিদিন হওঁতেই কিয় মোৰ এনে প্ৰমাদ ঘটিব। মই সঁচাকৈয়ে দুৰ্ভগীয়া, সঁচাকৈ মোৰ ভাগ্যৰ নাটনিতহে মই এনেজন অন্তৰতম সৰলচিতীয়া বান্ধৱ অকালতে হেৰুৱাব লগাত পৰিলোঁ। তেওঁৰ সেই অকাল বিয়োগত অকল ময়েই নহয় সদৌ অসমীয়া জঁয় পৰিল, গোটেই অসম দিন দুপৰতে আন্ধাৰ হল,—অসম আকাশত এটি পৰম ৰমণীয় সাহিত্যক জ্যোতি অকস্মাৎ মাৰ গ'ল। অসমীয়া জাতীয় সাহিত্য মন্দিৰত এটি পূৰাব নোৱাৰা ক্ষতি হল। বাস্তৱতে পূৰাব নোৱাৰা ক্ষতি, আজিলৈকে ৺পাণীন্দ্ৰনাথৰ নিচিনা নিভাঁজ আৰু নিমজ অসমীয়া লিখাৰু নোলাল। পাণীন্দ্ৰই প্ৰবন্ধাদিৰ ৰচনা থৈ যোৱা নাই, পাণীন্দ্ৰ প্ৰণীত আৰু ৰচিত পুথিও সৰহ নোলায় ; মাথোন পাণীন্দ্ৰ ৰচিত গুটিদিয়েক ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰবন্ধ সেই কালৰ অসমীয়া আলোচনী কাকতাদিত প্ৰকাশিত হৈছিল। পাণীন্দ্ৰ প্ৰণীত খনচেৰেক সৰু সৰু ল'ৰা-পুথি প্ৰচাৰিত হৈছিল তাতে তেওঁৰ প্ৰাঞ্জল লিখনীৰ চিনাকি পেৰো গৈছিল। সেই দুটিমান প্ৰবন্ধই আজিকালিৰ অনুবাদিত আৰু পৰভাবজীৱী

হাজাৰো প্ৰবন্ধৰ সাৰগ্ৰাহী আছিল। সেই কেইখনমান পুথিয়েই আজি সেই বিধৰ শতেক পুথিৰ শীৰ্ষস্থান অধিকাৰ কৰি আছে। পাণীন্দ্ৰৰ লিখনৰ সৰলতা, মধুৰতা, প্ৰাঞ্জলতাৰ কি চিনাকি দিম, সেই তেওঁৰ মৌ বৰষা কাপৰপৰা ওলাই "জোনাকী", "বিজুলী"ত প্ৰচাৰিত হোৱা "আমাৰ উন্নতি নে অবনতি", "তেন্তেনো আমাৰ উপায় কি", "জাতীয় প্ৰেম", "উতঙ্গনি" এইবোৰ প্ৰবন্ধ আৰু অসমৰ পঢ়াশালিবোৰত অবাৰিতভাৱে চলি থকা ল'ৰাৰ মনোৰঞ্জক পুথি "ল'ৰা-শিক্ষা" ( আদিছোৱা, মাজছোৱা, আৰু শেহছোৱা ), "অসমীয়া ল'ৰাৰ ভূগোল" ইত্যাদিলৈকে আঙ্গুলিয়াই থওঁ। অকল এয়ে নহয়, পুৰাণ গ্ৰন্থৰত্ন উদ্ধাৰ কৰা প্ৰত্নতাত্ত্বিক উত্তমৰ চিনাকিও পাণীন্দ্ৰৰ সামান্য নহয়, পাণীন্দ্ৰনাথে দ্বাদশস্কন্ধ ভাগৱত প্ৰকাশ কৰিছিল, একাদশ স্কন্ধৰ সমল গোটাইছিল; আৰু তেওঁ আহোম ভাষাত লিখিত অসম-বুৰঞ্জীৰ অনুসন্ধানত প্ৰবৃত্ত আছিল। পাণীন্দ্ৰনাথৰ ডুপতীয়াতে যি চিন পোৱা গৈছিল সেই লাই পূৰ্ণ বতৰত ঠন ধৰি উঠিবলৈ পোৱা হলে অসমীয়া শাকতলী কিমান যে প্ৰচুৰ হলহেঁতেন তাক অনুমান কৰিবলৈ ধৰোঁতেই শোকে ভেটি ধৰে। এনেটি সাহিত্যিক লগৰীয়া বান্ধৱ অকালত হেৰুৱাই মই কিমান বিপন্ন বোধ কৰিছিলোঁ কি কম! একে আষাৰে কবলৈ গলে ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ বিয়োগে মোক কুঁহিয়াৰ চেপা দিলে। ইতিপূৰ্বৰ ডুটা মাৰাত্মক চেপা খোৱাৰ পাচত, মোৰ গা-মন সাৰ শক্তিৰ ৰস বাদ বাকী যি ৰৈছিল, গগৈদেৱৰ বিয়োগে তাকো সমুলঞ্চে চেপি নি মোক একেবাৰে ডাবৰি যেন কৰিলে। মোৰ গা কাটিলেও তেজ নোলোৱা যেন আৰু মন কান্দিলেও চকুলো নোলোৱাৰ নিচিনা হল। মই নিজে কান্দো নিজে শুনো। মই নিজানত নিৰলে নিৰৱে বিনাওঁ, শুনো মই আৰু শুনে তেওঁ। সেই বিননিৰ বলকনিৰ্ত ভালেমান কিবাকিবি ওলাইছিল, তাৰে অকণমান চিন এইকণ:

### ৺পাণীন্দ্ৰনাথ গগৈ

হিয়াৰ অৰ্ধেকে এৰা দিয়া পাছে
চেনেহৰ বাইদেৱে
মৰমৰ থালী উজুটিত নিলে
আঁতৰি একেটি ডেৱে।
বিষাদ ডাৱৰ হিয়া আকাশৰ
বৰষি পাতল যেই;
শোকৰ ওপৰি ওপৰঞ্চি শোক
ছাতিলা পাণীন্দ্ৰ গই।
ডুদিনৰ আগে সুযোগ্য বন্ধুৰ
সুবিজ্ঞ বুজনি মেলি
তাপিত বন্ধুৰ ডুখ পাতলাই
নৰলা ডুদাঁৰ বেলি।

পৰিছে মনত সিদিনাৰ কথা
পোনে দুয়ে ফলি জোৰা,
আৰু সিদিনাৰ সহপাঠী হই
সমস্বৰে পাঠ গোৱা।
বয়সে বান্ধই কৰিলে যেতিয়া
পুৰঠ দুইৰে প্ৰাণ,
মিলন সুৰত দুয়ে মিলি গোৱা
জীৱন উদ্দেশ্য গান।
আৰম্ভণ যেৰে মাতৃভাষা সেৱা
সমান ব্ৰতৰ ভাগী;
পিচ কৰি মোক সঁপিলা জীৱন
স্বাৰ্থৰ জোলোঙ্গা ত্যাগি।
বহুদূৰ তুমি আগুৱালাঁ এৰি
পকালা ব্ৰতৰ ফল;
'ল'ৰাশিক্ষা' তিনি আদি মাজ শেহ
আৰ্জিলা পাথেয় বল।
সুঁৱৰি উদ্দেশ্য লৰি গই মাথো
ধৰিলো তোমাৰ সঙ্গ;
যুটীয়া যত্নৰ 'সাহিত্য সংগ্ৰহে'
জাতীয় অভাৱ ভঙ্গ।
তাৰো পাচে পুনু লৰিলো সমানে
সমান ব্ৰতৰ ভাৰী;
মিঠাফল তাৰ এটি দুটিকৈ
ফলিয়ালে দুই চাৰি।
আৰু কত আশা ধৰি আগলই
দুখুনী অসম ধন।
কিয় অকালত সামৰিলা লীলা
দিলা শোক অকথন ?

# ঊনবিংশ সৰ্গ

## সেই কথাটি

ইতিপূৰ্বত সুমৰি অহা 'সেই কথাটি'ৰ আঁতি-গুৰি এই—আমি যেতিয়া পোনপ্ৰথম তেজপুৰলৈ আহোঁ, তেতিয়া ৺লক্ষ্মীকান্ত চিৰন্তাদাৰ ডাঙ্গৰীয়াৰ বাৰীতে এখন এখন বাৰীত ঘৰ-দুৱাৰ সজাই লৈ আছিলোঁহি। বাৰীয়ে বাৰীয়ে লগালগিৰ সুচলতে ভিতৰ বাৰীয়েদি দুয়োঘৰৰ তিৰোতাসকলৰ সমাগমৰ অৰ্থে ভিতৰুৱা বাট আছিল। সেই আলমতে মোৰ প্ৰথমা ভাৰ্যা আৰু চিৰন্তাদাৰ ডাঙ্গৰীয়াৰ মাতৃহীনা মাউৰী জীয়াৰীকেইটিৰ মাজত বিশেষকৈ নুমলীয়াটিৰে সৈতে বান্ধৱী প্ৰীতি-বান্ধোন ক্ৰমাৎ আঁত থাই আহিল। পাচলৈ সেই সুহৃদ ভাব ইমান ডাঠ হৈ আহিল যে সিবিলাকৰ মাজত ভিন-পৰ ভাব গুচি একেটা পৰিয়ালিক ভাবে নিমজকৈ থিত ললে। সিবিলাকে আপোন বাই-ভনীৰ নিচিনাকৈ পৰম প্ৰীতিৰে সৈতে দিন নিয়াবলৈ ধৰিলে; নুমলীয়াটিৰে সৈতে সেই ভাৱ বিশেষ—এনেকি এওঁ তেওঁক আপোন সহোদৰা ভনীটি যেন দেখে,—মোৰ আগতে সততে এওঁ তেওঁৰ গুণ বখানে। ৺চিৰন্তাদাৰ ডাঙ্গৰীয়াৰ সেই নুমলীয়া কন্যাটি দিপলিপ্ কাজী,—বাছকবনীয়া ফুলতী শিপিনী। সেই গুণৰ বাবেই সেই কালৰ তিৰোতা সমাজৰ মাজত তেওঁৰ বৰ আদৰ, মুনিহ সমাজেও তেওঁৰ সেই গুণ বখানিলে শলাগৰ মুখেৰে কাণ পাতে—ময়ো পাতো।

এদিন জেঠমহীয়া জহত, ৰাতিৰ ভোজনৰ পাচত জোনৰ জোনাকত চোতালত বহি আমি জুৰ লৈ আছোঁ, এনেতে কথা প্ৰসঙ্গতে 'আহোমৰ চকলং' বিয়া ব্যাখ্যাৰ অনুৰোধ মোৰ গাত পৰিল। শিক্ষাৰ্থীৰ আগ্ৰহ পূৰাবলৈ মই সাজু। গতিকে অনুৰোধ পৰা মাত্ৰকে গা পাতি ললোঁ। লৈ চকলঙ্গৰ আঁতি-গুৰি মাৰি বিশদ ব্যাখ্যা দিবলৈ ধৰিলোঁ। ধৰি সেই সুপৱিত্ৰ গান্ধৰ্ব বিবাহৰ প্ৰত্যেক থাপি পৰিণয় পদ্ধতিৰ তত্ত্ব ব্যাখ্যা কৰি উঠি সামৰণত আহোম পুৰোহিত বা বিজ্ঞ জাতিয়ে দৰা-কন্যাক যি সৃষ্টি কাহিনীৰ মূলমন্ত্ৰ শুনায় তাৰ বহুল বিবৃতি উজুকৈ বুজাবলৈ ধৰিলোঁ। সেই বিবৃতি বহুত, তাৰ নিমিত্তে এই "সোঁৱৰণী"ত ঠাইৰ নাটনি পৰিব। তথাপি পাচত ঘটনা চক্ৰত "লীলা"ত তাৰ যি আভাস দিয়া হৈছে, তাৰে লাগতিয়াল শাৰী দিয়েক তুলি দিওঁ—

"জানাতো সৃষ্টিৰ লীলা বিধিৰ হাতত
প্ৰকৃতি পুৰুষ কিবা মানৱ-মানৱী।
সৃষ্টিৰ পাতনি ৰূপে মায়াৰ বিকাশ,
জগতৰ সৃষ্টি পাচে আৰু জীৱগণ
স্বৰগ মৰত আৰু পাতাল নামত
ত্ৰিজগৎ নিৰমাণ ব্ৰহ্মাণ্ডৰ ভাগ।

স্বৰগত দেৱগণ উচ্চতম প্ৰাণ,
উচ্চতম ভোগ অধিকাৰী। সেইমতে
আবিৰ্ভাৱ, স্বৰগত প্ৰকৃতি পুৰুষ ;
মৰতত একাকাৰ মানৱ সমাজ।
বহুকাল ভুঞ্জি পাচে প্ৰকৃতি বিলাস,
বাঢ়িল সংসাৰ মায়া দেৱ সমাজত।
একাকাৰ মানৱৰ ধাৰেবোৰা সুখ
দেখি হিংসা উপজিল দেৱতা প্ৰাণত।
দেৱতা সেৱক নৰ। তাৰ সুখ শান্তি
অমৰ বাঞ্ছিত। দেখি হিংসা দ্বেষ আৰু
লাজ অপমানে দহিলে দেৱতা প্ৰাণ।
আৰোপিলে বিধাতাত পক্ষপাত দোষ।
চলিলে ত্বৰিতে পাচে দেৱকুল মণি,
নিবেদিলে দৈৱ খেদে বিধাতা থানত
দেৱতা স্তুতিত হল সুপ্ৰসন্ন বিধি
প্ৰতিশ্ৰুত সৃষ্টিকৰ্তা দেৱৰাজ পাশে,
ঘটাব সৃষ্টিৰ পুনু সংস্কাৰ যুগত।
প্ৰণমি প্ৰভুৰ পদ, হৰিষ অন্তৰে,
উলটিল দেৱৰাজ, পূৰ্ণ মনোৰথ।
নামিলে বিধাতা পাচে হেমকূট গিৰি,
ললেহি আসন জুৰি সৃষ্টি গুণ গান।
প্ৰকাশিলে দিব্য জ্যোতি নৰলোক মাজে
উন্মত্ত মানৱকুল, উত্ৰাৱল চিতে
উফৰি চলিল হাঁয় ঈশজ্যোতি পাশে
—উতলা কৰিও যেন প্ৰদীপৰ মুখে।
চাপিল যেতিয়া কাষ, নৰসৃষ্টি আহি,
সম্বোধি বুলিলে প্ৰভু সকৰুণ বাণী—
"জানা পুত্ৰ নৰগণ! সৃষ্টিৰ মহিমা
উদ্দেশ্য ইয়াৰ এক নিগূঢ় কাৰণ।
বহুৰূপে তুষ্ট মঞি, বহু নাম ধাৰী,
বহুৰূপী সৃষ্টি মোৰ ব্ৰহ্মাণ্ড বিয়াপী।
মানৱক একাকাৰ নালাগে মনত,
দেৱতাৰ অনুৰূপ বাঞ্ছো নৰলোকে।

প্ৰত্যেক মানৱ দ্বিধা হোৱা আজ্ঞা মোৰ
একহস্তে দুই যেৱে,—প্ৰকৃতি পুৰুষ।
আজ্ঞামাত্ৰ হল দুই প্ৰত্যেক মানৱ
প্ৰকৃতি পুৰুষ সৃষ্টি মানৱ-মানৱী।
সেই হস্তে অৰ্ধাঙ্গিনী প্ৰথম স্ৰজন।
ইৰূপে স্ৰজিলে যেৱে মানৱ সংসাৰ,
আবৰিলে নৰ আঁখি মায়া আৱৰণে।
অপূৰ্ব লীলা এক সংসাৰ মহিমা ;
থাপিলে নৰৰ প্ৰাণে অভেদ্য কৌশলে।
মানৱ বিভোল হল, সংসাৰ ৰাগীত।
অনন্ত মায়াৰ মাজে লীলাৱান নৰ
লীলাৱতী নাৰী সতে কৰি সানমিল
অৰ্ধ-অৰ্ধাঙ্গিনী নৰ-নাৰী সমস্তকে
সিচিলে চৌপাশে বিধি, আদেশি পুনৰ—
"যোৱা এবে অৰ্ধ অঙ্গ ; নিজ অৰ্ধাঙ্গিনী
বিচাৰি মিলিবা সবে মিলনৰ ফল
পাবা এক অতৃপ্ত কামনা ; অন্ত তাৰ
নাপাবা জীৱনে। পোহৰ জেউতি যেনে,
বঢ়ায় আন্ধাৰে ; ৰূপহীৰ চৰে ৰূপ
কৃষ্ণকেশ পাশে ; সেইৰূপ দুখ-তাপ,
ৰোগ-শোক, ভয়-ভ্ৰম ; বিৰহ সন্তাপে
চৰাব নিতকে সেই সুখৰ জেউতি।
ভাগ্যে যাৰ মিলে স্বৰূপিণী নিজ অৰ্ধাঙ্গিনী
সুখ-শান্তি বন্ধা তাৰ পূৰ্ণ মিলনত ;
নতুবা অমিল ভাবে অসুখী সংসাৰ।
নিমিলে যদ্যপি যাৰ পূৰ্ণ অৰ্ধাঙ্গিনী
নাবাঢ়ে সংসাৰ তাৰ জানিবা নিশ্চয়।
পালিবা আজিৰ হস্তে সংসাৰ ধৰম ;
—নৰৰ যতেক মানে পবিত্ৰ কৰম।
চলিব এই সৃষ্টি নীতি যুগ-যুগান্তৰ।"
অন্তৰ্ধান মহাপ্ৰভু ; চলিলে বৈকুণ্ঠ।
মায়া আৱৰণ পিন্ধি বিভোল মানৱে
আৰম্ভিলে মহামেলা সাংসাৰিক লীলা।

একাগ্ৰতাৰাকৈ শুনি ভাৰ্যাই এইখিনিতে হাবিয়াহ পলুৱাই এই মন্তব্য ফুটাই কলে, "সংসাৰত সিঁচাৰত হওঁতে অৰ্ধাঙ্গিনীৰ অঙ্গক্ষতি হোৱাৰো তেন্তে সংশয় আছিল আৰু অৰ্ধাঙ্গিনী অসম্পূৰ্ণ হলে সংসাৰ নাবাঢ়ে ?" কথাযাৰ মোৰ প্ৰাণত বাজি গ'ল, উত্তৰহে দিবলৈ নহল। নিৰুত্তৰ দেখি তেওঁ অন্যতম মন্তব্য এই বুলি ব্যক্ত কৰিলে, "ভালেটিহে পুৰুষে কেইবাগৰাকীও ভাৰ্যা গ্ৰহণ কৰিব পাৰে। পৃথিবীত তাৰ পটন্তৰৰ অভাৱ নাই; দশৰথ ৰজাৰ তিনিগৰাকী ৰাণী, ভগবান শ্ৰীকৃষ্ণৰ ভালেমান ভাৰ্যা, এইবোৰেই তাৰ প্ৰমাণ। নহয় জানো ?" মন্তব্য আৰু প্ৰশ্নৰ ধাৰ বুজি মই আৰু সেই বিষয়ে একো নকৈ, "ৰাতি হল শোওঁগৈ" বুলি লাহেকৈ ভিতৰ সোমালোঁগৈ. তেৰোঁ আপোনা-আপুনি কিবাকিবি কৈ কৈ পিচ ধৰিলে। সেই কিবাকিবি নতুন নহয়। তাৰ অৰ্থ আৰু উদ্দেশ্য পুৰণি। তেওঁ নিজে নিঃসন্তান আছিল, গতিকে দ্বিতীয়া ভাৰ্যা গ্ৰহণ কৰিবলৈ মোক ভালেমান দিনৰে পৰা অনুৰোধ কৰি আহিছিল। পাচলৈ 'সেই কথাটি সাধাৰণীয়া শুচি আঙুলি নিৰ্দেশীয়া হৈ উঠিছিল; সেই নিৰ্দেশত আন নহয় তেওঁৰ সহোদৰা ভনীটী যেন অকুমাৰী কুমলীয়া বান্ধৱী চিৰন্তাদাৰ ডাঙৰীয়াৰ নুমলীয়া কন্যাটি লক্ষিত হৈছিল। পাচে পাচলৈ সেই কথাটিলৈ তেওঁ মোক বৰকৈ পেৰিবলৈ ধৰিছিল। মই তেওঁৰ যুক্তিত সৈমান হৈয়ো এনেভাৱে বুজনি দি তেওঁকো সৈমানকৈ ৰাখিবলৈ প্ৰয়াস পাইছিলো যে, একৰ জীৱন্ত কালত অন্যতম ভাৰ্যা গ্ৰহণ কৰিলে সংসাৰত মানুহৰ সুখ-শান্তি নোহোৱা হয়। পৌৰাণিক প্ৰমাণ মতেও সেই দশৰথ ৰজা আৰু ভগবান শ্ৰীকৃষ্ণৰ জীৱনত অসুখ-অশান্তি অশেষ আছিল। আধুনিক অলেখ প্ৰমাণৰ ভিতৰত মোৰ মাজিউ মোমাইদেৱৰ সোণাময় সংসাৰ সতিনীৰ সঙ্কটত পৰি বিষময় হোৱাৰ পটন্তৰ দি মোখনি মাৰি থৈছিলোঁ। তেওঁ কিন্তু বাহ্যিক সৈমানৰ চিন দেখুৱাইছিল বুলিও আন্তৰিক 'সেই কথাটি' সযতনে পুহি আছিল। এয়ে তেওঁৰ অন্তিম বাণী, এয়ে 'সেই কথাটি'ৰ আঁতি-গুৰি।

আগতে অলপকৈ সুমৰি অহা হৈছে যে ভাৰ্যা, বাইদেও আৰু বান্ধৱ বিয়োগত মৰ্মাহত হৈ মই উদাস প্ৰাণেৰে দিন নিয়াব লগাত পৰিছিলোঁ। বিশেষকৈ ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ অকাল বিয়োগ মোৰ অৰ্ধাঙ্গৰো অঙ্গক্ষত কৰা যেন মোৰ বোধ হল। সাংসাৰিক কৰ্তব্য সাধনত পুৰুষৰ পূৰ্ণ পুৰুষাৰ্থ খটাবলৈ মোক মই অসম্পূৰ্ণ যেন অনুভৱ কৰিবলৈ ধৰিলোঁ। চমুকৈ মই এডোখৰ অঙ্গক্ষত অৰ্ধাঙ্গৰূপে সংসাৰৰ কাজ-কামলৈ অকামিলা হৈ পৰিলোঁ যেন লাগিল। আনকি চিৰলগৰী সাহিত্যিক চৰ্চা-চিন্তায়ো মোক লগ এৰা দিবলৈ ধৰিলে। সেই কালৰ মোৰ অতি প্ৰিয় কাৰ্য 'বন্তি'ৰ শলিতাৰ গুৰিত সাহিত্যিক তেল দিয়া অভ্যাসতো মামৰে ধৰিবলৈ ধৰিলে। এইভাৱে ভালেমান দিন গল। ভালেমান দিন বাহ্যিক নিষ্কৰ্মা হৈ উদাস প্ৰাণেৰে অনাই-বনাই ফুৰাদি ফুৰি উদ্দেশ্যবিহীন জীৱন নিয়াবলৈ ধৰিলোঁ।

# বিংশ সৰ্গ

## দ্বিতীয়া ভাৰ্যা পৰিগ্ৰহণ

মোৰ জীৱন সুমৰণে মোৰ অন্তৰত জীৱন পাহৰণৰ ঢৌ তুলি মোক আপোন-পাহৰা কৰি কৰবালৈ উটুৱাই নিছে। মোৰ উদাস প্ৰাণত যেনি-তেনি যাবলৈ কৰ্তব্যই আপোনা-আপুনি বাট এৰি দিছে, মোৰ মনে লক্ষ্যহীন গতিৰে উজনি-ভাটী কৰিব লাগিছে, এনেতে অকস্মাৎ এদিন ৺মাতৃদেৱীৰ মৰমেৰে সনা গুটিদিয়েক বুজনি বাণীৰে সৈতে এখনি পত্ৰ আহি মোৰ হাতত পৰিলহি; মোৰ দ্বিতীয় বিবাহৰ প্ৰস্তাৱ লৈ। পত্ৰ প্ৰথমবাৰ পাঠ কৰি মোৰ বিৰাগ ভাৱত এটা হাঁহি উঠিল, দ্বিতীয়বাৰৰ পাঠে মোৰ চকু চলচলীয়া কৰিলে ৺মাতৃদেৱীৰ চকুলোৰ চিন দেখুৱাই; তৃতীয়বাৰৰ পাঠে মোক অবাক কৰিলে মোৰ করুণাময়ী জননীৰ সকৰুণ অনুজ্ঞাসূচক অনুৰোধে। মই বিমোৰত পৰিলোঁ। কি সমিধান দিম ভাবি নোপোৱা হলো। গতিকে ততালিকে উত্তৰ দিব নোৱাৰি দিন-দিয়েক অনা-গুণাকৈ আছোঁ, এনেতে পিতৃদেৱৰ আদেশবাণীৰে সৈতে আৰু এখন পত্ৰ আহি পৰিলহি দ্বিতীয় বিবাহলৈ সম্মত হবলৈ বুলি। এইবাৰ মই নিৰুপায়। মই পিতৃৰ আজ্ঞা লঙ্ঘন কৰা দূৰৈৰ কথা, কোনো এদিন তেখেতৰ অবাধ্য হোৱাও মোৰ সুমৰণত নাহে। তাতে পত্ৰত ইয়াৰো আভাস পোৱা গ'ল যে সিফালে পাত্ৰী পৰ্যন্ত স্থিৰ হৈ গৈছে; মাথোন বিয়াৰ দিন ধাৰ্য হবলৈ বাকী। কি কৰো মই এতিয়া? অন্তৰাত্মাই মোক এই প্ৰশ্নৰ খাটাং উত্তৰ দিব নোৱাৰিলে। 'যি কৰে ঈশ্বৰে মানুহৰ ভালৰ কাৰণে' বুলি ভাবি মই ইচ্ছাময়ৰ ইচ্ছাৰ সোঁতত গা এৰি দিলোঁ। ভগৱানে যি উত্তৰ দিয়ায় তাকে দিবলৈ স্থিৰ কৰি অপাৰ সমস্যাৰ সাগৰত ভাহিবলৈ ধৰিলোঁ। কৰ্তব্য-বিমোৰ হৈ মই উমানে উমানে ফুৰাৰ দৰে হলোঁ। উমানে উমানে স্কুললৈ যোৱা-অহা কৰোঁ। এইভাৱে দিনদিয়েক গৈছে এনেতে এদিন স্কুললৈ বুলি ওলাই আহি মোৰ বহাৰ বাজ হওঁতেই অকস্মাৎ ভৰদুপৰ সূৰুযৰ প্ৰখৰ ৰশ্মি কাটি বিনামেঘে এটি বিজুলী ৰেখাৰ চমকনিত মই ঠমক খাই বৰ লগাত পৰিলোঁ। সেই চমকনি মোৰ বহাৰপৰা দেখা চিৰস্তাদাৰ ডাঙ্গৰীয়াৰ চ'ৰাৰ আগৰ আমজুপিৰ ছাঁয়াত। চমকনিৰ জেউতি মাৰ যোৱা পিনেই মোৰ মনৰ গতিও বৈ গ'ল। মনবিহীন হৈ মই থকাতে ঠৰ লাগিলোঁ। এনে অৱস্থাত নিজকে নিজে অপ্ৰস্তুত হোৱা যেন দেখি নিজৰ মনতে নিজে লজ্জিত হৈ উলটি আকৌ ভিতৰ সোমালোহি। সোমাই ক্ষন্তেক টলকা মাৰি বহি কিবা অকণ লিখি লগুৱা ল'ৰাটোৰ হাতত সেই বিজুলী মাৰ যোৱা দিশলৈ যাচি দি পঠিয়ালোঁ। পঠিয়াই স্কুললৈ যোৱাত পলম হোৱা দেখি বেগাবেগিকৈ আকৌ বাজ হলোঁ; যাওঁতে লগুৱা ল'ৰাক কৈ গলো যে মই স্কুলৰপৰা আহি পাওঁতেই সেই লিখাকণ সেই চমকনিৰ গৰাকিনীয়ে (তাক অৱশ্যে ভাঙ্গি কোৱা হৈছিল তেওঁ চিৰস্তাদাৰ ডাঙ্গৰীয়াৰ সুমলীয়া কন্যাটি বুলি) পোৱাৰ চিন মোক দেখুৱাব লাগিব। বেগাবেগিকৈ গৈ নৰ্মাল স্কুলৰ

দুৱাৰ মুখত পাওঁতে টং কৰে এক বাজিল। মই লৰালৰিকৈ আসন লৈ উমানে উমানে শিক্ষকৰ কৰ্তব্যত ধৰিলোঁ। সময় বৰ লেহেম, বাকী কেইঘণ্টা নাযায় নুপুৱায় যেন লাগিল। সি যি হওক, আবেলি ঘৰ যোজেৰে উলটি আহি বহাৰ দুৱাৰ মুখ পাওঁতেই লগুৱা ল'ৰাটিয়ে আগবাঢ়ি আহি দু-আঙুলীয়া কাকত অকণ মোৰ হাতত দিলেহি; তাত লিখা আছিল মাথোন "পালোঁ"। সেই দুটি আখৰকে পঢ়োতে কিন্তু মোৰ ভালেমান পৰ লাগিল। বাহিৰত থিয়ৈ থিয়ৈ ভালেমান পৰ ঘূৰাই ঘূৰাই পঢ়ি অন্ত পেলাব নোৱাৰি ভিতৰত সোমাই বহি লৈ আকৌ ঘূৰাই ঘূৰাই পঢ়িবলৈ ধৰিলোঁ। পঢ়ি পঢ়ি তাৰ মৌকোঁহ চুহি যি পালো তাক এই কবিতা কেইশাৰীৰে আঁজলি পাতি ধৰি অনতি-পলমে সেই "পালোঁ"ৰ গৰাকিনীলৈ পঠিয়াই দিলো ঃ

### "পালোঁ"

জয়ে জয়ে ফৰমুটি চিঠি সামৰণি
সমিধান আশা পালিছিলো ক্ষণগণি
এপৰ-দুপৰকৈ ক্ৰমে তিনিপৰ,
মনে মনে পাৰ কৰি লাগিছিলোঁ ঠৰ.
আশঙ্কাৰ গুণনিয়ে লগাই বিষম,
মুহূৰ্তক কৰিছিল অতিকে পলম।
ভাবিলো সিটিৰ যেন নিকৰুণ চিত;
নুবুজি কৰিলে কিবা হিতে বিপৰীত!
থাকোতে ইভাবে হাঁয় চাটিফুটিকৈ
স্থিৰভাবে আঁচি "পালোঁ" পঠালা বান্ধই
প্ৰথমে প'ৰে ফুলাই মুদিত পদুম
'া'-কাৰে আকুল কৰি দিলা তাত উম,
'ে-া' কাৰে সাবটি ধৰি 'ল'-ৰে কৰি লয়
প্ৰিয়তমা কৈটি ললা প্ৰাণ বিনিময়।

এই কবিতাকণ ৰচি উঠি তেতিয়াই পঠিয়াই দিলোঁ যাৰ প্ৰাপ্য তেওঁ পাওক বুলি। অলপ পৰৰ পাচতে বাহকেও ওলটা বতৰা দিলেহি পালে বুলি। সেইদিনা কথা সিমানতে। তাৰ পাচৰপৰা ক্ৰমাৎ চিঠিৰ ফৰমুটিয়ে নিতৌ সুৱদি পকা আম একোটিকৈ সৰোৱাই আনিবলৈ ধৰিলে। তাৰে পাচলৈ দিনে এটিৰ ঠাইত দুটি, দুটিৰ ঠাইত তিনিটি, আৰু কেতিয়াবা ততোধিক ফল লাভ হবলৈ ধৰিলে; মোৰ ভগা-ছিগা মন-প্ৰাণ আকৌ ক্ৰমাৎ জোৰা লাগি আহিল। মই আকৌ আনভাবে আপোন-পাহৰা হলোঁ, ভিতৰি বৈৰাগ্য ভাবৰ ঠাই এক নতুন সংসাৰিক ভাবে অতৰ্কিতে অধিকাৰ কৰিলেহি। পিচে এইভাৱে আপোন-পাহৰা হৈ থাকোতেই জানোবা সিফালে আভাসত বিৰিঙ্গি উঠা দৰেই আন

কোনোবা পাত্ৰী স্থিৰ হৈ উঠে, সেই আশঙ্কাত পিতৃদেউতাৰ চৰণত লবালৰিকৈ জনাই থলোঁ যে, দ্বিতীয় বিবাহলৈ অগত্যা মান্তি হৈছো, কিন্তু পাত্ৰী বাছনিৰ ভাৰ মোৰ গাত থাকিল। এই সুখ-সম্বিধানত পিতৃ-মাতৃ হৰষিত হল। দুয়ো মাণোন মোৰপৰা পাত্ৰীৰ সন্ধান পাবলৈ বাট চাই ৰ'ল। ইফালে ভাবী ভাৰ্যাৰে সৈতে পত্ৰযোগে পূৰ্বৰাগ সলনা-সলনিত মগ্ন হলোঁ। এই সম্ভোগৰ সোৱাদ মোৰ মনত অপূৰ্ব যেন বোধ হল। কিয়নো প্ৰথম বিবাহৰ পূৰ্বভাগত পূৰ্বৰাগ অনুভবলৈ ছেগ পোৱা নগৈছিল, পিতৃ আজ্ঞাই মোক অনাভুৱাকৈ ধৰি নি একেবাৰে বিবাহযজ্ঞত বহুৱাইছিলগৈ। এই বিষয়ক বিবৃতি ইতিপূৰ্বতে বহুলকৈ সুমৰি অহা হৈছে। দ্বিতীয় বিবাহৰ পূৰ্বৰাগৰ সুৱদি সুমৰণ মোৰ সোঁৱৰণীত অদ্যাপি তেজা হৈয়ে ৰৈছে। বৰ্তমান জুৰুলা বয়সত মৰিচা বন্ধ যাবলৈ ধৰিলেও অমৰণ মহীয়ে আঁকি থোৱা সাঁচতীয়া চিনে আকৌ চকচকীয়া কৰি তোলে। যি হওক, যথাসময়ত পাত্ৰীসংবাদ পিতৃ-মাতৃৰ চৰণত জ্ঞাপন কৰা হল। বৰ-কন্যাৰ জনক যুগলৰ মীমাংসা অনুসৰি পাঁজি-পুথিৰ গণনামতে শুভ-বিবাহৰ দিন ধাৰ্য হৈ উঠিল। শুভদিনৰ শুভক্ষণত পৰম পূজনীয়া মাতৃদেৱীৰ সাক্ষাতত শ্ৰীমতী হীৰাৱতী দেৱীৰে সৈতে মোৰ শুভপৰিণয় নিৰ্বিঘ্নে সম্পাদিত হল।

## 'জুৰণি' ৰচনা

আগতে সুমৰি অহা হৈছে মোৰ বৰ্তমান ভাৰ্যা জীয়াৰী কালৰেপৰা এগৰাকী ফুলতী শিপিনী। বিয়াৰ পাচত স্বতন্তৰী ন-ঘৈণী হৈ মনৰ উলাহেৰে থনে থনে তাঁত লগাই লৈ তেওঁ বিধ বিধকৈ মোহলগা ফুল বাছিবৰ দেখি মোৰো আহিল কবিতা ফুল বাছিবলৈ। বছৰদিয়েকৰ আগলৈকে লেঠাৰিকৈ লগা কেইবাটাও বিষম শোক সন্তাপৰ দুখ-ভাগৰ পলুৱাই নৱদাম্পত্য অনুৰাগৰ জুৰ মলয়াত জিৰণি লওঁতে ধৰি ধৰি থোৱা কিছুমান উৰাভাৱৰ সম্ভাৰেৰে দুটি চাইটিকৈ অকণি অকণি কবিতাৰ গুটিফুল বাছিবলৈ ধৰিলোঁ। তেওঁ তাঁতপাটত বহি বাছকবনীয়াকৈ কাপোৰত ফুল বাছে, মই মোৰ সাহিত্য সেৱাৰ আসনত বহি তুলাপাতত সৰু সৰু কবিতা লিখো। সেই আনন্দৰ অৰিয়া-অৰিত তেওঁৰো কেইবাখনিও সোণালী গুণাৰ জকমকীয়া সুৰুচীয়া ফুলেৰে আশী-সূতাৰ চেলেং থনিয়া আৰু মুগা পাটৰ ৰিহা-মেখেলা আদি কাপোৰ বোৱা হল। মোৰো চৈধ্য, বাৰ, আঠ, চাৰি আৰু দুই শৰীয়া অকণি অকণি কবিতা এশৰাই লিখা হল। কবিতাখিনি কিতাপৰ আকাৰে গোটাই লৈ চাই তাক জ্বৰৰ পাচত অনুপান লোৱা জুৰণি যেন লাগিল; সেই আলমতে তাৰ নামকৰণ কৰা হল 'জুৰণি'। ওপৰত সুমৰি অহা 'পালোঁ, কবিতাকণেই 'জুৰণি'ৰো আদিমূল—সি এতিয়াও 'জুৰণি'ৰ কোঁহত সোমাই গাতে লাগি ৰৈছে। যথাসময়ত ছেগ বুজি কবিগুৰু ৰবিবাবুৰ 'কণিকা' নামে সৰু কবিতা কিতাপৰ আৰ্হিৰে 'জুৰণি' অকণমান কিতাপৰ আকাৰেৰে পোহৰলৈ উলিওৱা হল। সেই পোহৰো আপদীয়া আন্ধাৰৰ মাজেদি সৰকিহে পৰিছিল; সেই বিষয়ে পাচত অলপ বহলাই সুমৰি চোৱা হব।

# একবিংশ সৰ্গ

## 'জুৰণি' প্ৰচাৰ

ইতিপূৰ্বতে কথা দি অহা হৈছিল জুৰণি সম্পৰ্কীয় কথা প্ৰসঙ্গত আৰু দু-আৰাৰমান কোৱা হব বুলি। সেই কথা ৰাখিবৰ অৰ্থে 'জুৰণি' প্ৰচাৰ কাৰ্যৰ সংক্ষেপ বিবৃতি দিয়া যায়। এই কবিতা পুথিখনৰ সামৰণি নৌ পৰে, এটি দুটিকৈ কণ্ কণ্ তাত যোগ হব লাগিছে, এনেতে মোৰ জিৰণি অকস্মাত ভঙ্গ হল। সাংসাৰিক আপদ সম্পদৰ চকৰি ঘূৰি তল পৰা আপদৰ লুটি আকৌ ওপৰ উঠিল; কলিকতাৰপৰা বৈনাইৰ বিজুলী বাতৰি পালোঁ বোলে মোৰ প্ৰাণপ্ৰতিম অনুজ শ্ৰীমান মুক্তানন্দ বোপাইৰ সাংঘাতিক নৰিয়া, বসন্ত ( বৰ আই ওলোৱা ) বেমাৰত পৰি যায় যায়! বাতৰি পাই মোৰ মুৰ ঘূৰণি উঠিল, কৰ্তব্য-বিমোৰ হৈ মোৰ প্ৰাণে চাটিফুটি কৰিবলৈ ধৰিলে। কলিকতাৰ বসন্ত ৰোগৰ কথা মই ভালকৈ জানো, তাত সেই বেমাৰত তেতিয়া শতকৰা ৯০ জনৰ অপঘাত ঠাৱৰ, নিলগীয়া প্ৰবাসীৰ পক্ষে সি আৰু সাংঘাতিক। গতিকে আগ-পাচ গুণি সময় নষ্ট কৰাৰ সকাম নাই বুলি ধৰি মই অনতিপলমে কলিকতা যাত্ৰা কৰাকে বিধেয় বোধ কৰি সেই টেলিগ্ৰাফ পোৱা দিনাই মোৰ নৱপৰিণীতা দ্বিতীয়া ভাৰ্যাক তেওঁৰ দেউতাকৰ তত্ত্বাৱধানত গতাই থৈ উত্ৰাৱল হৈ ভটীয়া জাহাজত উঠিবলৈ সক্ষম হলোঁ। মই গম পোৱা নাছিলোঁ যদিও সেই সময়ত মোৰ মনৰ অস্থিৰতালৈ চাই মোক চন্তালিব পৰা বন্ধুজন লগত নোহোৱাকৈ মই ততাতৈয়াকৈ কলিকতালৈ যাত্ৰা কৰাত মোৰ বাল্য প্ৰকৃতিৰ নৱভাৰ্যা অত্যন্ত কাতৰ হৈ পৰিছিল। কিন্তু ঈশ্বৰৰ ইচ্ছাত সেইদিনাই মোৰ অন্তৰতম বন্ধু ৺বিদ্যাধৰ বুজৰবৰুৱা সেই জাহাজৰে যাত্ৰী হৈ আহি জাহাজৰ ডুঘন্টীয়া জিৰণিৰ ছেগ ধৰি তেজপুৰত ক্ষন্তেকমানলৈ নামিছিলহি। সেই আলমতে মোক দেখা দি যাবলৈ বুলি তেওঁ মোৰ বহাত ভুমুকি মাৰি যাবলৈ আহিছিল। তেওঁ মোৰ উপস্থিত আপদৰ বিষয়ে চমুকৈ শুনি লৈ আথে-বেথে মোক সহযাত্ৰীকৈ সামৰি ললে; তেওঁৰ মুখৰ সাদৰী আশ্বাসত বিশ্বাস মানি মোৰ চিন্তান্বিতা ভাৰ্যাও এফেৰি নিশ্চিন্ত হল। মোৰ বুকুৰ বান্ধৱ বুজৰবৰুৱাদেৱে মোক বুকুত চপাই অমায়িক চৰিত্ৰসুলভ সহানুভূতিৰ বুজনিৰে সৈতে মোক শান্ত কৰিবলৈ প্ৰয়াস পালে। তেওঁৰ সেই অমায়িক আৰু অকৃত্ৰিম সহানুভূতিত মই আগৰেপৰা মুগ্ধ; গতিকে তেওঁক লগত পাই ময়ো যাত্ৰাকালত শাৰীৰিক নিৰাপদ বোধ কৰিলোঁ। বৰুৱাদেৱৰ ইচ্ছা হৈছিল, তেওঁ গুৱাহাটীত থন্তেকমান নামি ঘৰত ভুমুকি এটা মাৰি আহি আকৌ মোৰ লগৰীয়া যাত্ৰী হয়াহ; পিচে এনেতে মোৰ তাহানিথনৰ কলিকতীয়া কালৰ এজন অন্যতম সমনীয়া অসমীয়া বন্ধু কলিকতালৈকে বুলি সহযাত্ৰী হৈ সেই জাহাজতে উঠিলহি; তেওঁক পাই সিমানতে বৰুৱাদেৱৰে সৈতে বিদায় লোৱা-লুই কৰি আমি ভটীয়াই গলোঁগৈ।

কলিকতা পাই দেখোঁগৈ যে মেচ বা ছাত্ৰ-বহাটো এটা এৰাপৰলীয়া ভয়াবহ ঘৰ। নৰিয়াক আগত লৈ মোৰ দুই জেঠেৰী-বৈনায়ে এটা চাকৰৰ হতুৱাই পৰিচৰ্যা কৰাব লাগিছে। আনবিলাক ছাত্ৰই ভয়ত ভগৰন্ত পলোৱাৰ দৰে সেই মেচ এৰি গৈ আন ঠায়ে ঠায়ে আশ্ৰয় ললেগৈ. মাথোন দুজন সাহসী ছাত্ৰই (৺হৰেশ্বৰ ৰাজখোৱা আৰু শ্ৰীযুত কমলচন্দ্ৰ কাকতি) মৰণত শৰণ দি সেই মেচতে থাকি ৰোগীৰ তত্বাৱধানত ই দুজনক সহায় কৰি আছিল। মই গৈ পোৱাৰ সংবাদ শুনি ৰোগীয়ে এফেৰী সকাহ পালে আৰু ৰোগীৰ শুশ্ৰূষাত লাগি থকা আতুৰ ছাত্ৰ চাৰিজনৰ মুখত পানী আহিল। উপস্থিত ডাক্তৰজনৰ উপদেশ অনুসৰি মই পোনেই ৰোগীৰ ওচৰ নাচাপি অলপ নিলগৰপৰা মাত লগালো, "বোপাই"। মোৰ মাত বুজি ৰোগীয়ে এটি হৃদয়বিদাৰক গোঁ-গোঁৱনিৰে এফেৰি সকাহ পোৱাৰ চিন দেখুৱালে, কিন্তু মাত নুফুটিল। ময়ো ৰোগীক চিনাই দিয়াতহে চিনিলোঁ, এনেই চিনিবলৈ ৰোগীৰ গাত আগৰ আকৃতি নাই। মুখ ওখহি মলাচৰু যেন হল। চকু নাক মুখ পোত গল। দেখি যাওঁতেই মোৰ গা কঁপিবলৈ ধৰিলে। কিন্তু ডাক্তৰৰ অভয়দানত এফেৰি নিশ্চিন্ত হলোঁ আৰু তেওঁ মোক তেতিক্ষণে ছিটা দি নিৰাপদ কৰি লৈ ৰোগীৰ পৰিচৰ্যা সম্পৰ্কীয় বহুত লাগতিয়াল উপদেশ দি সেইদিনাৰ নিমিত্তে বিদায় ললে। মই গৈ পোৱাৰ পাচৰপৰা ৰোগীৰ লক্ষণে আৰোগ্যৰ ফালে দ্ৰুত গতিৰে ঢাল ললে; তাৰ কাৰণ ডাক্তৰৰ মতে আন একো নহয়, মোৰ উপস্থিতিয়ে ৰোগীক আন্তৰিক সাহ আৰু উলাহ দিয়াত ৰোগীয়ে স্বাভাৱিক সকাহ বোধ কৰাটোহে। যি হওক, ঈশ্বৰৰ ইচ্ছাত, ৰোগী ক্ৰমাৎ আৰোগ্যৰ ফালে আহিল, আমাৰ প্ৰাণতো আশাৰ সঞ্চাৰ হল। তাৰ পাচত ভগনীয়া ছাত্ৰসকলৰ ভিতৰত দুই-চাৰিজনকৈ আহি খবৰ লবলৈ ধৰিলে, আৰু সেই ছেগতে মোকো দেখা দি সন্তোষ লগালে। সেইদৰে অহা-যোৱা হোৱাৰ মাজতে এদিন এজন কাৰ্তিক যেন থুলন্তৰ ডেকাক দেখা পালোঁ। তেওঁক মোৰ ওচৰত ভেটাই দিয়া জনে তেওঁৰ চিনাকি দি যাওঁতেই এক আষাৰ কথা কলে, "এওঁ আপোনাৰ দৰেই এজন কবি; এওঁ সুন্দৰ কবিতা ৰচনা কৰে; পিচে বঙ্গলাতহে"। মই ততালিকে এইবুলি উত্তৰ কাটি থলোঁ, "৺মাইকেল মধুসূদনে পোনেই ইংৰাজীতহে কবিতা ৰচনা আৰম্ভ কৰিছিল। পাচত মাতৃভাষাৰ অনুৰাগে পাই তেওঁক নিভাঁজ বঙ্গালী কবি কৰি তুলিলে।"—সেই সোণামুৱা সুন্দৰ ডেকাজন আন নহয়, দেশভক্ত বাৰিষ্টাৰ শ্ৰীযুত তৰুণৰাম ফুকন।

সুখৰ বিষয় দিনদহেকৰ ভিতৰতে ৰোগী উঠি বহিল। সুবিজ্ঞ ডাক্তৰজনৰ চিকিৎসা আৰু আমাৰ পৰিচৰ্যাত বৰ দ্ৰুতগতিৰে ৰোগী আৰোগ্য হৈ আহিল। সেই ছেগত মোৰ লগত নিয়া সাহিত্যিক সমল উলিয়াই লৈ মই তাৰ আগ ভাগ 'জুৰণি'খন 'ভাৰত মিহিৰ' প্ৰেছত ছপাই পোহৰলৈ উলিয়ালোঁ। কিতাপখন বৰ মোহলগা দেখি মোৰ ৰং লাগিল আৰু কলিকতা প্ৰবাসী অসমীয়া সাহিত্যিক ছাত্ৰবৰ্গে, বিশেষকৈ প্ৰবীণ সাহিত্যিক শ্ৰীযুত ৰমাকান্ত বৰকাকতিদেৱে প্ৰশংসা কৰা শুনি মনত উলাহ লাগিল। শ্ৰীমান মুক্তা 'বোপাই'ৰ নৰিয়া চোৱা প্ৰসঙ্গত প্ৰচাৰ হোৱা আলমত 'জুৰণি' তেওঁৰ কণ্ঠতে উছৰ্গি পিন্ধোৱা হ'ল।

## বন্তি প্ৰেছৰ ব্যৱস্থা পৰিবৰ্তন

বিগত আপদ-সম্পদ আৰু সুখ-দুখৰ তল ওপৰ তালত টাল খাই মই কৰ্তব্য-বিমোৰ হৈ থকা সময়ত 'বন্তি'ৰ সেৱা চলোৱা আৰু শলিতা বঢ়োৱা কাৰ্যতো মোৰ অৱশ্যম্ভাবী ত্ৰুটি ঘটিছিল। আগৰদৰে একাগ্ৰপতীয়া মনোযোগেৰে 'বন্তি' সম্পাদন কাৰ্যত মোৰ অনাহাৰী খাটনি যোগ দিব পৰা নহৈছিল। তদুপৰি অন্যতম অনাহাৰী খাটনিয়াৰ মোৰ লগৰীয়া বন্ধু শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্যদেৱেও 'অসম চেন্‌ট্ৰেল প্ৰেছ'ৰ কাৰ্যনিৰ্বাহক সমিতিৰ আচৰণত বিতুষ্ট হৈ প্ৰেছৰ সংশ্ৰৱ এৰি গুচি গল। মই দুহাতৰ কাম অকলশৰীয়াকৈ আৰু ওপৰঞ্চিকৈ চন্তালিব নোৱাৰি, বেতনভোগী সম্পাদক ৺মথুৰামোহন বৰুৱাক শৰণ দিবলৈ ধৰিলো। ফলত 'বন্তি' ক্ৰমাৎ অনিয়মীয়া হবলৈ ধৰিলে। কেতিয়াবা প্ৰবন্ধাদিৰ নাটনিত দুই সংখ্যা একেলগে ওলাব লগাত পৰিল। আনহাতে গ্ৰাহকেও সেই চেলুকে ধৰি বৰঙ্গণি দিয়াত অনিয়ম আচৰিবলৈ ধৰিলে ; কোনো কোনো আশীৰ্বদীয়া গ্ৰাহকে 'গোসাঁইৰ প্ৰসাদ', 'বিলাসিনী' আৰু 'তৰা' গ্ৰহণ কৰাৰ দৰে 'বন্তি'ৰ পোহৰো আশীৰ্বদীয়াকৈ বিচৰা হল। মূলত কেনা লগা হেতুকেই আনহাতে তাৰ ভগন চৰি আহিল ; ফলত বছেৰেকমানৰ ভিতৰতে 'অসম চেন্‌ট্ৰেল প্ৰেছ' কোম্পানীৰ নামত ১৮০০ টকা ধাৰ লাগিল। ইয়াকে দেখি দীৰ্ঘ দৃষ্টিৰ অংশীদাৰসকল তলে তলে সশঙ্কিত হৈ পৰিল। ব্যৱসায়জীৱী মাৰোৱাৰী অংশীদাৰসকলে এই ক্ষতিসূচক ব্যৱসায়ৰ সংশ্ৰৱ এৰিবলৈ প্ৰকাশ্যে অগ্ৰসৰ হল। সিবিলাকে প্ৰেছ কোম্পানী ভাঙ্গি, আইনমতে 'লিকুইডেচন'ৰ নিমিত্তে আবেদন কৰিবলৈ বুলি কাৰ্যনিৰ্বাহক সমিতিক হেঁচি ধৰিলে। সমিতিয়ে অগত্যা সাধাৰণ সভাৰ এটা বিশেষ বৈঠক পাতি উপস্থিত সমস্যা ভাঙিবলৈ সভাত প্ৰস্তাৱ দাঙি ধৰিলে। বহু তৰ্ক-বিতৰ্ক আৰু আলোচনাৰ পাচত এই সিদ্ধান্তত উপস্থিত হোৱা গল যে মাৰোৱাৰী অংশীদাৰসকলে তেওঁলোকৰ স্বইচ্ছাৰে সিবিলাক স্বত্ব-সৰ্ত পৰিত্যাগ কৰি কোম্পানীৰ লগত সংশ্ৰৱ পৰিহাৰ কৰিব, বাকী অসমীয়া অংশীদাৰসকলে ভবিষ্যতৰ আয়-ব্যয়ৰ ভাৰ গ্ৰহণ কৰি 'অসম চেন্‌ট্ৰেল প্ৰেছ' আৰু 'বন্তি' চলাই থাকিব। পিছে দুখৰ বিষয় সিমানতো 'বন্তি'ৰ ভাগ্য প্ৰসন্ন নহল, একেদৰেই ধাৰ বাঢ়িবলৈহে ধৰিলে। ইতিছেগতে সমস্যাৰ গতি বুজি সম্পাদক ৺মথুৰামোহন বৰুৱা ছুটীত ঘৰলৈ গৈ আৰু ঘুৰি নাহিল। গুপ্তভাৱে সৰ্বভাৰ মোৰ মুৰতে পৰিছিল যদিও বিনা সম্পাদকে কাকত প্ৰচাৰ কৰিব নোৱাৰাত মাহদিয়েকৰ কাৰণে 'বন্তি' প্ৰচাৰ কাৰ্য ৰহিত হব লগাত পৰিল। এনে বিষম সমস্যাত কৰ্তব্য-বিমোৰ হৈ অসমীয়া অংশীদাৰসকলেও মাৰোৱাৰীসকলে দেখুৱা বাটৰ বাটৰুৱা হৈ কোঢ়াল লগাবলৈ ধৰিলে। আনহাতে বিদেশীৰ বাট মাৰিবলৈ লক্ষ্য ৰখা 'বন্তি'ৰ বাটত শত্ৰুপক্ষে হেঙ্গাৰ মাৰিবলৈ উঠিপৰি লাগিল ; লিকুইডেচনত আহিলে 'বন্তি' প্ৰেছ কিনি লৈ 'বন্তি' মাৰিবলৈ বুলি বঙ্গালীসকলৰ গুপ্তমেলত একেৰাতিয়েই ২১০০ টকাৰ বৰঙ্গণি স্বাক্ষৰিত হল। কাৰণ তেতিয়ালৈকে 'বন্তি' প্ৰেছৰ ঋণ সিমানলৈকে বাঢ়িছিল। সেই গুপ্তমেলৰ গুপ্ত উদগনিতে উন্মত্তপ্ৰায় হৈ সমুহ অংশীদাৰসকলৰ মাজত আকৌ এখন বিশেষ সাধাৰণ সভা বহিবলৈ স্থিৰ হল। এনে আসন্ন আপদত একেবাৰে গা-পেলাই নিদি

মই বিপদভঞ্জনৰ সহায়ত চিন্তিবলৈ বহিলোঁ। সেই চিন্তাৰ মূৰ পাতোঁতা আৰু তিনিজন মোৰে সৈতে লগ লাগিল,—সিবিলাক ৺ৰবিচন্দ্ৰ শৰ্মা বৰুৱা তহচিলদাৰ, ৺নীলকান্ত বৰুৱা জেইলাৰ আৰু পণ্ডিত জয়দেৱ শৰ্মা। মোৰ লগতে সিবিলাকে দ-কৈ ভাবি-চিন্তি ইয়াকে স্থিৰ কৰিলে যে, যেনেতেনে উপায়েৰে 'বন্তি'ক শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিব লাগে, পাচত যি হবলগীয়া আছে হবগৈ। সেই উদ্দেশ্যে আগন্তুক সভাত দাঙ্গি ধৰিবলৈ আমি এনে এটা প্ৰস্তাৱ মছাবিদা কৰি ললো যে 'বন্তি প্ৰেছ' নিলাম বিক্ৰি কৰিবলৈ এৰি দি অসমীয়া জাতিৰ দুৰ্নাম অনাটো কদাপি বাঞ্ছনীয় নহয়; এতেকে অসমীয়া অংশীদাৰসকলৰ ভিতৰৰ যেয়ে কোম্পানীৰ ঋণ পৰিশোধ কৰি 'বন্তি' চলাই থাকিবলৈ গাত লব, তেওঁকে বা সিবিলাককে কোম্পানীয়ে 'অসম চেন্টে্ৰল প্ৰেছ'ৰ স্বত্বাধিকাৰ আৰু সৰ্বস্বত্ব এৰি দিব। সেই সংকল্পিত প্ৰস্তাৱ গৃহীত হয় যদি ৺জয়দেৱ শৰ্মা পণ্ডিতদেৱ আৰু মই যুটীয়াকৈ প্ৰস্তাৱিত ভাৰ মূৰ পাতি লব লাগিব বুলি আমাৰ ভিতৰুৱা মেলত স্থিৰ হয়। কিন্তু সিয়ো নিৰাপদ বিবেচিত নহল, কাৰণ মই চৰ্কাৰী চাকৰীয়াল মানুহে প্ৰকাশ্যে সেই কাৰ্যলৈ আগবাঢ়িব নোৱাৰিম। সেই কাৰণে একেলগতে ইয়াকো স্থিৰ কৰা হয় যে সেই যুটীয়া ভাৰ উত্তৰ-লক্ষীমপুৰবাসী মোৰ অগ্ৰজ ৺কণনাথ গোহাঞিবৰুৱাৰ নামে লোৱা যাব। যথাসময়ত সভা বহিল। ঈশ্বৰৰ কৃপাত আমাৰ প্ৰস্তাৱো গৃহীত হল। সেই সিদ্ধান্ত মতে সেইদিনাৰপৰা ৺পণ্ডিত জয়দেৱ শৰ্মাবৰুৱা আৰু কণনাথ গোহাঞিবৰুৱা 'বন্তি' আৰু 'অসম চেন্টে্ৰল প্ৰেছ'ৰ যুটীয়া স্বত্বাধিকাৰ হল। ৺পণ্ডিতদেৱে নিজৰ কাৰবাৰী সুভাগমল বাবুৰ গোলাৰপৰা আনি ততালিকে ১১০০ টকা শোধালেহি, ময়ো ৰবিচন্দ্ৰ বৰুৱা তহচিলদাৰ ডাঙ্গৰীয়াৰ জৰিয়তে চগমল বাবুৰ গোলাৰ পৰা হেণ্ডনোটত এহেজাৰ টকা ধাৰলৈ আনি যোগ দিলোঁহি। এয়ে মুঠ ২১০০ টকা শোধাই কোম্পানীৰ ধাৰ শুজি 'বন্তি' আৰু 'অসম চেন্টে ল প্ৰেছ' ৺পণ্ডিতদেৱৰে সৈতে যুটীয়াকৈ কিনি লোৱা হল। তাৰ পাচত দুই পণ্ডিতে ( ইয়াৰ আগেয়ে ৺জয়দেৱ শৰ্মা তেজপুৰ নৰ্মাল স্কুলৰ দ্বিতীয় পণ্ডিত আছিল ) লগ লাগি 'বন্তি' পুনঃ প্ৰচাৰ কৰাত গা-মনৰ উলাহেৰে লাগি গলোহঁক। প্ৰথমতে অপৰিহাৰ্য 'বন্তি'ৰ সম্পাদনাৰ পদ পূৰ্ণ কৰি লবলগীয়া হোৱাত ৺পণ্ডিতদেৱকে প্ৰকাশ্যে সম্পাদকৰ বাবধাৰী কৰি লৈ সেই বাবৰ সমুদায় কাৰ্য গুপ্তভাৱে মই মূৰ পাতি ললোঁ। দ্বিতীয়তে ব্যয় লাঘৱ কৰাৰ উদ্দেশ্যে আগৰ কাৰ্যকাৰক দলৰ সংখ্যা কমাই দুই তিনিজনৰ কৰ্তব্য এজনৰ দ্বাৰাই চম্ভালিবলৈ ব্যৱস্থা কৰা হল। ফলত তাৰ বাবে মোৰ মূৰৰ কৰ্তব্যৰ পাচিটো চতুৰ্গুণে গধুৰ হৈ উঠিল। তথাপি সেই ব্যৱস্থাৰেই 'বন্তি' আগতকৈয়ো জমকাল হৈ প্ৰচাৰিত হোৱাৰ ফলত আমাৰ ফালে ৰাইজৰ কৃপাদৃষ্টিও ঘন হৈ পৰিল। তাৰ পৰিণামত লাভ লোকচান নোহোৱাকৈ আপোন উৎপনেৰে সৈতে 'বন্তি' চলিব পৰা হল। দেখি কিন্তু পূৰ্বশত্ৰুৰ চকুপোৰণি লাগিল। সিবিলাকে সহিব নোৱাৰি 'বন্তি'ৰ বিৰুদ্ধে আকৌ নানা তৰহৰ ফন্দী পাতিবলৈ ধৰিলে। পোনেই ডেপুটী কমিচনাৰ চাহাবৰ দ্বাৰাই বিচাৰ লোৱালে যে ইংৰাজী নজনা সম্পাদকে ইংৰাজী অসমীয়া ( Anglo-Assamese ) কাকতখন কেনেকৈ সম্পাদিত কৰিছে,? কিন্তু ঈশ্বৰৰ ইচ্ছাত, নিৰ্ভীক-

হৃদয় পণ্ডিতদেৱৰ অসম সাহসিক কৈফিয়তৰ বাণেৰে সেই অভিযোগ কাটি ছিঙ্গি ওফৰাই পঠিওৱা গ'ল। তাৰ পাচত শক্ৰপক্ষে সোঁপাকে বলে নোৱাৰি আওপাকে নানা ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। তাৰে এটা উদাহৰণ চমুকৈ দিয়া যায়—তেজপুৰ ৰেভিনিউ অফিচৰ কেলেঙ্কাৰী নামে এখন চিঠি 'বন্তি'ত প্ৰচাৰিত হয়। তাত সেই সময়ৰ বঙ্গালী চিৰস্তাদাৰজনৰ স্বাৰ্থপৰতা আৰু পক্ষপাতিতা আঙ্গুলিয়াই কিছুমান কেলেঙ্কাৰী আঁচি দেখুওৱা হৈছিল। সেইবাবে নতুন ডেপুটী কমিচনাৰ মিঃ কেমিয়েড চাহাবৰ হতুৱাই তেওঁৰ বঙ্গলালৈ সম্পাদক পণ্ডিদেৱক মতাই নিয়াই ভয় প্ৰদৰ্শনেৰে সোধাইছিল, সেই পত্ৰলেখকজন কোন? কিন্তু নিৰ্ভীক-হৃদয় অসম সাহসী পণ্ডিত সম্পাদকে মোৰ গুপ্ত দিহামতে ডেপুটী কমিচনাৰৰ বঙ্গলালৈ গৈ তেওঁৰ আহ্বান পালন কৰিলে। পোনতে সম্পাদকদেৱক আথে-বেথে বহুৱাই লৈ ডেপুটী কমিচনাৰে সদালাপত ধৰিলে, তাৰ পাচত আলাপৰ ছলত তেখেতৰপৰা পত্ৰলেখকৰ নাম উলিয়াবলৈ প্ৰয়াস পালে। কিন্তু চাহাবৰ উদ্দেশ্য সিদ্ধি নহল, সম্পাদকদেৱে নামৰ সলনি এই সমিধান দিলে যে ডেপুটী কমিচনাৰৰ নিচিনা এজন বিজ্ঞ শিক্ষিত লোকে বাতৰি কাকতৰ সংবাদ-দাতাৰ সন্ধান সেইভাৱে লোৱাটো নিতান্ত অবিধি হৈছিল। আৰু তেওঁৰ এনে অনুৰোধ ৰাখিবলৈ গলে সম্পাদকে ধৰ্মবিৰুদ্ধ কাৰ্য কৰা হব; এতেকে সেই বিষয় সিমানতে এৰি পোলাৱাই ভাল। সেই কথাত চাহাব ৰুষ্ট হৈ সম্পাদকৰ প্ৰতি কঠুৱা আচৰণলৈ উদ্যত হল। সেই আচৰণত পণ্ডিতদেৱে বিৰক্তিত ৰঙ্গা হৈ উঠি ডেপুটী কমিচনাৰক এই বুলি সমিধান দি গুচি আহিবলৈ উঠিলে, "চাহাব! আপুনি মোক মাতি আনি এইভাৱে অপমানিত কৰাটো অভদ্ৰাচৰণৰ উপৰি নীতিবিগৰ্হিত কাম হৈছে; এই কথা ততালিকে মোৰ কাকতত প্ৰকাশ কৰি লৈ পাচত যথাবিহিত কৰা যাব।" চাহাব তবধ। পকা পণ্ডিতৰ মূৰ্তি দেখি তেওঁৰ চূৰ্তি হেৰাল। শেহত মিঠা মুখেৰে বিস্তৰ অনুৰোধ কৰি পণ্ডিতদেৱক মান্তি কৰালে যে যি হল হল, সেই বিষয়ে যেন কাকতত প্ৰচাৰিত নহয়। সদৌশেহত ৺পণ্ডিত জয়দেৱ শৰ্মা সম্পাদকদেৱে এই বুলি সমিধান দি গুচি আহিল, "আৰু মোৰ কাকতত এই কথা প্ৰকাশ কৰা নহব।" পিচে সেইদিনাই মই ইংৰাজীতে 'টাইমচ্ অব অসম' কাকতলৈ সেই বিষয়ক হুবহু বিবৰণ লিখি পঠিয়ালোঁ আৰু যথাসময়ত সি প্ৰচাৰিত হৈ গল। তাৰ ফলত, মিঃ কেমিয়েডে কিৰূপে গৱৰ্ণমেণ্টক কৈফিয়ৎ দিব লগা হৈছিল, সেই বিষয়ে কবলৈ গলে সি বহুত হয়। বাস্তৱতে সেই কালত ৰাইজীয়া মত বা public opinion গৱৰ্ণমেণ্টে সন্মান কৰিছিল। যি হওক, এই ঘটনাই শত্ৰুৰ মুখত ছাই পেলাই 'বন্তি'ক কিছুকাললৈ আকৌ নিজঞ্জলীয়াকৈ জ্বলিবলৈ এটি বৰ ভাল ছেগ দিলে।

# দ্বাবিংশ সৰ্গ

## সন্তানৰ মুখ দৰ্শন

মোৰ ৩৫ বছৰ বয়সলৈকে মই নিঃসন্তান। সেইবাবে মোৰ মনস্তাপ নাছিল ; কিন্তু সন্তানৰ মুখ-দৰ্শন সুখ চাকি চাবলৈ মাজে সময়ে মনে হাবিয়াস কৰাটো অনুভৱ কৰিছিলোঁ। ইয়াৰ আভাস ইতিপূৰ্বতে প্ৰথমা ভাৰ্যাৰ লগত অযাচিতে হোৱা সাংসাৰিক কথা-বাৰ্তাৰ আলমত সুমৰি অহা হৈছে। সেই আভাস ক্ষণন্তৰী। কিয়নো সেই সময়ৰ একাধিক কৰ্তব্যৰ ওপৰা-ওপৰি হেঁচনিত পৰি তেনেবোৰ সুখকৰ ভাবৰ খেলা খেলিবলৈ মই আজৰি নাপাইছিলো। বিশেষ তেতিয়া 'বিজুলী', 'বন্তি' প্ৰমুখ্যে কাকতে-পত্ৰে প্ৰকাশিত হোৱা ৰচনাৱলী আৰু কিতাপৰ আকাৰে প্ৰচাৰিত হোৱা ক্ষুদ্ৰ গ্ৰন্থাৱলীকে মোৰ প্ৰিয় সন্তানস্বৰূপে আগত লৈ মই অনুপম সুখ অনুভৱ কৰিছিলোঁ। সেই অনুভৱ ছেগ বুজি কেতিয়াবা কেতিয়াবা আঁকিও চাইছিলোঁ ; তাৰে এটি নিদৰ্শন এই ঃ

**"সন্তান"**

ভাৱৰ অস্থিৰে গঢ়ি জকা কল্পনাৰ
    সযতনে প্ৰতিষ্ঠা হিয়াত ;
চিন্তাৰে তেজক মথি মাংস বঙ্গহৰ
    থাপিথুপি দিলো শৰীৰত।
মস্তিষ্ক মন্থন কৰি সিৰটাঁৰ বান্ধি
    দিলো আটি বুজনিৰ সুৰ ;
ভাষাৰ ৰহণ সানি পূৰ্ণ আকৃতিত
    চাওঁ দেখোঁ, পূৰ্ণাকৃতি মোৰ।
ৰূপৱন্ত জনকৰ ৰূপহ সন্ততি
    আনন্দত মাতে কোলা পাতি ;
কুৰূপ সন্তান বুলি আত্ম অনুকৃতি
    দেখি শান্তি নাপায়নে আতি ?
অপত্য চেনেহ অহ বাপতি সাহোন,
    সবাৰো যে সমভাগী তাৰ ;
জেউতিত নিয়ে কাঢ়ি আনৰ একণ
    জগতত সাধ্য এনে কাৰ ?
ভাগ্যৱন্ত নৰদেহী লভে বংশধৰ
    মৃত্যুৰ পাচত ৰাখে নাম ;

অভাগাৰ গৰ্ভদেহী লাভ সন্তানৰ
সেয়ে যেন সাধে সেইকাম।

এনেতে, এনে উদাৰ উদাস ভাবত মনত ওপঙি ফুৰোঁতে, ১৭১৮ শকৰ শ্ৰীপঞ্চমী তিথিত, মোৰ প্ৰথমা সন্তান সৰ্বসুলক্ষণা জীয়াৰী শ্ৰীমতী নিৰ্মলা সুন্দৰী বৰআইদেউৰ ( শ্ৰীমান সিদ্ধেশ্বৰ বৰগোহাঞি. এম. এ, বি. এল. বৰ্তমান গোলাঘাট মহকুমাধিপতিৰ ভাৰ্যা ) জন্ম হয়। আইদেউৰ জন্মক্ষণত মই 'অসম চেণ্টেল প্ৰেছ, টোলত 'বন্তি'ৰ সম্পাদকীয় কৰ্তব্যত মগ্ন হৈ আছিলো। মোৰ ভাগিন এটিয়ে লৰি গৈ মোক সেই জন্মসংবাদ দিয়াত মই উৰুলীকৃত হৈ অনতিপলমে ঘৰলৈ উলটি আহি সবেগে প্ৰিয়াৰ অশৌচ কোঠাত সোমাই মোৰ ওপজা সন্তানৰ নিৰ্মল মুখ দৰ্শন কৰি পৰম পুলকিত হলোঁ। মোৰ চতুঃপাশে মই জগৎ-সংসাৰ আনন্দময় দেখিলোঁ। সৃষ্টিৰ সদৌ সৌন্দৰ্য জগতৰ সমস্ত কৰুণতা, সংসাৰৰ সমপূৰণ জেউতি সেই মুখখনিত মই দেখা পালোঁ। লগে লগে অতৰ্কিতভাৱে, মোৰ সাংসাৰিক জীৱনৰ গতি অকস্মাতে পৰিবৰ্তন হোৱা যেন অনুভৱ কৰিলোঁ। মুঠতে মনৰ উলাহত মই যেনি-তেনি সুখ-শান্তিৰ বা পোৱা হলোঁ, মোক আজীৱন আগচি ধৰা অপাৰ অমঙ্গল বেজাৰ-অশান্তিয়ে একতীয়া হৈ হৈ বাট এৰি দিয়া যেন বোধ কৰিলোঁ। বাস্তৱতে এই ক্ষুদ্ৰ জীৱনত ই এটি মহৎ ক্ষণ। মোৰ সোণামুই প্ৰথমা সন্তানৰ মুখৰ জেউতিয়ে সেই ক্ষণৰপৰা মোৰ সংসাৰ সোণৰ সংসাৰ যেন কৰিলে। সেই আলমতে চালুকীয়াটি হৈ উঠাৰ পাচত মই মোৰ আপুৰুগীয়া পোনাটিক সোণ বুলি মাতিবলৈ ধৰিলো। সেই সম্বোধন পাচলৈকো সোণ হৈয়ে ৰ'ল আৰু সেই আপাহতে শ্ৰীমতী নিৰ্মলা আইদেউৰ চলন্ত নাম এতিয়াও 'সোণ' নামেই চলিছে।

# ত্রয়োবিংশ সৰ্গ

## তেজপুৰ অ. ভা. উ. সা. সভাৰ নামঘৰ প্ৰতিষ্ঠা

মনৰ স্ফূৰ্তিৰ লগত গাৰ স্ফূৰ্তি সদায় লাগি থাকে। সেই মন ম্লান পৰিলে গাও মৰা-মুজা অৱস্থাত অৱশ হৈ পৰে। ইয়াৰ পৰিণাম মোৰ সাংসাৰিক সম্পদ-আপদত মই সততে অনুভৱ কৰি আছিলোঁ। এই সাময়িক সম্পদৰ স্ফূৰ্তিত তাৰ লগৰীয়া আপদৰ মাজেদি সৰকি সামাজিক সুকাৰ্য অতৰ্কিতভাৱে সুসম্পন্ন কৰি উঠিব পাৰিছিলোঁ। অৰ্থাৎ মোক আগৰণুৱাকৈ লৈ মোৰ হতুৱাই বাট উলিয়াই আৰু মোকে হাতৰ অস্ত্ৰস্বৰূপকৈ লৈ বাটৰ জঞ্জাল কাটি আমাৰ সমাজৰ গুৰিধৰা নেতাসকলে ভালেমান সমজুৱা সজকৰ্ম সমাধা কৰিছিল। তাৰে এটি চিন তেজপুৰীয়া ৰাইজৰ দ্বাৰাই প্ৰতিষ্ঠিত 'তেজপুৰ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ৰ প্ৰকাণ্ড নামঘৰ। ইয়াৰ আঁতি-গুৰি এই—১৮২৫ শকত তেজপুৰ অবৈতনিক নাট্যসমাজৰ নাটমন্দিৰত স্থানীয় বঙ্গীয় সামাজিক লোকে এৰাতি এটা 'থিয়েটাৰ' বা এখন বঙ্গালী নাটকৰ অভিনয় পাতি তালৈ অসমীয়া সমাজৰ টাউনবাসী মুখীয়াল লোকক সন্মানী টিকট দি নিমন্ত্ৰণ কৰিছিল। সেই নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ অসমীয়া সমাজৰ গুৰিয়াল আৰু ধৰণী স্বৰূপ লোক জনচেৰেকে [ ৺কৃষ্ণচন্দ্ৰ চৌধুৰী ই. এ. চি, ৺ৰবিচন্দ্ৰ শৰ্মাবৰুৱা তহচিলদাৰ, ৺ভোলানাথ দাস চবডেপুটী কলেক্টৰ, ৺নীলকান্ত বৰুৱা জেইলাৰ, ৺ভবানীপ্ৰসাদ ভট্টাচাৰ্য ( ৰায়বাহাদুৰ ), ৺লক্ষ্মীকান্ত দাস চিৰস্তাদাৰ, ৺বেথাৰাম শৰ্মা ( ৰায়বাহাদুৰ ), চবডেপুটী কলেক্টৰ, ৺ৰামৰতন চৌধুৰী ] মোক বাট লগোৱাকৈ আগত লৈ গৈ সেই নাটমন্দিৰ-দৰ্শক চ'ৰাত উপস্থিত হলগৈ। মই তেতিয়া নৰ্মাল স্কুলৰ হেড্ মাষ্টৰ। আমি যোৱাত অৱশ্যে অলপ পলম হৈছিল। সোমাই দেখোঁগৈ যে দৰ্শকচ'ৰা ভৰপূৰ, নিচেই সমুখৰ শাৰীত বঙ্গালী সৰু সৰু ল'ৰা-ছোৱালী, তাৰ পিচৰ দুশাৰীত সিবিলাকৰ সমাজৰ মুখিয়াল লোকসকল আৰু তাৰ পিচৰ শাৰীবোৰ বাৰে বৰণীয়া .লোকৰ দ্বাৰাই পূৰ্ণ হৈ আছে। আমি ভালেমানপৰ থিয় হৈয়ে আছোহঁক, কিন্তু কেৱে কটাক্ষ কৰা নাই। মই বিৰ দি বাট লৈ গৈ থিয়েটাৰৰ মেনেজাৰজনক কলোঁগৈ যে আমাৰ অসমীয়া নিমন্ত্ৰিত ডাঙৰীয়াসকলক বহুৱাবলৈ এটা সুদিহা কৰিব লাগে। কিন্তু তেওঁ উপলুঙাকৈ উত্তৰ দিলে যে, "আপোনালোক অহাত পলম হৈছে, গতিকে এতিয়া আগশাৰীত আপোনালোকলৈ ঠাই নাই। ইচ্ছা হলে খালি হৈ থকা পিচৰ শাৰীত বহিবগৈ পাৰে। তাৰ উপায় কৰা যাব পাৰে।" সেই সমিধানত মই অপ্ৰস্তুত হৈ এই বুলি কৈ উলটি আহিলোঁ, যে সন্মানী নিমন্ত্ৰণী টিকটৰ মৰ্যাদা ৰক্ষা পৰিব লাগিছিল। সেই ব্যৱহাৰত মোৰ লগৰীয়াসকলেও অপমানিত বোধ কৰিলে। তাৰ পাচত আমি ততালিকে ওলাই গুচি আহিলোহঁক। আহি ৺কৃষ্ণচন্দ্ৰ চৌধুৰী হাকিমৰ চ'ৰাত বহিলোঁহি। প্ৰকৃতপক্ষে সেইখন আমাৰ আক্ষেপৰ মেল বহিছিল। সেই সুযোগতে মই প্ৰস্তাৱ কৰিলোঁ যে আমিও

স্থকীয়াকৈ এটা নাটমন্দিৰ প্ৰতিষ্ঠা কৰি আমাৰ আজিৰ অপমানৰ তৰ্পণ কৰোহঁক। সেই প্ৰস্তাৱ তুৰন্তে গৃহীত হল। তেতিয়াই প্ৰস্তাৱটো লিপিবদ্ধ কৰি সেই বৈঠকতে উপস্থিত নেতাকেজনৰ ভিতৰতে ৭০৯ টকাৰ প্ৰতিশ্ৰুতি চহী কৰা হৈ উঠিল; অকল ৺ৰামৰতন চৌধুৰীয়েই ৩০০ টকাৰ বৰঙণি পেলায় আৰু সেই মেলতে মোক সেই মহৎ অনুষ্ঠানৰ সম্পাদক পাতি তাৰ আনুষঙ্গিক লাগতিয়াল কাৰ্যৰ দিহা লগাবলৈ ভাৰ দিয়া হয়। মই বৰ উলাহেৰে সেই বাৰ মুৰ পাতি ললো, কিয়নো সেই ৰণত সেই বাব গ্ৰহণ মোৰ পক্ষে অতি প্ৰীতিকৰ বোধ হৈছিল।

মোৰ সেই সাময়িক অভিজ্ঞতাৰপৰা মই উপলব্ধি কৰিছিলো যে তপতে তপতে প্ৰস্তাৱ হাতত ললে সি সোনকালে কাৰ্যত ফলিয়ায়; বিশেষ ৰাজহুৱা কাম আৰম্ভ কৰোঁতে পলম হলে সি মলিৱাতে মৰহি যায়। সেই কাৰণে অনতিপলমে মই অ. ভা. উ. সা. সভাৰ সম্পাদক স্বৰূপে তেজপুৰ টাউনৰ আৰু টাউন কাষৰীয়া অসমীয়া সমাজৰ মুখিয়াল লোক সকলক বাছি বাছি নিমন্ত্ৰণ দি মাতি আনি আৰু সদৌ অসমীয়া ৰাইজলৈ জাননী দি ভালেমান উৎসাহী লোক চপাই লৈ এখন ডাঙৰ সভা বহুৱালোঁ। সভাত ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়া সভাপতি বহিছিল। তেখেতে ব্যৱসায় বিষয়ক কৰ্তব্যত ঘূৰি ফুৰাৰে পৰা এপাকত আহি পাইছিলহি মাথোন। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ ছলতে মই উপস্থিত সমজুৱাবৰ্গক বিশদকৈ বুজাই দিলোঁ, নাট মন্দিৰৰ লগত জাতীয় সাহিত্যৰ সম্বন্ধ কি, আৰু মহাপুৰুষ শঙ্কৰদেৱ ৰচিত নাটকেখনৰ ভাওনাই অসমৰ নামঘৰবিলাকত অসমীয়া সমাজ আৰু পৌৰাণিক জাতীয় সাহিত্যৰ কি মহৎ উপকাৰ সাধিছে। এতিয়াও আধুনিক ৰুচি অনুযায়ী ইংৰাজী থিয়েটাৰৰ আৰ্হিৰে নাট মন্দিৰাদি প্ৰতিষ্ঠিত হলে অসমীয়া আধুনিক সাহিত্যৰ বহুল উন্নতি হব। কাৰণ 'নামঘৰ' নামে অসমৰ নিভাঁজ ভাবত গাঁৱে গাঁৱে অসমীয়া ৰাইজৰ দ্বাৰাই প্ৰতিষ্ঠিত নাটমন্দিৰবিলাকেহে পাক লগাই সেইকালত পৌৰাণিক নাট প্ৰচাৰ কৰাই পৌৰাণিক অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি কৰিছিল। সেই আৰ্হিৰে আধুনিক নাটমন্দিৰেও আধুনিক নাটকাদি প্ৰচাৰ কৰাই আধুনিক অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি সাধিব যে তাত সংশয় নাই। কাৰণ নাটমন্দিৰ হলেই নাটকৰ প্ৰয়োজন হব; আৰু সেই প্ৰয়োজন পূৰাবলৈ আমাৰ সুলেখকসকলে ন-ন ধৰণৰ নাটক লিখিবলৈ ধৰিব। তাৰ ফলস্বৰূপ সমাজৰ বলত সাহিত্য আৰু সাহিত্যৰ বলত সমাজ ক্ৰমাৎ টনকিয়াল হৈ উঠিব। মোৰ এই ব্যাখ্যাৰ মৰ্ম উপস্থিত সমজুৱাই ততালিকে উপলব্ধি কৰিলে। সিবিলাকৰ প্ৰত্যেকৰ মুখত উলাহ আৰু উৎসাহৰ ভাব বিৰিঙি উঠিল। সকলোৱে একে আষাৰে সমৰ্থন কৰিলে যে প্ৰস্তাৱিত নাটমন্দিৰ প্ৰতিষ্ঠিত হবই লাগে। সেই উপলক্ষে আৰু কেবাজনেও কেইবাটিও জ্ঞানগৰ্ভ বক্তৃতা দিলে। সদৌ শেহত সভাপতি ডাঙৰীয়াই সভাৰ সিদ্ধান্ত গৃহীত হোৱাৰ মন্তব্য দিয়াৰ ছলত এইবুলি সজ পৰামৰ্শ জ্ঞাপন কৰে যে প্ৰস্তাৱিত নাটমন্দিৰ প্ৰতিষ্ঠাৰ ভেঁটিত অসমীয়া জাতিৰ সাহিত্যৰ উন্নতি সাধন যিভাৱে হ'বলৈ এই সভাত সংকল্পিত হৈছে, তালৈ চাই সেই অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ হাতত গতাই দিলে সি আশু ফলপ্ৰদ হব

বুলি তেখেতে আশা কৰে। সেই কাৰণে তেখেতে প্ৰস্তাৱ কৰে যে প্ৰস্তাৱিত নাটমন্দিৰটি সাহিত্য সভাক অৰ্পণ কৰি, তাৰ নাম 'তেজপুৰ অ. ভা. উ. সা. সভাৰ নামঘৰ' থোৱা হওক। তাত কাৰো আপত্তি হোৱাৰ আশঙ্কা দেখা নাযায়। কাৰণ অ. ভা. উ. সা. সভাৰ সভ্য সকলেই নাটমন্দিৰৰো সভ্য হব, আৰু আমাৰ সমাজৰ সেই একেমুঠি মানুহেই দুয়ো অনুষ্ঠানৰ গৰাকী হব। বিশেষ সম্প্ৰতি সেই শুভকাৰ্যৰ দিহাকৰণৰ ভাৰ অ. ভা. উ. সা. সভাৰ বৰ্তমান সম্পাদকৰ ওপৰতে পৰাত আমাৰ আৰম্ভণী কাৰ্য নিয়াৰিকৈ সম্পাদিত হোৱাৰ সম্ভাৱনা। সভাপতি ডাঙৰীয়াৰ সেই যুক্তিযুক্ত প্ৰস্তাৱ মতভেদ নোহোৱাকৈ সৰ্বসন্মতিক্ৰমে গৃহীত হল। এই ছেগতে মই লাহেকৈ বৰঙণি বহীখন হাতত লৈ ৰাইজৰ আদেশত প্ৰাৰ্থীৰূপে সমবেত সমজুৱা কাষে কাষে ঘূৰিবলৈ ধৰিলোঁ। ফলত উপস্থিত সভাস্থলতে হাজাৰ টকাৰ ওপৰ প্ৰতিশ্ৰুতি চহী সংগৃহীত হল। সভাপতি ডাঙৰীয়াই সেই সংগ্ৰহ সংবাদ তেখেতৰ আসনৰ পৰা ঘোষণা কৰাৰ পাকতে আকৌ এটি ওজস্বিনী বক্তৃতা দি উপস্থিত সমজুৱাসকলৰ জৰিয়তে সদৌ অসমীয়া ৰাইজৰপৰা এই মহৎ অনুষ্ঠান প্ৰতিষ্ঠাৰ উদ্দেশ্যে বৰঙণি দান আহ্বান কৰে। তাৰ পাছত ভালেমান পৰলৈকে হোৱা চিন্তা-ভাৱনাৰ ফলত এই সিদ্ধান্তত উপস্থিত হোৱা গ'ল যে যেতিয়াই প্ৰতিশ্ৰুতি চহী তিনিহেজাৰ টকালৈ উঠিব, আৰু অন্যূন দুহেজাৰ নগদ বৰঙণি সংগৃহীত হব, তেতিয়া 'তেজপুৰ অ. ভা. উ. সা. সভাৰ নামঘৰ' সজোৱা কাৰ্য আৰম্ভ কৰা যাব। সেই অনুসৰি তেজপুৰৰ বৰগোলাত পুঁজি পাতি লৈ প্ৰতিশ্ৰুত আৰু নতুন বৰঙণি তুলিবলৈ ডেকা-বুঢ়া সভাৰ সদৌ সমজুৱাই একান্তমনেৰে উঠিপৰি লাগি গল। নিচেই অলপ সময়ৰ ভিতৰতে নগদ বৰঙণি আঢ়ৈ হাজাৰ টকা উঠিল; আৰু প্ৰতিশ্ৰুতি চহী তিনিহেজাৰৰ ওপৰ স্বাক্ষৰিত হোৱাত সভাৰ সিদ্ধান্ত মতে কাম আৰম্ভ কৰি দিয়া গল। ৺ঘিনাওন্ মিস্ত্ৰী নামে এজন মুছলমান দেছোৱালী ঠিকাদাৰে মাহদিয়েকৰ ভিতৰতে নাটমন্দিৰত লগা প্ৰকাণ্ড নামঘৰ থিয় কৰালে। নামঘৰ থিয় হল, কিন্তু খুঁটাৰ ওপৰত টিনৰ ছালকেখনহে; সিমানতে আমাৰ সংগৃহীত পুঁজি উদং হল। ইফালে টাউন আৰু ওচৰ কাষৰীয়া গাঁৱলীয়া ৰাইজৰ পৰা বৰঙণি পাবলৈ বাকী নোৰোৱাৰ নিচিনা হ'ল; গতিকে দূৰৰ গাঁৱৰ পৰাও (পূবে কলাবাৰী পছিমে ওৰাং) পাৰ্যমানে বৰঙণি তুলিবলৈ উপযুক্ত লোক পাচিবলগীয়া হল। সেই অনুযায়ী সভাৰ উদ্যোগী ডেকা সমজুৱা আধাডজনমান গাঁও ফুৰিবলৈ ওলাল—তাৰ মাজত ৺তাৰিণীচৰণ ভট্টাচাৰ্য অগ্ৰগণ্য।

শুভকাৰ্যত বিস্তৰ বিঘিনি। ইতিমধ্যতে ছাঁৰ নিচিনা মানব সমাজ বিশেষকৈ অসমীয়া সমাজৰ গৃহকন্দল লাগি উঠিল। সভাৰ দুজন আদহীয়া সমজুৱাৰ মাজত পোনতে চুপতিৰ চেওত চুবুৰীয়া তৰ্কবাদ বাজি উঠিছিল। বৰঙণি তুলিবলৈ যাওঁতে এজনে এই বুলি ৰংঢিয়া কথা একাষাৰ কলে, "এৰা আমি খাটি মৰোঁ তোমালোকে গা ঘেলাই ফুৰা, ভাগৰ ভাগ খাওঁতেহে সমানৰ ভাই, পাইকৰ ককাই বোলাবাগৈ।" আনজনে পেংলাই কৰি এই বুলি উত্তৰ কাটিলে, "তোমালোকৰ গাই খাটিছে, আমাৰ ধনে খাটিছে।" উত্তৰত উত্তৰ কাটি প্ৰথমজনে বিৰক্তিৰ ভাবত আকৌ এই বুলি কলে, "এনে কথা কোৱানে? আমাৰ এজনৰ

ধনে তোমালোকৰ দহজনৰ সমানচোন।" ইত্যাদি কথাৰ ফিৰিঙ্গতিয়ে খাণ্ডৱ দাহৰ জলন্ত অগ্নিৰ জিভা মেলাই আমাৰ বহু পৰিশ্ৰমৰ ফল সেই অৰ্ধেকতে ছাই কৰাৰ উপক্ৰম দেখুৱালে। এনে কি তাৰপৰা ভুজনৰ ঠাইত ভুই চুবুৰি হৈ, এচুবুৰিয়ে আমাৰ থিয় হোৱা নামঘৰৰ টিনৰ এচাল একুৱাই নি সুকীয়াকৈ চুবুৰীয়া নাটমন্দিৰ সাজিবলৈ কঁকালত টঙালি আঁটি ওলাল। এনে সমস্যাৰ পাৰ চিন্তি মই বিমোৰ হলো। পিচে সেই সময়ত তেজপুৰলৈ নতুনকৈ অহা বিচক্ষণীয়া বুদ্ধিৰ ডেকাহাকিম শ্ৰীযুত (পাচত ৰায়বাহাদুৰ) ৰাধানাথ ফুকনদেৱে মোৰ অনুৰোধত পৰম উলাহেৰে সেই দলাদলিৰ মাজত সোমাই লৈ শান্তিপানী ছটিয়াই দপ্ দপ্ কৈ জ্বলি অহা জুইকুৰা সিমানতে পানীকৃত কৰিলে।

ওপৰতে সুমৰিবলগীয়া আছিল যে কাৰ্য আৰম্ভ কৰিব পৰাকৈ বৰঙ্গণি উঠাৰ পাচত আমি নামঘৰ সজাবলৈ উপযুক্ত মাটি এডোখৰৰ অভাৱত পৰিছিলোঁ। অৱশেষত ৺ৰবিচন্দ্ৰ বৰুৱা তহচিলদাৰ ডাঙ্গৰীয়াই জানিবা সেই চিন্তাৰ পাৰ পোৱালে— 'অসম চেণ্টেল প্ৰেছ' আৰু ৺ভবানীচৰণ ভট্টাচাৰ্য ডাঙ্গৰীয়াৰ বাৰীৰ মাজতে তেওঁৰ নিজা মাটি এডোখৰ নামনিমিত মূল্যত অ. ভা. উ. সা. সভাক দান বিক্ৰী কৰিলে। কিন্তু আপদ অকলে নাহে। ইয়াৰ পাচত মাটিৰ সীমা লৈ উঠিল আন এটা সমস্যা। নামঘৰৰ টোলৰ পুব সীমা লৈ ৺ভট্টাচাৰ্য ডাঙ্গৰীয়াৰ লগত সীমা বিভ্ৰাট ঘটি উঠিল। তাৰ অৰিয়া-অৰি ইমানকৈ উধাইছিল যে ৺মাণিকচন্দ্ৰ বৰুৱা আৰু ৺হৰিবিলাস আগৰৱালা এই ডাঙ্গৰীয়াদ্বয়ে মজৰাস্থলত উপস্থিত হৈ মীমাংসা কৰিব লগাত পৰিছিল। ইত্যাদি ওপৰা-উপৰি জঞ্জাল উঠি আপোনা-আপুনি মাৰ যোৱাৰ পাচত নতুনকৈ সংগৃহীত বৰঙ্গণিৰ ধনেৰে নামঘৰৰ বাকীখিনি কাম লাহে লাহে সমাধা কৰা হল। নাটমন্দিৰে সৈতে তেজপুৰ অ. ভা. উ. সা. সভাৰ প্ৰকাণ্ড নামঘৰ জিলিকি উঠিল, মাথোন বাকী ৰৈছিলগৈ স্ব-নামকৰণেৰে সংকল্পিত অভিনয়মঞ্চ বা 'থিয়েটাৰ ষ্টেজ'টি প্ৰতিষ্ঠা কৰিবলৈ।

## বাণষ্টেজ প্ৰতিষ্ঠা

নামঘৰ সম্পৰ্কীয় সমস্যা পাৰ হৈ গল। সেই ছেগতে তাৰ স্থিতি দৃঢ়কৈ ঠাৱৰ কৰাৰ উদ্দেশ্যে আমি তাৰ বাকী কামখিনি সোনকালে সমাধা কৰিবলৈ কাৰ্য হাতত ললোঁহঁক। কিন্তু সকলো কাৰ্যৰ মূলত ধনবল লাগে, আমাৰ আগত কাম যিমান পিচত ধনবল সিমান নাই। তথাপি পুঁজিত যি এহেজাৰমান টকা বাদবাকী ৰৈছিল, তাৰে সৈতেই নামঘৰৰ বাৰ, দুৱাৰ আদি লগোৱা কাম শেষ কৰি উঠিছো মাথোন এনেতে উঠিল আকৌ সংকল্পিত ষ্টেজ বা নাটঘৰ প্ৰতিষ্ঠা কৰা মূল প্ৰশ্ন। বিশেষকৈ যিসকল সেই মূল প্ৰশ্নৰ আদিমূলস্বৰূপ সভাৰ সভ্য আছিল, সিসকলৰ আগ্ৰহ বৰ প্ৰবল হৈ উঠিল। তাৰ মাজত অৱশ্যে ময়ো এজন। মই ভাবি চালো উলাহেই উত্থানৰ মূল; সেই উলাহ মাৰ যাবলৈ দিলে সমজুৱা-সকলৰ উৎসাহ চেঁচা পৰাৰ আশঙ্কা। কিন্তু আনহাতে আমাৰ পুঁজিত উদং, মাথোন সাঁচতীয়াকৈ ৰূপ তিনিশ আছুতীয়া হৈ ৰৈছিল। অথচ এটা ষ্টেজ পাতিবলৈ নিতান্ত পক্ষেও হাজাৰ-

বাৰশ টকা নহলে নহয়। গতিকে আমাৰ সেই আগ্রহৰ ঘৰ আকাশত চাং পতাৰ নিচিনা হল। উৎসাহী সমজুৱাসকলৰ উলাহ সঁচাকৈয়ে মাৰ যাবলৈ ধৰিলে। এনেতে মই আকৌ মৰসাহ দি আগবাঢ়িলো,—অ. ভা. উ. সা. সভাৰ জৰিয়তে যি পাৰো বৰঙণি গোটাবলৈ বুলি ওলালো কাৰণ নামঘৰৰ নামে পুনঃ পুনঃ একেথুপি ৰাইজকে আঁজুৰিবলৈ গলে সিবিলাকক অনৰ্থক আমনি কৰা হয় মাথোন, তাৰপৰা আশানুৰূপ গুণ পোৱাৰ আগন্তুক নাই। সেই ভাবি অনতিপলমে অ. ভা. উ. সা. সভাৰ এটা বিশেষ বৈঠক বহুৱাই তাত 'অসমীয়া সাহিত্য-উন্নতিৰ পুঁজি' নামে সাঁচতীয়া সাহিত্যিক পুঁজি এটা স্থাপন কৰাৰ প্ৰস্তাৱ দাঙ্গি ধৰিলো। সেই উদ্দেশ্যে এখন গোহাৰি-পত্ৰ লৈ ৰাইজৰ মাজত ঘূৰোতে মই যি প্ৰশংসা আৰু গৰিহণা সানমিহলিকৈ পাইছিলো, সি আজিকোপতি মোৰ সোঁৱৰণীত তেজাল হৈ ৰৈছে। যি হওক, সেই উদ্যম তেনেই বৰ্জা নহল, নগদ আৰু প্ৰতিশ্ৰুতিৰে সৈতে তিনিশমান টকাৰ বৰঙণি সংগৃহীত হল। সেই একে লগতে ছেগ পালেই আমি ষ্টেজৰ অভিজ্ঞতা থকা লোকেৰে আলচ পাতিছিলোহঁক, অলপীয়া ধনেৰে কেনেকৈনো যথাৱতকৈ এটা ষ্টেজ প্ৰতিষ্ঠা কৰিব পাৰি। কিন্তু অতি কমেও সাতশমান টকা নহলে ষ্টেজ নামনিমিতকৈয়ো পাতিব নোৱাৰা-টোহে চিন্তালোচনাত পাওঁ। এনেতে স্থানীয় বঙ্গালী থিয়েটাৰ পাৰ্টিয়ে নতুনকৈ দৃশ্যপট আদি সংগ্ৰহ কৰি সিবিলাকৰ ষ্টেজটো টনকিয়াল কৰাৰ অভিপ্ৰায়ে পুৰণি ষ্টেজৰ পুৰণি দৃশ্যপট আদি কিছুমান লাগতিয়াল সঁজুলি আধামূলীয়াকৈ বেচিবলৈ মনস্থ কৰা মই গম পালোঁ। সেই সম্বেদ পায়েই মই মোৰ উৎসাহী বন্ধু শ্ৰীযুত সোণাৰাম দাস জেইলাৰৰে সৈতে যুগুতি কৰি সেই পুৰণি সঁজুলিখিনি আমাৰ নিমিত্তে কিনি লবলৈ তেওঁৰ হতুৱাই তলে তলে দৰভাও কৰাই আঢ়েশ টকাত বেচা-কিনাটো ঠিক পালো। তাৰ পাচত অ. ভা. উ. সা. সভাৰ আন এটা বিশেষ বৈঠকত আমাৰ সাহিত্যিক সাঁচতীয়া পুঁজিৰপৰা আঢ়েশ টকা সেই অৰ্থে এই উদ্দেশ্য দান কৰা হয়। যাতো আমাৰ সভাৰ নামঘৰৰ সংলগ্নত ষ্টেজ বা নাটমন্দিৰ প্ৰতিষ্ঠিত হোৱাৰপৰা অসমীয়া ভাষাত নতুন নতুনকৈ নাটক ৰচিত আৰু প্ৰচাৰিত হৈ আমাৰ সাহিত্যৰ সেই অভাৱ অচিৰে গুচাবলৈ এটি সুপথ মুকলি হয়।

ষ্টেজৰ সকলো সঁজুলি সম্পূৰ্ণকৈ কিনি অনা হল, মাথোন পাতিব লাগে। এনেতে আহিল আকৌ আন এটা সমস্যা। অ. ভা. উ. সা. সভাৰ এই ষ্টেজৰ নামকৰণ লৈ। ইতিপূৰ্বে সেই কথা মোৰ মনত খেলাই আছিল; তাতে জনদিয়েক উদ্যোগী সমজুৱাৰ আহ্বান যোগ হোৱাত সি হেন্দুলিয়াই উঠিল। সেই উদ্দেশ্যে মই প্ৰথমতে অ. ভা. উ. সা. সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ এটা বৈঠক পাতিলোঁ। কিন্তু সেই গুৰুতৰ বিষয়ৰ মীমাংসা কাৰ্যনিৰ্বাহক সভাই কৰাটো যুগুত বিবেচিত নোহোৱাত সেই বৈঠকৰ নিৰ্দেশ অনুযায়ী মই অনতিপলমে সভাৰ এটা বিশেষ সাধাৰণ বৈঠক বহুৱালোঁ। পিচে নিয়ম মতে সভাপতি পাতি সভাৰ কাৰ্য আৰম্ভ কৰিবলৈ নৌ পাওঁতেই উপস্থিত সমজুৱাসকলৰ মাজত ষ্টেজৰ নামকৰণ লৈ কোৱা-মেলা চলিবলৈ ধৰিলে। অলপ পাচতে সেই কোৱা-মেলা যুক্তিতৰ্কত পৰিণত হলগৈ। আৰু পাচলৈ সি শাম নকটাই হল। মই হয়হে দোহাৰি দোহাৰি সভাৰ উপস্থিত কাৰ্যৰ বিষয়ে মনত

পেলাই দিওঁ, কিন্তু কেৱে নামানে। অৰ্থাৎ সভাৰ জাননীত সঙ্কেত দিয়া মতে জনচেৰেক চিন্তাশীল সমজুৱাই ঘৰৰপৰাই নিজে নিজে মনোমত নাম পাঙি আহিছিল। সভাত বহি যাওঁতেই সিবিলাকে নিজ নিজ মত ৰক্ষাৰ্থে সমৰ্থনৰ বল সংগ্ৰহ বা 'ক্যান্‌ভাচিং' কৰিবলৈ আৰম্ভ কৰি দিলে। ফলত এই হলগৈ যে কাৰো কথা কেৱে নুশুনা হল; এজনৰ মত আনজনে নৰখা হল, তৰ্কৰ কোঢ়ালত কওঁতাৰ কথালৈ শুনোতাই কাণ দিব নোৱাৰা হল। এনে অৱস্থাত উপায়ান্তৰ হৈ মই সভাভঙ্গৰ নিদৰ্শন দি উপস্থিত সমজুৱাসকলক ক্ষান্ত হবলৈ কাকুতি কৰিলোঁ। তাৰ ফলত এজন এজনকৈ ক্ষান্ত হৈ তৰ্ক-উকমি নিজম পৰি আহিল। কিন্তু সিমানতো তাৰ জাঁই নমৰিল, আমাৰ সমাজৰ সেই সাময়িক ঘাই ধৰণীস্বৰূপ দুজন সমজুৱাৰ মাজত তৰ্কবাদ চলিয়েই থাকিল; সিবিলাকৰ এজন ৺হৰিবিলাস আগৰৱালা, ইজন ৺ভবানী-চৰণ ভট্টাচাৰ্য। এজনৰ মতে আমাৰ ষ্টেজটোৰ নাম 'মহাভৈৰৱ নাটমন্দিৰ' হব লাগে, ইজনৰ মতে সেই নাম 'ভৈৰবী নাটমন্দিৰ' হব লাগে। সমজুৱা দুগৰাকী যেনে বলী সিবিলাকৰ প্ৰস্তাব দুটিও যুক্তিৰ বলত তেনে প্ৰবল। দুইৰো মাজত যুক্তি-তৰ্কৰ ফিৰিঙ্গতি উফৰিবলৈ ধৰিছে, কিন্তু কেৱে কাকো হটাব পৰা নাই। পাচলৈ সেই তৰ্কৰ ধাৰ সাম্প্ৰদায়িকভাৱে ববলৈ ধৰিলে; সেই অনুসৰি উপস্থিত সমজুৱা আপোনা আপুনি ফাটি দুফাল হোৱাৰ উপক্ৰম হল। মই গতিক বিষম দেখি সম্পাদকীয় ক্ষমতাৰে সিমানতে সভাপতিশূন্য সভাৰ বৈঠক উঠাই লৈ সবাকে মিনতি কৰি জনালোঁ যে, সেই বিষয়ে দকৈ ভাবি-চিন্তি আহিবৰ কাৰণে এপষ কাল সময় দিয়া গ'ল।

চাওঁতে চাওঁতেই সেই পক্ষটোৱে পাখি মেলি পাৰ হৈ গ'ল। আকৌ এখন সাধাৰণ সভা আহ্বান কৰিবলগীয়া হল। এইবাৰ কিন্তু মই আগধৰি আগৰ সমস্যা খণ্ডাবলৈ যুক্তি ব্যৱস্থাৰে সৈতে সষ্টম হৈ ললোঁ। দেখিলোঁ মধ্যস্থ এটা পক্ষ প্ৰবিষ্ট নহলে আগৰ সেই দুৰ্জয় দুই পক্ষক নিলগাই নিৰস্ত কৰা অসম্ভৱ। সেই উদ্দেশ্যে বহু চিন্তালোচনাৰ পাচত মই আন এটা মধ্যস্থ নামকৰণ পাঙি লৈ গৈ সভাস্থলত আপোচভাৱে কথা পাতিবলৈ ছেগ নিদি পোনেই সভাপতি প্ৰস্তাৱ কৰি দিলোগৈ ৺জয়দেৱ শৰ্মা পণ্ডিতদেৱক। সভাপতিয়ে সৰ্বসন্মতিক্ৰমে আসন গ্ৰহণ কৰাৰ পাচত মই সম্পাদকস্বৰূপে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ থিয় দিলোঁ। সেই ছেগতে যোৱাবাৰৰ সেই কোবাল বৃদ্ধ যোদ্ধা দুগৰাকীক গা দাঙ্গিবলৈ ছেগ নিদি মই মোৰ সংকল্পিত গুপুত প্ৰস্তাৱৰ সপক্ষে খেও খাই পৰাকৈ যুক্তিৰ শৰ এটি দুটিকৈ মাৰিবলৈ ধৰিলোঁ। তাৰ দ্বাৰাই দেখা গল মই অতৰ্কিতভাৱে শৈৱ আৰু শাক্ত সাম্প্ৰদায়িক বিৰোধ ভাবৰ জঞ্জলীয়া পাখি এটি এটিকৈ সৰুৱাই পেলাই সাম্যভাৱৰ নিজম পাখিৰ আৱৰণটি উলিয়াবগৈ পাৰিছোঁ; তাকে দেখি সকলোটিয়ে মোৰ কথা একাণ-পতীয়াকৈ শুনিবলৈ ধৰিলে। সেই সমজুৱা মনোনিবেশ গভীৰ হৈ উঠিছে, এনেতে মই সবাৰৱে মন বুজি মনতে আলচি যোৱা মোৰ গুপুত প্ৰস্তাৱটি ব্যক্ত কৰি দিলোঁ যে, আমাৰ অ. ভা. উ. সা. সভাৰ নাটমন্দিৰটি যি পৌৰাণিক ৰাজ্যত প্ৰতিষ্ঠিত হবলৈ ধৰিছে সেই ৰাজ্যৰ অধিপতি বাণ ৰজাৰ নামেই মন্দিৰৰ নামকৰণ 'বাণ নাটমন্দিৰ' হওক। শুনামাত্ৰকে

উপস্থিত সমজুৱাই সমৰ্থনৰ হাত-চাপৰিৰে নামঘৰৰ ভিতৰত খলক্ লগাই দিলে ; পিচ মুহূৰ্ততে আমাৰ সমাজৰ সেই ধৰণী ডাঙৰীয়া দুজনে নিজ নিজ প্ৰস্তাৱ পৰিহাৰ কৰি, দুয়ো একেস্বৰে মোৰ প্ৰস্তাৱটি যথানিয়মে অনুমোদন কৰিলে। তাৰ পাচত সভাপতি ডাঙৰীয়াই সৰ্বসম্মতিক্ৰমে এই সদৌশেহৰ প্ৰস্তাৱটি গৃহীত বুলি স্থিৰ গম্ভীৰ স্বৰেৰে ঘোষণা কৰি দিয়াত সেই ক্ষণ ধৰি 'তেজপুৰ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ নাম ঘৰ'ৰ সংলগ্নত প্ৰতিষ্ঠিত হোৱা নাটমন্দিৰটিৰ নাম 'বাণ নাটমন্দিৰ' হয় ; আৰু পাচে পাচলৈ 'থিয়েটাৰ'ৰ বতাহে পাই 'নাটমন্দিৰ'ৰ অসমীয়া চালখন উৰুৱাই নিয়াত তাৰ ঠাই 'ষ্টেজ' নামৰ ইংৰাজী টালিয়ে অধিকাৰ কৰিছে। এতিয়া সেই আলমতে 'বাণ নাটমন্দিৰ'টি "বাণষ্টেজ" নামে জনাজাত হৈছে। নামকৰণৰ দুৰ্ঘোৰ সমস্যাৰ পাৰ পাই উঠি উপস্থিত সমজুৱাসকলে সমিল-মিলভাৱে কথা-বাৰ্তা পাতি আনন্দ প্ৰকাশ কৰি আছে, এনেতে সভাপতি ডাঙৰীয়াই সভাভঙ্গ ঘোষণা কৰিবলৈ উঠোঁতেই, সেই সমাজৰ মাজৰপৰা এনে প্ৰস্তাৱ ঘপহকৰে কৰি উঠিল যে নাম চাই কাম হবলৈ সেই নামকৰণ অনুসৰি সংকল্পিত নাটমন্দিৰত অভিনয় কৰিবলৈ সেই নামৰ এখনি নাটক ৰচিত হলেহে আমাৰ বাঞ্ছা সম্পূৰ্ণ কৈ সিদ্ধি হব। প্ৰস্তাৱটি কাৰ মুখেদি ব্যক্ত হল তাক জানিবলৈ অপেক্ষা নকৰি সমূহ সমজুৱাই গিৰ্জনি মাৰি হাত-চাপৰিৰে সৈতে সমৰ্থন কৰিলে, আৰু সৰ্ববাদীসন্মতৰূপে ততালিকে সি গৃহীত হল। তাৰ পাচত প্ৰশ্ন উঠিল সেই কাৰ্যলৈ আগবাঢ়ে কোনে? ভালেমান পৰ আলোচনা চলাৰ পাচত সমজুৱাসকলে এবাৰ ৺হেমচন্দ্ৰ গোস্বামীদেৱলৈ আৰু এবাৰ মোলৈ চকু দিবলৈ ধৰিলে। সদৌশেহত আমাক নিমাত দেখি 'মৌনং সম্মতি লক্ষণম্' সিদ্ধান্ত দি মোৰ প্ৰিয়তম সাহিত্যিক বন্ধু ৺গোঁসাইদেৱ আৰু মোৰ ওপৰত 'বাণৰজা' নাটক এখন লিখি দিয়াৰ ভাৰ ন্যাস্ত কৰা হয়।

সিমানতে সেইদিনাৰ আলোচনাৰ সামৰণি মাৰি সভা ভঙ্গ কৰা হয়। সকলোটি ঘৰাঘৰি গল। কিন্তু মই আৰু ৺হেমচন্দ্ৰ গোঁসাইদেৱে বহাভাগেই বৈ গলোঁহঁক। তাৰ পাচত 'বাণৰজা' নাটকখন ৰচনা কৰা বিষয়ে দুয়ো নিৰলে আলচ পাতিবলৈ ধৰিলোহঁক। আধাঘন্টামান দুয়ো সৰলভাৱে মনোভাৱ ব্যক্ত কৰি দকৈ গমি চোৱাৰ ফলত এই স্থিৰ হল যে নাটকখনৰ ৰচনা যুটীয়া নহৈ গুটীয়াকৈ হোৱাটোহে বাঞ্ছনীয়। কিয়নো এনেকুৱা সমজুৱা কাম সজালত সতকাই সুসিদ্ধ নহয়। এই ভাবি সেই ৰচনাৰ কাৰ্যভাৰ ইজনে সিজনৰ গালৈ ঠেলিয়া-ঠেলি কৰাৰ ফলস্বৰূপ সদৌশেহত সেই কাৰ্যভাৰ মই অকলশৰীয়াকৈ মূৰ পাতি লবলগীয়া হ'ল।

# চতুৰ্বিংশ সৰ্গ

## জব্বলপুৰ যাত্ৰা

'বন্তি'ৰ অপায় আকৌ পাৰ নোহোৱা হল। 'পূৰ্বশত্ৰু মনে জানি' পুৰণি শত্ৰুপক্ষে 'বন্তি'ৰ বিপক্ষে আকৌ হুল চাঁচিবলৈ ধৰিলে। সেই গুপুত অভিসন্ধি সিদ্ধি কৰিবলৈ বুলি সেই বিপক্ষ দলৰ নেতাস্বৰূপ মোৰ ওপৰৱালা বিষয়াই মোৰ খোজেপতি অপৰাধ মণি গণিবলৈ ধৰিলে। মই দিনে দহোটাকৈ কৈফিয়ৎ দি তৰণি নোপোৱা হলোঁ। তৎ নাপাই শেহান্তত 'নৰম-গৰম-পত্ৰমিদং' পন্থা প্ৰণয়নত ধৰিবলৈ বাধ্য হলোঁ। তাৰ ফলত মোৰ কৈফিয়ৎবোৰ ক্ৰমাৎ আওপকীয়া হবলৈ ধৰিলে ; আৰু সি বিপক্ষক অন্তৰে অন্তৰে ঘনাই তাত ছেগ বুজি ঘৃতাহুতি বাকি সপক্ষৰ হাঁহি তুলিবলৈ ধৰিলে। সেই সপক্ষৰ সংগঠন হৈছিল ঘাইকৈ এই-কেগৰাকী স্বৰ্গীয় অসমীয়া সুপুৰুষৰ দ্বাৰাই—৺কৃষ্ণচন্দ্ৰ চৌধুৰী মুন্সিপ, ৺ৰবিচন্দ্ৰ বৰুৱা তহচিলদাৰ, নীলকান্ত বৰুৱা জেল দাৰোগা, ৺জয়দেৱ শৰ্মা 'বন্তি'ৰ সম্পাদক, ৺লক্ষ্মীকান্ত দাস দেৱানী চিৰস্তাদাৰ, ৺বিষ্ণুপ্ৰসাদ আগৰৱালা, ৺ভোলানাথ দাস চবডেপুটী কলেক্টৰ, ৺ধৰ্মেশ্বৰ গোস্বামী হাই স্কুলৰ চেকেণ্ড মাষ্টৰ, ৺ভবানীচৰণ ভট্টাচাৰ্য ( পাচত ৰায়চাহাব ), ৺কমলাকান্ত শৰ্মাবৰুৱা ( পাচত ৰায়চাহাব, পাৰ্চনেল এচিষ্টেন্ট, ডি. পি. আই, ), ৺মুন্সী আলম-চাহ কলেক্তৰী চিৰস্তাদাৰ আৰু মাজে সময়ে গোলকচন্দ্ৰ ভূঞা, ৺বেথাৰাম শৰ্মা ( পাচত ৰায়বাহাদুৰ ), ৺ৰামৰতন দাস ( পাচত চৌধুৰী ) ইত্যাদি। এইসকলৰ লগৰে যেময়ো এটা, সেইটো নোকোৱাকৈয়ে লেখত উঠিব বোধকৰোঁ। সেইসকলৰ দৈনিক বৈঠক হৈছিল ৺কৃষ্ণচন্দ্ৰ চৌধুৰী মুন্সিপ ডাঙৰীয়াৰ চ'ৰাত। আটাইটি নাচাপিলেও সৰহভাগ নিতৌ চাপ খাই সন্ধিয়াৰ আনন্দ-মিলন হয়। মিলনত সততে অসমীয়া সামাজিক আৰু সাহিত্যিক বিষয়ে কথা-বাৰ্তাৰ চলতে আলোচনা চলিছিল। সেই আলোচনা-চালনীৰে মোৰ কৈফিয়ৎ-বোৰ নিতৌ চলা-জৰা হৈছিল। সেই আলমতে মোৰ আওপকীয়া কৈফিয়ৎবোৰে কেতিয়াবা আউল লগায় বুলি তাক তপতে তপতে আউটি থোৱাৰ ৰীতি চলিছিল। এয়ে সেই কালৰ তেজপুৰীয়া অসমীয়া সমাজৰ গঠন আৰু সামাজিক কাৰ্য প্ৰণালীৰ নিদৰ্শন। এনেতে এদিন ঘপহকৰে শ্বিলঙৰপৰা সংবাদ আহিল মই বোলে চৰ্কাৰী কামত জব্বলপুৰলৈ যাব লাগে। মই অসম উপত্যকাৰ চাৰিজন শিক্ষক তালৈ লৈ গৈ "দেশী কছৰত" শিকাই আনি সেই বিষয়ক এখন 'মেনুৱেল' লিখি দিব লাগে। মোৰ মুৰত স্বৰগ ভাগি পৰাৰ নিচিনা হল। নিঃসন্তান মই বহুকালৰ মুৰত সন্তান এটি ( আগতে চিনাকি দি অহা মোৰ প্ৰথমা কন্যা শ্ৰীমতী নিৰ্ম্মলা আইদেউ ) পাই সেই চালুকীয়াটিৰে সৈতে মোৰ মনে আপোন-পাহৰা হৈ উমলি থাকোতে সেই নিষ্ঠুৰ বাতৰিত মই মৰ্মাহঁত হলোঁ। মোৰ মন ম্লান পৰাৰ লগে লগে আমাৰ সেই সন্ধিয়া সন্মিলনীখনিও ম্লান পৰিল। ক্ষন্তেকীয়া যদিও বিপক্ষৰ মুখত হাঁহি বিৰিঙিছিল, কাৰণ ছমাহলৈ হলেও মই চকুৰ হুল সিবিলাকৰ আগৰপৰা আঁতৰ হম। সেই

ছেগতে সিবিলাকে হয়তো মোৰ অনুপস্থিতিত মোক অভিযোগৰ জুটিত পেলাবলৈ ফাঁহ পতাত সুচল হোৱাটোও সেই হাঁহিৰ আন এটা কাৰণ।

পিচে তাৰ কেইদিনমানৰ পাচতে অসমৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ মিঃ বুথ চাহাব আহি তেজপুৰত উপস্থিত। অঙ্ক বিদ্যাৰ পাতনি আঁচনিত বিভোল সেই অগাধ পণ্ডিত পুৰুষজনৰ দুনাই চিনাকি দিয়াৰ সকাম নাই। এওঁৰ মুৰটো বোলে চৰকাৰে দহহাজাৰ টকাত কিনি থৈছিল। কিন্তু পুৰুষজন ভোলানাথ। অলপ অকৰা চানেকীয়া বুলিলেও বঢ়াই কোৱা নহব হবলা। তেওঁ যেতিয়াই যি বুজি যি বাট চকু মুদি ধৰাদি ধৰে তাৰপৰা তেওঁক আনবটীয়া কৰাৰ সাধ্য নাই,—আপদ-বিপদৰ খাল-নাদ থাকিলেও জঁপিয়াই-লফিয়াই তাক চেৰাই যোৱা তেওঁৰ দস্তুৰ। কোনোজনে কেনেবাকৈ নিজৰ ফলীয়াকৈ তেওঁক বাট লগাই দিব পাৰিলে যদি সেইজনে কৰ্ম সাধিলে বুলি ধৰিব পাৰি। তেওঁৰ উদ্দেশ্য অনায়াসে সিদ্ধি হয়। এই ধৰণৰ মনমৌজী লোক আছিল ডিৰেক্টৰ ডাক্তৰ বুথ চাহাব। দ্বিতীয়দিনা তেওঁ আহিল মোৰ স্কুল ( নৰ্মাল ) চাবলৈ। লগতে পিচ লাগি ডেপুটী ইন্স্পেক্টৰ হাৰান বাবুও আহিছিল। জবৰজং ডাক্তৰ বুথ চাহাবে স্কুল সোমায়েই মোৰ কাষ চাপি গৈ আঁঠুত হাতেৰে ভেজনি লৈ চাপৰি মোৰে সৈতে সমান চাপৰ হৈ লৈ জুই যেন চকুযোৰ পৰিপূৰকৈ মেলি মোৰ মুখৰ ওচৰত মুখ দি হুঁকি মাৰি সুধিলে, "Who you?" ময়ো হুঁকিত হুঁহকি নপৰি আৰু অকণো নহটি গিৰিসাই উত্তৰ দিলোঁ, "I am Headmaster of your this school, sir." মোৰ জবাবত তুষ্ট হোৱাৰ চিন দেখুৱাই ৰেথ এটিমান মিচিকিয়াই ( ডাক্তৰ বুথৰ হাঁহি দেখিবলৈ বিৰলৰো বিৰল ) গিৰিপ কৰে পোন হৈ পোন চাটে গৈ মোৰ সোঁহাতে পাৰি থোৱা চকিখনত হুকৰ কৰে বহি, এই বুলি পৰিদৰ্শন আৰম্ভ কৰিলে, "Well Headmaster, what can I do for you?" চন্তৰী যেনকৈ দুৱাৰ-ডলি ৰখীয়া হৈ থিয় দি থকা ডেপুটী হাৰানচন্দ্ৰ দাসগুপ্ত বাবুৱে সেই ছেগতে চোঁচা মাৰি চাপি গৈ মেজৰ ওপৰত থকা স্কুলৰ ৰেজেষ্টৰী বহীবোৰৰ মাজৰপৰা শিক্ষকৰ হাজিৰা বহীখন চাহাবৰ আগত মেলি দি গুণ-গুণীয়াকৈ দু-আষাৰমান এইভাবে কলে যে হেড মাষ্টৰে স্ব-ইচ্ছাৰে কেতিয়া আহে, কেতিয়া যায়, কেইঘন্টা পঢ়ায়, ইয়াৰপৰাই বুজা যাব। পৰিদৰ্শনত চাই যাওঁতেই সততে পোনেই আসোঁৱাহতহে চকু পৰে। এদিন সোনকালে স্কুল ছুটী দিয়াৰ আসোঁৱাহ ধৰি ডিৰেক্টৰে মোক টান মুখীয়াকৈ সুধিলে, সেইদিনা কিয় সিমান সোনকালে স্কুল এৰি গৈছিলো মই? মই ততালিকে উত্তৰ দিলোঁ, ডেপুটী কমিচনাৰে পতা দৰবাৰ মিটিং এখনত মই উপস্থিত হবগৈ লগীয়া হৈছিল কাৰণে। টৌ যেন ৰবমুৰা বুথ পকি জঁকি গৰ্গৰাই উঠিল, "What business you had with Durbar!" সেই দ্বিতীয় ছেগত আৰু এফেৰি উচৈ পাই ডেপুটী বাবুৱে মাত লগালে, "He himself holds his Durbars every day in this room, on this table." এই বুলি মোৰ মেজৰ ওপৰৰ ব্লটিং কাগজৰ ঢাকনিচটা দাঙ্গি চাবলৈ তেওঁ সঙ্কেত দিলে। সেই অনুসৰি ডাক্তৰ বুথে ঢাকনিখনত হাত দিছে, এনেতে উপায়ান্তৰ হৈ ময়ো টান মুখীয়াকৈ এই বুলি মাতি উঠিলো, "I take strong exception

to this sir, it is not of English etiquette." চাহাবে মোৰ মুখলৈ নিমিষমান ভেলেঙ্গা লাগি চাই থাকি চকিৰপৰা ঘপহ কৰে উঠি খঙ্গেৰে মোক গোটাচেৰেক টান কথা শুনাই থৈ গোঁ গোঁ কৰে ওলাই গুচি গ'ল ; পিচে পিচে ৰণজয়ৰ মহানন্দত হাঁহিভৰা মুখেৰে ডেপুটী হাৰান বাবুৱেও লৰ ধৰিলে। সেইদৰে আঁতৰি যোৱাত ৰক্ষা পৰিলোঁ। ঢাকনিখন দাং খোৱা হলেই 'বস্তি'লৈ লিখি থোৱা সম্পাদকীয় টোকা গোটাদিয়েক ওলাই পৰিলহেঁতেন। কিন্তু ডিৰেক্টৰৰ সেই টান কথাত মই বিষম অপমান বোধ কৰি ততালিকে কাম ইস্তফা দিবলৈ মনস্থ কৰি হাতত কাপ তুলি ললোঁ। এনেতে মোৰ খঙ্গৰ মূৰত শান্তিপানী ছটিয়াওঁতা বন্ধু, সেই সময়ৰ হাই স্কুলৰ এচিষ্টেন্ট মাষ্টৰ ৺কমলাকান্ত শৰ্মা বৰুৱা ( পাচত ৰায়চাহাব, ডিৰেক্টৰ চাহাবৰ পাৰ্চনেল এচিষ্টেণ্ট ) আহি উপস্থিত। তেওঁ মোক খিস্তৰ বুজনি দি শান্ত কৰি লৈ এই সিদ্ধান্ত দিলে যে আমাৰ সন্ধিয়া সন্মিলনীৰ অনুমোদন নোপোৱাকৈ মই সেই কাৰ্য কৰাটো যুগুত নহব। গতিকে অগত্যা ক্ষান্ত হলো। কিন্তু যথাসময়ত সন্ধিয়া সন্মিলনীয়েও মোৰে সৈতে ভালেমান পৰলৈ যুক্তি-তৰ্ক কৰি সদোশেহত সেই সেই বিষয়ত মোক সমৰ্থন কৰিলে। সেই সমৰ্থনৰ বল পাই মই পিচদিনা স্কুললৈ গৈয়েই লিখি লৈ যোৱা ইস্তফা পত্ৰখন ৺বিৰাম নামে স্কুল চকীদাৰৰ হাতত ডিৰেক্টৰ চাহাবলৈ দি পঠিয়ালোঁ। তেতিয়া তেওঁ মোৰ স্কুলৰে সৈতে একেটা টোলতে একেকঠি হৈ থকা মজলীয়া অসমীয়া স্কুলৰ প্ৰথম শ্ৰেণীত এহালিচামান জোৰা পূৰণ অঙ্ক এটা থৈ দি বিভোল হৈ বহি আছিল। ইস্তফা পত্ৰ পঢ়ি চায়েই ডাক্তৰ বুথ চমক খাই ধৰপ কৰে উঠি ঢপলিয়াই অহাদি আহি মোৰ স্কুলত সোমালহি। সোমাই পোন-ছাটেই আহি মোৰ বাউসিত ধৰি মৰমেৰে গাত হাত ফুৰাই কোমল মিঠা মাতেৰে সুধিলে, "Oh master, you are offended? And why?" মই গহীনাই উত্তৰ দিলো— "Yes sir, I am really sorry for your harsh words in presence of my worst opponent, at the cost of my self-respect, which I value far above this subordinate situation." ভোলানাথ বুথে মোক তেওঁৰ বুকুলৈ ভিৰাই নি সাবটি ধৰি গাত হাত ফুৰাই আকৌ চেনেহ লগাই কবলৈ ধৰিলে, "Well Headmaster, kindly excuse me—I did not know him to be your opponent; however, rest assured, I attach no importance to his ill advice against you, if any." মই ভাবে ধৰা হৈ নিমাত হৈ ৰ'লো। তেওঁ কিন্তু ঘূৰি ঘূৰি উদ্বিগ্নভাৱে মোক এই বুলি পেৰিবলৈ ধৰিলে— "My friend, say, you have excused me and with-drawn your resignation." মই অগত্যা কওঁ নকওঁকৈ কলোঁ, "Yes sir, I withdraw my resignation." শুনা মাত্ৰকে খলখলাই এটা আপুৰুগীয়া হাঁহি মাৰি মোৰ হাতত ইস্তফা পত্ৰখন গুজি দি ভোলানাথ বুথ ওলাই বেগাবেগিকৈ আকৌ মজলীয়া স্কুলত সোমালগৈ।

সেই যাত্ৰাত ডিৰেক্টৰ ডাক্তৰ বুথ চাহাবৰ লগত চফৰ ফুৰা কেৰাণী ( tour clerk ) আহিছিল তেজপুৰ নৰ্মাল স্কুলৰ পূৰ্ববৰ্তী হেড্ মাষ্টৰ মোৰ সমনীয়া ছাত্ৰবন্ধু ৺দুৰ্গাধৰ বৰকটকী ( পাচত ৰায়চাহাব, অসম উপত্যকাৰ স্কুল ইন্‌স্পেক্টৰ )। তেজপুৰ পৰিদৰ্শনত থকা বাকী

তিনিদিনৰ ভিতৰত দিনে দুবাৰকৈ বৰকটকী মোৰ বহালৈ অহা-যোৱা কৰিব লগাত পৰিছিল, তেওঁৰ কৰ্তা ভোলানাথ চাহাবৰ আদেশমতে মোৰ মন বুজি থাকিবলৈ, মই ডেপুটেচনত জব্বলপুৰলৈ যাম নে নাযাম ? আৰু যোৱাটো ঠাৱৰ হলে ডিৰেক্টৰ বুথ চাহাবৰ লগতে একেখন জাহাজতে গোৱালপাৰালৈকে যাবলৈ সুবিধা হৈ উঠিব নে নুঠে ? শেহৰ দিনা বৰকটকীক মই যোৱাটো ঠাৱৰ বুলি খাটাং মত দি উঠি, অনুতাপৰ হুমুনিয়াহ কাঢ়ি কলোঁ, "ভাই মিত্ৰৰ মুখে ভাল শতুৰু শালিলা অসময়ত মোক জব্বলপুৰলৈ ঠেলি।" তেওঁ সৰল সহানুভূতিৰে সৈতে তেওঁৰ স্বাভাৱিক নাৰীসুলভ কোমল মাতেৰে উত্তৰ দিলে, "কি কৰিবা ভাই, হৰিণাৰ গাৰ মঙ্গহেই শত্ৰু। কিন্তু প্ৰকৃততে মই নহয়, সেই হুকুমৰ শুৰি পোনাওঁতা খিলং অফিচৰ বঙ্গভ্ৰাতা কৰ্তাহে, ময়ো অফিচত বা বঙ্গীয় শালৰ মাজত অকলশৰীয়া অসমীয়া শিঙ্গিহে জানিবা।" কবলৈ পাহৰিছোঁ, সেইকালত খিলং স্বৰ্গত ডিৰেক্টৰ চাহাবৰ অফিচত এচক মাটিমাহৰ আঞ্জাত টোপাকৈ এটোপা খাৰণিৰ ছিটা ৺দুৰ্গাধৰ বৰকটকী,—একেটি মাথোন অসমীয়া কেৰাণী আছিল।

যি হওক, জব্বলপুৰ ডেপুটেচনৰ বাতৰি পোৱা দিন ধৰি সাদিনীয়া গুণনি-ভাবনিৰ পাচত সদৌশেহত মোৰ আপুৰুগীয়া সন্তানটি আৰু মাউৰা ভাগিনকেইটিৰে ( শ্ৰীমান সুৰেন, মহেন, নুমলি গোহাঞিদেউইঁত আৰু ৺সৰু আইদেউ ) সৈতে মোৰ কোমল বয়সীয়া সংসাৰৰ ধাৰ নুবুজা মৰমৰ ভাৰ্যাক পিতৃ দেউতাকৰ তত্ত্বাবধানত গতাই থৈ গধুৰ হিয়াৰে যাওঁ-নাযাওঁকৈ গৈ, জব্বলপুৰ যাত্ৰালৈ বুলি জাহাজত উঠিলোগৈ। —ই মোৰ জীৱনত এটা অতি উশুল-থুশুলৰ ক্ষণ। শ্ৰীমান ৰতিকান্ত বৰুৱা, হবিবৰ ৰহমান আৰু নাথুৰাম গগৈ এই তিনিজন শিক্ষাৰ্থী শিক্ষক লগত লৈ গৈ জাহাজৰ তলৰ খাপৰ মজিয়াত ভৰি দিছোঁগৈ মাথোন, এনেতে আমাৰ ডিৰেক্টৰ ভোলানাথ বুথ চাহাবে ওপৰৰপৰা উৰুলীকৃত হৈ হাবি ভাঙ্গি বেগ দিয়া গজেন্দ্ৰৰ দৰে আগত পোৱা যাত্ৰী, খালাচী আদিক মহতীয়াই নামি আহি খটখটীৰ শেহৰ খাপি পাওঁতেই মোৰ মুখলৈ চাই খলখলাই হাঁহি এই বুলি আদৰি নিলেহি, "Hallo ! you have come at last ? I am so very pleased !" বৰকটকীদেৱৰ সেই ক্ষণৰ অপায় উটাই নিয়া মিচিকিয়া মোহিনী হাঁহিটি আজিও মোৰ সোঁৱৰণীত তিৰবিৰাই জিলিকি আছে।

কবলৈ পাহৰিছো, জব্বলপুৰ যাত্ৰাৰ আগদিনা মোৰ শ্ৰদ্ধাস্পদ পণ্ডিতদেৱৰ ( 'বন্তি'-সম্পাদক ৺জয়দেৱ শৰ্মা পণ্ডিত ) ওচৰত বিদায় লোৱাৰ কথা। সেই এদিনা মাথোন সেই সদানন্দ পুৰুষৰ মুখখনিত মই এটি বিষাদৰ ৰেখ দেখা পালোঁ। তেখেতে মনটি আমোলাই অগত্যা মোক বিদায় দি কলে, "বাৰু যাওকগৈ, ঈশ্বৰে ভালে-কালে আনকগৈ, বন্তিলৈ নাপাহৰিব মাথোন।" মই এটি সন্তাপৰ হুমুনিয়াহ কাঢ়ি গেণগেণীয়া মাতেৰে উত্তৰ দিলোঁ, "বন্তিলৈ পাহৰিম ! নাপাহৰো, জীৱনত সোঁৱৰণী আছে মানে। যেতিয়াই যি কোনো প্ৰসঙ্গত, যি কোনো বিষয়ত আপুনি মোৰ পৰামৰ্শৰ প্ৰয়োজন বোধ কৰিব তেতিয়াই মোলৈ লিখিব, নাইবা অতি জৰুৰী হলে টেলিগ্ৰাফ কৰিব, মই অনতি পলমে তাৰ সমিধান দিম, বা পাৰ্যমানে সম্ভৱপৰ প্ৰতিবিধানৰ উপায় কৰিম।" ইমানকে কোৱা-কুই কৰি দুয়ো দুফালে এৰা-এৰি হলোহঁক।

তেজপুৰৰপৰা দুৰাতি ডেৰ দিন গৈ পুৱা দহমান বজাত জাহাজ গোৱালপাৰ ঘাটত চাপিলগৈ। জাহাজৰ ওপৰৰপৰা দেখিলোঁ, ডিৰেক্টৰ চাহাবক পাৰলৈ নমাই আগবঢ়াই নিবলৈ বুলি মোৰ বহু দিনৰ চিনাকি অসমীয়া তেজীমনা ডেপুটী ইন্‌স্পেক্টৰ ৺শশীধৰ বৰকাকতি এখন গুলৈয়া নাৱেৰে বোটৰ কাষ চাপি আহিব লাগিছে ; কাৰণ পানী তৰাং হেতুকে পানী-খুৰঁলিৰপৰা এশ গজমান আঁতৰত জাহাজ লগোৱা হৈছিল। সেই ছেগতে মোৰ জিম্মাত জব্বলপুৰলৈ যাবলগীয়া চতুৰ্থজন শিক্ষাৰ্থী শিক্ষক শ্ৰীমান বিপিনচন্দ্ৰ পুৰকায়স্থ আমাৰ লগ লাগিলহি। গোৱালপাৰত নামিবৰ বেলিকা ডঃ বুথ চাহাবে বাৎসল্যভাৱে মোৰ গাত ধৰি মৰম লগাই ইংৰাজীত এই বুলি বিদায় ললে, "ভালে-কালে যোৱাগৈ। ঈশ্বৰ তোমাৰ সহায় হব। কোনো কথাত ভয় নকৰিবা। মোক লাগ বুলিলেই পাবা; মাথোন টেলিগ্ৰাফ এটাৰ বন। মোৰ ঠিকনা সদায় পাই থাকিবা ; সম্প্ৰতি ইয়াৰপৰা এসপ্তাহৰ ভিতৰতে মই দিল্লীলৈ যামগৈ, মহাৰাজ সপ্তম এডোৱাৰ্ডৰ অভিষেক উপলক্ষীয় দৰবাৰত উপস্থিত হবলৈ।" মোৰ সমনীয়া বন্ধু বৰকটকীয়েও এটি চেনেহৰ আলিঙ্গন দি বিদায় ললে। আমি সেই জাহাজতে গৈ গৈ দুদিন-দুৰাতি এবেলাৰ পাচত সন্ধিয়া পৰত গুৱালগু পালোগৈ। তাৰপৰা ৰেলেৰে গৈ পিচদিনা পুৱা দহমান বজাত কলিকতা পালোঁগৈ। তাতে 'হিন্দু আশ্ৰম'ত এবেলা-এৰাতি জিৰাই পিচদিনা আবেলি বেলিকা ৰেলত উঠি জব্বলপুৰ উদ্দেশ্যে যাত্ৰা কৰিলোঁ। ৰেল গৈ পিচদিনা পুৱাবেলিকা বিলাসীপুৰ আড্ডাত ৰলগৈ। তাতে ৰেল সলাই আন এখন ৰেলত উঠিবৰ কাৰণে আমি যাত্ৰীবিলাক নামি পৰিলোঁ। এবেলাৰ কাৰণে নামি ভাত-পানী খাবলৈ দিহা লগালোঁ। আৰু ইতিছেগতে গৰু-গাড়ীৰ টঙাত উঠি মই বিলাসীপুৰ নগৰখন চাই আহিলোঁগৈ। ভাত-পানী খাই উঠি নানা ঠাইৰ নানা যাত্ৰী একে ঠাই হৈ একেটা মুকলি ঘৰতে বহি জিৰাইছোঁ, এনেতে এযোৰা অতি সুশ্ৰী নৱদম্পতী যাত্ৰীৰ ওপৰত চকু পৰাত মোহ লাগি দুয়োটিকে মই চাই ৰলোঁ। সিবিলাক দুটিয়েও মোৰ মুখলৈ চাই ৰৈছে, এনেতে পি. ই. উ. ৰেলৰ ৰিঙ্গি শুনি আটাইবিলাক গিৰিপ্ গিৰিপ্কৈ উঠি ৰেলত লৰালৰিকৈ উঠিবলৈ সক্ষম হলোঁহঁক,—নীৰৱে অচিনাকি চিনাকি সেই যুগলমূৰ্তি মোৰ হিয়াতে ৰৈ গ'ল, আজিও আছে। তাৰপৰা আকৌ এবেলা-এৰাতি এবেলা গৈ জব্বলপুৰ পালোঁগৈ। ষ্টেচনত নামিছোঁ মাথোন এনেতে এডাল হাতী ফই যেন দীঘল ৰচা দু-মুৰে দুটা চিপাহীয়ে টানি ধৰি আমাক আগচি ধৰিলে। আমি অবাক। পিচে অলপ পিচতে এজন ইউৰোপীয়ান পুলিচ চাহাব আহি পৰিল। তেওঁৰপৰা জানিব পাৰিলো যে সেই অঞ্চলত প্লেগ ৰোগৰ প্ৰকোপ চৰা হোৱা হেতুকে নাম-ধাম লিখি নোলোৱাকৈ কাকো কলৈকো যাবলৈ এৰি দিয়া নাযায়। মই গতিক বুজি ততালিকে উত্তৰ দিলো বোলো, "আমি অসমৰপৰা আহিছোঁ, ফুলাৰ চাহাবৰ মানুহ।" বহলাই কোৱাৰ সকাম নাই, ফুলাৰ চাহাবৰ নাম লোৱা মাত্ৰে পুলিচ চাহাবজনে আথে-বেথে আমাক লগত লৈ গৈ এটি জিৰণি ঘৰত সুন্দৰকৈ দিহা লগাই থলেগৈ। জব্বলপুৰত তাৰ ভূতপূৰ্ব কমিচনাৰ মিঃ ফুলাৰ চাহাবৰ বৰ নাম।

# পঞ্চবিংশ সৰ্গ

## আদৰাঙ্গী ৰহস্য

আমি সেই জিৰণিঘৰতে প্ৰৱসুৱাৰ ড্ৰুপৰীয়াৰ ভোজন সমাপন কৰি উঠি ক্ষন্তেক কাল জিৰাইছোঁ মাথোন, এনেতে সেই ৰেলৰে পুলিচ চাহাবজন আহি উপস্থিত। মই অতি চমুকৈ আমাৰ জব্বলপুৰ আগমনৰ উদ্দেশ্য ব্যাখ্যা কৰি, তেওঁৰ পৰামৰ্শ বিচাৰিলোঁ আমি কি সহজ উপায়েৰে আমাৰ আগন্তুক কাৰ্যক্ষেত্ৰত নামিব পাৰিম। তেওঁ সহানুভূতিযুত মুখ আমোলনিৰে সৈতে সমিধান দিলে যে উপস্থিত সমস্যাত তেওঁ আমাক সেই বিষয়ে উপায় বুধি দিবলৈ অপাৰগ, কাৰণ প্লেগ সংক্ৰামক ব্যাধিৰ প্ৰকোপত সেই সময়ত জব্বলপুৰ সদৰৰ অফিচ-কাছাৰী, স্কুল-কলেজ আদি অনিশ্চিতভাৱে বন্ধ; তেওঁ মাথোন ইমানকে সহায় কৰিব পাৰিব যে যুগুত ব্যৱস্থাৰ অৰ্থে মোক লগত লৈ গৈ ডেপুটী কমিচনাৰ চাহাবৰ আগত মোক ভেটাই দিবগৈ। সেইবাবে মই তেওঁৰ শলাগ লৈ কলোঁ, যে সিমানখিনি উপকাৰ পালেও বহুত বুলি মানিম; কিয়নো মই গৱৰ্ণমেণ্ট ডেপুটেচনত যোৱা এজন কৰ্মচাৰী, গতিকে চৰ্কাৰী কাকত-পত্ৰাদি জিলাৰ গৰাকীক দেখুৱাব পাৰিলেই আমাৰ কাৰ্যৰ নিশ্চয় এটা গতি লাগিব। সেই অনুসৰি মোৰ শিক্ষাৰ্থী শিক্ষককেজনক জিৰণি বহাতে থৈ, মই পুলিচ চাহাবজনেৰে সৈতে গৈ ডেপুটী কমিচনাৰ চাহাবৰ বঙলাত উপস্থিত হলোঁ। ডেপুটী কমিচনাৰ চাহাবে আথে-বেথে মোক ভিতৰলৈ মাতি নি বহুৱাই লৈ, মই লগত লৈ যোৱা চৰ্কাৰী কাকত-পত্ৰ পঢ়ি চাই এই বুলি আক্ষেপ কৰি উঠিল, "Oh I am so sorry, I can't help you; all offices are indefinitely closed owing to raging of plague at present. However some arrangement must be made for you!" এই বুলি তেওঁ ততালিকে কলেজৰ একটিং অধ্যক্ষ অধ্যাপক ৰেংলাৰ মিঃ পি. চি. দত্ত চাহাবলৈ এখন চিঠি লিখি দি, সেই পুলিচ চাহাবৰ সাহায্যত মোক দত্ত চাহাবৰ বঙলালৈ পঠিয়ালে। আমি গৈ পোৱা মাত্ৰকে দত্ত চাহাবে অতি ৰং মনেৰে কাৰ্যতৎপৰ হৈ আমাৰ লগতে সেই জিৰণি বহালৈ আহি আমাক অনতিপলমে নি কলেজৰ গাতে লগা উদং বোৰ্ডিঙত দিহা লগাই থলেগৈ। সেই দিহামতে আমিও আমাৰ খোৱা-শোৱা আদিৰ সুবিধা-জনককৈ দিহা লগাই ললোঁহক। তাৰ পাচত সেই সুবহুল কলেজ বোৰ্ডিঙৰ চাৰিওফালে চকু ফুৰাই চাই এনে লাগিল, যেন আমি এটা আহল-বহল নিজান ফাটেকত সোমালোঁগৈ! ডুপুৱামান মাটি জোৰা সেই টোলৰ দক্ষিণ সীমা জুৰি প্ৰকাণ্ড কলেজ ঘৰটো; পুব আৰু উত্তৰ সীমাত দুশাৰী ছাত্ৰ বহা বা বোৰ্ডিং আৰু পছিম সীমাত এখন খোৱা বস্তুৰ গোলা আৰু এখন ছাত্ৰৰ লাগতিয়াল বিবিধ বস্তু বেচা দোকান; তাৰ উত্তৰ-দক্ষিণ মুৰে দুটা কলেজৰ আৰু বোৰ্ডিঙৰ চৌকীদাৰ, চাপৰাচী আৰু অন্যান্য আলধৰা চাকৰ-নাকৰ আদি থকা দীঘলীয়া ঘৰ; মাজতে প্ৰকাণ্ড চাপৰি, তাতে ছাত্ৰবৰ্গে পুৱা-গধূলি বল, ফুটবল, টেনিচ,

ক্রিকেট, কচৰৎ আদি ব্যায়াম অভ্যাস কৰাৰ চিন্‌চাব আছে, কিন্তু তাৰ কাৰ্য আৰু কাৰ্য-কাৰক নাই,—কেউপিনে শূন্য! শূন্য!!—চাই চাই থাকোতে মোৰ সোঁৱৰণীত "I am monarch of all I survey" ইংৰাজী কবিতাফাকি তিৰবিৰাবলৈ ধৰিলে, মই উদাস ভাৱৰ এটা দীঘলীয়া হুমুনিয়াহ কাঢ়ি উঠি ততালিকে মোৰ মন ওমলোৱা উপায়-বুধি কাৰ্য-তৎপৰতাত ধৰিলোঁ। যি হওক, সৰবৰহী দত্ত চাহাবে কথা দি যোৱা অনুসৰি পিচদিনাৰে-পৰা পুৱা-গধূলি আহি এক-আদঘণ্টাকৈ মোৰে সৈতে বিবিধ বিষয়ক কথা-বাৰ্তা পাতি আমাৰ মনৰ অশান্তি শাম কটাবৰ চেষ্টাত ধৰিলে; মই নিজেও লগত লৈ যোৱা অসমৰ এণ্টেঞ্চ পৰীক্ষাৰ প্ৰশ্নোত্তৰ কাকতৰ টোপোলা মেলি লৈ, হাতে-কামে লগা হৈ মনক দুখ-চিন্তালৈ আজৰি নিদিবলৈ উপায় উলিয়াই ললোঁ। শিক্ষাৰ্থী শিক্ষক চাৰিজনকো সেই সুবহল খেলচাপৰিত অসমীয়া ৰংধেমালি আদি কৰি সিবিলাকৰ মনত উলাহ লগাই থাকিবলৈ দিহা লগাই দিলোঁ।

এইভাৱে কেদিনমান গৈছে, এনেতে এদিন এখন 'বন্তি'ৰে সৈতে ৺জয়দেৱ শৰ্মা পণ্ডিতদেৱৰ এখন চিঠি পাই চিন্তাত তল গলোঁ। সেই 'বন্তি'খনত প্ৰকাশিত হোৱা এখন 'প্ৰেৰিত-পত্ৰ'ৰ কেইশাৰীমানৰ তলত আঁচমৰা কথাৰে সৈতে পণ্ডিতদেৱৰ চিঠিৰ কথা বিজাই চাওঁ যে পত্ৰত ছপা হোৱা 'আদৰাঙ্গী' শব্দ এটাৰ বাবে অপমানিত বোধ কৰি আৰু অত্যন্ত ৰুষ্ট হৈ শিৱসাগৰৰ 'ডমিচাইল্ড' বঙ্গালী ডেকা এজনে 'বন্তি' সম্পাদকৰ বিৰুদ্ধে এটা মানহানিৰ গোচৰ কৰিছে। সেই অভাৱনীয় আপদত মোৰ পৰামৰ্শ বিচাৰি সম্পাদক পণ্ডিতদেৱে সেইখন জৰুৰী চিঠি মোলৈ লিখিছিল। শিৱসাগৰৰ ৺গঙ্গাগোবিন্দ ফুকন চাহাব প্ৰমুখ্যে কেইজনমান 'বন্তি'বান্ধৱ আৰু তেজপুৰৰ জনদিয়েক 'বন্তি'ৰ পৃষ্ঠপোষক আৰু হিতাশী ভদ্ৰলোকে পণ্ডিতদেউক পৰামৰ্শ দিছিল 'বন্তি'ত ক্ষমা প্ৰাৰ্থনা প্ৰকাশ কৰি গোচৰটো মিট্‌মাট কৰিবলৈ, পিচে তেনেবোৰ উপযাচি দিয়া পৰামৰ্শলৈ আওকাণ কৰি তেখেতে তলে তলে মোৰ পৰামৰ্শ পাবলৈ বুলি ততালিকে মোলৈ সেই চিঠি লিখে। বিষয়টোৰ সাৰ টোকা এই—দুই পুৰুষমান শিৱসাগৰত বাসকৰা ডমিচাইল্ড বঙ্গালী ঘোষ পৰিয়ালৰ ডেকা প্ৰাৰ্থী এজনে স্থানীয় সমান শিক্ষিত অসমীয়া ডেকা প্ৰাৰ্থী এজনক চেৰ পেলাই স্থানীয় গৱৰ্ণমেণ্ট হাইস্কুলত মাষ্টৰী চাকৰি এটা লাভ কৰাত, অসমীয়াজনে ৰোহ পাতি এই বুলি গৰ্গৰাই উঠিল, "উঃ একে সমান যোগ্যতাৰ প্ৰতিযোগিতাত আদৰাঙ্গী প্ৰাৰ্থীয়ে অসমীয়াক চাট্ পেলাই চাকৰি পায়। ই কেনে অবিচাৰ!" মই বিমোৰ হৈ ভালেমানপৰ দকৈ গুণি-ভাবি চাই পণ্ডিতদেউলৈ এই পৰামৰ্শৰে সৈতে সমিধান দি পঠিয়ালোঁ, "ক্ষমা প্ৰাৰ্থনা বাঞ্ছনীয় নহয়, বৰঞ্চ আদালতৰ সুবিচাৰ প্ৰাৰ্থনা কৰাটোহে শ্ৰেয়ঃ। মোৰ মনেৰে এইভাৱে বিচাৰকৰ আগত কৈফিয়ৎ দিলেই গোচৰ ফুচ্‌ফাচ্ হৈ যাব আৰু অযাচিত মিটমাটৰ ফল পোৱা যাব। যেনে সেই 'আদৰাঙ্গী' শব্দটো প্ৰকৃততে আদৰাঙ্গী নহয় আদষাঙ্গীহে; ভালকৈ মনি চালেই বুজা যাব, আদষাঙ্গী শব্দই ষাঙ্গী বা সাঙ্গী ভাৰ বওঁতাক বা ভাষা কওঁতা দোভাষীক বুজায়; এতেকে সেই শব্দই কাৰোবাৰ মানহানি কৰিছে যদি লেখক আৰু গুচৰীয়াৰ মান সমানে হানি কৰিছে; সেই-

বাবে অকল এপক্ষ অকলে বিতুষ্ট হোৱাৰ কোনো যুক্তি নাই। কিয়নো সাঙ্গিভাবৰ ভৰ যুটীয়া ভাৰী দুজনৰ ওপৰত সমানে পৰে। সেই সত্য অৰ্থমূলক শব্দ প্ৰয়োগৰ বাবে পত্ৰলেখক সাম্য-ভাবৰ বাবে প্ৰশংসনীয়হে।" সিংহৰ নিচিনা সাহী পুৰুষ ৺জয়দেৱ শৰ্মা পণ্ডিতদেৱে মোৰ সেই পৰামৰ্শকে সাৰোগতকৈ লৈ কাকো একো নকৈ আপোন মনেৰে শিৱসাগৰলৈ গৈ মেজিষ্ট্ৰেটৰ আদালতত বুকু ফিন্দাই থিয় দি নিৰ্ভীক চিতেৰে ওপৰত আভাস দিয়া কৈফিয়ৎ জবাব দিলেগৈ। আমাৰ পক্ষৰপৰা চৱাল-জৱাবৰ কাৰণে উকিল ধৰা নাই; কিন্তু অপৰ পক্ষই সেইকালৰ নামজ্বলা প্ৰধান উকীল ৺অক্ষয়কুমাৰ ঘোষ বি. এল. মহাশয়ক থিয় কৰাইছিল। পিচে 'বন্তি'ৰ সম্পাদক পণ্ডিতদেৱৰ কৈফিয়ৎ শুনি অসমীয়া ভালকৈ বুজা সেই প্ৰখ্যাত বঙ্গালী উকিলজন অবাক হল আৰু অসমীয়া মেজিষ্ট্ৰেট হাকিমজনে খল্‌খলাই হাঁহিবলৈ ধৰিলে। অভিমানত ওফন্দি থকা বিপক্ষদল জঁই পৰিল। গোচৰ ডিচ্‌মিচ্‌ হোৱাত ৰণজয়ী জয়দেৱ পণ্ডিতদেৱৰ ৰঙ্গা মুখ আনন্দত সন্ধিয়াৰ বেলি যেন ৰঙ্গা হৈ উঠিল; আৰু অপৰ পক্ষৰ মুখ অনুতাপৰ ভাপত ডেই ক'লা পৰিল। শ্ৰদ্ধাস্পদ পণ্ডিতদেৱে তাৰেপৰা অনতিপলমে বিজুলী বাতৰিৰে মোক সেই ৰণজয়ৰ শুভসংবাদ জ্ঞাপন কৰিলে;—মই উপস্থিত কেইবাটাও সমস্যাপূৰ্ণ জঞ্জালৰ মাজত এফেৰি সকাহ পালোঁ।

## নাগপুৰ যাত্ৰা

জব্বলপুৰত অনিশ্চিতভাৱে বন্ধ থকা চৰ্কাৰী কাৰ্যালয়বিলাক কেতিয়াকৈ খোলা হব তাৰ নিশ্চয়তা পাবলৈ বুলি সেই কলেজ টোল নিজান ফাটেকৰ ভিতৰতে উগুল-থুগুলকৈ দিন নিয়াব লাগিছোঁ; কিন্তু সেই বিষয়ে কোনো সন্তেদ নাপাওঁ,—পাওঁ মাথোন দিনৌ ২৪ ঘণ্টাৰ ভিতৰত প্লেগ ব্যাধিত কেইশকৈ মানুহ মৰে তাৰ লেখটো। দিনত গড়ৰ বাহিৰৰপৰা মানুহৰ মাত শুনিবলৈ নাই, নিজান গহীন ৰাতি হলেৌ বান্দৰৰ আকুল কোঢ়াল আৰু গছৰ ডালৰপৰা নিয়তি চৰাইৰ নি-ই-ওঁ শব্দ ইত্যাদি বুকু কঁপোৱা ধ্বনি মাথোন পৰে পৰে কাণত পৰেহি। শুনি শুনি মোৰ সাহৰ আশ্ৰয়ত বাস কৰা পৰদেশী প্ৰৱসুৱা শিক্ষাৰ্থী শিক্ষক চাৰিটিয়ে মোৰ ফালে চকু থিৰ কৰি চাই চাই তবধ লাগে, মই সিবিলাকৰ ভাব-গতি বুজি মাজে মাজে গহীনাই একোটা সঁহাৰি দি, বা একেষাৰ মাত লগাই সিবিলাকৰ ভয় ভাঙ্গি থাকোঁ। দিনত দুবেলা মাথোন সেই একেখনি মানুহৰ মুখ,—মিঃ দত্ত চাহাবক দেখা পাওঁ; তেখেতে পাৰ্যমানে দীঘলাই আমাৰ লগত বিপদবন্ধুস্বৰূপে নিতৌ বিবিধ বিষয়ক কথা-বাৰ্তা পাতি আমাৰ মনত ৰং লগাই বুকুত সাহ দি যায়হি। এইদৰেই যাপিলোঁ নাযায়-নুপুৱাই যেন ডেৰ সপ্তাহমান, তথাপি একো এটা নিশ্চয়তা নাপালোঁ। সদৌশেহত দত্ত চাহাবৰে সৈতে পৰামৰ্শ কৰি ইয়াকে স্থিৰ কৰিলো, উপস্থিত সমস্যাত আমি কি কৰা উচিত। সেই বিষয়ে উপদেশ সুধি আমাৰ ডিৰেক্টৰ ডাক্তৰ বুথ চাহাবলৈ টেলিগ্ৰাফ কৰাটো স্থিৰ কৰা হল। তেতিয়াই দুয়ো মিলি মছাবিদা কৰি দিল্লী দৰবাৰৰ সংযোগত থকা অসমৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ চাহাবলৈ এটা দীঘলীয়া চৰ্কাৰী টেলিগ্ৰাম দিলোঁ। তাৰ সমিধান পিচদিনা এইবুলি

পোৱা হ'ল—"Proceed Nagpur without delay, see Mr. Monro, detailed instruction follows." অৰ্থাৎ একাচেকা ভোলানাথ বুথ চাহাবে আমাৰ আগলি যাত্ৰাৰ কথালৈ মনত কৰি, মই আকৌ জব্বলপুৰৰপৰা উলটি আহোঁ বুলি আশঙ্কা কৰি ততালিকে বিজুলী বাতৰিৰে এই বুলি আদেশ দি পঠিয়ালে, "অনতিপলমে নাগপুৰলৈ গৈ মিঃ মনৰো চাহাবক (Director General of Public Instruction, Central Provinces) সাক্ষাৎ কৰিবাগৈ : সবিশেষ উপদেশ ডাকত যাব লাগিছে।" সেই অনুসৰি আমি নাগপুৰ যাত্ৰালৈ সষ্টম হলোঁহঁক। কিন্তু যোৱাৰ আগতে জব্বলপুৰ নগৰখন এবাৰ ভালকৈ চাই যাবৰ ইচ্ছা মোৰ মনত প্ৰবল হৈ উঠিল ; মোৰ শিক্ষাৰ্থী শিক্ষককেইজনেও সেই ইচ্ছা মোৰ আগত আগ্ৰহেৰে প্ৰকাশ কৰিলে। গতিকে মই নিজে দত্ত চাহাবৰ বঙ্গলালৈ গৈ তেওঁৰে সৈতে যুক্তি কৰি আমাৰ নগৰ ভ্ৰমণৰ দিহা লগাই আহিলোঁগৈ ; পিচদিনা পুৱা ৭ বজাৰপৰা দহ-বজালৈ আৰু আবেলি ৩ বজাৰপৰা ৬ বজালৈকে দত্ত চাহাবে দয়া কৰি যোগান দিয়া দুখন বলদী টঙাত উঠি আমি নগৰখন চাৰিচুক মাৰি চাই ললোঁহঁক। চাই আমি বৰ তৃপ্তি লাভ কৰিলোঁ, বিশেষকৈ মই ! জব্বলপুৰ নগৰখন বাস্তৱতে এখনি মনোৰম ঠাই ; ইয়াত ঠায়ে ঠায়ে ঘাইকৈ ৰেল ষ্টেচনৰ পাৰৰ প্ৰকাণ্ড চাপৰিটোত পৰ্বতীয়া চানেকিৰ মনোমোহা দৃশ্য দেখা পালোঁ—স্বাভাৱিক নিজম সেই সেউজীয়া চাপৰিটিত মাজে মাজে ক'লা, বগা, সেউজীয়া একোটা বৰপাচি যেন একো একোটা ধুনীয়া শিলৰ চপৰাই আসন পাতি আলহীক জিৰাবলৈ আহ্বান কৰা যেন লাগি যায়। মই সেই আহ্বান গ্ৰহণ নকৰাকৈ থাকিব নোৱাৰিলোঁ। প্লেগে যেদি নপঠিওৱা হলে ভালদৰে আৰু কেদিনমান হেঁপাহ পলুৱাই চাবৰ মন আছিল। জব্বলপুৰত সেই শেহৰ দিনা ফুৰি ফুৰি আবেলি পৰত এখন চাহাবী বেহানি বেচা ডাঙৰ দোকানত সোমালোঁগৈ। তাত ভাগে ভাগে পৰিপাটিকৈ সজাই থোৱা বিবিধ বস্তু-বেহানি চাই পাক এটা দিছোঁ, এনেতে ঠুনুক্-ঠানাকৈ বাট বুলিব পৰা ছোৱালী এটিৰ হাতত ধৰি পুতলা বেহা কৰা এগৰাকী মেমচাহাবৰ সৈতে ভেটা-ভেটি হলোঁহক। সেইখিনিতে ঠমক খাই ৰৈ সেই পুতলা যেন ছোৱালীকণৰ মুখলৈ একেঠৰে চাই ৰ' লাগিলোঁ। মেমগৰাকীয়ে ভাবতে মোৰ অপত্য স্নেহৰ গম ধৰি সহানুভূতিৰ চকুৰে মোলৈ চাই ৰৈছে, এনেতে ময়ো তেওঁৰ মনৰ ভাব বুজি এই বুলি মাত লগালোঁ, "ময়ো এইকণৰ নিচিনা মোৰ ছোৱালী একণ ঘৰত মাকে সৈতে এৰি থৈ এই বহু দূৰত প্ৰবাস খাটিছোঁহি।" এইবুলি ছোৱালীকণক চুমা এটি দি এৰা-এৰি হলোঁহক। পিচদিনা পুৱা দহমান বজাত আমাক দত্তচাহাবে সেই ছাত্ৰাবাস ফাটেকৰপৰা খালাচ কৰি নি নাগপুৰলৈ যোৱা ৰেলত অতি যতনেৰে তুলি দিলেগৈ। ৰেলে আমাক লৈ উঁকি মাৰি ছুটী মেলিলে ; লাহে লাহে মৰমৰ দত্তচাহাবৰে সৈতে ধুনীয়া জব্বলপুৰৰপৰা আঁতৰি গৈ নেদেখা-নেদেখি হলোঁহক। তাৰ পাচত বহুদূৰ গৈ আবেলিপৰত ৰেলে সৈতে এক অপূৰ্ব পাতাল-তলীয়া সুৰঙ্গত (tunnel) সোমালোগৈ। ঘোপমৰা আন্ধাৰত উশাহ নিৰোধ হয় যেন লাগিল। কাৰো মুখ কোনেও নেদেখাকৈ সেই-ভাৱে মিনিটচেৰেক যাওঁতেই চাঁত কৰে আকৌ পোহৰত ওলালোঁগৈ। নিমিষতে সেই

কৌতুহল ভাগি যোৱা হৰষত মন পুলকিত হৈ উঠিল। উলটি চাওঁ যে এটা প্ৰকাণ্ড পৰ্বত এৰাই আহিলোঁ—মনত হল সেয়ে বিন্ধ্যাগিৰি নেকি? মোৰ সেয়ে প্ৰথম টানেল (tunnel) দেখা। পিচদিনা পুৱা গোদাবৰী নৈৰ পাৰত ৰেল অলপ পৰ ৰৈছিল, ৰওঁতেই মোৰ মনত এনে ধাউতি হৈছিল, যেন নামি গৈ সেই পুৰাণ প্ৰসিদ্ধ পবিত্ৰ নৈৰ পানী এচলু মুৰত লৈ হৃদয় শীতল কৰোঁ। পিচে তাৰ নিমিত্তে ৰেল জিৰণিৰ সময় নহলগৈ। তাৰ পাচত ৰেলত লৰি লৰি আবেলি পৰত নাগপুৰ ৰেল ষ্টেচন পালোঁগৈ। আমি ৰেলৰপৰা নামিবলৈ সষ্টম হৈছোঁহঁক, এনেতে ডিৰেক্টৰ জেনেৰেল মিঃ মনৰো চাহাবৰ আদেশত আগবাঢ়ি যোৱা চৰ্কাৰী চাপৰাচী দুটাই মোৰে সৈতে দুটা-চাইটা কথা পাতি আমাক চিনি লৈ আথে-বেথে নমাই আনি, সাজুকৈ থোৱা দুখন বলদী টঙ্গা গাড়ীত তুলি মাল-বস্তুৰে সৈতে এটাই মোৰ শিক্ষাৰ্থী-শিক্ষককেজনক বাজে বাজে যথা ঠাইলৈ লৈ গল, ইটোৱে মোক ইথন গাড়ীৰে নি নৰ্মাল স্কুলৰ চুপাৰিন্‌টেনডেন্টৰ বঙ্গলাত উপস্থিত কৰালেগৈ। চুপাৰিন্‌টেনডেন্ট এজন মহাৰাষ্ট্ৰী ভদ্ৰলোক। সেইসময়ত তেওঁ ঘৰৰপৰা ক্ষন্তেকমান আঁতৰ হৈছিল; গতিকে তেখেতৰ সহধৰ্ম্মিনীয়ে দুতলাৰপৰা নামি আহি মোক বৰ আদৰ-সাদৰকৈ তুলি নি যান সৎকাৰেৰে বহুৱাই লৈ চাহ-জলপানেৰে শুশ্ৰূষা কৰি থাকোতেই গৃহস্থ চুপাৰিনটেন্‌ডেন্টজন পালেহি। তেতিয়াও সেই পৰ্দানশিনী মুকলিমনা মুকলিমুৰীয়া সুশিক্ষিতা মহাৰাষ্ট্ৰী মহিলা গৃহিণী গৰাকীয়ে ভাঙ্গেমান পৰলৈ সুধালাপ কৰি মোক মোহিত কৰি আছিল। এই ছেগতে নাগপুৰীয়া জলপানৰ স্মুৰদিৰকম একণ মোৰ সোঁৱৰণীত কৰ্হালমাৰি লাগি ৰ'ল। দাক্ষিণাত্যৰ প্ৰায় সদৌ ঠাইতে ব্যৱহৃত জলপানৰ চানেকিস্বৰূপ সেইদিনাৰ নাগপুৰীয়া নতুন ৰকমৰ জলপানটি পৰম তৃপ্তিৰে উপভোগ কৰিলোঁ; কিন্তু আৰ্যাবৰ্তীয়া জলপানৰ সোৱাদৰ ৰকম তাত নাই। দাক্ষিণাত্যীয় জলপানৰ সমলবোৰ কৰ্কৰীয়া, মৰ্মৰীয়া, জৰ্জৰীয়া, নীৰস, গোটা,—আৰ্যাবৰ্তীয়া জলপানৰ দৰে কৰ্কৰীয়া, লেৱা জুলীয়া নহয়—অসমীয়া আখৈ, কড়াই, তিলপিঠা, বৰপিঠা ইত্যাদিৰ লগত অলপ মিলে,—সন্দেশ, ৰসগোল্লা, পানতোৱা, লুচী, পুৰী তাৰ মাজত নাই। চাহ পিয়াৰ ৰীতি সেই অঞ্চলত নাই। তাৰ ঠাই মিঠা চৰবতে পুৰায়। ফলাহাৰৰ ভিতৰত কলমৌ আৰু মধুৰিয়াম প্ৰচুৰ। কিন্তু প্ৰথমছোৱা আলাপতে সেই সাদৰী গৃহিণী গৰাকীয়ে মোৰ চিনাকিৰ আভাস পাই থৈছিল মই অসম দেশৰ অসমীয়া মানুহ বুলি। অসম দেশ যে চাহৰ বাবেই প্ৰখ্যাত এই কথাও তেখেতৰ মুখেই ব্যক্ত হৈছিল। গতিকে চৰবত গিলাচ আগবঢ়াই দিওঁতেই তেখেতে আপোনা-আপুনি অলপ পৰ গমি চাই মোৰ প্ৰতি হাঁহি হাঁহি এই বুলি সাদৰেৰে সুধিলে, "আপুনি চাহ খোৱা দেশৰ মানুহ গতিকে চাহ এটুপিৰে শুশ্ৰূষা কৰিব পাৰিলেহে বেছি তৃপ্তি পাব বোধকৰোঁ?" মই সেই সাদৰী প্ৰশ্নৰ সাদৰী সমিধান দিবলৈ নৌ পাওঁতেই তেখেত গিৰিসাই উঠি ভিতৰলৈ সোমাই গ'ল; আৰু এখনমান তামোল খোৱা পৰৰ পাচত এখন চকচকীয়া পাথৰৰ থালৰ ওপৰত এটা আঁৰ্চী যেন ফটফটীয়া বগা কাঁচৰ বাটিৰে এবাটি তৈয়াৰী চাহপানী এখনি স্বৰূপৰ চামুচে সৈতে নিজহাতে আনি মোৰ আগত দাঙ্গি ধৰিলে; মই আথে-বেথে হাতপাতি লৈ অন্তৰে সৈতে তেখেতৰ

শলাগ ললোঁ। বহলাই নকলেও হব যে সেই একে সময়ত সিফালে আন এটা কোঠাত মোৰ লগত যোৱা শিক্ষাৰ্থী শিক্ষক চাৰিজনকো চাহ-জলপানেৰে তৃপ্তি পলুৱাই শুশ্ৰূষা কৰা হৈছিল। তাৰ পাচত সেই শুশ্ৰূষাৰ সামৰণত গৃহস্থ চুপাৰিন্‌টেনডেণ্টজনে মোৰ লগতে গৈ শিক্ষাৰ্থী শিক্ষক চাৰিজনেৰে সৈতে নৰ্মাল স্কুলৰ ছাত্ৰাবাসত (boarding) সুন্দৰকৈ দিহা লগাই থলেগৈ।

# ষড়বিংশ সৰ্গ

## 'দেশী কছৰৎ' শিক্ষাৰ আৰম্ভণ

পাচদিনা ৰাতিপুৱা মিঃ মনৰো ডিৰেক্টৰ জেনেৰেল চাহাব (Director General of Public Instruction, Central Province) নৰ্মাল স্কুলৰ চুপাৰিন্‌টেনডেণ্ট আৰু নাগপুৰৰ স্কুল ইন্‌স্পেক্টৰ চাহাবৰে সৈতে নৰ্মাল স্কুল বোৰ্ডিঙত আমাৰ প্ৰবাসী বহাত উপস্থিত হলহি। সেই পকী বহাৰ বাৰাণ্ডাত যথাসৎকাৰেৰে বহিবলৈ দিয়াই লৈ মই সিবিলাকৰে সৈতে আলাপ-আলোচনাত বহিলোঁ। তেতিয়াই স্কুল ইন্‌স্পেক্টৰ চাহাবে কছৰৎ শিক্ষকজনকো মতাই অনালে। সিবিলাকে মোৰ মুখে আমাৰ নাগপুৰ যাত্ৰাৰ (Nagpur Deputation) বিষয়ে আদ্যোপান্ত শুনি লৈ এই স্থিৰ কৰিলে যে সেই দিন ধৰি মোৰ শিক্ষাৰ্থী শিক্ষককেইজনে সম্পূৰ্ণকৈ কছৰৎ শিক্ষা লাভ কৰি নুঠালৈকে, জেনেৰেল ফিল্ডৰপৰা (General field) উঠাই আনি নৰ্মাল স্কুলৰ বহল চোতালৰ ভিতৰ ফিল্ডত কছৰৎ শিক্ষা দিয়া ব্যৱস্থা চলিব, যাতে মই বহাৰপৰাই চাই চিন্তি মোৰ অসমীয়া মেনুৱেল প্ৰণয়ন কৰিবলৈ সুচল হয় আৰু ইন্‌স্পেক্টৰ চাহাবে অনতিপলমে তাৰ সুদিহা কৰিব। এই সিদ্ধান্ত দিয়াৰ পাচত সিবিলাকে মোৰ মুখে মোৰ দেশ অসমৰ বিষয়ে কিঞ্চিৎমান শুনিবলৈ আগ্ৰহ দেখুৱালে। মই পাৰ্যমানে চমুকৈ প্ৰকৃতি জীয়াৰী অসম মাতৃৰ প্ৰাকৃতিক, সাহিত্যিক, সামাজিক, ৰাজনৈতিক, প্ৰত্নতাত্ত্বিক আৰু বুৰঞ্জীমূলক তথ্যাদি বিষয়ে এটি বিশদ বৰ্ণনা দিলোঁ। শুনি সিবিলাক বিশেষকৈ মিঃ মনৰো পুলকিত হোৱাৰ চিন দেখা পালো। মহাৰাষ্ট্ৰা চুপাৰিন্‌টেনডেণ্টজনে অলপ আচৰিতভাৱে এইবুলি তেওঁৰ মনোভাব ব্যক্ত কৰিলে, "এনেখন দেশ! কিন্তু দুখৰ বিষয় অসমৰ সুবিখ্যাত চাহ খেতিৰ বাণিজ্যত বাজে মই অদ্যাপি এই সুসভ্য দেশৰ বিষয়ে একো বুজ পোৱা নাছিলোঁ।" ইন্‌স্পেক্টৰ চাহাবে তেওঁৰ মনৰ কথা এইদৰে প্ৰকাশ কৰিলে, "সিদিনালৈকে যি দেশ ননৰেগুলেটেড প্ৰভিঞ্চৰ ভিতৰত পৰিগণিত আছিল, তাৰ শিক্ষা-সভ্যতানো কিমান উন্নত হব বুলি হেয় ধাৰণাহে মোৰ মনত আছিল।" ডিৰেক্টৰ জেনেৰেল মিঃ মনৰো চাহাবৰ অভিজ্ঞতা সিবিলাক দুজনতকৈ বহুল; তেখেতে উলাহেৰে ডাঠি এই মন্তব্য প্ৰকাশ কৰিলে, "অসম এখন পুৰণি-কলীয়া প্ৰখ্যাত দেশ বুলি মই আগৰেপৰা জানোঁ; ইয়াৰ প্ৰাকৃতিক বৰ্ণনাৰ বিষয়ে মই কেবাজনো পৰিব্ৰাজকৰ মুখে শুনি মোহিত হৈছিলোঁ। ইয়াৰ সাহিত্যিক, সামাজিক, ৰাজনৈতিক, বুৰঞ্জী বিষয়ক প্ৰতিপত্তিৰ সম্বন্ধেও মই বিস্তাৰিত বৰ্ণনা পঢ়িছোঁ—কিয়, আপোনালোকে মিষ্টাৰ গেইটৰ অসমৰ বুৰঞ্জী (History of Assam by Sir Edward Gait, K. C. S. I. Retired) পঢ়া নাইনে?" এই সামৰণী আলাপে মোক বিশেষকৈ উলাহিত কৰিলে। তাৰ পাচত সিবিলাকে মোৰ সাজ-পাৰলৈ লক্ষ্য কৰি তাৰ ভিতৰত গোটাদিয়েক বিশেষত্বলৈ আঙুলিয়াই মোক শিষ্টতা সহকাৰে সুধিলে সেয়েনে আমাৰ জাতীয় পোছাক? মই সমিধান দিলো মোৰ সেই সাজ-পাৰ আধুনিক অসমীয়া

ভদ্ৰ সমাজৰ নগৰীয়া পোছাকহে, গাঁৱলীয়া ভদ্ৰ সমাজৰ সাজপাৰৰ নমুনা চাবলৈ বুলি মোৰ শিক্ষাৰ্থী শিক্ষক শ্ৰীমান ৰতিকান্ত বৰালৈ আঙুলিয়ালোঁ। সেই সময়ত মোৰ গাত এটি 'চুট' (suit) আৰু মূৰত অসমীয়া বন্ধোৱা পাগুৰি আছিল ; আৰু শ্ৰীমান ৰতিকান্তই পাটৰ চুৰিয়া পিন্ধি গাত খনীয়া কাপোৰ একাচলীয়াকৈ লৈ মূৰত চেলেং কাপোৰৰ পাগুৰি মাৰি ওলাইছিল।

## 'দেশী কছৰৎ' প্ৰণয়ন

ইন্স্পেক্টৰ চাহাবৰ দিহা অনুসৰি কছৰৎ শিক্ষকে তৃতীয় দিনাৰপৰা মোৰ আলহী বহাৰ সমুখতে নৰ্মাল স্কুলৰ টোলৰ ভিতৰ চাপৰিত পুৱা-আবেলি মোৰ জিম্মাৰ শিক্ষাৰ্থী শিক্ষক-কেজনক কছৰৎ শিক্ষা দিবলৈ আৰম্ভ কৰিলে। সেই শিক্ষাদানৰ লগে লগে ময়ো সমুখতে মাচিয়া পৰাই লৈ সততে দিনে দুবেলা দুঘণ্টাকৈ মোৰ কছৰৎ মেনুৱেল আঁচিবলৈ লাগি গলোঁ। সেইভাৱে ডেৰমাহমান কছৰৎ শিক্ষাদান চলাৰ পাচত দেখা গল, মোৰ শিক্ষাৰ্থী শিক্ষককেজনে সেই শিক্ষাদান গ্ৰহণত ভালেখিনি আগ বাঢ়িছে, আৰু ময়ো তাৰ লগে লগে মেনুৱেল প্ৰণয়নৰ আঁচনি অৰ্ধেকমান যুগুত কৰি উঠিছোঁ। কিন্তু পাচলৈ বিনা চিত্ৰে মেনুৱেলৰ কাম আগুৱাবলৈ অসুচল বোধ কৰিলোঁ ; গতিকে নৰ্মাল স্কুলৰ চিত্ৰাঙ্কনত এজন পাকৈত ছাত্ৰৰ সাহায্যত আঁচনিৰ লগে লগে মই নিজে লাগতিয়াল চিত্ৰাদি আঁকি যাবলৈ ধৰিলোঁ। তাৰো পাচত ডন প্ৰক্ৰিয়াত কছৰৎকাৰীৰ অঙ্গভঙ্গী বিশেষকৈ এঙামুৰি দিয়া বিষয়ক বিশদ ব্যাখ্যা চিত্ৰৰ ওপৰত চকু ৰাখিও লিখিবলৈ টান লাগিল। কিয়নো নিজৰ গাত সেইবোৰ লগাই গমি নাচালে কথাৰে তাৰ ভাৱ নিয়াৰিকৈ ফুটাই লিখিব নোৱাৰি। গতিকে মই নিজে কছৰৎ কৰিবলগীয়া হল। সেই অৰ্থে কৰ্তৃপক্ষক জনাই কছৰৎ শিক্ষকে দিনে এঘন্টাকৈ মোক সুকীয়াকৈ শিকাবলৈ দিহা লগাই ললোঁ। এপক্ষমানৰ ভিতৰতে মই কছৰৎ অভ্যাসৰ লাগতিয়াল ডন প্ৰক্ৰিয়াকেইটা আৰম্ভ কৰি উঠিলোঁ। তাৰ পাচৰপৰা আপোন চিন্তালোচনাৰে সৈতে কছৰৎ মেনুৱেল লিখাত ক্ৰমাৎ আগুৱাবলৈ ধৰিলোঁ। এয়ে মোৰ কছৰৎ অভ্যাসৰ আঁতিগুৰি। তেতিয়াৰেপৰাই কছৰৎ অভ্যাস মোৰ নিত্য ক্ৰিয়াৰ লেখত সোমাল। আজিলৈকে মোৰ সেই অভ্যাস চলি আছে। মই নিতৌ শোৱাপাটী এৰিবৰ আগতে আধাঘণ্টামানকৈ সেই কছৰৎ অভ্যাস কৰোঁ। তাৰপৰা মই শাৰীৰিক উপকাৰ ভালেমান লাভ কৰিলোঁ। এই অভ্যাসৰ গুণত মোৰ শূলা, জলসাৰ, হৃৎকম্প, মূৰঘূৰণি, গাৰ বিষ ইত্যাদি ভালেমান বিকাৰ গুচিল। সি যি হওক, দুমাহমানৰ মূৰত মোৰ কছৰৎ মেনুৱেলৰ আঁচনি কৰি উঠিলো। তাৰ পাচত ধীৰে-শাঁতে মই সেই আঁচনিমতে কিতাপখন লিখিবলৈ লাগি গলোঁ। ভিতৰত মই কিতাপ লিখোঁ, বাহিৰত মোৰ শিক্ষাৰ্থী শিক্ষককেজনে পৰম উলাহেৰে কছৰৎ অভ্যাস কৰে। ইতিছেগতে মই নাগপুৰ চহৰখন ভিতৰে বাহিৰে সূক্ষ্মদৃষ্টিৰে চাই লবলৈ দিহা লগাই ললোঁ।

## পঞ্চবটী বন দৰ্শন

মধ্য প্ৰদেশৰ (Central Provinces) চীফ কমিচনাৰ চাহাবৰ ৰাজকীয় বাসভবন (Government house) নৰ্মাল স্কুল বডিঙৰ কাষতে এটি সুন্দৰ টিলাৰ ওপৰত প্ৰতিষ্ঠিত; সুপ্ৰশস্ত ৰাজআলিটোৰ ইপাৰ সিপাৰ মাথোন। সেই টিলাৰ ওপৰৰপৰা নাগপুৰ চহৰ গোটেইখন দেখি; পূবমুখে ন-দহ মাইললৈকে মুকলি দেখা যায়। আবেলি পৰত এদিন সেই টিলাৰ ওপৰলৈ উঠি যাওঁতে দুৱাৰৰখীয়া চিপাহী-চন্তৰীয়ে বাধা দি মোক আগচি ধৰিলে। সিহঁতক বুজনি দিয়া নিষ্প্ৰয়োজন ভাবি মই সিমানৰেপৰা উলটি নামিবলৈ ঘূৰিছোঁ, এনেতে ওপৰৰপৰা ৰজাঘৰীয়া ৰঙ্গা চাপকন পিন্ধা অৰ্ডালি এটা নামি আহি মোক এইবুলি সন্মান সহকাৰে ওভতাই নিলেহি "হুজুৰকো মেমচাহাব বলাতা হেঁ।" মই ততালিকে লাচতে ঘূৰি অৰ্ডালিৰ আগে আগে বঙলাৰ মুখে টিলাৰ টিঙলৈ পৰ্বতীয়া গছীন খোজেৰে উঠিবলৈ ধৰিলোঁ। সেই অকোৰা-পকোৰা বাট-ডোখৰ যাওঁতে মনে মনে ভাবি গলোঁ—যি হওক, কিবা জগৰত পৰোগে যদিও টিলাৰ টিঙৰপৰা চহৰখনৰ ওপৰত এটা সম্যক দৃষ্টি পেলাবলৈ পাম। উঠি গৈ বঙ্গলাৰ থটথটিৰ কাষ পাওঁতেই মেমচাহাব এগৰাকীয়ে আগবাঢ়ি কেইখাপমান নামি আহি মোক আদৰি নিয়াদি নি বৈঠকী কোঠাত বহুৱাই লৈ, পোনেই এইবুলি সুধিলে, "You are quite a stranger to us ; where from you please ?" মই অসমীয়া, অসম প্ৰদেশৰ-পৰা চৰ্কাৰী কামত মোৰ প্ৰদেশৰ চীফ কমিচনাৰ মিঃ ফুলাৰ চাহাবৰ প্ৰেৰিত এজন বিষয়া বুলি আভাস দিয়াত তেখেতে ততালিকে মোৰ বক্তব্যৰ আত্মোপান্ত বুজি উঠিলে। তেখেতে আপোনা-আপুনি আলাপৰ পাতনি মেলি মোক জানিবলৈ দিলে যে মিঃ ফুলাৰ সিবিলাকৰ বৰ বন্ধু লোক। তেওঁ মধ্যপ্ৰদেশৰ জব্বলপুৰত কমিচনাৰ আছিল; তাৰপৰাহে তেওঁ অসমৰ চীফ কমিচনাৰ হৈ গৈছে। মোক জব্বলপুৰ আৰু নাগপুৰলৈ পঠিওৱাৰ বিষয়ে তেখেতৰ স্বামী চীফ কমিচনাৰৰ মুখে তেওঁ কেতিয়াবাই খবৰ পাই থৈছিল। সেই সময়ত নাগপুৰত চীফ কমিচনাৰ চাহাব সপ্তাহদিয়েক নাছিল, কোনোবাফালে চফৰলৈ ওলাই গৈছিল। কিন্তু মই সেইদিনা সিবিলাকৰ টিলালৈ উঠাৰ উদ্দেশ্য মোৰ মুখে শুনি মেমচাহাবে বৰ সন্তোষ প্ৰকাশ কৰি কলে, "আপুনি যেতিয়াই মন কৰে তেতিয়াই ওপৰলৈ উঠি আপোনাৰ দৃশ্য উপভোগ কৰিবহি; সম্ভৱতঃ এগৰাকী কবি ?" মই বিনয় নম্ৰতাৰে সৈতে দুআষাৰমান কথাৰে মোৰ সাহিত্যিক সেৱা-চৰ্চাৰ বিষয়ে আভাস দি থলোঁ।

তাৰ পাচৰপৰা মই নিতৌ আবেলি একোবাৰ চীফ কমিচনাৰৰ টিলালৈ উঠোঁ, দুৱাৰত চিপাহী-চন্তৰীৰপৰা হকা-বধাৰ সলনি চৰ্কাৰী চেলাম পাওঁ। টিঙলৈ উঠি উত্তৰ ফালৰ পৰা এখনি মনোৰম ফুলনিৰ মাজত এচটা শিলৰ ওপৰত এযোৰা মানুহলৈ পাৰি থোৱা এখন বেঞ্চত নীৰলে বহি মই নাগপুৰৰ উত্তৰ প্ৰান্তৰ, বিশেষকৈ পূবফালৰ মনিব পৰালৈকে পৰ্বতীয়া দৃশ্য চাই চাই মোহিত হওঁ। মোৰ চকুত পৰ্বতীয়া দৃশ্য সেয়ে প্ৰথম নহয়; তথাপি নাগপুৰৰ পুব প্ৰান্তত সেই মোহন দৃশ্যত মোৰ ইমান ৰাপ কিয়? তাৰ চিৰন্তন সাম্যাকৃতিৰ

বিশেষত্বৰ বাবে। নাগপুৰ নগৰৰপৰা দহ মাইলমান অন্তৰত প্ৰকৃতিৰ চাহ বাগিচা যেন সমান নিমজ গছনিৰ আগেৰে পাতি থোৱা সুপ্ৰশস্ত এখনি শীতল পাটী দেৱতাৰ জিৰণিৰ কাৰণে যেন প্ৰতিষ্ঠিত ; তাৰ সমমাজত চকুচকীয়া বগা শিলৰ তিনিটি প্ৰতিমূৰ্তি দূৰৈৰপৰা ৰিণিকি ৰিণিকি জিলিকি আছে ; মোৰ প্ৰাণে উদ্বাউল দি তালৈ উৰি যাব খোজে। সেই-ভাৱেই গল এপষমান। তাৰ পাচত এদিন নৰ্মাল স্কুলৰ চুপাৰিনটেনডেণ্টজনৰ লগত আলাপ কৰোঁতে জানিব পাৰিলো সেয়ে পুৰাণ প্ৰসিদ্ধ পঞ্চৱটী পুণ্যবন ; তাতে শ্ৰীৰামচন্দ্ৰই সীতাদেৱী আৰু অনুজ লক্ষ্মণেৰে সৈতে বনবাস খাটিছিল ; সেই ৰিণিকি জিলিকি থকা প্ৰস্তৰ মূৰ্তি তিনিটি সীতা, ৰাম-লক্ষ্মণৰ প্ৰতিমূৰ্তি। পিচফালে যি এটা ফলমূলৰ দ'ম দেখা যায় সেইবোৰ তাহানি লক্ষ্মণে নাখাই থৈ যোৱা ফলাহাৰ। অৰ্থাৎ ফলাহাৰ ভোজনৰ সময়ত শ্ৰীৰামচন্দ্ৰই ভাগ বটাই লক্ষ্মণৰ ভাগ তেওঁৰ হাতত দিওঁতে 'ধৰা' বুলি কয়, 'খোৱা' বুলি নকয় কাৰণে লক্ষ্মণে সদায় তেওঁৰ ভাগৰ ফলাহাৰ হাতত লৈ পিচফালে থৈ গৈছিল হেনো। তাৰে নিদৰ্শন সেই দ'মটি। সেই ত্ৰিমূৰ্তি সমন্বিতে সেই নিমজ টিলাটিকে 'ৰামটেক' বোলে।

যি পঞ্চৱটী বনৰপৰা ৰাৱণে সীতাক হৰণ কৰিছিল, যি নাগপুৰৰ উত্তৰ প্ৰান্তেদি লঙ্কালৈ যোৱা পৰ্বতীয়া পথত লগ পাই জটায়ুৱে সীতাহৰণত প্ৰতিবন্ধকতা জন্মাইছিল সেই পুণ্যস্থান দৰ্শন কৰিবলৈ মোৰ ধাউতিয়ে মোক ভিতৰি উত্ৰাৱল কৰিবলৈ ধৰিলে। কিন্তু বৰ আক্ষেপৰ বিষয়, নাগপুৰ বসতিৰ অন্তলৈকে বহুযত্ন কৰিও সেই প্ৰাণৰ বাসনা পূৰাবলৈ সুবিধা কৰি উঠিবগৈ পৰা নহ'ল। পঞ্চৱটী বন চীফ কমিচনাৰৰ টিলাৰপৰা চাই পঠিয়ালে তিনি-চাৰি মাইলৰ ভিতৰতে যেন লাগে. কিন্তু বাট ধৰি খোজ কাঢ়ি গলে সি ন-দহ মাইলতকৈও দূৰৈ। যাত্ৰীয়ে বলদী টঙ্গাৰে সৈতে গৈ অন্ততঃ এৰাতি নথপিলে যাত্ৰাৰ সাৰ্থক কৰি আহিবগৈ নোৱাৰে। সেই অসুচলকে চেৰাব নোৱাৰা হেতুকেই, "দিনৰ পৰ্বত ৰাতিৰ জুই, তাক নেদেখি থাকিবা শুই" বোলা যোজনালৈ ধিয়াই প্ৰাণৰ ধাউতি প্ৰাণতে মাৰ নিয়াই গুচি আহিবলগীয়া হল।

## নাগপুৰীয়া হাট

নৰ্মাল স্কুলৰ বহল মুকলি চাপৰিটোৰ এডোখৰত এখন বৰ ডাঙ্গৰ হাট বহে। নানাফালৰ পৰা নাগপুৰীয়া নিজাপী প্ৰজাই বলদী টঙ্গা, গৰুগাড়ী আৰু উটৰ পিঠিত বোজা দি বিবিধ বস্তু-বেহানি বেহাবলৈ আহে, এই হাট বেহোৱা লোকৰ পক্ষে সেই অঞ্চলৰ নিজাপী লোকৰ আৱ-ভাৱ, চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ, আকৃতি-প্ৰকৃতি বিষয়ক চমু ধাৰণা মনত আঁকিবলৈ উজু হৈ পৰে ; গতিকে হাট বহিলেই মই দিনটোৰ ভিতৰত একাধিকবাৰ হাটৰ ভিতৰত সোমাই বস্তুৰ দৰ-ভাৱ সুধি ঘূৰি ফুৰোঁগৈ। কাপোৰ-কানি আৰু অন্যান্য সাধাৰণ বস্তু-বেহানিৰ বেহাত বৰ বিশেষত্ব নেদেখিলেও মাছ আৰু ফলাহাৰৰ বেহাত বিশেষত্ব দেখা পাওঁ। সিমান ডাঙ্গৰ মাগুৰ মাছ সিমান সস্তা বেচত ( খামোচা নেপোৱা মাগুৰ মাছ পইচাত ৩।৪ টাকৈ ) ক'তো কেতিয়াও কিনিবলৈ পোৱা নাই। কাৰণ নাগপুৰৰ ফালে মানুহৰ মাছত ৰাপ নাই ;

বিশেষকৈ মাগুৰ আদিত। হাটৰ মাজেদি অহা-যোৱা কৰা বাটৰ দাঁতিয়ে-কাষৰে শাৰী শাৰী মধুৰিয়ামৰ আৰু কলমৌ পিঠাফলৰ দ'ম, কিন্তু সোমাওঁতে যিবোৰ দ'ম দেখিবা, ওলাওঁতে আৰু নেদেখা, ইতিমধ্যত আটাইবোৰ বেচা হৈ যায়। সেই অঞ্চলৰ মধুৰিয়াম আৰু কলমৌ পিঠাফলত ইমান ৰাপ! মধুৰিয়ামবোৰ একো একোটা চকলাটেঙ্গাৰ সমান। ভূটামানেই এবেলালৈ ভোক-পিয়াহ গুচায়। মধুৰিয়াম আৰু কলমৌৰ এই অপৰ্যাপ্ত কাটনলৈ লক্ষ্য কৰি ৰামায়ণত পোৱা হনুমানজী আৰু তেওঁৰ জ্ঞাতিবংশৰ কথালৈ মোৰ ঘনাই মনত পৰে, তাতে আকৌ বজাৰ হাটৰ আশে-পাশে আৰু চৌ আলিৰ কিলাকুটীয়া একোভাগত হনূমানজীৰ প্ৰকাণ্ড শিলৰ মূৰ্তিপূজা কৰা মঠ-মন্দিৰাদি দেখি দাক্ষিণত্যত হনুমানৰ প্ৰভুত্ব নপতিয়াই নোৱাৰি। আৰ্যাবৰ্তত শিৱ মন্দিৰ যেনে, দাক্ষিণাত্যত হনুমান মন্দিৰ তেনে। ভাৰতবৰ্ষৰ সেই ভাগত ৰামলীলাতহে হিন্দুৰ ৰাপ প্ৰবল দেখিলোঁ; কিন্তু কৃষ্ণলীলাৰ সঞ্চাৰেই নাই যেন পালোঁ। তথাপি কৃষ্ণ কাহিনীত শিক্ষিত সম্প্ৰদায়ৰ আসক্তিৰ অভাৱ যেন নাপালোঁ। দেৱী পূজাৰ ধূমধামো সেইফালে নাই যেন লাগিল, যদিও আমি নাগপুৰত শৰৎকলীয়া প্ৰবাসী নাছিলোঁ। ঘৰে ঘৰে ৰাম নাম, মঠ মন্দিৰত ৰামায়ণ পাঠ।

## মটৰগাড়ী দেখা

আমাৰ নাগপুৰ প্ৰবাসৰ সামৰণত এদিন দেখিলোঁ দহমান বজাত চীফ কমিচনাৰৰ টিলা আৰু নৰ্মাল স্কুলৰ বৰ্ডিঙৰ মাজৰ বহল আলিবাটটোৰ দুয়োকাষে অলেখ দৰ্শকে শাৰী পাতিছে। মই তাৰ সন্তেদ লৈ লৰালৰিকৈ টিলালৈ উঠি সদায় আবেলি জুৰ লোৱা বেঞ্চত বহি ললোঁগৈ। অলপ পৰৰ পাচত দেখিলোঁ চীফ কমিচনাৰৰ টিলাৰ বাওঁফালৰ পৰ্বত শাৰীৰ মাজৰপৰা পৰ্বতীয়া জুৰি এটি বৈ অহাৰ দৰে নগৰৰ কেন্দ্ৰৰ ফালে পকী আলিবাটৰ ওপৰে বামেদি আপোনা-আপুনি লৰি লৰি ধোঁৱাশূন্য সৰু ৰেলগাড়ী এখন আহিব লাগিছে। দুয়ো-কাষৰ দৰ্শকে একাণপতীয়াকৈ ঠৰ লাগি চাই ৰৈছে। ময়ো ওপৰৰপৰা কৌতূহলযুক্ত হৈ চোৱা দেখি চীফ কমিচনাৰৰ মেমচাহাবে মোক বুজাই কলে সেইখন মটৰগাড়ী (motor car) বুলি। সেই মটৰগাড়ী আমেৰিকাৰপৰা আহি বোম্বাই পাবৰ মাথোন কেইসপ্তাহ-মানহে হৈছে। তাৰ কোম্পানীয়ে গ্ৰাহক গোটাবৰ অভিপ্ৰায়ে গাড়ীখন নগৰে নগৰে ফুৰাবলৈ দিহা দি পঠিয়াইছে। ভাৰতবৰ্ষলৈ মটৰগাড়ী অনা সেয়ে প্ৰথম নেকি কব নোৱাৰিছোঁ; কিন্তু মটৰগাড়ী দেখা মোৰ পক্ষে সেয়ে প্ৰথম। সি ইং ১৯০২-৩ চনৰ কথা।

## ওলটা যাত্ৰা

চাৰিমাহমান প্ৰবাস খটাৰ পাচত আমি জব্বলপুৰ আৰু নাগপুৰত গৈ কৰিবলগীয়া কাৰ্যৰ অন্ত পৰিল। মোৰ 'দেশী কছৰৎ' মেনুৱেল লিখাও সমাপ্ত হল, মাথোন তাৰ ওপৰত আকৌ হাত ফুৰাবলৈ বাকী ৰ'ল। আমাৰ উদ্দেশ্য সিদ্ধি হোৱাত আমি ৰং মনেৰে ওলোটা যাত্ৰালৈ সষ্টম হলোঁ। আহিবৰ আগদিনা নৰ্মাল স্কুলৰ শিক্ষক আৰু শিক্ষাৰ্থীবৰ্গ, চুপাৰিনটেনডেন্ট আৰু

তেওঁৰ সাধ্বী সহধৰ্মিণী, মিষ্টাৰ আৰু মিচেচ মনৰো, চীফ কমিচনাৰ আৰু তেওঁৰ সুশীলা মেমচাহাব—এইসকলৰ ওচৰত বিদায় লওঁতে মোৰ মন কান্দো কান্দো হৈছিল। ডিৰেক্টৰ জেনেৰেল মিষ্টাৰ মনৰো চাহাবে উপযাচি মোৰ গুণ বৰ্ণাই এখনি দীঘলীয়া পত্ৰ লিখি আমাৰ চীফ কমিচনাৰ ফুলাৰ চাহাব বাহাদুৰলৈ বুলি মোৰ হাতত দি মোৰ ভৱিষ্যৎ উন্নতিৰ কামনা জ্ঞাপন কৰিলে।

# সপ্তবিংশ সৰ্গ

## নৰ্মাল স্কুল উচ্ছন্ন

নাগপুৰৰপৰা উলটি আহি তেজপুৰৰ ঘাটত নামোতেই ৰসিক বন্ধু ৺কৃষ্ণচন্দ্ৰ চৌধুৰী মুন্সিপ ডাঙৰীয়াৰ মুখে শুনিলোঁ বোলে মোৰ সান্দহ খোৱা বালি তল গ'ল। অসমৰ নৰ্মাল স্কুলবিলাক উচ্ছন্ন হল। মোৰ চাৰ্ভিচ বা চাকৰি তেজপুৰ হাইস্কুলৰ লগত জাপি থোৱা হৈছে। শুনি অমৃতত গৰল উঠাৰ দৰে মোৰ মনৰ হৰ্ষত বিষাদ উঠিল। বিগত ডেপুটেচনৰ কামত সিদ্ধি লাভ কৰি মই বাস্তৱতে উৎফুল্লীকৃত হৈ উলটিছিলোঁ; ভাবি আহিছিলো মোৰ নৰ্মাল স্কুলতে আগৰ দৰেই লগৰীয়া পণ্ডিত মাষ্টৰসকলেৰে সৈতে একেলগে বহি জব্বলপুৰ-নাগপুৰ যাত্ৰাৰ কাহিনী বিষয়ক কথা-বাৰ্তা পাতি তৃপ্তি লাভ কৰিমহি, কিন্তু মাজতে বিধিয়ে পথালি দিলে; দেখিলোহি নৰ্মাল স্কুলঘৰত সঁচাৰ-কাঠী লগোৱা বন্ধ। মনৰ কল্পনা-জল্পনা শূন্যত বিয়পি মাৰ গ'ল। ততোধিক টান লাগিল, হাইস্কুলত তলতীয়া মাষ্টৰী কাম কৰিবলৈ। হঠাৎ হোৱা সেই ঘটনাত মই হতাশ হলোঁ। অকল হতাশৰ খুন্দাই নহয়, ওচৰ ভবিষ্যতৰ চিন্তাই মোক হেচি ধৰিলে। মনে মনে মোৰ খণ্ডো উঠিল; অত দুখ-কষ্ট সহি চৰ্কাৰৰ এটা অতি লাগতিয়াল কৰ্ম সাধন কৰি অহাৰ বাবে মোলৈ এনেকুৱা বঁটাহে আগকৰি থোৱা হব পায়নে? সেই খণ্ডৰ মুৰত এই সিদ্ধান্তত উপস্থিত হলোঁ যে মই আৰু চৰ্কাৰৰ চাকৰিকে নকৰোঁ; পৰৰ তলতীয়া হৈ হাইস্কুলৰ মাষ্টৰী কৰাটো নিলগৰ কথা। সেই মৰ্মে চীফ কমিচনাৰ মিঃ (পাচত চাৰ) ফুলাৰ চাহাবলৈ ভিতৰ বিশ্বাসত এখন পত্ৰ লিখিলোঁ, লগতে মিঃ মনৰো চাহাবৰ পত্ৰখনো একেটা লেফাফাতে ভৰাই পঠিয়ালোঁ। তদুত্তৰত সপ্তাহদিয়েকৰ পাচত জানিব পাৰিলোঁ, হাইস্কুলত মোৰ চাৰ্ভিচ সাম্প্ৰতিকভাৱে ওপৰঞ্চিকৈ (supernumerary) হে জাপি থোৱা গৈছে; আগন্তুক শিক্ষা বিভাগীয় নতুন scheme ভাৰত গৱৰ্ণমেন্টৰপৰা মঞ্জুৰ হৈ অহা মাত্ৰকে মোক মনোমতকৈ পদোন্নতি দিয়া হব। চীফ কমিচনাৰ বাহাদুৰৰ সেই ডেমি-অফিচিয়েল আশ্বাস-পত্ৰ পাই মন এফেৰি শান্ত হল, আৰু অসমীয়া বন্ধু-বৰ্গৰ পৰামৰ্শ অনুসৰি অগত্যা তেজপুৰ হাইস্কুলত উপস্থিত হলোঁগৈ। কিন্তু দুখৰ বিষয়, আগতে উনুকিয়াই অহা মোৰ মনৰ আশঙ্কা অনতিপলমে কাৰ্যত ফলিয়াবলৈ ধৰিলে; বিগত গোটেই চাকৰি জীৱন ওপৰৱালা হৈ স্বাধীনভাৱে কটোৱাৰ পাচত এতিয়া পৰৰ তলতীয়া হৈ কাম কৰিবলৈ বাধ্য হোৱা হেতুকে খোজেপতি অপৰাধ ঘটি হেডমাষ্টৰ আৰু মোৰ মাজত অবৰ্গতাৰ ভাৱ বিৰিঙ্গি উঠিল। সেই সময়ত তেজপুৰ হাইস্কুলৰ হেডমাষ্টৰ আছিল বাবু ৰামেশ্বৰ সেন, যাক মই কহিমা স্কুলৰপৰা আজৰাই দিছিলোগৈ। সি যি হওক, সেই অবৰ্গতাৰ ভাব ক্ৰমাৎ বৰ্গপৰিমাণে বৃদ্ধি হবলৈ ধৰিলে; সদৌশেহত শিক্ষাবিভাগৰ ডিৰেক্টৰ মিঃ বুথ চাহাব সেই জঞ্জালৰ মাজত সোমাবলগীয়া হল, আৰু তাৰ অপৰিহাৰ্য কৰ্মফলত মোৰ চাৰ্ভিচ সাম্প্ৰতিক-ভাৱেই যোৰহাট গৱৰ্ণমেন্ট স্কুলত যোগ হলগৈ। দুই নাৱত দুই ভৰি হৈ মই পোনতে

নাযাওঁৰেই বুলিছিলো, পাচে মোৰ অন্তৰতম বন্ধু ৺হেমচন্দ্ৰ গোস্বামীদেৱৰ দীৰ্ঘ দৃষ্টিযুত পৰামৰ্শ মতে অলপ দিনৰ কাৰণে মাথোন (on temporary measure) বুলি অগত্যা যোৰহাটলৈ যাবলৈ ওলালোঁ ; কিন্তু সি মোক আৰু এচিপ অসুচলৰ ফালেহে ঠেলি দিলে।

## যোৰহাট প্ৰবাসত

নামতহে প্ৰবাস, কামত ঘৰতকৈয়ো ঘৰ। অৰ্থাৎ যোৰহাটত প্ৰবাস খাটি মাষ্টৰী কৰিবলৈ গৈ মই মোৰ মৰমৰ ভনীজোৱাঁই মিঃ (পাচত ৰায়বাহাদুৰ) ৰাধাকান্ত সন্দিকৈৰ ঘৰত আছিলোঁ। খোৱা-লোৱা, থকা-মেলা সকলো বিষয়তে মোৰ তেজপুৰীয়া ঘৰতকৈয়ো সুখেৰেহে আছিলোঁ, বিশেষকৈ মোৰ অতি চেনেহৰ সুমলীয়া ভনী (শ্ৰীমতী নাৰায়ণী), সোদৰ প্ৰতিম শ্ৰীযুত সন্দিকৈ, সিবিলাকৰ সেই কাললৈকে হোৱা সন্তান দুটি (শ্ৰীমান কৃষ্ণকান্ত আৰু ৺চন্দ্ৰকান্ত) এই প্ৰিয় প্ৰাণীকেইটিৰ সঙ্গত মই অসীম আনন্দ উপভোগ কৰিছিলোঁ ; মাথোন তেজপুৰত মোৰ একমাত্ৰ সন্তানটিৰে (প্ৰথমা কন্যা শ্ৰীমতী নিৰ্মলা আইদেউ) সৈতে ভালকৈ সংসাৰৰ মোল নুবুজা ভাৰ্যা আৰু মোৰ জীৱন-বন্তিস্বৰূপ 'বন্তি'খন এৰি থৈ যোৱা হেতুকেহে যোৰহাটত প্ৰবাস বাস যেন লাগিছিল। যি হওক, যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলত যোগ দিয়াৰ পিচদিনাই তিনি মাহৰ কাৰণে অনুগ্ৰহ বিদায় (privilege leave) বিচাৰি ডিৰেক্টৰ চাহাবলৈ এখন আবেদন-পত্ৰ পঠিয়ালোঁ। প্ৰাৰ্থিত বিদায় অতি লাগতিয়াল বুলি এপক্ষৰ ভিতৰতে মঞ্জুৰী পাবলৈ আবেদনত টানি লিখা হৈছিল ; পিচে এপক্ষ পাৰ হৈ গৈ মাহেকত পূৰ হওঁ হওঁ হোৱাতো একো এটা সমিধান নাপাই মই ডিৰেক্টৰ চাহাবলৈ বিজুলী-ডাকত অনুৰোধ জনাবলৈ আৰম্ভ কৰিলোঁ। সিমানতো পলম হোৱা হেতুকে ডাকত আহিবলগীয়া সমিচাৰ নোপোৱালৈকে মই এদিন এদিনকৈ বিজুলী-ডাকত তাগিদ দি আছিলোঁ। সমিধান-পত্ৰত পালোঁ, অলপতে ডিৰেক্টৰ চাহাব চফৰলৈ আহোঁতে যোৰহাটত সোমাই তেওঁ মোক এটা খাটাং সিদ্ধান্ত দিবগৈ। গতিকে সিমানতে মই নিতাল মাৰিবলগীয়া হলোঁ। কিন্তু সেই অলপতে বোলা দিন বাঢ়ি গৈ তিনিমাহত সোমাওঁ সোমাওঁ হল, ডিৰেক্টৰ চাহাবৰ চফৰ ফুৰা নিৰ্ঘণ্ট নোলাল। গতিকে অগত্যা মই আকৌ বিজুলী-ডাকৰ সহায় লব লগাত পৰিলোঁ। এই শেহৰবাৰৰ বিজুলীয়ে শ্বিলং অফিচত চমক লগোৱাৰ চিন পোৱা গল ; আৰু কেইদিনমানৰ পাচতে ডাক্তৰ বুথ চাহাব ভমক কৰে যোৰহাটত ওলালহি। আহি পোৱাৰ দিনাই তেওঁ হাইস্কুলত পদাৰ্পণ কৰিলেগৈ। স্কুলৰ ভিতৰ সোমায়েই পোনেই বিচাৰ ললেগৈ এই বুলি, "Where is the Jubbalpur man?" হেডমাষ্টৰ অবাক! কাৰণ তেওঁৰ স্কুলত জব্বলপুৰীয়া মানুহ কোনো নাছিল। হেডমাষ্টৰক নিৰুত্তৰ দেখি চেকেণ্ডমাষ্টৰলৈ চাই ডিৰেক্টৰে এইবুলি পুনৰপি বিচাৰ ললে, "Well I mean that little Assamese from Tezpur." মই দুৱাৰখনৰ ইপাৰে ওচৰতেই আছিলোঁ ; গতিকে চাহাবৰ কথাকেইষাৰ অন্ত পৰাৰ লগে লগেই নিজে আগলৈ ওলাই গৈ এই বুলি সৎকাৰ জনালোঁ, "Good morning sir."—তেওঁ ততালিকে "Yes good morning" বুলিয়েই মুখৰ ভিতৰতে মৰ্মৰাই

কলে, "But I see, it is nearly evening". ময়ো তেতিক্ষণে উত্তৰ কাটি থলোঁ, "It is morning to us because we are meeting after a long time sir !" ভোলানাথ বুথ চাহাবে খলখলাই হাঁহি "Right, right, thank you" এইবুলি ইবাৰ মোৰ প্ৰতি তেওঁ একাণপতীয়াকৈ লাগি পোনেই আৰম্ভ কৰিলে, "Well, you have troubled me with so many telegrams ! ( দুই বাহু পূৰ্ণহতীয়াকৈ মেলি দেখুৱাই )" মই মৰম লগাই লাহেকৈ উত্তৰ দিলোঁ, "Necessity knows no bound, sir !" ভোলানাথ বুথ সেই আষাৰতে পমি যোৱাৰ নিচিনা হৈ তেওঁৰ নিজৰ স্বাভাৱিক নীৰসভাৱেৰেই শেষ সমিধান দিলে, "All right, you will get your leave. But where is your manuscript of kasarat manual ?" ময়ো ছেগ চাই ঠাইতে কঠীয়া পাৰি থলোঁ এইবুলি, "Sir, it is why the leave prayed for has become so urgent." মোৰ উত্তৰত তেওঁ পাক লাগি আপুনি বান্ধ খাই খলখলাই হাঁহি হাঁহি "Oh, no more delay. You may avail your leave from tomorrow" এই বুলি গোঁ গোঁ কৰে গৈ ডিৰেক্টৰ ডক্তৰ বুথ চাহাব অফিচ কোঠাত সোমালগৈ। সিমানতে মোৰ যোৰহটীয়া মাষ্টৰী অভিনয়ৰো যৱনিকা পাত হল। সেই অলপকালৰ ভিতৰতে মই সমূহকৈ যোৰহটীয়া ছাত্ৰবৰ্গৰ মৰমৰ পাত্ৰ হৈ উঠিব পাৰিছিলোঁ, আৰু সিবিলাকৰ প্ৰতিও মোৰ চেনেহ বহুলকৈ বিয়পি গৈছিল। সেই প্ৰসঙ্গতে মোৰ শ্ৰীমান দেবেশ্বৰ শৰ্মা ( এতিয়া গৱৰ্ণমেণ্ট উকীল ) প্ৰমুখ্যে কেইবাজনো সাদৰী ছাত্ৰ লাভ হয়, আজিও আমাক সেই প্ৰীতি-স্মৃতিয়ে এৰা দিয়া নাই। ছুটী পাই গা এফেৰি গহীন হল ; গ্ৰহণ ( avail ) কৰাত কেইদিনমান স্বইচ্ছাৰে পলম কৰিলোঁ, কিয়নো সেই সময়তে মিঃ ফুলাৰ চীফ কমিচনাৰ বাহাদুৰকো সাক্ষাৎ পাবৰ সোণাময় ছেগ দেখা দিলে। সেই ছেগতে তেখেতৰ আগত জব্বলপুৰ আৰু নাগপুৰৰ করুণ কাহিনী চমুকৈ বিবৰি কলোঁ। শুনি তেওঁ হৰষিত হল। জব্বলপুৰ নামত তেওঁৰ সদায় আনন্দ। শুনি শুনি তেখেতে পুলকিত মনেৰে মোক বৰকৈ সোধাদি সুধিলে, "তোমাক এতিয়া কি যোগ্য পুৰস্কাৰ দিম ?" ময়ো সেই সাদৰী প্ৰশ্নৰ যথাযথ উত্তৰ এইবুলি দিলোঁ, "মোৰ প্ৰতি আপুনি যথেষ্ট অনুগ্ৰহ দেখুৱাইছে ; জব্বলপুৰ নাগপুৰতো আপোনাৰ নামৰ গুণত মই আশাতীতৰূপে সমাদৃত হৈ আহিছোঁ। তাৰ উপৰি যদি মোক কিবা অনুগ্ৰহ দান কৰিব খোজে, তেন্তে মোৰ এই গোহাৰি, যেন আপুনি দয়া কৰি মোৰ দুখীয়া আহোম জাতিৰ সন্তানবিলাকক বিনামাচুলে পঢ়াশালি, হাইস্কুল আৰু কলেজত পঢ়িবলৈ দুৱাৰ মুকলি কৰি দি সেই পতিত জাতিটোৰ পুনৰুত্থানৰ উপায় বিধান কৰে।" ভৎভঙ্গীয়া ফুলাৰ চাহাবে একে আষাৰে তথাস্তু বুলি মোক মৰমেৰে বিদায় দিলে। মই তাৰ পিচদিনাই তেজপুৰলৈ ওলোটা যাত্ৰা কৰিলোঁ।

## তেজপুৰৰ ছুটীৰ তিনিমাহ

ছুটীত উলটি আহিয়েই, সদৌ বন কাতিকৈ মই অধোমুখী 'বন্তি'ক আকৌ উৰ্দ্ধমুখী কৰিবলৈ দেহ-মন লগাই খাটিবলৈ ধৰিলোঁ ; আৰু তদৰ্থে সততে জয়দেৱ শৰ্মা পণ্ডিতদেৱৰ লগত

চিন্তালোচনা চলিবলৈ ধৰিলো। আমাৰ সৌভাগ্যৰ গুণে সেই সময়ত আন্তৰিক দেশহিতৈষী আশাশুধীয়া সাহিত্যিক ৺হেমচন্দ্ৰ গোস্বামীদেৱ তেজপুৰত উপস্থিত থকাত আমাৰ সেই চিন্তালোচনাৰ সুফল সোনকালে ফলিয়াই উঠিল। কিন্তু সুখৰ দিন খৰকৈ পাৰ হয়; চাওঁতে চাওঁতেই মোৰ ছুটীৰ কাল উকলিবলগীয়া হল। কি কৰো! প্ৰিয়তম বুদ্ধিমান বন্ধু ৺গোসাঁইদেৱৰে সৈতে পৰামৰ্শ কৰি ইয়াকে স্থিৰ কৰা হল যে মই অনতিপলমে শ্বিলঙলৈ গৈ মাননীয় ফুলাৰ বাহাদুৰক টানি অনুৰোধ কৰিম নতুন স্কীম মঞ্জুৰ হৈ আহে মানে মোক যেন আকৌ তেজপুৰ হাইস্কুলতে ৰখা হয়। সেই উদ্দেশ্যে যথাসময়ত শ্বিলঙলৈ যাত্ৰা কৰিলোঁ। তেতিয়ালৈকে মটৰগাড়ীৰ আমদানি অসমলৈ হোৱা নাছিল, শ্বিলঙলৈ তেতিয়া ঘোঁৰাৰ টঙ্গাগাড়ীত নাইবা গৰুগাড়ীত যাতায়াত কৰা হৈছিল। টঙ্গাত চহকীয়েহে, কিয়নো যোৱা-অহাত ৩২ টকা নহলে নহয়; তাকো একোদিনৰ একো খেপত দুজনতকৈ অধিক যাত্ৰীৰ যোৱাৰ উপায় ব্যৱস্থা নাছিল। এইখিনিতে এটা লেখত লবলগীয়া কথা অযাচিতে উপস্থিত হলহি। টঙ্গা অফিচত মোৰ বন্ধু ৺বিষ্ণুপ্ৰসাদ বৰুৱাই পুৱাতে মোলৈ এখন আসন ( seat ) আছুতীয়া ( reserve ) কৰি উঠিছে, এনেতে অসমলৈ তিনিমাহৰ কাৰণে একটিং ডিৰেক্টৰ হৈ অহা মিঃ প্ৰমেৰো চাহাবো সেই টঙ্গাতে এটা seat কিনিবলৈ আহিছিল; পিচে তেওঁ সন্তেদ লৈ যেতিয়াই জানিলে যে ইটো seat এজন ইণ্ডিয়ানৰ নিমিত্তে ৰিজাৰ্ভ কৰা হৈছে তেতিয়াই "so long a journey with an Indian !" এইবুলি পিচুৱাই পৰিল। মই নিজে যোৱা নাছিলো কিন্তু শুনি আচৰিত হলোঁ, আৰু মনে মনে বিৰক্তি বোধ হল যে কোনো কোনো ঠেকমনা চাহাবৰ তেতিয়ালৈকে ইণ্ডিয়ানৰ প্ৰতি তেনে হেয় জ্ঞান! যি হওক, ঈশ্বৰে যি কৰে মানুহৰ ভালৰ কাৰণেহে; মই অকলশৰীয়াকৈ দুটা seat-ৰ সুবিধা উপভোগ কৰি শ্বিলং পালোগৈ। শ্বিলং যাত্ৰা মোৰ সেয়ে প্ৰথম। কেকুৰিবটীয়া পৰ্বত বগোৱা কাৰ্য মোৰ পক্ষে সি দ্বিতীয়। তাহানিতে কহিমা যাত্ৰাত পৰ্বত বগাওঁতে যি সুখ-সৌন্দৰ্য উপভোগ কৰিছিলোঁ, ই তাতকৈ হীন নহয় যদিও মোলৈ সিমান মোহলগা নহৈছিল; শ্বিলং নৌ পাওঁতেই সাঁজ লাগিল। ৰাতি ৮ মান বজাতহে টাউনৰ ভিতৰ সোমালোঁগৈ। তাৰ পাচত ৰাতিৰ আন্ধাৰ পোহৰত কেনি কলৈ নিছে মই তৎ ধৰিব নোৱাৰা হলোঁ। অন্তত ৰাতি ৯ মান বজাত মোৰ বন্ধু ৺সিদ্ধেশ্বৰ গোহাঞি ৰাজকুমাৰৰ ঘৰত আলহী সোমালোগৈ; আলহীলৈ যতনাই থোৱা আহাৰ-পাতি পৰম সন্তোষেৰে ভোগ কৰি মই শুই থাকিলোঁ; কিন্তু টঙ্গাত থেকেচনি খোৱা কঁকালৰ বিষত আৰু বাটত টঙ্গা চলাওঁতাই ম'হ মৰিওৱা টোকোনৰ সমান শকত চুটি টাঙ্গোনেৰে ঘোঁৰাকেইটাক টঙ্গনিওৱালৈ সুঁৰৰি ৰাতিৰ সৰহ ভাগলৈ মোৰ ভাগৰৰ টোপনি ভগা-ছিগাকৈহে হৈছিল। পিচদিনা দেওবাৰে পুৱা শুই উঠিয়েই ৺গোহাঞিদেৱৰ আগত মোৰ শ্বিলং যাত্ৰাৰ উদ্দেশ্যৰ বিষয়ে ভাঙ্গি কলোঁ। তেওঁ আক্ষেপ কৰি মোক জানিবলৈ দিলে যে, মোৰ উদ্দেশ্য সিদ্ধি নহব, কাৰণ পূজাৰ বন্ধৰ কেদিনত শ্বিলঙৰ চাহাবসকলক লগ ধৰা অসম্ভৱ; সিবিলাকে সেই সময়ত ৰং-ধেমালিত আপোন-পাহৰা হৈ থাকে। শুনি হতাশ হলোঁ। কিন্তু মই কলো, মোৰ বিশ্বাস মোৰ চিঠি পালেই চীফ

কমিচনাৰ মিঃ ফুলাৰ বাহাদুৰে নিশ্চয় মোক সাক্ষাৎ নিদিয়াকৈ নাথাকে। তেখেতে হাঁহি হাঁহি মোৰ কথা উৰাই দি কলে যে মোৰ প্ৰাইভেট পত্ৰহে নালাগে এলাপেচা চৰ্কাৰী কাকত-পত্ৰও সেইকেদিনত চেক্ৰেটৰী চাহাবসকলৰ ওচৰকে চাপিব নোৱাৰে, চীফ কমিচনাৰৰ কাষ চপাটো যে নিলগৰ কথা। মই মনে মনে হতাশ হলোঁ; কিন্তু বাহ্যিক দৃঢ়প্ৰতিজ্ঞ হৈ কলোঁ যে তথাপি মোৰ চেষ্টাৰ ত্ৰুটি নহব। দুপৰীয়া ভোজনৰ পাচত গোহাঞিদেৱৰ সৈতে মোৰ উদ্দেশ্যলৈ বাহিৰ হলোঁ। কিন্তু বহু ঘূৰি ঘূৰিও কোনো প্ৰকাৰৰ ভাল উপায় কৰিব পৰা নহল। সদৌশেহত চাহাবসকলৰ ক্লাবৰ চেক্ৰেটৰীয়ে অলপ আশ্বাস দি কলে, যদি কোনো উপায়ে মই নিজে ফুলাৰ বাহাদুৰক এবাৰ গা দেখা দিব পাৰো তেন্তে কিজানি কিবা লাভ হবও পাৰে। চীফ চাহাব ক্লাব পায়হিহে লাগে। শুনিয়েই গোহাঞিদেৱ ছিটিকি আঁতৰি পৰিল। মই মৰসাহ দি এখুজি দুখুজিকৈ ক্লাব ঘৰৰ মাজৰ বাৰাণ্ডাত আগবাঢ়ি গৈ আছোঁ, এনেতে ফুলাৰ চাহাব ভমক কৰে মোৰ আগতে ওলালহি। দেখাদেখিত দুয়ো চকখাই উঠিলোঁ, কিন্তু ঠৰ লাগিবৰ সময় নাই, লৰালৰিকৈ দু-আধাৰমান কথা পাতি তেখেতে মোক পিচদিনা পুৱা দহবজাত দহমিনিট সাক্ষাৎ দিবলৈ মান্তি হৈ চাঁত কৰে ভিতৰ সোমাল, ময়ো আনন্দত উলাহিত হৈ ওলাই আহিলোঁ। পিচদিনা নিৰ্ধাৰিত সময়ত সাক্ষাৎ কৰি শুভ সমিধান পালোঁ, মই তেজপুৰত পাঙ্গি যোৱা উদ্দেশ্য সিদ্ধি হোৱাৰ প্ৰতিশ্ৰুতি পোৱা হ'ল।

## তেজপুৰ হাইস্কুলত পুনৰপি

পূজাৰ বন্ধৰ পাচত স্কুল খোলাৰ লগে লগেই ডিৰেক্টৰৰ অফিচৰপৰা হুকুম আহি পৰিল মোক পুনৰপি তেজপুৰ হাইস্কুলত আগৰ পদতে দিয়া হৈছে বুলি। সেই হুকুম দেখি মোৰ বিপক্ষদল বিশেষকৈ হেডমাষ্টৰ বাবু জঁয় পৰিল। সিবিলাকৰ ভিতৰত আকৌ ফু-ফু-ফা-ফা চলিবলৈ ধৰিলে; মই তালৈ আওকাণ কৰি এইবাৰ গা-গহীনাই কৰ্তব্যত মনপাৰি ধৰিলোঁ। সেইভাৱেই আৰু তিনিমাহমান তেজপুৰ হাইস্কুলত মাষ্টৰী পদত ৰাপ লগাই কাম কৰিলোঁ। সেই সময়ৰ ভিতৰতে মই অসমীয়া আৰু বঙ্গালী ছাত্ৰবৰ্গৰ বৰ প্ৰিয়পাত্ৰ হৈ উঠিছিলোঁ। আগৰ খেপত শ্ৰীমান অন্নদাকুমাৰ পদ্মপতি, শ্ৰীমান বসন্তকুমাৰ বৰুৱা, শ্ৰীমান ভূমিধৰ শৰ্মা প্ৰমুখ্যে কেজনমান, আৰু দ্বিতীয় খেপত ৺চন্দ্ৰনাথ শৰ্মা, শ্ৰীমান দণ্ডিনাথ কলিতা, শ্ৰীমান বেণুধৰ দাস, শ্ৰীমান ফণীন্দ্ৰমোহন লাহিৰী প্ৰভৃতি জনচেৰেক প্ৰতিভাপন্ন ছাত্ৰক পঢ়াই সুখ পাইছিলোঁ, আৰু সিবিলাকেও মোৰ সাহিত্য-জীৱনৰ আৰু বিবিধ দেশহিতকৰ কাৰ্যৰ চিনাকি লোৱাৰ চিনাকি পাই সন্তোষ পাইছিলোঁ। সি যি হওক, সেই কালত মোৰ আপদ-সম্পদ গাড়ীৰ ঘিলা ঘূৰাদি তল-ওপৰ হৈ ঘূৰিছিল; তাৰ ফলস্বৰূপ মোৰ আকৌ জঞ্জাল বাঢ়িল, শ্বিলঙৰপৰা বিশ্বস্ত বন্ধুজনে ভিতৰ বিশ্বাসত বাতৰি দিলে অলপদিনৰ ভিতৰতে মোক আকৌ আন ঠাইলৈ বদলি কৰা হব বুলি। গতিকে অন্য উপায় চিন্তিব লগা হল। আপদৰ বন্ধু ৺হেমচন্দ্ৰ গোস্বামীদেৱৰ পৰামৰ্শ মতে এইবাৰ সেই চক্ৰান্তমূলক আগন্তুক বদলিৰ হুকুম অহাৰ আগেয়েই তিনিমাহৰ নৰিয়া বিদায় লৈ মুকলিমূৰীয়াকৈ সাম্প্ৰতিকভাৱে আঁতৰি থাকিলোঁ।

# অষ্টবিংশ সৰ্গ

## 'বস্তি'ৰ বাব অকলশৰীয়াকৈ

নৰিয়া বিদায় (sick leave) লৈ স্কুলৰপৰা এৰাই আহিলোঁ। আহি কিন্তু এদিনলৈকো জিৰণি লবলৈ আজৰি নাপালো; পিচদিনাই বস্তিবিষয়ক চিন্তালোচনাত মগ্ন হলোঁ। সেই ছেগতে জয়দেৱ শৰ্মা পণ্ডিতদেৱে তেখেতৰ ঢাকখাই থকা প্ৰস্তাৱ আকৌ দাঙ্গি ধৰিলে। তেখেতৰ প্ৰস্তাৱমতে, হয় তেখেতক অনতিপলমে অব্যাহতি দিব লাগে নহয় 'অসম চেণ্টেল প্ৰেছ' হস্তান্তৰ কৰি সেই সময়লৈকে বাঢ়ি উঠা যুটীয়া ধন ২২০০৲ টকাৰ ভিতৰত যি পোৱা যায় তাৰে সৈতে আংশিক ধাৰ শুজি বাকী ধাৰ আমি দুয়ো সমানে গাত লব লাগে। পণ্ডিতদেৱে একেৰাহে কেবাদিনো 'বস্তি' অফিচলৈ আহি সেই বিষয়ে মোৰে সৈতে পৰামৰ্শ কৰিলেহি; মই কিন্তু বিমোৰ, একো উত্তৰ দিব পৰা নাই। সদৌ শেহত তেখেতে অসহনীয় বিৰক্তিবোধ কৰি মোৰ আগত ভালেমান মৰ্মস্পৰ্শী কথা এইদৰে কলে, "চাওক, মই বহুত সহিলোঁ, বহুদিন টিকিলো; মোৰ লগৰীয়া লোক আন আটাইবিলাকে সমূহীয়া আৰু এজন দুজনকৈ এই পোৱালি মেলি বাঢ়ি গৈ থকা স্থানত পেলাই আমাক এৰা দিলে। মই মুঠেই আপোনাৰ মৰমৰ বান্ধ খাই এৰাব নোৱাৰা হৈ অতদিনে আছোঁ। কিন্তু আপুনি বিষম নাপাব; মই আৰু ৰব নোৱাৰিম। মোৰ মনোভাব আৰু প্ৰস্তাৱ আজি কেইবাদিনৰেপৰা আপোনাক জানিবলৈ দি আহিছোঁ। এতিয়া আপুনি কি কৰিব খোজে কওক।" এইবুলি মোৰ মুখলৈ চাই তেখেত ঠৰ লাগিল। ময়ো কিছুপৰ ঠৰ লাগি নিমাত হৈ আছিলোঁ। তাৰ পিচত অত্যন্ত পৰিতৃপ্ত হৈ তেখেতৰ মুখলৈ চাই এইবুলি প্ৰশ্ন তুলিলোঁ, "তেন্তে আমাৰ জীৱন বস্তি নুমুৱাটোৱেই নিশ্চয় হব লাগিল নেকি?" শুনামাত্ৰে ৰঙ্গমুৱা পণ্ডিতদেৱৰ শেঁতা পৰি গ'ল, তেখেতৰ মুখৰ মাত হেৰাল, তেখেত নিৰুত্তৰ। ভালেমান পৰৰ পাচত তেখেতে কাতৰ সুৰেৰে শূন্যত সোধাদি সুধি উঠিল, "বস্তিও জ্বলি থাকিব লাগে ময়ো অব্যাহতি পাব লাগে, এনে ব্যৱস্থা কোনে দিব মোক?" পিচমুহূৰ্ততে অতৰ্কিতে মোৰ মুখৰপৰা এইআষাৰ কথা ওলাই পৰিল, "সেই ব্যৱস্থা ময়েই দিবগৈ লাগিব। নহলে আমাৰ এই সমস্যা ভাঙ্গোতা আন কোন আছে?" পণ্ডিতদেৱে উল্লাহিত হৈ একেচাবে কৈ উঠিল, "আপুনি অকলশৰীয়াকৈ 'বস্তি' জ্বলাই ৰাখিবলৈ—অন্ততঃ মোৰ জীৱন-বস্তি নুনুমায়মানে—আগবাঢ়িব পাৰে যদি মই মোৰ ভাগৰ ধাৰ (১১০০৲ টকা) মোৰ গাত মাৰি লৈ আপোনাক 'বস্তি' আৰু 'অসম চেণ্টেল প্ৰেছ' সৰ্বস্বত্ব এৰি দিব পাৰো। কওক আগবাঢ়িব নে?" ময়ো ভবিষ্যতৰ ফালে চকুমুদি মৰসাহ দি কলোঁ, "বাঢ়িম আগ, যি কৰে ঈশ্বৰে।" পণ্ডিতদেৱে পুলকিত চিতেৰে এইবুলি মোৰ শলাগ ললে, "মই আপোনাৰ আশাশুধীয়া চিতৰ কথা ভালকৈ জানো। আপোনাৰ সদিচ্ছা পূৰ্ণ হওক।" এইবুলি সবলচিতিয়া পণ্ডিতদেৱে সেইদিনালৈ বিদায় ললে। তাৰপাচত তিনিদিনৰ মুৰত, পণ্ডিতদেৱৰ চ'ৰাত

তেখেত আৰু মোৰ মাজত দুইৰো দুখন প্ৰতিশ্ৰুতি দলিল-পত্ৰ দিয়া-দিয়ি হল। মই দিয়াখন এই মৰ্মে লিখা হল, "অসম বন্তি আৰু অসম চেণ্টেল প্ৰেছৰ সৰ্বস্বত্ব স্বকীয়াকৈ লৈ প্ৰতিশ্ৰুত হলোঁ যে শ্ৰীযুত জয়দেৱ শৰ্মা পণ্ডিতদেৱৰ গাত কোনো দায়িত্ব নৰথাকৈ, একলশৰীয়াকৈ, মোৰ তৰফে মোৰ অনুজ শ্ৰীমান মুক্তানাথ গোহাঞিবৰুৱাৰ দায়িত্বত 'বন্তি' চলি থাকিব; যদিহে তেখেতৰ জীৱনকালত কিবা স্বৰূপে বন্তি নুমায় তেন্তে সেই অৱস্থাতে তেখেতৰ অৰ্ধেক স্বত্ব পুনৰপি প্ৰৱৰ্তিত, নাইবা তেখেতে এৰি দিয়া ১১০০ টকা মই ভৰিব লাগিব।" সেই মৰ্মে পণ্ডিতদেৱেও এখন প্ৰতিজ্ঞা-পত্ৰ লিখি মোক দিয়ে। তাত খাটাংকৈ কোৱা হয় যে উল্লিখিত হেতু তেখেতৰ জীৱনকাললৈহে বৰ্তিব, তাৰ পাচত উক্ত স্বত্ব ত্যাগ অহেতুকী হব। সেই সময়ত মোৰ ফলীয়া শ্ৰীযুত দেবেশ্বৰ চলিহা আৰু শ্ৰীযুত চম্পাধৰ বৰুৱা (দুয়ো তেতিয়া গৱৰ্ণমেণ্ট হাইস্কুলৰ মাষ্টৰ) উপস্থিত আছিল। সেইদিন ধৰি 'বন্তি'ৰ সৰ্বভাৰ মোৰ মূৰত এটা প্ৰকাণ্ড বোজাৰ দৰে উঠিল। এইখিনিতে কৈ থবলগীয়া যে মোৰ নিজৰ নামে দলিল-পত্ৰ নকৰি মোৰ ভাইৰ নামে কৰোৱাৰ অৰ্থ এই যে তেতিয়ালৈকে মই চৰ্কাৰী চাকৰীয়া, আৰু আগন্তুক পদোন্নতিৰ আশাধাৰী। কিন্তু সেই দিহাকৰণ সৰহদিন নিটিকিল; মোৰ ভাই শ্ৰীমান মুক্তা বোপা কলিকতাৰ কলেজত ভৰ্তি হবলৈ যোৱাত মই বিপাণ্ডত পৰিলোঁ। গতিকে অগত্যা অনতিপলমে উত্তৰ-লক্ষীমপুৰৰ শ্ৰীযুত কণনাথ গোহাঞিবৰুৱা মোৰ ককাইদেৱৰ নামলৈ স্বত্বাধিকাৰৰ বাব পাৰ কৰি লৈ বৰ অসুচলত 'বন্তি' চলাবলৈ ধৰিলোঁ। এই অসুবিধাতেই বছৰেকমান মৰি-মুজি কাকতখন টনকিয়ালভাৱে চলাই আছোঁ। এনেতে মহাজন চকমল বাবুৰ সঘন তাগিদাত মোৰ গা বাজি উঠিল, মই কি যে ভীষণ ঋণ ৰাহুৰ গৰাহত পৰিছোঁ। ঋণ আগৰদৰেই ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে, আৰ্জন চাই ভগনলৈ ভয় লগা হল। গতিকে দুৰ্ঘোৰ চিন্তাৰ বিকাৰত মোৰ মনোবল ক্ৰমাৎ সবেগে ক্ষয় যাবলৈ ধৰিলে, আৰু তাৰ অপৰিহাৰ্য ফলস্বৰূপ 'বন্তি'ৰ অৱস্থা সেই অনুপাতে পৰি আহিল।

## মগনীয়াৰ জোলোঙাভাৰী

কৰ্তব্যবিমোৰ হৈয়ো আৰু মাহচেৰেক 'বন্তি' জ্বলাবই লাগিছোঁ, কিন্তু ওচৰ ভবিষ্যৎ আন্ধাৰে ক্ৰমাৎ ছাটি অহা দেখি মই হতাশ হৈ পৰিলোঁ। তাৰ ফলত প্ৰত্যক্ষতে কাকত-খনৰ অৱস্থা পৰি যাবলৈ ধৰিলে। এনেতে মোৰ সেইকালৰ দেশহিতৈষী উপদেষ্টা ৺'বি. এ. জগন্নাথ' (মিঃ জে. বৰুৱা, পাচত ৰায়বাহাদুৰ জগন্নাথ বৰুৱা) কিবা সকামত কলিকতালৈ গৈ উলটি আহোঁতে তেখেতক তেজপুৰ ঘাটত লগ পালো। সেই ছেগতে মোৰ সেই বিমোৰ অৱস্থাৰ কথা বিবৰি কৈ তেখেতৰ উপদেশ বিচাৰিলোঁ। তেখেতে 'বন্তি' সম্পৰ্কে ভালেমান সজ কথা কৈ অন্তত এই কেইআষাৰ কথা কৈ গ'ল, "তোমাক মই 'বন্তি'ৰ সম্পৰ্ক এৰিবলৈ নকওঁ। অগত্যা এৰিব লগাত পৰিলে, আগধৰি 'বন্তি' নুমাবলৈ কওঁ। কিয়নো তোমাৰ বিহনে 'বন্তি' জ্বলিবৰ সম্ভাৱনা নেদেখোঁ। তোমাৰ উপস্থিত সমস্যাও বেচিদিন নিটিকে। মই যিমানলৈকে মনিব পাৰিছোঁ, বাতৰিকাকতৰ প্ৰতি

অসমীয়াৰ ৰাপ ক্ৰমাৎ প্ৰবল বেগেৰে বৰলৈ ধৰিছে। তুমি যত্ন কৰিলে নিশ্চয় বন্তিৰ দ্বাৰাই ৰত্ন লাভ কৰিব পাৰিবা। মই কওঁ 'বন্তি'ৰ উন্নতিকল্পে তুমি মগনীয়াৰ জোলোঙা লৈ বাহিৰ হোৱা। প্ৰথমে যোৰহাটলৈকে আহাঁ। তাতে তোমাৰ ভ্ৰমণ নিৰ্ধাৰণ কৰি লবাগৈ। ময়ো ভাবি চাওঁ মোৰ দ্বাৰাই কিমানলৈ কি হব পাৰে।" উপদেষ্টা আঁতৰি গ'ল। মই সেই উপদেশ কাৰ্যত পৰিণত কৰিবলৈ চিন্তালোচনাত বহিলোঁ। কিন্তু শুভস্য শীঘ্ৰম্। সময় নষ্ট নকৰি, অনতিপলমে মই যোৰহাটলৈ যাত্ৰা কৰিলোঁ। মিঃ জে. বৰুৱা আৰু মিঃ সন্দিকৈৰ বঙ্গলা প্ৰায় লগ-লগা; গতিকে মোৰ উদ্দেশ্য আলোচনাত বৰ সুচল পালোঁ। জয়ন্তয়তে ৰায় জগন্নাথ বৰুৱা বাহাদুৰে ১৫০৲ টকা বৰঙ্গণি পেলাই বাট মোকলাই দিলে। তাৰ পাচত সেইদিনাই ৺সোমেশ্বৰ শৰ্মা বৰমহৰিদেৱে (সোমেশ্বৰ বৰমহৰি) নগদ ১০০৲ টকা মোৰ হাতত দান দি 'বন্তি'ৰ উন্নতি কামনা জ্ঞাপন কৰিলে। এই দুগৰাকী সদাশয় পুৰুষৰ উৎসাহদানে মোক মোৰ গন্তব্য পথৰ আদথিনিমানলৈকে আগুৱাই দিলে যেন লাগিলে। যোৰহাট টাউনৰ ভিতৰত এসপ্তাহমান ঘূৰি যি পালোঁ সংগ্ৰহ কৰি লৈ গোলাঘাটলৈ গলোঁ। তাত পুৰণি বন্ধু ৺ৰায় যাদৱচন্দ্ৰ বৰুৱা বাহাদুৰৰ ঘৰত আলহী থাকি ৺ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা আৰু তেখেতৰ অগ্ৰজ ৺ৰায়বাহাদুৰ দণ্ডধৰ বৰুৱাৰ সৌজন্যত মোৰ আশানুৰূপ প্ৰাপ্তি লাভ হল। তাত মুঠেই তিনিদিন থাকি নগাঁওলৈ আহিলোঁ। তাত মোৰ মৰমৰ বন্ধু ৺ৰায়চাহাব কমলাকান্ত শৰ্মা বৰুৱাই দিহাকৰণ কৰি থোৱা সুবিধাজনক এটি ঘৰত সোমাই মোৰ অন্যতম বন্ধু ৺দীননাথ বৰুৱাদেৱৰ আতিথ্য গ্ৰহণ কৰি মোৰ কৰ্তব্য আৰম্ভ কৰিলোঁ। তাত পোন প্ৰথমেই ৺মুন্সী মনধন শইকীয়াই আঢ়ৈকুৰি টকা মোৰ হাতত দি স্বদেশ-হিতৈষিতাৰ যি কেইআষাৰ কথা শুনালে সি আজিও মোৰ সোঁৱৰণীত তিৰবিৰাই আছে। যি হওক, তেখেতৰ সেই সৰল সহানুভূতিৰ ফলস্বৰূপেই নগাঁৱেও মোক সন্তোষ দি পঠিয়ালে। আনকি ঘটনাচক্ৰত ঘূৰি সেই সময়ৰ নগঞা বঙ্গালী সমাজেও মোৰ জোলোঙাত টকাচেৰেক যোগ দিছিল। অৰ্থাৎ চমুকৈ কৈ থওঁ, সেই সময়ত বঙ্গৰ স্বদেশী আন্দোলনৰ ঢৌৱে অসমতো খলকনি লগাইছিল। সেই সূত্ৰতে মোৰ অনুজপ্ৰতিম শ্ৰীমান শৈলেন্দুমোহন গোস্বামীৰ (মোৰ পূজনীয় শিক্ষা গুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামীৰ নুমলীয়া পুত্ৰ) আয়োজনত মই এদিন সন্ধিয়া এটা স্বদেশী বিষয়ক বক্তৃতা দিব লগাত পৰিছিলোঁ। সিও এটা মোৰ পক্ষে অভাৱনীয় দিন। মই আগে পাচে কেতিয়াও মজলিচত বহি কথকৰ দৰে কথা কৈ পোৱা নাই; কিন্তু সেইদিনা আই সৰস্বতীয়ে কৃপা কৰি কণ্ঠত থিত দিছিল হব পায়—কি কলো মনত নাই—সভাত উপস্থিত বঙ্গ-সমাজে সিবিলাকৰ বুলিৰে মোৰ শলাগ লৈ সিবিলাকৰ ভিতৰত তোলা বৰঙ্গণি একাঁজলি মোৰ জোলোঙাত ভৰাই দি মৰম দেখুৱালে। এনেতে তেজপুৰৰপৰা ৺কৃষ্ণচন্দ্ৰ চৌধুৰী হাকিম ডাঙ্গৰীয়াৰপৰা এখন ভিতৰ বিশ্বাসৰ পত্ৰ পালোঁ যে আমাৰ নিজ গুৰু ৺শ্ৰীশ্ৰী কমলদেৱ গোস্বামী আউনীআটীয় সত্ৰাধিকাৰ প্ৰভু ধেনুথনা পাহাৰৰ নামনিত বাহৰ পাতি আছেগৈ; তেখেতক সেই সময়ত সেৱা জনাবগৈ পাৰিলে মোৰ উদ্দেশ্য ভালেমান সিদ্ধি হব পাৰে। সেই সংবাদ পাই মই অনতিপলমে উলটি তেজপুৰ পালোঁহি। চৌধুৰী

ডাঙ্গৰীয়াৰ দিহা অনুসৰি আমাৰ গোঁসাই ঈশ্বৰৰ চৰণত সেৱা জনোৱা হল। কিন্তু সেই সময়ত ৺শ্ৰীশ্ৰী কমলবেৰ ঈশ্বৰ পুৰুষ জাহাজ কিনাৰ ভাৱত অভিভূত আছিল কাৰণে, মোৰ আদাবেপেৰুৱা কথালৈ তেখেতৰ সহানুভূতি টানিব পৰা নহল। গতিকে মই তিনিদিনমান থাকি আকৌ মোৰ গন্তব্য পথৰ পথিক হৈ গুৱাহাটী পালোঁগৈ। তাত পোন প্ৰথমে মোৰ ৰাজনৈতিক শিক্ষক ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াৰ আগত মোৰ সেই যাত্ৰাৰ উদ্দেশ্য ভাঙ্গি কলোগৈ। কিন্তু তেখেতৰ সমিধানে মোৰ উতলি থকা উলাহত চেচা পানীহে ঢালিলে, কাৰণ সেই বিষয়ত সহায় কৰিবলৈ তেখেতৰ আৰ্থিক আৰু শাৰীৰিক বলে নুকুলালে। তাৰ পাচত মোৰ সাহিত্যিক বন্ধু ৺সত্যনাথ বৰাদেৱৰ কাষ চাপিলোঁগৈ। তেওঁ তীক্ষ্ণ বুদ্ধিৰে মোৰ মনোভাৱ ততালিকে বুজি উঠি সাহায্যাৰ্থে সক্ষম হল; আৰু ৰূপ একুৰি মোৰ জোলোঙাত ভৰাই দি মোক ৰায়বাহাদুৰ ৺ভুবনৰাম দাসৰ ঘৰলৈ লৈ গৈ মোৰ হৈ উকীল বন্ধুৰে ওকালতি ভিক্ষা কৰিলেগৈ। সেই আলোচনাৰ ফল এই হল, ৰায়বাহাদুৰে নিজৰ বাবে ২৫ টকা ভিক্ষা জোলোঙাত ভৰাই দি মোৰ গোহাবিৰ নকল এটা ৰাখি আশ্বাস দিলে যে, মই ভাটিফালৰপৰা উলটি আহোঁতে দিব পৰাকৈ যি পাৰে তেখেতে সংগ্ৰহ কৰি থব। গুৱাহাটীত দুদিনমান থাকি ৺খানবাহাদুৰ আজাহাৰ হোচেন চাহাব প্ৰমুখ্যে জনদিয়েক দেশ-হিতৈষী পুৰুষৰপৰা আৰু শ দিয়েক নগদ টকা দান লাভ কৰি মই বৰপেটা উদ্দেশ্যে যাত্ৰা কৰিলোঁ। কিন্তু জাহাজৰপৰা খোলাবন্ধা ঘাটত নামিয়েই সংবাদ পালোঁ যে মোক সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দি থোৱা ৺খানবাহাদুৰ মৌলৱী মহিবুদিন আহমদ মহকুমাধিপতি কিবা চৰকাৰী জৰুৰী কামত চফৰলৈ ওলাই গল, মই তেওঁক লগ নেপামগৈ। গতিকে মই বৰপেটালৈ নগৈ সেই ঘাটৰেপৰাই ভটীয়াই যাবলৈ মনস্থ কৰি, সেই বোট নথকা ঘাটতে এটা দেচোৱালী মাঝিৰ নাৱত সেই দিনাৰ বাকী ছোৱা আৰু ৰাতিটো কটাব লগাত পৰিলোঁ—ডেৰ যুগ যেন সেই ডেৰ দিনৰ দুখৰ কথা সুমৰিলে আজিও মোৰ গা-মন অৱশ হৈ পৰা যেন লাগি যায়। সি যি হওক, পিচদিনা জাহাজত উঠি যথাসময়ত গোৱালপাৰত নামিলোগৈ। নিৰ্ধাৰিত দিনতকৈ আগধৰি গৈ পোৱাৰ কাৰণে, গৈয়েই বন্ধুবৰ ৺প্ৰসন্নকুমাৰ ঘোষদেৱক ঘৰত নাপালোগৈ; তেওঁৰ পৰিয়ালৰ অন্যান্যজনেহে মোক অচিনাকী আলহী সুধিবলগীয়া হল। শ্ৰীযুত ঘোষদেৱ ৰাতি আহি ঘৰ পোৱাত মোৰ উদ্দেশ্য লৈ বহু ৰাতিলৈকে দুয়ো আলোচনা কৰিলো। পিচদিনা দুপৰীয়া ভোজনৰ পাচত মিঃ ঘোষ আৰু শ্ৰীযুত হৰিনাথ মুক্তিয়াৰদেৱৰ দিহামতে, যোগীঘোপা ঘাটলৈ পাৰ হৈ বিজনী জমিদাৰীৰ সদৰলৈ যাত্ৰা কৰিলোঁ। নামিয়েই কিন্তু ঘাটৰ ওপৰৰ যোগীঘোপা টিলাটিৰ গাত চাৰিওফালে মেৰাই ২০।৩০ হাতৰ অন্তৰত প্ৰোথিত শিলত যোগীঘোপাবোৰত দৰ্শন কৰি পৌৰাণিক কাৰুকাৰ্যৰ কৃতিত্ব উপলব্ধি কৰিলোঁ। তাৰ পাচত তাৰেপৰা জমিদাৰী তহচিলৰ আজ্ঞাত থকা ঘোঁৰা এটাত উঠি আবেলি পৰত বিজনী নগৰত সোমালোগৈ। মই তাত তেনেই অচিনাকী; গতিকে ঘোঁৰাটোৰ লেকাম ঢিলাই দি তাৰ নিজমনে চিনাকী ঠাই বিচাৰি সোমাবলৈ এৰি দিলোঁ; ঘোঁৰাই নি মোক শ্ৰীযুত ভবানী প্ৰসাদ বৰুৱা ( ৰাণীৰ সহোদৰ ) ভিতৰচোৱা বিষয়াৰ চোতালত থিয় কৰালেগৈ। তাৰ

পাচত বৰুৱাদেৱৰ আদেশমতে লগুৱা পাচনি দুজনে নি মোক চৰ্কাৰী আলহী ঘৰত দিহা লগাই থৈ শুশ্ৰূষা কৰিবলৈ ধৰিলে। মোৰ লগত মগনীয়াৰ জোলোঙা ব্যাগটোত বাজে একো নাছিল, কিন্তু চৰ্কাৰীকৈ আটাইবিধৰ যোগান ধৰা হল; মোৰ একোৰে অভাৱ নাথাকিল। আবেলি বেলিকা আলহী ভোজন কৰি উঠি মই ইফাল সিফালকৈ খোজ চলাই বিষয়াসকলৰ থকা-মেলা আলেথলেথ চাবলৈ ধৰিলোঁ। তাৰ পাচত ৰাণী নিবাসলৈ চকু পৰিল। দেখিলো তেজপুৰ বৰফাটেক সদৃশ এটা ওখ প্ৰকাণ্ড পকী গড়ৰ মাজত ৰাণীৰ বসতি। সেই গড়নগৰৰ ভিতৰত ক'ত কি আছে বাহিৰৰপৰা একো বুজা নাযায়। গড়ৰ ভিতৰ সোমাই ৰাণীক সাক্ষাৎ পাবলৈ মোৰ মনত কৌতুহল হ'ল। তাকে ভাবি গৈ গৈ আকৌ সেই বৰুৱা বিষয়াৰ ঘৰত সোমালোঁগৈ। তেখেতে আথেবেথে মোৰ শুশ্ৰূষাৰ বিষয়ে সুধি মোৰ পৰিচয় আৰু উদ্দেশ্য সোধাৰ পাচত, মই ৰাণীৰ সাক্ষাৎ লবলৈ বাঞ্ছা কৰিলোঁ। তেখেতে বাৰু বুলি মোক লগত লৈ বাবু বৰদানাথ হালদাৰ দেৱান মহাশয়ৰ ঘৰলৈ গৈ তেওঁৰ অনুমতি প্ৰাৰ্থনা কৰিলেগৈ; দেৱান মহাশয়ে অনুমতি দিয়াৰ লগে লগে লগতে তেওঁৰো আহিল। আমি গৈ দুৱাৰমুখ পাওঁতেই বাটচ'ৰাত সন্ধিয়াৰ ডবা-ঘণ্টা বাজি উঠিল, বাজে—ভিতৰে অলপ উলাহ লগা যেন পালোঁ। ভিতৰ সোমাই দেখিলোঁ তেজপুৰ পগলাফাটেকৰ ভিতৰ ভাগৰ দৰে থনদিয়েক উদ্যানৰ মাজত ৰাণী শ্ৰীযুক্তা অভয়েশ্বৰী দেবীৰ বাসভৱন। দেৱান মহাশয় ভৱনৰ ভিতৰলৈ সোমাল, আমি বাহিৰ ঘৰ এটাতে বহুপৰ বহিলোঁ। তাৰ পাচত তেওঁ ওলাই আহি আমাক ভৱনৰ ভিতৰলৈ লৈ গলহি। মাৰলৰ নিচিনা দীঘলীয়া কোঠা এটাত এখন আঁৰকাপোৰৰ সিপাৰৰপৰা দুআষাৰ-মান মহিলা মাতে মোৰ পৰিচয় সুধিলে, ময়ো আঁৰকাপোৰখনলৈ চাই গোটাচেৰেক কথা সুধি কিবাকিবি উত্তৰ পালোঁ। কিন্তু কাৰ মাত কেনেকৈ কম, মাথোন সুৰত অলপ বঙ্গলুৱা ঠাঁচৰ আভাস পালোঁ। সি যি হওক, গড়ৰপৰা ওলাই আহি দেৱান মহাশয়ৰ পাট বঙ্গলাত বহিলোগৈ। মোৰ উদ্দেশ্য ব্যাখ্যা শুনাৰ লগে লগে মোৰ সাহিত্যিক চৰ্চাৰ বিষয়ে তেওঁ বিশেষকৈ তত্ত্ব ললে। ইতিমধ্যত অন্যান্য বিষয়াবৰ্গও চাপিলগৈ, মজলিচত বঙ্গলা কথা আখৈ ফুটিবলৈ ধৰিলে। সেই ছেগতে নগাঁৱৰ মজলিচলৈ মোৰ মনত পৰিল। চল চাই কঠীয়া পাৰিবৰ অভিপ্ৰায়ে মই বঙ্গৰ স্বদেশী আন্দোলন বিষয়ক আলাপত ধৰিলোঁ। সেই বিষয়ে মই চাই বুজি বক্তৃতাদিও যে দিওঁ তাৰ আভাস পাই পিচদিনা দুপৰত এখন সভা পাতি সিবিলাকে মোৰ বক্তৃতা এটাও শুনিলে। তাৰ পাচত দেৱান মহাশয়ো মোৰ প্ৰতি সদয় হোৱা যেন পালোঁ। তাৰ চিনস্বৰূপ ৰাজভড়ালৰপৰা ১০০ টকাৰ বৰঙণি দক্ষিণাৰে সৈতে বিদায় দিয়াৰ হুকুম হল, কিন্তু বঙ্গৰ ফালৰ সাধাৰণ একোটায়ো অৱশ্যে ৫০০ টকাৰ কম নাপালেহেতেন। তাৰ কাৰণ হৈছে শ্ৰীযুত ভবানী বৰুৱাত বাজে বাকী আটাইবিলাক বিষয়া বঙ্গালী।

## কলিকতাত বাৰ বছৰৰ মুৰত

অসমৰ ভিক্ষা বিজনীতে সাম্প্ৰতিকভাৱে শেষ কৰি কলিকতাৰ ফালে ভটীয়াই গলোঁগৈ। জাহাজত হঠাতে মোৰ পুৰণি বন্ধু শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ পণ্ডিতদেৱক লগ পাই বৰ ভাল

লাগিল। দুয়ো ৰং-ধেমালি কৰি গৈ পিচদিনা পুৱা দহ বজাত কলিকতা পালোঁগৈ। মই ঠাইতে হেৰিচন ৰোডৰ হোটেল এটাত ৰৈ গলোঁ; মিশ্ৰদেৱ হাওৰাত তেওঁৰ শহুৰ মিঃ বেজবৰুৱাৰ বঙ্গলালৈ বাজে বাজে গলগৈ। মোৰ বৰ ভাগ্য যে কাষতে আন এটা ঘৰত ৺হৰিবিলাস আগৰৱালা ডাঙ্গৰীয়ায়ো কিছুমান দিনৰপৰা প্ৰবাস খাটি আছিলগৈ। সেই ছেগতে মই পোনেই তেখেতৰ আগত মোৰ উদ্দেশ্যৰ কথা ভাঙ্গি কলোঁ। তেখেতে অতি সন্তোষেৰে উপযাচি মোক সহায় কৰিবলৈ আগবাঢ়িল। সেইদিনাই তেখেতে মোক মিঃ বি. বৰুৱাৰ হাওৰাৰ ঘৰলৈ লৈ গৈছিল, কিন্তু দুখৰ বিষয়, আমি গৈ পোৱাৰ অলপ আগতে আমাৰ সদাগৰ বৰুৱা ডাঙ্গৰীয়া কোনোবাফালে ওলাই গল। পিচদিনা পুৱাতে আগৰৱালা ডাঙ্গৰীয়া নিজৰ ব্যৱসায়ৰ কামত হাওৰাৰ ফালে ওলাই গল। তেখেতৰ পিচতে তেখেতে দি যোৱা ঠিকনালৈ ময়ো দুপৰীয়া পৰত হাওৰালৈ ওলাই গলোঁ। গৈ আদবাটতে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ বঙ্গলাত এটা ভুমুকি মাৰি যাওঁ বুলি সোমালোঁ। সোমাই গৈয়ে দেখিলোঁ, বঙ্গলাৰ বাৰাণ্ডাত সৰু-বৰ থাং, টোম, পাচি ইত্যাদিত পেক কৰা বিবিধ ফল বিধ বিধকৈ সজাই থোৱা আছে, তাৰ মাজত মিঃ বেজবৰুৱাই ইটো সিটোকৈ পাৰ্চেলবোৰ পৰীক্ষা কৰি চাই ঘূৰি ফুৰিছে। মোক গেটৰ মুখত দেখিয়েই তেখেতে অলপ চমকখাই উঠি আগবাঢ়ি আহি আথেবেথে নি বাৰাণ্ডাত মাচিয়া এখনত বহুৱাই লৈ আৰু কাষতে তেখেতেও আসন লৈ মোৰে সৈতে সুখালাপ কৰিবলৈ ধৰিলে। সেই ছেগতে মোৰ উদ্দেশ্যৰ কথাও চমুকৈ ভাঙ্গি কৈ থলোঁ। এনেতে দেখিলো ভিতৰৰপৰা মোৰ বন্ধু সাহিত্যৰথী বেজবৰুৱাৰ অগ্ৰজ ৺শ্ৰীনাথ বেজবৰুৱাদেৱৰ হাঁহি হাঁহি ওলাই আহিছে। তেখেতে আসন লবলৈ নৌ পাওঁতেই ইহাতে দেখিলোঁ, এটি কাষৰীয়া কোঠাৰপৰা মিঃ জে. বৰুৱাই ( বৰ্তমান আৰ্ল ল কলেজৰ প্ৰিন্সিপাল ) ওলাই আহি পোনেই মোলৈ চাই এই বুলি মাত লগালে "Mr. Barooah I recognise you at once." সেই সুছেগৰ মিলনত মোৰ আনন্দৰ সীমা নাথাকিল। চাৰিও বহি আৰু অলপ পৰ কথাবাৰ্তা হোৱাৰ পাচত মই আগৰৱালা ডাঙ্গৰীয়াৰ ব্যৱসায় বহালৈ যাওঁ বুলি উঠিবলৈ ধৰোঁতেই মিঃ বেজবৰুৱাই দহটকীয়া নোট দুখন (২০ টকা) মোৰ মগনীয়া জোলোঙাত ( চোলাজেপত ) ভৰাই দি মোক বিদায় দিবলৈ ধৰিছে মাথোন, এনেতে মিঃ জে. বৰুৱাই "অ' ৰব ৰব" বুলি বেগেৰে তেখেতৰ কোঠালৈ সোমাই গৈ দহটকীয়া চেক এখন আগবঢ়াই দিলেহি। মই দুয়োজনৰ সেই সাদৰ বৰঙণি দান সাদৰে গ্ৰহণ কৰি উঠি বিদায় ললোঁ।

# ঊনত্ৰিংশ সৰ্গ

## জোলোঙা জোকাৰণী

সাহিত্যিক বন্ধুপ্ৰৱৰ মিঃ বেজবৰুৱাৰ বঙলাৰপৰা ওলাই উত্তৰমুৱা গলিৰ সোঁহতীয়া পাক দুটামান ঘূৰিয়েই পালোগৈ হৰিবিলাস আগৰৱালা ডাঙ্গৰীয়াৰ বেত ব্যৱসায়ৰ ভঁৰাল ঘৰ। ঘৰটো এটা আহল-বহল মুকলি টোলৰ মাজত; সি এটা সাধাৰণ দুছলীয়া আদপকী ঘৰ। কিন্তু দীঘলে সি ডুকুৰিহাতমান আৰু তাকে চাই পথালি। সেইহেন দীঘল ঘৰটোৰ দীঘে দীঘে ইমূৰৰপৰা সিমূৰলৈ জোৰা এটা সুদীৰ্ঘ বাৰাণ্ডা। মুকলি টোলটোৰ কেউপাশে দমদমকৈ ভালেমান ফলীয়া বেতৰ মেজীৰ মাজতে চোতাল অকণ। তাতে বহি এযোৰা আপ আৰু বাপাই সেই বেতৰ ব্যৱসায়িক আলোচনা কৰিছে। বহিথকা বুঢ়াজনে দিহা দিছে, কাষতে ডেকাজনে থিয়ৈ থিয়ৈ এটা জেপবহীত টোকা ধৰি লিখি গৈছে। এনেতে মই বেতৰ দমবোৰৰ আঁৰে আঁৰে গৈ সিবিলাকৰ গাৰ ওচৰতে ভমককৰে ওলালোঁগৈ। মোক দেখা মাত্ৰকে বুঢ়া ডাঙ্গৰীয়াই অলপ চমক খাই এই বুলি মাত লগালে, "অ' আপুনি ওলালেহি; ভাল বলক, ময়ো আজৰি হলোঁ।" এই বুলি থিয় হৈয়েই ডেকাজনলৈ চাই সঙ্কেত দিয়াৰ অলপ পাচতে এখন ভাড়াটীয়া ঘোৰাগাড়ী আনি হাজিৰ। সেই আপা-বোপা যোৰা আন নহয় ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়া আৰু তেখেতৰ নুমলীয়া পুত্ৰ ৺গোপালচন্দ্ৰ আগৰৱালা। বোপাদেৱক তাতে এৰি বুঢ়া ডাঙ্গৰীয়াই মোক লগত লৈ গাড়ীত চৰি ক্লাইব ষ্ট্ৰীটৰ "বি. বৰুৱা কোং" অফিচৰ উদ্দেশ্যে গাড়ী চলাবলৈ কচোৱানক আদেশ দিলে। পোৱা ঘণ্টামানৰ ভিতৰতে আমি ক্লাইব ষ্ট্ৰীটৰ যথাঠাইত নামিলোহিহঁক। নামিয়েই দেখিলো, এজন হেট্-পেন্ট পিন্ধা থুলন্তৰ ইণ্ডিয়ান চাহাবে ফুটপাথৰপৰা এগজমান আঁতৰি ষ্ট্ৰীটৰ ওপৰত থিয় দি চকু পিৰিকাই কিবা গুণিব লাগিছে। পুৰুষজনৰ আকৃতি-প্ৰকৃতি আৰু ভাব-গতিলৈ লক্ষ্য কৰি মই একেঠৰে চাই আছোঁ, এনেতে আগৰৱালা ডাঙ্গৰীয়াই কচোৱানক বিদায় দি উঠিয়েই সেই পুৰুষজনলৈ চাই চকু টিপিয়াই মোক সঙ্কেতত জানিবলৈ দিলে যে সেইজনেই মিঃ বি. বৰুৱা। পিচ মুহূৰ্ততে পিচফালৰপৰা আহিল এখন চাৰি ঘোঁৰাৰ বাগী। চকু পচাৰতে দমদমাই বাগী আহি গা পালেহি, কিন্তু মিঃ বৰুৱাৰ তেতিয়াও চকু পিৰিকণি গুচা নাই। দেখি আমাৰ গা-মন জিকাৰি উঠিল। কথমপি বৰ ওখ-ডাঙ্গৰ দুচিয়াৰ হিন্দুস্থানী দাৰোৱান এটাই থাপ মাৰি বাউসীৰ তলে হাত ভৰাই ধৰি ফুটপাথলৈ টানি নোতোলা হলে, তেতিক্ষণে মিঃ বি. বৰুৱাৰ ফালে আধ্যা পৰিলহেঁতেন। তাৰ পচতো ভালেখিনি পৰলৈকে মোৰ বুকুখন ঢিপিং ঢিপিংকৈ আছিল। যি হওক সেই আকস্মিক আপদ এৰাই ধীৰগম্ভীৰভাৱে দুতলাৰ ওপৰলৈ উঠি গৈ আমাৰ সদাগৰ ডাঙ্গৰীয়া নিজৰ অফিচত বহিলগৈ। সেই ছেগতে আগৰৱালা ডাঙ্গৰীয়াই মোক নি তেখেতৰ ওচৰত ভেঁটাই দিলেগৈ। আমাক সমাদৰে বহুৱাই লৈয়েই মিঃ বৰুৱাই আকৌ এই বুলি বিদায় দিলে, "মই অলপ পাচতে মোৰ হাওৱাৰ

বঙ্গলালৈ যাব লাগিছোঁ, আপোনাসকলে অসুবিধা বোধ নকৰে যদি আমি তাতে লগ খামগৈহঁক। সেই অনুসৰি আমি অগত্যা আকৌ হাওৱালৈ উলটিলোঁ। হাওৱা বঙ্গলাত আহি দেখো যে কটকৰ ফালৰ জমিদাৰ এজন মিঃ বি. বৰুৱালৈ অপেক্ষা কৰি বহি আছেহি। তদুপৰি দুই-চাৰিজনকৈ ব্যৱসায়ী লোক আহি কোনো বৈ আছে, কোনো উলটি গৈছেহি। গতিগোত্ৰ দেখি আমাৰ উদ্দেশ্যৰ পাতনি মেলিবলৈকে ছেগ পোৱা নাযাব যেন লাগিল। তথাপি বৰুৱা ডাঙ্গৰীয়াৰ কথা ৰাখি আমি দুয়ো অনা-গুণা কৰি ভিতৰুৱাকৈ কথাবাৰ্তা হৈ আধাঘন্টামান বহিছোঁ, এনেতে তেখেত ওলালহি। আমি টোলৰ দুৱাৰমুখৰ কাষৰ চ'ৰাতে আগবাঢ়ি বহি থকা হেতুকে তেখেতে পোনেই আমাকে পালেহি, আৰু পোনেই আমাৰে সৈতে কথাবাৰ্তা পাতিবলৈ বহিলে। ব্যৱসায়ী লোকৰ আলাপ চুটি; গতিকে বৰুৱা আৰু আগৰৱালা এই সুপ্ৰখ্যাত প্ৰবীণ অসমীয়া ব্যৱসায়ী ডাঙ্গৰীয়াদ্বয়ে মোক মাজত লৈ আমাৰ উদ্দেশ্যৰ পাতনি চমু চপাই লৈ আচল কথাৰ আলোচনাত ধৰিলে, সিও বহুপৰ নহয়, আধা-ঘণ্টামান মাথোন। ফলত এই সমিধান পোৱা গল যে মই যদি কলিকতাৰ "ইংলিচম্যান", "ষ্টেট্চম্যান" আদিৰ নিচিনাকৈ এখন ওখ থাপৰ ইংৰাজী দৈনিক কাকত প্ৰচাৰ কৰিবলৈ গাত লব পাৰো তেন্তে আমাৰ সদাগৰ বৰুৱা ডাঙ্গৰীয়ায়ো গাত লব পাৰে এখন প্ৰথম শ্ৰেণীৰ ছপা যন্ত্ৰৰে সৈতে যথেষ্ট আৰ্থিক সাহায্য দান কৰিবলৈ। সমিধান আমাৰ ধাৰণাতীত হল; সিমানতে আমি আদাবেপাৰীয়ে জাহাজৰ খবৰ এৰি মানে মানে বিদায় মাগিলো। উঠিবৰ সময়ত মই ইমানকে মাথোন কৈ আহিলো, "ভাল উঠোহে এতিয়া, সময়ত আপোনাৰ প্ৰস্তাৱ আমাৰ সামান্য আকোৱালিয়ে ঢুকি পায়গৈ যদি আপোনাক জনোৱা যাব।" দুপৰ কেতিয়াবাই ভাটি দিলে; আবেলি বেলিকা উলটি আনি আমাৰ বহা হেৰিচন ৰোডৰ হোটেল সোমালোঁহিহঁক। দুখত আনন্দ কৰাৰ দৰে আগৰৱালা ডাঙ্গৰীয়াই দুই-চাইটা খুহুটীয়া কথাৰে সৈতে দুইৰো মনৰ ভাগৰ গুচাই আকৌ আমাৰ উদ্দেশ্যৰ বিষয়ে কথাবাৰ্তা পাতিবলৈ ধৰিলে। ইতিমধ্যত তেখেতৰ লগুৱাটোৱে শুকান কৌপাতৰ খোলাতকৈ "গৰ্মা-গৰ্মী" কচুৰী দুখোলা দুলাৰু মোহনভোগৰে সৈতে আনি দুইৰো আগত যতনাই দিলেহি। আমি তাকে বৰ আগ্ৰহেৰে উদৰস্থ কৰি তৃপ্তি লাভ কৰিলোঁ। কাৰণ আমি পুৱাৰপৰা ঘূৰাঘূৰিকৈ ফুৰি থকাৰ লাভত দুপৰীয়াৰ ভাতমুঠিও হেৰুৱাই পেটৰ কলমলনিত আমনি সহি থাকিবলগীয়া হৈছিল। সেইদিনা সিমানতে; পিচদিনা বি. বৰুৱা কোম্পানীৰ কৰ্মচাৰী শ্ৰীযুত লবোৰাম শইকীয়াদেৱে মোৰ হাতত ঋণ ২৫ টকা দি কলেহি যে সদাগৰ বৰুৱা ডাঙ্গৰীয়াই সেই কেইটকা সাম্প্ৰতিকভাৱে মাথোন বাট-খৰচা দিছে। মগনীয়াৰ মাতিবৰ এক্তিয়াৰ নাই। গতিকে তাকে যথালাভ বুলি মোনাত ভৰাই থলোঁ; বোলে সোলাৰ মুখত মাখি সোমায় সিও লাভৰ ভিতৰ। সিমানতে সেই যাত্ৰাৰ মাগন সাধন সাম্প্ৰতিকলৈ সমাপ্ত কৰি, উজনি অসমৰ বাকীছোৱা পাচলৈ থৈ মোৰ জোলোঙ্গা জোকাৰি চাই লেখত পালো সদৌ মিলি ২২২৫ টকাৰ দান। সূক্ষ্মদৰ্শী সুবিজ্ঞ আগৰৱালা ডাঙ্গৰীয়াই দেখি অলপ ৰংমনেৰে কলে, "নিচেই কম হোৱা নাই, আৰু ই আপোনাৰ ভ্ৰমণৰ জোখতকৈ চৰাও হোৱা নাই।

যি হওক মোৰ মনেৰে আপুনি এই মগনীয়াৰ জোলোঙাৰ ধনেৰে আগধৰি 'বন্তি' হৈ লাগোৱা ধাৰখিনি শুজি লওকগৈ; তাৰ পাচত বাদবাকীখিনিৰে সৈতে নতুন আখৰ কিনি আগৰ পুৰণি আখৰবোৰ সলাই লৈ কাকতখনৰ ছপা ফটফটীয়া কৰি তাৰ জেউতি চৰাওকগৈ।"

## 'বন্তি'ৰ জেউতি

মই তেজপুৰলৈ উলটি আহিয়েই বন্তি চলোৱা বাবে পোৱালী মেলা ধাৰ ১৭০০ টকা শুজি নিধকুৱা হৈ লৈ বাকী ৫০০ টকাৰে সৈতে কলিকতাৰ পৰা হৰেক ৰকমৰ নতুন টাইপ আৰু ভালেমান লাগতিয়াল সঁজুলি অনাই লৈ 'অসম চেণ্ট্ৰল প্ৰেছ'ৰ টাইপ আৰু সৰঞ্জাম সমুদায় সলাই তাক একেবাৰে নতুন যেন কৰি তুলিলোঁ। তাৰ পাচত মোৰ অনুপস্থিতিত টিমিক-টামাককৈ জ্বলি থকা 'বন্তি'গছ ফটফটীয়াকৈ জ্বলাই গ্ৰাহক, পাঠক আৰু সৰ্বসাধাৰণ ৰাইজৰ করুণ দৃষ্টি আৰু সহানুভূতি আকৰ্ষণ কৰিবলৈ পৰম উলাহেৰে অগ্ৰসৰ হলোঁ। অলপদিনৰ ভিতৰতে মোৰ সেই উদ্যমৰ ফল ফঁওৱাৰ আগন্তুক দেখা গ'ল; আৰু বছেৰেকমানৰ ভিতৰতে হাজাৰ-বাৰশমান গ্ৰাহকৰ "পকাতেল একোবেহী" চুহিবলৈ পাই বন্তি উজ্জ্বল জেউতিৰে জ্বলিবলৈ ধৰিলে। সেই গুণতে ৰাইজ আৰু ৰজাঘৰ উভয়ৰে বন্তিৰ প্ৰতি আস্থা বাঢ়ি আহিল। বন্তিৰ সেই জেউতিত উলাহিত হৈ ভালেমান গুণগ্ৰাহী গ্ৰাহকে গুণ গাবলৈকো বাকী নাৰাখিলে; সেইসকলৰ ভিতৰত বন্তিৰ এই প্ৰতিপত্তি লাভৰ মূল উপদেষ্টা ৺জগন্নাথ বৰুৱা বি. এ. ৰায়বাহাদুৰ সবাতকৈ আগ আৰু প্ৰধান। সিবিলাকৰ সেই শলাগৰ উটঙ্গনিত ময়ো আনন্দত উধাও হৈ, গা দেখা দি কাকতখনিৰ উন্নতিকল্পে দেহেকেহে লাগি গলোঁ। গা দেখা দি বোলাৰ অৰ্থ এই যে আদিৰেপৰা সেই সময়লৈকে আনৰ গাৰ আঁৰ লৈহে মই বন্তি চন্তালন কৰি আহিছিলোঁ; কিয়নো তেতিয়ালৈকে ময়ো চাকৰীয়া বান্ধোনৰপৰা মুক্ত হব পৰা নাছিলোঁ; কিন্তু সিমানতে 'বন্তি'ৰ হৈ সেই মায়াজাল আপুনি ফালি-ছিৰি ওলাই আহিলো···মনে মনে স্থিৰ কৰিলো যে ছুটীৰ দিন উকলি গলেও আকৌ চৰ্কাৰী চাকৰি পদ গ্ৰহণ নকৰিমগৈ। সেইটো কিন্তু মোৰ গুপুত সংকল্পহে; বাহিৰত আনে বুজিব পৰা নাছিল। গতিকে মোৰ গাৰ ছাঁ যেন শত্ৰুপক্ষে গুপুতে আৰু ছেগ ধৰি প্ৰকাৰান্তৰে মোৰ নৰিয়া-বিদায় বাতিল কৰাবলৈ পাৰ্যমানে প্ৰয়াস পাবলৈ ধৰিলে। তাৰ গম পাই ময়ো মনে মনে ফেৰ পাতি ধৰিলো বোলো, নুবুৰে মানে ৰাম—নৰিয়া বিদায় যিমানলৈকে বঢ়াই নিব পৰা যায় সিমানলৈকে বঢ়াই লৈ গৈ থাকিম; যেতিয়া তাৰ মুদা মৰিবগৈ তেতিয়া যি হয় এটা কৰা যাব। সেই অভিপ্ৰায়েৰে প্ৰথম বাৰ বিদায়ৰ কাল উকলি যোৱাত ডাক্তৰী চাৰ্টিফিকেটৰ বলেৰে আৰু ছমাহলৈ বিদায় বঢ়াই লোৱা হল। চাওঁতে চাওঁতেই এই ছমাহো পাৰ হৈ যায়—এনেতে তলে তলে নতুন বিধৰ উপায় বুদ্ধি খটাই আকৌ এক ছমাহলৈ পাচত ছুটী বঢ়াই পোৱা গ'ল। এইবাৰ কিন্তু 'শেনৰ এক জাত' এই বাৰেই নিবাৰ যেন লাগিল। গতিকে ইতিমধ্যত ভিতৰৱাকৈ পেন্সন লাভৰ চিন্তালোচনাত ধৰিলোঁ; আৰু এই কাৰ্যত মোৰ প্ৰিয়তম বন্ধু ৺হেমচন্দ্ৰ গোস্বামী সৰ্বতোভাবে সহায় হল।

# ত্ৰিংশ সৰ্গ

## বিশ্ববিদ্যালয়ৰ প্ৰশ্নকাৰ আৰু পৰীক্ষক

ইং ১৯০৩ চনৰপৰা ৰায়বাহাদুৰ ৺মাধবচন্দ্ৰ বৰদলৈ ডাঙ্গৰীয়াৰে সৈতে যুটীয়াকৈ মই কলিকতা বিশ্ববিদ্যালয়ৰ এন্‌ট্ৰেঞ্চ আৰু এফ. এ. মহলাৰ অসমীয়া সাহিত্যৰ পৰীক্ষকৰ বাব পাওঁ। ৰায়বাহাদুৰ ডাঙ্গৰীয়াৰ অকাল বিয়োগৰ পাচত সেই বাব বছৰচেৰেক তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈৰে সৈতে চলাওঁ। তাৰ পাচত তাৰ উপৰিও ৺হেমচন্দ্ৰ গোস্বামীদেৱৰে সৈতে যুটীয়াকৈ বি. এ. মহলাৰ প্ৰশ্নকাৰ হৈ, ১৯৩৩ চনলৈকে প্ৰায় ডেৰকুৰি বছৰ সেই বাব বৈছিলোঁ; কিন্তু শেহৰ বছৰদিয়েকৰ আগতে ৺গোঁসাইদেৱে মোক এৰি অকলে "স্বৰ্গযাত্ৰা" কৰিলে। তেওঁৰ ঠাই শ্ৰীযুত বাণীকান্ত কাকতিদেৱে পূৰণ কৰে। ইতি-পূৰ্বতে মই পাটনা ইউনিভাৰ্চিটিৰো প্ৰশ্নকাৰ আৰু পৰীক্ষকৰ বাব পাওঁ। এই প্ৰসঙ্গতে কলিকতা ইউনিভাৰ্চিটিৰ কেলেণ্ডাৰত মোৰ নামত বি. এ. উপাধি যোগ দিয়া হয়; মই সেই বিষয়ক ভুল আঙ্গুলিয়াই দি কেইবাবাৰো ৰেজিষ্ট্ৰাৰলৈ সংশোধনৰ কাৰণে লিখিছিলো, কিন্তু তাৰ গুণ নধৰিল। সদৌ শেহত মোলৈ এইখন পত্ৰ আহে—

Senate House

The 3rd February, 1916

To

Sjt Padmanath Baruah B. A.

Dear Sir,

May I take the liberty of suggesting to you that it would appear to be desirable to have your name enrolled as a Registered Graduate of university, considering that as an examiner you are in close touch with the university, and have to perform on its behalf duties of a responsible and important character. You would then give outward expression to your connection with the university and moreover place yourself in a position to enjoy its privileges and to exercise the functions of a recognised member of a university.

Yours truly

P. Bruht

Registrar

এই পত্ৰত লিখা প্ৰস্তাৱত অনিচ্ছাক্ৰমে অগত্যা ৺গোঁসাইদেৱৰ পৰামৰ্শমতে সন্মতি দি মই মনে মনে থাকিলোঁ।

## সাহিত্যিক পেন্সন প্ৰাপ্তি

অসমীয়া ওখ থাপৰ সাহিত্য পুথি 'সাহিত্য সংগ্ৰহ' সঙ্কলন আৰু প্ৰচাৰৰ দ্বাৰাই বঙ্গলা সাহিত্যক অসমৰ স্কুল-পঢ়াশালিৰপৰা বাজকৰা দিন ধৰি, মোৰ জাতীয় সাহিত্যক সৰ্বতোভাৱে সেই সতিনী সাহিত্যৰ উপৰীয়া কৰিব পৰা নহয়মানে মানে-সন্মানে তাৰ সমনীয়া কৰি জিলিকাই ৰাখিবলৈকে মোৰ প্ৰাণৰ ধাউতি অং ১৮১৫ শক বা ইং ১৮৯৪ চনৰপৰা অবাৰিত ধাৰেৰে বৈ আছিল। আপদে সম্পদৰ গুৰিত সাৰ চপোৱাৰ দৰে চাকৰি সমস্যাৰ আহুকলীয়া ভাবে মোৰ অন্তৰৰ সেই ধাউতিত অযাচিতে সাৰ-শক্তি দিয়াৰ নিচিনা হল; এদিন প্ৰিয়তম বন্ধু ৺হেমচন্দ্ৰ গোস্বামীদেৱৰে সৈতে বহি মোৰ পেন্সন প্ৰাপ্তিৰ বিষয়ে আলোচনা কৰি থাকোতে আমাৰ মনত হঠাতে খেলালে যে বঙ্গলা সাহিত্যৰ শ্ৰীবৃদ্ধিৰ অৰ্থে যদি বঙ্গালী সাহিত্যিকক গৱৰ্ণমেণ্টে সাহিত্যিক পেন্সন দান কৰি সেই সাহিত্যৰ যশস্যা বঢ়াব পাৰে, তেন্তে সমনীয়া অসমীয়া সাহিত্যনো সেই মান যশস্যাৰপৰা কিয় বঞ্চিত হব? এই কথা মনলৈ অহা মাত্ৰকে দুইৰো অন্তৰত বিজুলী সঞ্চাৰে এছাটি আশাৰ পোহৰ পৰিল; উলাহিত চিতেৰে দুইৰো মুখলৈ দুইয়ে চোৱা-চুইকৈ ক্ষন্তেক ঠৰ লাগিলোঁ। তাৰ পিচ মুহূৰ্ততে দুয়ো একে আষাৰে মনোভাৱ প্ৰকাশ কৰিলোঁহঁক যে পলম কৰাৰ সকাম নাই, "শুভস্য শীঘ্ৰম্" নীতি আচৰণ কৰি সেই উদ্দেশ্যে অনতিপলমে আগবাঢ়িবহে লাগে। সেই সিদ্ধান্ত অনুসৰি সেই বৈঠকতে সেই অৰ্থে গৱৰ্ণমেণ্টলৈ এখন আবেদন-পত্ৰ মছাবিদা কৰিবলৈ ধৰিলোহঁক। গোসাঁইদেৱৰ পানী নসৰকা আৰ্জলিৰে এঁকাজলি যুক্তি থাপি থাপিকৈ জুকিয়াই লগাই মছাবিদাখন আবেদন-পত্ৰলৈ পৰিণত কৰা হল। তাৰ পাচতে সেইদিনা ৰাতিয়েই তেতিয়াৰ তেজপুৰ চেটেলমেণ্ট অফিচৰ দ্বিতীয় কেৰাণী শ্ৰীযুত চন্দ্ৰকান্ত বৰুৱা দেৱৰ হতুৱাই টাইপ কৰাই শোধাব পৰাকৈ যুগুত কৰি লোৱা হল। কবলৈ পাহৰিছোঁ, সেই সময়ত ৺হেমচন্দ্ৰ গোস্বামী ই. এ. চি. তেজপুৰত এচিষ্টেণ্ট চেটেলমেণ্ট অফিচাৰৰ পদত আছিল। সেই ছেগতে তেজপুৰে তেওঁৰপৰা ভালেমান সাহিত্যিক সম্পদ লাভ কৰে।

তেতিয়া মই মিউনিচিপেলিটিৰ ভাইচ চেয়াৰমেন। চেয়াৰমেনৰ একটিং কৰিছিল ডেপুটি কমিচনাৰ কৰ্ণেল হেলিদেৱ অনুপস্থিতিত তেতিয়াৰ চেটেলমেণ্ট অফিচাৰ মিঃ মেকচুইনিয়ে। বছৰদিয়েকৰ আগতে মাথোন আমাৰ অসম দেশ পূৰ্ববঙ্গৰ লগত সাঙ্গোৰ খাই "পূৰ্ববঙ্গ আৰু অসম" নামে নতুনকৈ এখন স্বকীয়া প্ৰদেশ গঠিত হৈছিল; এই নতুন প্ৰদেশৰ পোন প্ৰথম লেফটেনেণ্ট বা ডুৱলীয়া গৱৰ্ণৰ চাৰ বেমফিল্ড ফুলাৰ চাহাবে বাধ্য হৈ অৱসৰ লোৱাত চাৰ লেঞ্চলট হেয়াৰ চাহাব তেওঁৰ গদীত বহেহি। এওঁ মাহচেৰেকৰ পাচতে ছুটীত যোৱাত দক্ষিণ ভাৰতৰপৰা চাৰ চাৰ্লচ বেলী চাহাব বাহাদুৰ একটিং হৈ আহে। এওঁৰ আমোলতে অসমীয়া সাহিত্য বঙ্গলা সাহিত্যৰে সৈতে সমানে শাৰী পুৰাই সাহিত্যিক পেঞ্চন প্ৰাপ্তিৰ সোণাময় ছেগ এটি ধৰে। চাৰ বেলীয়ে পোন প্ৰথমে শিলঙত ৰাজকীয় গদীত বহিয়েই তেজপুৰৰ ফালে চকৰলৈ আহে। সেই যাত্ৰাত তেখেত তেজপুৰত একেৰাহে তিনিদিন থাকেহি। মিউনিচিপাল ভাইচ চেয়াৰমেন স্বৰূপে মই তেখেতৰ আগত

টাউনবাসীৰ হৈ অভিনন্দন-পত্ৰ পাঠ কৰাৰেপৰা ধৰি কেইবাবিধৰো অভ্যৰ্থনা কাৰ্যত নেতৃত্বৰ বাব পাইছিলো, তাৰ ভিতৰত 'কোল পাৰ্ক' মেৰাই থকা জোন-বিৰীয়া পুখুৰীত নাও খেলাৰ প্ৰতিযোগিতা আৰু তাৰ পুবপাৰত চেটেলমেণ্ট অফিচৰ মণ্ডল কাননগু সকলৰ দ্বাৰাই অভিনীত "বালিবধ" ভাওনা—এই দুটা প্ৰধান। দুয়োতে মোৰ উদ্যম আৰু কাৰ্য-কাৰিতালৈ চাৰ বেলীয়ে বৰকৈ মন কৰিছিল। বিশেষকৈ ভাওনাৰ স্থলত তেখেতৰ কাষতে বহি মই ভাৱৰীয়াৰ বচনাদি ইংৰাজীলৈ ব্যাখ্যা কৰাৰ বাব পোৱাত অসমীয়া ভাষা সম্বন্ধে লাচতে দুই-চাৰিআষাৰ গুণ গাবলৈকো সুচল পাইছিলো। ফলিতাৰ্থত সেই অভ্যৰ্থনাৰ আয়োজন আৰু কাৰ্যত গঢ়িলা লৈ নিচেই শেহৰ দিনা মই আকৌ এবাৰ সাক্ষাৎ কৰি আমাৰ সঙ্কল্পিত সাহিত্যিক পেন্সনৰ কথা তেখেতৰ কাণ চুৱাবলৈ আগ বাঢ়িলো। মোৰ উদ্দেশ্য সফল—ডুবৰীয়া গৱৰ্ণৰ চাৰ চাৰ্লচ বেলীচাহাব বাহাদুৰে ৰং মনেৰে প্ৰতিশ্ৰুতি দিলে যে তেখেতৰ ক্ষমতাৰে যিমানলৈকে পাৰে মোৰ উদ্দেশ্য আগুৱাই দিব। সেই দ্বিতীয় ছেগতে মই লাহেকৈ আৰু অতি নম্ৰভাৱে আমি আগধৰি যুগুতকৈ থোৱা আবেদন-পত্ৰখনি আগবঢ়াই দি তেখেতক জনালো যে তাতে মোৰ সাহিত্যিক জীৱনৰ কথা সমুদায় পাব। তেখেতে আবেদন-পত্ৰখন ভালকৈ পঢ়ি চাই হাঁহি মাৰি কলে, "বেচ হৈছে।" তাৰ পাচত তেখেতে ভাঙ্গি কলে যে এই সাহিত্যিক পেন্সনৰ বিশেষ বিধান খটাব লাগিব; গতিকে ভাৰত গৱৰ্ণমেণ্টৰ জৰীয়তে গৈ বিলাতত ভাৰত মন্ত্ৰীৰ (Secretary of State for India) হাতত পৰিলেহে ইয়াৰ ফলাফল জনা যাব। পিচে সেইখিনি পোৱাবগৈ পৰাটোৱেই বৰ শকত কথা। তথাপি তেখেতে পাৰ্যমানে যত্ন কৰিব বুলি মোক ডাঠি আশ্বাস দি সদৌশেষত কৈ থলে যে সেই সময়ৰ ভাৰতমন্ত্ৰী সাহিত্যিক ওজা লৰ্ড মৰ্লিৰ আমোলত মোৰ গোহাৰিত যে গুটি ধৰিব তাত সংশয় নাই।

চাওঁতে চাওঁতে তিনি মাহ পাৰ হৈ গ'ল; সাহিত্যিক পেন্সনৰ অৰ্থে শোধোৱা মোৰ আবেদন-পত্ৰৰ কোনো সমিধান পোৱা নগল। ইতিমধ্যত একটিং কাল উকলি যোৱাত ডুবলীয়া লাটচাহাব চাৰ চাৰ্লচ বেলী বাহাদুৰ অসম এৰি গুচি গ'ল। নিগাজী ডুবলীয়া লাট চাৰ লেঞ্চলট হেয়াৰে আকৌ অসমৰ নাকী ধৰিলেহি। ভিতৰুৱাকৈ অনুসন্ধান কৰি অলপ সম্ভেদ পোৱা গল সেই সময়ৰ শিক্ষা বিভাগীয় ডিৰেক্টৰ মিঃ চাৰ্পচাহাবে বোলে তলে তলে মোৰ গ্ৰন্থাৱলীৰ লাগতীয়াল কেখনমান জনদিয়েক অসমীয়া সাহিত্যিকৰ দ্বাৰাই পৰীক্ষা কৰাই সিবিলাকৰ মতামত সংগ্ৰহ কৰিছে। তাৰ ভিতৰত ৺সত্যনাথ বৰা, ৺ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা আৰু মিঃ আবদুল মজিদ চাহাবৰ লেখ পালোঁ। সি যি হওক, ইফালে মোৰ শেষবাৰৰ ছুটীৰ কাল অস্তপৰিবলগীয়া হল, মাথোন মাজতে ডেৰমাহমান আছেগৈ। গতিকে উপায়ান্তৰ হৈ ৺হেমচন্দ্ৰ গোস্বামীদেৱৰ সৈতে পৰামৰ্শ কৰি, অসমীয়া ভাষাৰ পৃষ্ঠপোষক অসম উপত্যকাৰ কমিচনাৰ কৰ্নেল গৰ্ডন চাহাবৰ কাষ চাপিলোঁগৈ। তেখেতে মোৰপৰা আদ্যোপান্ত শুনি লৈ, সেইবিষয়ে গৱৰ্ণমেণ্টলৈ টানি লিখিব বুলি মোক আশ্বাস দিলে। ইতিসময়ত যোৰহাটত এখন বিৰাট শিল্প প্ৰদৰ্শনী পতা হয়। তালৈ চৰ্কাৰী বিষয়াবৰ্গত বাজেও অসমৰ

অগ্রগণ্য লোকসকল নিমন্ত্রিত হৈছিল, আৰু প্ৰদৰ্শকবৰ্গৰ মাজত প্ৰতিযোগিতাৰ গুণাগুণ নিৰ্ণয় কৰিবলৈ কিছুমান উপযুক্ত লোক নিয়োজিত হৈছিল, তাৰ মাজত 'টাইমচ্ অৱ অসম' কাকতৰ সম্পাদক ৺ৰাধানাথ চাংকাকতিৰে সৈতে মুটীয়াকৈ 'অসম বন্তি'ৰ সম্পাদক হিচাপে পুথি-পাঁজি, কাপোৰ-কানি আৰু অসমৰ শিল্পজাত উৎপন্ন দ্ৰব্য-বস্তু আদি পৰীক্ষাৰ বিভাগত ময়ো নিয়োজিত হৈছিলোঁ। প্ৰদৰ্শনীৰ প্ৰেচিডেণ্ট হৈছিল স্বয়ং চাৰ লেঞ্চলট হেৱাৰ আৰু চেক্ৰেটৰী আছিল কৰ্ণেল গৰ্ডন। সেই ছেগতে কৰ্ণেল গৰ্ডনৰ দিহামতে মই ডুৱলীয়া লাট চাহাবৰ আগত ওপৰত উন্নুকিয়াই মহা সাহিত্যিক পেন্সনৰ বিষয়ে পুনৰপি উত্থাপন কৰিলো। সেই পৰত কৰ্ণেল গৰ্ডনো উপস্থিত আছিল, আৰু তেওঁ পাৰ্যমানে সমৰ্থন কৰিলে। ফলত সেই বিষয়ে বিশদ ব্যাখ্যা দি গৱৰ্ণমেণ্টলৈ এটা ৰিপৰ্ট কৰিবলৈ কমিচনাৰ কৰ্ণেল গৰ্ডনৰ ওপৰতে ভাৰ পৰিল। সেইক্ষণৰপৰা মোৰ আশাৰ ফল ফলিয়াবলৈ ধৰিলে।

তাৰ পাচত, অতি উদ্বিগ্নভাৱে আৰু এমাহ কটালোঁ। তথাপি পেন্সন প্ৰাপ্তিৰ বিষয়ে কোনো সঠিক সন্তেদ পোৱা নগল। ইফালে মোৰ শেষ ছুটীৰ কাল উকলিবলৈ মাহ মৰি সপ্তাহত সোমালেহি। উপায়ান্তৰ হৈ আকৌ কৰ্ণেল গৰ্ডনৰ কাষ চাপিলোগৈ। তেখেতে দয়া কৰি ততালিকে এখন অসম গৱৰ্ণমেণ্টৰ চীফ চেক্ৰেটৰীলৈ আৰু এখন শিক্ষা বিভাগৰ ডিৰেক্টৰ চাহাবলৈ ডেমী অফিচিয়েল পত্ৰ লিখিলে; তাত বিশদকৈ বুজাই কোৱা হৈছিল যে, পেন্সন প্ৰাপ্তিৰ আবেদন-পত্ৰৰ ফলাফল বা সমিধান অনতিপলমে নোলালে ইফালে মোৰ নৰিয়া-বিদায় কাল অন্ত পৰি বিষম জঞ্জাল ঘটাব। পিচে ঈশ্বৰৰ ইচ্ছাত, কৰ্ণেল গৰ্ডনচাহাবৰ কৃপাত মূৰামূৰি সময়ত এখন সমিধান-পত্ৰ ডিৰেক্টৰ চাহাবৰপৰা এইবুলি পোৱা গ'ল যে মোৰ কাৰণে এটা সাহিত্যিক পেন্সন মঞ্জুৰ কৰোৱাৰ অৰ্থে অসম গৱৰ্ণমেণ্টে ভাৰত গৱৰ্ণমেন্টলৈ লিখিছে : এতেকে ইতিমধ্যত মোৰ ছুটীৰ কাল উকলি গলেও বিশেষ জঞ্জাল ঘটিবৰ আশঙ্কা নাই; কিয়নো আৱশ্যক বুজি ছুটী আকৌ দীঘলাই দিব পৰা যাব। সেই সমিধান পাই মই এফেৰি নিশ্চিন্ত হলো, আৰু এই সৎকাৰ্যৰ আচল গুৰিয়াল ৺হেমচন্দ্ৰ গোস্বামীদেৱৰ অন্তৰত আনন্দ উপচি পৰিল।

তাৰ পাচতো সপ্তাহ বাগৰি মাহত পৰিল, মাহ বাগৰি বছৰত সোমাল আৰু বছৰ বাগৰি তিনি মাহ আগবাঢ়িল, তথাপি পেন্সনৰ একো সংবাদ নাহিল। সেই বাবে হতাশ হোৱা নাই যদিও মনৰ উগুল থুগুল ভাৱ ক্ৰমাৎ প্ৰবল হবলৈ ধৰিলে। গোঁসাইদেৱৰ ধাৰণা মতে খাটাং সংবাদ অহাত পলম হৈ তেওঁৰ আশাত গুটি ধৰাৰ সম্ভাৱনা ডাঠ কৰিছিল মাথোন। যি হওক মই ইতিপূৰ্বেৰেপৰা দীঘলাই নি নি উপভোগ কৰি থকা নৰিয়া-বিদায় যথা সময়ত পেন্সনৰ হুকুম নহালৈকে দীঘলাই পোৱাত মই ছুটীৰ বিষয়ে ভাবিবলগীয়া নহৈছিল। গতিকে মই মুকলিমূৰীয়াকৈ 'বন্তি' চলোৱা কাৰ্যত আৰু সাহিত্যিক চৰ্চাত লাগি গলোঁ। তথাপি পেন্সনৰ বিষয়ে এটা খাটাং সিদ্ধান্ত নোপোৱাৰ হেতুকে মনৰ উদ্বিগ্নতাই অন্তৰত অশান্তিৰ সৃষ্টি কৰি মোক ভিতৰি অসুখীয়া কৰিবলৈ ধৰিলে। এনেতে এদিন শিক্ষা বিভাগৰ ডিৰেক্টৰ চাহাবৰ সেই আশ্বাসৰ পত্ৰ পোৱাৰপৰা এবছৰ তিনি মাহৰ মূৰত ইং ১৯০৯ চনৰ ১১ মাৰ্চ তাৰিখে

মোৰ বিশেষ সাহিত্যিক পেন্সন সম্পৰ্কীয় তলত দিয়া গৱৰ্ণমেণ্ট কাকত-পত্ৰাদিৰ নকল দৰং জিলাৰ ডেপুটী কমিচনাৰ চাহাবৰ জৰীয়তে মোৰ হাতত পৰিলহি—

Grant of Special Literary Pension to Sjt Padmanath Baruah

No. 347 of 1908.

Govt. of India

Finance Department, Pension of Gratuities

To the Right Hon'ble Viscount Morley of Blackburn, C. M. His Majesty's Secretary of State for India.

Dated Calcutta the 10th December 1908.

My Lord,

We have the honour to forward for your Lordship's consideration a letter from Government of Eastern Bengal & Assam, No. 2380. E. dated the 18th September, 1908, enclosing a copy of a letter from the Commissioner, Assam Valley Districts and of a petition from Sjt Padmanath Baruah in which he prays for the Grant of a Literary Pension to enable him to devote the remainder of his life to the advancement and development of Assmese literature.

We think that the case is worthy of consideration by Government and we accordingly recommend for your Lordship's sanction to the proposal made by the Lieutenant Governor that a special Literary Pension of Rs 25/- per mensem, to be paid from the Provincial Revenues, should be granted to petitioner for life, in addition to whatever small pension he may earn by his service under Government.

We have etc.

| | |
|---|---|
| (sd.) Minto | ( sd. ) H. Adamson |
| " Kitchener | " J. O. Miller |
| " H. E. Richards | " W. L. Harvey |
| " C. H. Scott | " G. F. Wilson. |

* * *

Financial No. 12.
India office, London.
22nd. January, 1909.

To His Excellency, the Right Honourable the Governor General of India in Council.

My lord,

Having considered in council your letter No. 347, dated the 10th December 1908, I sanction your Excellency's proposal to grant to Sjt. Padmanath Baruah a special Literary Pension of Rs 25/- a month in addition to whatever Pension he may earn by his service under Government, in recognition of his Merit as a Writer and in order that he may devote the remainder of his life to the advancement and development of Assamese literature.

I have etc.

(sd.) Morley of Blackburn,

No. 529.

Copy with a copy of the Despatch of which this is a reply forwarded to the Government of Eastern Bengal and Assam in continuation of the Home Department letter No. 2707, dated the 23rd December 1908.

By order etc.

(sd.) H. Claughton.

Asstt. Secy. Govt. of India.

Memo No. 529. (Books)

Dated 17th February, 1909.

From the Govt. of India Home Department and enclosures.

Copy forwarded to the Commissioner, Assam Valley Districts for information and favour of Communication of the substance of the order to Sjt. Padmanath Boruah, with reference to his letter No. 3005G. dated the 28th May, 1908 and in continuation of this Department Memo No. 12E. dated the 4th Jan. 1909.

By order etc.

(sd) C. Tindall

Under Secretary to Government

সিমানলৈকে ( ইং ১৯০৯ চন ) চৰ্কাৰী চাকৰি কৰা আৰু স্বজাতীয় সাহিত্য চৰ্চাত ব্ৰতী হোৱাৰ বাবে দুবিধীয়া দুটা পেন্সন স্বৰূপে যথাযোগ্য বঁটা লাভ কৰি নিশ্চিন্ত হৈ একান্ত মনেৰে জীৱনৰ বাকীছোৱা স্বদেশ, স্বজাতি আৰু স্বজাতীয় সাহিত্যৰ উন্নতি কল্পে উছৰ্গা কৰি হাতে কামে লগা হৈ মুকলিমূৰীয়াকৈ কাৰ্যক্ষেত্ৰত আগবাঢ়িবলৈ ধৰিলোঁ।

# একত্ৰিংশ সৰ্গ

## 'উষা' প্ৰচাৰ

সাহিত্যিক পেন্সন প্ৰাপ্তিৰ পাচত চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰি উঠি মুকলিমুৰীয়াকৈ আৰু একাণপতীয়াকৈ সাহিত্য চৰ্চাত মন পাৰি লাগি গলো। তাৰ লগতে 'বন্তি'ৰ অৱস্থাও টনকীয়াল হৈ উঠাত মোৰ মন দুগুণে উলাহিত হল। মোৰ নিজা সাহিত্য চৰ্চাৰ লগে লগে সমনীয়া আৰু উঠি অহা সাহিত্যিকসকলৰো যাতে একে উদ্দেশ্যে ধাউতি ক্ৰমাৎ অযাচিতে আগবঢ়াব পাৰি সেই বিষয়ক চিন্তাই মোৰ মনত ছেগ বুজি খেলিবলৈ ধৰিলে। দেখিলো সেই সময়ত সিবিলাকৰ সেই চৰ্চালৈ কাৰ্যক্ষেত্ৰ নোহোৱা হৈ পৰাত প্ৰবীণ লেখকৰ কাপত মামৰে ধৰিছে আৰু নবীনসকলৰ কাপে ঠমক খাই ৰৈছে; কিয়নো আগৰ আলোচনী কাকত এখনো নোহোৱাত পৰিল,—'জোনাকী'ৰ দ্বিতীয় খণ্ড গুৱাহাটীৰপৰা ওলাই আকৌ অকালতে মাৰ গ'ল। ভাবি চালো এনে সময়ত এখন অসমীয়া আলোচনী কাকতৰ নিতান্ত প্ৰয়োজন। এই চিন্তালোচনা লৈ মই একেৰাহে মাহচেৰেক কটালোঁ। তাৰ পাচত এদিন সেই চিন্তালোচনাৰ গুপুত কথা প্ৰকাশ্যে মোৰ প্ৰিয়তম সাহিতিক বন্ধু ৺হেমচন্দ্ৰ গোস্বামী-দেৱৰ আগত ব্যক্ত কৰি তেওঁৰে সৈতে সেই বিষয়ে পৰামৰ্শ কৰিলোঁ। মোৰ প্ৰস্তাৱ মুখৰপৰা ওলোৱা মাত্ৰে গোঁসাইদেৱে পৰম উলাহেৰে তাক এই বুলি সাবটি ধৰিলে, "এই দুৰ্দিনত আপুনি যদি এখন অসমীয়া আলোচনী কাকত উলিয়াবলৈ আগবাঢ়ে তেন্তে আপুনি মোৰপৰা সৰ্বপ্ৰকাৰে যথাসম্ভৱ সহায় আৰু সহানুভূতি পাব।" গোসাঁইদেৱৰ সেই প্ৰতিশ্ৰুতিৰ উলাহত ময়ো উলাহিত হলোঁ, আৰু মনতে স্থিৰ কৰিলো যে আলোচনী এখন নিতান্তই উলিয়াম। কিন্তু লগতে এই আশঙ্কায়ো মনৰ গতিত ভেটা মাৰি ধৰিলে, জানোচা তাৰ বাবে যত্ন চেষ্টা আৰু মনোযোগ দিওঁতে ইফালে হাতৰ 'বন্তি' নিস্তেজ হৈ পৰে। সেই আশঙ্কাও ভাঙ্গি আলোচনা কৰাত গোসাঁইদেৱে আৰু মোৰ আন্তৰিক প্ৰেৰণাপ্ৰসূত যুটীয়া যুক্তিয়ে তাক পানীকৃত কৰি উৰুৱাই পঠিয়ালে। তাৰ পাচত মোৰ অন্যতম সাহিত্যিক বন্ধুবৰ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, ৺সত্যনাথ বৰা প্ৰমুখ্যে জন দিয়েক প্ৰবীণ সাহিত্যিকৰ লগত পৰামৰ্শ কৰি সিবিলাকৰ সমৰ্থনৰ বল পাই সংকল্পিত আলোচনীখন অনতিপলমে প্ৰচাৰ কৰা সংকল্প ৰাষ্ট্ৰ কৰি দি নিজকে নিজে বান্ধ খুৱাই ললোঁ। কিন্তু ম্যেৰ জীৱনত আদিৰেপৰা শুভ সংকল্পাদিৰ আগত সততে আপদ-বিপদৰ ডেওনা-জপনা অযাচিতে আহি থিয় হয়। এই সংকল্পতো সেয়ে ঘটিল। সংকল্পিত আলোচনীৰ নাম 'উষা' থৈ তাৰ পোনপ্ৰথম সংখ্যা কাকত উলিয়াবলৈ সমল সংগ্ৰহ কৰি লৈছোঁ, এনেতে এটা বুকুভঙ্গা বিয়োগৰ বিষম বাতৰি আহি মোৰ মনৰ উলাহ বেনিবাদি পঠিয়ালে,—হঠাৎ সংবাদ পালোঁ, মোৰ সাংসাৰিক উপদেষ্টা পৰম হিতাকাঙ্ক্ষী বন্ধু বি. এ. জগন্নাথ (ৰায়জগন্নাথ বৰুৱা বাহাদুৰ) কলিকতাত গা চোৱাবলৈ গৈতাতে স্বৰ্গী হল। এই বজ্ৰ বাতৰি আবেলিপৰত বন্তি অফিচত কামত মগ্ন থাকোতে

শ্ৰীযুত ৰাধানাথ ফুকনদেৱৰ জৰীয়তে পাই মই শোকত বিহ্বল হৈ পৰিলোঁ ; অবশ হাতৰ কাপ অতৰ্কিতে সৰি পৰিল। তাৰ পাচত সঙ্গীত অধ্যাপক ৺লক্ষ্মীৰাম বৰুৱাদেৱৰ সুৰ-বান্ধনীৰে এটি শোক-গীত ৰচনা কৰি পিচদিনা হাইস্কুলৰ টোলত এখন শোকসভা সেই গীতেৰেই আৰম্ভ কৰালোঁ। মোৰ বক্তৃতাত মই কি কলোঁ মনত নপৰে। কিন্তু দুধাৰি চকুলো টুকি বক্তৃতা দিয়া মোৰ জীৱনত সেয়ে প্ৰথম। গীতটি এই—

পুৰবী—আড়া

বাজে ক'ত আজি বীণা ৰিণিকি ৰিণিকি সুৰে
সংসাৰ সিপাৰে কোনে জিলিকি জিলিকি উৰে॥
পৰিছে ইপাৰে জয়, শোকত সন্তোষ লয়
মৃত্যুমুখে যশতৰা ধিমিকি ধিমিকি ঘুৰে।
অসম আকাশে আজি বিচ্ছেদে ডাৱৰে ঢাকি
বি. এ. জগন্নাথ বিনে বিনাইছে চকুলোৰে।
লক্ষ্মী সৰস্বতী আই, একেলগে এৰি যায়,
অকালে এৰিলে দেখি জগন্নাথ বাহাদুৰে॥

সেই যে থমক খাই ৰবলগীয়া হলো তাৰপৰা তিনিমাহমানলৈ হাতৰ শুভকাৰ্য হাততে জঠৰ হৈ ৰ'ল। তাৰ পাচত বন্ধুজনৰ উদগণিত কৰ্তব্য সুমৰি 'উষা' প্ৰকাশৰ কাৰ্য আৰম্ভ কৰি দিলোঁ। ইতঃপূৰ্বৰ প্ৰতিশ্ৰুতিমতে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৺সত্যনাথ বৰা, শ্ৰীযুত সোণাৰাম চৌধুৰী ইবিলাকৰ প্ৰবন্ধাদি সমলেৰে 'উষা'ই জুৰ পোহৰ দিবলৈ ধৰিলে। সেই পোহৰে ডাৱৰৰ ভেটা ভাঙ্গি দিয়াত অসমীয়া লব্ধপ্ৰতিষ্ঠ সাহিত্যিক আৰু নতুন লেখকসকলে পৰম উৎসাহেৰে অসমীয়া সাহিত্যক্ষেত্ৰত নিজ নিজ প্ৰতিভাৰ প্ৰভা প্ৰকাশ কৰিবলৈ এটি উত্তম ছেগ লাভ কৰি আগুৱাবলৈ ধৰিলে। এই ছেগতে "কৃপাবৰ বৰবৰুৱাৰ ওভতনি"য়ে উজাই অসমীয়া সাহিত্যিক ৰহস্যৰ পাৰ ভাঙ্গি ববলৈ ধৰিলে। ৺হেমচন্দ্ৰ গোস্বামীৰ শৰাইঘাটৰ ৰণ প্ৰমুখ্যে বিচক্ষণীয়া প্ৰত্নতত্ত্বমূলক প্ৰবন্ধাদিৰ জোনাকে অসমীয়া সাহিত্যক্ষেত্ৰত পোহৰ দিবলৈ ধৰিলে। সত্যনাথ বৰাৰ সুচিন্তিত ৰচনাদিয়ে অসমীয়া সাহিত্য ৰথত সাৰথিৰ গুণ দিবলৈ ধৰিলে, শ্ৰীমান সূৰ্যকুমাৰ ভূঞা, শ্ৰীমান অম্বিকানাথ বৰা, শ্ৰীমান পদ্মধৰ চলিহা, শ্ৰীমান দণ্ডীনাথ কলিতা, শ্ৰীমান জ্ঞাননাথ বৰা প্ৰভৃতি নবীন লিখাৰুসকলৰ প্ৰফুল্ল সাহিত্যিক প্ৰতিভা বিকশিত হবলৈ ধৰিলে। দেখি মোৰ ক্ষুদ্ৰ হিয়াত আনন্দ নধৰা হ'ল।

প্ৰবন্ধাদিত বাজেও ৰাইজৰপৰা সৰ্বপ্ৰকাৰ সহায় সহানুভূতি পাই নিৰ্বিঘ্নে আৰু নিৰ্বিবাদে 'উষা'ই একাদিক্ৰমে চাৰিবছৰকাল অসম আকাশৰ পৰা জুৰ পোহৰ বিলাই পঞ্চম বছৰত সোমাইছেহি। এনেতে এটা অভাৱনীয় বিপদে 'উষা'ৰ সম্পাদক আৰু ঘাই লেখক এজনক মেৰাই ধৰিলে। সেই সময়ত বঙ্গীয় ক্ষণস্থৰী ৰাষ্ট্ৰবিপ্লৱৰ ফলস্বৰূপ বঙ্গলা আৰু অসমীয়া কাকতবিলাকে লেকাম পিন্ধি আগুৱাব লগাত পৰিছিল। পিচে আমাৰ কৃপাবৰৰ উজাহত

পাৰভঙা ওভতনিয়ে অতৰ্কিতে সেই লেকাম নেমানি আগবঢ়া এটা প্ৰবন্ধত বিদ্ৰোহব্যঞ্জক আসোঁৱাহ ধৰি, মোৰ কৈফিয়ৎ তলব কৰি কেদিনমান গুৱাহাটীত মোক নজৰবন্দীকৈ থোৱা আপদে পাই 'উষা'ক লটিঘটিকৈ আমনি কৰিলে। সেই সময়ত ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াৰ ৰাজনৈতিক বুদ্ধি-পৰামৰ্শে আমাক আপদত নথৈ উপকাৰ কৰিছিল। যি হওক, ঈশ্বৰৰ কৃপাত সেই আপদ চেৰাই 'উষা' আকৌ মৃদু গতিৰে গন্তব্য পথত আগবাঢ়িল। আনে কাপত ধৰিলে লেখা থাপ নেথায়, সি স্বাভাৱিক নহৈ অস্বাভাৱিক আৰু নিৰস হৈ পৰে। গতিকে মোৰ আৰু কৃপাবৰৰ কাপে সেই বিধৰ আহুকাল সহিবলগীয়া হোৱাত আমাৰ উলাহ উৎসাহেও ক্ৰমাৎ শাম কাটিবলৈ ধৰিলে। এনেতে দেখা গল 'আসাম বান্ধৱ' আৰু 'আলোচনী' নামে দুখন অসমীয়া মাহেকীয়া কাকতৰ আবিৰ্ভাৱ হৈছে। আৰু তাৰ অলপ পাচতে 'উষা'ৰ প্ৰধান পৃষ্টপোষক মোৰ সাহিত্যিক বন্ধু শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়ায়ো স্বয়ং 'বাঁহী' নামে এখন মাহেকীয়া আলোচনী প্ৰচাৰ কৰিবলৈ ধৰিছে। মই দেখিলোঁ, মোৰ 'উষা' প্ৰচাৰৰ উদ্দেশ্য সিদ্ধি হল। মোৰ দেশত মোৰ মাতৃভাষাত আলোচনী অভাৱো অন্তৰ্হিত হল। গতিকে সিমানতে পঞ্চম বছৰটো পূৰ্ণ কৰি ৰাইজক কৈ মেলি বিদায় লৈ সাম্প্ৰতিকতাৰে মোৰ অন্তৰ গগনৰ 'উষা' অন্তৰতে আবৰি থলোঁ।

## দ্বাত্রিংশ সর্গ

### 'হিন্দু বুৰঞ্জী'

আগেয়ে সুমৰিবলগীয়া কথা এটা পাকলাগি অলপ পিচ পৰিল। তাহানিয়েই এদিন ৺জগন্নাথ বৰুৱা বাহাদুৰে কথাপ্রসঙ্গত মন্তব্য প্রকাশ কৰা শুনিছিলো যে অসমীয়াত অসমৰ বুৰঞ্জী সম্পূর্ণকৈ ওলোৱা নাই যদিও জনদিয়েক লেখকৰ কাপে সেই অভাৱ ভালেখিনি পূৰ কৰিছে। সেইক্ষণত মোক চকুৰ আগতে পাই তেখেতে সন্তোষৰ মিচিকিয়নিৰে সৈতে মোৰ ফালে চাই মোকো সেই জনদিয়েকৰ লেখত সঙ্কেতেৰে ধৰি ললে। তাৰ পাচত তেখেতে অন্তৰৰ আক্ষেপ প্রকাশি শ্রোতাকেইজনৰ প্রাণত লাগি যোৱাকৈ কবলৈ ধৰিলে যে, হিন্দু বুৰঞ্জী এথনহে কিন্তু তেতিয়ালৈকে কোনো অসমীয়া কাপে আঁচিবলৈকে ধৰা নাই। মন্তব্যটি মোৰ মনত লাগি ৰ'ল। কিন্তু তাৰ কোনো সমিচাৰ নিদি মনতে কিবা এটা সংকল্পৰ আঁচ মাৰি থৈ মনে মনে থাকিলোঁ। গল কথা গুচিল। কিন্তু সেই সংকল্পৰ আঁচটো মচা নগল, নুগুচিল। সি পুৰণি হোৱাৰ লগে লগে ক্রমাৎ ডাঠ হৈ আহিল; যথা সময়ত সি কার্যত মলিয়াই উঠি ফলিয়াবলৈ ধৰিলে। চাই চিন্তি দেখিলো অসমীয়া 'ভাৰত বুৰঞ্জী' পঢ়াশলীয়া পুথিত হিন্দু ৰাজত্বৰ বিবৃতি যৎকিঞ্চিৎ আছে যদিও হিন্দুৰ আদ্যোপান্ত বুৰঞ্জীমূলক বিৱৰণ তাত ধাৰাবাহিককৈ সন্নিবিষ্ট হোৱা নাই। পঢ়াশলীয়া ছাত্রই তাৰপৰা ভাৰতবর্ষত হিন্দু ৰাজত্বৰ বিষয়ে অলপ আভাস পালেও, হিন্দুৰ আঁতি-গুৰি আৰু স্থিতি-বিস্তৃতিৰ সম্যক জ্ঞান উপলব্ধি কৰিব নোৱাৰে। গতিকে, অসমীয়া ভাষাত সেই অভাৱ নেদেখা কৰাৰ প্ৰেৰণা মোৰ মনত উজাৰ খাই উঠিল; তাৰ লগতে, সেই মোৰ মনত লাগি যোৱা ৺বি. এ. জগন্নাথৰ মন্তব্যটিয়ে লগ লাগি সেই প্ৰেৰণা প্ৰবল কৰি তুলিলে। ফলত মাহচেৰেকৰ মূৰত মোৰ 'হিন্দু বুৰঞ্জী' পোহৰলৈ ওলাল। যাৰ মন্তব্যই মোৰ মনত এই বিষয়ক গুটি পচাইছিল, সেই ৰায় জগন্নাথ বৰুৱা বাহাদুৰৰ নামেই হিন্দু বুৰঞ্জী উছর্গা কৰা হল। এই পুথি নগাওঁ টেক্সট-বুক কমিটীয়ে অসমীয়া পঢ়াশালিৰ পাঠ্যপুথিকৈ মঞ্জুৰ কৰিছিল কিন্তু শিক্ষা-বিভাগীয় কর্তৃপক্ষে সুকীয়াকৈ আৰু চলিত ভাৰত বুৰঞ্জীৰ ওপৰঞ্চিকৈ চলাবলৈ আওহেলা কৰাত ইয়াৰ আধাখিনি কাটনত শলিয়াই সহায় কৰিলে। সিকিভাগ কাটনত সৰ্বসাধাৰণীয়া গ্রাহক পাঠকে হাত লগালে, অৱশিষ্ট সিকি অংশ মোৰ লীলা এজেঞ্চিৰ আলমাৰীয়ে মৰমেৰে সামৰি থৈছে। যি হওক যাৰ যহত মোৰ এই 'শাক সেন্দুৰ' লাভ, তেওঁক তাৰে সৈতে তুষ্ট কৰিব পাৰিলো যে সেইবাবে আনে আওকাণ কৰিলেও মই আপোনাকে আপুনি ধন্য মানিছোঁ।

### 'টেটোন তামুলি'

কিছুমান দিনৰপৰা আমাৰ 'বান ষ্টেজত' ধেমেলীয়া নাটৰ অভাৱ অনুভৱ কৰিঃ আহিছিলোঁ। হাতত যিকেইখন সেইবিধৰ নাট আছিল, তাৰ ভাও দি দি আমাৰ ভাৱৰীয়াসকলৰ

আমনি লাগিল, দৰ্শকসকলকো সি আমুৱাবলৈ ধৰা গম পোৱা হল ; অর্থাৎ সেই একে কেইখন নাটৰ ভাও দেখি দেখি সিবিলাকৰপৰা আগৰ দৰে হাঁহি-কিৰিলি-চাপৰি ন্ঠা হ'ল। অগত্যা কিবা এটা কৰি সেই শাম কাটিবলৈ ধৰা উলাহ পুনঃ উতলাবৰ অৰ্থে ভাৱৰীয়া-বৰ্গে মোক সঘনে পেৰিবলৈ ধৰিলে। সেই সময়ত সিবিলাকৰ ইচ্ছাই মোৰ ওপৰত বৰকৈ প্ৰভুত্ব চলাব পাৰিছিল। কিয়নো তেতিয়া চেক্ৰেটৰীৰ বিষয়-ববীয়া কৰ্তব্যৰ সি এটা প্ৰধান কৰ্তব্যৰ লেখত পৰিছিল। গতিকে মযো সেই 'কিবা এটা'ৰ আঁচনিত ধৰিবলৈ সাজু হব লগাত পৰিলোঁ। এনেতে এদিন আমাৰ চুবুৰীয়া হেডমাষ্টৰ ( শ্ৰীযুত ৰামেশ্বৰ বৰুৱা, শ্ৰীযুত দেবেশ্বৰ চলিহা, শ্ৰীযুত চম্পকধৰ বৰুৱা প্ৰভৃতি ) সকলৰ বহাত-সন্ধিয়া বৈঠকত হৰ্ষালাপ উপভোগ কৰি থাকোতে আমাৰ মাজৰে এজনে গোপাল ভাঁড় সাধু কৈ আমাক হুঁহুৱাই 'বাহবা' লবলৈ ধৰিলে। শুনি তৃপ্তি পালোঁ। ঘৰলৈ আহিও সুমৰি সুমৰি সেই তৃপ্তি অকলে অকলে উপভোগ কৰি আছোঁ, এনেতে এটা ভাবে ভিতৰি মোৰ মনক ঘোকোটা মাৰি সঙ্কেত দি সুধিলে, আমাৰো তেনেকুৱা ৰহস্যলগা ৰসাল সাধু নাইনে? মোৰ মনে অলপ পৰ টলকা মাৰি বৈ গিৰিসাই মাতি উঠিল—আছে, আছে, আছে, আমাৰ টেটোন তামুলি সাধুত গোপাল ভাঁড়তকৈ চৰা হলেও ৰহস্য কম নহব। ততালিকে মোৰ সঙ্কল্পিত 'কিবা এটা'লৈ মনত পৰিল, মই অনতিপলমে হাতত কাপ লৈ বহিলোঁ। সেই ৰাতিয়েই টেটোন তামুলি নাটৰ আঁচনি এখন যুগুত কৰি থৈ পিচদিনা সন্ধিয়া আমাৰ ভাৱৰীয়া-বৰ্গৰ আগত মোৰ সঙ্কল্পৰ কথা বিবৰি কলোঁগৈ। শুনি সকলোটিয়ে আনন্দত কিৰিলি মাৰি উঠিল। মোৰ মুখত কিন্তু হাঁহি নুফুটিল, ভয় ভাবত মুখ ওলমিহে পৰিল। ইতিপূৰ্বতে কোনোবা ছেগত সুমৰি অহা হৈছে যে মনৰ সঙ্কল্প বাজ কৰি আপোনা-আপুনি আগধৰি বান্ধ খাই লোৱাটো মোৰ স্বভাৱগত দোষ। এতেকে অৰ্জিত দোষৰ ফল ভুঞ্জিবলৈ অযাচিতে সষ্টম হব লগাত পৰিলোঁ। কিয়নো "চাপৰিলে মেঘ নেৰায়।" যি হওক, আই সৰস্বতীৰ কৃপাত বানষ্টেজত মাহৰিয়েকৰ মুৰত মোৰ সঙ্কল্প কাৰ্যত ফলিয়াই উঠিল,—টেটোন তামুলি ধেমেলীয়া নাটৰ ভাও চাই দৰ্শকমণ্ডলীয়ে হাঁহি-কিৰিলি-চাপৰিৰে প্ৰশংসা কৰা দেখি মই মনে মনে বিমল সুখ অনুভৱ কৰিলোঁ। তাৰ পাচত নাটখনত স্টেজগত কিছুমান দোষাদোষ আৰু আসোঁৱাহ গুচাই তাৰ প্ৰথম তাঙৰণ ছপাই উলিওৱা হল। টেটোন তামুলিয়ে বাস্তৱতে মোক আশাতীত ফল দিলে ; বছেৰেক পূৰ নৌ হওঁতেই প্ৰথম তাঙ্গৰণৰ পুথি সমুদায় বেচা হৈ যোৱাত দ্বিতীয় বছৰতে তাৰ দ্বিতীয় তাঙৰণতে তাৰ দুগুণ সংখ্যক কিতাপ ছপাবলগীয়া হল। সেই দ্বিতীয় তাঙ্গৰণৰ পুথিও বছৰ চেৰেকৰ ভিতৰতে অন্ত পৰিল। এতিয়া হাতত তৃতীয় তাঙ্গৰণৰ কাৰণে 'প্ৰেছ কপি' এখনহে আছেগৈ। সুমৰিবলৈ পাহৰিছোঁ যাৰ কানীয়া কীৰ্তন আক বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি ৰহস্যৰ পুথিয়ে জয় জয়তে ছাতৰ-শলীয়া জীৱনত মোৰ অন্তৰত ধেমেলীয়া নাটৰ বীজ সঞ্চাৰ কৰিছিল, সেই প্ৰাতঃস্মৰণীয় ওজাদেৱ ৺হেমচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াৰ পৱিত্ৰ নামত মোৰ টেটোন তামুলি উছৰ্গা কৰা হয়।

## 'মছলমান বুৰঞ্জী'

হিন্দু বুৰঞ্জী লিখিবলৈ মনস্থ কৰাৰ লগে লগেই 'মছলমান বুৰঞ্জী' আৰু 'বৃটিচ্ বুৰঞ্জী' এই দুছোৱাও লিখি 'ভাৰত বুৰঞ্জী' এখন তিনি ছোৱাকৈ উলিওৱাৰ সঙ্কল্প আছিল ; পিচে হিন্দু-বুৰঞ্জী প্ৰকাশ হোৱাৰ পাচত সি আশানুৰূপকৈ প্ৰচাৰিত হবলৈ নোপোৱাত, ই দুছোৱালৈ ৰাপ শাম কাটি পৰিল। তথাপি বছৰদিয়েক এই বিষয় লৈ অলপ আওকণীয়া হৈ থকাৰ পাচত প্ৰথম ছোৱা যুগুত কৰাৰ লগে লগেই সংগ্ৰহ কৰি যোৱা যৎকিঞ্চিৎ সমলৰ বলেৰেই মছলমান বুৰঞ্জীখনো লেখিবলৈ ধৰিলোঁ। ইয়াৰ আঁতিগুৰিছোৱাৰ সমল আগধৰি অযাচিতে সংগৃহীত হৈ থকাৰ হেতুকে মাজ আৰু শেহছোৱা সামৰোঁতে এফেৰি উজু পালোঁ। পিচে লেখি শেষ কৰাতেই শেহ বুলিহে ধৰিবলগীয়া, কিয়নো আজি পৰিমিত সি পোহৰলৈ ওলাব পৰা নাই। আনকি পুথি বছা মেললৈকো ( Text Book Commitee ) পঠাব পৰা নাই। কাৰণ আজি-কালি বাছনিলৈ পঠিওৱাৰ পূৰ্বেতে পুথি ছপা কৰাই উলিয়াব লাগে ; মেলুৱৈৰ মৰ্জি হল যদি ভালেই, নহলে ছপা খৰচাটিও অবাবত ব্যয় হোৱাৰ নিচিনা হয়। অৱশ্যে কোনো কোনো লেখাৰু বা গ্ৰন্থকাৰৰ ভাগ্য মেলুৱৈ মেলৰ সম্পাদকৰ কৃপাত প্ৰসন্ন হোৱাৰ পটন্তৰো অভাৱ নাই। অৰ্থাৎ কোনো কোনোৰ কিতাপ ছপা নোহোৱাকৈ হাতে লিখা অৱস্থাতে গৈ মেলুৱৈৰ মঞ্জুৰী লাভ কৰি আহে। আমাৰ ভাগ্য কিন্তু কাচিতো তেনে অনুগ্ৰহৰ পোহৰত প্ৰসন্ন হোৱা নাই। যি হওক, 'মছলমান বুৰঞ্জী' সেই হাতে লিখা অৱস্থাতে কাষলতিৰ তলত লৈ 'ভাৰত বুৰঞ্জী'ৰ শেহছোৱা 'বৃটিছ বুৰঞ্জী'খনো লিখি উলিয়াই তিনিওছোৱা একেলগে ছপাই সমানে এহিছা—একেখনীয়াকৈ আৰু ইহিছা তিনিছোৱা স্বকীয়া স্বকীয়াকৈ বন্ধাই দুয়োবিধ যথা সময়ত অসম উপত্যকাৰ পুথিবছা মেললৈ পঠিয়াবলৈ মনস্থ কৰা হৈছে। কিন্তু জীৱন সন্ধিয়াত তালৈ সময়ে আটেগৈ নে নাটে কব নোৱাৰিছো এথোন, কিয়নো এই জীৱনৰ সংকল্পিত কাৰ্য সমাধা কৰিবলৈ আৰু কেইবাবিধৰো কেইবাটাও বাকীৰ ঘৰত পৰি ভেঁকুৰিব লাগিছে।

## 'মানৱ দিন'

এইখন খণ্ডকাব্য আঁচি থোৱা আজি ভালেমান দিন হল। মোৰ স্বভাৱগত দোষত ই সংকল্পৰ সীমা চেৰাই গৈ তাহানিয়েই বিজ্ঞাপনৰ বুকুত সোমাইছিল। পিচে যি কালত এই কাব্য ৰচনাৰ উৰণীয়া ভাববোৰে মোৰ অন্তৰৰপৰা ওলাবলৈ উটাপুটাকে সন্ধি বিচাৰি খলকনি লগাইছিল, সেই কালত পঢ়াশলীয়া পুথি ৰচনা কৰাৰ প্ৰয়োজনেও বাহিৰৰপৰা মোক বেৰি ধৰিলে। আৰ্থিক অভাৱী মোৰ ওপৰত বাহিৰৰ প্ৰয়োজনৰ প্ৰভুত্ব প্ৰৱল হৈ উঠাত, ভিতৰৰ সেই খলখলাই থকা ভাৱে ওলাবলৈ আৰু বাট নাপালে। ফলত কেইসৰ্গমানৰ ৰচনা হৈ উঠোঁতেই মানৱ দিনক পিচ পেলাই থৈ কেখনমান বৰ্তমান চলি থকা পঢ়াশলীয়া পাঠ্য-পুথি আগ বাঢ়িল। সেই যে পিচ পৰিল, পৰিলেই ; তাৰপৰা আগবঢ়াবলৈ ছেগবুজি কেইবাটাও চিপ মাৰিও আগুৱাব পৰা নাই এথোন। মন পতিয়াবলৈ মাজে-সময়ে 'মানৱ দিন' মেলি চাওঁ, কিন্তু আগেয়ে ৰচিত হোৱা তাৰ সেই সৰ্গকেইটা মোৰেই ৰচনা বুলিবলৈ সন্দেহ হয়।

# ত্ৰয়োত্ৰিংশ সৰ্গ

## পিতৃ বিয়োগ

হাতী ব্যৱসায়ত পিতৃদেউতাৰ বৰ ৰাপ আছিল। মোৰ মনত পৰাৰেপৰা তেখেতে হাতী ধৰাই ভাটীৰ সদাগৰক বেচা ব্যৱসায়ত অনুৰক্ত থকা দেখিছিলো। সেই কাৰবাৰৰ কাৰণে তেখেতে গড় মৰাই আৰু খেদাচিকাৰ কৰাই বনৰীয়া হাতী ধৰাইছিল। সেই হাতী ব্যৱসায়ৰ পোন প্ৰথম লখিমী হাতী আমাৰ 'জয়মতী' হাতী। এই মাখুন্দী হাতীজনী চাৰিন (চেঁউৰী) অৱস্থাতে দেউতা আৰু ৺হলিৰাম বৰুৱা মুকচিপে মৰোৱা গড়ত পৰিছিল। একে খেপতে সেই গড়ত পৰা ডেৰকুৰিমান হাতীৰ মাজৰপৰা সেই চাৰিন হাতীজনী হলিৰাম মুনচিপে দেউতাক বাছি দিছিল আৰু মুনচিপ ডাঙৰীয়াই নিজৰ 'লাচমনি' নামে কুনকী হাতীজনীৰে সেই বনৰীয়া হাতী 'জয়মতী'ক ঘৰচীয়া কৰাই দিছিল। পাচত বান্ধ-বলৰ উপৰিও 'জয়মতী' গুণত এজনী বাছকবনীয়া হাতী হৈ উঠিছিল। এনেকি ডিব্ৰুগড়ৰ সেইকালৰ প্ৰখ্যাত লোক ৺সাধন চিৰস্তাদাৰে তেওঁৰ 'মতিলাল' নামে সাতহতীয়া বৰ ডাঙৰ দঁতালটোৰ লগত আৰু দুজনী মাখুন্দী হাতীৰে সৈতে 'জয়মতী'ক সলাবলৈ বিচাৰিছিল,—দেউতাই নিদিলে। দুই-চাৰি বছৰৰ অন্তৰে এটি দুটিকৈ বঢ়াই নি মখনা, মাখুন্দী, দঁতাল আৰু গুণ্ডাৰে সৈতে দেউতাই সাতোটা কুন্‌কী হাতী পুহিছিল। তাৰে সৈতেই তেখেতে খেদা চিকাৰত হাতী ধৰাই বছৰি সদাগৰক বেচি কাৰবাৰ চলাইছিল। তেতিয়া আমাৰ ঘৰত ভাটীৰ হাতী কিনা প্ৰবাস খটা সদাগৰৰ থিতি ইমান সঘন আছিল যে সিবিলাকৰ নিমিত্তে দেউতাই আমাৰ বাটচ'ৰাৰ কাষত এটা "সদাগৰী বহা" সজাই দিছিল। ডেকা কালৰেপৰা চাৰি কুৰি তিনিবছৰীয়া বয়সলৈকে দেউতাই হাতী কাৰবাৰত একাণপতীয়াকৈ লাগি ৰৈছিল। ইয়াৰ ভিতৰতে তিনিকুৰি বছৰীয়া বয়সত মৌজাদাৰী বিষয়-বাবৰপৰা অৱসৰ লৈ জীৱনৰ বাকীছোৱা দেউতাই হাতী কাৰবাৰতে কটালে। সদোশেহত ৮৩ বছৰ বয়সত ইং ১৯০৬ চনত দৰং জিলাৰ হাতীমহল এটা ডাকি লৈ গহপুৰ কলাবাৰী অঞ্চলৰ উত্তৰে পৰ্বতৰ দাঁতিত হাতীগড় মৰাবলৈ আহি মোৰ তেজপুৰীয়া বহাত দেউতা দুমাহমান আছিলহি। সেই অলপীয়া কালৰ ভিতৰত পাৰিলোঁমানে স-ভাৰ্যাৰে দেউতাক সেৱা-শুশ্ৰূষা কৰিলোঁ। কিন্তু হেঁপাহ নপলাল।

যথাসময়ত মোৰ বহাৰপৰা দেউতা বাজে বাজে হাতী গড়লৈ গ'লগৈ। তাত দুমাহমান থাকি সেই বছৰেকীয়া গড় মৰোৱা কাৰ্য শেষ কৰি তেখেত উলটি ঘৰ পালেগৈ। তাৰপৰা মাহচেৰেকৰ পাচত আমাৰ ঘৰত দুটা অতি অমঙ্গলীয়া ঘটনা ঘটিল,—আমাৰ লখিমী 'জয়মতী'ৰ অকস্মাতে মৃত্যু হল আৰু বৰভঁৰালৰ মাজৰ ধৰণীডাল ভাগি পৰিল। পাঁচ কুনকীৰ ভিতৰত 'জয়মতী' আৰু পাচোঁটা ভৰালৰ ভিতৰত 'বৰভৰাল' দেউতাৰ মায়ালগা সম্পদ আছিল। সেই দুৰ্ঘটনাই অতি বৃদ্ধ দেউতাৰ জীৱনৰ টিলা লৰাই পেলালে। ফলত মাহ-দিয়েকৰ পাচতে ১৮২৯ শকৰ ( ইং ১৯০৭ চন ) শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিত এবেলাৰ মাথোন

ভেদ বাতিৰ জৰিয়তে মোৰ পৰম পূজনীয় পিতৃদেউতা ৺ঘিণাৰাম গোহাঞিবৰুৱা ডাঙৰীয়াই ৮৩ বছৰ বয়সত, প্ৰিয়তমা বৃদ্ধা ভাৰ্যা, পুত্ৰ-পৰিয়াল, জী-জোঁৱাই, নাতি-পুতি, আত্মীয়-কুটুম, বন্ধু-বান্ধৱক শোকাকুলকৈ এৰি সজ্ঞানে তনু ত্যাগ কৰি স্বৰ্গী হল।

সেই কালৰ পেন্সনীয়া মুনচিপ ভূতপূৰ্ব কাউন্সিল মেম্বৰ অনাৰেবল ৺ফণিধৰ চলিহা ৰায়বাহাদুৰৰ লিখা মতে মৰণ কালত মোৰ পিতৃদেউতা উত্তৰ লক্ষীমপুৰত আটাইতকৈ বৃদ্ধ, আটাইতকৈ চহকী, আটাইতকৈ মানী আৰু মৰমিয়াল পুৰুষ আছিল। তেখেতৰ বিয়োগত উত্তৰ লক্ষীমপুৰৰ সদৌ সম্প্ৰদায়ৰে জাতি-কুল নিৰ্বিশেষে উমৈহতীয়া সমাজৰ ঘাইধৰণী ভগাৰ নিচিনা হ'ল। লক্ষীমপুৰীয়া ৰাইজ জঁয় পৰিল। তনুত্যাগৰ পাচত ৭/৮ ঘণ্টামান দেউতাৰ পদূলিত বাজ-চ'ৰা, ভিতৰ-চ'ৰা, বুলনি, চোতাল জুৰি টোলৰ ভিতৰত হাকিম, আমোলা, নগৰীয়া, গাঁৱলীয়া, মতা-তিৰোতা মানুহৰ মাজেদি বিৰদি বাট পাবলৈ নোহোৱা হৈছিল। অগ্নিসংস্কাৰৰ অৰ্থে শৱ সমাধিলৈ নিওঁতে ভালেমান ভক্ত, গুণগ্ৰাহী লোকৰ মাজত শৱশয্যা একান লৈ হেঁপাহ পলুৱালৈ কঢ়া-আজোৰা লাগিছিল। পিচে উপস্থিত মুখিয়াল ভদ্ৰলোকৰ বিচাৰ আৰু দিহামতে আঁঠজন জ্ঞাতিক পোন প্ৰথমে কানত লবলৈ দি তাৰ পাচত প্ৰতি নলৰ অন্তৰে নতুন নতুন ৮ জনকৈ কান সলনি দিয়াৰ নিয়ম ধৰি শৱ সমাধিলৈ নিয়া হৈছিল; যিবিলাকে শৱশয্যা ছুব নোৱাৰিছিল সিবিলাকে চিতাত লগাবলৈ একোডোখৰ খৰি যোগান দি মন পতিয়াইছিল। সেইদিনাই আবেলি মোৰ পৰম আৰাধ্য পিতৃদেৱতা স্বৰ্গী হোৱা বিজুলী বাতৰি পাই মই মৰ্মাহত হৈ পৰিলোঁ। হঠাৎ ছত্ৰভঙ্গ হোৱাৰ দৰে ঢাকনি গুচোৱা বেঙেনা পুলিৰ নিচিনা উদংমুৰীয়া হৈ, তলত টুকি দিয়া কবিতাটিৰে বিনাই অন্তৰৰ উতলা তাপ শাম কটাবলৈ ধৰিলোঁ ঃ

## দেউতা

দেউতা ইজনমত বুলিছিলো যাক
অদ্বিতীয় সম্বোধন মোৰ,
জনমত যাতপৰ নাই গুৰুজন
পাবলৈ ভক্তি উচ্চতৰ ;
যিজনে জনম লভি দিলে জন্মদান,
ৰক্তমাংস, অস্থি মোৰ হই ;
যিজনৰ প্ৰসাদত জীৱন অমিয়া
পান কৰি হলোঁ এটা মই
অপত্য চেনেহে যাৰ আলসুৱা কৰি
তুলিলে ই জীৱগছ মোৰ
ৰক্ষক গছৰ ছাঁৰে ৰ'দ তাপ ঢাকি
টনকীয়া কৰিলে ই গোৰ ;

যিজনৰ জীৱন্তত চিৰ লৰাকাল
আছিল কপালে মোৰ লেখা,
সংসাৰ চিন্তাত নিজে আদহীয়া হই,
লৰাপ্ৰাণে দেউতাক দেখা ;
কিযে সুখ অনুপম পৰমুৰে থোৱা
নিলগত মুকলিমুৰীয়া,
ঘৰ বুলি নাম যাৰ চৰণত ৰাখি
বাহিৰত প্ৰবাসী সুখীয়া ;
সেইদেৱে সেই সুখ কিৰণ চপাই
অস্তাচল কৰি আৰোহণ,
মৰ্তলীলা সাঙ্গ কৰি পূৰ্ণ প্ৰতিভাৰে
স্বৰ্গধাম কৰিলে প্ৰয়াণ।
দেউতা জেউতি আৰু পৃথিৱীৰপৰা
পাৰ হল,—পৰাণ আতুৰ,
ৰূপান্তৰ পদছাঁয়া স্বৰগৰপৰা
পৰিছেহি হৃদয়ত মোৰ।
বহু কৰ্ম বহু ধৰ্ম বহু পুণ্য ভাগ
আৰ্জনৰ ফল ভোগা এবে
স্বৰ্গত শান্তিৰে স'তে দেৱ সমাজত
মহানন্দে ভোগে পিতৃদেৱে।
পূৰ্বজন্ম পুণ্যফলে হই বংশধৰ
মৰাণ গোহাঞিবৰুৱাৰ,
জনমিলা পৃথিৱীত মহতী আশাৰে,
ৰাখিলা সুনাম ঘৰোৱাৰ।
সৰুতে পথালি বিধি হল তব প্ৰতি,
লগালে যে কুঁহিতে কেৰোণ,
নিচিনোতে পিতৃ মাতৃ ঘটালে বিয়োগ,
কৰি হাঁয় আশ্ৰয়বিহীন।
বয়সে বুজন হই বুজিলা যেতিয়া
আপোনাৰ অৱস্থা আপুনি,
অসামান্য প্ৰতিভাৰে ভৱ সাগৰত
দিলা জাপ ভবিষ্য নগণি।

বিলায় বিপত্তিমানে ক্ৰমে দূৰ কৰি
হৃদয়ত পালা বল আৰু
কৰিলা সুগম পাচে জীৱনৰ বাট
মুঠিয়ালা কৰ্ম প্ৰেমলাক।
নম্ৰ শিষ্ট সাধু হই উঠিলা জিলিকি
বান্ধিলা সমাজ প্ৰণয়েৰে ;
জ্ঞাতি, বন্ধু, পৰিয়াল, মিত্ৰ, কুটুম্বাদি
জিলিকিলে তব প্ৰতিভাৰে।
গাঁৱলীয়া হোজা প্ৰাণ মৰমতে মৰা
তৱ গুণে মুগ্ধ চাৰি মৌজা,
ৰাজবংশী পিতৃদেৱ পালিলা প্ৰজাক
নৱযুগে হই গঞাৰজা।
সাধিলা সাধনা যত, জীৱনৰ ব্ৰত
উদ্ধাৰিলা বংশ নাম ঘূৰি,
'বুঢ়া' মন্ত্ৰী থাওকুৰু পুত্ৰ কুন্‌কাই
গোহাঞিবৰুৱা আঁতিগুৰি।
তান হন্তে নামি অহা চৈধ্য পুৰুষৰ
জনমিল পুথাও কিনাৰাম,
তান হন্তে উধালাহা জিলিকি আপুনি
নৰোত্তম পিতৃ ঘিণাৰাম।

২০ ভাদ, ১৮২৯ শক। *

পিতৃ বিয়োগৰ বিজুলী বাতৰি পোৱাৰ দিন ধৰি শোক-তাপ বুকুত লৈ পিতৃ শ্ৰাদ্ধ ব্ৰত ধাৰণ কৰিলোঁ। ইতিমধ্যত উত্তৰ লক্ষীমপুৰৰপৰা পিতৃ অস্থি আৰু অগ্নি সংস্কাৰৰ ভস্ম অনাই লৈ গঙ্গাত অস্থিভস্ম লগাই আদ্যপিণ্ড দিয়াৰ উদ্দেশ্যে যথাসময়ত গঙ্গাযাত্ৰা কৰিলো। বাটতে এৰাতি কলিকতাত অসমীয়া ছাত্ৰাবাসত আচুতীয়া হৈ কটালো। সেই ছাত্ৰাবাস বা মেচত মোৰ বৰ ভাগিন শ্ৰীমান সুৰেন্দ্ৰনাথ গোহাঞি আৰু মাজিউ ভাগিন শ্ৰীমান মহেন্দ্ৰনাথ গোহাঞি আৰু ছাত্ৰ শিষ্য শ্ৰীমান বোধনাথ পটঙ্গীয়াও আছিল। পিচদিনা মৃতকৰ দ্বাদশ দিনা পুৱাতে শ্ৰীমান সুৰেন, মহেন, বোধনাথ প্ৰমুখ্যে কেজনমান কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰৰে সৈতে যাত্ৰা কৰি দুপৰীয়া ৺কালীঘাট পালোগৈ। তাতে ক্ষেত্ৰনাথ হালদাৰ পুৰোহিতৰ যোগে যথাবিধি গঙ্গাত অস্থিভস্ম লগাই আদ্যপিণ্ড দান কৰি আদ্যশ্ৰাদ্ধ ক্ৰিয়া সমাধা কৰিলোঁ।

---

* দ্বিতীয় ভাগ 'উষা'ৰ ১০৫-১০৬ পৃষ্ঠা।

আবেলি ওলটা যাত্ৰাত ৺কালীঘাটৰপৰা ওলাই অহা আলিবাটৰ দুয়োকাষে শাৰী পাতি বহি থকা ডেৰশমান দুখীয়া মগনীয়াক একোচ ভঙ্গনীয়া অৰ্থ দক্ষিণা নিজ হাতে বিলাই দি পৰম পবিত্ৰ সুখ উপভোগ কৰিলোঁ।

তাৰ পিচদিনা কলিকতাৰ মেট্ৰোপলিটান ইনষ্টিটীউচন নামে শিক্ষালয়ত কলিকতা প্ৰবাসী সদৌ অসমীয়া ভদ্ৰলোক আৰু ছাত্ৰবৰ্গক নিমন্ত্ৰণ দি সমবেত কৰাই মৃতকৰ উদ্দেশ্যে জলপান কৰোৱা হ'ল। সেই জলপনীয়া সভাত ৺ৰমাকান্ত বৰকাকতি, ৺লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে কেইবাজনো বয়সীয়া ভদ্ৰলোক আৰু সদৌ মিলি আঢ়ৈ কুৰিমান অসমীয়া কলেজীয়া ছাত্ৰ উপস্থিত আছিল। আৰু ৺লক্ষ্মীনাথ বেজবৰুৱাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰি ৺পিতৃ দেউতাৰ গুণ সুমৰণৰ এটি সাৰুৱা বক্তৃতা দিছিল।

# চতুস্ত্ৰিংশ সৰ্গ

## ৰাজনৈতিক ক্ষেত্ৰত প্ৰবেশ

ৰাইজীয়া কামত এই ক্ষেত্ৰত মই আগৰেপৰা আছিলোঁ। পিচে ৰজাঘৰীয়া শাসনকাৰ্যৰ পৰ্যালোচনাত মাথোন দেখাদেখিকৈ ভাগ লোৱা নাছিলোঁ। ইমানলৈকে মই দেখাত সাহিত্য-ক্ষেত্ৰৰ সীমাৰ বাহিৰে আন কোনো ক্ষেত্ৰতে ভৰি দিয়া নাই। উষাৰ পঞ্চম ভাগৰ সামৰণি আধ্যা পেলাই উঠি তাৰ ঠাই কিতাপ পুথি প্ৰণয়নেৰে পূৰ্ণ কৰিব লগা হোৱাত সেই ছেগতে মোৰ কেইবাখনো নাটক পুথি প্ৰচাৰিত হয়। তাৰ ভিতৰত 'জয়মতী', 'গদাধৰ', 'সাধনী', 'লাচিত বৰফুকন', 'টেটোন তামুলি' এইকেইখন ঘাই। কিন্তু ইয়াৰ ভিতৰত প্ৰথম দুখনৰ কথা আগেয়ে কেতিয়াবাই আৰু নিচেই শেহৰখনৰ বিষয়ে অলপতে যোৱাবাৰত মাথোন সুমৰি অহা হৈছে ; মাজৰ দুখনৰ কথাও আগেয়ে উনুকিয়াই অহা আছে যদিও তাৰ বহুল বিবৃতি দিবলৈ এতিয়াও বাকী ৰৈছে। সি যি হওক, সাহিত্য ক্ষেত্ৰৰ এই কেউটা বন্ধন পানীতে পাখি মাৰি ঠোঁট জুবুৰিয়াই গা কোটালি উলাহত উৰুলীকৃত হৈ আছোঁ! এনেতে অযাচিতে ৰাজনৈতিক ক্ষেত্ৰৰ অভিমুখে মোৰ ওপৰত এটা সঙ্কেতৰ ডাক পৰিলহি।

পূৰ্ববঙ্গৰ লগৰপৰা সাঙ্গোৰ ছিঙ্গি অসমক অকৌ সুকীয়াকৈ প্ৰাদেশিক শাসনৰ এক্তিয়াৰ দিয়াৰ লগতে সেই শাসনকাৰ্যৰ পৰ্যালোচনাত সহায় কৰিবলৈ এটা নতুন পদ্ধতিৰ অৱতাৰণা কৰা হয়। অৰ্থাৎ বঙ্গৰ লগ এবাৰ পাচত অসমে লেফটেনেণ্ট গৱৰ্ণৰ বা দুৱলীয়া লাট চাহাবৰ ঠাইত আকৌ আগৰ চীফ কমিচনাৰ পালে, কিন্তু সেই আপাহতে অসমৰ এটি নতুন সম্ভাৰ লাভ হল এখন চীফ কমিচনাৰী কাউন্সিল বা ব্যৱস্থাপক সভা। সেইজন পোনপ্ৰথম চীফ কমিচনাৰ আছিল ৺চাৰ আৰ্চডেল আৰ্ল, যাৰ নাম "আৰ্ল ল কলেজে" আজিও জিলিকাই ৰাখিছে। তেওঁ ইংৰাজী ১৯১২ চনৰ ১২ এপ্ৰিল তাৰিখে অসমলৈ আহে। আহি শ্বিলঙৰ গদীত বহিয়েই অসম উপত্যকাৰ জিলা কেখনৰ গণ্যমান্য লোকসকলেৰে সৈতে চিনাকি হোৱাৰ অভিপ্ৰায়ে ভৈয়ামলৈ নামি গুৱাহাটীত কেদিনমানৰ কাৰণে থিত্ লয়হি। তাতে সেই উদ্দেশ্যে অসম উপত্যকাৰপৰা মুখিয়াল আৰু অগ্ৰগণ্য লোকসকল সমবেত হ'লগৈ। সেই আলমতে ৺ৰায়চাহাব ভবানীচৰণ ভট্টাচাৰ্য ডাঙৰীয়া আৰু মই নিমন্ত্ৰিত হৈ দৰং, তেজপুৰ, লক্ষীমপুৰৰ প্ৰতিনিধি হিচাপে গুৱাহাটীত আদৰণী সভাত যোগ দিলোগৈহঁক। প্ৰথমদিনা গুৱাহাটীত চাৰ্কিট হাউচতে নতুন চীফ কমিচনাৰ অনাৰেবল চাৰ আৰ্চডেল আৰ্ল চাহাব বাহাদুৰে সমবেত প্ৰতিনিধিৰ প্ৰত্যেক সমষ্টিকে সুকীয়া সুকীয়াকৈ ভিতৰুৱা সাক্ষাৎ (private interview) দি, সিবিলাকৰে সৈতে প্ৰাদেশিক আৰু সাম্প্ৰদায়িক তত্ত্বগ্ৰাহী আলাপ-আলোচনা কৰি চিনাকি হৈ লয়। সেই ছেগতে মই অসমৰ, বিশেষকৈ খাচ অসম উপত্যকাৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক অৱস্থা, অসমীয়া ভাষা আৰু সাহিত্যৰ আধুনিক আৰু পুৰণি কালৰ অৱস্থা, অসম বুৰঞ্জী বিষয়ক তথ্যানুসন্ধান, এইবোৰৰ বিষয়ে পাৰ্যমানে চমুকৈ এটা বিবৃতি

দিলোঁ। বুৰঞ্জীৰ বিষয়ে উন্নুকিয়াওঁতেই চীফ বাহাদুৰৰ তাৰ প্ৰতি প্ৰবল অনুৰাগ দেখি অন্যান্য বিষয়তকৈ এই বিষয়ে বহলাই কবলৈ উৎসাহ পালো—আৰু সেই প্ৰসঙ্গতে বৃটিচৰ পূৰ্ববৰ্তী আহোমৰাজ আৰু আহোম বুৰঞ্জী পুথি বিষয়ক আভাস দিবলৈকো সুচল পালো। তথ্য-পিপাসু বিদ্বান পুৰুষ চাৰ আৰ্চডেলে মোৰপৰা আহোম পুথিৰ সম্বন্ধে সঙ্কেত মাথোন পাই তাৰ নমুনা চাবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। মই বৰ ৰং মনেৰে তেখেতক সঙ্কেত দিলোঁ যে তাৰ নিমিত্তে তেখেত হাবাথুৰি খাব নালাগিব, আহোম পুথি আৰু অন্যান্য পুৰণি তথ্য সংগ্ৰহৰ চৰকাৰী ভঁৰাল সেই গুৱাহাটীতে প্ৰতিষ্ঠিত আছে। আজৰি বতৰত তেখেতে ইচ্ছা কৰিলেই সেই পুথি তথ্য সংগ্ৰহাদি স্বচকুৰে চাই পৰিতৃপ্ত হবলৈ পাব। লাচতে এই সঙ্কেতো দি থলো যে পিচদিনা অফিচিয়েল সাক্ষাতৰ সময়ত সেই পুথিভঁৰালৰ ভঁৰালী মিঃ হেমচন্দ্ৰ গোস্বামী ই. এ. চি. ৰপৰা সেই বিষয়ে বিস্তাৰিতকৈ জানিবলৈ পাব। মোৰ কথা শুনি লাহেকৈ তেখেতে মিঃ হেমচন্দ্ৰ গোস্বামীৰ নামটি টুকি ৰাখিলে। ইমানলৈকে ৰায়চাহাব ভবানীচৰণ ভট্টাচাৰ্য ডাঙ্গৰীয়াই শ্ৰোতাস্বৰূপেই আমাৰ ভিতৰত আলাপৰ ভাগ লৈ আছিল। এইখিনিতে তেখেতে মোৰ ফালে চাই চীফ বাহাদুৰক সঙ্কেত দি থলে যেময়ো এজন অসম বুৰঞ্জী লেখক আৰু ভালেমান অসমীয়া পুথিৰ গ্ৰন্থকাৰ, আৰু সেইবাবে চৰকাৰ বাহাদুৰে মোক সাহিত্যিক পেন্সন দিছে, আৰু মই নিজে এজন আহোম ইত্যাদি। ভট্টাচাৰ্য ডাঙ্গৰীয়াৰ মুখে এই কথা শুনি স্বভাৱতে আৰ্ল চাহাব বাহাদুৰে মোৰ প্ৰতি বিশেষ সদয়ভাৱে চোৱা যেন লক্ষ্য কৰিলোহঁক। সেই আলমতে সাক্ষাতৰ সামৰণিত তেখেতে এই বুলি সঙ্কেত দি থলে, "ওচৰ ভবিষ্যতত আমাৰ মাজত সম্ভবতঃ ওচৰ সম্পৰ্ক ঘটিবও পাৰে"। পিচদিনা বিশেষ বন্দবস্তত ৺হেমচন্দ্ৰ গোস্বামীদেৱক দীঘলীয়াকৈ বিশেষ সাক্ষাৎ দিয়া হয়। সেই ছেগতে গোসাঁইদেৱে খনচেৰেক বুৰঞ্জী আৰু বিবিধ বিষয়ক অসমীয়া পুৰণি পুথি নি চীফ কমিচনাৰ বাহাদুৰক দেখুৱাই তাৰ বিবৃতি ব্যাখ্যা কৰিলেগৈ। চাৰ আৰ্চডেল আৰ্ল সেই পুথি দৰ্শন আৰু ব্যাখ্যাত বাস্তৱতে বিমোহিত হৈছিল; বিশেষকৈ হস্তীবিদ্যা পুথিখন পাত পাতকৈ চাই মুগ্ধ হৈ তেখেতে এই বুলি মন্তব্য প্ৰকাশ কৰিছিল, "সমস্ত ইউৰোপত এনেখন অত্যোত্তম আৰু লাগতিয়াল গ্ৰন্থ বা পুথি ওলোৱাটো সন্দেহৰ স্থল"। তাৰ পাচত গুৱাহাটীত দেখা-সাক্ষাতেৰে খাচ অসমৰ প্ৰতিনিধিসকলৰ লগত চিনাকি হৈ লৈ, নতুন চীফ কমিচনাৰ বাহাদুৰ "ব্ৰহ্মকুণ্ড"ত উঠি ধুবুৰীৰ ফালে ভটীয়াই গলগৈ; আমিও সেইদিনাই ডাকজাহাজত উঠি ঘৰমুৱাকৈ উজাই তেজপুৰলৈ উলটি আহিলোহঁক।

নতুন চীফ কমিচনাৰ বাহাদুৰে তাৰ পাচত চিলেট আৰু শিলচৰত দুটা ভুমুকি মাৰি চুৰমা উপত্যকাৰ গণ্যমান্য লোকসকলৰ লগতো চিনাকি হৈ অসম প্ৰদেশৰ সেই বিভাগৰো আওভাও বুজি আহি ছমাহমান আগন্তুক শাসন পৰ্যালোচনা কৰিলেহি। তাৰ পাচত অসমৰ নতুন কাউন্সিল গঠন বিষয়ক কাৰ্য আৰম্ভ কৰা হ'ল। এই পোনপ্ৰথম অসম কাউন্সিল ৯ জন অফিচিয়েল বা বিষয়ববীয়া, পাঁচজন নমিনেটেড নন-অফিচিয়েল আৰু এঘাৰজন ইলেক্‌টেড নন-অফিচিয়েল সদস্যৰে সৈতে পঁশিচজন অনাৰেবল মেম্বৰৰ দ্বাৰাই গঠিত হবলৈ স্থিৰ হয়।

সেই অনুযায়ী বাহিৰে ইলেকটেড মেম্বৰ নিৰ্বাচন আৰু ভিতৰি নমিনেটেড মেম্বৰ বাছনিত তোলপাৰ লাগি উঠিল। নিৰ্বাচিত মেম্বৰ দুই উপত্যকাৰ প্ৰত্যেক লোকেল বোৰ্ড, মিউনিচিপালিটি, মাটিগিৰি আৰু মুছলমান সমষ্টিৰপৰা আৰু চাহখেতিয়ক সমষ্টিৰপৰা অসম উপত্যকাই দুজন আৰু চুৰমা উপত্যকাই এজন নিৰ্বাচন কৰিবলৈ সৰ্ত পায়। নমিনেটেড পাঁচজনৰ এজন এটা অগ্ৰগণ্য সম্প্ৰদায়ক, এজন ৰেলৱে কাৰখানাদি চলোৱা সমাজক, এজন জমিদাৰ সমাজক, এজন আইন ব্যৱসায়ী সমাজক আৰু এজন সৰ্বসাধাৰণ ব্যৱসায়ী সমাজক ভগাই দিয়াটো স্থিৰ হয়। অফিচিয়েল নজন নিযুক্ত কৰাৰ বাব চীফ কমিচনাৰৰ হাতত থাকিল। প্ৰথমতে নিৰ্বাচনৰ কাৰ্য আৰম্ভ হয়। তাৰ ফল—অসমৰ লোকেল বোৰ্ডৰ সমষ্টিৰপৰা ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা বি. এল. আৰু ৰায়বাহাদুৰ সীতামোহন দাস বি. এল., মিউনিচিপাল সমষ্টিৰপৰা মিঃ মাণিকচন্দ্ৰ বৰুৱা আৰু মিঃ কামিনীকুমাৰ চন্দ বি. এল.; মাটিগিৰিৰপৰা মিঃ তৰুণৰাম ফুকন বাৰিষ্টাৰ আৰু বাবু নলিনীকান্ত ৰায় দস্তিদাৰ; মুছলমান সমষ্টিৰপৰা মৌলবী চৈয়দ মহম্মদ চাদুল্লা আৰু খানবাহাদুৰ মৌলবী আব্দুল মজিদ, চাহখেতিয়কৰপৰা মিঃ চি. টি. ফাৰ্বচ্, মিঃ চি. এল. প্ৰিঙ্গেল আৰু মিঃ ক্যাথকাৰ্ট, এই এঘাৰজন নিৰ্বাচিত হয়। তাৰ পাচত আহিল নমিনেটেড নন-অফিচিয়েল মনোনয়নৰ পাল। ইয়াৰ নিমিত্তে পাঁচ শ্ৰেণীৰ ভিতৰত চাৰি শ্ৰেণী নিৰ্দ্ধাৰিত হৈয়ে আছিল যেনে—ৰেলৱে প্ৰতিনিধি মিঃ এ. বি. হাওকিন্স, জমিদাৰৰ ৰজা শ্ৰীযুক্ত প্ৰভাতচন্দ্ৰ বৰুৱা, আইন ব্যৱসায়ীৰ ৰায়বাহাদুৰ দুলালচন্দ্ৰ সেন, সৰ্বসাধাৰণৰ ৰায়সাহেব বাবু ৰমণীমোহন দাস। বাকী ৰৈছিলগৈ মাথোন সাম্প্ৰদায়িক শ্ৰেণীটো স্থিৰ কৰিবলৈ। এই বিষয় লৈ গৱৰ্ণমেণ্টে ভিতৰ বিশ্বাসত বিস্তৰ অনুসন্ধান আৰু চিন্তালোচনা কৰি শেহান্তৰত বৃটিচৰ পূৰ্ববৰ্তী ৰজাঘৰীয়া আহোম সম্প্ৰদায়ক সেই পঞ্চম ভাগটো দিয়া স্থিৰ কৰে। তাৰ পাচত আহিল আকৌ সেই আসনৰ নিমিত্তে আহোমৰ ভিতৰত যোগ্যজনৰ বাছনি। চীফ কমিচনাৰৰ মতে সেইজন নন-অফিচিয়েল হ'ব লাগে; কিন্তু কমিচনাৰ চাহাব প্ৰমুখ্যে অফিচিয়েলসকলৰ মতে এজন অফিচিয়েলৰ দ্বাৰাইহে পূৰ্ণ কৰিব লাগে। সেই ভিতৰুৱা আলোচনাৰ আনুসঙ্গিক ফলস্বৰূপ চাৰ আৰ্চডেল আৰ্ল বাহাদুৰৰপৰা মোলৈ এখন ভিতৰ বিশ্বাসৰ (confidential) পত্ৰ আহে; আৰু কৰ্ণেল গৰ্ডন চাহাবে মিঃ (পাচত ৰায়বাহাদুৰ) ৰাধাকান্ত সন্দিকৈ এচিষ্টেণ্ট ডি. এল. আৰ. চাহাবক ডেমী-অফিচিয়েল পত্ৰ দি গুৱাহাটীলৈ মাতি পঠিয়ায়। সেই সময়ত মিঃ সন্দিকৈ তেজপুৰ অঞ্চলত চহৰ ফুৰিবলৈ আহি কেদিনমান আমাৰ ঘৰতে আছিলহি। সেই সুযোগতে দুয়ো মিলি সেই বিষয়ক আগ-পিচ দীৰ্ঘ দৃষ্টিৰে চাই আৰু তাৰ লাভালাভৰ বিষয়ে দকৈ ভাবিচিন্তি এই সিদ্ধান্তত উপস্থিত হলোহঁক যে অফিচিয়েল হোৱাৰপৰা আমাৰ দেশৰ, আমাৰ জাতিৰ, আমাৰ জ্ঞাতিৰ বিশেষ লাভ একো নহব, মাথোন অফিচিয়েল সমষ্টিক আৰু এজন সদস্যৰে শকতহে কৰা হ'ব, গতিকে নন-অফিচিয়েল এজন বাছনিত উঠাটোহে বাঞ্ছনীয়। সেই সিদ্ধান্তকে মিঃ সন্দিকৈয়ে কমিচনাৰ কৰ্ণেল গৰ্ডনৰ আগত ভাঙ্গি কলেগৈ। কিন্তু কৰ্ণেলে সেই কথা নামানি ডিভিজনাল কমিচনাৰ হিচাপে মিঃ সন্দিকৈৰ নামহে পঠিয়ালে। সম্ভৱতঃ কমিচনাৰ চাহাবৰ সেই বিষয়ক অফিচিয়েল

পত্ৰ পোৱাত চীফ কমিচনাৰ বাহাদুৰৰ প্ৰাইভেট চেক্ৰেটৰী চাহাবে এখন ডেমী-অফিচিয়েল পত্ৰেৰে মোক জানিবলৈ দিয়ে যে, কাউন্সিলত আহোম প্ৰতিনিধি মেম্বৰ নিযুক্ত কৰাৰ বিষয়ে চীফ কমিচনাৰ চাহাবৰ বিশেষ বিবেচনাত আছে। ফলাফল সোনকালে ওলাব; ইতিমধ্যত মই সন্তষ্ট থকা উচিত কিয়নো কাউন্সিল উদ্বোধন সভা বহাৰ দিন নিচেই চমু চাপিলহি।

# পঞ্চত্রিংশ সৰ্গ

চীফ কমিচনাৰৰ প্ৰাইভেট চেক্ৰেটৰীয়ে মোক সষ্টম হৈ থাকিবলৈ লিখা চিঠিৰ পাচত আকৌ কিছুমান দিনলৈ শ্বিলং নিটাল। কোনো শুংসূত্ৰ পাবলৈ নাই। পোনপ্ৰথম কাউন্সিললৈ অফিচিয়েল আৰু নন-অফিচিয়েল মেম্বৰৰ মনোনয়নৰ বিষয়েও ঠাৱৰ খবৰ ওলোৱা নাই। ইফালে অসমৰ নতুন কাউন্সিল গঠন সম্বন্ধে জানিবলৈ ৰাইজ উদগ্ৰীৱ হৈ আছে। বিশেষকৈ নিৰ্বাচিত মেম্বৰসকল। এইভাৱেই আৰু মাহচেৰেক পাৰ হল. তথাপি সেই সম্বন্ধে একো এটা সিদ্ধান্ত নোলাল। ইতিমধ্যত কমিচনাৰ কৰ্ণেল গৰ্ডনক একাধিকবাৰ লগ পাইছিলো। প্ৰতিবাৰতে কাউন্সিল গঠনৰ বিষয়ে সোধোঁ সোধোঁ বুলি সোধা নহল। তেখেতেও উপযাচি তাৰ সম্ভেদ মোক জানিবলৈ নিদিলে। তেখেতে ইচ্ছা কৰিয়েই সেই সম্ভেদ দিয়া নাছিল বুলি মোৰ অনুমান হোৱাত ময়ো জানিবলৈ আগ্ৰহ দেখুওৱা নাছিলো; দৰাচলতে তেওঁ নিজেও তাৰ সঠিক সম্ভেদ পোৱা নাছিল। এইভাৱে উগুল-থুগুলকৈ থাকোতেই শ্বিলং চেক্ৰেটৰীৰপৰা এদিন মোৰ নামে এখন চৰ্কাৰী চিঠি আহিল। লেফাফাৰ ওপৰত মোৰ নামৰ আগত 'Hon'ble' শব্দটো দেখিয়েই ভিতৰৰ কথা আৰু বুজিবলৈ বাকী নাথাকিল। চিঠিৰ বুকুত থকা কথাৰ ভিতৰত এইকেইটাই সাৰ, "You have been appointed a member of the Assam Legislative Council representing the Ahom Community. You are hereby summoned to attend the first meeting of the Council to be held on the 2nd January, 1913, at the Council Chamber, Government House, Shillong, at 11 A. M. standard time."

আগেয়ে মই কাউন্সিলৰ মেম্বৰ হোৱা যে নায়েই, কেতিয়াও কাউন্সিল দেখাই নাই! গতিকে আগধৰি ইয়াৰ আৰভাৰ বুজিবলগীয়া হল। অকল ময়েই নহয়, নতুনকৈ ইলেকটেড আৰু নমিনেটেড হোৱা আনবিলাক মেম্বৰেও কাউন্সিলৰ বিষয়ে ভূ-ভা পোৱা নাছিল; মাথোন 'পূৰ্ববঙ্গ আৰু অসম' প্ৰাদেশিক কাউন্সিলৰ ভূতপূৰ্ব মেম্বৰ মিঃ মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াৰ সেই বিষয়ক যথেষ্ট অভিজ্ঞতা আছিল। সেই কাৰণে মই অনতিপলমে গুৱাহাটীত মিঃ মাণিকচন্দ্ৰ বৰুৱাৰ কাষ চাপিলোঁগৈ। তেখেতৰ ওচৰত মোৰ পোনপ্ৰথম সম্ভাষণ এই কেইআষাৰ কথাৰে, "মই আপোনাৰ ওচৰত ৰাজনৈতিক ছাত্ৰ হবলৈ আহিছো; দয়া কৰি মোক ব্যৱস্থাপক সভা বিষয়ৰ শিক্ষা দান কৰোক।" সেই দুআষাৰেই দুইকো দুইৰ মনোভাব বিশদকৈ বুজালে। সেই আলমতে পোনপটীয়া ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াই হাঁহি হাঁহি ৰং মনেৰে আগন্তুক কাউন্সিলৰ আৰম্ভণত আমি কেনেকৈ চলিব লাগিব, কিভাৱে পোন-প্ৰথম বক্তৃতা ( maiden speech ) দিব লাগিব সমুদায় পৰিপাটিকৈ ব্যাখ্যা কৰি মোক পৰম উপকৃত কৰিলে। তাৰ পাচত গুৱাহাটীত সেই ৰাতিটো মাথোন থাকি তাৰ পাচদিনা ডাক

জাহাজত উঠি তেজপুৰলৈ উলটি আহিলোঁ। অহাৰ আগতে কৰ্ণেল গৰ্ডন কমিচনাৰৰ বঙ্গলাত ভূমুকি এটা মাৰিছিলো কিন্তু তেখেতক লগ নাপালো।

গুৱাহাটীৰপৰা উলটি আহি এসপ্তাহমানৰ ভিতৰতে আকৌ উলটি গুৱাহাটী পালোঁগৈ শ্বিলং যাত্ৰী কাউন্সিল মেম্বৰসকলক বিশেষকৈ, ৺মিঃ মাণিকচন্দ্ৰ বৰুৱা আৰু ৺ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাক লগ ধৰিবৰ কাৰণে। ১৯১২ চনৰ ৩১ ডিচেম্বৰৰ দিনা পুৱা ন বজাত গুৱাহাটী পাণবজাৰ মটৰ ষ্টেচনত গৈ দেখোঁ যে ৺বৰুৱাদ্বয়, কৰ্ণেল গৰ্ডন, মিঃ তৰুণৰাম ফুকন, মৌলবী চৈয়দ মহম্মদ চাদুল্লা, খানবাহাদুৰ আব্দুল মজিদ প্ৰভৃতি দুয়ো উপত্যকাৰ ইণ্ডিয়ান আৰু ইউৰোপীয়ান কাউন্সিল মেম্বৰসকলৰ ভালেমান সমবেত হৈ আছেগৈ, মইহে সবাতকৈ পিচ। মই গৈ পোৱা মাত্ৰকে ৺ৰায়বাহাদুৰ বৰুৱাই বেগাবেগিকৈ মোৰ টিকেটটো কিনাই দি মোক সিবিলাক দুই বৰুৱাৰ মাজতে মটৰ গাড়ীৰ প্ৰথমথন বেঞ্চতে বহিবলৈ ঠাই নিৰূপিত কৰি দিলে। এনেতে গাড়ীত উঠাৰ আগতে কৰ্ণেল গৰ্ডনেৰে সৈতে মোৰ চকুৱে চকুৱে পৰিল। সেই দেখাদেখি হোৱা মাত্ৰে তেখেতে দুখোজ আগবাঢ়ি আহি মৰমেৰে সৈতে মোৰ হাত জোকাৰি এই বুলি সম্বোধন কৰিলে, "Good morning Padmanath, you have come to the post after all, I am so very pleased !" উত্তৰত মই মুঠেই 'Thanks Sir' বুলি তেখেতৰ মুখলৈ চাই আনন্দৰ হাঁহি এটি মাৰিলোঁ। মোৰ সেই হাঁহিয়ে কিন্তু তেখেতক হঠাতে শেঁতা পেলালে। তাৰ কাৰণ দুয়ো মনতে বুজি মনে মনে থাকিলোঁহঁক। তাৰ পিচ মুহূৰ্ততে মটৰে উকি মৰাত লৰালৰিকৈ আটাইটিয়ে নিজ নিজ নিৰ্ধাৰিত ঠাইত বহি ললোঁহঁক। কোঁ-ওঁ-উ শব্দৰে মটৰে ছুটি মেলিলে। তাহানিতে টঙ্গাত চৰি শ্বিলং যাত্ৰা কৰাৰপৰা আজিৰ মটৰত চৰা শ্বিলং যাত্ৰাৰ উন্নতি দেখি মই মনে মনে উলাহিত হৈ মনতে ভাবি থলোঁ, অন্ততম বাৰবছৰীয়া যুগ এটাত আৰু বা কি উন্নতি হবলৈ আছে! কিজানি আকাশী যাত্ৰা কৰিবলৈ পাওঁ। সেই সুচলতে শিঙ্গা বজাই পাক ধৰি ধৰি পৰ্বতৰ গা কাষৰীয়া পকোৱাপকি পকীবাট বগাই উঠি মাজবাটৰ আড্ডা নংপুত নামি যুগুতকৈ থোৱা 'খানা'ত বহিলোঁগৈহঁক। সেই ছেগতে অচিনাকী মেম্বৰসকলেৰেও চিনাচিনি হৈ তাতে আনন্দৰ এঘন্টা উপভোগ কৰিলোঁ। তাৰ পাচত শ্বিলং পথৰ দুয়ো কাষৰ, বিশেষকৈ টপা পৰ্বত পোৱাৰপৰা ওপৰছোৱাৰ স্বাভাৱিক দৃশ্যৰ সৌন্দৰ্যত বিমোহিত হৈ গৈ গৈ এনে লাগিছিল, যেন সেই বাটছোৱাৰ অন্ত নপৰক। তাৰ পাচত সন্ধ্যা পৰত শ্বিলং পাই মোৰ বাল্যবন্ধু ৰাজকুমাৰ সিদ্ধেশ্বৰ গোহাঞিদেৱৰ ঘৰত আলহী সোমালোঁগৈ। মোৰ সোঁৱৰণীত ই এটা অপূৰ্ব আনন্দৰ দিন।

পিচদিনা ১৯১৩ চনীয়া নতুন বছৰৰ প্ৰথম দিনটো জিৰাই লৈ তাৰ পিচদিনা ২ জানুৱাৰী তাৰিখে আগবেলা ১১ বজাত, পোনপ্ৰথম অসম কাউন্সিলৰ পোনপ্ৰথম বৈঠকত উপস্থিত হলোঁগৈহঁক। তেতিয়া চীফ কমিচনাৰেই কাউন্সিলৰ প্ৰেচিডেণ্ট। পোনেই এজন এজনকৈ যথাবিধি সংকল্প ললোঁহঁক। নিৰ্ধাৰিত নিয়মে প্ৰেচিডেণ্টে উদ্বোধনী বক্তৃতা দিয়াৰ পাচত ইণ্ডিয়া কাউন্সিললৈ আমাৰ কাউন্সিলৰপৰা এজন প্ৰতিনিধি সদস্য নিৰ্বাচন কৰি পঠিওৱাৰ বাব আহিল। তাৰ নিমিত্তে মিঃ মাণিকচন্দ্ৰ আৰু মিঃ ফাৰ্বচ দুজন প্ৰাৰ্থী ওলোৱাত দুটা দলৰ

মাজত অৰিয়া-অৰি লাগি উঠিল। বহুত তৰ্কবাদ হোৱাৰ পাচত বিষয়টো আপোচ মীমাংসালৈ দিয়া হয়। ফলত আদি প্ৰাৰ্থী দুজনক দুফালে আঁতৰাই থৈ মাজতে ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাক সৰ্ববাদীসম্মতিক্ৰমে ইণ্ডিয়া কাউন্সিললৈ প্ৰতিনিধি পঠিওৱাটো স্থিৰ হয়। তাৰ পাচত চাৰ আৰ্চডেল আৰ্ল বাহাদুৰৰ সৌজন্যত গৱৰ্ণমেণ্ট হাউচত চাহাবৰে সৈতে একে মেজ-মাচিয়াত একেলগে 'খানা' খাবলৈ আপত্তি নথকা অনাৰেবল মেম্বৰসকলক ইউৰোপীয় ধৰণেৰে জলপান ( luncheon ) কৰোৱা হয়। সেই জলপান খোৱা মেলত চীফ কমিচনাৰৰ পত্নী লেডী আৰ্লে মোৰ কাষতে এপাশে বহি লাঞ্চ খাবলৈ আসন লৈ মোৰে সৈতে বিবিধ ৰংলগা সুৰদি আলাপেৰে মোক আপ্যায়িত কৰিছিল। তেখেতে মোৰ থালৰপৰা ভাপত সিজোৱা আলুগুটি এটা কাটাৰ আগতে পিং দি ধৰি আলাসতে ছুৰীৰে বাকলি গুছাই মোক মাতৃ মৰমেৰে খাবলৈ দিয়া তেখেতৰ অমায়িকতা মোৰ সোঁৱৰণীত আজিও তেজা হৈ আছে।

কাউন্সিল সভাৰ বৈঠক অসমত নতুন। এই নতুন অনুষ্ঠানৰ পোনপ্ৰথম প্ৰতিষ্ঠানত সদৌ অসমত উখল-মাখল লাগি পৰিছিল। শ্বিলং শৈলত বিশেষ। কিয়নো শ্বিলঙতে ইয়াৰ বেদী। গতিকে শ্বিলংবাসী সৰু-বৰ, শিক্ষিত-অশিক্ষিত, মুনিহ-তিৰোতা, ল'ৰা-ডেকা-বুঢ়া সবাৰে গা-মন উলাহিত হৈছিল। সভা বৈঠকৰ দিনা ভাল ভদ্ৰলোকসকলে পোৱা যায় মানে টিকেট যোগাৰ কৰি লৈ ওপৰতলাত গোটেই দৰ্শক আঙ্গনি ( visitors' gallery ) আৰু তলৰ তলাতো দাঁতিয়ে কাষৰে কাউন্সিল সভাঘৰ (Council chambers) দৰ্শকেৰে ভৰি পৰিছিল। কাউন্সিল সভালৈ যাওঁতে আৰু বৈঠক ভাঙ্গি উলটি আহোঁতে বাটৰ দুপাশে দুশাৰীকৈ আৰু লৰৰি-ঢাপৰি আৰু গিৰ্জা চাপৰিত জুমজুমকৈ দৰ্শকবৰ্গে কাউন্সিল মেম্বৰসকলক উৰুলীকৃত হৈ দৰ্শন কৰিছিল। সেই দৰশনত ৰাইজৰ নীৰৱ অভ্যৰ্থনা অনুভৱ কৰি ভিতৰি আমাৰো মন-প্ৰাণ আনন্দত উধাও হৈ নাচিছিল।

তাৰ পিচদিনা নগৰীয়া যাত্ৰীসকলেৰে সৈতে ভৈয়াম-মুখীয়াকৈ মটৰ গাড়ীত চৰি ওলটা যাত্ৰা কৰিলোঁহঁক। আহি আহি যেতিয়া বৰপানী আড্ডাৰ কাষ চাপিলোঁহি তেতিয়া সোঁৱে বাওঁে দুইফালৰপৰা টপা পৰ্বতৰ সেউজীয়া সৌন্দৰ্যই মোৰ মন-প্ৰাণ উদাস কৰি উৰুৱাই নিবলৈ ধৰিলে। মোৰ মনে কয় ক্ষন্তেক ৰৈ যাওঁ, কিন্তু মটৰে নামানে, চলিবৰ চল পাই চোঁ-চোঁ কৰে চুচৰি বেছি বেগেৰেহে নামে। এইভাৱে মনৰ উগুল-থুগুলত আহি থাকোতেই ঈশ্বৰৰ ইচ্ছাত কিবা স্বৰূপে গাড়ীৰ কিবা এটা কল বিগৰি যোৱাত মটৰখন থমক খাই ৰব লগাত পৰিল। সেই ৰল যে ৰলেই। কল-গাড়ীৰ সেই বিজুতি ভাঙ্গিবলৈ অতি কমেও আদঘন্টামান সময় লাগিব বুলি ড্ৰাইভাৰ ফিৰিঙ্গি চাহাবে ঘোষণা কৰাত যাত্ৰী আটাই-বিলাক নামি পৰিলোঁহঁক। সেই অভাৱনীয় দুৰ্ঘটনাত আপদ বোধ কৰি যাত্ৰীবৰ্গে ছিঃ ছিঃ ছাঃ ছাঃকৈ আক্ষেপ কৰিবলৈ ধৰিলে। মোৰ কিন্তু আন্তৰিক মহা আনন্দ মিলিল ; মই মনে মনে ইচ্ছাময়ক শত শত ধন্যবাদ দি মোৰ মনোমত দৃশ্য সৌন্দৰ্য হেঁপাহ পলুৱাই উপভোগ কৰিবলৈ ধৰিলো। মোৰ মনে আপোন-পাহৰা হৈ সেই সুবিস্তীৰ্ণ প্ৰকৃতিৰ ৰাজহাড় যেন টপা পৰ্বতৰ টিঙে টিঙে ওফৰি ফুৰিছে, এনেতে মটৰে উকি মাৰি পুনঃ চলিবলৈ সষ্টম হল ;

যাত্ৰী সকলোটিয়ে খৰধৰকৈ নিজ নিজ আসন ললেগৈ ; ময়ো চকমক কৰে সাৰ পোৱাৰ দৰে উঠি মোৰ ঠাইত বহি ললোঁহি। তাৰ পাচত বাটত আৰু বাধা-বিঘিনি নোহোৱাকৈ নামি নংপুৰ জিৰণি বঙ্গলাত চাহ-জলপান খাই উঠি আহি আহি ভৈয়ামৰ সমথল পালোহি-হঁক। সেই পাহাৰ প্ৰান্তৰণৰা গুৱাহাটী চহৰৰ মটৰ আড্ডালৈকে এই সাত মাইল পোন বাটচোৱাইহে শেহত আমনি লগালে। তাৰ পাচত গুৱাহাটীতে এৰাতি থপি পিচদিনা জাহাজত উঠি তাৰ পিচদিনা উজটি তেজালেৰে তেজপুৰ পালোহি।

# ষট্‌ত্ৰিংশ সৰ্গ

## পোনপ্ৰথম কাউন্সিল অভিভাষণ

ইংৰাজী ১৯১৩ চনৰ ২ জানুৱাৰী তাৰিখে পোনপ্ৰথম অসম কাউন্সিল বা ব্যৱস্থাপক সভাৰ উদ্বোধন বৈঠক পাৰ হোৱাৰপৰা ডেৰমাহৰ পাচত তাৰ প্ৰথম সাধাৰণ অধিবেশন পাতিবলৈ দিন ধাৰ্য ঘোষণা কৰা হয়। এই অধিবেশনতে নন-অফিচিয়েল মেম্বৰ বা বে-চৰকাৰী সদস্যসকলে ৰাজকাৰ্য পৰ্যালোচনাত সহযোগিতা দান কৰাৰ অভিমত স্বকীয়া সঙ্কেত পৰামৰ্শ আদিৰ আঁচনি সোধাবলৈ বা তদ্বিষয়ক অভিমত কাউন্সিল বৈঠকত ব্যক্ত কৰিবলৈ গৱৰ্ণমেন্টৰপৰা অনুজ্ঞাসুচক অনুৰোধ পায়। সেই অনুসৰি পোনপ্ৰথম কাউন্সিল অভি-ভাষণ যুগুত কৰিবলৈ সদস্যসকল তৎপৰ হয়; ময়ো মোৰ অভিভাষণ যুগুত কৰিবলৈ ধৰিলোঁ। তেতিয়া লিখিত অভিভাষণ কাউন্সিল বৈঠকৰ অন্তত সাতদিনৰ আগতে শোধোৱাৰ নিয়ম আছিল, নিৰ্ধাৰিত সময়তকৈ পাঠ চৰা হলে তাক চমু কৰোৱাৰ উদ্দেশ্যে। গতিকে সেই প্ৰথম অভিভাষণ (maiden speech) যুগুত কৰিবলৈ আমি মুঠেই ,এমাহমানহে সময় পালোঁহঁক। সেই অলপ সময়ৰ ভিতৰত এই নতুন ধৰণৰ ৰাজনৈতিক অভিভাষণ অনাভূৱাকৈ যুগুত কৰিবলৈ আনসকলে কেনে পাইছিল জানো, মই হলে বৰ টান যেন পালোঁ। তথাপি 'চাপৰিলে মেঘ নেৰায়' জানি ৰাজনৈতিক ক্ষেত্ৰত মোৰ কিঞ্চিতমান অভিজ্ঞতাৰ লগত দেশৰ দৈহিক, নৈতিক, আৰ্থিক, সামাজিক, সাহিত্যিক, ব্যৱসায়িক বিষয়ক অভিজ্ঞতা লগলগাই লৈ মনে পতা আঁচনিৰে মোৰ আগলি অভিভাষণ যুগুত কৰিবলৈ হাতত ললোঁ। সেই অৰ্থে মোৰ অভিজ্ঞতাই ঢুকি পোৱাৰ ওপৰঞ্চিকৈ জনদিয়েক বিশিষ্ট বন্ধুৰপৰাও কিছুমান লাগতিয়াল সমল সংগ্ৰহ কৰি লোৱা হৈছিল। সিবিলাকৰ ভিতৰত ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ, ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ৺ৰায়বাহাদুৰ ফণিধৰ চলিহা ডাঙ্গৰীয়া, ৺ মিঃ গঙ্গাগোবিন্দ ফুকন এইসকলৰ নাম লবলগীয়া। ইত্যাদি কাৰণত অভিভাষণখন যুগুত কৰি পঠোৱাত বৰ পলম হল, কথমপি মূৰামূৰি সময়তহে কাউন্সিল অফিচ পালেগৈ।

যি আশঙ্কা কৰিছিলো, সি কাৰ্যত ফলিয়ালে—মোৰ অভিভাষণখন "ডবল দীঘল" হোৱাৰ কাৰণে তাক চেপি চমু কৰিবলৈ বুলি প্ৰেচিডেণ্ট চীফ কমিচনাৰৰ অনুজ্ঞা অনুসৰি কাউন্সিল সম্পাদকে মোলৈ ওলোটাই পঠিয়ালে। মই বৰ বিপাঙত পৰিলোঁ। চেপি চমু কৰা মানে নতুনকৈ লিখা। স্বৰূপত নতুনকৈ লিখাতকৈয়ো চমু চপোৱাটো অধিক টান যেন বোধ হল; বিশেষকৈ হাতত থকা বাকী তিনি দিনৰ ভিতৰত। আৰু সেই তিনি দিনৰ মূৰত স্বয়ং শ্বিলং পাবগৈয়ে লাগিব। গতিকে ওলট-পালটকৈ চমু চপোৱাৰ জঞ্জালত হাত নিদি আগেয়ে যুগুত কৰি লোৱা অভিভাষণকে হাতত লৈ চীফ কমিচনাৰ বাহাদুৰৰ কাষ চাপিলোগৈ। চাৰ আৰ্চডেল আৰ্ল বাহাদুৰে পোনেই মোৰ মুখলৈ চাই মিচিকিয়া হাঁহি এটি মাৰি মোক সুধিলে, "কি কৰে এতিয়া? আপোনাৰ অভিভাষণ চমু চপাই নিয়মীয়া কৰা হল জানো?"

মই একে আষাৰে উত্তৰ দিলোঁ, "নাই হোৱা। হোৱা অসম্ভৱ, কাৰণ তালৈ আৰু সময় নাই।" তেখেতে আকৌ হাঁহি হাঁহি সুধিলে, "পিচে ?" মই ততালিকে উত্তৰ দিলোঁ, "পিচে আন উপায় নাই, নিৰ্ধাৰিত সময়ৰ ভিতৰত যিমানলৈকে পাৰো এইখন অভিভাষণকে পাঠ কৰিম, বাকীছোৱা পঠিত বুলি গৃহীত হবলৈ দিলেই হব।" চীফ বাহাদুৰে ৰং মনেৰে তথাস্তু বুলিলে। মই নিশ্চিন্ত হলোঁ। পিচদিনা যথাসময়তে কাউন্সিল সভা বহিল। প্ৰেচিডেণ্ট অনাৰেবল চীফ কমিচনাৰ চাহাব বাহাদুৰে উদ্বোধন বক্তৃতাৰে সৈতে সভাৰ কাৰ্য আৰম্ভ কৰি দিলে। হাতৰ কাৰ্যতালিকা অনুসৰি সদস্যসকলে নিজ নিজ আগলী অভিভাষণ পাঠ বা পাতনি বক্তৃতা দিয়াৰ পাল পৰিল। মই আগেয়েই পাঙি থৈছিলো যে আটাইতকৈ আগেয়ে ময়েই পাঠ কৰিম, কাৰণ মোৰখন দীঘলীয়া অভিভাষণ আগ কৰিলে তাক পিচৰ চমু, চুটি নিয়মীয়া অভিভাষণবোৰৰ লগত শ্ৰোতাসকলে ৰিজাই আমনি বোধ কৰিবলৈ চল নাপাব, আৰু আগৰ অভিভাষণ বা বক্তৃতা শুনি শুনি আমুৰাৰ পাচত মোৰ দীঘলখন শুনাত শ্ৰোতাসকলৰ ধৈৰ্যচ্যুতি নহব। সেই কাৰণে প্ৰেচিডেণ্টৰ আসনৰপৰা ডাক পৰা মাত্ৰকে পোনপ্ৰথম ময়ে থিয় হলোঁ। পঢ়িবলৈ আৰম্ভ কৰোঁতেই মন কৰিলোঁ, মোলৈ প্ৰেচিডেণ্ট চাৰ আৰ্চডেল আৰ্ল আৰু চেক্ৰেটৰী অনাৰেবল মিঃ আব্দুল মজিদ চাহাবে উগুল-থুগুলকৈ থৰ লাগি চাবলৈ ধৰিছে। মই সেইফালে আওকাণ কৰি একান্ত মনেৰে মোৰ অভিভাষণ পাঠ কৰি যাবলৈ ধৰিলোঁ; অপৰাপৰ সদস্যবৰ্গে আৰু ওপৰৰপৰা দৰ্শক শ্ৰোতাসকলে একাণপতীয়াকৈ শুনিবলৈ ধৰিলে। পিচে পঢ়ি গৈ মাজমান পাইছোঁগৈ, এনেতে প্ৰেচিডেণ্ট থিয় হৈ এইবুলি বাধা দি উঠিলে, "অনাৰেবল মেম্বৰে ইতিপূৰ্বেই নিৰ্ধাৰিত আধঘণ্টা সময়ৰ সীমা চেৰাই গৈছে, আৰু সময় দিব নোৱাৰি।" প্ৰেচিডেণ্ট উঠা মাত্ৰে মই বহি পৰিছিলোঁ। তাৰ পাচত প্ৰেচিডেণ্ট বহা মাত্ৰকে অনাৰেবল মিঃ হাওকিন্সে উঠি সদস্যসকলৰ ফালৰপৰা এইবুলি মাত লগালে, "অভিভাষণখন বৰ সাৰুৱা, শুৱলা আৰু লাগতিয়াল যেন লাগিছে, অনাৰেবল প্ৰেচিডেণ্টে অনুগ্ৰহকৈ অনুমতি দিয়ে যদি আমি শেষলৈকে শুনিবলৈ বাঞ্ছা কৰোহঁক।" এনেতে সদস্যমণ্ডলীয়ে সমস্বৰে "হয় হয়" কৰিবলৈ ধৰিলে। প্ৰেচিডেণ্টে ততালিকে সমিধান দিলে যে, সভাৰ শুনিবলৈ মন গৈছে যেতিয়া তেখেতেও বাধা নিদিয়ে। সেই সুসমিধানত বৰ উলাহিত হৈ মই পুনৰপি থিয় দি মোৰ অভিভাষণৰ বাকীছোৱা ধীৰে শাঁতে পঢ়িবলৈ ধৰিলোঁ; সভাস্থ আন সকলোৱে একাণপতীয়াকৈ শুনিবলৈ ধৰিলে। সেই শেহৰছোৱা পঢ়ি অন্ত কৰোঁতে আৰু আধা ঘণ্টা লাগিল। পঢ়া শেষ কৰি মই বহা মাত্ৰকে সদস্যমণ্ডলীৰ মাজৰপৰা 'উত্তম', 'উপভোগ্য' এনেবোৰ সুৱদি মন্তব্য এজাউৰি শুনি মোৰ অন্তৰত আনন্দে নধৰা হল। মোৰ পাচত এজন এজনকৈ সদস্যবৰ্গে সিবিলাকৰ চমু, চুটি আৰু নিয়মীয়া অভিভাষণ পাঠ কৰিলে। কেইজনমানেহে সময়ৰ সীমা অলপ-অচৰপ চেৰাই গৈছিল, আৰু কেজনমানে নিজৰ টোকা চাই চাই মৌখিক বক্তৃতা দি কৰ্তব্য সমাধা কৰিলে। আমাৰ বুঢ়া ওজা মাননীয় ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ শাৰীৰিক দুৰ্বলতাৰ হেতুকে থিয় দি পাঠ কৰিব নোৱাৰাত তেখেতৰ লিখিত অভিভাষণ পঠিত বুলি গৃহীত হল। প্ৰথমদিনা ইমানতে সামৰণি পৰিল। সভা ভগাৰ পাচত অফিচিয়েল

আৰু নন্‌-অফিচিয়েল অনাৰেবল মেম্বৰসকলে মুখে মুখে অভিভাষণৰ গুণাৱলী বথানি মোক ধন্যবাদ দিবলৈ ধৰিলে। মুঠতে সিবিলাকৰ মন্তব্যমতে অভিভাষণখনত অসমৰ হিন্দু-মুছলমানৰ ভিতৰত অভিন্ন জাতীয় ভাব প্ৰমাণ কৰি ভাৰতৰ ভিতৰত অসমক অদ্বিতীয়কৈ দেখুওৱা হৈছিল। দুয়ো উপত্যকাৰ সদস্যবৰ্গৰ বিশেষ আনন্দ এইবাবে যে মই যদিও আহোম সম্প্ৰদায়ৰ প্ৰতিনিধিস্বৰূপেহে নমিনেটেড্ মেম্বৰ, তথাপি মোৰ অভিভাষণৰ তিনিভাগ সৰ্ব-সাধাৰণৰ হৈ সাৰ্বজনীন ভাবৰ আৰু এভাগহে আহোম সম্প্ৰদায়ৰ অৰ্থে স্বকীয়া ভাবৰ হৈছিল। যি হওক, মই অনাভুৱাকৈ ভয়ে ভয়ে আগবঢ়োৱা মোৰ পোনপ্ৰথম কাউন্সিল অভিভাষণখন সেইভাৱে সবাৰৰে মনোৰঞ্জক হোৱাত মোৰ অন্তৰত আনন্দে হেন্দুলিয়াবলৈ ধৰিলে। সেই আলমতে চুৰমা উপত্যকাৰ অনাৰেবল মিঃ কামিনীকুমাৰ চন্দ, অনাৰেবল খান বাহাদুৰ মৌলবী আব্দুল মজিদ চাহাব ( পাচত চি. আই. ই. মিনিষ্টাৰ ) প্ৰমুখ্যে মুখিয়াল মেম্বৰ জনদিয়েকৰে সৈতে মোৰ আন্তৰিক বন্ধুত্ব লাভ হল ; তেতিয়াৰেপৰা সিবিলাকে সততে মোৰ প্ৰতি সম্প্ৰীতিৰ ভাবেৰে চাবলৈ ধৰিলে। মোৰ নিজা উপত্যকাৰো আমাৰ গুৰিয়াল নেতা অনাৰেবল ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়া, অনাৰেবল মৌলবী সৈয়দ মহম্মদ চাদুল্লা (চাৰ চাদুল্লা), অনাৰেবল ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰ, অনাৰেবল মিঃ তৰুণৰাম ফুকন, এইসকলৰপৰা আদৰ-সাদৰ লাভ কৰিলোঁ। অফিচিয়েলৰ ফালৰপৰাও চীফ কমিচনাৰ অনাৰেবল চাৰ আৰ্চডেল আৰ্ল, কমিচনাৰ অনাৰেবল কৰ্ণেল গৰ্ডন, চীফ চেক্ৰেটৰী মিঃ ৰীড (এতিয়া চাৰ উইলিয়াম ৰীড), ছেকেণ্ড চেক্ৰেটৰী অনাৰেবল কৰ্ণেল কেনেডি, কাউন্সিল চেক্ৰেটৰী অনাৰেবল মিঃ আব্দুল মজিদ চাহাব এইসকলে মোৰ প্ৰতি আস্থাযুক্ত মৰমৰ চকুৰে চাবলৈ ধৰিলে। এই ওখ থাপৰ সজলোকসকলৰপৰা অযাচিতে মৰম-চেনেহ, আদৰ-সাদৰ আৰু সম্প্ৰীতিৰে সহানুভূতি লাভ কৰি ময়ো মোৰ নতুন ৰাজনৈতিক কাৰ্যক্ষেত্ৰত পৰম উলাহিত হৈ আগবাঢ়িবলৈ ধৰিলোঁ।

দ্বিতীয় দিনাৰ বৈঠকত গৱৰ্ণমেণ্টৰ ফালৰপৰা গোটাদিয়েক লাগতিয়াল বিষয়ক আলোচনা আগবঢ়োৱা হয়। এই বিষয়তো ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াত বাজে, নন-অফিচিয়েল মেম্বৰ আমি আটাইবিলাকেই নতুন, গতিকে আমি অনাভুৱাকৈ মাথোন আলোচনাত যোগ দিছিলোহঁক; আচল যুক্তি পৰামৰ্শ আদি নন্‌-অফিচিয়েলৰ ফালৰপৰা যি দিয়া হৈছিল, সেই সকলো আমাৰ বুঢ়া ওজা অনাৰেবল বৰুৱা ডাঙৰীয়াইহে দিছিল। তাৰ পাচত, অহাবছৰৰ কাৰণে এখন 'ফাইনেন্স কমিটী' গঠিত হয়। সেই কমিটীত চীফ চেক্ৰেটৰী মিঃ ৰীড, চীফ ইঞ্জিনীয়াৰ মিঃ হুইট, অসম উপত্যকাৰ কমিচনাৰ কৰ্ণেল গৰ্ডন, কাউন্সিল চেক্ৰেটৰী মিঃ মজিদ, মিঃ কামিনীকুমাৰ চন্দ, মিঃ হাওকিন্স আৰু মই, এই পাঁচজন নন-অফিচিয়েল মেম্বৰ নিযুক্ত হয়। মই ৰজাবাহাদুৰ প্ৰভাতচন্দ্ৰ বৰুৱাৰে সৈতে পৰামৰ্শ কৰি, এই কমিটীত মোৰ বাবটো আমাৰ সুবিজ্ঞ নেতা মাননীয় মানিকচন্দ্ৰ বৰুৱা ডাঙৰীয়ালৈ পাৰ কৰিবলৈ চাইছিলোঁ, কিন্তু তেখেতে তেখেতৰ সহযোগিতাৰে সৈতে সেই পদত মোকে ৰখাটোৱেই বাঞ্চনীয় বোধ কৰিলে, ময়ো অগত্যা তাতে মান্তি হলোঁ। ৰাজকাৰ্য পৰ্যালোচনা আৰু ৰাজভঁৰালৰ অৰ্থ ব্যৱহাৰৰ ঘাই মেলত মোৰ এয়ে প্ৰথম প্ৰবেশ।

## সপ্তত্রিংশ সৰ্গ

### তেজপুৰত পানীকল

ইংৰাজী ১৯১৫ চনলৈকে তেজপুৰত পানীৰ অভাৱত টাউনবাসীৰ বৰ দুখ। মিউনিচি-পালিটিৰ পকী নাদ তিনিটা আৰু পুখুৰী চাইটাই টাউনৰ ঘাই পানীভঁৰাল। তাকৰিয়াকৈ এভাগে ব্ৰহ্মপুত্ৰৰপৰাও পানীৰ যোগান পাইছিল, কিন্তু সিবিলাক সাধাৰণ শ্ৰেণীৰ মানুহ, যি পানীৰ অভাৱ বৰকৈ অনুভৱ নকৰে। টাউনৰ কেন্দ্ৰস্থলত বাস কৰা ভাল ভদ্ৰলোক আৰু ব্যৱসায়ী লোকৰ মিউনিচিপালিটিৰ পানীভঁৰালত বাজে গত্যন্তৰ নাই। এই যোগানো সিবিলাকৰ পক্ষে পৰমুখাপেক্ষী, দৈনিক বানচীয়া নলবৰীয়া বনুৱাৰ কোনোৱে এবেলা কোনোৱে ছেগধৰি দুবেলা দুভাৰকৈ নিদিলে আন উপায় নাই। সেই যোগনীয়াৰ বানচো ককালভঙ্গা!······ আদমোনীয়া কেৰাচিন তেলৰ টিনৰ পানীৰ খেচ ভাৱে চৰতীয়া আৰু আদমহীয়া। তাকো সময়মতে আৰু নিয়মীয়াকৈ সদায় পোৱা নাযায়। গতিকে টাউনবাসীৰ ভাতমুঠি সততে সেই নলবৰীয়া বনুৱাৰ মৰ্জিৰ ওপৰত নিৰ্ভৰ কৰে। বনুৱাই আজৰি নেপাই পানীৰ যোগান দিব নোৱাৰিলে কোনোদিনা কোনো গৃহস্থে লঘোণ দিবলগীয়া হয়, অফিচ, কাছাৰী, স্কুল আদিত কাম কৰা চাকৰিয়াসকলৰ কোনোৱে পানীৰ অভাৱত বাহীগাৱে অফিচাদি কৰাও বিৰল নাছিল। মূঠৰ ওপৰত পানীটোপা যোগানৰ প্ৰয়োজন ইমান প্ৰবল আছিল যে টাউনবাসীয়ে ধনৰ মোনাতকৈও পানীকলহৰ ভগনত বেছি মিতব্যয়ী হব লগাত পৰিছিল। গতিকে এই উমৈহতীয়া পানীকষ্ট নিবাৰণৰ কাৰণে টাউনবাসী শিক্ষিতসকলে গৱৰ্ণমেন্টৰ ওচৰত আবেদন নিবেদন কৰিবলৈকো পিচপৰা নাছিল। নতুন নতুন চীফ কমিচনাৰক প্ৰথম আগমনত অভ্যৰ্থনা জনাওঁতে অভিনন্দনপত্ৰত পানীকষ্টৰ বিষয়ে একোছেদ সততে থকাৰ নিয়ম বহি গৈছিল। কিন্তু ফলত দুখ পতিয়নিৰ সমিধান মাথোন, ৰাজভঁৰালত ধনৰ নাটনি হেতুকে ৰাইজৰ সেই দুখ নিৰাকৰণৰ যুগত উপায়-যুগুতি একো কৰা নহৈছিল।

সদৌ শেহত ইং ১৯১৩ চনৰ মাজভাগত, একটিং চুপাৰিণ্টেণ্ডেন্ট ইঞ্জিনীয়াৰ মিঃ মিছিল চাহাব তেজপুৰত অহাত, মই ৺বাবু চন্দ্ৰকান্ত দাস বি. এল. উকিল, বাবু চাৰুচন্দ্ৰ মুখাৰ্জী বি. এল., বাবু জ্যোতিষচন্দ্ৰ বসু আৰু জনদিয়েকৰে সৈতে গৈ, তেওঁক আমাৰ পানীকষ্টৰ বিষয়ে বিৱৰি কলোঁগৈহঁক। মিঃ মিছিলে আমাৰ দুখ পতিয়াই মাথোন এই সমিধান দিলে যে, অকল গৱৰ্ণমেন্টৰ ধনেৰে সেই ডাঙৰ অভাৱ গুচোৱাটো অসম্ভৱ, কিয়নো তেনেকুৱা এটা নাগৰিক অভাৱতকৈও ভালেমান প্ৰাদেশিক ডাঙৰ অভাৱ আছে, যাক নিৰাকৰণ কৰিবলৈ গৱৰ্ণমেন্টৰ অৰ্থবলৰ নাটনি। অৱশ্যে স্থানীয় মিউনিচিপালিটিয়ে মদত কৰিলে, প্ৰস্তাৱনা এটা গৱৰ্ণমেন্টলৈ আগবঢ়াব পৰা যায়। তদুপৰি গৱৰ্ণমেন্টৰ সাহায্যত পানী যোগনীয়া কল প্ৰতিষ্ঠাৰ ব্যৱস্থা হলেও তাক চম্ভালি চলাবলৈ মিউনিচিপালিটিয়ে গাত লব লাগিব। সিও তেজপুৰৰ নিচিনা সৰু মিউনিচিপালিটিৰ পক্ষে তেনে সম্ভৱপৰ যেন নেদেখে। তথাপি তেওঁ আমাক সম্ভৱপৰ

সৰু স্কীম এটাৰ আঁচনিৰে সৈতে উপদেশ দিলে যে, তাকে লৈ আমি গৱৰ্ণমেণ্টক টানি ধৰি চাব পাৰোঁ, আৰু সেই বিষয়ত তেওঁ আমাক পাৰ্যমানে সহায় কৰিব। সেই স্কীমমতে তেজপুৰত পানী যোগনীয়া কল এটা পাতিবলৈ অতি কমেও ৯৫০০০৲ টকা লাগিব, তাৰে তিনি ভাগৰ দুভাগ গৱৰ্ণমেণ্টৰ দান আৰু বাকী তিনি ভাগৰ এভাগ মিউনিচিপালিটীয়ে গৱৰ্ণমেণ্টৰপৰা ধাৰে লব লাগিব। সেই অনুসৰি আমি মিউনিচিপালিটীৰ জৰিয়তে গৱৰ্ণমেন্টলৈ এখন মেমোৰিয়েল দিবলৈ যো-জাত ধৰিলোঁহঁক। ইতিমধ্যতে অসম কাউন্সিলৰ শৰতীয়া বৈঠক বহিল। সেই ছেগতে মই আমাৰ প্ৰস্তাৱিত প্ৰাৰ্থনাৰ বিষয়টো অনাৰেবল চাৰ আৰ্চডেল আৰ্ল চীফ কমিচনাৰ বাহাদুৰৰ আগত নিজে দাঙ্গি ধৰিলোঁগৈ। প্ৰজাৰ দুখ বুজা সৰলচিতীয়া শাসনকৰ্ত্তা চাৰ আৰ্চডেলে মোৰ অনুৰোধতে সহানুভূতি যোগ দি মোকে উলটি প্ৰশ্ন কৰিলে যে গৱৰ্ণমেণ্টৰ সেই সাময়িক অৰ্থবলে মোৰ প্ৰস্তাৱ দাঙ্গি ধৰিবলৈ বলে পাৰিব জানো? সেই কাউন্সিলৰ ফাইনেন্স কমিটীৰ মেম্বৰ বুলিয়েই মোৰ ওপৰত সেই প্ৰশ্ন পৰিল। মই গাত ললো যে চীফ বাহাদুৰৰ অনুমতি পালে মই ফাইনেন্স কমিটীৰ সমৰ্থন লাভলৈ যত্ন কৰি চাব পাৰোঁ। ভাগ্যক্ৰমে সেই সময়তে ফাইনেন্স কমিটীৰ সভাপতি মিঃ ৰীড (পাচত চাৰ উইলিয়ম ৰীড) চীফ চেক্ৰেটৰী চাহাব উপস্থিত হ'লগৈ। চীফ কমিচনাৰ আৰ্ল চাহাব বাহাদুৰে সেই সুযোগতে মিঃ ৰীড চাহাবক আমাৰ আলোচ্য বিষয়ৰ ভাগ দি, সেই সম্বন্ধে বহলাই আলোচনা কৰিলে। শেহত এই স্থিৰ হল যে মিউনিচিপালিটীৰ জৰিয়তে যাবলগীয়া তেজপুৰ টাউনবাসীৰ মেমোৰিয়েল গৈ পালে, অসম উপত্যকাৰ কমিচনাৰ আৰু দৰং জিলাৰ ডেপুটী কমিচনাৰৰে সৈতে পৰামৰ্শ কৰি যি হয় এটা কৰা যাব। সেই অনুক্ৰমে যথাসময়ত প্ৰস্তাৱিত মেমোৰিয়েল সোধোৱা হল আৰু তাৰ তদন্তৰ কাৰণে ডেপুটী কমিচনাৰলৈ আদেশ আহিল। সেই অৰ্থে সেই সময়ৰ মিউনিচিপাল ভাইচ-চেয়াৰমেন ৰায়চাহাব মনোমোহন লাহিড়ী, মেম্বৰ বাবু গোবৰ্দ্ধন আচোৱাল, মিঃ ডি. টীভলী আৰু মই, সদৰৰ চব-ডেপুটী কলেক্টৰ ৰায়চাহাব বেথাৰাম শৰ্মা, একজিকিউটিভ ইঞ্জিনীয়াৰ এইসকলেৰে সৈতে ডেপুটী কমিচনাৰে এখন মিটিং পাতি বিষয়টো চালি-জাৰি আলোচনা কৰিলে। পিচে সেই আলোচনাৰ সিদ্ধান্তত এই হল যে আমি দাখিল কৰা লাখটকীয়া স্কীম কাৰ্যত পৰিণত কৰাটো সম্ভৱপৰ নহব, গতিকে দহ হেজাৰ টকীয়া স্কীম এটা হাতত লৈ পালচমিটাৰেৰে সৈতে মিউনিচিপাল নাদৰ পানী তুলি চাৰি আলিৰ কটাকটি স্থল গোটাচেৰেকত পানীৰ পেৰা বহুৱাই পানীৰ যোগান দিয়া হওক। এই প্ৰস্তাৱত মোক এৰি বাকী আটাইকেইজন মেম্বৰ একমতীয়া হল। মই মাথোন কাৰ্যবিৱৰণীত ঘোৰ অমত (note of dissent) লিখাই থলোঁ। তাৰপৰা মাহদিয়েকৰ পাচত, অসম কাউন্সিলৰ বাজেট বৈঠক বহিব। সেই আলমতে মই আমাৰ মূল স্কীমটো পুনৰপি দাঙ্গি ধৰি কলোঁ যে ডেপুটী কমিচনাৰৰ কমিটীয়ে প্ৰস্তাৱ কৰা দহ হেজাৰীয়া সৰু স্কীমৰপৰা একো গুণ নধৰিব। এতেকে গৱৰ্ণমেন্টে দিয়ে যদি লাখটকীয়া ডাঙ্গৰ মূল স্কীম অনুসৰি তেজপুৰত পানীকল (water works) দান কৰক; নহলে সৰু দহ হেজাৰীয়া স্কীমমতে কাম কৰিলে অৰ্থৰ অপব্যয় কৰা হব মাথোন। ভাল্লেমান

তৰ্কালোচনাৰ পাচত সদৌশেহত এই স্থিৰ হল যে প্ৰস্তাৱিত সকটো স্কীমৰ কাৰ্যকাৰিতা পৰীক্ষা কৰি চাবলৈ চীফ মেডিকেল অফিচাৰ অনাৰেবল কৰ্ণেল কেম্বেল চাহাবক পঠিওৱা হওক। সেই অনুসৰি কৰ্ণেল চাহাব নামি আহিল। লগতে তেজপুৰলৈকে মৰ্য়ো লগৰীয়া হৈ আহিলো। তাৰ পাচত তেজপুৰত আহি তেওঁ পোনেই কাছাৰী ঘৰৰ সমুখৰ মিউনিচিপাল পকীনাদটোত পাল্‌চমিটাৰ কল বহুৱাই পানী তোলাই পৰীক্ষা কৰি দেখিলে যে ডেৰঘন্টাৰ ভিতৰতে সেই নাদ তৰ পাৰি তাৰ তলি উদং হল, আৰু তাৰ দ্বাৰাই টাউনৰ চাৰিভাগৰ এভাগতো যথেষ্ট পৰিমাণে পানীৰ যোগান দিয়া সম্ভৱপৰ নহয়। গতিকে কৰ্ণেল কেম্বেল চাহাবে মোৰ পৰামৰ্শমতেই সৰু স্কীমটোৰ বিপক্ষে আৰু ডাঙ্গৰটোৰ সপক্ষে তেখেতৰ অভিমত গৱৰ্ণমেণ্টলৈ পঠিয়ালে।

মাহচেৰেকৰ পাচত ইং ১৯১৪ চনৰ বাজেটত মুঠ মুঠকৈ ধৰি থোৱা টকা ভিন্ ভিন্ কামৰ কাৰণে ভগাই দিবলৈ বুলি ফাইনেন্স কমিটীৰ মিটিং বহিল। সেই ছেগতে মই কৰ্ণেল কেম্বেল চাহাবৰ গঢ়িলা লৈ তেজপুৰত পানীকল (Tezpur water works) দিয়া বিষয়ক লাখটকীয়া স্কীমটোৰ আলোচনা পুনৰপি আগবঢ়ালো। বৰ সন্তোষৰ বিষয়, এইবাৰ কমিটীৰ মেম্বৰ আটাইকেইজনে মোৰ প্ৰস্তাৱ সমৰ্থন কৰি সেই লাখটকীয়া স্কীমটো গ্ৰহণ কৰিলে। এই সিদ্ধান্তত চীফ কমিচনাৰ আৰ্ল বাহাদুৰে মোৰ আগত বৰ সন্তোষ প্ৰকাশি কলে যে তাৰ পাচত তেজপুৰ মিউনিচিপালিটীৰ কাৰ্যতৎপৰতাৰ ওপৰতহে বিষয়টোৰ ফলাফল ঘাইকৈ নিৰ্ভৰ কৰিব। তাৰ পাচত গৱৰ্ণমেন্টৰপৰা ৬৬০০০ টকা দান আৰু ৩৩০০০ টকাৰ ঋণ গ্ৰহণ কৰি তেজপুৰ মিউনিচিপালিটীয়ে কলিকতাৰ চিমচন কোম্পানীক সেই স্কীমৰ কাম সমাধা কৰিবলৈ ঠিকা দিলে। ইং ১৯১৫ চনৰ ভিতৰত তেজপুৰ টাউনত পানীকল প্ৰতিষ্ঠা কৰিবলৈ বুলি সেই কোম্পানীয়ে ঠিকা লৈ কাৰ্য আৰম্ভ কৰিবলৈ সাজু হল। কিন্তু দাতাই দিলেও বিধাতাই নিদিয়াৰ নিচিনাকৈ, এই মহৎ কাৰ্যৰ আগত বিধি-পথালিৰ এটা অভাৱনীয় ভেটা পৰিল—সেই সময়ত ইউৰোপত জাৰ্মান মহাৰণ লাগি উঠি কেউপিনে অৰ্থ নাটনি চবোৱাত অসম গৱৰ্ণমেন্টে চৰ্কাৰী ধন ভগন সঙ্কোচনৰ পদ্ধতি অৱলম্বন কৰিবলগীয়া হল। গতিকে তেজপুৰ পানীকল স্থাপনৰ হাতত লোৱা কাৰ্য অনিশ্চিতভাৱে স্থগিত থাকিবলগীয়া হল। আমি তেজপুৰীয়া টাউনবাসী হতাশত আকৌ জঁয় পৰিলোহঁক। সেই বুলি মই নিচেষ্ট নহলো। ইং ১৯১৫ চনৰ কাউন্সিল বৈঠকৰ সংযোগত গৈ মই আকৌ চীফ কমিচনাৰ আৰ্ল বাহাদুৰক টানি ধৰি, এই সিদ্ধান্ত লাভ কৰিলো যে, উপস্থিত মহাৰণৰ পাচত শুভদিন আহে মানে তেজপুৰত পানীকল স্থাপনৰ অৰ্থে মঞ্জুৰ হোৱা স্কীম কাৰ্যত লগাবলৈ কিস্তি কিস্তিকৈ সাম্প্ৰতিকভাৱে গৱৰ্ণমেণ্টে অৰ্থৰ যোগান দি থাকিব। গৱৰ্ণমেণ্টৰ প্ৰতিশ্ৰুতি অনুসৰি আগেয়ে বন্দৱস্ত কৰি থোৱা কলিকতাৰ চিমচন কোম্পানীয়ে তেজপুৰ পানীকল প্ৰতিষ্ঠাৰ (Installation of Tezpur water works) অৰ্থে কাৰ্য আৰম্ভ কৰি দিলে। কাৰ্য আৰম্ভ কৰি দিয়াত ইতিপূৰ্বত দেখা দিয়া অন্তৰায় এটা এটাকৈ আটাইবোৰ আঁতৰ হল, যথাসময়ৰ ভিতৰত প্ৰস্তাৱিত স্কীম কাৰ্যত পৰিণত হৈ উঠিল, মোৰ অহোপুৰুষাৰ্থ সাৰ্থক হল—মোৰ জীৱনত ই এটা ডাঙ্গৰ সফলতা লাভ।

# অষ্টত্ৰিংশ সৰ্গ

## ব্যয় সঙ্কোচ সন্মিলনী

ইং ১৯১৬ চনৰ জাৰ্মান যুদ্ধ পকি উঠিল। সেই মহাৰণৰ বোকাত লেটি লোৱা পৃথিৱীৰ ৰাজ ক্ষমতাবিলাকৰ অৰ্থ নাটনিৰ সমস্যাও তাৰ লগৰীয়াকৈ পকিবলৈ ধৰিলে। বৃটিচ ৰাজ ক্ষমতাৰ তলতীয়া প্ৰজাস্বৰূপে আমাকো সেই সমস্যাৰ ঢৌৱে পালেহি। অসম গৱৰ্ণমেণ্টেও ৰাজকীয় ব্যয় সঙ্কোচনৰ অৰ্থে বিবিধ ব্যৱস্থাত হাত দিলে। সেই অৰ্থে হাতত কুঠাৰ লৈয়ে গৱৰ্ণমেণ্টে দেশৰ হিতাৰ্থে হাতত লোৱা কাৰ্য ভালেমান আধা কৰাকৈয়ে এৰি পেলালে। সিমানতো তিয়নি নোৰোৱাত, চৰ্কাৰে চৰ্কাৰী চাকৰীয়াবিলাকৰ বানচ কৰ্তনত কুঠাৰ ঘাপ মাৰি, সেই বিষয়ে ৰাইজৰ মতামত লবৰ কাৰণে শ্বিলং গৱৰ্ণমেণ্ট হাউচত এখন ডাঙ্গৰ কনফাৰেন্স বা সন্মিলনী পাতিলে। তালৈ দুয়ো উপত্যকাৰ প্ৰত্যেক জিলাৰ সদৰ আৰু মহকুমাৰ মুখীয়াল মানুহক আৱাহন দিয়া হৈছিল। সন্মিলনী সভাত অনাৰেবল চীফ কমিচনাৰ চাৰ আৰ্চডেল আৰ্ল বাহাদুৰ সভাপতি আৰু অসম উপত্যকাৰ কমিচনাৰ কৰ্ণেল গৰ্ডন দুৱলীয়া সভাপতি আছিল। সভাপতিয়ে সন্মিলনীৰ উদ্দেশ্য ব্যাখ্যা কৰি দিয়াত সভাস্থলত নানা ঋষিৰ নানামতীয়া তৰ্কালোচনা আৰম্ভ হল। প্ৰায়বিলাক মুখিয়াল সমজুৱাই নিজৰ স্বাৰ্থ বচাই অভিমত প্ৰকাশ কৰিলে। দান-দক্ষিণাৰ উপৰিও, ব্যৱসায়ী প্ৰতিনিধি সকলে যি যেনেকৈ পাৰে আৰ্থিক সাহায্য আগ কৰাতো চৰকাৰৰ গা নোৰোৱা দেখি, চৰ্কাৰী চাকৰীয়াবিলাকৰ বানচ কৰ্তনৰ প্ৰস্তাৱ আৰু ব্যৱস্থা আগবঢ়োৱা হয়। অলপ-অচৰপ তৰ্কবাদৰ পাচত সৰহভাগৰ প্ৰস্তাৱটো গৃহীত হল, কিন্তু প্ৰস্তাৱিত ব্যৱস্থাৰ বিৰুদ্ধে একাষাৰ কবলৈ মই থিয় হলোঁ। মোৰ মতে পাৰিত পক্ষত বানচীয়া সৰুফুটীয়া আমোলা-মহৰি, চাপৰাচী, চকীদাৰ, পণ্ডিত, মাষ্টৰ ইত্যাদি চাকৰীয়াক সম্পূৰ্ণ ৰেহাই দি বৰমুৰীয়া অফিচাৰসকলৰ শুৰিতহে কুঠাৰৰ ঘাপ পৰা উচিত;—তাতোকৈ উচিত, চাকৰীয়াৰ বানচত সঙ্কোচ কৰি এবিধ দুখীয়া বা পেটেভাতে খোৱা চৰ্কাৰী চাকৰীয়াক দুখ দিয়াতকৈ গৱৰ্ণমেন্টৰ খনচেৰেক অলাগতিয়াল বিভাগ আৰু অফিচাদি (unnecessary links of administration) ৰহিত কৰিলে বা স্থগিত ৰাখিলেই উপস্থিত সমস্যা সহজে সমাধান হব; কিয়নো নিচলাৰ মুঠি মেলাই চান কঢ়াতকৈ, একো একোখন অফিচ আৰু একো একোটা ডিপাৰ্টমেন্ট বা বিভাগৰ খৰচৰ ধন ৰাহি কৰিব পাৰিলে সহজে উদ্দেশ্য সিদ্ধি হোৱাৰ সম্ভাৱনা দেখাদেখিৰ নিচিনা। মোৰ সেই প্ৰস্তাৱ প্ৰলাপ যেনকৈ উৰাই দিবলৈ গৱৰ্ণমেন্টৰ ফলীয়া অফিচাৰ মণ্ডলীয়ে ইতিকিঙৰ হাঁহিৰে খলক লগাই দিলে। সেই হাঁহিৰ খলকনিয়ে এভাগ "হয় হজুৰ"ৰো মুখত ভেলেঙ্গী হাঁহি নিবিদৰোৱাকৈ এৰা নাছিল। যি হওক, সিমানতো মই মোৰ প্ৰস্তাৱটো টানি ধৰি থকা দেখি, দুৱলীয়া সভাপতি কৰ্ণেল গৰ্ডনে হাঁহি হাঁহি উপলুঙাকৈ মোক সুধিলে, মইনো কোনবিলাক অলাগতিয়াল বিভাগ বুলি আঙুলিয়াব

খোজোঁ। তদুত্তৰত মই এই কেইখন অফিচ আৰু বিভাগৰ নাম ললোঁ—(১) নতুনকৈ সৃষ্টি কৰা চুপাৰিন্‌টেনডিং ইং অফিচ, (২) নতুনকৈ পতা স্কুল ইন্‌স্পেক্টৰ অফিচ, (৩) দুই উপত্যকাৰ ডিভিজনেল কমিচনাৰৰ অফিচ দুখন, (৪) ফৰেষ্ট কন্‌জাৰভেটৰৰ দুৱলীয়া অফিচবোৰ, (৫) এচিচটেণ্ট চুপাৰিন্‌টেনডেণ্ট পুলিচ বিষয়াবিলাক। আনবিলাক অফিচ আৰু বিষয়াৰ বিষয়ে যি কি নহওক, ডিভিজনেল কমিচনাৰৰ অফিচৰ ওপৰত সঙ্কোচনী মন্তব্যৰ কুঠাৰ পৰাত কৰ্ণেল গৰ্ডনৰ 'ৰাজহংস গ্ৰীবা' ঘোৰ খাই উঠিল, তেওঁৰ পোন্দোৱা চকু মোৰ ফালে পোন হৈ পৰিল, মই তেখেতৰ আপোনভাবমূলক সেই ৰুষ্টচিতীয়া ক্ৰোধদৃষ্টিলৈ আওকাণ কৰি, ওপৰত নাম লোৱা প্ৰত্যেক অফিচ আৰু বিষয়াৰ অনাৱশ্যকতা যুক্তিৰে সৈতে ব্যাখ্যা কৰিবলৈ ধৰিলো। বিশেষকৈ স্কুল ইন্‌স্পেক্টৰ, চুপাৰিন্‌টেনডিং ইঞ্জিনীয়াৰ আৰু ডিভিজনেল কমিচনাৰ এই এজেন্সি অফিচ কেথনৰপৰা উপকাৰতকৈ কিমান অপকাৰ হৈছে তাৰ বহুল ব্যাখ্যা দিলোঁ। দৰাচলতে এই কেইখন যে পলমকাৰী ( delaying ) অফিচ সেই বিষয়ে উপস্থিত সমজুৱাসকলৰ মনত লাগি যোৱাকৈ কোৱা হল ; যিহেতু ডেপুটী ইন্‌স্পেক্টৰ, একজিকিউটিভ ইঞ্জিনীয়াৰ, ডেপুটী কমিচনাৰ এইবিলাক দুৱলীয়া অফিচাৰ পোন-পটীয়াকৈ শ্বিলং হেড্‌অফিচবিলাকেৰে সৈতে সম্বন্ধীয়া কৰিলে চৰ্কাৰৰ খৰচ ভালেমান কমিব, অথচ কাম সোনকাল হব। সন্তোষৰ বিষয়, মোৰ যুক্তিত দুয়ো উপত্যকাৰ স্বাধীনচিতীয়া প্ৰতিনিধি সমজুৱাসকলে ডাঠি ভিৰ দি উঠিলে। গতিকে মোৰ প্ৰস্তাৱ বিবেচনাধীনকৈ গৃহীত হল। লগে লগে অফিচিয়েল মণ্ডলীৰ গৰ্গৰণি উঠিল, বিশেষকৈ কৰ্ণেল গৰ্ডনৰ। তাৰ সমিধানত চাৰ আৰ্চডেল আৰ্ল বাহাদুৰে হাঁহি হাঁহি ৰহইচ লগাই কোৱা শুনিলোঁ, "Yes we find him a culprit because he had the courage of his conviction !" তাৰ পাচত মোৰ সেই প্ৰস্তাৱ কাউন্সিলত দুবাৰো উঠিছিল, কিন্তু তাৰ গুণ নধৰিল, সি বিবেচনাধীন হৈয়ে ৰ'ল। ইহাতে কাৰ্যক্ষেত্ৰত কুঠাৰ থৈ কলম-কটাৰী লোৱা হল, কাৰণ চাহ গছ যেন সৰু সৰু লিৰিকা, লেহুকা কেৰাণী, মহৰি, পণ্ডিত, মাষ্টৰ, চাপৰাচী, চকীদাৰ আদি গছ-গছনিত সঙ্কোচনী কুঠাৰ (retrenchment axe) নবহে। তদুপৰি আমি আঙুলিয়াই দেখুৱা অফিচত আৰু গোটাদিয়েক অলাগতিয়াল অফিচাৰ যোগহে হল। যেনে—এচিষ্টেণ্ট স্কুল ইন্‌স্পেক্টৰ, এচিষ্টেণ্ট পুলিচ চুপাৰিন্‌টেনডেন্ট, অসম চেক্ৰেটৰীয়েটত এচিষ্টেণ্ট চেক্ৰেটৰী ইত্যাদি।

## মণ্টেগু ডেপুটেচন

অসমৰ প্ৰথম কাউন্সিলৰ চাৰি বছৰ ছমহীয়া আয়ুস ইং ১৯১৭ চনৰ অন্তত অন্ত পৰাৰ লগে লগেই ভাৰতক নামনিমিতকৈ স্বায়ত্ত শাসনৰ অধিকাৰ দান কৰাৰ প্ৰস্তাৱনা লৈ বিলাতৰপৰা ভাৰত মন্ত্ৰী মহামান্য মিঃ মণ্টেগু ভাৰতত উপস্থিত হলহি। প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাকৰ হৈ চৈ লাগি গল। প্ৰত্যেক প্ৰদেশৰ অগ্ৰগণ্য প্ৰতিনিধি দেশনেতাসকলৰ সাক্ষ্য গ্ৰহণ কৰাৰ বিৰাট আয়োজন কৰা হল। সেই আলমতে অসমৰ দুয়ো উপত্যকাৰ ১৪ জন বাছকবনীয়া লোকেৰে গঠিত দুটা ডেপুটেচন কলিকতাত গৱৰ্ণৰ জেনেৰেলৰ ৰাজভৱনত গৈ সাক্ষাৎ দিয়াৰ

স্থিৰ হয়। ডেপুটেচনত প্ৰত্যেক উপত্যকাৰ ৭ জনকৈ প্ৰতিনিধি নেতা মনোনীত হয়। অসম উপত্যকাৰ তৰফে অসম এচোচিয়েচনৰ জৰিয়তে এইকেইজন মনোনীত হয়—(১) অনাৰেবল ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা, (২) মিঃ গঙ্গাগোবিন্দ ফুকন, (৩) অনাৰেবল মিঃ তৰুণৰাম ফুকন, (৪) অনাৰেবল মিঃ পদ্মনাথ গোহাঞিবৰুৱা, (৫) মিঃ চন্দ্ৰধৰ বৰুৱা, (৬) মিঃ নবীনচন্দ্ৰ বৰদলৈ, (৭) মিঃ প্ৰসন্নকুমাৰ বৰুৱা। ইং ১৯১৭ চনৰ ডিচেম্বৰ মাহৰ তৃতীয় সপ্তাহত আমি আটাইটি কলিকতাত থিত ললোঁগৈহঁক। ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা আৰু মই অসমৰ প্ৰখ্যাত দাস কোম্পানীৰ গৰাকীৰ নিজা ঘৰত আলহী হলোঁগৈ। মিঃ তৰুণৰাম ফুকন গ্ৰেট ইষ্টাৰ্ণ হোটেলত আৰু মিঃ জি. জি. ফুকন সমন্বিতে আনকেজন হিন্দু আশ্ৰমত থিতাপি ললেগৈ। নিৰ্দ্ধাৰিত দিনা দুপৰীয়া আমি দুয়ো উপত্যকাৰে ডেপুটেচন দুটা গৱৰ্ণৰ জেনেৰেলৰ গৱৰ্ণমেণ্ট হাউচত উপস্থিত হলোঁগৈহঁক। গৱৰ্ণমেণ্টৰ হোম চেক্ৰেটৰীয়ে আগবাঢ়ি আমাক আদৰি নি এটি বিচক্ষণীয়া অপেক্ষাৰ কুঠৰীত আথেবেথে বহুৱাই লৈ গৱৰ্ণৰ জেনেৰেল আৰু চেক্ৰেটৰী অৱ ষ্টেটৰ আগত ভেটাওঁতে আমি কেনে ধৰণৰ আচৰণ আচৰিব লাগিব সেই বিষয়ে আগলি মন্ত্ৰেৰে লাগতিয়াল উপদেশ দি থলে। তাৰ পাচত আধাঘণ্টামান আমাক নিজ নিজ ডেপুটেচন বিষয়ক আলচ পাতিবলৈ সময় দি চেক্ৰেটৰী চাহাব আঁতৰ হল। তাৰ পাচত যথাসময়ত চেক্ৰেটৰী চাহাবে আকৌ আহি আগবঢ়াই নি সিংহাসন কুঠৰীত ( Throne room ) প্ৰবেশ কৰাই দুয়ো ডেপুটেচনক ভাগে ভাগে বহুৱালেগৈ। আমি আসন লোৱাৰ পৰা পাঁচ মিনিটৰ পাচত এজন ৰমক-জমক সাজেৰে সুসজ্জিত ৰাজ পাৰিষদে ধীৰে ধীৰে আহি গা দেখা দি নীৰৱে নিশবদে উলটি গলহি। তাৰো পাচত দৰ্শন পোৱা গল, দুজন ৰাজপুৰুষ অগাপিচাকৈ মৰাল খোজেৰে আগবাঢ়ি আহিব লাগিছে,—আগৰজন ৰাজ-প্ৰতিনিধি ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড চেমচফোৰ্ড, পিচৰজন ভাৰতবৰ্ষৰ তৰফীয়া ৰাজমন্ত্ৰী চেক্ৰেটৰী অৱ ষ্টেট মিঃ মণ্টেগু। গৱৰ্ণৰ জেনেৰেল সিংহাসনত ( Throne ) আৰু ভাৰত মন্ত্ৰী সিংহাসনৰ বাবে পাৰি থোৱা মন্ত্ৰীৰ আসনত ( Minister's Chair ) উপবিষ্ট হলহি। তাৰ পাচত দুয়োগৰাকীয়ে ডেপুটেচন অভ্যৰ্থনা কৰাৰ উদ্দেশ্যে আসন এৰি আগবাঢ়ি অহাত, হোম চেক্ৰেটৰী চাহাবে আগেয়ে আথৰা দি থোৱা মতে আমাক এজন এজনকৈ প্ৰথমে গৱৰ্ণৰ জেনেৰেলক, দ্বিতীয়তে চেক্ৰেটৰী অৱ ষ্টেটক ভেটাই দিয়াত দুয়ো হাঁহি মুখে হাত জোকাৰণিৰে প্ৰত্যেককে অভ্যৰ্থনা কৰিলে। তাৰ পাচত গৱৰ্ণৰ জেনেৰেলৰ অনুজ্ঞা অনুসৰি দুয়োটা ডেপুটেচনৰ দুখন মেমোৰেণ্ডাম পাঠ কৰা হল ; আমাৰখন অনাৰেবল ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই আৰু সিটো উপত্যকাৰখন অনাৰেবেল মিঃ কামিনীকুমাৰ চন্দই পাঠ কৰে। সন্নিধানত দুয়ো ডেপুটেচনক যুটীয়াকৈ দুআষাৰমান আশ্বাস বাণী গৱৰ্ণৰ জেনেৰেলৰ অনুমতিক্ৰমে চেক্ৰেটৰী অৱ ষ্টেট মিঃ মণ্টেগুৱে ৰাজমন্ত্ৰী সুৰেৰে শুনাই বিদায় দিয়া-লোৱা কৰিলে। সেই থুপথোৱা মানৰ মণ্ডলীত মনে মনে মই লক্ষ্য কৰিছিলো আমাৰ জাকতজিলিকা পুৰুষ মিঃ গঙ্গাগোবিন্দ ফুকনেই সবাতকৈ ওখ-ডাঙ্গৰ, মিঃ তৰুণৰাম ফুকন সবাতকৈ ল-নি পুৰুষ আৰু ময়েই ( Dr. Booth's 'little Assamese' ) সবাতোকৈ

চুটি-চাপৰ সৰুফুটীয়া মানুহ আছিলোঁ। আমাৰ পাচত মছলমান সম্প্ৰদায়েৰো যুটীয়া ডেপুটেচন কৰা হয়। পিচদিনা আবেলি গৱৰ্ণৰ জেনেৰেলৰ ৰাজভৱনৰ টোলত চেক্ৰেটৰী অৱ ষ্টেটৰ সন্মানত এখন বিৰাট চাহখোৱা মেল বহে। সেই আলহীৰ মেলত লৰ্ড চেমচফোৰ্ড আৰু মিঃ মণ্টেগুৱে প্ৰত্যেকৰ কাষলৈ গৈ সমনীয়া বন্ধুৰ দৰে সদালাপ কৰি ফুৰিছিল; আৰু সিখিনি পৰত ভাৰতৰ সিংহ পুৰুষ লৰ্ড সিংহ বিশিষ্টভাৱে জিলিকিছিল। এই দুটা দিনো মোৰ সোঁৱৰণীত পাহৰিব নোৱাৰা প্ৰধান দিন।

# ঊনচত্বাৰিংশ সৰ্গ

## পোনপ্ৰথম কন্যাদান

মই কাউন্সিলত থকাকালীন কটন কলেজ আৰু হোষ্টেলৰ খা-খবৰ বিশেষকৈ ৰাখিছিলোঁ। সততে কাউন্সিল বৈঠকলৈ যাওঁতে আৰু উলটি আহোঁতে গুৱাহাটীত এদিনমান বৈ কলেজ আৰু হোষ্টেলত একোটি ভূমুকি মাৰো। মই আজীৱন ছাত্ৰবন্ধু যদিও, সেই কালৰ কটন কলেজৰ ছাত্ৰসকলে মোক বিশেষকৈ ভাল পাইছিল। সেই আলমতে সিবিলাকে মাজে-সময়ে মোক সিবিলাকৰ অভাৱ-অভিযোগ আদি জনাই থাকে। মমো শ্বিলঙলৈ গৈ বিভাগীয় বিষয়া-সকলৰ সৈতে পৰামৰ্শ কৰি, আৰু আৱশ্যক বুজি কাউন্সিলৰ জৰিয়তে সেই অভাৱ-অভিযোগ গুচাবলৈ পাৰ্যমানে যত্ন কৰোঁ। সেই সূত্ৰতে ইং ১৯১৫ চনত এবাৰ কাউন্সিলৰপৰা উলটি আহোঁতে কলেজ হোষ্টেলৰ টোলত সোমাই ছাত্ৰসকলৰ গোটাদিয়েক অভাৱ আৰু অভিযোগৰ বিষয়ে নিজে তদন্ত কৰি টোকা ধৰি লৈছিলোগৈ। ছাত্ৰসকলে মোক বেৰি ধৰি মোৰে সৈতে মুকলি মনেৰে কথা-বাৰ্তা পাতিছিল। এনেতে হোষ্টেলৰ এটি কুঠৰীৰপৰা ওলাই ভিয়ঁহৰ জালি যেন গঞ্জলীয়া ছাত্ৰ এটিয়ে ক্ষন্তেকমান ভূমুকিয়াই চাই, মোৰে সৈতে চকুৰে চকুৰে পৰাত লাজকুৰীয়াভাৱে চাঁতকৰে আঁতৰি আকৌ ভিতৰ সোমাল। কিয় কব নোৱাৰো, মোৰো মন অযাচিতে লগলাগি সেই ভিতৰ সোমাল। তাৰ পাচত পৰিদৰ্শন সামৰি মোৰ প্ৰিয় ছাত্ৰ শ্ৰীমান চন্দ্ৰনাথ শৰ্মাৰে সৈতে ইফাল-সিফালকৈ ফুৰি ঢ়ুপৰীয়া আলহী বহা পালোহি। সেই ছেগতে শ্ৰীমান চন্দ্ৰনাথৰপৰা সেই ল'ৰাটিৰ পৰিচয় লৈ মনৰ উচপিচনি শাম কটাই থলোঁ। সেইদিনা সিমানেই। মাহদিয়েকৰ পাচত, জহকালিৰ বন্ধত ঘৰলৈ আহোঁতে শ্ৰীমান চন্দ্ৰনাথে মোক সাক্ষাৎ কৰিবলৈ আহোঁতে কথা প্ৰসঙ্গত সেই ল'ৰাটিৰ কথা পুনৰপি উথাপন কৰি, ঘপহ কৰে মোক সুধি উঠিলে সেই ল'ৰাটিলৈকে মোৰ প্ৰথমা কন্যা শ্ৰীমতী নিৰ্মলা বৰআইদেউক বিয়া দিয়াৰ প্ৰস্তাৱ কৰিলে কেনে হয়? সূক্ষ্ম দৃষ্টিৰ তীক্ষ্ণবুদ্ধি ৺চন্দ্ৰনাথে আগধৰি মোৰ মনৰ ভাৱ ঢুকি পাইছিল। তেওঁ প্ৰস্তাৱ আগবঢ়ায়েই সেই বাঞ্ছিত শুভপৰিণয় সংঘটনৰ অৰ্থে 'ঘটকালি' বা কটকীৰ বাব উপযাচি গ্ৰহণ কৰে। মাহদিয়েক লিখা-লিখি আৰু সোধাসুধিৰ মুৰত শ্ৰীমান চন্দ্ৰনাথৰ ঘটকালিৰ ফল ধৰিল, সেই বছৰৰে আহিন মাহত ৺শ্ৰীশ্ৰীদুৰ্গা পূজাৰ অলপ আগতে শুভবিবাহৰ দিন পৰ্যন্ত ধাৰ্য হৈ উঠিল, যদ্যপি মোৰ বৰ আইদেউ তেতিয়াও অকুমাৰী। এই প্ৰস্তাবিত বিবাহৰ বিৰুদ্ধে অলপ আপত্তিও উঠিছিল, কিয়নো মই সততে বাল্যবিবাহৰ বিৰোধী; কিন্তু সুপাত্ৰ লাভৰ সুবিধাই সেই আপত্তি তল পেলালে। সেই ল'ৰাটি আন নহয়, নগাঁও জিলাৰ বৰগোহাঞিৰ বংশধৰ শ্ৰীমান সিদ্ধেশ্বৰ বৰগোহাঞিদেৱ, [ যি এতিয়া ( ইং ১৯৩৬ ) গোলাঘাটত মহকুমাধিপতি আৰু যি মোক জীৱনসন্ধিয়াত সবল ধৰ্ম পিতৃভক্তিৰে অযাচিতে বৰপুত্ৰৰ অমায়িক গুণ দিব লাগিছে। ] এই শুভ বিয়াত অকল মোৰ আৰু মোৰ পৰিয়াল, আত্মীয়-কুটুম্ব বন্ধু-বান্ধৱেই নহয়,

সদৌ তেজপুৰবাসীয়ে আনন্দ উপভোগ কৰিছিল। বন্ধুজনৰ অনুৰোধত বিয়া সাদিনীয়াকৈ পতা হৈছিল। অসমীয়া জাতীয় ঢোল-খোল, গায়ন-বায়ন, কালি, মৃদঙ্গ আদিৰ উপৰি, সাতোদিন কলিকতাৰ 'চেনাই' নামে জুৰীয়া বাদনে টাউনখন পুলকিতকৈ ৰাখিছিল। ইয়াৰ যশস্যাভাগী ঘাইকৈ মোৰ সেই কালৰ অসমীয়া, বঙ্গালী, মাৰোৱাৰী, দেচোৱালী বন্ধু-বান্ধৱ-সকলহে আৰু তাৰ আটাইতকৈ আগৰ ভাগৰ গৰাকী মোৰ প্ৰিয়তম ছাত্ৰ কৰ্মবীৰ স্বৰ্গীয় শ্ৰীমান চন্দ্ৰনাথ শৰ্মা।

## পোনপ্ৰথম অসম সাহিত্যিক সন্মিলনী

সিফালে কলিকতাত মই মণ্টেগু চেম্‌চফোৰ্ড ডেপুটেচনৰ কাৰ্যত লাগি থাকোঁতেই ইফালে শিৱসাগৰত এটি সাহিত্যিক উত্মোক্তা দলৰ উত্মোগত 'সদৌ অসম সাহিত্যিক সন্মিলনী' এখন প্ৰতিষ্ঠা কৰাৰ যো-জা চলে। সেই দলটিৰ ঘাই নেতা মই জনাত এইকেইজন—(১) শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, (২) শ্ৰীযুত কুলধৰ চলিহা, (৩) শ্ৰীযুত সিদ্ধেশ্বৰ গোহাঁই, (৪) ডঃ হৰেকৃষ্ণ দাস, (৫) শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, (৬) শ্ৰীযুত ৰাধিকানাথ শৰ্মা। সেই-বাৰৰ 'অসম এচোচিয়েচন'ৰ বছৰেকীয়া অধিবেশন সেই বছৰেকীয়া বৰদিনৰ বন্ধত শিৱসাগৰত বহাটো স্থিৰ হৈ আছিল। সেই ছেগতে সঙ্কল্পিত 'সাহিত্যিক সন্মিলনী'খনো তাৰ লগতে পাতিবলৈ স্থিৰ কৰি সেই পোনপ্ৰথম অসম সাহিত্যিক সন্মিলনীৰ সভাপতি মোকে পাতিবলৈ অপ্ৰতিদ্বন্দ্বীয়াকৈ স্থিৰ কৰা হয়। মণ্টেগু ডেপুটেচন লোৱাৰ নিৰ্ধাৰিত দিনা পুৱা কলিকতাত আলহী বহাত আমি উখল-মাখলকৈ ওলাইছোঁ, এনেতে ইফালৰপৰা বিজুলী বাতৰি পালেগৈ বোলে আগন্তুক 'সদৌ অসম সাহিত্যিক সন্মিলনী'ত সভাপতিৰ বাব লবলৈ মই সন্মত হব লাগে। অসময়ত ভমককৰে সেই বাতৰিৰ বিজুলীয়নিয়ে মোক চমক খুৱাই তুলিলে। সেইদিনা গৱৰ্ণৰ জেনেৰেলৰ ৰাজভৱনৰপৰা উলটি আহি আলহী বহা সোমোৱাৰ লগে লগেই সন্ধিয়া লাগিল, কিয়নো তাৰপৰা বাজে বাজে ৺নবীন বৰদলৈ-দেৱৰে সৈতে মই নিউ মাৰ্কেটৰ ফালে পাক এটা মাৰি আহিবলগীয়া হৈছিল। যিহওক, ৰাতি দহমান বজাত আমি পুৱা এৰি যোৱা কথাৰ আলোচনাত বহিলোহঁক। কিন্তু বহা যি বহাহে ; ৰায়বাহাদুৰ ৺ঘনশ্যাম বৰুৱাই আগধৰি তাৰ মোখনি মাৰি বহি আছিল। অৰ্থাৎ মই আহি নৌ পাওঁতেই তেখেতে মোৰ নামে সেই সভাপতি যাচনিৰ সমিধানত "Presidentship accepted" বুলি যথাঠাইলৈ বিজুলী বাৰ্তাৰি দি খতম কৰি থৈছিল। মই ভিতৰি অলপ অপ্ৰস্তুত হলো যদিও বাহিৰে ফুটাই একো মাতিব নোৱাৰিলো, যেহেতু অনুজ যেন মই সততে ৺ঘনশ্যাম বৰুৱা ৰায়বাহাদুৰৰ সদিচ্ছাধীন আছিলো। মোক চিন্তাযুত দেখি তেখেতে এইবুলি ভুআযাৰমান কথাৰে সামৰণি মাৰি বিচনাত পৰিলগৈ, "চিন্তাৰ কাৰণ নাই, আমি আটাইটি ওলাইছোঁ, বলাহঁক, একেটা মণ্ডপতে দুজন সাহিত্যিকক সাহিত্যিক আৰু ৰাজনীতিক সভাপতি বহুৱাই মাতৃভূমিৰ উন্নতিকল্পে আলোচনা কৰি কৃতাৰ্থ হওঁগৈ। বৰদিনৰ বন্ধলৈ সময় বেছি নাই। মই জেনেৰেল চেক্ৰেটৰী হিচাপে কাকত

পত্ৰেৰে সৈতে আগধৰি পাবগৈ লাগিব, ইয়াৰপৰা আৰু ডেৰমাহমানৰ মূৰত উজনি যাওঁতেই বাজে বাজে গুৱাহাটীত সোমাই আমাৰ এই বছৰেকীয়া 'অসম এচোচিয়েচন' কনফাৰেন্সৰ নিৰ্বাচিত সভাপতি মিঃ সত্যনাথ বৰাক লগত লৈ যামগৈ।" কি কৰিম, অগত্যা নামাতি সন্মতি দি, মম্বো গৈ বিছনাত পৰি গুণিবলৈ ধৰিলোঁ, টোপনি কেতিয়া আহিল কব নোৱাৰো, সেই গুণনিৰ ফলস্বৰূপ পিচদিনা পুৱাৰপৰা সভাপতিৰ অভিভাষণ লিখিবলৈ ধৰিলোঁ, সেইদিনা বাজলৈ নোলোৱাকৈ গোটেই দিনটো লিখিলোঁ। পিচদিনাও একেৰাহে আবেলিলৈকে ধৰি এটামান ফৰ্মাৰ জোখাৰে লিখি উঠি সন্ধিয়া "সাম্য প্ৰেছ"ত ছপাবলৈ দি আহিলোগৈ। তাৰ পাচত সেই প্ৰথম ফৰ্মাৰ প্ৰুফ আহি পায়মানে দ্বিতীয় আৰু তৃতীয় দিনাৰ ভিতৰত আৰু এটা ফৰ্মা লিখি উঠি প্ৰেছলৈ দি পঠিয়ালোঁ; তাহানি "লাহৰী" লিখি ছপোৱাৰ দৰে, সিফালে ছপা ইফালে লিখা, এই অনুক্ৰমে সপ্তম দিনা মোৰ অভিভাষণ লিখাৰ সামৰণি মাৰি উঠিলো। কিন্তু, লিখি উঠি লুটিয়াই চাবলৈ আৰু সময় কৰিব নোৱাৰিলোঁ, ছাপিবৰ আগে আগে ফৰ্মা-কেইটাৰ আহি-তোলা-কাকত শুধৰাওঁতে মাথোন লিখাখিনিত তুনাই চকু-ফুৰাবলৈ ছেগ পাইছিলোঁ। শেহ ফৰ্মাটোৰ ছপা দেখিবলৈকো নাপালোঁ, তাৰ 'অৰ্ডাৰ প্ৰুফ' চাই দি সেইদিনাই আমি অসমলৈ ওলোটা-যাত্ৰা কৰিলোহঁক। আহিবৰ সময়ত প্ৰেছত দিহা দি আহিছিলোঁ, অভিভাষণ কিতাপবিলাক বাজে বাজে মোৰ বৰজোঁৱাই শ্ৰীমান সিদ্ধেশ্বৰ গোহাঁইদেৱ মুনচিপৰ নামে শিৱসাগৰলৈ পঠিয়াবলৈ। সেই অনুসৰি সভাপতিতকৈ আগধৰি অভিভাষণ যথা ঠাই পালেগৈ। উমৈহতীয়া স্বাৰ্থহেতুকে "অসম এচোচিয়েচন কনফাৰেন্স" আৰু "অসম সাহিত্য সন্মিলনী" দুয়ো অনুষ্ঠানৰ কৰ্মী একেদল হৈ উঠিল। নতুনকৈ পতা সন্মিলনীৰ প্ৰতি আগ্ৰহ অধিক হোৱাত, পুৰণি "অসম এচোচিয়েচন কনফাৰেন্স"ৰ আগতীয়াকৈ প্ৰথমদিনা সন্মিলনী আৰু দ্বিতীয়, তৃতীয় দিনা কনফাৰেন্স একেখন সভামণ্ডপতে পতা হয়। সন্মিলনীৰ দিনা ডুপৰীয়া স্বেচ্ছাসেৱক দলেৰে পৰিবৃত্ত হৈ, ৺ফণিধৰ চলিহা ৰায়বাহাদুৰ ডাঙৰীয়াই শিৱসাগৰ পুখুৰীৰ পূব পাৰত বাস কৰা মোৰ জী-জোঁৱাইৰ বহাৰপৰা মোক বাগীত তুলি আগবঢ়াই আনি "বিষ্ণু দৌল", "শিৱ দৌল" আৰু "দেবী দৌল"ৰ পাদতলেদি নি সভামণ্ডপত প্ৰবেশ কৰালেগৈ, মই যথাসৎকাৰেৰে নিৰূপিত আসন গ্ৰহণ কৰিয়েই সভাস্থলত বহুতো চিনাকি ডেকাদলৰ উপৰি, মোৰ ছাত্ৰজীৱনৰ পূজনীয় অভিভাৱকপ্ৰতিম লোক ভালেমানক উপৱিষ্ট দেখি উল্লাহত মোৰ মন-প্ৰাণ নাচিবলৈ ধৰিলে। সেইসকলৰ ভিতৰত ৺মিঃ গঙ্গাগোবিন্দ ফুকন, ৺ৰত্নধৰ বৰুৱা পেন্সনীয়া স্কুল ডেপুটী ইন্‌স্পেক্টৰ, ৺ফণিধৰ চলিহা ৰায়বাহাদুৰ, ৺তুলসীচন্দ্ৰ বৰুৱা ( হেমচন্দ্ৰ বৰুৱাৰ ককাইদেৱক ), ৺অক্ষয়কুমাৰ ঘোষ উকীল, ৺তীৰ্থেশ্বৰ গোহাঞিফুকন, ৺ৰায়চাহাব জগন্নাথ বেজবৰুৱা এইসকল মোৰ চকুৰ আগত বিশেষকৈ জিলিকিছিল। নতুন সন্মিলনীৰ নতুন অভিভাষণ; তাত বা কি ত্ৰুটী ঘটে, তাৰ্লৈ মই ভয় কৰি আছিলোঁ। পিচে, উপস্থিত সমজুৱাৰ উক্তিৰ ছেদত যেতিয়া ৺সত্যনাথ বৰা বি. এল., ৺ঘনশ্যাম বৰুৱা বি. এল. ৰায় বাহাদুৰ, ৺ফণিধৰ চলিহা ৰায় বাহাদুৰ, ৺গঙ্গাগোবিন্দ ফুকন চাহাব, ৺তুলসীচন্দ্ৰ বেজবৰুৱা, ৺ৰত্নধৰ বৰুৱা, ৺অক্ষয়কুমাৰ ঘোষ, শ্ৰীযুত গুঞ্জানন বৰুৱা,

বি. এল., শ্ৰীযুত কৃষ্ণধৰ চলিহা বি. এল., শ্ৰীযুত ৰাধিকানাথ শৰ্মা প্ৰভৃতি সমজুৱাসকলে এক বাক্যে অভিভাষণখন শলাগিবলৈ ধৰিলে, তেতিয়াহে মোৰ মনৰ ভয় আঁতৰ হোৱাত এফেৰি শান্তি উপভোগ কৰিলোঁ। সদৌশেহত এখন কাৰ্যনিৰ্বাহক সভা সংগঠনেৰে সন্মিলনীৰ সামৰণি মৰা হয়। তাৰ পাচত দুদিন ৺সত্যনাথ বৰা ডাঙৰীয়াৰ সভাপতিত্বত মহা সমাৰোহেৰে "অসম এচোচিয়েচন কনফাৰেন্স" বহে। তৃতীয় দিনা ভিন্ ভিন্ কেন্দ্ৰীয়া প্ৰতিনিধি আলহী সমজুৱাসকলক লৈ পুৰণি ৰংপুৰ, তলাতল ঘৰৰ মুকলি মজিয়াত এখন চাহখোৱা সন্মিলনত আটাইটিয়ে মিলি আনন্দ উপভোগ কৰা হৈছিল।

# চত্বাৰিংশ সৰ্গ

## 'চাউথবৰো কমিটী'

ইং ১৯১৭ চনৰ সামৰণত অন্ত হোৱা 'মন্টেগু চেম্‌চ্‌ফোৰ্ড ডেপুটেচন'ৰপৰা বছেৰেক-মান পাৰ হৈ যোৱাৰ পাচত ইং ১৯১৮ চনৰ অন্ত ভাগত, ভাৰতীয় শাসন সংস্কাৰৰ সূচনা লৈ, তাৰ সপক্ষে আৰু বিপক্ষে ৰাইজৰ অভিমত সংগ্ৰহ কৰি নিবলৈ লৰ্ড চাউথবৰোৰ সভাপতিত্বত গঠিত হৈ এই কমিটী ইংলণ্ডৰপৰা ভাৰতলৈ আহে। আহি কমিটীয়ে ভাৰতবৰ্ষৰ লাগতিয়াল কেন্দ্ৰস্থলবোৰত বৈঠক পাতি স্থানীয় আৰু চুবুৰীয়া প্ৰাদেশিক ৰাইজীয়া প্ৰতিনিধি আৰু ৰাজকীয় বিষয়াসকলৰ সাক্ষ্য সংগ্ৰহ কৰি ফুৰিছিল। সেই আলমতে অসমৰ প্ৰতিনিধি আৰু বিষয়াবৰ্গৰ সাক্ষ্য কলিকতীয়া কেন্দ্ৰত গৃহীত হৈছিল।

অসমৰপৰা ৰাজকীয় বিষয়া মিঃ ( পাচত চাৰ ) বিটচন বেল চীফ্ কমিচনাৰ, মিঃ বোথাম চীফ চেক্ৰেটৰী, কৰ্ণেল গৰ্ডন অসম উপত্যকাৰ কমিচনাৰ, মিঃ মেক্‌চুইনি মাটি বিভাগৰ ডিৰেক্টৰ, মিঃ কনিংহাম শিক্ষা বিভাগীয় ডিৰেক্টৰ আৰু চুৰমা উপত্যকাৰ কমিচনাৰ চাহাব এইসকল, আৰু অসম উপত্যকাৰ গৌৰীপুৰৰ ৰজা বাহাদুৰ প্ৰভাতচন্দ্ৰ বৰুৱা জমিদাৰৰ তৰফে, ৰায়চাহাব ( পাচত ৰায়বাহাদুৰ ) পদ্মনাথ গোহাঞিবৰুৱা আহোম সম্প্ৰদায়ৰ তৰফে, ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা অসম এচোচিয়েচনৰ তৰফে, মৌলবী ( পাচত চাৰ ) চৈয়দ মহম্মদ চাদুল্লা মুছলীম সম্প্ৰদায়ৰ তৰফে, এইসকল ৰাইজীয়া প্ৰতিনিধিয়ে কলিকতীয়া কেন্দ্ৰত বহা "চাউথবৰো কমিটী"ৰ বৈঠকত গৱৰ্ণমেণ্টৰ খৰচত সাক্ষ্যও দিছিলগৈ।

অসমৰ যাত্ৰী সকলোটি যোৱাৰ পাচত, সদৌ শেহতীয়াকৈ কৰ্ণেল গৰ্ডন আৰু মই একেখন জাহাজত আৰু একেখন ৰেলত কলিকতালৈ যাত্ৰা কৰিলোঁ। জাহাজত যাওঁতে প্ৰথম শ্ৰেণীত আন যাত্ৰী নথকা হেতুকে আমি দুয়ো মন মুকলিকৈ কথা-বাৰ্তা পাতিবলৈ সুচল পাইছিলোঁ। সেই ছেগতে কথা প্ৰসঙ্গত তেখেতক খাটনি ধৰি থলোঁ, যাতে সাক্ষ্য দিওঁতে মই তেখেতৰপৰা লাগতিয়াল সহায় পাওঁ ; কিয়নো কমিটীৰ আগত কিজানি ৰোমাঞ্চিত (nervousness) হোৱাৰ বাবে মোৰ সাক্ষ্য খোলোচা (explicit) নহবও পাৰে। তদুত্তৰত তেখেতে ততালিকে প্ৰত্যুত্তৰ দিলে যে, সেই বিষয়ত তেখেতে অলপো সন্দেহ নকৰে ; বৰঞ্চ আন অনেক সাক্ষ্যকাৰতকৈ মোৰ সাক্ষ্য খোলোচা আৰু পৰিপাটি হোৱাটোহে তেওঁৰ বিশ্বাস। সি যি হওক, তাৰ পাচত, আমিনগাঁও ঘাটত নামি দুয়ো কলিকতালৈ যোৱা ৰেলত উঠিলোঁগৈ। ৰেলত ভালেমান সৈনিক চাহাবো উঠিল। সিবিলাকে প্ৰথম আৰু দ্বিতীয় দুয়ো শ্ৰেণীতে যেয়ে য'তে ঠাই পালে উঠিলে ; মই কথমপি দ্বিতীয় শ্ৰেণীৰ বিছনা (Berth) এখন আচুতীয়াকৈ পালোঁ কিন্তু মোৰ সৈতে একেটা কোঠাতে ঠাই লোৱা গোৰা সৈনিক যাত্ৰী-কেজনৰ লগত সহযাত্ৰী হৈ মোৰ অকণো ভাল নালাগিল, বৰঞ্চ সিবিলাকৰ হাঁহি-খিকিন্দালি আৰু কেল্‌কেলনি মোৰ পক্ষে অসহনীয় বোধ হবলৈ ধৰিলে। গতিকে, অগত্যা সন্ধ্যাতে শুই

থকাটোকে একমাত্ৰ উপায় দেখিলোঁ, আৰু সেই অৰ্থে দিহা লগাই লোৱা হল। কিন্তু শোৱাৰ আগতে গাৰ্ডজনক লগ ধৰি সুধি ললোঁ, 'থানা' খোৱা ষ্টেচন কেতিয়াকৈ পোৱা যাব, আৰু যথাসময়ত মোক জগোৱাই দিবলৈ অনুৰোধ জ্ঞাপন কৰি থলোঁ। বিছনাত শুই পৰিলোঁ কিন্তু চাহাবহঁতৰ কেলৃকেলনিত টোপনি নাহে। পিচে, দুঘণ্টামানৰ পাচত সিহঁতে বহা ভাগেই কলমতীয়াবলৈ ধৰিলে; কোঠাটো নিজম পৰিল, মোৰো চিলমিলকৈ এঘুমটি টোপনি আহিল। এনেতে, ৰাতি দহমান বজাত গাৰ্ডজনে মোক জাননী দি জগোৱাই দিলেহি খানা ষ্টেচন পাইছেহি বুলি। ৰেল থামিল, মই নামি গৈ খানা-কোঠাত সোমালো। দেখিলোঁ, কোঠাটোৰ ইমুৰৰপৰা সিমুৰলৈকে জোৰাই দীঘলীয়াকৈ পতা মেজৰ দুপাশে দুশাৰী সৰু সৰু মাচিয়া আৰু মেজৰ ওপৰত ডেৰকুৰিমান ভকতৰ কাৰণে খানাৰ সঁজুলি যতনাই থোৱা আছে। মই কোনখিনিত ঠাই লম ভাবোঁতে কৰ্ণেল গৰ্ডন মেমে সৈতে গৈ মোৰ কাষতে থিয় দি মোক কলে, "অ' আহিছা, আহাঁ, বহি যাওঁ, সময় বেছি নাপাম, আধাঘন্টা মাথোন।" এইবুলিয়েই এহাতে মিচেচ গৰ্ডন আৰু ইহাতে মোক বহুৱাই লৈ, গৰ্ডনে আমাক খাবলৈ লগাই দি নিজেও খাবলৈ ধৰিলে। এনেতে, গিৰগিৰকৈ সৈনিক চাহাবদল সোমাই দুয়ো পাশৰ আসন পূৰাই পেলালেগৈ। আমাৰে সৈতে মুখামুখিকৈ মেজৰ সিফালে এজন পকামুৰা বুঢ়াচাহাব বহিছিল। তেওঁৰ কেচা টোপনিৰ জাল তেতিয়াও মৰা নাছিল, চকু মেলাতৰাকৈ খানা খাই থাকি প্ৰথম ডিচ আধাখোৱা হওঁতেই কাটা চামুচ থোৱাত বিজুতি হোৱা হেতুকে পিচফালৰপৰা খানচামাই ডিচ্ উঠাই ললেহি; এনেতে চাহাবে খকমককৈ ডিচখন ঠাপ্ মাৰি ৰাখিবলৈ ধৰোঁতেই সি খেলেলেংকৈ উফৰি মাটিত পৰিল আন আটাইবিলাকৰ পৰা হাঁহি-গিৰ্জনি উঠিল। তাৰ পাচত, আৰু এটা ডিচ্ আহিল, 'ৰোষ্টৰ'; বুঢ়া চাহাবে কাটি কাটি দুই তিনিখনমান 'শ্লাইচ্' পকটীয়াই চোবাই গিলি আৰু এক শ্লাইচ কাটাৰে সৈতে মুখলৈ নিওঁতে এবাৰ দুবাৰকৈ তিনিবাৰ সৰি সৰি পৰিল; বুঢ়া চাহাবটিয়ে সেইটো এটা অমঙ্গলৰ চিন বুলি ভাবি তাৰে খানা তাতে এৰি বেজাৰ মনেৰে উঠি গুচি গল! দেখি মোৰ অন্তৰত বৰকৈ বেথা লাগিল। মিচেচ গৰ্ডনেও তথা লাগি চাই আছিল। এনেতে ৰেলৰ উকি বাজি উঠিল, আমি আটাইবিলাকে লৰালৰিকৈ ৰেলত উঠি নিজ নিজ ঠাই ললোগৈহঁক। এইবাৰ লগৰীয়া চাহাবহঁতে সৰহপৰলৈ গোলমাল নকৰি ইটোৰ গাত সিটোকৈ ঢলি ঢলি পৰিলে; ময়ো নিৰলে বিচনাত পৰি মনে মনে বহুপৰ সেই বুঢ়া চাহাবটিলৈ পুতৌভাৰে ভাবি থাকোতেই টোপনি গলো।

পিচদিনা পুৱা ১০ মান বজাত কলিকতাৰ শিয়ালদহ ষ্টেচনত নামিলোঁগৈ। কৰ্ণেল গৰ্ডন মেমে সৈতে গাড়ীত উঠি কোনোবা ফালে চৰ্কাৰী ঘৰত থাকিবলৈ গলগৈ। মই তাতে ইফাল সিফালকৈ আছোঁ, এনেতে মোক আগবঢ়াই নিবলৈ অহা আমাৰ পুৰণি চিনাকি বন্ধু গোলাঘাটৰ দাস কোম্পানীৰ গৰাকী ৺কালীবাবুৰ পুতেকৰে সৈতে (তেওঁৰ আচল নাম পাহৰিছোঁ, উপলুঙা নাম হাবা) দেখা-দেখি হল। তেওঁ এখন ঘোৰা-গাড়ীৰে মোৰ মাল-বস্তুৰে সৈতে মোক তুলি লৈ সিবিলাকৰ নিজা ঘৰ পোৱালেগৈ। সেই ঘৰতে আগবাৰত

মন্টে গু ডেপুটেচনলৈ যাওঁতে ৺ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাৰে সৈতে আমি আলহী আছিলোঁ। সিবিলাকৰ শুশ্ৰূষাত পৰিতুষ্ট হৈ দুঘণ্টামান জিৰালোঁ। পাচত আৰ্বেলি ৰাইটাৰ্চ বিল্ডিঙলৈ গৈ চাউথবৰো কমিটীৰ বৈঠকৰ অফিচত সম্ভেদ লৈ জানিব পাৰিলোঁ, অসমৰ প্ৰতিনিধিৰ সাক্ষ্য দুদিনৰ পাচতহে লোৱা হব ; গতিকে সেই দুদিন এনেই বহি থাকিবলগীয়া হল, আৰু সেই অৱসৰতে মোৰ সাক্ষ্যৰ সমলাদি ভালকৈ জুকিয়াই ললোঁ।

নিৰ্ধাৰিত দিনা আমি অফিচিয়েল আৰু নন-অফিচিয়েল সাক্ষ্যকাৰ সকলোটি কমিটীৰ বৈঠক ঘৰত ১২ বজাত উপস্থিত হলোঁগৈ। যথাসময়ৰ ভিতৰত চীফ কমিচনাৰ, চীফ চেক্ৰেটাৰী আৰু কমিচনাৰ দুজনৰ সাক্ষ্য লোৱা হৈ গল। তাৰ পাচত মেক্‌চুইনি চাহাবৰ উপস্থিতি অলপ পলম হোৱাত, নন-অফিচিয়েলৰ পৰা পোনপ্ৰথমে মোৰ ওপৰতে ডাক পৰিল। মই যথাসৎকাৰেৰে কমিটীৰ কোঠাত সোমাই দেখিলোগৈ, মাজতে এটীয়া খুৰা লগেৰো এখন মাচিয়া, তাৰ দুফালে দুশাৰী অফিচিয়েল আৰু নন-অফিচিয়েল মেম্বৰ আৰু সমুখত প্ৰেচিডেণ্ট লৰ্ড চাউথবৰো আসনত বহি আছে। সঙ্কেত পাই মই মাজৰ মাচিয়াখনতে বহিলোঁ। মাচিয়াখন বহোতা জনৰ গা-ঘূৰণিৰ লগে লগে আপুনি ঘূৰি যায়। বাওঁহাতে অফিচিয়েলৰ শাৰীত কৰ্ণেল গৰ্ডন, পাতি লোৱা চৰ্কাৰীৰ তৰফৰ মেম্বৰ ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা আৰু পুৰণি লগৰীয়া কাউন্সিল বন্ধু খানবাহাদুৰ আবুল মজিদ চাহাব, আৰু সোঁহাতে নন-অফিচিয়েলৰ মাজত "ৰিপন কলেজ"ৰ গৰাকী মোৰ কলেজ শিক্ষা গুৰুদেৱ মিঃ ( পাচত চাৰ ) সুৰেন্দ্ৰনাথ বানাৰ্জীক দেখা পাই মোৰ মনত আনন্দ আৰু উৎসাহ লাগিল। তাৰ পাচত মোৰ সাক্ষ্য লবলৈ আৰম্ভ কৰা হৈছে, এনেতে এখন আকাশীযান বা এৰোপ্লেন ৰাইটাৰ্চ বিল্ডিঙৰ ওপৰত উৰি উৰি ঘূৰি ফুৰিছেহি ; শুনা মাত্ৰকে কমিটীৰ মেম্বৰ সকলোটি গিৰগিৰকৈ উঠি আহি কোনো চাদৰ ওপৰলৈ উঠিল, কোনো বাহিৰলৈ ওলাই আহিল। লৰ্ড প্ৰেচিডেন্টৰ সঙ্কেত পাই ময়ো সিবিলাকৰ পিচ লাগিলোঁ। সেয়ে মোৰ পোনপ্ৰথম এৰোপ্লেন দেখা। কলিকতালৈ এৰোপ্লেন অহাও সেয়ে পোনপ্ৰথম। পাঁচমিনিটমানৰ পাচত এৰোপ্লেন 'গড়মাঠ' ময়দানৰ মুখে উৰি গুচি গল। আধাঘণ্টামানৰ পাচত কমিটী আকৌ বহিল। মোৰ সাক্ষ্য লোৱা আকৌ আৰম্ভ হল। এজন এজনকৈ মেম্বৰসকলে মোক আহোমৰ পূৰ্ব-প্ৰতিপত্তি আৰু উপস্থিত অৱস্থাৰ বিষয়ে প্ৰশ্ন কৰে, মই যথাযথ উত্তৰ দিওঁ। লৰ্ড প্ৰেচিডেণ্টে টোকা ধৰি থয়। সেই অনুক্ৰমে ভালেমান প্ৰশ্নোত্তৰ হৈ যোৱাৰ পাচত, মই মোৰ লিখিত বিবৃতিৰ নথি এটা প্ৰেচিডেন্টৰ আগত সসম্ভ্ৰমে দাখিল কৰিলোঁ, তেখেতে নথিটোৰ পাত-চেৰেক লুটিয়াই চাই মোক সুধিলে, সেই নথিৰ ওপৰঞ্চি কপি (spare copy) আৰু কেইটা-মান আছেনে বুলি। মই উত্তৰ দিলোঁ, বোলোঁ, হাতত সম্প্ৰতি সেই একেটাইহে, লাগিলে যথাসময়ৰ ভিতৰত যিমান কপি লাগে শোধাব পৰা হব। তদুত্তৰত প্ৰেচিডেণ্টে কলে যে তেনেহলেও দাখিল কৰাটোৰ সমান বাহুল্যকৈ নথি ডাঙৰ নকৰি, চমু বিবৃতিৰে সৈতে সৰু সৰুকৈ নথি যুগুত কৰাহে বাঞ্ছনীয়। মই মান্তি হলোঁ। কিন্তু সৰু নথি সেইদিনাই বা অনতি-পলমে পিচদিনা ডাকত দিব লাগিব। কিয়নো, কমিটী কলিকতাত মাথোন আৰু দুদিনহে

থাকিব। সিমানতে মোৰ সাক্ষ্যৰ সামৰণি পৰিল। মই আসন এৰি উঠি আহিবৰ সময়ত মোলৈ ৰমেনেৰে চাই চাৰ স্বৰেন্দ্ৰনাথ বানাৰ্জীয়ে এইবুলি একেষাৰ সন্মিদান দিলে, "Well, what we have gathered from your deposition we fully realised your objects." তাৰ পাচত ওলাই আহিবৰ বেলিকা কৰ্ণেল গৰ্ডনে হাঁহি হাঁহি এইবুলি শলাগি থলে, "Did I not foresee that you would be more explicit than any one else ?"

মই তেতিয়াই উলটি আলহী বহালৈ নাহিলোঁ। বাজে বাজে সেই একেটা ষ্ট্ৰীটৰ মুৰতে এখন ইউৰোপীয়ান টাইপ-ৰাইটাৰ কোম্পানীৰ ডাঙ্গৰ দোকানত সোমাই তাৰ মেনেজাৰ চাহাবজনক মোৰ উদ্দেশ্য বিবৰি কলোঁ। তেওঁ মোৰ হাতৰপৰা সেই ৪০ কুৰি পিঠীয়া নথিটো হাতত লৈ চাই সুধিলে, তাৰ কিমানলৈ আয়তন চমুৱাব লাগিব ? মই অত্যধিক ১০ পিঠি বুলি কোৱাত তেওঁ অসন্তুষ্ট ভাবৰ মূৰ জোকাৰণিৰে নথিটো মোৰ হাতলৈ ওলোটাই দিলে। তাৰ পাচত মোক হতাশ হোৱা যেন দেখি, তেওঁ এটা নীৰলা অকলশৰীয়া কোঠালৈ নি মোক বহিবলৈ দি, এইবুলি কৈ ওলাই গল "Docket your file as fast as you can. Please note that our office will be closed at about 5-30 P.M." মই পাৰ্যমানে সোনকালকৈ চমুৱাবলৈ লাগি গলো। ডেৰঘণ্টামান হল সামৰিবলৈ পৰা নাই। এনেতে মেনেজাৰ চাহাব আকৌ মোৰ কাষ চাপিলহি। সেই ডেকা চাহাবজন বৰ তীক্ষ্ণ বুদ্ধিৰ লোক। তেওঁ কাষতে বহি মোক docket কৰাত সহায় কৰিবলৈ ধৰিলে। তাৰেপৰা আধাঘন্টামানৰ পাচত চমুৱনি সম্পূৰ্ণ হৈ উঠাত মেনেজাৰে টাইপ ৰাইটাৰৰ কোঠালৈ নি কেইবাজনো টাইপিষ্টক লগাই দি এঘন্টাৰ ভিতৰত ১২ খন মান উলিয়াই দিবলৈ হুকুম দিলে। তাৰ পাচত মোক অতিশয় ক্লান্ত হোৱা দেখি, মেনেজাৰ চাহাবে তেওঁৰ টিফিন কমলৈ মাতি নি চাহ-জলপানেৰে শুশ্ৰূষা কৰিলেহি ; সেই শুশ্ৰূষা জীৱনত পাহৰিব নোৱাৰোঁ,—সি চাহ পান নহয়, অমৃত পান যেন লাগিছিল। তেতিয়া ছয় বাজি গল, হুয়ো আকৌ টাইপ কোঠালৈ গৈ দেখোঁ যে তেতিয়ালৈকে আধাও হৈ উঠা নাই। গতিকে বিষম জানি মেনেজাৰে নিজেও সহায় কৰিবলৈ ধৰাত এঘণ্টামানৰ পাচত খনে ১২ পৃষ্ঠাকৈ ১২ খনমান সৰু নথি যুগুত হৈ উঠিল। তাৰ পাচত তাতে তেতিয়াই মেনেজাৰ চাহাবৰ সহায়ত, সৰু নথি ১২ টা ডবল লেফাফাত ভৰাই 'চাউথবৰো কমিটীৰ চেক্ৰেটৰী'ৰ নামে জেনেৰেল পোষ্টাফিচৰ চিঠি দিয়া বাকচত ভৰাই দি, ৰাতি ৮ বজাত ট্ৰাম গাড়ীত উঠি আলহী বহালৈ উলটি আহিলোঁ।

অসম এচোচিয়েচনৰ পঞ্চদশ আৰু "অসম সাহিত্যিক সন্মিলনী"ৰ দ্বিতীয় বৈঠক।— চাউথবৰো কমিটীত মোৰ সাক্ষ্য লোৱা দিনাৰেপৰা তিনিদিনৰ পাচত গুৱালপাৰত অসম এচোচিয়েচনৰ পঞ্চদশ আৰু অসম সাহিত্যিক সন্মিলনীৰ ২য় বৈঠকৰ দিন ধাৰ্য হৈছিল। গতিকে, মই অনতিপলমে কলিকতাৰপৰা ওলটা যাত্ৰা কৰাটো অপৰিহাৰ্য হোৱাত সাক্ষ্য সমাপনৰ পিচদিনাই আবেলি শিয়ালদহ ষ্টেচনত দাৰ্জিলিং অসম ডাক ৰেলত উঠিলোহি। ওলটা যাত্ৰাত মই অকলশৰীয়া। অসমৰপৰা যোৱা সাক্ষ্যকাৰ এজনকো লগ ধৰিবলৈ

নাপালোঁ। সেই আবেলিৰপৰা অকলশৰে আহি ৰাতি গোলোকগঞ্জ ষ্টেচনত ননমালৈকে কোনো চিনাকি বন্ধুৰ মুখ দেখা পোৱা নাছিলোঁ। গোলোকগঞ্জত শেহৰাতি মোক চাকৰটোৱে সৈতে নমাই থৈ ৰেল হুঁইয়া কাটি আঁতৰি গলগৈ। মই ধীৰে-ধীৰে গৈ ষ্টেচনৰ জিৰণিঘৰত সোমাই দেখোঁগৈ যে তাত জিৰণীয়া আলহীৰ নিমিত্তে কোঠা একেটা মাথোন। মাজতে এখন মেজ, তাৰ এপাশে এখন "আৰাম চেয়াৰ" আৰু আন তিনি পাশে তিনিখন মাচিয়া পৰা আছে। তাৰপৰা কেইহাতমান আঁতৰৰ বাৰৰ কাষত এখন লোৰ পালং; তাতে বিছনা পাৰি মূৰে-গাই নিহালী লৈ কোনোবা জিৰণি ভদ্ৰলোক এজন শুই আছে। ঘঁট-ঘঁটকৈ নাক বাজনিলৈ কাণ পাতি শুনি জানিলোঁ, তেওঁৰ ঘোৰ টোপনি। তেওঁৰ তেনেকুৱা সুখৰ জিৰণি ভঙ্গাৰ আশঙ্কাত মই সৰহপৰ খচ্‌খচ্ নকৰাকৈ নীৰলে সেই আৰাম চেয়াৰখনত চিট হৈ পৰিলোঁ; কাষতে চাকৰটোৱেও আঁঠুত মূৰ গুজি কলমতীয়াবলৈ ধৰিলে। এনেতে, হঠাৎ আৰু এজন ভদ্ৰলোক আহি সোমাই পোনচাতেই "বেচতো নাক কোঁপোলা বাছাই আগধৰি আহি ঘঁট-ঘঁটকৈ মোক আহ্বান কৰিব লাগিছে," এইবুলি লাফ মাৰি তেওঁ শুই থকা জনৰ ওপৰত ঘোঁৰা-উঠা দি বহিল। শুই থকা জনে উচাপ খাই উঠি "ও মা, খেল-গো" বুলি চেৱাবীয়ে সৈতে মাটিলৈ বাগৰি পৰিল। তাৰপাচত দুয়োৰো মাজত ডবৰা-ডবৰিকৈ কোঢ়াল লাগি উঠিল। আমিও বিচূৰ্তি খাই কাষলৈ গৈ মিট মিটকৈ জ্বলি থকা চাকিৰ পোহৰত দেখোঁ যে, দুয়ো যুদ্ধৰ আবেশে দুইকো আক্ৰমণ কৰিবলৈ উদ্যত হৈছে! পিচে, মোৰ আদেশ মতে মোৰ চাকৰটোৱে চাকিৰ শলিতা (অৰ্থাৎ লাণ্টাৰ্ণৰ ফিটা) বঢ়াই দিয়াত ফটফটীয়া পোহৰত দেখোঁ যে দুয়োজন মোৰ পুৰণি চিনাকি মৰমৰ বন্ধু,—শুই-থকা জন তাহানি শ্বিলং ডিস্পেনচৰীৰ চাৰ্জত থকা মোৰ বন্ধু—এচিষ্টেণ্ট চাৰ্জন, ঘোঁৰা উঠোতাজন মোৰ ছাত্ৰপ্ৰতিম মৰমৰ বন্ধু ধুবুৰী চাৰ্কোলৰ একচাইজ ইন্সপেক্টৰ; এজন বঙালী, আনজন অসমীয়া। দুয়ো মোৰ মুখলৈ চাই আনন্দ ভৰা কিৰিলি মাৰি উঠি, 'ই, কি! আপুনি! কৰপৰা? কলৈ?' এই বুলি মোক গৰা মাৰি ধৰিলে। মই নমতা নোবোলাকৈ থৰ লাগি ৰলোঁ। সিবিলাক দুজনেও চোৱা-চুইকৈ বিস্ময় মানি জঠৰ হল! মোৰ চাকৰটোৱেও সেই আচৰিত ধৰণৰ সন্মিলন সপোন নে দিঠকৰ দৃশ্য ঠাৱৰাব নোৱাৰা হৈ ভেবা লাগি চাই ৰল। ক্ষন্তেক মানৰ পাচত মই সেই সমস্যা ভঞ্জন কৰাৰ অৰ্থে দুইকো দুপাশে লৈ মেজৰ কাষলৈ আহি তিনিও তিনিখন মাচিয়াত মুখামুখিকৈ বহি ভ্ৰমণ বিবৃতি কোৱাকুই কৰিবলৈ ধৰিলোঁ। তাৰ ভিতৰত ঘোঁৰা উঠোতাজনৰ বিবৃতিত এফেৰি ৰহস্য আছে, সেয়ে সেই ঘটনাৰ মূল। সেই ৰাতিয়েই হেনো তেওঁৰ লগৰীয়া বন্ধু এজন তাৰ পাচত আহি তাতে তেওঁক লগ ধৰিবৰ কথা আছিল; পিচে তেওঁ পিচ নপৰি আগ ধৰি আহি শুই আছিল বুলি আনন্দৰ বেগত লাফ মাৰি শুই থকা জনৰ ওপৰত ঘোঁৰা উঠি 'তমস্যা' কৰিবলৈ ধৰিছিল। তেওঁৰ বহল বিবৃতি শুনি আমি আটাইটিৰে হাঁহিত পেটু-নাড়ী ছিগা যেন হল। চাকৰ-চাপৰাচীহঁতেও কাপোৰেৰে মুখ ঢাকি খল-খলাবলৈ ধৰিলে। তাৰ পাচত তিনিও সম্প্ৰীতি সদালাপ কৰি থাকোঁতেই ৰাতি পুৱাল।

পুৱা ৮ বজাত ধুবুৰীলৈ যোৱা ৰেল পালেহি। ইন্‌স্পেক্টৰক তাতে এৰি ডাক্তৰৰে সৈতে আমি ৰেলত উঠিলোহি। আহি থাকোতে ৰেলতে এই স্থিৰ হল যে মই ডাক্তৰৰ বহাতে দুপৰীয়া ভোজন কৰি ২ বজাত গুৱালপাৰলৈ যোৱা জাহাজত উঠিমগৈ। কাৰ্যত সেয়ে হল। আবেলি ৬ মান বজাত জাহাজ গুৱালপাৰ ঘাট চাপিলগৈ। দেখিলোঁ পাৰত জাতীয় পতাকাধাৰী ভলন্টিয়াৰৰ ফৌজ এটা। সিবিলাক স্বেচ্ছাসেৱাৰ উদ্দেশ্যে সাজু। একে সময়তে উজনিৰপৰা অহা জাহাজো চাপিলগৈ। তাৰ পাচত ডেলিগেটসকল গিৰ-গিৰকৈ নামি আহিল। ভলন্টিয়াৰবৰ্গে কুলী-মুটিয়াৰ দৰে কানত, মূৰত ডেলিগেটসকলৰ টাপি-টোপোলা-বিছনা-গাঠৰি আদি মাল-বস্তু বৈ বৈ নি পাৰৰ বালিত দম কৰিলেগৈ। আমাৰ থন জাহাজত ডেলিগেট তাকৰ; মুঠেই পাঁচজনমানহে। আমাকো সেইদৰেই নমাই নিয়া হল। তাৰ পাচত ভাগে ভাগে যথা যথা আলহী বহালৈ ভলন্টিয়াৰবৰ্গে পৰম উলাহেৰে মাল কঢ়িয়াবলৈ ধৰিলে। মোৰ টোপোলা-টাপলিও ভলন্টিয়াৰবৰ্গে তুলি লৈছিল, এনেতে মোৰ বৰজোঁৱাই গোঁহাঞিদেৱ মুঞ্চিপৰ মানুহ পালেগৈ। তাৰ পাচত জী-জোঁৱাইৰ শুশ্ৰূষাত ভাগৰ পলুৱাই অলপ জিৰাই-শঁতাই সন্ধ্যাপৰত 'পেণ্ডেল' (সভামণ্ডপ) চাবলৈ গলোঁ; আৰু গুৱালপৰীয়া ৰাইজৰ বিপুল আয়োজন দেখি পুলকিত হলোঁ।

পিচদিনা পুৱাৰপৰা সাহিত্যিক সন্মিলনীৰ ২য় বছৰেকীয়া বৈঠকৰ কাৰ্য আৰম্ভ হল। পুৱা ৭ বজাৰপৰা ১১ বজালৈকে সন্মিলনীৰ বৈঠক আৰু দুপৰীয়া ১২ বজাৰপৰা ৰাতিলৈকে অসম এচোচিয়েচনৰ বৈঠক একেটা মণ্ডপতে বহিবলৈ স্থিৰ হৈছিল। এই সাহিত্যিক সন্মিলনীৰ ২য় বৈঠকৰ সভাপতি আছিল যোৰহাটৰ শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী অসম সাহিত্য সভাৰ সম্পাদক আৰু শ্ৰীযুত দেবেশ্বৰ শৰ্মা সহকাৰী সম্পাদক আছিল। মিঃ তৰুণৰাম ফুকন বাৰিষ্টাৰ অসম এচোচিয়েচন বৈঠকৰ সভাপতি আৰু অনৰেবল ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা এচোচিয়েচনৰ সম্পাদক আছিল। অনৰেবল ৰায়বাহাদুৰ ফণিধৰ চলিহা প্ৰমুখ্যে উজনিৰ ভালেমান গণ্য-মান্য লোক এই দুই বৈঠকত বৰ উলাহেৰে যোগ দিছিলগৈ।

মই সেই কেইওদিন পুৱাতে উঠি যথাসময়ত বৈঠকৰ মণ্ডপত উপস্থিত হৈছিলোঁগৈ। তেতিয়া পুহমহীয়া জাৰ। পুৱা ১০ বজালৈকে গুৱালপাৰ টাউনথন কুঁৱলীয়ে ছাতি হয়। মই শুই উঠা সততে পলম যদিও সেই কেদিন সোনকালে উঠিবৰ মোৰ আপত্তিলৈ ঠাই নাইকিয়া হৈছিল, ঘাইকৈ এই বাবে যে সেই জাৰত, সেই কুঁৱলী ভাঙ্গি নিতৌ এমাইল বাটৰ পৰা বুঢ়া ৰায়বাহাদুৰ ফণিধৰ চলিহা ডাঙৰীয়াই উভতি যোৱাদি গৈ আকৌ সেই বাটেদিয়েই মোক মই থকা বহাৰপৰা সভামণ্ডপলৈ উলিয়াই আনিছিলগৈ। অসম এচোচিয়েচনৰ বৈঠকত যোগ দিবলৈ মোৰ সময় আৰু সুবিধা নহৈছিল, আৰু তাত সহযোগিতা নিদিয়াৰো এটা ডাঙৰ কাৰণ আছিল। সাহিত্যিক-সন্মিলনীৰ বৈঠকৰ শেহৰ দিনা, সামৰণিৰ আগতে মই অসম সাহিত্য সভাৰ আৰ্থিক অৱস্থা টনকিয়াল কৰা বিষয়ক এটা উদ্দীপক বক্তৃতা দিবলৈ আহূত হৈছিলোঁ। ঈশ্বৰৰ ইচ্ছাত সেই বক্তৃতা শুনি উপস্থিত সমজুৱাসকলৰ এনেদৰে গা উঠিছিল যে তেতিক্ষণে ভালেমানে লিখিত প্ৰতিশ্ৰুতিৰে আৰু স্থানীয় সমজুৱাসকলে সভাৰ

পুঁজিৰ অৰ্থে পৰম উলাহেৰে নগদ বৰঙণি দান কৰিছিল। সভাস্থলতে নগদ ছশ ( ৬০০ ) টকা উঠিছিল। সেয়ে সাহিত্য-সভাৰ পুঁজিৰ লখিমী।

অসম সাহিত্যিক সন্মিলনীৰ সামৰণিত আগৰ কাৰ্যকাৰক আৰু বিষয়ববীয়া সভ্যসকলৰ সালসলনি ঘটে। সেই আলমতে অহা বছৰৰ কাৰণে, অসম সাহিত্য সভাৰ ঘাই সম্পাদকৰ বিষয়-বাব মোৰ গাত দি, কাৰ্যনিৰ্বাহক সভাখন তেজপুৰত পাতিবলৈ স্থিৰ হয়। সেইবাবে উপস্থিত সমজুৱাসকলে হেচি ধৰাত অগত্যা সেই বাব বলে নোৱাৰা সত্বেও কান পাতি লব লগাত পৰিলোঁ।

বিদায়ৰ দিনা গুৱালপাৰ ঘাটতে উজনীয়া ডেলিগেটবৰ্গক গুৱালপৰীয়া ৰাইজৰ তৰফে এটি বালিভোজ দিয়া হৈছিল। সেই ভোজত পকা-মুৰীয়া চলিহা ডাঙৰীয়া বিশেষকৈ জিলিকিছিল। পিচে, আবেলি ভোজ সমাপন হোৱাৰ পাচতো সেইদিনা ভাটীৰপৰা আহিবলগীয়া জাহাজ নাপালেহি। গতিকে, ৰাতিটো ডেলিগেটসকলে বোটতে বঞ্চিবলগীয়া হয়। পিচদিনা পুৱা ৮ মান বজাত জাহাজ পালেহি। স্বেচ্ছাসেৱক বা ভলন্টিয়াৰবৰ্গে টালি-টোপোলা হাতে-কানে-পিঠিয়ে বৈ নি ডেলিগেটসকলক যথা যথা ঠাইত সুবিধাকৈ থলেগৈ। কিন্তু, বিদায় দি উলটি নামিবৰ সময়ত সিবিলাকৰ অন্তৰৰ বিষাদ ভাব মুখত বিৰিঙ্গি উঠা দৃশ্যটি দেখি আমাৰো অন্তৰ বিদৰি গৈছিল। সদৌশেহত, পাটী পাটীকৈ বালিত দমাই থোৱা সুম্‌থিৰাৰ দলিৰে সৈতে জাহাজৰ মজিয়া ওপচাই শেষ বিদায় দিয়াৰ পাচত, উকি মাৰি জাহাজ বালি ঘাটৰপৰা এৰাই আহিল; গুৱালপৰীয়া বন্ধুবৰ্গে ঠৰ লাগি চাই থাকিল, চাওঁতে চাওঁতে আমিও চকুৰ আঁতৰ হলোঁহঁক।

# একচত্বাৰিংশ সৰ্গ

## সাংঘাতিক টান নৰিয়া

ইং ১৯১৮ চনৰ ২৮ ডিচেম্বৰ তাৰিখে গুৱালপাৰত বহা 'অসম সাহিত্য সভা'ৰ ঘাই সম্পাদকৰ বিষয়-বাব মূৰগাতি লৈ আহি, তেজপুৰত এখন কাৰ্যনিৰ্বাহক সভা গঠিত কৰি লৈ, সাহিত্য সভাৰ সদৌ লাগতিয়াল আলোচনা আৰু কাৰ্য সম্পাদনত একাণপতীয়া হৈ লাগিলোঁ। কিন্তু এই কাৰ্যভাৰ মোৰ মূৰত বোজাৰ উপৰি বোজা যেন হল। কিয়নো, সেই সময়ত সাহিত্যিক, সামাজিক, ৰাজনীতিক বিবিধ বিষয়ক চৰ্চাত মগ্ন আছিলোঁ; তাৰ ওপৰঞ্চি আন বিষয়ত মনোযোগ দিবলৈ মোৰ আহৰি নাছিল। তথাপি, কৰ্তব্যই সীমা নামানে, 'ভৰাৰ উপৰি ভৰা, মহাপ্ৰভু ৰক্ষা কৰাঁ'—এই মন্ত্ৰ জপ কৰি মৰি-মুজি কৰ্তব্য চম্ভালনত প্ৰাণটাকি লাগি গ'লোঁ। এইভাৱে বছৰটোৰ চাৰি ভাগৰ তিনিভাগ পাৰ কৰিলোঁ, এনেতে চেপ্তেম্বৰ মাহৰ দ্বিতীয় পক্ষত মই বৰ টান নৰিয়াত পৰিলোঁ, একেটা সান্নিপাতিক জ্বৰে একেৰাহে সাতদিন সাতৰাতি অলপো শাম নকটাকৈ নেৰানেপেৰাকৈ মোক মৰামূছা অৱস্থাত পেলালে। গতি বিষম জানি যোৱা-পোৱা অৱস্থাত মোক চাবলৈ টাউনৰ সৰু বৰ লোকজনৰ সমাগম হবলৈ ধৰিলে। কিন্তু সিমানতে ভগৱন্তে কৃপা কৰিলে, দহ দিনমানৰপৰা অলপ মূৰ দাঙিব পৰা হলোঁ, কিন্তু তেতিয়াও শয্যা এৰিব পৰা শক্তি পোৱা নাই।

## অসম ছাত্ৰ সন্মিলনীৰ ৩য় বছেৰেকীয়া বৈঠক

এনেতে, এদিন আবেলি মোক চাবলৈ অহা জনদিয়েক সাহিত্য সভাৰ সদস্য বন্ধু মোৰ কাষত বহি থাকোতেই অসম ছাত্ৰ সন্মিলনীৰ হৈ মিঃ তৰুণৰাম ফুকন বাৰিষ্টাৰৰপৰা টেলিগ্ৰাম আহি পৰিল, মোক বোলে অসম ছাত্ৰ সন্মিলনীৰ ডিব্ৰুগড়ত ইং ১৯১৮ চনৰ ১৯ অক্টোবৰ তাৰিখে বহিবলগীয়া আগন্তুক তৃতীয় বছেৰেকীয়া বৈঠকৰ সভাপতি মনোনীত কৰা হৈছে; তাৰ নিমিত্তে নিতান্তই সাজু হ'ব লাগে, নহলে নিৰুপায়, ছাত্ৰবৰ্গৰ বিনীত অনুৰোধ। প্ৰস্তাৱটো পঢ়ি চাওঁতেই অসম্ভৱ ভাবি আক্ষেপৰ ভঙ্গিমাৰে উপস্থিত বন্ধুকেজনৰ এজনৰ হাতলৈ টেলিগ্ৰামটো পাৰ কৰিলোঁ। সিবিলাক কেওজনে বেৰি ধৰি পঢ়ি চাই তবধ মানিলে। কাঁহ পৰি জীণ্ যোৱাৰ দৰে ক্ষন্তেক নিজম পৰিল। সিবিলাকক নিমাত হোৱা দেখি মই মাত লগালোঁ, বোলোঁ, এতিয়া কেনেকৈ কি কৰা যায়? সিবিলাকে একেস্বৰে উত্তৰ দিলে, "আমিনো কি দিহা দিম! আপোনাৰ নিজ শক্তি আৰু বিবেচনাৰ ওপৰতহে এনে গুৰুতৰ বিষয় ঘাইকৈ নিৰ্ভৰ কৰে।" মই আকৌ এই বুলি মোৰ মনোভাৱ ফুটাই ক'লোঁ যে, মাজতে পোন্ধৰ দিন মাথোন আছে, ইয়াৰ ভিতৰত মই গা টঙাই উঠিবগৈও পাৰোঁ, কিন্তু সভাপতিৰ অভিভাষণ এই অলপ সময়ৰ ভিতৰত এনে অৱস্থাত কেনেকৈ যুগুত কৰি উঠিম! মৌখিক সম্ভাষণ হোৱা হলেও এবেগলৈ আগবাঢ়িব পৰা গ'লহেঁতেন। সিবিলাকে শুনি সহানুভূতি

সহকাৰে এই মত প্ৰকাশ কৰিলে যে লিখিত নহলে অগত্যা মৌখিকেই হব লাগিব, নহলে উপায় নাই। তাৰ পিচত আৰু ভালেখিনি ৰাতিলৈকে আটাইটিয়ে চিন্তা-আলোচনা কৰি উঠি, সেই মৰ্মেই পিচদিনা মিঃ ফুকনৰ টেলিগ্ৰাফিক অনুৰোধৰ সমিধান টেলিগ্ৰাফেৰে জনাবলৈ স্থিৰ কৰা হল।

অসম ছাত্ৰ সন্মিলনীৰ ডিব্ৰুগড় বৈঠকত সভাপতিৰ বাব লোৱাটোৱেই স্থিৰ হল। গতিকে, তাৰ দায়িত্বই মোৰ চিন্তালোচনাৰ ঘাই ঠাই অধিকাৰ কৰিলে। নৰিয়াৰ জিৰণি পাটিত পৰি পৰি সংকল্পিত মৌখিক অভিভাষণৰ বিষয়ে ভাবিবলৈ ধৰিলোঁ। বেজ-জ্ঞানীয়ে মোক জিৰণি লবলৈ টানি ডাঠি আদেশ-উপদেশ দিছিল। সেই অৰ্থে মই নিৰলে, নিৰবে অকলশৰীয়াকৈ থাকিবলগীয়া হৈছিল। কিন্তু নুবুজিলোঁ, এতিয়াও বুজা নাই, হাতে কামে নলগাকৈ কথা-বতৰা নপতাকৈ নিজানত অকলশৰীয়া হৈ থাকিলেই জিৰণি লোৱা হয়নেকি! সেই অৱস্থাৰ ছেগ ধৰি চিন্তালোচনাই হেচিহে ধৰেহিচোন, জিৰাবলৈ অকণো আহৰি নাপাওঁ। যি হওক, সেই সময়ত সেই অৱস্থাই মোক জিৰণিৰ সঙ্গ নিদি মোৰ জিৰণি ভঙ্গ কৰাত আনপক্ষে মোক এফেৰি উপকাৰ কৰাহে হৈছিল; সেই আলমতে মই মোৰ সেই কল্পিত মৌখিক অভিভাষণ গোটেইটোৰ আঁচনি এখন মনতে আঁচি ললোঁ। তাৰ পিছত তাক মনতে জুকিয়াই লৈ তাৰ অগা-পিছা ছেদবোৰ শৃঙ্খলাকৈ গাঁথি থলোঁ। ছাত্ৰ সন্মিলনীৰ আগন্তুক বৈঠকলৈ আৰু পাঁচদিনমান মাথোন আছে, এনেতে মোৰ মনে পতা অভিভাষণটো এবাৰ মনতে গাই চালোঁ। দেখিলোঁ, মই মনতে আঁচি লোৱা অভিভাষণৰ কথাবোৰ মাজে মাজে ওলট পালট আৰু ঠায়ে ঠায়ে আঁচনিৰ আঁটছিগি পাহৰণিৰ আঁৰত লুকুৱা যেন পাওঁ। সেই কাৰণে, মনতে অঁকা আঁচনিখন লিপিবদ্ধ কৰি লোৱাটো বাঞ্ছনীয় বোধ কৰিলোঁ। পিছে, আঁচনিৰ ছেদবোৰ সাঙ্কেতিকভাৱে দুই-চাৰি আষাৰ কথাৰে বান্ধিবলৈ চাওঁতে সি শেহান্তত এটা সংক্ষিপ্ত বক্তৃতাৰ টোকা হৈ উঠিল। তাৰ পিচত, তাকে বহলাই লিখি আওবাবলৈ চাওঁতে সি এটা সৰু-সুৰা অভিভাষণ আকাৰত পৰিণত হল। তাৰ পিচত তাক সেইভাগেই সন্মিলনী সম্পৰ্কীয় কাকত-পত্ৰৰ টোপোলাত ভৰাই থোৱা হল, নকল কৰিবলৈ সময় নহল।

ডিব্ৰু যাত্ৰালৈ আৰু তিনিদিনমান আছে, ভাবিলোঁ, গাৰ দুৰ্বল অৱস্থাত ৰেলগাড়ীৰ থেকেছনি সহিবলৈ টান হব কাৰণে, তেজপুৰ ঘাটৰপৰা একেবাৰেই জাহাজেৰেই গৈ ডিব্ৰু ঘাটত নামিম। এনেতে, মোৰ প্ৰিয়ছাত্ৰ শ্ৰীমান (এতিয়া স্বৰ্গীয়) চন্দ্ৰনাথ শৰ্মাদেৱৰপৰা পত্ৰ পালোঁ, বোলে মোক লগতে লৈ যাবলৈ বুলি তেওঁ আৰু মোৰ অন্যতম ছাত্ৰপ্ৰতিম মৰমৰ বান্ধৱ শ্ৰীমান সূৰ্যকুমাৰ ভূঞাদেৱ (এতিয়া ৰায়বাহাদুৰ ডক্টৰ পি. এইচ. ডি.) ছাত্ৰ সন্মিলনীৰ সম্পাদক আৰু অপৰাপৰ ডেলিগেট ছাত্ৰবৰ্গ সমন্বিতে গুৱাহাটীত মোলৈ অপেক্ষা কৰি থাকিব, মই মাথোন সন্মিলনী বৈঠকৰ দুদিনমানৰ আগতে গুৱাহাটী পাবগৈ লাগে। সেই অনুসাৰেই প্ৰস্তাৱ কাৰ্যত পৰিণত হল।

গুৱাহাটী পাই ৰাতিটো ৰাজবাৰীতে জিৰণি ললোঁ। পিচদিনা পুৱা শ্ৰীমান শৰ্মাদেৱ আৰু শ্ৰীমান ভূঞাদেৱ প্ৰমুখ্যে ডেলিগেট ছাত্ৰবৰ্গেৰে সৈতে মহানন্দে ৰেলগাড়ীত উঠিলো-

গৈছিঁক। ৰেলগাড়ী উজনিমুৱা হৈ চলিবলৈ ধৰিলে। মোৰ গা বেয়া কাৰণে, দ্বিতীয় শ্ৰেণীৰ লোৱাৰ বাৰ্থ এখনত নিৰলাকৈ মোৰ নিমিত্তে শয্যা পতা হৈছিল। সেই কোঁঠালীত মই অকল, মাথোন লগৰীয়া সহযাত্ৰী ডেলিগেট ছাত্ৰবৰ্গৰ দুই-চাৰিজনে প্ৰতি ষ্টেশ্যনত ৰেল খন্তেকলৈ ৰওঁতে একো একোবাৰ ভুমুকি মাৰি মোক চাই গৈছিলহি। ইতিমধ্যত সভাপতিৰ অভিভাষণৰ বিষয়ে সিবিলাকৰ ভিতৰত কোৱা-মেলা চলিবলৈ ধৰিলে, মই আগতে দিয়া সঙ্কেত মতে অভিভাষণ মৌখিক হব বুলিয়েই সিবিলাকৰ ধাৰণা আছিল। পিছে, শ্ৰীমান শৰ্মাদেৱে এটা ছেগত মোৰ ওচৰলৈ আহি সন্তেদ লৈ জানি গ'লহি যে, লিখিত অভিভাষণ মই লগত নিছোঁ। তাৰ পিচৰ ষ্টেশ্যনত তেওঁ আমাৰ যাত্ৰীবৰ্গৰ অনুৰোধ অনুসৰি মোৰপৰা অভিভাষণ লৈ খুজি নি, মুখিয়াল জনদিয়েকৰে সৈতে পঢ়ি চাবলৈ ধৰিলে। আবেলি পৰত, শ্ৰীমান শৰ্মাদেৱৰ জৰিয়তেই মোক সিবিলাকৰ মন্তব্য জনালে অভিভাষণটি সুন্দৰ আৰু সময়োপযোগী হৈছে বুলি। মন্তব্য শুনি ৰং পালোঁ আৰু মনে মনে উল্লাহিত হলোঁ। অকল-শৰে চিন্তালগৰীয়া হৈ গৈ থাকোঁতেই ৰাতি হলহি। মই যথাৰতকৈ অলপ আহাৰ কৰি শুই পৰিলোঁ। ভাতঘুমটি ভালকৈয়ে আহিছিল। পিছে, মাজনিশা এটা ষ্টেশ্যনত কোনোবা এজন অফিচাৰ যাত্ৰী উঠি মই থকা কোঁঠালীতে ঠাই ল'লেহি। অপৰখন 'লোৱাৰ বাৰ্থ'ত মোৰ মাল-বস্তুবোৰ থকা বাবে তেওঁ তাৰ ওপৰৰ শিকলি লগোৱা 'বাৰ্থ'খনত তেওঁৰ বিছনা পাৰি লৈ শুবলৈ ল'লে। কিন্তু বিছনাত পৰি তেওঁ কাঁহি কাঁহি লালকাল হবলৈ ধৰিলে, ময়ো বৰ অশান্তি বোধ কৰিলোঁ। শেহত তেওঁ ওপৰ চাঙৰপৰা নামি, মোৰ মাল-বস্তুবোৰ তাত তুলি থৈ তলৰ 'বাৰ্থ'ত শয্যা পাতি লৈ শুই পৰিল। তেওঁৰ টোপনি অহাত, ময়ো পুৱঁতী নিশাৰ ঘুমটি শান্তিৰে উপভোগ কৰিলোঁ।

পিচদিনা পুৱা আমাক তিনচুকীয়া ষ্টেশ্যনত নমাই দি ৰেলগাড়ী তাতে ভালেমান পৰ থামিল। ইতিমধ্যত, সেই ৰাতি কঁহা যাত্ৰীজনৰে সৈতে মোৰ কাষলৈ আহি, শ্ৰীমান ভূঞা বোপাদেৱে মোক চাহ খুৱাবলৈ বুলি তিনচুকীয়া চৰ্কাৰী জিৰণি বঙলালৈ লগলগাই লৈ গ'ল। তাতে তিনিও বহি চাহ খাবলৈ ধৰোঁতেহে চিনাকি পালোঁ, সেই মাজনিশাৰ সহযাত্ৰীজন আন নহয়, তেওঁ শ্ৰীমান হৰিপ্ৰসাদ বৰুৱা, বি, ই, ইঞ্জিনীয়াৰ। চিনাকি হৈ বৰ ৰং পালোঁ। তাৰ পিচত তেওঁৰ যত্নতে তাতে গা ধুই দুপৰীয়া ভোজন কৰি উঠি, তেওঁক তাতে এৰি, আমি ডিব্ৰুলৈ যোৱা ৰেলগাড়ীত উঠিলোঁহি। তাৰ পাছত আমি আহি আবেলি বেলিকা ডিব্ৰুগড় ষ্টেশ্যনত নামিলোঁহিহঁক। নমা মাত্ৰকে অভ্যৰ্থনা সমিতিৰ দ্বাৰাই নিয়োজিত স্বেচ্ছাসেৱক দলে, ডেলিগেট যাত্ৰীসকলক যথা যথা ঠাইলৈ লৈ গ'ল; আৰু সভাপতিক আদৰি নিবলৈ সজাই থোৱা ঘোঁৰাগাড়ীত মোক শ্ৰীমান সূৰ্যকুমাৰ ভূঞাদেৱ আৰু শ্ৰীমান চন্দ্ৰনাথ শৰ্মাদেৱৰে সৈতে তুলি লৈ, আগত বেণ্ড বজাই আৰু পিচত জাতীয় গীত গাই টাউনৰ কেইবাটাও বাটেদি ঘুৰাই পকাই নি ডাকবঙলাত থলেগৈ; ভূঞাদেৱ আৰু শৰ্মাদেৱ ক্ৰমে ৰায়চাহাব (পাছত ৰায়বাহাদুৰ) আনন্দচন্দ্ৰ আগৰৱালা আৰু ৰায়বাহাদুৰ পৰশুৰাম খাউণ্ড ডাঙৰীয়াদ্বয়ৰ ঘৰত আলহী হলগৈ। তাৰ পাছত, মই চাহ-জলপানেৰে অভ্যৰ্থনা সমিতিৰ শুশ্ৰূষা সম্ভোগ

কৰি উঠোঁতেই ভিন্ ভিন্ ঠাইৰ ডেলিগেট ছাত্ৰবৰ্গ আৰু স্থানীয় ছাত্ৰবৃন্দ ডাকবঙলাৰ টোল ভৰি পৰিলগৈ। মই থকা ডাঙৰ খোঁটালীটোত মোক চাবলৈ চপা ছাত্ৰবৃন্দক ঠায়ে নধৰা দেখি আৰু বাহিৰে ভিতৰে বাকীবিলাকৰ হেন্দোলনিলৈ মন কৰি, মই গা দেখা দিবৰ কাৰণে বাহিৰলৈ ওলাই সিবিলাকৰ মাজত থিয় দিলোঁগৈ। তাৰ পাছত ছাত্ৰবৃন্দৰ মাজে মাজে ঘূৰিপকি পাৰ্যমানে প্ৰত্যেকৰ গাত সাদৰৰ হাত ফুৰাই দুই-চাৰি আষাৰ কথা পাতি বিমল সুখ অনুভৱ কৰিলোঁ; আৰু ছাত্ৰবৃন্দৰ মোৰ প্ৰতি আদৰ-সাদৰ, মৰম-চেনেহ, শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শনত বিমোহিত হলোঁ। ৰাতি দহমান বজালৈকে ছাত্ৰবৃন্দৰ লগত মিলন সুখ উপভোগ কৰি, সিবিলাকক সাদৰে বিদায় দি লৈ, যতনাই থোৱা আহাৰ ভোজন কৰি উঠি শয্যাত পৰি ৰাতিৰ শেহছোৱা টোপনিৰ কোলাত লালকাল দিলোঁ।

ভাবিছিলোঁ পিচদিনা, অৰ্থাৎ সন্মিলনী বৈঠকৰ আগদিনা পুৱাৰপৰা জিৰাই-শঁতাই সন্মিলনীৰ নিৰ্ধাৰিত কাৰ্যতালিকা বিষয়ক চিন্তালোচনাত ধৰিম আৰু সেই ছেগতে লৰালৰিৰ বেগত লিখি লোৱা অভিভাষণখনো আকৌ এবাৰ লুটিয়াই চাই লম। কিন্তু সি কাৰ্যত নফলিয়ালে; উপজি পুৱাতে, মই শোৱাপাটী নৌ এৰোঁতেই, মোক দেখা দিবলৈ মোৰ বৃদ্ধ বন্ধু ৰায়বাহাদুৰ পৰশুৰাম খাউণ্ড ডাঙৰীয়া গৈ উপস্থিত! তেখেতে, মোৰ শয্যাৰ কাষতে পাৰি থোৱা মাচিয়া এখনত খন্তেকমান বহি কুশল-মঙ্গলৰ দুটামান কথা পাতি মোক প্ৰাতঃ-কৃত্যৰ সুবিধা দিয়াৰ অভিপ্ৰায়ে সাম্প্ৰতিকভাৱে বিদায় ললে। তাৰ পাছত, চাহ খাই উঠোঁতেই মোৰ পুৰণি বন্ধু "টাইমচ্ অব্ অসম" কাকতৰ সম্পাদক ৰাধানাথ চাংকাকতী, "অসমীয়া" কাকতৰ সম্পাদক ৺চন্দ্ৰকুমাৰ আগৰৱালা, আদহীয়া আৰু ডেকা বন্ধু মৌলবী মফিজুদ্দিন হাজৰিকা, শ্ৰীমান ৰবীন্দ্ৰৰাম খাউণ্ড প্ৰমুখ্যে এজনৰ পাছত এজনকৈ বন্ধুবৰ্গৰ সমাগম আৰম্ভ হল, দুপৰীয়ালৈকে মই সংকল্পিত কামলৈ আজৰি নাপালোঁ। তাৰ পাছত আবেলিৰ আগভাগত ভোজন সমাপন কৰি উঠি অলপ জিৰাওঁতেই জনচেৰেক য়োৰোপীয়ান আলহী ডাকবঙলাত থাকিবলৈ বুলি সোমালহি। বাকীকেইটা কোঠালীত সিবিলাকলৈ ঠাইৰ নাটনি পৰাত, মই থকা ডাঙৰ খোঁটালীত থাকিবলৈ বুলি সিবিলাকৰ দুজন সোমালেহি। এনেতে অভ্যৰ্থনা সমিতিৰ ছাত্ৰ কেজনমান আহি সিবিলাকৰে সৈতে তৰ্কবাদ লগালেহি। য়োৰোপীয়ান ভদ্ৰলোককেজনে গতিগোত্ৰ বুজি উঠি সৈমান হৈ, আপোন মনেৰে তাৰপৰা আঁতৰি, ওচৰতে প্লেণ্টাৰ্ছ ষ্টোৰত ঠাই ললেগৈ। সেই গোলমালতে মোৰ আবেলিৰ আজৰিৰ সময় ভালেখিনি এনেই গ'ল। সন্ধিয়া বেলিকা "অসমীয়া" কাকতৰ সহকাৰী সম্পাদক শ্ৰীমান লক্ষ্মীনাথ ফুকনে সিবিলাকৰ কাকতত আগধৰি ছপাই উলিয়াবৰ অভিপ্ৰায়ে টানি ধৰি সভাপতিৰ অভিভাষণখন ৰাতিটোলৈ বুলি খুজি লৈ গ'লহি। সন্মিলনী বৈঠকৰ আগেয়ে অভিভাষণখনত চকু ফুৰাবলৈ মই আৰু ছেগ নাপালোঁ।

পিচদিনা দুপৰীয়া বাৰ বজাৰপৰা সন্মিলনীৰ বৈঠক আৰম্ভ হোৱাটো কাৰ্যতালিকাত বন্ধা আছিল; কিন্তু সভাপতিৰ শোভাযাত্ৰাৰ আয়োজন কৰাত অতি পলম হোৱা হেতুকে, এঘন্টাৰ পলমেহে সভামণ্ডপত সভাপতিক উপনীত কৰোৱা হয়। সভামণ্ডপ ডিব্ৰুগড় বঙালী

'থিয়েটাৰ হল'ত পতা হৈছিল। ডেলিগেট আৰু অন্যান্য ছাত্ৰবৃন্দ আৰু অভ্যাগত দৰ্শক আৰু নিমন্ত্ৰিত ভদ্ৰমণ্ডলী সেই প্ৰকাণ্ড হলটোৰ দীঘে দীঘে দুভাগ হৈ বহি ভৰি পৰিছিল। যাঘন জয়ধ্বনিৰে সৈতে অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদক আৰু সদস্যবৰ্গে আদৰি নি সম্মিলনীৰ সভাপতিক মণ্ডপত প্ৰৱেশ কৰোৱা মাত্ৰে সমবেত সভাস্থ মণ্ডলীয়ে আসন এৰি থিয় হৈ সম্বৰ্ধনা জনাওঁতে মোৰ অন্তৰ আনন্দ উল্লাহত চমক্ খাই উঠিছিল। তাৰ পাছত, অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ পাঠ আৰু মঙ্গল আৰতিৰে সৈতে সম্মিলনীৰ সভাপতিৰ যথাবিধি বৰণ কাৰ্যাদি সমাপন হৈ যোৱাত, সম্পাদক প্ৰমুখ্যে জনদিয়েক ছাত্ৰ সদস্যে মোক আগবঢ়াই নি সম্মিলনী সভাপতিৰ আসন দান কৰিলে।

সভাপতিৰ আসন গ্ৰহণ কৰি উঠিয়েই অভিভাষণ পাঠ কৰিবলৈ মই থিয় দিলোঁ। থিয় দিওঁতেই মোৰ আশঙ্কা হৈছিল যে, সিমান দীঘলীয়া দুশাৰী জনমণ্ডলীৰ এমুৰৰপৰা চিঞৰি পঢ়া অভিভাষণ সিমূৰে শুনাকৈ পাঠ কৰা সম্ভৱপৰ নহব; তাতে শ্ৰোতাসকলৰ হাতে হাতে দিবলৈকো অভিভাষণ ছপা হোৱা নাই, আৰু শাৰীৰিক দুৰ্বলতা হেতু মোৰ কণ্ঠস্বৰো ক্ষীণ হোৱাৰ সম্ভৱ। কিন্তু, ঈশ্বৰৰ ইচ্ছাত, মোৰ ভাগ্যক্ৰমে, অভিভাষণ পাঠ আৰম্ভ হোৱা মাত্ৰকে সমবেত ৰাইজে নিটাল মাৰি একান্ত মনেৰে শুনিবলৈ ধৰিলে, ময়ো প্ৰাণকাতৰে ডাঙৰ ডাঙৰকৈ পাঠ কৰাত সবাৰে সমানে শুনি সন্তোষ পোৱাৰ আভাস দিলে। তাৰ পাছত, বঁটা বিতৰণী আৰু তালিকাভুক্ত আন আন কাৰ্যাৱলীৰ আলোচনা আৰু সিদ্ধান্তৰ সমাপনত প্ৰথম দিনা বৈঠকৰ কাৰ্যৰ সামৰণি মৰা হয়।

পিচদিনা দুপৰীয়া ১২ বজাৰপৰা সম্মিলনীৰ দ্বিতীয় দিনাৰ বৈঠক আৰম্ভ হয়। কাৰ্যাৱলীৰ তালিকামতে প্ৰথমতে সম্পাদকে সম্মিলনীৰ যোৱা বছৰৰ কাৰ্যবিবৰণী পাঠ কৰে। তাৰ পাছত, বিষয় বাছনি সভাই আগ কৰি থোৱা প্ৰস্তাৱবোৰ এটি এটিকৈ তৰ্কালোচনাৰ সিদ্ধান্তমতে গৃহীত হয়। তাৰ পাছত, উপস্থিত ভদ্ৰমণ্ডলীৰ মাজৰপৰা কেইবাজনো বিজ্ঞলোকে একো একোটি সাৰুৱা বক্তৃতাৰে সৈতে সম্মিলনীৰ দীৰ্ঘজীৱন কামনা কৰি নিজ নিজ মন্তব্য প্ৰকাশ কৰে। সদৌ শেহত, সভাপতিৰ আসনৰপৰা মই চমুকৈ এটি বক্তৃতাৰে সৈতে মন্তব্য প্ৰকাশ কৰাৰ পাছত আবেলি পাঁচমান বজাত ছাত্ৰমণ্ডলীৰ জয়ধ্বনিৰ মাজত সম্মিলনীৰ সেইবছেৰেকীয়া বৈঠকৰ সামৰণি মৰা হয়।

সম্মিলনী সভাৰ কাৰ্য সামৰণৰ পাচত, জৰ্জ ইনষ্টিটিউচনৰ চৌহদত অভ্যৰ্থনা সমিতিয়ে সভাপতি আৰু অভ্যাগত ডেলিগেট আৰু দৰ্শকমণ্ডলীৰ সন্মানাৰ্থে আয়োজন কৰা চাহ-জল-পান খোৱা সভাত সদৌটি উপস্থিত হলোঁগৈহঁক। সিও এখন বিৰাট সভা। আগতে তাত বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱে অভ্যৰ্থনা সমিতিৰ হৈ সভাপতি প্ৰমুখ্যে উপস্থিত সমজুৱা সকলৰ গুণ গাই আৰু সম্মিলনীৰ সেই তৃতীয় বছেৰেকীয়া বৈঠকৰ সফলতা কীৰ্তন কৰি এটি সুদীৰ্ঘ সাৰুৱা বক্তৃতা দিয়ে। সেই প্ৰসঙ্গতে সভাপতি হিচাপে ময়ো দুআষাৰ সমিধান-সূচক কথা কবলগীয়া হৈছিল। সদৌশেহত উপস্থিত জনমণ্ডলীক নতশিৰে অভিভাদন জ্ঞাপন কৰি, মই বিদায় মাগিলোঁ। বন্ধুবৰ শ্ৰীযুত (এতিয়া স্বৰ্গীয়) চন্দ্ৰকুমাৰ আগৰৱালদেৱে

তেওঁৰ বাগীত তুলি লৈ মোক আলহীবহা ডাকবঙলাত নমাই থলেহি। তাৰ পাছত, সন্ধিয়া মোৰ সমনীয়া বন্ধু ৰায়চাহাব (এতিয়া ৰায় বাহাদুৰ) শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালাদেৱে ৰাতিৰ ভোজনলৈ নিমন্ত্ৰণ কৰি মোক তেওঁৰ বঙলালৈ লগতে লৈ আহিলগৈ। সেই চাহাবী ধৰণেৰে দিয়া ভোজনত (Dinner) শ্ৰীমান সূৰ্যকুমাৰ ভূঞা, শ্ৰীমান ধীৰেন্দ্ৰনাথ আগৰৱালা, দুহাই আগৰৱালা আৰু মই—এই চাৰিজন মাথোন বহিছিলোঁ। ৰায়চাহাব আনন্দ আগৰ-ৱালাৰ সেই আনন্দ ভোজ পৰম তৃপ্তিৰে সম্ভোগ কৰি উঠি মাজনিশা আলহী বহা ডাকবঙলাত শুই থাকিলোঁহি।

মই ছাত্ৰ সন্মিলনীৰ সভাপতি হৈ যোৱাৰ ছেগ ধৰি ডিব্ৰুগড় আহোম এচোচিয়েচনেও এটা বিশেষ বৈঠক পাতিলে। সেই অৰ্থে, ছাত্ৰ সন্মিলনী সামৰণৰ পিচদিনাই আহোম এচোচিয়েচনৰ কাৰ্যকাৰকসকলে মোক ডাকবঙলাৰপৰা নি, চিৰিং চাপৰিত মোৰ স্বৰ্গীয় মোমাইদেৱ লম্বোদৰ গোহাঞি ফুকন ডাঙৰীয়াৰ ঘৰত থলেগৈ। তাৰ পিচদিনা ডিব্ৰুগড় আহোম এচোচিয়েচনৰ নতুনকৈ সজা পকী সভাঘৰ প্ৰতিষ্ঠা কৰাৰ সূচনাৰে পতা এটা বিশেষ বৈঠকত সভাপতিৰ বাব লৈ, এচোচিয়েচনৰ ভালেমান লাগতিয়াল কাৰ্যৰ দিহা-পৰামৰ্শ দি, নতুন সভাঘৰ প্ৰতিষ্ঠাৰ শুভকাৰ্য সমাধা কৰি উঠি আবেলি বেলিকা জ্ঞাতি-জলপান উপভোগ কৰি পৰম তৃপ্তি লাভ কৰিলোঁ।

পিচদিনা দুপৰীয়া মিতিৰ-কুটুম, জ্ঞাতি-বন্ধুসকলৰ ওচৰত বিদায় লৈ, ৰেলগাড়ীত উঠি ঘৰমুৱাকৈ ওলটা যাত্ৰা কৰিলোঁ। ঘৰ এৰিবৰপৰা সাদিনৰ দিনা উলটি আকৌ তেজপুৰ পালোঁহি। আহি, ঘৰ সোমায়েই সম্ভেদ পালোঁ ইতিমধ্যত মোৰ কন্যা এটিৰ জন্ম হৈছে। এইটিয়েই মোৰ মুমলীয়া সপ্তমী জীয়াৰী শ্ৰীমতী সুনীতি আইদেউ বি, এ।

# দ্বাচত্বাৰিংশ সৰ্গ

বৰপেটাত "অসম এচোচিয়েচন" আৰু "অসম সাহিত্যিক সন্মিলনী"ৰ ক্ৰমে ষোড়শ আৰু তৃতীয় বৈঠক—গুৱালপাৰাত ইং ১৮১৮ চনৰ ডিচেম্বৰত বহা অসম সাহিত্যিক সন্মিলনীৰ ২য় বৈঠকৰ সিদ্ধান্ত অনুসৰি, প্ৰধান সম্পাদকৰ বাব লৈ অহাৰেপৰা গোটেই বছৰ তেজপুৰত এখন সুযোগ্য কাৰ্যনিৰ্বাহক সমিতিৰে সৈতে অসম সাহিত্য সভাৰ দৈনন্দিন কাৰ্য নিয়াৰিকৈ চলাই আছোঁ। এনেতে, ডিব্ৰুগড় ছাত্ৰ সন্মিলনীৰ সভাপতিত্ব কৰি আহি শঁতাৰলৈ নৌপাওঁতেই অসম এচোচিয়েচনৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত আৰু অনুৰোধ ৰক্ষাৰ্থে ইং ১৯১৯ চনৰ ২৭ ডিচেম্বৰত এচোচিয়েচনৰ বৰপেটাত বহিবলগীয়া আগন্তুক বছেৰেকীয়া অধিবেশনৰ সভাপতিৰ বাব গ্ৰহণ কৰিব লগাত পৰিলোঁ। ইতিপূৰ্বতে কেইবা প্ৰসঙ্গতো কৈ অহা হৈছে যে, অসম সাহিত্য সভাৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱা হেতুকে এচোচিয়েচনৰ গাতে গঁঢ়িলা লৈ সভাৰ বছেৰেকীয়া সন্মিলনী এচোচিয়েচনৰ বছেৰেকীয়া বৈঠকৰ আলমত একে ঠাইতে একে মণ্ডপতে আগাপিচাকৈ পতাৰ ৰীতি চলি আহিছিল; গতিকে বৰপেটীয়া বৈঠকত মই দুখন সুকীয়া অনুষ্ঠানৰ দুবিধীয়া দুটা বিষয় বাবৰ বোজা মূৰত লৈ, সেই বছেৰেকীয়া বৰদিনৰ বন্ধত ( Christmas holidays ) বৰপেটালৈ জাতীয় যাত্ৰা কৰিলোঁ। সেই যাত্ৰাত একেলগে মোৰ তেজপুৰীয়া বন্ধু-বান্ধৱ ভালেমান গৈছিল; তাৰ ভিতৰত পৰমানন্দ আগৰৱালা, ৰায়চাহাব ডালিমচন্দ্ৰ বৰা, শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়ানী, শ্ৰীমান দণ্ডিনাথ কলিতা আৰু জনদিয়েক ডেকা চেঙেৰা যাত্ৰী একেখন জাহাজতে একেলগে আৰু পিচদিনা সৰুপেটা ৰেলৱে ষ্টেশ্যনৰপৰা কমলাকান্ত ভট্টাচাৰ্য প্ৰমুখ্যে আৰু জনচেৰেক তেজপুৰীয়া যাত্ৰীৰে সৈতে বাটতে অভ্যৰ্থনা সমিতিয়ে সজাই থোৱা চাহ-জলপানৰ শুশ্ৰূষা গ্ৰহণ কৰি মহোল্লাসে গৰুগাড়ীৰ জানি পাতি শোভাযাত্ৰা কৰি গৈ আছোঁহঁক; এনেতে, ভবানীপুৰৰ ওচৰত কোনোবা ফালৰপৰা ধোঁৱা মেলাই উৰি অহা দি আহি মোৰ তেজ-পুৰীয়া বুঢ়া বন্ধু ৰায়বাহাদুৰ বেথাৰাম শৰ্মা ডাঙৰীয়া আমাৰ লগত সহযাত্ৰী হ'ল। সন্ধিয়া সাতমান বজাত বৰপেটা টাউন সোমোৱা মাত্ৰকে অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত লোহিত চন্দ্ৰ নায়ক প্ৰমুখ্যে মুখিয়াল মেম্বৰসকলৰ পাছত শোভাযাত্ৰা কৰি অহা ৰাইজৰ এযোৰাই জাতীয় জয়ধ্বনিৰে সৈতে আমাক আদৰি নি সমিতিয়ে সষ্টমকৈ থোৱা আলহী বহাত ঠায়ে ঠায়ে থিতাপি কৰি লৈ, সংপ্ৰীতি শুশ্ৰূষা কৰিবলৈ ধৰিলে। কবলৈ পাহৰিছোঁ, একেখন ৰেলতে এছোৱালৈকে বন্ধুবৰ বাৰিষ্টাৰ মিঃ তৰুণৰাম ফুকনো জনদিয়েক গুৱাহাটীয়া বন্ধুৰে সৈতে লগ লাগি যাত্ৰী হৈ গৈছিল; পিছে, চৰাই চিকাৰ কৰিবলৈ বুলি টিহু ষ্টেশ্যনতে সিবিলাক নামি নাৱত উঠিল, ৰাতিহে ভালেমান বনৰীয়া পানীহাঁহ চিকাৰ লৈ আলহী টোলত আকৌ আমাৰ লগ লাগিলহি। পিচদিনা পুৱাৰপৰা বৰপেটীয়া ৰাইজৰ দলদোপ হেন্দোলদোপ। ল'ৰা, ডেকা, আদহীয়া, বুঢ়া সদৌটি আনন্দত উকলীকৃত। ৰভা মণ্ডপ,

শোভাযাত্ৰাৰ দীঘলীয়া বাট-পদূলি, মাজে মাজে আদৰণী দুৱাৰকেখন ডেলিগেট, চেক্ৰেটৰী, সম্পাদক, সভাপতি, প্ৰেচিডেণ্ট থকা আলহী বহাবোৰ বেৰি বেৰি স্থানীয় ৰাইজ জুম জুম। সাক্ষাৎকাৰীসকলক দুটা চাইটা কথাৰে সংপ্ৰীতি সম্ভাষণ দিয়া লোৱাৰ অন্ত নপৰে। শেহান্তত উপায়ান্তৰ হৈ আলহী ঘৰৰ সমুখত এডোখৰ বহল চাপৰি চোতালৰ কেন্দ্ৰত মই আসন লৈ সমৱেত দৰ্শকমণ্ডলীক গা দেখা দি, সন্মিলনী সভালৈ সাজু হবৰ কাৰণে সাউৎকৰে ভিতৰ সোমালোঁগৈ। সেই কালত অসমলৈ মটৰগাড়ীৰ আমদানি হোৱা নাছিল; বৰপেটাত ঘোঁৰাবাগীও নাই। গতিকে, অভ্যৰ্থনা সমিতিৰ সিদ্ধান্ত মতে প্ৰেচিডেণ্টক চৌদোলাত তুলি শোভাযাত্ৰা কৰাই সভামণ্ডপলৈ নিয়াটো স্থিৰ হয়; কিন্তু তাত মোৰ ঘোৰ আপত্তি হ'ল। তাৰ কাৰণ এটা হ'ল, অত প্ৰজাৰ মাজত দৰাটো যেন হৈ যাত্ৰা কৰিবলৈ মই অতিৰঞ্জিত যেন বোধ কৰিলোঁ; আন এটা কাৰণ হ'ল বৃটিচ এচোচিয়েচনৰ আৰ্হিৰ সেই কালৰ ৰাজ-নৈতিক অনুষ্ঠান আসাম এচোচিয়েচনৰ প্ৰেচিডেন্ট হৈ ওলাবলৈ মই কাউন্সিল সভাত পিন্ধা কোট-পেণ্ট-পাগুৰী পোছাকেৰেহে সাজপাৰ কৰি ওলাইছিলোঁ। গতিকে, শোভাযাত্ৰীৰ ৰাইজে বৰকৈ পেৰাপেৰি নকৰি, মোৰ অনুৰোধ মতে, মোক পদব্ৰজে আগবঢ়াই নি, গগনভেদী জয়ধ্বনিৰে সৈতে আদৰণী দুৱাৰত উপনীত কৰিলেগৈ। তাৰপৰা অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সমজুৱাবৰ্গে অতি সুললিত নিভাঁজ অসমীয়া গীত-বাদ্যেৰে আদৰি নি মোক সভামণ্ডপত প্ৰৱেশ কৰোৱা মাত্ৰকে অসংখ্যাত জনমণ্ডলীয়ে আসন এৰি থিয় হৈ সন্মান কৰোঁতে, সঁচাকৈয়ে মই চমক্ খাই উঠিছিলোঁ। সভামণ্ডপত প্ৰৱেশ কৰি মই নিৰূপিত আসন গ্ৰহণ কৰাৰ লগে লগে সমবেত ৰাইজে পুনৰপি নিজ নিজ আসনত উপবিষ্ট হোৱাতহে মই প্ৰকৃতিস্থ হৈ সন্মিলনীৰ কাৰ্যাৰম্ভণৰ অৰ্থে সাজু হলোঁ। ইতি ছেগতে, মিনিট দহেকমান, অভ্যৰ্থনা সমিতিৰ ভাগৰ কাম যুগুত হৈ উঠে মানে সভামণ্ডপ সজোৱাত খটোৱা নিভাঁজ অসমীয়া কৌশল আৰু তাত লগোৱা বিতোপন সাজপাৰলৈ চকু ফুৰাই চাই মুগ্ধ হলোঁ। ৰভাৰ খুটাবোৰত কঠালপাত থাপি থাপিকে লগাই তাৰ ওপৰে ঢেঁকীয়াপতীয়া লতা মেৰাই দিয়াত খুটাবোৰ আপুনি গজা স্বাভাৱিক গজনীয়া গছপুলি যেন দেখা গৈছিল; ঘূৰণীয়া আৰু চৌকোণীয়া ৰভাত বেজীৰে ৰঙা চালু কাপোৰৰ ফুল বছা বিতোপন চন্দ্ৰতাপবোৰ ৰভাৰ জোখেৰে যুগুত কৰা হৈছিল নে ৰভাৰ খোঁটালিবোৰকে চন্দ্ৰতাপৰ জোখ লৈ সজোৱা হৈছিল, ঠাৱৰাবলৈ টান হৈছিল। বৰপেটাৰ সেই চন্দ্ৰতাপ কেথনৰ শ্ৰেণীৰ চন্দ্ৰতাপ মই আন ঠাইত দেখা নাই।

আদৰণী সমিতিৰ সভাপতি শ্ৰীযুত লোহিতচন্দ্ৰ নায়কদেৱে তেওঁৰ দীঘলীয়া অভিভাষণ পাঠ কৰাৰ পাছত, সভাপতি বৰণ আৰু ৰাজনৈতিক স্তোত্ৰ আৰু বৰগীত গোৱাৰ পাছত 'অসম এচোচিয়েচন'ৰ সভাপতিস্বৰূপে মই মোৰ ছপা অভিভাষণ পাঠ কৰোঁতে ডেৰ ঘণ্টা লাগিল। মুঠৰ ওপৰত মোৰ অভিভাষণখন সমবেত ৰাইজৰ মনোৰঞ্জক হোৱাৰ নিদৰ্শন পাই মনত আদৰুৱা আনন্দ আৰু উলাহ লাগিল। তাৰ পাছত, নিৰ্ধাৰিত কাৰ্যতালিকা অনুসৰি প্ৰথম দিনা আলোচ্য বিষয়ক কাৰ্য ৰাতি ৮ বজাত সামৰি থোৱা হ'ল; তাৰ মোখনী মৰাৰ আগতে

সভাপতিৰ আসনৰপৰা সমবেত ৰাইজক জ্ঞাপন কৰা হ'ল, পিচদিনা পুৱা ৭ বজাৰপৰা ১২ বজালৈকে সেই মণ্ডপতে অসম সাহিত্যিক সন্মিলনীৰ বৈঠক বহিব বুলি।

পিচদিনা (২য়) পুৱা অসম এচোচিয়েচনৰ মণ্ডপতে অসম সাহিত্যিক সন্মিলনীৰ ৩য় বৈঠক বহে। সন্মিলনীৰ সভাপতি আছিল শ্ৰীযুত কালীৰাম মেধি এম. এ.। মই সম্পাদক হিচাপে আগধৰি সভাৰ আগলি আয়োজনত যোগ দিলোঁগৈ, আৰু বছেৰেকীয়া কাৰ্যবিবৰণী আৰু আলোচ্য বিষয়াদি সজাই থলোঁগৈ। পুৱা ৭॥ মান বজাত আলহী বহাৰপৰা সভাপতিক শোভাযাত্ৰাৰে আদৰি আনি মণ্ডপত উপনীত কৰোৱা হয়। তাৰ পাছত, নিৰ্ধাৰিত সূচনা অনুসৰি সন্মিলনীৰ কাৰ্য আৰম্ভ কৰা হয়। অভ্যৰ্থনা সমিতি আৰু মূল সন্মিলনীৰ সভাপতিদ্বয়ৰ অভিভাষণ দুখনি বৰ সাৰুৱা হৈছিল, আগৰজনতকৈও পাছৰজনৰখন বিশেষ। তাৰ পাছত, বিষয় বাছনি সভাত আগবঢ়োৱা প্ৰস্তাৱসমূহৰ আলোচনা আৰু সিদ্ধান্ত সভাত গৃহীত হয়। সামৰণৰ আগতে, আগৰ কাৰ্যনিৰ্বাহক সভাৰ নতুন নিৰ্বাচন হোৱাত ময়ো পুনৰ্নিৰ্বাচিত হলোঁ কিন্তু তাৰ আগলিতে মই গুৱাহাটীলৈ টেলিগ্ৰাফ কৰি শ্ৰীযুত সত্যনাথ বৰা বি-এল দেৱৰপৰা সন্মতি অনাই থোৱা মতে সম্পাদকৰ বিষয় বাবৰপৰা মই অব্যাহতি লৈ, সেইবাব তেখেতক দিয়াই মুকলিমুৰা হৈ ললো। সেই আলমতে অসম সাহিত্যিক সন্মিলনীৰ কাৰ্যনিৰ্বাহক সমিতি তেজপুৰৰপৰা তুলি নি গুৱাহাটীত পাতিবলৈ স্থিৰ হোৱাত, সেইমতে সৰহসংখ্যক গুৱাহাটীয়া মেম্বৰে সৈতে নতুন সমিতি গঠন কৰা হয়।

সেইদিনাই (২য়) আবেলি এক বজাৰপৰা আকৌ অসম এচোচিয়েচনৰ বৈঠক হয়। বিষয় বাবৰ সাজ সলাই পুনৰপি সভাপতিৰ আসন লৈ এচোচিয়েচনৰ আলোচ্য বিষয়সমূহৰ আলোচনা আৰম্ভ কৰাই দিলোঁ। সুযোগ্য সম্পাদক শ্ৰীমান চন্দ্ৰনাথ শৰ্মাদেৱে নিয়াৰিকৈ সজাই থোৱা আলোচ্য বিষয়ক প্ৰস্তাৱাদি তেওঁ এটি এটিকৈ গৃহীত কৰোৱাৰ পাছত, এচোচিয়েচনৰ ভালেমান লাগতিয়াল বিষয়ক আলোচনা আৰু সিদ্ধান্তাদি গ্ৰহণ কৰা হয়। সদৌ শেহত উপস্থিত সমজুৱাৰ বক্তব্য আৰু মন্তব্য শুনি দুয়োখন সন্মিলনীৰ ভবিষ্যৎ মঙ্গল-সূচক উচ্চৰাৱৰ গগনভেদী হৰিধ্বনিৰে সৈতে অসম এচোচিয়েচনৰ ষোড়শ বছেৰেকীয়া বৈঠকৰ সামৰণি মৰা হয়।

পিচদিনা (৩য়) পুৱাৰপৰা অভ্যৰ্থনা সমিতিৰ সম্পাদক আৰু মুখিয়াল সদস্যসকলে শ্ৰীযুত বাৰিষ্টাৰ ফুকন, শ্ৰীযুত (পাছত জজ) কামাখ্যাৰাম বৰুৱা প্ৰমুখ্যে ভালেমান মুখিয়াল ডেলিগেট সদস্যেৰে সৈতে এচোচিয়েচনৰ সভাপতিক নগৰ ভ্ৰমণ কৰালে। আমি পোন-প্ৰথমেই বৰপেটাৰ বৰ নামঘৰ দৰ্শন কৰিলোঁগৈ। নামঘৰৰ ভিতৰ সোমাই ৺শ্ৰীশঙ্কৰমাধৱৰ প্ৰকাণ্ড থাপনা শাৰীৰ সন্মুখতে ভালেমান নিলগত কঠ পাৰি বহি ভাগৱত পাঠ কৰা ভাগৱতীৰ আধ্যাচেৰেক ভাগৱত পাঠ শুনিবলৈ দুকাষে দুশাৰীকৈ শ্ৰেণী হৈ বহি গলোঁ। পাঠান্তত প্ৰসঙ্গাদি শুনি আৰু প্ৰসাদ গ্ৰহণ কৰি পৰিতৃপ্ত হলোঁহঁক। সেই নামঘৰৰ গোটাদিয়েক বিশেষত্বলৈ মন কৰি আমি পৰম পুলকিত হলোঁ। বাস্তৱতে, তাৰ আগলৈকে মই কেতিয়াও ক'তো সিমান ডাঙৰ দুৰ্জয় নামঘৰ দেখা নাছিলোঁ। নামঘৰৰ দুশাৰী দুই মুনিহে আঁকোৱালি

নোপোৱা বৰ খুটাই তাৰ গাম্ভীৰ্য অতিকৈ চৰাইছে। তাৰ লগবীয়া আৰু এটি বিশেষত্ব দেখিলোঁ। মণিকূটত জলোৱা বন্তিগছ আৰু তালৈ ব'ই থকা তেলৰ যোগান দিয়া ব্যৱস্থাৰে বন্তিগছ হেনো নামঘৰ প্ৰতিষ্ঠাৰ দিনা লগাবৰেপৰা দিনে ৰাতিয়ে একেৰাহে জ্বলি আছে, এনে কি, ইং ১৮৯৭ চনৰ প্ৰবল ভূমিকম্পেও তাৰ ব্যতিক্ৰম ঘটাব নোৱাৰিলে। আটাইতকৈ ডাঙৰ দৰ্শন হ'ল শ্ৰীশঙ্কৰ-মাধৱৰ হাতৰ আখৰ, তেখেতসকলৰ স্বহাতে লিখা পুথি এখন দেখি মোহিত হলোঁহঁক। সেই আলমতে আৰু এটা বিশেষত্ব দেখিলোঁ এই যে, সেই নামঘৰৰ ভিতৰত সামাজিক কাৰ্যালোচনাদি মুনিহ আৰু তিৰোতাৰ মাজত সমানে চলে। তদৰ্থে সেই প্ৰকাণ্ড নামঘৰটোৰ দীঘে দীঘে দুফালকৈ বিভগীয়া চিলিঙি বাৰ এখন দিয়া আছে; কাৰ্যালোচনাৰ সময়ত এফালে তিৰোতা আৰু ইফালে মুনিহ সমজুৱা সমকক্ষীয়াকৈ বহে। একে সময়তে একেটা বিষয়ক তৰ্কালোচনা দুয়োফালে চলে। আলোচনাৰ সিদ্ধান্তত মুনিহ আৰু তিৰোতা সমাজৰ মাজত মতানৈক্য ঘটিলে, সাংখ্য সৰ্ত গণনা কৰি, সৰহীয়া ভোটাধিকাৰী দলৰ মতে সিদ্ধান্ত গৃহীত হয়। আমাক দেখুৱাবলৈকে সেইদিনা নামঘৰত এখন সামাজিক কাৰ্যালোচনাৰ মেল বহিছিল। মেলৰ সুশৃঙ্খলাত আলোচনাৰ প্ৰকৰণ আৰু যুক্তিপূৰ্ণ তৰ্কবাদেৰে তাৰ সিদ্ধান্ত গ্ৰহণলৈ লক্ষ্য কৰি বিমোহিত হলোঁহঁক।

সেইদিনা (৩য়) আবেলি সভামণ্ডপৰ ৰভাৰ তলত সন্মিলনীৰ সামৰণৰ দিনাই উলটি নহালে আদিকা থকা ডেলিগেট আলহীবৰ্গক বৰপেটীয়া ৰাইজে মিঠৈ আৰু চাহ-জলপানেৰে শুশ্ৰূষা কৰি মিঠামুখীয়াকৈ বিদায় সম্ভাষণ জনালে। সেই আদৰৰ সৰল শুশ্ৰূষাত পৰম পৰিতৃপ্ত হলোঁহঁক। সঁচাকৈয়ে সেইদিনা বৰপেটীয়া আঠাদৈৰ কৰাল পানীৰে পথালি গুচাব নোৱাৰি চেনিৰে ধুই গুচোৱালৈ আজিকোপতি পাহৰা নাই। বৰপেটীয়া ৰাইজৰ সম্ভাষণ সম্প্ৰীতি শেষ বিদায় অতৃপ্ত প্ৰাণেৰে গ্ৰহণ কৰি সেই ৰাতিয়েই গৰুগাড়ী শাৰী পাতি ওলটা যাত্ৰা কৰিলোঁহঁক। পুৱা দহমান বজাত সৰভোগ ৰেল ষ্টেশ্বনত নামিলোহি। তাতে সেই সময়ৰ বৰপেটাৰ মহকুমাধিপতি শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা হাকিমদেৱে আগধৰি যুগুত কৰাই থোৱা লুচি-পুৰি ভাজিৰে সৈতে কাঁহীভৰা জলপান ভোক গুচাই খাই, পৰিতুষ্ট হৈ, অন্তৰে অন্তৰে তেওঁৰ শলাগ লৈ, গুৱাহাটীমুখীয়া ৰেলগাড়ীত উঠাৰ ক্ষন্তেকমানৰ পাছতে, উকি মাৰি ৰেলে আমাক ঘৰমুৱাকৈ উৰুৱাই লৈ আহিলে।

# ত্ৰয়োচত্বাৰিংশ সৰ্গ

## লক্ষীমপুৰীয়া ৰাইজৰ অভিনন্দন

পোন প্ৰথম অসম কাউন্সিলৰ ৪ৰ্থ বছৰত, ইং ১৯১৬ চনৰ ফেব্ৰুৱাৰী মাহত, ৰাইজৰ সাদৰী আৱাহন শিৰত লৈ, মই পোন্ধৰ বছৰৰ মূৰত, অনৰেবোল কাউন্সিল মেম্বৰস্বৰূপে, মোৰ জন্মঠাই উত্তৰ লক্ষীমপুৰলৈ গৈছিলোঁ। ইং ২০।২।১৬ তাৰিখে আবেলি, জাতি, ধৰ্ম, সমাজ নিৰ্বিশেষে ৰাইজৰ প্ৰতিনিধিবৰ্গে মোক টাউনৰপৰা তিনি মাইল আঁতৰস্থিত ৰঙা নৈৰ পহুমৰা ঘাটৰপৰা সংসঙ্গীতে আদৰি আনেগৈ। পিচদিনা ডুপৰীয়া 'ৰহদলা' পুখুৰীৰ পাৰৰ চাপৰিত নতুনকৈ প্ৰতিষ্ঠিত ৰাজহুৱা নাট্যমন্দিৰৰ মুকলি চোতাল, পূজ্যপাদ শ্ৰীশ্ৰীমাহৰা সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ সভাপতিত্বত, এখন বিৰাট ৰাজহুৱা সভাত, মোক উত্তৰ লক্ষীমপুৰলৈ গতায়াতৰ ( বদতি, গড়মূৰ আৰু ৰঙা নৈয়েদি ) সুচল বঢ়োৱা উদ্যমৰ শলাগ লৈ, সদৌ ৰাইজীয়া সম্ভাষণ জ্ঞাপন কৰে, আৰু সেই আপাহতে ছেগ ধৰি লক্ষীমপুৰীয়া আহোম জাতিবৰ্গই তলত তুলি দিয়া অভিনন্দন পত্ৰখনি দান কৰে :

জাতি হিতব্ৰতা স্বদেশ বৎসল জাতি শুভাকাঙ্ক্ষী সাহিত্যৰথী শ্ৰদ্ধাস্পদ কৰ্মযোগী অনৰেবোল শ্ৰীযুক্ত পদ্মনাথ গোহাঞিবৰুৱা, আহোম সভাবিলাকৰ জেনেৰেল চেক্ৰেটৰী ডাঙৰীয়াৰ কৰকমলেষু !

মহাত্মন !

আজি আমাৰ কি সৌভাগ্য আপোনাৰ নিচিনা উদাৰ স্বভাৱী, পতিত জাতিৰ উন্নতিকামী মহানুভৱ মহাপুৰুষৰ সাক্ষাৎ লাভ কৰিছোঁ। আজি হৃদয়-সমুদ্ৰত আনন্দৰ যি অসীম তৰঙ্গ উথলি উঠিছে, তাক ভাষাৰে প্ৰকাশ কৰিবলৈ কথা বিচাৰি নাপালোঁ। আমি অতি দৰিদ্ৰ, অজ্ঞান আন্ধাৰৰ অতি নামনি খাপত পৰি আছোঁ ; ধন, জ্ঞান, শিক্ষা, আদি সকলো বিষয়তে আনতকৈ হীন। আপোনাৰ নিচিনা পৰম শুভাকাঙ্ক্ষী মহোপকাৰী মহৎ লোকক যিদৰে অভিনন্দন দিব লাগে, যিদৰে সাদৰ সম্ভাষণ কৰিব লাগে, তেনে সম্বল, তেনে ক্ষমতা আমাৰ নাই। আপুনি নিজ গুণে যেন আমাৰ সকলো ক্ৰটী মাৰ্জনা কৰে, দৰিদ্ৰ জাতিবৰ্গৰ এয়ে সৰল গোহাৰি।

বহু দিনৰ মূৰত আপুনি জন্মঠাই চাবলৈ আহিছে, মুৰ্খতা ৰজনী এলাহ টোপনিত লাল্‌কাল্ হৈ পৰি থকা জাতি ভাইসকলক নিজগুণে আপোনাৰ জ্ঞান জ্যোতিৰ অকণি কণা বিতৰি সাৰগৰ্ভ উপদেশ দি কৃতাৰ্থ কৰিবলৈ আহিছে। হাঁয় ! আমি এনে অপদাৰ্থ যে আপোনাৰ তুল্য মহোপকাৰীজনক যথাযোগ্যৰূপে সম্ভাষণ কৰিবও নোৱাৰিলোঁ।

আমি বিদ্যা-বুদ্ধি, ধনে-জ্ঞানে সকলোতে অতি হীন হলেও এটি বিষয়ত আমাৰ যথেষ্ট গৌৰৱৰ কাৰণ আছে। কাৰণ, ভৱাদৃশ মহামূল্য ৰত্নৰ এই চেচুকীয়া আন্ধাৰ ঠাইতে জন্ম হৈছিল। ইয়াতকৈ আমাৰ গৌৰৱৰ কথা, আনন্দৰ বিষয় আৰু কি আছে, আপুনিয়েই আমাৰ সৰ্ব ভাৰসা।

হে মহাত্মন্! আমাৰনো কি আছে, কিহেৰে আপোনাক তুষ্ট কৰিম! আছে মাথোন দৰিদ্ৰ হৃদয়ৰ অকপট ভক্তি, হিয়া ভৰা স্নেহ আৰু সৰ্বকৰ্তা মঙ্গলময়ৰ ওচৰত সৰল প্ৰাৰ্থনা। হিয়াভৰা ভক্তি প্ৰীতিৰ যৎ সামান্য উপহাৰ বনফুলৰ মালাধাৰি গ্ৰহণ কৰি নিজৰ মহানুভৱতাৰ পৰিচয় দি কৃতাৰ্থ কৰে যেন।

অৱশেষত, আমি সকলো জ্ঞাতিবৰ্গই, পৰমেশ্বৰৰ চৰণত অতি ভক্তিভাৱে কৰযোৰে প্ৰাৰ্থনা কৰোঁ, যেন দয়াময়ে আপোনাক সকলো অপায় অমঙ্গলৰপৰা ৰক্ষা কৰি দীৰ্ঘজীৱী কৰক। স্বজাতিৰ, বিশেষকৈ সকলো বিষয়তে পতিত আহোম জাতিৰ, স্বপ্ৰদেশৰ আৰু মাতৃ ভাষাৰ উন্নতিৰ অৰ্থে অশেষ পৰিশ্ৰম কৰিবলৈ শক্তিবান কৰক! সৰ্বশক্তিমান পৰমেশ্বৰে যেন পৃথিৱীত আপোনাৰ চিৰস্মৰণীয় অক্ষয়কীৰ্তি ৰাখি অমৰ কৰি ৰাখক, এয়ে সৰ্বকৰ্তা সৰ্বমঙ্গলময় জগৎপতিৰ চৰণত দৰিদ্ৰ জ্ঞাতিবৰ্গৰ একান্ত প্ৰাৰ্থনা।

(১)

লক্ষীমপুৰৰ আহোম সভাৰ, কিনো শুভদিন মিলিলে আহি,
স্বদেশ প্ৰেমিক জ্ঞাতি বন্ধু তুমি, দিলা দৰিশন মুখত হাঁহি।
কিমান ভাগ্যৰ বলে সমাজৰ আঁচলৰ নিধি পালোঁ তোমাক,
কি বুলিনো আজি কৰিম প্ৰকাশ হিয়াৰ আনন্দ কৃতজ্ঞ ভাব,
নাই তেনে ভাষা দুখী সমাজৰ, বিদ্যাবুদ্ধি সকলো হীন ;
বনফুলমালা ভক্তিৰে অৰ্পিলে হোৱা হেৰা দেৱ নকৰা ঘিণ।

(২)

স্বদেশ উন্নতি জপি হৃদয়ত, সাধিলা উদ্দেশ্য মহান অতি
কৰ্ম জীৱনৰ আহিঁ দেখুৱাই, জ্বলালা দেৱ অসম-বন্তি।
দুখ তাপে ভৰা অসম আইৰ, ঢালিলা ইয়াত বিমল জ্যোতি,
ৰাঙলী বৰণে কাচি পূব কোনে উষাৰ উদয় আন্ধাৰ ভেদি।
কি আছে আমাৰ কি দিম তোমাক, কৰিম সন্তোষ হৃদয় জুৰি
কৰা চৰিতাৰ্থ, জ্ঞাতিসকলক ক্ষুদ্ৰ ফুলমালা গ্ৰহণ কৰি।

(৩)

সমাজ সংস্কাৰ, ধৰ্ম শিক্ষা নীতি আদি গুৰুভাৰ সাহেৰে তুলি,
কৰিলা পালন জীৱনৰ ব্ৰত, আপোনাৰ স্বাৰ্থ সকলো ভুলি।
লভিলে আহোমে স্বকীয়া আসন, দেখিলে তোমাৰ প্ৰতিভা স্থূল,
সাধিলা উদ্দেশ্য অতি উলাহেৰে, তুমি সকলোৰে গৌৰৱ ফুল।
জীৱন-নাৱৰ তুমি গুৰিয়াল, আছোঁ তোমাতেই নিৰ্ভৰ কৰি,
ঋণী সমাজক, নেৰিবা হে দেৱ, থাকিবা সততে দয়া বিতৰি।

( ৪ )

সকলো কামতে পিচপাৰি থকা, এচুকীয়া এই দুখীয়া ঠাই,
জনম ইয়াতে লভিলা দুজন, অতি চেনেহৰ সজ্জাতি ভাই।
একেলগে দুয়ো একে শিকনিকে শিকি বয়সত সাধিলা কাম,
জুৰালে আইৰ হিয়া ভঙ্গা বুকু, তোমা দুয়োৰে শুনি সুনাম।
নিদাৰুণ কালে তাৰে এজনক অকালতে হাঁয় নিলে হৰি,
মনৰ দুখত দুখুনী আইয়ে কান্দিলে অনেক বিননি ধৰি।

( ৫ )

কালৰ বিচিত্ৰ গতি ভাবি পাচে তোমাৰ মুখলৈ সততে চাই,
সকলো সন্তাপ পাহৰি পেলালে সুযোগ্য পুত্ৰৰ চিনাকি পাই।
বিভুৰ কৃপাত দিনকে দিনে জিলিকালা দেৱ মাতৃৰ নাম,
কতনো অমূল্য ৰত্ন উলিয়াই, সাধিলা জীৱন উদ্দেশ্য কাম।
জাতীয় বুৰঞ্জী জীৱন চানেকি, তুলিলা অশেষ যতন কৰি,
তুমি সাহিত্য বনৰ, সুগন্ধি কুসুম, উৰিল সৌৰভ অসমজুৰি।

( ৬ )

দয়ালু ৰজাই উপযুক্ত বঁটা সাহিত্য পেন্সন সবল ভাব,
শাসন সভাৰ আহোম সদস্য, দিলে মাননীয় সুযোগ্য বাব।
অসম বিলত হে পদুম তুমি, ফুলিলা তোমাৰ জেউতি ধৰি,
মাতৃৰ নামৰ কৰিলা সাৰ্থক, নানা খিতাপেৰে ভূষিত কৰি।
কিনো মধুময়, তোমাৰ জীৱন, আদৰ্শ পুৰুষ আমাৰ জীৱন তুমি
অজলা জাতিক দিলা জ্ঞান চকু, পোহৰালা এই জনমভূমি।

( ৭ )

হে বিশ্বনিয়ন্তা জগত ব্যাপি পৰিছে তোমাৰ কৰুণা জ্যোতি,
অনন্ত নামৰ মহিমা সুমৰি তৰিছে অধম মানৱ জাতি।
খাটিছোঁ তোমাক সকলো জাতিয়ে কায়-বাক্য-মনে কাতৰ কৰি,
এনে মহাত্মাক সুদীৰ্ঘ জীৱন দিয়া যেন প্ৰভু দয়া কৰি।
জাতিৰ জাতিৰ উন্নতিৰ অৰ্থে যিজনে এৰিছে স্বাৰ্থৰ মান,
তেনে পুৰুষক দিয়াঁ শক্তি বল পাবলৈ তোমাৰ পবিত্ৰ দান।

( ৮ )

হে গোহাঞি দেৱ, মাজে মাজে যেন দুখীয়া জাতিলৈ মনত কৰি,
তোমাৰ অপাৰ কৰুণাৰ ধাৰা থাকিবা বোৱাই অসম জুৰি।

কৰিছোঁ আশীষ জয়ধ্বনি তুলি, সকলোৱে যেন লভো সুফল,
মঙ্গলময় মঙ্গল নামেৰে বাঢ়োক তোমাৰ যশস্যা বল।
প্ৰীতি-ভক্তি মালা পিন্ধাই তোমাক অপাৰ আনন্দ লভিছোঁ আজি,
কৰ্তব্য পথত আগবাঢ়া দেৱ, সততে তোমাৰ বাঢ়োক খ্যাতি।

বিনীত—
উত্তৰ লক্ষীমপুৰ আহোম সভাৰ
উপস্থিত জ্ঞাতিসমূহ,
উত্তৰ লক্ষীমপুৰ, ইং ২২।২।১৬ চন

# চতুশ্চত্বাৰিংশ সৰ্গ

## 'ৰায়চাহাব' খিতাপ

ইং ১৯১৬ চনৰ শেহছোৱাত, পোনপ্ৰথম অসম কাউন্সিলৰ কাৰ্যকালৰ সামৰণিত, আহোম প্ৰতিনিধিস্বৰূপ, মোৰ 'অনৰেবোল কাউন্সিল মেম্বৰ' বিষয় বাবৰ সময় অতীত হোৱাত, মোৰ শিৰোনামাৰপৰা 'অনৰেবোল' খিতাপ খহনিৰ ক্ষতি পূৰণৰ অৰ্থে, মোৰ শুভাকাঙ্ক্ষী অনৰেবোল চীফ কমিশ্যনাৰ ছাৰ আৰ্চডেল আৰ্ল চাহাব বাহাদুৰে ভাৰত-গৱৰ্ণমেণ্ট প্ৰদত্ত 'ৰায়চাহাব' খিতাপেৰে মোক ভূষিত কৰি, চৰকাৰী ৰীতি বিধিমতে, ইং ১৯১৭ চনৰ প্ৰথমদিনা মোলৈ এটা বিজুলী বাতৰি দিয়ে। সেইদিনা পুৱা মই মোৰ বৰ্তমান থকাঘৰ তেজপুৰীয়া 'পদ্মকুটীৰ' সজোৱা ঠাইত কুলী, মিস্ত্ৰী, ঠিকাদাৰ আৰু ৰাজমিস্ত্ৰীৰ কাম-বনৰ দিহা দি আছিলোঁ। এনেতে, মোক দেখা দিবৰ উদ্দেশ্যে, তেজপুৰ প্ৰবাসী মোৰ পুৰণি বয়সীয়া বন্ধু শ্ৰদ্ধেয় ৰায়চাহাব দেৱেশ্বৰ শৰ্মা বৰুৱা আৰু মোৰ সমনীয়া ডেকা বন্ধু শ্ৰীযুত (পাছত ৰায়চাহাব) নাৰায়ণ শৰ্মা বৰুৱা হঠাতে মোৰ ওচৰত থিয় হ'লহি ; সিবিলাকক বাট দেখুৱাওঁতা হৈ, সেই সময়ৰ তেজপুৰত স্কুল চাব-ইন্সপেক্টৰ, মোৰ অনুজপ্ৰতিম শ্ৰীমান যোগেশ্বৰ শৰ্মা বৰুৱাদেৱো লগতে আহিছিল। আমি অভ্যাগত বন্ধুদ্বয়েৰে সৈতে কুশল মঙ্গলৰ বা-বাতৰি সোধাসুধিকৈ আছোহঁক, ইতিক্ষণতে টেলিগ্ৰাফ অফিচৰ হৰকৰাই বিজুলী বাতৰিৰ লেফাফা এটা মোৰ হাতত দিলেহি। সেই লেফাফাৰ শিৰোনামাত 'ৰায়চাহাব' খিতাপ দেখিয়েই মোৰ ধাৰণা হ'ল যে, সেইটো ৰায়চাহাব দেৱেশ্বৰ বৰুৱা ডাঙৰীয়াৰহে টেলিগ্ৰাম ; সেই ধাৰণাতে, পূৰা শিৰোনামালৈ মন নকৰাকৈয়ে লেফাফাটো তেখেতৰ হাতলৈ পাৰ কৰিলোঁ। ৰায়চাহাব ডাঙৰীয়াই মেলি চাই, উলাহৰ আনন্দ ধ্বনি এটি উচ্চাৰি, ততালিকে টেলিগ্ৰামটো মোৰ হাতলৈ ঘূৰাই দি এইবুলি সন্তোষ প্ৰকাশ কৰিলে, "নহয়, এইটো টেলিগ্ৰাম মোৰ নহয়, আপোনাৰহে ; আপোনাক গৱৰ্ণমেণ্টে 'ৰায়চাহাব' খিতাপেৰে বিভূষিত কৰিছে, বৰ আনন্দৰ বিষয় !" তেখেতৰ লগৰীয়া ই দুজনেও সেইদৰেই আনন্দ প্ৰকাশ কৰিলে। মই কিন্তু অত্যন্ত বিমৰ্ষ হলো। টেলিগ্ৰামটো হাতত লৈ পঢ়ি চাই ৰোষ চম্ভালিব নোৱাৰি মই বৰ বিৰক্তিভাৱে এই বুলি কৈ উঠিলোঁ, "অযাচিতে মোক এইদৰে লাঞ্ছিত কৰা হ'ল কিয় ? মইতো খিতাপপ্ৰাৰ্থী নাছিলোঁ ; এই খিতাপ মোৰ মূৰত খাপ নাখায় ! মোৰ আৰ্জিত সাহিত্যিক সম্পদলৈ চাই দিয়া হৈছে যদি, মই কওঁ, ই চতুষ্কোণীয়া বিন্ধাত ঘূৰণীয়া শলাৰ (round thing in square hole) নিচিনা হৈছে ; নাইবা, শাসন সংক্ৰান্ত ৰাজকীয় কৰ্মক্ষেত্ৰত মোৰ যৎকিঞ্চিৎ কৃতকাৰ্যতালৈ লক্ষ্য কৰি এই খিতাপ দিয়া হৈছে যদি, তাৰ দ্বাৰাই মোক শলাগৰ অপাত্ৰ বুজোৱা হৈছে। মই অমতিপলমে ঘূৰি টেলিগ্ৰাফত এই অযথা দান প্ৰত্যাহাৰ কৰোঁগৈ।" এই বুলি আলহী বন্ধুদ্বয়ৰ ওচৰত বিনীতভাৱে বিদায় লৈ, উচাৎমাৰি বেগাবেগিকৈ পুৰণি বহালৈ খোজ ধৰিলোঁ। প্ৰবাসী বন্ধু দুগৰাকীয়ে কিবা বুজনি বাণী শুনাবলৈ প্ৰয়াস পাইছিল, কিন্তু ছেগ নাপালে।

পিছে, শ্ৰীমান যোগেশ্বৰ বৰুৱাদেৱে মোৰ লগ নেৰি পিছে পিছে যেদি লগাতে সৰ পালেহি; মই 'লীলা এজেন্সি' অফিচত সোমাই টেলিগ্ৰামৰ সমিধান লিখিবলৈ বহিলোঁ, তেওঁ৷ কামতে বহি লৈ নিটাল মাৰি মোলৈ চাই ৰ'ল। মই সমিধানটো এইবুলি লিখি উঠি বৰুৱাদেৱক পঢ়ি শুনালো—"Renounced with thanks title conferred does not suit me"। পঢ়ি শুনাই তেওঁক সুধিলোঁ, "ঠিক হৈছেনে?" তেওঁ উত্তৰ দিলে, "হৈছে, কিন্তু—।" মই মুখি ধৰি উদ্বেগেৰে কলোঁ, "কিন্তু কি আকৌ!" তেওঁ পুনৰাই ক'লে, "কিন্তু নিয়মমতে ঠিক হোৱা নাই, কিয়নো, অসম গৱৰ্ণমেণ্টৰ প্ৰতি প্ৰত্যাহাৰ কৰাটো অবৈধ হ'ব, যিহেতু খিতাপটো অসম গৱৰ্ণমেণ্টৰ নহয়, ভাৰত গৱৰ্ণমেণ্টৰহে।" মই কলোঁ, "তেন্তে ভাৰত গৱৰ্ণমেণ্টলৈকে পোনহাতে সমিধান দিয়া যাওক।" তেওঁ ক'লে যে, সেইদৰেও ঠিক নহ'ব, কাৰণ, তেনেহ'লে লোকেল গৱৰ্ণ-মেণ্টক অমান্য কৰা হ'ব। এইদৰে তেওঁ টেঙৰালি কৰা যেন ভাবি, মই আগৰভাৱেই লিখিত টেলিগ্ৰামটো দিবলৈ ওলালো; এনেতে ডেকাবৰুৱাদেৱে গিৰিপ্ কৰে উঠি ক'লে, "দিয়ক তেন্তে, মোৰ হাততে দিয়ক, মই বহালৈ যাওঁতে বাটতে টেলিগ্ৰাফ অফিচত সোমাই দি যাওঁগৈ, ৰছিদখন আবেলিকৈ দি যামহি।" এইবুলি, মোৰ হাতৰপৰা টকাটোৰে সৈতে লিখি লোৱা টেলিগ্ৰামখন ঠাপমাৰি লৈ বৰুৱা বোপাদেৱ বেগাবেগিকৈ ওলাই গুচি গ'ল। পিছে, আবেলি তেওঁ নহা দেখি, ফুৰিবলৈ যোৱা লাচতে মই তেওঁৰ বহা পালোঁগৈ। গৈ শুনিলো, বোলে দুপৰ ভাটী দিওঁতেই তেওঁ মফচললৈ ওলাই গ'ল; চাৰি পাঁচদিনমানৰ মূৰতহে উলটি আহিব। মই মনৰ উগুল-থুগুল ভাৱত মনে মনে গুচি আহিলোঁ। তাৰ পাছত দুদিনমানৰ পাছৰপৰা গুণগ্ৰাহী বন্ধুবৰ্গৰপৰা সন্তোষ জ্ঞাপক (congratulatory) টেলিগ্ৰাম আৰু চিঠি-পত্ৰাদি আহিবলৈ ধৰিলে; তাৰ ভিতৰত Mr. (পাছত Sir William) Reid, Mr. Botham, Mr. Majid, Rai Bahadur Handique, Rai Bahadur Ghanasyam Barua—এইসকলে সিবিলাকৰ টেলিগ্ৰামত 'Rai Saheb' খিতাপ "First Instalment" মাথোন বুলি মোক প্ৰবোধ দিছিল। মোৰ কিন্তু একোতে ভাল নালাগিল; মই সেই খিতাপ প্ৰত্যাহাৰ কৰি অসম গৱৰ্ণমেণ্টলৈ দিয়া মোৰ টেলিগ্ৰামকে সাব্যস্ত কৰি, কালৈকো উত্তৰ নিদিয়াকৈ কেদিনমান গুণি ভাবি নিটাল মাৰি আছোঁ, এনেতে মফচলৰপৰা ঘূৰি অহাৰ পাছত এদিন আবেলি সেই ৰঙিয়াল ডেকাবৰুৱাদেৱে মোৰ ঘৰত মোক দেখা দি, মোৰ টকাটো ওলোটাই দি, হাঁহি মুখে এইবুলি কলেহি, "টেলিগ্ৰামটো দিবলৈ সত নগ'ল, ক্ষমা কৰিব।" মই সেই বিষয়ে তেওঁক আৰু একো নকৈ মনে মনে থাকিলোঁ, কিয়নো, সময়ৰ সোঁতত, মোৰ মনত পোন চাতেই উতলি অহা বিৰক্তি ভাব ক্ৰমাৎ শাম কাটি আহিছিল, বিশেষকৈ মিঃ ৰীড চীফ ছেক্ৰেটৰী চাহাবে তেওঁৰ পাছৰ চিঠিত "I hope better chance will come before long" বুলি লিখালৈ চাই।

## অনৰেৰী মেজিষ্ট্ৰেটৰ বিষয়-বাব

ইং ১৯১৪ চনতে মিঃ ৰীড (পাছত Sir William Reid) চীফ ছেক্ৰেটৰী চাহাবে অনৰেৰী মেজিষ্ট্ৰেটৰ বিষয়-বাব মোক যাচি চাইছিল; তেতিয়া মই কাউন্সিললৈ সঘনে

বদতি ঘাটৰপৰা বিহপুৰীয়া থানালৈকে এইছোৱা বাটৰ অৱস্থা অতি শোচনীয়। চাই চাই গৈ থাকোঁতে মনে মনে ইয়াকে পাঙি গৈছিলোঁ, বোলোঁ, যদিহে আগন্তুক নির্বাচনত কৃতকার্য হৈ কাউন্সিলত পুনৰপি প্ৰৱেশ কৰিব পাৰোঁ, তেন্তে উত্তৰ লক্ষীমপুৰলৈ যাতায়াত কৰা এই অতি আৱশ্যকীয় বাটছোৱাৰ উন্নতি বিধান কৰোৱাটোৱেই মোৰ পোন প্ৰথম উদ্যম হ'ব। এইদৰে গৈ গৈ লালুকৰ চৰকাৰী জিৰণি বঙলাত নামি ক্ষন্তেকমান জিৰাই লৈ, আকৌ যাবলৈ ধৰিলোঁহঁক; যাওঁতে যাওঁতে মন কৰিলোঁ, লালুকৰপৰা ৰঙা নৈৰ ঘাটলৈকে এইছোৱা পুৰণি আলিবাট যদিও, ঠাই ঠাই বুজি বোকা উঠি ইয়াকো যাতায়াতলৈ বেজুতি কৰি পেলাইছে। বাটৰ এই অৱস্থাই ওপৰত উনুকিওৱা মোৰ সঙ্কল্প দৃঢ়তৰ কৰিলে।

মনতে আগন্তুক বিবিধ বিষয়ক অনা-গুণা কৰি গৈ গৈ সেই মোৰ ল'ৰাকালৰ সুপৰিচিত লীলাভূমি পহুমৰা ঘাটত উপনীত হৈ, হাতীৰ ওপৰৰপৰাই দেখিলোঁ, সিপাৰে শোভাযাত্ৰাৰ দল এটিৰ আগত থিয় দি, জনদহেক নেতা সাজৰ ভদ্ৰমণ্ডলী মোৰ প্ৰতীক্ষাত উৎফুল্ল হৈ আছে। আমি হাতীৰপৰা নানামি হাতীৰেই নৈ পাৰ হলোঁহঁক। কাৰণ, তেতিয়া নৈত হাতীয়ে থাউনি পায়। ৰঙা নৈ পাৰ হৈ, পহুমৰা ঘাটৰ পাৰত হাতীৰপৰা নমা মাত্ৰকে সমবেত ৰাইজৰ মাঙ্গলিক উচ্চস্বৰ মাৰ যোৱাৰ পাছত, চাৰিটি স্কুলীয়া ছাত্ৰৰে এককণ্ঠে আদৰণি গীত গাই গাই মোৰ বিনম্ৰ কণ্ঠত চাৰিধাৰি আশীষমালা পিন্ধাই অভ্যৰ্থনা জ্ঞাপন কৰিলে। তাৰ পাছত, সপ্তম হৈ থকা অসমীয়া ৰাইজীয়া গায়নে-বায়নে দেৱবাদ্যেৰে মোক সন্মানিত কৰিলে। ইতিক্ষণত বুজিলোঁ, উপস্থিত অভ্যৰ্থনাকাৰী ৰাইজে মোৰপৰাও কিবা সমিধান শুনিবলৈ আন্তৰিকতাৰ আভাস দিছে। বুজিয়েই মই ভ্ৰু-আষাৰমান কৃতজ্ঞতাসূচক কথা কওঁ বুলি আৰম্ভ কৰিলোঁ, কিন্তু অত্যধিক মোৰ বাকশক্তিৰ অভাৱ বোধ কৰিলোঁ; ৰাইজেও বুজিলে, মযো গোটাদিয়েক কথাৰেই মোৰ হিয়াত উপচি পৰা ভক্তিপূৰ্ণ অনুৰাগ বিৰিঙাই দেখুৱাই ৰাইজক নমস্কাৰ কৰিলোঁ।

ৰঙানৈৰ পহুমৰা ঘাটৰপৰা টাউনৰ বুকুলৈকে আঢ়ৈ মাইলমান বাট হ'ব। এইছোৱা মই ৰাইজৰ মাজত সোমাই খোজকাঢ়ি যাবলৈ ওলালোঁ। শোভাযাত্ৰী দলৰ নেতাসকলে মোক পুনঃ হাতীত তুলি নিবলৈ বৰকৈ পিড়ি ধৰিছিল, কিন্তু মই একোপধ্যে মান্তি নহলো; অগত্যা মোক মাজত লৈ, হৰিনাম গাই গায়নে-বায়নে ৰাইজে নগৰৰ মুখে গতি কৰিবলৈ ধৰিলে। গৈ গৈ নগৰৰ বক্ষস্থলত চাৰিআলি মূৰত কল পাত আৰু চালু কাপোৰেৰে সজাই থোৱা এটি বিমোহন বাটচ'ৰাত উপনীত হলোঁ, তাতে সৰহীয়া জনমণ্ডলীয়ে উচ্চৰৱে জয়ধ্বনি দি, মোক অভ্যৰ্থনা জ্ঞাপন কৰিলে; আৰু তাতে টাউনবাসী মানী নেতা শ্ৰীযুত ৰামচন্দ্ৰ গোস্বামীদেৱে সদৌ লক্ষীমপুৰীয়া ৰাইজৰ হৈ এখন সুদীৰ্ঘ অভিনন্দন-পত্ৰ পাঠ কৰিলে। অভিনন্দন-পত্ৰত মোৰ যোগ্যতাৰ ওপৰঞ্চিকৈ শলাগ লৈ ৰাইজৰ কৰুণ ভাব জ্ঞাপনেৰে মোক আপ্লুত কৰাৰ আলমতে ৰাইজে মোৰপৰা পাবলৈ কি বিচাৰে, ফলিতাৰ্থত ৰাইজৰ হকে কাউন্সিল ৰাজসভাত মই কি কৰিবগৈ লাগিব তাৰ বিশদ আভাস দিয়া হৈছিল। সমিধানত বিনয়-নম্ৰতাৰে সৈতে মোৰ সৰল কৃতজ্ঞতা জ্ঞাপন কৰি, সাধ্যানুসাৰে ৰাইজৰ অনুজ্ঞা পালন

কৰিবলৈ প্ৰতিশ্ৰুতি প্ৰকাশ কৰিলোঁ। তাৰ ভিতৰত সম্বহতে ৰাইজৰ নিবাস স্থান মোৰ মৰমৰ জন্মভূমি উত্তৰ লক্ষ্মীমপুৰক যাতায়াতৰ উন্নতি সাধনেৰে সুবিধা দান কৰাই বাহিৰৰ উন্নত জগতেৰে সমভাৱে লগ লগোৱা আৰু স্থানীয় মজলীয়া ইংৰাজী স্কুলটি হাইস্কুলৰ থাপলৈ তোলাই জ্ঞান শিক্ষা বিস্তাৰ কৰা, এই দুটা কাউন্সিল ৰাজসভাত, আগন্তুক নিৰ্বাচনত কৃতকাৰ্য হওঁ যদি, মোৰ পোন প্ৰথম উদ্যম হ'ব বুলি সুদৃঢ় প্ৰতিশ্ৰুতি জ্ঞাপন কৰিলোঁ ; ৰাইজে শুনি হৰ্ষ উৎফুল্ল হৈ আৰু তিনি জোলোকা উচ্চৰৱৰ আশীষবাণী শুনাই মোক দায়িত্বপূৰ্ণ আনন্দ উলাহত উৰুলীকৃত কৰিলে। অভ্যৰ্থনা অভিনন্দনাদিৰ সামৰণি মাৰি শোভাযাত্ৰীয়ে আৰু আধা-মাইলমান বাট মোক মাজত লৈ নি মোৰ ওপজা ভেঁটি আমাৰ ঘাই ঘৰত থৈ আহিলগৈ।

পিছদিনা, ৰহঢলা পুখুৰী পাৰত, টাউনবাসীৰ সৰ্বসাধাৰণীয়া নাট্য-মন্দিৰৰ আহল-বহল টোলত, শ্ৰীশ্ৰীমাহৰা সত্ৰাধিকাৰ প্ৰভুৰ সভাপতিত্বত এখন বিৰাট সভা বহিল। সভাত উত্তৰ লক্ষীমপুৰ চহৰৰ সদৌ কেন্দ্ৰীয়া প্ৰতিনিধি ৰাইজ চাপি উলাহেৰে যোগ দিলেহি। নাট্য মন্দিৰৰ সেই সুবিস্তৃত টোলত ৰাইজ নধৰা হ'ল। জনদহেক অগ্ৰগণ্য নেতাই মোক আমাৰ ঘাইঘৰৰপৰা আগবঢ়াই আনি সভামণ্ডপত থিয় কৰোঁৱা মাত্ৰকে সমবেত ৰাইজে গগনভেদী উচ্চৰৱেৰে জয়ধ্বনি দি মোৰ মন-প্ৰাণ আনন্দ-বিহ্বল কৰি তুলিলে। তাৰ পাছত, সভাপতি প্ৰভুৰ অনুজ্ঞা অনুসৰি, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ৰামচন্দ্ৰ গোস্বামীদেৱে চলন্তা ৰীতি আচৰি সমবেত ৰাইজৰ আগলৈ মোক ভেঁটাই দি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত, সমজুৱাৰ মাজৰপৰা নেতা বক্তা জনদহেকে উত্তৰ লক্ষীমপুৰৰ অভাৱ-অভিযোগ আদিৰ বিশদ বিবৃতি দি, সেইবোৰ পাৰ্যমানে অনতিপলমে খণ্ডাবলৈ মোৰ শিৰত দায়িত্ব অৰ্পণ কৰি, উপস্থিত সভাৰ সেই উদ্দেশ্য ডাঠি সমৰ্থন কৰিলে ; লগতে, সমবেত ৰাইজলৈকো চাই, আগন্তুক কাউন্সিল নিৰ্বাচনত সদৌৱে মোৰ নামে 'ভোট' বা সমৰ্থন মত দিবলৈ অনুৰোধ প্ৰেৰণা জ্ঞাপন কৰিলে। তাৰ পাছত, মোৰ পাল পৰিল। সমিধানৰ অৰ্থে মোৰ ওপৰত সভাপতি প্ৰভুৰ অনুজ্ঞা পৰাত, ৰাইজৰ হৰ্ষসূচক হাত চাপৰিত ক্ষন্তেক আপোন-পাহৰা হৈ দু-আষাৰ ক'বলৈ বুলি থিয় হলোঁ। থিয় দিয়েই সভাপতি প্ৰভু প্ৰমুখ্যে সমজুৱাৰ প্ৰতি মূৰ দোঁৱাই ; আগদিনা প্ৰথম অভিনন্দনত দিয়া সমিধানকে দোহাৰি বহলাই কৈ লৈ, উত্তৰ লক্ষীমপুৰৰ সেই সাময়িক পিছপৰা অৱস্থা আন আন চহৰৰ আগবঢ়া অৱস্থাৰে সৈতে ৰিজাই দেখুৱাই ; বিশেষকৈ আদিম অৱস্থাতে পিছ পৰি থকা দুৰ্গম গাঁওবোৰৰ দুৰৱস্থালৈ আঙুলিয়াই ; সেইবোৰৰ মূল অভাৱ-অভিযোগ আদি ক্ৰমাৎ নিলগাই গুচোৱাৰ উপায় বিধানৰ সঙ্কেত দি, ডেৰঘন্টামান মোৰ মনৰ ভাব ব্যক্ত কৰিলোঁ, কি কলোঁ মনত নাই, কিন্তু সমজুৱা ৰাইজৰ সমৰ্থনসূচক হাত চাপৰিত সঘনে ছেদ পৰি থমকি থমকি উশাহ সন্ধাৱ লগাত পৰিছিলোঁ। মোৰ সমিধানৰ সামৰণিত, সমজুৱাৰ মাজৰপৰা এজন মুখিয়াল নেতাই প্ৰস্তাৱ কৰিলে যে, মোক নিৰ্বিবাদে নিৰ্বাচিত কৰি কাউন্সিল সভালৈ পঠোৱাৰ অৰ্থে, প্ৰতিদ্বন্দ্বী শ্ৰীযুত হাৰিবৰ দাস পেঞ্চনীয়া পুলিচ ইন্সপেক্টৰদেৱক তেওঁৰ নিৰ্বাচন প্ৰতিযোগিতা উঠাই ল'বলৈ অনুৰোধ কৰা যাওক। প্ৰস্তাৱটি সমৰ্থিত হ'বলৈ নৌ পাওঁতেই, মই ততালিকে বিৰুদ্ধবাদী হৈ থিয় দি বিনীতভাৱে সভাক জনালোঁ যে সেই প্ৰস্তাৱ

উঠাই লোৱাটো বাঞ্ছনীয় নহয়, কিয়নো, প্ৰতিযোগিতা নাথাকিলে নিৰ্বাচন শিক্ষাৰপৰা ৰাইজ বঞ্চিত হ'ব লগাত পৰিব। আৰু, যিহেতু কাউন্সিল নিৰ্বাচন প্ৰথাৰ সেয়ে পোন প্ৰথম প্ৰচলন, ৰাইজে তাৰ আভাস পোৱাৰ নিতান্ত প্ৰয়োজন। মোৰ প্ৰতিবাদ প্ৰস্তাৱ সমজুৱা ৰাইজে হাত চাপৰিৰে সমৰ্থন কৰাত মূল প্ৰস্তাৱটি আপোনা-আপুনি এৰা পৰিল। সদৌশেহত, সভাপতি প্ৰভুৰ আশীষ বাণীৰে সৈতে সামৰণি বক্তব্যৰ অন্তত, সন্ধিয়া লগাত, ৰাইজৰ গগনভেদী জয়ধ্বনিৰ মাজত সভা ভঙ্গ হয়।

পিছদিনা পুৱাতে ওলটা-যাত্ৰা কৰাৰ কথা আছিল। পিছে, পুৱাৰপৰা মোক সাক্ষাৎ কৰিবলৈ যোৱা ৰাইজৰ মুখিয়াল নেতা আৰু সৰু-বৰ মানুহৰ অহা-যোৱা লানি লাগিল। জুম্-জুম্‌কৈ অহা ৰাইজৰ লগত পৰম প্ৰীতিৰে আলাপ-আলোচনা কৰি সিবিলাকক বিদায় দি থাকোতেই বেলি ভাটী দিলে; আবেলি পৰত ঘৰৰ হাতীত উঠি তেজপুৰলৈ ওলটা-যাত্ৰা কৰিলোঁ। পাঙিছিলোঁ, সেইদিনাই, বাটতে বিহপুৰীয়া পোলিং ষ্টেচনত ৰাতিটো থপিমেই বুলি; কিন্তু আমাৰ মথনা হাতীটো খোজত বৰ লেহেম কাৰণে লালুকৰ জিৰণি বঙলা আহি পাওঁতেই ৰাতি দুপৰ হ'ল; গতিকে তাতে জিৰাই-শঁতাই ৰাতিটো কটোৱা হ'ল। পিছদিনা পুৱা তাতে ভাত-পানী খাই দুপৰীয়া তাৰপৰা আহি আবেলি বিহপুৰীয়া থানা ষ্টেশ্যনত নামিলোঁ। হাতীৰপৰা নমা মাত্ৰকে নাৰায়ণপুৰৰ মৌজাদাৰ শ্ৰীমান ধৰ্মেশ্বৰ শৰ্মা বৰুৱা ( মোৰ 'মিতা' বন্ধু ৺পদ্মেশ্বৰ শৰ্মা বৰুৱাৰ বৰপুত্ৰ আৰু শ্ৰীমান সৰ্বেশ্বৰ শৰ্মা বৰুৱা, বি.এল উকীলৰ ককাই-দেৱেক ) প্ৰমুখ্যে ডিক্ৰুং অঞ্চলৰ খাম্‌তী আৰু আহোম ৰাইজৰ প্ৰতিনিধি জনদিয়েকে জনালেহি বোলে, সেই অঞ্চলৰ ৰাইজে মোক অভ্যৰ্থনা কৰিবলৈ বিপুল আয়োজনেৰে অপেক্ষা কৰিছে। সময়ৰ নাটনি বুজি মোৰ মাল-বস্তু নমাই থৈ মৌজাদাৰ বোপাৰে সৈতে মই অনতিপলমে আকৌ সেই হাতীত উঠি ডিক্ৰুং জিৰণি বঙলাৰ কাষ চাপি দেখোঁগৈ যে, বঙলাৰ সমুখত কলাপুলি পুতি ফুল-পাতেৰে সজোৱা বাটচ'ৰাৰ মুখত (gate) অসংখ্য ৰাইজ জুম্ বান্ধি আছে, আমি হাতীৰপৰা নমা মাত্ৰকে ৰাইজৰ গগনভেদী জয়ধ্বনিৰ মাজত বৃদ্ধ খাম্‌তী মৌজাদাৰ ডাঙৰীয়াই আগবাঢ়ি আহি মালা পিন্ধাই অভ্যৰ্থনা জ্ঞাপন কৰাৰ পাছত, জিৰণি বঙলাৰ টোলত সোমালোঁগৈহঁক, সেই সুবহল টোলত ৰাইজ নধৰা হৈছিল। তাৰ পাছত, সময়ৰ নাটনি বুজি, টাউনত দি অহা সমিধানকে ডিক্ৰুং অঞ্চলৰ ৰাইজকো চমুকৈ দি, সিবিলাকৰো জনদিয়েক নেতা লোকৰ মুখে আগন্তুক নিৰ্বাচনত ৰাইজৰ সম্প্ৰীতি সমৰ্থনৰ আশ্বাস সাদৰে গ্ৰহণ কৰি উঠি, উলটি বিহপুৰীয়ালৈ বিদায় ললোঁ। ইমানতে উত্তৰ লক্ষীমপুৰত অযাচিতে মোৰ হকে লাভ হোৱা "কেনভাচিং" উত্তম আয়োজন আদি মোৰ হৃদয়ৰঞ্জক ৰাজহুৱা কাৰ্যৰ সামৰণি পৰিল।

পিছদিনা, ইং ৭।১২।২০ তাৰিখে, ভৰ দুপৰীয়াৰপৰা বিহপুৰীয়া পোলিং ষ্টেচনত নিৰ্বাচন 'ভোট' দিয়া-লোৱা কাৰ্য আৰম্ভ কৰা হ'ল। তেতিয়া টিকিটত × চিন লগাই গুপ্ত ভোট দিয়া নিয়ম (ballot system) নাছিল। পোলিং অফিচাৰ আছিল চব্ ডেপুটী কলেক্টৰ শ্ৰীযুত ( পাছত ৰায় চাহাব ) অচ্যুতানন্দ পাঠক। তেখেতে মোক তেখেতৰ সমাজৰ "senior

member" বা বয়োবৃদ্ধ সমজুৱা বুলি সমাদৰি কাষতে আসন দিয়াত, সুচলকৈ বহি ৰাইজে ভোট দিয়া কাৰ্য চাবলৈ ধৰিলোঁ। দেখিলোঁ, সদৌ বামুণ, আহোম, কায়স্থ (শ্ৰীযুত উমাকান্ত দত্ত ফুকনত বাজে), কলিতা, কেওঁট, কোঁচ, চুটীয়া, খামতী ভোটাৰসকলে হৰ্ষচিত্তেৰে মোৰ নামে 'ভোট' দিলে। মাথোন, কছাৰী, লালুং, বাগিচাৰপৰা ওলাই বসতি কৰা ন-পমুৱা 'বঙালী কুলী' আটাইবিলাকে প্ৰতিদ্বন্দ্বী 'দাৰোগা' দেৱক ভোট দিলে; ইবিলাকৰ সংখ্যা কিন্তু সামান্য নহয়, মোৰ অনুমানত মোৰ ফলীয়া ভোটাৰৰ লেখতকৈ অধিক যেনহে লাগিল।

পিছদিনা পুৱা সোনকালে উঠি, জাহাজ ধৰিবলৈ বুলি, লৰালৰিকৈ বদতিঘাটলৈ গতি কৰিলোঁ। কিন্তু, দুখৰ বিষয়, আমি গৈ পাওঁ পাওঁ হওঁতেই সিফালে জাহাজ এৰি দিলেই। গতিকে অগত্যা এদিন-এৰাতি তাতে খপিবলগীয়া হ'ল। বদতিঘাটৰ চৰকাৰী জিৰণি চাংবঙলাত বহি, জাহাজ ধৰিব নোৱাৰাৰ বাবে আক্ষেপ কৰি আছোঁ, এনেতে মোৰ পুৰণি বন্ধু চব্ এজেন্ট শ্ৰীযুত কৃষ্ণনাথ হাজৰিকা উপস্থিত হ'লহি। মোৰ আক্ষেপ শুনি তেওঁ হাঁহি হাঁহি এইবুলি ক'বলৈ ধৰিলে, "ভালেই হ'ল, অযাচিতে যি হয় সি মানুহৰ ভাললৈহে। আজি মোৰ প্ৰবস্থৰা ঘৰত আপোনাক এসাজ খুৱাই সন্তোষ পাম। আৰু বা কি ভাল হ'বলৈ আছে ক'ব নোৱাৰিছোঁ এথোন।" অলপ পৰ আলাপ কৰি তেওঁ আকৌ অফিচৰ কাম সামৰিবলৈ গ'ল। মই হাতত বন্দুক লৈ, জিৰণীয়া চিপাহী এটাৰে সৈতে চৰাই চিকাৰলৈ গ'লোঁ। অলপ গৈয়ে দেখিলোঁ, বনথেৰেজু এজোপাৰ আগত থোপাথুপকৈ লাগি থকা গুটিৰ থোপাৰ দৰে, হাঁইঠা চৰাই এজাক পৰি আছে; দেখি বৰ ৰং লাগিল, এজাঁই মাৰিয়েই এহাল চৰাই বগৰাই পেলালোঁ। চৰাই দুটা মোৰ লগুৱাটোৰে নি এজেণ্ট বন্ধুৰ ঘৰত ৰান্ধিবলৈ দিলেগৈ। তাৰ পাছত, দুপৰীয়া গা ধুই উঠি হাজৰিকাৰ বহাত ভোজন কৰিবলৈ ওলাইছোঁ, এনেতে টাউনৰপৰা এখন টেলিগ্ৰাম পালেহি; সেই বিজুলী বাতৰি এইবুলি আহিছিল, "Grand success yourself elected securing 1042 votes out of 1281 votes polled." মই হৰ্ষোৎফুল্ল হৈ, হাতত টেলিগ্ৰামখন লৈ ভোজনলৈ গলোঁ। গৈ পায়েই টেলিগ্ৰামখন হাজৰিকাক দিয়াত তেওঁ পঢ়িয়েই জপিয়াই উঠি ক'বলৈ ধৰিলে, "Happy news indeed; মই নকৈছিলো, বোলোঁ আৰু বা কি ভাল হ'বলৈ আছে; ইয়াত ক্ষন্তেক বৈ যাবলগীয়া নোহোৱা হ'লে এই শুভ-সংবাদ আপুনি কেতিয়াবাকৈহে পালেগৈহেঁতেন।" তাৰ পাছত, ৰান্ধনী আথাৰ কাষত হাজৰিকানীয়ে অসমীয়া বিষয়াঘৰীয়া আঞ্জাৰে সজাই থোৱা আহাৰ, হাজৰিকাৰে সৈতে মুখামুখিকৈ বহি ভাত খোৱা মেল পাতি পৰম প্ৰীতিৰে ভোজন কৰি উঠি, আকৌ জিৰণি বঙলাত জিৰালোঁহি।

পিছদিনা পুৱা ১০ মান বজাত বদতিঘাটৰপৰা সৰু জাহাজেৰে ভটিয়াই দুপৰ ভাটী দিয়াত সোৱণশিৰী মুখত ডাকজাহাজত উঠি তেজপুৰৰ মুখে ভটীয়াবলৈ ধৰিলোঁ। জাহাজত সমনীয়া চিনাকি যাত্ৰী কোনো নাই; অকলশৰীয়াকৈ আপোন-মনেৰে আহি আহি আমনি লাগিছিল। এনেতে, গমিৰি ঘাটত শ্ৰীযুত দীনেশ্বৰ আগৰৱালা মৌজাদাৰ সহযাত্ৰী হৈ একে জাহাজতে উঠাহি দেখি ৰং লাগিল। তাৰ পাছত, তেওঁক মোৰ 'কেবিন'লৈ মাতি আনি

বহুৱাই লৈ, বিবিধ বিষয়ক কথা-বাৰ্তা পাতি আমনি ভাঙিবলৈ ধৰিলোঁ। কথা প্ৰসঙ্গত মোৰ নিৰ্বাচন বিষয়ক কথাওলাল। পোনেই মই নিৰ্বাচনত কৃতকাৰ্য হোৱা শুনি তেওঁ সৰল চিত্তেৰে আনন্দত উৎফুল্ল হ'ল; তাৰ পাছত, মনটি অলপ আমোলাই, তেওঁ এইবুলি মনোভাব ব্যক্ত কৰিলে, "এই সুখ সংবাদত মোৰ হৰ্ষ-বিষাদ উভয় মিহলি।" মই মুহূৰ্তমান থমক্ খাই সুধিলোঁ, "কিয় ? হৰ্ষৰ অৰ্থ পাইছোঁ বাৰু, বিষাদ কি বাবে ? মই কাউন্সিললৈ যোৱাত কিবা অপকাৰ অনুভৱ হৈছেনেকি ?" আগৰৱালাদেৱে ততালিকে এইবুলি প্ৰশ্ন কাটিলে, "নহয় ডাঙৰীয়া, আপুনি কাউন্সিললৈ পুনৰপি যাবলৈ পোৱাত আমাৰ অপাৰ আনন্দহে, সেইটো ৰাইজৰ ভাগ্য বুলিহে ভাবিছোঁ। আপুনি পোন-প্ৰথম কাউন্সিল সভাত চাৰি বছৰে সমূহ ৰাইজৰ হৈ, দেশৰ উন্নতিৰ হকে খাটি যিবোৰ উপকাৰ সাধি দিলে, সেইবোৰ আমি পাহৰিব নোৱাৰোঁ; কিন্তু, আপুনি কৰ্মভূমি এৰি জন্মভূমিৰপৰা নিৰ্বাচিত হৈ অহাৰ বাবেহে বিষাদ লাগিছে। আপুনি আপোনাৰ আচল কৰ্মজীৱন আমাৰ তেজপুৰতে পাৰ কৰিলে। সেই জীৱন ছেদত আপুনি আপোনাৰ কৰ্মভূমি তেজপুৰৰ উন্নতি আৰু তেজপুৰীয়া ৰাইজৰ উপকাৰৰ অৰ্থে যি কৰিলে তাৰ কীৰ্তিচিন্ জিলিকি ৰৈছে, আৰু আগলৈকো ৰ'ব। এইটো জনাজাত কথা যে, প্ৰথম কাউন্সিললৈ যদ্যপি আপুনি আহোম সম্প্ৰদায়ৰ প্ৰতিনিধি স্বৰূপেহে চৰকাৰৰ মনোনয়ন মতে 'নমিনেটেড মেম্বৰ' হৈ গৈছিল, তথাপি, আমি জানো, আৰু সকলোৱে স্বীকাৰ কৰে যে, সেই কাউন্সিল সভাত আপুনি নিজ জাতিৰ হৈ চাৰিভাগৰ এভাগ মাথোন খাটিছিল, অপৰ চাৰিভাগৰ তিনিভাগ সদৌ অসমীয়া ৰাইজৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। সেই হেতুকেহে এইবাৰ আপুনি জন্মভূমিৰ প্ৰতিনিধিত্ব নলৈ, কৰ্মভূমিৰ প্ৰতিনিধিত্বেৰে নিৰ্বাচিত হোৱা হ'লে, বিষাদবিহীন হৰ্ষলাভ কৰিলোঁহেঁতেন!" শ্ৰীযুত দীনেশ্বৰ আগৰৱালা মৌজাদাৰ এজন ধীৰ প্ৰকৃতিৰ চিন্তাশীল সাধুলোক বুলি তেওঁৰ প্ৰতি মোৰ বৰ আস্থা; গতিকে তেওঁ গহীন-গম্ভীৰ আৰু সৰলভাৱে মনোভাব ব্যক্ত কৰা কথাখিনি মোৰ অন্তৰত বৰকৈ লাগিল। অলপ পৰ টলকা মাৰি ৰৈ মই সেই সৰল বন্ধুজনক এইবুলি সমিধান দি তেওঁৰ বিষাদ মোৰ আশ্বাসেৰে মচি পেলালোঁ, বোলোঁ, "বাৰু, এইবাৰেই নিবাৰ নহয়, আগলৈ আৰু বাৰ আছে; অহাবাৰত মই মোৰ 'কৰ্মভূমি' তেজপুৰৰ প্ৰতিনিধিত্ব লৈ কাউন্সিল নিৰ্বাচনত থিয় হম।" মোৰ সমিধানত পতিয়ন গৈ তেওঁ আশ্বস্ত হোৱা যেন লাগিল। তাৰ পাছত, বিবিধ বিষয়ক কথা-বাৰ্তা পাতি আছি থাকোতেই সন্ধিয়া লাগিল, জাহাজত বিজুলী চাকি জ্বলি উঠিল, আমি দুয়ো জাহাজৰ মজিয়াত ইমূৰৰপৰা সিমূৰলৈ ফুৰণ ছলেৰে এঘণ্টামান টহলি থাকি নিজ নিজ বিছনাত পৰিলোঁগৈহঁক। পিছদিনা, ৰাতিপুৱা শুই উঠি দেখোঁ যে, জাহাজ তেজপুৰ ঘাটত লাগি আছেহি।

তেজপুৰ ঘাটত নামি পাৰলৈ উঠি পোনাই মোৰ মিউনিচিপালিটীৰ শোভা দেখি (সেই সময়ত মই তেজপুৰ মিউনিচিপালিটীৰ চেয়াৰমেন) মন ফৰকাল লাগিল। বৰপুখুৰী, পদুমপুখুৰী, ৰেলপুখুৰী, পাৰ্ক পুখুৰীৰ শীতল দৃশ্যই মোৰ অন্তৰ শাঁত কৰিলে; চাৰি-আলি, তিনি-আলি মূৰে মূৰে মোৰ স্বকৃত তিনিকুণীয়া ফুলনিবাৰী কেইখনিয়ে জকমকীয়াকৈ

ফুলি মোৰ পুনৰাগমনত মোক সম্ভাষণ জনালে ; মই কেদিনমানলৈ এৰি যোৱা আমাৰ 'অসমীয়া ক্লাব' ঘৰটিয়ে আগফালৰ মুকলি বুকু-দুৱাৰেদি ভুমুকি মাৰিবলৈ মাতি উঠিলে ; আয়োজনত হাত লগাই আৰম্ভ কৰি থৈ যোৱা আমাৰ আগন্তুক অসম এছোচিয়েশ্যন আৰু অসম সাহিত্যিক সন্মিলনীৰ বছৰেকীয়া বৈঠক-উৎসৱৰ ৰাজহুৱা কাৰ্য যথাৱতৰূপে আগুৱাই মোৰ প্ৰাণত উলাহ লগালে। এইভাৱে সুখদৃশ্য অনুভৱ উপভোগ কৰি গৈ গৈ ডাকঘৰ আৰু কাছাৰী ঘৰৰ দোমোজাৰ তিনি আলি মূৰত মোৰ প্ৰতিষ্ঠিত তিনিকুণীয়া ফুলনিবাৰী পাওঁতেই জনদিয়েক তেজপুৰীয়া বন্ধুৱে লগ পাই মোক হৰ্ষ-সহানুভূতি (congratulation) জ্ঞাপন কৰিলে। তাৰ পাছত, তাৰপৰা আৰু দহমিনিটমান ঘৰমুৱাকৈ খোজ ধৰি 'পদ্মকুটীৰ' সোমালোঁহি।

# ষট্‌চত্বাৰিংশ সৰ্গ

## তেজপুৰ অসমীয়া ক্লাব

তেজপুৰ অ. ভা. উ. সা. সভাৰ এটা সাধাৰণ বৈঠকত মই সম্পাদক হিচাপে, বিগত অধিবেশনৰ কাৰ্যবিবৰণী পাঠ কৰি, সেই বৈঠকৰ সভাপতি ৰায়চাহাব শ্ৰীযুত ভবাণীচৰণ ভট্টাচাৰ্য ডাঙৰীয়াৰ দ্বাৰাই সৰ্বসন্মতিক্ৰমে গৃহীত কৰাই লোৱাৰ পাছত সেইদিনাৰ প্ৰথম নম্বৰী আলোচ্য বিষয় "তেজপুৰ অ. ভা. উ. সা. সভাৰ নামঘৰ আৰু তৎসংলগ্ন নাট মন্দিৰ 'বাণ থিয়েটাৰ ষ্টেজ' চন্তালন সমিতি সংগঠন"ৰ আলোচনা সভাৰ আগত দাঙি ধৰাত, যথা-বিহিত বিবেচনাৰ ফলত সেই সমিতি গঠন প্ৰস্তাৱ সভাৰ দ্বাৰাই গৃহীত হ'ল। তাৰ পাছত, সেই চন্তালন সমিতি গঠনাৰ্থে নজন সদস্য উপস্থিত সমজুৱাৰ মাজৰপৰা বাছি লোৱাৰ বিচাৰ আৰম্ভ হ'ল। এনেতে তেজপুৰীয়া সভ্য এজনে "তেজপুৰীয়া" আৰু "নন্-তেজপুৰীয়া" সভ্যৰ মাজত ভেদভাৱমূলক দাবী আগবঢ়াই প্ৰস্তাৱ তুলিলে যে, নিজাপী স্থানীয় হিচাপে তেজ-পুৰীয়া সভ্য সেই সমিতিত অধিক হ'ব লাগিব। সেই প্ৰস্তাৱ সমৰ্থিত নৌ হওঁতেই মই ততালিকে উঠি প্ৰতিবাদ কৰি কলোঁ যে, তেনেকুৱা ভেদমূলক প্ৰস্তাৱৰ মূলতে কেনা, কিয়নো, অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাত সকলো সভ্যই সমান, ইয়াত ভেদাভেদৰ কোনো নিয়ম নাই ; আৰু এনে ভেদ নীতিৰ প্ৰচলন হ'ব লাগিলে সি অনতিপলমে বৰ সাংঘাতিক হৈ উঠিব। এতেকে, এই প্ৰস্তাৱ উঠাটোৱেই অবাঞ্চনীয়। কিন্তু, মোৰ অনুৰোধ নৰজিল। তুৰন্তে আন এজন তেজপুৰীয়া সভ্যই প্ৰস্তাৱটো সমৰ্থন কৰি তাৰ আলোচনাত ধৰিবলৈ সভাপতিক হেঁচি ধৰিলে। সভাৰ নীতি অনুসৰি অগত্যা সভাপতিয়ে প্ৰস্তাৱটো সভাৰ আগলৈ দাঙি ধৰিলে। সেই কথাত ব্যথিত হৈ "নন্-তেজপুৰীয়া" নামে অভিহিত হোৱা দলটোৱেও গৰ্জিবলৈ ধৰিলে। ফলত, দুইদলৰ মাজত ভীষণ তৰ্কবাদ চলিল। তৰ্কস্থলত স্কুল চাব ইন্সপেক্টৰ শ্ৰীযুত গোলোকচন্দ্ৰ ভূঞাই ( নগঞা ) এইবুলি কৈ পেলালে, "সভাৰ এই দুৰ্জয় নামঘৰ আৰু নাট মন্দিৰ মূলত 'নন্-তেজপুৰীয়া' হে ঘাই বল, সিবিলাকৰ আৰ্থিক বৰঙণিৰ বলতহে নামঘৰ আৰু নাট মন্দিৰৰ সৃষ্টি আৰু স্থিতি ; হিচাপ-পত্ৰ বিজাই চালেই প্ৰমাণ পোৱা যাব। সেই কথাত তেজপুৰীয়া দলে এককণ্ঠে এইবুলি উত্তৰ কাটিলে, "সিবিলাকৰ ধনে খাটিছে, আমাৰ জনে খাটিছে।" তদুত্তৰত "নন্-তেজপুৰীয়া" দলে পটন্তৰ স্বৰূপে মোৰ গালৈ আঙুলিয়াই এইবুলি উত্তৰ কাটি প্ৰশ্ন ধৰিলে, "এইজনে কি খাটিছে?" তাৰ উত্তৰত অপৰ পক্ষে এইবুলি প্ৰশ্ন কাটিলে, "সেইজনে অৱশ্যে আটাইতকৈ অধিক খাটিছে, কিন্তু, 'নন্-তেজপুৰীয়া' যদিও তেওঁক বিষয়ববীয়া দায়িত্বই অধিককৈ খটাইছে।" তেতিক্ষণে, তেজপুৰীয়া সৰ্বশ্ৰেষ্ঠ বৃদ্ধ সুজন (grand old man of Tezpur) শ্ৰীযুত হৰিবিলাস আগৰৱালা ডাঙৰীয়াই আত্ম প্ৰেৰণাত উত্তেজিত হৈ উঠি, এইবুলি প্ৰতিবাদ কৰিবলৈ ধৰিলে, "তেন্তে, ময়ো 'নন্-তেজপুৰীয়া' ; যিহেতু মোৰ জন্মস্থান আৰু বাল্য ক্ৰীড়া

ভূমি গমিৰি-গহপুৰ কলংপুৰহে। মোৰ চেমনীয়া কাললৈকে এই অঞ্চল উত্তৰ লক্ষীমপুৰৰ এলেকাত আছিল, ডিব্ৰুগড় সদৰৰ অধীনত। আপীলাদি ডাঙৰ গোচৰ সংক্ৰান্তত ডিব্ৰুগড়লৈ যোৱা-অহা কৰাত এই অঞ্চলৰ প্ৰজাৰ মহা আহুকাল গুচাবৰ কাৰণেহে তিনি কুৰিমান বছৰৰ আগতে গহপুৰ, কলংপুৰ, গমিৰি সমন্বিতে ছয়দুৱাৰ অঞ্চল শাসনৰ সুচলাৰ্থে তেজপুৰ সদৰৰ এলেকাভুক্ত কৰা হয়; আজিকোপতি সেই অঞ্চলৰ জীয়ৰী-গাভৰুৱে বিহু হাটত টকাৰ তালত এইবুলি আক্ষেপসূচক বিহুগীত গোৱা শুনা যায়, যেনে—'গহপুৰ ঐ, কলংপুৰ ঐ, ডিবৰু জিলাখন কিমান দূৰৈ।' এনে স্থলত ত্ৰকুৰি বছৰৰ আগৰেপৰা তেজপুৰত নিগাজীকৈ থিতাপি হোৱা শ্ৰীযুত পদ্ম গোহাঞিবৰুৱা যদি আজিও 'নন্‌-তেজপুৰীয়া' হৈয়ে ৰ'ল, তিনিকুৰি বছৰৰ আগেয়ে তেজপুৰত থিতাপি হোৱা মইনো 'নন্‌-তেজপুৰীয়া' নহম কিয়?" ইয়াৰ মাজতে তেখেতৰ বক্তব্য শেষ নৌহওঁতেই, 'তেজপুৰীয়া' দলৰ এজন ডেকাই বহি থকাৰেপৰা মাত লগালে, "অঁতো, আপুনিও।" সেই মাত শুনি, আগৰৱালা ডাঙৰীয়াই হাঁহি মাৰি এইবুলি কৈ নিমাত হৈ বহিল, "বেচ, তেনেহ'লে দৰঙ্গৰ বাহিৰে নিলগৰ আঁতিগুৰীয়া ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, কায়স্থাদি সকলোৱেই 'নন্‌-তেজপুৰীয়া'।"

এনেতে, মই অতি বিনীতভাৱে দুয়ো দলৰ প্ৰতি হাতযুৰি অনুৰোধ কৰিলোঁ মোক সেই বাদ-বিসম্বাদ আৰু দলাদলিৰ মাজলৈ টানি বিপাঙ্গত নেপেলায় যেন, কিয়নো, মই মাথোন উমৈহতীয়া কৰ্মচাৰী। কিন্তু কাৰো যুক্তি-তুতিলৈ কেৱে কাণ নিদিয়া হ'ল; তৰ্কযুদ্ধৰ জুই ভৌ-ভৌৱাই জ্বলিবলৈ ধৰিলে। সদৌশেহত মুখামুখি এৰি হতাহতি হোৱাৰ উপক্ৰম দেখা গ'ল। এনে অৱস্থাত মই ততালিকে থিয় হৈ, সভা-সমিতিৰ নিয়ম-কাৰণৰ দোহাই দি, সভাপতিৰ অনুজ্ঞা জ্ঞাপনেৰে সভা ভঙ্গ কৰাই কাকত-পত্ৰাদি লৈ ওলাই আহিলোঁ, অপৰাপৰ সমজুৱাসকলৰো এভাগক দিহাদিহি যোৱা দেখিলোঁ। পিছে, তাৰ পাছত, 'তেজপুৰীয়া' দলে আকৌ চাপি সেই ঠাইতে আকৌ এটা বৈঠক পাতি, বাজে কাগজত কাৰ্যবিবৰণী লিখি 'নন্‌-তেজপুৰীয়া' সভ্যসকলৰ নাম কাটি, নতুনকৈ এখন সভা গঠন কৰি গুচি গ'ল। এই নীতি-বিগৰ্হিত কাৰ্যৰ সম্বেদ পাই, অপৰাপৰ বিজ্ঞজনৰ পৰামৰ্শ লৈ, কেদিনমানৰ পাছত, অ. ভা. উ. সা. সভাৰ জৰুৰী অধিবেশন আহ্বান কৰিলোঁ, সেই আহ্বান গ্ৰহণ কৰি 'নন্‌-তেজপুৰীয়া' দল চাপিলহি, কিন্তু অপৰপক্ষ দলৰ কেৱেই নাহিল। তাৰ পাছত দেখোঁ যে সভাৰ নামঘৰৰ দুৱাৰত নতুনকৈ তলা-চাবি লগাই সভাঘৰ বন্ধ কৰি থোৱা হৈছে। মই অগত্যা টোলৰ ভিতৰত বাহিৰতে সেই জৰুৰী বৈঠক বহুৱাই, সেইদিনাৰ আলোচ্য বিষয় পৰিপাটিকৈ আলোচনা কৰিলোঁ। সেই বৈঠকৰ সিদ্ধান্তমতে, সভাৰ নামঘৰ আৰু থিয়েটাৰ ষ্টেজ চন্তাল-নাৰ্থে সাতজন সদস্যেৰে সৈতে এখন কমিটি গঠিত কৰি, কাছাৰিৰ হেডক্লাৰ্ক মৌলবী জোনাব আলি চাহাবক (যোৰহটীয়া) চন্তালন সমিতিৰ সভাপতি, গড়কাপ্তানী অফিচৰ পেঞ্চনীয়া হেডক্লাৰ্ক কৃষ্ণৰাম দাসদেৱক (নগঞা) সম্পাদক আৰু সেই অফিচৰে বৰ্তমান হেডক্লাৰ্ক শ্ৰীযুত নাৰায়ণচন্দ্ৰ বৰদলৈক (গুৱাহটীয়া) সহকাৰী সম্পাদক পতা হ'ল। তাৰ পাছত, সেই চন্তালন সমিতিয়ে, নামঘৰ পুনঃ মোকলাবৰ অৰ্থে বিবাদীয়া বিষয়টো আদালতত তুলিবলৈ

যো-জা কৰিলে। সিবিলাকে সেই উদ্দেশ্যে উকীলৰ পৰামৰ্শ ললেগৈ। বয়োবৃদ্ধ বিজ্ঞ উকীল বাবু মহেন্দ্ৰনাথ দাঁ মহাশয়ে দুয়োদলকে বিস্তৰ বুজাই-বৰাই উপদেশ দিলে যে, সেই ঘৰুৱা সামাজিক কথা আদালতলৈ অনাটো নিতান্ত অবাঞ্ছনীয়, এতেকে আপোচ কৰাই শ্ৰেয়ঃ, নতুবা তেওঁ কোনো পক্ষকে অৱলম্বন নকৰে; তেওঁৰ নামনাচ চিনিয়ৰ উকীল বাবু (পাছত ৰায় বাহাদুৰ) মনোমোহন লাহিড়ী উকীলেও তাকে ক'লে। বাকী উকীল আটাইবিলাক 'তেজপুৰীয়া' পক্ষৰ ফলীয়া হ'ল, অপৰ পক্ষলৈ উকীল নোহোৱাত পৰিল। অপৰপক্ষে অগত্যা চলিচিটাৰ চাহাবৰ কাষ চাপিলগৈ; সেই উকীল চাহাবে দহটকা 'বইনা' গ্ৰহণ কৰি সিবিলাকৰ তৰফে থিয় হ'বলৈ স্বীকাৰ কৰিলে। তাৰ পাছত, উকীল চাহাবৰ উপদেশ অনু-সৰি 'নন্-তেজপুৰীয়া' দলেও নতুনকৈ আৰু এযোৰ সঁচাৰ কাঠী আনি তলাৰ ওপৰত তলা লগাই, 'ডবল তলা'ত (double lock) সঁচাৰ কাঠী মাৰি নামঘৰত কোনো এদল সোমাব নোৱাৰাকৈ সদৌ কাৰ্য অচল (dead lock) কৰি পেলালে।

উল্লিখিত সামাজিক সমস্যা ভঞ্জনাৰ্থে মই সদুপায় চিন্তা কৰিবলৈ ধৰিলোঁ। সদায় সন্ধিয়া টাউনবাসী বিজ্ঞ লোকসকলৰ ওচৰত পৰামৰ্শ কৰিব লগাত পৰিলোঁ। পিছে, পাছলৈ সেই নিয়মে চলাত অসুচল বোধ কৰি, ৺মাধৱচন্দ্ৰ বৰদলৈ ৰায় বাহাদুৰৰ পুৰণি বঙলাৰ সমুখৰ বাটঘৰ এটা ভাড়াটীয়াকৈ লৈ তাতে সদায় সন্ধিয়া সন্মিলনী এখন স্থাপন কৰিলোঁ। —সেয়ে "তেজপুৰ অসমীয়া ক্লাব"ৰ আঁতিগুৰি। সন্ধিয়া সন্মিলনৰ আলমতে বন্ধুবৰ্গৰ মন আকৰ্ষণ কৰাৰ অভিপ্ৰায়ে সেই সন্মিলনী বা ক্লাবত আলোচনাৰ উপৰি, ৰং-ধেমালিৰ অৰ্থে, তাচ, পাশা, ডবা আদিৰ খেল আৰু প্ৰতি শনিবাৰে গীতি-বাদ্যৰো যুগুত ব্যৱস্থা কৰি দিলোঁ। ফলত, অনতিপলমে, সেই সৰু ক্লাব ঘৰটিত সন্ধিয়া সন্মিলনৰ মানুহ নধৰা হ'বলৈ ধৰাত আমি আহুকাল অনুভৱ কৰিব লগাত পৰিলোঁহঁক; আৰু সেই আহুকাল গুচাবৰ অৰ্থে মই আকৌ সদুপায় চিন্তিবলৈ ধৰিলোঁ। এনেতে, সেই কালৰ দ্বিতীয় মুন্‌চীফ হাকিম (পাছত জজ্) শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱাৰ সৌজন্যৰ ফলত, আহল-বহলকৈ এটি টিনৰ ক্লাবঘৰ নতুনকৈ সজাবৰ কাৰণে, ৰাইজৰপৰা বৰঙণি তুলি ডেৰহাজাৰ টকা গোটালোঁহঁক। ঘৰ সজোৱাৰ কাম হাতত লোৱাৰ জোখাৰে ধন হ'ল, কিন্তু ভেঁটি নাই। টাউনৰ নানাফালে ঠাই বিচাৰিলোঁহঁক, কিন্তু সুচল ঠাই পোৱা নগ'ল। সদৌ শেহত দেখিলোঁ, পদুম পুখুৰীৰ পূব-দক্ষিণ চুকত এবিঘামান সুন্দৰ চৰকাৰী মাটি পতিত হৈ পৰি আছে; মই অনতিপলমে সেই সময়ৰ ডেপুটী কমিশ্যনাৰ মিঃ ক্ৰিল চাহাবৰ বঙলালৈ গৈ, তেখেতক আমাৰ জৰুৰী অভাৱটোৰ বিষয়ে বহলাই বুজাই কৈ, লিখিত হুকুম এটিৰে সৈতে সেই ভূমিদান লাভ কৰিলোঁ। তাৰ পাছত, সদৌৰে যুটীয়া যত্নৰ ফলত, অলপ দিনৰ ভিতৰতে সেই ঠাইতে এটি নিয়মীয়াকৈ আহল-বহল টিনৰ আধাপকী ঘৰ এটি থিয় হৈ জিলিকিল,—এয়ে "তেজপুৰ অসমীয়া ক্লাব ঘৰ" (Tezpur Assamese Club Premises)।

নিজা-নিগাজীকৈ "তেজপুৰ অসমীয়া ক্লাব" ঘৰ যুগুত হৈ উঠাত, ইয়াৰ মূলস্বৰূপ মই পোন প্ৰথমে ভাড়াটীয়া ঘৰত প্ৰতিষ্ঠা কৰা "সন্ধিয়া সন্মিলনী"ৰ আহিলা-পাতি সমুদায় উঠাই

আনি এই নতুন ক্লাব-ঘৰত নিয়াৰিকৈ পাতি দিলোঁহি। তাৰ পাছত সেই 'সন্মিলনী'ৰ সমজুৱাসকলেই এই ক্লাবৰ মেম্বৰ হৈ পৰম উলাহ-আনন্দেৰে ক্লাব-সন্মিলনীৰ সুখ-সন্তোষ উপকাৰিতা উপভোগ কৰিবলৈ ধৰিলে। অতি অলপ দিনৰ ভিতৰতে ক্লাবটি চকুত লগা হৈ জিলিকি উঠাত, বাহিৰৰপৰাও অন্যান্য সাম্প্ৰদায়িক ইণ্ডিয়ান আৰু য়ুৰোপীয়ান ভদ্ৰলোক-সকলৰ ই সুদৃষ্টি আকৰ্ষণ কৰিব পৰা হ'ল। অফিচিয়াল আৰু নন্-অফিচিয়াল টাউনবাসী সদৌৱে ইয়াৰ প্ৰতি সংপ্ৰীতিভাৱে চাবলৈ ধৰিলে। এদিন জোনাকী সন্ধিয়া ক্লাবৰ পদুলিমুখৰ 'গেট'ত আমি জনদিয়েক মেম্বৰে থিয়াথিয়ি কৰি কথা-বাৰ্তা পাতি আছোহঁক, এনেতে বুঢ়া উকীল মহেন্দ্ৰ বাবু ফুৰি ফুৰি আহি, সেইখিনিতে খন্তেক বৈ, ক্লাব-ঘৰটিলৈ চাই এইবুলি মন্তব্য প্ৰকাশ কৰিলে, "বেচ, সুন্দৰ হইয়াছে, জায়গাটাৰও উন্নতি হইয়াছে, ইহা একটা নূতন ইণ্ডিয়ান অনুষ্ঠান হইল। ইহাৰ মূল সেই অবাঞ্ছিত দলাদলি গোলযোগেৰ সময় আমি তখনি বলিয়াছিলাম, পদ্মবাবুৰ অবাৰিত উদ্যম বাধা দিয়া ৰাখা যায় না, সে পাৰ ভাঙ্গিয়া প্লাবিত হয়; ফলতঃ নূতন কিছু হইয়া থাকে। তেজপুৰে বিগত চল্লিশ বৎসৰ যাবৎ আমি ইহা লক্ষ্য কৰিয়া আসিতেছি। ভাল, হিতে বিপৰীত না হইয়া অহিতে হিত হইল।" সিমানতে মই বিনয়-নম্ৰতাৰ আৰলৈ সাউত কৰে আঁতৰ হলোঁ।

আৰম্ভণৰেপৰা 'তেজপুৰ অসমীয়া ক্লাব' অতি কট্‌কটীয়া নিয়মৰ অধীনে পৰিচালিত হৈছিল। সামাজিক কু-নীতি প্ৰৱৰ্তক, ভেদনীতি প্ৰশ্ৰয়ক, কু-অভিসন্ধিৰ লোকে যাতে ক্লাবৰ ভিতৰৰ বিশ্বাসমূলক আলোচনা, প্ৰস্তাৱনা আদিৰ সন্ধেদ নাপায়, তদৰ্থে স্থানীয় য়ুৰোপীয়ান 'ষ্টেচন ক্লাব'ৰ আৰ্হিৰে, আমাৰ অসমীয়া ক্লাবতো নতুন মেম্বৰ ভৰ্তি কৰা বিষয়ত 'বগাগুটি-কলাগুটী' (white ball & black ball) প্ৰয়োগেৰে পৰীক্ষা কৰাৰ নিয়ম প্ৰচলন কৰা হৈছিল; অৰ্থাৎ এটা কলাগুটিয়ে তিনটা বগা গুটি ওফৰাব পৰা নিয়মেৰে নতুনকৈ প্ৰস্তাৱিত মেম্বৰৰ নামে অভিমত চন্দুকত (ballot box) পুৰণি মেম্বৰসকলে গুপুতে গুটি ভৰায়, পৰীক্ষাত কলাগুটিয়ে কাটিব নোৱাৰাকৈ বগাগুটিৰ লেথ ওলালে সেই প্ৰাৰ্থীক মেম্বৰ শ্ৰেণীত ভুক্ত কৰা যায়, নহলে অগ্ৰাহ্য কৰা হয়। এই সু-নিয়ম পালনৰ গুণত কোনো কু-অভিসন্ধি-ভাবৰ দুশ্চৰিত্ৰৰ লোকে ক্লাবৰ হৈ সোমাবলৈ ছেগ নাপাইছিল। বিশেষ, 'তেজপুৰ অসমীয়া ক্লাব' অসমীয়াৰ কাৰণেহে, অনা-অসমীয়া মেম্বৰলৈ ইয়াত আসন পতা নহৈছিল।

এই অনুক্ৰমে 'তেজপুৰ অসমীয়া ক্লাব'টি ক্ৰমাৎ টনকিয়াল হৈ অহা দেখি মোৰ অন্তৰত আনন্দ উথলিবলৈ ধৰিলে। কিন্তু, আনহাতে, তেজপুৰ অ. ভা. উ. সা. সভাৰ নামঘৰ আৰু বাণ থিয়েটাৰ নাটমন্দিৰ বিষয়ক গুৰুতৰ সমস্যামূলক লেঠাৰ এঠা ক্ৰমাৎ টান হৈ কঁঢ়াল বান্ধিবলৈ ধৰা দেখি মোৰ অন্তৰত হৰিষে-বিষাদৰ ওভতনি ঢৌ নুঠাকৈও নাছিল। সেই সমস্যা কি উপায়েৰে ভঞ্জন কৰিম, তাৰ উপায় বিধান কৰিবলৈকো ক্লাবত নিতৌ ছেগ বুজি আলোচনা চলাবলৈ ধৰিলোঁহঁক। পিছে, এনেতে, এটি সোণাময় ছেগে অযাচিতে ধৰা দিলে। জন্মৰেপৰা সেই সময়লৈকে ক্লাবটিৰ প্ৰধান পৃষ্ঠপোষক শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা এম-এ. বি-এল. ই-এ-চি হাকিম পদোন্নতিত জজ্ হৈ গুৱাহাটীলৈ যোৱাৰ যোৱাত তেওঁক আনন্দবিদায়

দিয়াৰ উদ্দেশ্যে তেজপুৰ টাউন হলৰ টোলত টাউনৰ সদৌ সাম্প্ৰদায়িক গণ্যমান্য ভদ্ৰলোকৰ মাজত এখন চাহখোৱা মেল (tea party) পাতিবলৈ আয়োজন কৰা হ'ল। সেই সময়তে লোকৰঞ্জক পুৰণি হাকিম শ্ৰীযুত কৃষ্ণচন্দ্ৰ চৌধাৰী ডাঙৰীয়াও কেদিনমানৰ কাৰণে তেজপুৰলৈ আহিছিল। মই, সেই সু-ছেগতে, চৌধাৰী ডাঙৰীয়াক 'তেজপুৰীয়া দল'ৰ মাজত প্ৰৱেশ কৰাই, নিজে 'নন্-তেজপুৰীয়া দল'ৰ মাজত সোমাই লৈ, সেই পুৰণি বিষাদ ভঞ্জনাৰ্থে গুপুতে কেনভাচিং কৰিবলৈ লাগি গলোঁহঁক। নিৰ্ধাৰিত দিনা আবেলি সেই 'চাহখোৱা মেল'ৰ সামৰণিত সেই সদৌ দলৰ মেলৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ বাব মোৰ মূৰত অৰ্পিত হ'ল। মই তেনেটি আপুৰুগীয়া ছেগ অতি সন্তৰ্পণে অন্তৰত আঁকোৱালি লৈ, মেলৰ উদ্দেশ্য ব্যাখ্যাৰ আলমতে, তেজপুৰৰ অসমীয়া সমাজৰ মাজত এটা লাগি থকা বাদ-বিসংবাদ, দলা-দলি, ভাই-ভাই-ঠাই-ঠাই, থান-বান হোৱা মহা অনিষ্টকৰ আৰু নিতান্ত অবাঞ্ছনীয় অৱস্থাৰ চমু বিবৃতিৰে সৈতে দুয়োদলৰ প্ৰতি সানুনয় মিনতি কৰি, সেই আনন্দৰ স্থলতে পুনৰ্মিলনৰ কামনা জ্ঞাপন কৰিলোঁ। মোৰ বক্তব্যৰ সামৰণিত চৌধাৰী ডাঙৰীয়াই 'তেজপুৰীয়া দল'ৰ মুখিয়াল নেতা জনদিয়েকক আগুৱাই আনি 'নন্-তেজপুৰীয়া দল'ক আহ্বান কৰিলে; মই ততালিকে ইদলৰপৰাও জনদিয়েকক আগবঢ়াই নিলোঁ; দুয়োদলৰে সেই প্ৰতিনিধিৰ মাজত আদৰ-সাদৰ কোলাকুলিৰে সৈতে সম্প্ৰীতি সন্মিলনৰ আভাস প্ৰদৰ্শিত হোৱাত সমবেত ৰাইজে শান্তিসূচক জাউৰি জাউৰিকৈ আনন্দৰ হাত চাপৰি মাৰিবলৈ ধৰিলে, মোৰ হিয়াত এচমকা আনন্দ উপচি পৰিল। দিনচেৰেকৰ পাছত, অ. ভা. উ. সা. সভাৰ এখন বিশেষ সাধাৰণ অধিবেশন আহ্বান কৰিলোঁ। নিৰ্ধাৰিত সময়ত দুয়োদলৰ সভ্যসকলেৰে নামঘৰৰ টোল ভৰি পৰিল। দুয়োদলে মনোমালিন্যনাশক আঁকোলা-আঁকুলি আদৰ-সাদৰেৰে পুনৰ্মিলনৰ পূৰ্ণ একতাৰ ভাব প্ৰকাশ কৰি সকলোটি উৰুলীকৃত হ'ল। ইতিছেগতে, মই দুয়োদলৰ সঁচাৰ-কাঠীধাৰী দুজনৰ হতুৱাই নামঘৰৰ দুৱাৰ মেলাই লৈ, পৰম উলাহেৰে চমুকৈ এটি উদ্বোধন বক্তৃতাৰে সৈতে যথা নিয়মে সভাৰ কাৰ্য আৰম্ভ কৰাই দিলোঁ। সেই অধিবেশনত শ্ৰীযুত হৰিবিলাস আগৰৱালা ডাঙৰীয়াই সভাপতিৰ আসন শোভা কৰিছিল। সেই বৈঠকত বিশেষ একো আলোচ্য বিষয় উত্থাপিত হোৱা নাছিল, মাথোন সভাপতি ডাঙৰীয়াৰ জ্ঞানগৰ্ভ সদুপদেশপূৰ্ণ সুদীৰ্ঘ মৰ্মস্পৰ্শী মৌখিক অভিভাষণে সমবেত সমজুৱাক বিমোহিত কৰিছিল। সামৰণিত একেদলীয়া সভ্যসকলে আকৌ এবাৰ পৰস্পৰে আদৰ-সাদৰ জ্ঞাপক সাবটা-সাবটি কৰি, সভাপতিক ধন্যবাদ দি, হৃষ্টচিত্তেৰে দিহাদিহি প্ৰস্থান কৰিলে। যোৱা ছমাহ একেৰাহে অহোপুৰুষাৰ্থেৰে সভ্যসকলৰ মাজত লগা সেই আপদীয়া বিবাদ-গাঁঠিৰ কেনা ভাঙি আকৌ অ. ভা. উ. সা. সভাক আগুৱাবলৈ সৰল বাট লগাই দি, মই সম্পাদকীয় বিষয়-বাবৰ দায়িত্বৰপৰা অব্যাহতি ললোঁ।

অ. ভা. উ. সা. সভাৰ সমস্যা ভঞ্জন কৰি উঠি, দিনদহেকমানৰ পাছত, তেজপুৰ অসমীয়া ক্লাবৰ এখন বিশেষ সভা আহ্বান কৰিলোঁ। সভালৈ ক্লাবৰ মেম্বৰসকলত বাজেও জনচেৰেক বিশিষ্ট অসমীয়া ভদ্ৰলোকক নিমন্ত্ৰণ দিয়া হৈছিল। এই বৈঠকত কোনো সাধাৰণ কাৰ্যৰ

আলোচ্য বিষয় নাছিল, মাথোন সভাৰ প্ৰচলিত নিয়মাৱলী পাঠ কৰি, তৎপ্ৰতি মেম্বৰসকলৰ মনোযোগ পুনৰপি আকৰ্ষণ কৰা হৈছিল। সেই আলমতে, বিশেষ বিশেষ বিবেচনাৰ ওপৰত সভাৰ সিদ্ধান্ত অনুসাৰে, শ্ৰীযুত হৰিবিলাস আগৰৱালা ডাঙৰীয়া, শ্ৰীযুত ভৱানীচৰণ ভট্টাচাৰ্য ৰায়চাহাব আৰু শ্ৰীযুত বেথাৰাম শৰ্মা ৰায়বাহাদুৰ, এই তিনিজন অসমীয়া সমাজৰ নেতা শ্ৰেণীৰ বিশিষ্ট বৃদ্ধলোকক, প্ৰচলিত পৰীক্ষাৰ নিয়ম ৰেহাই দি, ক্লাবৰ স্থায়ী মেম্বৰৰূপে ভুক্ত কৰি লোৱা হ'ল; অপৰাপৰ অসমীয়াৰ কাৰণে, মেম্বৰ-পৰীক্ষাৰ ডেওনা পাৰ হৈ সোমাবলৈ ক্লাবৰ দুৱাৰ মুকলি কৰি ৰখা হ'ল।

আদিৰেপৰা তেজপুৰ অসমীয়া ক্লাব চন্তালনৰ অৰ্থে মোৰ লগৰীয়াকৈ একোজন অসমীয়া ই. এ. চি. মুনচীফ্‌ বা হাকিমে যুটীয়া সম্পাদকৰ বিষয়-বাব লৈছিল; যেনে, শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা, শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা, মৌলবী জেহিৰুল হক, শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা, মৌলবী আতোৱাৰ ৰহমান, শ্ৰীযুত জানকীনাথ নবিছ। ইবিলাকৰ সহযোগিতাৰ বলেৰে ক্লাবৰ বন্ধা নিয়ম-কাৰণ অটুট ৰাখি, ভালেমান দিনলৈ ক্লাবটি ক্ৰমাৎ টনকিয়াল কৰি চন্তালি আছিলোঁ। সেই কালৰ ভিতৰত ভালেমান সামাজিক কাৰ্য সুচাৰুকৈ সম্পাদিত হৈছিল। কোনো বিশেষ প্ৰখ্যাত বৰমানুহ তেজপুৰ টাউনলৈ আহিলে ক্লাবত যথাযোগ্যকৈ অভ্যৰ্থনা কৰা ৰীতি চকুত লগাকৈ পালন কৰা হৈছিল; তাৰ ভিতৰত অসমৰ এক্টিং চীফ কমিচনাৰ কৰ্ণেল পি. আৰ. টী. গৰ্ডন চাহাব বাহাদুৰক অভিনন্দিত কৰি দিয়া অভ্যৰ্থনা বিশেষকৈ উল্লেখযোগ্য। এই প্ৰসঙ্গতে শ্ৰীযুত হৰিবিলাস আগৰৱালা ডাঙৰীয়াই তেজপুৰৰ ইতিবৃত্ত বিষয়ক এটি চমু বিবৃতি কৰ্ণেল গৰ্ডন চাহাবক আলাপৰ চলতে কৈ শুনাইছিল; আগৰৱালা ডাঙৰীয়াই ডেকা কালত বাণ-ৰজাৰ আচল ৰাজধানী ভালুকপুং কাৰেঙলৈ লতা-বগাই উঠি যি চমৎকাৰ দৃশ্য দেখিছিল, সেইছোৱাৰ বৰ্ণনা বিশেষকৈ শুনিবলগীয়া হৈছিল। তাৰ পাছত, আগৰ শোণিতপুৰ কিয় আৰু কেতিয়াৰপৰা তেজপুৰ নামে অভিহিত হ'ল আৰু সেই পৌৰাণিক তেজপুৰে কিভাৱে ক্ৰমাৎ আধুনিক উন্নতিৰ বাটে আগুৱাব লাগিছে, তাৰো এটি বিশদ বিবৃতি বখানি, সেই আলমতে মোলৈ আঙুলিয়াই এইবুলি শলাগ লৈছিল, "এইজনেই তেজপুৰৰ সেই আধুনিক উন্নতিৰ এজন অক্লান্ত কৰ্ম্মী।" কৰ্ণেল গৰ্ডনে তেতিক্ষণে এইবুলি তেখেতৰ শলাগ সমৰ্থন কৰিলে, "Well, I have had more occasions than one to express my appreciation of his merits and manifold beneficent public services—Padmanath is a real friend of the Assamese people and their language and national literature."—তেখেতে মোলৈ চাই এটি আনন্দৰ মিচিকিয়া হাঁহি মাৰিলে; মই বিনয়-নম্ৰতাৰ ভৰত তলমূৰ কৰিলোঁ।

ইতিমধ্যত, মই কেইবাবাৰো তেজপুৰ অসমীয়া ক্লাবৰ সম্পাদকৰ পদৰপৰা অব্যাহতি লৈছিলোঁ; কিন্তু যেতিয়াই ক্লাবৰ কোনো আসন্ন অৱস্থা ঘটে, তেতিয়াই সেই বিষয়ববীয়াৰ দায়িত্ব মূৰত লৈ সেই আসন্ন আপদ খণ্ডাই দিওঁ। এইদৰেই কটকটীয়া নিয়ম-কাৰণৰ অধীনত ক্লাবৰ কাম-কাজ ভালেমান দিনলৈ নিয়াৰিকৈ চলি আছিল; পিছে, তাৰ পাছৰপৰা, ক্লাবৰ

মেম্বৰ ভৰ্তিৰ ডেওনা ডেই সোমাব নোৱাৰা কিছুমানৰ কু-চক্ৰত, আগৰ কটকটীয়া নিয়মাৱলীৰ বান্ধ ক্ৰমাৎ ঢিলা-সোলোকা হ'বলৈ ধৰিলে। সেই দুৰ্যোগতে, ক্লাবৰ অন্যতম পৃষ্ঠপোষক অসমীয়া ই. এ. চি. হাকিম শ্ৰীযুত খনীন্দ্ৰনাথ বৰুৱা এজন কোবাল মেম্বৰ হৈ সোমাল। ওপৰত উন্নুকিওৱা অপৰাপৰ মেম্বৰ আৰু নন্-মেম্বৰৰ মততে হৰিভৰ দি, তেওঁ মেম্বৰ ভৰ্তিৰ পৰীক্ষা ডেওনা গুচাই পাৰ্যমানে মেম্বৰৰ সংখ্যা বঢ়োৱাৰ ফালে ভিৰ দিলে। ফলত, আগৰ বগাগুটি-কলাগুটিৰ বাছনি পৰীক্ষাৰ ডেওনা উঠাই থৈ অবাৰিত দুৱাৰ মেলি দিয়াত, অলপ দিনৰ ভিতৰতে ক্লাবত মেম্বৰ নধৰা হৈ বাঢ়িল। কিন্তু, তাৰ ফলস্বৰূপে পুৰণি বিজ্ঞ আৰু বিশিষ্ট মেম্বৰসকলে এৰা দিবলৈ ধৰাত নতুন বাৰেবৰণীয়া মেম্বৰবিলাকে নানান্ বেমেজালিৰে ক্লাবৰ পূৰ্বৰ যশস্যা, প্ৰতিপত্তি আদি ক্ৰমাৎ মাৰ নিয়াবলৈ ধৰিলে। গতি-গোত্ৰ দেখি অগত্যাময়ো ক্লাবৰ সংস্ৰৱ এৰি বাজ হৈ পৰিলোঁ। সদৌ শেহত, জকা ক্লাব ঘৰটিয়ে চিন মাথোন ৰাখিছে, প্ৰকৃততে তেজপুৰ অসমীয়া ক্লাব কংগ্ৰেছ অফিচত পৰিণত হ'ল।

# সপ্তচত্বাৰিংশ সৰ্গ

## অসম এছোচিয়েশ্যনৰ বছৰেকীয়া ১৭শ অধিবেশন

উত্তৰ লক্ষীমপুৰত কাউন্সিল নিৰ্বাচনত কৃতকাৰ্য হৈ উলটি আহি তেজপুৰত নামিয়েই অসম এছোচিয়েশ্যন সন্মিলনীৰ ১৭শ বছৰেকীয়া বৈঠক তেজপুৰত পাতিবলৈ আয়োজন কৰা বিষয়ক আধৰুৱাকৈ এৰি যোৱা কাম-বনত পুনৰপি লাগি গলোঁ। অপৰাপৰ লগৰীয়া কাৰবাৰী সমজুৱাসকলেৰে সৈতে পৰম উলাহেৰে লাগি-ভাগি আগন্তুক সন্মিলনৰ কাৰণে সভামণ্ডপৰ ৰঙা আৰু দূৰণিৰটীয়া ডেলিগেট বা নিৰ্বাচিত প্ৰতিনিধি সমজুৱাসকল থাকিবৰ কাৰণে প্ৰবস্থুৱা বহা-ঘৰ আদি ৰেলৱে পুখুৰী পাৰত নিয়াৰিকৈ যুগুত কৰি তুলিলোঁহঁক। তেজপুৰ অসমীয়া ক্লাব ঘৰটিকে জাকৃজমকৃকৈ সজাই-পৰাই লতা-পাতেৰে বিতোপনকৈ সজোৱা এটি বাট-চ'ৰাৰে সৈতে সভাপতিৰ বৈঠক-চ'ৰাকৈ যুগুত কৰা হ'ল; তেতিয়া এই অসমীয়া ক্লাবৰ উন্নতিৰ পয়োভৰ।

সন্মিলনীৰ নিৰ্ধাৰিত বৈঠকৰ দিন ইং ২৬/১২/২০ তাৰিখৰ দিনদিয়েক আগৰেপৰা সদৌ অসম উপত্যকাৰ ভিন ভিন জিলাৰ ভিন ভিন্ কেন্দ্ৰৰপৰা প্ৰতিনিধি 'ডেলিগেট'সকল আহি চাপিবলৈ ধৰিলে; মনোনীত সভাপতি ডিব্ৰুগড়ৰ শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱাদেৱ বৈঠকৰ এদিনৰ আগতে পালেহি। কাৰবাৰী নেতাসকলৰ দিহা অনুসৰি স্থানীয় স্বেচ্ছাসেৱকবৃন্দ ডেলিগেট শুশ্ৰূষাত উৰুলীকৃত হৈ লাগি গ'ল। মই পুৰা, ডুপৰীয়া, সন্ধিয়া তিনিও প্ৰসঙ্গতে সেৱকবৃন্দ আৰু কাৰবাৰী নেতাসকলৰ সদৌ ৰাজহুৱা কাৰ্যাদি পৰিদৰ্শন কৰি তত্ত্বাৱধান লবলৈ ধৰিলোঁ।

ইং ২৬/১২/২০ তাৰিখে আবেলি এক বজাৰপৰা অসম এছোচিয়েশ্যন সন্মিলনী বৈঠকৰ কাৰ্য আৰম্ভ হোৱাৰ আগৰেপৰা স্থানীয় দৰ্শকবৃন্দেৰে ৰভাঘৰ ভৰি পৰিল; পাছলৈ ৰেল-পুখুৰী পাৰৰ সৰু চাপৰিটিত ৰাইজ নধৰা হ'ল। ডেলিগেটসকলৰ কাৰণে বাঁহ বান্ধি ঠাই আচুতীয়াকৈ ৰখা হৈছিল হেতুকে সিবিলাকে আহুকাল নোপোৱাকৈ কাৰ্যত যোগ দিব পাৰিছিল। নিৰূপিত কাৰ্যতালিকা অনুসৰি, সভা উদ্বোধনৰ বাব মোৰ মূৰত পৰিল। মই চমুকৈ এটি মৌখিক অভিভাষণেৰে পাতনি মেলি দিলোঁ। পোন-প্ৰথমতে মনোনীত সভাপতি শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱাদেৱৰ গুণাৱলী ব্যাখ্যান কৰি, তেওঁ উপস্থিত সভাপতিৰ আসন শোভা কৰিবলৈ কি কাৰণে বিশেষকৈ যোগ্য বিবেচিত হ'ল, সেই বিষয়ে সমবেত ৰাইজক চমুকৈ কৈ শুনালোঁ; অৰ্থাৎ বিগত ভাৰত-শাসন-সংস্কাৰ বিষয়ক পৰ্যালোচনাৰ অৰ্থে লণ্ডনত বহা মেৰ-চ'ৰা মেললৈ (Round Table Conference) শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈদেৱক অসম এছোচিয়েশ্যনৰ প্ৰতিনিধি পঠিয়াওঁতে বৰুৱাদেৱে উপযাচি নিজ খৰচত তেওঁৰ লগৰীয়া হৈ বিলাত যাত্ৰা কৰি দেশহিতকৰ কাৰ্যত সহায় কৰা বাবেই যে উপস্থিত সন্মিলনীৰ সভাপতিৰ আসনত উপবিষ্ট কৰি তেওঁক সন্মান দান কৰা হৈছিল, সেই কথাসমূহ ৰাইজক বুজাই কলোঁ। তাৰ পাছত, সেই আলমতে অসম এছোচিয়েশ্যনৰ আঁতিগুৰি ব্যাখ্যান

কৰি, গৌৰীপুৰৰ জমিদাৰ ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰক নিগাজী প্ৰেচিডেণ্ট পাতি লৈ, যুটীয়া জেনেৰেল চেক্ৰেটৰী মিঃ জে. বৰুৱা ( পাছত ৰায়বাহাদুৰ জগন্নাথ বৰুৱা ) আৰু মিঃ মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াদ্বয়ে কিৰূপে অসমৰ এই একেখন মাথোন ৰাজনৈতিক ৰাজহুৱা সভা প্ৰতিষ্ঠা কৰিলে, আৰু এই এছোচিয়েশ্যনৰ জৰিয়তে দেশহিতকৰ কি কি মহৎ কাৰ্য সাধিত হৈছিল তাৰ এটি চমু অথচ বিশদ বিবৃতি ৰাইজৰ আগলৈ দাঙি ধৰি সেই দেশহিতৈষী পুৰুষ তিনিজনাৰ শলাগ ললোঁ।

উদ্বোধনৰ পাছত, আদৰণি সভাৰ সভাপতি শ্ৰীযুত ( পাছত ৰায়চাহাব ) ডালিমচন্দ্ৰ বৰাদেৱে তেওঁৰ লিখিত অভিভাষণ পাঠ কৰে। তেওঁৰ অভিভাষণ চমু, কিন্তু তাত সেই সাময়িক-সামাজিক আৰু ৰাজনৈতিক আন্দোলন বিষয়ক আৰু তেজপুৰৰ আধুনিক আৰু পৌৰাণিক ইতিবৃত্ত সম্বন্ধে বিশদ বিবৃতি দিয়া হৈছিল।

আদৰণি সভাৰ সভাপতিৰ অভিভাষণৰ পাছত, প্ৰচলিত ৰীতি অনুসৰি সভাপতিক মালা পিন্ধাই বৰণ কৰা হ'ল। তাৰ পাছত, সভাপতিয়ে নিৰূপিত আসন গ্ৰহণ কৰি, তেওঁৰ দীঘলীয়া অভিভাষণ পাঠ কৰে। অভিভাষণখনত ভালেমান নতুন কথা সন্নিবিষ্ট হৈছিল। বৰুৱাদেৱে লগৰীয়া ৺নবীনচন্দ্ৰ বৰদলৈদেৱৰে সৈতে লণ্ডনত, অসম এছোচিয়েশ্যনৰ ডেলিগেট স্বৰূপে কি কি কৰিছিলগৈ তাৰ বিশদ বিবৃতি অভিভাষণত লিপিবদ্ধ কৰা হৈছিল। সেই আলমতে, বিলাত-যাত্ৰা আৰু লণ্ডন তলাতল নগৰৰ বিচিত্ৰ বৰ্ণনা শুনি বিমোহিত হৈছিলোঁহঁক।

## পোন-প্ৰথম অসম শিক্ষক-সন্মিলনী

অসম এছোচিয়েশ্যন কন্‌ফাৰেন্সৰ তিনিদিনীয়া বৈঠকৰ মাজতে, দ্বিতীয় দিনা ভাটিবেলা আৰু তৃতীয় দিনা পুৱাবেলাত বহিবলগীয়া সদৌ অসম সাহিত্যিক সন্মিলনীৰ উদ্বোধন বক্তৃতা লিখি থাকোতেই ২৭।১২।২০ তাৰিখে পুৱা সদৌ অসম উপত্যকাৰ শিক্ষকবৰ্গৰ প্ৰতিনিধি-সকলৰ দ্বাৰাই গঠিত ডেপুটেশ্যন বা কটকী মণ্ডল এটি 'পদ্ম কুটীৰ'ত চাপি মোৰ সাহিত্যিক লিখা-পঢ়া কৰা খোঁটালিত মোক আগুৰি বহিলহি। ডেপুটেশ্যনটি ডিব্ৰুগড়ৰ ৺শিৱনাথ ভট্টাচাৰ্য হেডপণ্ডিত, শিৱসাগৰৰ শ্ৰীযুত উমাকান্ত গগৈ হেডপণ্ডিত, যোৰহাটৰ শ্ৰীযুত হৰি নাৰায়ণ দত্তবৰুৱা নৰ্মাল স্কুলৰ শিক্ষক, উত্তৰ লক্ষীমপুৰৰ শ্ৰীযুত কণকচন্দ্ৰ লাহন হেডপণ্ডিত, গোলাঘাটৰ এজন, নগাঁৱৰ এজন, গুৱাহাটীৰ এজন, গুৱালপাৰাৰ শ্ৰীযুত নিমাইচাঁদ দত্তবৰুৱা হেডপণ্ডিত, বৰপেটাৰ এজন, মঙলদৈৰ এজন, তেজপুৰৰ ৺সন্ধিৰাম শৰ্মা হেডপণ্ডিত, এই সকল শিক্ষক প্ৰতিনিধিৰ দ্বাৰাই সংগঠিত হৈছিল। অসময়ত, অৰ্থাৎ মই এটা গুৰুতৰ চিন্তালোচনাত মগ্ন থাকোতে, সাক্ষাৎকাৰী শিক্ষকমণ্ডলীৰ উপস্থিতিত ভিতৰি আহুকাল বোধ কৰিছিলোঁ যদিও, ভদ্ৰতাৰ আপাহত বাহিৰত উল্লাহিত হৈ, সিবিলাকক সাদৰ সম্ভাষণ জনাই কথা-বাৰ্তা পাতিবলৈ সক্ষম হৈছোঁ, এনেতে সেই পণ্ডিতমণ্ডলীৰ মুখিয়াল এজনে গিৰিসাই এইবুলি মাত লগালে, "আমি জানিছোঁ, আমি বৰ বিষম ক্ষণত উপস্থিত

হৈ আপোনাৰ হাতৰ গুৰুতৰ কামত ব্যাঘাত জন্মাইছোঁহি ; তদুপৰি বৰ গধুৰ এটি অনুৰোধ জনাই আপোনাক আমনি কৰাটোও আমাৰ অন্যতম উদ্দেশ্য, দয়া কৰি অনুৰোধ ৰাখে যদি জনাওঁ।" মই ততালিকে এইবুলি সমিধান দিলোঁ, "সঁচা, ক্ষণটি বৰ বিষম ; দেখিছেই নহয়, হাতে পুথি মঙ্গলবাৰ ! ( অভ্যাগত মণ্ডলীয়ে গিৰ্জনি মাৰি হাঁহে ) তথাপি, কওকচোন, কিনো অনুৰোধ, পাৰ্যমানে ৰাখিবলৈ চাম।" মুখিয়ালজনে মুখ পাতি ধৰি পুনৰপি ক'বলৈ ধৰিলে, "আপুনি উত্তমাঙ্গস্বৰূপে আন কি কোনো কোনো সভা-সমিতি সন্মিলনীৰ জন্মদাতা হৈ যিকেইখন সদৌ অসম সন্মিলনীৰ পৃষ্ঠপোষকৰ ধৰ্ম-কৰ্ম পালন কৰি জিলিকি আছে, তাৰে লগৰীয়াকৈ আমি নিমাখিত শিক্ষক বৰ্গেও সদৌ অসম শিক্ষক সন্মিলনী নামেৰে এটি অনুষ্ঠান পাতিবলৈ আগবাঢ়িছোঁ ; আপুনি তাৰে গুৰি ধৰিব লাগে।" মই পৰম উলাহেৰে কটকীমণ্ডলীৰ প্ৰস্তাৱ এইবুলি সমৰ্থন কৰিলোঁ, "বৰ ভাল কথা ; অতি সজ প্ৰস্তাৱ ; মই সাদৰে সমৰ্থন কৰিছোঁ। কোৱা বাহুল্য মাথোন, চৰ্চা আলোচনাই উন্নতিৰ মূল ; সেই মূল পচোৱাৰ আদি ভূমি শিক্ষক মহলীয়া খেত, সেই খেতৰ উৎকৰ্ষ সাধনৰ সমান মহান্ কাৰ্যানুষ্ঠান আন একোৱেই হ'ব নোৱাৰে। আপোনাসকলৰ এই সুচিন্তিত সাধু সংকল্প অনতিপলমে কাৰ্যত ফলিৱা দেখিবলৈ হাবিয়াস কৰাটো মোৰ স্বভাৱধৰ্মৰ প্ৰবৃত্তি।" কথকী পণ্ডিতে ততালিকে এইবুলি মুখ পাতি ললে, "শুনি পৰম প্ৰীতি লাভ কৰিলো। আপোনাৰ সেই স্বভাৱসুলভ প্ৰবৃত্তি উপলব্ধি কৰিহে সাহ কৰি কাষ চাপিছোঁহিহঁক। এতিয়া দয়া কৰিলেই সেই 'অনতিপলম' সংঘটিত হ'ব পাৰে ; তদৰ্থে আমি অসম এছোচিয়েশ্যন কনফাৰেন্স আৰু সাহিত্যিক সন্মিলনীৰ উপস্থিত আয়োজনৰ মাজতে সোমাই আমাৰ সংকল্পিত অনুষ্ঠানটি প্ৰতিষ্ঠা কৰিব খোজোঁ।" মই এইবুলি উত্তৰ কাটিলোঁ, বোলোঁ, "মাজত সোমাবলৈ সন্ধি নাই ; সেই দুই সন্মিলনীৰ কাৰ্য-তালিকা অনুযায়ী সময় নিৰূপণ হৈ গৈছে।" তদুত্তৰত, কটকী মণ্ডলীয়ে একেস্বৰে মাত লগালে, "সেই ভাবনাত আপোনাক নেপেলাওঁ, আমি তাৰ দিয়া লগাই ল'ব পাৰোঁ যদি,—।" বাক্য সম্পূৰণ নৌহওঁতেই মোৰ মত ব্যক্ত হ'ল, "ভাল, তেন্তে মোৰ সম্পূৰ্ণ সহানুভূতি গ্ৰহণ কৰিব।" সেই ছেগতে মুখিয়ালগৰাকীয়ে হাঁহি হাঁহি মৰম লগাই এই বুলি ডেপুটেশ্যনৰ আচল উদ্দেশ্য ব্যক্ত কৰিলে, "ভাল, তেন্তে এতিয়া আমাৰ অনুৰোধ ৰক্ষা কৰক ; আপুনিয়েই পোন-প্ৰথম সভাপতিৰ আসন শোভা কৰি, সদৌ অসম শিক্ষক সন্মিলনীৰ প্ৰাণ প্ৰতিষ্ঠা কৰক।" মই উচাপ্ খাই উঠি ততালিকে সমিধান দিলোঁ, "সেইটো কেনেকৈ সম্ভৱ হ'ব পাৰে ? দেখিছেই, বৰ্তমান একে সময়তে দুখন ডাঙৰ সন্মিলনীৰ গুৰুতৰ কাৰ্যভাৰত মোৰ মূৰ কিভাৱে দোঁ-খাই আছে। আগধৰি ভাবি-চিন্তি অভিভাষণ লিখি ল'বলৈ সময় নোপোৱাকৈ আপোনাসকলৰ সঙ্কল্পিত সন্মিলনীৰ সভাপতিৰ দায়িত্বপূৰ্ণ বাব মই কি সাধ্যে বহন কৰিম !" শুনি, কটকীমণ্ডলীয়ে পুনৰপি একেস্বৰে মাতি উঠিল, "আপোনাৰ পক্ষে ই একো অসাধ্য নহয়, আমি আপোনাৰ সাহিত্যিক প্ৰতিভাৰ প্ৰচাৰক কাপৰ দৰেই বাগ্মিতা প্ৰকাশক কণ্ঠৰ পৰিচয় পাই আছোঁহঁক ; আমাৰ দৃঢ় বিশ্বাস, মৌখিক অভিভাষণেৰেই আপুনি আমাৰ বাঞ্ছা সিদ্ধি কৰিব পাৰিব। আপুনিতো আন নহয়, আমাৰেই এজন পূৰ্বৱৰ্তী

পথ প্ৰদৰ্শক প্ৰবীণ শিক্ষক ; শিক্ষকতাৰ অতুল অভিজ্ঞতা আপোনাৰ আছে।" এই বিষম সমস্যাৰ পাৰ পাবলৈ বুলি মই আকৌ কিছুমান যুক্তি-তৰ্ক প্ৰয়োগ কৰি চালোঁ, কিন্তু কটকী-মণ্ডলীয়ে একোপধ্যে নেৰে ; গতিকে, 'চাপৰিলে মেঘ নেৰায়' জানি আৰু মোৰো ইফালে মহঙ্গা সময় ৰাহি কৰাৰ প্ৰবল উদ্বেগত অগত্যা পণ্ডিতমণ্ডলীৰ অনুৰোধ মূৰ পাতি ললোঁ।

শিক্ষকসকলৰ নেৰা-নেপেৰা অনুৰোধ এৰাব নোৱাৰি অভ্যৰ্থনা সমিতিয়ে নিৰ্ধাৰিত কাৰ্য-তালিকা আৰু নিৰূপিত সময়ৰ লৰচৰ ঘটাই, অসম এছোচিয়েশ্যনৰ তৃতীয় দিনৰ বৈঠকৰ কাৰ্য দ্বিতীয় দিনাই সমাপন কৰাই তৃতীয় দিনাৰ পুৱা বেলাটো সদৌ অসম শিক্ষক সন্মিলনীৰ বৈঠকৰ কাৰণে নিৰূপণ কৰি তৃতীয় দিনাৰ আবেলি আৰু চতুৰ্থ দিনাৰ পুৱা বেলাটো সাহিত্যিক সন্মিলনীৰ বৈঠকৰ কাৰণে স্থিৰ কৰিলে। সেই অনুসৰি, এছোচিয়েশ্যনৰ দ্বিতীয় দিনীয়া কাৰ্য-তালিকা বৰ গধুৰ হৈ উঠিল। সন্ধিয়াৰ পাছতো দুঘণ্টামান থাটিহে ৰিজলিউচন বা প্ৰস্তাৱবিলাক গৃহীত কৰাই উঠি, আনন্দ-উলাহৰ জয়ধ্বনিৰ মাজত অসম এছোচিয়েশ্যন কনফাৰেন্সৰ ১৭শ অধিবেশনৰ কাৰ্যতালিকাৰ সামৰণি মৰা হ'ল।

কনফাৰেন্স সামৰণৰ পাছত আমি ঘৰাঘৰি আহিবলৈ আজৰি পোৱা নহ'ল ; সেই বহি থকা ভাগেই সভামণ্ডপত সদৌ অসম সাহিত্যিক সন্মিলনীৰ বিষয় বাছনি সমিতিৰ কাৰ্যালোচনা আৰম্ভ কৰি দিলোঁহঁক। সমিতিৰ সেই বৈঠকত তৰ্কালোচনাৰ কোব বৰকৈ চৰিছিল ; গতিকে ৰাতি দুপৰ মানতহে বিষয়-বাছনি সমাপন কৰি ঘৰাঘৰি হলোঁহঁক।

পিছদিনা ( ইং ১৮।১২।২০ ) পুৱা ৭ মান বজাত, অসংখ্যাত ছাত্ৰবৃন্দেৰে পৰিবেষ্টিত হৈ শিক্ষকবৰ্গৰ শোভাযাত্ৰা 'পদ্মকুটীৰ'ৰ সমুখত সমবেত হ'লহি ; 'কুটীৰ'ৰ সমুখীন আলিবাটটো ( পাছত "Padmanath Road" ) জুৰি যাত্ৰীবৃন্দে লানী পাতিলে। ইতিমধ্যত বাহিৰত সিবিলাকে মোৰ নিজা বাগীথনকে ফুল-পাত-লতা আদিৰে সৈতে সজাই সজ্জিত কৰে মানে, ভিতৰত মই লৰালৰিকৈ প্ৰাতঃকৃত্য সমাপন কৰি, চাহ-জলপান খাই উঠি, সষ্টম হৈ ওলাই আহিলোঁ। কঠিন-কোমল কণ্ঠৰ সন্মিলিত স্বৰৰ উচ্চৰৱৰ তিনি জাউৰি জয়ধ্বনিৰ হেন্দোলনিৰ মাজত আৱাহন মালা পিন্ধাই বাগীত তুলি লৈ শোভাযাত্ৰা মণ্ডপৰ অভিমুখে উলাহী খোজেৰে আগুৱাবলৈ ধৰিলে ; পুৱা আঠমান বজাত, সভামণ্ডপত সমবেত হৈ থকা ৰাইজৰ লগত লগ লাগিলোঁহঁক।

ৰ'বৰ সময় নাই। আমি গৈ পোৱা মাত্ৰকে এটি মাঙ্গলিক গীতেৰে সন্মিলনীৰ কাৰ্য আৰম্ভ কৰি দিয়া হ'ল। তাৰ পাছত আদৰণি সমিতিৰ সম্পাদক ৺সন্ধিৰাম শৰ্মা হেডপণ্ডিতদেৱে তেখেতৰ সাৰগৰ্ভ শুৱলা অভিভাষণ পাঠ কৰি, সমবেত ৰাইজৰ আগত সন্মিলনীৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। অভিভাষণখনি বৰ গভীৰ গৱেষণামূলক আৰু ভালেমান লাগতিয়াল সাময়িক বিষয়ক বিবৃতিৰে পৰিপূৰ হৈছিল। তাৰ পাছত, প্ৰচলিত ৰীতি অনুসৰি সভাপতিৰ বৰণ মালা শিৰ দোঁৱাই পিন্ধি বক্ষঃস্থ কৰি উঠিবৰ মোৰ পাল পৰিল। আগতে উনুকিয়াই অহা হৈছে, সভাপতিৰ অভিভাষণ লিখিবলৈ অকণো সময় নিদিয়াকৈ, বাটত পোৱা কমাৰৰ হতুৱাই দা গঢ়াই লোৱা আসন্ন ৰীতি অনুসৰি মোক সভাপতিৰ বাব ল'বলৈ

বাধ্য কৰা হৈছিল। গতিকে, লিখিতৰ ঠাইত মৌখিক অভিভাষণেৰে সমবেত ৰাইজক সম্ভাষণ জনাই মোৰ বক্তব্য ব্যক্ত কৰিবলৈ ধৰিলোঁ। এই কৰ্তব্যপালনত মই ডেৰঘণ্টামান থিয় দিবলগীয়া হৈছিল। কিনো কৈছিলো, হুবহুকৈ মনত নাই; শিক্ষকমণ্ডলীৰ মাজত খৰহতীয়া জনদিয়েকে কৈ যোৱাৰ লগে লগে মোৰ বক্তৃতাৰ টোকা ধৰি লিখি গৈছিল, সেয়ে ফুল্‌স্কাপ কাগজৰ দহ-বাৰ পিঠিমান হ'ব। বক্তৃতা ভাল-বেয়াৰ বিষয়েও বিশেষ বোধ হোৱা নাছিল, মাথোন ছেদে-ছেদে শ্ৰোতা ৰাইজৰ সঘন হাত চাপৰিৰ হৰ্ষধ্বনি শুনা মনত পৰে।

হাতত সময় তাকৰ। গতিকে, আগকৰা ৰচনাবোৰ পাঠ কৰিবলৈ নিদি পঠিত বুলি গ্ৰহণ কৰা গ'ল। সেই হেতুকেই সেইদৰেই গীত আৰু দৃশ্যাবৃত্তিৰ দুটিমান মাথোন বাছি লৈ বাকীবোৰ বাদ দিয়া হ'ল। এঘাৰ বজালৈকে বন্ধা সময়ৰ ভিতৰত সামৰণি মাৰিব পৰাকৈ সভাৰ কাৰ্য চমু চপাই লোৱাৰ অৰ্থে, উপস্থিত সমজুৱাৰ মাজৰপৰা বাছি জনদিয়েক বিশিষ্ট বক্তাক মাথোন আহ্বান কৰা হৈছিল।

সদৌ শেহত, সন্মিলনীখনিৰ গঠনমূলক বিষয়ক পৰ্যালোচনা আগত লোৱা হ'ল। এই সম্বন্ধে কেইবাটাও সুচিন্তিত সাৰুৱা প্ৰস্তাৱ গৃহীত হয়। তাৰ পাছত, "সদৌ অসম শিক্ষক সন্মিলনী" নামে সভাৰ নামকৰণ কৰি, তাৰ ভৱিষ্যৎ পৰিচালনাৰ অৰ্থে এখন কাৰ্য-নিৰ্বাহক সভা গঠন কৰি দিয়া হ'ল। এই সভাত অসমৰ সদৌ জিলাৰ সদৰ, মহকুমা, মৌজা আৰু লাগতিয়াল কেন্দ্ৰবোৰৰপৰা একোজন প্ৰতিনিধি শিক্ষক সমজুৱা বাছি ল'বলৈ দিহা দিয়া হ'ল। যোৰহাট নৰ্মাল স্কুলৰ শিক্ষক শ্ৰীযুত হৰিনাৰায়ণ দত্তবৰুৱাদেৱক সাম্প্ৰতিকভাৱে সেই কাৰ্যনিৰ্বাহক সভাৰ সম্পাদক পাতি দিয়া গ'ল। আৰু কাৰ্যনিৰ্বাহক সভাৰ তলে কাৰ্যকৰী সমিতি (working committee) এখনো পাতি ল'বলৈ নিৰ্দেশ দিয়া হ'ল। সেই সুদক্ষ সমিতিদ্বয়ৰ কাৰ্যকুশলতাৰ গুণত সদৌ অসম শিক্ষক সন্মিলনী ক্ৰমাৎ টনকিয়াল হৈ উঠিল; এতিয়া সেই শিক্ষক সন্মিলনী অসমৰ অপৰাপৰ সন্মিলনীবিলাকেৰে সৈতে কানে-কান ঘঁহাই সমানে শাৰী পাতি আগুৱাব দেখি মোৰ অন্তৰত আনন্দ উপচিপৰা হৈছে।

নিৰ্ধাৰিত সময়ৰ ভিতৰত ঠিক এঘাৰ বজাত, ছাত্ৰ, শিক্ষক আৰু সমবেত ৰাইজৰ সন্মিলিত কণ্ঠস্বৰৰ গগনভেদী জয়ধ্বনিৰ হেন্দোলনিৰ মাজত "সদৌ অসম শিক্ষক সন্মিলনী"ৰ প্ৰাণ প্ৰতিষ্ঠা কৰি, সেই পোন-প্ৰথম বৈঠকৰ কাৰ্যৰ সামৰণি মৰা হ'ল। সদৌ শেহত, 'কোল পাৰ্ক'ত, সমবেত শিক্ষকমণ্ডলীয়ে সভাপতিক কেন্দ্ৰস্থ কৰি আৰু ছাত্ৰবৃন্দেৰে পৰিবেষ্টিত হৈ এখন স্মৃতি ফটোগ্ৰাফ তোলোৱাৰ পাছত, ভাটিবেলাৰ কৰ্তব্য সুমৰি সকলোটি ঘৰাঘৰি হলোহঁক।

## "সদৌ অসম সাহিত্যিক সন্মিলনী"ৰ ৪ৰ্থ অধিবেশন

শঁতাবৰ সন্ধি নাই। ১১॥ বজাৰ পৰা ১ বজালৈকে এই ডেৰ ঘণ্টাৰ ভিতৰত গা ধুই খাই সন্তম হৈ যথা সময়ত আকৌ সভা মণ্ডপত উপস্থিত হ'লোঁগৈ। গৈ পায়েই, সভাপতিক বাহৰৰ পৰা আগবঢ়াই আনিবলৈ আদৰণি সমিতিৰ জনদহেক বিশিষ্ট সদস্যক ছাত্ৰবৃন্দেৰে পৰিবেষ্টিত-কৈ গায়নে-বায়নে এটি শোভাযাত্ৰী গঠন কৰি পঠিয়ালোঁ। তেজপুৰ টাউনৰ সমুবুকুৰেদি ঘাই

আলিবাট জুৰি অহা শোভাযাত্ৰাই গায়ন-বায়নৰ সুললিত গীত-বাদ্যেৰে মুখৰিত কৰি সাহিত্যিক প্ৰতিভাৰ জেউতি চৰাই প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱক সসন্মানে আনি সভামণ্ডপৰ বাটচ'ৰাত উপনীত কৰালেহি ; তাৰেপৰা মই তেখেতক আদৰি আনি দণ্ডায়মান সমবেত ৰাইজৰ মাজেদি নি নিৰূপিত আসনত বহুৱালোঁগৈ। এটি মাঙ্গলিক বৰগীতেৰে সন্মিলনীৰ কাৰ্য আৰম্ভ কৰা হ'ল। মই মোৰ উদ্বোধন অভিভাষণ পাঠ কৰিবলৈ থিয় দিলোঁ। সময়ৰ অভাৱ হেতুকে অভিভাষণটো চমু কৰা হ'ল। স্বনামেৰে সুপৰিচিত প্ৰত্নতাত্ত্বিক সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱক প্ৰচলিত ৰীতি অনুসৰি সমবেত ৰাইজৰ আগলৈ ভেঁটাই দিয়াৰ ওপৰঞ্চিকৈ সদৌ অসম সাহিত্যিক সন্মিলনীৰ জন্ম, স্থিতি আৰু বিস্তৃতিৰ বিশদ বিবৃতি মাথোন উদ্বোধন অভিভাষণত লিপিবদ্ধ হৈছিল।

উদ্বোধনৰ পাছত, যথাৰীতি ওলগনি গীতেৰে সভাপতি বৰণ হৈ যোৱাত, অসমীয়া সাহিত্যৰ বুৰঞ্জী বিশাৰদ সুলেখক পণ্ডিত হেমচন্দ্ৰ গোস্বামী সভাপতি ডাঙৰীয়াই জাউৰি জাউৰি হৰ্ষধ্বনি আৰু চাপৰিৰ উলাহ ভেদি তেখেতৰ লিখনিসুলভ সুচিন্তিত সাৰগৰ্ভ অভিভাষণ পাঠ কৰিবলৈ ধৰিলে। নকলেও হয়, তেখেতৰ গভীৰ গৱেষণা আৰু বহুল অভিজ্ঞতামূলক সেই অভিভাষণ কিমান শুৱলা, সাৰুৱা আৰু বহুমূলীয়া হৈছিল ; অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীমূলক তেখেতৰ বিবিধ প্ৰবন্ধাৱলীয়ে তাৰ বহুল চিনাকি দি থৈছে। সেইবোৰ 'জোনাকী', 'বিজুলী', 'উষা', 'বন্তি', প্ৰভৃতি আলোচনী আৰু বাতৰি-কাকতত প্ৰচাৰিত হৈ গৈছে। অভিভাষণ পাঠ ডেৰঘণ্টামান সমবেত ৰাইজে একাণপতীয়াকৈ তৃপ্তি পলুৱাই মনপাৰি শুনিছিল। তাৰ পাছত, গোটাদিয়েক দৃশ্যাবৃত্তি আৰু এটি বৰগীতেৰে সাহিত্যিক সন্মিলনীৰ প্ৰথম দিনাৰ বৈঠকৰ কাৰ্য সিমানতে সমাধা কৰি থোৱা হ'ল।

পিছদিনা পুৱা সাত বজাৰপৰা সদৌ অসম সাহিত্যিক সন্মিলনীৰ চতুৰ্থ অধিবেশনৰ বাকীছোৱা কাৰ্যৰ পৰ্যালোচনা আৰম্ভ কৰা হয়। এইছোৱাত ভালেমান তৰ্কালোচনাৰ ফলত কিছুমান লাগতিয়াল প্ৰস্তাৱৰ সিদ্ধান্ত গৃহীত হয়। সময়ৰ নাটনি পৰাত, আগবঢ়োৱা ৰচনাবোৰ পাঠ কৰা নহ'ল, পঠিত বুলি গ্ৰহণ কৰা হয়। উপস্থিত সমজুৱাৰ মাজৰপৰা কেইবাজনো সুবক্তাই অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি বিধায়ক সাৰুৱা বক্তৃতা দিছিল। সদৌশেহত সভাপতি প্ৰমুখ্যে সদৌ কৰ্মীবৰ্গৰ মাজত শলাগ লোৱালুই কৰি এটি জাতীয় সঙ্গীতেৰে সভা ভঙ্গ কৰা হয়।

# অষ্টচত্বাৰিংশ সৰ্গ

## ৰিফৰ্ম অসম কাউন্সিলৰ পোন-প্ৰথম বৈঠক

জিৰণিলৈ আজৰি নাই। অসম এছোচিয়েশ্যন কনফাৰেন্স, শিক্ষক সন্মিলনী আৰু সাহিত্যিক সন্মিলনীৰ তেজপুৰীয়া বৈঠকৰ উৎসৱ পাৰ কৰি উঠিয়েই ৰিফৰ্ম কাউন্সিলৰ পোন-প্ৰথম বৈঠকলৈ সষ্টম হ'ব লগাত পৰিলোঁ। এই নতুন ধৰণৰ নতুন কাউন্সিল আগৰ ২৫ জন সদস্যৰ ঠাইত ৫৩ জন সদস্যেৰে গঠিত হয়; তাৰ ভিতৰত গৱৰ্ণমেণ্টৰ তৰফীয়া এজন প্ৰেচিডেন্ট আৰু দুজন একজিকিউটিভ মেম্বৰ আৰু ৰাইজৰ তৰফীয়া এজন ডেপুটী প্ৰেচিডেণ্ট আৰু দুজন মিনিষ্টাৰ নিয়োজিত হয়। প্ৰেচিডেণ্ট, একজিকিউটিভ মেম্বৰ আৰু মিনিষ্টাৰ এই কেইজন গৱৰ্ণমেণ্ট বা গৱৰ্ণৰৰ মনোনয়ন মতে নিযুক্ত হয় আৰু ডেপুটী প্ৰেচিডেণ্টজন কাউন্সিল সভাত সদস্যসমূহৰ দ্বাৰাই নিৰ্বাচিত হয়। আগৰ চীফ কমিশ্যনাৰ প্ৰেচিডেন্টৰ ঠাইত গৱৰ্ণৰে অধ্যক্ষৰ বাব লয়। দৰ্মহা গৱৰ্ণৰে ৫০০০_ হেজাৰ টকা, একজিকিউটিভ মেম্বৰ দুজন আৰু মিনিষ্টাৰ দুজনৰ প্ৰত্যেকে ৩৫০০_শ টকা, প্ৰেচিডেণ্টে ১০০০_ হেজাৰ টকা, আৰু ডেপুটী প্ৰেচিডেণ্টে ২৫০_ টকাকৈ পোৱাৰ নিয়ম হয়। গৱৰ্ণমেন্টৰ চীফ চেক্ৰেটৰী আৰু লিগেল ৰিমেমব্ৰেঞ্চাৰ ( আইন মেম্বৰ ) এওঁবিলাক দুজনেই একজিকিউটিভ মেম্বৰ দুজনৰ বিষয়-বাব চম্ভালিব লাগে।

ইং ১৯২১ চনৰ ফেব্ৰুৱাৰীৰ মাজভাগত বহিবলগীয়া ৰিফৰ্ম কাউন্সিলৰ পোন-প্ৰথম বৈঠকলৈ যাত্ৰা কৰি গুৱাহাটীত নামিছোঁগৈ, এনেতে শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা জজৰ মুখে শুনিলোঁ, বোলে, মনোনীত মিনিষ্টাৰ ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱমতে ডেপুটী প্ৰেচিডেণ্ট পদলৈ মোক প্ৰাৰ্থী থিয় কৰোৱা হ'ব। সেই সম্বেদতে গঁঢ়িলা লৈ, ময়ো তাতে তদৰ্থে পেন্সনীয়া মুনচীফ শ্ৰীযুত কৃষ্ণচন্দ্ৰ চৌধাৰী, পেঞ্চনীয়া জজ খানবাহাদুৰ মহিবুদ্দিন আহমদ প্ৰমুখ্যে জনদিয়েক মোৰ পুৰণি বন্ধুৰ জৰিয়তে কেনভাচিং চলাই দিলোঁ। পোন-প্ৰথম কাউন্সিলত মোৰ সমনীয়া আৰু লগৰীয়া সদস্য চুৰমা উপত্যকাৰ খানবাহাদুৰ নলিনীকান্ত ৰায় দস্তিদাৰ, ৰায়বাহাদুৰ ৰমণীমোহন দাস, মনোনীত মিনিষ্টাৰ খানবাহাদুৰ মৌলবী আব্দুল মজিদ চাহাব প্ৰমুখ্যে কেইবাজনো সদস্যৰপৰা সমৰ্থনৰ প্ৰতিশ্ৰুতি পোৱা হ'ল। কাউন্সিল বৈঠকৰ আগতে শিলঙত ৰাষ্ট্ৰ হৈ গ'ল ময়ে ডেপুটী প্ৰেচিডেন্ট নিৰ্বাচিত হম বুলি। পিছে, মানুহ চিনা টান, কৃষ্ণচন্দ্ৰ চৌধাৰী, ডালিমচন্দ্ৰ বৰা, লোহিতচন্দ্ৰ নায়ক, মনোমোহন লাহিড়ী, ধৈৰ্যনাৰায়ণ বৰা প্ৰভৃতি কিছুমান পেট-কপটীয়া লোকৰ কূটকৌশলৰ ফলত মই নহৈ খানবাহাদুৰ মৌলবী মহিবুদ্দিন চাহাবহে ডেপুটী প্ৰেচিডেণ্ট নিৰ্বাচিত হৈ উঠিল। সেইবাবে মই ব্যথিত হোৱাতকৈ কিছুমান মানুহৰ বিশ্বাসঘাতকতা আৰু চকুলাজবিহীন আপচু আচৰণতহে অধিক আচৰিত মানিলোঁ।

পিছদিনাৰপৰা বাজেট চেচনীয়া ৰাজকাৰ্যৰ পৰ্যালোচনা আৰম্ভ হ'ল। আগৰ দিনীয়া সংখ্যা

২৫ জন মেম্বৰৰ ঠাইত ৫০ জনৰ প্ৰস্তাৱনা বক্তৃতা (maiden speech) শুনিবলগীয়া হয় ; তাৰ ভিতৰত নিৰ্বাচিত আৰু নমিনেটেড্ ন-মেম্বৰ ডেৰকুৰিমান মেম্বৰৰ লিখিত বক্তৃতা ( ৰচনা ! ) পাঠ আৰু এক ডজনমান পুৰণি (মোৰ সৈতে) সদস্যৰ চুটি-দীঘল মৌখিক বক্তৃতা শুনিবলগীয়া হয় ; ১২ বজাৰপৰা ৫ বজালৈকে একেৰাহে পাঁচ ঘন্টা বক্তৃতা শুনি শুনি আমনি ভাগৰ লাগিল। ইতিমধ্যত আমি পুৰণি মেম্বৰ কেজনমানৰ ভিতৰত কোৱা-মেলা চলিছিল নতুন মেম্বৰসকলৰ ভাবগতি, বক্তৃতাৰ সুৰ, গা-গুটীয়া অভিমত, পৰস্পৰ আচৰণ ইত্যাদি বিষয়ে ; পোন-প্ৰথম কাউন্সিলত অনৰেবোল মেম্বৰসকলৰ মাজত মিলা-প্ৰীতিৰ যি কাৰ্যপদ্ধতি আছিল, ৰিফৰ্ম কাউন্সিলৰ উকা মেম্বৰৰ নতুনবিলাকৰ মাজত সেই পদ্ধতি নাই। আগৰ কাউন্সিলৰ মেম্বৰসকলৰ মাজত হিন্দু-মুছলমান, অসমীয়া-বঙালী, ইণ্ডিয়ান-য়ুৰোপীয়ান, ইটো ভেলী সিটো ভেলী ইত্যাদিৰ পাৰ্থক্য বৰ্জিত যি একতা সূত্ৰেৰে যি কাৰ্যপদ্ধতি বন্ধা আছিল, সেই একতাৰ পদ্ধতি এই নতুন ৰিফৰ্ম কাউন্সিলৰ মেম্বৰসকলৰ মাজত নাই, সিবিলাক গা-গুটীয়া, পেটে ভঁৰাল। ফলত, আগৰ কাউন্সিলত তাকৰীয়া ৰিজলিউচনবিলাক যিদৰে নিয়াৰিকৈ গৃহীত হৈছিল, পাছৰ ৰিফৰ্ম কাউন্সিলত আগবঢ়োৱা সৰহীয়া ৰিজলিউচনবিলাকৰ সৰহভাগেই সমৰ্থনৰ অভাব আৰু প্ৰতিবাদৰ কোবত উফৰি ব্যৰ্থ আৰু অগ্ৰাহ্য হৈছিল। বাজেট আলোচনা কেইবাদিনীয়াকৈ চলিছিল ; তাৰ মাজতে মই শিক্ষা বিভাগৰ হৈ জনসাধাৰণৰ মাজত জেনেৰেল আৰু টেকনিকেল শিক্ষা বিস্তাৰৰ অৰ্থে দহ হেজাৰ টকা আছুতীয়াকৈ থবলৈ এদিন এটা ৰিজলিউচন উত্থাপন কৰি টানি ধৰিছিলোঁ, কিন্তু নতুন মেম্বৰসকলৰ তৰ্কবাদৰ কটাকটিৰ মাজত খণ্ড-বিখণ্ড হৈ সি ব্যৰ্থ হ'ল।

ৰিফৰ্ম কাউন্সিলখন সদস্যৰ সংখ্যাৰে শকত, কিন্তু ওজনত লঘু দেখা গ'ল। দিনক দিনে সেই লঘুত্ব বাঢ়িবলৈ ধৰিলে। ৰাজকাৰ্যৰ পৰ্যালোচনাত ছাত্ৰসভাৰ তৰ্কবাদৰ মজলিচ্ (students' debating club) যেন হৈ "কাউন্সিল চাম্বাৰ্চ" টো কোঢ়ালালয়ত পৰিণত হ'বলৈ ধৰিলে। প্ৰত্যেক বৈঠকতে ডজন ডজনকৈ ৰিজলিউচন উত্থাপন কৰা হয়, কিন্তু তৰ্কজালত আউল লাগি আটাইবোৰ এৰাই যায়। পাছলৈ গৱৰ্ণমেণ্ট ফৈদে ৰাইজৰ প্ৰতিনিধি ফৈদৰ প্ৰস্তাৱাদিত বৰ আহুকাল বোধ কৰি তাৰ প্ৰতি অৱজ্ঞা প্ৰকাশ কৰিবলৈকো কোঁচ নোখোৱা হ'ল। দেখি দেখি পোন-প্ৰথম কাউন্সিলৰ পুৰণি সদস্যদলেও ইতিকিং নকৰাকৈ ৰব নোৱাৰা হ'ল। আগেয়ে ৰিজলিউচনৰ সংখ্যা অলপ, কিন্তু মূল্য অধিক আছিল ; প্ৰতি চেচনত অৰ্থাৎ বছৰি দুটা তিনটামান মাথোন আগবঢ়োৱা হৈছিল আৰু সুস্থিৰ পৰ্যালোচনাৰ ফলস্বৰূপে সেইবোৰ অবাধে গৃহীত হয়, কেতিয়াবা কেনেবাকৈহে কোনোটো পিছলি পৰে।

### উত্তৰ লক্ষীমপুৰ যাতায়াত (Communication)

দ্বিতীয় চেচনত অৰ্থাৎ প্ৰথম ৰিফৰ্ম কাউন্সিলৰ দ্বিতীয় বছৰেকীয়া অধিবেশনৰ বাজেট বৈঠকত মযো এটা প্ৰস্তাৱ আগবঢ়াইছিলোঁ, মোৰ কন্‌ষ্টিটিউৱেঞ্চি উত্তৰ লক্ষীমপুৰলৈ যাতায়াত সুগম কৰাৰ অৰ্থে তাৰপৰা অহা-যোৱা কৰা ঘাই ৰাজ আলি ( trunk road )

দুটাৰ উন্নতি সাধনাৰ্থে আধা লাখ টকা মঞ্জুৰ কৰাই আছুতীয়াকৈ পোৱাবলৈ। ইয়াৰ বিৰুদ্ধ-বাদী অৰিয়া-অৰি কুটতৰ্ক জাউৰি জাউৰিকৈ উঠিছিল, ইয়ে বোলে মোকো লাগে, সিয়ে বোলে তেওঁৰো দৰ্কাৰ; এযোৰাই কয়—আওহতীয়া মহকুমা এটাৰ কাৰণে একেচাবে অতটকা ভগন কৰাটো অবিধেয়, আন যোৰাই কয়—সিমান টকাৰ গ্ৰাণ্ট কেইবাফালেও ভগাই দিয়া উচিত ইত্যাদি। পিছে, মোৰ পুৰণি বন্ধু সদস্যসকলৰ সমৰ্থন আৰু বিৱয়-ববীয়া মেম্বৰবৰ্গৰ সবল সহানুভূতিৰ বলত মোৰ প্ৰস্তাৱটি গৃহীত হ'ল। সেই গ্ৰাণ্ট সেই বছৰৰ ভিতৰতে কাৰ্যত লগোৱাৰ অৰ্থে গড়কাপ্তানী বিভাগৰ ঘাই বিষয়াজনক টানি ধৰাৰ ফলত, বদতি-উত্তৰ লক্ষীমপুৰ আৰু কমলাবাৰী গড়মুৰ-লক্ষীমপুৰ এই ঘাই ঘাই ৰাজআলি দুটা ওখকৈ বন্ধাই আৰু খনচেৰেক দলং লোৰ পকী কৰাই সেই গ্ৰাণ্টৰ সংকাৰ কৰা হয়; আৰু তাৰ ফলস্বৰূপেই লক্ষীমপুৰ যাতায়াতৰ বহুল উন্নতি হ'ল।

## উত্তৰ-লক্ষীমপুৰ গৱৰ্ণমেণ্ট হাইস্কুল

ৰিফৰ্ম কাউন্সিলৰ দ্বিতীয় বছৰেকীয়া অধিবেশনৰ মাজ ভাগৰ বৈঠকত মই আৰু এটা প্ৰস্তাৱ বা ৰিজলিউচন আগবঢ়াইছিলো "উত্তৰ-লক্ষীমপুৰ গৱৰ্ণমেন্ট হাইস্কুল" নামেৰে। এইটি মোৰ পুৰণি প্ৰস্তাৱ। পোন্-প্ৰথম অসম কাউন্সিলত উত্থাপন কৰাৰেপৰা মোৰ এই প্ৰস্তাৱ কাৰ্যত পৰিণত কৰাবলৈ মই নেৰানেপেৰাকৈ গৱৰ্ণমেণ্টক সযুক্তিৰে পেৰি আছিলোঁ। তাৰে পৰা বিগত ৩।৪ বছৰ কাল সেই কালৰ শিক্ষা বিভাগীয় গুৰিয়াল অনৰেবোল মিঃ জে. কনিংহাম, অসম পাব্লিক ইনষ্ট্ৰকশ্যন চাহাবৰে সৈতে সেই সম্বন্ধে private D. O. আৰু official চিঠি-পত্ৰেৰে বিস্তৰ লিখা-লিখি চলাই আছিলো। উত্তৰ লক্ষীমপুৰৰ সাহায্যকৃত মজলীয়া ইংৰাজী স্কুলটি অনতিপলমে গৱৰ্ণমেন্ট হাইস্কুল কৰোৱাৰ অৰ্থে ভালেমান অকাট্য যুক্তি প্ৰয়োগ কৰি, মোৰ প্ৰস্তাৱৰ পাতনি মেলা মাত্ৰকে, সেই বিষয়ে সদস্যমণ্ডলীয়ে তৰ্কা-লোচনা কৰিবলৈ ছেগ নিদিয়াকৈ অনৰেবোল মিঃ কনিংহাম ডিৰেক্টৰ চাহাবে মোৰ ৰিজ-লিউচনটি গ্ৰহণ কৰি সমিধান দিলে, বোলে, প্ৰস্তাৱকাৰৰ (mover of the resolution) সাৰুৱা যুক্তি-দিহা সাৰোগত কৰি, গৱৰ্ণমেণ্টে অতি পলম নোহোৱাকৈ উত্তৰ-লক্ষীমপুৰৰ এইডেড্ মজলীয়া ইংৰাজী স্কুলটো গৱৰ্ণমেণ্ট হাইস্কুল থাপলৈ তুলিবলৈ গৱৰ্ণমেণ্টৰ বিবেচনাধীন কৰা হ'ব; এতেকে, প্ৰস্তাৱকাৰীয়ে ইচ্ছা কৰিলে, তেওঁৰ ৰিজলিউচন উঠাই ল'ব (with-draw) পাৰে। গৱৰ্ণমেণ্টৰ বিষয়-ববীয়া প্ৰতিনিধি সদস্য শিক্ষা বিভাগীয় ডিৰেক্টৰ চাহাবৰ মুখে সেই সমিধান পাই, মই ততালিকে মোৰ ৰিজলিউচনটো সাম্প্ৰতিকভাৱে উঠাই ললোঁ। তাৰ পিছত, আকৌ মোৰ পুৰণি বন্ধু মিঃ কনিংহাম চাহাবেৰে সৈতে সেই বিষয়ে বিস্তৰ লিখা-লিখি চলাবলৈ ধৰিলো; শেহৰখন পত্ৰৰ উত্তৰত তেখেতে এইবুলি খাতাং সমিধান দিলে, "My dear Mr. Gohain Borooah, belive me please, I shall not leave a stone unturned to turn your pious proposal into account." ফলত, সেই বছৰৰ ভিতৰতে North Lakhimpur Aided Middle English School টি North

Lakhimpur Government High School নামে অভিহিত হ'ল। তাৰ পিছত সেই নতুন হাইস্কুলটিৰ ক্ৰমোন্নতিয়ে মোৰ চকুত চমক্ লগাবলৈ ধৰিলে ; এতিয়া তাৰ টনকিয়াল অৱস্থা দেখি মোৰ অন্তৰত আনন্দ উপচি পৰিছে।

## ডেপুটী প্ৰেচিডেণ্টৰ শূন্য আসন পূৰণাৰ্থে পুনৰপি নিৰ্বাচন

ৰিফৰ্ম কাউন্সিলৰ তৃতীয় বছৰেকীয়া বৈঠকৰ আৰম্ভণত ডেপুটী প্ৰেচিডেণ্ট বিষয়াৰ আসন লৈ আকৌ অৰিয়া-অৰি লাগি উঠিল। দুবছৰৰ আগেয়ে নিৰ্বাচিত হোৱা ডেপুটী প্ৰেচিডেণ্ট খানবাহাদুৰ মৌলবী মহিবুদ্দিন আহমদ চাহাবৰ অকাল মৃত্যুত সেই পদ আকৌ খালি হয় ; আৰু সেই শূন্য আসন পূৰ্ণ কৰাৰ অৰ্থে পুনৰপি প্ৰাৰ্থী নিৰ্বাচনৰ ছেগ অযাচিতে আহি পৰিল। সেই ছেগতে, মিঃ নীলমণি ফুকন, ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা প্ৰমুখ্যে কেইজনমান ডেকা বন্ধুৰ প্ৰস্তাৱ আৰু অনুৰোধত মই আকৌ প্ৰাৰ্থী থিয় হ'বলগীয়া হ'ল। কিন্তু, এইবাৰ অসম উপত্যকাৰ কেইবাজনো প্ৰাৰ্থী ঈৰ্ষা আৰু ইচ্ছাৰ প্ৰেৰণাত প্ৰতিদ্বন্দ্বী উঠাৰ আগন্তুক দেখা গ'ল,—তাৰ ভিতৰত বৰপেটাৰ শ্ৰীযুত লোহিতচন্দ্ৰ নায়কক অত্যধিক উত্ৰাৱল দেখা গ'ল। গতি-গোত্ৰ দেখি, মই মোৰ নিৰ্বাচন উঠাই ল'বলৈ আগবাঢ়িলো ; পিছে, প্ৰস্তাৱক আৰু সমৰ্থকসকলে ভিতৰুৱা মেল পাতি আলোচনা কৰি, এই সিদ্ধান্ত দিলে যে, যিহেতু শ্ৰীযুত নায়কৰ সমৰ্থন ভাগ্য (chance) অতি ক্ষীণ, অথচ মোৰ সফলতাৰ সম্ভাৱনা অত্যধিক, সেই হেতু নিৰ্বাচন প্ৰচেষ্টা মিঃ নায়কে মোৰ হকে এৰি দিব লাগে। সেই সিদ্ধান্ততে ৰাতিটো পাৰ হ'বলৈ মাথোন বাকী। শ্ৰীযুত লোহিত নায়ক, ৰায়চাহাব মনোমোহন লাহিড়ী, শ্ৰীযুত ডালিমচন্দ্ৰ বৰা, বাবু হীৰালাল বসু ( মঙলদৈৰ মুক্তিয়াৰ ), বাবু বিৰাজমোহন দত্ত ( ধুবুৰীৰ ) আৰু মই সেই যাত্ৰাত এটা হিন্দু আশ্ৰমত একেলগে আছিলোঁগৈ ; মই অকলশৰীয়াকৈ এটা সুকীয়া কোঁঠাত আৰু সিবিলাক আন এটা ডাঙৰ খোঁটালিত একেলগে। ৰাতিটোৰ ভিতৰত কি মন্ত্ৰণা চলিল ক'ব নোৱাৰোঁ, পিছদিনা দুপৰীয়া কাউন্সিল চেম্বাৰ্চত সদৌ সদস্যবৰ্গে আসন লোৱাৰ পিছত, ডেপুটী প্ৰেচিডেন্ট বিষয়াৰ আসন পূৰাবৰ কাৰণে প্ৰাৰ্থী মনোনয়ন আহ্বান কৰা মাত্ৰকে হীৰালাল বাবুৱে মনোমোহন বাবুৰ অনুমোদন আৰু বিৰাজমোহন বাবুৰ সমৰ্থনেৰে তেওঁৰ মনোনয়ন শ্ৰীযুত লোহিত নায়কৰ নামে দাখিল কৰিলে ; তেতিক্ষণে গুৱাহাটী মটৰ কাৰখানাৰ অধ্যক্ষ য়ুৰোপীয়ান মেম্বৰজনে তেওঁৰ প্ৰস্তাৱ মিঃ নীলমণি ফুকনৰ অনুমোদনেৰে সৈতে মোৰ নামে দাখিল কৰিলে ; ইতিমধ্যত, হঠাতে চাহকৰ (tea planters) সম্প্ৰদায়ৰ এটৰ্নি প্ৰতিনিধি ডিব্ৰুগড়ৰ মিঃ ৰফি চাহাবে অপৰ এজন য়ুৰোপীয়ান মেম্বৰৰ অনুমোদনেৰে সৈতে সেই সমাজভুক্ত সদস্য ৰায়বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱাৰ নামে মনোনয়ন দাখিল কৰিলে। সিফালৰপৰা সিটো উপত্যকাৰ ( Surma Valley) হিন্দু-মুছলমান সদৌ সদস্য একেমুঠীয়া হৈ, খানবাহাদুৰ বখ্ত্ মজুমদাৰৰ নামে তৃতীয়জন প্ৰাৰ্থীৰ মনোনয়ন ছেগ বুজি দাখিল কৰা হ'ল। এনেস্থলত ফলাফল কি হ'ব, আগধৰি জানিব পৰা হ'ল। এই প্ৰসঙ্গত, নিৰ্বাচনত গুপ্ত মত (ballot) লোৱা নিয়মৰ আৰ লৈ এজন

অসমীয়া মুছলমান মেম্বৰে "এক চুপাৰি, তিন বেপাৰী" ভাও দি ধৰা পৰিছিল। নিৰ্বাচনত ভোট-গণনাত নায়কৰ নামে ৪টা, বৰুৱাৰ নামে ৬টা, মোৰ নামে ১৮টা আৰু মজুমদাৰৰ নামত ২১ টা ভোট পোৱা গৈছিল ; গতিকে সৰহীয়া ভোটৰ বলত চুৰমা উপত্যকাৰ থানবাহাদুৰ মজুমদাৰ চাহাব ডেপুটী প্ৰেচিডেন্ট নিৰ্বাচিত হ'ল। ফলাফলত মই অকণো বেয়া পোৱা নাছিলো, মাথোন আমাৰ অসম উপত্যকাৰ ৰাঙী-আদৰাঙী বাৰেবিধীয়া মেম্বৰ কিছুমানৰ কুচু টীয়া কপটীয়া আৰু বিশ্বাসঘাতকীয়া চৰিত্ৰ আৰু আচৰণলৈ লক্ষ্য কৰিহে আচৰিত মানিলো আৰু মনে মনে সেইবাবে সিবিলাকলৈ পুতৌভাৱে চালো। অৱশ্যে, অসম ভেলিৰ দুজনে দহোটা ভোট নষ্ট নকৰা হ'লে, মোৰেই জয় ঠাৱৰ আছিল।

## উত্তৰ-লক্ষীমপুৰ স্বকীয়া সদৰ জিলা কৰাৰ প্ৰস্তাৱ

এই বৈঠকৰ মাজ ভাগতে, মোৰ সমষ্টিৰ (constituency) ৰাইজৰ উপকাৰ সধা আৰু আহুকাল গুচোৱাৰ উদ্দেশ্যে উত্তৰপৰীয়া উত্তৰ-লক্ষীমপুৰ মহকুমাক দক্ষিণপৰীয়া ডিব্ৰুগড় সদৰৰ পৰা সাঙোৰ ছিঙি নতুনকৈ এখন স্বকীয়া জিলা পাতিবৰ কাৰণে, এটা নতুন ধৰণৰ প্ৰস্তাৱ (resolution) উত্থাপন কৰিলো। মোৰ প্ৰস্তাৱৰ পাতনিখন দীঘলীয়া হৈছিল ; কাৰণ উত্তৰ-লক্ষীমপুৰৰ ভৌগোলিক অৱস্থিতিৰ বিবৃতি, শাসন সংক্ৰান্ত ঐতিহাসিক ইতিবৃত্ত, লক্ষীমপুৰ ডিব্ৰুগড়ৰ মাজত যাতায়াতৰ দুৰ্গম ব্যৱস্থা সেইবাবে লক্ষীমপুৰীয়া ৰাইজৰ দুৰ্ঘোৰ আহুকাল ইত্যাদি বিষয়ক বিশদ বৰ্ণনাৰে সৈতে মোৰ ৰিজলিউচনটো সদৌ সদস্যই সহজে বুজি উঠিব পৰাকৈ মুকলি কৰি দিয়াৰ বিশেষ প্ৰয়োজন দেখা গৈছিল। বিশেষ, বৃটিছ শাসনৰ আদিছোৱাত যে বৰ্তমানৰ উত্তৰ লক্ষীমপুৰ মহকুমাত পূবে ধল-ধেমাজি আৰু পশ্চিমে ধল-ধামাজি এইবোৰ অঞ্চল ডিব্ৰুগড়ত অন্তৰ্ভুক্ত আছিল, তাৰ মেপ আঁকিয়াই দেখুৱাবলগীয়া হৈছিল। এতিয়া ধল-ধামাজি ছিঙি নি আৰু গহপুৰ কলংপুৰ কাটি নি তেজপুৰত লগ লগোৱাৰপৰা শাসন সংক্ৰান্ত সামান্য সুচললৈ চোৱাৰ ফলত লক্ষীমপুৰীয়া ৰাইজৰ আহুকাল বাঢ়িছে মাথোন। তদুপৰি, লক্ষীমপুৰৰ আগৰ সীমা পুনৰপি সংৰক্ষণ কৰিলে, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এখন সুদীৰ্ঘ সদৰ-জিলা পাতিবলৈ যথেষ্ট পৰিস্থিতি দেখা যায় ; প্ৰয়োজন হ'লে, পূবে-পশ্চিমে পুনৰপি লগলগোৱা অঞ্চলেৰে দুখন সৰু সৰু মহকুমাও পাতিব পৰা যায় ; নাইবা নগাঁও জিলাৰ নিচিনাকৈ মহকুমাবিহীন লক্ষীমপুৰ জিলা এখনি নতুনকৈ পাতিলেও বৰ শোভন হ'ব। লক্ষীমপুৰ স্বকীয়া জিলা হ'লে, ডিব্ৰুগড় সদৰৰ লগত আশে-পাশে আৰু ঠাই যোগ দি, তাৰ নাম লক্ষীমপুৰ জিলা গুচাই ডিব্ৰুগড় জিলা কৰিলে, নাম আৰু স্থানৰ সম্বন্ধ ওচৰ চাপিব। ইত্যাদি আৰু ভালেমান গধুৰ যুক্তিৰ বান্ধনি দি মোৰ ৰিজলিউচনটি কাউন্সিল সভাৰ পৰ্যালোচনাৰ অৰ্থে দাঙি ধৰা হ'ল। দীঘলীয়া যদিও প্ৰস্তাৱৰ পাতনিখিনি সদস্যসকলে মনপাৰি শুনিছিল, ফলতঃ দুয়ো উপত্যকাৰ কেইজন-মান মুখিয়াল সদস্যক ৰিজলিউচনটি বৰ সাৰুৱা আৰু তাত প্ৰয়োগ কৰা যুক্তি অকাট্য বুলি মন্তব্য প্ৰকাশ কৰি সমৰ্থন কৰিছিল ; মাথোন তেজপুৰ সমষ্টিৰ প্ৰতিনিধি মেম্বৰ শ্ৰীযুত ডালিমচন্দ্ৰ বৰাই তেজপুৰৰ পূৰ্বাংশ পুনৰপি ছিঙি নিয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰি দু-আষাৰমান

কৈছিল। সদৌ শেহত, গৱৰ্ণমেন্টৰ তৰফৰপৰা প্ৰথম এক্জিকিউটিভ মেম্বৰ মিষ্টাৰ ডবলিউ ৰীড্ (পিছত ছাৰ উইলিয়াম ৰীড্) চাহাবে এইবুলি সামৰণি মন্তব্য দিলে যে, যত্তপি ৰিজলিউচনটো বৰ লাগতিয়াল আৰু তাৰ সমৰ্থনত প্ৰয়োগ কৰা যুক্তি অকাট্য যেন বুজা গৈছে, তথাপি শাসন পদ্ধতিৰ লগত মিলাই ইয়াৰ গুৰুত্ব বিচাৰ কৰিবলৈ গৱৰ্ণমেণ্টক যথেষ্ট সময় লাগিব। গতিকে, প্ৰস্তাৱকে (mover) ইচ্ছা কৰিলে, ৰিজলিউচনটো এই অৱস্থাতে (present stage) সাম্প্ৰতিকভাৱে উঠাই ল'ব পাৰে। লগতে, মোৰ বন্ধু সদস্যকেইগৰাকী-মানেও সেই পৰামৰ্শকে দিয়াত, গৱৰ্ণমেন্ট প্ৰদত্ত আশ্বাসত বিশ্বাস মানি মোৰ ৰিজলিউচনটি মই সন্তোষেৰে উঠাই ল'লোঁ।

# উনপঞ্চাশত্তম সৰ্গ

## অসমত মহাত্মা গান্ধীৰ পোন-প্ৰথম পদাৰ্পণ

মহাত্মা মোহনদাস কৰমচাঁদ গান্ধীজীৰ কীৰ্তি-কাহিনীৰ কথা ভালেমান দিনৰপৰা খুনুক-ঘানাককৈ শুনি আছিলো। দক্ষিণ আফ্ৰিকাবাসী ভাৰত সন্তানৰ দুখ-নিৰ্যাতন মোচন আৰু অভাৱ-অভিযোগ নিৰাকৰণৰ অৰ্থে গান্ধীজীৰ অসাধাৰণ কাৰ্য-কলাপ আৰু কৃতিত্বৰ বিষয়ে পঢ়ি-শুনি তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা-ভক্তি মোৰ অন্তৰত উপচি পৰিছিল। কিন্তু, তেতিয়ালৈকে তেখেতৰ জন্মভূমি ভাৰতবৰ্ষত নিজ জাতীয় ভাৰতবাসীৰ অন্তৰত সেইবোৰ কাৰ্য-কলাপ আৰু কীৰ্তি-কাহিনী বিষয়ক অনুভূতি বহলকৈ বিৰিঙি উঠা দেখা নগৈছিল; মাথোন দূৰ-দূৰৈৰ বিদেশ আমেৰিকাৰ যুক্তৰাষ্ট্ৰত গান্ধীজীৰ মহামানবিক কাৰ্য-কলাপৰ বহুল আলোচনা আৰু সমালোচনা চলিছিল। বিশেষ, আমেৰিকাৰ খ্ৰীষ্টিয়ান মিচনাৰী সম্প্ৰদায়ে গান্ধীজীৰ মানৱজাতিৰ মঙ্গলাৰ্থে কৰা অলৌকিক আত্মোৎসৰ্গত বিস্ময় মানি তেখেতক অশেষ প্ৰশংসা কৰিছিল; এনে কি, সেই সম্প্ৰদায়ৰ পুৰোহিত পাদ্ৰীসকলে মহাত্মা গান্ধীজীক অৱতাৰী মহাত্মা যীশুখ্ৰীষ্টতকৈও ওপৰ থাপত আসন দিয়ালৈ লক্ষ্য কৰি স্তম্ভিত হৈছিলোঁহঁক। এনেতে মহাত্মা মোহনদাস কৰমচাঁদ গান্ধী জন্মভূমি ভাৰতবৰ্ষলৈ উলটি আহে। আহিয়েই তেখেতে পৰাধীন স্বজাতি ভাৰতবাসীৰ উদ্ধাৰৰ অৰ্থে বিবিধ বিষয়ক নৈতিক, দৈহিক, সামাজিক, ৰাজনৈতিক দেশহিতকৰ কাৰ্যত আত্মনিয়োগ কৰে। সেই আলমতে গান্ধীজীয়ে সেই কালৰ ভাৰত-গৱৰ্ণৰ-জেনেৰেল লৰ্ড ৰীডিং চাহাবলৈ ভাৰতবাসীৰ হৈ এখন বৰ দীঘলীয়া পত্ৰ লিখে। সেই পত্ৰত, গৱৰ্ণৰ জেনেৰেলক 'Dear Sir' বুলি সম্বোধন কৰি, 'Your Excellency'ৰ ঠাইত উকাকৈ অকল 'Your' বুলি লিখা স্বাধীনচিতীয়া কথাবোৰ পঢ়ি বিস্ময় মানিব লগাত পৰিছিলোঁহঁক, বাস্তৱতে তেতিয়ালৈকে কোনোজনে ভাইচৰয় আৰু গৱৰ্ণৰ জেনেৰেলক সেইভাৱে উকাকৈ সম্বোধন কৰা চিঠি-পত্ৰ কাৰ্যাদি মোৰ চকুত পৰা নাছিল। তেতিয়াৰপৰাই মহৎমনা স্বাধীনচিতীয়া মহামানৱ মহাত্মা মোহনদাস কৰমচাঁদ গান্ধীজীৰ দৰ্শন লাভৰ ধাউতি মোৰ মনত খৰধৰকৈ বাঢ়িবলৈ ধৰিলে আৰু মনে মনে সেই ধাউতি নিবৃত্তিৰ অৰ্থে ছেগ চাবলৈ ধৰিলো। এনেতে, মহাত্মা গান্ধীজী ভাৰত পৰ্যটনলৈ ওলোৱাৰ সম্ভেদ পাই, সেই ছেগ ধৰিবলৈ সংকল্প কৰি উদগ্ৰীৱভাৱে বাট চাই ৰলোঁ। তাৰ পিছত শুনিলো, বোলে, গান্ধীজীৰ সেই পৰ্যটন একে যাত্ৰাতে অসমলৈকো বিস্তৃত হ'ব; আহিয়েই পোন-প্ৰথমে এদিন এৰাতিলৈ গুৱাহাটীত মিষ্টাৰ তৰুণৰাম ফুকন চাহাবৰ বঙলাত সদলে আলহী হ'ব। শুনি ৰং পালোঁ; আৰু মিঃ ফুকনলৈ লিখি, গান্ধীজীৰ অসম ভ্ৰমণৰ তালিকা এখন অনাই ললোঁ।

ইং ১৯২১ চনৰ ২১ আগষ্ট তাৰিখে দেওবাৰে পুৱা ৮ বজাত গান্ধীজী তেজপুৰ ঘাটত নমাৰ কথা। সেই অনুসৰি, আমি তেজপুৰবাসীয়ে তিন দিনৰ আগৰেপৰা গান্ধীজীক

আদৰিবৰ অৰ্থে জাহাজঘাটত সমবেত হ'বলৈ সষ্টম হলোঁহঁক ; সেই উদ্দেশ্যে, গান্ধী আগমনৰ বাৰ্তা তেজপুৰ সদৰৰ সদৌ মৌজা গাঁও আৰু লাগতিয়াল কেন্দ্ৰস্থানবোৰ সু-বহুলকৈ প্ৰচাৰ কৰিলোঁহঁক। নিৰ্ধাৰিত দিনা পুৱা ৬ বজাৰপৰা আৰম্ভ কৰি ৮ বজাৰ ভিতৰত তেজপুৰ জাহাজঘাটত সমবেত ৰাইজ নধৰা হ'ল, টাউনৰ আলিবাটত তিৰ-দি-বাট পাব নোৱাৰাত পৰিল। কিন্তু এফেৰি আহুকালৰ বিষয়ে এই হ'ল যে সেইদিনা উপজি পুৱাৰেপৰা বতৰৰ বিপাক ঘটিল, মেঘে নেৰানেপেৰাকৈ ধাৰাসাৰে বৰষুণ দিবলৈ ধৰিলে। তথাপি, ৰাইজ অকণো হতাশ হোৱা নাছিল, বতৰৰ আহুকাললৈ আওকাণ কৰি তিতি-বুৰি জুৰুলি-জুপুৰি হৈ হাজাৰ-বিজাৰ ৰাইজে ঘাটৰপৰা একেথৰে উজনিমুৱা জাহাজ অহালৈ উদগ্ৰীৱভাৱে নিৰীক্ষণ কৰিবলৈ ধৰিলে। অলপ আচৰিত মানিবলগীয়া যে সেইদিনা জাহাজ অহাতো ভালেমান পলম ঘটিল। আমনি অনুভৱ কৰা নাছিল যদিও একেথৰে চাই থকা ৰাইজে গা-মনৰ উচ্ পিচনিত চকু পিৰিকিয়াবলৈ ধৰিলে। ইফালে মোচেপা বৰষুণ ধাৰাসাৰে পৰিবই লাগিছে, কিন্তু সমবেত উৎকণ্ঠিতচিতীয়া ৰাইজে তালৈ কটাহি কৰা নাই, তিতা তিতিছেই আধা তিতাবিলাকে গাৰ তিতা কাপোৰ চেপি ল'বলৈ বুলি জাহাজৰ বোট, অফিচ আৰু কাষৰ ৰেলৰ অফিচ, মালগাড়ী ইত্যাদিত আশ্ৰয় লৈছেগৈ ; মই অগত্যা ঘাটৰ কাষত থালী হৈ ৰৈ থকা মটৰ গাড়ী এখনত সোমাই আশ্ৰয় ল'বলৈ বাধ্য হ'লোঁ। এনেতে ভালেমান দূৰৈত ৰিণিকি ৰিণিকি জাহাজৰ ধোঁৱা দেখা গ'ল, দেখি উদগ্ৰীৱ ৰাইজ উৰুলীকৃত হৈ উঠিল ; আৰু চাওঁতে চাওঁতে ডেৰঘণ্টামানৰ মূৰত, ৯॥ বজাত গান্ধীভাৰী জাহাজ ঘাট চাপিলহি।

জাহাজঘাটৰ বন্ধা বোটত ভিৰাই এচটা চিৰি লগাওঁতেই মই সবাতকৈ আগেয়ে লৰা-লৰিকৈ জাহাজত উঠিলোঁগৈ ; আৰু মিঃ তৰুণ ফুকনে আঙুলি নিৰ্দেশেৰে দেখুৱাই দিয়া মাত্ৰকে মই গান্ধীজীক নমস্কাৰ জনালোঁ। সাক্ষাৎ হোৱা মাত্ৰে, চকুৰ আগত গান্ধীজীৰ শাৰীৰিক অৱয়ব সম্পৰ্কীয় মোৰ কল্পিত আৰ্জাৰ পৰিবৰ্তন ঘটিল ; দেখিলো, গান্ধীজী মই কল্পনা কৰাৰ নিচিনা এজন ওখ-ডাঙৰ শকত-আৱত পুৰুষ নহয়, তেখেত মোৰ দৰেই চুটি-চাপৰ এগৰাকী সৰুফুটীয়া মানুহ। ক্ষন্তেকমান মই তেখেতৰ আপাদমস্তক ঠৰ লাগি নিৰীক্ষণ কৰি থাকোতেই, মিঃ ফুকনে এইবুলি গান্ধীজীৰ ওচৰত মোক ভেঁটাই দিলে, "এখেত এজন তেজপুৰৰ আগৰণুৱা দেশহিতৈষী অসমীয়া নেতা,—ৰায়চাহাব পদ্মনাথ গোহাঞিবৰুৱা।" শুনিয়েই গান্ধীজীয়ে জিকাৰ খাই উঠি ইংৰাজীতে এইভাৱে ক'লে, "আচৰিত, ৰায়চাহাব খিতাপধাৰীয়ে গান্ধীক আদৰিবলৈ আহে।" মিঃ ফুকনে ততালিকে চমুকৈ বুজাই ক'লে যে, আচলতে মই ৰাইজৰহে "ৰায়চাহাব", যাচি দিয়া চৰ্কাৰী ৰায়চাহাব খিতাপ পিন্ধিও মই সততে সৰ্বতোভাৱে ৰাইজৰ ফলীয়া হৈ কাৰ্যক্ষেত্ৰত আগবাঢ়ো। ফুকনৰ মুখে কৈফিয়ৎ শুনি সিমানতে সেই বিষয়ে এইবুলি সামৰণি মাৰি গান্ধীজীয়ে মোলৈ চাই কৈ থলে, "যি হওক, আশাকৰোঁ খিতাপৰ কিৰীটিয়ে পাক ঘূৰণি খুৱাই আপোনাক ৰাইজৰ প্ৰতিকূলমুখীয়া নকৰক যেন।" মই মূৰ দোঁৱাই সৈমান হ'লো। তাৰ পিছত, গান্ধীজীয়ে সহযাত্ৰী মৌলানা মহম্মদ আলি চাহাবৰ ওচৰত মোক ভেঁটাই দিয়াত, দুয়ো মোৰে সৈতে 'স্বৰাজ' বিষয়ক দুই-

চাইটা কথা পাতি থকোঁতেই, মোৰ সাজ-পাৰৰ ওপৰত সিবিলাকৰ চকু পৰিল। মই সেইদিনা অসমীয়া পাটৰ চুৰিয়া অসমীয়া পাটৰ কুৰ্তাচোলা পিন্ধি গাত আশী নম্বৰী সূতাৰ ঘৰত বোৱা চেলেং চটিয়াই লৈ গৈছিলোঁ। সিবিলাক ভুয়োগৰাকীয়ে মোৰ চোলা-চুৰিয়া শলাগি উঠি, গাৰ চেলেংখনৰ এচাঁচল গান্ধীজীয়ে হাতত লৈ পিটিকি চাই মোক সুধিলে সেই চেলেং কাপোৰৰ সূতা স্বদেশীনে? মই উত্তৰ দিলোঁ, বোলোঁ—"সূতা ঘৰত কটা নহয়, দোকানৰপৰা কিনি আনি ঘৰত বোৱা কাপোৰহে।" গান্ধীজীয়ে শুনি নিৰানন্দমুৱা হৈ মোৰ মুখলৈ চাই এইবুলি কৈ থলে, "এই চাদৰৰ সূতা বিদেশী—বিলাতী! আশাকৰোঁ, আপোনাৰ চোলা-চুৰিয়াৰ দৰে চাদৰো অনলিপলমে সম্পূৰ্ণে স্বদেশী হয় যেন।" সেইক্ষণতে তেজপুৰৰ সবাতো বৃদ্ধ টাউনবাসী বাবু মহেন্দ্ৰ নাথ দা উকীলে কাষ চাপি গৈ গান্ধী আৰু মৌলানা মহম্মদ আলি চাহাবক নমস্কাৰ জনালেগৈ। তেতিয়াও বৰযুণ এৰা নাই, একেৰাহে ধাৰাসাৰে ডবাপিটাকৈ পৰিয়েই আছে। এনেতে, গান্ধীজীয়ে মাত লগালে, "নামিবৰ নৌ হয়নে? বলা, পাৰলৈ উঠোঁহঁক।" মিঃ ফুকনে উত্তৰ দিলে, "আৰু ক্ষন্তেকমান অপেক্ষা কৰক, বৰষুণে অলপ শাম কাটক।" গান্ধীজীয়ে উচাৎ মাৰি অলপ উধাও হৈ ক'লে, "অ' সেই বাবেহে ইমান পৰ অপেক্ষা কৰা হৈছেনেকি?—মই ভাবিছিলোঁ বোলোঁ জাহাজ ভিৰোৱা কাম শেষ হোৱা নাই বাবেহে আমি নামিব পৰা নাই। বৰষুণৰ বাবে আমি কিয় অপেক্ষা কৰিম? মেঘৰ কাম মেঘে কৰি আছে, আমাৰ কাম আমি কৰোঁগৈ।" এইবুলি একে চোঁচাই নামি আহি গান্ধীজী সদলে পাৰত উঠিল। তেতিক্ষণে সজাই থোৱা বাগীত মহাত্মা গান্ধী আৰু মৌলানা মহম্মদ আলি চাহাবক সমাদৰে তুলি লৈ, ঘোঁৰাৰ সলনি স্বেচ্ছাসেৱক দলৰ মানুহেৰে টনাই শোভাযাত্ৰা আৰম্ভ কৰি দিয়া হ'ল; আগে-পিছে শোভাযাত্ৰীয়ে লোকাৰণ্যকৈ আগু-ৱাবলৈ ধৰিলে। আচৰিত, শোভাযাত্ৰা দহ কদমমান আগুৱাওঁতেই বৰষুণে শাম কাটিবলৈ ধৰিলে, ডাৱৰমুখীয়া আপুৰুগীয়া ৰ'দ কাঁচলিয়ে চাট্‌কৰে বতৰ মুকলি কৰি তুলিলে, আমি শোভাযাত্ৰীদলে টাউনৰ ঘাই আলিবাটৰ ভুয়োকাষ ব্যাপি লানি পাতি নিৰূপিত আলহী-বহা ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ "পকীকুঠী"ৰ অভিমুখে, জাতীয় সঙ্গীতৰ তালে তালে পাৰ পেলাই উৰুলীকৃত হৈ আগুৱাবলৈ ধৰিলোঁহঁক। ধীৰ-গম্ভীৰ মৰাল-খোজেৰে গতি কৰি আধঘণ্টামানৰ মূৰত শোভাযাত্ৰী দল "আগৰৱালা পকী"ৰ জপনা-মুখত (gate) উপনীত হোৱা মাত্ৰকে, তাৰপৰা আদৰণী সমিতিৰ গোপিনী সদস্যাসকলে জাউৰি জাউৰিকৈ মঙ্গল উৰুলি দি মহাত্মা গান্ধীজীক আদৰি নিলেহি; আৰু তাৰেপৰা মৌলানা মহম্মদ আলি চাহাবক বৃদ্ধ উকীল মহেন্দ্ৰ বাবুৱে তেখেতৰ ঘৰত আলহী শুশ্ৰূষালৈ আদৰি লৈ গ'ল। ইফালে আমি গান্ধীজীক সুসজ্জিত পকীঘৰৰ ভিতৰলৈ আগুৱাই নি, আলধৰা সমিতিক গতাই দিলোঁগৈহঁক।

ভিতৰত আলধৰা সমিতিয়ে যতনাই থোৱা ছাগলী গাখীৰেৰে সৈতে জা-জলপান কৰাই গান্ধীজীক আলপৈচান ধৰিছে, বাহিৰত বজাৰ ৰোড আৰু পকীঘৰৰ সুবহুল টোলত দৰ্শক ৰাইজ নধৰা হৈছে আৰু ক্ৰমাৎ বাঢ়িবই লাগিছে, সমুখৰ আলিবাটত চলাচললৈ সন্ধি

নোহোৱাত পৰিছে ; বুজালেও ৰাইজে আঁতৰি নাযায়, নেতাবৰ্গৰ বুজনি নামানে। শেহান্তৰত সেই ধাৰ মোৰ মূৰত পৰিল ; মই বিবিধ বিধানেৰে বুজাই-বৰাই চালোঁ, কিন্তু মোৰ চেষ্টাও মিছা হ'ল, বৈ থকা নৈক বালি ভেটা দি ৰখাবলৈ চোৱাৰ নিচিনাহে পালোঁ ; মহাত্মা গান্ধীজীৰ দৰ্শন নাপায় মানে ৰাইজ নাভাগে। গতিকে, অগত্যা এটা উপায় উলিয়াব লগাত পৰিলোঁ। ভাবি-চিন্তি ইয়াকে স্থিৰ কৰিলোঁহঁক যে, গান্ধীজীক পকীঘৰৰ চাদলৈ তুলি নি আসন দিয়া হওক, তেতিয়াহ'লে সমবেত ৰাইজে নিলগৰপৰা সমভাৱে দৰ্শন পাব। সেই অনুসৰি, মহাত্মা গান্ধী চাদৰ ওপৰলৈ উঠি উদং গাৰে কৃষ্ণভঙ্গীৰে থিয় দিলেগৈ ; উদগ্ৰীৱ ৰাইজে হেঁপাহ পলুৱাই থৰ লাগি গান্ধী দৰ্শন উপভোগ কৰিবলৈ ধৰিলে। সেই সম্মোহিনী মূৰ্তিৰে পোৱাঘন্টামান 'পকী'ৰ ওপৰত পৰমানন্দে দৰ্শকক দৰিশন দি, মহাত্মা গান্ধীজী আনন্দত আপ্লুত হৈ, অঙ্গিভঙ্গীৰে সৈতে প্ৰণাম-সম্ভাষণ জ্ঞাপন কৰি ৰাইজৰপৰা সাম্প্ৰতিকভাৱে বিদায় লৈ আকৌ তললৈ নামি আহিল। সমবেত দৰ্শক ৰাইজ অতৃপ্ত অন্তৰেৰে ধীৰে-শাঁতে দিহাদিহি ঘৰাঘৰি গ'ল।

আজহীক জিৰাবলৈ আহৰি দি আবেলি কেইঘন্টামানৰ কাৰণে আমিও ঘৰাঘৰি হলোঁহঁক। তাৰ পিছত সন্ধিয়া সাত বজাৰপৰা 'পকী'ৰ সমুখত বহল ঘাঁহনি চোতালত দলিচা, সতৰঞ্চি, ত্ৰিপাল, নগাচাৰি পাৰি মজ্‌লিচ্ বৈঠক পতা হ'ল। নিৰ্ধাৰিত কাৰ্যতালিকা অনুসৰি, টাউনৰ গণ্যমান্য লোকসকল, দূৰৈৰপৰা আহি অভ্যৰ্থনাত যোগ দিয়া ৰাইজৰ নেতা-শ্ৰেণী, ৰাইজৰ এভাগ আৰু টাউনবাসী সৰ্বসাধাৰণ মানুহ চাপি ধীৰে-শাঁতে যথাযোগ্য ঠাইত আসন ল'লেহি। এইখিনিতে উনুকিয়াই থবলগীয়া যে, মোতবাজে আন কোনো চৰ্কাৰী চাকৰীয়া, পেন্সনীয়া আৰু গৱৰ্ণমেন্ট খিতাপধাৰীয়ে সেই মজলিচত যোগ দিয়া নাছিল। ৭॥ মান বজাত গান্ধীজী জিৰণি কোঠাৰপৰা ওলাই আহি থিয় দিয়া মাত্ৰকে সমবেত সমজুৱাই একেচাবে উঠি থিয় দি তেখেতক সন্মান জনালে। তাৰ পিছত, আগেয়ে দিহা লগাই থোৱা সৰু চালপীৰা এখনৰ ওপৰত পিচ্ গাৰু দিয়া আসনত মহাত্মা গান্ধীজী আমাৰ অনুৰোধ অনুসৰি উপবিষ্ট হ'ল। তেখেতে আসন গ্ৰহণ কৰিয়েই হিন্দী-গুজৰাটী ভাষাত, তেখেতৰ ভাৰত ভ্ৰমণৰ উদ্দেশ্য ব্যাখ্যা কৰি সুগভীৰ সাৰুৱা বক্তৃতা দিবলৈ আৰম্ভ কৰিলে ; সমবেত ৰাইজে একাণপতীয়া মনোযোগেৰে শুনি ৰাপ লগাই উপভোগ কৰিবলৈ ধৰিলে। সেই বক্তৃতাত গান্ধীজীয়ে 'স্বৰাজ' আৰু 'অসহযোগিতা (non-co-operation)' এই জটিল বিষয় দুটা বিশদকৈ বুজাই দিয়ে,—তেজপুৰত সেই দুই বিষয়ক সেয়ে পোন্-প্ৰথম বক্তৃতা। সেই বক্তৃতা আঠ বজাৰপৰা দহ বজালৈকে পুৰা দুঘণ্টা একেৰাহে খণ্ডা নিছিগাকৈ দিয়া হৈছিল ; আৰু শ্ৰোতাবৰ্গে নীৰৱে নিবিষ্টমনেৰে শুনিছিল। বক্তৃতাৰ অন্তত, পিছদিনাৰ কাৰ্যতালিকাৰ আভাস দি, গান্ধীজীয়ে বিনীতভাৱে উপস্থিত ৰাইজৰ ওচৰত বিদায় লৈ ভিতৰ সোমালগৈ ; আমিও সকলোটি দিহাদিহি ঘৰমুৱা হলোঁহঁক।

পিছদিনা পুৱা আঠ বজাৰপৰা এঘাৰ বজালৈকে স্থানীয় বিশিষ্ট লোকসকলক গান্ধীজীয়ে সাক্ষাৎ দি সুকীয়া সুকীয়াকৈ আলাপ আলোচনা কৰিছিল। সেই ছেগতে নমান বজাত মেয়ো

গান্ধীজীক সাক্ষাৎ কৰিলোঁগৈ। মই গৈয়েই মোৰ প্ৰিয় ছাত্ৰ শ্ৰীমান চন্দ্ৰনাথ শৰ্মাদেৱক (বিহগুৰি) মহাত্মাজীৰ কাষতে ভকত বহনেৰে বহি থকা পালোঁগৈ। স্বকীয়া সাক্ষাৎ হিচাপে মোলৈ কিবা অসুচল হয় বুলি গান্ধীজীয়ে আমি দুইৰো প্ৰতি যথাবিহিতলৈ চকুৰে চকুৰে সংকেত দিলে। মই ততালিকে এইবুলি সমিধান দিলোঁ, "মোলৈ একো অসুচল নহ'ব ; কিয়নো, চন্দ্ৰনাথ আন নহয়, মোৰ এটি প্ৰিয়তম ছাত্ৰ, দেশৰ হিতকৰ ৰাজহুৱা বিষয়ত তেওঁ সততে মোৰ কথাৰ ভাগ পায়।" মোৰ কোৱা শেষ হওঁতে-নহওঁতেই শ্ৰীমানে মুখ চাতি ধৰি, মোৰ সাহিত্যিক জীৱন, সামাজিক আৰু ৰাজনৈতিক কাৰ্যক্ষেত্ৰত আশাশুধীয়া দেশহিতৈষিতা, সত্যাগ্ৰহত নিৰ্ভীকতা ইত্যাদি বিষয়ে এটি চমু বিবৃতি দি, এইবুলি কৈ থ'লে, "মই আন নহয়, তেখেতৰে এটি বিশ্বস্ত অনুগামী মাথোন।" শুনি, গান্ধীজীয়ে পুলকিত হৈ ক'লে, "সঁচা, গুৰু-শিষ্যৰ চিনাকি কাৰ্যৰ পটন্তৰে ভালকৈ দিছে।" কৈয়েই, তেখেতে মোৰ বয়সৰ কথা সুধিলে। মই ৫১ বছৰত সোমাইছোঁ বোলাত, গান্ধীজীয়ে হাঁহি মাৰি কলে "মই তেন্তে আপোনাৰ সমনীয়া, বয়সত দুয়ো একেবছৰ।" কথা প্ৰসঙ্গত মই দক্ষিণ আফ্ৰিকাত গান্ধীজীৰ ব্যক্তিত্বৰ বিষয়ে উন্মুকিয়াই সেই সম্পৰ্কে তেখেতৰ নিজ মুখৰ চমু বিবৃতি শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰাত তেখেতে ক'লে যে, সেই বিষয়ে ক'বলৈ গ'লে, সি বহুত, এতিয়া ক'বলৈ সময় নহ'ব ; ইত্যাদি সুখালাপেৰে আধাঘণ্টামান সাক্ষাৎ উপভোগ কৰি, মই বিদায় ললোঁ ; শ্ৰীমান চন্দ্ৰনাথ ভকত-বহনেৰে বহাতে থাকিল।

সেইদিনাই আবেলি তিনি বজাৰপৰা তেজপুৰ গেম্‌খেলৰ সুবহল চাপৰিত সৰ্বসাধাৰণ ৰাইজৰ এখন বিৰাট সভা বহিল। সেই ৰাজহুৱা সভাত কুৰি হাজাৰমান ৰাইজ গোট খাইছিল ; সমবেত ৰাইজে প্ৰকৃতিয়ে পাৰি থোৱা ঘাঁহনি দলিচাৰ ওপৰত উলাহেৰে আসন পাতি বহি নিৰলে নীৰৱে গান্ধীজীৰ আগমন প্ৰতীক্ষা কৰিছিল। এনেতে, নিৰ্ধাৰিত সময়ত গান্ধীজী সদলে গৈ উপনীত হোৱাত, সেই বিৰাট জনমণ্ডলীয়ে একেচাবে উঠি থিয় দি, মহাত্মা গান্ধী প্ৰমুখ্যে অভ্যাগত দলক অভ্যৰ্থনা জ্ঞাপন কৰিলে ; দৃশ্যটি বাস্তৱতে অতি ৰোমাঞ্চক আৰু হৃদয়-ৰঞ্জক হৈছিল। তাৰ পিছত, সুসজ্জিত সৰু ৰভাঘৰৰ চাঙত পাতি থোৱা ওখ আসনত উপবিষ্ট হৈ মহাত্মা গান্ধীজীয়ে হিন্দী-গুজৰাটী-ইংৰাজী মিহলি ভাষাত তেখেতৰ জ্ঞানগৰ্ভী মৰ্মস্পৰ্শী সন্মোহিনী বক্তৃতা দিবলৈ আৰম্ভ কৰিলে। বক্তৃতাটি এনে চিত্তাকৰ্ষক হৈছিল যে, সেই সুপ্ৰশস্ত চাপৰিত সুবিস্তৃত হৈ বহা বিৰাট জনমণ্ডলীয়ে একাণপতীয়া মনোযোগেৰে শুনি তাৰ সাৰমৰ্ম ৰাপ লগাই উপভোগ কৰিছিল। গান্ধীজীয়ে একেৰাহে অক্লান্তভাৱে দুঘণ্টামান বক্তৃতা দিয়াৰ অন্তত, অন্যতম অভ্যাগত দেশনেতা মৌলানা মহম্মদ আলি চাহাবেও ইংৰাজীতে চুটিকৈ এটি বক্তৃতা দি শিক্ষিত জনমণ্ডলীক উলাহিত কৰে। তাৰ পিছত, মহাত্মাজীৰ অনুজ্ঞা অনুসৰি, সদৌ গাঁৱলীয়া আৰু আন প্ৰদেশী ভাষা নুবুজা অসমীয়া ৰাইজক বক্তৃতাৰ সাৰাংশ অসমীয়ালৈ ভাঙি বুজাই ক'বলৈ সুযোগ্য কথক বাৰিষ্টাৰ মিঃ তৰুণৰাম ফুকনৰ ওপৰত ভাৰ পৰাত তেওঁ গান্ধীজীৰ গভীৰ আৰু জটিল ভাবৰ বক্তৃতাটি প্ৰায় হুবহুকৈ অসমীয়া ভাষাত সৰলকৈ ভাঙি বুজাই দিলে ; বাস্তৱতে, ফুকন চাহাবৰ প্ৰত্যুৎপন্নমতি আৰু শ্ৰুতি-স্মৃতি

আয়ত্তাধীন কৰিব পৰা ক্ষমতাই সমবেত ৰাইজক চমক্ লগাই তুলিছিল। স্বৰূপতে অশিক্ষিত জনমণ্ডলীয়ে তেতিয়াহে বিশদকৈ বুজিব পাৰিলে 'বিদেশী বৰ্জন', 'অহিংসামূলক অসহযোগিতা' (non-violent non-co-operation) নো কি, আৰু তাৰ ফলস্বৰূপ 'স্বৰাজ' নো কেনেকৈ লাভ কৰিব পাৰি।

সদৌ শেহত, বিদেশী বৰ্জনৰ আহুতি আৰম্ভণৰ পটন্তৰস্বৰূপ উপস্থিত ৰাইজৰ গাৰপৰা বিদেশী বস্ত্ৰাদি পাৰ্যমানে সংগ্ৰহ কৰি এটি কাপোৰৰ মেজী পতা হ'ল ; গান্ধীজীয়ে বিদেশী সূতা বুলি আঁসোৱাহ ধৰা মোৰ ধুনীয়া চেলেংখনিও তাৰ মাজত জাপি দিলোঁ। মহাত্মাজীয়ে স্বহস্তে সেই মেজীত অগ্নি-সংস্কাৰ কৰি সমবেত ৰাইজক উৎসাহিত আৰু উলাহিত কৰিলে।

সেইদিনাই সন্ধিয়া ছয় বজাৰপৰা 'তেজপুৰ মহিলা সমিতি'ৰ সৌজন্যত এখন ডাঙৰ মহিলা সভা পতা হয়। সভাত সদৌ তেজপুৰ টাউনৰ অসমীয়া, বঙালী, দেচোৱালী, মাৰোৱাৰী প্ৰভৃতি বিবিধ সামাজিক ভালেমান তিৰোতা গোট খাইছিল। নিৰ্ধাৰিত সময়ত মহিলা সমিতিৰ প্ৰতিনিধি তিৰোতা এদলে মহাত্মা গান্ধীক আলহী-বহাৰপৰা বিহিত বিধানেৰে আদৰি নি, সুসজ্জিত নিৰূপিত আসনত উপবিষ্ট কৰালেগৈ। গান্ধীজীয়ে আসন গ্ৰহণ কৰিয়েই সমবেত মহিলামণ্ডলীক অতি বিনীতভাৱে সম্ভাষণ জনাই লৈ, তেখেতৰ বক্তব্য ব্যক্ত কৰিবলৈ ধৰিলে। সেই বক্তৃতাত মহিলাবৰ্গক বিশদকৈ বুজাই দিয়া হৈছিল যে, সংকল্পিত 'স্বৰাজ' লাভে তিৰোতা সমাজৰ উদ্যমৰ ওপৰতহে ঘাইকৈ নিৰ্ভৰ কৰিছে। কিয়নো, স্বদেশী বস্ত্ৰ ব্যৱহাৰেই সেই 'স্বৰাজ' গঠনৰ আচল আদিমূল সমল আৰু প্ৰথম চিন ; সেই সমল উৎপনেই তিৰোতাৰ হাতত। অৰ্থাৎ স্বদেশী কাপোৰ-কানি বোৱা-কটাৰ বাব চম্ভালিবলৈ তিৰোতা সমাজহে অধিকতৰ উপযুক্ত। গতিকে, সেই কাৰ্য তিৰোতাসকলে হাতত লোৱাটো একান্ত বাঞ্ছনীয়। অসমত অসমীয়া তিৰোতাৰ বোৱা-কটা বিষয়ত পাৰ্গতালি প্ৰশংসা কৰি, গান্ধীজীয়ে সৰল বাঞ্ছা ব্যক্ত কৰি কয় যে, ভাৰতৰ আন আন প্ৰদেশৰ তিৰোতা সমাজে অসমীয়া তিৰোতাৰ আৰ্হিৰে শিপিনী হ'বলৈ শিকক। এই প্ৰসঙ্গত গান্ধীজীয়ে নেওঠনী আৰু যঁতৰৰ ব্যৱহাৰেৰে কপাহৰ সূতা কটা আৰু অসমীয়া ধৰণেৰে এৰি, মুগা, পাট আদি বহুমূলীয়া আৰু বিতোপন সূতা কাটি অসমীয়া তাঁতশালৰ নিচিনা স্বদেশী যন্ত্ৰেৰে স্বদেশী বস্ত্ৰ উৎপন কৰিবলৈ সমবেত তিৰোতামণ্ডলীক টানি অনুৰোধ কৰে। ইত্যাদি তিৰোতাৰ উপযোগী বিবিধ আলোচনাৰ পিছত, জাউৰি জাউৰি মঙ্গল উৰুলিৰে উৰুলীকৃত কৰি মহাত্মা গান্ধীজীক মহিলামণ্ডলীয়ে বিদায় দিয়ে।

সেইদিনাই আগৰাতি আঠ-ন বজাৰ ভিতৰত মহাত্মাজীয়ে সদলে শিলঘাট-নগাঁৱেদি উজনি অসম পৰ্যটনৰ অৰ্থে তেজপুৰবাসীৰপৰা বিদায় গ্ৰহণ কৰে। আশাশুধীয়া দেশহিতৈষী ভকত শ্ৰীমান চন্দ্ৰনাথ শৰ্মা নৰিয়া গাৰেই শিলঘাটলৈকে গৈছিল ; তাৰপৰা যাত্ৰীদলে বুজাই-বৰাই ভকতক ঘৰলৈ ওভতাই পঠিয়ালে ; আৰু চন্দ্ৰনাথৰ দেশহিতৈষিতা সদৌ দেশহিতৈষীৰ আদৰ্শ হোৱা বাঞ্ছনীয় বুলি কৈ মহাত্মাজীয়ে সংপ্ৰীতি বিদায় ল'লে।

# পঞ্চাশত্তম সৰ্গ

## মিউনিচিপাল চেয়াৰমেন

তেজপুৰত মিউনিচিপালিটী সৃষ্টি হ'ববেপৰা ভালেমান দিনলৈ তাত অসমীয়াৰ সংস্ৰৱ নাছিল। তাৰ পিছত, মিউনিচিপাল বোৰ্ডত ছেগ বুজি একোজনকৈ অসমীয়া নমিনেটেড মেম্বৰ বা কমিচনাৰ সোমাবলৈ বাট মুকলি হ'ল; কিন্তু মেজৰ (পিছত কৰ্ণেল) হেলিডে ডেপুটী কমিচনাৰৰ আমোললৈকে নমিনেটেড আৰু ইলেকটেড দুজনতকৈ অধিক অসমীয়া কমিচনাৰে আসন পোৱা নাছিল। সেই কালত সেই দুজনৰে এজন কমিচনাৰ ময়ো হ'লোঁ। তেতিয়া অফিচিয়েল চেয়াৰমেন ডেপুটী কমিশ্বনাৰ নামত হে, কামত নন-অফিচিয়েল ভাইচ-চেয়াৰমেনেই সৰ্বেসৰ্বা। সেই ভাইচ-চেয়াৰমেনৰ বিষয়-বাব তেতিয়ালৈকে বঙালী সম্প্ৰদায়ে এদনীয়াকৈ উপভোগ কৰি আহিছিল; পিছে, উক্ত আমোলতে মই নিজ কাৰ্য-কৌশল খটাই বহু প্ৰবন্ধেৰে ভাইচ-চেয়াৰমেনৰ বিষয়-বাব লাভ কৰাৰ আলমত তেজপুৰ মিউনিচিপালিটীৰ চন্তালন পোন্-প্ৰথমে অসমীয়াৰ হাতলৈ আহে। সেই বিষয়-বাব মই তিনি বছৰলৈ দক্ষতা আৰু সুখ্যাতিৰে সৈতে চলোৱাৰ পিছত, ভাইচ-চেয়াৰমেনৰ পদ আকৌ বঙালী সমাজৰ হাতলৈ যায়; মোৰ পিছত বাবু (পিছত ৰায় চাহাব, তাৰ পিছত ৰায় বাহাদুৰ) মনোমোহন লাহিড়ী উকীল ভাইচ-চেয়াৰমেন হয়, মোৰ আগেয়ে বাবু শ্যামা চৰণ মৈত্ৰ উকীলে সেই বিষয়-বাব চলাইছিল। মোৰ আমোলত তেজপুৰ মিউনিচিপালিটীৰ বাজে-ভিতৰে ভালেমান উন্নতি হৈছিল বুলি বছৰি অফিচিয়েল ৰিপোৰ্টত প্ৰচাৰিত হৈছিল; তাৰ ভিতৰত গণেশ ঘাট, জাহাজ ঘাট, কোল-পাৰ্ক, বৰ পুখুৰী, পদ্ম পুখুৰী, পাৰ্ক পুখুৰী ইত্যাদিৰ সংস্কাৰ আৰু হেলিডে-পাৰ্ক প্ৰতিষ্ঠা এইবোৰ লেখত ল'বলগীয়া।

ইং ১৯১৯ চনত, যেতিয়া পোন্-প্ৰথমে অফিচিয়েলৰ ঠাইত নন-অফিচিয়েল চেয়াৰমেন হোৱাৰ নিয়ম প্ৰবৰ্তিত হয়, তেতিয়া তেজপুৰ মিউনিচিপালিটীৰ ভাইচ-চেয়াৰমেন মনোমোহন লাহিড়ীয়েই চেয়াৰমেনৰ গাদীলৈ উঠিল, মাথোন বাবু চন্দ্ৰকান্ত দাস উকীলক নতুনকৈ ভাইচ-চেয়াৰমেন পতা হ'ল; অৱশ্যে ভাইচ-চেয়াৰমেনৰ বিষয়-বাব ল'বলৈ উপযুক্ত অসমীয়া লোলাল; মোক যাচিছিল, কিন্তু মই সমনীয়া বঙালী এজনৰ তলতীয়া বাব ল'বলৈ ইচ্ছা নকৰিলোঁ। যাচি দিয়া ভাইচ-চেয়াৰমেনৰ বাব প্ৰত্যাহাৰ কৰিলো, কিন্তু অযাচিতে স্বয়ং চেয়াৰমেনৰ আসন ল'বলৈ সুদৃঢ় সঙ্কল্প ৰাখিলো।

নতুন নিয়মে নতুনকৈ নিৰ্বাচিত হোৱা চেয়ামেনৰ তিনি বছৰীয়া বিষয়-বাবৰ কাল অন্ত হোৱাৰ আগৰেপৰা মই তলে-তলে কাৰবাৰ কৰি আছিলো তেজপুৰ মিউনিচিপালিটীত কেইজনমান সৰহকৈ কমিচনাৰ বা মেম্বৰ নিৰ্বাচিত আৰু নমিনেটেড কৰাবলৈ। বৰ সন্তোষৰ কথা, মোৰ সেই উদ্যম সফল হ'ল; নতুনকৈ গঠিত হোৱা বোৰ্ডত মোৰে সৈতে তিনিজন নিৰ্বাচিত আৰু এজন নমিনেটেড হৈ মুঠ চাৰিজন অসমীয়া মেম্বৰ সোমাল। মোৰ ওপৰঞ্চিকৈ

যি দুজন অসমীয়া প্ৰাৰ্থী ( শ্ৰীযুত ডালিমচন্দ্ৰ বৰা আৰু শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতি ) নিৰ্বাচনত কৃতকাৰ্য হৈ উঠিল, তাত খটোৱা মোৰ কাৰ্য-কৌশল দেখি বঙালী সমাজ অবাক হৈছিল ; সেই আগাহতে, সেই কাৰ্য-কৌশল "অবাক-জলপান" বুলি তেজপুৰত ৰাষ্ট্ৰ হয়।

তাৰ পিছত, দুমাহমানৰ মূৰত আহিল চেয়াৰমেন আৰু ভাইচ-চেয়াৰমেন নিৰ্বাচনৰ অৰিয়া-অৰি-ৰণ। কমিচনাৰ ইলেকচনত অভাবনীয় সেকা পাই সতৰ্ক হৈ থকা বঙালী সমাজে মিউনিচিপাল চেয়ানমেন বাব লাভৰ অৰ্থে বাজে-ভিতৰে উঠি-পৰি লাগি সেই আগলি দুমাহ নথৈ যত্ন কৰিছিল ; ইয়াত ময়ো পাৰ্যমানে তদৰ্থে যত্ন কৌশলৰ ত্ৰুটী কৰা নাছিলো। পিছে, সদৌ শেহত, বুজা গ'ল যে চেয়াৰমেন ইলেকচনৰ ফলাফলৰ মূল-মোচোৰা হ'লগৈ য়ুৰোপীয়ান কমিচনাৰ দুজন। মিউনিচিপাল বোৰ্ডৰ মুঠ মেম্বৰ ১২ জনৰ ভিতৰত ২ জন য়ুৰোপীয়ান ( কৰ্ণেল ৰিচি চিভিল চাৰ্জন আৰু মিঃ আৰ্মচন ষ্টীমাৰ কোম্পানীৰ জইণ্ট এজেন্ট ), ছয়জন বঙালী, নমিনেটেড এজনেৰে সৈতে ( শ্ৰীযুত পিছত ৰায়বাহাদুৰ মহীধৰ ভূঞা ) অসমীয়া মুঠেই চাৰিজন হ'ল। গতিকে য়ুৰোপীয়ান দুজনৰ এজনক হাত কৰিব পাৰিলেই যে বঙালী দলৰ জয় অনিবাৰ্য সেইটো ধ্ৰুপকৈ বুজা গ'ল। সেইবাবে বঙালী সমাজ আনন্দত উৎফুল্লীকৃত হ'ল, কাৰণ মিঃ আৰ্মচন চাহাবক সিবিলাকৰ ফলীয়াকৈ লেখত লৈ সিবিলাক নিশ্চিন্ত হৈছিল, কিয়নো অসমীয়াশূন্য ষ্টীমাৰ অফিচৰ কেৰাণী দলৰ হাতৰপৰা সেই অফিচৰ অধ্যক্ষজন এৰাই যোৰাটো আটায়ে অসম্ভৱ বুলি ধৰিছিল। সেই দেখি সিবিলাকে গহ কৰি আছিল ; আৰু অফিচিয়েল মেম্বৰজনৰো ওচৰ চপা নাছিল। সেই বিষয়ৰ সম্ভেদ লৈ, মই সেই সুযোগতে এদিন মিঃ আৰ্মচনক তেওঁৰ বঙলাত লগ ধৰিলোঁগৈ ; আৰু সেই ছেগতে তেজপুৰত অসমীয়া-বঙালীৰ মাজত সততে অৰিয়া-অৰি লাগি থকাৰ বিষয়ে আদ্যোপান্ত পৰিপাটীকৈ বিবৰি তেওঁক বুজাই কলোঁ, বিশেষকৈ তেজপুৰত বঙালী প্ৰবাসী বাসিন্দা আলহীস্বৰূপ হৈয়ো, থলগিৰী নিজাপী গৃহস্থস্বৰূপ অসমীয়াক বাজ কৰি আলহীকৈ ৰাখিছে আৰু তেজপুৰ মিউনিচিপালিটীখন সিবিলাকৰ এদনীয়া সম্পদ কৰি লৈছে, সেই বিষয়ে তেওঁৰ হিয়াত লাগি যোৱাকৈ ভাঙি কলোঁ। মিঃ আৰ্মচন এজন প্ৰশস্তমনা আৰু উদাৰ প্ৰকৃতিৰ লোক আছিল। তেওঁ মোৰ কথাত সহানুভূতি প্ৰকাশ কৰাৰ আভাস পাই, মই ততালিকে এই অনুৰোধ কৰিলো যে, আগন্তুক চেয়াৰমেন নিৰ্বাচনত মই তেওঁৰ সমৰ্থন বল পাওঁ যেন। তেওঁ তেতিক্ষণে প্ৰশ্ন কৰিলে মই নিজে চেয়াৰমেন পদৰ কাৰণে প্ৰাৰ্থী হৈছোঁনে ? মই 'হয়' বোলাত, তেওঁ একেচাবে কৈ উঠিল, "অঃ তেনেহ'লে আপোনাৰেই জয় হ'ব আৰু হোৱা উচিত ; কিয়নো অসম লেজিচলেটীভ কাউন্সিলত আপুনি বৰ নাম কৰি আহিছে। ময়ো যোগ্যজনকহে ভোট দিম ; আপুনি মোৰ ভোট সমৰ্থন আপোনাৰ সপক্ষে লেখত ল'ব পাৰে।" মিঃ আৰ্মচনৰ সেই প্ৰতিশ্ৰুতি লাভ কৰি মই বৰ আনন্দিত আৰু উলাহিত হ'লো। ভদ্ৰলোকৰ, বিশেষকৈ য়ুৰোপীয়ান চাহাবসকলৰ কথা বা 'জবান' অখণ্ডনীয় ভাবি নিশ্চিন্ত হৈ, তেওঁৰ ওচৰত সাম্প্ৰতিকভাৱে বিদায় ললোঁ। এজন য়ুৰোপীয়ান মেম্বৰৰ সমৰ্থনৰ প্ৰতিশ্ৰুতি মই লাভ কৰাৰ সম্ভেদ পাই ইজনক হাত কৰিবৰ অভিপ্ৰায়ে মনোমোহন বাবু ততালিকে

ইঞ্জনৰ কাষ চাপিলগৈ। তাৰ সন্দেহ পাই পিছদিনা মযো অনতিপলমে চিভিল চাৰ্জন কৰ্ণেল ৰিচি চাহাবক দেখা কৰিলোঁগৈ। মিঃ আৰ্মচনক কোৱা কথাখিনিকে কৰ্ণেল ৰিচিৰ আগতো দোহাৰি কলোঁ। এওঁ এজন মুকলিমুখীয়া মানুহ। ভাল পাওক বা বেয়া পাওক তালৈ নাচাই তেওঁ পেটৰ কথা যাৰে তাৰে মুখৰ আগত কৈ পেলায়। মোৰ মুখৰ কথাখিনি মন পাৰি শুনি লৈ, তেওঁ ঘপহকৰে কৈ পেলালে যে, সেই বিষয়ে অলপতে মানোমোহন বাবুৱেও তেওঁক টুকুৰিয়াই চাইছিলগৈ, কিন্তু তেওঁ তেওঁৰ আগত একো থাতাং মত প্ৰকাশ নকৰিলে। আচলতে তেওঁক ভোট দিবলৈ তেওঁৰ মন নাই। তাৰ পিছত, কৰ্ণেলে মোক এইভাৱে সমিধান দিলে যে, তেওঁ গৱৰ্ণমেণ্ট তৰফীয়া নমিনেটেড মেম্বৰ হেতুকে, গৱৰ্ণমেণ্টৰ নীতি (policy) অনুসৰি যোগ্যজনৰ হকহে সমৰ্থন কৰিব। গৱৰ্ণমেণ্টৰ নীতি মতে ৰাজকীয় বা ৰাজহুৱা বিষয়-বাব পাল বাটি (by rotation) পাব লাগে; গতিকে, একাদিক্ৰমে বহু বছৰ সেই বিষয়-বাব এদনীয়াকৈ ভোগ কৰি থকা বঙালী 'কমিউনিটী'ক তেওঁ ভোট নিদিয়ে। তেজপুৰ মিউনিচিপালিটীত অসমীয়া, বঙালী, মাৰোৱাৰী আৰু য়ুৰোপীয়ান কমিউনিটীৰ দাবী প্ৰবল। মাৰোৱাৰী কমিউনিটীত চেয়াৰমেন হ'বলৈ উপযুক্ত লোক নাই, গতিকে তেওঁ এইবাৰ অসমীয়া প্ৰাৰ্থীৰ সপক্ষেহে ভোট দিব, নহ'লে য়ুৰোপীয়ান কমিউনিটীৰ প্ৰতিনিধি মেম্বৰ মিঃ আৰ্মচনক প্ৰাৰ্থী হ'বলৈ প্ৰস্তাৱ কৰিব। এই সমিধানত উল্লাহিত হৈ মই গিৰিসাই কৈ পেলালোঁ যে ইতিমধ্যে মিঃ আৰ্মচনে মোক চেয়াৰমেনৰ কাৰণে প্ৰাৰ্থী প্ৰস্তাৱ কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে থৈছে। সেই কথাত কৰ্ণেল ৰিচিয়ে বৰ ৰং মনেৰে কৈ পেলালে যে, তেনেহ'লে তেওঁ অতি আনন্দেৰে মিঃ আৰ্মচনৰ প্ৰস্তাৱ সমৰ্থন কৰিব, কিয়নো তেওঁ বেছকৈ জানে যে গৱৰ্ণমেণ্টৰ ঘৰত মোৰ বৰ নাম, বিগত কাউন্সিলত মোৰ কৃতিত্বৰ কীৰ্তি জিলিকি আছে; গতিকে মিউনিচিপাল চেয়াৰমেনৰ বিষয়-বাব যে মই দক্ষতাৰে চলাব পাৰিম তাত সংশয় নাই, ইত্যাদি।

দুয়োজন য়ুৰোপীয়ান মেম্বৰৰ সমৰ্থন প্ৰতিশ্ৰুতি লাভ কৰি মোৰ জয়লাভৰ আশা আৰু টনকিয়াল হৈ উঠিল। কিন্তু সিমানতো নিশ্চিন্ত হ'ব নোৱাৰিলো। কিয়নো, য়ুৰোপীয়ান দুজন মোৰ ফলীয়া হোৱাত উভয় পক্ষৰ সমৰ্থন ভোট সমান সমানহে হ'ব, গতিকে নিৰ্বাচন সভাত (election meeting) বহা প্ৰেচিডেণ্টজনৰ একটীয়া ভোটৰ (casting vote) ওপৰতহে ফলাফল নিৰ্ভৰ কৰে। সেই বিষয়ত দুয়োপক্ষ সচকিত। সিপক্ষে সিবিলাকৰ মাজৰ এজনক প্ৰেচিডেণ্ট প্ৰস্তাৱ কৰিবলৈ সক্ষম হৈ আছে, ইহাতে মযো আমাৰ ফলীয়া এজন কোবাল মেম্বৰক প্ৰেচিডেণ্ট প্ৰস্তাৱ কৰিবলৈ মনে মনে পাঙি আছো। এনেতে চেয়াৰমেন ইলেকচন মিটিঙৰ বৈঠক আৰম্ভ হ'ল। পুৰণি চেয়াৰমেন মনোমোহন বাবুৱে যথাৰীতি নিজৰ আৰু পুৰণা বোৰ্ডৰ মেম্বৰসকলৰ পদ ইস্তফা দি আসন এৰি দিয়া মাত্ৰকে সিপক্ষে তৰ্কিব নোৱাৰাকৈ মই ততালিকে মিঃ আৰ্মচনক প্ৰেচিডেণ্ট প্ৰস্তাৱ কৰিলো; তেতিক্ষণে কৰ্ণেল ৰিচিয়ে সেই প্ৰস্তাৱ সমৰ্থন কৰিলে। গতিক দেখি বিপক্ষ দল অবাক হ'ল। সেইভাৱে কেই-মিনিটমান চকু চোৱা-চুইকৈ নিটাল মাৰি ৰোৱাৰ ছেগতে মিঃ আৰ্মচন প্ৰেচিডেণ্টৰ আসনত

উপবিষ্ট হ'লগৈ। তাৰ পিছত চমুকৈ এটি উদ্বোধন বক্তৃতা (opening speech) দি লৈ, এেক উশাহতে নিজৰ গা-গুটীয়া (individual) ভোটৰ সৰ্তেৰে মিঃ আৰ্মচনে মোক আগন্তুক মিউনিচিপাল বোৰ্ডৰ কাৰণে চেয়াৰমেন হ'বলৈ প্ৰস্তাৱ দাঙি ধৰিলে আৰু কৰ্ণেল ৰিচিয়ে ততালিকে সেই প্ৰস্তাৱ সমৰ্থন কৰা মাত্ৰকে মোৰ ফলীয়া সদস্যসকলে হাত চাপৰিৰে সৈতে অনুমোদন জ্ঞাপন কৰিলে। কাৰ্যৰ গতি-গোত্ৰ দেখি আৰু ইলেকচনৰ আৱশ্যম্ভাবী ফলাফললৈ গমি চাই মনোমোহন বাবুৰ সংকেত অনুসৰি তেওঁক প্ৰাৰ্থী কৰা প্ৰস্তাৱ উত্থাপিত নহ'ল। গতিকে মই চেয়াৰমেন ইলেক্‌টেড হোৱাৰ সিদ্ধান্ত প্ৰেচিডেন্টে ৰীতিমতে ঘোষণা কৰি দিলে (তাং ৪ নৱেম্বৰ ; ১৯২২ চন ; ১৮ কাতি, ১৮৪৪ শক)। তাৰ পিছত, মই চেয়াৰমেনৰ আসন গ্ৰহণ কৰি, ভাইচ-চেয়াৰমেনৰ ইলেকচন আহ্বান কৰাত, সৰ্বসন্মতিক্ৰমে বাবু জ্যোতিষচন্দ্ৰ বসু নিৰ্বাচিত হ'ল।

তেজপুৰ মিউনিচিপালিটীৰ চেয়াৰমেন ইলেকচনৰ ফলাফলত অসমীয়া সমাজ উৰুলীকৃত হৈ উঠিল ; আৰু সেই অনুক্ৰমে বঙালী সমাজ হতাশত জৰ পৰিল। আৰু বঙালী বন্ধুবৰ্গৰ অন্তৰত সেই ক্ষোভ ক্ৰমাৎ দকৈ বহিবলৈ ধৰিলে। মোৰ মনত কিন্তু কোনো ভিন্‌ভাব নাই, মই অসমীয়া, বঙালী, মাৰোৱাৰী, দেচোৱালী, য়ুৰোপীয়ান, হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান প্ৰভৃতি সদৌ ৰেট-পেয়াৰ টাউনবাসীৰ প্ৰতি সাম্যভাব অটুট ৰাখি মোৰ ৰাজহুৱা কৰ্তব্য পালন কৰিবলৈ আৰু চেয়াৰমেনৰ গুৰুতৰ বিষয়-বাব ৰাইজৰ মনোৰঞ্জকলৈ চম্ভালিবলৈ একাণ-পতীয়াকৈ লাগি গলোঁ। পুৱা, দুপৰীয়া, আবেলি, গধূলি কেউ প্ৰসঙ্গত মিউনিচিপালিটীৰ ৰাজ-হুৱা কাম-বন পৰিদৰ্শন কৰি মই চেয়াৰমেনৰ বিষয়-বাব মন পাৰি চম্ভালন কৰিবলৈ ধৰিলো। সেই আশাশুধীয়া খাটনিলৈ মন কৰি টাউনৰ সদৌ সামাজিক ৰেট-পেয়াৰবৰ্গে মোৰ গুণ গাবলৈ ধৰিলে ; আন কি, বঙালী সমাজৰো গুণগ্ৰাহী লোকসকলে মোৰ কৰ্তব্যপৰায়ণতা লক্ষ্য কৰি শলাগ ল'বলৈ পিছ নপৰিলে। কিন্তু, বঙালী সমাজৰ প্ৰধান প্ৰতিনিধি সেই বিক্ষুব্ধ মেম্বৰ জনদিয়েকৰ অন্তৰত সেই শলাগনিয়ে ঈৰ্ষা-জুই জ্বলাবলৈহে ধৰিলে ; সিবিলাকে হকে-বিহকে বাটে-অবাটে মোৰ কৃত কাৰ্যৰ আগত দেখাদেখিকৈ বিধি-পথালি দিবলৈ ধৰিলে। প্ৰত্যেক মিউনিচিপাল বোৰ্ডৰ মিটিঙত অসঙ্গত আসোঁৱাহ ধৰি মোক আহুকাল কৰিবলৈ সাজি-পাৰি সিবিলাক দলবদ্ধ হৈ আছে। বিশেষকৈ বাজেট মিটিঙত ভোট সংখ্যাৰ বলেৰে ব্যয় সঙ্কোচ ঘটাই লাগতিয়াল কাৰ্য সমাধানত ব্যাঘাত জন্মায় ; চেয়াৰমেনৰ ক্ষমতাধীন ভগনেৰে মাথোন গাৰ বলেৰে অতি লাগতিয়াল কাৰ্যভাগ চম্ভালি যাওঁ। পিছে পিছলৈ মই মিটিঙত মেম্বৰৰ মতামতলৈ আওকাণ কৰি, অগত্যা আইনৰ আশ্ৰয় লৈ আগুৱাবলৈ ধৰিলো ; বিপক্ষ দলৰ হেজাৰ অত্যাচাৰেও মোক বিচলিত কৰিব নোৱাৰিলে। শেহান্তত, মোৰ মইমতীয়া আচৰণৰ বাবে মোৰ প্ৰতি অনাস্থা প্ৰকাশ কৰাৰ উদ্দেশ্যে বিপক্ষদলে ৰিকুইজিচন দি (requisition) এখন জৰুৰী মিটিং আহ্বান কৰালে। সেই মিটিঙত সিবিলাকৰ উগ্ৰ মতিয়ে মোক উতলাব নোৱাৰিলে ; মই ধীৰ স্থিৰভাৱে আৰু মিঠা মুখেৰে সিবিলাকৰ অভিযোগ এটা এটাকৈ ওফৰাবলৈ ধৰিলো। সদৌ শেহত, উপায়ান্তৰ হৈ, মিছা ৰোহ পাতি

সিবিলাক সদলে ওলাই গুচি গ'ল। কিন্তু, ভাগ্যক্রমে, ক্ষন্তেকমানৰ পিছতে, পলমে অহা দুজনমান মেম্বৰ আহি উপস্থিত হোৱাত, সিবিলাকৰ সৈতে সভাৰ স্থল ("কোৰাম") পাতি সভাৰ কাৰ্য সামৰি থলো। সেই কথাই বিপক্ষ দলক আৰু বিমোৰ কৰি পেলালে। অনন্যোপায় হৈ সিবিলাকে ডেপুটী কমিচনাৰৰ ওচৰত আপত্তি জনাই তেওঁৰ হতুৱাই পুনঃ ৰিকুইজিচন দিয়ালে সেই সভা পুনৰপি পাতিবলৈ; কিন্তু সেই বিষয়ত ডেপুটী কমিচনাৰৰ হাত নাই বুলি মই তুৰন্তে অগ্ৰাহ্য কৰিলোঁ। সেইবাবে বিষম পাই, বিপক্ষ দলৰ উচটনিত উত্তেজিত হৈ ডেপুটী কমিচনাৰে সেই মিটিং পতাবলৈ বুলি মোলৈ আৰু ছটা শ্লিপ দি সাতবাৰে নিবাৰ কৰিলে; মই এইবুলি সমিধান দিলো, "I take strong exception the administration of a Local Body" এই সমিধান পাই তেওঁৰ চেতন উদয় হ'ল, ডেপুটী কমিচনাৰ মিঃ ডাউচনে ততালিকে এইবুলি মোলৈ ধন্যবাদ দি পঠালে "···I sincerely appreciate the courage of your own conviction···thank you."

কিন্তু সিমানতো চক্ৰীদলৰ প্ৰচেষ্টা শাম নাকাটিলে; সিবিলাকে আওপাকে লাগি বোৰ্ডৰ অপৰাপৰ মেম্বৰবিলাককো মোৰ বিৰুদ্ধবাদী কৰি ভঙাবলৈ ধৰিলে; আন কি, অসমীয়া মেম্বৰ-কেইজনকো এফলীয়া কৰি তুলিলে। সেই আলমতে মোৰ গুণগ্ৰাহী পুৰণি ছাত্ৰ বাবু জ্যোতিষ-চন্দ্ৰ বসুৱেও সামাজিক পাকচক্ৰত পৰি ভাইচ-চেয়াৰমেনৰ বিষয়-বাব অনিচ্ছাসত্ত্বেও ইস্তফা দিলে। এই কাৰ্যে মোক অলপ খোৰা কৰিলে সঁচা, কিন্তু মোৰ উদ্যম তীক্ষ্ণতৰহে কৰিলে, মই য়ুৰোপীয়ান মেম্বৰ দুজনৰ সহায়-সহানুভূতি আৰু বুদ্ধি-ভৰসাৰ বলেৰে উদ্দীপ্ত হৈ আগুৱাবলৈ ধৰিলো। মাহচেৰেক বিনা ভাইচ-চেয়াৰমেনেৰে মই চেয়াৰমেনৰ বিষয়-বাব চম্ভালিবলগীয়া হৈছিল, কিন্তু মিউনিচিপালিটীৰ অফিচ আৰু বাহিৰৰ কামত ক্ৰটী ঘটিবলৈ নাপাইছিল। আগতে উনুকিয়াই অহা হৈছে যে, মোৰ আশাশুধীয়া খাটনি আৰু সাম্যভাৱৰ কাম-কাজৰ মোহত মনে মনে মোক ভালপোৱা বঙালী সমাজৰো শুদ্ধচিতীয়া লোকৰ সমষ্টি এটি তলে তলে গঠিত হৈছিল; সেই সমষ্টিটিৰ সৌজন্যত, মোৰ অন্যতম ছাত্ৰপ্ৰতিম মিউনিচিপাল কমিচনাৰ ডাক্তৰ হেমচন্দ্ৰ দাস ভাইচ-চেয়াৰমেনৰ পদত অভিষিক্ত হ'ল। মই অলপ পৰলৈ উশাহ সলাই এফেৰি সকাহ ল'বলৈ এটা ছেগ পালো। কিন্তু, এই ছেগ নিচেই ক্ষন্তেকীয়া। শ্ৰীমান হেম ডাক্তৰে দুমাহমানো টিকিব নোৱাৰিলে, বঙালী সমাজৰ সেই কালৰ কোবাল নেতা মনোমোহন বাবুৰ আদেশ এৰাব নোৱাৰি, তেওঁ দুমাহ নৌ হওঁতেই বিনা-কাৰণে ভাইচ-চেয়াৰমেন পদ বাধ্য হৈ ইস্তফা দিলে। এইবাৰ এই বিষয়ত হতাশ হ'ব লগাত পৰিলো, কিয়নো, বাকী ইণ্ডিয়ান মেম্বৰবিলাকৰ মাজত মোৰ বিশ্বাসযোগ্য লোক এজনো নোহোৱা হ'ল। অগত্যা, মই আকৌ বিনা ভাইচ-চেয়াৰমেনেৰে মিউনিচিপাল বোৰ্ডৰ চেয়াৰমেনৰ গুৰুতৰ বিষয়-বাব চম্ভালিব লগাত পৰিলো। ইমানেও মোক অচল কৰিব নোৱাৰিলে, মই চতুৰ্গুণ উলাহ, উদ্যম আৰু একাণপতীয়া খাটনিৰে মোৰ কৰ্তব্য কেনা নলগাকৈ পালন কৰিবলৈ ধৰিলো। এইভাৱে মাহচেৰেক পাৰ হোৱাৰ পিছত, অসম উপত্যকাৰ কমিচনাৰ চাহাব চফৰ ফুৰিবলৈ আহোঁতে বিপক্ষদলে তেখেতৰ ওচৰত গোচৰ দাখিল

কৰিলেগৈ মই বিনা ভাইচ-চেয়াৰমেনেৰে মিউনিচিপালিটীৰ শাসন ( administration ) চলোৱাটো অবৈধ হৈছে বুলি। পিছে, কমিচনাৰে মুখে মুখে একো সমিধান নিদি, গুৱাহাটীৰপৰা গৱৰ্ণমেণ্ট উকীলৰ লগত পৰামৰ্শ কৰি, এই সিদ্ধান্ত দি পঠিয়ালেগৈ যে, বিনা ভাইচ-চেয়াৰমেনেৰে চেয়াৰমেনে মিউনিচিপালিটীৰ সদৌ কাৰ্যভাৰ নিজে বহন কৰি administration চন্তালন কৰাটো অবৈধ হোৱা নাই, যিহেতু সেই বিষয়ক সদৌ দায়িত্ব চেয়াৰমেনৰ ওপৰতহে; তেওঁৰ কাৰ্যভাৰ লাঘৱ কৰিবৰ অৰ্থে সেই দায়িত্বৰ কোনো কোনো তেওঁৰ ইচ্ছাধীন অংশ অপৰ এজন কমিচনাৰলৈ হস্তান্তৰ কৰি ( deligate ) এজন ভাইচ-চেয়াৰমেন ইলেকটেড কৰাই লয় মাথোন। এই অফিচিয়েল সিদ্ধান্ত অহাত বিপক্ষদল জঁয় পৰিল। মই পৰম উলাহেৰে আৰু অদম্য উদ্যমেৰে মিউনিচিপালিটীৰ চেয়াৰমেনৰ বিষয়-বাব চন্তালিবলৈ লাগি গলোঁ।

বিনা ভাইচ-চেয়াৰমেনেৰে মিউনিচিপাল বোৰ্ডৰ পৰিচালনাৰ কাৰ্য নিয়াৰিকৈ চন্তালন কৰা ছমাহ পাৰ হ'ল। এইভাৱে কৰা মোৰ কাৰ্য দেখি অফিচিয়েল, নন-অফিচিয়েল নেতাবৰ্গ আৰু সমূহ ৰাইজে মোৰ মনোবল আৰু কাৰ্যক্ষমতা শলাগিবলৈ ধৰিলে। সেই শলাগণিত মই যথেষ্ট উদগনি পাইছিলো; কিন্তু মই ক্লান্ত হোৱা নছিলো যদিও, ভাইচ-চেয়াৰমেনৰ আসন শূন্য থকাত মোৰ আৰু ভাল নালাগিল, বোৰ্ডৰ অঙ্গক্ষত যেনহে বোধ হ'ল। গতিকে, সেই আসনত বহুৱাবলৈ এজন সুযোগ্য লোক মই মনে মনে বাছিবলৈ ধৰিলো। এনেতে ৪ নং ওৱাৰ্ডত ( যি ওৱাৰ্ডপৰা মই নিৰ্বাচিত হৈছিলো ) এজন কমিচনাৰৰ পদ খালী হ'ল। সেই ছেগতে সেই পদ এজন ভাইচ-চেয়াৰমেনৰ যোগ্য লোকৰ দ্বাৰাই পূৰ্ণ কৰিবলৈ মই মনে মনে বিচাৰিবলৈ ধৰিলো; আৰু বিচাৰত মোৰ মনোমত এজন পালোঁগৈ,—তেওঁ ডাক্তৰ সুৰেন্দ্ৰ-নাথ সেন। সুৰেন ডাক্তৰ এজন স্বাধীনচিতীয়া ছিলেটী ভদ্ৰলোক। তেওঁক যেয়ে সেয়ে সহজে ভিৰাব নোৱাৰে। বিশেষতঃ ন্যায়পথত তেওঁ পিছলি পৰা লোক নহয়। সেই আল-মতে তেওঁৰে সৈতে মই ভিতৰ বিশ্বাসৰ আলচ পাতিলো। তেওঁ যদি নিৰ্ভীক আৰু স্বাধীন চিতেৰে ভাইচ-চেয়াৰমেনৰ বিষয়-বাব ল'বলৈ কৃতসঙ্কল্প হয়, তেন্তে তেওঁক আগন্তুক উপ-নিৰ্বাচনত উত্তীৰ্ণ কৰিবলৈ মোৰ যত্ন কৌশল খটাবলৈ মই প্ৰতিশ্ৰুতি দিলো; তেৱেঁা সেই মৰ্মে মোক ওলটা প্ৰতিশ্ৰুতি দিলে। ফলত, মোৰ কাৰ্যকৌশল খটাই শত্ৰুপক্ষৰ চকুত ধূলি দি সেই উপনিৰ্বাচনত শ্ৰীযুত সুৰেন্দ্ৰনাথ সেন ডাক্তৰক ওপচনি ভোটৰ বলেৰে উত্তীৰ্ণ কৰালোঁ, আৰু আমাৰ পূৰ্ব প্ৰতিশ্ৰুতি অনুসৰি তেওঁ ভাইচ-চেয়াৰমেনৰ পদত অভিষিক্ত হ'ল। শত্ৰুপক্ষৰ পক্ষে ইও এটা "অবাক জলপান"। ফলাফলত সিপক্ষ জয় পৰিল কিন্তু তাৰ বিৰুদ্ধে সিবিলাক পুনৰপি টঙালি আটি আগ বাঢ়িল। কিন্তু বুৰে পতি শেলুক লাভ নহ'ল, সিবিলাকৰ সদৌ চেষ্টা-প্ৰচেষ্টা ব্যৰ্থ হ'ল, সুৰেন ডাক্তৰ অটল। ইয়াৰ পিছত, বিপক্ষ দলৰ মট্‌মটনি ক্ৰমাৎ টুটি আহিল, মই এফেৰি সকাহ পাই, মিউনিচিপালিটীৰ উন্নতিৰ অৰ্থে নিঃসঙ্কোচভাৱে চিন্তালোচনা আৰু কাৰ্যপৰিচালনাত মন পাৰি লাগি গলোঁ।

শ্ৰীযুত সুৰেন্দ্ৰনাথ সেন ডাক্তৰক মোৰ মনোমত ভাইচ-চেয়াৰমেন পাই, তেওঁক কিছুমান দুৱলীয়া অফিচৰ কাম-কাজৰ ভাৰ দি, মোৰ মূৰৰ ভাৰ পাতলাই লৈ, মই মিউনিচিপালিটীৰ

বাহিৰ ভাগৰ উন্নতি সাধিবলৈ ওলালোঁ। সেই অৰ্থে, প্ৰথমতে মই কিছুমান মৌলিক কাৰ্য (original work) হাতত ললোঁ। এই উন্নতিবিধায়ক কাৰ্যৰ সূচনাই প্ৰতিপক্ষৰ প্ৰতিবাদ-সূচক বাধা-বিঘিনিৰ ডেওনা-জপনা আহ্বান কৰিলে ; সিবিলাকে ঈৰ্ষান্বিত হৈ পদে পদে বিধি পথালি দিবলৈ আৰম্ভ কৰিলে। মই দৃঢ়চিতীয়া আৰু টানমুখীয়াকৈ সেইবোৰ প্ৰতিবন্ধক চেৰাই ক্ৰমাৎ আগুৱাবলৈ ধৰিলোঁ। সেইভাৱে সুসিদ্ধি কৰা মৌলিক কাৰ্যৰ ভিতৰত এইবোৰ ঘাই, যেনে :

## (১) মিউনিচিপাল বোৰ্ডৰ নামকৰণ

তেজপুৰ মিউনিচিপালিটীৰ সীমাৰ ভিতৰত চৰ্কাৰী আলিবাটবোৰৰ স্বকীয়া নাম নথকাত, প্ৰত্যেক ওৱাৰ্ডৰ প্ৰত্যেক ৰোডৰ বাসিন্দা দাঁতিয়লীয়া বাসিন্দাবৃন্দৰ ঘৰ-দুৱাৰ-টেক্স আদিৰ হিচাপ লওঁতে অফিচৰ বৰ আহুকাল হয় ; আৰু সৰ্বসাধাৰণে সেইবোৰ ঠাইৰ বিষয়ে কৈ যাওঁতেই বুজি উঠিবলৈ উজু নহয়। গতিকে, সেই আহুকাল আৰু অসুবিধা গুচাবৰ অভিপ্ৰায়ে মই, কলিকতা কৰ্পৰেচনৰ আৰ্হিৰে, তেজপুৰ মিউনিচিপালিটীৰ প্ৰত্যেক ৰোডৰ স্বকীয়া নামকৰণ কৰিবলৈ দিহা লগালোঁ ; প্ৰত্যেক ৰোডৰ দুমূৰে দুচটা কাঁচৰ ফলিত নাম ছপোৱা নামফলি ( name board ) লগোৱাই খুঁটা পোতাই দিয়ালোঁ। এই মৌলিক কাৰ্যৰ বিৰুদ্ধে বিপক্ষ দলৰ বিস্তৰ প্ৰতিবাদ উঠিছিল, কিন্তু সেইবোৰ মই অসাৰ আৰু যুক্তিহীন ভাবি গাৰ বলেৰে ওফৰাই পঠিয়ালোঁ ; সেইবাবে বোৰ্ডৰ মিটিঙত মই গৰিহণাৰ সলনি শলাগহে লাভ কৰিলোঁ, আজিকোপতি সেইবাবে সৰ্বসাধাৰণে মোৰ গুণ গোৱাহে শুনোঁ।

## (২) তিনি-আলিমূৰীয়া ত্ৰিভুজীয়া ফুলনি

মই প্ৰত্যহ পুৱা-গধূলি দুবাৰকৈ মিউনিচিপালিটীৰ সীমনাৰ ভিতৰ ভাগ পৰিদৰ্শন কৰা নিয়ম বান্ধি লৈছিলোঁ ; পুৱা নিজৰ বাগীত চৰি আৰু গধূলি মিউনিচিপাল ছৰ্দাৰ ৰণুসিং চেত্ৰীক লগত লৈ খোজ কাঢ়ি ফুৰি সেই দৈনিক কৰ্তব্য পালন কৰিছিলোঁ। সেই আলমতে, এদিন সন্ধিয়া মোৰ চকুত পৰিল, গোটাচেৰেক তিনি-আলিমূৰীয়া ত্ৰিভুজীয়া ঘাঁহনিত একোদ'ম জাবৰ থুপিয়াই থোৱা হেতুকে সেই ধুনীয়া ঠাই কেডুখৰিৰ সৌন্দৰ্য নাশ কৰা হৈছে। দেখি, ততালিকে মোৰ মনত খেলালে যে, এটা বিশিষ্ট বিপৰীত ব্যৱস্থাৰে সেই সৌন্দৰ্য বঢ়োৱাহে বাঞ্ছনীয়। ৰণুসিং ছৰ্দাৰৰ দ্বাৰাই তুৰন্তে 'অৰ্ডাৰ' ( হুকুম ) জাৰি কৰাই দিয়া হ'ল সেই ঠাইত সেইভাৱে জাবৰ জমা নকৰিবলৈ আৰু অভাৰচিয়াৰক নিৰ্দেশ দিয়া হ'ল ঘাই ঘাই ছখন তিনি-আলিমূৰীয়া ত্ৰিভুজীয়া ঠাই ধুনীয়াকৈ জেওৰা দি বেৰি ছখন ফুলনি পাতিবলৈ। অনতিপলমে সেই আদেশ-নিৰ্দেশ কাৰ্যত পৰিণত হ'ল। ফলত, তেজপুৰ মিউনিচিপালিটীৰ বুকুৰ আঁচলত সৌন্দৰ্যৰ চকুমণি যেন ছপাহ মনমোহা ফুল জিলিকিবলৈ ধৰিলে ; দেখি বিপক্ষ দলেও নশলাগি নোৱাৰিলে।

## (৩) পুখুৰী সংস্কাৰ

আগৰ পুৰণি পল্টন টোলৰ পূব দাঁতিতে এটি আগৰদিনীয়া পুখুৰী আছিল ; তাৰ পাৰ নথকাত চাৰিওকাষ খিচনি বোকাময় যদিও, মাজৰ কেন্দ্ৰস্থলৰ পানী ফটিকৰ ধাৰ যেন ফটফটীয়া নিজনি, সম্ভৱতঃ ই আগৰদিনীয়া ৰহ-ঢলা পুখুৰী আছিল। মই মিউনিচিপালিটীৰ ধন খৰচেৰে পুখুৰীটোৰ চাৰিওকাষৰ উহনি, পিতনি, খিচনি বোকাবোৰ গুচোৱাই নকৈ আৰু দকৈ খনাই, ওখকৈ পাৰ বন্ধাই, চাৰিওপাৰে লেচু-কলম ( ডালধৰা লেচু-পুলি ) ৰুই দি, 'পল্টন পুখুৰী পাৰ্ক' নামে তাৰ সংস্কাৰ কৰি দিলোঁ। তাৰ পিছত, সেই পুখুৰীৰ পানী দাঁতি-কাষৰীয়া মানুহে খোৱা পানী ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। একে ছেগতে কেঞাপটি মূৰত 'ধুবী পুখুৰী' নামৰ পুখুৰীটোও নকৈ খনোৱাই, ওখকৈ পাৰ বন্ধাই তাৰ পাৰতো 'লেচু-কলম' বা ডালধৰা লেচু-পুলি ৰুই দি, তাতো এটা সৰু পাৰ্ক-পুখুৰীত পৰিণত কৰাই দিলোঁ। পুখুৰী-পাৰ্ক দুটি কালত জপ্‌জপীয়া 'লিচি গাৰ্ডেন' ( লেচুবাৰী ) হৈ জিলিকি উঠিল ; এতিয়া তাৰপৰা মিউনিচিপালিটীৰ বছৰি ভালেমান উৎপন্ হয়। একে আলমতে তেজপুৰ টাউনৰ মুখ পাতনিত 'বৰ-পুখুৰী,' 'পদ্ম-পুখুৰী', 'পাৰ্ক-পুখুৰী', ৰেল-পুখুৰী' এইকেইটা পুখুৰীৰো লাগতিয়াল সংস্কাৰ সাধি চকুত লগা কৰাই দিলোঁ ; আৰু প্ৰত্যেকটোত চৰ্কাৰী খেল নাও যুগুত কৰি দিয়াত টাউনবাসী ডেকাসকলে আবেলি নাও বাই ব্যায়াম অভ্যাস কৰিবলৈ এটা বিশিষ্ট ব্যৱস্থা লাগি উঠিল। ব্যায়াম প্ৰত্যাশী টাউনবাসীয়ে ইয়াৰ ফল উপভোগ কৰি প্ৰতিষ্ঠাতাৰ গুণ গাবলৈ ধৰিলে।

## (৪) গণেশ ঘাট সংস্কাৰ

এটা ভৰ বাৰিষাত গণেশ ঘাটটো গ্ৰাস কৰিবলৈ ব্ৰহ্মপুত্ৰ নদে পূব-দি ধৰি খহাই নি গণেশৰ গা পালেহি ; অতীজৰ কীৰ্তিস্তম্ভস্বৰূপ ৺গণেশ দেৱতাৰ প্ৰকাণ্ড মূৰ্তি খোদিত থকা প্ৰকাণ্ড শিলটোৰ আশে-পাশে কিলাকুটীয়াকৈ ঘূৰি থোৱা মিউনিচিপাল ৰোডটোৰ সৰহভাগ খহি গ'লেই ; শিলটোও তলি খানি পেলায় পেলায় হ'ল। এনে অৱস্থাত সেই বাটটোৰে সৈতে ঘাটটো কেনেকৈ উদ্ধাৰ কৰি ৰক্ষা কৰোঁ তাৰ উপায় চিন্তাত মই তল গলোঁ। এনেতে তেজপুৰ টাউনবাসী সদৌ ৰাইজে, বিশেষকৈ অসমীয়া, বঙালী, মাৰোৱাৰী আৰু দেচোৱালী সমাজে মোৰ ওচৰত মিউনিচিপাল চেয়াৰমেন হিচাপে এখন বৰ দীঘলীয়া 'মেমোৰিয়েল' বা আবেদন-পত্ৰ দাখিল কৰিলে গণেশ ঘাট উদ্ধাৰৰ অৰ্থে। মই সেই আবেদনকে গঁঢ়িলা লৈ, ৫০০০৲ পাঁচ হেজাৰ টকাৰ 'গ্ৰাণ্ট' এটা পাবলৈ গৱৰ্ণমেণ্টলৈ জৰুৰী লিখা-লিখি ( urgent correspondence ) চলাবলৈ ধৰিলোঁ ; আৰু ইফালে মিউনিচিপাল বোৰ্ডকো হেঁচি ধৰিলোঁ ২৫০০৲ আঢ়ৈ হেজাৰ টকাৰ 'গ্ৰাণ্ট' এটা মঞ্জুৰ কৰিবলৈ। বোৰ্ডে মোৰ প্ৰস্তাৱ মঞ্জুৰ কৰিলে, কিন্তু সেই টকাৰ যোৰা মাৰি লোৱাৰ ভাৰ মোৰ গাতে বোজা দি থলে। মই সেই বছৰেকীয়া বাজেটত ভালেমান কাটকুট্ কৰি কোনোমতে আঢ়ৈ হেজাৰ টকা উলিয়াই ললোঁ। পিছে, গৱৰ্ণমেণ্টে মোৰ প্ৰস্তাৱ পূৰাই নিদি ২৫০০৲ আঢ়ৈ হেজাৰ টকীয়া গ্ৰান্ট এটা মাথোন দান কৰিলে। মই যথা লাভ মানি, সেই দুটা গ্ৰান্ট গোটাই মুঠ পাঁচ হেজাৰ টকীয়া পুঁজি

এটা হাতত লৈ, বিষম সাহেবে ব্ৰহ্মপুত্ৰৰ গৰাহৰপৰা গণেশঘাট উদ্ধাৰ আৰু ৰক্ষা কৰিবলৈ আগবাঢ়িলোঁ। তদৰ্থে, ধেনুখনা পৰ্বতৰ ডাঙৰ শিলবোৰৰ চপৰা ভঙাই আনি দ'ম কৰাবলৈ ধৰিলোঁ, আৰু ওচৰৰ পৰ্বতীয়া টীলা দুটাৰপৰা মাটি কটাই অনাই, তাৰে সৈতে 'গণেশ ৰোড'টো পুনৰপি বন্ধাবলৈ দিহা লগালোঁ। এইখিনি আয়োজন কৰোতেই খৰালি পালেহি। আমি গোটা বাঁহৰ গোঁজ পোতাই বান্ধ দিয়াই মাটি ভৰাই বাটটো আগতকৈও বহলকৈ বন্ধাই উঠোঁমানে ব্ৰহ্মপুত্ৰ শুকাই খৰালিৰ সীমনা পালেগৈ। খহাই নিয়া কুলামুখীয়া ঘাটটো এচামনি বালিচাকনিৰে ওলাই পৰিল। সেই ছেগতে সেই বালি চাপৰিটোৰ ওপৰত শিল-চপৰাবোৰ পাৰি এটা হেলনীয়া পকীগড়া বন্ধাই দি, ঘুৰি বাৰিষা নৌহওঁতেই অনতিপলমে গণেশ ঘাট উদ্ধাৰ কৰি পুনৰপি মটুমটীয়াকৈ বন্ধাই দিয়ালোঁ। এই মহৎ কাৰ্যৰ সমাধানত পৰিতুষ্ট হৈ সমূহ ৰাইজে মোৰ শলাগ লৈ মোক আশীৰ্বাদ দিবলৈ ধৰিলে।

## (৫) পানীকল সংস্কাৰ

আগতে কৈ অহা মতে, অহোপুৰুষাৰ্থৰ ফলত যি পানীকল প্ৰতিষ্ঠিত হৈছিল, সেই কল ক্ৰমাৎ বিগৰিবলৈ ধৰাৰ চিন পাই, আকস্মিক আপদৰ বাট মাৰি ৰখাৰ উদ্দেশ্যে, তাৰ লগৰীয়াকৈ আৰু এটা কল নতুনকৈ বহুৱাবৰ সঙ্কল্পেৰে মই মিউনিচিপালিটীৰ চেয়াৰমেন হিচাপে গৱৰ্ণমেণ্টৰ লগত লিখালিখি চলাই আছিলোঁ। মোৰ প্ৰস্তাৱ আছিল যে, গৱৰ্ণমেণ্টে মিউনিচিপালিটীক আদিতে দিয়া ঋণ পৰিশোধ যি বাকী ৰৈছিলগৈ তাৰ লগতে আৰু ৫০,০০০্ আধা লাখ টকা ঋণ দিয়ে যদি তাৰে সৈতে আৰু এটা পানীকল অনাই প্ৰতিষ্ঠা কৰি ওচৰ ভৱিষ্যতৰ বিপদ নিবাৰণ কৰি থব পৰা যায়। বহু লিখা-লিখিৰ ফলত, গবৰ্ণমেণ্টে আৰু ৩৩,০০০ টকা ধাৰে দিয়াটো স্থিৰ হ'ল। তাৰে সৈতে যোৰা মাৰি আৰু এটা পানীকল অনাই বহুৱাবলৈ কলিকতাৰ মেছাৰ্চ চিমচন কোম্পানীৰ লগত লিখা-লিখি চলিল। পিছে এনেতে আগৰ পুৰণি কলটো হঠাৎ অকামিলা হৈ পৰিল, টাউনত পানীৰ যোগান বন্ধ হ'ব-লগীয়া হ'ল। উপায়ান্তৰ হৈ মই তেজপুৰ-বালিপাৰা ৰেল কোম্পানীৰপৰা সিবিলাকৰ ওপৰঞ্চি কল এটা ধাৰলৈ অনাই লৈ বহুৱাবৰ আয়োজন কৰিলোঁ আৰু ইতিমধ্যত গাড়ীৰে পানী কঢ়িয়াই ৰেটপেয়াৰৰ ঘৰে ঘৰে যোগান দিয়াৰ ব্যৱস্থা দিলোঁ। দুমাইল বাট ছিড়ি পাৰি মানুহেৰে ঠেলাই ৰেল কাৰখানাৰপৰা জুইৰে চলোৱা কলটো (fire engine) অনাই পতাই লোৱাত যি খাটনি খাটিবলগীয়া হৈছিল সি বৰ্ণনাতীত। যি হওক, সেই ব্যৱস্থাৰে ছমাহমান কাম চলোৱাৰ পিছত কলিকতাৰপৰা আৰু এটা পেট্ৰোল তেলেৰে চলোৱা কল আহি প্ৰতিষ্ঠিত হোৱাত এটা বৰ ডাঙৰ আপদৰপৰা নিস্তাৰ পোৱা গ'ল। তেতিয়াৰেপৰা টাউনত পানীৰ যোগানৰ কাৰ্য সুচাৰুৰূপে চলিবলৈ ধৰিলে। দুটীয়া পানীকলৰ সুবিধা লৈ, ঠাই বুজি কিছুমান আলিকাষৰীয়া পানীকল আৰু ঘৰলৈ পানী নিয়া নলা (house connection) বঢ়াই দিয়ালোঁ। এই কাৰ্যৰ ফলত উপকৃত হৈ পানী-আকলুৱা ৰাইজৰপৰা আশীৰ্বাদ লাভ কৰিলোঁ।

## (৬) পদ্ম-পাৰ্ক

পৌৰাণিক উষা-নগৰৰ দক্ষিণ সীমনা "অগ্নিগড়" পৰ্বতৰ বৰ্তমান ছিগা-ছিগা টীলাবোৰৰ মাজত আটাইতকৈ ওখ টীলাটো ( চিভিল চাৰ্জন আৰু একজিকিউটীভ ইঞ্জিনিয়াৰৰ বঙলা থকা টীলা দুটাৰ মাজৰটো ) হাবি-বনে ছাটি থোৱাত, সি বাঘৰ ঘুলি হৈ আছিল। সেই বাঘে সততে টাউনত উপদ্ৰৱ কৰিছিল ; ৰাতি ঘৰ ফুৰি ছাগলী, দামুৰি আদি মাৰিছিল আৰু সন্ধিয়া সেই পাহাৰতলীয়া বাটেদি যোৱা-অহা কৰা মানুহকো ছেগ বুজি আক্ৰমণ কৰিছিল। সেইকাৰণে, তিৰোতাহে নালাগে মুনিহেও অকলশৰীয়াকৈ সেই বাটেদি যাতায়াত কৰিবলৈ ভয় কৰে। ভালেমান বছৰৰ আগেয়ে তেজপুৰ টাউনৰ চতুঃপাশৰ দৃশ্য আঁচিবৰ অৰ্থে এই টীলাটোৰ সবাতকৈ ওখ টিঙত কম্পাচ বহুৱাই ফটোগ্ৰাফিক যন্ত্ৰেৰে দৃশ্য-ছবি তোলা হৈছিল। আৰু সেই আপাহতে টীলাটোৰ নাম তেতিয়া "Observatory Hill" হৈছিল। কিন্তু তেতিয়াৰে পৰা তাৰ চিন-মোকাম হাবিতলীয়া হৈয়ে ৰল, সি কোনো ব্যৱহাৰত অহা নাছিল। মই মিউনিচিপালিটীৰ মানুহ লগাই এটা সুৰুঙা বাট কটাই লৈ, এদিন সেই টীলাটোৰ ওপৰলৈ উঠিলোঁ। উঠি দেখোঁ যে, কি মনমোহা মহান দৃশ্য !—পূৱে ভৰলী ( ভৈৰবী ) নৈ, ভৈৰবী দেৱালয় আৰু 'ভোমোৰাগুৰি' পৰ্বত, দক্ষিণে শিলঘাটৰপৰা আৰু পশ্চিমলৈ গোটেই ব্ৰহ্মপুত্ৰৰ দক্ষিণ পানী-যুঁৰলি সীমনা জুৰি শ্যাম বৰণীয়া পৰ্বতৰ শাৰী, ধেনুখনা-ঔগুৰি টীলাৰপৰা হাজৰা পুখুৰীপাৰলৈকে পুৰণি কীৰ্তি চিনৰ মাজত এখনি সুন্দৰ খেত-পথাৰ, উত্তৰে হাজৰাৰ উত্তৰ-পাৰৰপৰা মহাভৈৰৱ মন্দিৰ বুকুত লৈ মৰাভৰলী নৈ, এই চতুঃসীমাৰ কেন্দ্ৰস্থলত প্ৰকাণ্ড ব্ৰহ্মপুত্ৰ নদৰ পাৰত ধুনীয়া তেজপুৰ নগৰখনি ! দেখিলেই প্ৰাণ জুৰাই যায় ; মুকলি চৌপাশৰ-পৰা ৰিব্-ৰিব্ মলয়াই গা-মন শীতল কৰি দিয়ে। অনুভৱ কৰি চালোঁ, ই এখনি আচল জিৰণিৰ ঠাই আৰু স্বাস্থ্যৰ থলী। এনে এখনি বিতোপন ঠাই বনৰ আঁৰলত বাঘক ঘুলি পাতিবলৈ এৰি নিদি, ইয়াক মানুহৰ জিৰণি-উদ্যানত পৰিণত কৰাহে বাঞ্ছনীয়। এই ভাবি, তাতে ততালিকে মিউনিচিপাল অভাৰচিয়াৰক নিৰ্দেশ দিলোঁ যে, এপষৰ ভিতৰত সেই 'অগ্নিগড়' খণ্ড ছফা কৰাই মোকলাব লাগে, তাৰ পিছত ইয়াত এখনি উদ্যান (park) পাতিবৰ অৰ্থে টীলাটিৰ চৌপাশ মেৰাই সুমথিৰা পুলি, ডালধৰা লেচু পুলি আৰু বিবিধ সুখাদ্য ফলৰ পুলি ইত্যাদি ৰুই, ওপৰৰ সমতলৰপৰা নামি যোৱা ঢুনলমান বহল হেলনীয়া মাটিত চৌপাশে মেৰাই বিবিধ জাতীয় ফুলৰ এখনি ফুলনিবাৰী পাতি, তাৰ সমমাজৰ ওখ টিঙত এটি এটুপীয়া জিৰণি মন্দিৰ সজাই, তাৰ চৌপাশে মেৰাই দুবৰিবন ৰোৱাই তাৰ আগ ঘাঁহকটা কলেৰে (lawn mower) সততে চিকণাই নিমজকৈ থব লাগে। মাহচেৰেকৰ পিছত দেখা গ'ল, মোৰ সেই দিহা অনুযায়ী কাৰ্য নিয়াৰিকৈ সমাধা কৰা হৈছে ; দেখি মোৰ অন্তৰত আনন্দ নধৰা হ'ল। তাৰ পিছত টাউনবাসী লোকসকলে, বিশেষকৈ স্বাস্থ্য প্ৰত্যাশীসকলে সততে এই নতুন পাৰ্কৰ উপকাৰিতা উপভোগ কৰি হৰিষ অন্তৰেৰে মোৰ গুণ গাবলৈ ধৰিলে। তাৰ পিছত, আহিল পাৰ্কটিৰ নামকৰণৰ আলোচনা। মিউনিচিপাল মিটিঙত কেইবাবিধৰো প্ৰস্তাৱৰ ভিতৰত (১) "অগ্নিগড় পাৰ্ক" (২) "পদ্ম পাৰ্ক" আৰু (৩) "অবজাৰভেটৰী পাৰ্ক" এই তিনিটা নামৰ এটা

বাছিবলৈ স্থিৰ কৰি ভোটিং প্ৰণালে মেম্বৰসকলৰ মতামত ল'বলৈ দিহা কৰা হ'ল। মই মোৰ স্বকীয়া ভোট (১) নম্বৰী নামৰ সপক্ষে আগধৰি দি ললোঁ। কিন্তু ভোট গণনাত ১২টা ভোটৰ ভিতৰত ৪ চাইটা (১) নম্বৰী, ৬ ছটা (২) নম্বৰী আৰু ২ দুটা (৩) নম্বৰী নামৰ সপক্ষে পোৱা গ'ল। গতিকে, সৰহীয়া ভোট অনুসৰি নতুন পাৰ্কটিৰ নাম "পদ্ম-পাৰ্ক" ৰখাটোকেই স্থিৰ কৰি সিদ্ধান্ত গৃহীত হ'ল। তাৰ পিছত, যথাসময়ৰ ভিতৰত সেই নাম কাঠৰ ফলিত আৰু লোৰ ফলিত খোদাই আৰু লিখাই পাৰ্কৰ আগতে খুঁটা পুতি আৰু বাটৰ মুখত গছত আৰি লগাই দিয়া হ'ল; আৰু ব্ৰহ্মপুত্ৰৰ ফালে পাৰ্কৰ হেলনীয়া গাত এটা ডাঙৰ শিলৰ ওপৰত এই শিৰোনামা খোদিত কৰি থোৱা হ'ল,—"On this historic 'Agnigarh' laid out the 'Padma Park' by the Municipal Chairman Rai Saheb ( পিছত ৰায় বাহাদুৰ ) Padmanath Gohain Borooah in 1924"। এতিয়া সেই অগ্নিগড়ৰ টিং বাঘৰ বুলি শুচি নৰ-নাৰীৰ উপভোগ্য স্বাস্থ্যকৰ জিৰণি মন্দিৰত পৰিণত হ'ল, মুনিহৰ অগম্য ঠাইত তিৰোতাৰ সমাগম হ'ল; আৰু কেতিয়াবা নিলগৰ ভ্ৰমণকাৰী লোক-জনেও "পদ্ম-পাৰ্ক"ত ক্ষন্তেক জিৰণি লৈ ভাগৰ পলুৱা জুৰণি উপভোগ কৰি প্ৰতিষ্ঠাতাক শলাগি আন্তৰিক আশীৰ্বাদ দি যোৱা হ'ল। একে আলমতে অফিচিয়েল চেয়াৰমেন ডেপুটী কমিচনাৰ কৰ্ণেল কোল আৰু কৰ্ণেল হেলিডে চাহাবসকলে আঁচি থৈ যোৱা পাৰ্ক দুখনি সিবিলাকৰ নামে নামে ক্ৰমে "কোল-পাৰ্ক" আৰু "হেলিডে-পাৰ্ক" নামকৰণ কৰি তাৰ বিস্তৰ উন্নতি সাধন কৰা হ'ল।

## অগ্নিগড় ৰোড

অগ্নিগড়ৰ ছিগাখণ্ড ঔগুৰি ধেনুখনাৰ পাদপ্ৰান্তৰপৰা আৰম্ভ কৰি, ৰেল ষ্টেচন আৰু জাহাজ-ঘাটৰ গাইদি, চাৰ্কিট হাউচ, ফৰেষ্ট বঙলা, চমেৰি বঙলা, গণেশ টীলা, মিশ্যন টোল, এক্‌জিকিউটীভ ইঞ্জিনিয়াৰৰ বঙলা, ডেপুটী কমিশ্যনাৰৰ বঙলা, পদ্ম-পাৰ্ক, চিভিল চাৰ্জনৰ বঙলা থকা অগ্নিগড়ৰ টীলা খণ্ডবোৰ কিলাকুটীয়াকৈ মেৰাই, কলিবাৰীঘাট ৰোডৰ মুৰেদি পলিং ষ্টেচন ৰোডত লগাই পানীকললৈকে দুমাইল বাট একেকঠীকৈ, পুৱা-গধূলি সৰ্বসাধাৰণে ফুৰা-চকা কৰিবলৈ সুচলকৈ "অগ্নিগড় ৰোড" নামে পৰ্বতীয়া ৰঙা মাটিৰে এটি সেন্দূৰী আলি বন্ধাবলৈ কাম হাতত লোৱা হয়। কিন্তু, এই কল্পিত সুন্দৰ আলিবাটটি চোঙাই উলিয়াই লওঁতেই আৰু তাৰ যুগুত সংস্কাৰ সাধি সম্পূৰ্ণ কৰিবলৈ নৌ-পাওঁতেই মোৰ চেয়াৰমেনী বিষয়-বাবৰ কাল উকলিল, ৰাৱণে স্বৰ্গলৈ জখলা লগোৱা সংকল্পৰ দৰে, সেই কল্পিত "অগ্নিগড় ৰোড" কল্পনাতে মৰহিবলগীয়া হ'ল; পৰৱৰ্তী চেয়াৰমেনসকলৰ আওকাণত তাৰ আচলছোৱা হাবিতলীয়া লুংলুঙীয়া বাট হৈ পৰি ৰৈছে!

## লোকেল বোৰ্ড মেম্বৰৰ পদত

ইং ১৯০৫ চনৰপৰা ১৯৩৫ চনলৈকে ডেৰকুৰি বছৰ একেৰাহে মই তেজপুৰ লোকেল বোৰ্ডত গৱৰ্ণমেণ্ট নমিনেটেড আহোম প্ৰতিনিধি মেম্বৰ আছিলোঁ। মোৰ জ্ঞানবিশ্বাস মতে

এই অনবেৰী বিষয়-বাব চম্ভালনত মই আশাশুধীয়াকৈ কৰ্তব্য পালন কৰিছিলোঁ ; তেজপুৰ সদৰৰ সদৌ বিধৰ উন্নতিবিধায়ক কাৰ্যৰ পৰ্যালোচনাত মোৰ চিন্তালোচনা নিৰ্ভীকভাৱে লগাইছিলোঁ। গাঁৱলীয়া ৰাইজৰ হক মাৰি চাহ-বাগিচাৰ উন্নতিৰ হকে টনা চাহকৰ য়ুৰোপীয়ান-সকলৰ লগত সততে মই ঠকাঠক তৰ্কবাদ কৰিছিলোঁ, "হয় হজুৰ" মেম্বৰৰ লগৰীয়া হৈ মই 'চাহাব'ক বাট এৰি নিদিছিলোঁ। সেইবাবে অফিচিয়েল চেয়াৰমেন ডেপুটী কমিশ্যনাৰ প্ৰমুখ্যে য়ুৰোপীয়ান মেম্বৰবিলাকে পেটেপেটে মোক ভাল নাপাইছিল ; কিন্তু ন্যায় বিচাৰৰ সপক্ষে নিজ জ্ঞান-বিশ্বাসমতে অবিচলিতভাৱে থিয় দিয়া মোৰ সৎসাহ ( courage of my own conviction ) সিবিলাকে নশলাগি নোৱাৰিছিল। উল্লিখিত ডেৰকুৰি বছৰৰ ভিতৰত তেজপুৰ সদৰৰ গাঁৱলীয়া বাট-ঘাটৰ উন্নতি, খোৱা পানীৰ পুখুৰী আৰু পকীনাদৰ সংখ্যা বঢ়োৱা, প্ৰাইমাৰি পঢ়াশালিবোৰৰ শ্ৰীবৃদ্ধি আৰু আদিশিক্ষা বিস্তাৰ কৰা ইত্যাদি গাঁৱলীয়া ৰাইজৰ হিতকৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰাবলৈ বোৰ্ডক সততে টানি ধৰিছিলোঁ। ফলত, চাৰদুৱাৰ, নদুৱাৰ আৰু ছয়দুৱাৰ অঞ্চলত বেহা-বেপাৰৰ সুচলাৰ্থে নতুন নতুন আলিবাট বন্ধোৱা আৰু ঠায়ে ঠায়ে নৈ-জান আদিৰ ওপৰে গাড়ী চলাচল কৰিব পৰাকৈ বাঁহ-কাঠৰ দলং ভালেমান বাঢ়িল। বছৰি বাজেট মিটিঙত গাঁৱৰ উন্নতিবিধায়ক আছুতীয়া পুঁজি শকত কৰিবলৈ বোৰ্ডক টানি ধৰা মোৰ অভ্যাস গুচাবলৈ চাহাবসকলে তলে-তলে ফন্দি পতাৰ সন্তেদ পাই, ময়ো ইহাতে দেশী মেম্বৰবিলাকৰ দ্বাৰা সমৰ্থন লাভ কৰি শকত হ'বলৈ যুগুত ব্যৱস্থা কৰি লৈছিলোঁ। ইত্যাদি দেশহিতকৰ কাৰ্যত নিৰ্ভীকভাৱে আগৰণুৱা হোৱা বাবেই পিছলৈ অফিচিয়েল চেয়াৰমেন, ডেপুটী কমিশ্যনাৰসকলে দেখাদেখিকৈ মোক বেয়া পোৱা হ'ল ; ফলত, মোৰ নমিনেটেড পদ লাভ ৰহিত হ'ল।

# একপঞ্চাশত্তম সৰ্গ

## দুটি চেনেহৰ ভাগিন বিয়োগ

সন্দিকৈ তনয় যুগল ৺চন্দ্ৰকান্ত আৰু ৺ইন্দ্ৰকান্ত দুটি ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ আৰু মোৰ নুমলীয়া সহোদৰা ৺নাৰায়ণী আইদেউৰ দ্বিতীয় আৰু চতুৰ্থ পুত্ৰ-সন্তান। চন্দ্ৰকান্তই (ওৰফে 'মাজিউ') এম-এ পাছ কৰি উঠি, অসম প্ৰাদেশিক চিভিল চাৰ্ভিচৰ প্ৰতিযোগিতা পৰীক্ষা দি আহি, দেউতাকৰ 'তিৰোৱাল' চাহ বাগিচা চন্তালনৰ অৰ্থে যোৰহাটৰ চিনামৰা বাগিচাৰ মেনেজাৰ চাহাবৰ সৌজন্যত 'ট্ৰেইনিং'-শিক্ষা কৰিছিল; ইন্দ্ৰকান্ত (ওৰফে 'চিচি') কটন কলেজৰ আই-এ শ্ৰেণীৰ কলেজ ছাত্ৰ আছিল আৰু সঙ্গীত বিদ্যাত পাকৈত হৈ উঠিছিল। দুয়োটি পিতৃ-মাতৃৰ বৰ আলসুৱা সন্তান আৰু মোৰ অতি চেনেহৰ ভাগিন; দুয়োটিয়ে স্বভাৱ-চৰিত্ৰ আৰু ৰূপ-গুণেৰে আমাক বৰ দকৈ মোহ লগাইছিল আৰু সৰ্বত্ৰতে জন-সমাজৰপৰা আদৰ-স্নেহ লাভ কৰিছিল। মোৰ দ্বিতীয়া কন্যাদানৰ আয়োজনৰ সময়ত পোনাইঁতে কলিকতা আৰু গুৱাহাটীৰপৰা উজটি যোৰহাটলৈ যাওঁতে, তেজপুৰত সোমাই এপষমান এই ঘৰত থাকি আমাক অতিকৈ মোহ লগাই গৈছিল। চিচি মইনাই বুলু বাইদেৱেকৰ (মোৰ দ্বিতীয়া কন্যা) আগন্তুক বিয়াত বাঁহী-বেহেলা বজাই কেনেকৈ ৰং-ধেমালি কৰিবহি তাৰ আভাস দেখুৱাই আমাক বিমোহিত কৰি গৈছিল। কিন্তু কি যে বিধি-বিড়ম্বনা, চিচি মইনাই আলচা পুখুৰীৰ পানী খাবলৈ নাপালে।

তেজপুৰৰপৰা যোৱা মাথোন মাহদিয়েক হৈছে, এনেতে যোৰহাটৰ ঘাই ঘৰত এপষকাল সনিপাত জ্বৰত (typhoid) পৰি থাকি হঠাতে চিচি মইনা ঢুকাল! যোৰহাটত হাহাকাৰ লাগি উঠিল; তাৰ ধ্বনিয়ে তেজপুৰকো কঁপাই পেলালেহি। মই শোকত বিহ্বল হলোঁ। শ্ৰীযুত সন্দিকৈ আৰু শ্ৰীমতী সোণফেৰি (৺নাৰায়ণী আইদেউ) সন্তাপ তাপত অস্থিৰ হৈ পৰিল। তদুপৰি, ততোধিক সাংঘাতিক ঘটনা আৰু এটা ঘটিল; ৺চিচি মইনা (ইন্দ্ৰকান্ত) নৰিয়াত পৰি থাকোতে চেনেহৰ সৰু ভায়েকৰ প্ৰাণ ৰক্ষাৰ্থে শ্ৰীমান মাজিউ মইনা (৺চন্দ্ৰকান্ত) আপদত আতুৰ হৈ সেই এপষকাল একেৰাহে নৰীয়াৰ গাতে লাগি পৰিচৰ্যা কৰি থকাৰ ফলত, ইটিও সেই একে নৰিয়াতে পৰিল। ঘৰত হাহাকাৰ লাগি উঠিল। পিতৃ-মাতৃৰ গাত হুঁচ্ নোহোৱা হ'ল। পৰিয়ালৰ আনবিলাক আৰু ওচৰ-চুবুৰীয়া মিটিৰ-কুটুম, বন্ধু-বান্ধৱ সকলোটি উবুৰি খাই পৰি বেজ-জ্ঞানী, ডাক্তৰ-কবিৰাজ সদৌ বিধৰ চিকিৎসাৰে সৈতে নৰিয়াৰ প্ৰাণ ৰক্ষাৰ্থে যত্ন কৰিবলৈ ধৰিলে। কিন্তু, অতি পৰিতাপৰ বিষয়, সেই চিকিৎসাৰ একোৱেই গুণ দিব নোৱাৰিলে, সদৌ চেষ্টা ব্যৰ্থ হ'ল, ঠিক এপষৰ অন্ত কালত মৰমৰ মাজিউ পোনা কালপ্ৰাপ্ত হ'ল! পিতৃ-মাতৃ শ্ৰীযুত সন্দিকৈ আৰু শ্ৰীমতী সোণফেৰি মাটিত পৰি মূৰ্চ্ছা গ'ল, ঘৰ-ঘৰোৱাহে বিননিত গছৰ পাত সৰুৱাৰ দৰে হ'ল, গোটেই যোৰহাট জঁয় পৰিল! টেলিগ্ৰাফত সেই মাৰাত্মক বাতৰি পাই মই ঠৰ্ মৰ্ খাই পৰিলোঁ, ভিতৰত কান্দনৰ কোঢ়াল উঠিল। মোৰ

শোকৰ উমান্ লৈয়ে সন্তপ্ত পিতৃ-মাতৃৰ শোক-সন্তাপৰ গভীৰতা অনুভৱ কৰি, সিবিলাকক কি বুলিনো বুজনি দিম ভাবি নোপোৱা হলোঁ ; মাথোন গীতা পাঠ কৰি নিজৰ ভাৰ্যাকো শুনাই দুয়ো সন্তাপ সাগৰৰ পাৰ দেখিবলৈ বুলি শ্ৰীযুত সন্দিকৈলৈ এখনি পত্ৰ দিলো। মোৰ "গীতাসাৰ" প্ৰণয়নৰো এয়ে আঁতিগুৰি।

এপষৰ ব্যৱধানত এনে দুটি সাদৰী ভাগিন হেৰুৱাই মই শোক-তাপত দগ্ধ হলোঁ আৰু উতলা অন্তৰক তলত দিয়া বিননি সুৰেৰে এফেৰি শাঁত কৰিলোঁ :

"চিচি" (ইন্দ্ৰকান্ত) আৰু "মাজিউ" (চন্দ্ৰকান্ত) সন্দিকৈ সোদৰদ্বয় ("অসম-বন্তি", ৬ আহিন, ১৮৪৫ শক)।

"চিচি" মইনাই ছল কৰি মোক
দেখা দি সিদিনা অই !
পাকতে পলালি 'আহোঁগই' বুলি
'বাইদেউ বিয়ালই'।

চাওঁতে চাওঁতে হেৰালি থিতাতে
নাহিলি চাবলৈ বিয়া
"বু" বাইদেউৰ, —বাজনা বজাই—
বিয়া নাম সুৰ দিয়া।

তোৰ অবিহনে বুঢ়া 'নিচাদেৱে'
'চিচি' বোলে আজি কাক ?
গুচি যে গলিগৈ শান্তিধামলই
পৰিলে যেতিয়া ডাক্।

চিচিয়ে ইদৰে কিয়নো ছলিলে,
কি দায় লগালোঁ তাক,—
তাকে গুণি-গাঁথি, আছোঁ মুৰ ঘামি,
—কোনে ক'ব, সোধোঁ কাক ?

এনেটো ছেগতে কিয়নো শালিলি
'মাজিউ' মইনা তই ?
বজ্ৰসম শেল বুকুৰে-পিঠিয়ে
সৰকাই নিয়াকই !

শক্তি নাই সহোঁ শক্তিশেল প্ৰায়
বিষাল বিন্ধন তাৰ ;
সংজ্ঞা মাথোঁ সাৰ, মৰা-মুছা প্ৰাণ,
জীৱন্তে জঠৰ ভাৰ !

জ্বলিতিছুঁ যেন নিঘূণী পোনাটি ;
সদানন্দ শুদ্ধ মন ;
জীৱ-লীলা তোৰ সাঙ্গ হ'ল হেনো !
—নাহে মোৰ পতিয়ন !!
সঁচাকৈ মাজিউ ! ব্যথা দিয়া তোক
নপৰে মনত মোৰ ;
কিয় তেন্তে তই অকালতে গই
তুলিলি এনুৱা হোৰ ?
ভাইটি কাৰণে ভাৰস্ত ভুলিলি
প্ৰাণকো উছৰ্গি চালি ;
তথাপি সোদৰ নোৱাৰি ৰখাব,
গলি তয়ো পিছ-লাগি !
চেনেহী 'মামা'ক (মোক), কোন্ সতে থুয়ে
এৰি গলি স্বৰ্গ পিনে ;
নাচালি উলটি 'দেউতাৰ'লই
—কি গতি তইঁত বিনে !
সংসাৰৰ পাপে নোপোৱা আতমা,
পবিত্ৰ পৰাণ যুৰি
অহা বাটে বাটে শুচি শুচি গলি
যমৰ ৰথত চৰি ।
পৃথিৱীত কাকো নাপালি আপোন,
কাকো হিয়া নিবিলালি ;
প্ৰেমৰ আধাৰ পৰম আতমা
স্বৰ্গত বিচাৰি গলি ।
ইচ্ছাময়, ইচ্ছা তব পূৰ্ণ ষোল-অনা,—
তোমাতে বিলীন হুটি অশৰীৰী পোনা !
চিৰসুখ চিৰশান্তি দেৱ-সমাজত,
ভাগে ভাগে ভুঞ্জি হুয়ে ভ্ৰাতৃ বন্ধনত,
জ্বলি থাক পুণ্য আত্মা,—স্বৰগৰ তৰা—
নৰ মই, থাকোঁ চাই, মৰতৰ পৰা ।

—পোনাইতৰ সন্তপ্ত নিচাওদেউ

এই অভাবনীয় দুৰ্ঘটনাই মোৰ মানত যোৰহাট "অগ্নিকুণ্ড" যেন কৰিলে। তাৰপৰা ১২ বছৰ কাল মই যোৰহাটলৈ বুলি খোজ ল'ব নোৱাৰা হৈ আছিলোঁ। তাৰ পাছত, উত্তৰ লক্ষীমপুৰত সদৌ অসম সাহিত্যিক সন্মিলনীৰ দ্বাৰাই অভিনন্দিত হৈ যোৰহাট যাই অসম সাহিত্য সভাৰ সন্মান শিৰোধাৰ্য কৰাৰ উদ্দেশ্যে নিমন্ত্ৰিত হৈ যাওঁতে "চন্দ্ৰকান্ত সন্দিকৈ সাহিত্য মন্দিৰত" প্ৰৱেশ কৰিবলগীয়া হলোঁ; তাতে সেই সভাৰ দিনা, সন্তপ্ত পিতৃ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ৰায়বাহাদুৰে পুত্ৰ স্মৃতিৰূপে প্ৰতিষ্ঠা কৰা সাহিত্য মন্দিৰত ৺চন্দ্ৰকান্তৰ পূৰ্ণাকৃতিৰ চিত্ৰপটটি থিয় কৰি থোৱা দেখি বিহ্বল হৈ পৰি যাবলৈ ধৰিছিলোঁ, সম্পাদকদেৱৰ গাত ভেজনি লৈহে কথমপি ৰলোঁ।

## দ্বিতীয়া কন্যা দান

মোৰ দ্বিতীয়া কন্যা শ্ৰীমতী দুৰ্বাসুন্দৰী আইদেউক ( ওৰফে বুলু আইদেউ ) বিয়া দিবৰ উপযুক্ত সময় উপস্থিত হোৱাত, মই তলে-তলে এটি উপযুক্ত বৰ সন্ধান কৰিবলৈ ধৰিলো। ইয়াৰ সন্তেদ মোৰ বৰজোঁৱাই গোহাঞিদেৱৰ ( ৺সিদ্ধেশ্বৰ গোহাঞি এম-এ. বি-এল. ই-এ-চি. পাছত ডেপুটী কমিশ্যনাৰ ) বাজে আন কেৱে গম নাপাইছিল। এনেতে, এদিন আবেলি এটি পকা থেকেৰা যেন ৰঙা সুশ্ৰী থুলন্তৰ চেমনীয়া ডেকা আমাৰ ঘৰত উপস্থিত হৈ বাহিৰ-বাৰাণ্ডাত পাৰি থোৱা বাঁহ-বেতৰ দীঘলীয়া আউজা মাচিয়া এখনত বহিলহি। মই আগেয়ে তেওঁক দেখা নাই, নাম মাথোন জানো। চিনাকি বিচাৰি মই তেওঁক 'কোন' বুলি সোধাত, ডেকা-ল'ৰাটিয়ে ততালিকে এইবুলি আপোন-চিনাকি দিলে—"মোৰ নাম হৰিনাথ গগৈ; মই গুৱাহাটী কটন কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ; মোৰ ঘৰ শিৱসাগৰ নগৰৰ কোঁৱৰপুৰ মৌজাৰ হাতীমূৰীয়া গোহাঞি গাঁৱত।" এই চিনাকি দিয়া মাত্ৰকে তেওঁক সবিশেষকৈ মই চিনি উঠিলোঁ;—তেওঁ মোৰ সন্ধানিত বৰৰ ভিতৰৰে এজন। তাৰ পাছত আদৰ-সাদৰকৈ চাহ-জলপান খুৱাই সতৃষ্ণ চকুৰে বিদায় দিলোঁ। সেইদিনা সিমানেই; মাথোন উলটি যাওঁতে, ভিতৰৰ পৰা জুমি চোৱা মোৰ ভাৰ্যাই মোক আথে-বেথে সুধিলে, "বৰ শুৱনি, মহাজনৰ ল'ৰা যেন ৰূপহ ডেকাটি! কিয়নো আহিছিল?" মই তেওঁক এইবুলি আশ্বাস দি থলোঁ, কিয় আহিছিল সুধিবলৈ নহ'ল, সম্ভৱতঃ মোক সাক্ষাৎ কৰিবলৈ আহিছিল; বাৰু এতিয়া থাওক, পাছেকৈ এই বিষয়ে বহলাই কথা-বাৰ্তা পাতিম।" পাছত তত্ত্ব লৈ জানিব পাৰিলোঁ, ল'ৰাটি ঘাটমাউৰা, সৰুতে পিতৃ-মাতৃ ঢুকাল, সহোদৰ নাই, সহোদৰা বুলিবলৈ বিয়া দিয়া জীয়াৰী এটি মাথোন বৰ্তমান; আৰু নিচাওদেৱাক একমাত্ৰ অভিভাবক। আপোন পৈত্ৰিক সম্পত্তিৰ উপাৰ্জনেৰে মেট্ৰিকলৈকে পঢ়ি হৰিনাথে প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চৰ্কাৰী বৃত্তি ধৰি কলেজত পঢ়িছেগৈ। ল'ৰা বৰ চোকা, আই-এ পৰীক্ষাতো প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল; বছৰেকৰ পাছতে গ্ৰেজুৱেট হোৱাতো সংশয় নাই। ল'ৰাটিৰ ৰূপ দেখি আৰু গুণৰ সন্তেদ পাই মই মোহ গলোঁ। বিশেষকৈ, বৰজোঁৱাই গোহাঞিদেৱৰ দৰেই, এজোপা বাঁহৰ এডালি মাথোন গজলীয়া গাজ যেন গগৈদেৱৰ প্ৰতি অযাচিতে মোৰ অন্তৰত

অগত্যা স্নেহৰ উদ্ভৱ হ'ল ; মনে মনে ভাবিলোঁ, লাভ হয়গৈ যদি, এইটি মোৰ দ্বিতীয় ধৰ্মপুত্ৰ হ'ব। তাৰ পাছত, অনতিপলমে এই বিষয়ে মোৰ প্ৰথম ধৰ্মপুত্ৰ ৰবজোঁৱাই গোহাঞিদেৱলৈ লিখি পঠালোঁ। গোহাঞিদেৱে মোৰপৰা সবিশেষ সঙ্কেত পাই, ততালিকে গগৈদেৱৰ লগত লিখালিখিকৈ আমাৰ প্ৰস্তাৱিত বিয়া-বিষয়ক আলোচনা আৰম্ভ কৰিলে। ফলত এই স্থিৰ হ'ল যে, গগৈদেৱে বি-এল পাছ কৰাৰ পাছত, বি-এল পৰীক্ষালৈকে খৰচ-পাতি দি পঢ়াবলৈ প্ৰতিশ্ৰুতি পালেই তেওঁ আমাৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ প্ৰস্তুত হ'ব। গোহাঞিদেৱে মোৰে সৈতে আলচ কৰিবলৈ বাট নোচোৱাকৈয়ে সেই হেতু ( condition ) গ্ৰহণ কৰি উঠি মোক জানিবলৈ দিলে। শুভস্য শীঘ্ৰম ভাবি উভয়পক্ষৰ প্ৰতিশ্ৰুতি অনুযায়ীকৈ অনতিপলমে শুভ বিয়া পাতিবলৈ স্থিৰ কৰা হ'ল। ১৮৪৫ শকৰ ৬ ফাগুনত ইং ১৯২৩ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখে, উভয়পক্ষৰ সকলো খৰচ-পাতি মই নিজে বহন কৰি, তেজপুৰত বিশিষ্ট আড়ম্বৰেৰে বিয়া পাতি মোৰ দ্বিতীয়া সন্তান শ্ৰীমতী দুৰ্বা আইদেউক শ্ৰীমান হৰিনাথ গগৈদেৱৰ হাতত কন্যা-দান কৰা হ'ল।

বিয়াৰ পাছত, বছৰেকৰ ভিতৰতে গগৈদেৱে বি-এ পাছ কৰাত, পূৰ্ব প্ৰতিশ্ৰুতি অনুসৰি, গোহাঞিদেৱে সদৌ খৰচ-পাতি দি তেওঁক বি-এল পঢ়াবলৈ ধৰিলে। এই লেঠাই মোক চুবলৈ নাপালে, কিয়নো, ওখ মনৰ শুদ্ধচিতীয়া মোৰ ৰবজোঁৱাই গোহাঞিদেৱক যিদৰে মই সদৌ খৰচাদি বহন কৰি এম-এ আৰু বি-এল পাছ কৰাই পোন্হাতে মুন্সিপৰ পদ লাভ কৰি দিছিলো সেইদৰেই তেওঁ সেই ঋণ পৰিশোধ কৰাৰ আপাহেৰে স্বইচ্ছাৰে উলাহিত হৈ খৰচ-পাতি দি গগৈদেৱক বি-এল পঢ়াবলৈ আগবাঢ়িছিল। দুয়োকে কন্যা দান কৰা দিন ধৰি, দুয়ো ১ম আৰু ২য় ধৰ্মপুত্ৰৰূপে মোৰ এই ঘৰকে নিজা ঘৰ জ্ঞান কৰি মোৰে সৈতে একেটা পৰিয়ালভুক্ত হৈ চলিছিল। দুইৰো কেইবাটিও সন্তান ( মোৰ নাতি-নাতিনী ) এই ঘৰতে জন্ম হয়। সেই আলমতে, বি-এল পঢ়ি থাকোতেই শ্ৰীমান হৰিনাথ গগৈদেৱৰ প্ৰথম পুত্ৰসন্তান শ্ৰীমান খগেন্দ্ৰনাথৰ ( ওৰফে মাখনটি ) এই ঘৰতে জন্ম হয়।

বি-এল পাছ কৰি আহি শ্ৰীমান গগৈদেৱে এই ঘৰতে একেটা পৰিয়ালভুক্ত হৈ থাকি তেজপুৰত ওকালতি কৰিবলৈ ধৰিলে। গগৈদেৱৰ ওখ মন, শুদ্ধ চিত, সৰল অন্তৰ, মোৰ প্ৰতি পিতৃপ্ৰতিম ভক্তি, নিৰ্মল চৰিত্ৰ, নম্ৰতা, বাধ্যতা ইত্যাদি অমায়িক গুণে মোক ক্ৰমাৎ দকৈ মোহ লগাবলৈ ধৰিলে ; আৰু তেওঁৰ তীক্ষ্ণ বুদ্ধি, কৰ্তব্যপৰায়ণতা, দায়িত্বজ্ঞান আৰু সাহিত্যিক অনুৰাগৰ থানিকা থকাৰ চিন পাই মই সদৌ সাংসাৰিক বিষয়ত, বিশেষকৈ মোৰ সাহিত্যিক কাৰ্য পৰিচালনাত প্ৰয়োজন বুজি তেওঁৰ ওপৰত নিৰ্ভৰ কৰিব পৰা হলোঁ। মই পুত্ৰহীন পিতৃয়ে এনে দুটি ১ম আৰু ২য় ধৰ্মপুত্ৰ লাভ কৰি নিজকে ভাগ্যবান ভাবিলোঁ। প্ৰথমটিয়ে ( গোহাঞিদেৱ ) ৰাজকীয় বিষয়াৰ বাব লৈ সততে ঠাই সলাই আঁতৰি থাকিবলগীয়া হোৱাত মোৰ বিবিধ বৈষয়িক কাৰ্য চন্ডালনত মোক সহায় কৰিবলৈ ছেগ ধৰিব নোৱাৰে ; কিন্তু দ্বিতীয়টিয়ে (গগৈদেৱ ) স্বাধীনভাৱে ওকালতি কৰি আৰু একেলগে থাকি মোক সদৌ বিষয়ত সৰ্বতোভাৱে সহায় কৰিব পাৰে। গতিকে মই এটি-এটিকৈ মোৰ জীৱনৰ ঘাই ঘাই কৰ্মবাব

গোটাদিয়েকত গগৈদেৱক অভ্যস্ত ( trained ) কৰিবলৈ মনস্থ কৰিলোঁ। সেই উদ্দেশ্যে প্ৰথমতে মোৰ সাহিত্যিক সমল কিতাপৰ কাৰবাৰ ( লীলা এজেঞ্চি ) আৰু ছপাখানা ( 'বন্তি'প্ৰচাৰৰ কাৰ্য ) এইকেইটা বিষয়ৰ চন্তালনত মই তেওঁৰ সহযোগিতা ল'বলৈ ধৰিলোঁ। সেই আলমতে গগৈদেৱে মোৰ সাহিত্যিক তথ্য সংগ্ৰহৰ টোপোলাবোৰ ( literary records ) তন্ন-তন্নকৈ বাছি নিজৰ আয়ত্তাধীন কৰি নিজৰ মনোমতকৈ তথ্য টোপোলাৰ আলমাৰিত চিজিল কৰি সজাই লৈছিল। তদুপৰি কিতাপৰ দোকানৰ মেনেজাৰী আৰু প্ৰেছৰ কাম-কাজ চন্তালিবলৈকো ধৰিলে। বিশেষকৈ লীলা এজেঞ্চিৰ ( কিতাপৰ কাৰবাৰী দোকান ) মেনেজাৰৰ বিষয়-বাব লৈ তৎসম্পৰ্কীয় যাৱতীয় কাৰ্য-পৰিচালনা কৰিবলৈ একাণপতীয়াকৈ লাগি গ'ল ; এই আলমতে কলিকতাত মোৰ কিতাপ আদি ছপোৱা "সাম্য-প্ৰেছৰ" লগত বিবাদ লাগি উঠাত "সাম্য-প্ৰেছ"ৰ গৰাকীয়ে কলিকতা হাইকোৰ্টত মোৰ ওপৰত এটা দেৱানী গোচৰ দাখিল কৰি মোক কেইবাবছৰলৈকে কেনেকৈ জলাকলা কৰি অভাৱনীয় আহুকালত পেলাইছিল, সেই বিষয়ে যথা ঠাইত সুকীয়াকৈ বিবৃতি দিয়া হ'ব।

ওপৰত উল্লিকিওৱা নিয়মে বছৰদিয়েক তেজপুৰত দক্ষতাৰে ওকালতি কৰাৰ পাছত, নিজৰ প্ৰাপ্তিৰ উন্নতি আৰু নগঞা জ্ঞাতিৰ অনুৰোধ ৰক্ষাৰ অৰ্থে দ্বিতীয় জোঁৱাই শ্ৰীমান হৰিনাথ গগৈদেৱে এই ঘাই ঘৰতে পুত্ৰ-পৰিয়াল থৈ অস্থায়ীভাৱে নগাঁৱত ওকালতি কৰিবলৈ মনস্থ কৰিলে। এই বিষয়ত মোৰ অনুমতি বিচৰাত, মই তেওঁৰ সঙ্কল্পিত কাৰ্যৰ গতিৰ আগত থিয় নিদি, ততালিকে সন্মতি দিলোঁ। সেই অনুসৰি, গগৈদেৱে নগাঁৱত বছৰদিয়েক ওকালতি কৰিছেগৈ, এনেতে সিফালে হাইকোৰ্টত "সাম্য-প্ৰেছ"ৰ মেনেজাৰে আমাৰ ওপৰত চলোৱা দেৱানী গোচৰটোৰ সম্পৰ্কত চলিচিটাৰ আৰু বাৰিষ্টাৰৰ লগত পৰামৰ্শ কৰিবলৈ তেওঁ কলিকতালৈ যাবলগীয়া হ'ল। কিয়নো, সেই মাৰাত্মক আপদীয়া গোচৰটোৰ মূল "লীলা এজেঞ্চি"ৰ হিচাপৰ গোলমাল সম্বন্ধে সকলো লিখা-লিখি এজেঞ্চিৰ মেনেজাৰ হিচাপে তেওঁহে চলাইছিল। যি হওক, সেই অৰ্থে কলিকতালৈ গৈ তাত এপষমান থাকি, চলিচিটাৰ আৰু বাৰিষ্টাৰক গোচৰৰ ভিতৰুৱা কথা পৰিপাটিকৈ বুজাই দি; উলটি নগাঁও পালেহি।

কলিকতাৰপৰা উলটি অহাৰপৰা এপষমানৰ পাছত, গগৈদেৱে সচৰাচৰ মাজে সময়ে ঘৰলৈ আহি থকাৰ নিয়মে, তেজপুৰলৈ আহি যাবলৈ স্থিৰ কৰিলে ; এনেতে হঠাৎ তেওঁৰ তীৰকঁপে জ্বৰ উঠি অহাত সেইদিনা অহাটো স্থগিত ৰাখি জ্বৰে অলপ শাম কাটিবলৈ বাট চালে। সেইভাৱে কেইদিনমান পাৰ হ'ল, কিন্তু জ্বৰৰ প্ৰকোপ ক্ৰমাৎ চৰিহে আহিল। ইতিমধ্যত শ্ৰীমান উমাকান্ত গোহাঞিদেৱে ডাক্তৰৰ হতুৱাই চিকিৎসা কৰাবলৈ ধৰিলে। পাছত বুজা গ'ল যে, জ্বৰ সাধাৰণ নহয়, আই ওলোৱাৰ আগলি উপক্ৰমহে ; ডাক্তৰী ঔষধ পান কৰাত বিকাৰ বিপৰীত গতিৰে প্ৰকোপিত হৈ উঠিল। তেতিয়া শ্ৰীমান উমা গোহাঞিদেৱে মোলৈ টেলিগ্ৰাম কৰিলে। মই উপায়ন্তৰ হৈ ততালিকে ঘৰৰপৰা দুজন ডেকা ল'ৰাক সম্প্ৰতি আগধৰি পঠিয়াই দিলো, ভাল চিকিৎসাৰ কাৰণে গোহাঞিদেৱৰ নামে ডেৰকুৰি টকা টেলিগ্ৰাফিক মণি অৰ্ডাৰ কৰি শ্ৰীমতী বুলু আইদেউক ( গগৈদেৱৰ ভাৰ্যা ) লৈ।

পিছদিনা পুৱা নগাঁওলৈ নিজে যাবলৈ বুলি মনস্থ কৰি ডাকঘৰৰপৰা ঘৰলৈ উলটি আহিছোঁ, এনেতে পিছে-পিছে খেদি আহি পিয়নে টেলিগ্ৰাম এটা মোৰ হাতত দিলে। মন উগুল-থুগুল, হাত থৰক্-বৰক্, লৰালৰিকৈ টেলিগ্ৰাম মেলি চাওঁ যে, সাংঘাতিক সংবাদ, 'Gogoideu expired this morning'! মই থৰ্‌মৰ্ খাই খাৱৈৰ ফালে হুলি পৰোঁ পৰোঁ হওঁতেই হঠাৎ মিউনিচিপাল অভাৰচিয়াৰ অজিত বাবুৱে পিছফালৰপৰা আহি মোক খাপ মাৰি ধৰি ৰাখি গাত আউজাই লৈ ধৰি ধৰি আনি ঘৰত থৈ গ'লহি। মই চিঞৰি চিঞৰি কান্দি অস্থিৰ হৈ পৰিলোঁ, ভিতৰত কান্দোনৰ কোঢ়াল লাগি উঠিল, মোৰ গাত হুঁচ্ নোহোৱা হ'ল!

মোৰ প্ৰাণপ্ৰতিম অতি চেনেহৰ মাজিউ জোঁৱাই, মোৰ পৰমভক্ত দ্বিতীয় ধৰ্মপুত্ৰ ৺শ্ৰীমান হৰিনাথ গগৈদেৱ নিলগত আচানত ঢুকাল, সন্তপ্ত পৰিয়ালৰ আমি কেৱে দেখিবলৈ নাপালোঁ! সেই সাংঘাতিক অকাল মৃত্যুৰ পূৰ্বক্ষণত তেওঁৱে সৈতে আমাৰ গোটেই পৰিয়ালৰ ছবি তোলা ফটোগ্ৰাফ এটা বুকুত সাবটি ধৰি আছিল হেনো। মোৰ বাছা সঁচাকৈয়ে ঢুকাল, আমাৰ "মাজিউ" আৰু এই সংসাৰত নাই; কিন্তু, সেই ৩৩ তেত্ৰিশ বছৰীয়া ভৰ-ডেকা কালৰ থুলন্তৰ পুৰুষ, স্বাস্থ্যৰ জলন্ত মূৰ্তি (perfect picture of health) মোৰ প্ৰাণাধিক গগৈদেৱ 'আৰু এই সংসাৰত নাই', বোলা হৃদয়বিদাৰক কথাৰ পতিয়ন মোৰ মনলৈ আজিও আনিব পৰা নাই; সঘনে সপোনত দেখাৰ উপৰি, সেই আৰ্জাৰ ৰঙা সুপুৰুষ ডেকা ছঁয়ামুয়াকৈ দেখিলেও মোৰ ভ্ৰম হয়,—এদিন এজন চোলা-চুৰিয়া পিন্ধা থুলন্তৰ ৰঙামুৰা পঞ্জাবী ডেকা 'বন্তি'-প্ৰেছ-অফিচৰ আগেদি যোৱা দেখি তেওঁকে মোৰ 'মাজিউ' বুলি ভ্ৰম হৈ কলিবাৰী ঘাটলৈকে তেওঁৰ পিছ-লাগি খেদি গৈ আছিলোঁ।

মোৰ অতি চেনেহৰ মাজিউ জোঁৱাই পৰমভক্ত দ্বিতীয় ধৰ্মপুত্ৰ ৺হৰিনাথ গগৈদেৱে তিনটি আমাডিমা সন্তানেৰে সৈতে গাভৰু ভাৰ্যাক অনাথকৈ মোৰ বুকুত এৰি থৈ, ৩৩ বছৰীয়া ভৰ ডেকা কালত ভুৰুং কৰে সিপুৰীলৈ উৰি গুচি গ'ল! মোৰ সাহিত্যিক সমল, 'অসম চেণ্ট্ৰাল প্ৰেছ', 'লীলা এজেঞ্চি', 'অসম-বন্তি' সমন্বিতে এই ঘৰ-দুৱাৰ পুত্ৰ-পৰিয়ালৰে সৈতে এই সংসাৰ তেওঁক গতাই দি যাবলৈ যি সঙ্কল্প কৰিছিলোঁ, সি 'আকাশ কুসুম'ত পৰিণত হ'ল! ক'ত বুঢ়াৰ ভাৰ কান পাতি ল'ব, এতিয়া ডেকাৰ সংসাৰ বোকোচাত ব'বলগীয়া হলোঁ!—বিধি-বিড়ম্বনা! অদৃষ্টৰ লিখন অলঙ্ঘনীয়!—এয়ে মোৰ দ্বিতীয়া কন্যা দানৰ ফলাফল।

# দ্বিপঞ্চাশত্তম সৰ্গ

## পুত্ৰ লাভ

অপুত্ৰক মই। মোৰ ৫৫ বছৰ বয়সলৈকে পুত্ৰ লাভ নহ'ল। ইতিমধ্যত মই ৭টি কন্যাৰ পিতৃ হলোঁ। দ্বিতীয়াৰপৰা সপ্তমীলৈকে প্ৰত্যেকটি কন্যাৰ জন্মক্ষণত এটি পুত্ৰৰ জন্ম মই কামনা কৰিছিলোঁ, কিন্তু সেই বাঞ্ছা সিদ্ধি নহ'ল। সদৌ শেহত, হিন্দু সাধনাৰ নীতি অনুসৰি, সিদ্ধিদাতা 'হৰ' আৰু পালনকৰ্তা বিষ্ণু-কলা 'শ্ৰীকৃষ্ণ' আৰাধনা হৃদয়স্থ কৰি মই যোগস্থিত হলোঁ,—গুহ্যতম প্ৰক্ৰিয়াৰে; লগে লগে গৰ্ভধান বিধানৰ এখন জ্যোতিষীয়া পুথি আওৰাই তাত লিপিবদ্ধ প্ৰক্ৰিয়া পালন কৰা অভ্যাসত ধৰিলোঁ। সেই জ্যোতিষ শাস্ত্ৰ পুথিত লিপিবদ্ধ গৰ্ভধান নীতিৰ মূলসূত্ৰ এইকেইটা ঃ

(১) দ্বিতীয়া, চতুৰ্থী আৰু অষ্টমী তিথিত পুত্ৰ সন্তানৰ গৰ্ভধান সঞ্চাৰ হয়।

(২) স্ত্ৰীৰ ঋতুস্নানৰ চতুৰ্থী আৰু অষ্টমীৰ ৰাতি স্বামী সহবাসত পুত্ৰ-সন্তানৰ বীজ সংৰক্ষিত হয়।

(৩) ঋতুস্নানৰ পঞ্চমী, সপ্তমী আৰু নবমী ৰাতিৰ সঙ্গমত কন্যা-সন্তানৰ গৰ্ভধান সঞ্চাৰ হয়।

(৪) আগৰাতি বা ভাতঘুমতিৰ আগেয়ে হোৱা সঙ্গমত সচৰাচৰ গৰ্ভধান নহয়; হ'লেও সু-সন্তান নহয়।

(৫) সু-পুত্ৰ-সন্তান লাভৰ অৰ্থে সঙ্গমক্ষণত স্ত্ৰী-পুৰুষ উভয়েই পুত্ৰ-কামনাত একাগ্ৰচিতীয়া হ'ব লাগে।

উল্লিখিত সাধনাত যোগস্থিত আৰু শাস্ত্ৰোক্ত গৰ্ভধান নিয়ম পালনত অভ্যস্ত হোৱাৰ ফলত যথাসময়ত মোৰ এটি সুশ্ৰী আৰু সুলক্ষণীয়া অষ্টম গৰ্ভজাত পুত্ৰ-সন্তান লাভ হয়।

পুত্ৰটিৰ জন্মতিথি, বাৰ, ক্ষণ আৰু তাৰিখ ঃ পঞ্চমী তিথি, সোমবাৰ, সন্ধ্যাৰ পাছত সাড়ে আঠ বজাত, ২৩ আহাৰ, ১৮৪৬ শক, ইং ৭ জুলাই ১৯২৪ চন। সন্তান ভূমিস্থ হোৱা মাত্ৰকে সন্তানৰ প্ৰথম ক্ৰন্দন ধ্বনিৰ লগে লগে পুত্ৰলাভ ঘোষণা ধাত্ৰীৰ শবদেৰে ( মিড্‌উৱাইফ শ্ৰীযুতা কনকলতা ঘোষ ) শুনি মই আনন্দত গদ্‌গদ্ হলোঁ আৰু পৰিয়ালৰ মাজত হৰ্ষাভিনয় হ'বলৈ ধৰিলে। পিছদিনাৰপৰা স্থানীয় আৰু নিলগৰ মিত্ৰ-কুটুম্ব বন্ধু-বান্ধৱাদিৰ সংপ্ৰীতি সহানুভূতিজ্ঞাপক শুভবাৰ্তা আহিবলৈ ধৰিলে। হৰ আৰু কৃষ্ণ আৰাধনাৰ ফল লাভ ভাবত পুত্ৰটিৰ নাম "হৰকৃষ্ণনাথ" ৰখা হ'ল; সোঁৱৰণী বা জন্মপত্ৰিকাত পণ্ডিত শ্ৰীযুত লক্ষ্মীকান্ত মিশ্ৰ ভাগৱতীদেৱৰ গণনা মতে ল'ৰাৰ নামকৰণ শ্ৰীমান মুনীন্দ্ৰনাথ গোহাঞিবৰুৱা বুলি লিখিত হ'ল; আৰু ল'ৰাটিৰ চলন্তা আদৰুৱা নাম "দেউতাকণ" হ'ল। মোৰ এই পুত্ৰলাভত আটাইতকৈ অধিক আনন্দ উপভোগ কৰিছিল মোৰ পৰম পূজনীয়া গৰ্ভধাত্ৰী মাতৃদেৱীয়ে; তেখেতে ভালেমান দিনৰপৰা মোৰ পুত্ৰলাভ কামনা কৰিছিল।

শ্ৰীমান দেউতাকণ মোৰ কোলাত আপুৰুগীয়া এটি আলাসৰ-লাৰু যেন হ'ল। এথন্তেকলৈকো তাক এৰি মই মন স্থিৰকৈ ৰব নোৱাৰা হলোঁ; মই সাহিত্যিক চৰ্চাৰ লিখা-পঢ়াত মগ্ন থাকোতেও তাক মোৰ আগত আনে কোলাত লৈ থাকিলেহে মই স্থিৰচিত্ত হ'ব পাৰোঁ। তাক এৰি যাবলগীয়া হয় বুলিয়েই মই তেজপুৰ এৰি আন ঠাইত বহা সভা-সমিতিৰ ৰাজহুৱা অনুষ্ঠানত যোগ দিবগৈ নোৱাৰা হলোঁ। এইভাৱেই মই তাৰ মায়াত মোহ গলোঁ।

শ্ৰীমান দেউতাকণৰ কেঁচুৱা, চালুকীয়া আৰু শিশুকালত তিনিটা বৰ শঙ্কাকুল ৰিষ্ট পাৰ হ'ল। প্ৰথমতে তাৰ ছমহীয়া কেঁচুৱা কালত এটা বৰ টান নৰিয়া হয়, সেই নৰিয়াত সি মোৰ হাততে হেৰায় যেন লাগিছিল; গতিকে, সেই আসন্ন অৱস্থাত মই নৰীয়াক কোলাত লৈ দিনে-ৰাতিয়ে "জীৱন ৰক্ষক মহাস্তৱ" পাঠ কৰিছিলোঁ। আৰু সেই আপাহতে এৰাতি মাজনিশা মই অবিচ্ছেদ কামনাৰে "মিলন মহত্ত্ব" শীৰ্ষক এটি কৱিতা কৰিছিলোঁ; সেই কৱিতা যথাসময়ত কাকত-কিতাপ আদিত ছপা হৈ প্ৰচাৰিত হোৱাত, সি সাহিত্যিক সম্প্ৰদায়ৰ দ্বাৰাই আদৃত আৰু প্ৰশংসিত হৈছিল, এতিয়াও কৱিতাটিয়ে মোৰ 'ফুলৰ চানেকি'ত এপাহ 'পাৰিজাত' যেন হৈ ফুলি আছে। সি যি হওক, এই যাত্ৰাত মই এটা মহা চিন্তাৰপৰা নিস্তাৰ পালোঁ।

দ্বিতীয়তে, শ্ৰীমান দেউতাকণৰ চাৰি বছৰীয়া বয়সত, ইং ১৯২৮ চনৰ ২৫ ডিচেম্বৰত বহিবলৈ স্থিৰ হোৱা "সদৌ অসম আহোম সন্মিলনীৰ" ৭ম বৈঠকত জেনেৰেল চেক্ৰেটৰীৰ বিষয়-বাব চম্ভালিবলৈ আৰু সভাপতিৰ আসন লোৱাৰ অৰ্থে মই গুৱাহাটীলৈ বাধ্য হৈ যাবলগীয়া হয়; গতিকে শ্ৰীমানক এৰি যাবলৈ টান পাই, ঘৰৰ ঘৰোৱাহকে লগত লৈ গুৱাহাটীলৈ যাত্ৰা কৰি বৰজোঁৱাই শ্ৰীমান সিদ্ধেশ্বৰ গোহাঞিদেৱৰ লগত তেওঁৰ নতুনকৈ সজা বঙলা ঘৰত থাকিলোঁগৈ। পিছদিনাৰপৰা 'ৰাজবাৰী টোল'ত মহা সমাৰোহেৰে আহোম সন্মিলনীৰ কাৰ্য সমাধা কৰি উঠি, পিছদিনা সপৰিয়ালে গৈ ৺কামাখ্যা তীৰ্থ দৰ্শন আৰু ভক্তি তৰ্পণ কৰি আহিলোঁ। তাৰ পিছদিনা দুয়ো পৰিয়ালৰ সদৌটি "বশিষ্ঠাশ্ৰম তীৰ্থ" দৰ্শনলৈ গলোহঁক; লগত মোৰ মৰমৰ ভাগিন শ্ৰীমান কমলাকান্তও (৺কমলাকান্ত বৰুৱা বি-এল, ই.এ.চি, মোৰ মাজিউ সহোদৰা ভনী ৺আইকণ আইদেউ আৰু মোৰ সোদৰপ্ৰতিম বৈনাই ৺সূৰ্যকান্ত বৰুৱা ই. এ. চি.ৰ একেটি পুত্ৰ) গৈছিল। বশিষ্ঠাশ্ৰম মন্দিৰৰ ভেঁটিৰ গাইদি বৈ যোৱা সন্ধ্যা, ললিতা আৰু কান্তা নামে পুণ্যসলিলা ত্ৰিসোঁতাৰ সঙ্গম স্থল তীৰ্থকুণ্ডত শ্ৰীমান দেউতাকণক মই নিজ হাতে ধৰি অৱগাহন কৰাই লৈ আমি সকলোটিয়ে স্নান কৰি, পৰম বিশুদ্ধভাৱে ভৰ দুপৰীয়া তীৰ্থ ভোজন কৰি উঠি উলটিবলৈ সষ্টম হলোহঁক; কিন্তু বশিষ্ঠাশ্ৰম মন্দিৰৰ ভিতৰত কিছুমান লাগতিয়াল প্ৰত্নতাত্ত্বিক তথ্যৰ টোকা লিখি লওঁতে মই অলপ পিছ পৰিছিলোঁ, এনেতে মোক মটৰ গাড়ীত উঠা নেদেখি শ্ৰীমান দেউতাকণে কান্দি থলক লগাবলৈ ধৰিলে; মই অগত্যা লৰালৰিকৈ ওলাই আহি গাড়ীত উঠিলোঁ। মোৰ প্ৰতি তাৰ অমায়িক আৰু স্বাভাৱিক আসক্তি দেখি সকলোটিয়ে তধা লাগিছিল। বশিষ্ঠাশ্ৰমৰপৰা উলটি অহাৰ পাছত, আবেলি দেউতাকণৰ তীৰ কঁপে জ্বৰ উঠি আহিল। সন্ধিয়াৰপৰা জ্বৰৰ

প্ৰকোপ চৰিবলৈ ধৰিলে। মোৰ প্ৰাণত শান্তি নোহোৱা হ'ল। নৰীয়াক বুকুত লৈ চাটিফুটিকৈ কোনোমতে ৰাতিটো পাৰ কৰিলোঁ। পুৱাৰপৰা নৰিয়াৰ গতিক ক্ৰমাৎ বিষম হ'বলৈ ধৰা দেখা গ'ল ; জ্বৰৰ লগে লগে কফৰ বিকাৰত নৰীয়াই সঘনে ঘেহুঁ টানিবলৈ ধৰিলে। মোৰ প্ৰাণত তৰণি নোহোৱা হ'ল ; গুৱাহাটীত থাকি নৰীয়াক পতি কৰাটো সাংঘাতিক বোধ কৰি মই তুৰন্তে তেজপুৰলৈ উলটিবলৈ সক্ষম হলোঁ। অপৰাপৰ সকলোটিয়ে সেই আসন্ন সময়ত নৰীয়াক স্থানান্তৰ কৰাটো অবাঞ্ছনীয় বুলি হাক দিছিল, কিন্তু মোৰ মনে নামানিলে, মোৰ ধাৰণা হ'ল, উলটি তেজপুৰ পালেগৈয়ে এই আপদৰপৰা উদ্ধাৰ হম বুলি। গতিকে, লৰালৰিকৈ সপৰিয়ালে জাহাজত উঠিলোঁহি। মোৰ গাত তত নাই, জাহাজত ৰাতিটো কেনেকৈ পাৰ হৈছে ক'ব নোৱাৰোঁ, মাথোন 'চিকেনব্ৰথ' যুগুত কৰাই লৈ অলপ অলপ এচিপুকৈ খুৱাই দুৰ্বল নৰীয়াৰ গাত বল সঞ্চাৰ কৰাবলৈ ধৰিলোঁ। পুৱা বেলি ওলোৱাৰ লগে লগে নৰীয়াই চকু মেলিলে, মোৰ প্ৰাণত এফেৰি আশাৰ সঞ্চাৰ হ'ল ; মই নৰীয়াক কোলাত লৈ জাহাজৰ টিঙৰ প্ৰথম শ্ৰেণীৰ আগত জিৰণি লোৱা মুকলি মজিয়াৰ এখন হেলনীয়া মাচিয়াত নৰীয়াক বুকুত লৈ বহি ললোগৈ। বেলি উঠাৰ লগে লগে তেজপুৰ ঘাট ৰিণিকি-ৰিণিকি দেখা গ'ল। মই আতুৰ কণ্ঠেৰে 'তেজপুৰ পালোঁহি' বুলি কোৱাত নৰীয়া পোনাই চকু মেলি চাই আন্তৰিক আনন্দৰ চিন দেখুৱালে। তাৰ এঘণ্টামানৰ মুৰত তেজপুৰ ঘাটত নামি ঘৰ পালোহিহঁক। পিছদিনাৰপৰা জ্বৰে শাম কাটিবলৈ ধৰিলে। এসপ্তাহমানৰ ভিতৰত নৰীয়াই আৰোগ্য লাভ কৰিলে। এইটো শ্ৰীমান দেউতাকণৰ জীৱনৰ দ্বিতীয় ৰিষ্ট পাৰ হ'ল।

তৃতীয়তে ১২ বাৰ বছৰীয়া বয়সত শ্ৰীমান দেউতাকণ সাংঘাতিক গ্ৰহণী ৰোগত পৰিছিল। পোনতে ৰোগ সাধাৰণ বিধৰ যেন বোধ হৈছিল ; পিছে, সাদিনমানৰ পাছত, তেজ গ্ৰহণী হৈ তাৰ বিকাৰ ভীষণ হৈ উঠিল। এপষমানৰ পাছত লগে লগে জ্বৰ উঠিবলৈ ধৰাত, মোৰ প্ৰাণত আতঙ্ক উপস্থিত হ'ল, কিয়নো, জ্বৰ আৰু গ্ৰহণী ৰোগৰ ঔষধ-পাতি বিপৰীত গুণদায়ক, জ্বৰৰ ঔষধে গ্ৰহণীৰ বিকাৰ টান কৰে, আৰু গ্ৰহণীৰ ঔষধে জ্বৰ টান কৰে। এনে নৰিয়াত ডাক্তৰী ঔষধে গুণ দিব নোৱাৰে, বিশেষ ডাক্তৰী চিকিৎসাত মোৰ আস্থা নাই ; গতিকে মই দ্ৰব্যগুণবিশিষ্ট অসমীয়া বনদৰবৰ ওপৰতে নিৰ্ভৰ কৰি চলিছিলোঁ, কিন্তু হতাশৰ খুন্দাত মোৰ অন্তৰ ভাগি-ছিগি যাবলৈ ধৰিলে। যি হওক, পুৰা এপষৰ পাছত মোৰ বনৌষধিয়ে গুণ দিয়াত নৰীয়াই ক্ৰমাৎ সকাহ পাবলৈ ধৰিলে ; আৰু এসপ্তাহমানৰ মূৰত জ্বৰ-গ্ৰহণী দুয়োটাৰ যুটীয়া সাংঘাতিক আক্ৰমণ এৰাই গ'ল। এইটো শ্ৰীমান দেউতাকণৰ জীৱনৰ তৃতীয় ৰিষ্ট পাৰ হ'ল।

অপুত্ৰকৰ পুত্ৰ হ'ল ; এফেৰি নিশ্চিন্ত হলোঁ। চালুকীয়া ল'ৰা চলক্-ভলককৈ উঠি অহা দেখি মোৰ অন্তৰ শীতল আৰু মন উলাহিত হ'বলৈ ধৰিলে। এনে অৱস্থাত মই ল'ৰাৰ ভৱিষ্যত ভাবিবলৈ ধৰিলোঁ। ভাবিলোঁ মোৰ ৫৫ বছৰীয়া বয়সত এই একেটি পুত্ৰ লাভ ; ইয়াক সুশিক্ষিত কৰি তুলিবলৈ মোৰ জীৱনে আটিবগৈনে ? নাটে যদি পুত্ৰ লাভৰ উদ্দেশ্য সিদ্ধি নহ'ব, কিয়নো অশিক্ষিত সন্তানে অপযশ অনাৰ উপৰি, মোৰ সুযোগ্য উত্তৰাধিকাৰী হ'ব

নোৱাৰিবগৈ, যিহেতু মোৰ স্থাৱৰ ভূ-সম্পত্তিত বাজে যুগমীয়া অৰ্থ-সঙ্গতি হৈছে সাহিত্য সমল ; এই সমল চম্ভালিবলৈ অন্ততঃ গ্রেজুৱেট হোৱাৰ বিশেষ প্রয়োজন। ইত্যাদি গুণা-গঁথা কৰি, ৭ বছৰীয়া বয়সত শ্রীমান দেউতাকণক 'তেজপুৰ কাৰ মেমৰিয়েল' পঢ়াশালিত নাম লগাই দিলোঁ ; একেলগে একেদিনাই মোৰ মৰমৰ মাউৰা নাতি-পোনা শ্রীমান মাখনটিকো সেই পঢ়াশালিতে ভর্তি কৰাই দিলোঁ। ইয়াতকৈও আগ বয়সতে ৫ বছৰীয়ামানত পঢ়াশালিত শিক্ষা আৰম্ভ কৰাবৰ মন আছিল, কিন্তু শ্রীমান দেউতাকণ নিতান্ত অজলা আৰু আলসুৱা কাৰণে তাক ঘৰৰপৰা বাজলৈ ওলাবলৈ দিবলৈ মোৰ সত্ নগৈছিল। ইমানতো টানি মানি পঢ়াশালিলৈ পঠিয়াই, নিতৌ আবেলি ঘৰৰ লগুৱাৰ যোগে দুয়োটিকে জা-জলপান খুৱাই পঢ়াশালি ছুটী হোৱাৰ এঘণ্টামানৰ আগতে অনোৱাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। এই প্রাইমেৰি পঢ়াশালিত তিনি বছৰ অকল অসমীয়া শিক্ষা সাঙ্গ কৰাই উঠি, শ্রীমান মাখনটি আৰু শ্রীমান দেউতাকণক তেজপুৰ গৱর্ণমেণ্ট হাইস্কুলৰ ৩য় মান শ্রেণীত (Class III) নাম লগাই দিলোঁ। দুয়োটিয়ে স্কুলত চোকা বুদ্ধিৰ চিনাকি দিবলৈ ধৰিলে। বয়সৰ হিচাপে দুয়ো ১৯ বছৰীয়া বয়সৰ ভিতৰতে মেট্রিকুলেচন ( আগৰ দিনৰ এণ্ট্রেঞ্চ ) পৰীক্ষা পাৰ হৈ যাব লাগে। নাতিটি পুত্রটিতকৈ বয়সে ছমাহৰ ডাঙৰ। শ্রীমান মাখনটি সৰুৰেপৰা শাৰীৰিক সবল আৰু বৰ স্বাস্থ্যবান ল'ৰা ; সি যোৱা বছৰত মেট্রিক পাছ কৰি গুৱাহাটী কটন কলেজত আই এছ চি শ্রেণীত পঢ়িছেগৈ। শ্রীমান দেউতাকণ এতিয়া মেট্রিক পৰীক্ষার্থী ( ইং ১৯৪৩ চন )। ইয়াৰ পাছত আৰু মোৰ সন্তান হোৱা নাই, নহ'বও।—শ্রীমান হৰকৃষ্ণ মোৰ সদৌ নুমলীয়া সন্তান,—একেটি পুত্র।

# ত্ৰিপঞ্চাশত্তম সৰ্গ

## পুনৰপি সাহিত্য ক্ষেত্ৰত

ইং ১৯১২ চনৰ মেই মাহত পোন্-প্ৰথম অসম কাউন্সিললৈ আহোম প্ৰতিনিধিস্বৰূপে নমিনেটেড অনৰেবোল মেম্বৰ হৈ যোৱাৰপৰা ইং ১৯২৪ চনৰ এপ্ৰিল মাহলৈকে পূৰা ১২ বাৰ-বছৰীয়া যুগ এটা মই লেখক হিচাপে মোৰ সাহিত্যিক ক্ষেত্ৰত নাই ; যদ্যপি ইতিমধ্যাত সাহিত্য সভা, সাহিত্যিক সন্মিলনী, সাহিত্যিক অনুসন্ধান সমিতি প্ৰভৃতি অনুষ্ঠান সম্পৰ্কীয় বিবিধ জাতীয় উন্নতিমূলক কাৰ্যৰ পৰ্যালোচনা আৰু পৰিচালনাত মই নেতৃত্বৰ বাব চম্ভালন নকৰাকৈও থকা নাই। এই যুগটোত মই এদনীয়াকৈ ৰাজনৈতিক ক্ষেত্ৰত মোৰ দেশৰ হৈ, মোৰ জাতিৰ হৈ, মোৰ জ্ঞাতিৰ হৈ আশাশুধীয়াকৈ থাটি এই ক্ষুদ্ৰ জীৱনৰ ক্ষুদ্ৰ কৰ্তব্য পালন কৰিছিলোঁ। দেখিলোঁ, মোৰ এই দ্বৈত জাতীয় সেৱাই ফলতঃ মোৰ প্ৰতি আমাৰ সদৌ সামাজিক লোকৰ দুবিধে দুবিধ ধাৰণাৰ চকুৰে চাবলৈ ধৰিলে ; এবিধে ৰাজনৈতিক ক্ষেত্ৰত জাতীয় উন্নতিকল্পে মোৰ একাণপতীয়া আৰু একাগ্ৰচিতীয়া সেৱাত পৰিতুষ্ট আৰু আশান্বিত হৈ মোৰ গুণ গাবলৈ ধৰিলে,—সিবিলাকৰ ভিতৰত ৺মিঃ মাণিকচন্দ্ৰ বৰুৱা, ৺ মিঃ আব্দুল মজিদ চাহাব, ৺ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা, ৺ৰায়বাহাদুৰ ফণিধৰ চলিহা, ৺ মিঃ গঙ্গাগোবিন্দ ফুকন এইসকল প্ৰধান ; ইবিধে মোক সাহিত্য ক্ষেত্ৰৰপৰা এৰা-ধৰাকৈ বাজ হোৱা দেখি মনে মনে আক্ষেপ আৰু আশঙ্কা কৰিবলৈ ধৰিলে যে, তাৰ ফলত আমাৰ জাতীয় অসমীয়া সাহিত্যৰ বিস্তৰ ক্ষতি হৈছে আৰু হ'ব ; সিবিলাকৰ ভিতৰত ৺ পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ৰসিক লেখক ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺প্ৰবীণ সাহিত্যিক সত্যনাথ বৰা, ৺ ৰায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালা, ৺ৰায়বাহাদুৰ কণকলাল বৰুৱা, দাৰ্শনিক লেখক ৺অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য, শ্ৰীযুত বেণুধৰ ৰাজখোৱা, ৺ৰজনীকান্ত বৰদলৈ এইসকল ঘাই। নামনাচ্ ডেকা সম্প্ৰদায়ৰ মাজতো ঠিক সেই ধাৰণাৰ দুটা দল সৃষ্ট হৈছিল, এদল ( ১নং ) ৰাজনৈতিকৰ ফলীয়া আৰু ই দল ( ২নং ) সাহিত্যিকৰ ফলীয়া ; ১ নম্বৰী দলৰ ভিতৰত ৺ বাৰিষ্টাৰ মিঃ তৰুণৰাম ফুকন, বাগ্মীপ্ৰবৰ মিঃ নীলমণি ফুকন, মৌলবী ছৈয়দ চাদুল্লা চাহাব প্ৰভৃতি প্ৰধান ; ২ নম্বৰী দলৰ মাজত শ্ৰীযুত কুলধৰ চলিহা, শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ, ডক্টৰ সূৰ্যকুমাৰ ভূঞা, ৰায়-বাহাদুৰ মৌলবী মফিজুদ্দিন আহ্মদ হাজৰিকা, শ্ৰীমান ক্ষেত্ৰধৰ বুঢ়াগোহাঞি, শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী ( ভূতপূৰ্ব স্কুল ইন্সপেক্টৰ ) এইসকল আগৰণুৱা ; এনেকি মোৰ সাহিত্যিক পেঞ্চনৰ বাট চিকণাওঁতা ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে আগধৰি দি থোৱা সন্দেহ মতে, শ্ৰীমান কুলধৰ চলিহাদেৱে এদিন খোলাখুলিকৈ মোক ভয় দেখুৱাইছিল যে, মই অনতিপলমে ৰাজনৈতিক ক্ষেত্ৰৰপৰা ওলাই সাহিত্যিক ক্ষেত্ৰলৈ প্ৰত্যাবৰ্তন নকৰোঁ যদি মোৰ সাহিত্যিক পেঞ্চন ৰহিত কৰাবলৈ অসম কাউন্সিলৰ জৰিয়তে অসম গৱৰ্ণমেণ্টক সিবিলাকে সেই সাময়িক সদস্যবৰ্গে অনুৰোধ কৰিব। কথাটো শুনি পেটে পেটে মোৰ হাঁহি উঠিল, মই ভয়বিহ্বল নহৈ,

প্রকাশ্যে হাঁহি হাঁহি ডেকাদেৱক এইবুলি সমিধান দিলোঁ, "বাৰু, মোৰ সাহিত্যিক পেঞ্চন ৰহিত কৰোৱা তোমালোকৰ প্ৰচেষ্টাৰ মূল্য বুজা গৈছে, যিহেতু এই পেঞ্চনত প্ৰাদেশিক গৱৰ্ণমেণ্টৰ কোনো এক্তিয়াৰ নাই, বিলাতৰ ঘাই গৱৰ্ণমেণ্টৰ মঞ্জুৰী মতে, ভাৰত মন্ত্ৰীৰ (Lord Morley, Secretary of State for India) দ্বাৰাই প্ৰদত্ত পেঞ্চন ভাৰত সম্ৰাটৰ সেই ঘাই গৱৰ্ণমেণ্টেহে ওফৰাব পাৰিব। সি যি হওক, এই নিঃকিনে দুই ডজনৰ ওপৰ ( তেতিয়ালৈকে মোৰ প্ৰণীত ২৬ খন কিতাপ প্ৰচাৰিত হৈছিল ) কিতাপ লিখি উঠি, এটা যুগ মাথোন ( ১২ বছৰীয়া ) আংশিকৰূপে নিৰস্ত হওঁতেই যে তোমালোকৰ গাত পোৰণি লাগিছে, কিন্তু সিদিনা মাথোন এজন অসমীয়া গ্ৰন্থকাৰে ( মোৰ বন্ধু মৌলবী মফিজুদ্দিন আহ্মদ হাজৰিকা ) জীৱনত মুঠেই এখন কৱিতা পুথি ( 'জ্ঞান মালিনী' ) প্ৰচাৰ কৰিয়েই শ্ৰীমান সদানন্দ দুৱৰা ৰায়বাহাদুৰ প্ৰমুখ্যে তোমালোক অসমীয়া ভাষাৰ হিতাশী কাউন্সিল সদস্যবৰ্গৰ অনুমোদনৰ ফলস্বৰূপ অসম প্ৰাদেশিক গৱৰ্ণমেণ্টৰ দ্বাৰাই প্ৰদত্ত অন্যতম সাহিত্যিক পেঞ্চন উপভোগ কৰালৈ চাই থাকি তোমালোকৰ অঙ্গ আৰু অন্তৰাঙ্গ শীতল হৈ আছে কেনেকৈ ?" মোৰ সেই যুক্তিযুক্ত প্ৰশ্ন আৰু সমিধানে কিন্তি মাৎ কৰিলে যেন পালোঁ, ডেকা চলিহাদেৱ 'জব্দ' হৈ নিস্তব্ধ হ'ল। তথাপি, তেওঁক মই সৰল চিতেৰে বুজাই দিলোঁ যে, যি উদ্দেশ্য সাধন মোৰ জীৱনব্ৰত, যি উদ্দেশ্য উদ্দেশি মোৰ প্ৰাণৰ ধাউতি অবাৰিত গতিৰে বৈ আছে, সেই মোৰ মাতৃভাষা আৰু জাতীয় সাহিত্যৰ উন্নতি সাধন মহাব্ৰত অকালত অসময়ত আদবাটত এৰি মই ছঁয়া কাটিব পাৰোঁনে ? মোৰ এই মহাব্ৰত পালনত আনৰ উদ্গনি বা ভয়-প্ৰদৰ্শনীও নাখাটে ; মই আত্ম প্ৰেৰণাত উলাহিত হৈ স্বইচ্ছাৰে আগনাবাঢ়ো মানে মোক আনে হেঁচুকি সাহিত্য-চৰ্চালৈ প্ৰত্যাবৰ্তন কৰাব নোৱাৰে। ৰাজনৈতিক ক্ষেত্ৰত জাতীয় উন্নতিৰ অৰ্থে যত্ন কৰি কেনে সোৱাদ পোৱা যায় তাৰ জুতি চালোঁ মাথোন ; ঘৰৰ ল'ৰা ঘৰলৈ উলটি অহাৰ দৰে, মই অনতিপলমে মোৰ আজীৱন কৰ্মব্ৰত সুমৰি পুনৰপি সাহিত্য-চৰ্চাত ধৰিম বুলি চিত্ত স্থিৰ কৰিছোঁ। ইমানতে তুষ্ট হৈ ডেকা চলিহাদেৱে বিদায় ল'লে।

## "লাচিত বৰফুকন" প্ৰচাৰ

ৰাজনৈতিক ক্ষেত্ৰৰপৰা ওলাই হাত ধুই পুনৰপি সাহিত্য ক্ষেত্ৰত সোমোৱাৰ পাছত, ৰাপ সলাই পুনঃ চিত্ত স্থিৰ কৰি লওঁতে দুমাহমান লাগিল। তাৰ পাছত ভাবনা উঠিল, সেই সময়োপযোগী কেনে বিধৰ কি পুথি প্ৰচাৰ কৰাটো ৰাইজৰঞ্জক হ'ব। ভাবি পালোঁ, সেই সময়ত মহাত্মা গান্ধীৰ স্বৰাজ আৰু স্বাধীনতাসূচক শিক্ষা-দীক্ষা মন্ত্ৰে ভাৰত সন্তানৰ মন-প্ৰাণ উত্ৰাৱল কৰি তুলিছে ; আৰু তদৰ্থে জাতীয় প্ৰেমমূলক দেশোদ্ধাৰক বীৰৰ আদৰ্শ অভিনয়ৰ প্ৰয়োজন হৈছে। গতিকে, সেই সিদ্ধান্তৰ প্ৰেৰণাত অনুপ্ৰাণিত হৈ, পুৰণি অসমৰ স্বদেশ-প্ৰাণ অসমীয়া স্বজাতি আৰু স্বজাতিৰ হিতাৰ্থে আত্মোৎসৰ্গ কৰোঁতা, আহোম বীৰ, সুপ্ৰখ্যাত "শৰাইঘাট ৰণ'ৰ নায়ক, ঘাই সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ অসাধাৰণ চৰিত্ৰৰ সু-আৰ্হি অভিনীত হোৱা বাঞ্ছনীয় বোধ কৰি ১৮৪৬ শকৰ শেহছোৱাত 'লাচিত বৰফুকন

নাটক' প্ৰচাৰ কৰা কাৰ্য মই হৃষ্টচিত্তেৰে আৰু উলাহেৰে হাতত ললোঁ। এই নাটকখন বুৰঞ্জীমূলক প্ৰকৃত ঘটনাৰ ভেঁটিত থিয় কৰোৱাটো মোৰ আদৌ লক্ষ্য আছিল। গতিকে, মই নিজে জনাথিনিৰ ওপৰঞ্চিকৈ সেই বিষয়ক বুৰঞ্জীমূলক তথ্য সংগ্ৰহ কৰাৰ অৰ্থে খনচেৰেক পুৰণি বুৰঞ্জী পুথি অধ্যয়ন কৰি লৈছিলোঁ। তাৰ পাছত, ১৮১৬ শকত ইং ১৮৯৪ চনত সেই সংগৃহীত সমলেৰে এখন নিভাঁজ আঁচনি আঁচি লৈ, নাটকৰ ৰচনা আৰম্ভ কৰা হৈছিল, মাথোন একেসুৰীয়া আখ্যানৰ দৃশ্যাবৃত্তিত দৰ্শকৰ আমনি নলগা কৰিবৰ উদ্দেশ্যে ছেগ বুজি মাজে মধ্যে একো-একোটা উপাখ্যানমূলক করুণ আৰু ৰসাত্মক চৰিত্ৰৰ অৱতাৰণা কৰা হৈছিল।

'লাচিত বৰফুকন' নাটক হাতে লিখা অৱস্থাতে ভালেমান দিন পৰি আছিল ; উদ্দেশ্য তাত খুত্ ধৰিবলৈ ৰাইজক যথেষ্ট সুযোগ আৰু সুছেগ দিয়াটো। সেই উদ্দেশ্যেই নাটকখন কেইবাবাৰো নিজৰ ষ্টেজত ( বাণ ষ্টেজ ) নিজে আখৰা দিয়াই অভিনীত কৰাইছিলোঁ ; তাৰে এটা অভিনয় ইং ১৯১৯ চনত, সদৌ অসম ছাত্ৰ সন্মিলনীৰ সভাপতি হৈ আহোঁতে ছাৰ পি. চি. ৰায়ৰ সন্মানত পতা হৈছিল। সেই অভিনয় দেখি হৰ্ষোৎফুল্ল হৈ প্ৰফুল্ল ৰায় আচাৰ্যদেৱে এইবুলি ওলগ লৈছিল, "এসময়ত অসমত লাচিত বৰফুকন হেন মহাবীৰ ( ৺ভূতনাথ পটঙ্গীয়া ভাৱৰীয়া ) আৰু ৰমণী গাভৰু হেন (৺গুণানন্দ শৰ্মা ভাৱৰীয়া) বীৰাঙ্গনাই জন্মগ্ৰহণ কৰিছিল ! আজিৰ অসম, আজিৰ ভাৰতে এই জ্বলন্ত পটন্তৰ আগত লৈ আগবাঢ়িবলৈ চোৱা উচিত।"

## 'শ্ৰীকৃষ্ণ' প্ৰণয়ন

ৰাম-কৃষ্ণাখ্যান মোৰ আজন্ম শ্ৰুতি-স্মৃতি। আধ্যাত্মিক অনুভূতি মোৰ অন্তৰত উদ্ৰেক হোৱাৰ লগে লগে 'ৰামচৰিত' আৰু 'কৃষ্ণচৰিত' এই দুই অৱতাৰী চৰিত্ৰবিষয়ক কথন-মথন মোৰ শ্ৰুতি আৰু স্মৃতিগোচৰ হয়। ৰামায়ণত শ্ৰীৰামচন্দ্ৰ চৰিত্ৰ আৰু মহাভাৰত, ভাগৱত আদিত শ্ৰীকৃষ্ণ-চৰিত্ৰ বিষয়ক পাঠ আৰু কথন মই বৰ ৰাপ লগাই শুনা সৰুৰেপৰা মোৰ স্বভাৱতে অভ্যাস আছিল ; আৰু সেই শুনা কথা মনত এনেদৰে দকৈ বহি গৈছিল যে, পাছত সেই কথা মই হুবহুকৈ সুমৰিব পাৰিছিলোঁ। সেই দুই আখ্যানৰ ব্যাখ্যানত সংলগ্ন অলৌকিকতাই লৌকিকতাৰপৰা ওপৰ খাপত সেই দুই মহামানৱৰ চিত্ৰ-পট মোৰ অন্তৰত বিচিত্ৰভাৱে চিত্ৰিত কৰি ৰাখিছিল। এই দুই মহাচৰিত্ৰত বাজেও যীশু-চৰিত, মহম্মদ-চৰিত আৰু বুদ্ধ-চৰিত এই তিনিটি অসাধাৰণ চৰিত্ৰ-চিত্ৰ মোৰ চিত্তপটত তিৰ্‌বিৰাই আছিল। এইবোৰেই মোৰ অন্তৰত অৱতাৰী অনুভূতিৰ আঁতিগুৰি। আগেয়েই যথা ঠাইত উল্লিকিয়াই থোৱা আছে যে, কাৰ্যাৰম্ভণৰ আগতে সংকল্প প্ৰচাৰ কৰি দিয়াটো মোৰ প্ৰচলিত দস্তুৰ ; তাৰ দ্বাৰাই নিজকে নিজে প্ৰতিশ্ৰুতিৰ বাঘজৰীৰে মই বান্ধ খুৱাই লওঁ। সেই অনুসৰি, 'শ্ৰীৰামচৰিত', 'শ্ৰীকৃষ্ণ-চৰিত', 'যীশু-চৰিত', 'মহম্মদ-চৰিত' আৰু 'বুদ্ধ-চৰিত' এই পাঁচোটা মহাচৰিত মই ৰচনা কৰি প্ৰচাৰ কৰিবলৈ বুলি মোৰ সংকল্প মোৰ 'বন্তি'ৰ পোহৰেৰে ৰাইজৰ আগত আগধৰি পোহৰাই ধৰিলোঁ।

## 'শ্রীকৃষ্ণ', আত্মজীৱনী।

সংকল্পৰ 'ক্ৰমিক-নম্বৰ' অনুসৰি, 'শ্ৰীৰাম-চৰিত' সবাতকৈ আগ হ'ব লাগিছিল, কিন্তু ৰামাৱতাৰৰ ব্যাখ্যান-বিবৃতি ৰামায়ণত বাজে আন আন পৌৰাণিক আৰু আধুনিক গ্ৰন্থ-শাস্ত্ৰ কিম্বা তথ্য সংগ্ৰহ সমালোচনাদিত বিশদ আৰু বিস্তাৰিতকৈ পোৱা নাযায়; তদুপৰি, ৰাম-চৰিত্ৰৰ অলৌকিকতা কৃষ্ণ-চৰিত প্ৰমুখ্যে অপৰাপৰ চৰিত্ৰৰ অলৌকিকতাতকৈ অধিকতৰ জটিল। আনহাতে, কৃষ্ণ-কাহিনী সম্বন্ধে মহাভাৰত, হৰিবংশ-ভাগৱত পুৰাণাদি ভালেমান শাস্ত্ৰ আৰু আধুনিক মৌলিক গ্ৰন্থাদিত বিস্তৰ বিবৃতিৰ বিশদ ব্যাখ্যান পোৱা যায়; আৰু কৃষ্ণ-কাহিনীত সংযোজিত অলৌকিকতা লৌকিকতালৈ ভাঙিবলৈ ৰামাখ্যানত নিহিত অলৌকিকতাৰ ভাঙনীতকৈ উজু হ'ব যেন বোধ হ'ল। গতিকে, কোমলৰপৰা কঠিনলৈ আগবঢ়া সুনীতি অনুসৰণ কৰি, 'শ্ৰীৰাম-চৰিত' পাছলৈ থৈ 'শ্ৰীকৃষ্ণ' আগধৰি হাতত লোৱা হ'ল। হাতত লোৱা মানে কাপ্ লোৱা নহয়, লিখিবলৈ সমল সংগ্ৰহ কৰাহে।

সমল সংগ্ৰহৰ আৰম্ভণত পোন্-প্ৰথমে শ্ৰীমদ্ভাগৱতৰ কেইও স্কন্ধ গোটাই লৈ, তাৰ মূলৰ বঙলা ব্যাখ্যাৰ সহায়েৰে মৌলিক তথ্য অধ্যয়ন কৰিবলৈ লাগি গলোঁ; লগে লগে সেই স্কন্ধাৱলীৰ যি যি ভাগত শ্ৰীকৃষ্ণ কাহিনীৰ য'ত যি বিবৃতি লিপিবদ্ধ হৈ ৰৈছে, সেইবোৰ চিন লগাই লোৱা হ'ল। তাৰ পাছত, টীকা সহ বঙলা অনুবাদেৰে সৈতে পণ্ডিত প্ৰসন্নকুমাৰ বিদ্যাৰত্নৰ দ্বাৰাই অনূদিত মূল মহাভাৰত সম্পূৰ্ণকৈ আৰু তন্নতন্নকৈ অধ্যয়ন কৰি, তাত সন্নিবিষ্ট শ্ৰীকৃষ্ণতত্ত্ব সমুদায় ক'তো অকণো নেৰাকৈ আঁচি ললোঁ। এই দুই মহাগ্ৰন্থৰ আনুষঙ্গিক বঙলা ভাষাত পয়াৰ ছন্দত ৰচিত সমস্ত ভাগৱত আৰু সম্পূৰ্ণ মহাভাৰত মন পাৰি পঢ়ি, তাৰপৰা কৱিতা-কাল্পনিক অলৌকিক অলঙ্কাৰবোৰ বাদ দি, প্ৰাকৃতিক আৰু লৌকিক সাৰাংশৰ লাগতিয়াল ভাগ টুকি ললোঁ। ইয়াৰ পাছত, পুৰাণ-ইতিহাসৰ গৰ্ভত শ্ৰীকৃষ্ণ সংবাদ অনুসন্ধানত লাগি গলোঁ। সেই উদ্দেশ্যে, মহামুনি বেদব্যাস প্ৰণীত পুৰাণ সংহিতা আৰু তৎপ্ৰসূত তাৰ শাখা-প্ৰশাখাৰ ১৮খন বঙ্গানুবাদ পুৰাণ গ্ৰন্থ সংগ্ৰহ কৰি লৈ তাৰ গৰ্ভত নিহিত শ্ৰীকৃষ্ণ কাহিনীৰ সাৰ সমল কি পোৱা যায় তাক বিচাৰি ল'বলৈ বুলি, এখন-এখনকৈ একাদি-ক্ৰমে পুৰাণসমূহ যথা (১) বিষ্ণুপুৰাণ, (২) মাৰ্কণ্ডেয় পুৰাণ, (৩) ভাগৱত পুৰাণ, (৪) ব্ৰহ্ম পুৰাণ, (৫) পদ্ম পুৰাণ, (৬) লিঙ্গ পুৰাণ, (৭) বৰাহ পুৰাণ, (৮) নাৰদ পুৰাণ, (৯) গৰুড় পুৰাণ, (১০) ব্ৰহ্মাণ্ড পুৰাণ, (১১) বায়ু পুৰাণ, (১২) ব্ৰহ্মবৈবৰ্ত পুৰাণ, (১৩) ভৱিষ্য পুৰাণ, (১৪) বামন পুৰাণ, (১৫) স্কন্দ পুৰাণ, (১৬) অগ্নি পুৰাণ, (১৭) মৎস্য পুৰাণ, (১৮) কূৰ্ম পুৰাণ—এই ১৮খন পুৰাণ ছালি-জাৰি চাই যি পালোঁ সেইবোৰ সমল গোটাই ললোঁ। তাৰ পাছত 'হৰিবংশ' অধ্যয়ন কৰিলোঁ। 'হৰিবংশ' মুঠেই একেখন গ্ৰন্থ; ইয়াৰ গৰ্ভত ভালেমান আন গ্ৰন্থত নথকা সমল পোৱা হ'ল। এইবোৰ পৌৰাণিক হিন্দু সাহিত্যৰ ৰাশি ৰাশি মূল গ্ৰন্থৰ ভিতৰত ঘাইকৈ মহাভাৰত, হৰিবংশ আৰু ৯ খন মানথোন পুৰাণত কৃষ্ণ-আখ্যান আৰু কৃষ্ণ উপাখ্যানৰ বিপুল তথ্য বিচাৰি পালোঁ; কিন্তু কোনো এখনতো ধাৰাবাহিককৈ শ্ৰীকৃষ্ণ-কাহিনী লিপিবদ্ধ হোৱা নাপালোঁ। মহাভাৰতত যিছোৱা বিস্তাৰিতকৈ আছে হৰিবংশত সেইদৰে নাই;

হৰিবংশত যিছোৱা সু-বিস্তাৰিতকৈ আছে, মহাভাৰতত সেইছোৱা সমুলঞ্চে নাই ; আৰু পুৰাণত যি যি অংশৰ বহুল বিবৃতি আছে, মহাভাৰত আৰু হৰিবংশত সি সেই-ভাৱে নাই, ভাগৱতৰ স্কন্ধবোৰত আগৰ স্কন্ধৰ ঘটনা আৰু পাছৰ স্কন্ধত আগৰ ঘটনা বেমেজালিকৈ লিপিবদ্ধ হৈছে। ইত্যাদি হেতুকে হিন্দু গ্ৰন্থাদিত কথিত শ্ৰীকৃষ্ণ কাহিনী তথ্যৰ সামঞ্জস্য মিলাবৰ অৰ্থে মই বহু পৰিশ্ৰম কৰিবলগীয়া হ'ল ; আৰু এই সামঞ্জস্য সমাধানত ভালেমান দিন লাগিল। হিন্দু শাস্ত্ৰ-গ্ৰন্থাদিৰপৰা শ্ৰীকৃষ্ণ আখ্যানৰ বিস্তৰ সমল সংগ্ৰহ কৰি লৈ উঠি, বিদেশী পশ্চিমীয়া, য়ুৰোপীয়া পণ্ডিতসকলৰ শ্ৰীকৃষ্ণ সম্পৰ্কীয় সমালোচনাসূচক মতা-মত আৰু আধুনিক ভাৰতীয় তথ্যগ্ৰাহী পণ্ডিতবৰ্গৰ ৰচিত আৰু প্ৰণীত 'শ্ৰীকৃষ্ণচৰিত্ৰ' গ্ৰন্থ আৰু প্ৰবন্ধাদি বিচাৰি বিচাৰি পঢ়ি লৈ সেইবোৰৰ লগত মোৰ নিজা অভিমতৰ সামঞ্জস্য মিলাবলৈ চিন্তালোচনাত ধৰিলোঁ। সেই পণ্ডিতসকলৰ ভিতৰত পাশ্চাত্য পণ্ডিত অধ্যাপক মেক্স মুলাৰ (Max Mullar), পণ্ডিত ওৱেবাৰ (Weber), পণ্ডিত উইলচন (Wilson), পণ্ডিত গোল্ডষ্টুকৰ (Goldstucker), পণ্ডিত কোলব্ৰুক্ (Colebrooke), পণ্ডিত এলফিন্‌ষ্টোন (Elphin-stone), পণ্ডিত উইলফোৰ্ড (Wilford), পৰিব্ৰাজক মেগেস্থিনিজ (Megasthenes), আৰু ভাৰতীয় সুলেখক ৺বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়, মিঃ ধীৰেন্দ্ৰনাথ পাল এইসকলৰ নাম বিশেষকৈ ল'বলগীয়া। উল্লিখিত ৰাশিকৃত গ্ৰন্থাৱলী আৰু তথ্য-তত্ত্বাদি সংগ্ৰহ কৰি লৈ, তন্ন-তন্নকৈ মন পাৰি পঢ়ি লৈ জিন নিয়াই নিজা কৰি লওঁতে তিনি বছৰমান সময় লাগিল।

ওপৰত লেথ দিয়া সংগৃহীত সমল নিজা চিন্তালোচনাৰ ঘোটনীৰে ঘুটি নিয়াৰিকৈ বোৱাই লৈ, ১৮৫০ শকৰ শ্ৰীকৃষ্ণাষ্টমী তিথিৰ শুভক্ষণত 'শ্ৰীকৃষ্ণ'ৰ আদ্যলীলা খণ্ড লিখিবলৈ চিত্ত স্থিৰ কৰি কাপ্ ধৰিলোঁ। যেই সেই কামৰে আৰম্ভণ আৰু সামৰণ টান। গতিকে, আৰম্ভণত 'শ্ৰীকৃষ্ণ' প্ৰণয়নৰ সাহিত্যিক-কাৰ্যত দ্ৰুতগতিৰে আগুৱাব পৰা নাছিলোঁ। মোৰ অপৰাপৰ সদৌ সাহিত্যিক-চৰ্চা এফলীয়াকৈ থৈ সমস্তদিন ব্যাপী খাটনিৰে কথমপি দিনে একো আধ্যা মাথোন লিখি উলিয়াব পাৰিছিলোঁ ; কোনো কোনো দীঘলীয়া আধ্যা সামৰোঁতে দুই-তিনি দিনকৈও লাগিছিল। এইদৰে গতি কৰি, যেতিয়া এই আদ্যলীলা ৰচনাৰ মাজমান পালোঁগৈ, তেতিয়া অযাচিতে মই মজি গলোঁ ; তাত মোৰ ৰাপ্ এনে দকৈ বহি গ'ল যে, পাছলৈ দিনে দহ ঘণ্টাকৈ একেৰাহে লিখিও মোৰ আমনি নালাগিছিল, ভাগৰ নালাগিছিল আৰু মই সেইবাবে পৰিশ্ৰান্ত বোধ নকৰিছিলোঁ। ফলিতাৰ্থত, 'শ্ৰীকৃষ্ণ' প্ৰণয়নৰ কাৰ্যে মোৰ দৈনিক সময়ৰ নিৰ্ঘণ্ট লৰাই পেলালে ; পুৱা ৯ বজাৰপৰা ১২ বজালৈ, আবেলি ৩ বজাৰপৰা ৬ বজালৈ আৰু ৰাতি ১০ বজাৰপৰা ২ বজালৈ মই 'শ্ৰীকৃষ্ণ' ৰচনাত মগ্ন থাকোঁ, তাৰ পাছৰপৰা পুৱা ৮ বজালৈকে ৭ ঘণ্টা শুই উঠি আকৌ সেই একে কামতে ধৰোঁ ; ২৪ ঘণ্টাৰ বাকী ৭ ঘণ্টা মাথোন খোৱা-লোৱা, ফুৰা-চকা, আলাপ-আলোচনাদি অপৰাপৰ দৈনিক কৰ্তব্য কামত নিয়োজিত হয়। এই সময়-নিৰ্ঘণ্টৰ পৰিবৰ্তনে মোক পাছে পাছলৈ সৰ্বসাধাৰণৰ ওচৰত অপ্ৰিয় কৰি পেলাইছিল ; এনেকি, কোনো কোনো মোৰ সহযোগী আৰু সহকৰ্মী দেশহিতৈষী দেশনেতাই সেইবাবে মোৰ বিৰুদ্ধে ৰাইজীয়া অভিযোগ আনিবলৈকো বাকী থোৱা নাছিল ; কিয়নো, সিবিলাকে

কোনো গুৰুতৰ ৰাজহুৱা বিষয়ৰ আলোচনা কৰিবলৈ মোক লগ ধৰিব নোৱাৰাত পৰিছিল। সেই অনুক্ৰমে একাগ্ৰপতীয়া মনোযোগেৰে অবিচলিত চিতেৰে লিখনীৰ গতি চলাই নি, পূৰা দুবছৰৰ মূৰত ১৮৫২ শকৰ শ্ৰীকৃষ্ণাষ্টমী মহাতিথিৰ তিথিৰ দিনা 'শ্ৰীকৃষ্ণ আত্মলীলা' খণ্ডৰ সামৰণি মাৰিলোঁ।

'শ্ৰীকৃষ্ণ' আত্মলীলা খণ্ড লিখি উলিয়াই মোৰ মনত এটা অসাধ্য সাধন কৰা যেন লাগিল; আৰু সেই সাধনা সিদ্ধিজনিত পৰম বিশুদ্ধ সুখৰ অনুভৱে মোক দিনদহেকমান হৰ্ষবিহ্বল কৰি পেলাইছিল। কিন্তু মনৰ সেই অৱস্থাক অতিচাৰকৈ প্ৰশ্ৰয় দিয়াটো অযুগুত জানি, অনতি-পলমে মই সেই হাতেলিখা পুঁথি লুটিয়াই চাই তাৰ সম্ভৱপৰ শুধৰণিত হাত দিলোঁ। সেই শুধৰণি সমাধানত তিনিমাহমান লাগিল। তাৰ পাছত ভাবি চালোঁ যে, এই নতুন ধৰণৰ পুথিখন পোহৰলৈ উলিওৱাৰ আগেয়ে তাৰ প্ৰতি জনমত আহ্বান কৰা উচিত; বিশেষতঃ এই পুথিৰ আলোচ্য বিষয় শ্ৰীকৃষ্ণ-চৰিত জগতৰ, বিশেষকৈ বৈষ্ণৱ জগতৰ উমৈহতীয়া সমল; ইয়াৰ প্ৰতি নানা পণ্ডিতে নানাভাৱে চায় আৰু ইয়াৰ ওপৰত নানা ঋষিৰ নানা মত। ময়ো গোবৰ্ধন গিৰিত প্ৰক্ষিপ্ত একো একো চপৰা প্ৰকাণ্ড অলৌকিক পাথৰ ভাঙি গুৰি কৰি নিজৰ মনোমতকৈ পিহি মোৰ ধাৰণা অনুযায়ীকৈ লৌকিকতাত যিভাৱে পৰিণত কৰা হৈছে, তাত নিশ্চয় ভালেমান হীন-ডেঢ়ি ঘটাৰ সম্ভৱ। গতিকে পোহৰলৈ উলিওৱাৰ পাছত, সম্ভৱপৰ দোষাদোষৰ বাবে ৰাইজৰ গৰিহণা খাই হতাশ হোৱাতকৈ আগধৰি তাৰ ওপৰত সমালোচনাৰ বিচনীৰ বা দিয়াই লোৱাটো বাঞ্ছনীয় বোধ কৰিলোঁ। সেই ভাবি, তদৰ্থে মনে মনে সমালোচক বিচাৰিবলৈ ধৰিলোঁ। ছপা পুথি হোৱা হ'লে, সেই সাময়িক আলোচনী আৰু বাতৰি কাক-তলৈ একোখন কিতাপ পঠিয়াই সেই উদ্দেশ্য সিদ্ধি কৰিব পৰা গ'লহেঁতেন; কিন্তু মোৰ বহু সাধনাৰ ফল সেই একেখন হাতে লিখা পুথি যাৰে তাৰে হাতলৈ পাৰ কৰাটো নিৰাপদ নেদেখিলোঁ। এইভাৱে কিছুমান দিন গুণা-গঁথা কৰি থকাৰ পাছত, মোৰ বিশ্বাসযোগ্য এজন সুযোগ্য সমালোচক বিচাৰি পালোঁগৈ,—তেওঁ আন নহয়, মোৰ প্ৰিয়তম সমনীয়া সহযোগী প্ৰত্নতাত্ত্বিক সাহিত্যিক পণ্ডিতপ্ৰবৰ ৺হেমচন্দ্ৰ গোস্বামী। মনত এই সিদ্ধান্ত উদয় হোৱা মাত্ৰকে 'শ্ৰীকৃষ্ণ' আত্মলীলা খণ্ডৰ বহী বন্ধা পুথিখন হাতে লিখা অৱস্থাতে গুৱাহাটীলৈ ডাকত ৰেজিষ্টাৰীকৈ অনতিপলমে বন্ধুবৰ ৺হেমচন্দ্ৰ গোস্বামীদেৱলৈ পঠিয়াই দিলোঁ। ৺গোসাঁইদেৱে পুথি-বহীটো পোৱামাত্ৰকে পৰম উলাহেৰে মোলৈ প্ৰাপ্তি-স্বীকাৰ পত্ৰোত্তৰ দি, পুথিখন সমালোচনা চকুৰে চাবলৈ আৰম্ভ কৰিলে; একেৰাহে তিনিমাহমান সূক্ষ্মদৃষ্টিৰে মনপাৰি পঢ়ি চাই, এই চমু মন্তব্যটিৰে সৈতে তেওঁ বহীটি মোলৈ ডাকত ওলোটাই পঠিয়ালে,—"প্ৰিয়তম গোহাঞিবৰুৱাদেৱ! আপোনাৰ সিদ্ধ হাতেৰে লিখা 'শ্ৰীকৃষ্ণ' গ্ৰন্থৰ আত্মলীলা খণ্ড আহি মোৰ হাতত পৰা দিনাৰেপৰা আজি তিনিমাহে একেৰাহে মনপাৰি পঢ়ি চাই পৰম প্ৰীতি লাভ কৰিলোঁ। পুথিখণ্ডৰ গুণাগুণৰ বিষয়ে হেঁপাহ পলুৱাই ক'বলৈ গ'লে সি বহুত হয়; চমুকৈ কওঁ, আপোনাৰ দ্বাৰাই প্ৰণীত এই 'শ্ৰীকৃষ্ণ' বৈষ্ণৱ সাহিত্যত এখন নতুন ধৰণৰ পুথি, ই অসমীয়া সাহিত্য-ভঁৰালত অমূল্য সমল আৰু আপোনাৰ সাহিত্যিক জীৱনৰ ই এটি যুগমীয়া কীৰ্তিস্তম্ভ

(monumental work)। আপোনাৰ 'শ্ৰীকৃষ্ণ'ত 'পুতনা-বধ', 'কালীয়-দমন', 'গোবৰ্দ্ধনধাৰণ' আদি কৃষ্ণ কাহিনীৰ গাৰপৰা আপুনি যিদৰে অলৌকিকতাৰ অলঙ্কাৰ খহাই লৌকিকতাৰ সাজ-পাৰ পিন্ধাইছে, সেইদৰে সেই অসম সাহসিক কাৰ্যত হাত দিবলৈ অদ্যাপি কোনো ভাষাত আন কোনো সাহিত্যিক-শিল্পীয়ে সাহ কৰিব পৰা নাই, অথচ সেই কাৰ্যত আপুনি বিশিষ্টভাৱে সিদ্ধহস্ত হৈছে। আত্মলীলাৰ দৰেই মধ্যলীলা আৰু অন্ত্যলীলা খণ্ডও সুগঠিত হৈ ওলোৱা দেখিবলৈ পাওঁ যেন, এই কামনা। জীয়াই থাকো যদি, আপুনি ইচ্ছা কৰিলে, সম্পূৰ্ণ 'শ্ৰীকৃষ্ণ' পাদত মোৰ ভূমিকা এখন পাৰি দিবলৈ বাঞ্ছা থাকিল। ইতি—শ্ৰীহেমচন্দ্ৰ গোস্বামী।" গোসাঁইদেৱৰ সৰল উদ্গনিসূচক সমিধান পাই পৰম পুলকিত হলোঁ। আৰু, ইয়াৰ পাছত ৺শ্ৰীমান লক্ষ্মীধৰ শৰ্মা, শ্ৰীমান ডিম্বেশ্বৰ নেওগ, শ্ৰীমান দণ্ডিনাথ কলিতা, শ্ৰীযুত (পাছত ৰায়বাহাদুৰ) দুৰ্গেশ্বৰ শৰ্মা, শ্ৰীমান (পাছত ৰায়বাহাদুৰ ডক্টৰ) সূৰ্যকুমাৰ ভূঞা, এইকেজন নবীন আৰু প্ৰবীণ সাহিত্যিকৰপৰাও মন্তব্য পোৱা গ'ল ; পূৰ্ববৰ্তী প্ৰবীণ সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ অভিমতেই সিবিলাকৰো অভিমত। ইমানকে সৰ্বসাধাৰণ জনমতৰ নিদৰ্শন বুলি মানি লৈ নিশ্চিন্ত হলোঁ। কিন্তু, অতি হৃদয় বিদাৰক বিষয়, 'শ্ৰীকৃষ্ণ'ৰ ভূমিকা লিখাৰ আগেয়েই ৺গোসাঁইদেৱৰ জীৱনী ভূমিকা লিখিবলগীয়া হ'ল !!

'শ্ৰীকৃষ্ণ' আত্মলীলা খণ্ডৰ প্ৰতি নবীন আৰু প্ৰবীণ সাহিত্যিকসকলৰ আদৰ আৰু অনুকূল অভিমত লাভ কৰি পৰম উলাহিত আৰু উৎসাহিত হলোঁ। সেই উৎসাহতে ভৰ দি পুথিখন অনতিপলমে ছপাই পোহৰলৈ উলিওৱা বিষয়ক চিন্তালোচনাত ধৰিলোঁ। সেই অৰ্থে পোনেই চিন্তা কৰি চালোঁ, ১৫/১৬ ফৰ্মাৰ সেই পুথিখন ডাঠ এন্টিক কাগজত সচিত্ৰকৈ ছপোৱাত অনুমান কিমান খৰচ পৰিব। মছাবিদা হিচাপ আঁচি দেখিলোঁ যে, ৰাইজৰ মনোৰঞ্জককৈ নতুন নতুন চিত্ৰেৰে চিত্ৰিতকৈ ছপালে তাকৰকৈও হাজাৰ বাৰশ টকা লাগিব। পিছে, চিন্তা লাগিল, হঠাৎ সিমান টকা মই ক'ত পাম! এই নিচিনা বাজে পুথি (পঢ়াশালিত নচলা কিতাপ) এখন চখত ছপাই উলিয়াবলৈ দুখীয়া অসমীয়া সাহিত্যিকৰ আৰ্থিক বল নাই! গতিকে, জাতীয় সাহিত্য হিতৈষী কোনো সদাশয় চহকী বা ধনীলোকৰ ওচৰত অৰ্থভিক্ষা নকৰিলে আন উপায় নাই। ইয়াকে ভাবি, পোন-প্ৰথমে সদৌ অসম সাহিত্য সভাৰ ওচৰত ভিক্ষাঞ্জলি পাতিলোঁ, যিহেতু সেই সময়ত অসম সাহিত্য-সভাই কেইবাখনো অসমীয়া নাটক, উপন্যাস আদি সভাৰ পুঁজিৰপৰা খৰচ কৰি ছপাই উলিয়াবলৈ কাম হাতত লৈছিল। সেই অৰ্থে, মই 'শ্ৰীকৃষ্ণ' আত্মলীলা পুথি-বহীখনি বুকুত বান্ধি লৈ, বহু দুখ-কষ্টেৰে যাত্ৰা কৰি নগাঁও টাউনত ৺ৰজনীকান্ত বৰদলৈদেৱৰ সভাপতিত্বত বহা অসম সাহিত্যিক সন্মিলনীৰ বৈঠকত উপস্থিত হলোঁগৈ। সেই বৈঠকৰ আলোচ্য বিষয়াৱলীৰ তালিকাত 'শ্ৰীকৃষ্ণ' ছপোৱা বিষয়ক আলোচনা ভুক্ত কৰাবলৈ নথৈ যত্ন কৰিলোঁ, কিন্তু সেই অন্তঃসাৰশূন্য কোঁপোলা বৈঠকৰ আলোচনাত সোমাবলৈ সি বাট নাপালে! গতিকে বিফল মনোৰথ হৈ উলটি আহিব লগাত পৰিলোঁ। সেই যাত্ৰাত, সেই নগঞা বৈঠকত অপৰাপৰ বিষয়ো বঁজা হোৱা দেখি হতাশ হ'ব লগাত পৰিছিলোঁহঁক। আনকি, সেই

**28 Wednesday** [241—125]

*Fus.*—11 Bhadrapada. *Sam.*—10 Bhadrapada (B.). *Mus.*—23 Rajab.
*Beng.*—12 Bhadra, *Dasami*, 5-41 *d.*

[illegible]

**29 Thursday** [242—124]

*Fus.*—12 Bhadrapada. *Sam.*—11 Bhadrapada (B.) *Mus.*—24 Rajab.
*Beng.*—13 Bhadra, *Ekadasi*, 5-8 *d.*

[illegible]

**30 Friday** [243—123]

*Fus.*—13 Bhadrapada. *Sam.*—12 Bhadrapada (B). *Mus.*—25 Rajab.
*Beng.*—14 Bhadra, *Dwadasi*, 4-6 *d.*

[illegible]

বিনীত,
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা,

From
Rai Bahadur Padmanath Gohain Barooah, M.R.A.S.
Special Literary Pensioner & Hon. Magistrate.

গোহাঞিবৰুৱাৰ ডায়েৰীৰ এখিলা পাত। তলত নিজৰ চহী

আলমত বহা আহোম এচোচিয়েশ্যনৰ অধিবেশন এটাও বঁজা পৰিছিল। তাৰ পাচত, সেই সময়ৰ থনদিয়েক টনকিয়াল কিতাপ-পুথি বেচা-কিনা প্ৰকাশ কৰা এজেঞ্চি বা ব্যৱসায়ীৰ লগত আলচ পাতি চালোঁ, কিন্তু সিবিলাকৰপৰাও কোনো আশ্বাস নাপালোঁ। তথাপি, মোৰ মন নাভাগিল। সদৌশেহত, মোৰ নিজ দীক্ষাগুৰুদেৱ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী আউনীআটীয় সত্ৰাধিকাৰ প্ৰভুৰ চৰণলৈ মুৰ দোঁৱালো। বৈষ্ণৱ সাহিত্যানুৰাগী কৃষ্ণপ্ৰাণ গোঁসাই ঈশ্বৰে এই ভক্ত শিষ্যৰ আশাশুধীয়া গোহাৰি শুদ্ধ-হৃষ্ট-সকৰুণ চিত্তেৰে গ্ৰহণ কৰিলে। দিনদহেকৰ মূৰত, 'শ্ৰীকৃষ্ণ' আগুলীলা খণ্ড ছপাই প্ৰকাশ কৰাৰ অৰ্থে, সত্ৰৰ মজিন্দাৰ শ্ৰীযুত প্ৰেমধৰ বৰুৱাদেৱৰ মাৰ্ফৎ নগদ ১০০০ এহেজাৰ টকা প্ৰভু-ঈশ্বৰে মোলৈ আশীৰ্বাদ দান দি পঠিয়াই মোক অসাধ্য সাধনত সহায় কৰিলে। মোৰ পৰম পূজনীয় দীক্ষাগুৰুদেৱ প্ৰভু ঈশ্বৰৰ এই আশাতীত আৰ্থিক আশীৰ্বাদ সভক্তিৰে শিৰপাতি লৈ পৰম পুলকিত প্ৰাণেৰে অনতিপলমে কলিকতাৰ মেছাৰ্চ সান্যাল কোম্পানীৰ "ভাৰত মিহিৰ" প্ৰেছত ছপাই প্ৰকাশ কৰিবৰ অৰ্থে 'শ্ৰীকৃষ্ণ' আগুলীলা খণ্ডৰ হাতে লিখা পুথি-বহীটো ৰেজেষ্টৰীকৈ ডাকত পঠিয়াই দিলোঁ। লগতে অতি উৎকৃষ্ট এন্টিক কাগজ কিনিবলৈ আৰু লাগতিয়াল ছবি গোটাচেৰেকৰ ব্লক প্ৰস্তুত কৰাবলৈ আগধন ৫০০ পাঁচশ টকা মণি অৰ্ডাৰকৈ পঠোৱা হ'ল; চুক্তি থাকিল, ছমাহৰ ভিতৰত পুথিখন ছপাই দিব লাগিব।

## 'শ্ৰীকৃষ্ণ' মধ্যলীলা খণ্ড

আগুলীলা খণ্ড ছপাই পোহৰলৈ উলিওৱাৰ অৰ্থে শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভু ঈশ্বৰৰ আৰ্থিক দান নিৰ্মালিয়ে মোৰ প্ৰাণত যি প্ৰেৰণাৰ সঞ্চাৰ কৰিলে, সেই প্ৰেৰণাৰ স্বাভাৱিক উত্তেজনাত উদ্দীপ্ত হৈ, মই একে উছাহতে 'শ্ৰীকৃষ্ণ মধ্যলীলা' প্ৰণয়নৰ অৰ্থে পৰম উলাহেৰে কাপ হাতত ললোঁ। এইখিনিৰেপৰা 'শ্ৰীকৃষ্ণ' প্ৰণয়নত মোৰ মানসিক আৰু শাৰীৰিক পৰিশ্ৰম দুগুণকৈ চৰি উঠিল; যিহেতু, ইফালে 'মধ্যলীলা' খণ্ডৰ লিখাকাৰ্য চলি থাকোতেই সিফালৰপৰা 'আগুলীলা' খণ্ডৰ 'প্ৰুফ' বা ছপাৰ আহি-তোলা কাকত আহি পৰে, গতিকে সেই একে সময়তে সমান্তৰালভাৱে লিখা আৰু প্ৰুফ চোৱা দুয়োবিধ কাৰ্য দিনে-ৰাতিয়ে দ্ৰুত গতিৰে আগুৱাব লগাত পৰোঁ। ফলিতাৰ্থত, 'শ্ৰীকৃষ্ণ' প্ৰণয়ন কাৰ্য চন্তালনত মই দৈনিক দহ ঘণ্টাৰ ঠাইত বাৰ ঘণ্টাকৈ, ওপৰঞ্চি দুঘণ্টা কঠোৰ পৰিশ্ৰম কৰিব লগাত পৰিলোঁ। এই অনুক্ৰমে, অতিচাৰকৈ নেৰানেপেৰা শ্ৰম কৰাৰ ফলত, মোৰ স্বাস্থ্য ক্ৰমাৎ পৰি যোৱা যেন গম পালোঁ। কিন্তু শাৰীৰিক সবলতা পৰি যোৱাৰ লগে লগে মানসিক প্ৰখৰতা চৰি উঠাটোহে অনুভৱত বুজিব পাৰিলোঁ। তদুপৰি, গাৰ গতি যি কি নহওক, মনৰ গতি ঠমাবলৈ মই অসাধ্য মানিলোঁ; মনৰ অদম্য প্ৰেৰণাই মোক গাৰ ফালে আওকণীয়া কৰি দ্ৰুততৰ গতিৰে আগুৱাই নিবলৈ ধৰিলে।

'শ্ৰীকৃষ্ণ মধ্যলীলা' প্ৰণয়ন কাৰ্য আগুৱাই নি মাজমান পাওঁতেই ইফালে 'শ্ৰীকৃষ্ণ আগু-লীলা' খণ্ড ছপা হৈ ওলাল। ওলোৱামাত্ৰকে পোন্-প্ৰথমে এই আগুলীলা খণ্ডৰ দুখন পুথি

মোৰ নিজ দীক্ষাগুৰু, 'শ্ৰীকৃষ্ণ' পোহৰলৈ উলিওৱাৰ মূলত হেজাৰটকীয়া আৰ্থিক সাহায্য দানৰ দাতা, আৰু প্ৰকাশক শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী আউনীআটীয় সত্ৰাধিকাৰ প্ৰভুৰ দুখানি চৰণত পৰম সন্তৰ্পণে অৰ্পণ কৰিলোঁ। তাৰ পাছত, 'সদৌ অসম সাহিত্য সভা', শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা, শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী জমিদাৰ, শ্ৰীযুত বেণুধৰ ৰাজখোৱা, শ্ৰীযুত দেবেশ্বৰ চলিহা প্ৰভৃতি সাহিত্যিক নেতাবৰ্গ লৈ আৰু সেই সাময়িক অসমীয়া আলোচনী আৰু বাতৰি কাকতবোৰলৈ একোখন 'শ্ৰীকৃষ্ণ' উপহাৰ পঠোৱা হ'ল। সিবিলাকে পুথিখন মন পাৰি পঢ়ি চাই, নিজ নিজ অভিমতে সৈতে মোলৈ যিবোৰ শলাগ পত্ৰ পঠিয়ালে, সেইবোৰে মোক আৰু এচিপ্ ওপৰলৈ উলাহিত আৰু উৎসাহিত কৰিলে। সেইবোৰ সমুদায় তুলি দিবলৈ গ'লে বহুত হয়, গতিকে তাৰে খনদিয়েকৰ চমু টোকা মাথোন তলত তুলি দিয়া গ'ল ঃ

(১) **শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ আশীৰ্বাদ ঃ** "...শ্ৰীকৃষ্ণ আত্মলীলা খণ্ড পাই সন্তোষ পোৱা হ'ল! ...এই বহুমূলীয়া পুথিৰ বাকী কেইখণ্ডও যেন সোনকালে পোহৰলৈ ওলায়, এই আশীৰ্বাদ।"

(২) **'অসম সাহিত্য সভা-পত্ৰিকা' ঃ** "...অসমীয়া সাহিত্যৰ গুৰিয়াল, সাহিত্যিক পেঞ্চনাৰ, ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা প্ৰণীত 'শ্ৰীকৃষ্ণ' গ্ৰন্থই যে অসমীয়া সাহিত্যক এটি লাগতিয়াল অলঙ্কাৰস্বৰূপে সুশোভিত কৰিছে তাক কোৱা বাহুল্য মাথোন। ভগৱান শ্ৰীকৃষ্ণৰ মানৱ জীৱনী সঙ্কলন কৰা যাৰে-তাৰে কাম নহয় ; বৰ্তমান সাহিত্য ক্ষেত্ৰত শ্ৰীযুত গোহাঞিবৰুৱাতকৈ যোগ্যতৰ লোক এই কাৰ্যৰ কাৰণে বিৰল। ...আউনীআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে 'শ্ৰীকৃষ্ণ' প্ৰকাশৰ বাব লৈ, গুণীয়ে গুণৰ সমাদৰ কৰাৰ পৰিচয় দিছে। ...'শ্ৰীকৃষ্ণ'ৰ ভাষা বিতোপন ; এনে ভাষা আৰু বাক্যবিন্যাসৰ সংযোগ গোহাঞি-বৰুৱাৰপৰা নাপালে অসমীয়াই আৰু কাৰপৰা আশা কৰিব? ...বুৰঞ্জীৰ ভেঁটিত শ্ৰীকৃষ্ণক থিয় কৰাত গ্ৰন্থকাৰ কৃতকাৰ্য হৈছে। সকলোৱে জনা কথাকে সুনিপুণভাৱে বৰ্ণনা কৰাত লিখকে কৃতিত্ব লাভ কৰিছে। পুৰাণাদিত বৰ্ণিত চিত্ৰবিলাকৰ অলৌকিকতা ভাঙি লৌকিক আখ্যা দিব পৰা যেই সেই লিখকৰ কাম নহয়। শ্ৰীকৃষ্ণ ভক্ত শ্ৰীযুক্ত গোহাঞিবৰুৱাই গোবৰ্ধন ধাৰণৰ নিচিনা আখ্যানৰ লৌকিক আখ্যাৰে সৈতে শ্ৰীকৃষ্ণক ঐতিহাসিক অস্তিত্ব দি, ভগৱান শ্ৰীকৃষ্ণৰ ভক্তসকলে ঢুকি পোৱাকৈ ভক্তি কৰিবলৈ নিশ্চয় স্বাভাৱিক উপায় দিলে ; এনে ব্যাখ্যা দি গোহাঞিবৰুৱাই কেৱল ভগৱন্তৰ অস্তিত্বৰ প্ৰমাণ কৰিছে,—ইও তেখেতৰ ভক্তিৰ জোখ প্ৰকাশ কৰিছে মাথোন।"

(৩) **'আৱাহন' ঃ** "ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা প্ৰণীত 'শ্ৰীকৃষ্ণ'। শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ গোস্বামীৰ দ্বাৰাই প্ৰকাশিত। অসম সাহিত্য-ভঁৰালত এনে ধৰণৰ কিতাপ এয়ে প্ৰথম। লিখকে শ্ৰীকৃষ্ণ-চৰিত্ৰ সম্বন্ধে নানা পুথি-গ্ৰন্থৰপৰা সমল গোটাই এই অমূল্য গ্ৰন্থ ৰাইজৰ আগত দাঙি ধৰিছে। এই কিতাপৰ প্ৰধান উদ্দেশ্য শ্ৰীকৃষ্ণক বুৰঞ্জীৰ ভেঁটিত আসন দিয়া। গ্ৰন্থকাৰে সেই অৰ্থে অকল ভাগৱত পুৰাণাদি আৰু আধুনিক ভাৰতীয় গ্ৰন্থাদিৰ আশ্ৰয় লৈছে এনে নহয়, পৰন্তু পাশ্চাত্য ঋষিসকলৰ বিৰুদ্ধ মতবিলাকো বিশেষকৈ

আলোচনা কৰি তেওঁৰ সপক্ষে প্ৰমাণস্বৰূপ থিয় কৰিছে ; তেওঁ নিঃসন্দেহে প্ৰমাণ কৰিছে, শ্ৰীকৃষ্ণ-চৰিত উপন্যাস বা উপাখ্যান নহয়, ই প্ৰকৃত আখ্যান। ধ্যানৰসিক প্ৰবীণ সাহিত্যিক গোহাঞিবৰুৱাৰ সুচিন্তিত আৰু সুশৃঙ্খলিত লিখা-ভঙ্গিমাৰ বিষয়ে অসমৰ শিক্ষিত সমাজক নকৈ চিনাকি দিবৰ আৱশ্যক নকৰে।"

(৪) **চেচন জজ ৰায়বাহাদুৰ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা বি-এল :** " 'শ্ৰীকৃষ্ণ' সম্বন্ধে আমাৰ ভাষাত কোনো প্ৰণালীবদ্ধ কিতাপ নাই। সাহিত্যিক পেঞ্চনাৰ ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াই যেনেকৈ সৰল ভাব আৰু প্ৰাঞ্জল ভাষাৰে পৈণত বয়সত অনেক তথ্য আৰু সমালোচনাৰে ঠাহ খুৱাই, সকলো অধিকাৰীয়ে উপভোগ কৰিব পৰাকৈ এই ভাগৱত কাহিনী প্ৰণয়ন কৰি প্ৰচাৰ কৰিছে, তাৰপৰা আমাৰ সমাজৰ, বিশেষকৈ আমাৰ ভাষা আৰু সাহিত্যৰ কিমান যে সম্পদ বাঢ়িছে তাক কৈ মই অন্ত কৰিব নোৱাৰিম। গোহাঞিবৰুৱাৰ ভাষা আৰু ৰচনা-কৌশল তেখেতৰ নিজা সম্পত্তি, সি অনুকৰণৰ অতীত। আমি অনেকে অসমীয়া লিখোঁ, কিন্তু গোহাঞিবৰুৱাৰ মৌ-বৰষা কাপৰপৰা ওলোৱা ৰঞ্জিতা খোৱা বচন-বিন্যাসেৰে অসমীয়া ভাষাত ৰচনা কৰিব পৰা কাপ দ্বিতীয় নাই। গোহাঞি-বৰুৱাই যেনেকৈ এহাতে পাণ্ডিত্য দেখুৱাই, ইহাতে অতি ভক্তিভাৱে এই কৃষ্ণ-কাহিনী ৰচনা কৰিছে তাৰপৰা যদি আমাৰ সমাজত আৰু প্ৰত্যেকৰ অন্তৰত ভগৱান শ্ৰীকৃষ্ণৰ 'পৰংভাব' অলপো জাগ্ৰত হয়, তেও আমাৰ হৃদয় বহল হ'ব, জ্ঞান ওখ হ'ব, বিজ্ঞান ফুলি পৰিব আৰু জীৱন মধুময় হ'ব, বাদ-বিসংবাদ নিলগ হ'ব।"

(৫) **ত্ৰয়োদশ সদৌ অসম সাহিত্যিক সন্মিলনীৰ সভাপতি শ্ৰীযুত নগেন্দ্ৰ-নাৰায়ণ চৌধুৰী জমিদাৰ :** "শ্ৰদ্ধেয় ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াই তেখেতৰ প্ৰণীত 'শ্ৰীকৃষ্ণ' ওলগ-সম্ভাৰস্বৰূপে পঠিওৱা পুথিখনি সন্মিলনীৰ আগত দাঙি ধৰিবলৈ পাই পৰম সন্তোষ পাইছোহঁক। 'শ্ৰীকৃষ্ণ' গোহাঞিবৰুৱাৰ আজীৱন সাহিত্য সাধনাৰ চিনস্বৰূপ এই পকা বৃদ্ধ বয়সত অসমবাসীলৈ এৰি থৈ যোৱা এটি মহা দান। 'শ্ৰীকৃষ্ণ'ৰ ভাব, ভাষা আৰু ৰচনা অতুলনীয় হৈছে ; ই অসমীয়া সাহিত্য মন্দিৰত এপাহি অপূৰ্ব পাৰিজাত ফুলৰূপে সম্পদ সোমাল। আমাৰ বিশ্বাস, শ্ৰীকৃষ্ণই অসমৰ গৌৰৱ সাহিত্যৰ গৰ্ভটি সুদৃঢ় কৰি অসমীয়া সাহিত্যৰ ভঁৰাল আশাতীতৰূপে চহকী কৰিছে।"

সেই আলমতে সদৌ অসম সাহিত্যিক সন্মিলনীৰ নিৰ্দেশ অনুসৰি, সদৌ অসম সাহিত্য সভাই শ্ৰীকৃষ্ণ মধ্যলীলা খণ্ড ছপাবৰ কাৰণে উপযাচি ২৫০৲ টকা মোলৈ অৰ্থ-সাহায্য-দান মণি-অৰ্ডাৰকৈ পঠিয়ালে।

সদৌ অসম সাহিত্য সভাৰ দান ২৫০৲ আঢ়ৈশ টকা আৰু ইতিমধ্যত 'শ্ৰীকৃষ্ণ' আগলীলা বিক্ৰী কৰি পোৱা ধনৰপৰা ২৫০৲ আঢ়ৈশ টকাৰে সৈতে মুঠ ৫০০৲ পাঁচশ টকা কাগজৰ কাৰণে আগধনেৰে সৈতে কলিকতাৰ 'ভাৰত মিহিৰ' প্ৰেছত 'শ্ৰীকৃষ্ণ' মধ্যলীলা খণ্ড পৰম উল্লাহেৰে ছপাবলৈ পঠিয়ালোঁ। ফলতঃ 'শ্ৰীকৃষ্ণ' প্ৰণয়নত মোৰ মানসিক আৰু শাৰীৰিক পৰিশ্ৰম দুগুণতকৈও চৰিবলৈ ধৰিলে, কিয়নো, ইফালে মধ্যলীলা খণ্ডৰ শেহছোৱাৰ নতুন ৰচনা চলি

থাকোতেই তাৰ আগছোৱাৰ ছপা কাৰ্যৰ প্ৰুফ আহি পৰে; গতিকে একে সময়তে দুহাতে দুবিধ কামত ধৰাৰ নিচিনা হয়। যি হওক, সেইভাৱেই লিখা আৰু ছপা কাৰ্য দ্ৰুতগতিৰে চলাই নি, মধ্যলীলা খণ্ড লিখাৰ সামৰণি মাৰি উঠি, তাৰ ছপা কাৰ্য চাৰিভাগৰ তিনিভাগ চলাই নিছোঁ, এনেতে 'হাৰ্ণিয়া' নামে এটা নতুন ব্যাধিয়ে সাংঘাতিকৰূপে মোক পোতকামাৰি ধৰাত সেই চলিত কাৰ্য হঠাতেই ৰহিত হ'বলগীয়া হ'ল !

## হাৰ্ণিয়া নৰিয়া

ইং ১৯১৭ চনৰপৰাই তেজপুৰত মই অনৰেৰী মেজিষ্ট্ৰেট। সপ্তাহত দুদিনকৈ মোৰ আদালত বহে। 'শ্ৰীকৃষ্ণ' প্ৰণয়নৰ কালত সেই মেজিষ্ট্ৰেটিৰ ১৪ চৈধ্য বছৰীয়া ভৰ-বয়স। 'শ্ৰীকৃষ্ণ' মধ্যলীলা খণ্ডৰ ৰচনা শেষ কৰি, তাৰ ছপা কাৰ্য শেষ কৰিবলৈ চাৰি ভাগৰ এভাগ মাথোন বাকী থাকোতে, ইং ১৯৩১ চনৰ ৪ মেই তাৰিখে, সোমবাৰে, কাছাৰিত দুটামান জঞ্জলীয়া শকত মোকৰ্দমাৰ সোধ সামৰি আবেলি ৪ মান বজাত ঘৰলৈ উলটি আহি থাকোতে বাটতে জেইল কম্পাউণ্ডৰ পূব-দক্ষিণ কোণৰ কেঁকুৰি আলি খণ্ড ঘূৰোঁতে হঠাতে মোৰ তলপেটত এটা চিৰিঙ্গতিপৰা বিষ উঠি মোক অচল কৰি তললৈ ভিৰাই নিলে, মই খোজকাঢ়ি আগ বঢ়াহে নালাগে পোন্ হৈ ৰব নোৱাৰা হলোঁ। বাটত আগা-পিছাকৈ কেও নাই। মই অকলশৰীয়াকৈ তাতে পৰি নগৈ টানি মানি কুঁজাকুঁজকৈ আৰু অলপ মাথোন দূৰৈত ঘৰ পাবলৈ বুলি ধাউতি মেলি আগুৱাইছোঁ, এনেতে হোৰস কৰে পেটৰপৰা হাৰ্ণিয়া নাড়ী-ভুক ওলাই অহাত অণ্ডকোষৰ মোনা ফিন্দথাই পৰিল। মই ধূৰঁলি-কুঁৱলি দেখিলোঁ। তথাপি, সেই অৱস্থাৰেই চুঁচৰি অহা দি আহি ঘৰ পাই হেলনীয়া বিশ্ৰামী মাচিয়াত ঢৰাই-মৰাই চিতখাই পৰি মূৰ্ছা যোৱাৰ নিচিনা হলোঁ। ভিতৰৰপৰা আৰ্তৰাৱ কাঢ়ি ভাৰ্যা-পুত্ৰ-কন্যাদি সপৰিয়ালে আহি উবুৰিখাই পৰি ক্ৰন্দনৰ কোঢ়াল লগাই দিলে। চুবুৰীয়াও জনচেৰেক চাপিলহি। 'বন্তি' প্ৰেছৰ প্ৰিণ্টাৰ শ্ৰীমান ভদৰামে উধাতুখাই গৈ টাউনৰ ডাক্তৰ আটাই-কেইজনক খবৰ দিলেগৈ। পোৱাঘণ্টামানৰ ভিতৰত ডাক্তৰ সুৰেন্দ্ৰনাথ সেন প্ৰমুখ্যে টাউনৰ ডাক্তৰ চাৰিজন উপস্থিত হ'লহি। সিবিলাকে মোক ডাংদোলাকৈ নি বিছনাত শুৱাই ল'লেগৈ। তাৰ পাছত, এজন এজনকৈ চাৰিওজনে হাতৰ মোহাৰণি আৰু হেঁচনিৰে হাৰ্ণিয়া হেঁচি ভিতৰ সুমুৱাবলৈ পাৰ্যমানে যত্ন কৰি চালে, কিন্তু সকলো বিফল হ'ল। টনটননি বিষত মোৰ প্ৰাণ যায় যায়! ডাক্তৰকেজন বিমোৰ! এনেতে কাছাৰিৰপৰা হাকিম, মুক্তিপ, উকীল, আমোলাসকল আহি ঘৰ ভৰি পৰিলহি। অপৰাপৰ লোকজন চাপি 'পদ্মকুটীৰ'ৰ টোল ভৰি পৰিলহি। মই মানুহ চিনিব নোৱাৰা হলোঁ, মাথোন মোক বিছনাত বেৰি বহা ৺মনোমোহন লাহিড়ী ৰায়বাহাদুৰ, বৰহাকিম মৌলবী ফুকন আলি খানবাহাদুৰ, ৺আনন্দচন্দ্ৰ আগৰৱালা ৰায়বাহাদুৰ, শ্ৰীযুত ৰবীন্দ্ৰৰাম খাউণ্ড মুক্তিপ প্ৰমুখ্যে কেজনমানৰ চিন্তাযুক্ত ম্লান মুখ মণিব পাৰিছিলোঁ। তাৰ পাছত, মোক ক্লোৰফৰ্ম দি লৈ, ডাক্তৰ-কেজনে আকৌ পাৰেমানে চেষ্টা কৰি চালে হাৰ্ণিয়া হেঁচি মোহাৰি বহুৱাবলৈ, কিন্তু

এইবাৰো বিফল হোৱাত সকলোটি হতাশ হ'ল। এনে অৱস্থাত ডাক্তৰকেজন আৰু শ্ৰীযুত খাউণ্ড মুক্ষিপ প্ৰমুখ্যে উপস্থিত ডেকা বন্ধুবৰ্গৰ পৰামৰ্শৰ ফলত মোক আস্পতাললৈ নি তাত 'অপাৰেচন' বা অস্ত্ৰ-চিকিৎসা কৰোৱাটো স্থিৰ হ'ল ; আৰু নিবলৈ ৰায়বাহাদুৰ আগৰৱালাৰ মটৰ গাড়ীখন অনাই সাজু কৰা হ'ল। কিন্তু, ওপৰত নাম লোৱা ৰায়বাহাদুৰ আৰু খান-বাহাদুৰ বুঢ়া তিনিজন সেই প্ৰস্তাৱত কোনোমতেই মান্তি নহ'ল। সেই সময়ত চিভিল চাৰ্জন আৰু ডেপুটী কমিশ্যনাৰ মফচলত। ইনচাৰ্জ ডেপুটী কমিশ্যনাৰ হিচাপে খানবাহাদুৰ ফুকন আলি চাহাবে চিভিল চাৰ্জন কৰ্ণেল ৰিচি চাহাবলৈ জৰুৰী (urgent) টেলিগ্ৰাম দিলে তুৰন্তে আহিবৰ কাৰণে। তেতিয়া চিভিল চাৰ্জন কৰ্ণেল ৰিচি চাহাব মঙলদৈত। মোৰ সমনীয়া বুঢ়া বন্ধু তিনিজনৰ যুক্তিমতে দিয়া reply prepaid urgent telegram-ৰ উত্তৰত চিভিল চাৰ্জন চাহাবে মঙলদৈৰপৰা ৮ বজাত এইবুলি বিজুলী-বাতৰি (telegraphic reply) দিলে,—"just starting expect Tezpur before 12"। দহ বজাত এই উত্তৰ পাই সিবিলাক এফেৰি আশ্বাসত নিশ্চিন্ত হোৱা দেখিলোঁ, কিন্তু মোৰ প্ৰাণান্তক বিষে শাম নাকাটিলে। তাৰ পাছত, ডাক্তৰ সুৰেন সেনৰে সৈতে ৰায়বাহাদুৰ আগৰৱালাক মোৰ ওচৰত পৰ দিবলৈ বুলি থৈ, ৰায়বাহাদুৰ লাহিড়ী আৰু খানবাহাদুৰ ফুকন আলি চাহাব ভাত খাই আহিবলৈ বুলি ঘৰলৈ গ'ল ; এছিছটেন্ট চাৰ্জন শ্ৰীমান দিবাকৰ হাজৰিকা ডাক্তৰ চাহাবৰ বঙলাত কৰ্ণেল ৰিচিৰ প্ৰত্যাগমনলৈ অপেক্ষা কৰি বহিলগৈ। এই ব্যৱস্থাত মৃত্যুমুখী মই চাটিফুটিকৈ দুঘণ্টামান পৰি আছোঁ, এনেতে ১২ বাৰমান বজাত কৰ্ণেল ৰিচি ডাক্তৰ চাহাব আহি মোৰ নৰিয়া বিছনাৰ কাষত উপস্থিত। মই বেহুঁচ, মানুহ চিনিব নোৱাৰোঁ, তথাপি কৰ্ণেল ৰিচিৰ মুখৰ চিনাকি মাত আষাৰি মোৰ কাণত আশ্বাসবাণী প্ৰৱেশিল। কৰ্ণেলে মোৰ মুখলৈ চাই থিয়ৈ থিয়ৈ সম্বোধন কৰিলে, "How do you feel Mr. Borooah ?" মই অতি কাতৰি উত্তৰ দিলোঁ, "Thank you colonel, I am dying !" তেওঁ ততালিকে প্ৰত্যুত্তৰ দিলে, "Oh no, don't you be despired, I am just restoring you to normal position." এইবুলি বহি তেওঁ জেপৰপৰা পাউডাৰ এপুৰীয়া উলিয়াই নিজৰ হাতৰ তলুৱাত ঘঁহি লৈ, ধীৰে-শাঁতে হাৰ্ণিয়াই ফিন্দখুৱাই থোৱা অণ্ডকোষ মোহাৰিবলৈ ধৰিলে আৰু মাজে মাজে লাহে লাহে একোহেঁচা দি হাৰ্ণিয়া ভিতৰ সুমুৱাবলৈ সুকৌশলেৰে যত্ন কৰিলে। সেইদৰে পোৱাঘণ্টামান মালিচ কৰাৰ ফলত, অলপ অলপকৈ বিষে শাম কটা যেন মই অনুভৱ কৰিছোঁ, এনেতে তলপেটৰপৰা কাঁউট্ কৰে এটা শবদ ওলাল আৰু তাৰ লগে লগে হাৰ্ণিয়া পেৰ্পেৰ্ কৰে ভিতৰ সোমাবলৈ ধৰিলে ; কৰ্ণেল ৰিচিয়ে আনন্দত এই বুলি চিঞৰ মাৰি উঠিলে, "Well, Doctor Suren, I am successful !" ডাক্তৰ সুৰেন সেন প্ৰমুখ্যে আনকেজন ডাক্তৰেও আনন্দত কিৰিলি মাৰি উঠিল, বুঢ়া বন্ধু তিনিগৰাকী প্ৰমুখ্যে পৰ-দিয়া ডেকাসকলো উলাহত উধাও হ'ল, গোটেই ঘৰোৱাহৰে মুখত সকাহৰ পানী আহিল। হাৰ্ণিয়া বহি যোৱামাত্ৰকে মই আৰোগ্য বোধ কৰি নতুন জীৱন পোৱাদি পালোঁ। অন্তৰত উপচি পৰা কৃতজ্ঞতা ভাব বৈ পৰা দুধাৰি চকুলোৰে মই কৰ্ণেল ৰিচি চাহাবৰ মুখলৈ

থৰ্‌লাগি চাবলৈ ধৰিলোঁ, তেখেতেও আনন্দত উচ্ছলি অহা চলচলীয়া চকুৰে মোৰ মুখলৈ চাই ৰ' লাগিল। অহ, সেইক্ষণত দুইৰো চাৰি চকুৰ মিলন! কি যে সুবিমল সুমিলন জ্ঞাপক সেই দৃষ্টি! আজিকোপতি মোৰ সোঁৱৰণীত সেই অমিয় দৃষ্টি ফট্‌ফটীয়া হৈ ৰৈছে, জীৱন্তে ফট্‌ফটীয়া হৈ ৰ'ব, নমৰোঁমানে নাপাহৰোঁ!

মৰাৰপৰা জীয়াই লৈ, চিভিল চাৰ্জন, এছিছটেণ্ট চাৰ্জন আৰু আনকেজন ডাক্তৰে সযতনে বেণ্ডেজ কৰি, মোক চিৎকৈ শুৱাই থৈ, পৰৱৰ্তী চিকিৎসা বিষয়ক আলোচনা কৰিবলৈ ধৰিলে। সদৌশেহত, ডাক্তৰ সুৰেন সেনক পৰীয়া থৈ, চিভিল চাৰ্জন আৰু আনকেজন ডাক্তৰ শেহ ৰাতিটোলৈ বুলি ঘৰাঘৰি গ'ল। যাবৰ বেলিকা কৰ্ণেল ৰিচিয়ে এইবুলি আদেশ উপদেশ দি গ'ল, "ৰোগী ঠিক এই ভাজেই পৰি থাকিব লাগিব, ইকাটি-সিকাটি হ'বলৈ দিব নালাগে; আমি কাইলৈ পুৱাতে আকৌ চাপি যি হয় পৰৱৰ্তী ব্যৱস্থাৰ দিহা কৰিমহিঁক।" সেই অনুসাৰে, পিছদিনা পুৱা ৮ বজাত ডাক্তৰসকল চাপি আলোচনাত বহিল। সিবিলাকে অতি সাৱধানে বেণ্ডেজ মেলি চাই দেখিলে যে, কাপোৰৰ বেণ্ডেজে ৰখাব নোৱাৰিব, বহিলেই হাৰ্ণিয়া পুনঃ বাহিৰ হোৱাৰ ভয়; 'ট্ৰাষ্ট' নিপিন্ধালে নহ'ব; গতিকে শ্ৰীমান ললিত ডাক্তৰে ততালিকে বজাৰ-দোকানত বিচাৰি গুটীয়া ট্ৰাষ্ট এটা কিনি আনিলেগৈ। সেই ট্ৰাষ্ট লগোৱাত দেখা গ'ল যে, সি ভাল গুণ দিয়াৰ সম্ভাৱনা নাই; কিয়নো, একে লগতে সোঁ-ফালেও কৰঙনৰ চুকত আৰু এটা হাৰ্ণিয়া উঠি অহাৰ চিন দেখা যায়, ইফালৰ হেঁচাত সিফালৰ হাৰ্ণিয়া ভোঁহৰি ওলোৱাৰ আশঙ্কা, অথচ স্থানীয় দোকানত যুৰীয়া ট্ৰাষ্ট পাবলৈকো নাই। গতিকে, চিভিল চাৰ্জনৰ সিদ্ধান্ত মতে, অনতিপলমে কলিকতাৰপৰা এটা যুৰীয়া অত্যুত্তম ট্ৰাষ্ট অনোৱাটো স্থিৰ হ'ল; আৰু তদৰ্থে হাৰ্ণিয়াৰ ওপৰেদি নি কঁকালৰ ঘোৰা মেৰাই ঠিক্‌ঠাক্ জোখ-মাখ লৈ কৰ্ণেল ৰিচি চাহাবৰ দিহামতে ডাক্তৰ সুৰেন সেনে ডবল হাৰ্ণিয়া প্ৰতিবন্ধক এটা যুৰীয়া ট্ৰাষ্টৰ কাৰণে তেতিয়াই টেলিগ্ৰাফিক অৰ্ডাৰ কলিকতীয়া কোম্পানী এটালৈ পঠিয়ালে। যাবৰ সময়ত চিভিল চাৰ্জন চাহাবে আদেশ দি গ'ল যে, কলিকতাৰপৰা ট্ৰাষ্ট নাপায়হি মানে ৰোগীৰ position লৰচৰ হ'ব নোৱাৰে, একে ভাঁজেই চিৎ হৈ পৰি থাকিব লাগিব। সেই আদেশ অনুসৰি যুৰীয়া ট্ৰাষ্টৰ প্ৰতীক্ষাত মই শোৱাপাটীতে পৰি থাকিবলগীয়া হ'ল; মাথোন দিনৌ পুৱা ডাক্তৰ সুৰেন সেন আহি শৌচাচাৰাদি কৰাই দি বেণ্ডেজ পৰীক্ষা কৰি যাওঁতে অলপ-অচৰপ লৰচৰ হ'বলৈ পাওঁ।

একেভাঁজে একেথৰে একেৰাহে বিছনাতে মই চিৎ হৈ পৰি থকা এপষৰ মূৰত কলিকতাৰ পৰা সেই যুৰীয়া ট্ৰাষ্ট ভিঃ পিঃ ডাকত তেজপুৰ পালেহি। ডাক্তৰ সুৰেন সেনে আমাৰ ঘৰৰ পৰা ডেৰকুৰি টকা লৈ গৈ, পাৰ্চেল ডেলিভাৰি লৈ, চিভিল চাৰ্জন কৰ্ণেল ৰিচি চাহাবৰে সৈতে আহি দুয়ো ধৰি-মেলি অতি যতনেৰে বেণ্ডেজ মেলি আগৰ গুটীয়া ট্ৰাষ্ট গুচাই নতুন যুৰীয়া ট্ৰাষ্ট মোক পিন্ধাই দিলে। ট্ৰাষ্টটিয়ে ঠিকঠাক্‌কৈ যথা ঠাইত কাপ্‌থাই ধৰিলে। দেখি, ডাক্তৰ-সকলৰ মনত ৰং আৰু মোৰ অন্তৰত সাহসৰ সঞ্চাৰ হ'ল। সদৌশেহত, ডাক্তৰসকল ঘৰাঘৰি হোৱাৰ আগতে চিভিল চাৰ্জন কৰ্ণেল ৰিচি চাহাবে এইবুলি টানি আদেশ দি গ'ল,—"এই

সাংঘাতিক হাৰ্ণিয়া ব্যাধি উৎকট্ মানসিক শ্ৰমৰ অৱশ্যম্ভাৱী ফল মাথোন। মই জানোঁ, ইয়াৰ আগলৈকে ৰোগীয়ে কিভাৱে কি পৰিমাণে সাহিত্যিক-চৰ্চাত (literary work) লেলেটীয়াকৈ লাগি কঠোৰ মানসিক শ্ৰম কৰিছিল। সেইটো তেওঁৰ অন্তৰত এটা স্বাভাৱিক ৰাগী বহিছিল; তাৰ নিচাৰপৰা তেওঁ অব্যাহতি ল'ব লাগিব, অন্ততঃ উপস্থিত মাৰাত্মক ব্যাধিয়ে সম্পূৰ্ণে শাম নাকাটে মানে সকলোবিধৰ টান লিখা-পঢ়া সাহিত্যিক-চৰ্চাৰপৰা বিৰত ৰবলৈ মই তেওঁক টানি আদেশ দিওঁ। যাতে অন্যথা নহয়, তদৰ্থে আমি ডাক্তৰ সুৰেন সেনক সেই দায়িত্বৰ ভাৰ দিলোঁহঁক।" এই শেষ সিদ্ধান্ত দি ডাক্তৰসকল ঘৰাঘৰি হ'ল। তাৰ পাছত, ডাক্তৰ সুৰেন সেনে চোৰাংকৈ ছেগ ধৰি সততে মোৰ সাহিত্যিক চৰ্চাৰ বিষয়ে আলেখলেখ বুজি যায়হি। যি হওক, সেই আসন্ন অৱস্থাৰপৰা ৰক্ষা পৰিলোঁ, কিন্তু এই আপচু ব্যাধিয়ে মোক জীৱনৰ বাকী ছোৱালৈ ঘুণীয়া কৰিলে; আজিকোপতি মই ট্ৰাষ্ট নিপিন্ধাকৈ টোলৰ বাজ হ'বলৈ অক্ষম!

মই উভয় সঙ্কটৰ দোমোজাত পৰিলোঁ। জীৱন-তৰীত ভেলাভাহী হৈ মই ইকাটি হ'লেও মৰোঁ, সিকাটি হ'লেও বুৰোঁ! ডাক্তৰৰ আদেশ নামানিলেও নহয়, সাহিত্যিক-চৰ্চাৰ প্ৰেৰণাত ভাহি নগৈও নোৱাৰোঁ! বিশেষকৈ 'শ্ৰীকৃষ্ণ' মধ্যলীলা খণ্ডৰ বাকী থকা চাৰিভাগৰ এভাগ মাথোন ছপোৱাই পুথিখণ্ড পোহৰলৈ উলিয়াব নোৱাৰি মই ৰ'ব নোৱাৰাত পৰিলোঁ। গতিকে অগত্যা মোৰ প্ৰিয়ছাত্ৰ আৰু সাহিত্যিক অনুগামী শ্ৰীমান দণ্ডিনাথ কলিতা বোপাৰ সাহায্য ল'ব লগাত পৰিলোঁ; তেওঁ ছপাৰ আৰ্হি-তোলা কাকতত প্ৰথম 'প্ৰুফ' চাই দিয়েহি, মই দ্বিতীয় বা 'প্ৰিন্ট অৰ্ডাৰ প্ৰুফ' চোৰাংকৈ চাই 'ফাইনেল কৰেকচন' কৰি কলিকতাৰ প্ৰেছত ছপাবলৈ পঠিয়াওঁ। এই অনুক্ৰমে ছপাকাৰ্য আগুৱাই তিনিমাহমানৰ মুৰত 'শ্ৰীকৃষ্ণ মধ্যলীলা' পুথিখণ্ড সম্পূৰ্ণকৈ ছপোৱাই পোহৰলৈ উলিয়াই এফেৰি সকাহ পালোঁ। 'মধ্যলীলা' খণ্ড ওলোৱা মাত্ৰকে 'আদ্যলীলা' খণ্ডৰ 'অৰ্ডাৰ'ৰ লগতে তিনিও খণ্ডলৈ বুলি 'অৰ্ডাৰ' দি থোৱা গ্ৰাহকসকললৈ একোখন পৰম উলাহেৰে ভিঃ পিঃ ডাকত পঠোৱা হ'ল। তাৰ পাছত, অসমীয়া আলোচনী আৰু বাতৰি-কাকতৰ সম্পাদকসকল আৰু বছা বছা কেজনমান বিশিষ্ট সাহিত্যিক আৰু পৰম পূজনীয় শ্ৰীশ্ৰীআউনীআটীৰ অধিকাৰ গোস্বামী প্ৰভুলৈ একোখন 'শ্ৰীকৃষ্ণ মধ্যলীলা' প্ৰীতি উপহাৰ পঠোৱা হ'ল। পঠোৱা পুথি খণ্ড পাই, গ্ৰাহক-পাঠক সকলোৱেই একবাক্যে অশেষ প্ৰশংসা কৰি মোৰ শলাগ ল'লে; এই আলমতে 'শ্ৰীকৃষ্ণ অন্ত্যলীলা' খণ্ড উলিয়াবলৈকো সদৌ অসম সাহিত্য সভাই আকৌ ২৫০ টকা দানৰ প্ৰতিশ্ৰুতি দিলে, কিন্তু দুখৰ বিষয়, সি কাৰ্যত নফলিয়ালে।

## 'শ্ৰীকৃষ্ণ' অন্ত্যলীলা খণ্ড

বোলে, "সীতালৈ চালেও মৰোঁ, ৰামলৈ চালেও ডৰোঁ", সীতাৰ বনবাস প্ৰতিপাদনৰ বেলা লক্ষ্মণ উভয় সঙ্কটত পৰাৰ দৰে, মই আকৌ পাৰ-নোপোৱা মহা সঙ্কটত পৰিলোঁ। 'অন্ত্যলীলা' খণ্ড লিখি উলিয়াই 'শ্ৰীকৃষ্ণ' সম্পূৰ্ণ কৰিবলৈ ভিতৰি প্ৰাণৰ অদম্য প্ৰেৰণাত ডেইপুৰি মৰোঁ, বাহিৰে বেজজ্ঞানী ডাক্তৰৰ মানাহিলৈ মনত পৰিলেও ডৰোঁ! নিজৰ গাৰ অৱস্থালৈ চালেও

কোঁচ খাই পৰোঁ। এইবোৰ সঙ্কটৰ মহাসমস্যাত পৰি মই 'কিংকৰ্তব্যবিমূঢ়' হ'লো। এইভাৱেই মাহদিয়েক মনৰ অশান্তিত পাৰ হ'ল। দেখিলোঁ, আন্তৰিক প্ৰেৰণাই আনবোৰ সদৌ সঙ্কটক চেৰ পেলাই মোক উত্ৰাৱল কৰি তুলিছে। আৰু ৰ'ব নোৱাৰিলোঁ, মৰণত শৰণ দি, 'শ্ৰীকৃষ্ণ অন্ত্যলীলা' খণ্ড প্ৰণয়নৰ অৰ্থে মৰোঁজীওঁকৈ কাপ হাতত ললোঁ। কোৱা বাহুল্য মাথোন, এই কাৰ্যত মই চোৰৰ বৃত্তি অৱলম্বন কৰিব লগাত পৰিছিলোঁ। তদৰ্থে, দিনত বাহিৰত, সাহিত্যিক-চৰ্চা আৰু লিখা-পঢ়া কৰা অফিচ কুঠৰী এৰি, ভিতৰত শোৱা কোঠাত গুপুতকৈ 'শ্ৰীকৃষ্ণ' ৰচনাৰ কাম চলাবলৈ ধৰিলোঁ। কিন্তু সিমানতো চোৰাংচোৱাৰ চোকা দৃষ্টিৰপৰা সাৰিব নোৱাৰিলোঁ, এদিন মোৰ গা-চোৱা ডাক্তৰ সুৰেন সেনে হাতে-হাতে ধৰা পেলালেহি। ধৰা পেলাই তেওঁ দুখিত হৈ আৰু বিস্ময় মানি মোক ককৰ্থনাৰ বুজনিৰে বিস্তৰ বকিলে, মই ধৰা পৰি তলমূৰ কৰিলোঁ। তাৰ পাছত, মোৰ প্ৰাণৰ প্ৰেৰণা মাৰ নিওৱাটো অসম্ভৱ যেন দেখি, তেওঁ অগত্যা এটা দৈনিক বন্ধা-সময় বান্ধি দি গ'ল। ডাক্তৰৰ সেই আদেশ-উপদেশ অনুসৰি, মই পুৱাবেলা ৮ বজাৰপৰা ১১ বজালৈ তিনি ঘণ্টা, আবেলি ৩ বজাৰপৰা ৫ বজালৈকে দুঘণ্টাকৈ দিনত মুঠ ৫ ঘণ্টা, ৰাতি সন্ধিয়া ভুৰণৰ পাছৰপৰা ১২ বজাৰ ভিতৰ মুঠেই দুঘণ্টা, এই সেই সদৌমুলি দৈনিক সৰ্বমুঠ ৭ সাত ঘণ্টা মাথোন সাহিত্যিক-চৰ্চাত খটাবলৈ মই নিয়ম লগাই ললোঁ ; ইয়াৰ দ্বাৰাই ইতিপূৰ্বৰ ১২ ঘণ্টাৰ ঠাইত ৭ ঘণ্টা কৰি মুঠৰ ওপৰত ৫ পাঁচ ঘণ্টা ৰেহাই দিয়া গ'ল। কিন্তু, ৰাতি ১২ বজাৰ পাছত কাচিতো কামত নধৰিবলৈ ডাক্তৰৰ টান আদেশ।

গা-চোৱা ডাক্তৰৰ আদেশ-উপদেশ শিৰোধাৰ্য কৰি মই আকৌ আগৰ উলাহেৰে 'শ্ৰীকৃষ্ণ অন্ত্যলীলা' খণ্ড প্ৰণয়নৰ কামত একাণপতীয়াকৈ লাগি ৰলোঁ। 'অন্ত্যলীলা' কেইআধ্যামান আগুৱাইয়েই 'গীতা-সৃষ্টি' আধ্যা পালোঁগৈ। এইখিনিতে উনুকিয়াই থৈ যাবৰ আৱশ্যক হৈছে যে, 'শ্ৰীকৃষ্ণ' ৰচনাৰ আদিৰেপৰা ইমানলৈকে মোৰ জীৱনত ভালেমান সোঁৱৰণীৰ লেখত উঠিবলগীয়া ঘটনা ঘটিছিল, সেইবোৰৰ ঘাই-ঘাই কিছুমানৰ বিবৃতি ইয়াৰ পাছত লিপিবদ্ধ কৰা যাব, তাৰো ভিতৰত বিয়োগ-বেদনা গোটাচেৰেক ঘাই, যিবোৰ উপস্থিত 'গীতা-সৃষ্টি' আধ্যা ওখনিয়াই লৈ তাক পুনৰপি সমান কৰি লৈ, মৰণা-মাৰি দেখুৱালে। এই আলমতে আৰু সেই ছেগতে গীতা-আধ্যা লিখা সমাপ্ত হোৱা মাত্ৰকে সেই আধ্যা বা অংশটো বিতংকৈ লৈ, 'শ্ৰীকৃষ্ণ'ৰ সেইছোৱা 'গীতাসাৰ' নামে ছপাই এখন সুকীয়া পুথি প্ৰচাৰ কৰিলোঁ, যাতে ইয়াৰ দ্বাৰাই মোৰ দৰেই জনসাধাৰণে প্ৰিয়জন আৰু আত্মীয়-বিয়োগ-সন্তাপ শাম কটাবলৈ এটি আপুৰুগীয়া মহৌষধি পান কৰিবলৈ সুচল ঘটে।

## 'গীতাসাৰ'

সুকীয়াকৈ পুথিৰ আকাৰে প্ৰচাৰিত হোৱা মাত্ৰকে 'গীতাসাৰ'-এ চাৰিওকালৰপৰা গ্ৰাহক-পাঠক আকৰ্ষণ কৰিলে ; আৰু এই পুথিৰ বিক্ৰী-কাটন আশাতীতৰূপে বাঢ়িবলৈ ধৰিলে, বছৰেকৰ ভিতৰতে প্ৰথম তাঙৰণৰ সমুদায় কিতাপ অন্ত হ'ল। বাস্তৱতে, মোৰ ৰচিত,

গণীত, প্রচাৰিত আন কোনো এখন পুথিয়ে এনেদৰে লাভ ধৰি উৎসাহ দিয়া নাই। আৰু, স্বৰূপাৰ্থত, এই লাভেই মোক 'শ্ৰীকৃষ্ণ'ৰ অন্ত্যলীলা খণ্ড পোহৰলৈ উলিয়াবলৈ একেৰি সাৰুৱা আৰ্থিক বল দান কৰে।

'গীতাসাৰ' সাহিত্যিক সমাজৰো আদৃত হোৱাত, মোৰ মনে আৰু একেৰি উচৈ পাই অন্ত্যলীলা প্ৰণয়নত মোক উদ্গনি দিলে। সাহিত্যিক-পাঠক ভালেমানৰপৰা ভূৰি ভূৰি প্ৰশংসা-পত্ৰ মোৰ সাহিত্যিক-চৰ্চাৰ কাকতৰ টোপোলাই নধৰা হৈছিল; তাৰ ভিতৰৰ কেখনমান তুলি দিয়া গ'ল; যেনে—

(১) **সহযোগী সমনীয়া সাহিত্যিক ৺লক্ষ্মীনাথ বেজবৰুৱাৰ অভিমত:** "ৰায়-বাহাদুৰ গোহাঞিবৰুৱাৰ 'গীতাসাৰ' পঢ়ি বৰ সুখ পালোঁ। কিতাপখনত গীতাৰ সাৰ কথাবোৰ সংগ্ৰহ কৰি সকলোৰে আগত যোগোৱা হৈছে। গোহাঞিবৰুৱাৰ এইটি মউ-চাক্। অসমীয়াই ইয়াৰপৰা আনন্দেৰে মৌ পান কৰক। গোহাঞিবৰুৱা 'শ্ৰীকৃষ্ণ' কিতাপ প্ৰণেতা। এইবাৰ শ্ৰীকৃষ্ণৰ মুখৰ বাণী গীতাৰ সাৰ গোটাই তেওঁ 'গীতাসাৰ' ৰচনা কৰিছে। ইয়াৰ ওপৰত আৰু একো নাই। 'সুবুদ্ধিসকলে সন্তোষে পান কৰক।' গোহাঞিবৰুৱাৰ ভাষা বিতোপন; পাঠ সুশোভন; ব্যাখ্যা সুগম; প্ৰণালী সুঠাম। অসমীয়া সাহিত্য ভঁৰাললৈ ই এটি মহৎ দান।"

(২) **ভগবদ্ভক্ত বৈষ্ণৱ সাহিত্যিক ৰায়বাহাদুৰ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা, বি-এল ডেপুটী কমিশ্যনাৰৰ অভিমত:** "পৰম শ্ৰদ্ধাস্পদেষু! গীতাৰ বিষয়ে বহুতে বহুতভাৱে আলোচনা কৰিছে, কিন্তু আপোনাৰ 'গীতাসাৰ' খনিৰ এটা বিশেষত্ব আছে। গীতা পদ্মনাভৰ মুখে ওলোৱা কথা। আপুনিও সকলোখিনি কথা শ্ৰীকৃষ্ণৰ নিজ মুখৰ কথাকেই ৰাখি, কেৱল কথাৰ পংক্তিবিলাক যোৰা দিবলৈ আপোনাৰ নিজ কথাৰে যিডালি জৰি লগাই সাঙুৰি দিছে, তেনে জৰি আৰু অইন আলোচনাৰ ভিতৰত দেখা নাই। আপুনি ভক্ত, ভক্তিভাৱেৰে গীতাৰ ওচৰ চাপিছে; আৰু ভগৱানে আপোনাকে সফলতা দান কৰিছে। এনেকুৱা তত্ত্বকথাৰ সাহিত্য আমাক আৰু লাগে,—যেন বঞ্চিত নকৰে।"

(৩) **অসমীয়া 'দৈনিক বাতৰি' কাকতৰ মন্তব্য:** "ৰায়বাহাদুৰ গোহাঞিবৰুৱা ডাঙৰীয়াই 'শ্ৰীকৃষ্ণ চৰিত'ৰ উপসংহাৰস্বৰূপে 'গীতাসাৰ' প্ৰচাৰ নকৰা হ'লে, তেখেতৰ 'শ্ৰীকৃষ্ণ' অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন। গোহাঞিবৰুৱা ডাঙৰীয়াৰ অনুগ্ৰহত মূল গীতা নজনাকৈয়ে অসমীয়া ভাষাৰ জৰিয়তে গীতাৰ ভাব ৰাজ্যত প্ৰৱেশ কৰিব পৰা হ'ল। গোহাঞিবৰুৱাৰ ৰচনা-নীতিৰ অসমীয়া ৰাইজক ক'ব লাগিছেনে? আমি আটায়ে অসমীয়া লিখিবলৈ কাপ ধৰিছোঁহঁক; কিন্তু গোহাঞিবৰুৱাৰ গন্থই যিদৰে পঢ়ুৱৈৰ মন লগে লগে লৰুৱাই নিব পাৰে, তেনেকুৱা ৰজিতাখোৱা ৰচনা নাই বুলিলেই হয়। ছপা, কাগজ আৰু বন্ধা চাই, বাহিৰেও পুথিখনি চকুত লগা হৈছে। অসমীয়া মানুহে গীতাৰ শিক্ষা লভিবলৈ ডক্টৰ এনী বেচণ্টৰ ইংৰাজী অনুবাদ কিম্বা আন কোনো ভাষাৰ অনুবাদ পঢ়িব নালাগে আৰু।"

(৪) **অসমীয়া 'আৱাহন' আলোচনীৰ মন্তব্য:** "আজীৱন সাহিত্যসেৱী গোহাঞি-বৰুৱা অসমীয়া সাহিত্য-ক্ষেত্ৰত দ্ৰোণাচাৰ্য। ৮৫ বছৰীয়া বুঢ়া দ্ৰোণে ১৬ বছৰীয়া চেঙেৰা

ডেকাৰ দৰে ধনুত আকর্ণ টঙ্কাৰ দি ঘূৰি ফুৰিছিল ; বৃদ্ধবয়সতো আমাৰ সাহিত্যাচার্য গোহাঞিবৰুৱাৰ লিখনি যুৱকৰ হাতত চলা দি পূর্ণ উদ্যমে চলিব লাগিছে। গোহাঞিবৰুৱাৰ 'গীতাসাৰ' তেখেতে 'শ্ৰীকৃষ্ণ দত্ত মহৌষধি' পান কৰাৰ ফল। গোহাঞিবৰুৱা কৃষ্ণভক্ত ; তেখেতে ভক্তি চকুৰে গীতাক প্ৰধানকৈ চাইছে। সকলো ভক্তই 'গীতাসাৰ' পান কৰি সোৱাদ পাব। এই ভগৱন্ত-সম্ভাৰে আমাৰ অসমীয়া সাহিত্যৰ শৰাই বিশেষকৈ শোভন কৰিছে।"

'গীতাসাৰ' ৰচনাৰ আঁতিগুৰি হৈছে, মোৰ দুটি অতি চেনেহৰ ভাগিন সন্দিকৈ তনয়দ্বয়ৰ (ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ আৰু মোৰ প্ৰাণপ্ৰতিম নুমলীয়া সহোদৰা ভনী ৺নাৰায়ণী আইদেউৰ মাজিউ আৰু নুমলী পুত্ৰ) অকাল মৃত্যু দুৰ্ঘটনা ; আৰু অনুবৰ্তী দুটা দুৰ্ঘটনা, মোৰ দুটি চফল ডেকা তৃতীয় আৰু দ্বিতীয় আদৰৰ জোঁৱাই ৺ৰোহিণীকান্ত হাতীবৰুৱা, বি-এ, এম-এল-এ, আৰু ৺হৰিনাথ গগৈ বি-এল উকীলৰ অভাবনীয় অকাল বিয়োগ। ভাগিন দুটিৰ আকস্মিক মৃত্যুৰ বিষয়ে ইতিপূৰ্বতে 'সোঁৱৰণী'ৰ যথা ঠাইত লিপিবদ্ধ কৰা হৈছে। কাললৈ উঠি অহা সেই চেমনীয়া ভাগিন দুটি (৺চন্দ্ৰকান্ত সন্দিকৈ, এম-এ, আৰু ইন্দ্ৰকান্ত সন্দিকৈ, আই-এ ছাত্ৰ) এপষৰ মাথোন অন্তৰত 'টাইফয়ড্' বা সন্নিপাত জ্বৰত পৰি হঠাতে ঢুকুৱাত মই বিনা-মেঘে বজ্ৰাঘাত পোৱাদি পাই থৰ্‌মৰ্ খাই পৰিলোঁ। মোৰ শোক-বিহ্বলতাৰ উপৰি, মৃতকৰ অতি চেনেহৰ পিতৃ-মাতৃ উল্লিখিত দম্পতীৰ দুৰ্ভাগ্যৰ পৰিমাণ অনুমান কৰি সেই ভাবনাত তল গলোঁ ! এনেকুৱা প্ৰাণান্তক দুৰ্ঘটনাত পৰি সন্তাপীয়ে সন্তপ্তক কি বুজনি দিম ! তথাপি সন্তাপহাৰী কৃষ্ণদত্ত মহৌষধি 'গীতা-পাঠ' পান কৰিবলৈ মই নিজেও নিবিষ্টচিত্ত হলোঁ, সন্তপ্ত জনক-জননীলৈকো মোৰ এই আন্তৰিক বুজনি-উপদেশ লিখি পঠিয়ালোঁ। সেই আপাহতে, 'গীতাসাৰ' পোহৰলৈ উলিয়াই সেই সন্তপ্ত দম্পতী, মোৰ অতি আদৰৰ বৈনাই ৰায়বাহাদুৰ সন্দিকৈ আৰু অতি চেনেহৰ নুমলীয়া ভনী ৺নাৰায়ণী সন্দিকৈৰনীৰ (সোণফেৰি আইদেউ) নামে উছৰ্গা কৰা হ'ল।

'গীতাসাৰ' মহৌষধি পান কৰি সন্তপ্ত সন্দিকৈ দম্পতীয়ে শোকত এফেৰি সকাহ বোধ কৰিলে। ফলত ৺সোণফেৰি আইদেৱে কৃতজ্ঞ চিত্তেৰে 'গীতাসাৰ' ছপোৱা খৰচত যোগ দিবলৈ বুলি ২০০্ দুশ টকা উপ্‌যাচি প্ৰতিদান পঠিয়ালে। এই প্ৰতিদান যথাসময়ত পোৱাত ই বিশেষ গুণ দিলে ; যিহেতু, ইতিমধ্যত 'গীতাসাৰ'ৰ বিক্ৰী ধনৰ লগত এই দান যোগ দি, পুথিখন ছপোৱাৰ খৰচৰ বাবে কলিকতীয়া প্ৰেছক দিবলগীয়া দেনা উচলকৈ পৰিশোধ কৰা গ'ল। আৰু, তাৰ পাছতো 'গীতাসাৰ' পুথিৰ বিক্ৰী ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে ; আৰু তাৰপৰা উৎপন হোৱা ধনেৰে 'শ্ৰীকৃষ্ণ'ৰ অন্ত্যলীলা খণ্ড ছপাবলৈ আৰম্ভ কৰাই দিলোঁ।

'শ্ৰীকৃষ্ণ' অন্ত্যলীলা খণ্ড যি অংশ লিখা হৈছিল, সেইখিনি প্ৰেছলৈ পঠিয়াই, মই আকৌ দুহতীয়াকৈ দুগুণ শ্ৰম কৰিব লগাত পৰিলোঁ ; এহাতে পুথিৰ নতুন অংশ লিখোঁ, ইহাতে কলিকতাৰ 'প্ৰুফ' বা আহিতোলা কাকত আহি পালেই তাৰ 'কৰেকচন' বা সংশোধনত ধৰোঁ। এই অনুক্ৰমে, অন্ত্যলীলা খণ্ডৰ লিখা আৰু ছপা কাৰ্য সমান্তৰালভাৱে চলাবলৈ ধৰিলোঁ। মনৰ ধাউতিত গালৈ মন কৰা নাই যদিও, সেই অতিচাৰ-খাটনিৰ ফলত মোৰ ভগা স্বাস্থ্য ক্ৰমাৎ

বিদাৰিবলৈ ধৰিলে ; হাঁপিয়া ব্যাধিৰ উপৰি মেলেৰীয়া জ্বৰে শৰীৰত বাহ ল'লে। পুৰা-গধূলি নিতৌ উমি-উমি জ্বৰত কেঁকাই-গেঁথাই পৰোঁ, আবেলি আৰু আগৰাতি হাতৰ সাহিত্যিক খাটনিত ধৰোঁ। তদুপৰি, শ্ৰীকৃষ্ণ অন্ত্যলীলা খণ্ডৰ ৰচনা আন্ত আৰু মধ্যলীলা দুখণ্ডকৈ কঠিনতৰ আৰু গভীৰতৰ চিন্তালোচনা সাপেক্ষ বোধ হ'ল ; গতিকে, ইয়াৰ গতি আগৰ দৰে আগুৱাব নোৱাৰাত পৰিলোঁ,—মনৰ গতি আগবাঢ়ি যায়, হাতৰ কাম পিছ পৰি ৰয়, এনে হ'বলৈ ধৰিলে।

শ্ৰীকৃষ্ণ চৰিতত প্ৰোথিত অলৌকিকতা উচ্ছেদ কৰি তাৰ ঠাই লৌকিকতাৰে সৈতে পূৰ্ণ কৰাটোও মোৰ 'শ্ৰীকৃষ্ণ' ৰচনাৰ অন্যতম লক্ষ্য। কিন্তু, আন্তলীলা আৰু মধ্যলীলাৰ অলৌকিকতাৰ দৰে অন্ত্যলীলাৰ অলৌকিকতা কোমল আৰু সৰল নহয় ; অন্ত্যৰ অলৌকিকতা অতি কঠিন আৰু জটিল, ইয়াক সহজে ভাঙিব নোৱাৰি। আগৰ দোছোৱাত দৈহিক আৰু শেহৰ-ছোৱাত আধ্যাত্মিক ভাৱৰ সমাবেশ। গতিকে, অন্ত্যছোৱাৰ ভালেমান গূঢ়তম অলৌকিকতা ওফৰাব নোৱাৰি, তাৰে কিছুমান সেইভাগেই এৰি তৎপ্ৰতি সভক্তিৰে মূৰ দোঁৱাব লগাত পৰিলোঁ। গীতা ব্যাখ্যাৰ যি যি অংশত আধ্যাত্মিক তত্ত্বৰ অলৌকিকতাই অৰ্জুন হেন বিজ্ঞতম মহামানৱক অবাক কৰিছিল, সেই অংশৰ সেই অলৌকিকতাৰ ঠাই ল'ব পৰা লৌকিকতা আমাৰ নিচিনা ক্ষুদ্ৰ মানৱৰ সংকীৰ্ণ অন্তৰে আয়ত্ত কৰিব নোৱাৰে। জৰা নামক ব্যাধক জৰা ব্যাধি নাম দি থোৱাটোও এটা সুকীয়া মনোবলৰ কথা ; এই বিষয়ত 'নানা ঋষিৰ নানা মত' হোৱাটো অসম্ভৱ নহয়। ৰাম-কৃষ্ণৰ স্বৰ্গপ্ৰয়াণৰ অসাধাৰণ ব্যৱস্থাতো অলৌকিকতাৰ অধিকাৰ অলপীয়া নহয়। ধৰ্মৰাজ্য সংস্থাপনৰ অৰ্থে 'যদুবংশ ধ্বংস' সাধনৰ মূলত মহামানৱ বিৰাট পুৰুষ শ্ৰীকৃষ্ণ স্বয়ং কাৰণ হোৱা অসামান্য আধ্যাত্মিক ৰহস্যযুত বিষয়তো অলৌকিকতাৰ প্ৰাধান্য চুই কৰিব নোৱাৰি। আত্মসংযমৰ মূলাধাৰ, আত্ম-প্ৰেৰণাৰ অদ্ভুত পটন্তৰ, চিত্ত-স্থিৰতাৰে সমাধিস্থ হৈ ইচ্ছামৃত্যু সংঘটন কৰা ৰাম-কৃষ্ণৰ মৰ্ত্যলীলাত যি অলৌকিকতা বিৰাজ-মান, তাত লৌকিকতাৰ ৰহণ লগোৱাটো অস্বাভাৱিক। ইত্যাদি গূঢ়তম বিষয়ক গভীৰতম চিন্তালোচনাৰ ফলত শাৰীৰিক অসুস্থতাৰ উপৰি মোৰ মানসিক দুৰ্বলতাৰ লক্ষণ অবাৰিত-ভাৱে লক্ষিত হ'বলৈ ধৰিলে। এনে অৱস্থাত মই বিমোৰ হলোঁ, এৰিবও নোৱাৰি, ধৰিবলৈকো শক্তিৰ নাটনি! মোৰ স্বাস্থ্যৰ এই অবনতিলৈ লক্ষ্য কৰি, বেজজ্ঞানী, বন্ধু-বান্ধৱ, আত্মীয়-কুটুম্বাদিয়ে মোক হাতৰ সাহিত্যিক কাৰ্যৰ উৎকট্ পৰিশ্ৰমৰপৰা ক্ষান্ত হ'বলৈ পৰামৰ্শ দি সেই কাৰ্যালোচনা সাম্প্ৰতিকভাৱে পৰিহাৰ কৰিবলৈ টানি অনুৰোধ কৰিলে। কিন্তু, সেই মুৰামুৰ্খিৰ ঘোৰ আসন্নক্ষণত সিবিলাকৰ সেই সদুপদেশ আৰু সাদৰী অনুৰোধ ৰক্ষা কৰিবলৈ অক্ষম হৈ মই এইবুলি কাতৰি সমিধান দিলোঁ যে, মোৰ বৰ্তমান মহাব্ৰত 'শ্ৰীকৃষ্ণ' প্ৰণয়ন সমাপন পিছ পেলাই, জীৱন ধাৰণ ব্ৰত আগ কৰাটো মোৰ পক্ষে অসম্ভৱ হৈ উঠিছে ; জীয়াই থাকোতেই মৰণত শৰণ দি এই মহৎ সাধনা সিদ্ধি কৰি নল'লে, সি অসিদ্ধ হৈয়ে ৰ'ব ; মোৰ অবিহনে কোনোৱে সেই কাৰ্য হাতত ল'লেও মোৰ মনোমতকৈ তাৰ সামৰণি নপৰিব। বিশেষতঃ, বিগত সুদীৰ্ঘকাল অহোপুৰুষাৰ্থ কৰি 'শ্ৰীকৃষ্ণ' তিনি খণ্ডৰ প্ৰথম আৰু দ্বিতীয় ছোৱাৰ প্ৰণয়ন

সমাপন কৰি, তৃতীয় ছোৱাৰো তিনিভাগ চন্ত্ৰাল্লি লোৱাৰ পাছত এই এফেৰিমান এক-তৃতীয়াংশ বাকী পেলাই থোৱাটো যুগুত বিবেচনা নকৰোঁ। এতেকে, মৰোঁজীওঁকৈ হাতৰ কাম আগুৱাই নি, মোৰ সাধনাৰ সিদ্ধি সম্পূৰ্ণ কৰিবলৈ মই দৃঢ়প্ৰতিজ্ঞ, এই প্ৰতিজ্ঞাৰপৰা মোক একোৱে বিচলিত কৰিব নোৱাৰে। হাতে-কামে লাগি থাকোতেই জীৱন অন্ত হওক তাকো মানো, কিন্তু জীৱন্ত অৱস্থাত 'শ্ৰীকৃষ্ণ' প্ৰণয়ন কাৰ্য অসম্পূৰ্ণ কৈ এৰিবলৈ মনে নামানে। এই ভীষ্ম প্ৰতিজ্ঞাৰে মৰকামোৰ দি ধৰি, আৰু তিনিমহীয়া লেকাট্ লগা উৎকট্ পৰিশ্ৰমৰ ফলত 'শ্ৰীকৃষ্ণ'ৰ অন্ত্যলীলা খণ্ডৰ ৰচনা সমাপন কৰি উঠি, আশাতীত সকাহ অনুভৱ কৰিলোঁ, মোৰ মূৰৰপৰা গোৱৰ্ধন গিৰি যেন কৰ্তব্যৰ বলে নোৱাৰা গধুৰ বোজাৰ পাচিটো নমাই আগত থৈ মহাভাগৰৰ নিশ্বাস সঘনে সলাবলৈ ধৰিলোঁ। তাৰ পাছত, দুহতীয়া কাম এহতীয়াকৈ টুটাই ধৰি, আৰু তিনি মাহৰ মূৰত, বাকীছোৱাৰো ছপা কাৰ্য শেষ কৰাই উঠি, অন্ত্যলীলা পুথি খণ্ড পোহৰলৈ উলিয়াই লৈ অনুপম শান্তি উপভোগ কৰিবলৈ ধৰিলোঁ, 'শ্ৰীকৃষ্ণ' প্ৰণয়নৰ সাধনাত যথাৰ্থতকৈ সিদ্ধি লাভ কৰি এফেৰি নিশ্চিত হলোঁ।

সংকল্প সুমৰণ আৰু পৰিতাপ : 'শ্ৰীকৃষ্ণ' সম্পূৰ্ণ হ'ল, কিন্তু মোৰ সংকল্প অসম্পূৰ্ণ হৈয়ে ৰ'ল। আৰম্ভণতে মই সংকল্প লৈ ওলাইছিলোঁ 'শ্ৰীৰাম-চৰিত', 'শ্ৰীকৃষ্ণ-চৰিত', 'মহম্মদ-চৰিত', 'বুদ্ধ-চৰিত' আৰু 'যীশু-চৰিত' এই চাৰিখন চৰিতাৱলী প্ৰণয়ন কৰিম বুলি। কিন্তু অতি পৰিতাপৰ বিষয়, ইমানতে মোৰ দৈহিক আৰু মানসিক শক্তিয়ে বল দিব নোৱাৰা হ'ল, 'শ্ৰীকৃষ্ণ' ৰচনাই মোৰ স্বাস্থ্য মষিমূৰকৈ ভাঙিলে। গতিকে, সেই সংকল্প কাৰ্যত ফলিয়াবলৈ অপাৰগ হৈ, আন্তৰিক পৰিতাপৰ পোৰণিত মই আকৌ অথিৰ হৈ পৰিলোঁ। মনে টানিলেও গাই নাটানে। 'শ্ৰীকৃষ্ণ' ৰচনাত প্ৰাণৰ প্ৰেৰণাই যি অলজ্ঘ্য বিঘিনি লঙ্ঘন কৰাই হাতে-কামে মোক আগুৱাই নিছিল, উপস্থিত স্বাস্থ্যৰ শিথিলতা ঠেলিবলৈ প্ৰেৰণাৰ সেই বল নোহোৱাত পৰিল। মূৰৰপৰা উলিখিতি বোজাৰ পাচিটো নমাই লওঁতেই ভাগৰে-এলাহে হেঁচি ধৰি মোক বিবশ কৰি পেলালে। পুনঃ মূৰ দাঙিবলৈ পুনঃ পুনঃ প্ৰয়াস পায়ো বিফল হওঁ। এই ছেগতে, মোক আগতে আক্ৰমণ কৰা মেলেৰীয়া জ্বৰে বিষমকৈ পীড়িবলৈ ধৰিলে। কামত লাগি থাকোতে যি জ্বৰ জাপত সোমাই বৈছিল, কামৰ বিৰতিত সন্ধি পাই সেই জ্বৰে নতুন কামলৈ বাট ভেটি ধৰিলে। তথাপি, দুৰাকাঙ্ক্ষাৰ প্ৰেৰণাত মৰসাহ দি সংকল্পিত শ্ৰীৰাম-চৰিত ৰচনাৰ ৰামায়ণ আগত লৈ, তাৰ জকা আঁচিবলৈ ধৰিছিলোঁ ; কিন্তু অলৌকিকতাক লৌকিক কৰা মোৰ মুখ্য লক্ষ্যৰ আগত 'দশমুণ্ড কুৰিহস্ত' ৰাৱণৰ ভয়ঙ্কৰ মূৰ্তিৰ নিচিনা কিছুমান পৰ্বতাকাৰ প্ৰকাণ্ড প্ৰতিবন্ধক শিলে ভেটা দি ধৰিলে, যি শিল ভাঙি পিহি মহী কৰি লৈ কাপ তিয়াবলৈ শ্ৰীকৃষ্ণ-চৰিত্ৰত প্ৰোথিত অলৌকিকতা-শিল ভঙাতকৈও টান যেন পালোঁ ; উপস্থিত স্বাস্থ্য দুৰ্বলতাত সেই দুঃসাধ্য সাধনাত ধৰিবলৈ গা-মন আগুৱাব নোৱাৰাত পৰিল। গতিকে, অগত্যা সেই বাসনা সাম্প্ৰতিকভাৱে ত্যাগ কৰিবলগীয়া হৈ ৰাইজক জনাবলৈ বাধ্য হলোঁ। সেই সাময়িক এক সংখ্যা 'বন্তি'ত এই সম্বন্ধে এটি মৰ্মস্পৰ্শী নিবেদন প্ৰচাৰ কৰিলোঁ। তাত মোৰ শাৰীৰিক আৰু মানসিক শোচনীয় অৱস্থাৰ বিষয়ক বিবৃতিৰে সৈতে মোৰ সংকল্পৰ বাকী

চাৰি ছোৱা ( 'শ্ৰীৰাম-চৰিত', 'মহম্মদ-চৰিত', 'যীশু-চৰিত' আৰু 'বুদ্ধ-চৰিত' ) প্ৰণয়ন কৰিবলৈ মোৰ অপাৰগতা অনতিপলমে ৰাইজৰ ওচৰত জ্ঞাপন কৰিলোঁ। তাৰ উদ্দেশ্য এই যে, মই সংকল্পৰ জপনা দি আৰ কৰি ধৰা সেই আপুৰুগীয়া চৰিত্ৰকেইখনি উদিয়াই দিলে অপৰাপৰ সু-লিখকসকলৰ ভিতৰত কোনো-কোনোৱে সেই মহৎ কাৰ্য সম্পাদন কৰিবলৈ আগ বাঢ়িব পাৰিব। লগতে এনে প্ৰতিশ্ৰুতিও দিয়া হ'ল যে, মোৰ বৰ্তমান পতিত স্বাস্থ্যৰ যদি পুনৰপি উন্নতি হয় আৰু এই জীৱনে আটেগৈ যদি, মোৰ সংকল্পিত সেই অৱশিষ্ট মহৎ কাৰ্য সমাধানত মোৰ যুক্তি-বুদ্ধি আৰু তথ্য-সংগ্ৰহৰ সমলেৰে আগন্তুক সু-লেখকক সহায় কৰিবলৈকো মই আগ্ৰহেৰে আগবাঢ়িম। ফলতঃ, দেখি সন্তোষ পাইছোঁ যে, মোৰ সেই গোহাৰিত গুটি ধৰোঁৰ আগন্তুক মিলিছে ; ইতিমধ্যত 'মহম্মদ-চৰিত' আৰু 'বুদ্ধ-চৰিত' অসমীয়া ভাষাত জনদিয়েক সাহিত্যিকৰ দ্বাৰাই ৰচিত হৈ প্ৰচাৰিত হৈছে ; 'শ্ৰীৰাম-চৰিত' আৰু 'যীশু-চৰিত' ৰচোঁতা আৰু প্ৰচাৰ কৰোঁতাও সময়ত নোলাবগৈনে ?

# চতুঃপঞ্চাশত্তম সৰ্গ

## সদৌ শেহৰবাৰ মাতৃ-চৰণ দৰ্শন

'শ্ৰীকৃষ্ণ' ৰচনা আৰম্ভণৰপৰা সামৰণলৈকে এইছোৱা মোৰ সোঁৱৰণীৰ মাজত ভালেমান ঘটনা ঘটিছিল ; 'শ্ৰীকৃষ্ণ' আখ্যান একেকঠিকৈ পাঠকে পঢ়িবলৈ সুচল কৰাৰ অৰ্থে সেইবোৰ পিছ পেলাই থৈ এই মহৎ আৰু শকত গ্ৰন্থ প্ৰণয়নৰ কাৰ্য আগ কৰা গৈছিল। এতিয়া, সেই ঘটনাৱলীৰ ঘাই-ঘাই গোটাচেৰেকৰ মাথোন চমু বিবৃতি 'সোঁৱৰণী'ৰ পাতত আঁচি থোৱা হ'ল ঃ

মোৰ অতি বৃদ্ধা আইতাই, ৯৩ বছৰীয়া বয়সত, অতি আথৰ অৱস্থাত তেখেতৰ নিলগত থকা সন্তান তিনিক চপাই লৈ এবাৰ চাই ল'বলৈ তেখেতে ইচ্ছা প্ৰকাশ কৰিলে। সেই ইচ্ছা অনুসৰি, তেখেতৰ সদৌ নুমলীয়া জীয়েক শ্ৰীমতী সোণফেৰি আইদেৱে ( ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈৰ ভাৰ্যা ৺নাৰায়ণী আইদেউ ) যোৰহাটৰপৰা ততালিকে উত্তৰ লক্ষীমপুৰলৈ গৈ, মাতৃ-চৰণ দৰ্শন কৰি আহিল ; বাকী আছিলোঁ আমি দুই, শ্ৰীমতী আইকণ আইদেউ ( ৺সূৰ্যকান্ত বৰুৱা, বি-এ, ই-এ-চিৰ ভাৰ্যা ৺তোমেশ্বৰী আইদেউ ) আৰু মই। ইতিমধ্যতে মোৰ মাজিউ সহোদৰা ভনী শ্ৰীমতী আইকণ আইদেৱে গুৱাহাটীৰপৰা প্ৰস্তাৱ কৰি মোলৈ লিখিলে যে, আইদেৱে জাহাজেৰে উজাই আহি তেজপুৰ সোমাই মোৰে সৈতে লগ লাগি লক্ষীমপুৰলৈ যাব। সেই সময়ত মোৰ গাৰ অৱস্থা বৰ বিষম—মেলেৰীয়া জ্বৰত পৰি জুৰুলা। তথাপি, মাতৃৰ আহ্বানত, মাতৃ-চৰণ দৰ্শন পলম কৰিব নোৱাৰি, অনতিপলমে লক্ষীমপুৰ যাত্ৰালৈ ময়ো সাজু হলোঁ। সেই সময়ত, মিউনিচিপাল চেয়াৰমেনৰ বিষয়-ববীয়া কৰ্তব্য পানীকল সংস্কাৰৰ ব্যৱস্থাত মই বৰ ব্যস্ত ; তদুপৰি, অনৰেৰী মেজিষ্ট্ৰেটৰ আদালতত সোধ কৰিবলগীয়া গোটাদিয়েক বৰ জৰুৰী মোকৰ্দমা আছিল ; কিন্তু মাতৃ-চৰণ দৰ্শন ধাউতিৰ আগত সেইবোৰ চিন্তালোচনা টিকিব নোৱাৰি তুৰন্তে উটি গ'ল। তাৰ পাছত, ১৯২৪ চনৰ ৯ অক্টোবৰ তাৰিখে দুপৰীয়া আইকণ আইদেউৰে সৈতে বদতি ঘাটেদি লক্ষীমপুৰলৈ যাবলৈ বুলি জাহাজত উঠিলোঁগৈ। জাহাজ গৈ বিশ্বনাথ ঘাট নৌ-পাওঁতেই মোৰ তীৰ-কঁপে জ্বৰ উঠি আহিল ; জ্বৰৰ প্ৰকোপ দেখি আইদেউ আৰু আন সহযাত্ৰী বান্ধৱ কেইবাজনো বিচুতি হ'ল। মই কিন্তু হতাশ আৰু বেহুঁচ হোৱা নাছিলোঁ, পাৰ্যমানে মনোবলেৰে জ্বৰ শাম কটোৱাৰ ভাবত ৰলোঁ ; সেই ভাবতে যুগুত ব্যৱস্থা কৰাই লৈ, মই বিছনাৰপৰা উঠি গৈ, দীঘলীয়া 'টাব' বা টিনৰ চৰিয়াত এচৰিয়াকৈ তপত পানী ঢলাই লৈ, তাত দীঘল দি পৰি ডিঙিৰ গুৰিলৈকে বুৰাই, মূৰত ব্ৰহ্মপুত্ৰৰ চেঁচা পানী অজস্ৰ ঢলাবলৈ ধৰিলোঁ। মই ডাক্তৰী ঔষধ অগ্ৰাহ্য কৰি এই আসুৰিক ব্যৱস্থাত ধৰা দেখি সহযাত্ৰীবৰ্গ আচৰিত হৈছিল কিন্তু ফলত সেই সাংঘাতিক জ্বৰে ক্ৰমাৎ শাম কাটি আহিবলৈ ধৰিলে। এনেতে বিশ্বনাথ ঘাট পাওঁ-পাওঁ হওঁতেই, বালি-চটত লাগি হঠাতে জাহাজখন থমকা খাই ৰ'ল, আমি পানীৰ মাজতে ডেৰ দিন ৰ'ব লগাত পৰিলোঁ। তাৰ পাছত তৃতীয় দিনা বদতি ঘাটত নামি সন্ধিয়া দুখন

গৰু-গাড়ীৰে সৈতে টাউনলৈ পাগমানে বেগাই যাবলৈ ধৰা হ'ল ; সৈ পাকোতে মোৰ জ্বৰ আকৌ অতিপাতকৈ চৰি উঠাত মই বেহুঁচ হৈ পৰিলোঁ,—আইকণ আইদেৱে মোক হাততে হেৰুৱায় যেন বোধ কৰি কান্দিবলৈ ধৰিলে। সেই আচানত মৰণ নঘটিবৰ অৰ্থে আকৌ হুঁচ ধৰি মই মনোবল খটাই গাড়ী যিমান পাৰে বেগাই চলাবলৈ আদেশ দিলোঁ। সেই দিহামতে, ৰাতি পুৱাওঁতেই লালুক-জিৰণি বঙলা পালোঁগৈ। ভাগ্যক্ৰমে সেই বঙলাতে মোৰ পুৰণি বন্ধু তেজপুৰত আগেয়ে থকা একৃজিকিউটিভ ইঞ্জিনিয়াৰ মিঃ কাৰ্মক চাহাবে জিৰণি লৈ আছিল। মোৰ শাৰীৰিক অৱস্থা দেখি, তেওঁ বৰ যত্ন-চিন্তাৰে মোৰ পৰিচৰ্যাত ধৰিলে। সেই ৰাতিটোলৈ তাত থকা হ'ল, পিছদিনা পুৱা তেওঁ মোক সৰু এচিচা কুইনাইন পিল দি, আমাৰ গাড়ী বিশেষ সুবিধাকৈ ৰাওনা কৰাই আগবঢ়াই দিলে। সন্ধিয়া নৌ লাগোঁতেই আমি আমাৰ ঘাইঘৰ পালোঁগৈ ; গাড়ী গৈ চোতাল পোৱা মাত্ৰকে থৰক্-বৰক্কৈ ৺আইতা ওলাই আহিল, আমি দুয়ো মাতৃ-চৰণত দীঘল দি পৰিলোঁ।

৺আইতাৰ শাৰীৰিক অৱস্থা দেখি মোলৈ মই পাহৰি গলোঁ। তেখেতৰ সেই আধৰ অৱস্থাত মাতৃ-সেৱা শুশ্ৰূষালৈ প্ৰাণৰ ধাউতিয়ে মোৰ গাৰ জ্বৰ-বিষ অনুভৱ কৰিব নোৱাৰা কৰিলে। ৺আইতায়ো মোৰ শাৰীৰিক জুৰুলা অৱস্থালৈ মন কৰি, অপত্যস্নেহত আপ্লুত হৈ, উলটি মোক শুশ্ৰূষা কৰাৰ ধাউতিত নিজৰ গাৰ অস্থিৰ অৱস্থালৈ পাহৰি গ'ল। সেইদৰে পাহৰা-পাহৰি হৈ, দুইকো দুয়ে আনন্দ-বেজাৰেৰে শুশ্ৰূষা কৰাত কেদিনমান তৰ্কিব নোৱাৰাকৈ পাৰ হ'ল। তাৰ পাছত, মোক আকৌ এৰি পঠিয়াবলৈ টান পাই, ৺আইতাই মোৰ লগতে তেজপুৰলৈ আহিবলৈ খদম্দম্ লগালে। সেই অভিপ্ৰায়ে তেখেতে নিজৰ জীৱন লগৰীয়া সোণৰ খাৰুযোৰ আনি মোৰ ট্ৰাঙ্কত ভৰাই দি, দুদিনৰ পাছত, মোৰ লগত তেজপুৰ যাত্ৰালৈ সম্ভম হ'ল। সেই আয়োজন দেখি, ঘৰ-ঘৰোৱাহেই বিষাদত জুঁয় পৰিল ; ৺মাজিউ মোমাইদেৱে ৺আইতাক সাবটি ধৰি তিৰোতাৰ দৰে চিঞৰি চিঞৰি বিনাবলৈ ধৰিলেহি। তদুপৰি, ৺আইতাৰ সেই সময়ৰ শাৰীৰিক অৱস্থা এনে সাংঘাতিকৰূপে জুৰুলা হৈ পৰিছিল যে, তেখেতক বদতি ঘাটলৈকে সেই ২৮ মাইল বাট গৰু-গাড়ীত বা আন কোনো উপায়েৰে অনাটোৰেই বিপদজনক আৰু অসম্ভৱ যেন দেখা গ'ল। মই নিৰুপায় হৈ বিমোৰ হলোঁ। আৰু ভাবি চালোঁ যে, ৺আইতাৰ জনম-ভূমি, বিশেষকৈ যি ঠাইত ৺পিতৃ-দেউতাৰ পৰম পৱিত্ৰ দেহা অগ্নিসংস্কৃত হৈ সমাধিস্থ হৈ ৰৈছে, সেই পুণ্যভূমি সেই পৱিত্ৰ ঠাইৰপৰা আঁতৰাই নি, মোৰ প্ৰবসুৱা নতুন ঠাইত ৺আইতাৰ সুপৱিত্ৰ দেহাৰ সমাধি স্থাপন কৰাটো বিধেয় নহ'ব বুলি মোক বিবেকে আন্তৰিক বোধ দিলে। গতিকে, সদোশেহত, আগ-পিছ সকলো গুণি-ভাবি চাই সেই যাত্ৰাত ৺আইতাৰে সৈতে আকৌ এৰাএৰি হৈ মই উলটি অহাটোকে অনিচ্ছাসত্ত্বেও টানিমানি স্থিৰ কৰিব লগাত পৰিলোঁ। তাৰ পাছত, অবুজন শিশুক বুজনি দিয়াৰ দৰে, বুজাই বৰাই শান্ত আৰু ক্ষান্ত কৰি, মোৰ অদ্বিতীয়া অতুলনীয়া চেনেহী গৰ্ভধাৰিণী পৰমাৰাধনীয়া মাতৃদেৱীক তেখেতৰ সেই জীৱন লগৰীয়া সোণৰ খাৰুযোৰেৰে সেই ঘাইঘৰতে এৰি থৈ ৺আইকণ ( ৺সূৰ্যকান্ত বৰুৱাৰ ভাৰ্যা ) আইদেউ আৰু তেওঁৰ সৰু সৰু ল'ৰা-ছোৱালী দুটিৰে

গৰু-গাড়ীৰে সৈতে টাউনলৈ পাৰ্যমানে বেগাই যাবলৈ ধৰা হ'ল ; গৈ থাকোতে মোৰ জ্বৰ আকৌ অতিপাতকৈ চৰি উঠাত মই বেহুঁচ হৈ পৰিলোঁ,—আইকণ আইদেৱে মোক হাততে হেৰুৱায় যেন বোধ কৰি কান্দিবলৈ ধৰিলে। সেই আচানত মৰণ নঘটিবৰ অৰ্থে আকৌ হুঁচ ধৰি মই মনোবল খটাই গাড়ী যিমান পাৰে বেগাই চলাবলৈ আদেশ দিলোঁ। সেই দিহামতে, ৰাতি পুৱাওঁতেই লালুক-জিৰণি বঙলা পালোঁগৈ। ভাগ্যক্ৰমে সেই বঙলাতে মোৰ পুৰণি বন্ধু তেজপুৰত আগেয়ে থকা একৃজিকিউটিভ ইঞ্জিনিয়াৰ মিঃ কাৰ্মক চাহাবে জিৰণি লৈ আছিল। মোৰ শাৰীৰিক অৱস্থা দেখি, তেওঁ বৰ যত্ন-চিন্তাৰে মোৰ পৰিচৰ্যাত ধৰিলে। সেই ৰাতিটোলৈ তাত থকা হ'ল, পিছদিনা পুৱা তেওঁ মোক সৰু এচিচা কুইনাইন পিল দি, আমাৰ গাড়ী বিশেষ সুবিধাকৈ ৰাওনা কৰাই আগবঢ়াই দিলে। সন্ধিয়া নৌ লাগোঁতেই আমি আমাৰ ঘাইঘৰ পালোঁগৈ ; গাড়ী গৈ চোতাল পোৱা মাত্ৰকে থৰক্-বৰক্কৈ ৺আইতা ওলাই আহিল, আমি দুয়ো মাতৃ-চৰণত দীঘল দি পৰিলোঁ।

৺আইতাৰ শাৰীৰিক অৱস্থা দেখি মোলৈ মই পাহৰি গলোঁ। তেখেতৰ সেই আথৰ অৱস্থাত মাতৃ-সেৱা শুশ্ৰূষালৈ প্ৰাণৰ ধাউতিয়ে মোৰ গাৰ জ্বৰ-বিষ অনুভৱ কৰিব নোৱাৰা কৰিলে। ৺আইতায়ো মোৰ শাৰীৰিক জুৰুলা অৱস্থালৈ মন কৰি, অপত্যস্নেহত আপ্লুত হৈ, উলটি মোক শুশ্ৰূষা কৰাৰ ধাউতিত নিজৰ গাৰ অস্থিৰ অৱস্থালৈ পাহৰি গ'ল। সেইদৰে পাহৰা-পাহৰি হৈ, দুইকো দুয়ে আনন্দ-বেজাৰেৰে শুশ্ৰূষা কৰাত কেদিনমান তৰ্কিব নোৱাৰাকৈ পাৰ হ'ল। তাৰ পাছত, মোক আকৌ এৰি পঠিয়াবলৈ টান পাই, ৺আইতাই মোৰ লগতে তেজপুৰলৈ আহিবলৈ খদমদম্ লগালে। সেই অভিপ্ৰায়ে তেখেতে নিজৰ জীৱন লগৰীয়া সোণৰ খাৰুযোৰ আনি মোৰ ট্ৰাঙ্কত ভৰাই দি, দুদিনৰ পাছত, মোৰ লগত তেজপুৰ যাত্ৰালৈ সন্থম হ'ল। সেই আয়োজন দেখি, ঘৰ-ঘৰোৱাহেই বিষাদত জুঁয় পৰিল ; ৺মাজিউ মোমাইদেৱে ৺আইতাক সাবটি ধৰি তিৰোতাৰ দৰে চিঞৰি চিঞৰি বিনাবলৈ ধৰিলেহি। তদুপৰি, ৺আইতাৰ সেই সময়ৰ শাৰীৰিক অৱস্থা এনে সাংঘাতিকৰূপে জুৰুলা হৈ পৰিছিল যে, তেখেতক বদতি ঘাটলৈকে সেই ২৮ মাইল বাট গৰু-গাড়ীত বা আন কোনো উপায়েৰে অনাটোৱেই বিপদজনক আৰু অসম্ভৱ যেন দেখা গ'ল। মই নিৰুপায় হৈ বিমোৰ হলোঁ। আৰু ভাবি চালোঁ যে, ৺আইতাৰ জনম-ভূমি, বিশেষকৈ যি ঠাইত ৺পিতৃ-দেউতাৰ পৰম পৱিত্ৰ দেহা অগ্নিসংস্কৃত হৈ সমাধিস্থ হৈ ৰৈছে, সেই পুণ্যভূমি সেই পৱিত্ৰ ঠাইৰপৰা আঁতৰাই নি, মোৰ প্ৰবসুৱা নতুন ঠাইত ৺আইতাৰ সুপৱিত্ৰ দেহাৰ সমাধি স্থাপন কৰাটো বিধেয় নহ'ব বুলি মোক বিবেকে আন্তৰিক বোধ দিলে। গতিকে, সদোশেহত, আগ-পিছ সকলো গুণি-ভাবি চাই সেই যাত্ৰাত ৺আইতাৰে সৈতে আকৌ এৰাএৰি হৈ মই উলটি অহাটোকে অনিচ্ছাসত্ত্বেও টানিমানি স্থিৰ কৰিব লগাত পৰিলোঁ। তাৰ পাছত, অবুজন শিশুক বুজনি দিয়াৰ দৰে, বুজাই বৰাই শান্ত আৰু ক্ষান্ত কৰি, মোৰ অদ্বিতীয়া অতুলনীয়া চেনেহী গৰ্ভধাৰিণী পৰমাৰাধনীয়া মাতৃদেৱীক তেখেতৰ সেই জীৱন লগৰীয়া সোণৰ খাৰুযোৰেৰে সেই ঘাইঘৰতে এৰি গৈ ৺আইকণ ( ৺সূৰ্যকান্ত বৰুৱাৰ ভাৰ্যা ) আইদেউ আৰু তেওঁৰ সৰু সৰু ল'ৰা-ছোৱালী দুটিৰে

সৈতে ( পাছত ৺কমলাকান্ত বৰুৱা, বি-এ, ই-এ-চি আৰু শ্ৰীমান যোগেশচন্দ্ৰ গোহাঞি বি-এ, এম-এল-এৰ ভাৰ্যা ) অতীৱ সন্তুষ্ট প্ৰাণেৰে তেজপুৰলৈ ওলটা যাত্ৰা কৰিলোঁ।—এয়ে মোৰ সদৌ শেহতীয়া মাতৃ-চৰণ দৰ্শন !

**মাতৃ-বিয়োগ**—সেইবাৰৰ লক্ষীমপুৰ যাত্ৰাত উজাই যাওঁতে লগত লাগি যোৱা মোৰ গাৰ জ্বৰ-বিষ-ব্যাধি-বিকাৰাদি উজনিতে এৰি উলটি তেজপুৰ পালোঁহি। যাত্ৰাকালত আধৰুৱাকৈ এৰি থৈ যোৱা অনৰেৰী মেজিষ্ট্ৰেটৰ কোৰ্ট আৰু মিউনিচিপালিটীৰ চৰ্কাৰী কাম হাতত ললোঁহি। তদুপৰি, সেই সাময়িক বিবিধ গুৰুতৰ কাৰ্যত মনোনিবেশ কৰাৰ উপৰি কেইবাখনো ৰাজহুৱা সভা-সমিতি আৰু সম্মিলনীৰ লাগতিয়াল বৈঠকত সভাপতি হৈ, শিৱসাগৰ, নগাঁও আৰু গুৱাহাটীলৈ যোৱা-অহা কৰিবলগীয়া হৈছিল ; সেইবোৰৰ বিবৃতি পাছত যথা ঠাইত লিপিবদ্ধ কৰা যাব। ইতিমধ্যত, নৰীয়া গাৰেই ৰাজহুৱা কাৰ্যোপলক্ষত ইফালে-সিফালে ঘূৰি ফুৰোঁতে স্বাস্থ্যোপযোগী বায়ু-পানী সঘনে সলনি হোৱাৰ ফলত, মোৰ শাৰীৰিক ৰোগ-ব্যাধিৰ বিকাৰাদিয়ে ক্ৰমাৎ শাম কাটি আহিবলৈ ধৰিলে। এইদৰেই ডুবছৰমান পাৰ হ'ল। কিন্তু, সিফালে আমাৰ ঘাই ঘৰত ৺আইতাৰ আথৰাৱস্থা দিনক-দিনে আথৰতৰ হৈ গৈ একেবাৰে স্থবিৰ হৈ পৰিল। মই মাজে-সময়ে বাতৰি পাওঁ ; আৰু সময় মতে তেখেতৰ শুশ্ৰূষাৰ্থে খৰচৰ ধন পঠিয়াই থাকোঁ। সেই নিয়মে, নিচেই শেহৰবাৰৰ খৰচ পঠিওৱাৰ লগতে ৺আইতাই জাৰত পিন্ধিবলৈ বুলি গৰম বনিয়ন এটিও ডাকত পাৰ্ছেলকৈ পঠোৱা এসপ্তাহমান হৈছে, এনেতে হঠাৎ এটা টেলিগ্ৰাম পালোঁ যে, ৺আইতাৰ বোলে টান, আৰু বাচিবৰ আশা নাই, মোক চাবলৈ বিচাৰিছে। সেই বিজুলী বাতৰি পাই মই অথিৰ হৈ পৰিলোঁ। সেই সময়ত উজনিলৈ যোৱা জাহাজ তিনি-চাৰি দিনৰ আঁতৰিহে আহে ; বামেদিও তেজপুৰৰপৰা লক্ষীমপুৰলৈ যোৱাটো সুগম নহয়, খোজকাঢ়ি বা গৰুৰ গাড়ীৰে গ'লেও তিনি-চাৰিদিন লাগে। গতিকে, কোনো বিধৰ উপায় বিধান কৰিব নোৱাৰি বিমোৰ হৈ অগত্যা জাহাজ অহালৈকে বাট চাব লগাত পৰিলোঁ। ইতিমধ্যত নিতৌ পুৱা, দুপৰীয়া, আবেলি, সন্ধিয়া টেলিগ্ৰাফ অফিচলৈ গৈ, "চিগনালৰ লগ" ব্যৱস্থাৰে কথাবাৰ্তা পতাৰ ছেগ ধৰাই লক্ষীমপুৰৰপৰা ৺আইতাৰ অৱস্থাৰ বাতৰি সঘনে অনাই ল'বলৈ ধৰিলোঁ ; প্ৰত্যেকটো প্ৰত্যুত্তৰতে অৱস্থা ক্ৰমাৎ আশাহীনভাৱে পৰি যোৱাৰ সংবাদ পাই মই চাটিফুটিকৈ আছোঁ, এনেতে ইং ১৯২৬ চনৰ ১৮ জানুৱাৰী তাৰিখে, শ্ৰীপঞ্চমী তিথিত, ৺শ্ৰীসৰস্বতী পূজাৰ দিনা, পুৱা দহ বজাত বিজুলী বাতৰি পালোঁ যে, মোৰ পৰম পূজনীয়া অতুলনীয়া চেনেহী ৺আইতা আৰু এই সংসাৰত নাই ; সেই পুণ্যাত্মাই পুণ্যতিথিৰ আপুৰুগীয়া ছেগ ধৰি, ৯৫ বছৰীয়া বয়সত স্বৰ্গপ্ৰয়াণ কৰিলে ! মই বিকল মনোৰথ হৈ গৰমৰ খাই পৰিলোঁ। এই বিয়োগত মই শোকবিহ্বল যদিও, নিয়তিৰ অখণ্ডনীয় নীতি খণ্ডনেৰে মোৰ ৺মাতৃদেৱীৰ জীৱনকাল আৰু দীঘলাই পাবলৈ বাঞ্ছা কৰা নাছিলোঁ, বৰঞ্চ আৰু অধিক আথৰ অৱস্থাৰ ক্লেশ ভুঞ্জিবলগীয়া হোৱাতকৈ সিমানতে অবিনশ্বৰ পুণ্যাত্মাই নশ্বৰ দেহা এৰি স্বৰ্গী হোৱাত সৌভাগ্য বুলিহে ভাবিবলগীয়া ; কিন্তু মই পাহৰিব নোৱাৰা পৰিতাপ এইবাবেহে যে, অন্তিমক্ষণত

মই দুৰ্ভগীয়াই মোৰ মাতৃ দেৱীৰ অতুল চৰণ-পদ্মত এটি অভগন সোঁৱৰণী-সেৱা অৰ্পণ কৰাৰপৰা বঞ্চিত হলোঁ। কেইদিনমানৰ পাছত, মই ৺আইতাৰ কাৰণে ডাকত পঠোৱা টকা আৰু পাৰ্চেল উলটি হাতত পৰিলহি ; সেই বস্তু দান-দক্ষিণাত অৰ্পণ কৰা হ'ল।

মোৰ স্বৰ্গীয়া আইতাৰ হিন্দুধৰ্মত বিশেষ আসক্তি আছিল। হিন্দু-শাস্ত্ৰানুযায়ী পূজা-সেৱা আৰাধনাদিত ৺আইতাই নিয়াৰিকৈ নীতি-নিয়ম পালন কৰি চলিছিল। সেই কথালৈ মন কৰি মই ততালিকে মাতৃ-বিয়োগ-ব্ৰত ধাৰণ কৰিলোঁ, তেতিক্ষণে ৰিক্তপন হৈ, অতি নিৰীহ নিস্পৃহ নিমাখিতৰূপে ভূমিশয্যা শায়িত হৈ দ্বিবস্ত্ৰধাৰী আৰু নিৰামিষাহাৰী হৈ, এমহীয়াকৈ কঠোৰ ব্ৰত আৰম্ভ কৰিলোঁ। এই ব্ৰত পালনত মোৰ পৰম পূজনীয়া স্বৰ্গীয়া মাতৃদেৱীৰ পুণ্যাত্মাৰ উদ্দেশে পুত্ৰোচিত প্ৰীতি-ভক্তি-স্মৃতি পৰম সন্তৰ্পণে অৰ্পণ কৰাৰ উপৰি, মোৰ আত্মতুষ্টিৰ প্ৰেৰণাত প্ৰবল হৈ উঠিছিল। সেই কাৰণে, মই নিজৰ বিশ্বাস আৰু আচৰণ তল পেলাই ৺মাতৃদেৱীৰ বিশ্বাস আৰু আচৰণ ওপৰ কৰি বাৰদিনীয়া ব্ৰতৰ পৰিবৰ্তে মাহেকীয়া ব্ৰত নিৰীহ নিপানীকৈ পালন কৰিবলৈ ধৰিলোঁ ; আৰু এই ব্ৰত সমাধিস্থ অৱস্থাতে এই স্তুতি তৰ্পণটি ব্যক্ত কৰি থোৱা হ'ল ঃ

মাতৃ স্তুতি ঃ

জনম-জঠৰ ধাতৃ আই-মাতৃ মোৰ
স্তনদাতৃ জীৱনৰ দীপ্-প্ৰদায়িনী,
পৃথিৱীৰ মানৱীৰ প্ৰথমা মুখানি
প্ৰথম দৰ্শনে যাৰ, পালোঁ প্ৰাণ জুৰ ;
মৰতত স্বৰগৰ স্নেহ-উপভোগ
জয়ে-জয়ে যাৰপৰা লাভ সংসাৰত,
পীয়ুষীয়া হিয়া চুমি জন্ম-ভাগৰত
জুৰণি অমৃত পান প্ৰথম সম্ভোগ ;
যাৰ স'তে চাৰি চকু পোনে মিলা-প্ৰীতি,
জগতীৰে কথা পতা চকুৰে-চকুৰে,—
সংসাৰৰ সুখ-দুখ, গুপ্ত ৰীতি-নীতি,
মায়া-মোহ, বিকাশিলে নিমাতীৰ ৰৰে,
সেই মোৰ মায়াময়ী মোহিনী প্ৰসূতী—
নমো নমো মাতৃ মোৰ নমো পদ্মপাৰে।

ইতিমধ্যত উত্তৰ লক্ষীমপুৰৰপৰা স্বৰ্গীয়া আইতাৰ অবিনাশী পুণ্যাত্মাৰ নশ্বৰ দেহাৰ অগ্নি-সংস্কৃত অস্থি-ভস্ম অনাই লৈ কামৰূপ অশ্বক্ৰান্ত তীৰ্থকুণ্ডৰ পৱিত্ৰ সলিলত অৰ্পণ কৰি সেই পুণ্য পীঠৰ পাৰত ৺মাতৃদেৱীৰ আদ্যশ্ৰাদ্ধ সম্পাদনৰ উদ্দেশে সষ্টম হলোঁ। সেই আলমতে মোৰ সহোদৰা মাজিউ ভনী ৺আইকণ আইদেৱেও ( ৺সূৰ্যকান্ত বৰুৱা মুক্তিপৰ ভাৰ্যা ৺তোষেশ্বৰী আইদেউ ) ৺মাতৃ-শ্ৰাদ্ধ তৰ্পণত যোগ দিবলৈ উলাহিত হৈ পৰম আগ্ৰহেৰে আগবাঢ়ি মোক গুৱাহাটীলৈ আহ্বান কৰিলে। সেই অনুসাৰে যথাসময়ত মই গুৱাহাটীত উপস্থিত হলোঁগৈ। মই গৈ

পোৱাৰ আগতে ৺আইকণ আইদেৱে শ্ৰাদ্ধৰ লাগতিয়াল উপকৰণাদিৰে সৈতে সকলো আয়োজন কৰি থৈছিল ; সেই আয়োজনৰ বলেৰেই মই শুভকাৰ্যত যোগ দিলোঁগৈ।

**৺আইতাৰ আদ্যশ্ৰাদ্ধ** : ১৮৪৮ শকৰ ৪ ফাল্গুন, ইং ১৯২৬ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে ৺লক্ষীদেৱী আইতাৰ আদ্যশ্ৰাদ্ধ উপলক্ষীয় তিৰোভাৱৰ তিথি। সেইদিনা পুৱা ৮ বজাত গুৱাহাটী উজানবজাৰ ঘাটৰপৰা নাৱেৰে ৺উমানন্দৰ পাদেদি ব্ৰহ্মপুত্ৰৰ বুকুত ওপঙি ভটীয়াই গৈ 'আৰ-পৰ্বত' আৰলত অশ্বক্ৰান্ত পুণ্যতীৰ্থ কুণ্ডৰ তীৰত আত্মীয়-কুটুম্ব আৰু জ্ঞাতিবৰ্গৰে সৈতে (মহিলা জ্ঞাতি শিৱসাগৰ মেচাগড়ৰ প্ৰখ্যাত ৺হেমধৰ বৰগোহাঞি ডাঙৰীয়াৰ বিধৱা সহধৰ্মিনী, ৰাজবাৰী টোলৰ এগৰাকী বিশিষ্টা ৰমণী আৰু ৺আইতাৰ সৰু মাজিউ জীয়েক ৺আইকণ আইদেউ ; পুৰুষ জ্ঞাতিৰ ভিতৰত ৺আইতাৰ আদৰৰ সৰু মাজিউ জোঁৱায়েক ৺সূৰ্যকান্ত বৰুৱা মুন্সিপ্, তেওঁৰ পুতেক ৺কমলাকান্ত বৰুৱা মুন্সিপ, শ্ৰীমান সুৰেন্দ্ৰ-নাথ বুঢ়াগোহাঞিদেৱ প্ৰমুখ্যে সাতজন কলেজীয়া আহোম ছাত্ৰ, এজন বৈষ্ণৱ ভকত, এগৰাকী বৈষ্ণৱী ভকতনী, লগুৱাদি) তীৰ্থযাত্ৰীস্বৰূপে উত্তীৰ্ণ হলোঁগৈহঁক। সিফালে আগধৰি নিয়োজিত হৈ থকা, ৺শ্ৰীশ্ৰীকমলদেৱ গোস্বামী আউনীআটীয় সত্ৰাধিকাৰ প্ৰভুৰ জিৰণি আশ্ৰমৰ আশ্ৰমী পণ্ডিত ব্ৰাহ্মণ পুৰোহিতজনে ষোড়শোপচাৰ যুগুত কৰি লৈ শ্ৰাদ্ধক্ৰিয়া আৰম্ভণলৈ সক্ষম হৈ অপেক্ষা কৰি আছিল। আমি গৈ পোৱা মাত্ৰকে তেখেতে শুভকাৰ্য আৰম্ভ কৰি দিলে। পোন্-প্ৰথমতে মোৰ মুণ্ডনক্ৰিয়াদি সমাপনৰ পাছত, মোক অশ্বক্ৰান্ত তীৰ্থ কুণ্ডত অৱগাহন কৰাই বিশুদ্ধ কৰি লৈ, পুণ্যশ্লোক মন্ত্ৰোচ্চাৰণ কৰাই, পুনৰপি পূৰ্ণ অৱগাহনত মোৰ দ্বাৰাই উভয় হাতেদি ৺মাতৃদেৱীৰ পৱিত্ৰ অস্থি আৰু ভস্ম পুণ্য সলিল ৺অশ্বক্ৰান্ত তীৰ্থ কুণ্ডত পৰম সন্তৰ্পণে অৰ্পণ কৰালে। তাৰ পাছত, পুৰোহিতদেৱে ধ্যানদৰ্শন শ্লোক মন্ত্ৰোচ্চাৰণ কৰাই মোক নিৰ্দেশ দিয়া অনুসৰি, মই পুনৰপি অৱগাহিত হৈ, কুণ্ড গৰ্ভত সমাধিস্থ ক্ষণত মোৰ ৰসময়ী ভক্তিৰ পাত্ৰী, মোৰ দহমাহ-দহদিনীয়া জঠৰ ধাৰিণীমাতৃ ৺আইতাৰ জলন্ত দেৱীমূৰ্তি জীৱন্তভাৱে দৰ্শন কৰি পৰম পুলকিত হলোঁ। অহ, সেই অপত্যস্নেহপূৰ্ণ অনুপমা মাতৃমূৰ্তি মোৰ সোঁৱৰণীত আজিও পুণ্যপ্ৰভাৰ স্বৰ্গীয় জ্যোতিৰে জেউতি চৰাই জিলিকি আছে! তাৰ পাছত, তীৰলৈ উঠি তিয়নী সলাই, বিশুদ্ধভাৱে ষোড়শ-উপচাৰেৰে সুসজ্জিত শ্ৰাদ্ধযজ্ঞ আগত লৈ, স্থিৰচিত্ত হৈ কুশাসন গ্ৰহণ কৰিলোঁ। যথাবিধি পিণ্ডদানক্ৰিয়া আৰম্ভ হ'ল। সেই পণ্ডিত পুৰোহিতদেৱৰ বিশদ বিধিপাঠ আৰু শ্ৰাদ্ধ মন্ত্ৰোচ্চাৰণ এনে বিশদ আৰু সুস্পষ্ট হৈছিল যে, তেখেতৰ মুখৰ প্ৰতি শব্দকে নিভাঁজকৈ আওৱাই মই অনুসৰণ কৰিব পাৰিছিলোঁ। সেই অনুক্ৰমে, ভৰ-দুপৰীয়া পূৰ্ণ পয়োভৰকৈ মোৰ পৰম আৰাধনীয়া ৺লক্ষীদেৱী আইতাৰ পুণ্যাত্মাৰ উদ্দেশে এই অভাজনৰ পুত্ৰোচিত পিণ্ডদানক্ৰিয়া সমাধা কৰি উঠি পুলকিত প্ৰাণেৰে অনুপম শান্তি উপভোগ কৰিলোঁ।

আদ্যশ্ৰাদ্ধৰ পিণ্ডদানক্ৰিয়া সমাপনৰ পাছত, মুকলিমূৰীয়া হৈ গৈ অশ্বক্ৰান্ত পাদত প্ৰতিষ্ঠিত ৺শ্ৰীশ্ৰীকমলদেৱ গোস্বামী প্ৰভুৰ পুণ্য বিশ্ৰাম আশ্ৰম প্ৰদক্ষিণ কৰি, পুৰোহিতদেৱৰ পৰ্ণকুটীৰত ক্ষন্তেক বহি গুৱাপানেৰে মুখ্যাদি পৰিতৃপ্ত কৰি উঠি, সকলোটি অশ্বক্ৰান্ত ঘাই মন্দিৰত

আমাৰ নিয়োজিত ঠাকুৰ পাণ্ডাসকলে যুগুত কৰা ভোজ-ভাত ভোজনৰ আগেয়ে সেই পুণ্যশৈলৰ ওপৰলৈ উঠি গলোঁহঁক। উঠি গৈ, পোনেই সেই প্ৰখ্যাত অশ্বক্ৰান্ত মন্দিৰৰ শৈলদ্বাৰৰ সুপ্ৰশস্ত প্ৰকাণ্ড খট্‌খটি দেখি আৰু আৰোহণ কৰি বিমোহিত হলোঁ। আমি গুৱাহাটীৰপৰা আগধৰি পঠিয়াই থোৱা চাউল-দাইল, মাছ-মাংস, শাক-পাচলিৰে সৈতে ঠাকুৰ পাণ্ডাসকলে সুন্দৰকৈ ভোজ-ভাত ৰান্ধি যুগুতকৈ থৈছিল ; আমি গৈয়েই হাত-মুখ ধুই ভোজনত বহিলোঁ-গৈহঁক। সেই সুগম্ভীৰ মন্দিৰৰ সমুখীন সুদীৰ্ঘ মুখ চ'ৰাৰ নিমজ মজিয়াত দুশাৰী হৈ ভাগে ভাগে ভোজনত বহি গলোহঁক। সেই দুশাৰীত, বৰ্ণবিভাগ অনুসৰি, পুৰোহিতদেৱ প্ৰমুখ্যে ব্ৰাহ্মণ-সজ্জন, বৈষ্ণৱ ভকত-ভকতনী, সাধু-সাধক তাপসী আৰু আমি শ্ৰাদ্ধযাত্ৰীবৰ্গেৰে ডেৰ-কুৰিমান ভকত বহিছিলোঁহঁক। ভোজনান্তত পৰম পৰিতৃপ্ত হৈ সকলোটিয়ে বিদায় লোৱালুই কৰিলোহঁক। তাৰ পাছত, শুক্লা চতুৰ্থীৰ জোনাকত আকৌ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি উজাই আহি ৰাতি দহ বজাত ঘাটত নামি, পৰম শান্তিৰে শুই থাকিলোঁগৈ। মোৰ সোঁৱৰণীত ই এটি মহিমান্বিত মহাদিন।

# পঞ্চপঞ্চাশত্তম সৰ্গ

## অসম সাহিত্যিক সন্মিলনীৰ গুৱাহাটী বৈঠক (১ম)

ইয়াৰ আগতে "মোৰ সোঁৱৰণী" পটত চিত্ৰিত হোৱা ঘটনাৰ বছৰদিয়েকৰ আগতীয়াকৈ গোটাচেৰেক উল্লেখযোগ্য ঘটনাৰ বিবৃতি অঙ্কিত হ'বলগীয়া আছিল; তাৰ ভিতৰত অসম সাহিত্য সন্মিলনীৰ গুৱাহাটী বৈঠক (১ম) বিশেষ। এই বৈঠকৰ তিনিমাহমানৰ আগৰেপৰা মোৰ কেইবাখনো নতুন আৰু পুৰণি কিতাপৰ নতুন নতুন তাঙৰণ কলিকতীয়া প্ৰেছত ছপোৱা কাৰ্যৰ ভিৰ বৰ ভাৰী হোৱা হেতুকে এইবাৰ সন্মিলনীৰ বৈঠকত উপস্থিত হ'বগৈ নোৱাৰিম বুলিয়েই ভাবি আছিলোঁ। পিছে, মূৰকত দেখিলোঁ যে, এই বৈঠকৰ কাৰণে মোৰ সহযোগী সাহিত্যিক বন্ধু ৺লক্ষ্মীনাথ বেজবৰুৱা সভাপতি নিৰ্বাচিত হৈছে আৰু সেই আলমতে ৺হেমচন্দ্ৰ গোস্বামীদেৱ প্ৰমুখ্যে কেইবাজনো গুৱাহাটী নিবাসী অসমীয়া সাহিত্যিক বন্ধুৱে মোক টানি আহ্বান কৰিছে, গতিকে সেই আহ্বান অনুৰোধ পেলাব নোৱাৰি, বিশেষকৈ বহুদিনৰ মূৰত সমনীয়া সাহিত্যিক বন্ধু বেজবৰুৱাদেৱৰ লগত দেখাদেখি হোৱাৰ লালসাত মোৰ হাতৰ সেই গুৰুতৰ কাম কাতিকৈ থৈ, গুৱাহাটী যাত্ৰালৈ খৰ্‌ধৰ্‌কৈ সষ্টম হলোঁ।

ইং ২৫।১২।২৪ তাৰিখে পুৱা দহমান বজাত গুৱাহাটী উদ্দেশে মই জাহাজত উঠিলোঁগৈ। অলপ পৰৰ পাছতে দেখোঁ যে, মোৰ 'কেবিন'ৰ কাষতে ঠাই লই মোৰ প্ৰিয় ছাত্ৰ শ্ৰীমান দণ্ডিনাথ কলিতা বহি আছে; দেখি মোৰ মনত বৰ ৰং লাগিল; আৰু তেৱোঁ একে উদ্দেশ্যেই মোৰ সহযাত্ৰী হোৱাৰ সম্ভেদ পাই পুলকিত হলোঁ, ভাবিলোঁ, বোলোঁ, আগন্তুক সাহিত্যিক সন্মিলনীৰ বৈঠকত আলোচনা কৰিবলগীয়া বিবিধ বিষয়ক লাগতিয়াল কথাবাৰ্তা পাতি জাহাজত আমনিলগা সময়খিনি ৰংমনেৰে পাৰ কৰিব পাৰিম। এই ভাবি, সাজ-পাৰ সলাই, গা ধুই, মুকলিমনা হৈ, ওলাই আহি শ্ৰীমানৰ আগত থিয় দিলোঁ; তেওঁ আথে-বেথে তেওঁৰ পাৰি থোৱা বিছনাতে মোক বহিবলৈ ঠাই দিয়াত, তাতে ৰংমনেৰে বহি দুয়ো কথাবাৰ্তাৰ আলমত মই পাণ্ডি লোৱা সাহিত্যিক আলোচনা আৰম্ভ কৰিলোঁ। সেই সাহিত্যিক চৰ্চাৰ ভাবত বিভোল হৈ, দিনৰ ১২ বজাৰপৰা ৩ বজালৈকে একেৰাহে দুয়ো একে বৈঠকতে বিবিধ আলোচ্য বিষয়ক প্ৰস্তাৱনা তৰি আছোঁ, এনেতে অকস্মাৎ কুৰুৱাৰ কুঁজিবালিৰ কুঁজটোৰ পোন ধৰি, বালিচটত খুন্দা খাই জাহাজখন লাগি ৰ'ল! জাহাজৰ চাৰেং, খালাচী আৰু অন্যান্য কৰ্মচাৰীবিলাকে জাহাজ এৰুৱাবৰ কাৰবাৰত হৈচৈ লগাই দিলে; যাত্ৰীবিলাকেও গিৰগিৰকৈ উঠি নামি ডেকৰ দাঁতিত লানী পাতিলেগৈ। সেই আপাহতে আমিও ধ্যানভঙ্গ হোৱাৰ দৰে হৈ আগন্তুক আপদৰ পৰিস্থিতিৰ ক্ষণ গণিবলৈ ধৰিলোঁহঁক। চাৰেং, মিস্ত্ৰি, খালাচীহঁতে পাৰ্যমানে যত্ন-চেষ্টা কৰিও একো কৰিব পৰা নাই, জাহাজ লাগিল যি লাগিলেই; লৰচৰেই নহয়। সদৌ যাত্ৰীয়ে, বিশেষকৈ আমি সাহিত্যিক যাত্ৰী দুজনে একান্তমনেৰে আৰু উদ্বিগ্ন অন্তৰেৰে চাই চাই হতাশ হলোঁহঁক, জাহাজ নেৰায়! সদৌশেহত, ৰাতি দহমান বজাত নিৰাশ

চিতেৰে বিছনাত পৰিলোঁ গৈহঁক, কিন্তু আনৰ কথা ক'ব নোৱাৰোঁ, মোৰ হ'লে চকুত টোপনি নাই, কাণ পাতি শুনি আছোঁ, যত্ন-চেষ্টাৰ ত্ৰুটী হোৱা নাই, ৰাতিৰে-ৰাতিটো নানা কলাকৌশল খটাই জাহাজ এৰুৱাবলৈ কাৰবাৰ চলিছে, কিন্তু একোপধ্যে জাহাজ লৰচৰ নহয়। মাজ নিশা এখন উজাই অহা বৰজাহাজেও টনাটনি কৰি চালে কিন্তু তাৰ একো ফল নধৰিলে। সেই একেদৰেই পিছদিনাৰ আগবেলাটোও পাৰ হ'ল, কিন্তু আপদৰপৰা উদ্ধাৰৰ আশা ক্ৰমাৎ লেৰেলি যাবলৈহে ধৰিলে। সদৌশেহত অতি উদ্‌গ্ৰীৱভাৱে মই জাহাজৰ ডাক্তৰ বাবুজনেৰে সৈতে পৰামৰ্শত ধৰিলোঁ, সেই আসন্ন সময়ত আমি কি কৰা বাঞ্ছনীয়। তেওঁ মোৰ মুখে আমাৰ উদ্দেশ্যৰ বিষয়ে আদ্যোপান্ত শুনি লৈ সহানুভূতি দেখুৱাই মাথোন এইবুলি সমিধান দিলে যে, পিছত আহিবলগীয়াখন জাহাজ আহি পালেই আমি ইথন সলাই সেইখনত উঠি গতি কৰাত বাজে আৰু আন উপায় তেওঁ নেদেখে। সেইদৰে গ'লেও সেইদিনা দহমান বজাত ৰাতিহে গুৱাহাটী ঘাটত নামিবগৈ পৰা হ'ব। সিফালে, আমি গৈ পোৱাৰ আগেয়েই সম্মিলনীৰ ১ম দিনাৰ কাৰ্য শেষ হৈ যাব, আমি পিছদিনা অৰ্থাৎ ২য় দিনাৰ কাৰ্যতহে যোগ দিবলৈ পোৱাটো আশা কৰিব পাৰি। ইয়াকে ভাবি-চিন্তি হতাশ মনেৰে শ্ৰীমানৰে সৈতে কোৱা-মেলা কৰি আছোঁ, এনেতে উজাই অহা সেইদিনীয়া ডাক জাহাজখন আমাৰ কাষ চাপিলহি। আহি পায়েই লাগি থকাখন জাহাজ এৰুৱাবলৈ উজনিমুৱাখনে টনাটনি আৰম্ভ কৰিলে। এঘণ্টামান সেইদৰে টনাটনি কৰাৰ ফলত চাঁতকৰে জাহাজখন এৰাই আহিল; আমি মৰাৰ মুখত জীপ'পানী পোৱাৰ দৰে হলোঁহঁক।

সেইদিনাৰ ভটীয়াই অহা ডাক জাহাজখন কুৰুৱা বালি যি পৰত পাবহি লাগিছিল, তাৰ ডেৰঘণ্টামানৰ আগতে উজাই অহাখনে আমাৰ লাগি থকাখন জাহাজ এৰুৱাই দিলেহি; গতিকে ডাক্তৰবাবুৱে অনুমান কৰা সময়তকৈ দুঘণ্টামানৰ আগেয়েই, অৰ্থাৎ সন্ধিয়া ৮ মান বজাত আমি গুৱাহাটী ঘাট চাপিলোঁগৈ। বোটত ছিড়ি লগোৱা মাত্ৰকে ১০।১২ জনমান স্বেচ্ছাসেৱকে বা ভলন্টিয়াৰে বেৰি ধৰি হাতে হাতে আমাৰ মাল-বস্তু লৈ আমাক যথা সমাদৰেৰে পাৰলৈ নমাই আনিলে। তাৰ পাছত, কোন ক'ত থাকিবগৈ তাৰ তত্ত্ব লৈ পূৰ্বৰ দিহা অনুসৰি, কেজনমান ভলন্টিয়াৰে মোৰ লগুৱাটোৰে সমন্বিতে মাল-বস্তু মোৰ ভনী-জোঁৱাই বা বৈনাই শ্ৰীমান সূৰ্যকান্ত বৰুৱা, বি-এ, ই-এ-চি, মুঞ্চিপৰ বঙলালৈ আৰু শ্ৰীমান দণ্ডি বোপাৰ মালামাল সম্মিলনীৰ আলহী বাহৰলৈ লৈ গ'ল; বাকী কেজনমানে পিছ পৰি আমাক সম্মিলনৰ প্ৰথম দিনাৰ কাৰ্যৰ চমু বিবৃতি শুনাই লৈ, নিৰ্ধাৰিত আলহী-বহালৈ নিবলৈ বুলি সাজুকৈ থোৱা এখন ঘোঁৰাগাড়ীৰ কাষলৈ আগবঢ়াই নিলে। চমু বিবৃতিৰপৰা জানিব পৰিলোঁ যে, সেই সন্ধিয়াতে সিফালে বিষয়-বাছনি সমিতিৰ (subjects committee) বৈঠকৰ আলোচনা চলিব লাগিছে; গতিকে মই উদ্‌গ্ৰীৱভাৱে আমাৰ ইচ্ছা জ্ঞাপন কৰিলোঁ যে, আমাক আগধৰি বা পোনপ্ৰথমে বাজেবাজে বিষয়-বাছনি সমিতিৰ বৈঠকতহে উপস্থিত কৰাবগৈ লাগে। আমাৰ ইচ্ছানুযায়ী কাৰ্য কৰা হ'ল। ভলন্টিয়াৰকেজনে আমাক গাড়ীত তুলি লৈ পোন্‌চাটে নি লতা-শিল অসমীয়া থিয়েটাৰ হলত বহা সেই বৈঠকত উপস্থিত কৰালেগৈ। দেখিলোঁগৈ, সভাঘৰ

ভৰপূৰ, বিৰ্ দি বাট পাবলৈ নাই ; ভলন্টিয়াৰকেজনে মোৰ নাম লৈ অনুৰোধ কৰাত আমাক টানিমানি সোমাবলৈ সন্ধি লগাই দিলে। ভিতৰ সোমোৱা মাত্ৰকে উপস্থিত ভদ্ৰমণ্ডলীয়ে গিৰ্ গিৰ্ কৈ থিয় দি সমাদৰ জনোৱাত সমবেত ৰাইজক মই যোৰহাতে নমস্কাৰ কৰিলোঁ। তাৰ পিছ মুহূৰ্ততে ওথ আসনৰপৰা হাঁহিমুখে থিয় দিয়া প্ৰিয়তম বন্ধু শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা সভাপতিদেৱক দেখামাত্ৰকে আজি কুৰি বছৰৰ মূৰত দেখাদেখি এইবুলি মই উত্ৰাৱলভাৱে চোঁচা লৈ তেওঁক সাবট মাৰি ধৰিলোঁগৈ ; তেৱোঁ গদ্গদ্ চিত্তেৰে মোক আঁকোৱাল মাৰি ধৰিলে ; সেই অৱস্থাতে দুয়ো হৰ্ষবিহ্বল হৈ ক্ষন্তেকমান থৰ লাগিলোঁহঁক, কাঁহ পৰি জিম যোৱাৰ দৰে দণ্ডায়মান জনমণ্ডলীও নিজম পৰিল! সেই বৰ্ণনাতীত ক্ষণৰ বিবৃতি এতিয়া সোঁৱৰণীত আঁচিবলৈ উগুল-থুগুল ভাব আছে, কিন্তু ভাষা নাই, ভাবি নাপাওঁ! কিছুমান দিনৰ পাছত মাথোন, বাতৰি কাকতত ( Times of Assam ) সেই সাহিত্যিক সম্মিলনীৰ বিবৃতিৰ বুকুত সেই ক্ষণটিৰ বিজুলী চমকীয়া আৰু মৰ্মস্পৰ্শী বাণীৰে বৰ্ণোৱা দুজন প্ৰবীণ সাহিত্যিকৰ (veteran literateur) মধুমিলন দৃশ্যৰ পুনৰাবৃত্তি পঢ়ি পৰম তৃপ্তি উপভোগ কৰিলো ; কিন্তু সেই দৃশ্য আচোঁতাজন কোন ক'ব নোৱাৰো, সম্ভৱতঃ সেই কালৰ ডেকা সু-সাহিত্যিক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীদেৱ হ'ব পায়।

পিছদিনা দুপৰীয়া ১২ বজাৰপৰা সম্মিলনীৰ ২য় দিনাৰ কাৰ্যাৰম্ভ হ'ল। মই গৈ সভাপতিৰ কাষতে মোৰ কাৰণে আছুতীয়াকৈ থোৱা আসন লোৱা মাত্ৰকে সভাৰ এজন কৰ্মচাৰীয়ে মোৰ আগত মেজত এজাপ কাকত-পত্ৰ থাপি থৈ গ'লহি ; মই মেলি-তৰি চাই দেখো যে, তাৰ মাজত বিষয়-বাছনি সমিতিৰ অনুমোদিত প্ৰস্তাৱাৱলীৰ তালিকা এখন আৰু আগদিনা পাঠ কৰা সভাপতিৰ ছপা অভিভাষণ এখন ; তালিকাভুক্ত প্ৰস্তাৱ সূচীৰ ভিতৰত মোৰ নামেও দুটা প্ৰস্তাৱ দাঙি ধৰাৰ বাব পৰিছে আৰু আগদিনা মই শুনিবলৈ নোপোৱা হেতুকে ছপা অভিভাষণখনি মোক দিয়া হৈছে। অভিভাষণ দেখি ৰং পালোঁ আৰু উপকৰাকৈ চকু ফুৰাই লৈ পাছত ভালকৈ পঢ়ি চাবলৈ বুলি সামৰি থলোঁ। মোৰ ভাগত পৰা প্ৰস্তাৱ দুটা অলপ গধুৰ আৰু গুৰুতৰ, নভবা-নিচিন্তাকৈ তাৰ পাতনি মেলা টান ; গতিকে ঢোতে থৰ মাৰি সেই অলপ সময়ৰ ভিতৰতে তাৰ কাৰণে মনে মনে কথা জুকিয়াবলৈ ধৰিলোঁ। ইফালে, সভাপতিৰ অনুজ্ঞা অনুসৰি মাজে মাজে গীত আবৃত্তি আদিৰে সৈতে সভাৰ অপৰাপৰ আলোচ্য বিষয়ক কাৰ্য চলিবলৈ ধৰিলে ; তালিকাৰ ক্ৰম অনুসাৰে এটি-এটিকৈ সেইদিনাৰ কাৰ্যালোচনাৰ সমাধান হৈ উঠাৰ পাছত, সন্ধিয়া ৬ বজাত, ২য় দিনাৰ বৈঠক ভঙ্গ কৰা হ'ল। আমি দিহাদিহি সভামণ্ডপৰপৰা ওলাই যাবলৈ ধৰিছোঁ, এজনে ব্যগ্ৰভাৱে কাষ চাপি মোৰ হাতত এখন ৰাজহুৱা সভাৰ জাননী কাকত বা নোটিচ দিলেহি ; তাত এইবুলি লিখা আছিল, "আজি সন্ধিয়া ৭ বজাৰপৰা 'কাৰ্জন হল'ত সদৌ অসম সাহিত্যিক সম্মিলনীৰ সমবেত 'ডেলিগেট' বা প্ৰতিনিধিবৰ্গ আৰু সমূহ ৰাইজৰ সংপ্ৰীতি সভা বহিব ; সভাপতি শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা, বাৰ-এট-ল, আৰ্ল আইন কলেজৰ প্ৰিন্সিপাল। সৱাৰে উপস্থিতি সাদৰে আহ্বান কৰা হৈছে।"

প্ৰস্তাৱিত ৰাজহুৱা সভাৰ জাননীখন পঢ়ি জেপত ভৰাই গৈ ভাবিবলৈ ধৰিলোঁ, সিমান অলপ সময়ৰ ভিতৰত বহালৈ গৈ চাহ-জলপান খাই উঠি কেনেকৈনো নিৰ্ধাৰিত সময়ত সভাত উপস্থিত হওঁগৈ। কিন্তু, নগ'লেও নহয়, চাপৰিলে মেঘ নেৰায়, ভাবিবৰ সময় নাই; বেগা-বেগিকৈ বহালৈ গৈ লৰালৰিকৈ চাহ-জলপান খাই, শ্ৰীমতী আইকণ আইদেৱে (মোৰ সহোদৰা ভনী, শ্ৰীমান সূৰ্যকান্ত বৰুৱা মুন্সিপৰ ভাৰ্যা) তুৰন্তে দিহা লগাই দিয়া সিবিলাকৰ মটৰগাড়ীত অকলশৰীয়াকৈ চৰি পূবপাৰৰ চেনিকুঠীৰপৰা ওলাই, দীঘলীপুখুৰীৰ দক্ষিণপাৰেদি ঘূৰি পশ্চিম পাৰৰ কমিশ্যনাৰ চাহাবৰ অফিচৰ শাৰীত স্থিত 'কাৰ্জন হল'ৰ সমুখত নামি, মটৰগাড়ীখন ওভতাই পঠিয়াই, 'হলৰ' ভিতৰ সোমাই চাওঁগৈ দেখোন, তাত মানুহ-দুনুহ চপা নাই; মাথোন জনচেৰেক পাঠকে বাতৰি কাকত পঢ়ি আছে। দেখি মনতে ৰং লাগিল, ভাবিলোঁ মোৰ অহাত পলম হোৱা নাই, সভালৈ সমজুৱা অহাই নাই; এই ভাবি, উপ্‌লুঙাকৈ হাঁহি, পাঠক ভদ্ৰলোককেজনলৈ চাই শূন্যে শূন্যে সুধিলোঁ, "ক'তা, সভা এতিয়াও বহা নাইচোন?" কাৰ্জন হলৰ লাইব্ৰেৰীয়ানজনে অলপ তধা লাগি এই বুলি সমিধান দিলে, "ক'তা, ইয়াতচোন আজি কোনো সভা বহাৰ কথা নাই, থকা হ'লে মোক আগধৰি জাননী দিয়া হ'লহেঁতেন।" মই বিচূৰ্তি খাই বিবুদ্ধি হলোঁ। ভাবিলোঁ, সম্ভৱতঃ ইতিমধ্যত ঠাই সলাই, সম্মিলনীৰ সভামণ্ডপতে 'সংপ্ৰীতি সভা' পাতিবলৈ স্থিৰ কৰা হৈছে। এই ভাবি, ততালিকে ওলাই আহি দেখো যে মোৰ আদেশ অনুসৰি গাড়ীখনো গ'লগৈ, খোজ কাঢ়ি যাওঁতে পলম হ'ব এতিয়া। এইদৰে উগুলথুগুলকৈ বেগাবেগিকৈ দীঘলীপুখুৰীৰ উত্তৰপাৰ পাইছোঁগৈ এনেতে বিপৰীতমুৱাকৈ জনদিয়েক বুজন ছাত্ৰ পশ্চিমমুৱাকৈ ঢপলিয়াই অহাদি আহিব লাগিছে; মোকো উধাতু খাই বিপৰীতমুখে বেগাবৰ দেখি অলপ বিস্ময় মানি তাৰে এজনে কৌতূহলযুক্ত হৈ সুধিলে, "এইমুখে আপুনি ক'লৈ যায়?" মই গৈ থকাভাগেই উত্তৰ দিলোঁ,—"সভামণ্ডপলৈ"। আন এজনে মুখ পাতি ধৰিলে, "কিয়? মণ্ডপততো এতিয়া কেও নাই। মই বিমোৰ হৈ সুধিলোঁ, "কিয়, তাত এতিয়াও প্ৰীতি-সভা বহা নাইনেকি?" শুনি তৃতীয়জনে উত্তৰ দিলে, "মণ্ডপততো নহয়, কাৰ্জন হলত হে বহিছে সেই সভা।" মই তেওঁৰ কথা উপলুঙাকৈ উৰাই দি কাৰ্জন হললৈ আঙুলিয়াই ক'লোঁ, "এইমাত্ৰ মই তাত সভা বহা নাপাইহে মণ্ডপলৈ বেগ ধৰিছোঁ।" মোৰ কথা শুনি, তিনিওটিয়ে সহানুভূতি দেখুৱাই একেস্বৰে ক'বলৈ ধৰিলে, "নহয়, নহয়, নতুন কাৰ্জন হলত নহয়; সৌৱা পুৰণি 'কাৰ্জন হলত'হে সভাত ৰাইজৰ ভীৰ হৈছে। আহক, আমাৰ লগতে আহক, আমিও সেই সভালৈকে আহিছোঁ।" ল'ৰাহঁতৰ কথা শুনি মই অপ্ৰস্তুত হলোঁ। পিছ মুহূৰ্ততে অলপ প্ৰকৃতিস্থ হৈ গমি চালোঁ, সেই কুক্ষণত মোক 'পকৰা'ই পাই ছলিবলৈ চাইছিলহে নেকি! যি হওক, গমিবৰ সময় নাই, ছেগ বুজি ততালিকে ল'ৰাহঁতৰ লগৰীয়া হলোঁ। সভাঘৰৰ কাষ চাপি দেখোঁগৈ যে বাজে-ভিতৰে দৰ্শক-সমজুৱা ভৰি পৰিছে, বিৰ দি বাট পাবলৈ নাই; ল'ৰাহঁতে, মোৰ নাম লৈ, ভিৰ ভাঙি বাট উলিয়াই কোনোমতে মোক ভিতৰ সুমুৱাই কাৰ্জন হলৰ উত্তৰ মুৰত, (দক্ষিণ মুৰত সভাপতিৰ আসনৰ বিপৰীতে) এজন সদাশয় সমজুৱাই অনুগ্ৰহকৈ এৰি দিয়া এখন সৰু চকিত বহুৱালেগৈ নি। তাৰ পিছ মুহূৰ্তত এফেৰি সকাহ লৈ

দেখো যে, সভাপতিৰ আসন আমাৰ ভোলানাথ ডেকা মিঃ জ্ঞানদাভিৰাম বৰুৱা, আৰ্ল ল কলেজৰ প্ৰিন্সিপাল বাৰিষ্টাৰদেৱে সুশোভিত কৰিছে, আৰু সম্মিলনীৰ সভাপতি শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেওঁৰ স্বভাৱসুলভ খুহুটীয়া ভাষাৰে বক্তৃতা দি সমবেত সমজুৱাক উৰুলীকৃতকৈ হঁহুৱাব লাগিছে। বেজবৰুৱাৰ বক্তৃতাৰ সামৰণি পৰাত, উপস্থিত সমজুৱাৰ মাজৰপৰা কটন কলেজৰ প্ৰিন্সিপাল মিঃ চুডমাৰ্চন, পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী, প্ৰবীণ সাহিত্যিক শ্ৰীযুত সত্যনাথ বৰা, ডক্টৰ বাণীকান্ত কাকতি প্ৰভৃতিয়ে সভাৰ উদ্যোক্তা ছাত্ৰবৰ্গৰ নামকৰণ নিৰ্দ্দেশ অনুসৰি নিজ নিজ মন্তব্য প্ৰকাশক বক্তৃতা দিয়াৰ পাছত, ছাত্ৰমণ্ডলীৰ মাজৰপৰা সমস্বৰে এইবুলি শেহ নিৰ্দ্দেশ উঠিল, "আমি সাহিত্যিক পেঞ্চনাৰ গোহাঞিবৰুৱাৰপৰাও একাষাৰ শুনিবলৈ বাঞ্ছা কৰোঁহঁক।" শুনি মই চঁক খাই তলমূৰ কৰিলোঁ। সভাস্থলত 'গোহাঞিবৰুৱা'ক বিচাৰি কেইওফালে সমজুৱাসকলে চকু ফুৰাবলৈ ধৰিলে, মই বহি থকা ভাগেই ক্ষন্তেক নিটাল মাৰি আছোঁ, এনেতে বিপৰীত মূৰৰপৰা সভাপতিদেৱে মোক আঙুলিয়াই দেখুৱাই খলখলাই হাঁহি ক'বলৈ ধৰিলে, "সৌটি দেখোন ধানপুৰীয়া কঁঠাল গোহাঞিবৰুৱা পাতৰ তলত লুকাই আছে!" ততালিকে বাট লগোৱা উদ্যোক্তা ছাত্ৰ এজনে সিমূৰৰপৰা ইমূৰলৈকে সমজুৱাসকলৰ সম্মাজেদি অহা-যোৱা কৰিবলৈ ৰখা সুৰুঙা বাটেদি মোক আথেবেথে আগবঢ়াই নি সভাপতিৰ আসনৰ সোঁ-পাশে থিয় কৰালেগৈ। অনুগামী হৈ গৈ থাকোতে মই এইবুলি ভোৰ্ভোৰাই গৈছিলোঁ, "এই যাত্ৰাত মোক বিপদে নেৰা হ'ল।" ছাত্ৰমণ্ডলীৰ মাজৰপৰা হৰ্ষ-সমিধান আহিল, "এই যাত্ৰাত আপোনাক এনে বিপদত পেলাই ৰং চোৱাটোৱেই আমাৰো উদ্দেশ্য।" মই ভাবেধৰা হৈ ক্ষন্তেক নীৰৱে ৰোৱা দেখি কেইওফালৰপৰা মোৰ ওপৰত উদ্বিগ্নতাৰ চকু পৰিবলৈ ধৰিলে। মই অগত্যা অৱস্থা বুজি ব্যৱস্থা কৰিবলৈ বুলি, পোনেই তেজপুৰ এৰিবৰ দিনাৰপৰা উপস্থিত ক্ষণলৈকে মোক মেৰাই ধৰা বিপদাৱলীৰ বিবৃতি বকিবলৈকে আৰম্ভ কৰিলোঁ। আগছোৱাৰ বিপদে মোক সম্মিলনীৰ প্ৰথম দিনাৰ উৎসৱ উপভোগৰ পৰা বঞ্চিত কৰা বিবৃতি শুনি সমজুৱা মণ্ডলে ভাবে-ভঙ্গীৰে সহানুভূতি দেখুৱাইছিল; একে উশাহতে আৰু গোটাদিয়েক লগৰীয়া বিপদৰ বিষয়ে ব্যাখ্যা দি, সদৌশেহতীয়া বিপদৰ হুবহু স্বৰূপ বিবৃতি দিবলৈ ধৰি এইবুলি আৰম্ভ কৰিলোঁ, "বিপদ অকলে নাহে, মোক অলপৰ আগতে, এই সভালৈ আহোতে বাটতে 'পৰুৱাই পাই' ছলিবলৈ ধৰিছিল।" বৰ্ণনাটো পূৰাবলৈ নৌপাওঁতেই সদৌ সমজুৱা বৰ্গে গিৰ্জনিমাৰি হাঁহিৰ খলকনিত তল-ওপৰ লগাই দিলে। তাৰ পাছত, নিজম পৰাত, সেই 'পৰুৱাই পোৱা' আপদৰ আতিগুৰি 'কাৰ্জন হল' সমস্যাৰ বিবৃতি দিওঁতে কৌতুকাকুল সমজুৱা ৰাইজে ৰহস্যোদ্দীপক ৰাগীত উৰুলীকৃত হৈ হাঁহি খলকনি লগোৱাত মই ক্ষন্তেকমান থমকখাই ৰ'ব লগাত পৰিছিলোঁ, তাৰ পাছত, কাঁহ-পৰি জিম যোৱাৰ দৰে নিজম পৰাত, আকৌ এফেৰি প্ৰকৃতিস্থ হৈ, বিবিধ বিষয়ক গৱেষণামূলক কথাৰ অৱতাৰণা কৰি, কটন কলেজ প্ৰতিষ্ঠিত হোৱাৰেপৰা তাৰ বৰ্তমান উন্নত অৱস্থালৈকে বৰ্ণাই ভালেমান তথ্যগ্ৰাহী অতীতৰ কাহিনী দাঙি ধৰি বিশিষ্ট অধ্যাপক অসম হিতৈষী মিঃ চুডমাৰ্চন প্ৰিন্সিপাল চাহাবৰ শলাগ লৈ বক্তৃতাৰ সামৰণি মাৰিলোঁ; এই

শেহৰছোৱা বক্তৃতাৰো মাজে মাজে সমজুৱামণ্ডলীৰ মাজৰপৰা সঘনে হাত চাপৰিৰ শব্দাগনি উঠিছিল, কিয় কিন্তু ক'ব নোৱাৰোঁ। সভা ভঙ্গৰ পাছত, সেই 'কাৰ্জন হল' সভাঘৰ আৰু কমিশ্যনাৰ চাহাবৰ অফিচৰ মাজৰ চাপৰিটোৰ মাজেদি পোনাই সম্মিলনীৰ মণ্ডপৰ মুখে আহি আছোঁ, এনেতে কেইহাতমানৰ অন্তৰে পিছে পিছে আহি থকা ৺শ্ৰীমান লক্ষ্মীধৰ শৰ্মা প্ৰমুখ্যে জনদিয়েক ডেকা সাহিত্যিকে এইদৰে কোৱাকুই কৰা শুনি আহিব লগা হৈছিল, "গোহাঞিবৰুৱাৰ ৰসিকতা আজিৰ বক্তৃতাত অতি মনোৰঞ্জককৈ ফুটি ওলাইছিল ; বাস্তৱতে তেখেতে খুহুটীয়া ভাষাৰে এনে হাস্যোদ্দীপক ৰহস্যজনক সাৰুৱা বক্তৃতা দিয়া ইয়াৰ আগেয়ে শুনা নাছিলোঁহঁক।"

পিছদিনা আবেলি ৩॥ বজাৰপৰা সভামণ্ডপত 'টী-পাৰ্টী'ৰে সৈতে এখন প্ৰীতিসম্মিলন বহিল। তাত অসমৰ বিবিধ কেন্দ্ৰৰপৰা যোৱা ডেলিগেট বা প্ৰতিনিধিবৰ্গ আৰু স্থানীয় ভালেমান নবীন আৰু প্ৰবীণ সাহিত্যিক সমবেত হৈছিল। সম্মিলিত সমজুৱাসকলে মুকলি মনেৰে মনোভাব সলনাসলনিকৈ মিলাপ্ৰীতিৰে কথা-বাৰ্তা হৈ আন্তৰিক আনন্দ উপভোগ কৰিছিল। সেই আলমতে মোৰ সমনীয়া সহযোগী সহকৰ্মী বয়সীয়া বিশিষ্ট প্ৰবীণ সাহিত্যিক কেজন(যেনে ৺শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা,৺হেমচন্দ্ৰ গোস্বামী,৺সত্যনাথ বৰা, ৺কমলাকান্ত ভট্টাচাৰ্য, ৺ৰজনীকান্ত বৰদলৈ, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, শ্ৰীযুত কালীৰাম মেধি, শ্ৰীযুত ৰঘুনাথ চৌধাৰী, ৺সোণাৰাম চৌধুৰী, ৺কমলচন্দ্ৰ বৰুৱা, শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী জমিদাৰ প্ৰভৃতি) আৰু নবীন সাহিত্যিকসকল (যেনে—শ্ৰীমান দণ্ডিনাথ কলিতা, শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, শ্ৰীমান সূৰ্যকুমাৰ ভূঞা, শ্ৰীমান সৰ্বেশ্বৰ কটকী, মিঃ জ্ঞানদাভিৰাম বৰুৱা, শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী, ৺জলুটিৰাম লহকৰ, ৺লক্ষ্মীধৰ শৰ্মা প্ৰভৃতি ) এই সাহিত্যিক মণ্ডলীৰ মাজত বহি মুখ চোৱাচুইকৈ মন-জুৰলগা হৰিষ ভাৱৰ কথা-বাৰ্তা পাতি চাহ-জলপান খাই উৰুলীকৃত অন্তৰেৰে যি হৃদয়ৰঞ্জক আনন্দ উপভোগ কৰিছিলোঁ সি আজিকোপতি মোৰ সোঁৱৰণী পটত ফটফটীয়াকৈ জিলিকি আছে। চাহ-জলপানৰ পাছত, মুহুদি মুখত লৈ, সবাওটি উঠি মণ্ডপৰ আশে-পাশে ঘূৰি-পকি যোৱাযোৱাকৈ তহলিবলৈ ধৰা হ'ল। মই মোৰ মিঠামুখীয়া সমনীয়া বন্ধু ৺হেম গোসাঁইদেৱৰে সৈতে যোৰপাতি তহলনিত যোগ দিছিলোঁ ; এনেতে সভাপতি বেজবৰুৱাৰ জীয়াৰী শ্ৰীমতী ৰত্না আইদেউৰ ওপৰত মোৰ চকু পৰাত তেওঁৰে সৈতে দু-আষাৰ কথা পাতিবলৈ মোৰ মন গ'ল। তীক্ষ্ণমনা গোসাঁইদেৱে মোৰ মনোভাৱ বুজি উঠি, মোক আইদেউৰ ওচৰত ভেঁটাই দিবলৈ তেওঁৰ দেউতাক বেজবৰুৱাক কথাৰ লাচতে কৈ পেলালে ; বেজবৰুৱাই জীয়েকক বাওঁহতীয়া আঁকোৱালিৰে ধৰি মোৰ কাষলৈ চপাই আনি, এইবুলি চিনাকি কৰি দিলে, "এইজনেই সাহিত্যিক পেঞ্চনাৰ শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা, এখেতেই বৰ্তমান আমাৰ সবাতকৈ আগৰণুৱা সাহিত্যৰথী ; তুমি এখেতৰ প্ৰতি প্ৰণাম জ্ঞাপন কৰি চৰিতাৰ্থ হোৱাঁ।" সেই অনুসৰি, আইদেৱে কৰপুটে প্ৰণাম জ্ঞাপন কৰাত, মই হৰ্ষগদগদ হৈ হৰিষ অন্তৰেৰে এইবুলি আশীৰ্বাদ দিলোঁ, "সুযোগ্য সাহিত্যৰথীৰ সুযোগ্যা জীয়াৰী হৈ চিৰজীৱী হোৱাঁ।" তাৰ পাছত, দুয়ো মুকলি মনেৰে ঘৰুৱা সুৰদি অসমীয়া কথাৰে কন্তেক কথা-বাৰ্তা পাতি পৰম প্ৰীতিলাভ কৰিলোঁ।

সদৌশেহত. চাপিল বিদায় লোৱা-লুইৰ অতৃপ্ত আলিঙ্গনৰ ক্ষণ। গাব-নোম-নেদেগা সন্ধিয়া আৰু ৰাতিৰ সন্ধিক্ষণত আমি সদৌটি সানমিহলি হৈ ইটিয়ে সিটিয়ে সাবটা-সাবটিকৈ বিদায় লোৱা-লুই কৰিলোঁহঁক। নিচেই সামৰণি ক্ষণত সমনীয়া সাহিত্যিক বন্ধু ৺বেজবৰুৱা আৰু মই দুয়ো সাবটা-সাবটিকৈ দুইকো দুয়ে প্ৰেমালিঙ্গন দিয়াদিয়িকৈ দুইৰো ওচৰত দুয়ে শেষ বিদায় লোৱা-লুইকৈ গধুৰ অন্তৰেৰে আঁতৰা-আঁতৰি হলোঁহঁক। পিছদিনা পুৱা ৮ মান বজাত মোৰ আলহী বহা-বঙলাত মোৰ অতি চেনেহৰ মাজিউ ভনী ৺আইকণ আইদেউ আৰু সহোদৰপ্ৰতিম মাজিউ ভনী-জোঁৱাই ৺সূৰ্যকান্ত বৰুৱা, বি-এ, ই-এ-চি, ‘বৰমইনা’ৰপৰা বিদায় লৈ, জাহাজত উঠি তেজপুৰ অভিমুখে ওলটা-যাত্ৰা কৰিলোঁ।

৺বেজবৰুৱাৰ ওচৰত সঁচাকৈয়ে সেয়ে মোৰ শেষ বিদায় হ’ল; তাৰ পাছত বাকী কুৰি বছৰৰ ভিতৰত তেওঁৰ লগত আৰু সোঁশৰীৰেৰে আমাৰ দেখাদেখি নহ’ল। ইতিমধ্যত ডিব্ৰুগড়ৰ শ্ৰীমান ৰোহিণীকুমাৰ বৰুৱা বোপাৰ লগত শ্ৰীমতী ৰত্না আইদেউৰ বিয়া হৈ গ’ল। সেই শেষ বিদায়ৰপৰা ঠিক কুৰি বছৰৰ পাছত ৰত্না-ৰোহিণী জী-জোঁৱাইৰ ঘৰত ৺লক্ষ্মীনাথ বেজবৰুৱা বন্ধুপ্ৰবৰৰ জীৱন সামৰণ হোৱা বিজুলী-বাতৰি পাই থৰ্‌মৰ্‌ খাই এই কেইআষাৰ কৱিতা-বাণীৰে সন্তপ্ত হৈ ৰলোঁ ঃ

কান্দো-কান্দো মন-প্ৰাণ কান্দন ওলাই নাহে,
শোকাশ্ৰু উপচি পৰি চকু-লো বাগৰি আহে !
ঘনেঘন নিশ্বাসত ভগাবুকু ভাগি যায়,
দীঘলীয়া হুমুনিয়া,—অৰ্থ তাৰ অন্ত নাই !
মৰ্মস্থল মথিমুৰ কৰি কিহে অসাঠন,
কৰে এনে বিচাটন পোৰা দেহ-প্ৰাণ-মন !
নেদেখাত দেখি থকা প্ৰিয়তম লগৰীয়া,
সহধৰ্মী, সহযোগী, সহকৰ্মী, সমনীয়া,
তনুত্যাগী হ’ল বুলি বিজুলী-বাতৰি আহে !
অকলশৰীয়া ভেল্লা মোৰ বিষাদত ভাহে !
নামানে যে মনে মোৰ নাহে প্ৰাণে পতিয়ন,
খুহুটীয়া ‘ৰসৰাজ’ স্বৰ্গী হোৱা বিজ্ঞাপন !
ৰাজ-বেজ বৰুৱাক বধে কোনে,—সাধ্য কাৰ ?
মৰিও অমৰ তেওঁ লেখনীৰে আপোনাৰ।

‘অসমীয়া ভাষা’ নাম আছেমানে জগতত,
‘কৃপাবৰ’ লক্ষ্মীনাথ অমৰ ই মৰতত।

# ষট্‌পঞ্চাশত্তম সৰ্গ

## হাইকোৰ্টত সাংঘাতিক গোচৰ

ইয়াৰ আগতে ৫১শ সৰ্গৰ ২য় ছেদত, দ্বিতীয়া কন্যাদান আৰু দ্বিতীয় জোঁৱাই ৺হৰিনাথ গগৈদেৱৰ অকাল-বিয়োগ বিষয়ক বিবৃতিৰ মাজতে কলিকতা হাইকোৰ্টত 'সাম্য প্ৰেছ'ৰ স্বত্বাধিকাৰী ৺কৃষ্ণকুমাৰ মিত্ৰ মহাশয়ৰ নামে মোৰ ওপৰত কৰা সাংঘাতিক দেৱানী গোচৰৰ কথা উনুকিয়াই অহা গৈছে। তাতে সুঁৱৰি অহা হৈছে, কি উদ্দেশ্যে কেনেভাৱে মোৰ সেই দ্বিতীয় ধৰ্মপুত্ৰ ৺গগৈদেৱক মোৰ সাহিত্যিক আৰু অন্যান্য সাংসাৰিক সদৌ বিষয়ববীয়া উত্তৰাধিকাৰী পাতিবৰ সংকল্পে শিক্ষাত ( training ) অভ্যস্ত কৰাইছিলোঁ। সেই আলমতে "লীলা এজেন্সী"ৰ মেনেজাৰী ক্ষমতাৰে সৈতে মোৰ সেই কিতাপৰ ব্যৱসায় চলাবলৈ সম্পূৰ্ণ এক্তিয়াৰ তেওঁত অৰ্পণ কৰা হৈছিল। সিফালে কলিকতাত সাম্য প্ৰেছ আৰু "সঞ্জীবনী" কাকতৰ প্ৰপ্ৰাইটৰ বা স্বত্বাধিকাৰী বৃদ্ধ ৺কৃষ্ণকুমাৰ মিত্ৰ মহাশয়েও তেওঁৰ একমাত্ৰ পুত্ৰ-সন্তান বাবু সুকুমাৰ মিত্ৰ বি-এ, ডেকাৰ হাতত উক্ত প্ৰেছ আৰু কাকতৰ মেনেজাৰী বাব গতাই নি ব্যৱসায়ী কাৰ্যভাৰ পাতলাই লৈ বহিছিল। এই উভয়পক্ষীয়া ব্যৱস্থাত ইফালে "লীলা এজেন্সী" আৰু সিফালে "সাম্য প্ৰেছ" এই দুই ব্যৱসায়ৰ যাৱতীয় কাৰ্য উক্ত ডেকা মেনেজাৰ দুজন বাবু সুকুমাৰ মিত্ৰ বি-এ আৰু ৺হৰিনাথ গগৈ বি. এলৰ দ্বাৰাই পৰিচালিত হৈছিল; দুয়ো প্ৰপ্ৰাইটৰৰ প্ৰতিনিধিৰূপে স্বাধীনভাৱে লিখা-লিখি কৰি নিজ নিজ ব্যৱসায় চম্ভালি চলিছিল।

সেই সময়ত মোৰ "অসমৰ বুৰঞ্জী" আৰু "জীৱনী সংগ্ৰহ" এই ডাঙৰ গ্ৰন্থ দুখন "লীলা এজেন্সী"ৰপৰা "সাম্য প্ৰেছ"ত ছপোৱা হৈছিল। সেই প্ৰসঙ্গতে দেনা-পাওনাৰ হিচাপ ( আমাৰ মতে, আগধন বা এডভান্স বাদে প্ৰেছক মুঠেই ১৫০০৲ দিব লাগে; প্ৰেছৰ মতে ২০০০৲ পাব লাগে, মুঠতে ৫০০৲ টকাৰ গড়মিল ) আৰু উক্ত গ্ৰন্থ দুখন ছপা কাৰ্যৰ বেমেজালি বিষয়ক মতানৈক্য ঘটি দুইবো মাজত লিখা-লিখিৰ তৰ্কবাদ চলিবলৈ ধৰিলে। তলে-তলে সেই তৰ্ক-বাদ গুৰুতৰ হৈ উঠি সি বিবাদত পৰিণত হয়। লিখা-লিখিৰ অৰিয়া-অৰিত কেৱে কাকো বাট এৰি নিদিয়া হেতুকে সেই বিবাদ অনতিপলমে অগ্নিৱত প্ৰজ্বলিত হৈ উঠিল। আমি দুই বুঢ়াই কিন্তু তেতিয়ালৈকে তাৰ অলপো সন্তেদ পোৱা নাছিলোঁ। ডেকা মেনেজাৰ দুজনৰ মাজত "মুখামুখি ছেড়ে শেষে হাতাহাতি" হোৱাৰ উপক্ৰম ঘটিল। তাৰ পৰিণামত, এদিন অভাবনীয়ভাৱে "Krishna Kumar Mitra, versus Padmanath Gohain Borooah" বুলি এখন দেৱানী গোচৰৰ চমন কলিকতা হাইকোৰ্টৰ Original Sideৰ জজৰ ছাব-মোহৰে সৈতে হঠাৎ মোৰ ওপৰত জাৰি হ'লহি; চমন পাই মই বিচূৰ্তি! তাৰ পাছত, ৺'মাজিউ'ৰপৰা ( ৺হৰিনাথ ) সেই বিষয়ক আদ্যোপান্ত সন্তেদ লৈ, দিনদিয়েক দোৰ্ঘোৰ চিন্তালোচনাত মূৰ ঘমাই, শেহত আইন ব্যৱসায়ী উকীলৰ লগত পৰামৰ্শ কৰি, অনতিপলমে বাবু অভয়নাথ দাস,

বি-এল নামক এজন কালকতা হাইকোর্টৰ চলিচিটাৰক নিযুক্ত কৰি গোচৰটো তয়নাৎ কৰিবলৈ লগাই দিলোঁ। সেই অনুসৰি, ইং ২৯।৭।১৯২৭ চনৰপৰা এই সাংঘাতিক গোচৰ চলিবলৈ ধৰে।

আৰম্ভণত গোচৰৰ গতিক ভালেই বুলিব লাগে। চলিচিটাৰে বৰ উল্লাহেৰে কাৰ্য হাতত লৈ, গোচৰ সংক্ৰান্ত কাকত-পত্ৰ চাই-চিন্তি মোলৈ লিখি পঠালে যে, এই গোচৰৰ ভেঁটি উতনুৱা, ইয়াৰ ওপৰত ঘৰ তুলিবলৈ নৌ পাওঁতেই তেওঁ তাক টিলিকিতে উৰুৱাই দিব; চলিচিটাৰৰ ফিজে সৈতে খৰচ মাথোন পাঁচশ টকামান পৰিব, সোনকালে পঠিয়াব লাগে। মই সেইমতে ততালিকে পাঁচশ টকা মণি অৰ্ডাৰকৈ পঠিয়াই সাম্প্ৰতিকভাৱে নিশ্চিন্ত হলোঁ। সিপক্ষেও সিবিলাকৰ ব্ৰহ্ম বন্ধু বাৰিষ্টাৰ এজনাৰ দ্বাৰাই গোচৰ তয়নাৎ কৰাবলৈ ধৰিলে। এই আৰম্ভণিতে বছৰদিয়েক পাৰ হৈ গ'ল, কিন্তু সিফালে গোচৰ 'ঋজু' হৈয়েই নুঠে! মাজে-সময়ে মাথোন আমাৰ চলিচিটাৰে গোচৰ সংক্ৰান্ত তথ্য বিচাৰি চিঠি-পত্ৰ দিয়ে আৰু তাৰ লগে লগে ২০০৲।৩০০৲ কৈ টকা খুজি পঠিয়াই! এইভাৱেই তিনি বছৰমানৰ ভিতৰত গোচৰৰ খৰচাদি বাবদ চলিচিটাৰলৈ মুঠতে ডেৰ হাজাৰমান টকা পঠিওৱা হ'ল; আৰু চতুৰ্থ বছৰত গোচৰটো যথা নিয়মে দাখিল কৰা হৈ উঠিল। ধন ভগনৰ গতি-গোত্ৰলৈ চাই আৰু ভৱিষ্যতৰ ফলাফল ভাবি সিমানতে গোচৰটো মিট্‌মাট্ কৰাৰ অভিপ্ৰায়ে তৃতীয় এক পক্ষৰ হতুৱাই সাম্য প্ৰেছৰ প্ৰপ্ৰাইটৰ বাবু কৃষ্ণকুমাৰ মিত্ৰলৈ ভিতৰ বিশ্বাসত লিখা-লিখি চলাই বুজিব পাৰিলোঁ, তেওঁৰো সেই মত, ধাৰ্মিক দেশহিতৈষী ৺মিত্ৰ মহাশয়েও, অনৰ্থক ধনভগনতকৈ মিটমাট হোৱাটোকে বাঞ্ছনীয় বোধ কৰি, আমাৰ হিচাপমতে দিবলগীয়া ১৫০০৲ শ টকাকে লৈ গোচৰটো উঠাই ল'বলৈ সন্মতি প্ৰকাশ কৰিছিল। এনেতে ডেকা মেনেজাৰ দুজনে তাৰ সন্তেদ পাই মিটমাটৰ বিৰুদ্ধে মটমটীয়াকৈ থিয় দিলে তাতে ধনলোভী কলিকতীয়া উকীল-বাৰিষ্টাৰ-চলিচিটাৰ দলৰ উচটনিৰ বতাহ পাই দুয়ো বুকুফিন্দাই ফেৰ পাতি ধৰিলে, আমি বুঢ়া গৰাকী বা প্ৰপ্ৰাইটৰ দুজনৰ সেই প্ৰস্তাৱ কেনিবা কৰবালৈ উৰি গ'ল, গোচৰ পয়োভৰে চলি থাকিল।

এইভাৱেই আৰু দুবছৰমান পাৰ হৈ গ'ল, কিন্তু গোচৰৰ পাৰ দেখা ন'গল। ফলতঃ গোচৰৰ গতি-গোত্ৰ ক্ৰমাৎ জটিলহে হ'বলৈ ধৰিলে। এনেতে, চলিচিটাৰৰপৰা বাতৰি আহিল, বোলে বাদীৰ লগত ইতিপূৰ্বত চলি থকা কাৰবাৰৰ আঁতিগুৰি আৰু লেন-দেনৰ সবিশেষ সন্তেদ নাপালে বিবাদী পক্ষৰ 'জবানবন্দী' আদি মছাবিদা কৰিব নোৱাৰি; গতিকে তদৰ্থে মোৰ উপস্থিতিৰ প্ৰয়োজন। ইফালে ইতিক্ষণত মোৰ শাৰীৰিক সাংঘাতিক অৱস্থা। ইয়াৰ আগেয়ে যথা ঠাইত উন্নুকিয়াই অহা হৈছে যে সেই সময়ত 'ডবল হাৰ্ণিয়া' ব্যাধিৰ বিকাৰত মই জঠৰপ্ৰায়; ডাক্তৰৰ মানাহি চেৰাই মই তেজপুৰৰ সীমা এৰি কলৈকো থোজ এটাকে বাজ হ'ব নোৱাৰোঁ। তদুপৰি, বাৰিষ্টাৰ নহ'লে বোলে জজৰ আগত চলিচিটাৰে কোনো যুক্তি-তৰ্ক কৰিব নোৱাৰে; সেই কাৰণেই বাদীৰ পক্ষে আদিৰেপৰা গোচৰটো বাৰিষ্টাৰৰ দ্বাৰাই তয়নাৎ কৰাইছে; গতিকে আমাৰ তৰফৰপৰাও এজন বাৰিষ্টাৰ লগাব

লগাত পৰিছে ; বাৰিষ্টাৰৰ বানচ নিচেই তাকৰকৈও ৩০০৲ টকা। এই বাতৰি পাই মই বিবুদ্ধি হলোঁ। উপায়ান্তৰ হৈ, অগত্যা মোৰ সলনি শ্ৰীমান 'মাজিউ'কে (৺হৰিনাথ গগৈ) কলিকতালৈ পঠোৱাটো স্থিৰ কৰিলোঁ। কিয়নো 'সাম্য প্ৰেছ'ৰ লগত 'লীলা-এজেঞ্চি'ৰ বিগত কাৰবাৰৰ বিষয়ে মোৰ বিহনে 'মাজিউ'ত বাজে আন কেৱে বিশদকৈ নাজানে। সেই সময়ত শ্ৰীমান নগাঁৱত আছিল। তাৰেপৰা বাজে বাজে কলিকতালৈ যাবলৈ বুলি খৰচাদিৰ কাৰণে ১০০৲ টকা মণি অৰ্ডাৰ কৰি পঠিয়াই শ্ৰীমানক আদেশ দি ইফালে বাৰিষ্টাৰৰ ফিজ বাবদে চলিচিটাৰলৈ ৩০০৲ মণি অৰ্ডাৰ কৰিলোঁ। আদেশ পোৱা মাত্ৰকে মোৰ একান্ত বাধ্য দ্বিতীয় ধৰ্মপুত্ৰ শ্ৰীমান হৰিনাথ গগৈদেৱে অনতিপলমে কলিকতালৈ যাত্ৰা কৰি, তাত এপষমান থাকি গোচৰ সংক্ৰান্ত লাগতিয়াল সম্ভেদাদিৰ যোগান দি চলিচিটাৰক যুগুত দিহা লগাই দি আহিলগৈ। হাঁয়! আহিলগৈ, কিন্তু মোক আৰু দেখা দিবলৈ নাপালেহি! নগাঁৱতে হঠাৎ 'আই' ওলাই অকস্মাৎ মোৰ সোণাই অকাল মৃত্যুৰ গৰাহত পৰিল!

মোৰ শোকবিহ্বল অৱস্থাতে আৰু এবছৰমান পাৰ হৈছে, বাহিৰে ব্যাধিৰ বিকাৰ, ভিতৰি অসহনি মনস্তাপ। এনেতে, আকৌ চলিচিটাৰৰপৰা বাতৰি আহি পৰিল, বোলে, বিবাদীয়ে (মই) স্বয়ং উপস্থিত হৈ জজৰ আগত জবানবন্দী নিদিলে নচলে, নতু গোচৰৰ ফলাফল 'একতৰফা' ডিক্ৰি! মই বিবুদ্ধি! ভাবিলোঁ, এইবাৰহে নিগমে ডুবিলোঁ! তথাপি যি এটা মাথোন অন্যতম উপায় ( alternative means ) কমিচন ( deposition commission ) পাতি তেজপুৰতে মোৰ জবানবন্দী লিপিবদ্ধ কৰি পঠিওৱাটো বাকী ৰৈছিল, তাকে অৱলম্বন কৰাৰ অৰ্থে ৩০০৲ মান টকা খৰচ কৰি চলিচিটাৰৰ যোগে মঞ্জুৰ কৰাই অনোৱা হ'ল। যথা সময়ত মোৰ "বস্তি"-অফিচতে কমিচন বহিলহি। দুদিন বহাৰ পাছত, বাদীৰ পক্ষৰ কলা-কৌশলত বস্তি-অফিচৰপৰা উঠাই নি কাছাৰি-ঘৰত কমিচন পতা হ'ল। তাতো তিনদিনমান বহি কমিচনে কাম শেষ কৰিলে, কিন্তু মোৰ মনত আশঙ্কা ৰৈ গ'ল। ফলাফল অদৃষ্টৰ ওপৰত নিৰ্ভৰ কৰি বাট চাব লগাত পৰিলোঁ।

সন্দিহান আৰু উদ্বিগ্ন চিতেৰে আৰু মাহচেৰেক কটাইছোঁ, এনেতে চলিচিটাৰৰপৰা জৰুৰী জাননী আহিল, বোলে, কমিচনে লিপিবদ্ধ কৰি পঠোৱা জবানবন্দী বৰ বিষম ; আগন্তুক ফলাফল মাৰঘাট, তুৰন্তে মই কলিকতালৈ গৈ মিটমাটৰ দিহা নলগালে বাদী পক্ষৰ জয় ঠাৱৰ। এই বাতৰি পাই মই থৰ্‌মৰ্‌ খাই পৰিলোঁ! ভাবিলোঁ, এইবাৰহে সমূলঞ্চে বুৰিলোঁ! ভাবিলোঁ, কিন্তু ৰবৰ সময় নাই, গোচৰৰ 'ৰায়' শুনাবলৈ ধাৰ্য হোৱা দিন অনুসাৰে মাজতে মুঠেই এপষ মাথোন বাকী। ভাবিব-চিন্তিবৰ আৰু সময় নাই, আপদৰ ঢৌতে থৰ্‌ মাৰি, মিতিৰৰ ঘৰৰ চেঙেৰা ল'ৰা এটিক ( বৈনাই শ্ৰীযুত ৰাধিকাকান্ত হেড ক্লাৰ্কৰ পুত্ৰ শ্ৰীমান ৰোহিনীকান্ত ওৰফে থুনু ) গা-চোৰাকৈ ( body guard ) লগত গৈ, ডাক্তৰৰ মানাহী চেৰাই মৰোঁজাওঁকৈ অগত্যা কলিকতালৈ বিপদমুখীয়াকৈ যাত্ৰা কৰিলোঁ। ডেৰদিনৰ মুৰত কলিকতা পাই, হেৰিচন ৰোড আৰু আমহাৰ্ষ্ট ষ্ট্ৰীটৰ জংচনত অসমীয়া সদাগৰৰ দ্বাৰাই প্ৰতিষ্ঠিত 'Royal the Hotel' নামে আলহী বহাত থিত ললোঁগৈ। কিন্তু জিৰাবৰ সময় নাই,

সেইদিনাই সন্ধিয়া ততালিকে মোৰ পুত্ৰপ্ৰতিম খাদ্ধৰ শ্ৰীমান জ্ঞাননাথ বৰা বি-এল 'এডভোকেট' আৰু শ্ৰীমান অম্বিকানাথ বৰা এম-এ দেৱকে ( ৺সত্য বৰাৰ পুত্ৰদ্বয় ) লগ ধৰি সিবিলাকৰ পৰামৰ্শ ললোঁগৈ। পিছদিনা পুৱা ১১ বজাত হাইকোৰ্টৰ কাষতে থিতাপিত চলিচিটাৰজনৰ অফিচত উপস্থিত হৈ, তেওঁৰে সৈতে গোচৰ সংক্ৰান্ত আলোচনাত লাগি গলোঁহঁক।

গোচৰৰ নথী তন্ন-তন্নকৈ পৰীক্ষা কৰি, ছেদে ছেদে চলিচিটাৰৰ ব্যাখ্যা শুনি, ১১ বজাৰ পৰা ৪ বজালৈকে দুইৰো ভিতৰত তৰ্কালোচনা চলাই দেখিলোঁ আৰু বুজিলোঁ চলিচিটাৰ নিতান্তে কু-ফলৰ ফলীয়া, শুভফলৰ কথা তেওঁৰ মুখত নোলাল ; আৰু তেওঁ যিবোৰ কূট-তৰ্ক কৰিলে সেইবোৰ বিপক্ষৰ অনুকূলীয়াহে। দেখি-শুনি তেওঁৰ ওপৰত মোৰ চোভা জন্মিল, ভাবিলোঁ সম্ভৱতঃ বাদীয়ে গুপুতে কিবা চেলেকাই তেওঁক হাত কৰি লৈছে ; ইয়াকে ভাবি মই তেওঁক প্ৰশ্ন কৰিলোঁ, বোলোঁ, তেওঁ যিবোৰ কূট-তৰ্ক কৰিলে সেইবোৰ প্ৰকাশ্যে আমাৰ প্ৰতিকূলেহে যায়, ইয়াৰ কাৰণ কি? তেওঁ ততালিকে উত্তৰ দিলে যে, আমাৰ প্ৰতিকূলহে তেওঁ বিৱৰি দেখুৱাইছে। শুনি, মই কলোঁ, তেন্তে তেওঁ তাৰ পাছত মোক আমাৰ অনুকূলীয়া পথ দেখুৱাওক। তদুত্তৰত তেওঁ তুৰন্তে একেষাৰে কৈ পেলালে, সেইটো একেবাৰে অসম্ভৱ! মই অবাক্! ক্ষন্তেকমান থৰ্ লাগি বৈ, আকৌ সুধিলোঁ, বোলোঁ, তেন্তেনো উপায় কি? তেওঁ ততালিকে উত্তৰ দিলে যে, মিটমাটত বাজে আন উপায় নাই। মই হতাশ হলোঁ, বিৰক্তিৰ উত্তেজনাত ঘামি গলোঁ! তথাপি, মনৰ বেগ মনতে মাৰ নিয়াই বাহ্যিক ধীৰভাৱে কলোঁ, বোলোঁ, এনে ব্যৱস্থাচোন আদিতে কৰিব পৰা গ'লহেঁতেন। মিছাতে অজস্ৰ ধন ভগন কৰাই আজি ৭ বছৰ তেওঁ এই লেলেটীয়া গোচৰ সংক্ৰান্ত লেলাট ভূঞ্জাই মাৰিলে কিয়? শুনি, সেমেনাসেমেনিকৈ তেওঁ এইবুলি উত্তৰ দিলে, "কলিকতা হাইকোৰ্টৰ (Civil, Original side ) গোচৰ এনেকুৱাই!" ইমানতে কিস্তিমাত! উপায়ান্তৰ হৈ, সদোশেহত মই মিটমাটৰ প্ৰস্তাৱকে অগত্যা গ্ৰহণ কৰিলোঁ।

পিছদিনা উভয়পক্ষৰ বাৰিষ্টাৰ আৰু চলিচিটাৰৰ আলোচনা আৰু মীমাংসাৰ ফলাফল মোক মোৰ চলিচিটাৰে জ্ঞাপন কৰিলে ; সেই অনুযায়ী বিবাদীয়ে বাদীক তেওঁৰ আদি দাবী ( original claim ) বাবদ ডেৰ হাজাৰ টকা দিব আৰু বাদীয়ে বিবাদীৰ সমুদয় ব্লক ফেৰৎ দিলে বিবাদীয়ে তেজপুৰত দাখিল কৰা ৯৯৯৲ টকাৰ গোচৰটো উঠাই ল'ব ; বাদীৰ খৰচাদি বাবদ যি দিয়া-লোৱা হ'ব সি উভয় পক্ষৰ বিবেচনাধীন হৈ থাকিব। এই সিদ্ধান্ত কাৰ্যত পৰিণত হ'লেই বাদীয়ে গোচৰটো উঠাই ল'ব আৰু আইন অনুযায়ী মিটমাট হৈ যাব। ভৱিষ্যৎ জঞ্জালৰ আপদ এৰাবৰ অভিপ্ৰায়ে মই অগত্যা সেই প্ৰস্তাৱতে মান্তি হলোঁ। এসপ্তাহমানৰ পাছত তেজপুৰলৈ উলটি আহি দাতব্য ডেৰ হাজাৰ টকা ডাকত পঠোৱা হ'ল ; গোচৰটো মিটমাট হৈ গ'ল।

গোচৰ মিটমাট হ'ল। তাৰ বিষাক্ত বিষ দাঁত উভালি পেলোৱা হ'ল। কিন্তু, "সাপ মাৰি নেগুৰত বিষ এৰা"ৰ নিচিনা হ'ল ; ব্লকবোৰ ওলোটাই দিয়া আৰু গোচৰ সংক্ৰান্ত খৰচাদি

আদায় কৰা এই দুই বিষয়ক জইন্ নমৰাত গোচৰৰ নেগুৰ কেৰ্ মেৰায়ে ৰ'ল, সেইভাৱেই আৰু তিনি বছৰ পাৰ হ'ল। ইতিমধ্যত, কলিকতা হাইকোৰ্টৰ এডভোকেট শ্ৰীমান জ্ঞাননাথ বৰা বি-এল প্ৰমুখ্যে কেইবাজনো মোৰ ফলীয়া বান্ধৱ কটকীৰ জৰিয়তে গোচৰৰ সেই জইন্ মাৰিবলৈ বহু পুৰুষাৰ্থ কৰিলোঁ, কিন্তু সাম্য প্ৰেছৰ মেনেজাৰ সুকুমাৰ মিত্ৰ বাবুৰ কাৰ্চাজিত সি সেইভাৱেই থিহিৰা মাৰি ৰ'ল। গতিকে ভৱিষ্যৎ ভাবি তাৰ বিকাৰ উক্ দিয়াৰ আশঙ্কাত, সেই আপদীয়া গোচৰ সংক্ৰান্ত অশান্তি মোৰ মনত উমাই উমাই জ্বলিয়েই থাকিল।

এনেতে, সুকুমাৰ বাবুৰ পিতাক, সাম্য প্ৰেছৰ গৰাকী, প্ৰখ্যাত "সঞ্জীৱনী" কাকতৰ সম্পাদক বৃদ্ধ কৃষ্ণকুমাৰ মিত্ৰ বাবু বৰ টান নৰিয়াত পৰিল। একেৰাহে কেইবামাহো সেই নৰিয়াত পৰি থাকি, সদৌ শেহত তেওঁ নিজৰ অন্তিমকাল গণি, তেওঁৰ যাৱতীয় সাংসাৰিক লেঠা মাৰি, নিস্পৃহভাৱে ইহলোক এৰিবলৈ সক্ষম হ'ল। সেই অৰ্থে এই সংসাৰৰ সমুদায় 'দেনা-পাওনা' আদি 'নিকাশ' কৰি, সাংসাৰিক শৰীৰ পথালি নিকা হৈ ল'বলৈ হাবিয়াস ব্যক্ত কৰিলে ; আৰু সেই উদ্দেশ্যেই, যাক যি দিবলগীয়া আছিল সমুদায় পৰিশোধ কৰি, যাৰপৰা যি অলপ-অচৰপ প্ৰাপ্তি আছিল তাকো নিষ্পত্তিকৈ এৰি পেলালে। সেই আলমতে কৃষ্ণকুমাৰ মিত্ৰ আৰু মোৰ নামে চলা সেই আপদীয়া গোচৰৰো সমূলঞ্চে শিপা ছিগি নিৰ্মূল হ'ল, মই নিশ্চিন্ত হলোঁ। ৺কৃষ্ণকুমাৰ মিত্ৰ এজন নিস্বাৰ্থ নিভাঁজ দেশহিতৈষী আৰু পৰম ধাৰ্মিক পুৰুষ আছিল ; তেওঁৰ দ্বাৰাই চালিত আৰু সম্পাদিত "সঞ্জীৱনী" কাকতৰ জৰিয়তে তেওঁ অসমৰ বাগিচাৰ কুলীৰ দুৰ্ভাগ্যও কিয়ৎ পৰিমাণে প্ৰসন্ন কৰি তুলিছিল। তদৰ্থে তেওঁৰ ওলগ লোৱাৰ আভাসেৰে, মই ৺কৃষ্ণকুমাৰ মিত্ৰ মহাশয়ৰ চমু-জীৱন-চৰিত এখন আঁচি মোৰ "নীতিশিক্ষা" মাজছোৱাত সন্নিবিষ্ট কৰি থলোঁ।

পিতৃ-বিয়োগৰ পাছত উত্তৰাধিকাৰী সুকুমাৰ বাবুৱে বছৰচেৰেক পূৰ্বৰ ব্যৱসায় চলাই আছিল ; মোৰপৰাও গ্ৰাহক হিচাপে যথেষ্ট সহায়-সহানুভূতি পাই আছিল। ইতিমধ্যত মোৰ ব্লকবোৰ চম্‌জি ল'বলৈ কেইবাবাৰো তেওঁ মোক জনাইছিল, মইহে সুবিধা কৰি উঠিব নোৱাৰিলোঁ ; এতিয়া তেওঁৰ ব্যৱসায় লোপ পোৱাৰ লগে লগে মোৰ সেই ব্লকবোৰৰো সন্ধান নোপোৱাত পৰিছোঁ।

# সপ্তপঞ্চাশত্তম সৰ্গ

## অসমত কংগ্ৰেছ

ইং ১৯২৬ চনৰ ছেপ্টেম্বৰ মাহৰ আগপষত এদিন আবেলি বেলিকা শ্ৰীমান ৰোহিণীকান্ত হাতীবৰুৱা "পদ্মকুটীৰ"ত আলহী সোমালহি। মুখলৈ চাই যাওঁতেই ডেকাজন এজন ভাগৰুৱা বাটৰুৱা যেন বোধ হ'ল। মই নমস্কাৰ গ্ৰহণ কৰি তেওঁক মোৰ সাহিত্যিক চৰ্চাৰ কোঠাৰপৰা আথে-বেথে মাতি নি বৈঠক কোঠাৰ এখন মাচিয়াত বহিবলৈ ক'লোঁ; তেওঁ মাচিয়াত (চকি) নবহি, বিনয়-নম্ৰতাৰে সৈতে মোৰ হেলনীয়া জিৰণি-মাচিয়াৰ একাষে পাৰি থোৱা এখন আউজা-বেঞ্চৰ এমূৰে চুচুক-চামাককৈ বহিল। মই থিয়ৈ থিয়ৈ 'ক্ষন্তেক বহি জিৰোৱঁা, মই আহোঁ' এইবুলি ভিতৰ সোমালোঁ, সোমাই আলহী শুশ্ৰূষাৰ দিহা দিলোঁগৈ। সেই ছেগত, ভাগৰ পলুৱাই, চাহ-জলপান খাই, জিৰণি ল'বলৈ তেওঁক সুবিধা দি মই আকৌ সাহিত্যিক চৰ্চাৰ কোঠাত বহি, এটা বাক্য আধালিখাকৈ এৰি থোৱা আধৰুৱা ছেদ এটা লিখি পূৰাই সাম্প্ৰতিকলৈ সামৰি থলোঁহি।

আধাঘণ্টামানৰ পাছত, মই আকৌ বৈঠক কোঠাত সোমাই জিৰণি মাচিয়াত বহিলোঁগৈ। বহি লৈ, ধীৰে-শাঁতে আলহী হাতীবৰুৱাদেৱক কুশল-মঙ্গলৰ বা-বাতৰি সুধি, তেওঁৰ আগমনৰ উদ্দেশ্যৰ সন্তেদ পাবলৈ সঙ্কেত জ্ঞাপন কৰিলোঁ। ততালিকে তেওঁ এইবুলি আগমন-উদ্দেশ্যৰ ব্যাখ্যা দিবলৈ ধৰিলে,—"মই এটা জগৰত পৰিহে আপোনাৰ কাষ চাপিছোঁহি। আৰুবেলি (ইং ১৯২৫ চন) কাউনপুৰ বৈঠকত মই এই বছেৰেকীয়া (১৯২৬ চন) কংগ্ৰেছ বৈঠক অসমলৈ নিমন্ত্ৰণ কৰি আহিছিলোঁ। মোৰ অপৰাধ এই হ'ল যে, ততাতৈয়াকৈ নিমন্ত্ৰণ জ্ঞাপন কৰিবলগীয়া হোৱাত আপোনাসকল অগ্ৰগণী দেশনেতাৰ সম্মতি ল'বলৈ ছেগ ধৰিব নোৱাৰিলোঁ, মাথোন শ্ৰীযুত নবীন বৰদলৈ আৰু মিঃ তৰুণৰাম ফুকনৰ সমৰ্থন পাইছিলোঁ। এতিয়া জোৰ পুৰি হাত পালেহি, অহা ডিচেম্বৰ মাহত বৰদিনৰ বন্ধত পাতিবলগীয়া কংগ্ৰেছ বৈঠকৰ আয়োজন কিমানলৈ আগ বাঢ়িছে তাৰ সন্তেদ বিচাৰি জেনেৰেল ছেক্ৰেটৰীয়ে মোলৈ তাগিদ পত্ৰ লিখিছে। মাজতে তিনিমাহমান মাথোন আছে, এই অলপীয়া সময়ৰ ভিতৰত কেনেকৈ কি কৰোঁ উপায়-বুদ্ধি বিচাৰি আপোনাৰ কাষ চাপিছোঁহি।" মই অলপ গমি চাই, এইভাৱে মোৰ মনোভাৱ ব্যক্ত কৰিলোঁ, ই একো জগৰৰ কথা হোৱা নাই, বৰঞ্চ অসমক নিজগৰীয়া কৰাৰহে উপায় বিধান হৈছে; ইমান দিনে, প্ৰায় অৰ্ধশতাব্দীৰ কালত, ডুকুৰি এটা বৈঠক হৈ যোৱাৰ পাছতো এটা বৈঠক পাতিব নোৱাৰি অসমে কংগ্ৰেছৰ ওচৰত জগৰীয়া হৈহে আছিল, তুমি তোমাৰ দেশক সেই জগৰৰপৰা মুক্ত কৰিবৰ অৰ্থে মৰসাহ দি কংগ্ৰেছৰ আগন্তুক বৈঠক অসমলৈ নিমন্ত্ৰণ কৰাৰ বাবে শলাগৰহে পাত্ৰ। দুৰাশাৰো কাৰণ নাই, কাৰণ ৰাইজে নথ জোকাৰিলে নৈ বয়, তিনিমাহ যথেষ্ট সময়, ইয়াৰ ভিতৰত গা দি উদ্যোক্তা সকল ঘূৰিলে যে উদ্দেশ্য সিদ্ধ হ'ব সি ধ্ৰুৱ। মোৰ সমিধান শুনি হাতীবৰুৱা ডেকাদেৱৰ

মুখত আনন্দ-উল্লাহৰ জেউতি বিৰিঙি উঠিল ; তেওঁ বৰ সন্তোষ আৰু সভক্তিৰে এই বুলি কৃতজ্ঞতা প্ৰকাশ কৰিলে, "এনে উৎসাহপূৰ্ণ সমিধান নাপাম বুলিহে ভাবিছিলোঁ, আপোনাৰ উপদেশ শিৰত লৈ আমি উদ্ভোক্তা কৰ্মীবৃন্দ অনতিপলমে কাৰ্যথলীত নামিমগৈহঁক।" তাৰ পাছত, 'পদ্মকুটীৰ'তে আৰু তিনি চাৰি দিনমান আলহী থাকি, তেজপুৰৰ চৌপাশে ঘূৰি-পকি আৰ্থিক সাহায্যৰ প্ৰতিশ্ৰুতি সংগ্ৰহ কৰি লৈ শ্ৰীমান ৰোহিণীকান্ত হাতীবৰুৱাদেৱে অন্যত্ৰ গতি কৰিলে।

শ্ৰীমান হাতীবৰুৱাদেৱে তেজপুৰত ভুমুকি মাৰি যোৱাৰ ডেৰমাহমানৰ পাছত, নৱেম্বৰ মাহৰ আগপৰত, এদিন পুৱা দহমান বজাত, হঠাৎ মিঃ তৰুণৰাম ফুকন 'পদ্মকুটীৰ'ত উপনীত হ'লহি। মিঃ ফুকনক ভালেমান দিনৰ মূৰত সাক্ষাৎ পাই হৰ্ষবিহ্বল হৈ সাবটি ধৰি বৈঠক কোঁঠালৈ আদৰি নি বহুৱাই বহিলোঁগৈ। কুশল-মঙ্গলাদি সোধা-সুধি হোৱাৰ পাছতে, চাহাবী দস্তুৰেৰে ফুকন চাহাবে ( যদ্যপি খাদৰৰ এঙা কুৰ্তা চোলা-চুৰিয়া পিন্ধা কংগ্ৰেছী সাজেৰে বিভূষিত ) ততালিকে মোক এই বুলি সম্বোধন কৰিলে, "আন কথা পাছত, পোনেই মোৰ আগমনৰ উদ্দেশ্য জনাওঁ, শুনক। আপুনি জানিছেই হ'ব পাৰ, আমি তিনিজন মাথোন দেশ-সেৱকে ( ৰোহিণী. নবীন আৰু তৰুণ ) মৰসাহ দি, মিঃ হাতীবৰুৱাৰ মুখে আগন্তুক কংগ্ৰেছ বৈঠক অসমলৈ নিমন্ত্ৰণ কৰিছিলোঁহঁক। সেই বৈঠক গা পালেহি। ইতিমধ্যত যথাৱতকৈ ধন-বৰঙণি তুলিবলৈকো আৰম্ভ কৰা হৈছে। এতিয়া আপোনাসকল বিজ্ঞ আৰু পৈণত দেশ-নেতাবৰ্গৰ বুদ্ধি-পৰামৰ্শ বুটলিবৰ অৰ্থে ঘূৰিছোঁহঁক। সেই অৰ্থে ই আপোনাৰ কাষ চাপিছোঁহি। আপুনি অৰ্থবল আৰু বুদ্ধিবলৰ সাহায্য দান কৰাৰ উপৰি, কংগ্ৰেছ কৰ্মীবৰ্গৰ এজন নায়কৰ বিষয়-বাব গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।" মিঃ ফুকনৰ অনুৰোধ ততালিকে গ্ৰহণ কৰি মই সমিধান দিলোঁ, বোলোঁ, মোৰ পৰানো কি সহায় পাব, মোৰচোন গা-বল আৰু সময়ৰ বৰ অভাৱ। মিঃ ফুকনে তুৰন্তে এই বুলি মোক মুখি থ'লে, "সাময়িক সঙ্গ পৰামৰ্শাদিৰ সহযোগেই আমি কৰ্মীবৰ্গে যথেষ্ট বল পামহঁক, ওৱেলিংটনৰ নামৰ দৰে আপোনাৰ নামেই দেশসেৱক কৰ্মীবৰ্গক নথৈ উদ্গনিৰ বল দিব। আপুনি আগন্তুক অসম কংগ্ৰেছ বৈঠকত এটা অগ্ৰগণ্য নেতৃত্বৰ বাব ল'বই লাগিব। ভাল, উঠোঁহে এতিয়া।" এই বুলিয়েই ঘপহ্ কৰে উঠি হাত জোকাৰণিৰে মোৰপৰা বিদায় লৈ মিঃ ফুকন লগৰীয়া কৰ্মীকেজনৰে সৈতে আঁতৰ হ'ল।

মিঃ তৰুণৰাম ফুকন আহি যোৱাৰ এপখমানৰ পাছতে, ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত এদিন দুপৰ-ভাটি-দিয়া বেলিকা মই দৈনন্দিন উপাসনা সমাপি গোসাঁই ঘৰৰপৰা ওলাই দুৱাৰ জপাইছোঁ, এনেতে শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈদেৱ দলে বলে আহি 'পদ্মকুটীৰ'ৰ 'গেট'ৰ মুখত উপস্থিত। সিবিলাকে মোৰ 'অফিচ-পটিকো' আৰু 'বৈঠক-পটিকো'লৈ চাই ভুমুকা-ভুমুকি কৰোঁতেই মোৰ ওপৰত চকু পৰাত বৰদলৈদেৱে মৰমৰ মাতেৰে মাতি উঠিল "সৌটিচোন, গোসাঁই ঘৰৰ দুৱাৰদলিত!" মই দেখি সাদৰে 'আহক-আহক' বুলি আহ্বান কৰাত আটাইটি চাপি বৈঠক কোঁঠাত সোমালহি। সিবিলাকক আসন ল'বলৈ অনুৰোধ কৰি বহুৱাই লৈ, মই সমুখতে থিয় দি বৈ সুধিলোঁ, সকাম কি? শুনি যাওঁতেই শ্ৰীমান লক্ষ্মীধৰ শৰ্মাদেৱে

মাত লগালে, "সকামৰ সন্তেদ সম্ভৱতঃ পাইছেই, আমি আগন্তুক অসম কংগ্ৰেছ বৈঠকৰ কাৰণে বৰঙণি তুলিবলৈ ভ্ৰমি ফুৰিছোঁ।" তেওঁৰ কথা তল পেলাই বৰদলৈদেৱে ঘপহ কৰে কৈ পেলালে, "হয়, আপোনাৰ নিজৰ বৰঙণিৰ কাৰণেও কোঁচ পাতিছোঁ।" মই মিঠা মাতেৰে সমিধান দিলোঁ, বোলোঁ, কোঁচৰ যোগ্য যে নায়েই, আঁজলিৰ যোগ্যও নাই, হাতৰ মুঠিতে মোৰ সামান্য দান লুকাব; কোৱা বাহুল্য মাথোন যে, "Literary men are proverbially poor! বাৰু, কেৰ্কেটুৱাৰ বাঁহ পাত সস্তাৰৰ দৰে মোৰ এমাহৰ সাহিত্যিক পেঞ্চন পঁচিশ টকাকে শুদ্ধচিতেৰে আগ বঢ়াইছোঁ।" এই বুলি, মোৰ অফিচ-পৰ্টিকোলৈ আহি আল্‌মাৰি মেলি ৰূপ পঁচিশ টকা নি বৰদলৈদেৱৰ হাতত দিলোঁগৈ। তেওঁ আথেবেথে হাতপাতি বৰঙণিৰ টকাকেইটা লৈ, এই বুলি হৰ্ষোল্লাসেৰে কৃতজ্ঞতা জ্ঞাপন কৰিলে, "এই পৱিত্ৰ বৰঙণি পঁচিশ টকা আমি পঁচিশ লাখ টকা বুলি লৈছোঁ, যিহেতু আপোনাৰ পঁচিশ টকীয়া পেঞ্চন-বৃত্তিটি পঁচিশ লাখ টকীয়া জাতীয় গৌৰৱ বুলিহে আমি অসমীয়া জাতিয়ে মানোহঁক। ক্ষমা কৰিব, আমি অসময়ত আমনি কৰিলোঁহি।" ইমানতে কংগ্ৰেছ কৰ্মীদলক সাদৰে বিদায় দি, এসন্ধীয়া মধ্যাহ্ন ভোজনৰ অৰ্থে মই ভিতৰ সোমালোঁহি।

মিঃ তৰুণ ফুকনক আশ্বাস দি পঠিয়াইছিলোঁ কংগ্ৰেছ বৈঠকৰ এপষমান আগতে মই গুৱাহাটীলৈ গৈ অপৰাপৰ কৰ্মীসকলৰ লগত যোগ দিমগৈ বুলি; তাৰ পাছত, শ্ৰীযুত নবীন বৰদলৈকো প্ৰতিশ্ৰুতি দি পঠিয়ালোঁ অন্ততঃ এসপ্তাহমানৰ আগতে কংগ্ৰেছ নগৰত উপস্থিত হৈ কৰ্মীদলৰ লগ লাগিমগৈ বুলি; পিছে সেই শেহ সপ্তাহৰো দুদিন পাৰ হৈ গ'ল, তথাপি হাতৰ সাহিত্যিক কামবপৰা ক্ষন্তেকো আজৰি নোপোৱা হেতুকে, গুৱাহাটীলৈ গা লৰাব নোৱাৰি আপোনা-আপুনি লাজত পৰিলোঁ। যি হওক, হাতৰ কাম আধৰুৱাকৈ এৰি, অগত্যা বৰদিনৰ বন্ধ আৰম্ভ হোৱাৰ আগদিনা 'কংগ্ৰেছ নগৰ' উদ্দেশে গুৱাহাটীলৈ যাত্ৰা কৰিলোঁ। গৈ পায়েই দেখিলোঁ, বন্ধত তেজপুৰ-ঘৰলৈ আহিবলৈ শ্ৰীমান গোহাঞিদেৱ (৺সিদ্ধেশ্বৰ গোহাঞি, তেতিয়া গুৱাহাটীত ই-এ-চি) সপৰিয়ালে সাজু হৈ আছে; মই তেওঁ থকা ঘৰত থাকি কংগ্ৰেছত যোগ দিব পৰা নহ'ব। গতিকে, 'ৰাজবাড়ী'ত মিতিৰৰ ঘৰত (৺গোহাঞিদেৱৰ বৈনায়ক ৺নবীনচন্দ্ৰ ফুকনৰ ঘৰ) আলহী হৈ, দিনৌ দুবেলাকৈ পাণ্ডুঘাটত প্ৰতিষ্ঠিত 'পাণ্ডৱ নগৰ'ত (কংগ্ৰেছ নগৰ) উপস্থিত হ'ব পৰাকৈ দিহা লগাই ললোঁ। পিছদিনা, মোৰ অগ্ৰজপ্ৰতিম পুৰাতনীয়া বন্ধু শ্ৰীযুত বিনন্দচন্দ্ৰ বেজবৰুৱাদেৱেও (শ্ৰীমান মাধৱ বেজবৰুৱাৰ পিতৃ দেউতাক, ৺লক্ষ্মীনাথ বেজবৰুৱাৰ অগ্ৰজ সহোদৰ) একেখন 'ৰাজ-বাড়ী'তে ৰজাঘৰৰ পূজাৰী বাপু শ্ৰীযুত চন্দ্ৰনাথ শৰ্মাদেৱৰ ঘৰত আলহী সোমাই মোৰ লগৰী হোৱাত মোৰ মনত বৰ ৰং লাগিল; তিনিদিনীয়া কংগ্ৰেছ বৈঠকৰ লগৰীকৈ চতুৰ্থ দিনা হিন্দু-মহাসভা বৈঠকৰ সামৰণলৈকে দুয়ো দিনৌ ৰেলত উঠি পাণ্ডুঘাটলৈ যোৱা-অহা কৰি ৰং পাইছিলোঁহঁক।

পোন প্ৰথম দিনা 'পাণ্ডৱ নগৰ' সোমায়েই চকু-মনত এনে চমক্ লাগি গ'ল, যেন সেইখন সঁচাসঁচিকৈয়ে পৌৰাণিক পাণ্ডৱনগৰ, চাই যাওঁতেই তাত নতুনত্বৰ আধুনিক চিন একো

নেদেখিলোঁ ; পাণ্ডুঘাটলৈ যোৱা আধুনিক আলিবাটটো নতুন নগৰৰ ভিতৰ কৰি তাৰ আশে-পাশে লগলগাই বাট-পদূলিবোৰৰ দুয়ো পাশে দোকান, বজাৰ, পোহাৰ আদি এনেদৰে পৰিপাটিকৈ সজোৱা হৈছিল যে, সেইবোৰ পুৰণি প্ৰতিষ্ঠিত হাট-বজাৰ আৰু নাগৰিক কাৰবাৰৰ কেন্দ্ৰস্থল যেন মনত লাগি যায় ; পুৰণি পাণ্ডু-আলিৰ বাওঁ-হাতে প্ৰতিষ্ঠিত প্ৰকাণ্ড তাম্বু-ৰভাই ডুপুৰামান মাটি জুৰি জিলিকি 'পাণ্ডৱ নগৰ'ৰ চিনাকি দিছে, সোঁ-হাতে অসমীয়া বিবিধ বস্ত্ৰ-বাহানি, এৰি, মুগা, পাট, মেজাঙ্কৰী, কপাহী আৰু খদ্দৰৰ কাপোৰ আদিৰ বিৰাট প্ৰদৰ্শনীৰ সুবহল টোল ; নগৰৰ ভিতৰত ঠায়ে ঠায়ে স্বাভাৱিক ধৰণৰ গছ-গছনি, ফুলনি, বিশেষকৈ কংগ্ৰেছ মণ্ডপ আৰু বিষয়-বাছনি আলোচনা বহাৰ মাজত বিতোপনকৈ পতা ঘূৰণীয়া মনমোহা ফুলনিখনি, চাই থাওঁতেই মন-প্ৰাণ জুৰাই যায় ! পাণ্ডুঘাটৰ পুবে-পশ্চিমে দুয়ো পাশে ব্ৰহ্মপুত্ৰ মুখীয়াকৈ দুশাৰী সভাপতি প্ৰমুখ্যে নানা অঞ্চলৰ বিশিষ্ট 'ডেলিগেট' প্ৰতিনিধি-সমজুৱাসকলৰ কাৰণে সজাই থোৱা বাহৰ ঘৰ,—পশ্চিম শাৰীত সভাপতি শ্ৰীযুত শ্ৰীনিবাস আয়েঙ্গাৰ, মহাত্মা গান্ধীজী, পণ্ডিত মদনমোহন মালব্য, শ্ৰীযুতা সৰোজিনী নাইডু প্ৰমুখ্যে বিশিষ্ট 'ডেলিগেট'সকলৰ বাহৰ, আৰু পূব শাৰীত মৌলানা মহম্মদ আলি, মৌলানা চৌখৎ আলি, মিঃ হাৰ্নিমান ( চোলা, চেলেং, চুৰিয়া পিন্ধা ) মিছেছ নেলী সেনগুপ্ত ( শাৰী পিন্ধি মূৰত ওৰণী লোৱা ), মিঃ জে. এম. সেনগুপ্ত ( কুৰ্তা, চেলেং, চুৰিয়া পিন্ধা ) প্ৰভৃতি বৰমূৰীয়া মুখিয়াল ডেলিগেটসকলৰ কাৰণে 'টিকিট' মাৰি চিন্ লগাই থোৱা বাহৰৰ লানীয়ে আহূত আলহীক আহ্বান কৰি জিলিকি আছে। এনে বিতোপন ব্যৱস্থা দেখি, এইবোৰ মনমোহা কাৰ্যাৱলীৰ গুৰিয়াল কৰ্তা আৰু অভ্যৰ্থনা সমিতিৰ মূল সভাপতি মিঃ তৰুণৰাম ফুকনক ইফালে-সিফালে ভুমুকিয়াই বিচাৰি লৈ হৰ্ষবিহ্বল হৈ সাবটি ধৰি সবল-ভাৱে শলাগিবলৈ ধৰিলোঁ ; মিঃ ফুকনে বিনয় নম্ৰভাৱে তলমূৰকৈ এই বুলি সমিধান দিলে, "এইবোৰ আপোনাসকলৰ সহযোগিতাৰে ফল, মই মাথোন হাতৰ অস্ত্ৰ।" শুনি, মোৰ অন্তৰত বাজি গ'ল, মইনো কিয় আৰু আগধৰি আহি যথাসময়ত কাৰ্যকৰী প্ৰকৃত সহযোগিতা দিব নোৱাৰিলোঁ ! তাৰ পাছত, তেওঁ মোক সেই প্ৰকাণ্ড তাম্বু-ৰভাৰ ভিতৰলৈ সুমুৱাই নি, তাত ভাগে ভাগে নিয়াৰিকৈ পাতি থোৱা আগন্তুক কাৰ্যব্যৱস্থাৱলীৰ বিষয়ে ব্যাখ্যা কৰিবলৈ ধৰিলে ; মই দেখি শুনি বিমোহিত হলোঁ।

টাউনৰপৰা প্ৰত্যহ যোৱা-অহা কৰি দিনদিয়েক কংগ্ৰেছ নগৰত কংগ্ৰেছ কৰ্মীসকলৰ লগত সহযোগিতা যোগ দি আছোঁ, এনেতে আহিল কংগ্ৰেছ বৈঠকৰ প্ৰথম দিন ( ইং ২৬/১২/২৬ )। সেইদিনা আগৰ কেদিনতকৈ সোনকালে 'কংগ্ৰেছ নগৰ'ত উপস্থিত হলোঁগৈ। আমি কংগ্ৰেছ কৰ্মীবৰ্গে 'ডেলিগেট' প্ৰৱেশ দুৱাৰমুখত লাগতিয়াল কাম-বনৰ দিহা-পোহা কৰি থাকোঁতেই নিৰ্ধাৰিত সময়ৰ ( ১ বজাত ) মিনিট দহেকৰ আগতে নেতৃস্থানীয় বিশিষ্ট ডেলিগেটসকলে শাৰী পাতি মণ্ডপ টোলত প্ৰৱেশ কৰিলেহি, সবাৰে আগত মহাত্মা গান্ধীজী ( শ্ৰীযুতা সৰোজিনী নাইডুৰে সৈতে ডিঙ্গি ধৰাধৰিকৈ ) আৰু পিছতে লানী পাতি আনসকল বিশিষ্ট নেতৃস্থানীয় ডেলিগেটসকলে তাম্বু-মন্দিৰৰ ভিতৰ সোমাই বেদী মণ্ডপৰ ওপৰত খদ্দৰেৰে পাৰি

থোৱা নিৰ্ধাৰিত আসন গ্ৰহণ কৰিলেহি, আটাইতকৈ আগশাৰীত সম-মাজতে মহাত্মা গান্ধী আৰু তেখেতৰ সোঁফালে গড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী, বাওঁপাশে পণ্ডিত মদনমোহন মালব্য, দ্বিতীয় শাৰীত মিছেছ নেলী সেনগুপ্ত, শ্ৰীযুতা সৰোজিনী নাইডু প্ৰমুখ্যে কেইগৰাকীমান মহিলা ডেলিগেট, তৃতীয় শাৰীত মিঃ মহম্মদ আলি, মৌলানা চৌখৎ আলি, জে. এম. সেনগুপ্ত, মিঃ হানিমান প্ৰভৃতি যথাক্ৰমে বহি যোৱাত কংগ্ৰেছ মণ্ডপ জিলিকি উঠিল। প্ৰকাণ্ড তাম্বু-ৰভাৰ উত্তৰ ( বেদী মণ্ডপৰ পিছতে ) আৰু পশ্চিম দাঁতিত থাপি-থাপিকৈ পতা সাত খপীয়া ক্ৰমোচ্চ আউজা বেঞ্চ (gallery) ভুলানীত ঠাই থাহ বহা অসংখ্যাত দৰ্শক মণ্ডলী নীৰৱে তধা লাগি চাই খন্তেক থৰ লাগি ৰ'ল। ইয়াৰ আগতে ভিন ভিন প্ৰাদেশিক প্ৰতিনিধি 'ডেলিগেট'বৰ্গে থাপি থাপিকৈ দৰাদৰে খদ্দৰেৰে পতা নিৰূপিত আসনত উপবিষ্ট হৈ আছিলহি। মুঠতে, সেই প্ৰকাণ্ড তাম্বু-ৰভাৰ ভিতৰত অকণো ফাঁক নথকাকৈ লোকাৰণ্যৰ হৃদয়গ্ৰাহী গম্ভীৰ দৃশ্য এটি বিকশিত হৈছিল।

তাৰ পাছত, সেই নীৰৱ গহীনতা ভেদি সমবেত ৰাইজৰ উৰুলীকৃত অন্তৰৰ আনন্দ উচ্চৰৱৰ মাজত উলাহৰ খোজেৰে আগবাঢ়ি অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত তৰুণৰাম ফুকনদেৱে বক্তাৰ বেদীলৈ ( ৰোষ্ট্ৰাম ) উঠি তেওঁৰ সাৰুৱা আৰু সুশ্ৰাব্য অভিভাষণৰ পাঠ আৰম্ভ কৰিলেগৈ। মিঃ ফুকনৰ সুস্পষ্ট আৰু সুপ্ৰসাৰিত কণ্ঠধ্বনিৰে পঠিত সুললিত অভিভাষণৰ পৰিবৃত্ত শ্ৰোতামণ্ডলীয়ে অনিমিলিত আঁখিৰে আৰু নিবিষ্টমনেৰে একাণপতীয়াকৈ শুনিবলৈ ধৰিলে। চমু অথচ বিশদ অভিভাষণৰ সবল আৰু মৰ্মস্পৰ্শী ভালেমান কথাত শ্ৰোতাবৰ্গে বিমুগ্ধভাৱে পাঠৰ ছেদে ছেদে শলাগ সমৰ্থনৰ চাপৰি ধৰিছিল।

অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ পাঠৰ সামৰণি পৰাত, শ্ৰীযুত অম্বিকাগিৰি ৰায়চৌধুৰীদেৱৰ সৌজন্যত সজোৱা পৌৰাণিক ধৰণৰ গায়ন-বায়নৰ দল এটিয়ে তাল-খোল, মৃদং-পেঁপা-বাঁহী-সুৰুলী-ৰামটাল-খুটীটাল-নেপূৰ আদিৰে ঐক্যতাল-মানেৰে বন্ধা সন্মিলিত-সুশ্ৰাব্য বাদ্যেৰে এটি সুদীৰ্ঘ অসমীয়া গীতি গাই মুখৰিত কৰাৰ পাছত, অভ্যৰ্থনা আৰু আদৰণি সভাৰ হৈ শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে এটি মঙ্গলাচৰণ শ্লোক উচ্চাৰণেৰে মালা পিন্ধাই যথাবিধি বৰণ কৰাত শ্ৰীযুত শ্ৰীনিবাস আয়েঙ্গাৰ মহোদয়ে উপবিষ্ট আসন এৰি, সভাপতিৰ আসন গ্ৰহণ কৰি, সমবেত ৰাইজৰ উৰুলীকৃত উলাহৰ উচ্চৰৱৰ আৱাহনত অৱগাহি তেওঁৰ সুদীৰ্ঘ আৰু সাৰুৱা অভিভাষণ গম্ভীৰ স্বৰেৰে পাঠ কৰে। মিঃ আয়েঙ্গাৰৰ অভিভাষণ যথেষ্ট দীঘল হৈছিল, পিছে দীঘ চাই পুতল আৰু উঠন চাই পোতন নহ'ল যেন লাগিল; আগেয়ে শুনা মিঃ ( পাছত ছাৰ ) ফিৰজচাহ মেহটা, বাবু ( পাছত ছাৰ ) সুৰেন্দ্ৰনাথ বানাৰ্জি. পণ্ডিত মদনমোহন মালব্য, মহাত্মা গান্ধী এইসকলৰ অভিভাষণৰ নিচিনা সুপ্ৰশস্ত আৰু সৰ্বমুখী যেন নালাগিল। তথাপি আয়েঙ্গাৰ সভাপতিৰ অভিভাষণ সময়োপযোগী হৈছিল।

তাৰ পাছত, প্ৰথম দিনৰ কাৰ্যতালিকা অনুসৰি, এজন এজনকৈ কেইবাজনো বিশিষ্ট নেতা-নেত্ৰীয়ে নিজ নিজ মন্তব্য প্ৰকাশ কৰি কেইবাটিও শুৱলা বক্তৃতা দিছিল, তাৰ ভিতৰত মহাত্মা গান্ধী, পণ্ডিত মদনমোহন মালব্য আৰু শ্ৰীযুতা সৰোজিনী নাইডুৰ বক্তৃতাই সমবেত ৰাইজৰ

মনোযোগ বিশেষকৈ আকৰ্ষণ কৰিছিল। অসমীয়া নেতৃবৰ্গৰ হৈ শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ-দেৱেও চমুকৈ এটি সাৰুৱা বক্তৃতা দিছিল। বক্তৃতাৰ ছেদে ছেদে একো-একোটি জাতীয় সঙ্গীতেৰে সভাক মনোৰঞ্জক জিৰণিৰ বিৰতি দিয়া হৈছিল। সন্ধিয়া ৭ মান বজাত দ্বিতীয় দিনৰ কাৰ্যতালিকাৰ আলোচ্য বিষয় ঘোষণা কৰাৰ পাছত সিমানতে প্ৰথম দিনৰ বৈঠকৰ কাৰ্যৰ সামৰণি মৰা হয়।

পিছদিনা পুৱা বেলাটো বিষয়-বাছনি সমিতিৰ আলোচনাত পাৰ হয়। এই বৈঠকৰ কাৰণে সুকীয়াকৈ এটা আছুতীয়া বহাত আসন পতা হৈছিল; তাৰ ভিতৰলৈ কাৰ্যনিৰ্বাহক সভাৰ সদস্যত বাজে আন বাজে লোকৰ প্ৰৱেশ নিষেধ আছিল, মাথোন কোনো কোনো বিশিষ্ট লোকে টিকিট লৈ সোমাব পাৰিছিল, সেই ব্যৱস্থাৰ অনুবৰ্তী হৈময়ো সোমালোঁ। সোমাই দৰ্শক হিচাপে দেখিলোঁ, প্ৰত্যেক প্ৰস্তাৱৰ প্ৰস্তাৱক, সমৰ্থক আৰু এজনৰ অনুমোদন অনুসৰি আলোচিত হ'ব লাগিছে। আলোচনা আগত লোৱাৰ পাছত তাৰ সপক্ষে আৰু বিপক্ষে মতামত প্ৰকাশ কৰি নিয়াৰিকৈ ফঁহিয়াই আলোচ্য বিষয়ৰ গুণাগুণ বিচাৰ কৰা হৈছে, সদৌ শেহত প্ৰস্তাৱ গ্ৰাহ্য আৰু অগ্ৰাহ্য কৰাৰ শেষ-সিদ্ধান্ত সভাপতিৰ মুখে ঘোষণা কৰা নীতি চলিব লাগিছে; কিন্তু যদ্যপি সিদ্ধান্তাৱলী যথাৰীতি সভাপতিয়ে ঘোষণা কৰিছিল, প্ৰকৃতপক্ষে প্ৰত্যেক সিদ্ধান্ত মহাত্মা গান্ধীজীৰ অনুমোদন সাপেক্ষ হৈ ঘোষিত হৈছিল। বিষয়-বাছনি সমিতিৰ এই ৰীতি-নীতি মই আন্তৰিকতাৰে সৈতে লক্ষ্য কৰি মনে মনে বৰ সন্তোষ পাইছিলোঁ। ভৰদুপৰীয়া ১২ বজাত বিষয়-বাছনি সমিতিৰ কাৰ্য সামৰি সদস্যসকল নিজ নিজ আলহী-বহামুখীয়া হ'ল।

ভাটিবেলা আবেলি ২ বজাৰপৰা থাই তাম্বু-ৰভাৰ তলত মুকলি বৈঠক বহিল। এই বৈঠকত, বিষয়-বছনি সমিতিয়ে বাছি দিয়া প্ৰস্তাৱ বা ৰিজলিউচনবিলাক এটা-এটাকৈ সমবেত ৰাইজৰ আগলৈ দাঙি ধৰা হয়; এই আলমত প্ৰস্তাৱক আৰু সমৰ্থকত বাজেও অপৰাপৰ সমজুৱাই নিজ নিজ অভিমত অবাৰিতভাৱে প্ৰকাশ কৰিবলৈ সুবিধা পাইছিল আৰু সদৌশেহত সৰহীয়াৰ যুক্তি প্ৰাধান্য অনুযায়ীকৈ প্ৰস্তাৱবোৰ গ্ৰাহ্য আৰু অগ্ৰাহ্য হৈছিল। সমবেত সমজুৱাসকলক সুকীয়াকৈ বক্তৃতাৰ বাট লগাই দিয়াৰ উদ্দেশ্যে প্ৰত্যেক প্ৰস্তাৱৰ তৰ্কালোচনাৰ আলমত প্ৰস্তাৱক আৰু সমৰ্থকৰ ওপৰঞ্চিকৈ যাৰে মন যায় সেয়ে মনোভাৱ প্ৰকাশ কৰিবলৈ ছেগ পাইছিল। এই বিধানেৰে ধৰি নিৰ্দ্ধাৰিত প্ৰস্তাৱাৱলীৰ সমালোচনা সন্ধিয়া সাত বজালৈকে চলিল, সিমানতো তাৰ সামৰণি নপৰাত আঁদিকা থকা প্ৰস্তাৱ গোটাচেৰেকৰ আলোচনা পিছদিনাৰ পুৱাবেলালৈ থৈ সিমানতে দ্বিতীয় দিনাৰ বৈঠক স্থগিত ৰখা হয়।

পিছদিনা পুৱা ৮ বজাত মহাত্মা গান্ধীয়ে কংগ্ৰেছ-প্ৰদৰ্শনী টোলৰ দুৱাৰ মুকলি কৰে। সেই আলমতে মহাত্মাজীয়ে 'স্বদেশী গ্ৰহণ আৰু বিদেশী বৰ্জন' বিষয়ক এটি সাৰুৱা আৰু হৃদয়গ্ৰাহী বক্তৃতা দিছিল; শ্ৰোতাবৰ্গে দুবৰি ঘাঁহনিত লেপেটাকাৰি বহি একান্ত মনেৰে শুনিছিল, তাৰ মাজতে ময়ো আছিলো। এই প্ৰসঙ্গতে মহাত্মা গান্ধীয়ে বিশদ বুজনি দিছিল,

'স্বৰাজ' নো কি আৰু কি উপায়েৰে লাভ কৰিব পাৰি। তেথেতৰ মতে স্ব-সমলৰ ওপৰত নিৰ্ভৰ কৰি টিকিব পৰাটোৱেই 'স্বৰাজ'; তাকে আৰ্জিবলৈ আমাৰ দেশবাসী পৰিযত্ন হ'ব লাগে। তাৰ পাছত, গান্ধীজীক আগত লৈ আমি সকলোটিয়ে সেই সুবহুল প্ৰদৰ্শনী টোলৰ ভিতৰত নিয়াৰিকৈ সজাই থোৱা বিবিধ স্বদেশী উৎপনৰ সমল পৰিদৰ্শন কৰিবলৈ ধৰিলোঁহঁক। সেই প্ৰদৰ্শনী-সমতলৰ মাজত আচল ঘাই সমল স্বদেশী বস্ত্ৰাদিয়ে গান্ধীজী প্ৰমুখ্যে দৰ্শকবৰ্গৰ সতৃষ্ণ দৃষ্টি বিশেষকৈ আকৰ্ষণ কৰিছিল; এৰি, মুগা পাট, কপাহী, মেজাঙ্কৰী আৰু খদ্দৰৰ বস্ত্ৰাদি বৰ আগ্ৰহেৰে লিৰিকি বিদাৰি চাই স্বদেশী লেংটি মৰা মহাত্মাজীয়ে এটি আপুৰুগীয়া হৰ্ষবিহ্বল ৰূপ ধাৰণ কৰিছিল! অসমীয়া এৰি, মুগা, পাট, মেজাঙ্কৰী আৰু কপাহী কাপোৰৰ উৎকৃষ্টতা নথৈ শলাগি পণ্ডিত মদনমোহন মালব্য, শ্ৰীযুতা সৰোজিনী নাইডু প্ৰমুখ্যে আন প্ৰদেশী নেতা-নেত্ৰীসকলে গৰাকীবিলাকৰ হাততে ধন দি সেইবোৰ কাপোৰ-কানিৰ কিছুমান কিনি লৈছিল; আৰু তাৰ লগে লগে সিবিলাকে এইবুলি আক্ষেপসূচক মন্তব্য প্ৰকাশ কৰিছিল, "আমাৰ অসম দেশজাত এনেবোৰ বিতোপন স্বদেশী বস্ত্ৰাদি উৎপনৰ উন্নতিলৈ আওকাণ কৰি আমি জাপানী, বিলাতী, জাৰ্মানী, মাৰ্কিণ বস্ত্ৰাদিৰ ৰংচঙত মোহ গৈছোঁহঁক!" মনে মনে ময়ো মুৰ দুপিয়াই থলোঁ।

ভাটিবেলা আবেলি ২ বজাৰপৰা ঘাই ৰভা-মণ্ডপত মুকলি বৈঠকৰ কাৰ্য আৰম্ভ কৰা হয়। পোন প্ৰথমতে, আগদিনাৰ বাকী থকা প্ৰস্তাৱাদিৰ আলোচনা আগত লৈ তাৰ সমাপতিৰ মোখনি মাৰি থোৱা হয়। তাৰ পাছত আগন্তুক বছেৰেকীয়া বৈঠকৰ কাৰণে লাগতিয়াল বিষয়ক আগতীয়া আলোচনাৰ সমাধান কৰি উঠি, পুৰণি সমজুৱা আৰু বিষয়ববীয়া সদস্য-সকলৰ পদত্যাগী 'ইস্তফা' গ্ৰহণ কৰি নতুনকৈ নিৰ্বাচিত নতুন সদস্যৰে সৈতে নতুন কাৰ্যনিৰ্বাহক সভা গঠন কৰা হয়; এই নিৰ্বাচনত সদৌ প্ৰদেশ সমজুৱাই উদাৰভাৱে আৰু অতি উলাহেৰে মিঃ তৰুণৰাম ফুকনৰ নামে সমৰ্থনৰ 'ভোট' দি তেওঁকো এজন সদস্য পতা দেখি মই বৰ সন্তোষ পাইছিলো।

## সদৌ-ভাৰত হিন্দু-মহাসভাৰ অসম বৈঠক

কংগ্ৰেছ বৈঠকৰ সদৌ শেহৰ দিনা পুৱাৰপৰা আবেলি ২ বজালৈকে পৰ্যালোচনাৰ পাছত গুৱাহাটী কংগ্ৰেছ অধিবেশনৰ কাৰ্যৰ সামৰণি পৰা মাত্ৰকে মুছলমান ডেলিগেটসকলে দিহাদিহি ওলটা-যাত্ৰাৰ কাৰণে সষ্টম হোৱাৰ অৰ্থে লৰালৰিকৈ বিদায় লৈ মণ্ডপ এৰি আঁতৰ হ'ল; কিন্তু নানা ঠাইৰপৰা অহা হিন্দু ডেলিগেটসকল আৰু দৰ্শকবৃন্দ আগন্তুক 'হিন্দু-মহাসভা'ৰ অসম বৈঠকৰ কাৰ্যাৰম্ভণৰ প্ৰতীক্ষাত স্থিৰচিত্তে বহাভাগেই ৰৈ গ'ল।

কংগ্ৰেছ বৈঠকৰ সামৰণৰপৰা ডেৰঘণ্টা মানৰ পাছত, সদৌ ভাৰতীয় হিন্দু-মহাসভাৰ বৈঠকৰ কাৰ্য আৰম্ভ কৰা হ'ল। পোন প্ৰথমেই অযোধ্যা প্ৰদেশী এগৰাকী সুপণ্ডিত, সুগায়ক সুশ্ৰী হিন্দু নেতাই, পুৰণিকলীয়া হিন্দু-হিন্দী গীত-বাদ্যৰে সৈতে মঙ্গলাচৰণ আৰম্ভ কৰে। আমি দেখি-শুনি পুলকিত প্ৰাণেৰে হৰ্ষবিহ্বল হৈ থৰ লাগিলোঁহঁক। খোল, মৃদং, খঞ্জৰী,

ভোৰতালৰ তাল-মান মিলাই, বেহেলা, চেতাৰ, তানপুৰা, পেঁপা, মুৰুলী, খঞ্জৰী আদি সম্মিলিত বাদনৰ ঐক্য সুৰৰ চেৰে চেৰে চমক্ দি সেই থুলন্তৰ নমস্য পণ্ডিত গায়ক গৱাকীয়ে গভীৰ আধ্যাত্মিক ভাবৰ বিমোহন গীত গাই তাৰ কলি সামৰণৰ ছেদে-ছেদে "ৰাম-ৰাম" নামৰ মোখনী লগাই, সমবেত ৰাইজক দোহাৰিবলৈ দি, কি যে এটি মৰ্মস্পৰ্শী হৃদয়গ্ৰাহী সমজুৱা ভাবৰ হেন্দোলনি তুলিছিল, সেই বিষয় স্বৰূপকৈ বৰ্ণাবলৈ কথা বিচাৰি নাপাওঁ। কিন্তু সুঁৱৰি চালে সি আজিকোপতি মোৰ মন-প্ৰাণ ৰসময়ী ভক্তিভাবত তন্ময় কৰি তোলে।

মঙ্গলাচৰণ গীত-বাদ্যৰ সামৰণৰ লগে লগে বিৰাট সভা মণ্ডপ ক্ষন্তেক নিজম পৰিল। তন্ময়ী আনন্দ উপভোগৰপৰা সাৰ পাই ধৰ্মপ্ৰাণ ভক্ত জনমণ্ডলীয়ে আনন্দাশ্ৰু টুকিবলৈ ধৰিলে। সেই ছেগতে, অসম হিন্দু-মহাসভা বৈঠকৰ আদৰণি সভাৰ সভাপতি শ্ৰীশ্ৰীগড়মূৰীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে বেদীপাৰ্শ্বস্থ আসনৰপৰা উঠি সুগভীৰ কৰাল গতিৰে অগ্ৰসৰ হৈ সুসজ্জিত ওখ বক্তৃতা-ভেঁটিত থিয় দি সসম্ভ্ৰমে তেখেতৰ জ্ঞানগৰ্ভ অসমীয়া অভিভাষণ সুললিত সুৰেৰে পাঠ কৰিবলৈ ধৰিলে। ভিন্ ভিন্ প্ৰদেশী সেই বিৰাট জন-সমাজৰ মাজত ভালেমানে অসমীয়া ভাষা নুবুজা হেতুকে, সভাপতিৰ অভিভাষণৰ প্ৰতি বাক্যৰ পাঠৰ ছেদে-ছেদে তাৰ ইংৰাজী তৰ্জমা শুনাই যাবলৈ বুলি এজন বিশিষ্ট গ্ৰেজুৱেট বক্তা নিয়োগ কৰা হৈছিল ; কিন্তু তেওঁৰ কণ্ঠস্বৰ ক্ষীণ আৰু তৰ্জমা খৰতৰ আৰু নিয়াৰি নোহোৱা হেতুকে, মোৰ প্ৰস্তাৱ অনুসৰি, সেই কাৰ্যৰ বাব মিঃ তৰুণৰাম ফুকন বাৰিষ্টাৰ চাহাবৰ ওপৰত অৰ্পিত হয়। প্ৰত্যুৎপন্নমতি স্বৰূপ-অনুবাদক উচ্চকণ্ঠী সুবক্তা ফুকনদেৱে সমবেত শ্ৰোতা ৰাইজে বিশদকৈ শুনাকৈ শুৱলা ইংৰাজী ভাষাত সুস্পষ্ট উচ্চাৰণেৰে পাঠৰ লগে লগে বাক্যৰ ছেদে-ছেদে বিৰতি নোহোৱাকৈ সেই গভীৰ আধ্যাত্মিক ভাবৰ অভিভাষণটিৰ সৰল ব্যাখ্যা দি যাবলৈ ধৰিলে। শ্ৰোতা মণ্ডলীয়ে একাণপতীয়াকৈ মনপাৰি শুনি শুনি তন্ময়ভাবত বিমোহিত হোৱা প্ৰত্যক্ষে দেখা গৈছিল। ডেৰঘণ্টামান পাঠ কৰি সেই আৱাহন-সমিতিৰ সভাপতিৰ অভিভাষণৰ সামৰণি মাৰি সভাপতি গোসাঁই প্ৰভুৱে পুলকিত চিত্তেৰে বক্তৃতা মঞ্চৰপৰা নামি নিৰূপিত নিজাসনত পুনৰপি উপবিষ্ট হ'লহি।

আৱাহন-সমিতিৰ সভাপতিৰ অভিভাষণ পাঠৰ সামৰণি পৰাত, সমবেত ৰাইজৰ নিস্তব্ধতা ভাঙি, জাউৰি-জাউৰি হাত চাপৰিৰ আনন্দধ্বনিৰ উলাহত আপ্লুত হৈ হিন্দু-মহাসভা বৈঠকৰ নিৰ্ধাৰিত মূল সভাপতি হিন্দুশাস্ত্ৰবিশাৰদ ভাৰত-ভাস্কৰ সুপ্ৰখ্যাত পণ্ডিত মদনমোহন মালব্য মহোদয়ে হাতত সভাপতিৰ অভিভাষণ লৈ ধীৰ-গম্ভীৰ গজেন্দ্ৰ-গমনেৰে গতি কৰি বক্তৃতা মঞ্চত সনম্ৰ নমঃকাৰেৰ জিলিকি উঠিলগৈ ; সমবেত ৰাইজৰ উৰুলীকৃত উচ্চৰৱ মাৰ গৈ কাঁহপৰি জিম যোৱাৰ সদৃশে ক্ষন্তেকমান নিজম পৰিল।

স্বভাৱসুলভ কোকিলকণ্ঠীয়া সুৰেৰে বয়োজ্ঞানবৃদ্ধ পৰম শ্ৰদ্ধেয় পণ্ডিত মালব্যদেৱে সভাপতি অভিভাষণৰ পাতনি ধীৰ-গহীন-গম্ভীৰ স্বৰেৰে পাঠ কৰিবলৈ ধৰাত সমবেত ৰাইজে একাণ-পতীয়া মনোযোগেৰে শুনিবলৈ ধৰিলে।